স্বাধীনতা সংগ্রামত যোৰহাট

স্বাধীনতা সংগ্রামত যোৰহাট



সম্পাদনা :

শ্রীদেৱেশ্বৰ দলৈ
শ্রীতিলেশ্বৰ ৰবদলৈ

প্রকাশক

যোৰহাট জিলা মুক্তি যুঁজাক সম্মিলন
যোৰহাট : অসম

Swadhinata Sangramat Jorhat : a brief history of Freedom Movements in India with reference to Assam from 1928 to 1942 and to Jorhat in particular with the brief life sketches of Freedom Fighters of Jorhat, Edited by Sri Debeswar Doloi and Sri Tileswar Bardoloi & published by Jorhat Zilla Mukti Jujaru Sanmilan. Price Rs. 200.00 only.

স্বাধীনতা সংগ্রামত যোৰহাট

সম্পাদনা :
যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ হৈ
শ্ৰীদেৱেশ্বৰ দলৈ
শ্ৰীতিলেশ্বৰ বৰদলৈ

যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত

প্ৰকাশক :
যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলন
প্ৰথম প্ৰকাশ : জুলাই, ১৯৯৫

বেটুপাতৰ শিল্পী :
শ্ৰীত্ৰৈলোক্য দত্ত

মূল্য : ২০০.০০ (দুশ) টকা মাত্ৰ

মুদ্ৰণত :
পূৰ্ব্বশ্ৰী অফছেট প্ৰিণ্টাৰ্ছ
গায়ন গাওঁ পথ
যোৰহাট - ৭৮৫০০১

উৎসর্গা

ভাৰতৰ স্বাধীনতা সংগ্ৰামত
জাতিৰ জনক মহামানৰ মহাত্মা গান্ধীৰ
নেতৃত্বত সন্মুখ সমৰত মৰণকো তুচ্ছজ্ঞান কৰি যিসকলে
মুক্তি যুঁজাৰুৱে অকৃত্ৰিম দেশপ্ৰেম আৰু আত্মত্যাগৰ
চিৰস্মৰণীয় নিদৰ্শন ৰাখি থৈ গ'ল,
সেইসকল অমৰ বীৰ-বীৰাঙ্গনাৰ পবিত্ৰ স্মৃতিত
যোৰহাট জিলা মুক্তি যুঁজাৰু সম্মিলনৰ
"স্বাধীনতা সংগ্ৰামত যোৰহাট"
গ্ৰন্থখনি উৎসৰ্গা কৰা হ'ল

সমীপেষু . . . . . .

. . . . . .

শ্রদ্ধাভাজনেষু,

যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনে আমাৰ ওপৰত অর্পণ কৰা দায়িত্ব নতশিৰে গ্রহণ কৰি সুদীর্ঘ প্রচেষ্টা আৰু শ্রমৰ বিনিময়ত প্রকাশ পোৱা "স্বাধীনতা সংগ্রামত যোৰহাট" নামৰ গ্রন্থখনি আপোনালৈ সশ্রদ্ধ উপহাৰ হিচাবে আন্তৰিকতাৰে আগবঢ়ালৈ পাই আমি গৌৰৱ অনুভৱ কৰিছোঁ ।

অজানিত ভুল ত্রুটিৰ ক্ষমা প্রার্থনাৰে আৰু শুভেচ্ছাৰে - ইতি

বিনীত

শ্রীদেৱেশ্বৰ দলৈ

শ্রীতিলেশ্বৰ বৰদলৈ

সম্পাদকদ্বয়

সূচীপত্র

- সম্পাদকীয় চিন্তা ১(১)-১(৩১)
- স্বাধীনতা সংগ্রামৰ বাটকটীয়াসকল ১(৩২-১(৪৪)
- পাতনি - শ্রীৰবীন কাকতি ক-ন
- ভূমিকা - শ্রীবিজয় চন্দ্র ভাগৱতী ত-ক্ষ
- পূর্বাভাস
- মণিৰাম দেৱান আৰু পিয়ালি বৰুৱাৰ ফাঁচী য়

প্রথম খণ্ড

- কৃষক বিদ্রোহ ঃ ৰাইজৰ মেল ১
- নৱ জাগৰণ ৬
- নতুন ৰাজনৈতিক চেতনা ৮
- প্রথম বিশ্ব যুদ্ধ ১২
- জালিৱানৱালা বাগৰ হত্যাকাণ্ড ১৩
- অসহযোগ আন্দোলন ১৫
- পাণ্ডু কংগ্রেছ, ১৯২৬ ৪৭
- অর্ডিনেন্স আৰউইন, গ'বেক ৫১
- প্রথম ৰাষ্ট্রীয় সন্মিলন, ১৯৩১ ৫৩
- দ্বিতীয় ৰাষ্ট্রীয় সন্মিলন, ১৯৩২ ৫৪
- অসম ৰায়ত সভা, ১৯৩৩ ৫৫
- যোৰহাটত হৰিজন আন্দোলন ৫৬
- অসম ৰাষ্ট্রীয় সন্মিলন, ১৯৩৫ ৬০
- ব্যক্তিগত সত্যাগ্রহ আন্দোলন ৬২
- পৃথি নৈৰ শিৰিৰ, ১৯৪০ ৬৩
- ১৯৪২ ৰ গণ বিপ্লৱ ৬৪
- ভাৰত ত্যাগ প্রস্তাৱ ৬৫
- ১৯৪২ চনৰ গণ বিপ্লৱ আৰু অসম - ত্যাগবীৰ হেম বৰুৱা ৭১

- বিভিন্ন জিলাত হোৱা গুলীচালনাত মৃত্যু আৰু আঘাত হোৱা লোকৰ সংখ্যা ৭৯
- জয়প্রকাশ নাৰায়ণ আৰু বিয়াল্লিছৰ বিপ্লৱ ৮৩
- অমৰ শ্বহীদ কুশল কোঁৱৰ ১০৭
- শ্বহীদ কমলা মিৰি ১১১

জীৱনী খণ্ড

- কাল পূৰ্বজ ধৰ্মাচাৰ্য্য শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী ১১৩
- দেশনেতা কুলধৰ চলিহা ১১৭
- হৰিজন বন্ধু কৃষ্ণনাথ শৰ্মা ১২২
- জননায়ক দেৱেশ্বৰ শৰ্মা ১২৬
- অসম গৌৰৱ ৰোহিনীকান্ত হাতীবৰুৱা ১৩০
- কৰ্মপ্রাণ হৰিনাৰায়ণ বৰুৱা ১৩৩
- ৰামেশ্বৰ ভট্টাচাৰ্য্য ১৩৬
- সৰ্বেশ্বৰ ৰৰচেতিয়া ১৩৮
- বিদ্যাধৰ শৰ্মা ১৪১
- লক্ষেশ্বৰ বৰুৱা ১৪৪
- শশীধৰ মলীয়া বৰুৱা ১৪৬
- গঙ্গাধৰ ৰৰকটকী ১৪৯
- মহেশ্বৰ ৰৰকটকী ১৫১
- মোহন চন্দ্র মহন্ত ১৫৪
- নিৰাৰণ চন্দ্র বৰুৱা ১৫৭
- ৰোষেশ্বৰ ৰাজখোৱা ১৫৮
- মুকলীধৰ বৰুৱা ১৬২
- শ্রমিক প্রাণ সৰ্বেশ্বৰ ৰৰদলৈ ১৬৫
- চক্রেশ্বৰ শইকীয়া ১৬৮
- কুমুদেশ্বৰ বড়া ১৭১
- পদ্মেশ্বৰ গোস্বামী ১৭৩
- ঋষেশ্বৰ দলৈ ১৭৬
- মোহন চন্দ্র গোস্বামী ১৭৮

❐ সোণৰাম চুতীয়া ১৮০

দ্বিতীয় খণ্ড

❐ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ
(ক) ৰাষ্ট্ৰীয় সংগীত ১৮৫
(খ) পতাকা উত্তোলনৰ গীত ১৮৫
(গ) পতাকা অৱতৰণৰ গীত ১৮৬
(ঘ) বিভিন্ন গীত ১৮৭-১৯১
জাতীয় সঙ্গীত ১৯২
ৰাষ্ট্ৰীয় সঙ্গীত ১৯২

❐ বিভিন্ন মৌজাৰ জীৱিত মুক্তি যুঁজাৰু সকলৰ সংক্ষিপ্ত জীৱন চৰিত
১। শিমলুগুৰি মৌজা ১৯৩
২। টীয়ক মৌজা ২০৩
৩। চাওখাট আৰু হাতীগড় মৌজা ২১৪
৪। লাহিং আৰু নকছাৰী মৌজা ২২৬
৫। গাখীৰখোৱা মৌজা ২৩১
৬। হোলোঙ্গাপাৰ মৌজা ২৩৮
৭। চাৰিগাওঁ মৌজা ২৪৫
৮। হেজাৰী আৰু বালিগাওঁ মৌজা ২৫০
৯। সৰুচৰাই মৌজা ২৫২
১০। পৰ্ব্বতীয়া মৌজা ২৫৬
১১। খঙ্গিয়া মৌজা ২৫৮
১২। চৰাইবাহী মৌজা ২৬২
১৩। গড়মূৰ আৰু কাটনি মৌজা ২৬৩
১৪। ঠেঙাল মৌজা ২৬৭
১৫। তিতাবৰ মৌজা ২৬৮
১৬। আমগুৰি খৰিকটীয়া মৌজা ২৭৬
২৭। মাজুলী কমলাবাৰী মৌজা (গড়মূৰ সত্ৰ) ২৮২
১৮। মাজুলি শালমৰা মৌজা ২৮৭

১৯। যোৰহাট নগৰ মহল মৌজা ২৮৯
২০। পৰিশিষ্ট বিভিন্ন মৌজাৰ ৩০১
☐ আমি পাহৰিব নোৱাৰো
(যোৰহাট কাৰাগাৰৰ অভূতপূৰ্ব ঘটনা) ৩০৯
☐ আমি শ্ৰদ্ধাৰে সুঁৰৰিছো ৩১৩

তৃতীয় খণ্ড

☐ প্ৰয়াত মুক্তি যুঁজাৰুৰ সংক্ষিপ্ত জীৱন চৰিত
১। যোৰহাট নগৰ ৩৩১
২। শিমলুগুৰি মৌজা ৩৪২
৩। টীয়ক মৌজা ৩৫২
৪। চাওখাট মৌজা ৩৬৮
৫। লাহিং মৌজা ৩৮২
৬। নকছ্বী মৌজা ৩৮৪
৭। গাখীৰ খোৱা মৌজা ৩৮৬
৮। হোলোঙ্গাপাৰ মৌজা ৩৯০
৯। চাৰিগাওঁ মৌজা ৩৯১
১০। সৰুচৰাই মৌজা ৩৯৭
১১। পৰ্ব্বতীয়া মৌজা ৩৯৮
১২। খণ্ডিয়া মৌজা ৪০০
১৩। চৰাইবাহী মৌজা ৪০৪
১৪। কাটনি মৌজা ৪০৫
১৫। তিতাবৰ মৌজা ৪০৭
১৬। ঠেঙাল মৌজা ৪১০
১৭। আমগুৰি খৰিকটীয়া মৌজা ৪১৩
১৮। মাজুলী - গড়মূৰ সত্ৰ - কমলাবাৰী, শালমৰা মৌজা ৪১৭
১৯। পৰিশিষ্ট - চাওখাট মৌজা - খণ্ডিয়া মৌজা, যোৰহাট নগৰ আদি ৪২২
২০। বিয়াল্লিছৰ বিপ্লবত বিভিন্ন জিলাত হোৱা গুলীচালনা ৪৫৭
২১। অসম গৌৰৱ বোহিনীকান্ত হাতীবৰুৱালৈ (গীত) ৪৭৪
মুক্তি যুঁজাৰুলৈ (গীত) ৪৭৫

***

জাতির পিতা মহামানব মহাত্মা গান্ধী



বর্তমান সমাজত প্রচলিত সাতটা অনীতি ঃ

১। আদর্শ বিহীন রাজনীতি
২। শ্রম বিহীন সম্পদ
৩। নৈতিকতা বিহীন বাণিজ্য
৪। চরিত্র বিহীন শিক্ষা
৫। বিবেক বিহীন আনন্দ
৬। বিবেক বিহীন বিজ্ঞান
৭। ত্যাগ বিহীন উপাসনা

- গান্ধীজী

সকলো মানুহকতো ঈশ্বৰেই সৃজন কৰিছে ? তেন্তে কোনোবা মানুহ উচ্চ কোনোবা নীচ কেনেকৈ হ'ব পাৰে ? এই ভাবনাটোৱেই ভুল ।

- কস্তুৰবা

"এইজন পুৰুষৰ হাতত জাতিটো নিৰাপদ" বাপুৰ কাষত নেহৰু আৰু পেটেল



ভারত ত্যাগ আন্দোলনর ভারতর কংগ্রেছ মহাসভার
সভাপতি মৌলানা আবুল কালাম আজাদ



ভাৰতৰ ৰাষ্ট্ৰপতিসকল



ৰাজেন্দ্ৰ প্ৰসাদ
(১৯৫০-১৯৬২)

এচ, ৰাধাকৃষ্ণণ
(১৯৬২-১৯৬৭)



জাকিৰ হুছেইন
(১৯৬৭-১৯৬৯)

শ্ৰী ভি. ভি. গিৰি
(১৯৬৯-১৯৭৪)



ফখরুদ্দিন আলি আহমেদ
(১৯৭৪-১৯৭৭)

নীলম সঞ্জীব রেড্ডী
(১৯৭৭-১৯৮২)

গিয়ানী জৈইল সিং
(১৯৮২-১৯৮৭)

শ্রীআর. ভেংকেটরমণ
(১৯৮৭ চনর ২৪ জুলাইর পরা)

"দৃঢ় উদ্দেশ্য আৰু পৱিত্ৰ অন্তৰেৰে আমি তীৰ্থযাত্ৰাত খোজ দিছো"
পালাম বিমান বন্দৰত নেহৰু আৰু শাস্ত্ৰী

ভারতের প্রথম প্রধান মন্ত্রী পণ্ডিত জওহরলাল নেহরু

ভাৰতৰ প্ৰথম মহিলা প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী



ঁলোকপ্ৰিয় গোপীনাথ বৰদলৈ
অসমৰ মুখ্যমন্ত্ৰী (১৯৪৬-৫০)

শ্রীবিষ্ণুরাম মেধি



শ্রীবিমলা প্রসাদ চলিহা

মহেন্দ্র মোহন চৌধুরী



বিপ্লবী বীর শঙ্কর চন্দ্র বক্সী

অমিয় কুমার দাস

ত্যাগবীর হেম বরুয়া

ভাৰত ত্যাগ আন্দোলনৰ অসম কংগ্রেছৰ নেতৃত্ব দিয়া মহম্মদ তৈয়বউল্লা

যোৰহাট ভ্ৰমণ কালত মহাত্মা আৰু
তেওঁৰ বাওঁহাতে কাষত কৃষ্ণ নাথ শৰ্মা

বিয়াল্লিছৰ বিপ্লৱৰ অন্যতম নেতা জয়প্রকাশ নাৰায়ণ

আচার্য্য নৰেন্দ্র দেৱ
(১৮৮৯-১৯৫৬)

সম্পাদকীয় চিন্তা

যোৰহাট, স্বাধীন অসমৰ শেষ ৰাজধানী যোৰহাট । দুজন ৰাজকীয় বিষয়াৰ নামেৰে দুখন হাট । পাচলৈ, মাছৰহাট, চকীহাট । এযোৰ হাট । যোৰা লগাই যোৰহাট । ১৭৯৪ চন । স্বৰ্গদেউ গৌৰীনাথ সিংহ সিংহাসনত । ৰংপুৰৰ পৰা ৰাজধানী স্থানান্তৰ কৰা হ'ল যোৰহাটলৈ । ৰজামৈদাম মৈদাম দুটা আৰু ৰাজমাও পুখুৰীয়ে নগৰখনত স্বাক্ষৰ বহন কৰিছে । অৱশ্যে অসমত প্ৰায় প্ৰতি প্ৰান্ত স্বাধীন ৰাজত্বৰ ছয়শ বছৰীয়া বুৰঞ্জীৰ বোলেৰে বোলোৱা চিন মোকাম থাকিব ক'ৰ পৰা ! আচম্বিতে ৰাজধানী স্থানান্তৰৰ সিদ্ধান্ত । ৰাজকাৰেং বোলে শৰণ খেৰৰ জুপুৰীহে আছিল । অৱশ্যে আৰ্হি ৰাজকীয় । বাট'চৰা, চ'ৰাঘৰ, মাৰল ঘৰ, ৰৰঘৰ, ৰান্ধনীঘৰ, ভঁৰালঘৰ আদি 'ঘৰ' সমূহৰ আৰ্হি অপৰিবৰ্ত্তিত আছিল । নিভাঁজ অসমীয়া আৰ্হিৰ স্থাপত্য পদ্ধতি — থলুৱা আহিলাৰে ।

১৭৯৪ ৰ পৰা ১৮২৬ লৈ । মাত্ৰ ৩২ বছৰ । আহোম ৰাজত্বৰ সিংহাসন তল-বামল । ইটোৰ পিচত সিটো জোকাৰণি, যেন প্ৰচণ্ড ভূঁইকঁপ । শেষত মিঙ্গিমাহা তিলোৱাৰ নেতৃত্বত মানৰ — এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ আক্ৰমণৰ অত্যাচাৰে নৃশংসতাৰ শীৰ্ষ বিন্দু পালেগৈ । ড০ সূৰ্য্য কুমাৰ ভূঞাৰ ভাষাৰে অসমত "ছয় অনা প্ৰজাহে থাকিলগৈ ।" শেষত আহিল ইংৰাজ । ছয়শ বছৰীয়া স্বাধীনতা সূৰ্য্য নিৰ্বাপিত হ'ল । নিষ্কাষিত হ'ল হুমুনিয়াহ, নিৰ্গত হ'ল বিদ্ৰোহ । সংগোপনে কিন্তু সুদৃঢ় ভাৱে । মনত বিপ্লৱ, অন্তৰত বিপ্লৱ, প্ৰস্তুটিত বিপ্লৱ । বিপ্লৱৰ নেতৃত্ব ল'লে যোৰহাটে ।

১৮২৮ চন । নকছাৰীৰ ৰজাবাৰী । সৌ সিদিনালৈকে ৰজাবাৰীৰ নাম গমধৰ কোৱঁৰৰ বাৰী । গমধৰে মূহুর্ত্তৰ কাৰণেও ইংৰাজক স্বীকাৰ কৰি নল'লে । নিজকে 'ৰজা' বুলি ঘোষণা কৰিলে । ৪ দিন ৰাজপাট খালে ।

তাৰ পাচত নির্বাসন দণ্ড । গমধৰে নকছ্বীৰ পৰা সংগোপনে বিদ্রোহৰ সূচনা কৰে । পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ ৰাজহুৱা ফাঁচীৰে প্রথম মুক্তি সংগ্রামৰ যতি পৰে যদিও যোৰহাটতে স্বাধীনতা সংগ্রামৰ প্রথম সূচনা হয় ।

১৮৫৭ চন । অসমত স্বাধীনতা সংগ্রামৰ দ্বিতীয় পর্য্যায় । চিপাহী বিদ্রোহ নামে খ্যাত । মণিৰাম আৰু পিয়ালি বৰুৱাৰ ফাঁচী । পিয়ালি বৰুৱাৰ প্রকৃত নাম মহেশ্বৰ বেজবৰুৱা । বর্ত্তমান যোৰহাট নগৰৰ চোলাধৰাত ঘৰ । মণিৰাম চাৰিঙৰ হ'লেও বিদ্রোহৰ কর্মথলী যোৰহাট । নির্বাসনৰ নির্দ্দেশত আন্দামানলৈ নিয়া বাহাদুৰ গাওঁবুঢ়াৰ (চেখ ৰাহদ্বিল খাঁ) ঘৰ তিতাবৰৰ বিৰিণাশায়েকত । চেখ ফৰমুদ আলিৰ ঘৰো যোৰহাটত । যোৰহাটতে বিদ্রোহৰ পাতনি । যোৰহাটতে ১৮৫৮ চনৰ ২৬ ফেব্রুৱাৰীত ৰাজহুৱা ফাঁচী – মণিৰাম আৰু পিয়ালি বৰুৱাৰ । ফাঁচী আলিৰ নামে অতীতলৈ বিঙিয়ায় । অৱহেলিত, অনাদৃত যদিও অতীতৰ ইতিহাস স্থহীদৰ তেজেৰে ৰঞ্জিত ।

ৰূপৰ ধোৰাঁখোৰাত খালি ঐ মণিৰাম
সোণৰ ধোৰাঁখোৰাত খালি,
ৰাজ্যৰ নৰকত পৰিলি মণিৰাম
ডিঙিত ফাচেঁ জৰি ল'লি । ইত্যাদি

মণিৰাম দেৱানৰ জীৱনক লৈ ৰচিত গীতে গীতি সাহিত্যৰ ভঁৰালো সমৃদ্ধ কৰিছে ।

গান্ধীযুগ ঃ– উনৈশ শতিকাতে অঙ্কুৰিত বিদ্রোহৰ বীজ তৃণমূল পর্য্যায়লৈ পর্য্যাবসিত হয় ৰাইজৰ মেল, কৃষক বিদ্রোহ আদিৰ পৰা 'এছ'চিয়েশ্যন'লৈ । ১৯১৫ চনত গান্ধীজীৰ দক্ষিণ আফ্রিকাৰ পৰা স্বদেশলৈ প্রত্যাবর্ত্তনে স্বাধীনতাৰ স্পৃহাক এটা নতুন দিগন্তলৈ লৈ যায় । পৃথিৱীত অভূতপূর্ব্ব, অভিনৱ অস্ত্র আবিষ্কৃত হয় । নৈতিক আৰু আধ্যাত্মিক শক্তিৰ ওচৰত হিংসাই পৰাজয় স্বীকাৰ কৰি লয় । এই নৱীনতম অস্ত্রৰ নাম

'অহিংসা' । এই পাট অমোঘ অস্ত্রই ভাৰতক পৰাধীনতাৰ গ্লানিৰ পৰা উদ্ধাৰ কৰি স্বাধীনতাৰ ৰ'দ-কাঁচলিত উম দিলে । অহিংসাৰ দীৰ্ঘকালীন সংগ্রামত সৃষ্টি হ'ল এদল মানুহৰ — অৱহেলিত, অনাদৃত, নির্য্যাতিত । এই দল মানুহেই জীৱনৰ মায়া-মমতা ত্যাগ কৰি বাপুজীৰ নির্দ্দেশত জীৱন, যৌৱনৰ উচ্ছাস পৰিণত কৰিছিল স্বদেশ প্রেমলৈ । স্বদেশ প্রেমৰ উচ্ছাসত, দেশখন নকৈ গঢ়াৰ হাবিয়াষত এই দল মানুহে জীৱনক তুচ্ছ জ্ঞান কৰি মৃত্যুঞ্জয় হ'ল । স্বাধীনতা পোৱাৰ পিচত এই দল মানুহৰ দুবেলা দুমুঠিৰ যোগাৰ নোহোৱা হ'ল । প্রশাসনে নোপোছা হ'ল । সংসদী গণতন্ত্রৰ শিখৰত বহি, জীৱন-পণকৰা সংগ্রামীসকললৈ পিঠি দিয়া হ'ল । উপায়ন্তৰ হৈ সেই যোদ্ধাসকলে নিজকে সংগঠিত কৰাৰ প্রচেষ্টা চলালে । স্বতঃপ্রণোদিত ভাৱে নাম দিলে 'নির্য্যাতিত' বুলি । নির্য্যাতিতৰ সংগ্রাম আৰম্ভ হ'ল ।

নির্য্যাতিত কৰ্ম্মী সম্মিলন ঃ— যোৱহাটৰ কাৰণে অতি গৌৰৱৰ বিষয় যে সমগ্র অসমৰ ভিতৰতে নহয়, নিখিল ভাৰতীয় প্রেক্ষাপটত যোৱহাটত নির্য্যাতিতৰ সংগ্রাম পোন প্রথমতে আৰম্ভ হয় । স্বাধীনতা লাভৰ বছৰ ১৯৪৭ চনৰ পৰা ছয় বছৰ পাৰ হ'ল । নির্য্যাতিত সকলৰ প্রতি প্রশাসনৰ অনাদৰ-অৱহেলা ক্রমাৎ বৃদ্ধি পালে । স্বাধীন ভাৱে ব্যৱসায়-বাণিজ্যৰ প্রতি নির্য্যাতিত কৰ্ম্মীয়ে সুবিধা বিচাৰিলেও বঞ্চিত কৰা হ'ল । বঞ্চিত হৈ হৈ বিতৃষ্টি হ'ল । বিতৃষ্টিৰ পৰা উদ্ধাৰৰ বাট বিচাৰি আজীৱন অহিংস সংগ্রামী সকলে সংগঠিত শক্তি সংগ্রহত মনোনিবেশ কৰিলে । ঠেঙ্গাল মৌজাৰ শ্রীমোহন চন্দ্র গোস্বামীয়ে টীয়কৰ শ্রীকুমুদেশ্বৰবৰুৱা, চাওখাটৰ পদ্মেশ্বৰ গোস্বামীয়ে ১৯৫৪ চনৰ মার্চ মাহত যোৱহাটৰ "বিষ্ণুৰাম বৰুৱা হ'লত এখন সভা আহ্বান কৰিলে । যোৱহাটৰ নির্য্যাতিত কৰ্ম্মীসকল সমবেত হ'ল । সিদ্ধান্ত হ'ল যে সদৌ অসম ভিত্তিত এখন অভিবৰ্ত্তন পাতিব লাগে । স্থান স্থিৰ হ'ল তিতাবৰ, তাৰিখ ঠিক হ'ল ৪ আৰু ৫ এপ্রিল । বছৰ ১৯৫৫ চন । সেই সময়লৈকে এখন তদর্থ সমিতি গঠন কৰা হ'ল । সভাপতি পদ্মেশ্বৰ গোস্বামী, সম্পাদক শ্রীমোহন চন্দ্র গোস্বামী আৰু যুটীয়া সম্পাদক শ্রীভুবন বৰুৱা ।

এবছৰ বিৰাম বিহীন ভ্রমণ । তিতাববত নির্য্যাতিত ৰাজনৈতিক

কর্মীৰ অভিবৰ্ত্তন পাতিব লাগে । কর্মকর্ত্তাসকল টাকুৰী ঘুৰাদি ঘূৰি সংগঠন শক্তিৰ পৰিচয় দিলে । বিপ্লৱী বীৰ শঙ্কৰ চন্দ্ৰ বৰুৱাই সংগঠন আৰু পুঁজি সংগ্ৰহত অশেষ সহায় কৰিলে । অক্লান্ত ভ্ৰমণেৰে তিতাবৰত নির্দ্ধাৰিত তাৰিখত অভিবৰ্ত্তন অনুষ্ঠিত হ'ল । সভাপতি শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰ দেৱ গোস্বামী (গড়মূৰীয়া ডেকাধিকাৰ) ।' সমগ্ৰ অসমৰ, আনকি বৰাক উপত্যকাৰো প্ৰতিনিধি অভিবৰ্ত্তনত সমবেত হ'ল । সকলোৱে নিজক নির্য্যাতিত কর্মী বুলি মানি ল'লে । এটা নতুন সংগঠনৰ জন্ম হ'ল । নাম দিয়া হ'ল 'সদৌ অসম ৰাজনৈতিক নির্য্যাতিত কর্মী সম্মিলন ।' মুখ্য অতিথিৰ ভাষণ দিলে 'মইনা পাৰিজাতৰ 'ককা' মহাদেৱ শর্মাই । অপূর্ব সফলতাৰে তিতাবৰ অভিবৰ্ত্তনে ৰাজনৈতিক নির্য্যাতিত কর্মী সম্মিলনৰ নতুন দিগন্ত উদ্ভাষিত কৰিলে । পূর্বভাৰতত পুনৰ সংগ্ৰামীৰ সংগ্ৰাম আৰম্ভ হ'ল ।

নির্য্যাতিতৰ ক্ৰমবিকাশ ঃ— তিতাবৰ অভিবৰ্ত্তনত সম্মিলনৰ কর্মকর্ত্তা নির্বাচিত হয় । সভাপতি পদ্মেশ্বৰ গোস্বামী, যুটীয়া সম্পাদক শ্ৰীমোহন চন্দ্ৰ গোস্বামী আৰু শ্ৰীভুবন বৰুৱা; সহকাৰী সম্পাদক শ্ৰীগোপীকান্ত বৰুৱা । দ্বিতীয় অভিবৰ্ত্তন হয় ১৯৫৬ চনত যোৱহাট ন আলিৰ জীৱকান্ত শইকীয়াৰ বাসগৃহত । সভাপতি পদ্মেশ্বৰ গোস্বামী । তৃতীয় অভিৱৰ্ত্তন হয় ১৯৫৭ চনত যোৱহাট 'বিষ্টুৰাম বৰুৱা হলত । সভাপতি সুৰেন্দ্ৰ নাথ ভৰালী । চতুর্থ অভিবৰ্ত্তন হয় ১৯৫৮ চনত তিনিচুকীয়াত । সভাপতি দেবেন্দ্ৰ নাথ কাকতি । চতুর্থ অভিৱৰ্ত্তনত বিষয়ৱৰীয়াৰ পৰিবৰ্ত্তন হয় । স্থায়ী সভাপতি দেবেন্দ্ৰ নাথ কাকতি, সম্পাদক শ্ৰীভুবন বৰুৱা, সহকাৰী সম্পাদক শ্ৰীগোপীকান্ত বৰুৱা । পঞ্চমখন অভিবৰ্ত্তন হয় ১৯৫৯ চনত নগাঁৱত । সভাপতি হলধৰ ভূঞা । ষষ্ঠখন হয় ১৯৬০ চনত মৰিয়নিত । সভাপতি বিনন্দ ৰবা । সপ্তমখন হয় পুনৰ তিতাবৰত ১৯৬১ চনত । সভাপতি সভাৰাম দাস । অষ্টম অভিবৰ্ত্তন অনুষ্ঠিত হয় ১৯৬৩ চনত কৰিমগঞ্জত । সভাপতি শ্ৰীশৰৎ চন্দ্ৰ সিংহ । নৱম অভিবৰ্ত্তন হয় ১৯৬৪ চনত হাইলাকাণ্ডিত । সভাপতি সদয় গোবিন্দ দাস । ১৯৬৫ চনত দশম অধিবেশন বহে শিলচৰত সুৰেশ চন্দ্ৰ দেৱ সভাপতিত্বত । একাদশ অধিবেশন বহে নগাঁৱৰ কলিয়াবৰত

থানুৱাম ভূঞাৰ সভাপতিত্বত ১৯৬৬ চনত। ১৯৬৭ চনত দ্বাদশ অধিবেশন হয় শিলঙত। সভাপতি কিৰিটিভূষণ চৌধুৰী। ১৯৬৮ চনত ত্রয়োদশ অধিবেশন বহে উত্তৰ লক্ষীমপুৰত শ্রীপৰশুৰাম দত্তৰ সভাপতিত্বত। ১৯৬৯ চনত নগাঁৱঁ কুৱঁৰীটোলত চতুর্দশ অধিবেশন অনুষ্ঠিত হয়। সভাপতি শ্রীমহানন্দ বৰা। ১৯৬৯ চনত দ্বিতীযখন বিশেষ অধিবেশন বহে গোলাঘাট জিলাৰ কমাৰবন্ধাৰ গান্ধীবাৰীত। সভাপতি আপিৰাম গগৈ। বিশেষ অধিবেশন হলেও নামকৰণ কৰা হয় পঞ্চদশ অধিবেশন বুলি। ষষ্ঠদশ অধিবেশন গোলাঘাটৰ দৈগ্রোঙত ১৯৭০ চনত বহে শ্রীমহানন্দ বৰাৰ সভাপতিত্বত। অভ্যর্থনা সমিতিৰ সভাপতি আপিৰাম গগৈয়ে ছপা আদৰণি ভাষণ পাঠ কৰে। সপ্তদশ অধিবেশন বহে ১৯৭১ চনত শিৱসাগৰৰ গৌৰীসাগৰত শ্রীমহানন্দ বৰাৰ সভাপতিত্বত। ১৯৭২ চনত অষ্টাদশ অধিবেশন অনুষ্ঠিত হয় অসম গৌৰৱ ৰোহিনীকান্ত হাতীবৰুৱা স্মৃতি ভৱন যোৰহাটত। সভাপতিত্ব কৰে শ্রমিক প্রাণ সর্বেশ্বৰ বৰদলৈয়ে। ১৯৭৩ চনত আকৌ তিতাবৰত উনবিংশ অধিবেশন হয় চক্রেশ্বৰ শইকীয়াৰ সভাপতিত্বত। বিংশতিতম্ অধিবেশন অনুষ্ঠিত হয় শোণিতপুৰৰ অসমৰ জালিৱানৱালাবাগ ঢেকিয়াজুলিত। সভাপতিত্ব কৰে শ্রীমহানন্দ বৰাই। একবিংশতিতম্ অধিবেশন বহে যোৰহাটত ১৯৭৫ চনত অসম গৌৰৱ ৰোহিনীকান্ত হাতীবৰুৱা স্মৃতি ভৱনত। সভাপতিত্ব কৰে গোলাঘাট শেনছোৱা গাৱঁৰ ধর্মেশ্বৰ বৰুৱাই।

স্বাধীনতা যুঁজৰ সৈনিক সংঘ ঃ— ১৯৬৮ চনত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত ত্রয়োদশ বার্ষিক আধিবেশনত সদৌ অসম ৰাজনৈতিক নির্য্যাতিত কর্মী সম্মিলনৰ পৰিবর্ত্তে 'সদৌ অসম স্বাধীনতা যুঁজৰ সৈনিক সংঘ' নামেৰে অনুষ্ঠানটো পৰিচিত হয়। ১৯৭২ চনলৈকে এই নতুন নামকৰণেৰে কাম পৰিচালনা কৰা হয়।

সদৌ অসম মুক্তি যুঁজাকু সম্মিলন ঃ— ১৯৭২ চনত ভাৰত চৰকাৰে স্বাধীনতা ৰণৰ অহিংস ৰণুৱা সকলক Freedom Fighter অর্থাৎ মুক্তি যুঁজাকু অথবা স্বতন্ত্রতা সেনানী বুলি সংসদত ঘোষণাৰ জৰিয়তে স্বীকৃতি

দিয়ে । স্বাধীনতা লাভৰ পঁচিচ বছৰীয়া ৰূপালী জয়ন্তীত ভাৰত চৰকাৰে স্বতন্ত্রতা সৈনিক সম্মান পেঞ্চন প্রৱর্ত্তন কৰে মাহে ২০০.০০ (দুইশ) টকাকৈ । তাৰোপৰি 'তাম্র-পত্র' প্রদানেৰে বহুতো মুক্তি যুঁজাৰুক সর্বভাৰতীয় স্বীকৃতি দিয়ে । ভাৰতীয় সংসদৰ ঘোষণা আৰু ভাৰত চৰকাৰৰ স্বীকৃতিৰ পৰিপ্রেক্ষিতত সংগঠনটোৰ নামত 'সদৌ' শব্দটো বাদ দি 'অসম' নামেৰে আৰম্ভ কৰি মাজত 'ৰাজ্যিক' শব্দ সংযোজন কৰা হ'ল । তেতিয়াৰে পৰা সংগঠনৰ নাম সলনি হৈ নতুন নামেৰে পৰিচিত হয় । অৱশ্যে সেই নামেৰেই বর্ত্তমানেও সংগঠনৰ শক্তি ক্রম বর্দ্ধমান গতিত সম্প্রসাৰিত হৈ আছে ।

অসম ৰাজ্যিক মুক্তি যুঁজাৰু সম্মিলন ঃ— স্বাধীনতা যুঁজৰ সৈনিক সংঘই সমগ্র অসমতে সংগঠনৰ শক্তি বৃদ্ধি কৰাৰ প্রচেষ্টা ৰাখিলেও বহুত মুক্তি যোদ্ধাই সবল সংগঠনৰ আৱশ্যকতা অনুভৱ কৰিলে । কামৰূপ জিলাৰ তুলসীবাৰীত কামৰূপ জিলা মুক্তি যুঁজাৰু সম্মিলনৰ অধিবেশন অনুষ্ঠিত হয় ১৯৭১ চনৰ জানুৱাৰী মাহত । সভাপতিত্ব কৰিছিল শ্রীবিজয় চন্দ্র ভাগৱতী দেৱে আৰু মুখ্য অতিথি আছিল জন নায়ক দেৱেশ্বৰ শর্মাদেৱ । সমগ্র ৰাজ্যজুৰি সংগঠন ব্যাপক, বিস্তৃত আৰু বলিষ্ঠ কৰাৰ মানসেৰে তুলসীবাৰীতে আৰ-কেকোৰ মাৰি আলোচনা হয় । শ্রীভাগৱতী আৰু প্রয়াত শর্মাদেৱৰ পৰামর্শমতে এখন তদর্থ সমিতি গঠন হয় । তদর্থ সমিতিৰ সভাপতি দেৱেন্দ্র নাথ শর্মা, সম্পাদক শ্রীকামাখ্যা প্রসাদ দাস আৰু কোষাধ্যক্ষ উপেন্দ্র নাথ নৱিছক ১৯৭২ চনৰ জানুৱাৰীত গুৱাহাটীত গোটেই অসমৰ প্রতিনিধিত্বমূলক অভিবর্ত্তন এখন পতাৰ দায়িত্ব অর্পণ কৰে । তদর্থ সমিতিয়ে ঐকান্তিকতাৰে কামটো হাতত ললে । প্রতি জিলাৰ লগত যোগসূত্র স্থাপন কৰিলে । অভিবর্ত্তন অনুষ্ঠিত হ'ল গুৱাহাটীৰ বেঙ্গলী হাইস্কুলত । অসমৰ সকলো জিলাৰ প্রায় ৮০০ মুক্তি যুঁজাৰুৱে অভিবর্ত্তনত যোগদান কৰে । অসম চৰকাৰৰ সেই সময়ৰ মুক্তি যুঁজাৰু সাহায্য দপ্তৰৰ মন্ত্রী মহেন্দ্র নাথ হাজৰিকাদেৱে সভাপতিত্ব কৰে । 'ভাৰতৰ মুক্তি যুঁজত অসম' শিৰোনামাৰে এখন সর্বাঙ্গ সুন্দৰ স্মৃতি গ্রন্থ প্রকাশ হয় । সেই স্মৃতি

গ্রন্থত তথ্যভিজ্ঞ প্রবীণ মুক্তি যুঁজাৰুৰ অভিজ্ঞতা সম্বলিত প্রবন্ধ প্রকাশ হয় । এই অভিবর্ত্তনতে আলোচনাৰ অন্তত 'অসম বাজ্যিক মুক্তি যুঁজাৰু সন্মিলন'ৰ জন্ম হয় সর্ব্বসন্মতভাৱে ।

আগন্তুক বছৰৰ বাবে স্বর্গীয় মহেন্দ্র নাথ হাজৰিকাক সভাপতি, হৰেন্দ্র নাথ বৰুৱাক কার্য্যকৰী সভাপতি আৰু শ্রীৰবীন্দ্র নাথ ন বিছুক সাধাৰণ সম্পাদক নির্বাচিত কৰা হয় । যোৱহাটৰ পৰা শ্রীগোপীকান্ত বৰুৱা আৰু স্বর্গীয় সর্বেশ্বৰ বৰদলৈ কার্য্যকৰী কমিটীৰ সদস্য নির্বাচিত হয় ।

একত্রীকৰণ ঃ— গুৱাহাটীৰ অভি বর্ত্তনখন প্রথম অধিবেশন স্বৰূপে গণ্য কৰি ১৯৭৩ চনৰ ১৩ আৰু ১৪ অক্টোবৰ তাৰিখে নগাঁৱঁৰ জিলা পুথিভৰালত দ্বিতীয় বার্ষিক অধিবেশন অনুষ্ঠিত হয় । ৫০০ শৰো অধিক প্রতিনিধিয়ে এই অধিবেশনত যোগদান কৰে । অসম বাজ্যিক মুক্তি যুঁজাৰু সন্মিলন নামা কৰণেৰে বাজ্যখনত দুটা সংগঠন বর্ত্তী থকাটো যে বাঞ্ছনীয় নহয় সেই কথা উভয় পক্ষই স্বীকাৰ কৰে আৰু একত্রীকৰণৰ বিষয়টোৱে প্রতিনিধিসকলৰ বিশেষ মনোযোগ আকর্ষণ কৰে । জননায়ক দেৱেশ্বৰ শর্মাই একত্রীকৰণৰ সপক্ষে মত পোষণ কৰে । উপসভাপতি পৰশুৰাম দত্তই একত্রীকৰণৰ কাৰণে বলিষ্ঠ যুক্তি দাঙি ধৰে । স্বর্গীয় দত্তই উপসভাপতিৰ পদত্যাগ পত্র সভাতে দাঙি ধৰে । শ্রীকনক চন্দ্র শইকীয়াই একত্রীকৰণৰ কর্তৃত্বদানৰ প্রস্তাৱ দাখিল কৰে, বিপুল হর্ষধ্বনি আৰু হাততাপৰিৰ জাউৰিৰ মাজতে দুয়োটা সংগঠন এক হ'ল বুলি ঘোষণা কৰে । শ্রীশইকীয়াই একত্রীকৰণৰ পৰৱর্ত্তী ব্যৱস্থা গ্রহণৰো দায়িত্ব লয় ।

ত্রৈবার্ষিক অধিবেশন ঃ— নগাওঁ অধিবেশনত সন্মিলনৰ সংবিধান গৃহীত হয় । সংবিধানত নির্বাচিত কর্মকর্ত্তা আৰু কার্য্যনির্বাহকৰ তিনিবছৰীয়া কার্য্যকাল গৃহীত হয় কিন্তু সেইদিনা সংবিধান গৃহীত হোৱাত এই অধিবেশনত কার্য্যকৰী কমিটী নতুনকৈ নির্বাচন হোৱাৰ পোষকতা কৰা হয় । সেই সিদ্ধান্ত অনুযায়ী জননায়ক দেৱেশ্বৰ শর্মাৰ নেতৃত্বত পাঁচ জনীয়া সমিতি এখনক নতুন নির্বাচনৰ দায়িত্ব অর্পণ কৰে । মহেন্দ্র নাথ হাজৰিকা পুনৰ সভাপতি,

"লক্ষীধৰ বৰা কার্য্যকৰী সভাপতি আৰু শ্রীৰবীন্দ্র নাথ নবিছ সাধাৰণ সম্পাদক নির্বাচিত হয় । যোৰহাটৰ পৰা শ্রীগোপীকান্ত বৰুৱা আৰু "সর্বেশ্বৰ বৰদলৈ কার্য্যকৰী সমিতিৰ সদস্য নির্বাচিত হয় । একেধাৰে অধিবেশন হ'লেও নগাওঁ অধিবেশনক দ্বিতীয় ত্রৈবার্ষিক অধিবেশনৰ মর্য্যাদা প্রদান কৰা হয় ।

মুক্তি যুঁজাৰুৰ প্রামাণ্য তালিকা ঃ— অসম চৰকাৰে ১৯৭৩ চনত "লক্ষীধৰ বৰাৰ নেতৃত্বত এখন কমিটী গঠন কৰে । কমিটীক মুক্তি যুঁজাৰু সন্মিলনৰ দ্বাৰা উত্থাপিত ভুৱা মুক্তি যুঁজাৰুৰ বিলোপ সাধন, তাম্র-পত্র পোৱা নোপোৱাৰ বেমেজালি আতৰাই প্রকৃত মুক্তি যুঁজাৰুৰ শুদ্ধ তালিকা এখন প্রস্তুত কৰা দায়িত্ব অর্পণ কৰা হয় । সন্মিলনে কমিটীক পূর্ণ সহযোগ দিয়ে । কমিটী জিলা সমূহত ভ্রমণ কৰোতে জিলা সন্মিলনে শুদ্ধ তথ্য উদঘাটনত পার্য্যমানে সহায় কৰে । এই প্রামাণ্য তালিকাৰ ওপৰত নির্ভৰ কৰি প্রস্তাবিত বুৰঞ্জী প্রকাশৰ পৰিকল্পনা ৰূপায়ণ কৰাৰ আশাও পোষণ কৰে । তদানীন্তন মুখ্যমন্ত্রী শ্রীশৰৎ চন্দ্র সিংহই মুখ্য অতিথিৰ ভাষণত বেমেজালিৰ কথা স্বীকাৰ কৰে । লগতে আগন্তুক বছৰৰ ৪ জানুৱাৰীৰ ভিতৰত তদন্ত কমিটীৰ কাম শেষ কৰি প্রামাণ্য তালিকা প্রকাশৰ প্রতিশ্রুতি দিয়ে ।

তৃতীয় ত্রৈবার্ষিক অধিবেশন ঃ— ১৯৭৫ চনৰ ১৯ আৰু ২০ এপ্রিল তাৰিখে শোণিতপুৰ জিলাৰ বৰঙ্গাবাৰীত তৃতীয় ত্রৈবার্ষিক অধিবেশন হয় । সভাপতিত্ব কৰে "মহেন্দ্র নাথ হাজৰিকাদেৱে । সভা উদ্বোধন কৰে তদানীন্তন কেন্দ্রীয় চৰকাৰৰ বহিঃ পৰিক্রমা দপ্তৰৰ উপমন্ত্রী শ্রীবিপিন পাল দাসে । নির্দিষ্ট উদ্বোধক শ্রীশীলভদ্র জাজী নতুন দিল্লীৰ পৰা আহোতে ৰণ্ডীয়াত কোনোলোকে তেওঁক বৰঙ্গাবাৰীলৈ আহিবলৈ বাধা প্রদানেৰে গুৱাহাটীলৈ লৈ যায় । কর্মকর্ত্তা অপৰিবর্ত্তিত থাকে ।

সম্পাদকীয় প্রতিবেদনত শ্রীকামাখ্যা প্রসাদ দাসে সন্মিলনে হাতত লোৱা আৰু সম্পন্ন কৰা কামৰ খতিয়ান দাঙি ধৰি কয় যে স্বর্গী হোৱা মুক্তি যুঁজাৰুৰ বিধবা পত্নীলৈ আধাৰ পৰিবর্ত্তে পূৰা পেঞ্চন দিয়া, কেন্দ্রীয় পেঞ্চন

পাবলৈ মুক্তি যুঁজাকৰ ব্যক্তিগত উপার্জন পাঁচ হাজাৰৰ পৰা দহ হাজাৰ টকালৈ বৃদ্ধি কৰা মুক্তি যুঁজাকৰ সন্তানৰ কাৰণে আসন সংৰক্ষণ, পেঞ্চন বৃদ্ধি কৰা প্রস্তাৱ সমূহ বাস্তৱায়িত কৰাৰ প্রচেষ্টা অব্যাহত আছে। শ্রীদাসে পেঞ্চন আৰু তাম্র-পত্র প্রদানক 'কোৰে কাটি গ্রহণী চপোৱা'ৰ লগত তুলনা কৰে। এই দুটা প্রসংগই বাতৰি কাকত আৰু বিধান সভাৰ মজিয়াত মুক্তি যুঁজাকক হেয় প্রতিপন্ন কৰাৰ কথা উল্লেখ কৰি প্রামাণ্য তালিকাৰ চৰকাৰী প্রকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

সর্বভাৰতীয় সমিতিৰ সৈতে যোগসূত্র ঃ— ৰাজ্যিক সম্মিলনখন অখিল ভাৰত স্বতন্ত্রতা সেনানী সমিতিৰ লগত বিধিগত ভাৱে অন্তর্ভুক্ত (Affiliated)। প্রতিখন বার্ষিক সভাত সর্বাধিক আশীজন আৰু দহজনতকৈ কোনো বছৰতে কম নোহোৱা প্রতিনিধিয়ে যোগদান কৰি আছে। সর্ব-ভাৰতীয় সমিতিত অসম ৰাজ্যিক সম্মিলন এখন আগশাৰীৰ সস্থা। সেইসময়ত সভাপতি ঁমহেন্দ্র নাথ হাজৰিকা পৃষ্ঠপোষকসকলৰ অন্যতম আছিল। ৰাষ্ট্রীয় কার্য্যকৰী সমিতিত এজন আঞ্চলিক সম্পাদক, দুজন সম্পাদক, এজন উপসভাপতি, তিনিজন সদস্য, কেন্দ্রীয় পৰিষদত দহজন সদস্য অন্তর্ভুক্ত হৈছে। উল্লেখযোগ্য যে যোৱহাটৰ ঁসৰ্বেশ্বৰ ৰৰদলৈ উপ-সভাপতি আছিল, বর্ত্তমান শ্রীদেৱেশ্বৰ দলৈ আৰু শ্রীলোকনাথ ভৰালী সম্পাদক, শ্রীতিলেশ্বৰ ৰৰদলৈ কার্য্যনির্বাহকৰ সদস্য। আঞ্চলিক সম্পাদক (Zonal Secretary) শ্রীকামাখ্যা প্রসাদ দাস। তেতিয়াৰে পৰা এতিয়ালৈকে এই যোগসূত্র কটকটীয়া হৈ আছে, ৰৰঞ্চ অধিক শক্তিশালী আৰু সম্প্রসাৰিত হৈছে। আনকি কাশীৰ সাৱনাথত হোৱা অধিবেশনলৈ যুবপৰিষদৰো পাঁচজন প্রতিনিধি যায়। বাঙ্গালো�ৰত হোৱা ৰাষ্ট্রীয় পৰিষদত যোৱহাটৰ দহজনকে ধৰি অসমৰ পঞ্চাশজন প্রতিনিধিয়ে যোগদান কৰে।

চতুর্থ ত্রৈবার্ষিক অধিবেশন ঃ— ১৯৭৮ চনৰ ২৮ আৰু ২৯ অক্টোবৰত নগাৰঁৰ কুৱঁৰীটোলত চতুর্থ ত্রৈবার্ষিক অধিবেশন দুদিনীয়া কার্য্যসূচীৰে সম্পন্ন হয়। সভাপতিত্ব কৰে স্থায়ী সভাপতি ঁমহেন্দ্র নাথ হাজৰিকাদেৱে। সভা উদ্বোধন কৰে প্রাক্তন মন্ত্রী ৰাধিকা ৰাম দাসে। প্রামাণ্য মুক্তি

যুঁজাৰুৰ তালিকা চৰকাৰী কমিটীয়ে সংগ্রহ কৰি চৰকাৰক দাখিল কৰে । কমিটীৰ সদস্যসকল প্রতি জিলাতে ব্যাপক ভ্রমণ কৰি, কাৰাগাৰ সমূহৰ নথি-পত্র পৰীক্ষা কৰি, ইতিমধ্যে প্রকাশিত স্মৃতিগ্রন্থ, আঞ্চলিক ভিত্তিত প্রকাশিত পুথি, আনকি প্রয়োজন সাপেক্ষে সাক্ষ্য গ্রহণ কৰি মুক্তি যুঁজাৰুৰ সঠিক তালিকা প্রস্তুত কৰে ।

পঞ্চম ত্রৈবার্ষিক অধিবেশন ঃ— ১৯৮০ চনৰ ১৪ আৰু ১৫ জুনত গুৱাহাটীত পঞ্চম ত্রৈবার্ষিক অধিবেশন অনুষ্ঠিত হয় । স্থায়ী সভাপতি মহেন্দ্র নাথ হাজৰিকাৰ অসুস্থতাৰ কাৰণে অনুপস্থিত থকাত কার্য্যকৰী সভাপতি হৰেন্দ্র নাথ বৰুৱাই সভাপতিত্ব কৰে । সভা উদ্বোধন কৰে অখিল ভাৰতীয় স্বতন্ত্রতা সৈনানী সমিতিৰ সভাপতি, বিহাৰৰ ভূতপূৰ্ব্ব মুখ্যমন্ত্রী ড০ হৰেকৃষ্ণ মহতাবে আৰু মুখ্য অতিথিৰ ভাষণ দিয়ে সর্বভাৰতীয় সমিতিৰ সচিব প্রধান ডাঃ মদন মোহন চোপ্রাই ।

বিদেশী বিতাৰণ বিপ্লৱ ঃ— ১৯৭৮ চনত মঙ্গলদৈ সংসদী সমষ্টিৰ সাংসদ জনৰ পৰলোক হোৱাত উপ নির্বাচন প্রয়োজন হয় । উপনির্বাচনৰ কাৰণে প্রস্তুত কৰা ভোটাৰ তালিকাত হাজাৰ হাজাৰ বিদেশীৰ নাম অন্তর্ভূক্ত হয় । এই লৈ ৰাজ্যখনত হৈ চৈ লাগিল । সদৌ অসম ছাত্র সম্থাই ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম প্রত্যাহাৰ কৰি খিলঞ্জীয়া নাগৰিকৰ নাম অন্তর্ভূক্ত কৰি শুদ্ধ ভোটাৰ তালিকা প্রস্তুত কৰিহে নির্ব্বাচন পতাৰ দাবী উত্থাপন কৰে । ন্যস্তস্বার্থ জড়িত মহলে ভোটাৰ তালিকা শুদ্ধ বুলি সাব্যস্ত কৰিবলৈ বদ্ধপৰিকৰ হ'ল । নতুন দিল্লীলে তাঁত বাটি কৰিলে । ১৯৭৮ চনৰ ২৪,২৫,২৬ ছেপ্তেম্বৰ তাৰিখে উটকামণ্ড ৰাজ্যিক মুখ্য নির্ব্বাচনী বিষয়া আৰু ভাৰতৰ নির্ব্বাচনী আয়ুক্তৰ সভা বহিল । এই সভাতো অসমত অবাধ বিদেশী প্রব্রজনৰ কথা স্বীকাৰ কৰা হ'ল । মুখ্য নির্ব্বাচনী আয়ুক্তই এই বেমেজালিৰ প্রতিবিধানৰ আশ্বাস দিলে ।

জনতা চৰকাৰৰ পতন ঃ— ইতিমধ্যে কেন্দ্রত জনতা চৰকাৰৰ পতন হোৱাত সংসদৰ মধ্যকালীন নির্বাচন অনুষ্ঠিত কৰিব লগীয়া হ'ল । মুখ্য

নির্ব্বাচনী আয়ুক্তৰ কথাৰ সুৰ সলনি হ'ল। হাজাৰ হাজাৰ বিদেশীৰ নামেৰে ভৰি থকা ভোটাৰ তালিকাৰেই নির্ব্বাচন পতাৰ ঘোষণা দিলে। ছাত্ৰ সন্থাই মহাত্মা গান্ধীৰ আদৰ্শেৰে অহিংস আন্দোলন ঘোষণা কৰিলে। গণ সংগ্ৰাম পৰিষদ গঠন হ'ল। অসম ৰাজ্যিক মুক্তি যুঁজাৰু সম্মিলন গণ সংগ্ৰাম পৰিষদত অন্তৰ্ভুক্ত হ'ল। সমগ্ৰ অসম জাগ্ৰত হ'ল। জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে কাচুতি লোৱাৰে পৰা লাখুটি লোৱালৈকে লাখ-লাখ অসমবাসী ৰাজপথলৈ ওলাই আহিল। অভূতপূৰ্ব্ব ভাৱে গণ বিপ্লৱ হ'ল। চৰকাৰী পক্ষই অৱৰ্ণনীয় নিৰ্য্যাতন, নিপীড়ন আৰু নিষ্পেষণ চলালে। প্ৰায় এহাজাৰ ডেকা ল'ৰা শ্বহীদ হ'ল। ছয় বছৰ এই অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম চলিলে। মুক্তিযুঁজাৰু সকলে ৯-১২-৭৯ আৰু ২-৫-৮০ তাৰিখৰ কার্য্যকৰী কমিটীৰ সিদ্ধান্ত অনুযায়ী তাম্ৰ-পত্ৰ প্ৰত্যৰ্পণ কৰিলে আৰু বিপ্লৱত অনশন কার্য্যসূচীকে আদি কৰি সকলো কার্য্যসূচীত অংশ গ্ৰহণ কৰি কাৰাবৰণ পর্য্যন্ত অকাতৰে গ্ৰহণ কৰিলে। সৰ্ব্বভাৰতীয় মুক্তি যুঁজাৰু সমিতিয়েও এই বিপ্লৱৰ প্ৰতি পূৰ্ণ সমর্থন আগবঢ়ায়। ইন্দোৰত হ'ব লগীয়া সমিতিৰ অধিবেশনলৈ অসমৰ পৰা ২০০ মুক্তি যুঁজাৰু প্ৰতিনিধি যাবলৈ সাজু হয়। ভাৰতৰ স্বাধীনতাৰ কাৰণে যুঁজাৰ দৰে বিদেশী অপসাৰণৰ বিপ্লৱত আকৌ এবাৰ জীৱন পণ কৰি মুক্তি যুঁজাৰু সকলে অহিংস বিপ্লৱত প্ৰবৃত্ত হ'ল। এনে জ্বালামুখী আগ্নেয়গিৰিৰ সমুখত গুৱাহাটীত পঞ্চম ত্ৰৈবার্ষিক অধিবেশন বহে। সৰ্ব্বভাৰতীয় সভাপতি আৰু সচিব প্ৰধানৰ যোগদানে অধিবেশনৰ গুৰুত্ব আৰু সৌষ্ঠৱ বঢ়ায়।

ষষ্ঠ অধিবেশন ঃ— ১৯৮১ চনৰ ১০ আৰু ১১ অক্টোবৰত অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ ধামখুমিয়াত উত্তৰ লক্ষীমপুৰত প্ৰয়াত হৰেন্দ্ৰ নাথ বৰুৱাৰ সভাপতিত্বত ষষ্ঠ অধিবেশন বহি বিগত বছৰত বিদেশী বিতাৰণ বিপ্লৱত লোৱা বিভিন্ন কার্য্যসূচী পর্য্যালোচনা কৰা হয়। গুৱাহাটী অধিবেশনৰ প্ৰস্তাৱ অনুসৰি বিদেশী সমস্যাৰ সমাধান সূত্ৰ বিচাৰি প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক সম্মিলনৰ এটি সজাতি দলে নতুন দিল্লীলৈ গৈ সাক্ষাৎ কৰে। সজাতি দলৰ নেতৃত্ব কৰে প্ৰাক্তন সাংসদ প্ৰফুল্ল চন্দ্ৰ বৰুৱাই।

২৮-৭-৮০ তাৰিখে প্রধান মন্ত্রীৰ লগত আলোচনা কৰি ২৯-৭-৮০ তাৰিখে নতুন দিল্লীত সাংসদ ভৱনৰ আছুতীয়া কক্ষত ৩৮ জন দেশ-বিদেশৰ সাংবাদিকৰ সমুখত অসম আন্দোলনৰ প্রাসঙ্গিকতা, ন্যায্যতা আৰু বৈধতাৰ বিষয়ে বুজাই ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত জনমত গঠনৰ পথ প্রশস্ত কৰে ।

ইফালে আন্দোলন মৰীমুৰ কৰা প্রচেষ্টাই শীর্ষবিন্দু পালেগৈ । ১৯-১২-৮০ তাৰিখে ৰাজ্যপাল শ্রীলালন প্রসাদ সিঙৰ ওচৰত সন্মিলনৰ সজাতি দলে সমাধান সূত্রৰ সম্পর্কত আলোচনা কৰে । ৰাজ্যপালে প্রধান মন্ত্রীলৈ লিখিত প্রতিবেদনেৰে সমাধান সূত্রৰ আশু ৰূপায়ণৰ সঁহাৰি জনোৱাৰ অনুৰোধেৰে প্রচেষ্টা কৰে । ৪-১-৮১ আৰু ১২-৫-৮১ তাৰিখে সর্বভাৰতীয় অৰাজনৈতিক নেতা জৈনেন্দ্র কুমাৰ আদিৰ লগতো সন্মিলনে সমাধানৰ পথ বিচাৰে ।

সর্ব্বভাৰতীয় সমিতিৰ প্রভাৱ প্রয়োগ ঃ— উড়িষ্যাৰ ভুবনেশ্বৰত ১৯৮০ চনৰ ৬ আৰু ৭ ছেপ্তেম্বৰত অনুষ্ঠিত কার্য্যনির্বাহিক কমিটীয়ে সন্মিলনৰ প্রতিনিধি লৈ অসম আন্দোলনৰ ন্যায্যতা প্রতিপন্ন কৰে । অখিল ভাৰতীয় কার্য্যনির্বাহিকে বিদেশী বিতাৰণ ৰাষ্ট্রীয় সমস্যা বুলি অভিহিত কৰে । অন্ধ্র প্রদেশৰ মুক্তি যুঁজাক সমিতিৰ সভাপতি শ্রী টি. এছ. গুপ্তাই নিজ ৰাজ্যত জনমত গঠন কৰি প্রধান মন্ত্রীক আশু সমাধানৰ বাবে প্রভাৱ পেলাবলৈ সম্মতি দিয়ে । ৰাষ্ট্রীয় সমস্যা ৰাষ্ট্রীয় পর্য্যায়ত সমাধানৰ প্রচেষ্টাৰ প্রয়োজনীয়তাৰ কথা তেওঁ দৃঢ়তাৰে কয় । সমিতিৰ উপ সভাপতি ডঃ নিশিকান্ত ৰায় চৌধুৰীয়ে প্রস্তাৱ সমর্থন কৰি পূর্ব্বাঞ্চলত বিদেশীয়ে সৃষ্টি কৰা বিভীষিকাৰ বর্ণনা দিয়ে । এইদৰে সর্ব্বভাৰতীয় প্রেক্ষাপটত অসম সমস্যাৰ অনুকূল ৰাতাৱৰণ সৃষ্টি কৰাত সন্মিলন সফল হয় ।

সপ্তম ত্রৈবার্ষিক অধিবেশন ঃ— উত্তৰ লক্ষীমপুৰ অধিবেশনত পৰবর্ত্তী ত্রৈবার্ষিক অধিবেশন যোৰহাটলৈ নিমন্ত্রণ কৰা হৈছিল । সেইমতে যোৰহাটত অভ্যর্থনা সমিতি গঠন কৰি আয়োজনৰ আৰম্ভ কৰা হৈছিল । কিন্তু বিদেশী বিতাৰণ বিপ্লৱৰ বিপর্য্যয় যোৰহাটত ইমান বেছি হ'ল যে অধিবেশন

পতাৰ পৰিবেশ সমুলঙ্কে নোহোৱা হ'ল । মূৰকত মঙ্গলদৈ সন্মিলনে অধিবেশন পতাৰ দায়িত্ব মূৰ পাতি ললে । অসমৰ অস্তিত্ব বিপন্ন হোৱা সময়ত মঙ্গলদৈ অধিবেশনে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে । ১৯৮৩ চনৰ ২৬ আৰু ২৭ নৱেম্বৰত অধিবেশন অনুষ্ঠিত হয় ।

বেচৰকাৰী ন্যায়িক তদন্ত আয়োগ ঃ— এটা ঐতিহাসিক সিদ্ধান্তত বেচৰকাৰী ন্যায়িক তদন্ত আয়োগ গঠন কৰি নিৰ্বিচাৰ গণহত্যাৰ অনুসন্ধান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় । উত্তৰ লক্ষীমপুৰ অধিবেশনৰ পৰা মঙ্গলদৈ অধিবেশন পৰ্য্যন্ত ১৫ খন কাৰ্য্যনিৰ্ব্বাহকৰ সভাত সাংগঠনিক দিশতকৈ সাম্প্ৰতিক সংকটৰ কথা আলোচিত হৈছিল । গণসংগ্ৰাম পৰিষদৰ অংশীদাৰ হিচাবে মুক্তি যুঁজাৰু সকলে আকৌ এবাৰ অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামত মৃত্যুক নেওচি প্ৰবৃত্ত হয় । ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম প্ৰত্যাহাৰ নকৰাকৈ পতা সাধাৰণ নিৰ্বাচন বৰ্জ্জন কৰাৰ সিদ্ধান্ত সন্মিলনে গ্ৰহণ কৰে । নিৰ্ব্বাচনৰ সময়ত অসমত নাৰকীয় গণহত্যা, প্ৰশাসনিক অত্যাচাৰ চৰম সীমাত উপনীত হয় । এই অভূতপূৰ্ব্ব পাশৱিক অবিচাৰবিলাকৰ ন্যায়িক তদন্ত কৰিবলৈ সন্মিলনে সিদ্ধান্ত গ্ৰহণ কৰি হিমাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ শ্ৰীটি. ইউ. মেহতা, বিশিষ্ট শিক্ষাবিদ শ্ৰীৰায়হান খ্বাহ আৰু অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিত্তসচিব গণেশ চন্দ্ৰ ফুকনক লৈ ন্যায়িক তদন্ত আয়োগ গঠন কৰা হয় । শ্ৰীমেহতা আয়োগৰ অধ্যক্ষ আৰু তেখেতৰ নেতৃত্বত তদন্ত পৰিচালিত হয় । বেচৰকাৰী ভাৱে ন্যায়িক তদন্তৰ নজীৰ পৰাধীন ভাৰতত বহুত আছিল । কিন্তু স্বাধীন ভাৰতত অভিলেখ সৃষ্টিকাৰী অসংবিধানিক নিৰ্ব্বাচন অনুষ্ঠিত কৰি মানৱ অধিকাৰ খৰ্ব্ব কৰাৰ উদাহৰণ নজীৰ বিহীন ।

অষ্টম ত্ৰৈবাৰ্ষিক অধিবেশন ঃ কংগ্ৰেছৰ শতবৰ্ষ ঃ— ১৯৮৫ চনৰ ২৮ আৰু ২৯ ডিচেম্বৰ তাৰিখে গুৱাহাটীত প্ৰথিতযশা সাংবাদিক হৰেন্দ্ৰ নাথ বৰুৱাৰ সভাপতিত্বত অষ্টম ত্ৰৈবাৰ্ষিক অধিবেশন অনুষ্ঠিত হয় । ১৮৮৫ চনত কংগ্ৰেছ জন্মৰ এশ বছৰ পূৰ হোৱাৰ কাৰণে শতবাৰ্ষিকী উৎসব পালন কৰা হয় । পৰৱৰ্ত্তী তিনি বছৰৰ কাৰণে প্ৰফুল্ল চন্দ্ৰ বৰুৱাক

সভাপতি, হৰেন্দ্ৰ নাথ বৰুৱাক কাৰ্য্যকৰী সভাপতি আৰু শ্ৰীকামাখ্যা প্ৰসাদ দাসক সাধাৰণ সম্পাদক নিৰ্ব্বাচিত কৰা হয় । যোৱহাটৰ পৰা সৰ্বশ্ৰী বাপুকণ নেওগ আৰু গোপীকান্ত বৰুৱা কাৰ্য্যকৰী কমিটীৰ সদস্য নিৰ্ব্বাচিত হয় । যোৱহাটৰ দেৱেশ্বৰ শৰ্ম্মা আৰু সৰ্ব্বেশ্বৰ বৰদলৈক উপদেষ্টা কৰা হয় ।

মুকলি সভা উদ্বোধন কৰে শ্ৰীৰবীন কাকতীদেৱে । শ্ৰীকাকতীয়ে দেশখন অৰ্থনৈতিক ভাৱে সবল কৰাত মুক্তি যুঁজাৰুসকলৰ কৰ্ত্তব্য শেষ হোৱা নাই বুলি সঁকীয়াই দিয়ে ।

অসম চুক্তি আৰু গণপৰিষদ চৰকাৰ ঃ— ছয় বছৰীয়া অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ পৰিসমাপ্তি হয় ১৯৮৫ চনৰ ১৫ আগষ্টত স্বাক্ষৰিত চুক্তিৰে । মুক্তি যুঁজাৰু সন্মিলনে আনুষ্ঠানিক ভাৱে চুক্তিখনক আদৰণি জনালেও অসমবাসীয়ে বিচৰামতে হোৱা নাই বুলি অভিহিত কৰে । ইতিমধ্যে অসম গণ পৰিষদ নামেৰে আন্দোলনকাৰীয়ে নতুন ৰাজনৈতিক দল গঠন কৰি অসমত নতুন চৰকাৰ গঠন কৰাত আৰু সেই চৰকাৰে অসম চুক্তি আখৰে আখৰে পালন কৰাৰ প্ৰতিশ্ৰুতিত সন্মিলনে সন্তোষ প্ৰকাশ কৰে আৰু সম্পূৰ্ণ সহযোগ কৰাৰ আশ্বাস দিয়ে । সম্পাদকীয় প্ৰতিবেদনত শ্ৰীকামাখ্যা প্ৰসাদ দাসে বেচৰকাৰী মেহতা আয়োগৰ বিতং বিবৰণ দি বিপ্লৱৰ আতিশয্যৰ নৃশংসতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে । অবৈধ আৰু অসংবিধানিক নিৰ্ব্বাচন সামৰি ১৯৮৩ চনৰ ১ জানুৱাৰীৰ পৰা ৩০ এপ্ৰিললৈকে তদন্তৰ সময় সীমা নিৰ্দ্ধাৰণ কৰা হয় । শ্ৰীদাসে কয় যে নিৰ্ব্বাচনত তিনি হাজাৰৰ ওপৰ লোকৰ মৃত্যু, হাজাৰ হাজাৰ লোক গৃহহাৰা, সৰ্বহাৰা হয় । আয়োগৰ ওচৰত প্ৰায় ছয়হাজাৰ স্মাৰক পত্ৰ ৰাইজে দিয়ে । আয়োগে অতি কম সময়ৰ ভিতৰত উৎপীড়িত প্ৰতিখন ঠাইলৈকে গৈ থলীতে অসংখ্য সাক্ষী গ্ৰহণ কৰে । এই অধিবেশনো যোৱহাটত হোৱাৰ কথা আছিল । কিন্তু ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত ৰক্তাক্ত নিৰ্ব্বাচনে যোৱহাটৰ বহুত ঠাইত বহুতো শ্বহীদ হোৱাত পৰিস্থিতি অশান্ত আৰু উত্তপ্ত হৈ থকাত অধিবেশনৰ অনুকূল অৱস্থা পুনৰ প্ৰবৰ্ত্তন হোৱা নাছিল ।

নৱম ত্রৈবার্ষিক অধিবেশন ঃ— ১৯৮৮ চনৰ ৩০ আৰু ৩১ জানুৱাৰী তাৰিখে হাজোত শ্রীগোপাল চন্দ্র সন্দিকৈ বৰুৱাৰ সভাপতিত্বত নৱম ত্রৈবার্ষিক অধিবেশন হয় । সভা উদ্বোধন কৰে সর্ব্বভাৰতীয় স্বতন্ত্রতা সেনানী সমিতিৰ সচিব প্রধান ডাঃ মদন মোহন চোপ্রাই ।

১৯৮৫ চনৰ পৰা সম্মিলনৰ কাৰণে অতি দুর্যোগপূর্ণ । সভাপতি প্রফুল্ল চন্দ্র বৰুৱাই ২৮-২-৮৬ তাৰিখে চকু মুদিলে । কার্য্যকৰী সভাপতি হৰেন্দ্র নাথ বৰুৱাই কার্য্যভাৰ গ্রহণ কৰিলে । ২৬ অক্টোবৰ তাৰিখে সম্মিলনৰ কোষাধ্যক্ষ আৰু লাইখুটা স্বৰূপ (যিজনে নিজৰ ঘৰতে সম্মিলনৰ কার্য্যালয় পাতিবলৈ স্ব-ইচ্ছাই দিছিলে) শ্রীগিৰীন্দ্র চন্দ্র চৌধুৰীৰ পৰলোক হ'ল । শ্রীৰবীন্দ্র নাথ নৰিছক সেই দায়িত্ব অর্পণ কৰা হ'ল । সভাপতি হৰেন্দ্র নাথ বৰুৱাৰ নেতৃত্বত অসম সম্মিলন সর্ব্ব ভাৰতীয় ক্ষেত্রত আগশাৰীৰ ৰাজ্যিক গোট হিচাবে পৰিগণিত হয় । ৩১-৮-৮৮ তাৰিখে আচম্বিতে হৃদ যন্ত্রৰ ক্রিয়া বন্ধ হৈ বৰুৱায়ো ইহলীলা সম্বৰণ কৰে । জ্যেষ্ঠ উপসভাপতি শ্রীসন্দিকৈ বৰুৱাই সভাপতিৰ কার্য্যভাৰ গ্রহণ কৰে ।

পৰবর্ত্তী ত্রৈবার্ষিক কার্য্যকালৰ কাৰণে শ্রীৰবীন কাকতীক সভাপতি, সর্ব্বেশ্বৰ বৰদলৈক কার্য্যকৰী সভাপতি আৰু শ্রীৰবীন নৰিছক সাধাৰণ সম্পাদক নির্ব্বাচিত কৰা হয় । ১৯৯১ চনৰ ২৯ জুন তাৰিখে বৰদলৈৰ পৰলোক হয় । শ্রীনৰিছ অসুস্থ হোৱাত সম্পাদক শ্রীলোকনাথ ভৰালীয়ে সাধাৰণ সম্পাদকৰ কার্য্যভাৰ ল'ব লগীয়া হয় ।

মুক্তি যুঁজাৰু উপদেষ্টা ব'র্ড ঃ— ৰাজ্যিক মুক্তি যুঁজাৰু উপদেষ্টা ব'র্ডখন পুনৰ গঠনৰ কাৰণে প্রত্যেক অধিবেশন, কার্য্যনির্ব্বাহকৰ উপৰিও মুখ্যমন্ত্রীক সাক্ষাৎ কৰি বহু বছৰ প্রচেষ্টাৰ মূৰকত ১৯৮৬ চনৰ ১৩ জুন তাৰিখে গঠন কৰা হয় । ১৬ জুনত প্রথম বৈঠক বহে । ১৬ আগষ্টলৈকে সময়সীমা বান্ধি মুক্তি যুঁজাৰুৰ পৰা পেঞ্চনৰ আবেদন বিচৰা হয় । আবেদন আহ্বান কৰি বাতৰি কাকতত বিজ্ঞাপন দিয়া হয় । ইয়াৰ উপৰি জিলা উপায়ুক্তক অধ্যক্ষলৈ জিলা উপদেষ্টা ব'র্ড গঠন কৰি প্রতি জিলাৰ আবেদনসমূহ পৰীক্ষা কৰি ৰাজ্যিক ব'র্ডলৈ অনুমোদন কৰি পঠোৱাৰ দিহা

কৰা হয় । পেঞ্চনৰ কামৰ সুবিধাৰ কাৰণে 'সাহায্য নিয়মাৱলী' (Relief Rules) গ্ৰহণ কৰা হয় । প্ৰয়াত মুক্তি যোদ্ধাৰ পেঞ্চন বিধবা পত্নীৰ নামলৈ পূৰা নিৰিখত হস্তান্তৰ হোৱা, পেঞ্চন বৃদ্ধি, পেঞ্চন প্ৰাপ্তিৰ কাৰণে ব্যক্তিগত আয়ৰ সীমা প্ৰত্যাহাৰ কৰা, এজন সঙ্গীসহ ট্ৰেইনত প্ৰথম শ্ৰেণীত বিনামূলীয়া ভ্ৰমণৰ সুবিধা আদি ভালেমান সুবিধা ভাৰত চৰকাৰৰ পৰা পোৱা হ'ল । ৰাজ্যিক চৰকাৰেও ক্ৰমাগত ভাৰে পেঞ্চন বৃদ্ধি কৰিছে । এইদৰে বিদেশী বিতাৰণ বিপ্লৱৰ সামৰণিত বহুতো মুক্তি যুঁজাৰুৰ হিতসাধিনী ব্যৱস্থাৰ প্ৰবৰ্ত্তন হয় ।

মুক্তি যুঁজাৰুৰ জিৰণিঘৰ ঃ— পূৰ্ব্বৰ একাধিক অধিবেশনত আৰু কাৰ্য্যনিৰ্ব্বাহকৰ বহুত বৈঠকত মুক্তি যুঁজাৰুৰ জিৰণি ঘৰৰ কাৰণে আঁচনি নিৰ্ম্মাণ কৰি গুৱাহাটীৰ ৰূপনগৰ এলেকাত থকা সেৱা সংঘৰ সমীপৰ দহ বিঘা মাটি আৱণ্টন দিবলৈ চৰকাৰক পুনৰ আবেদন কৰা হয় । চৰকাৰী মাটি পোৱাৰ পিচত চৰকাৰৰ বুজন সাহায্যতে এটি জিৰণিঘৰ নিৰ্ম্মাণ হ'ল । সদ্যহতে দুমহল ঘৰটোত সুসজ্জিত সভাকক্ষৰ উপৰিও যথেষ্ট সংখ্যক লোকৰ কাৰণে অতিথি শালাৰ বন্দবস্ত আছে । কোঠা একোটাৰ নামকৰণ কৰা হয় মুক্তি যুঁজাৰুৰ নামত, অৱশ্যে নামকৰণৰ বিনিময়ত ত্ৰিশ হাজাৰ টকা প্ৰয়াত মুক্তি যুঁজাৰুজনৰ পৰিয়ালে দান দিছে । মুক্তি যুঁজাৰুৰ সংগ্ৰহালয়, যাদুঘৰ, গৱেষণা কেন্দ্ৰ ইত্যাদিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আঁচনি দিয়া হৈছে আৰু আঁচনিৰ বিপৰীতে পোন্ধৰ লাখলৈকে পুঁজি আশা কৰা হৈছে ।

ভাৰতৰ বাটকটীয়া ঃ— ২১ মে' । ১৯৯৪ চন । মুক্তি যুঁজাৰুৰ জিৰণিঘৰৰ দ্বাৰ উন্মোচনৰ বিৰাট সভা । উন্মোচক ভাৰতৰ প্ৰধান মন্ত্ৰী, মুক্তি যুঁজাৰু শ্ৰীনৰসিংহ ৰাও । দ্বাৰ উদ্‌ঘাটন কৰি ভাষণ প্ৰদান । ভাষণত শ্ৰীৰাওৱে ঘোষণা কৰিলে যে মুক্তি যুঁজাৰুসকলৰ অমৰ কাহিনী উত্তৰ পুৰুষৰ কাৰণে সংৰক্ষণ কৰা ভাৰতৰ কোনো ৰাজ্যত এতিয়ালৈকে হোৱা নাই । অসম এই ক্ষেত্ৰত সৰ্ব্বপ্ৰথম, ভাৰতৰ বাটকটীয়া মুক্তি যুঁজাৰুৰ স্বাধীনোত্তৰ কালৰ যুগান্তকাৰী কীৰ্ত্তিস্তম্ভ হ'ল গুৱাহাটীৰ ৰূপনগৰত নিৰ্ম্মিত জিৰণিঘৰ ।

প্ৰধান মন্ত্ৰীয়ে আৰু কয় যে ভাৰতৰ প্ৰতি ৰাজ্যৰ ৰাজধানীত, জিলাৰ সদৰ ঠাইত এনেকুৱা একোটা জিৰণিঘৰ হ'ব লাগে ।

উল্লেখযোগ্য যে যোৰহাট জিলা মুক্তি যুঁজাৰু সম্মিলনৰ নামত এটি কোঠা নামকৰণ কৰা হৈছে আৰু অমৰ শহীদ কুশল কোঁৱৰৰ এখনি অঙ্কিত ছবি দিয়া হৈছে । শ্ৰমিক প্ৰাণ সৰ্ব্বেশ্বৰ বৰদলৈৰ নামত এটি কোঠা নামকৰণৰ কাৰণে তেওঁৰ পৰিয়ালে ত্ৰিশ হাজাৰ টকাৰ প্ৰতিশ্ৰুতি দিছে ।

দশম ত্ৰৈবাৰ্ষিক অধিবেশন ঃ— ১৯৯১ চনৰ ২৩ আৰু ২৪ নৱেম্বৰত গুৱাহাটীত দশম ত্ৰৈবাৰ্ষিক অধিবেশন অনুষ্ঠিত হয় শ্ৰীৰবীন ফাকতীদেৱৰ সভাপতিত্বত । সভা উদ্বোধন কৰে গান্ধী দৰ্শনৰ বিশিষ্ট তাত্ত্বিক শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীদেৱে । সম্মান পেঞ্চনৰ নিষ্পত্তি কৰা, অধ্যাদেশৰ পৰিবৰ্ত্তে এখন আইনৰ জৰিয়তে মুক্তি যুঁজাৰুৰ বিষয়বোৰ মীমাংসা কৰা, বিধবা মুক্তি যুঁজাৰুৰ ইচ্ছা কৰাসকলক চৰকাৰৰ উন্নয়নমূলক আঁচনিত অংশ গ্ৰহণৰ জৰিয়তে আৰ্থিক নিৰাপত্তা দিয়া, মুক্তি যুঁজাৰুৰ সা-সুবিধাৰ ক্ষেত্ৰত অন্যায়-অনীতি আঁতৰ কৰা, উগ্ৰপন্থীৰ ক্ৰিয়া-কাণ্ডক দমন কৰোতে 'বাইন' 'বজৰঙ্গ' অপাৰেশ্যন কৰি উগ্ৰপন্থীৰ সন্ত্ৰাসৰ সমান্তৰাল ভাৱে ৰাষ্ট্ৰ সন্ত্ৰাসৰ অৱসান ঘটোৱাকে ধৰি ভালেমান সংস্কাৰধৰ্ম্মী পৰামৰ্শ গুৱাহাটী অধিবেশনে আগবঢ়ায় । বিশেষকৈ বঢ়ো সমস্যা আৰু সংযুক্ত মুক্তি বাহিনী, অসম (আলফা) সমস্যা মোকাবিলা কৰাৰ নামত উদ্ভৱ হোৱা পৰিস্থিতিৰ সন্দৰ্ভত মুক্তি যুঁজাৰু সকলৰ অবিচলিত অভিমত যে মহাত্মা গান্ধীৰ প্ৰদৰ্শিত অহিংস পন্থাৰ বাহিৰে সমস্যা সমাধানৰ বিকল্প নাই ।

এই অধিবেশনত মুখ্য অতিথিৰ ভাষণ দিয়ে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই । ওপৰোক্ত দাবী সমূহ সন্নিবিষ্ট কৰি দিয়া স্মাৰক পত্ৰৰ উত্তৰত জিৰণি ঘৰলৈ অৰ্থ সাহায্যৰ প্ৰতিশ্ৰুতি দিয়ে । লগতে পেঞ্চন প্ৰসঙ্গৰ আশু সমাধানৰ আশ্বাস প্ৰদান কৰে । নতুন তিনিবছৰৰ কাৰণে সভাপতি শ্ৰীকাকতীদেৱ পুনৰ নিৰ্ব্বাচিত হয় । শ্ৰীনৱদ্বীপ বৰুৱা

পাটগিৰি কার্য্যকৰী সভাপতি আৰু শ্রীভাৰত চন্দ্র গোস্বামী সাধাৰণ সম্পাদক নির্ব্বাচিত হয় । ১৯৯৪ চনৰ ২২ এপ্রিল তাৰিখে গোস্বামীৰ বিয়োগত সম্পাদক শ্রীদেৱেশ্বৰ দলৈয়ে কার্য্যভাৰ গ্রহণ কৰিব লগা হয় ।

'ভাৰত ত্যাগ'ৰ সোণালী জয়ন্তী ঃ— ১৯৪২ চন । ৯ আগষ্টৰ নিশা । ভাৰত ত্যাগ প্রস্তাৱ গৃহীত হয় । মহাত্মা গান্ধীৰ দীঘলীয়া ভাষণ । পুৱতীনিশা, মহাত্মা গান্ধী প্রমুখ্যে নেতৃবর্গক গ্রেপ্তাৰ কৰি অজ্ঞাত বাস । মহাত্মাগান্ধীৰ মুখৰ তিনিটা শব্দ -- অন্তিম, অনন্ত — 'কৰিবা নহ'লে মৰিবা' (Do or Die) । সৰু তিনিটা শব্দ । উত্তেজনাহীন স্বৰত উচ্চাৰিত । সেই তিনিটা শব্দই স্বাধীনতা সংগ্রামত আগ্নেয়গিৰিৰ বিস্ফোৰণ ঘটালে । ভাৰত ত্যাগ প্রস্তাৱৰ অপৰিকল্পিত দিগন্ত প্রসাৰিত হ'ল, মৃত্যু-ভয় অপসাৰিত হ'ল । 'মোৰ গুলী, মাৰ গুলী আমি নডবাওঁ ' ভাৰত অসংখ্য মৃত্যু বাহিনীৰ সেনানী শহীদ হ'ল । স্থিত প্রজ্ঞতাৰ বাস্তৱ নিদর্শনেৰে কুশল কোঁৱৰে ডিঙিত ফাঁচজৰী ল'লে — হাঁহি হাঁহি ফাঁচীৰ কাৰণে পৰমেশ্বৰ, মহাত্মাজী আৰু ভাৰতবাসীৰ প্রতি কৃতজ্ঞতাৰে । আৰক্ষী আৰু সামৰিক বাহিনীৰ গুলীৰ আগত নির্ভীকতাৰে কনকলতাইঁতে, তিলকইঁতে বুকু পাতি দিলে । বহল বক্ষ বিদীর্ণ হৈ গ'ল । জনগণে অভূতপূর্ব্ব ভাৱে স্বাধীনতাৰ চূড়ান্ত ৰণত অগ্নিত পতঙ্গৰ দৰে জাহ গ'ল ।

সেই সংগ্রামৰে পঞ্চাশ বছৰ পূর্ণ হ'ল । পঞ্চাশ বছৰীয়া সোণালী জয়ন্তী । জয়ন্তীক উৎসৱ আখ্যা দিয়া হৈছে যদিও ভাৰত ত্যাগ আন্দোলনৰ মানসিকতা, সাহসিকতা আৰু ঐকান্তিকতাৰে দুস্কৃতিৰ দানৱৰ বিপক্ষে যুঁজি সংস্কৃতিৰ কাৰেং নির্ম্মাণৰ প্রয়াসৰ সংকল্প লোৱাহে মুখ্য উদ্দেশ্য আছিল । লগতে সাম্প্রতিক প্রজন্মক বিয়াল্লিছৰ বীৰত্ব ব্যঞ্জক বিপ্লৱৰ ধাৰাবাহিকতা বর্ণনাৰে, অতীত ইতিহাসৰ ৰোমন্থনেৰে বর্ত্তমানৰ যুবশক্তিক স্খলনৰ গৰখাৰৈৰ পৰা উদ্ধাৰ কৰা । ১৪ মার্চ । ১৯৯১ চন । ওৱাহাটীৰ জিলা পুথি-ভঁৰালৰ প্রেক্ষাগৃহ । সোণালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠান । উদ্বোধক তদানীন্তন উপৰাষ্ট্রপতি ড০ শঙ্কৰ দয়াল শর্মা । এঘণ্টাৰ

ওপৰকাল বক্তৃতা দিলে । ইতিহাস, অসীম সাহস, আৱেগৰ বৰ্ণনাৰে চকুলো টুকিলে । উপৰোক্ত উদ্দেশ্যৰ হৃদয়স্পৰ্শী ভাষণ । বহিবলৈ ঠাই নোহোৱা ঠাঁহ খাই পৰা শ্রোতা মণ্ডলী অভিভূত । সেই বিয়াল্লিছৰ নৈতিকতাৰে এতিয়াৰ অক্টোপাচৰ বিপক্ষে অবিৰত সংগ্রামৰ আকুল আহ্বানেৰে ভাষণৰ সামৰণি মাৰে ।

যোৱহাটত জয়ন্তী ঃ— অভিনৰ কার্য্যপন্থাৰে যোৱহাটত জয়ন্তী পালন কৰা হয় । সকলো নাগৰিকক সামৰি কেন্দ্রীয় সমিতি গঠন কৰি প্রতি বিদ্যালয় আৰু মহাবিদ্যালয়ত স্বাধীনতা সংগ্রামৰ ইতিহাস বৰ্ণনাৰ প্রতি অস্থায়ী শ্রেণীৰ আয়োজন কৰা হয় । কুইজ প্রতিযোগিতা, স্বাধীনতা সংগ্রামৰ বিভিন্ন পর্য্যায়ৰ ওপৰত চিত্রাঙ্কন প্রতিযোগিতা, স্মাৰক গ্রন্থ প্রকাশন আদি বহুৰজোৰা কার্য্যসূচীয়ে নতুন পুৰুষৰ মানসিকতাত প্রভূত প্রতিফলন ঘটায় । ২৯ আৰু ৩০ ছেপ্তেম্বৰ । ১৯৯২ চন । যোৱহাটৰ জয়ন্তীৰ ধুমধাম । সভাপতি শ্রীসোণাৰাম চুতীয়া, উদ্বোধন কৰে শ্রীৰবীন কাকতীয়ে । মুখ্য অতিথি মুখ্যমন্ত্রী শ্রীহিতেশ্বৰ শইকীয়া ।

******

মোৰ জীৱন সংগ্রামৰ সোঁৱৰণ

সম্মিলনৰ লাই খুটা, এই কিতাপখনৰ পোন প্রথম উদ্যোক্তা, যোৱহাট জিলা মুক্তি যুঁজাৰু সম্মিলনৰ প্রথম সভাপতি শ্রমিক প্রাণ সর্বেশ্বৰ ৰৰদলৈৰ আত্মকথাৰ ওপৰৰ শিৰোনামাৰ পুস্তকখন ১৯৩২ চনৰে পৰা সতীর্থ ৰাজ্যিক সভাপতি শ্রীৰবীন কাকতি দেৱে অশ্রুসিক্ত নয়নেৰে উন্মোচন কৰি ৰৰদলৈৰ লগত সুদীর্ঘকাল সাহচর্য্যৰ কথা সদৰি কৰে । কিতাপখনো মুক্তি ৰণৰ বৰ্ণনাৰে যোৱহাটৰ মুক্তি সংগ্রামৰ ইতিহাস ।

পাঁচ গৰাকী প্রবীণ মুক্তি যুঁজাৰুক এই সভাতে সম্বর্দ্ধনা জনাই তেখেতসকলৰ চমু জীৱন পৰিচয়ৰ লগতে স্বাধীনতা যুঁজত বীৰত্বপূর্ণ অংশ গ্রহণৰ কাহিনী বৰ্ণনা কৰা হয় ।

১৯৯২ চন । ১৭ আৰু ১৮ অক্টোবৰ । নগাওঁ লোকে লোকাৰণ্য । লক্ষ্যাধিক লোকৰ সমাৱেহ । ৰাষ্ট্ৰপতি ড০ শঙ্কৰদয়াল শৰ্ম্মাই সোণালী জয়ন্তী ৰাজিক সমাৱেশত উদ্দীপনাময় ভাষণেৰে মন্ত্ৰমুগ্ধ কৰে । এইদৰে বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলনৰ প্ৰতি কৃতজ্ঞ অৱলোকন, সতৃষ্ণ সোঁৱৰণ আৰু ৰোমাঞ্চকৰ ৰোমন্থনে নতুন পুৰুষক এধানমানো যদি অনুপ্ৰেৰণা দিব পাৰে তেতিয়াহ'লে জয়ন্তী পালনৰ উদ্দেশ্য সফল হৈছে বুলি গণ্য কৰা হ'ব ।

একাদশ ত্ৰৈৰাৰ্ষিক অধিবেশন

১৯৯৫ চনৰ ৪ আৰু ৫ মাৰ্চ তাৰিখে যোৱহাটত একাদশ ত্ৰৈৰাৰ্ষিক অধিবেশন অনুষ্ঠিত হয় । শ্ৰীৰবীন কাকতি অসুস্থতাৰ কাৰণে আহিব নোৱাৰাত কাৰ্য্যকৰী সভাপতি শ্ৰীনৰদ্বীপ ৰঞ্জন পাটগিৰিয়ে সভাপতিত্ব কৰে । মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই সভাৰ শেষলৈকে কাৰ্য্যবিৰৰণী, প্ৰস্তাৱ সমূহ অনুধাৱন কৰি পুনৰ সুদীৰ্ঘকাল ভাষণ দিয়ে । ভাষণত পৰিবহন নিগমৰ বাছত মুক্তিযুঁজাৰুৰ বাবে বিনামূলীয়া ভ্ৰমণৰ পুনৰ প্ৰৱৰ্ত্তন, পেন্সনৰ খেলিমেলি দূৰীকৰণ আদি সমস্যা সমাধানৰ আশ্বাস দিয়ে । পৰৱৰ্ত্তী তিনি বছৰৰ কাৰণে শ্ৰীৰবীন কাকতিক পুনৰ সভাপতি নিৰ্ব্বাচন কৰি শ্ৰীদেৱেশ্বৰ দলৈক সাধাৰণ সম্পাদক নিৰ্ব্বাচিত কৰি পূৰ্ব্বৰ কৰ্ম্মকৰ্ত্তা আৰু কাৰ্যকৰী কমিটীৰ সদস্যসকলক বাহাল ৰখা হয় ।

জিলা সম্মিলন

অসম ৰাজ্যিক মুক্তি যুঁজাক সম্মিলন নামেৰে এই অৰাজনৈতিক সংগঠনটো সৰ্ব্বসম্মত ভাৱে ১৯৭২ চনৰ গুৱাহাটী অভিবৰ্ত্তনত পৰিচিত হোৱাৰ পাচত প্ৰতি প্ৰশাসনীয় মহকুমাকে জিলা বুলি গণ্য কৰি জিলা পৰ্য্যায়ত সংগঠন গঢ়ি তোলা হয় । শ্ৰীভুৱন বৰুৱা, শ্ৰীগোপীকান্ত বৰুৱা আৰু সহযোগীসকলৰ চেষ্টাত যোৱহাট ১৯৫৫ চনৰে পৰা শক্তিশালী ৰূপত সংগঠিত । ১৯৭৩ চনত নগাঁও অধিবেশনত একত্ৰীকৰণৰ পাচত

যোৱহাট জিলা সন্মিলনৰ প্ৰথম সভাপতি নিৰ্ব্বাচিত হয় ঁসৰ্ব্বেশ্বৰ ৰৱদলৈ, প্ৰধান সম্পাদক হয় কমাৰ খাটোৱালৰ ঁমোহন চন্দ্ৰ মহন্ত । পাচৰখন প্ৰথম ত্ৰৈবাৰ্ষিক অধিবেশন অনুষ্ঠিত হয় ১৯৮১ চনৰ মাৰ্চৰ ৮ তাৰিখে । সভাপতি নিৰ্বাচিত হয় ঁচক্ৰেশ্বৰ শইকীয়া আৰু প্ৰধান সম্পাদক হয় শ্ৰীচাৰু গোস্বামী । পৰবৰ্ত্তী দ্বিতীয় ত্ৰৈবাৰ্ষিক অধিবেশনত চক্ৰেশ্বৰ শইকীয়া সভাপতি আৰু শ্ৰীদেৱেশ্বৰ দলৈ প্ৰধান সম্পাদক নিৰ্বাচিত হয় । ১৯৮৮ চনৰ ২৯ মে' তাৰিখে অনুষ্ঠিত তৃতীয় ত্ৰৈবাৰ্ষিক অধিবেশনত সভাপতি শইকীয়া অপৰিবৰ্ত্তিত থাকে, প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয় শ্ৰীতিলেশ্বৰ ৰৱদলৈ । সম্পূৰ্ণ অপ্ৰত্যাশিত ভাৱে ১৯৯১ চনৰ ২৪ ফেব্ৰুৱাৰীত চক্ৰেশ্বৰ শইকীয়াৰ হঠাৎ পৰলোক হোৱাত উপসভাপতি ঁপদ্মেশ্বৰ গোস্বামীয়ে সভাপতিৰ দায়িত্ব বহন কৰে । ইতিমধ্যে গোস্বামী শয্যাশায়ী হয় । ১৯৯২ চনৰ শ্বহীদ দিৱস ৩০ জানুৱাৰীৰ দিনা অনুষ্ঠিত চতুৰ্থ ত্ৰৈবাৰ্ষিক অধিবেশনত সভাপতি নিৰ্ব্বাচিত হয় শ্ৰীসোণাৰাম চুতীয়া । প্ৰধান সম্পাদক শ্ৰীৰৱদলৈ অপৰিবৰ্ত্তিত থাকে । ১৯৯৫ চনৰ ৭ আৰু ৮ জানুৱাৰীত তিতাবৰত পঞ্চম ত্ৰৈবাৰ্ষিক অধিবেশনত শ্ৰীসোণাৰাম চুতীয়া আৰু শ্ৰীতিলেশ্বৰ ৰৱদলৈক পুনৰ সভাপতি আৰু প্ৰধান সম্পাদক নিৰ্বাচিত কৰা হয় । ত্ৰৈবাৰ্ষিক অধিবেশনৰ উপৰিও প্ৰতি বছৰে বিভিন্ন ঠাইত বাৰ্ষিক অধিবেশন সমাৰোহেৰে অনুষ্ঠিত হৈ আছে । উল্লেখযোগ্য যে ১৯৯৪ চনৰ ৭ আৰু ৮ মে' তাৰিখে মাজুলীৰ গড়মূৰ সত্ৰত জাকজমকতাৰে বাৰ্ষিক অধিবেশন পতাৰ লগতে প্ৰাতঃস্মৰণীয় ঋষিকল্প বিপ্লৱী ধৰ্ম্মগুৰু শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী প্ৰভুৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি মুক্তিযুঁজাৰুসকলে ধন্য মানে । অধিবেশনৰ লগতে ৰাজ্যিক কাৰ্য্যনিৰ্ব্বাহক আহ্বান কৰাত সমগ্ৰ অসমৰ মুক্তিযুঁজাৰু প্ৰতিনিধিসকলে বিপ্লৱৰ বিকুল বাদনৰ অধিকাৰীজনৰ পুত-পবিত্ৰ পীঠভূমিত পদাৰ্পণ কৰি কৃতজ্ঞ হয় ।

সংগঠনৰ প্ৰথম পাতনিত যোৱহাট

১৯৫৪ চনৰ মাৰ্চ মাহতে যোৱহাট বিষ্টুৰাম বৰুৱা হলত প্ৰথম

পাতনি মেলি যোৱহাটে অসমৰ নেতৃত্ব বহন কৰে । ১৯৫৫ চনৰ ৪ আৰু ৫ এপ্ৰিলত তিতাবৰ অভিবৰ্ত্তন সংগঠনৰ সঙ্গবদ্ধতাৰ প্ৰথম খোজ, প্ৰথম পাতনি আদি পাঠ । সংগ্ৰামীৰ সংগ্ৰামৰ দিগন্ত প্ৰসাৰিত হ'ল । অসমৰ ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলন তাৰে ফলশ্ৰুতি । তিতাবৰ অভিবৰ্ত্তনত নিৰ্ব্বাচিত কৰ্ম্ম-কৰ্ত্তা সকলে বিৰাম বিহীন ভাৱে সংগঠন শক্তিশালী কৰিবলৈ অহোপুৰুষাৰ্থ কৰে । বাহনৰ নামত চাইকেলখন ; আজিকালিৰ দৰে যাতায়তৰ সুবিধাও নাছিল । চাইকেলখনকে বাহনৰ একমাত্ৰ সম্বল কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰি সংগঠনৰ শক্তি বৃদ্ধি কৰে । প্ৰায় সকলো মুক্তি যুঁজাৰুকে সন্মিলনৰ আওতাৰ ভিতৰলৈ আনে । সভ্য ভৰ্ত্তিৰ প্ৰ-পত্ৰ ছপা কৰি সভ্য সংখ্যা বৃদ্ধিৰ যত্ন কৰে । তিতাবৰ অভিবৰ্ত্তনে গ্ৰেটা মহৎ কাম সাধন কৰিলে । অসমত নিৰ্য্যাতিত কৰ্ম্মীসকলৰ মনত সংগঠনৰ আৱশ্যকতা অনুভৱ হ'ল, তেখেতসকল সংগঠিত হ'ল, প্ৰশাসনে সংগঠনক স্বীকাৰ কৰি ল'লে, নিৰ্য্যাতিতৰ পৰিবৰ্ত্তে মুক্তি যুঁজাৰু বুলি পৰিচয় পালে, অসম চৰকাৰ, ভাৰত চৰকাৰ উভয়ে সন্মান পেন্সন ঘোষণা কৰিলে ; আনকি ১৯৭২ চনত স্বাধীনতা লাভৰ ৰূপালী জয়ন্তী উৎসৱত তাম্ৰ -পত্ৰ প্ৰদান কৰিলে । ৰাজ্যিক প্ৰশাসনে মাহে ৫০.০০ টকা কৈ আৱম্ভ কৰি ক্ৰমান্বয়ে বৃদ্ধি কৰি বৰ্ত্তমান মাহিলী ৭৫০.০০ টকাকৈ পেন্সন দিছে । কেন্দ্ৰীয় পেন্সনৰ নাম পৰ্য্যন্ত পৰিবৰ্ত্তন কৰি স্বতন্ত্ৰতা সেনানী সন্মান বুলি অভিহিত কৰা হ'ল । মাহিলী ২০০.০০ টকাৰ পৰা বৃদ্ধি কৰি বৰ্ত্তমান ১৫০০.০০ টকাকৈ মাহে দিছে । ৰেলগাড়ীৰ প্ৰথম শ্ৰেণীত এজন সহায়কাৰীৰ সৈতে বিনামূল্যে ভাৰতৰ যি কোনো স্থানলৈ ভ্ৰমণৰ সুবিধা দিছে,। 'ৰাজধানী এক্সপ্ৰেছ' নামৰ ৰেল গাড়ীত ভ্ৰমণৰ সুবিধা দিয়া নাই যদিও সেই সুবিধাৰ বাবেও প্ৰস্তাৱ যোগে দাবী তোলা হৈছে । এই সকলো সুবিধা জিলা, ৰাজ্যিক আৰু সৰ্ব্বভাৰতীয় ভিত্তিত সাংগঠনিক শক্তিৰ বাস্তৱ সত্য ।

বুৰঞ্জী প্ৰকাশৰ প্ৰচেষ্টা

'নিৰ্য্যাতিত' নামেৰে এখন মুখপত্ৰ, মুক্তি যুঁজাৰুৰ স্বাধীনতা

সংগ্রামত অংশ গ্রহণৰ চমু বৃত্তান্তৰে সৈতে সংক্ষিপ্ত জীৱন পঞ্জী সম্বলিত এখন বুৰঞ্জী প্রকাশৰ মানস কৰি শ্রীভুৱন বৰুৱাই সাধাৰণ সম্পাদক স্বৰূপে প্র-পত্র বিতৰণ কৰিলে । শ্রীগোপীকান্ত বৰুৱা, শ্রীমোহন চন্দ্র গোস্বামী, পদ্মেশ্বৰ গোস্বামী আদি প্রবীণ মুক্তি যুঁজাৰুসকলে এই দুয়োটা কামত অশেষ কষ্ট কৰে । ১৯৫৮ চনৰ অভিবর্ত্তনৰ পাচৰে পৰা শ্রীভুৱন বৰুৱাই একক বাৰে প্রচেষ্টা কৰে । যোৱহাটৰ মোহিনী কান্ত হাতীবৰুৱা স্মৃতি ভৱনত স্থায়ী কার্য্যালয় কৰি সংগৃহীত প্র-পত্রৰ সম্পাদনো আৰম্ভ কৰে । কিন্তু পুঁজিৰ অভাৱ, শ্রীবৰুৱাৰ অসুস্থতা আদি এশএবুৰি অসুবিধাত প্রকাশন প্রয়াসতে বৈ গ'ল ।

দিনৰ পাছত মাহ, মাহৰ পাচত বছৰ বাগৰিল । অসম বাজ্যিক মুক্তি যুঁজাৰু সম্মিলনৰ জিলা গোট সংগঠনৰ পাচত ১০-১১-৮৫ তাৰিখে কার্য্যনির্ব্বাহক সভাত পদ্মেশ্বৰ গোস্বামীয়ে বুৰঞ্জীৰ প্রসঙ্গ পুনৰ উত্থাপন কৰি পুৰণি পৰিকল্পনা বাস্তবায়িত কৰাৰ ওপৰত গুৰুত্ব দিয়ে । সর্ৱেশ্বৰ বৰদলৈ সভাপতি থাকোতেই বুৰঞ্জী সংকলনৰ প্র-প্রত্র প্রণয়ন কৰা হয় । চক্রেশ্বৰ শইকীয়া সভাপতি আৰু শ্রীচাৰু গোস্বামী প্রধান সম্পাদক থাকোতে প্র-পত্র সমূহ বিতৰণ কৰা হয । ২০-৩-৮৮ তাৰিখৰ কার্য্যকৰী কমিটীৰ সভাত সর্ৱেশ্বৰ বৰদলৈক সভাপতি আৰু শ্রীদেৱেশ্বৰ দলৈক আহ্বায়ক কৰি এখন সংকলন সমিতি গঠন কৰা হয় । খৰতকীয়া ভাৱে বুৰঞ্জীৰ কাম সম্পাদন কৰাত সমিতিয়ে গুৰুত্ব প্রদান কৰে । শ্রীদেৱেশ্বৰ দলৈ প্রধান সম্পাদক থাকোতে প্র-পত্র সমূহ সংগ্রহ কৰি সম্পাদনাৰ কাম আগবাঢে । শ্রীতিলেশ্বৰ বৰদলৈ প্রধান সম্পাদক নির্ব্বাচিত হোৱাত কার্য্যকৰী কমিটীয়ে শ্রীদেৱেশ্বৰ দলৈক বুৰঞ্জীৰ সম্পাদনাৰ কাম প্রদান কৰে । সর্ব্বভাৰতীয় পটভূমিত অসমৰ স্বাধীনতা সংগ্রামৰ ক্রমবিকাশ ৰচনাৰ কাম আগবাঢ়ে । কার্য্যকৰী কমিটীৰ ১৫-৯-৯০ তাৰিখৰ বৈঠকত প্রধান সম্পাদক শ্রীতিলেশ্বৰ বৰদলৈক বুৰঞ্জী সম্পাদনাৰ দায়িত্ব শ্রীদেৱেশ্বৰ দলৈৰ লগত যুটীয়াভাৱে অর্পণ কৰা হয় । সভাপতিৰ দায়িত্ব চক্রেশ্বৰ শইকীয়াৰ ওপৰত ন্যস্ত কৰা হয় । শইকীয়াৰ পৰলোকৰ পাচত সম্মিলনৰ স্থায়ী সভাপতি শ্রীসোণাৰাম চুতীয়া সম্পাদনা সমিতিৰ সভাপতি হৈ পুস্তকখন প্রকাশৰ পথত গুৰুত্ব সহকাৰে আগবাঢ়ে ।

বুৰঞ্জীৰ খণ্ড বচনাৰ পাচত কার্য্যকৰী কমিটীৰ বৈঠকত পাঠ কৰি অনুমোদন লোৱা হয় । ছপা হোৱাৰ পাচতো হৰফৰ আকাৰ, দুটা শাৰীৰ মাজৰ ফাঁক, কিতাপৰ আকাৰ আদি সকলো কথা কার্য্যকৰী কমিটীৰ বৈঠকত পাঠ কৰি, প্রদর্শন কৰি অনুমোদন লোৱা হয় । লেঠা নমৰিল এটা বিষয়ত । সম্পাদক দুয়োজনেই বিয়াল্লিছৰ মুক্তি যুঁজাৰু । ১৯২১, ১৯৩০-৩২, ১৯৪০-৪১ আৰু ১৯৪২ চনৰ চূড়ান্ত সংগ্রামৰ বিৱৰণ সংগ্রহৰ কাৰণে সমল অতি দুষ্প্রাপ্য । ১৯২১ ৰ সংগ্রামীসকল এতিয়া ক'ৰবাত দুই এজনহে আছেগৈ । ১৯৩০-৩২ ৰ সংগ্রামীৰো সংখ্যা ক্ষীণ । যি আছে সেই সকল ১৯৪২ ৰ । জীৱিত সকলেও জিলাখনৰ সামগ্রিক ভাৱে সংগ্রামৰ বতৰা দিব নোৱাৰে, নিজৰ নিজৰ অঞ্চলৰহে পাৰে । আলোচনী, স্মৃতিগ্রন্থ কিছু সংগ্রামীৰ অপ্রকাশিত লিখনী, চন্দুকৰ চিঠি, অঞ্চল বিশেষে প্রকাশিত স্বাধীনতা সংগ্রামৰ বিৱৰণ আদিৰ পৰা সমল সংগ্রহ কৰা হৈছে । অঞ্চল বিশেষে প্রবীণ আৰু প্রসিদ্ধ মুক্তি যুঁজাৰুৰ বর্ণনা হুবহু প্রকাশ কৰা হৈছে । মাত্র দ্বিৰুক্তি যাতে নহয় তালৈহে লক্ষ্য কৰা হৈছে । ১৯২১ চনৰ বহুত মুক্তি যুঁজাৰুৰ নাম পর্য্যন্ত সংগ্রহ হোৱা নাই । যাৰ নাম পোৱা গৈছে সেই সকলৰো জীৱনৰ আৰু স্বাধীনতা সংগ্রামত অৰিহণাৰ বর্ণনা পোৱা হোৱা নাই । বহুতৰ ফটো পাবলৈ নাই ।

'দৈনিক জনমভূমি' কাকতৰ জৰিয়তে পাঁচদিন জীৱন-বৃত্তান্ত বিচাৰি মুক্তি যুঁজাৰুসকললৈ বিনম্রে গোহাৰি জনোৱা হ'ল । ব্যক্তিগত চিঠিৰেও বিৱৰণ বিচৰা হ'ল । বহুতৰ ঘৰলৈ একাধিকবাৰ গৈ বর্ণনাৰ কাৰণে বিনীত অনুৰোধ জনোৱা হ'ল । বৃত্তান্ত সংগ্রহৰ কাৰণে সম্ভৱপৰ কোনো যত্নৰ ত্রুটি কৰা হোৱা নাই । স্বর্গী হোৱা সকলৰ পৰিয়ালৰ ওপৰত ভৰসা কৰিব লগীয়া হৈছে । পৰিয়ালৰ অধিক সংখ্যকে সহযোগ কৰিছে, কম সংখ্যকে আঁতৰি আছে । এনেৰোৰ কাৰণত মুক্তি যুঁজাৰুসকলৰ সকলোৰে জীৱন বৃত্তান্ত দিয়া হৈছে বুলি দাবী কৰাৰ থল নোহোৱা হৈছে । একেটা কাৰণতে কিতাপখনে সম্পূর্ণতাৰ দাবী কৰিবলৈকো অপাৰগ ।

প্রকাশনৰ পুঁজি

অতিক্রম কৰিবলৈ অপাৰগ হোৱা অন্তৰায় হৈছে পুঁজি সংগ্রহ । ৰাজ্যিক সম্মিলনে ৰূপনগৰৰ জিৰণি ঘৰ নির্মাণৰ কাৰণে এমাহৰ পেন্সন প্রতিজন পেন্সন পোৱা মুক্তি যুঁজাৰুৰ পৰা বিচাৰি গোহাৰি জনাইছিল । জিলাৰ কার্য্যকৰী কমিটীয়ে স্থিৰ কৰিলে যে প্রস্তাৱিত পুস্তকখন প্রকাশ কৰাৰ পাচতহে ৰাজ্যিকৰ গোহাৰি বিবেচনা কৰা হ'ব । সেইহেতু কমিটীয়ে এটা নিৰিখ নিৰূপিত কৰিলে । দুয়োটা পেন্সন পোৱা সকলে এহেজাৰ আৰু অকল ৰাজ্যিক পেন্সন পোৱা সকলে পাঁচশ টকাকৈ পৰিকল্পিত পুস্তকখন প্রকাশৰ নিমিত্তে দান দিব লাগে । এই দানৰ পৃথক নাম দিলে বিশেষ ৰৱঙণি বুলি । যি সকলে একেবাৰতে বিশেষ ৰৱঙণি দিবলৈ অসমর্থ, সেইসকলে দুই তিনিটা কিস্তিত আদায় দিয়াৰ সুবিধা কমিটীয়ে দিলে । প্রতিখন কার্য্যকৰী কমিটীৰ বৈঠকত, প্রতিখন বার্ষিক অধিবেশনত, প্রতিখন সমাৰোহত, আনকি ইস্তাহাৰ, গোহাৰি, বাতৰি কাকতৰ নিবেদনৰ উপৰিও ব্যক্তিগত পত্র আৰু সাক্ষাতেও এই অলঙ্ঘনীয় প্রাচীৰ অতিক্রম কৰিব পৰা নাই । সংগৃহীত পুঁজি ছপাখানাত দিয়া হৈছে । ছপা হোৱা অংশ কার্য্যনির্বাহকৰ বৈঠকত আৰু সাধাৰণ সভাত দেখুৱাই, পঢ়ি অনুমোদন লোৱা হৈছে । বহুত মুক্তি যোদ্ধাৰ ফটো পোৱা নাই, বহুতৰ ফটো নায়েই । যেনে প্রসিদ্ধ মুক্তিযোদ্ধা শশীধৰ মলীয়া বৰুৱাৰ ফটো পোৱা নহ'ল । ৰাজ্যিক সম্মিলনৰ পৰা প্রকাশিত 'জীৱনী কোষ' ৰ পৰা ফটোখন ল'বলৈকো ফটোখনত এনেকুৱা এটা দাগ পৰিল যে পুনৰ মুদ্রণ কৰিলে ভালকৈ নুঠে । সেইখন ছবিকে আঁকাই অনা হ'ল, তথাপি মানুহজন স্পষ্টকৈ নোলাল । এনেবোৰ কার্য্যকৰী অসুবিধাত ফটো বহুতবে বাদ পৰি গ'ল ।

বৃত্তান্ত দিব লগীয়া প্রতি মৌজাৰ মুক্তি যুঁজাৰুৰ তালিকাখন চাই-চিতি অনুমোদন কৰি দিবলৈ এখন কমিটী গঠন কৰি দিয়া হৈছিল । পৰবর্ত্তী বৈঠকত প্রতি মৌজালৈ সম্পাদক দুজন গৈ জ্যেষ্ঠ মুক্তি

যুঁজাৰু সকলক সুধি-পুছি জীৱন পঞ্জী ছপা কৰাৰ অনুমোদন জনালে কার্য্যনির্বাহকে । সেই সিদ্ধান্ত অনুযায়ী সম্পাদক দুজনে প্রতি মৌজাৰ জ্যেষ্ঠ মুক্তিযোদ্ধা সকলৰ লগত আলোচনা কৰি তালিকা চূড়ান্ত কৰা হৈছে । তথ্য-পাতি সংগ্রহৰ ক্ষেত্রত সহায় কৰিবলৈ কার্য্যকৰী কমিটীয়ে কেবাবাৰো প্রসিদ্ধ আৰু প্রবীণ মুক্তি সংগ্রামীক অঞ্চল বিশেষে দায়িত্ব দিয়ে । তাৰে ভিতৰত চাওখার্টৰ শ্রীটংকেশ্বৰ বৰা, শিমলুগুৰিৰ শ্রীতৰুণ চাংকাকতি, হেজাৰিৰ বর্ত্তমান সম্মিলনৰ উপসভাপতি শ্রীমোহন চন্দ্র বৰা, সম্মিলনৰ উপদেষ্টা শ্রীভুবন চন্দ্র সন্দিকৈ, সহকাৰী সম্পাদক শ্রীমহেন্দ্র নাথ ফুকন, উপ সভাপতি শ্রীকনকচন্দ্র দত্ত, আৰু ন-কচাৰীৰ শ্রীফনিন্দ্র নাথ গগৈয়ে যথেষ্ট সংখ্যক তথ্য, জীৱন পঞ্জী আৰু পুৰণি সমল অনেক কষ্ট কৰি উদ্ধাৰ কৰি দিয়ে । বিশেষকৈ শ্রীবৰাদ্বয় আৰু শ্রীফুকনে সততে খা-খবৰ লৈ সম্পাদনাৰ কামত প্রভুত সহায় কৰে ।

স্বাধীনতা সংগ্রামৰ প্রথম পর্য্যায়ৰ ইতিহাস উদ্ধাৰত শ্রীপ্রফুল্ল কুমাৰ বৰুৱাৰ সহায়ৰ বাবেও আন্তৰিক শলাগেৰে আটাইকেউজনলৈকে কৃতজ্ঞতা জনাইছোঁ ।

জিলা সম্মিলনৰ জিৰণিঘৰ

যোৰহাট জিলা মুক্তি যুঁজাৰু সম্মিলনৰ নিজা ৰবীয়াকৈ মাটি নাই, কার্য্যালয় নাই । প্রধান মন্ত্রী শ্রীৰাৱে ৰূপ নগৰৰ জিৰণিঘৰৰ উন্মোচন কৰা সভাত সঁকীয়াই দিয়াৰ বহু পূর্ব্বৰে পৰা মাটি এটুকুৰাৰ কাৰণে যত্নৰ ত্রুটি কৰা হোৱা নাছিল । যোৰহাট নগৰত মাটিৰো অতি অভাৱ । অন্তহীন আয়াস আৰু অপেক্ষাৰ অন্তত ১৯৯৫ চনৰ ফেব্রুৱাৰী মাহৰ ১৭ তাৰিখে নগৰৰ ভিতৰতে দুকঠা মাটিৰ আবণ্টন ভূমি উপদেষ্টা সমিতিয়ে দিয়ে । যোৰহাট সম্মিলনৰ দীর্ঘদিনীয়া প্রচেষ্টাৰ মূৰকত মাটি পোৱা হ'ল, পৰৱর্ত্তী নির্ম্মাণৰ কাম বাকী । এই কামো সম্মিলনৰ সম্মুখত প্রত্যাহ্বান ৰূপে থিয় দিছে ।

মুক্তি যুঁজাৰু ঃ এটি নিৰবচ্ছিন্ন পৰম্পৰা

কোনো কোনো লোকে, আনকি মুক্তি যুঁজাৰুৰেও কয় যে সন্মিলন ক্ষয়িষ্ণু সংগঠন । এদিন বিয়াল্লিছৰ মুক্তি সংগ্রামীও কালৰ বুকুত নিঃচিহ্ন হৈ যাব । মাটি কেলে ? কার্য্যালয় কেলে ?? কিন্তু প্রশ্ন হৈছে মুক্তি সংগ্রাম শেষ হৈছে জানো ? মুক্তি সংগ্রাম এটা পৰম্পৰাত, এটা ঐতিহ্যত উপনীত হৈছে । ১৯৪৭ চনৰ ১৫ আগষ্টত ৰাজনৈতিক স্বাধীনতা লাভৰ পাচত মুক্তি সংগ্রামৰ প্রাথমিক পর্য্যায়ৰহে সমাপ্তি হৈছে ; মহাত্মা গান্ধীৰ দর্শন, আদর্শ বাস্তৱত ৰূপায়িত কৰাৰ প্রচেষ্টা বহুত বাকী । মুক্তি যুঁজাৰুৰ অবিচলিত বিশ্বাস যে গান্ধী আদর্শৰ অবিহনে পৃথিৱীত সমাজ ৰচনাৰ বিকল্প নাই । স্বাধীনতা সংগ্রামৰ সেনানী সকল এদিন কালৰ বুকুত বিলীন হৈ যাব ; কিন্তু বাপুজীৰ দর্শন আৰু আদর্শ নিঃচিহ্ন হৈ নাযায়, যাব নোৱাৰে । আদর্শৰ মৰণ নাই । চন্দ্র-দিবাকৰ থকালৈকে সেই আদর্শক অনুধাৱন কৰি মুক্তি যুঁজাৰুৰ ঐতিহ্য অক্ষুন্ন, অম্লান কৰি ৰখাৰ সংগ্রামৰত অবিৰত ৰখাৰ সংকল্প আছে ।

মহাত্মা গান্ধীৰ আদর্শৰ প্রতি প্রত্যাহ্বান আৰম্ভ হৈছে ; বাপুজীৰ জন্মভূমি ভাৰতত । আধ্যাত্মিক আৰু আন্তৰিক শক্তিৰ অমোঘ অস্ত্র অহিংসাৰ পৰিবর্ত্তে হিংসাই জান্তৱ হিংস্রতাকো চেৰ পেলাইছে । মানৱীয় প্রমূল্যৰ অৱক্ষয় হৈছে । সততা, সৰলতাৰ পৰিবর্ত্তে আত্মকেন্দ্রীকতা, কপটতাৰ নাগপাশত 'বুদ্ধিনাশাং প্রণশ্যতি' হৈছে । এই সকলো অন্যায়-অবিচাৰ অনীতি-অতিচাৰ অৱসানৰ অস্ত্র এপাট - অহিংসা । এই সত্য এদিন উপলব্ধি হ'ব । ধূমুহাৰ পাচত শান্ত সমাহিত বাতাবৰণৰ দৰে সমাজত সাম্যভাৱে বিৰাজ কৰিব । মাত্র অপেক্ষাৰ আৱশ্যক । এই আস্থা আৰু আশাৰে মুক্তি সংগ্রামীয়ে নৈতিক আৰু আত্মিক আলোকেৰে উদ্ভাসিত পৃথিৱীৰ অপেক্ষাত আছে । বাপুজীৰ দর্শনত বিশ্বাসী এচাম মানুহ নিশ্চয় ওলাব যি চামে ভাৰতক বাপুজীৰ আদর্শৰ ভিত্তিত গঢ়িব । এই আদর্শৰ মৃত্যু নাই কাৰণেই সেই আশা বুকুত বান্ধি মুক্তি ৰণৰ ৰণুৱাসকলে নিকা আৰু ফৰকাল ভবিষ্যতৰ ভাৰসা ৰাখিছে ।

স্বাধীনতা সংগ্রামত যোৰহাট

'স্বাধীনতা সংগ্রামত যোৰহাটৰ নামটো জিলা সন্মিলনৰ কার্য্যকৰী কমিটীয়ে দিয়া । কিতাপখনৰ পৰিকল্পনাও কার্য্যনির্ব্বাহকৰ । তিনিটা খণ্ডৰ প্রথম খণ্ড সর্বভাৰতীয় আৰু সমগ্র অসমৰ প্রাসঙ্গিকতাৰ উল্লেখ থাকিলেও যোৰহাটৰ বিভিন্ন অঞ্চলৰ প্রসিদ্ধ মুক্তি সংগ্রামীৰ বর্ণনাৰে সিক্ত । দ্বিতীয় খণ্ডত জীৱিত মুক্তি যুঁজাৰু সকলৰ সংক্ষিপ্ত জীৱন বৃত্তান্ত । জীৱন পঞ্জীত স্বাধীনতা সংগ্রামত লিপ্ততাৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে । স্বাধীনোত্তৰ কালৰ ব্যক্তিগত খ্যাতিৰ খতিয়ান ক্ষীণ । প্র-পত্র প্রণয়নতে পোনতে প্রাথমিক পর্য্যায়ত এনে ভাৱে প্রস্তুত কৰা হয় । তৃতীয় খণ্ডত প্রয়াত মুক্তি যুঁজাৰুসকলৰ সেইদৰে জীৱন পঞ্জী সন্নিবিষ্ট কৰা হৈছে । যাৰ ফটো পোৱা হৈছে, দিয়া হৈছে । যথা সময়ত বিৱৰণ নোপোৱা সকলৰ কাৰণে পৰিশিষ্ট দিব লগা হৈছে । নামসমূহ সজাওঁতে মৌজাৰ ক্রম ৰক্ষা কৰা হৈছে । মুক্তি যোদ্ধাসকলক পৰাপক্ষত বয়সৰ জ্যেষ্ঠতা অনুপাতে সজোৱা হৈছে । এই সকলো ক্রম কার্য্যকৰী কমিটীৰ অনুমোদন অনুযায়ী ৰক্ষা কৰা হৈছে ।

যি কেইজন নেতৃস্থানীয় প্রৱীণতম মুক্তিযুঁজাৰুৰ জীৱন বৃত্তান্ত অলপ বিস্তৃত কৰা হৈছে, যি ফটো সর্ব্বভাৰতীয় নেতৃবর্গৰ, অসমৰ পটভূমিত সংগ্রামৰ সময়ছোৱাৰ নেতৃত্ব লৈছিল সেই সকলৰ কার্য্যকৰী কমিটীৰ নির্দেশনা অনুযায়ী তেনে কৰা হৈছে । আঞ্চলিক ভিত্তিত নেতৃত্ব গ্রহন কৰা মুক্তিযুঁজাৰু কেইজনমানৰ জীৱন বৃত্তান্ত নাতিদীর্ঘ কৰিবলৈকো কমিটীৰ সম্মতিক্রমে কৰা হৈছে ।

শ্বহীদৰ বর্ণনা

অসমৰ সকলো শ্বহীদৰ ফটো আৰু জীৱনৰ চমু পৰিচয় অতি দুৰূহ । বিভিন্ন আলোচনী, স্মৃতিগ্রন্থ, বাতৰিকাকত, সময়ে সময়ে প্রকাশিত প্রবন্ধ আদিৰ পৰা সংগ্রহ কৰি যিকেইজনৰ পোৱা গ'ল সেই কেইজনকহে

জীৱন পৰিচয় আৰু মৃতাৱস্থাৰ ফটো দিব পৰা হ'ল । শ্বহীদ কমলা মিৰিৰ ফটো নোপোৱাত আমি দুঃখিত ।

বেটুপাতৰ নক্সা

কার্য্যকৰী কমিটীৰ ইচ্ছা যে কিতাপখনৰ বেটুপাতৰ ছবি বাপুজীয়ে লোণ আইন ভঙ্গ কৰিবলৈ সাগৰৰ তীৰ দাণ্ডি নামৰ উপকূল অংশলৈ যাত্রা কৰাৰ দৃশ্যৰ সমদলযাত্রাটো দিব লাগে । দাণ্ডি যাত্রা আৰু মহাত্মা গান্ধীৰ গ্রেপ্তাৰৰ লগে লগে ১৯৩০ চনৰ ৬ এপ্রিলৰ ৰাতিৰ পৰা আইন অমান্য আন্দোলন আৰম্ভ হয় । মহাত্মাজীয়ে ১৯৩০ চনৰ ১২ মার্চৰ দিনা সবৰমতী আশ্রমৰ পৰা ৭৫ জন সত্যাগ্রহীক লগত লৈ দাণ্ডিলৈ যাত্রা কৰে । সেই যাত্রা বিপ্লৱৰ জ্বলন্ত সাক্ষীস্বৰূপেকিতাপখনৰ বেটুপাতখিলা সজাই তুলিব লাগে । সমগ্র দেশখনক আইন অমান্য আন্দোলনৰ প্রতি উদ্বেলিত কৰে দাণ্ডি যাত্রাই । সমিতিৰ সিদ্ধান্ত সময়োপযোগী হোৱাৰ উপৰিও নতুন প্রজন্মক প্রেৰণা যোগাব বুলি পতিয়ন যোৱা হ'ল । সেই দাণ্ডি যাত্রাৰ নক্সা বিচৰা হ'ল । ক'তো পাবলৈ নাই । মহাত্মা গান্ধীৰ কেৱল ছবিৰ জীৱনী গ্রন্থ বিচৰা হ'ল । গ্রন্থ পোৱা হ'ল কিন্তু ইস্পিত ছবি পোৱা নগ'ল । অসম চৰকাৰৰ জন সংযোগ দপ্তৰ, শৰণীয়া আশ্রম, গান্ধী মণ্ডপ, বিভিন্ন পুথি ভঁৰালত বিচৰা হ'ল । ক'তো পোৱা নহ'ল । বিবুদ্ধি হ'ব লগা হ'ল । অৱশেষত শিল্পীসকলৰ কাষ চপা হ'ল । গুৱাহাটী নিবাসী শ্রীত্রৈলোক্য দত্তৰ 'এলবাম' ত ছবিখন পোৱা হ'ল । সেই ছবিৰে তেখেতে এখন অঙ্কন কৰি দিলে । ছপা কৰি কার্য্যকৰী কমিটীক প্রদর্শন কৰা হ'ল । কমিটীয়ে অনুমোদন কৰাত সেই নক্সাকেই বেটুপাতত দিয়া হ'ল— বিপ্লৱৰ প্রতীক ৰূপত, স্বাধীনতা সংগ্রামৰ অমোঘ অস্ত্র অহিংসাৰ স্রষ্টা, দ্রষ্টা পুৰুষ মহাত্মা গান্ধীক পুস্তকৰ প্রাৰম্ভতে প্রণাম জনোৱাৰ সুবিধাকণো পোৱা হ'ল । কার্য্যনির্ব্বাহকৰ সিদ্ধান্ত মুক্তি, যুঁজাক সকলৰ মনঃপূত হ'লে আমাৰ চেষ্টা সার্থক হ'ব ।

এই সুযোগতে আমি শিল্পী শ্রীত্রৈলোক্য দত্তৰ প্রতি কৃতজ্ঞতা আৰু শলাগ জনাইছোঁ ।

কৃতজ্ঞতা জ্ঞাপন

জীৱিত মুক্তি যুঁজাৰুৰ জ্যেষ্ঠতম্, গান্ধী দর্শনৰ প্রসিদ্ধ প্রৱক্তা, 'পদ্ম বিভূষণ' উপাধিৰে ভাৰত চৰকাৰৰ দ্বাৰা বিভূষিত, সকলোৰে পৰম শ্রদ্ধাভাজন শ্রীবিজয় চন্দ্র ভাগৱতী দেৱে 'ভূমিকা' লেখি, অসম ৰাজ্যিক মুক্তি যুঁজাৰু সম্মিলনৰ সম্মানিত সভাপতি, সম্মিলনকে মহাত্মাজীৰ 'লোক সেৱক' সংঘলৈ, ৰূপান্তৰিত কৰাৰ আপ্রাণ প্রচেষ্টাৰে নৱ্বৈ বছৰ বয়সৰ ওচৰ চাপিও তাৰুণ্য হ্রাস নোহোৱা, অহৰহ কর্ম্মব্যস্ত শ্রীৰৱীন কাকতি দেৱে 'পাতনি' লেখি, যি মহৎ উপকাৰ সাধিলে তেখেতসকল উভয়লৈকে অন্তৰ উজাৰি কৃতজ্ঞতা আৰু সশ্রদ্ধ প্রণাম জনাইছোঁ । শ্রদ্ধেয় শ্রীভাগৱতী দেৱে নিজৰ অভিজ্ঞতাৰে স্বাধীনতা সংগ্রামৰ ইতিহাস ৰোমন্থন কৰি আমাৰ কাম বহুত চমুৰাই দিলে, শ্রদ্ধেয় কাকতিদেৱেও মুক্তিৰণৰ প্রাৰম্ভ কালৰ অভিজ্ঞতা বর্ণনাৰে পুস্তকখনৰ পৰিপূৰক হিচাবে অতীতৰ ৰেঙণিৰে বৰঞ্জীৰ সৌষ্ঠৱ বঢ়ালে । নমস্য মুক্তি যুঁজাৰু দুজনাৰ এয়া আশীষ হিচাবে আমি গণ্য কৰিছো ।

এই পুস্তক প্রকাশৰ পৰিকল্পনা আৰু প্রচেষ্টা ১৯৫৫ চনৰে পৰা প্রসাৰিত । ১৯৫৮ চনৰ পাচত প্র-পত্র বিতৰণ, সংগ্রহ, সম্পাদনৰো কাম হৈছিল বুলি জনা গৈছে । অৱশ্যে সেই প্রচেষ্টাৰ একো কাগজ-পত্র পোৱা নগ'লেও শ্রীভুৱন বৰুৱাৰ প্রকাশিত পুথি "বিপ্লৱী ন-আলি ঢেকীয়াজুলি", অপ্রকাশিত বর্ণনা আৰু নির্য্যাতিত কর্ম্মীসংঘৰ ক্রমবিকাশ সম্পর্কীয় টোকাই অতীত ইতিহাস বর্ণনাত যি সহায় কৰিলে তাৰ কাৰণে শ্রীবৰুৱাৰ প্রতি সশ্রদ্ধ কৃতজ্ঞতা জনোৱা হৈছে । অসম ৰাজ্যিক মুক্তি যুঁজাৰু সম্মিলনৰ ক্রম সংগ্রহত ৰাজ্যিক কার্য্যালয় আৰু প্রাৰম্ভৰে পৰা সম্পাদক, সাধাৰণ সম্পাদক আৰু বর্ত্তমান সর্ব্বভাৰতীয় সমিতিৰ আঞ্চলিক সম্পাদক আৰু ৰাজ্যিক সম্মিলনৰ কোষাধ্যক্ষ শ্রীকামাখ্যা প্রসাদ দাসৰ প্রতি কৃতজ্ঞতা জনোৱাৰ লগতে অভিনন্দন জনোৱা হৈছে ।

যি সকল প্রসিদ্ধ আৰু প্রবীণ মুক্তি যুঁজাৰুৰে নিজ নিজ অঞ্চলৰ

বিপ্লৱৰ বৰ্ণনাৰে ইতিহাস ৰচনাক সমৃদ্ধ কৰিলে সেইসকলোৰে প্ৰতি সম্পাদকদ্বয়ে কৃতজ্ঞ চিত্তে সতীর্থ আৰু সহযোদ্ধাৰ শ্ৰদ্ধাৰে শলাগ লৈছো ।

'পূৰ্ব্বশ্ৰী অফ্‌ছেট প্ৰিণ্টার্ছ' ৰ স্বত্বাধিকাৰী শ্ৰীশিৱপ্ৰসাদ বৰুৱাই একেলগে পাণ্ডুলিপি নিদিয়াকৈ খণ্ড খণ্ড ৰূপত কিতাপখনৰ অংশবিশেষ দিয়া সত্ত্বেও যি জঞ্জাল শিৱপাতি লৈ ছপাৰ কাম সমাধা কৰিলে তাৰবাবে শ্ৰীবৰুৱা আৰু সমূহ কৰ্ম্মীবৃন্দলৈ মুক্তি যুঁজাৰু সম্মিলনৰ তৰফৰ পৰা প্ৰীতিপূৰ্ণ কৃতজ্ঞতা জনোৱা হৈছে ।

আমি দুয়োজন সম্পাদক সম্মিলনৰ ওচৰত কৃতজ্ঞ । ১৯৮৮ চনৰে পৰা ১৯৯৫ চনলৈ সুদীর্ঘ সাত বছৰ অবিৰত আৰু অক্লান্ত প্ৰচেষ্টাৰ ফলশ্ৰুতিত পুস্তকখনে প্ৰকাশৰ পোহৰ দেখিছে । পঢ়ুৱৈ সমাজ, বিশেষকৈ মুক্তি যুঁজাৰু সকল আৰু উত্তৰপুৰুষক অকণমানো যদি আলোক আৰু অনুপ্ৰেৰণা দিব পাৰে, তেনেহ'লে আমাৰ পৰিশ্ৰম সার্থক হ'ব ।

সম্মিলনৰ আহ্বানত সঁহাৰি জনাই কেইবাবছৰৰ আগতে প্ৰবীণতম মুক্তি যুঁজাৰু সকলে প্ৰ-পত্ৰ পুৰাই দিলে আৰু তেখেতসকলৰ জীৱন বৃত্তান্ত চমুকৈ ছপা হ'ল । নতুনকৈ দিয়া সকলৰ জীৱন বৃত্তান্ত হয়তো অপেক্ষাকৃতভাৱে দীঘলীয়া হোৱাটো দৃষ্টিকটু হ'লেও প্ৰকৃত তথ্য সন্নিবিষ্ট হৈছে । বহু বছৰ পূৰ্বতে এই কাম হ'ব লাগিছিল । নানান অসুবিধাত অনেক বছৰ পিছুৱাই গ'ল । বিলম্ব হ'লেও উত্তৰ পুৰুষৰ কাৰণে এটা নির্ভৰযোগ্য নথি ৰৈ গ'ল । বছৰ বাগৰাৰ লগে লগে স্মৃতিও হেৰাই যাব ।

ইত্যাদি কাৰণত সম্পাদকদ্বয়ৰ অনিচ্ছাকৃত অজ্ঞতা আৰু অনভিজ্ঞতাৰ অনেক ত্ৰুটি বিচ্যুতিৰ কাৰণে কৰযোৰে মার্জনা বিচাৰিছোঁ ।

শ্ৰীদেৱেশ্বৰ দলৈ
শ্ৰীতিলেশ্বৰ বৰদলৈ
সম্পাদকদ্বয়

স্বাধীনতা সংগ্রামৰ বাটকটীয়াসকল

পিয়লি ফুকন

ইংৰাজ সকলে আহোম স্বৰ্গদেউসকলক সহায় কৰি মোৱামৰীয়া বিদ্রোহী সকলৰ হাতৰ পৰা তেওঁলোকক ৰক্ষা কৰিছিল । কিন্তু তাৰ পিছত গৌৰীনাথ সিংহই, মোৱামৰীয়া বিদ্রোহ দমন কৰিবলৈ পঠোৱা কেপ্টেইন ৱেলছক আৰু কিছুদিন অসমত থাকিবলৈ দিব লাগে বুলি কাকুতি-মিনতি জনাই চিঠি দিয়া সত্বেও কোম্পানীৰ গৱৰ্ণৰ জেনেৰেল চাৰ জন চ'ৰে অনুমতি দিয়া নাছিল । তাৰ পিছত বদন বৰফুকন আৰু পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ মাজত থকা ক্ষমতাৰ যুঁজখনৰ কাৰণে বদন বৰফুকনে মান ৰজাক মাতি আনিছিল আৰু মানসৈন্যই কেইবাবাৰো অসম আক্রমণ কৰি অসমীয়া প্রজাৰ ওপৰত অবর্ণনীয় অত্যাচাৰ চলাইছিল । সেই অত্যাচাৰৰ পৰা হাত সাৰিবলৈ বহুতো প্রজা বঙ্গদেশৰ ৰংপুৰত শৰণাৰ্থী হৈ আছিলগৈ । তদুপৰি ব্রহ্মদেশৰ ৰজাৰ অত্যাচাৰত থাকিব নোৱাৰি বহুতো প্রজা ইংৰাজৰ ৰাজ্য চট্টগ্রামলৈ পলাই গৈছিল । গতিকে সেই সময়ৰ ৰাজনৈতিক পটভূমিটো এনে হৈ পৰিছিল যে ব্রহ্মদেশৰ ৰজাৰ সাম্রাজ্যবাদী নীতি আৰু শৰণাৰ্থীৰ প্রশ্নটো লৈ ব্রহ্মদেশৰ ৰজা আৰু ইংৰাজ কোম্পানীৰ মাজত যুদ্ধ অপৰিহার্য্য হৈ পৰিছিল । মান ৰজা আৰু ইংৰাজ কোম্পানীৰ মাজত হোৱা যুদ্ধখন ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি শেষ হৈছিল । এই সন্ধিমতে অসমখন কোম্পানীৰ শাসনৰ অধীনলৈ গৈছিল । দুটা বিদেশী শক্তি লগ লাগি অসমৰ ভাগ্য নির্ণয় কৰি পেলাইছিল । মানৰ আক্রমণৰ পিছত কোম্পানীয়ে খোলাখুলিকৈ ঘোষণা কৰিছিল যে মানৰ আক্রমণৰ পৰা অসম ৰক্ষা কৰি তেওঁলোক অসম এৰি যাবলৈ অহা নাই ।

বিদেশী "বগা বঙাল" ইংৰাজক খেদাই অসমক পুনৰ স্বাধীন কৰিবলৈ বিদ্রোহ কৰিছিল পিয়লি ফুকনে । পিয়লি ফুকন বদন বৰফুকনৰ পুতেক । অৱশ্যে তাৰ আগতে গদাধৰ নামৰ এজন বিদ্রোহীয়ে ডা-ডাঙৰীয়াসকলৰ লগ লাগি, চিপাহীবোৰক ধনৰ লোভ দেখুৱাই নিজৰ

ফলীয়া কৰি নতুনকৈ খলি পোতা ইংৰাজ ৰাজত্বৰ বিৰুদ্ধে বিদ্রোহ আৰম্ভ কৰিছিল মৰিয়ণীত । গদাধৰ ব্রহ্মদেশৰ কোনো এক খণ্ডত শাসনকৰ্ত্তা হৈ আছিল । তেওঁক ব্রহ্মদেশৰ ৰজাৰ চোৰাংচোৱা বুলিও বহুতে ভাবিছিল । ১৮২৮ চনৰ ১০ নবেম্বৰ তাৰিখে গদাধৰে আত্মসমর্পণ কৰিছিল আৰু বিচাৰত সাত বছৰ ফাটেক হৈছিল । অসমৰ স্বাধীনতা ৰণৰ আগৰণুৱা আছিল গমধৰ কোঁৱৰ । গমধৰ কোঁৱৰৰ বিদ্রোহৰ গুৰিত আছিল দুটা শাসন ব্যৱস্থাৰ মাজত হোৱা সংঘর্ষ । আহোম সকলৰ শাসন ব্যৱস্থা আৰু ইংৰাজসকলৰ শাসন ব্যৱস্থাৰ মাজত ভালেখিনি অমিল আছিল । গতিকে যেতিয়া পাইক প্রথাৰ পৰা পাই থকা সা-সুবিধা বিলাক হেৰুৱাব লগীয়া হৈছিল, কৰ-কাটল যেতিয়া বৃদ্ধি পাইছিল তেতিয়া ডা-ডাঙৰীয়া সকলে তাক গ্রহণ কৰি ল'ব পৰা নাছিল । পুনৰ আহোম শাসন ঘুৰাই আনিবলৈ গমধৰ কোঁৱৰৰ নেতৃত্বত ডা-ডাঙৰীয়া সকলে বিদ্রোহ কৰিছিল । গমধৰ কোঁৱৰৰ পৰাজয় হৈছিল । যোৰহাটত তেওঁ আত্মসমর্পণ কৰিছিল । বিচাৰত তেওঁৰ সাত বছৰ ফাটেক হৈছিল । বহুতে ক'ব খোজে যে গদাধৰ আৰু গমধৰ দুজন মানুহ নহয় একেজন মানুহেই ।

যি কি নহওক, গমধৰ কোঁৱৰৰ বিদ্রোহ বিফল হোৱাৰ পিছত আৰু এজন এজনকৈ বিদ্রোহী বিলাকৰ শাস্তি হৈ যোৱাৰ পিছত পিয়লি ফুকনে বুজিছিল যে সংগঠনৰ অভাৱেই স্বাধীনতাৰ কাৰণে কৰা সংগ্রামৰ অকৃতকার্য্যতাৰ প্রধান কাৰণ । পিয়লি ফুকনে বিশ্বাস কৰিছিল যে, স্বাধীনতা সংগ্রামত অসমীয়াৰ জয় হ'বই । তাৰ কাৰণে অসমীয়া জাতি "এক জাতি, একপ্রাণ, এক ভাত" হ'ব লাগিব আৰু সংগঠিত হ'ব লাগিব । এদিন চৰাইদেউৰ মৰিশালিত মৃত্যুসদৃশ নীৰৱতা ভঙ্গ কৰি ভালেমান ৰাইজ গোট খালে । পিয়লি ফুকনে অন্তৰৰ পৰা বুজালে - দেউতাই মান আনিছিল - সেইটো এটা দুঃস্বপ্নভৰা অতীত । স্বদেশ প্রেমৰ বেদীত দেউতাই যি কালিমা সানিলে সেই কালিমা দূৰ কৰি তেওঁ তেওঁৰ ফলিজাৰ তেজ দি সেই বেদীত এগছি নতুন বস্তি জ্বলাব খুজিছে । এতিয়া তেওঁক লাগে অকুণ্ঠ সমর্থন আৰু চৰম ত্যাগ । উপস্থিত সকলোৱে তেওঁক সমর্থন জনাব বুলি অঙ্গীকাৰ কৰিছিল । সেইমতে কামো ডগাই

দিয়া হৈছিল । নুমলী বুঢ়াগোঁহায়ে চাহাবৰ নাও ডুবাব আৰু চাউনীত জুই দিব । তাৰ পিছত কলিয়াবৰ- ৰহা হৈ গুৱাহাটীলৈ যাব । পিয়লি ফুকনে ৰংপুৰৰ খাৰঘৰত জুই দিব । চিকন ঢেকীয়াল ফুকনে নাজিৰাত থকা কোম্পানীৰ অফিচ পুৰিব আৰু নগাসকলৰ সহযোগত ইংৰাজক আক্ৰমণ কৰিব । মইনা খাৰঘৰীয়া ফুকনে খাৰ-বাৰুদ মজুত ৰাখিব । বৰৱকতীয়াল বৰুৱাই খাদ্য সামগ্ৰী যোগান ধৰাৰ দায়িত্বত থাকিব । ভদ্ৰসেন গোঁহাই আৰু চকলা লাহনে গাঁৱে গাঁৱে ঘুৰি মানুহবিলাকক জগাই তুলিব । লাহৰী আইদেউ আৰু মনোমতীয়ে এটি নাৰী দল গঠন কৰিব । দিচাংমুখ, ৰানমুখ, চাউলকড়া, আখৈফুটীয়া, কোঁৱৰপুৰ, নকটানি, পাণবেচা, মেটেকা, মেচাগড়, মথিয়াচিগা, বনগাওঁ, কালুগাওঁ, শলগুৰি, লক্কাক, কেন্দুগুৰি, বাঘচোং, হাঁহচৰা, চুণপোৰা, বকতা, লাকোৱা আদি সকলো ঠাইৰ পৰা মানুহ আহি পিয়লিৰ লগ লাগিলহি । ভাৰতৰ বৰ বৰ নৱাবসকলৰ হাজাৰ বিজাৰ সৈন্যক পৰাস্ত কৰি আধিপত্য বিস্তাৰ কৰা ইংৰাজ কোম্পানীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিলে পিয়লি ফুকনে । এইয়া কেৱল বিদ্ৰোহেই নহয় , এখন সৰু সুৰা যুদ্ধ । পিয়লি ফুকনে উপলব্ধি কৰিছিল যে ইংৰাজসকল আহি সোমাওঁতেই উলিয়াই পঠিয়াব নোৱাৰিলে পিছত গোজেই গজালি হ'ব । ইতিমধ্যে নগাসকল আহি দিখৌ নৈৰ গৰাৰ কাষৰ হাবিত লুকাই থাকিল । তেওঁলোকে আঙুলি আৰু দাঁত কামুৰি শপত খাইছে বগাবঙালক মাৰি শেষ কৰিবই । পর্বতীয়া ভাইসকলৰ লগত যোগাযোগ কৰাৰ দায়িত্বত থকা গহীন চেতিয়া আৰু জুৰমন ৰৰাই ইতিমধ্যে গাৰো, খাচী, জয়ন্তীয়া, মণিপুৰী, ডফলা, খামতি, মোৰামৰীয়া, চিংফৌ সকলোলৈকে পত্ৰ প্ৰেৰণ কৰিলে ।

১৮৩০ চনৰ পঁচিশ মার্চৰ ঘোপমৰা আন্ধাৰ ৰাতিটোত দিখৌপাৰটোক বিদ্ৰোহীসকলে ৰণাঙ্গনলৈ পৰিণত কৰিছিল । দিখৌৰ পানীত নাৱৰ বঠাৰ চলপ্ চলপ্ শব্দ বন্দুকৰ গুলীৰ গুৰুম্ গুৰুম্ আৱাজ, শত্ৰু শিবিৰত জ্বলি উঠা জুই আৰু বিদ্ৰোহীৰ কাঁড়ৰ চাক্ চাক্ শব্দই আৰু চিঞৰ-বাখৰে এটা ভয়াবহ পৰিবেশৰ সৃষ্টি কৰিছিল । জীৱন-মৰণ এফাকাৰ হৈ ৰোৱা এই পৰিবেশৰ মাজত পিয়লিয়ে খাৰ ঘৰত জুই দিলে।

খাৰ ঘৰৰ জুইৰ পোহৰে চৌদিশ পোহৰাই তুলিছিল আৰু সেই পোহৰৰ মাজত থিয় দি আছিল পিয়লি ফুকন । ইংৰাজৰ বন্দুকৰ গুলীৰ আগত তিষ্ঠিব নোৱাৰি সকলোৰোৰ আহি নদীৰ কাষ চাপিলহি । কিন্তু দুৰ্ভাগ্যক কোনেও বাধা দিব নোৱাৰিলে । আঁতৰি পৰিবলৈ চাই বিদ্রোহীসকলে দেখিলে পাৰত বান্ধি থোৱা নাওঁৰোৰৰ ৰচিৰোৰ কটা । নাওঁৰোৰ উটি গৈ পানীৰ মাজত । কোনোবাই বিশ্বাসঘাটকতা কৰিলে । হিংস্ৰ বাঘৰ দৰে ইংৰাজ চিপাহীৰোৰ মানুহৰ ওপৰত জপিয়াই পৰিল । বহুতো মানুহ মৰিল । কিন্তু মাৰি মৰিল । জ্বলি ছাই হৈ যোৱা খাৰঘৰটোৰ অলপ আঁতৰত নিৰস্ত্ৰ পিয়লিক ইংৰাজ চিপাহীয়ে বন্দী কৰি পেলালে । পিয়লি চাকোলা । খাৰঘৰত জুই দিবলৈ বোকোচাত লৈ অহা মানুহটোৱেও তেওঁক অকলে এৰি থৈ পলাই গ'ল ।

পিয়লি ফুকনৰ বিচাৰ হৈছিল । অৱশ্যে বিচাৰৰ আৱশ্যকেই হোৱা নাছিল কাৰণ পিয়লি ফুকনে স্পষ্টভাৱে কৈছিল - "মই দেশ উদ্ধাৰ কৰিবলৈ অহা সঁচা । আচলতে কোনেও পৰাধীন হৈ থাকিবলৈ ভাল নেপায় ; আমি মৰিবলৈ ভয় কৰি তোমালোকক খেদিবলৈ ওলোৱা নাই ।" ১৮৩০ চনৰ ৩০ আগষ্টত শিৱসাগৰ পুখুৰীৰ পাৰত পিয়লিৰ ফাঁচী হৈছিল ।

মণিৰাম দেৱান

১৮৫৭ চনত ভাৰতৰ হিন্দুস্থানী চিপাহী বিলাকে বৃটিছৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল । নানান কাৰণত তেওঁলোক বৃটিছৰ প্ৰতি অসন্তুষ্ট হৈ পৰিছিল । ভাৰতত কম ইংৰাজ সৈন্য থকাৰ সুযোগ লৈ হিন্দুস্থানী চিপাহীবোৰে ১৮৫৭ চনত বিদ্রোহ কৰিছিল । তেওঁলোকে ভাৰতত বৃটিছ শাসনৰ অৱসান ঘটাই পুৰণি ৰজা মহাৰজাৰ শাসন পুনৰ প্ৰতিষ্ঠা কৰিবলৈ একগোট হৈছিল । মীৰাটত এই বিদ্রোহ আৰম্ভ হৈ ক্ৰমান্বয়ে দিল্লী, বেৰিলি, জগদীশপুৰ, কানপুৰ, অযোধ্যা, লক্ষ্ণৌ . এলাহাবাদ, বাৰানসী, সীতাপুৰ, গোৰখপুৰ, ৰোহিলখণ্ড আদি ঠাইত বিদ্রোহ বিয়পি পৰিছিল ।

বিদ্রোহীৰ হাতত বহুতো ইংৰাজৰ মৃত্যু হৈছিল আৰু এটা আতঙ্কৰ সৃষ্টি হৈছিল । এই চিপাহী বিদ্রোহৰ লগত সংহতি ৰাখি অসমতো এটা বিদ্রোহ সংগঠিত কৰিবলৈ যত্ন কৰিছিল মণিৰাম দেৱানে ।

মণিৰাম দেৱান এজন সুদক্ষ বিষয়া আছিল । আহোম ৰজাৰ অধীনত আৰু ইংৰাজ কোম্পানীৰ অধীনত ক্রমে তেওঁ ৰৰৱৰুৱা, তহছিলদাৰ আৰু পিছলৈ চিৰস্তাৰ্দাৰ হৈছিলগৈ । মণিৰাম দেৱানৰ ৰাজহ বিষয়ৰ ভাল জ্ঞান আছিল আৰু তেওঁ ৰাজহ বিষয়ত চৰকাৰক দিহা পৰামৰ্শ দি সহায় কৰিছিল । চিৰস্তাদাৰ হৈ থাকোতে ৰজা পুৰন্দৰ সিংহই তেওঁক মৌজাদাৰৰ দায়িত্বও সম্পন্ন কৰিবলৈ দায়িত্ব দিছিল । দেৱানৰ নিজৰো তিনিখন মৌজা আছিল । ১৮৩৯ চনত মণিৰাম চিৰস্তাদাৰ ৰকৱা নাজিৰাত থকা 'অসম চাহ কোম্পানী'ৰ দেৱান নিযুক্ত হয় । কিন্তু পিছলৈ কোম্পানীৰ প্রশাসনীয় বিষয়া সকলৰ লগত মনোমালিন্য হোৱাত মণিৰামে দেৱানৰ পদ ইস্তফা দিয়ে । তাৰ পিছত তেওঁ যোৰহাটলৈ আহি মৰিয়ণীত চাহ বাগিছা খুলিলে । মণিৰাম দেৱানৰ বিশেষ কৃতিত্ব হ'ল যে তেওঁ কোম্পানীৰ লগত ফেৰ মাৰি বাগিচা খুলিলে আৰু কাঠ, হাতী আদিৰ ব্যৱসায় কৰি অসমত এটা ব্যৱসায়িক চেতনা জগাই তুলিলে । মণিৰাম দেৱানেই আছিল প্রথম ভাৰতীয় চাহ খেতিয়ক । কিন্তু লাহে লাহে কোম্পানীৰ বিষয়াসকলৰ সৈতে মণিৰাম দেৱানৰ মনোমালিন্য বৃদ্ধি পাই আহিবলৈ ধৰিলে । শিৱসাগৰৰ অধিকর্ত্তা টোডিয়ে ইউৰোপীয় চাহ খেতিয়ক সকলক দিয়া নতুন ভূমি সম্পৰ্কীয় সা-সুবিধাবোৰ মণিৰাম দেৱানক দিবলৈ অমান্তি হয় । তদুপৰি দেৱানৰ পৰিয়ালক দিয়া অর্থনৈতিক সা-সুবিধাকে ধৰি অন্যান্য সা-সুবিধাবোৰো বাতিল কৰা হ'ল । মণিৰাম দেৱানে চেৰেকাপাৰ, কোঁৱৰপুৰ আৰু মেটেকাত থকা তেওঁৰ মৌজা তিনিখনো হেৰুৱাব লগা হয় । মণিৰাম দেৱানে বিভিন্ন চৰকাৰী চাকৰিত থকাৰ কাৰণে স্বাভাবিকতে তেওঁৰ আধিপত্য আৰু প্রতাপ বৃদ্ধি পাইছিল । কিন্তু সেইটো কোম্পানীৰ বিষয়াসকলৰ সহ্য হোৱা নাছিল । আৰু অর্থনৈতিক সুা-সুবিধাৰ পৰা বঞ্চিত কৰি সেইকাৰণেই মণিৰামৰ ওপৰত তেওঁলোকে পোতক তুলিছিল । তদুপৰি কোম্পানীৰ এজন সহকাৰী

বিষয়া আলেকজেণ্ডাৰ হাৰ্টক শাৰীৰিক ভাবে আঘাত কৰাৰ কাৰণে আৰু দিঘৌমুখৰ নাৰ্চাৰীৰ চুপাৰিনটেণ্ডেণ্ট পি. আলেকজেণ্ডাৰক হত্যা কৰা বুলি সন্দেহ কৰি হলৱয়েডে মণিৰাম দেৱানক শাস্তি প্ৰদান কৰাতো বিচাৰিছিল। হাৰ্টে চীন দেশৰ পৰা বনুৱা আনিবলৈ গৈ অকৃতকাৰ্য্য হৈছিল আৰু উলটি আহি ক্ষতিপূৰণ হিচাবে ২৯,৩৬৫ টকাৰ এখন বিল দাখিল কৰিছিল। কিন্তু প্ৰধান কাৰ্য্যকৰী বিষয়া হিচাবে মণিৰামে সেই টকা দিবলৈ অমান্তি হোৱাৰ লগতে ওলোটাইহে হাৰ্টৰ পৰা ক্ষতিপূৰণ বিচাৰিছিল। এদিন পি. আলেকজেণ্ডাৰৰ সৈতে নাজিৰাৰ ওচৰৰ ৰৰআলিত কথা কটাকটি হৈ থাকোতে এজাক ম'হৰ আক্ৰমণত আলেকজেণ্ডাৰৰ মৃত্যু হৈছিল। সেইটোকে, মণিৰামে আলেকজেণ্ডাৰক হত্যা কৰিলে বুলি প্ৰচাৰ কৰি দিয়া হৈছিল। কিন্তু মণিৰাম দেৱানো কম ধাতুৰ মানুহ নাছিল। তেওঁ ইংৰাজবিলাকৰ জাত্যাভিমান সমূলি সহ্য কৰিব নোৱাৰিছিল আৰু নিজকে কোনো গুণেই ইংৰাজতকৈ কম বুলি নাভাবিছিল।

মণিৰাম দেৱানে উপলব্ধি কৰিছিল যে, ইংৰাজ কোম্পানীৰ নতুন শাসন ব্যৱস্থাই অসমৰ অৱস্থাৰ উন্নতি কৰিব নোৱাৰে। তদুপৰি কোম্পানীৰ শাসন ব্যৱস্থা অনুসৰি ডা-ডাঙৰীয়া সকলে হেৰুৱাবলগীয়া সা-সুবিধাবোৰো কোম্পানীয়ে ডা-ডাঙৰীয়া সকলক ঘুৰাই নিদিয়ে। তেওঁৰ অৰ্থনৈতিক অৱস্থাও কোম্পানীয়ে টনকীয়াল কৰি নিদিয়ে। গতিকে ইয়াৰ প্ৰতিকাৰৰ উপায় হিচাবে মাথোন এটাই উপায় আছে। সেইটো হৈছে আহোম স্বৰ্গদেউৰ শাসন পুনৰ ঘুৰাই অনা। তথাপি শেষ প্ৰচেষ্টা হিচাবে মণিৰাম দেৱানে মফট মিলচ্ চাহাবৰ ওচৰত এখন আবেদন পত্ৰ দাখিল কৰিলে। মফট মিলচ্ সদৰ দিৱানী আদালতৰ বিচাৰক আছিল আৰু তেওঁক বঙ্গদেশৰ লেফটেনেণ্ট গৱৰ্ণৰ জন কেম্পাবেলে অসমত কোম্পানীৰ শাসন ব্যৱস্থাৰ পুঙ্খানুপুঙ্খভাবে বিচাৰ কৰিবলৈ মিলচ্ চাহাবক পঠিয়াইছিল। মণিৰাম দেৱানে ডা-ডাঙৰীয়াসকলৰ সা-সুবিধাবোৰ পুনৰ ঘুৰাই দিবলৈ স্বৰ্গদেউৰ দিনৰ আইন ব্যৱস্থা ৰদ কৰাত প্ৰজাৰ অসুবিধা, কৰবৃদ্ধি আৰু আফিঙৰ প্ৰৱৰ্ত্তনৰ ফলত প্ৰজাৰ দুখ-দুৰ্গতি, নিজৰ অৰ্থনৈতিক অৱস্থাৰ বৰ্ণনা কৰি মিলচ চাহাবৰ ওচৰত আবেদন জনাইছিল

আৰু চাৰিঙৰ ৰজা কন্দৰ্পেশ্বৰ সিংহক পুনৰ শাসনভাৰ গতাই দিবলৈ খাটনি ধৰিছিল । কিন্তু মিলচ্ চাহাবে সেই আবেদনৰ ওপৰত গুৰুত্ব নিদিলত কোম্পানীৰ উৰ্দ্ধতন মহলৰ ওচৰত আবেদন জনাবলৈ মণিৰাম দেৱান কলিকতালৈগৈছিল । কিন্তু কোম্পানীৰ উৰ্দ্ধতন কৰ্ত্তৃপক্ষৰ পৰাও মণিৰামে কোনো সঁহাৰি পোৱা নাছিল । সেই সময়তে চিপাহী বিদ্রোহ আৰম্ভ হৈছিল । গতিকে আবেদন নিবেদনৰ পথ পৰিহাৰ কৰি মণিৰাম দেৱানে বিদ্রোহৰ পথ বাচি লোৱাটোকে সিদ্ধান্ত কৰি চাৰিঙ ৰজা কন্দৰ্পেশ্বৰ সিংহক বৃটিছৰ বিৰুদ্ধে যুঁজিবলৈ সাজু হৈ থাকিবলৈ আহ্বান জনালে আৰু পিয়ালি বৰুৱা প্ৰমুখে অন্যান্য সহযোগী সকলক বিদ্রোহ সংগঠিত কৰিবলৈ পৰামৰ্শ দিলে । অসমত থকা হিন্দুস্থানী চিপাহীবোৰৰ দ্বাৰাইও বিদ্রোহ সংগঠিত কৰাবলৈ তেওঁ ব্যৱস্থা গ্ৰহণ কৰিলে । কন্দৰ্পেশ্বৰ সিংহৰ হাতলৈ ক্ষমতা অহাৰ পিছত নিজে প্ৰধান মন্ত্ৰী হোৱাৰ উপৰিও অন্যান্য সহযোগী সকলক কি বিষয়বাব দিব তাৰ এখন আঁচনিও কৰিলে । সেই কাৰণে তেওঁ চিপাহী বিদ্রোহৰ শেহতীয়া খবৰ 'ভাট' বা 'সন্যাসী'ৰ যোগেদি সঘনাই চাৰিঙ ৰজাক জনাই আছিল । কিন্তু ইতিমধ্যে, চিপাহীবোৰে কেনেকৈ, ক'ত, কোনসময়ত বিদ্রোহ আৰম্ভ কৰিব সেইবোৰ গুণা-গঁঠা কৰি থাকোতেই বিদ্রোহৰ কথা কোম্পানীৰ বিষয়াৰ কাণত পৰিছিলগৈ । তদুপৰি দেৱানৰ এখন চিঠি হিন্দুস্থানী 'ভাট' এজনে চাৰিং ৰজাক বিচাৰি নাপাই ভুলক্ৰমে হৰনাথ দাৰোগাৰ হাতত দিছিলগৈ আৰু হৰনাথে ততাতৈয়াকৈ সেই চিঠিখন হলৰয়ডক দিছিলগৈ । খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰি হলৰ'য়ডে ১৮৫৭ চনৰ চেপ্তেম্বৰ চাৰিং ৰজাক গ্ৰেপ্তাৰ কৰি কলিকতালৈ চালান দিলে । পিয়ালি বৰুৱা, সৰ্ব্বমল্লিক, মৰঙ্গীখোৱা গোঁহাই, দুতিৰাম বৰুৱা, মায়াৰাম নাজিৰ, বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলিকো গ্ৰেপ্তাৰ কৰা হ'ল । মণিৰাম দেৱানক কলিকতাত গ্ৰেপ্তাৰ কৰি আলিপুৰ জেইলত থোৱা হৈছিল । তাৰ পৰা জাহাজেৰে তেওঁক যোৰহাটলৈ অনা হৈছিল । ২৩ ফেব্ৰুৱাৰী তাৰিখে কৃত্ৰিম বিচাৰালয় পাতি মণিৰামক ফাঁচীৰ হুকুম দিয়া হৈছিল আৰু ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে পিয়ালি বৰুৱাৰ সৈতে একেলগে ফাঁচী দিয়া হৈছিল ।

পিয়ালি বৰুৱা

চিপাহী বিদ্রোহৰ সৈতে সংহতি ৰক্ষা কৰি মণিৰাম দেৱানৰ পৰামৰ্শ মতে অসমত ইংৰাজৰ বিৰুদ্ধে আৰম্ভ কৰিব লগীয়া বিদ্রোহৰ প্ৰধান সংগঠক আছিল পিয়ালি বৰুৱা । মণিৰাম দেৱানে বিশ্বাস কৰিছিল যে চিপাহীবিলাকৰ বিদ্রোহৰ কাৰণে ভাৰতত ইংৰাজ শক্তি দুৰ্বল হৈ পৰিছে আৰু সেই সুযোগতে অসমতো চিপাহীবিলাকৰ সহযোগত ইংৰাজ শক্তিক আঘাত কৰিব লাগিব । সেই কাৰণে তেওঁ চিপাহী বিদ্রোহৰ গতি বিধি জনাই আৰু তাৰ পৰিপ্রেক্ষিতত কেনেধৰণৰ কার্য্যব্যৱস্থা গ্রহণ কৰিব লাগিব সেই বিষয়ে পৰামৰ্শ দি কলিকতাৰ পৰা পত্র প্রেৰণ কৰিছিল । যিসকলে এই পত্র বোৰ আনিছিল তেওঁলোকক ভাট বা ফকিৰ বুলিছিল । সেই ভাটসকলে চিঠিবোৰ আনি হয় চাৰিং ৰজা কন্দর্পেশ্বৰ সিংহ নহয় পিয়ালি বৰুৱাৰ হাতত দিছিল । পিয়ালি বৰুৱাই সেই মতে বিদ্রোহ সংগঠন কৰিছিল । পিয়ালি বৰুৱাক কেন্দ্র কৰিযেই সকলোৱোৰ আলোচনা বিলোচনা হৈছিল । সেই সময়ৰ ভালেমান গণ্য-মান্য ব্যক্তি যেনে উগ্রসেন মৰঙ্গীখোৱা গোঁহাই, কৃষ্ণদত্ত খঙ্গীয়া বৰুৱা, লক্ষ্মীনাথ শেনচোৱা বৰুৱা, কমলাচাৰিঙ্গীয়া বৰুৱা, নীলকান্ত চোলাধৰা ফুকন, দুতীৰাম বৰুৱা, মুহীধৰ মুক্তিয়াৰ, উমাকান্ত শৰ্ম্মা, মায়াৰাম নাজীৰ, বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলিৰ দৰে ব্যক্তিৰ সমর্থন আদায় কৰিবলৈ সক্ষম হৈছিল । তদুপৰি ভালেকেইজন ধর্মীয় নেতা যেনে কমলাবাৰী সত্রৰ কৃষ্ণকান্ত গোস্বামী আৰু দক্ষিণপাট সত্রৰ বসুদেৱ গোস্বামীকো পিয়ালি বৰুৱাই নিজৰ পিনলৈ আনিবলৈ সক্ষম হৈছিল । তেওঁলোকে পিয়ালি বৰুৱাক পূর্ণ সমর্থন আগবঢ়োৱাৰ প্রতিশ্রুতি দিছিল । বিদ্রোহ সংগঠিত কৰি দেশক স্বাধীন কৰা কামটো পিয়ালি বৰুৱাই পবিত্র কাম বুলি বিবেচনা কৰিছিল । তেওঁৰ যুক্তিত হয়ভৰ দি ইংৰাজৰ চাউল খোৱা ভালেমান মৌজাদাৰেও পিয়ালি বৰুৱাৰ লগ লৈছিল । এটা ডাঙৰ গুণ থকাৰ কাৰণে সংগঠনৰ কাম কৰাত পিয়ালি বৰুৱাৰ সুবিধা হৈছিল । সেইটো হৈছে তেওঁ এজন ভাল

সঙ্গীতজ্ঞ আছিল । সংগীতৰ বৈঠক পাতি তেওঁ বিদ্রোহৰ কথাবোৰ মানুহৰ মাজত প্রচাৰ কৰিছিল । পিয়ালি বৰুৱা চিপাহীৰ চাউনীতো সোমাই পৰিছিল । চিপাহী আৰু মাৰোৱাৰী ব্যৱসায়ী সকলৰ মাজতো তেওঁ বৰ সমাদৃত হৈছিল । চিপাহী আৰু মাৰোৱাৰী সকলে মৰমতে তেওঁক 'পণ্ডিতজী' বুলি মাতিছিল ।

অসমতো যে চিপাহী বিদ্রোহৰ দৰে এটা বিদ্রোহে মূৰ তুলি উঠিছে সেই বিষয়ে ইংৰাজ প্রশাসনীয় বিষয়া সকলে আশঙ্কা কৰিছিল । সেই আশঙ্কা সত্যত পৰিণত হৈছিল মণিৰাম দেৱানৰ এখন চিঠিৰ পৰা । সেই চিঠিখন মণিৰাম দেৱানে ভাটৰ হাতত চাৰিঙৰ ৰজাৰ হাতত দিবলৈ পঠিয়াই দিছিল । কিন্তু ভুলক্রমে ভাটজনে, দেখিলে লাঠি যেন লগা এটা টেমাত ভৰাই অনা চিঠিখন, চাৰিঙৰ ৰজাক বিচাৰি নেপাই, হৰনাথ দাৰোগাৰ হাততে দি আহিছিল । হৰনাথ সেইসময়ত যোৰহাটত দাৰোগা হৈ আছিল । হৰনাথে চিঠিখন খুলি চাই ততাঁত্মোকৈ চিঠিখন নি কোম্পানীৰ মুখ্য সহকাৰী হলৰয়দৰ হাতত দি দায়িত্ব পালন কৰিছিল । হলৰয়দ সেইসময়ত কমিচনাৰৰ দায়িত্বত আছিল । ইতিমধ্যে মণিৰাম দেৱানে লিখা আৰু কিছুমান চিঠি হলৰয়দৰ হাতত পৰিছিলহি । এনে পৰিস্থিতিত ইংৰাজ কোম্পানীয়ে ১৮৫৭ চনৰ ১৪ নং আইনখন প্রয়োগ কৰিলে আৰু এই আইনৰ জৰিয়তে কোম্পানীৰ বিষয়াসকলে যেনেদৰে বিচাৰে তেনেদৰেই শাস্তি দিব পৰা অধিকাৰ বিষয়াসকলক দিয়া হ'ল । তদুপৰি নিজৰ স্বার্থ সিদ্ধি কৰিব পৰাকৈ কোম্পানীয়ে আইন কিছুমান প্রণয়ন কৰিলে আৰু সেইবোৰৰ দ্বাৰা বিদ্রোহীৰ এটা ব্যাখ্যা দাঙি ধৰিলে । সেই আইনৰ ভালেকেইটামান দফা আছিল যদিও মূল কথাটো আছিল ইংৰাজৰ বিৰুদ্ধে যোৱা সকলেই বিদ্রোহী । সেই আইনৰ আধাৰতে পিয়ালি বৰুৱা আৰু অন্যান্য বহুতক গ্রেপ্তাৰ কৰা হৈছিল । কাৰণ ইংৰাজ প্রশাসনে বুজি পাইছিল যে চিঠিখন চাৰিঙৰ ৰজাৰ নামত দিয়া হৈছিল যদিও আচলতে চিঠিখন পিয়ালি বৰুৱাক উদ্দেশ্য কৰিয়েই লিখা হৈছিল । মণিৰাম দেৱানে চিঠিখনত ইংগিত দিছিল যে ভাৰতত ইংৰাজৰ শাসন শেষ হৈছে । ওপৰত উল্লেখ কৰা আইন খনৰ জৰিয়তে (১৮৫৭ চনৰ ১৪

আইন) ১৮৫৮ চনৰ ফেব্রুৱাৰী মাহৰ ৯ তাৰিখে বিচাৰ কৰি হলৱয়দে পিয়ালি বৰুৱাক দোষী সাব্যস্ত কৰিছিল আৰু শেষ নিশ্বাস নেপেলোৱালৈকে ডিঙিত ছিপজৰী লগাই ফাঁচী দিয়াৰ হুকুম দিছিল। ১৮৫৮ চনৰ ২৬ ফেব্রুৱাৰীত মণিৰাম দেৱানৰ সৈতে একেলগে যোৱহাটৰ পূব পিনে থকা টোকোলাই নদীৰ পশ্চিম পাৰত পিয়ালি আৰু মণিৰামক ফাঁচী দিয়া হৈছিল। মৃত্যুৰ সময়ত পিয়ালি বৰুৱা চফল ডেকা আছিল। তেওঁৰ বয়স পঁচিশৰ পৰা বত্রিশ বছৰৰ ভিতৰত আছিল। তেওঁ প্রখ্যাত বেজবৰুৱা পৰিয়ালৰ সন্তান আছিল। তেওঁৰ উপৰিপুৰুষ কলিবৰ এজন নিষ্ঠাবান ব্রাহ্মণ। তেওঁৰ সততাত মুগ্ধ হৈ ৰজা জয়ধৱজ সিংহই কলিবৰক মাটি-বৃত্তি দান কৰি অসমতে থাকিবলৈ দিছিল আৰু ৰাজবৈদ্যৰ সন্মান দিছিল। এই বেজবৰুৱা পৰিয়ালৰে ৰামবৰুৱাৰ প্রথম গৰাকী ভার্য্যাৰ তৃতীয় সন্তান আছিল। সৰুৰে পৰা স্বাধীনচিতিয়া, শুৱলা কণ্ঠৰ অধিকাৰী সঙ্গীতজ্ঞ পিয়ালি বৰুৱা। তেখেতৰ ঘৰুৱা নাম আছিল মহেশ্বৰ বেজবৰুৱা।

বাহাদুৰ গাওঁবুঢ়া

বাহাদুৰ গাওঁবুঢ়াৰ পৰিয়ালটো বাহিৰৰ পৰা অহা। তেওঁৰ দেউতাকৰ নাম আছিল তবৰোজ। আতায়েকৰ নাম আছিল দিল গাওঁবুঢ়া। সেই সময়ত বাহিৰৰ পৰা মুছলমান সকলে অসমৰ সমাজ জীৱনৰ লগত মিলিজুলি বসবাস কৰি অসমীয়া সংস্কৃতিলৈ উল্লেখনীয় অৱদান আগবঢ়াইছিল। বাহাদুৰ গাওঁবুঢ়াৰ পৰিয়ালটো আছিল তেনে এটা পৰিয়াল। তেওঁলোকৰ পৰিয়ালটোক আখৰ কটা বৰুৱাৰ পৰিয়াল বুলি জনা গৈছিল। আহোম ৰজাৰ অধীনত তেওঁৰ পৰিয়ালে আখৰ কটা বিষয় খাইছিল। বাহাদুৰ গাওঁবুঢ়া নিজেও এজন নিপুণ শিল্পী আছিল। তেওঁ হাতী দাঁতৰ ফণী, সঁফুৰা আদি কৰিছিল। ৰজাৰ মোহৰত চাব মাৰিছিল। তামৰ ফলিত আখৰ কাটিছিল। শুনিবলৈ পোৱা মতে বাহাদুৰ গাওঁবুঢ়াই বৈ উলিওৱা হাতী দাঁতৰ পাটী এখন বোলে আউনিআটী সত্রত আছে।

মণিৰাম দেৱানৰ নেতৃত্বত, চিপাহী বিদ্রোহৰ সময়তে অসমতো যি বিদ্রোহ মূৰ তুলি উঠিছিল সেই বিদ্রোহ সংগঠন কৰিবলৈ সঘনে আলোচনা বিলোচনা কৰিবলৈ সকলোবোৰ গণ্যমান্য ব্যক্তি চাৰিঙীয়া ৰজা কন্দৰ্পেশ্বৰ সিংহৰ ঘৰত লগ হৈছিল । সেই আলোচনালৈ অন্যান্য ব্যক্তিৰ লগতে বাহাদুৰ গাওঁবুঢ়া আৰু ফৰমুদ আলিও আহিছিল । বাহাদুৰ গাওঁবুঢ়া আৰু ফৰমুদ আলিৰ ওপৰত বিশেষকৈ মুছলমান সম্প্রদায়ৰ লোকসকলক সংগঠিত কৰাৰ দায়িত্ব পৰিছিল । বিদ্রোহ সাফল্যমণ্ডিত কৰি তুলিবলৈ মুছলমান সম্প্রদায়ৰ সমর্থন অপৰিহার্য্য আছিল । কাৰণ তেওঁলোকে ঘৰুৱাভাবে বন্দুক সাজিব জানিছিল । তদুপৰি শিৱসাগৰ, যোৰহাট আৰু গোলাঘাটৰ বহুতো মুছলমান পৰিয়ালৰ ঘৰত ভালে সংখ্যক বন্দুক আছিল । মুছলমান সম্প্রদায়ৰ মানুহখিনিক একেলগ কৰি সংঘবদ্ধ কৰিবলৈ বিশেষকৈ দুটা কথাৰ কাৰণে বাহাদুৰ গাওঁবুঢ়াক দায়িত্ব দিয়া হৈছিল । এটা হৈছে সেইসময়ৰ গাঁৱলীয়া প্রজাৰ ওপৰত বাহাদুৰ গাওঁবুঢ়াৰ অসীম প্রভাৱ আছিল । কোনেও তেওঁৰ কথা নেপেলাইছিল । আনটো কাৰণ হ'ল আজান ফকীৰে জনপ্রিয় কৰি থৈ যোৱা ইচলাম ধর্মৰ এজন ধর্মপ্রচাৰক হিচাপেও তেওঁৰ সম্প্রদায়ৰ মানুহৰ ওপৰত তেওঁৰ এটা প্রভাব আছিল । সেইকাৰণে কলিকতালৈ যোৱাৰ আগতে দুষ্টচক্রই যাতে মানুহৰ মন ভাঙিব নোৱাৰে সেই কথাৰ ওপৰত চকু দিবলৈ মণিৰাম দেৱানে বাহাদুৰ গাওঁবুঢ়াকে দায়িত্ব দি গৈছিল । কাৰণ যোৰহাটৰ মুছলমান সমাজ তেওঁৰ কথামতেই চলিছিল । বিদ্রোহৰ কামত খৰচ কৰিবলৈ চাৰিং ৰজাই বাহাদুৰ গাওঁবুঢ়াক এঘাৰ তোলা সোণ দিছিল আৰু তাৰে বাহাদুৰ গাওঁ বুঢ়াই মছজিদত ভোজ-ভাতৰ আয়োজন কৰিছিল আৰু বিদ্রোহৰ আঁচনিবোৰ, সমবেত হোৱা সকলক বুজাইছিল । ইয়াৰ উপৰিও সময়ত চাৰিঙৰ ৰজাৰ প্রয়োজন হ'লে যোগান ধৰিব পৰাকৈ প্রায় এশটা বন্দুক তেওঁ যোগাৰ কৰি থৈছিল । এগৰাকী আমেৰিকান বেপটিষ্ট মিছনেৰীয়ে প্রচাৰ কৰিছিল যে বাহাদুৰ গাওঁবুঢ়াইতে ইংৰাজক কাটি-মাৰি খাস্তাং কৰি ইছলামৰ ৰাজত্ব প্রতিষ্ঠা কৰিব বিচাৰিছে । এইটো সত্যৰ অপলাপৰ বাহিৰে একো নহয় । বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলি, চাৰিঙ ৰজা মণিৰাম দেৱানৰ অনুগত

আছিল আৰু বিদ্রোহৰ হকে নিষ্ঠাৰে কাম কৰি কষ্ট ভোগ কৰিছিল । ফৰমুদ আলি তিনিখন গাঁৱৰ মুৰব্বী আছিল আৰু নিজৰ সম্প্রদায়ৰ মানুহৰ ওপৰত তেওঁৰো যথেষ্ট প্রভাৱ আছিল । তেওঁ এজন ভাল বেহেলাবাদকো আছিল ।

অৱশেষত বাহাদুৰ গাওঁবুঢ়া, পিয়ালি বৰুৱা আদিয়ে চলাই থকা বিদ্রোহী কার্য্য কলাপ , ইংৰাজ বিষয়া সকলৰ দৃষ্টিগোচৰ হ'ল । ১৮৫৭ চনৰ ১৪ নং আইন অনুসৰি বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলি, পিয়ালি বৰুৱা আদিক গ্রেপ্তাৰ কৰা হ'ল আৰু বিচাৰ কৰা হ'ল । বিচাৰৰ ৰায় দিলে সেই সময়ত কমিচনাৰৰ দায়িত্বভাৰ লৈ থকা হলৰয়দে । বিচাৰত বৃটিছৰ বিৰুদ্ধে, চাৰিওৰ ৰজাৰ লগ হৈ, বিদ্রোহ কৰাৰ কাৰণে আৰু যোৰহাটৰ মুছলমান প্রজাক ফুচুলোৱাৰ কাৰণে বাহাদুৰ গাওঁবুঢ়া আৰু ফৰমুদ আলিক দোষী সাব্যস্ত কৰা হ'ল আৰু যাৱৎজীৱন কাৰাদণ্ড বিহি আন্দামান নিকোবৰ দীপপুঞ্জলৈ নির্বাসিত কৰা হ'ল । সিমানতে ক্ষান্ত নাথাকি বাহাদুৰ গাওঁবুঢ়াৰ ঘৰ লুটপাত কৰি চৰকাৰে তেওঁৰ সম্পত্তি লৈ গ'ল ।

বাহাদুৰ গাওঁবুঢ়া এজন ধর্মপ্রাণ ব্যক্তি আছিল । আন্দামানত বন্দী হৈ থাকোতে তেখেতে সাধাৰণ বন্দীৰ দৰেই কাম কৰিব লগীয়া হৈছিল । তাৰ মাজতো তেওঁ নিয়মীয়াকৈ নামাজ আৰু কো�ৰাণ পঢ়িছিল । শুনা যায় যে আন্দামানৰ পলিটিকেল অফিচাৰ জনৰ মেম চাহাবৰ বহুতদিনীয়া মূৰৰ বিষ এটা বন একোচাৰে জাৰি ভাল কৰি দিয়াত মেম সন্তুষ্ট হৈ বাহাদুৰ গাওঁবুঢ়াক বঙলাৰ চকীদাৰৰ চাকৰিটো দিছিল । বাহাদুৰ গাওঁবুঢ়া কাম কৰি ভালপোৱা লোক আছিল । কিন্তু সেই সময়খিনি অবাৰত ব্যয় নকৰি তেওঁ কাপোৰত গুণাৰ ফুল বাছি বহতো মেখেলা চাদৰ ঘৰলৈ লৈ আহিছিল ।

চিপাহী বিদ্রোহ শেষ হোৱাৰ পিছত দেশৰ শাসনভাৰ কোম্পানীৰ হাতৰ পৰা মহাৰাণী ভিক্টোৰিয়াৰ হাতলৈ গ'ল । মহাৰাণী ভিক্টোৰিয়াই সকলো বিদ্রোহীকে সাধাৰণ ক্ষমা দান কৰিলে । তদুপৰি আন এজন যাবৎজীৱন কাৰাবন্দী দুতিৰাম বৰুৱাৰ পুতেক প্রিয়লাল আৰু বাহাদুৰ গাওঁবুঢ়াৰ পুতেক মুনিউদ্দিনে যুটীয়াভাৱে তেওঁলোকৰ দেউতাকক মুক্ত

কৰি দিবলৈ আবেদন জনাইছিল । সেই মর্মে তেওঁলোকক মুক্ত কৰি দিয়া হৈছিল আৰু বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলি যোৰহাটলৈ উলটি আহিছিল । কাৰাগাৰৰ পৰা মুক্ত হৈ আহি বাহাদুৰ গাওঁবুঢ়াই ডফলাটিং বাগিচাত থকা তেওঁৰ পুতেকৰ লগত থাকিবলৈ লৈছিল আৰু তাতে প্ৰায় সত্তৰ পয়সত্তৰ বছৰ মানত তেওঁৰ মৃত্যু হৈছিল । তেওঁৰ মৃতদেহ ডফলাটিঙৰ পৰা যোৰহাটলৈ অনা হৈছিল আৰু জিলাৰ ৰৰচাহাবৰ অনুমতি লৈ বালিবাটৰ ন-মছজিদৰ কাষত কৰৰ দিয়া হৈছিল । বাহাদুৰ গাওঁবুঢ়াইয়ো মৃত্যুৰ পিছত যোৰহাটতে মাটি দিবলৈ কৈ গৈছিল । বাহাদুৰ গাওঁবুঢ়াৰ মৃত্যু হ'ল যদিও প্ৰেৰণা হৈ সকলোৰে স্মৃতিত আজিও জীয়াই আছে । গাওঁবুঢ়াৰ প্ৰকৃত নাম আছিল চেখ ৰাহুদ্দিল খাঁ ।

* ’* ’* ’* ’

মধু মল্লিক, দুতিৰাম বৰুৱা, মধু কোঁচ, মৰঙ্গীখোৱা গোহাঁই আদি

মধু মল্লিক বঙ্গদেশৰ লোক আছিল। মণিৰাম দেৱান বেছিভাগ সময় কলিকতাতেই আছিল। তাৰ পৰাই তেওঁ অসমত থকা চিপাহী শিবিৰযোৱত কেনেদৰে সোমাই পৰিব লাগিব, কেনেদৰে তেওঁলোকক বৃটিছ বিৰোধী কৰি তুলিব লাগিব আৰু দেশৰ মানুহৰ মনবোৰ কেনেদৰে জগাই তুলিব লাগিব সেই বিষয়ে পত্রযোগে দিহা-পৰামর্শ দি আছিল। মণিৰাম দেৱানৰ নির্দেশবোৰ তেওঁৰ সহযোগীসকলে গোপনে পালন কৰি আছিল। সেই সহযোগীসকলৰ ভিতৰত মধু মল্লিকে মণিৰাম দেৱানৰ এজন বিশ্বস্ত সহযোগী আছিল। তেওঁ এজন মুক্তিয়াৰ আছিল আৰু মণিৰাম দেৱানে তেওঁক বঙ্গদেশৰ পৰা অসমলৈ আনিছিল। দেখাত মধু মল্লিকক দেৱানে তেওঁৰ ব্যৱসায় চোৱা-চিতা কৰিবলৈ মাতি আনিছিল। কিন্তু আচলতে মধু মল্লিকৰ প্রধান কাম আছিল চাৰিং ৰজা কন্দর্পেশ্বৰ সিংহৰ মনটো সদায় বিদ্রোহী কৰি ৰখা আৰু শিবিৰত থকা চিপাহীবোৰৰ সৈতে সঘনে যোগাযোগ স্থাপন কৰা। তদুপৰি সেই সময়ত ভাৰতত ঘটি থকা বিদ্রোহৰ বাতৰিবোৰ বঙালী বাতৰিকাকত যেনে "সমাচাৰ দর্পণ", "সমাচাৰ চন্দ্রিকা" আদিত প্রকাশ পাইছিল আৰু সেই বাতৰিবোৰ মধু মল্লিকে চাৰিং ৰজাক পঢ়ি শুনাইছিল। মণিৰাম দেৱানে বেছি ভাগ চিঠি মধু মল্লিকলৈকে লিখিছিল আৰু সেই চিঠি নি মধু মল্লিকে চাৰিং ৰজাৰ হাতত দিছিলগৈ। জৰুৰী বার্ত্তা থকা চিঠি পালেই চাৰিং ৰজাই যোৱহাটৰ আশে পাশে থকা বৰুৱা, ফুকন আদিক গোট খুৱাই চিপাহীবোৰৰ সৈতে যোগাযোগ স্থাপন কৰি বিদ্রোহৰ আঁচনি গ্রহণ কৰিবলৈ মধু মল্লিকক নির্দেশ দিছিল। বিদ্রোহ সংঘটিত কৰিবৰ কাৰণে মণিৰাম দেৱানে মধু মল্লিকক অর্থ সংগ্রহ কৰাকে ধৰি বিশেষ দায়িত্ব দিয়াৰ লগে লগে ধাৰণা কৰিব পাৰি যে দেৱানে মধু মল্লিকক বিশ্বাসত লৈছিল আৰু গুৰুত্ব দিছিল। কাৰণ অসমত চিপাহী বিদ্রোহ সফল হোৱাৰ পিছত কোনে কি বিশেষ বাৰ লব সেই সম্পর্কে এখন আঁচনি তৈয়াৰ কৰা হৈছিল। সেই আঁচনি মতে মণিৰাম দেৱান প্রধানমন্ত্রী হ'ব, তেওঁৰ পিছতে পদমর্য্যদাত মধু মল্লিকে স্থান গ্রহণ কৰিব। পিয়ালি বৰুৱা ৰৰভাণ্ডাৰ বৰুৱা হ'ব। সেইদৰে লোকনাথ শেনহোৱা বৰুৱাই নাওঁৱেচা ফুকনৰ, কমলা চাৰিঙীয়া বৰুৱাই যোৱহাটৰ চুবেদাৰ আৰু দাৰোগাৰ দায়িত্ব বহন কৰিব। পিছে অসমত

বিদ্রোহ সফল নহ'ল। বিদ্রোহ সংঘটিত কৰা কামত সহযোগিতা কৰাৰ কাৰণে মধু মল্লিকক অন্যান্য সহযোগীসকলৰ সৈতে ইংৰাজে যাবৎজীৱন কাৰাদণ্ড বিহিলে। ইংৰাজ চৰকাৰৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হোৱাৰ কাৰণে ত্ৰিনয়ন, কমলা বৰুৱা, দুতিৰাম বৰুৱা, মৰঙ্গীখোৱা গোঁহাই, মায়াৰাম নাজিৰকো একে শাস্তিয়েই বিহিলে। মৰঙ্গী অঞ্চলৰ বাসিন্দাসকল ঘাইকৈ কছাৰী আৰু চুতীয়া জাতিৰ লোক আছিল। মৰঙ্গীখোৱা গোঁহাইয়ে তেওঁলোকৰ মাজত বিদ্রোহৰ বাণী প্ৰচাৰ কৰিছিল। বিদ্রোহৰ কামত একাণপটীয়াকৈ লাগিবৰ কাৰণে দুতিৰাম বৰুৱাই বিষয়বাষ এৰি দিছিল আৰু অসহযোগ আৰম্ভ কৰিছিল। দুতিৰাম বৰুৱাই ফৌজদাৰী চিৰস্তাদাৰ পদৰ পৰা অৱসৰ লৈছিল। চাহ শ্ৰমিকসকলেও ধৰ্মঘট কৰি বিদ্রোহত অংশ গ্ৰহণ কৰিছিল। তেওঁলোকক সংগঠিত কৰি নেতৃত্ব দিছিল মধুৰাম কোঁচে। মধুৰাম কোঁচ এজন ঠিকাদাৰ আছিল। তেওঁ বিশেষকৈ নাজিৰাৰ চাহ বাগিছাৰ শ্ৰমিক সকলৰ হতুৱাই ধৰ্মঘট কৰোৱাইছিল। ১৮৫৮ চনৰ ৩০ জুন তাৰিখে মধুৰাম কোঁচক বন্দী কৰি চৰকাৰ বাহাদুৰে সাতবছৰ সশ্ৰম কাৰাদণ্ড বিহিছিল। মধু মল্লিক, মৰঙ্গীখোৱা গোঁহাই আৰু দুতিৰাম বৰুৱাক যাবৎজীৱন কাৰাদণ্ড দিছিল। বিদ্রোহত অংশ গ্ৰহণ কৰাৰ কাৰণে কমলা বৰগোঁহাই, মায়াৰাম নাজিৰ, নীলকান্ত চোলাধৰা ফুকন আৰু লুকী শেনচোৱা বৰুৱাক চৈধ্য বছৰ কাৰাদণ্ড দিয়া হৈছিল। গণেশচন্দ্ৰ বৰুৱা, নাৰায়ণ বৰবৰা আৰু উমা মুক্তিয়াৰকো তিনিবছৰকৈ সশ্ৰম কাৰাদণ্ড দিয়া হৈছিল। এইদৰে চিপাহী বিদ্রোহত অংশ গ্ৰহণ কৰা বহুতো ব্যক্তি আছিল যিসকল হয়তো কম খ্যাত আছিল, কিন্তু বিদ্রোহত তেওঁলোকে প্ৰয়োজনীয় ভূমিকা গ্ৰহণ কৰিছিল। সেইসকলকো সময়ে শ্ৰদ্ধাৰে সদায়েই সুঁৰৰিব।

পাতনি



শ্রীবৰীন কাকতি
সভাপতি
অসম বাজ্যিক মুক্তিযুজাঁক সম্মিলন

যোৰহাট জিলা মুক্তি যুঁজাক সম্মিলনে কেইবা বছৰমানৰ পৰা স্বাধীনতা সংগ্ৰামত যোৰহাট জিলাৰ ভূমিকা এটি প্ৰকাশ কৰিবৰ কাৰণে প্ৰয়াস কৰি আহিছে। ১৯২১ চনৰে পৰা ১৯৪২ চনৰ চূড়ান্ত সংগ্ৰামত অংশ গ্ৰহণ কৰা,কাৰাবাস খটা,আত্মগোপন কৰা,অথবা শাৰীৰিক, পাৰিবাৰিক, সামাজিক নিৰ্য্যাতনৰ বলী হোৱা মুক্তি যুঁজাক সকলৰ চমু বৃত্তান্ত সন্নিবিষ্ট কৰাৰ চেষ্টাৰে উত্তৰ পুৰুষলৈ এটি জীৱন পঞ্জী বাখি যোৱাৰ পৰিকল্পনাও এই প্ৰচেষ্টাৰ লগত জড়িত আছে। শ্ৰমিক প্ৰাণ সৰ্বেশ্বৰ বৰদলৈ মোৰ অনুজ প্ৰতিম। তেওঁ যি কামতে লাগে, একাণপতীয়াকৈ সেই কামত ব্ৰতী হয়। এই পুথিখনৰ পৰিকল্পনা কৰোতে সেই সময়ৰ মুক্তি যুঁজাক সম্মিলনৰ সভাপতি চন্দ্ৰেশ্বৰ বইকীয়া ওতঃপ্ৰোত ভাৱে জড়িত। তেওঁলোক দুয়োজনে তথ্য সংগ্ৰহৰ বুনিয়াদ বচনা কৰি থৈ অকালতে আকস্মিকভাৱে ইহলীলা সম্বৰণ কৰিলে। তেওঁলোক দুজনৰ পৰিকল্পনা আৰু প্ৰস্তুতি অনুযায়ী নতুন কাৰ্য্যকৰী সমিতিয়ে নৈতিক

দায়িত্ব গ্রহণ কৰিলে। দুজন উপযুক্ত মুক্তি যুঁজাক শ্রীদেৱেশ্বৰ দলৈ আৰু শ্রীতিলেশ্বৰ বৰদলৈক এই জটিল কিন্তু উত্তৰ পুৰুষৰ কাৰণে অত্যাবশ্যকীয় কামটোৰ দায়িত্ব ন্যস্ত কৰা হ'ল। তেওঁলোক দুয়োজনে নিষ্ঠাৰে এই দায়িত্ব পালন কৰি কিতাপখন তিনিটা অধ্যায়ত প্রকাশ কৰিবলৈ সক্ষম হৈছে। প্রথম অধ্যায়ত ১৮২৮ চনৰে পৰা ১৯৪২ চনলৈকে সৰ্বভাৰতীয় পটভূমিত অসমৰ স্বাধীনতা সংগ্রামৰ সংক্ষিপ্ত ইতিবৃত্ত বর্ণিত হৈছে। দ্বিতীয় অধ্যায়ত জীৱিত মুক্তি যুঁজাক সকলৰ কাৰাবাস, নির্য্যাতন আৰু আত্মগোপনৰ চমু বিবৰণৰ লগতে নেতৃস্থানীয় আৰু ১৯২১ চনৰ মুক্তি যুঁজাক সকল যিসকলে কটন কলেজত স্নাতক বৰ্ষৰ পৰা কলেজ ত্যাগ কৰি স্বাধীনতা আন্দোলনত জপিয়াই পৰি শিক্ষা জীৱন সাং কৰিছিলে সেইসকলৰো জীৱন একোটি অন্তর্ভুক্ত কৰা হৈছে। বৈশিষ্ট্য,বৈচিত্র, নেতৃত্ব আৰু এই গ্রন্থৰ প্রস্তুতিত বিশেষ অবিহনা যোগোৱা কেইজনমানক আলেখ্যত স্থান দিয়া সমুচিত বিচাৰ কৰা হৈছে। অখণ্ডিত উপমহাদেশ ভাৰতৰ ভিতৰতে ভাৰতত্যাগ আন্দোলনত মৃত্যুদণ্ডৰ হুকুম হোৱা আৰু ডিঙিত ফাঁচ লৈ হাঁহি হাঁহি মৃত্যু বৰণ কৰা একমাত্র অমৰ শ্বহীদ কুশল কোঁৱৰক আলেখ্যৰ প্রথম স্থান দিয়া সম্পাদকদ্বয়ৰ উচিত বিবেচনা হৈছে। গড়মূৰ সত্রৰ বিপ্লৱী ধর্মাচার্য্য পীতাম্বৰ প্রভূৰ গগন-চুম্বী ব্যক্তিত্ব, অতল পাণ্ডিত্য, বৈপ্লৱিক নেতৃত্বৰ দিশৰ পৰা 'কালপূর্ব্বজ' বিশেষণটো অতি ৰজিতা খাইছে। ইংৰাজীত 'ষ্টেটছমেন'শব্দটোতকৈয়ো এই শব্দটো প্রভূজনাৰ ক্ষেত্রত অর্থবহ হৈছে। তৃতীয় অধ্যায়ত প্রয়াত মুক্তি যুঁজাক সকলৰ জীৱন বৃত্তান্ত দিবলৈ যত্ন কৰা হৈছে। প্রয়াত সকলৰ ক্ষেত্রত সম্পাদক দুজন স্বভাৱতে অসুবিধাত পৰিছে। ১৯২১ চনৰ কর্ম্মী আমাৰ কেইজনমানৰ বাহিৰে সৰহসংখ্যক পৰলোক হ'ল। তেখেত সকলৰ বৃত্তান্ত জনা মানুহ বিৰল। ফটো নায়েই। বহুতৰ নামো ক'তো পাবলৈ নাই। কংগ্রেছ কার্য্যালয়ত থকা নথি ভাৰত ত্যাগ আন্দোলনত পুলিচে লণ্ড-ভণ্ড কৰি জব্দ কৰিলে। পিছত ঘুৰাই দিলে যদিও জৰা জীর্ণ অৱস্থাত পোৱা হ'ল। তাৰ পৰা মুক্তি যুঁজাকৰ নাম ১৯২১ চনৰহে নালাগে, ১৯৩০ আৰু ১৯৪০ চনৰ সত্যাগ্রহীৰ নামো নাইকিয়া হ'ল। এনেকুৱা নথি নোহোৱা অৱস্থাতো সম্পাদক দুজনে কাৰাগাৰৰ কর্তৃপক্ষ, মণ্ডল কংগ্রেছ আদি সূত্রৰ পৰা পুষণি প্রয়াত আৰু জীৱিত মুক্তি যুঁজাকৰ নাম সংগ্রহ কৰি বর্ণনা দিবলৈ অহোপুৰুষার্থ কৰিছে। উদাহৰণ এটা দিলে সমস্যাটো স্পষ্ট হব। ১৯২১ চনত শিমলুগুৰি মৌজাৰ বামুণপুখুৰীৰ শিবিৰত এহাৰণ কর্ম্মী আছিল।

এই কর্মীসকলৰ ভিতৰত বুজন সংখ্যক শিৱসাগৰ, চাৰিং আদি অন্য অঞ্চলৰো আছিল। গোড়া পল্টনৰ অৱৰ্ণনীয় অত্যাচাৰ হৈছিল। হৈম নাথ ফুকনৰ দৰে কৰ্মীক হাঁহ-ছাগলী ৰখাৰ দৰে চাংবঙলাৰ আহিৰ ডাক বঙলাৰ তলত সুমুৱাই থোৱা হৈছিল। সমগ্ৰ অঞ্চলটোৰ অনেকৰ ঘৰ খানাতালাচি কৰি সোণ ৰূপাৰ গহণা লৈ যোৱা হৈছিল। সেই লোকসকলৰ নাম বৰ্ত্তমান কোনে ক'ব। কোৱা মানুহসকলৰো মৃত্যু হ'ল। কিতাপখন সম্পাদনাৰ ক্ষেত্ৰত এই অসুবিধা সমূহ অলঙ্ঘনীয়। আনকি সত্যাগ্ৰহ আন্দোলনৰ পাছত ভাৰত ত্যাগ আন্দোলনৰ আগত হোৱা পুঠি নৈৰ পাৰত হোৱা শান্তি সেনা শিবিৰৰ প্ৰশিক্ষাৰ্থী সকলৰ নামো বৃটিছৰ যুগৰ আৰক্ষী থানাত জাহ্ গ'ল। এইবোৰ বাস্তৱ অসুবিধাৰ সম্মুখীন হৈয়ো যোৰহাট জিলা মুক্তি যুঁজাক সম্মিলনে দুজন মুক্তি যুঁজাক পাইছে। তেওঁলোকে অশেষ যত্ন কৰি, আনকি কাৰাগাৰ নথিৰ পৰাও নামসমূহ উদ্ঘাটন কৰিছে।

এই আশাশুধীয়া প্ৰচেষ্টা গ্ৰন্থখনত প্ৰতিফলিত হৈছে। যোৰহাট জিলাৰ জনসাধাৰণে আৰু বিশিষ্ট কৰ্মী সকলে যি ত্যাগ কষ্ট স্বীকাৰ কৰিলে দেশ স্বাধীনতাৰ কাৰণে সেইসকলৰ সংক্ষিপ্ত হ'লেও জীৱনপঞ্জী বুৰঞ্জীখনত সংশ্লিষ্ট কৰাত ই সুন্দৰ হৈ পৰিছে।

যোৰহাট জিলা অসমৰ স্বাধীনতা আন্দোলনৰ কেন্দ্ৰবিন্দু বুলি ক'ব পাৰি। ১৮২৬ চনত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে চক্ৰান্ত কৰি অসমখন তেওঁলোকৰ ক্ৰমবৰ্দ্ধমান সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিলে। দুবছৰৰ পাচতে ১৮২৮ চনত দেশ পুনৰ উদ্ধাৰৰ কাৰণে ধনঞ্জয় বৃঢ়াগোঁহাঁইৰ নেতৃত্বত গোমধৰ কোঁৱৰক আহোম পদ্ধতি অনুসাৰে শাসনত অধিষ্ঠিত কৰি যোৰহাটৰ ফালে সৈন্য বাহিনী লৈ আগবাঢ়ি আহিল। মৰিয়নিৰ ওচৰত বৃটিছ কোম্পানীৰ সৈন্যৰ লগত সংগ্ৰাম হ'ল। সংগ্ৰামত হাৰি গোমধৰ কোঁৱৰ, ধনঞ্জয় বৃঢ়াগোঁহাঁইকে প্ৰমুখ্য কৰি ভালেমানক ইংৰাজ সৈন্যই আটক কৰে। ৰণভূমিৰ ওচৰে-পাজৰে থকা অঞ্চলটোৰ মানুহৰ ওপৰত অত্যাচাৰ চলায়। পুনৰ ১৮৫৭ চনত উত্তৰ ভাৰতত বৃটিছক খেদি ভাৰতক স্বাধীন কৰাৰ প্ৰয়াস আৰু প্ৰচেষ্টাৰে স্বাধীনতা সংগ্ৰাম আৰম্ভ হৈছিল। যোৰহাটতে বৃটিছক খেদোৱাৰ বিদ্ৰোহৰ আঁচনি তৈয়াৰ হৈছিল। দুৰ্ভাগ্যৱশতঃ বিশ্বাসঘাতকতাৰ ফলত ঘৰ বিভীষনৰ চক্ৰান্তত ইংৰাজে গোপন চক্ৰান্তৰ সন্ধেদ পাই ষড়যন্ত্ৰকাৰী সকলক – কমলেশ্বৰ সিংহ, মণিৰাম বৰভাণ্ডাৰ বৰুৱা দেৱানকে আদি কৰি সকলোকে গ্ৰেপ্তাৰ কৰে। মণিৰাম দেৱান, পিয়লি বৰুৱাৰ

যোৰহাটতে মুকলি ফাঁচী হয়। ফাঁচী আলিয়ে যোৰহাটত অতীতৰ এই অধ্যায়ৰ কথা এতিয়াও বিঙিয়াই আছে। বাহাদুৰ গাঁওবুঢ়া, ফৰ্মুদ আলিকে আদি কৰি কেইবাজনকো কলীয়াপানীলৈ দীপান্তৰ কৰা হয়। স্বাধীনতা সংগ্ৰামৰ প্ৰথম পৰ্য্যায়ৰ পৰিকল্পনা, প্ৰস্তুতি, ৰূপায়নৰ আদি স্থল যোৰহাট আৰু নেতৃত্ব বহন কৰি ফাঁচী কাঠত ওলমি দেশৰ হকে প্ৰাণ আহুতি দিয়া সকলো যোৰহাটৰে। অৰ্থাৎ স্বাধীনতা সংগ্ৰামৰ বীজ অঙ্কুৰিত হয় যোৰহাটতে। পৰৱৰ্তী কালত গান্ধীযুগৰ স্বাধীনতা সংগ্ৰামতো যোৰহাটে এই গৌৰৱ অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছিল।

১৯২১ চনত গান্ধীজীৰ নেতৃত্বত যি অহিংস অসহযোগ আন্দোলন আৰম্ভ হৈছিল সেই সংগ্ৰামত যোৰহাট আছিল প্ৰধান প্ৰাণকেন্দ্ৰ। জনসাধাৰণ আৰু শ শ ডেকা স্কুল কলেজৰ ছাত্ৰ আন্দোলনত জপিয়াই পৰিছিল। নকছাৰীত এটা প্ৰকাণ্ড ৰভাঘৰ সজা হৈছিল। সেই ৰভাঘৰত হিন্দু মুছলমানে একেলগে প্ৰাৰ্থনা কৰি এক অপূৰ্ব মিলনৰ আদৰ্শ দাঙি ধৰিছিলে। শিমলুগুৰি মৌজাৰ বামুণপুখুৰীত এঘাৰশ কংগ্ৰেছ কৰ্মী শিবিৰ কৰি থাকি লৈছিল। শিবিৰৰ পৰা খাজনা বন্ধৰ কাৰ্য্যসূচী সফলভাৱে ৰূপায়ন কৰা হৈছিল। টীয়ক, জাঁজী অঞ্চলত খাজনা বন্ধ আন্দোলন এনেভাৱে কৃতকাৰ্য্য কৰা হৈছিল যে বাইজে স্বাধীনতাৰ সোৱাদ তেতিয়াই উপভোগ কৰিব পৰা হৈছিল। ইংৰাজ চৰকাৰক এনেভাৱে উলাই কৰা হৈছিল যে চৰকাৰ এটা আছিল বুলি বাইজে পাহৰি গৈছিল। ৰভাঘৰ, শিবিৰ গোড়া পল্টনে ভাঙি-ছিণ্ডি লণ্ড-ভণ্ড কৰিছিলে। জনসাধাৰণৰ ওপৰত অৱৰ্ণনীয় অত্যাচাৰ চলাইছিল। মাটি-বাৰী, গৰু-ছাগলী, হাঁহ-পাৰ আদি নীলামত দি পাইকাৰী জৰিমনা আদায় কৰিছিলে।

১৯২১ চনত অসমত বাৰশ তেৰশ মোন কানি বিক্ৰি হৈছিল, কানিৰ খাজনা অসম চৰকাৰে পাইছিল ৪৪ লক্ষ টকা। কানীয়াই এই সংখ্যাৰ দুগুন ভৰিব লগা হৈছিল মহলদাৰক ওপৰঞ্চি দি। বামুণ পুখুৰী কানি বৰ্জন আন্দোলনৰ প্ৰধান কেন্দ্ৰ আছিল। কানীয়াৰ বহুতো লোমহৰ্ষক কাহিনী বামুণ পুখুৰীত ঘটিছিল। কৃষ্ণ মামাৰ এনে কাহিনীৰ বিভীষিকাত চকুত পানীৰ পৰিবৰ্তে তেজ ওলাইছিল। দীনবন্ধু এনড্ৰুজ চাহাব আৰু হোৱেছ আলেকজেণ্ডাৰ নামে দুজন ভাৰতপ্ৰেমী ইংৰাজ চাহাবে কানি নিবাৰণী কমিটিক প্ৰভূত সহায় কৰিছিল। দেশনেতা কুলধৰ চলিহা সভাপতি আৰু অসম গৌৰৱ মোহিনীকান্ত হাতীবৰুৱাক সম্পাদক পিচাপে লৈ অসম কংগ্ৰেছ কানি তদন্ত কমিটি গঠন কৰা হৈছিল।

অন্য পাঁচজন সদস্যৰ ভিতৰত দুবিজন বন্ধু কৃষ্ণনাথ শর্মা অন্যতম আছিল। এই কমিটিয়ে ১২৬০ মাইল ভ্রমণ কৰিছিল আৰু ৫২৬ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰিছিল। বৃটিছ নাগৰিক হৈ ভাৰতৰ স্বাধীনতা আন্দোলনত অবিহনা যোগোৱা এই নিস্বার্থ সেৱক দুজনে অসমৰ পৰা কানি ৰৰবিহ নির্ম্মূল কৰা অভিযানত কৰা সহায়ৰ তুলনা নাই। এওলোক যোৰহাটত কুলধৰ চলিহাৰ ঘৰত আলহী আছিল। শিৱসাগৰৰ বনমালী বাগিছালৈ যাওঁতে এছোৱা ৰোকা ফেনেকি, এছোৱা হলীয়া ম'হৰ গাড়ীৰে গৈছিল। তাত থাকোতেই ১৪-১৫ বছৰীয়া কিশোৰ এজনে কানি খোৱা দেখি এনদ্রুজ চাহাবে ল'ৰাজনক সুধিলে, "তোমাক কানি খাবলৈ কোনে শিকালে ?" ল'ৰাজনে নির্বিকাৰ ভাৱে উত্তৰ দিলে, "আয়ে"। ল'ৰাজনৰ উত্তৰত স্তম্ভিত হৈ এনদ্রুজ চাহাবে মন্তব্য কৰিলে," মাকে পুতেকক বিহ খুৱায়। এনে দৃষ্টান্ত পৃথিৱীত বিৰল।"

কমিটিৰ সিদ্ধান্তমতে ৰোহিনীকান্ত হাতীবৰুৱা শান্তি নিকেতনত তিনিমাহ থাকি কানি তদন্তৰ প্রতিবেদন প্রস্তুত কৰিলে। হাতীবৰুৱাৰ আশাওধীয়া অধ্যৱসায় আৰু নেৰানেপেৰা যত্নত প্রতিবেদন সম্পূর্ণ হোৱাৰ পাচত দীনবন্ধু এনদ্রুজ চাহাবে এটা মনোগ্রাহী পাতনি লেখি চমু বিৱৰণ এটা জেনেভাত বহা আন্তঃৰাষ্ট্রীয় কানি তদন্ত সম্মিলনৰ প্রতিজন সদস্যলৈ প্রেৰন কৰে। প্রতিবেদনত ১৯২৬ চনৰ পৰা ৫ বছৰৰ ভিতৰত অসমত কানি নির্মূল কৰাৰ অনুমোদন জনোৱা হ'ল। লগতে Dangerous Drugs Act. বিধিবদ্ধ কৰিবলৈ ইংৰাজ চৰকাৰক আৱেদন জনোৱা হ'ল। কিন্তু 'থাম কমিটীৰ' আৰু 'ৱয়েল কমিচনৰ' কোনো পৰামর্শ কার্য্যকৰী নকৰা চৰকাৰে একো নকৰিলে। ১৯৩৯ চনত লোকপ্রিয় গোপীনাথ ৰৰদলৈৰ নেতৃত্বত গঠিত চৰকাৰেহে অসমক এই সর্ব্বনশীয়া আৰু সর্ব্বগ্রাসী ৰৰবিহৰ পৰা উদ্ধাৰ কৰে।

হোৱেছ, আলেকজেণ্ডাৰে হাতীবৰুৱাক এবছৰৰ কাৰণে ইংলণ্ডলৈ যোৱাৰ সকলো যা-যোগাৰ কৰিছিলে। হাতীবৰুৱাক ইংলণ্ডত কানিংহাম আদি প্রধান নগৰসমূহত কানিৰ অপকাৰিতাৰ সম্পর্কে জনমত গঠন কৰি ইংৰাজ চৰকাৰক ইয়াৰ বিষময় পৰিণতিৰ বিষয়ে পতিয়ন নিয়াবলৈ নির্ব্বাচন কৰা হৈছিলে। নিয়তিৰ নিষ্ঠুৰ পৰিহাস হাতীবৰুৱাক আমাৰ মাজৰ পৰা অকালতে কাঢ়ি লৈ গ'ল।

মই যোৰহাটৰ বুলি ক'বলৈ প্রয়াস কৰা নাই কিন্তু কানি ৰৰবিহ নির্মূল কৰাত যি কেইজন নেতাই আগভাগ লৈ অশেষ কষ্ট, বুদ্ধিমত্তা আৰু বিচক্ষণতাৰ

পৰিচয় দিলে ভাবে আগশাৰীৰ তিনিওজন যোৰহাটৰ। কর্মীসকলক ঠায়ে ঠায়ে সংগঠিত কৰি কানি নির্মূল কৰাত নাস্ত কৰা হৈছিল। কর্মীসকলো এই কামত কৃতকার্য্য হৈছিল। আন্দোলনৰ অপৰিহার্য্য কার্য্যসূচী হিচাপে এই কামক গন্য কৰা হৈছিল।

কেৱল যোৰহাটতে নহয়, অসমৰ সকলো জিলাত, মহকুমাত আৰু অঞ্চলত স্বাধীনতা আন্দোলনৰ আটাইকেউটা পর্য্যায়তে, মাত্র ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্রহৰ ব্যতিৰেকে, তৰুণ শক্তিৰ অভ্যুদয়ে আন্দোলনক প্রাণ-শক্তি আৰু কর্ম্ম চাঞ্চল্য প্রদান কৰে। ১৯২১ চনত কটন কলেজ ত্যাগ কৰি আন্দলনত জপিয়াই পৰা সকলে আন্দলনক এটা তেজোদ্দীপ্ত গতিবেগ দিলে। ১৯৩০ চনৰ আহিন অমান্য আন্দোলনতো বিশেষকৈ কানিংহাম চার্কুলাৰ প্রতিবাদ কৰি গঢ়ি উঠা বিদ্যালয় বর্জনে সংগ্রামক সতেজ কৰি তোলে। ১৯৪২ চনৰ চূড়ান্ত সংগ্রামৰতো কথাই নাই, কাৰাবৰণ কৰা সকলৰ শতকৰা ৫০ শতাংশতকৈয়ো অধিক ছাত্র। ১৯২১ -৪২ লৈকে স্বাধীনতা সংগ্রামত তৰুণ সকলে তাৰুন্যৰ প্রাণ চঞ্চলতা, যৌৱনৰ কর্ম্ম নিপুনতা প্রদান কৰাৰ উপৰিও কৃচ্ছতাক জীৱনৰ সম্বল হিছাবে লৈ অনাসক্তিৰ প্রতি অনুৰক্ত হ'ল। মহাত্মা গান্ধীক 'বাপু' (পিতৃ) বুলি গ্রহণ কৰি তন-মন-চিৎ তেওঁতে সঁপি দিলে। দেহত, প্রাণত অযুত হাতীৰ বল থকাৰ সময়তে অহিংসাক জীৱনৰ পাথেয় বুলি গ্রহণ কৰিলে। যোৰহাটত এই তৰুণ শক্তিৰ অৱদান অক্ষয়- অম্লান। মই নাম লেখি পাতনিৰ কলেৱৰ বৃদ্ধি কৰিব খোজা নাই, এই গ্রন্থৰ জীৱন বৃত্তান্তই এই কথাৰ সত্যতা দাঙি ধৰিছে। এনেহে নালাগে এই গ্রন্থৰ সম্পাদক দুজনো বিয়াল্লিছত হাইস্কুলৰপৰা আন্দোলনত জপিয়াই পৰা অসংখ্য ছাত্রৰ দুজন। ১৯৩০ চনত কানিংহাম চার্কুলাৰৰ প্রতিবাদত পিকেটিং কৰি কাৰাদণ্ড ভোগা যোৰহাটৰ প্রথমজন কর্মী সর্ব্বেশ্বৰ বৰদলৈ সেই সময়ত অষ্টমমানৰ ছাত্র আছিল। ১৯২১ ৰ কটন কলেজ ত্যাগী বিদ্যাধৰ শর্মা, সর্ব্বেশ্বৰ বৰচুতীয়া, ৰামেশ্বৰ ভট্টাচার্য্য, লক্ষেশ্বৰ বৰুৱা আদি সকলো আজীৱন বাপুজীৰ আদর্শৰে ওপৰত উনুকিওৱা কৃচ্ছতা আৰু অনাসক্তিৰ প্রতীক। আটাইকেউটা আন্দোলন যুৱ-জাগৰন আৰু তৰুণ শক্তিৰ অজেয় শক্তিৰ গৰিমাৰে সিক্ত।

১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত যোৰহাট হৈ পৰিছিল উজনি অসমৰ কেন্দ্রস্থল। গণ- আন্দোলনৰ প্রকৃত ৰূপ পৰিগ্রহ কৰিছিল যোৰহাট জিলাৰ সকলো অঞ্চলৰ সকলো গাঁৱঁতে। টীয়কতে চাৰিওকাষৰ আঠোটা মৌজাৰ

কর্মীসকলে শিবিৰ কৰি টায়ক থানা অৱৰোধৰ অভিযান চলাইছিল। চাৰিগাওঁ মৌজাৰ বাহনাত বিপ্লৱৰ পূৰ্ব প্ৰস্তুতি চলিছিল। পশ্চাৎঘাটী কামৰো ঘাটী আছিল। পকামূৰাত যোৰহাটৰ পশ্চিম অঞ্চলৰ কৰ্মী শিবিৰ কুটাঘাটমূলক কামৰো কেন্দ্ৰস্থল আছিল। মাজুলী গড়মূৰ সত্ৰত শেহাস্তৰত জিলা কংগ্ৰেছ কার্য্যালয় স্থাপন কৰিব লগা হৈছিল। সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ প্ৰভু, ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰ বিভিন্ন প্ৰকাৰে লাঞ্ছিত আৰু নির্য্যাতিত হৈছিল। সত্ৰৰ ভকত বৈষ্ণৱ ওচৰ পাজৰৰ জনসাধাৰণ সকলোকে নিমখ আৰু কেৰাচিন তেলৰ পৰা মাহৰ পাচত মাহ ধৰি বঞ্চিত কৰা হৈছিল। জিলা প্ৰশাসনৰ অত্যাচাৰে চৰম সীমা চুইছিল।

১৯২১ চনত মহাত্মা গান্ধী প্ৰথম অসম ভ্ৰমণলৈ অহাৰে পৰা ১৯৪২ চনৰ চূড়ান্ত বিপ্লৱলৈকে যি সকলে বিভিন্ন প্ৰকাৰে স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল সেই সকলৰ চমুকৈ হ'লেও জীৱন বৃত্তান্ত কিতাপখনত সন্নিবিষ্ট হৈছে। এইটো এটা মহৎ কাম হৈছে বুলি মই ভাবিছোঁ। আজি উঠিঅহা চামে সেই সকলক পাহৰি পেলাব। কিতাপখনত যোৰহাটৰ স্বাধীনতা আন্দোলনৰ বিশিষ্ট কৰ্মী আৰু নেতা সকলৰ এটা ছবি দাঙি ধৰিবলৈ যত্ন কৰিছে আৰু ই উঠি অহা পুৰুষৰ কাৰণে অতীতত কি ত্যাগৰ ফলত দেশে স্বাধীনতা পালে সেই সম্বন্ধে তেওঁলোকে সন্ধেদ পাব আৰু আমি আশা কৰোঁ তেওঁলোকে কিতাপখনৰ পৰা অনুপ্ৰেৰণা পাব। দেশখন নতুনকৈ গঢ় দিবলৈ দেশখনত দেখা দিয়া বিক্ষিপ্ততা আৰু বিচ্ছিন্নতাৰ মাজত ঐক্য স্থাপন কৰিবলৈ তেওঁলোকে নিশ্চয় পূৰ্বপুৰুষ সকলৰ দৰে মৰম আৰু দৰদ পাব।

যোৰহাট জিলা মুক্তি যুজাঁৰু সন্মিলনৰ এই সজ আৰু শুভ প্ৰচেষ্টাৰ শলাগ লৈছোঁ। সম্পাদনা ত্ৰুটিমুক্ত আৰু সৰল, কিন্তু সবল। সম্পাদকদ্বয়ে এটা জটিল আৰু জঞ্জালীয়া কাম নিপুণতাৰে সমাধা কৰাত তেওঁলোকলৈ মোৰ স্নেহাশীষ জনাইছোঁ। পাঠক সমাজে গ্ৰন্থখনিক মৰমৰ চকুৰে চালে সম্পাদক দুজনৰ শ্ৰম সার্থক হ'ব, লগতে এই দিশত নতুন উদ্যম ল'বলৈ প্ৰেৰণা পাব। মোৰ দৃঢ় বিশ্বাস গ্ৰন্থখনত ওপজা মাটিৰ গোন্ধ আছে, সময়ৰ আঁচোৰ আছে, অসমীয়া পাঠক সমাজৰ কাৰণে চিন্তা-চর্চাৰ খোৰাক আছে।

ভূমিকা

শ্রীবিজয় চন্দ্র ভাগৱতী

অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত কালৰ এই তিনিটা অৱস্থাৰ অবিচ্ছেদ্য সম্বন্ধ। প্ৰতিদিন সূৰ্য্য উদয়ৰ লগে লগে জীৱমাত্ৰই জীৱনৰ বুকুত অৱতীৰ্ণ হ'ব লগা হয়। ইয়াকে কৰোতে বৰ্ত্তমানে পূৰ্বপুৰুষৰ মূলধনৰ ওপৰত নিৰ্ভৰ কৰে আৰু ভৱিষ্যতৰ কাৰণে কিবা বাখি থৈ যোৱাৰ দায়িত্বৰ কথাও মনত বাখিব লগা হয়।

ভাৰত বৰ্ত্তমান যুগত এটা পুৰুষে পিচৰ পুৰুষৰ কাৰণে যি বাখি গৈছে, তাক ধন দৌলতেৰে জুখিব নোৱাৰি। বৃটিছ সাম্ৰাজ্যবাদৰ শৃঙ্খলেৰে শৃঙ্খলিত দেশ-মাতৃকাৰ মুক্তিৰ কাৰণে তেওঁলোকে আত্মবলিদান কৰি গৈছে, তেওঁলোকৰ জীৱনৰ সেই আদৰ্শই পিচৰ পুৰুষৰ কাৰণে প্ৰেৰণাৰ স্থল।

এই কিতাপখনে মুক্তিযোদ্ধা সকলৰ জীৱন কথাৰ মাধ্যমেৰে স্বাধীনতাৰ আন্দোলনৰ বাণী কঢ়িয়াই আনিছে। সেই আন্দোলনক তেওঁলোকৰ আৰু তেওঁলোকৰ মাধ্যমৰে স্বাধীনতা আন্দোলনৰ কথা আমি জানিব আৰু বুজিব পাৰো।

ভাৰতৰ স্বাধীনতাৰ আন্দোলনে যি হিচাবে যুবশক্তিক উদ্বুদ্ধ কৰিছিল, ইতিহাসত বোধহয়, তাৰ তুলনা বিৰল। সেই যুগৰ পৃথিৱীৰ আটাইতকৈ শক্তিশালী বৃটিছ সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে মহাত্মা গান্ধীয়ে ইতিহাসত প্ৰথম

বাৰৰ কাৰণে সত্য অহিংসাৰ প্ৰণালীৰ যিখন যুদ্ধৰ নেতৃত্ব দিছিল, সেইখন যুদ্ধতে ভাৰতৰ যুৱশক্তিয়ে প্ৰমাণ কৰি দেখুৱাইছিল যে কোনো অস্ত্ৰকে প্ৰয়োগ নকৰি মাৰকঅস্ত্ৰ অকাৰ্য্যকৰী কৰিব পাৰি। বিভিন্ন অঞ্চলত ইয়াৰেই প্ৰমাণ পাইছিলো। তাৰে ভিতৰত যোৰহাটৰ কথা বিশেষকৈ মনত পৰে। যোৰহাটৰ যুৱশক্তিয়ে এটা নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিলে।

যোৰহাট জিলা মুক্তি যুঁজাৰু সম্মিলনে কেইবা বছৰৰো চেষ্টাৰ মূৰত 'স্বাধীনতা সংগ্ৰামত যোৰহাট' নামেৰে এখন কিতাপ যুগুত কৰি উলিয়াইছে। সেই কিতাপ প্ৰকাশত মই সন্তোষ পাইছো। কিতাপখন সম্পাদনাৰ দায়িত্ব দুজন উপযুক্ত লোকক দিয়াত মই জিলাৰ মুক্তি যুঁজাৰু সম্মিলনক শলাগ জনাইছোঁ। শ্ৰীদেৱেশ্বৰ দ'লৈ আৰু শ্ৰীতিলেশ্বৰ বৰদলৈ বিয়াল্লিছৰ গণ-বিপ্লৱৰ কালত হাইস্কুলৰ ছাত্ৰ। দুয়ো দীৰ্ঘদিন কাৰাবৰণ খাটি পৰবৰ্ত্তী জীৱনত সংঘাতৰ কষতি শিলত গঢ় লোৱা মুক্তি যুঁজাৰু। যোৰহাটৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে তেওঁলোকে যিখিনি কাম কৰিছে তাৰ কাৰণে মই তেওঁলোকৰ শলাগ লওঁ। তেওঁলোক উভয়ে মিলি কিতাপখন নিখুঁট, নিৰ্ভুল আৰু সৰ্ব্বাঙ্গসুন্দৰ কৰি উলিয়াইছে। উত্তৰ পুৰুষৰ কাৰণে এনে এটা গুৰুত্বপূৰ্ণ কাম সুচাৰুৰূপে সম্পন্ন কৰাত দুয়োৰে কৃতিত্ব প্ৰকাশ পাইছে।

মুক্তি যুঁজাৰু হিচাপে মুক্তি যুঁজাৰু সকলৰ জীৱন আলেখ্য আলোচনা কৰোতেও, তেওঁলোকৰ প্ৰত্যেকজনৰে কৰ্ম ক্ষেত্ৰ, কামৰ পদ্ধতি আৰু ব্যক্তিগত দৃষ্টিভঙ্গিৰ পাৰ্থক্য থাকিব পাৰে, ই মানবীয়। কিন্তু সমগ্ৰ ভাৰতৰ মুক্তি যোদ্ধা সকলৰ ভাৱগত ঐক্য একে আৰু তেওঁলোকৰ প্ৰেৰণাৰ উৎসও এটাইহে। স্বাধীনতাৰ আন্দোলনৰ পৰা জন্ম হৈ তেওঁলোকে স্বাধীনতা আন্দোলনত গতিবেগ সৃষ্টি কৰিছিল। স্বাধীনতা আন্দোলনক সামগ্ৰিক ভাবে বুজিবলৈ চেষ্টা নকৰাকৈ স্বাধীনতা আন্দোলনৰ মৰ্ম কথা হৃদয়ঙ্গম নকৰাকৈ, স্বাধীনতা যুদ্ধৰ সৈনিক সেনাপতি কাকো বুজা সম্ভব নহয়। সেই কাৰণে ভাৰতৰ স্বাধীনতা যুদ্ধৰ কিছু ইতিবৃত্ত এইখিনিতে মই আলোচনা কৰিব খুজিছো।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ কেইবাটাও পৰ্ব আৰু পদ্ধতি আছে। ইংৰাজে সমগ্ৰ ভাৰতবৰ্ষ একেলগে কৰায়ত্ত কৰিব পৰা নাছিল। এনেকৈ যেতিয়া য'তে ইংৰাজে ভাৰতৰ বিভিন্ন ঠাইত আধিপত্য কৰিবলৈ লৈছিল

তেতিয়া প্রথম অৱস্থাত স্বতঃস্ফূর্ত হিচাবে সাধাৰণ ৰাইজে বহুত ঠাইত বিদ্রোহ কৰিছিল। আন ৰাজ্যৰ কথা বাদ দি অসমৰ কথালৈ আহিলে আমি দেখো যে, ১৮২৮ চনতেই (১৮২৬ চনত অসমত বৃটিছৰ আধিপত্য আৰম্ভ হয়) ডাঙৰীয়া সকলৰ কেইজনমান লগ লাগি ধনঞ্জয় বৰ গোহাঞিৰ নেতৃত্বত বিদ্রোহৰ সংগঠন কৰিছিল। সেই সময়তে খাচী পাহাৰতো ৰজা তিৰুতসিঙৰ নেতৃত্বত বৃটিছক খেদোৱাৰ কাৰণে চেষ্টা হৈছিল। বৃটিছৰ কুট-কৌশল আৰু সামৰিক কৌশলৰ কাৰণে এনে বিদ্রোহ তেতিয়া ক'তো সফল নহ'ল। তাৰ পিছত বৃটিছ শাসনৰ বিৰুদ্ধে সৰ্বপ্রথম বিদ্রোহ হৈছে ১৮৫৭ চনৰ চিপাহী বিদ্রোহ সৰ্বভাৰতীয় ক্ষেত্রত চিপাহী বিদ্রোহ বহুত কৃতকার্য্য হৈ উঠাৰ সম্ভাৱনাৰ সময়তে শিখ, গুৰ্খা, সৈন্য বাহিনী একেলগ হ'ব নোৱাৰাত শেষত সেই বিদ্রোহ কৃতকার্য্য হ'ব নোৱাৰিলে। সেই চিপাহী বিদ্রোহৰ সময়তে অসমতো গোলাঘাটতে প্রথমে "অসম লাইট ইনফেন্ট্রীৰ" সৈন্য সকলে বিদ্রোহ কৰে। আনফালে ১৮৫৭ চনত মণিৰাম দেৱান আৰু পিয়লি ফুকনে বিদ্রোহৰ সংগঠন কৰিছিল। এই বিদ্রোহো সফল হ'ব নোৱাৰিলে। সশস্ত্র অভিযানৰ উপৰিও সেই সময়তে অসমত আৰু ভাৰতৰ অন্যান্য ঠাইতো কৃষকসকলৰ বিদ্রোহ হৈছিল। ১৮৬১ চনতে আৰম্ভ কৰি কেইটামান বছৰ অসমৰ নগাঁৱৰ ফুলগুৰিত,মঙ্গলদৈৰ পাথৰিঘাটত আৰু কামৰূপৰ বজালি, ৰঙীয়া আদি ঠাইত কৃষক সকল বিক্ষুব্ধ হৈ পৰে।

"অমৃত বাজাৰ পত্রিকা" ৰ সম্পাদকীয় স্তম্ভত এই বিষয়ে আলোচনা কৰি লিখিছিল—"In the Deccan, the fury of the ryots was directed against money-lenders, in Bengal, against indigo planters in 1860, in Pabna, against the Zaminders in 1872, but in Assam at this moment, it is an open rebellian against the Group."

ভাবার্থ—" দক্ষিণৰ ৰায়তৰ বিক্ষোভ আছিল ধনধাৰে দিয়া মহাজনসকলৰ বিৰুদ্ধে,বঙ্গত নীল খেতিয়কৰ বিৰুদ্ধে ১৮৬০ চনত পাবনাত জমিদাৰ সকলৰ বিৰুদ্ধে,১৮৭২ চনত কিন্তু অসমত ই হৈছে চৰকাৰৰ বিৰুদ্ধে প্রকাশ্য বিদ্রোহ।"

সৰ্বভাৰতীয় ক্ষেত্রত ভাৰতৰ মানুহৰ কোনো ৰাজনৈতিক সংগঠন সেই সময়ত নাছিল আৰু হয়তো হোৱাৰ পৰিস্থিতিও আছিল বুলি ক'ব নোৱাৰি। অৱশ্যে বিভিন্ন প্রদেশত একো একোটা সংগঠন গঢ়ি উঠিছিল আৰু সাধাৰণ

ভাৱে দেখা দিয়া অভাৱ-অভিযোগৰ বিষয়ে তেওঁলোকে আৱেদন-নিবেদন কৰি বা অন্য প্ৰকাৰেও কিছু আলোড়নৰ সৃষ্টি কৰিছিল। কিছু পিছৰ পৰা আধুনিক শিক্ষাত শিক্ষিত সকলৰ ভিতৰত কিছুলোকে, সৰ্বভাৰতীয় ৰাজনৈতিক অনুষ্ঠান এটা গঢ়ি তোলাৰ বিশেষ প্ৰয়োজন অনুভৱ কৰিলে। ইয়াৰে ফলত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হ'ল। ১৮৮৫ চনৰ ডিচেম্বৰ মাহত বোম্বেত ইউ ৰ্ি বেনাজীৰ সভাপতিত্বত কংগ্ৰেছৰ প্ৰথম অধিবেশন বহে। সেই অধিবেশনত ১০০ জন মান প্ৰতিনিধিয়ে যোগ দিছিল। তেজপুৰৰ লক্ষীকান্ত বৰকাকতীয়ে সেই সভাত যোগ দিছিল। কলিকতাত বহা কংগ্ৰেছৰ দ্বিতীয়খন অধিবেশনত ওপৰ অসম এচোচিয়েচনৰ প্ৰতিনিধিত্ব কৰি দেবীচৰণ বৰুৱা আৰু গোপীনাথ বৰদলৈয়ে যোগ দিছিল। নগাওঁ ৰায়ত সভাৰ সত্যনাথ বৰাই প্ৰতিনিধিত্ব কৰিছিল, আৰু শ্বিলং এচোচিয়েচনত কালীকান্ত বৰকাকতী আৰু সত্যনাথ বৰাই প্ৰতিনিধিত্ব কৰিছিল।

বহু কেইবছৰলৈকে কংগ্ৰেছ মঞ্চত ধীৰপন্থী সকলৰ প্ৰাধান্য আছিল। ৰাজহুৱা প্ৰশ্নলৈ আলোচনা, বিতৰ্ক, দাবী প্ৰাৰ্থনা আৰু ইংৰাজীতে ওজস্বিনী ভাষণৰ ভিতৰতে, সেই কালৰ কংগ্ৰেছৰ কাম সীমাৱদ্ধ আছিল যদিও সৰ্বভাৰতীয় মঞ্চ হিচাবে ক্ৰমে তাৰ গুৰুত্ব বাঢ়িবলৈ ধৰিলে। ইংৰাজ শাসনত ভাৰতৰ দুৰ্ভোগৰ আৰু অৱমাননাৰ বহুত কথাও তেতিয়াৰ কংগ্ৰেছৰ মাধ্যমেৰে পোহৰলৈ অনা সম্ভৱ হৈছিল। ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি লৰ্ড কাৰ্জনৰ দিনত (১৮৯৯-১৯০৫) আগৰ আবেদন-নিবেদনৰ যুগৰ পৰা, বিশেষভাৱে পৰিবৰ্ত্তিত হবলৈ ধৰিলে। আৰম্ভণি হয় বঙ্গ বিচ্ছেদৰ প্ৰশ্নলৈ। লৰ্ড কাৰ্জনে বঙ্গ প্ৰদেশ দুভাগত ভাগ কৰি, পূব ভাগৰ লগত অসমখন লগ লগাই ১৯০৫ চনত তেওঁ এখন সুকীয়া প্ৰদেশ গঠন কৰাত দেশব্যাপি বিশেষকৈ বঙ্গত তুমুল আলোড়ন হ'বলৈ ধৰে। পূব বঙ্গ আৰু অসমক লৈ গঠিত কৰা নতুন প্ৰদেশখনৰ ৰাজধানী হল ঢাকা। অসমত চীফ কমিচনাৰ হৈ থকা চাৰ, জে বি, ফুলাৰক সেই প্ৰদেশখনৰ লেফ্‌টেনাণ্ট গভর্ণৰ হিচাবে নিযুক্তি দিয়া হ'ল। তেওঁ অসমৰ মানুহক সান্ত্বনা দিবলৈ গৈ কৈছিল, -"I look forward to the day when Dacca, Chittagaon, Guwahati, and Sylhet will be as closed wrist to one another as Banares, Allahabad, Lucknow and Agra and when each Assamese and each Bengali while

retaining to the full his national identity will also be able, when he meets aquitances from beyond the borders to boost that he belongs to Eastern Bengal and Assam." (ভাবার্থ-"মই সেই দিনালৈ চাই আছো যেতিয়া ঢাকা, চিটাগঙ্গ, গুৱাহাটী আৰু শ্রীহট্ট পৰস্পৰৰ তেনেকৈ ঘনিষ্ঠ হব যেনেকৈ বেনাৰস, এলাহাবাদ, লক্ষ্ণৌ আৰু আগ্রা ঘনিষ্ঠ হৈ আছে। মই সেই দিনালৈও চাই আছো যেতিয়া প্রতিজন অসমীয়া আৰু প্রতিজন বঙ্গালীয়ে নিজৰ নিজৰ জাতীয়ত্ব সম্পূর্ণ বজাই ৰাখিও সীমান্তৰ সিপাৰৰ চিনাকিজনক লগ পালে গৌৰৱ কৰিব পাৰিব যে, তেওঁ পূর্ববঙ্গ আৰু অসম"ৰ মানুহ।" ই অসমক সান্ত্বনা দিয়া নাছিল, - আছিল অসমৰ বুকুত শেল বহুৱাৰ দৰে কথা।

বঙ্গৰ বঙালী ভাষা কোৱা মানুহখিনিৰ মাজত দুখন প্রদেশ কৰাৰ প্রতিবাদত বঙ্গত ভীষণ আন্দোলন হৈছিল। কিন্তু অসমৰ কাৰণে ই আছিল জীৱন মৰণৰ প্রশ্ন। এনেকৈ অসমক পূব বঙ্গৰ লগত জাপি দিয়াৰ অসম এচোচিয়েচনে বিৰোধিতা কৰিছিল। স্বনামধন্য মানিক চন্দ্র বৰুৱাই অসম পূব বঙ্গ সংযুক্ত প্রদেশখনৰ ৰাজধানী ঢাকাত বহা কাউন্সিলৰ সভাত, ১৯০৮ চনত অসমক পূব বঙ্গৰ লগত জাপি দিয়াৰ দোর্ঘোৰ প্রতিবাদ কৰি ভাষণ দিছিল। কিন্তু অসমত এই প্রশ্নলৈ বিশেষ আন্দোলন হৈছিল বুলি ক'ব নোৱাৰি, যদিও কলিকতাৰ পৰা প্রকাশিত বিপ্লৱী সাহিত্যৰ কিছু কাগজ-পত্র গুৱাহাটীৰ হোটেলত পুলিচে খানা-তালাচ কৰি পাইছিল বুলি জনা যায়। ৰাৰু অসম কেশৰী অম্বিকাগিৰি ৰায় চৌধুৰীবো তাৰ লগত কিছু যোগাযোগ থকা বুলি প্রকাশ পাইছিল।

১৯০৬ চনত কলিকতাত কংগ্রেছৰ অধিবেশন বহে। জাতিৰ প্রপিতামহ স্বৰূপ দাদাভাই নৌৰজী সেই অধিবেশনৰ সভাপতি আছিল। তেওঁ তেওঁৰ অভিভাষণত " স্বৰাজ " শব্দটো প্রথম ব্যৱহাৰ কৰে। সেই অধিবেশনতে বঙ্গ বিচ্ছেদৰো দুর্ঘোৰ বিৰোধিতা কৰি প্রস্তাৱ গ্রহণ কৰা হৈছিল।

১৯০৮ চনৰ ৩০ এপ্রিলত মজফৰপুৰত দুটা বোমা পৰে। এই ঘটনাৰ সম্পর্কত ক্ষুদিৰাম নামে এজন কম বয়সীয়া ল'ৰাৰ ফাঁচী হয়। মহাৰাষ্ট্রত বাল গঙ্গাধৰ তিলকে তেওঁৰ সম্পাদিত কাগজত এই বিষয়ে এটা সম্পাদকীয় প্রবন্ধত সমালোচনা কৰে। ইয়াকে লৈ হোৱা বিচাৰত তিলকক ৬ বছৰ কাৰাদণ্ড দিয়া হয়। তেওঁ ১৯০৮ চনৰ পৰা ১৯১৪ চনলৈ ব্রহ্মদেশৰ মান্দালয় জেলত

কটাব লগা হয়।

ইতিমধ্যে ১৯০৭ চনত চুৰাত কংগ্রেছত, ধীৰপন্থী আৰু উগ্রপন্থী হিচাপে কংগ্রেছৰ বিভাজন. হয়।

১৯১১ চনৰ ১২ ডিচেম্বৰত দিল্লীৰ দৰবাৰত ইংলণ্ডৰ সম্রাটৰ ঘোষণা মতে বঙ্গ বিচ্ছেদ ৰদ কৰা হ'ল। অসমে আকৌ সুকীয়া এখন প্রদেশ হিচাবে মান্যতা পালে।

১৯১৪ চনৰ জুলাইত প্রথম মহাযুদ্ধ আৰম্ভ হ'ল। সেই সময়তে গদৰ দল নামেৰে এটা সংগঠন কৰি ভাৰতৰ স্বাধীনতাৰ কাৰণে সশস্ত্র যুদ্ধ বা বিদ্রোহ কৰিবলৈ এটা চেষ্টা হৈছিল। ৰামবিহাৰী বসু, শুচিন্দ্র সান্যাল,গণেশ পিঙ্গল আৰু মাঘী কাটৰি সিং প্রমুখ্যে কিছু বিপ্লৱী নেতাই জার্মানীৰ সহযোগত, তাৰ কাৰণে পৰিকল্পনা কৰিছিল। জার্মানীৰ সম্রাটৰ লগত কথা হ'বলৈ ৰাণা হৰ দয়াল জার্মানীলৈয়ো গৈছিল। কিন্তু বৃটিছ চোৰাংচোৱাই সংগ্রহ কৰা খবৰৰ ওপৰত ভিত্তি কৰি গদৰ দলৰ বহুতকে পুলিচে আটক কৰিলে। ইয়াৰ ভিতৰতে এই দলৰ ১২ জনৰ ফাঁচী হয়। গদৰ দলৰ সম্পর্কত থকা বুলি সন্দেহ কৰা সকলোৰে ওপৰত ভীষণ অত্যাচাৰ চলিছিল। দলৰ কাম বিশেষ আগ বাঢ়িব নোৱাৰিলে।

প্রথম মহাযুদ্ধত ভাৰতৰ মানুহে ইংৰাজৰ লগত সহযোগিতাই কৰিছিল। মহাত্মা গান্ধীয়েও সেইবাৰ যুদ্ধত ইংৰাজৰ পক্ষক সহায় কৰাই উচিত বুলি ভাবিছিল। তেতিয়া ভাৰতৰ মানুহৰ এনে আশা আছিল যে, যুদ্ধৰ পিচত ইংৰাজে ভাৰতৰ ৰাজনৈতিক আশা-আকাঙ্খা পূৰণ কৰিব। কিন্তু ১৯১৮ চনৰ জুন মাহত প্রকাশ হোৱা মণ্টেগু চেমচ্‌ফর্ড প্রতিবেদনে ভাৰতৰ সকলোকে হতাশ কৰিলে। যুদ্ধৰ আগতে বৃটিছ চৰকাৰে ভাৰতক স্বায়ত্ত শাসন দিয়াৰ আৰু তুৰস্কৰ খিলাফৎ সুৰক্ষিত কৰাৰ প্রতিশ্রুতি দিছিল। কিন্তু জার্মানীক যুদ্ধত পৰাস্ত কৰাৰ পিচত, বৃটিছে সেই সকলো কথা পাহৰি পেলালে। তেওঁলোকে ভাৰতত গঢ়ি উঠা ৰাজনৈতিক ভাৱ বিশেষকৈ উগ্রপন্থী সকলক দমন কৰিবলৈহে নানা কৌশল উলিয়াবলৈ ধৰিলে। তাৰে এটা হৈছে ৰাওলাট আইন। যুদ্ধৰ পিচত তেওঁলোকে তুৰস্কৰ খিলাফটতো ভাঙি দি বর্তমানৰ চৌদি আৰবীয় আদি কেইবাখনো নতুন দেশ গঢ়ি তুলিলে।

মণ্টেগু চেমচ্‌ফর্ড শাসন সংস্কাৰৰ আঁচনিৰ পৰা অসমক একেবাৰেই বাদেই দি থৱলৈকে, ভাৰত চৰকাৰে সিদ্ধান্ত কৰি ইংলণ্ডৰ চৰকাৰক জনাইছিল। অসম এচোচিয়েচনে ভাৰত চৰকাৰৰ এই অভিসন্ধি জানিব পাৰি তাৰ দোষৰ প্রতিবাদ কৰিলে। কৰ্মবীৰ চন্দ্র নাথ শর্মাই অসম এচোচিয়েচনৰ হৈ বিলাতৰ চৰকাৰলৈ ভাৰত চৰকাৰৰ এনে সিদ্ধান্তৰ বিৰুদ্ধে আপীল কৰি পোনপটীয়াকৈ এখন মেমোৰেণ্ডাম দিলে। মণ্টেগু চেমচ্‌ফর্ড শাসন ব্যৱস্থা সম্পূর্ণৰূপে গ্রহণৰ অযোগ্য বুলি ভাৰতত তেতিয়া জনমত গঢ়ি উঠিছিল। কিন্তু তাৰ মাজতো, অসমে সেই আঁচনিত অসমক নধৰাৰ বিৰুদ্ধে আন্দোলন কৰিব লগা হ'ল - কেৱল মাত্র এই কাৰণেই যে, ভাৰতৰ অন্যান্য প্রধান প্রধান প্রদেশৰ দৰে সমান মর্য্যাদা নিদিয়াৰ প্রতিবাদ হিচাপেহে। কৰ্মবীৰ চন্দ্রনাথ শর্মাই অসমৰ বিভিন্ন ঠাইত ঘুৰি মেলি বিলাতলৈ অসম এচোচিয়েচনৰ পক্ষৰ পৰা সঁজাতি দল পঠোৱাৰ খৰচৰ ধন সংগ্রহ কৰিব লগা হৈছিল। অসমৰ সর্বমান্য নেতা নবীন চন্দ্র বৰদলৈ আৰু প্রসন্ন বৰুৱাৰ সঁজাতি দলটো গৈ বিলাতত অসমৰ দাবী প্রতিপন্ন কৰিবলৈ সমর্থ হয়, শেষত অসমকো মণ্টেগু চেমচ্‌ফর্ড শাসন সংস্কাৰৰ অন্তর্ভুক্ত কৰা হ'ল। এবাৰ অসমৰ মর্য্যাদা ৰক্ষা হোৱাৰ পিচত কৰ্মবীৰ বৰদলৈ আৰু চন্দ্রনাথ শর্মাই সেই আঁচনি বর্জন কৰাৰ আন্দোলনত আগভাগ লৈছিল।

১৯১৪ চনত এনী বেচাণ্ট দক্ষিণত "হোমৰুল" আন্দোলন আৰম্ভ কৰে। মান্দালয় জেলৰ পৰা ছুবছুৰ কাৰাদণ্ডৰ পাচত ওলাই আহি বাল গঙ্গাধৰ তিলকে সুকীয়াকৈ "হোমৰুল লীগ" স্থাপন কৰি এক বিৰাট অভিযান চলায়।

প্রথম মহাযুদ্ধৰ সময়ত ভাৰতৰ মানুহৰ আশা আছিল যে, যুদ্ধৰ পিচত বৃটিছে ভাৰতৰ আশা-আকাঙ্খা পূৰণ কৰিবলৈ যথাবিহিত ব্যৱস্থা ল'ব। কিন্তু ১৯১৪-১৮ চনৰ মহাযুদ্ধ যেতিয়া শেষ হ'ল; তেতিয়া ভাৰতৰ প্রতি বৃটিছ শাসকৰ মনোভাৱ আৰু কার্য্যকলাপে সেই সকলো আশা চুৰমাৰ কৰি পেলালে। ভাৰতৰ জাগৰণ আৰু আন্দোলন দমন কৰিবলৈ বিশেষ অধিকাৰ সম্বলিত বাওলাট আইন গ্রহণ আৰু প্রয়োগ কৰা হ'ল। ১৯১৯ চনৰ ১৩ এপ্রিলত জালিৱানাবাগৰ হত্যাকাণ্ড সংঘটিত হ'ল।

এনে বিলাক ঘটনাৰ কিছুদিনৰ আগতে, মহাত্মা গান্ধী, দক্ষিণ আফ্রিকাৰ

বৰ্ণ বৈষম্যৰ বিৰুদ্ধে প্ৰয়োগ কৰা সত্যাগ্ৰহৰ প্ৰণালীৰ যুদ্ধত কৃতকাৰ্য্য লাভ কৰাৰ পিচত ভাৰতলৈ ঘূৰি আহিছিল। ভাৰতৰ জনসাধাৰণৰ, লগত সংযোগ স্থাপন কৰিবলৈ, গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাৰ পৰা আহিয়েই ভাৰতৰ বিভিন্ন ঠাইত পৰিভ্ৰমণ কৰিছিল। এনেকৈ জনসাধাৰণৰ লগত প্ৰাণৰ সংযোগ হোৱাৰ পিচত তেওঁ কংগ্ৰেছৰ মঞ্চলৈ আহি তেওঁৰ পদ্ধতি মতে ভাৰতৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ কাৰণে গণ আন্দোলন কৰাৰ প্ৰস্তাৱ দাঙি ধৰিলে। ১৯২০ চনৰ চেপ্তেম্বৰ মাহৰ কলিকতাৰ বিশেষ অধিবেশনত গান্ধীজীয়ে দাঙি ধৰা অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয়। সেই বছৰতে নাগপুৰত বহা কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনত সেই প্ৰস্তাৱ পুনৰ বিবেচনা কৰি গ্ৰহণ কৰা হয়। তেতিয়াৰ পৰাই ভাৰতৰ গান্ধীযুগৰ সূত্ৰপাত হয়। অসহযোগ আন্দোলনৰ ভেটি আছিল সত্য আৰু অহিংসা, এই মূল নীতিৰ ওপৰত নিৰ্ভৰ কৰি ইয়াকে একমাত্ৰ অস্ত্ৰ হিচাপে লৈ দেশ মাতৃকাৰ শৃংখল মোচনৰ কাৰণে চৰকাৰৰ লগত সকলো প্ৰকাৰে সহযোগ বৰ্জন কৰাই আছিল এই অভিনৱ যুদ্ধখনৰ প্ৰণালী। গান্ধীজীয়ে অতি মৃদু স্বৰত ধীৰ স্থিৰ ভাৱে তেওঁৰ বক্তব্য দেশবাসীৰ সম্মুখত দাঙি ধৰিছে। মহাত্মাৰ অন্তৰাত্মাৰ পৰা ওলোৱা সেই কথাখিনি ভাৰতৰ মানুহে তেওঁলোকৰ নিজৰ মনৰ গুপুত কোণত লুকাই থকা কথা বুলি উপলব্ধি কৰিছিল। ভাৰতৰ জনসমুদ্ৰত সেই বাণীৰ ঢৌৰ ওপৰত ঢৌ উঠিছিল। চৌদিশে ইয়াৰ ধ্বনি প্ৰতিধ্বনিয়ে আকাশ বতাহ মুখৰিত কৰিলে। প্ৰথম বাৰৰ বাবে তেতিয়া ভাৰতৰ জনসাধাৰণৰ মাজত ৰাজনৈতিক একত্ৰবোধ ভাৱ সৃষ্টি হ'ল। ভাৰতত ইংৰাজে শাসনৰ ব্যৱস্থাবে ৰাষ্ট্ৰীয় ঐক্য আনিবলৈ চেষ্টা কৰিছিল। ই প্ৰাণহীন যন্ত্ৰৰ দৰে কাম কৰিছিল। কিন্তু অসহযোগ আন্দোলনে ভাৰতৰ জনসাধাৰণৰ জাগ্ৰত ৰাজনৈতিক চেতনাবে ৰাষ্ট্ৰীয়তাৰ ভাৱনা জীৱন্ত কৰি তুলিছিল। এনেকৈয়ে সেইদিনা ভাৰতে নতুন জনম পালে।

অসম কংগ্ৰেছ মহাসভাৰ শাখা অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ আগমুহূৰ্ততহে গঠন কৰা হৈছিল। আগতে অসমত অসম এচোচিয়েচন একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান আছিল। নতুনকৈ স্থাপন হ'লেও অসম কংগ্ৰেছৰ সংগঠনৰ কাম বিশেষ ভাল হৈছিল। অসহযোগ আন্দোলনত অসমে স্বাধীনতা আন্দোলনৰ ইতিহাসত বিশেষ গৌৰৱৰ স্থান অধিকাৰ কৰি আছে। ১৯২২ চনৰ

৫ ফেব্রুৱাৰীত যুক্তপ্ৰদেশৰ গোৰখপুৰ জিলাৰ চৌৰীচৌৰা নামে ঠাইত পুলিচৰ অত্যাচাৰত অতিষ্ঠ হৈ উন্মত্ত জনতাই পুলিচ থানা এটা জুই জ্বলাই দিয়ে আৰু তাত থকা কেবাজনো কনিষ্টবল আৰু এজন চাব্‌ইন্সপেক্টৰ পুৰি মৰে। এই ঘটনাত মহাত্মা মৰ্মাহত হ' ল। তেওঁৰ সত্য অহিংসাৰ নীতি মতে আন্দোলন চলোৱাত ব্যৰ্থ হোৱা দেখি তেওঁ তেতিয়া আন্দোলন স্থগিত কৰিবলৈ কংগ্রেছক পৰামৰ্শ দিয়ে। সেইমতে কংগ্রেছে আন্দোলন স্থগিত কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ পিচত মাজতে কেইটামান বছৰ আইন সভাৰ ভিতৰ সোমাই ভাৰতত আত্মনিয়ন্ত্রণৰ অধিকাৰৰ কাৰণে কাম কৰাৰ আৰ্চনি লোৱা হয়।

এই সময়ৰ শান্তিপূৰ্ণ প্ৰণালীৰ ওপৰত নিৰ্ভৰ নকৰি অন্য যি কোনো প্ৰকাৰে হ'লেও স্বাধীনতাৰ সংগ্রাম চলাবলৈ এদল ডেকাই কিছুমান ঠাইত সংগঠন কৰিছিল। ১৯১৯ চনৰ আগতে এনে বৈপ্লৱিক আন্দোলন হৈছিল আৰু সেই বিলাক আছিল ইটালীৰ মেট্‌চিনি, গেৰিবণ্ডি আৰু আয়াৰ লেণ্ডৰ চিন ফেনাইটৰ Sin Feiners আৰ্হিত। কিন্তু ১৯১৯ চনৰ পিচত বিপ্লৱী দলৰ বহুতেই ছোভিয়েত ইউনিয়নৰ অক্তোবৰ আৰু মাৰ্ক্স লেনিনৰ পৰা প্ৰেৰণা পাইছিল। কাকৰী মোকৰ্দমা, মিৰাট ষড়যন্ত্রৰ মোকৰ্দমা, চিটাগঙ্গ অস্ত্রাগাৰ আক্রমণ আদি এই পৰ্য্যায়ত পৰে। ভগৎ সিং, ৰাজগুৰু আৰু শুকদেৱক বৈপ্লৱীক কামত লিপ্ত থকাৰ অভিযোগত ১৯৩১ চনৰ ২৩ মাৰ্চত লাহোৰত ফাঁচী দিয়া হয়। ৰাজনৈতিক বন্দী সকলক কৰাদুৰ্ব্যৱহাৰৰ প্ৰতিবাদ জনাই যতীন দাসে জেলত অনশন কৰে। ৬১ দিন অনশন কৰাৰ পিচত ১৯২৩ চনৰ ১৩ চেপ্তেম্বৰত তেওঁৰ মৃত্যু হ'ল।

১৯২৬ চনত প্ৰথম বাৰৰ কাৰণে অসমত কংগ্রেছৰ অধিবেশন বহে। তেতিয়া অসমৰ জনসংখ্যা আছিল মাত্র ৪০ লাখ। ইমান কম মানুহৰ এখন প্ৰদেশত কংগ্রেছ অধিবেশন পতাৰ বিৰাট আয়োজন কৰা বৰ টান কাম আছিল। দেশভক্ত তৰুণ ৰাম ফুকন সভাপতি আৰু কৰ্মবীৰ নবীন চন্দ্র বৰদলৈক সম্পাদক হিচাপে লৈ অভ্যৰ্থনা সমিতি গঠন হৈছিল। তেওঁলোকৰ নেতৃত্বত গুৱাহাটীৰ পাণ্ডুত বিৰাট পেণ্ডেল সজা হ'ল। অসমত উৎপন্ন হোৱা খদ্দৰেৰে এই অধিবেশনত আয়োজন কৰা সকলো ব্যৱস্থা সুন্দৰ হৈছিল বুলি প্ৰতিনিধি সকলে একেবাক্যে প্ৰশংসা কৰিছিল।

১৯২৮ চনৰ ডিচেম্বৰত কলিকতাত পণ্ডিত মতিলাল নেহৰুৰ সভাপতিত্বত বহা কংগ্রেছ অধিবেশনত মতিলাল নেহৰু কমিটিয়ে দাখিল কৰা "ডমিনিয়ন ষ্টেটাচ' ৰ দাবীৰ ভিত্তিত বচনা কৰা বিপোৰ্টখন আলোচনা হওতে নেতাজী সুভাষ চন্দ্র বসু আৰু পণ্ডিত জৱাহৰলাল নেহৰুৰ নেতৃত্বত যুৱক সকলৰ এটা দলে সেই বিপোৰ্টৰ দোৰ্ঘোৰ বিৰোধিতা কৰে। মহাত্মাৰ মধ্যস্হতাত তেতিয়া কংগ্রেছে এই সিদ্ধান্ত কৰে যে, বৃটিছ গভৰ্ণমেণ্টক মতিলাল নেহৰুৰ কমিটিৰ বিপোৰ্টমতে ৰাজনৈতিক ক্ষমতা দিয়াৰ বিষয়ে এবছৰ সময় দিয়া হওক। সেই কালচোৱাৰ ভিতৰত তেওঁলোকে একো নকৰিলে পিচৰ বছৰ অধিবেশনত কংগ্রেছে পূৰ্ণ স্বাধীনতা দাবী সম্পৰ্কে ব্যৱস্হা ল'ব, কিন্তু এবছৰেও বৃটিছে ভাৰতক "ডমিনিয়ন ষ্টেটাচ" দিয়াৰ বিষয়ে কোনো ঘোষণা নকৰাত ১৯২৯ চনৰ ডিচেম্বৰৰ শেষ ৰাতি লাহোৰত পণ্ডিত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত বহা কংগ্রেছ অধিবেশনত পূৰ্ণ স্বাধীনতাৰ প্রস্তাৱ গ্রহণ কৰা হয়। সেই মতে তেতিয়াৰ পৰা ২৬ জানুৱাৰীত দেশৰ সকলো ঠাইতে জাতীয় পতাকাৰ তলত দেশৰ স্বাধীনতাৰ সংকল্প লোৱা হয়।

স্বাধীনতাৰ সংকল্প পূৰণৰ কাৰণে আন্দোলন পৰিচালনা কৰিবলৈ কংগ্রেছে মহাত্মাজীক পূৰ্ণ অধিকাৰ আৰু দায়িত্ব দিয়ে। মহাত্মাজীয়ে তেতিয়া নিমখ আইন ভঙ্গৰ সিদ্ধান্ত কৰি ১২মাৰ্চৰ দিনা ব্রহ্মমুহূৰ্ত্ততবাছকৰনীয়া৭৫ জন সত্যাগ্রহী লগত লৈ সবৰমতী আশ্রমৰ পৰা ২০০ মাইল দূৰৰ সাগৰৰ দাঁতিৰ দাণ্ডী নামে এখন ঠাইলৈ পদযাত্রা কৰি যায়। অহিংস এটা বাহিনী লৈ গান্ধীজী যেতিয়া আগবাঢ়িছিল গাঁৱৰ পিছত গাঁও যেন তেওঁ জয় কৰিছিল। এক অপূৰ্ব অহিংস অভিযানত সেইদিনা দেশ যেন মতলীয়া হৈ উঠিল। ৫ এপ্রিলত গান্ধীজী দাণ্ডী পালেগৈ, নিমখ তৈয়াৰ কৰাটো নিষিদ্ধ আছিল। গান্ধীজীয়ে সেই আইন ভঙ্গ কৰি দাণ্ডীৰ সাগৰৰ পাৰত নিমখ তৈয়াৰ কৰিছিল। চৰকাৰী নিমখৰ গুদাম দখল কৰিবলৈ, সৰোজিনী নাইডুৰ নেতৃত্বত এটা সত্যাগ্রহী দলৰ অভিযান, মানুহৰ ইতিহাসত অহিংস সংগ্রামৰ এক চিৰস্মৰণীয় ঘটনা। নিৰস্ত্র সত্যাগ্রহী সকল ধীৰস্হিৰ ভাৱে ধৰ্মনাৰ নিমখৰ গুদাম লবলৈ আগবাঢ়ি গৈছিল আৰু চৰকাৰৰ সশস্ত্র অশ্বাৰোহী বাহিনীয়ে তেওঁলোকৰ ওপৰত নিঠুৰ ভাৱে লাঠি, সঙ্গীন আৰু বন্দুকেৰে আক্রমণ চলাইছিল। কিন্তু এনে আক্রমণলৈ ভ্রুক্ষেপ

নকৰি এটা সত্যাগ্রহী দল ধৰাশায়ী কৰাৰ পিচত আন এটা সত্যাগ্রহীৰ দল নিভীক ভাৱে আগবাঢ়ি গৈছিল- সেই একেটা উদ্দেশ্য সাধনৰ কাৰণে। অকল দাণ্ডীতে নহয়, দাণ্ডীত গান্ধীজীৰ সত্যাগ্রহৰ পিচত দেশব্যাপী আইন অমান্যৰ তীব্র আন্দোলন হ'ল।

অসমত এই আন্দোলনৰ আৰম্ভণিৰ সময়ত এটা কথাই আহুকালৰ সৃষ্টি কৰিলে। সি হৈছে এয়ে যে, দেশভক্ত তৰুণৰাম ফুকন, লোকপ্রিয় গোপীনাথ বৰদলৈ আৰু ৰোহিনী কুমাৰ চৌধুৰীয়ে লাহোৰ কংগ্রেছৰ পিচত এটা বিবৃতিত ঘোষণা কৰিলে যে, অসমৰ পৰিস্থিতিত সক্রিয় আন্দোলনতকৈ আইন সভাৰ জৰিয়তে আন্দোলন কৰাৰহে বেছি প্রয়োজন আছে। তৰুণ ফুকনে তেতিয়া অসম প্রদেশ কংগ্রেছ কমিটিৰ সভাপতিৰ পদ ত্যাগ কৰিছিল। গোপীনাথ বৰদলৈয়ে গুৱাহাটী জিলা কংগ্রেছৰ সভাপতিৰ পদ এৰি দিছিল। স্বনাম ধন্য নেতাসকল আঁতৰি পৰাত, অসমত আন্দোলন কৰাত অসুবিধা হোৱাৰ আশংকাৰ সৃষ্টি হৈছিল। কিন্তু সেই সময়তে অসমৰ শিক্ষা বিভাগৰ ডি�ৰেক্তৰ কানিংহাম চাহাবে দিয়া চার্কুলাৰ এখনে সুকীয়া এটা অৱস্থাৰ সৃষ্টি কৰিছিল। অসমৰ ৰাইজ, অভিভাৱক আৰু ছাত্র- ছাত্রী সকলো এই চার্কুলাৰত বিক্ষুব্ধ হৈছিল তেওঁলোকৰ কানিংহাম চার্কুলাৰৰ বিৰুদ্ধে আন্দোলনে নিমখ আইন ভঙ্গৰ আগ জাননী দিছিল। অসম প্রদেশ কংগ্রেছ কমিটিত বিষ্ণুৰাম মেধি সভাপতি নির্বাচিত হ'ল। কটন কলেজৰ ছাত্র সকলৰ বহুতেই কলেজ ত্যাগ কৰি ওলাই আহি আন্দোলনত যোগ দিলে। অসহযোগ আন্দোলনৰ দৰেই ১৯৩০ চনৰ আইন অমান্য আন্দোলনতো অসমে গৌৰৱৰ স্থান অধিকাৰ কৰিলে।

১৯৩০ চনৰ আন্দোলনৰ ফলশ্রুতি হিচাপে ৰৱলাট আৰউইনৰ লগত ১৯৩১ চনত মহাত্মা গান্ধীৰ এখন চুক্তি হয়। সেইমতে ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়া হ'ল। ভাৰতৰ স্বাধীনতাৰ দাবীৰ বিষয়ে আলোচনা কৰিবলৈ গান্ধীজী নৱেম্বৰ ডিচেম্বৰত বহা দ্বিতীয়া মেজমেলত যোগ দিবলৈ লণ্ডনলৈ গ'ল। সেই মেলত গান্ধীজীয়ে দিয়া বক্তৃতাটোত ভাৰতৰ দৰিদ্র জনসাধাৰণৰ প্রাণৰ কথা প্রকাশ কৰিছিল। কিন্তু দ্বিতীয় দ্বিতীয়া মেজমেল একালে চলি আছিল আনফালে ভাৰতত আগৰজন ৰৱলাট লর্ড আৰউনৰ নীতিৰ বিপৰীত মুখী

নীতি অনুসৰণ কৰিবলৈ লোৱা হ'ল। গান্ধীজী বিলাতৰ পৰা ঘূৰি আহি পুনৰ আন্দোলন কৰিব লগা অৱস্থাই দেখা পালে। গান্ধীজী প্ৰমুখ্যে বহুতকে তেতিয়া গ্ৰেপ্তাৰ কৰা হ'ল। ইতিমধ্যে ১৯৩২ চনৰ আগষ্টত ৰামজে মেকডনাগ্ডে "সাম্প্ৰদায়িক এৱাৰ্ড" ঘোষণা কৰে। এই ঘোষণা মতে মুছলমান আৰু হিন্দুৰ পিচপৰা সম্প্ৰদায়ৰ লোকৰ কাৰণে সুকীয়া নিৰ্বাচক মণ্ডলী গঠন কৰাৰ কথা হ'ল। এনেকৈ হিন্দু সমাজক দুভাগত ভাগ কৰাৰ অপচেষ্টাৰ বিৰুদ্ধে গান্ধীজীয়ে জেলত অনশন আৰম্ভ কৰে। তেতিয়া পিচ পৰা সম্প্ৰদায়ৰ এজন প্ৰধান নেতা আম্বেদকাৰকে লৈ বিভিন্ন নেতা সকলৰ মাজত হোৱা আলোচনাৰ পিচত পিচ পৰা সম্প্ৰদায়ৰ সুকীয়া নিৰ্বাচক মণ্ডলী গঠন কৰাৰ কথা হ'ল। এনেকৈ হিন্দু সমাজক দুভাগত ভাগ কৰাৰ অপচেষ্টাৰ বিৰুদ্ধে গান্ধীজীয়ে জেলত অনশন আৰম্ভ কৰে। তেতিয়া পিচপৰা সম্প্ৰদায়ৰ এজন প্ৰধান নেতা আম্বেদকাৰক লৈ বিভিন্ন নেতা সকলৰ মাজত হোৱা আলোচনাৰ পিচত পিচ পৰা সম্প্ৰদায়ৰ সুকীয়া নিৰ্বাচক মণ্ডলীৰ কথাটো উঠাই লবলৈ কোৱা স্থিৰ হ'ল। ৰামজে মেকডন্যাগ্ডে সেইমতে অৱনত সম্প্ৰদায়ৰ সুকীয়া নিৰ্বাচক মণ্ডলীৰ কথাটো উঠাই লয়, গান্ধীজীয়ে তাৰ পিচত হৰিজনৰ কামত বিশেষকৈ মন দিয়াৰ ইচ্ছা প্ৰকাশ কৰে। কিন্তু জেলত সেই কামত বাধা পোৱাত ১৯৩৩ চনত ২১ দিনৰ অনশন কৰে। ১৯৩৩ চনৰ ২৩ আগষ্টত তেওঁক জেলৰ পৰা এৰি দিয়া হয়।

তাৰ পিচত গান্ধীজীয়ে হৰিজন আন্দোলনত বিশেষকৈ জোৰ দিয়ে। ১৯৩২ চনৰ তৃতীয় ঘূৰণীয়া মেজমেলত গান্ধীজীয়ে যোগ দিয়া নাছিল। কংগ্ৰেছেও অসহযোগ কৰিছিল। ১৯৩৪ চনত কংগ্ৰেছৰ সক্ৰিয় আন্দোলন স্থগিত হয়।

সেই সময়ত গান্ধীজী অসমলৈ আহিছিল। ইয়াৰ পিচত্ ১৯৩৫ চনৰ ভাৰত শাসন আইন বৃটিছ পার্লিয়ামেণ্টত গ্ৰহণ কৰা হয়। এই আইন মতে যুক্তৰাষ্ট্ৰৰ ভাগটো কাৰ্য্যকৰী কৰা হোৱা নাছিল। প্ৰাদেশিক ভাগটোৰ মতে ১৯৩৭ চনৰ ফেব্ৰুৱাৰীত সাধাৰণ নিৰ্বাচন হ'ল। অসম এচেম্বলিৰ ১০৮ খন আসনৰ ভিতৰত কংগ্ৰেছে ৩৩ খন আসন দখল কৰে। ইউৰোপীয়ানে ৯ খন আৰু মুছলীম দলে ১০ খন আসন লাভ কৰে। একক সংখ্যাগৰিষ্ঠতা নাছিল কাৰণে কংগ্ৰেছে তেতিয়া মন্ত্ৰীসভা গঠন কৰাৰ কথা ভৰা নাছিল। ইউৰোপীয়ানৰ সদস্যৰ সহায়ত তাৰ চাদুল্লাই মিলিত দল এটা গঠন কৰি গভৰ্ণমেণ্ট গঠন কৰে। গোপীনাথ

ৰৱদলৈ কংগ্রেছ দলৰ নেতা নিৰ্ব্বাচিত হ'ল। কিন্তু ১৯৩৮ চনৰ ১৩ চেপ্তেম্বৰত চাদুল্লাই সংখ্যা গৰিষ্ঠতা হেৰুৱাই তেওঁ প্রধান মন্ত্রীৰ পদ ত্যাগ কৰিব লগা হয়। ইয়াৰ পিচত গোপীনাথ ৰৱদলৈৰ সভাপতিত্বত কংগ্রেছৰ মিলিত মন্ত্রীসভা গঠিত হয়।

অসমৰ বাহিৰে যুক্ত প্রদেশ বিহাৰ, উৰিষ্যা, বোম্বে, মাদ্রাজ, মধ্য প্রদেশ আদিত কংগ্রেছে একক সংখ্যাগৰিষ্ঠ । দল হিচাপে নিৰ্ব্বাচিত হৈ আহি মন্ত্রী সভা গঠন কৰিছিল।

১৯৩৫ চনৰ শাসন সংস্কাৰ আইন মতে ভাৰতৰ মানুহৰ হাতত বিশেষ একো ক্ষমতা দিয়া হোৱা নাছিল, এই কথা শাসনলৈ আহিয়েই কংগ্রেছে প্রমাণ কৰি দেখুৱাইছিল। কিন্তু পিচত অসমকে ধৰি কংগ্রেছ মন্ত্রী সভা কেউখনে কংগ্রেছৰ নির্দেশমতে পদত্যাগ কৰে ।

ৰৱদলৈৰ মন্ত্রী সভাই বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল যদিও তাৰ মাজতো তেওঁলোকে বিশেষ তৎপৰতাৰে কেইবাটাও প্রধান সমস্যা সমাধানৰ ব্যৱস্হা কৰিছিল।

ইতিমধ্যে আন্তর্জাতিক পৰিস্হিতি ক্রমে বৰ বেয়াহে যাবলৈ ধৰিলে । জার্মানীত সর্বেসর্ব্বা হৈ উঠিছিল নাজী দলটো । হিটলাৰ হ'ল, সেই দলৰ সর্ব্বময়কর্তা। ১৯৩৯ চনত জার্মানীয়ে পোলেণ্ড আক্রমণ কৰিলে। তাৰ উত্তৰত ইংলণ্ডই ৩ চেপ্তেম্বৰত জার্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। সেই তাৰিখেই ভাৰতৰ মানুহক কোনো মতামত দিয়াৰ সুবিধা নিদিয়াকৈ ভাৰতৰ ৰৱলাটে ভাৰতকো জার্মানীৰ বিৰুদ্ধে যুদ্ধত নামিল বুলি ঘোষণা কৰিলে। এনে ধৰণে ভাৰতক যুদ্ধত লিপ্ত কৰাৰ বিৰুদ্ধে ভাৰতত জনমত তীব্র হৈ পৰিল। কংগ্রেছ ৱর্কিং কমিটিয়ে কংগ্রেছৰ মন্ত্রী সভা কিখনক ইস্তফা দিবলৈ নির্দেশ দিয়ে। ১৯৩৯ চনৰ ২৭ অক্টোবৰ আৰু ১৫ নবেম্বৰৰ ভিতৰত কংগ্রেছী মন্ত্রী সভা কিখনে পদত্যাগ কৰে। অসমৰ ৰৱদলৈ মন্ত্রী সভাইও পদত্যাগ কৰে।

ভাৰতৰ মানুহৰ অসন্তোষ শাম কটোৱাৰ ভাৱেৰে ৰৱলাটে ১৯৪০ চনৰ ৮ আগষ্ট তাৰিখে এটা ঘোষণাত কয় যে ভাৰতৰ নতুন সংবিধান ভাৰতৰ মানুহে ৰচনা কৰিব, কিন্তু লগতে ইয়াকো ক'লে যে, যেতিয়ালৈকে যুদ্ধ চলি থাকে, তেতিয়ালৈকে সংবিধান ৰচনাৰ কাম হাতত ল'ব পৰা নাযাব। কংগ্রেছে এই

ঘোষণা প্রত্যাখ্যান কৰে।

১৯৪০ চনৰ ১৫ চেপ্তেম্বৰত নিখিল ভাৰত কংগ্রেছ কমিটিৰ অধিবেশন বহে। এই কমিটিয়ে ঘোষণা কৰে –"বৃটিছ গভৰ্ণমেণ্টে তেওঁলোকৰ কামৰ দ্বাৰা ভাৰততে এনে এটা অসহনীয় অৱস্থা সৃষ্টি কৰিছে যে ভাৰতীয় জাতীয় কংগ্রেছে ভাৰতীয় জনতাক সাধাৰণ মৌলিক অধিকাৰ আৰু সন্মান ৰক্ষা কৰিবৰ কাৰণেই, আন্দোলন কৰিবলৈ বাধ্য হ'ব লগা অৱস্থা হৈছে। গান্ধীজীক তেতিয়া আন্দোলন পৰিচালনা কৰিবলৈ অনুৰোধ কৰা হ'ল। গান্ধীজীয়ে সেই মতে নেতৃত্ব গ্রহণ কৰে। গান্ধীজীয়ে আন্দোলনৰ প্রথম পর্ব হিচাপে ব্যক্তিগত সত্যাগ্রহ আৰম্ভ কৰাৰ আঁচনি ঘোষণা কৰে। দ্বিতীয় মহাযুদ্ধত জন-ধন দি সহায় নকৰিবলৈ ৰাইজৰ আগত ঘোষণা কৰিবলৈ প্রথম গৰাকী সত্যাগ্রহী হিচাপে মহাত্মাজীয়ে বিনোৱা ভাৱেক মনোনীত কৰে। ১৯৪০ চনৰ ১৭আগষ্টতওৱার্দ্ধাৰ ওচৰৰ পৌণাৰ নামে গাঁৱত যুদ্ধ বিৰুদ্ধে বক্তৃতা দি বিনোৱাজীয়ে ব্যক্তিগত সত্যাগ্রহ আৰম্ভ কৰে। ১৯৪১ চনৰ ১৭ অক্টোবৰলৈকে এই আন্দোলন চলে। এই সত্যাগ্রহত ২৫ হেজাৰ সত্যাগ্রহীৰ জেইল হয়।

১৯৪২ চনৰ ২৩ মার্চত ক্রিপচ্ বৃটিছ গভৰ্ণমেণ্টৰ প্রতিনিধি হিচাপে যুদ্ধৰ পৰিস্থিতিত ভাৰতৰ নেতা সকলৰ লগত আলোচনা কৰি এটা মীমাংসা কৰিবলৈ আহিছিল, কিন্তু তেওঁৰ সেই চেষ্টা ফলৱতী নহ'ল। মহাত্মাজীয়ে একেষাৰতে ক্রিপচ্ৰ প্রস্তাৱৰ সম্বন্ধে কৈছিল – " ই হৈছে এটা ভাঙোনমুখী বেংকৰ ওপৰত পিচৰ তাৰিখ দিয়া এখন চেক।" এনেকৈয়ে তেওঁৰ চেষ্টা ব্যর্থ হোৱাত ক্রিপচ্ উভতি যাব লগা হ'ল। তেওঁ গৈ কৈছিল "গান্ধীয়ে দাবী কৰিছে যে, আমি ভাৰত এৰি যাব লাগে। ধর্মীয় বিভাগ গভীৰ ভাৱে শিপাই থকা কোনো সাংবিধানিক চৰকাৰ নথকা আৰু সংগঠিত শাসন নথকা ভাৰতৰ দৰে এখন দেশ কোনো দায়িত্বপূর্ণ চৰকাৰে এৰি থৈ (গান্ধীয়ে কোৱাৰ দৰে) যাব নোৱাৰে।"

ইয়াৰ পিচত বৃটিছ শাসক সকলৰ লগত কথা বতৰাৰ থল নোহোৱা হ'ল। ১৯৪২ চনৰ ৮ আগষ্টত বোম্বেত অনুষ্ঠিত কংগ্রেছৰ সভাত সেই ঐতিহাসিক প্রস্তাৱটো–"ভাৰত ত্যাগ" প্রস্তাৱ গৃহীত হয়। গান্ধীজীয়ে সেই প্রস্তাৱৰ ওপৰত দিয়া বক্তৃতো তেওঁৰ জীৱনৰ আটাইতকৈ দীঘলীয়া দুঘণ্টা জোৰা বক্তৃতা আছিল।

তেওঁৰ উদ্দীপনাময়ী ভাষণত গান্ধীজীয়ে কৈছিল –" মোক অবিলম্বে স্বাধীনতা লাগে - আজি ৰাতিয়েই যদি হ'ব পাৰে পুৱাৰ আগেয়েই। আপোনালোকে মোৰ এই কথাত বিশ্বাস ৰাখিব যে, মই ৰৱলাটৰ লগত কোনো আপোচ আলোচনা নকৰো। মই আপোনালোকক আজি এটা মন্ত্র দিম - চুটি মন্ত্র ফাকি- আপোনালোকে নিজৰ নিজৰ অন্তৰত ইয়াৰ ছাপ মাৰি লওক,আপোনালোকৰ প্রতি নিশ্বাস -প্রশ্বাসত ই ধ্বনিত হওক-মন্ত্রটো হৈছে -"কৰিম বা মৰিম"। আমি হয় ভাৰতক স্বাধীন কৰিম বা সেই চেষ্টাতে প্রাণ দিম। দেশৰ পৰাধীনতা চাই থাকিবলৈ আমি জীয়াই নাথাকো"।

কংগ্রেছত ভাৰত ত্যাগ প্রস্তাৱ গ্রহণ হোৱাৰ পিচত গান্ধীজীয়ে তেওঁৰ পদ্ধতি অনুসৰি আন্দোলন আৰম্ভ কৰিবলৈ সময় নাপালে। ৯ আগষ্টৰ পুৱা চাৰি বজাতে তেওঁক গ্রেপ্তাৰ কৰি কোনো অজানা জেগালৈ লৈ যোৱা হ'ল। তাৰ লগে লগে সমগ্র ভাৰতত তড়িৎ গতিত বিপ্লৱৰ টো উঠিল। - বিয়াল্লিছৰ গণ বিপ্লৱ।

সেইদিনা পৃথিৱীত এফালে জার্মানীৰ নাজী আক্রমণৰ বিৰুদ্ধে মিত্র শক্তিৰ মাৰক অস্ত্রৰ তয়াময়া যুদ্ধ, আনফালে ভাৰতত আত্মনিয়ন্ত্রণৰ অধিকাৰৰ কাৰণে এজন নঙঠা ফকিৰৰ সেনাপতিত্বত নিৰস্ত্র জনগণৰ অহিংস বিপ্লৱ।

'ফেচিজিম' এটা সর্বনশীয় মতবাদত উন্মত্ত হৈ হিটলাৰৰ জার্মানীয়ে এখনৰ পিচত আনখন দেশৰ ওপৰত 'ব্লিজক্রিগ' কৰি আধিপত্য বিস্তাৰ কৰি বিভীষিকা সৃষ্টি কৰাৰ বিৰুদ্ধে ইংৰাজ আৰু তেওঁলোকক লগ দিয়া মিত্র শক্তিয়ে যেতিয়া জীৱন মৰণ যুদ্ধত অৱতীর্ণ হৈছিল তেতিয়া ভাৰতে ইংৰাজৰ বিৰুদ্ধে বিদ্রোহাত্মক আন্দোলন কৰাটো সমীচিন আছিলনে বুলি তেতিয়াও আৰু আজিও প্রশ্নৰ অৱতাৰণা কৰা হৈ থাকে। কিন্তু গান্ধী-নেহৰু নেতাসকল ফেচিজিম নাজিজিমৰ দুর্ঘোৰ বিৰোধী আছিল। যদিও ভাৰতৰ জনসাধাৰণৰ স্বাধীনতাৰ প্রশ্নটো এবাই যোৱা সত্তৰ বুলি নেভাবিছিল ভাৰতীয় কংগ্রেছে ভাৰতৰ স্বাধীনতাৰ আকাঙ্খা আৰু অধিকাৰৰ প্রতি কোনো অৱস্হাতে উদাসীনতা দেখুওৱা সত্তৰ নাছিল। এই সম্পর্কে দেখা দিব পৰা সকলো সন্দেহ আৰু প্রশ্নৰ সম্পর্কে গান্ধী-নেহৰু প্রমুখ্যে নেতাসকলে বিষদভাৱে আলোচনা কৰি গৈছে। বিয়াল্লিচৰ বিপ্লৱৰ মাজেদি ভাৰতীয় ৰাষ্ট্রীয় শক্তি আৰু সুদৃঢ় ৰাজনৈতিক সংগঠন প্রতিপন্ন নোহোৱাহেঁতেন

ক্রিপচে আগৰ বাৰ কোৱাৰ দৰে, বৃটিছ সাম্ৰাজ্যবাদীসকলে আকৌ ক্ষমতা হস্তান্তৰ কৰাত তাকে এটা আপত্তিৰ কাৰণ কৰি লব পাৰিলেহেঁতেন।

বিয়াল্লিছৰ গণ বিপ্লৱত আত্মগোপন কৰিও বহুতে বৈপ্লৱিক কাম কৰিছিল। এওঁলোকৰ কামত গান্ধীজীৰ অহিংস নীতিৰ ৰক্ষা হোৱা নাছিল বুলি অভিযোগ তুলি ভাৰত চৰকাৰৰ পৰা এখন শ্বেতপত্ৰ প্ৰকাশ কৰা হৈছিল। মহাত্মাজীয়ে ইয়াৰ উত্তৰত গোটেই অৱস্হাটো পৰিষ্কাৰ কৰি লিখিছিল যে, ভাৰতৰ স্বাধীনতা সংগ্ৰামী সকলৰ পৰা কেতিয়াবা অহিংসাৰ নীতি উলঙ্ঘন হলেও সি চৰকাৰৰ নৃশংস অত্যাচাৰৰ প্ৰতিক্ৰিয়া হিচাপেহে হৈছিল।

অসমত আত্মগোপনকাৰীৰ নেতৃত্ব দিছিল ত্যাগবীৰ হেম বৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, বিপ্লৱী বীৰ শংকৰ বৰুৱা, অক্লান্ত কৰ্মী মহেন্দ্ৰ হাজৰিকা প্ৰমুখ্যে নেতাসকল। শংকৰ বৰুৱাক জীৱিত আনকি মৃত অৱস্হাতো কোনো লোকে ধৰাই দিব পাৰিলে উপযুক্ত পৰিমাণে পুৰস্কাৰ দিয়া হব বুলি গভৰ্ণমেণ্টৰ পৰা ঘোষণা কৰা হৈছিল।

নেতাজী সুভাষ চন্দ্ৰ বসু, তেওঁক কলিকতাত আটক কৰি থোৱা ঘৰৰ পৰা ১৯৪১ চনৰ ১৭ জানুৱাৰীৰ দিনা পলাই গৈ জাৰ্মানী পায়গৈ আৰু তাৰ পৰা জাপানলৈ আহি "আজাদ হিন্দ ফৌজ" গঠন কৰে। তেওঁ দেশৰ বাহিৰতে ভাৰতৰ স্বাধীন গভৰ্ণমেণ্ট গঠন কৰি ঘোষণা দিয়ে। ১৯৪৩ চনৰ ২৩ অক্টোবৰত সেই গভৰ্ণমেণ্টৰ পৰা বৃটেইন আৰু যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা হয়। তাৰ পিছত আজাদ হিন্দ ফৌজ মান্দালয় হৈ কহিমা পায়হি। ১৯৪৫ চনৰ ১৩ আগষ্টত জাপানে আত্মসমৰ্পণ কৰাত নেতাজী বসুৰ সেই অভিযান অব্যাহত ৰখা সম্ভৱ নহ'ল।

বোম্বেত ভাৰতীয় নৌ বাহিনীৰ এটা গোটেও বিয়াল্লিছৰ বিপ্লৱৰ কালতে বিদ্রোহ কৰিছিল। সেই বিদ্রোহ চৰকাৰে নিষ্ঠুৰভাৱে দমন কৰিছিল। দ্বিতীয় মহাসম�ৰৰ পৰিস্হিতি ক্ৰমে মিত্ৰপক্ষৰ পক্ষে যাবলৈ ধৰিলে। ১৯৪৪ চনৰ ৬ মেত মহাত্মা গান্ধীক জেলৰ পৰা মুক্তি দিয়া হয়। ১৯৪৫ চনৰ আৰম্ভণীতে ভাৰতীয় ৰাজনীতিৰ পৰিবৰ্ত্তন হ'বলৈ ধৰিলে। কংগ্ৰেছ আকৌ আইন সভাৰ মাজলৈ আহিল। ১৯৪৫ চনৰ ৭ মেত জাৰ্মানীয়ে আত্মসমৰ্পণ কৰিলে। যুদ্ধৰ পিচত বৃটেইনৰ সাধাৰণ নিৰ্বাচনত শ্ৰমিক দল ক্ষমতালৈ আহে। এট্‌লী প্ৰধান

মন্ত্রী হ'ল। চার্চিলৰ সংৰক্ষণনীতিৰ পৰিবৰ্ত্তন কৰি শ্ৰমিক দলে, ভাৰতক স্বাধীনতা দিয়াৰ কথা ভাবিলে। ১৯৪৫ চনৰ আগষ্টত ঘোষণা কৰা হ'ল যে, ভাৰতত ১৯৩৫ চনৰ শাসন আইন মতেই সাধাৰণ নিৰ্বাচন হ'ব। এই মতে নিৰ্বাচন অনুষ্ঠিত হ'ল। অসমত এচেম্ব্লিৰ সদস্যৰ সংখ্যা আছিল -১০৮ জন। ভোটাৰৰ সংখ্যা আছিল ১৪, ৬৫, ৬৮৬ জন। সেই নিৰ্বাচনত কংগ্রেছে ৫৮ খন আসন লাভ কৰিলে। মুছলিম লীগে পালে ৩১ খন, য়ুৰোপীয়ানে ৯ খন, জমিয়েত উলেমাই ৩ খন আৰু অন্যান্য ৭ খন। নিৰ্বাচনৰ পিচত ১৯৪৬ চনৰ ১১ ফেব্রুৱাৰীত বৰদলৈ মন্ত্রী সভা গঠন কৰা হয়।

ভাৰতক স্বাধীনতা দিয়াৰ ভাৰেৰে বৃটিছ গভৰ্ণমেণ্টে ভাৰতলৈ কেবিনেট মিচন পঠাবলৈ স্হিৰ কৰিলে। ভাৰত সচিব লৰ্ড পেথিক লৰেন্সৰ নেতৃত্বত সেই মিচন ১৯৪৬ চনৰ ২৪ মাৰ্চত দিল্লী পাইছিলহি। তেওঁলোকে ভাৰতীয় নেতাসকলৰ লগত আলোচনা কৰি শেষত স্বাধীন ভাৰতৰ শাসন ব্যৱস্হা হিচাপে এখন আঁচনি দাঙি ধৰে। এই আঁচনি মতে ভাৰতৰ প্ৰদেশ বিলাক ক,খ আৰু গ এই তিনিটা ভাগত বা গ্রুপত ভাগ কৰাৰ কথা কোৱা হ'ল। বঙ্গ আৰু অসমক 'গ' গ্রুপত (Section c) ধৰা হৈছিল। মুছলীম লীগৰ পাকিস্তানৰ দাবীৰ লগত পৰোক্ষভাৱে হলেও এটা আপোচৰ মনোভাৱ লৈয়েই এই আচঁনি কৰা হৈছিল, তাত সন্দেহ নাই।

কংগ্রেছৰ নেতাসকলৰ প্ৰায়েই 'কেবিনেট মিচন'ৰ আঁচনি গ্রহণযোগ্য বুলিয়েই ভাবিছিল। কিন্তু সমষ্টিৰ আঁচনি অসমষ কাৰণে আছিল সৰ্বনশীয়া কথা। অসম কংগ্রেছে ইয়াৰ দুৰ্ঘোৰ বিৰোধিতা কৰিলে। মহাত্মা গান্ধীয়েও অসম চেক্সন বা গ্রুপতো সোমোৱাৰ বিৰোধিতা কৰাত অসমক বিশেষভাৱে সমৰ্থন আৰু বল দিছিল।

শেষত কেবিনেট মিচনৰ আঁচনি নিটিকিল। মুছলীম লীগে পাকিস্তানৰ দাবীত ১৯৪৬ চনৰ ১৬ আগষ্টত " প্ৰত্যক্ষ সংগ্রামৰ দিন" পালন কৰে। এই দিন পালনত কলিকতাত হিন্দু - মুছলমানৰ সংঘৰ্ষত ১৫০০ মৰা পৰে আৰু আহত হয়।

১৯৪৭ চনৰ ২২ মাৰ্চত লৰ্ড মাউণ্টবেটেন ভাৰতৰ নতুন বৰলাট হৈ আহে। ২৩ মাৰ্চত মুছলীম লীগে পাকিস্তান দিৱস হিচাপে পালন কৰে। অৱশেষত

অখণ্ড ভাৰতৰ আশা এৰিব লগা হয়। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত আৰু পাকিস্তান দুখন সুকীয়া স্বাধীন দেশ হিচাপে গঢ়ি উঠিল। ইয়াৰ পাচত ভাৰতৰ গণপৰিষদে (Constitutional Assembly) স্বাধীন ভাৰতৰ সংবিধান ৰচনা কৰিলে। পণ্ডিত জৱাহৰলাল নেহৰু স্বাধীন ভাৰতৰ প্ৰথমজনা প্ৰধান মন্ত্ৰী।

দেশ বিভাজনৰ ক্ৰিয়া-প্ৰক্ৰিয়া হিচাপে ভাৰত আৰু পাকিস্তানত সাম্প্ৰদায়িক সংঘাটত সদ্যজাত স্বাধীনতা শিশুটোৰ মৃত্যু ঘটাৰ আশংকাই দেখা দিলে। এই সংকটৰ মূহুৰ্তত ১৯৪৮ চনৰ ১৩ জানুৱাৰীৰ দিনা মহাত্মা গান্ধীয়ে দিল্লীত অনশন আৰম্ভ কৰিলে। তেতিয়া দিল্লীত শান্তি ঘূৰি আহিল। কিন্তু তাৰ পিচতে জাতিয়ে জাতিৰ জনক মহাত্মা গান্ধীক হেৰুৱাব লগা হ'ল। ১৯৪৮ চনৰ ৩০ জানুৱাৰীত সাম্প্ৰদায়িকতাত উন্মুক্ত এজন যুৱকে বাপুজীক প্ৰাৰ্থনা কৰিবলৈ যাওঁতে গুলিয়াই হত্যা কৰিলে।

"স্বাধীনতা সংগ্ৰামত যোৱহাট"ত যি সকল মুক্তি যুজাঁকৰ কথা কোৱা হৈছে তেওঁলোকৰ প্ৰত্যেকেই গান্ধীবাদী স্বাধীনতা আন্দোলনৰ নীতি আদৰ্শৰ বৈপ্লৱিক ভাৱত আৰু ৰচনাত্মক কামৰ ক্ষেত্ৰত লেখত ল'বলগীয়া কাম কৰি গৈছে। তেওঁলোকৰ জীৱনৰ কথাই তাকেই প্ৰমাণ কৰিছে। গান্ধীবাদী স্বাধীনতা আন্দোলনৰ ৰচনাত্মক দিশটোৰ প্ৰতি সাধাৰণতে বিশেষ মন দিয়া নহয়। কিন্তু গান্ধীজীয়ে তেওঁৰ ৰাজনৈতিক আন্দোলনতো গঠন মূলক কামৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিছিল। তাৰ এটা উজ্বল দৃষ্টান্ত হৈছে ১৯২১ চনত অসমত আন্দোলনৰ এটা কাৰ্যসূচী হিচাপেই কানি নিবাৰনৰ আঁচনি হাতত লোৱা হৈছিল। ১৯২১-২২ চনত এবছৰ মান কালৰ ভিতৰতে সেই আঁচনি কাৰ্য্যকৰী কৰি চৰকাৰী কানি দোকানত ৬০০ মোনৰ ওপৰ কানি বিক্ৰী কম কৰা হৈছিল। সেই সময়ৰ চৰকাৰৰ প্ৰবল বিৰোধিতা স্বত্বেও স্বেচ্ছাসেৱক সকলৰ চেষ্টাত ইমান এটা ডাঙৰ কাম হ'ব পাৰিছিল। ই গঠনমূলক ক্ষেত্ৰত সেৱা ব্ৰতী সকলৰ কামৰ এটা উজ্বল দৃষ্টান্ত হৈ আছে।

মোৰ বিশ্বাস যে সামগ্ৰিক ভাৱে গান্ধীবাদী আন্দোলনৰ কথাবিলাক অনুধাৱন কৰিলে আৰু সেইমতে কামৰ আঁচনি ল'লে দেশৰ আজিৰ সমস্যাৰ সমাধান কৰাৰ উপায় ওলাব পাৰে। সেই হিচাপে স্বাধীনতা যুদ্ধৰ পতাকাবাহী সকলৰ জীৱন আলোচনাৰ আজি বিশেষ প্ৰয়োজন আৰু গুৰুত্ব আছে।

শেষত মই সম্পাদনাৰ দায়িত্ব দিয়া দুজনৰ জীৱনত ভূমুকি মাৰিব বিচাৰো। দুয়োজনক মই ভালদৰে জানো, তেওঁলোকৰ ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ লগত মোৰ পৰিচয় আছে। যোৰহাট কাৰাগাৰত আমি একেলগে বন্দী জীৱন কটাইছিলো। তেতিয়া তেওঁলোক সৰু লৰা, হাইস্কুলৰ ছাত্ৰ আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত শ্ৰীদেবেশ্বৰ দলৈয়ে দিয়া ৰৰঙণিৰ কথা সুকীয়াকৈ উল্লেখ কৰিব লগীয়া নাই। স্বাধীনতা আন্দোলনৰ কালত তেওঁ স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতিনিধি স্বৰূপ আছিল। শ্ৰীদলৈয়ে ত্যাগ আৰু নিষ্ঠাৰে এটা আদৰ্শ দাঙি ধৰিছিল। চৰকাৰী চাকৰি থাকোতেও সেই নিষ্ঠাৰে সমাজসেৱাৰ ভাৰত উদ্বুদ্ধ হৈ কৰ্তব্য সম্পাদন কৰিছিল। সেই ঐতিহ্যৰে তেওঁ বৰ্ত্তমানো যোৰহাটত এজন সৰ্বজনপ্ৰিয় ৰাইজৰ সেৱাব্ৰতী লোক বুলি জনাজাত। শ্ৰীদলৈক কৰ্মবহুল জীৱনৰ আৰু আৰ্দশ নিষ্ঠাৰ প্ৰতি মই মোৰ শ্ৰদ্ধা জনাওঁ।

শ্ৰীতিলেশ্বৰ ৰৰদলৈৰ স্বাধীনতা আন্দোলনলৈ দিয়া ৰৰঙনিৰ উপৰিও বিশেষকৈ মন কৰিবলগীয়া কথা হৈছে, গান্ধীজীয়ে আটাইতকৈ বেছি গুৰুত্ব দিয়া ৰচনাত্মক কামত তেতিয়াৰ পৰা এতিয়ালৈকে তেওঁ একেৰাহে লাগি আছে। স্বাধীনতাৰ পিচত উপাৰ্জনৰ আন কোনো উপায়ৰ কথা নাভাবি তেওঁ আটাইতকৈ পিচ পৰি থকা চাহ মজদুৰৰ লৰা-ছোৱালীক কাৰ্য্যকৰী শিক্ষা দিয়াত মনোনিবেশ কৰিছিল। এই উদ্দেশ্যে আশ্ৰম পাতি তেওঁ কাৰ্য্যকৰী প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছিল। এতিয়াও তেওঁ সেই আদৰ্শকে লৈ জীৱন কটাইছে। স্বাধীনতা আন্দোলনৰ আদৰ্শৰ তেওঁ এজন পতাকাবাহী।

শ্ৰীদেবেশ্বৰ আৰু শ্ৰীতিলেশ্বৰলৈ মোৰ স্নেহাশীষ জনাই যোৰহাটৰ সকলো মুক্তি যুঁজাৰুলৈ সশ্ৰদ্ধ প্ৰণাম জনাওঁ। মোৰ দৃঢ় বিশ্বাস 'স্বাধীনতা সংগ্ৰামত যোৰহাট' পুস্তক খনে নতুন পুৰুষক প্ৰেৰণা দিব পাৰিব।

পূর্বাভাস

সচৰাচৰ ভাৰতৰ স্বাধীনতা সংগ্ৰাম ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহতে আৰম্ভ বুলি ইতিহাসে কয়। কিন্তু অসমত স্বাধীনতা সংগ্ৰাম আৰম্ভ হয় ১৮২৮-৩০ চনত — বদন বৰফুকনৰ পুতেক পিয়লি বৰফুকন আৰু জীউৰাম দুলীয়াবৰুৱাই শিৱসাগৰ পুখুৰীৰ পাৰত ফাঁচীশালত প্ৰাণ বিসৰ্জ্জন দিয়া দিনৰ পৰা। তাকো সংগঠিত আনুষ্ঠানিক বিপ্লৱৰ জৰিয়তে এই সংগ্ৰাম কৰা হৈছিলে। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হ'লেও ৰাজপাট হেৰুৱাই চন্দ্ৰকান্ত সিংহ আৰু যোগেশ্বৰ সিংহই ইংৰাজসকলৰ আধিপত্য মনে-প্ৰাণে স্বীকাৰ কৰি লোৱা নাছিল। ১৮২৫ চনত কৰ্নেল ৰিচাৰ্ডছে ৰংপুৰ কোঠ দখল কৰাৰ লগে লগে ছয়শ বছৰীয়া আহোম ৰাজত্বৰ যৱনিকা পৰিলেও অৰ্থাৎ অসমৰ স্বাধীনতা ৰবি অস্তাচলত বুৰ গ'লেও ৰজাৰ লগতে ছদ্মবেশত থাকি হ'লেও বহুতো ডা-ডাঙৰীয়াই বিদ্ৰোহ কৰাৰ মানসিক পৰিকল্পনাৰ লগত যোগেশ্বৰ সিংহৰ বায়েক পদ্মৰেখাক ১৮১৮ চনতে মান ৰজালৈ সালংকৃতাকৈ উচৰ্গি দিয়াত এই গৰাকী আইদেউৰ সহায়ত বাস্তৱ ক্ষেত্ৰত বিদ্ৰোহৰ প্ৰস্তুতি চলালে। ৰজাৰ লগতে ভগা বৰগোঁহাঁই ধনঞ্জয়, পুতেক হৰনাথ, জোঁৱায়েক জীউৰাম দুলীয়া বৰুৱা, নাওবৈচা ফুকনৰ পুতেক পিয়লীয়া আৰু পিয়লী ফুকন। লগত যোগ দিলে মানৰ বাঘ 'চিংফৌ' আৰু খামতিসকলে। গমধৰ কোঁৱৰৰ নেতৃত্বত সশস্ত্ৰ বিদ্ৰোহ আৰম্ভ হ'ল ১৮২৮ চনত। পিয়লী বৰফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ ৰাজহুৱা ফাঁচীৰে অসমৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম পৰ্য্যায় অন্ত পৰে। সেই কাৰণে পিয়লী ফুকন আৰু জীউৰাম দুলীয়া বৰুৱা মুক্তি সংগ্ৰামৰ প্ৰথম শ্বহীদ। চিপাহী বিদ্ৰোহৰ তিনি দশকৰ আগতে অসমত স্বাধীনতাৰ সংগ্ৰাম সংগঠিত ভাৱে আৰম্ভ হয়।

'ভাৰতৰ নুমলী জী' অসম পৰাধীন ভাৰতৰ অন্তিম অন্তৰ্ভুক্তি। পৰাধীনতাৰ গ্লানি অসহনীয় হোৱাত চাকোলা পিয়লীয়ে ফাঁচী কাঠত প্ৰাণ বিসৰ্জ্জন দিলে। কেপ্টেইন নৌবিল চাহাৱৰ প্ৰশ্নৰ উত্তৰত পিয়লীয়ে কৈছিল, "মই দেশ উদ্ধাৰ কৰিবলৈ অহা সঁচা। পাৰিত-পক্ষে কোনেও পৰাধীন হৈ থাকিবলৈ ভাল নাপায়। আমি মৰিম বুলি ভয় কৰি তোমালোকক খেদিবলৈ ওলোৱা নাই"।

পিয়লী ফুকন নাটকত এই উক্তিকে তেজ উতলা ভাষাৰে নাট্যকাৰে পিয়লীৰ বচনত দি উত্তৰ পুৰুষক স্বাধীনতা সংগ্ৰামৰ প্ৰতি উদ্বুদ্ধ কৰিছে।

ৰণত পৰাজিত হ'লেও দুজনকৈ অসম বীৰে ৰাজহুৱা ভাৱে ফাঁচী কাঠত ওলমি অসমত স্বাধীনতা সংগ্ৰামৰ সূচনা কৰে।

মণিৰাম দেৱান আৰু পিয়ালী বৰফুকন ফাঁচী

১৮৫৭ খৃষ্টাব্দত মণিৰাম দেৱানে বৃটিছ চৰকাৰৰ গৱর্ণৰ জেনেৰেলক আহোমৰ শেষৰ জনা ৰজাৰ যুৱৰাজ কন্দর্পেশ্বৰ সিংহক অসমদেশখনৰ আধা ৰাজ্যৰ হ'লেও ৰজা পাতিবলৈ খাটনি ধৰিবৰ অর্থে কলিকতাত আছিলগৈ । লগতে ৰাজপৰিয়াল চলিব পৰাকৈ এটা পেঞ্চন দিবৰ অর্থেও খাটনি ধৰিছিল । কানি ৰৰিহ অসমীয়া প্রজাৰ মাজত প্রচলন বন্ধ কৰাৰ নিমিত্তে চোকা ভাষাৰে আবেদন কৰিছিল । সেই সময়ৰ গৱর্ণৰ জেনেৰেল মিলচাহাবে এনে আবেদন নাকচ কৰি মন্তব্য দিছিল, "দেৱান টেঙৰ হ'লেও অবিশ্বাসী আৰু গুপুত অভিসন্ধিকাৰী । আহোমক আকৌ ৰাজ শাসনত বহুৱাবলৈ ষড়যন্ত্র কৰিছে" – বুলি অভিযোগ কৰে । লগতে বৃটিছ সাম্রাজ্য বঢাই নিয়াত যাতে বিঘিনি জন্মাব নোৱাৰে তাৰবাবে দেৱানৰ ওপৰত চোকা নজৰ ৰাখিবলৈ বৃটিছ বিষয়াসকলক সজাগ কৰি দিছিল । এই সময়তেই অর্থাৎ ১৮৫৭ চনৰ মে মাহত মিৰাটত চিপাহী বিদ্রোহ আৰম্ভ হৈছিল আৰু দেৱানে খবৰ পালে যে দিল্লীত বাহাদুৰ চাহক ভাৰতৰ সম্রাট ঘোষণা কৰি চিপাহী বিদ্রোহ আৰম্ভ হ'ল । এই বাতৰি পাই মণিৰাম দেৱানৰ দেশাত্মবোধৰ ভাৱ অতি প্রকট হৈ উঠে আৰু সেই সুযোগতে বৃটিছক আঁতৰাই আহোম যুৱৰাজ কন্দর্পেশ্বৰ সিংহক অসমৰ ৰজা পাতিবলৈ মনে মনে বিদ্রোহ কৰাৰ সিদ্ধান্ত কৰিলে । "মধুমল্লিক" নামৰ এজন কটকীৰ হাতত চাৰিং ৰজা কন্দর্পেশ্বৰ সিংহলৈ এখন চিঠি দি পঠিয়ালে । লগতে শিৱসাগৰ, যোৰহাট আৰু গোলাঘাটত থকা তেওঁৰ বিশ্বাসভাজন লোকসকললৈকো তেওঁ চিঠি লিখিলে আৰু দুর্গাপূজাৰ সময়তেই বিদ্রোহ আৰম্ভ কৰিবলৈ মনস্থ কৰাৰ কথা ক'লে । চাৰিং ৰজা কন্দর্পেশ্বৰ সিংহইও আলোচনা কৰি সৈন্য-সামন্তৰপৰা সহায় পাবৰ অর্থে নিজৰ কটকীৰ যোগেদি সাহায্য পাবলৈ আবেদন পঠালে । মহাপয়োভৰেৰে যোৰহাটৰ ওচৰৰ দেৰগাঁৱত মেলাৰ আয়োজন কৰিলে । বন্দুক-বাৰুদ, খাৰ আদি সংগ্রহৰ বাবেও গোপনে ব্যৱস্থা কৰিলে । এই সময়তে যোৰহাটৰ দুজন দেশ-হিতৈষী মুছলমান বাহাদুৰ গাওঁবুঢ়া আৰু চেখ ফৰমুদ আলিয়ে এই ষড়যন্ত্রত সক্রিয় অংশ ল'লে । বাহাদুৰ গাওঁবুঢ়া পুৰণা বন্দুক মেৰামতি আৰু খাৰ-বাৰুদ তৈয়াৰ কৰাত পাকৈত আছিল । কিন্তু মণিৰাম দেৱানে এই বিদ্রোহৰ নেতৃত্ব দিবলৈ কলিকতাৰ পৰা অসম আহি নৌ পাওঁতেই তেওঁৰ গোপন চিঠিপত্র আৰু গোপন ষড়যন্ত্রৰ কথা বৃটিছ বিষয়াসকলৰ হস্তগত হ'ল । বৃটিছৰ বিষয়া সকলে

লৰালৰিকৈ 'হলৰয়দ' চাহাবৰ পৰামৰ্শ ক্ৰমে এজন বৃটিছ বিষয়াক পঠাই চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহক বন্দী কৰিবলৈ সিদ্ধান্ত কৰিলে। ১৮৫৭ চনৰ ৭ চেপ্টেম্বৰ তাৰিখে ৰজাক বন্দী কৰি আলিপুৰ জেলত ৰাখিলে। লগতে ৰজাৰ বিশ্বাসভাজন পিয়ালী বৰুৱা আৰু দেৱানে পঠোৱা কটকী কেইজনকো বন্দী কৰিলে। পিয়ালী বৰুৱাৰ আচল নাম "মহেশ্বৰ বেজবৰুৱা"। তেওঁৰ ঘৰ যোৰহাট চোলাধৰাৰ "বেজবৰুৱা হাউলী"ত আছিল। সেই ভেটিতে থকা ডাঃ বৈকুণ্ঠ বেজবৰুৱাৰ আজুককাক। মণিৰাম দেৱানকো কলিকতাত বন্দী কৰি ৰজাৰ লগতে আলিপুৰ জেইলত ৰাখিলে।

১৮৫৮ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে কেপ্টেইন "হলৰয়দ" চাহাবক বিশেষ বিষয়া নিয়োগ কৰি এই ষড়যন্ত্ৰৰ বিচাৰ আৰম্ভ হ'ল। মণিৰাম দেৱান আৰু পিয়ালী বৰুৱাক যোৰহাটত ফাঁচী দিবলৈ ৰায় দিলে। বাহাদুৰ গাওঁবুঢ়া আৰু ফৰমুদ আলিক যাৱজ্জীৱন কাৰাদণ্ড দি কলীয়াপানীত মেলাৰ ৰায় দিলে। ৰজা কন্দৰ্পেশ্বৰ সিংহক বিচাৰত শাস্তিবিধান নিদি নজৰ বন্দী কৰি ৰখাৰ ৰায় দিলে আৰু এটা পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিলে।

মণিৰাম দেৱান আৰু পিয়ালী বৰুৱা ২৬।২।৫৮ তাৰিখে যোৰহাটত ফাঁচী হৈ যোৱাৰ পিচত তেওঁলোকৰ ওপৰত দিয়া ৰায় অন্যায় হৈছিল বুলি আপত্তি উঠিলেও ইতিমধ্যে তেওঁলোকৰ ফাঁচী হৈ গ'ল। ইংলণ্ডৰ ৰাণীৰ অনুগ্ৰহত বাহাদুৰ গাওঁবুঢ়া আৰু ফৰমুদ আলিক শাৰীৰিক আৰু মানসিক অসুস্থতাৰ বাবে অসমলৈ ঘুৰাই অনা হ'ল। বাহাদুৰ গাওঁবুঢ়াৰ আচল নাম আছিল "চেখ ৰাহদ্দিল খাঁ", যোৰহাট জিলাৰ তিতাবৰ অঞ্চলৰ - বিৰিণা সায়েকৰ বাসীন্দ'।

১৮৫৮ চনত এইদৰেই ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সূত্ৰপাত হয় বুলি বুৰঞ্জীয়ে স্বীকাৰ কৰিছে।

(বুৰঞ্জীবিদ হিতেশ্বৰ ৰৰৰকৰাৰ "আহোমৰ দিনৰ বুৰঞ্জী"ৰ পাঠ ....)

প্রথম খণ্ড

প্রথম অধ্যায়

কৃষক বিদ্রোহ ঃ ৰাইজৰ মেল

অসমৰ সৈন্য বাহিনীৰ মাজত চিপাহী বিদ্রোহৰ সূত্রপাতে বৃটিছ বিলাকৰ প্রতি ঘৃণাৰ ভাৱেই নহয় বিৰোধী ভাৱ জাগি উঠা কথাটো বৃটিছ শাসক সকলে অনুমান কৰিলে আৰু ততাতৈয়াকৈ ডিব্রুগড়, যোৰহাট আৰু গোলাঘাটত থকা ফৌজ বিলাক বৃটিছ সৈন্য বাহিনীৰ অধীনলৈ আনি ৰাইজৰ ওপৰত প্রতিশোধমূলক ব্যৱস্থা ল'বলৈ চেষ্টা চলালে ।

মণিৰাম দেৱানে কানি ৰৰবিহ অসমীয়া মানুহৰ মাজত প্রচলন বন্ধ কৰাৰ যি চেষ্টা কৰিছিল তাৰ বিপৰীতে বৃটিছ শাসক বৰ্গই কানি ৰৰবিহৰ মহল খুলি দিলে । খেতিৰ মাটিৰ ওপৰত খাজনা লগালে । আয়কৰ ষ্টাম্পৰ মূল্য আৰু বনজ সম্পদৰ ওপৰতো কৰ বহুৱালে । এইদৰেই প্রতিশোধমূলক ব্যৱস্থা লৈ অসমীয়া প্রজাক জুৰুলা কৰাৰ অভিসন্ধি কৰিলে । ইয়াৰ ফলস্বৰূপে ঊনৈশ শতিকাৰ শেহত আৰু কুৰি শতিকাৰ আৰম্ভণিত অসমীয়া খেতিয়ক সমাজ আর্থ-সামাজিক আৰু ৰাজনৈতিক উদ্দেশ্য সাধনৰ অর্থে সংগঠিত হ'ল । এই খনকেই বৃটিছ আমোলৰ প্রথম ৰাইজৰ "মেল" বুলি জনা যায় । বৃটিছ শাসক বিলাক এই সংগঠনত অতি অসন্তুষ্ট হৈ পৰিছিল আৰু ভাৰতীয় সৈন্যক বিশ্বাস নকৰি "গোর্খা" (নেপালী) সৈন্য বাহিনী নিয়োগ কৰি নিগাজিকৈ ৰাখিছিল যাতে অসমীয়া মানুহে ভয় খাই কোনো আন্দোলন নকৰে । মংগলদৈ আৰু ৰঙিয়াত ৰাইজৰ মেল সু-সংগঠিত হৈছিল আৰু হাজাৰ হাজাৰ জনসমাবেশ কৰি বৃটিছ শাসক সকলৰ বিৰুদ্ধে কৰ দিয়া বন্ধ কৰা আন্দোলন কৰিছিল । যোৰহাটতো "সার্বজনীন সভা" নামে এখন ৰাইজৰ মেল গঠন কৰি জগন্নাথ বৰুৱা, ৰাজকুমাৰ নৰনাৰায়ণ সিংহ আদি অনেক লোকে বৃটিছ শাসনৰ বিৰুদ্ধে ভালেমান ব্যৱস্থা হাতত লৈছিল ।

মেলৰ কাম

"ৰাইজৰ মেল" সাধাৰণতে গোহাঁই, দলৈ বা অধিক মাটিৰ গৰাকীৰ পৰিচালনাত বহা সভা । বৃটিছ বিলাকে প্ৰথমতে এই মেল বিলাকে নিজৰ ভিতৰতে বিবাদ নিষ্পত্তি কৰা পঞ্চায়ত অনুষ্ঠানৰ দৰে হৈছে বুলি ধৰি লৈছিল । 'মেল' বিলাকেও প্ৰথমতে নিজৰ সামাজিক আৰু অৰ্থনৈতিক বিষয়ৰ মতামত দাঙি ধৰি মীমাংসা কৰিছিল । কিন্তু পিচলৈ চৰকাৰে লগোৱা কৰ-কাটলৰ বিৰুদ্ধে সংগঠিত ভাৱে মত দাঙি ধৰি মীমাংসা কৰিছিল । পিচলৈ চৰকাৰে লগোৱা কৰ-কাটলৰ বিৰুদ্ধে সংগঠিত ভাৱে মত দাঙি আপত্তি জনাবলৈ ধৰাত এই মেল বিলাক ভাঙি পেলাবলৈ চৰকাৰে চেষ্টা চলালে । বৃটিছ শাসক বিলাকে কোনো কাৰণ নেদেখুৱাকৈ মাটিৰ খাজনা দুগুণ কৰি বৃদ্ধি কৰিলে । মৌজাদাৰৰ যোগে এই বৰ্দ্ধিত খাজনা আদায়ৰ বাবে জোৰ-জুলুম কৰিবলৈ ধৰিলে । ৰাইজৰ মেল বিলাকেও কৰ লগোৱা, মাটিৰ খাজনা বঢ়োৱাৰ প্ৰতিবাদ কৰি আন্দোলনমুখী হ'ল ।

ফুলগুৰি "ধাৰা" ঃ ১৮৬১ চন

১৮৬১ চনত নগাওঁ জিলাৰ ফুলগুৰিৰ কৃষকসকলে চৰকাৰে আফুখেতি কৰা বে-আইনী বুলি ঘোষণা কৰাৰ লগে লগেই বিদ্রোহ আৰম্ভ কৰিলে, আৰু মেলৰ জৰিয়তে প্ৰতিবাদ জনালে । তামোল-পাণৰ ওপৰতো কৰ লগাব বুলি শুনি এই জনজাতীয় কৃষকসকল অতিশয় ক্ৰোধান্বিত হৈছিল । চৰকাৰে এই প্ৰতিবাদলৈ আওকাণ কৰি আফুখেতি কৰা বন্ধ কৰি দিলে । উত্তেজিত কৃষক জনতাই এজন বৃটিছবিষয়াক মৰিয়াই মৰিয়াই মাৰিলে । মৰাশটো কলং নদীত পেলাই দিলে । লগত যোৱা পুলিচ বাহিনী ভয়ত পলাল । পিচত জিলাৰ অধিপতিয়ে গুৱাহাটী আৰু তেজপুৰৰ আন্দোলন দমন কৰিবলৈ সৈন্য অনালে । বহু সংখ্যক মানুহক গ্ৰেপ্তাৰ কৰিলে । ৮ জন জনজাতীয় নেতাৰ কেইজনমানক ফাঁচী দিলে আৰু কেইজনমানক কলীয়াপানীত মেলিলে । এইখনকে "ফুলগুৰিৰ ধাৰা" নামে জনা যায় ।

জয়ন্তীয়া বিদ্রোহ ঃ ১৮৬২ চন

১৮৬২ চনৰ জয়ন্তীয়া বিদ্রোহ বৰ অদমনীয় আছিল । জয়ন্তীয়া সকলৰ ওপৰত বৃটিছে ঘৰমুৰি কৰ লগোৱাতেই প্ৰথম বিদ্রোহৰ সূত্রপাত হয় । দ্বিতীয়তে, পাহাৰীয়া মানুহৰ নিয়ম অনুসৰি দা, যাঠি লৈ নৃত্য কৰা বন্ধ কৰি দিয়াত বিদ্রোহ দুগুণে জ্বলি উঠিল । পৰ্ব্বতীয়া অঞ্চলত থকা সৰহীয়া সৈন্য-সামন্তৰ দ্বাৰাই এই বিদ্রোহ দমন কৰিলে যদিও জয়ন্তীয়া বিলাকে দেহ-প্ৰাণটাকি পাহাৰীয়া অঞ্চলৰ সুযোগ-সুবিধা লৈ বৃটিছ বিলাকক ভালকৈয়ে এশিকনি দিলে । শেষত বৃটিছ বিলাকে আধুনিক অস্ত্র-শস্ত্র আনি বিদ্রোহ দমন কৰিবলৈ সক্ষম হ'ল ।

অসমৰ সমগ্র পাহাৰ অঞ্চলতেই বৃটিছ বিৰোধী মনোভাৱ জাগি উঠিছিল । কাৰণ বৃটিছবিলাকে ভীতি প্ৰদৰ্শন কৰি পাহাৰ বিলাকত সৈন্য সমাবেশ কৰি দমন কৰাৰ চেষ্টা চলাই আছিল । কিন্তু স্বাধীনচিতীয়া পাহাৰী ভাই সকলে কেতিয়াও সেও মনা নাছিল । উনৈশ শতিকাৰ শেহৰ ফালে নগা পাহাৰত ঘনাই আক্রমণ কৰিছিল । গাৰো, লুচাই আৰু ব্রহ্মপুত্র উপত্যকাৰ উত্তৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্বতীয়া জনজাতি সকলকো আক্রমণ কৰি বশ কৰিবলৈ ঘনাই চেষ্টা চলাই আছিল । কিন্তু এইটো নিঃসন্দেহ যে পৰ্বতীয়াসকলৰ স্বাধীনতা হৰণৰ যিকোনো প্রচেষ্টা প্রতিহত কৰিবলৈ তেওঁলোক দৃঢ় প্রতিজ্ঞ আছিল ।

চৰকাৰৰ লগত সংঘৰ্ষৰ সূচনা

১৮৯৩ আৰু ১৮৯৪ চনত খাজনা বৃদ্ধিৰ প্রতিবাদ জনাই যি মেল বহিছিল সেই মেলৰ আহ্বানত হাজাৰ হাজাৰ জনতাই ভাগ লৈছিল । সৰুক্ষেত্রি মৌজাৰ লচিমা নামৰ ঠাইত তাৰ এজন মৌজাদাৰ আৰু এজন মণ্ডলক খাজনা বলপূৰ্বক আদায় কৰাৰ অপৰাধত ৰাইজে মাৰধৰ কৰিলে । ৰৰপেটাৰ মহকুমা অধিপতিয়ে এই ঘটনাৰ বাবে ৭৫ জন লোকক কৰায়ত্ব কৰি মহকুমাধিপতিৰ কেম্পলৈ লৈ আনিলে আৰু প্রায় তিনি হাজাৰমানলোকৰ ৰাইজৰ দল এটাই বিনাচৰ্ত্তে মুক্তি দাবী কৰিলে । কেম্পত জুই লগাই দিয়াৰ ভয়ত খালাচ দিলে যদিও জিলাৰ ইংৰাজ ডেপুটি কামিচনাৰ মেককেবি চাহাবলৈ সহায় বিচাৰি খবৰ দিলে । পিচদিনা সন্ধিয়া ডেপুটি কমিচনাৰে এদল সশস্ত্র

পুলিচেৱে সৈতে সেই ঠাইতে বাহৱ পাতিলেহি। তেওঁ আহিয়েই ৫৯ জন মুখীয়ালল্লোকক বন্দী কৰিলেহি। ৰাইজ আকৌ সংগঠিত হৈ আবেলি ৬০০০ (ছয়হাজাৰ) মানল্লোকৰ এটা বিৰাট দল ডেপুটি কমিচনাৰৰ বাহৱলৈ আহি আটক বন্দীসকলক খালাচ দিব লাগে বুলি দাবী জনালে। ডেপুটি কমিচনাৰ মেক্‌কেবি চাহাবে ৰাইজ কথালৈ আওকাণ কৰি তেওঁৰ বাহৱত জুই জ্বলাৰ ভয়ত সশস্ত্র পুলিচক ৰাইজৰ ওপৰত আক্রমণ কৰিবলৈ লগাই দিলে। পুলিচে যি পাশবিক অত্যাচাৰ কৰিলে সি বর্ণনাতীত। বহুত মানুহক বন্দী কৰিলে। তেতিয়াৰ কথা মনত থকা বহুতোলোকৰ পৰা শুনা যায় যে বন্দী কৰা সকলক বলধ গৰুৰ দৰে হালত জুটি হাল বোৱাইছিল। পথাৰৰ ইমূৰৰ পৰা সিমূৰলৈকে হাল টানিবলৈ বাধ্য কৰাইছিল। এনেকুৱা শাস্তি ১৯১৯ চনত পঞ্জাৱৰ জালিৱানৱালাবাগত ডায়াৰ চাহাবৰ সামৰিক শাসনত মানুহক চুচৰি যাবলৈ দিয়া শাস্তিৰ লগত তুলনা কৰিব পাৰি।

পথৰুঘাটৰ ৰণ

ওপৰত উল্লেখ কৰা ঘটনাৰ দৰেই ১৮৯৪ চনৰ ২৮ ফেব্রুৱাৰীত দৰং জিলাৰ মংগলদৈ মহকুমাৰ (তেতিয়াৰ) পথৰুঘাটতো ঠিক একে ধৰণৰ এটা ঘটনা সংঘটিত হয়। দৰং জিলাৰ ডেপুটি কমিচনাৰ জে, ডি, এণ্ডাৰছনে আগদিনাই এজন পুলিচ চাহাবৰ (বেৰিংটন নামে) তত্বাৱধানত এদল সশস্ত্র পুলিচ লৈ তালৈ গৈছিল। ৰাইজে জিলাৰ ডেপুটি কমিচনাৰক লগ ধৰি ৰাইজৰ আপত্তি জনাব বুলি বহু হাজাৰ ৰাইজ গোট খালে। ডেপুটি কমিচনাৰে এই মানুহবিলাকে আক্রমণ কৰিবলৈ আহিছে বুলি ভাবি ৰাইজৰ কোনো কথা নুশুনিলে আৰু চৰকাৰৰ হুকুম ৰদ কৰিব নোৱাৰে বুলি কৈ ৰাইজক আঁতৰি যাবলৈ ক'লে। ৰাইজে খাজনা বৃদ্ধিৰ প্রতিবাদ জনালে আৰু প্রতিকাৰ নকৰিলে এখোজো আঁতৰি নাযায় বুলি জনোৱাত পুলিচ চাহাবে বেৰিংটনক বলেৰে হ'লেও ৰাইজক খেদাবলৈ হুকুম দিলে। বন্দুকৰ আগত বেয়নেট (যাঠি) বান্ধি সৈন্যবিলাকে ৰাইজক আক্রমণ কৰিলে। ৰাইজ উত্তেজিত হৈ য'ত যি পালে তাৰেই পুলিচক আক্রমণ কৰিলে। পথাৰত থকা দলি-চপৰা বিলাকো হাতে হাতে লৈ দলিয়াবলৈ ধৰিলে। তেতিয়া গুলি চলোৱাৰ হুকুম হ'ল আৰু বন্দুকৰ গুলীত বহুতে প্রাণ হেৰুৱালে। এই গুলি চালনাত ৪৫ (পঞ্চলিচ) জন নিৰীহ লোকে প্রাণ

হেৰুৱালে। দলি ৰণ পথাৰৰ দলি চপৰাৰে বন্দুকৰ সন্মুখীন হৈ যুঁজ কৰা বাবে এইখন "দলি-ৰণ" বুলি জনাজাত হৈছিল।

বৃটিছ শাসক বিলাকে ৰাইজৰ এই মেল বিলাকৰ যোগেদিয়েই এই সংগঠন হৈছে বুলি ভাবি মেল বিলাক ভংগ কৰিবলৈ নানা উপায় উদ্ভাৱন কৰিলে। ডেপুটি কমিচনাৰ এগাৰচনৰ অত্যাচাৰত আৰু খাজনা বৃদ্ধিৰ প্রতিবাদত অবিৰত ভাৱে আন্দোলন চলি আছিল। আনকি এই আন্দোলন গোটেই প্রদেশলে বিয়পি পৰিছিল। বংগদেশৰ প্রতিনিধি ডাঃ ৰাম বিহাৰী ঘোষে কেন্দ্রীয় ৰাজকীয় ব্যৱস্থাপক সভাত (Imperial Legislative Council) ভালেখিনি প্রশ্ন তুলিছিল। এনে প্রশ্নৰ উত্তৰ দিবলৈ চৰকাৰ পক্ষ বিমোৰত পৰিছিল। এই ডেপুটি কমিচনাৰজন (এগাৰচন) ৰাইজক অত্যাচাৰ কৰা দোষত বিবেকৰ তাড়নাত পৰিছিল। শেষত তেওঁক বংগদেশৰ চিটাগঙলৈ বদলি কৰা হৈছিল যদিও ১৮৯৭ চনৰ ৰৰ ভূঁইকপত শ্বিলঙত থকা তেওঁৰ বঙলা ঘৰ ভাগি মৃত্যুৰ মুখত পৰে। ❑

দ্বিতীয় অধ্যায়

নৱজাগৰণ

উনৈশ শতিকাৰ শেষত আৰু কুৰি শতিকাৰ আৰম্ভণিতে আমাৰ দেশত জাতীয় নৱজাগৰণৰ সূচনা হয় । ৰাইজৰ মেল বিলাক ভংগ হৈ যোৱাৰ পিচত ৰাইজৰ মাজত ৰায়ত সভা গঠন, পষেকীয়া মাহেকীয়া আলোচনী, বাতৰি কাকত আদি প্ৰচলনৰ টো উঠে । বৃটিছ শাসক বিলাকেও ইংৰাজী ভাষা প্ৰচলন, যাতায়তৰ সুবিধা, বেপাৰ-বাণিজ্য আদি বিলাকতো শিথিল নীতি অৱলম্বন কৰিছিল । এনে সময়তে তেজপুৰত প্ৰথম ৰায়ত সভা গঠন কৰিছিল । ঁলক্ষ্মীকান্ত বৰকাকতি, ঁহৰিবিলাস আগৰৱালা, ঁলম্বোদৰ বৰা আদি প্ৰধান উদ্যোক্তা আছিল । খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰি সংগঠনৰ কামত সহায় কৰিবলৈ ৰাইজৰ পৰা অৰ্থ সংগ্ৰহ কৰিছিল । ৰাহি টকাৰে সৰ্বপ্ৰথম ৰাজহুৱা ঘৰ "টাউন হলটি" প্ৰতিষ্ঠা কৰিছিল । বুৰঞ্জীৰ পম খেদি পোৱা যায় যে যোৰহাটতো ১৮৮৪ চনতেই "সাৰ্বজনীন সভা" নামেৰে এটি শক্তিশালী সংগঠন গঢ়ি উঠিছিল । এই অনুষ্ঠানৰ গুৰি ধৰিছিল জগন্নাথ বৰুৱা, ৰাজকুমাৰ নৰনাৰায়ণ সিংহ, চন্দ্ৰধৰ বৰুৱা প্ৰভৃতি বিশিষ্ট উচ্চ-শিক্ষিত আৰু প্ৰভাৱশালী লোকসকলে ।

১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰথম প্ৰতিষ্ঠা হোৱাৰ পৰাই দেশত ভাষা, সাহিত্য-সংস্কৃতিৰ হকে কাম কৰাৰ আৰু সংঘবদ্ধ ৰাজনৈতিক অনুষ্ঠানত যোগদান কৰাৰ প্ৰেৰণা অসমবাসীয়ে লাভ কৰিলে ।

জোনাকী যুগ

বৃটিছৰ অত্যাচাৰ উৎপীড়নে অনেকৰ মনলৈ বৈপ্লবিক চেতনা আনি দিলে । নিজৰ দেশখন গঢ়ি তুলিবলৈ ৰাজনৈতিক সংগঠনৰ উপৰিও সাহিত্য-সংস্কৃতি আৰু সুকুমাৰ কলাৰ উৎকৰ্ষ সাধন কৰা নিতান্ত প্ৰয়োজন বোধ কৰি এচাম শিক্ষিতলোকে আগভাগ ল'লে ।

এই নতুন যুগ ৰচনা কৰা সাহিত্যানুৰাগী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞি বৰুৱা, হেমচন্দ্ৰ গোস্বামী, কমলাকান্ত ভট্টাচাৰ্য্যৰ নাম গৌৰৱেৰে উল্লেখ কৰিব পাৰি । অসমীয়া সাহিত্য ক্ষেত্ৰত প্ৰকাশিত

"জোনাকী" নামৰ মাহেকীয়া আলোচনী এখন কলিকতাৰ পৰা শতাব্দীৰ শেষৰ ফালে প্রকাশ পাইছিল। এই খনেই অসমীয়া ভাষা সাহিত্যৰ নতুন যুগ ৰচনা কৰিছিল বাবে এই কালছোৱাক "জোনাকী যুগ" বুলিছিল। এই কালছোৱাত গঠিত অনুষ্ঠান-প্রতিষ্ঠান বিলাকৰ যোগেদি সাংবাদিকতাত পোন প্রথম বাৰৰ বাবে সংবাদসেৱাৰ প্রতি অনুপ্রেৰণা যোগাইছিল। আসাম-বিলাসিনী, অসম বন্ধু, টাইমচ্ অৱ আসাম নামৰ বাতৰি কাকত, উষা, বাঁহী প্রভৃতি মাহেকীয়া আলোচনী প্রকাশিত হৈছিল। এই বিলাকে মানুহৰ মনত নতুন প্রেৰণা যোগাইছিল আৰু জাতীয়তাবোধ অতি প্রকট হৈ উঠিছিল।

অসমৰ চীফ্ কমিচনাৰ চাৰ হেনৰী কটনৰ সৌজন্যত ১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপিত হৈছিল। বৃটিছৰ সাম্রাজ্যবাদী শাসন চলাবলৈ এক শ্রেণী ইংৰাজী জনা উচ্চ শিক্ষিতলোকৰ আৱশ্যকতা অনুভৱ কৰিয়েই এই শিক্ষা অনুষ্ঠান গঢ়িছিল যদিও উঠি অহা নতুন পুৰুষক উচ্চ শিক্ষা দি সু-নাগৰিক গঢ়ি তোলাৰ মানসেৰে জনমতো গঢ়ি উঠিছিল। এনে জনমতৰ মুখীয়াল মাণিকচন্দ্র বৰুৱা, সত্যনাথ বৰা প্রভৃতিয়ে অবিৰতভাৱে এনে অনুষ্ঠান পতাৰ দাবী কৰি আহিছিল। ◻

তৃতীয় অধ্যায়

নতুন ৰাজনৈতিক চেতনা

"অসম এছ'চিয়েচন" ঃ- ১৯০৩ চনত স্বৰ্গীয় মাণিক চন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, জগন্নাথ বৰুৱা আৰু ফৈজনুৰ আলি প্ৰমুখ্যে আগশাৰীৰ নেতা সকলৰ চেষ্টাত "অসম এছ'চিয়েচন" নামে এটি ৰাজনৈতিক অনুষ্ঠানৰ জন্ম হয় । গৌৰীপুৰৰ ৰজা (অসমৰ) প্ৰভাত চন্দ্ৰ বৰুৱা এই অনুষ্ঠানৰ প্ৰধান পৃষ্ঠপোষক আছিল । এখেতে এই এছ'চিয়েচনৰ ডিব্ৰুগড়ত বহা প্ৰথম অধিবেশনৰ সভাপতিত্ব কৰিছিল । মাণিক চন্দ্ৰ বৰুৱা এই অনুষ্ঠানৰ প্ৰথম প্ৰধান সম্পাদক আছিল । অসমীয়া ৰাইজৰ অভাৱ-অভিযোগ, আশা-আকাংখাৰ বিষয়ে চৰকাৰৰ ওচৰত দাবী জনোৱাই এই অনুষ্ঠানৰ মুখ্য উদ্দেশ্য আছিল ।

১৯০৬ চনৰ পৰা ১৯১২ চনলৈকে অসমখন পূৰ্ববংগৰ লগত চামিল হৈ থকাৰ বাবে এই অনুষ্ঠানে বিশেষ কাম কৰিব পৰা নাছিল হেতুকে ইয়াক নৰমপন্থী অনুষ্ঠান হিচাবে গণ্য কৰা হৈছিল । কিন্তু ১৯১৭ চনত ডিব্ৰুগড়ত বহা অসম এছ'চিয়েচনৰ সভাপতি হিচাবে কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱে দিয়া ওজস্বিনী বক্তৃতাৰে উদ্দাত্ত আহ্বান জনাই ইংৰাজী ভাষণত কৈছিল, "সংগঠিত হোৱা, দুৱাৰত খুন্দামাৰা, তেহে দুৱাৰ মুকলি হ'ব, নতুবা আমি বন্ধ দুৱাৰৰ বাহিৰতে থাকিব লাগিব" । কৰ্তৃপক্ষক অকল আবেদন-নিবেদন কৰি থকাৰ দিন উকলিবৰ সময় হ'ল বুলি এই সভাতেই সিদ্ধান্ত লৈছিল আৰু প্ৰগতিশীল ভাৱধাৰাত উদ্বুদ্ধ হ'বলৈ এক বলীষ্ঠ পদক্ষেপ লৈছিল । "ভাৰতীয় সকল শাসনৰ অনুপযুক্ত" বুলি বৃটিছ শাসক সকলে কৰা মন্তব্যৰ প্ৰতিবাদ আৰু তীব্ৰ নিন্দা কৰি ভাৰতক স্বায়ত্ত শাসন দিব লাগে বুলি দাবী তুলিছিল । ১৯১৮ চনত দেশভক্ত তৰুণৰাম ফুকনে গোৱালপাৰা অধিবেশনত সভাপতিত্ব কৰি কৈছিল "এই আমোলাতন্ত্ৰ বিদেশী শাসন আমাৰ মুঠেই হিতকাৰী নহয়, ভাৰতীয় সকল শাসনৰ অনুপযোগী বুলি কৈ আমাক শাসন কৰি থকাও নিতান্তই অন্যায় । আমাক লাগে গণতন্ত্ৰ বা প্ৰজাতন্ত্ৰ . ভাৰতীয়ৰ দ্বাৰাই ভাৰতীয়ক শাসন কৰিব লাগে । পানীত ননমাকৈ কোনেও সাতুৰিবলৈ শিকিব নোৱাৰে । বৃটিছৰ ডেৰশ বছৰীয়া শাসনতো ভাৰতীয় সকল যদি স্বায়ত্ত শাসনৰে লায়েক নহ'ল তেন্তে তাৰ বাবে দায়ী কোন ? নিশ্চয় তাৰবাবে বৃটিছেই বা

তেওঁলোকৰ শাসনেই জগৰীয়া" — এনে বৈপ্লৱিক আৰু আবেগিক বক্তৃতাত ৰাইজৰ মাজত আন্দোলনৰ ভাৰ জাগি উঠিছিল। ঘনশ্যাম বৰুৱা তিনিবছৰ কাল এই অনুষ্ঠানৰ সম্পাদক থকাৰ পিচত দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱে পৰ্যায়ক্ৰমে ঘাই সম্পাদকৰ দায়িত্ব লৈছিল। এখেতসকল দুয়োজনৰ লগত দেশ-প্ৰাণ চন্দ্ৰ নাথ শৰ্ম্মা, দেশনেতা কুলধৰ চলিহা, পদ্মধৰ চলিহা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰোহিনী কুমাৰ চৌধুৰী, যোগেন্দ্ৰ নাথ বৰুৱা, বিদ্যাধৰ শৰ্ম্মা আৰু ফৈজনুৰ আলি প্ৰমুখ্যে নেতা সকলে এই অসম এছ'চিয়েচনতে ৰাজনৈতিক শিক্ষা লাভ কৰি পিচলৈ মুক্তি সংগ্ৰামত অসমৰ নেতৃত্ব ল'ৰ যোগ্যতা লাভ কৰিছিল।

"অসম ছাত্ৰ সন্মিলন"
আৰু
"অসম সাহিত্য সভা"

১৯০৫ চনতে ভাৰতৰ ৰৱলাট লৰ্ড কাৰ্জনে বংগদেশখন দুভাগ কৰি পূৰ্ববংগ অংশ অসমৰ ভাগত জাপি এজন লেফটেনেণ্ট গৱৰ্ণৰৰ অধীনত ৰাখি শাসন চলাই থকাত বংগৰ হিতাকাংখী আনকি জনসাধাৰণৰ মাজতো বৃটিছ বিৰোধী ভাৰ জাগি উঠে। বিদেশী বৰ্জন নীতিৰ প্ৰতি সঁহাৰি জনাই বঙালী সকলে বিদেশী বৰ্জন মাধ্যমেৰেই বংগভংগৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিলে। বিশেষকৈ বঙালী ছাত্ৰ সমাজে প্ৰত্যক্ষভাৱে আন্দোলন চলোৱাৰ ভাবুকি দিলে। এইদৰেই বংগদেশত সন্ত্ৰাসবাদী, বিপ্লৱবাদী আদি দলবিলাক গঠন হ'ল। ইউৰোপীয় চৰকাৰী বিষয়াৰ হত্যা, বন্দুক-বাৰুদ হস্তগত আদি ষড়যন্ত্ৰ চলিবলৈ ধৰিলে। অসমৰ ছাত্ৰসমাজৰ মাজত এই আন্দোলন বিয়পাবলৈ বঙালী ছাত্ৰনেতা সকল মাজে মাজে অসমলৈ আহিছিল। এই সময়তেই লোকমান্য তিলক আৰু গোপাল কৃষ্ণ গোখলে, শ্ৰীঅৰবিন্দৰ নিচিনা দেশনেতাসকলে জাতীয়তাবাদ প্ৰতিষ্ঠাৰ পৰিকল্পনাৰে দেশবাসীৰ আগত দিয়া মৰ্ম্মস্পৰ্শী ভাষণ আৰু কৰ্ম্ম পদ্ধতিয়ে ভাৰতীয় যুৱক সকলক প্ৰেৰণা যোগাইছিল। অসমৰ ছাত্ৰসমাজৰ মাজতো জাতীয়তাবোধ জাগি উঠিল আৰু ১৯১৬ চনত সু-সাহিতিক স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ সভাপতিত্বত গুৱাহাটীত বহা ছাত্ৰসকলৰ প্ৰথম অধিবেশনতে "অসম ছাত্ৰ সন্মিলন" বিৰাট উৎসাহ-উদ্দীপনাৰে গঠন কৰিছিল। বেজবৰুৱাদেৱে এই সময়তেই "অ' মোৰ আপোনাৰ দেশ"... এই জাতীয়

সংগীতটি ৰচনা কৰি সুৰ দি গোৱাই যুৱক সমাজকেই নহয় গোটেই অসমীয়া জাতিটোকে দেশাত্মবোধৰ ভাৱধাৰাত উদ্বুদ্ধ কৰি তুলিছিল । এই ছাত্র সন্মিলনত সক্রিয় অংশ গ্রহণ কৰি পিচলৈ মুক্তি সংগ্রামৰ আগশাৰীৰ নেতা হিচাবে 'কর্ম্মপ্রাণ চন্দ্র নাথ শর্ম্মা, লোকনায়ক অমিয় কুমাৰ দাস, ত্যাগবীৰ হেম বৰুৱা, পদ্মধৰ চলিহাৰ নাম গৌৰৱেৰে উল্লেখ কৰিব পাৰি । ইয়াৰ পিচত স্বর্গীয় লক্ষীধৰ শর্ম্মা, ৰোহিনীকান্ত হাতীবৰুৱা, শ্রীযুত বিনন্দ চন্দ্র বৰুৱা, তীর্থ নাথ শর্ম্মা, সর্বেশ্বৰ বৰ চেতিয়া প্রমুখ্যে বুজন সংখ্যক ছাত্র নেতাই যোগদান দি অনুষ্ঠানটো শক্তিশালী কৰি তুলিলে । এই ছাত্র সংগঠনটো প্রথমতে কোনো ৰাজনৈতিক স্বার্থ আদায়ৰ বাবে গঠন কৰা হোৱা নাছিল যদিও পিচলৈ দেশৰ আহ্বানত ৰাজনৈতিক দৃষ্টি ভংগী ল'ব লগা হৈছিল । ১৯২১ চনৰ ১৭ জানুৱাৰীত গান্ধীজীৰ অসহযোগ আন্দোলনৰ প্রতি সঁহাৰি জনাই ১১৭ জন কটন কলেজৰ ছাত্রই (অধিকাংশই স্নাতক মহলাৰ), কলেজ ত্যাগ কৰি আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল আৰু স্বাধীনতা সংগ্রামক তেজোদ্দীপ কৰিছিল । ছাত্রসকলে বছেৰেকীয়া সভা-সমিতি বিলাকলৈ আচার্য পি. চি. ৰয়. (প্রফুল্ল চন্দ্র ৰয়) ৰেভাৰেণ্ড চি. এফ. এনড্রুজ, কর্ম্মবীৰ নবীনচন্দ্র ৰৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, পদ্মনাথ গোহাঞি বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ প্রমুখ্যে দেশনেতা আৰু পণ্ডিতসকলক মাতি আনি দিহা-পৰামর্শ লৈছিল আৰু সময়োপযোগী সিদ্ধান্তসমূহ গ্রহণ কৰিছিল । ১৯১৯ চনত ছাত্র সন্মিলনৰ চতুর্থ অধিবেশন তেজপুৰত আচার্য পি. চি. ৰয়ৰ সভাপতিত্বত বহিছিল আৰু "বিদেশী বর্জন কৰি স্বদেশী প্রচলন" কৰাৰ প্রস্তাব গ্রহণ কৰিছিল । গৌৰৱেৰে স্মৰণ কৰিব পাৰি যে ছাত্র নেতা সকলে এই প্রস্তাব ১৯২০ চনত কংগ্রেছে গ্রহণ কৰাৰ এবছৰ আগতেই গ্রহণ কৰিছিল । এইদৰে অসমৰ ছাত্র সমাজ তথা "অসম ছাত্র সন্মিলনে" দেশৰ স্বাধীনতা সংগ্রামৰ পাতনি মেলিছিল । এই ছাত্র সন্মিলন গঠনৰ এবছৰৰ পিচতেই অর্থাৎ ১৯১৭ চনত শিক্ষাবিদ শৰৎ চন্দ্র গোস্বামী আৰু সাহিত্যানুৰাগী ভালে কেইজনমানে লগ হৈ অসম সাহিত্য সভা গঠন কৰে । ভাষা-সাহিত্য-সংস্কৃতি বিকাশৰ বাবে জোনাকী যুগৰ কর্ম্ম আঁচনিবিলাক কৰা হৈছিল ।

অসম সাহিত্য সভা

অসমীয়া জাতিৰ বাবে অতন্দ্ৰ প্ৰহৰী স্বৰূপ অসম সাহিত্য সভাৰ কঠীয়াতলি অসমৰ মাটিত নাছিল । কলিকতাত থাকি উচ্চ শিক্ষাত ব্ৰতী আশাওধীয়া ছাত্ৰসকলে 'চাহমেলতে' গঠন কৰিলে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' — অঃ ভাঃ উঃ লাঃ সভা । একে চাম ছাত্ৰ বা ব্যক্তিৰে গঠিত হয় 'এ-এছ্-এল-ক্লাৰ' । অঃ ভাঃ উঃ সাঃ সভা প্ৰতিষ্ঠাৰ তাৰিখ ১৮৮৮ চনৰ ২৫ আগষ্ট । এই তাৰিখৰ তিনিটা দশকৰ পিচত ১৯১৭ চন ২৬ ডিচেম্বৰত শিৱসাগৰত অসমীয়া সাহিত্যৰ কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ সভাপতিত্বত 'অসম সাহিত্যিক সন্মিলনী' প্ৰতিষ্ঠা হয় । ১৯৪৪ চনত পুনৰ শিৱসাগৰ নগৰতে অনুষ্ঠিত ঊনবিংশ অধিবেশনত 'আসাম সাহিত্য সভা' নাম দিয়া হয় । সত্তৰ দশকত ১৯৭৩ চনত ছিলঙত অনুষ্ঠিত দ্বাবিংশ অধিবেশনতহে অসম শব্দটো ইংৰাজীত Asom বানানেৰে ব্যৱহৃত হয় ।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধ্বনি কৰি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই সভাৰ হীৰক জয়ন্তীৰ স্মাৰক গ্ৰন্থ 'হীৰক জ্যোতি'ত লেখিছে, "১৯১৭ চনত গুৱাহাটীত ডঃ সূর্য্য কুমাৰ ভূঞাদেৱৰ সভাপতিত্বত এখন সভা পাতি কাৰো বাধা-বিঘিনি নামানি সেই বছৰৰে শেষ ভাগত অসম সাহিত্য সভা পাতিবলৈ প্ৰস্তাৱ কৰিলে । এই বিষয়ত আগৰে পৰা লাগি থকা চন্দ্ৰ নাথ শৰ্ম্মাক সম্পাদক পাতি এখন আহ্বায়ক সমিতি গঠন কৰিলে । ৰাজ্যিক সন্মিলনৰ প্ৰথম অধিবেশন শিৱসাগৰতে পতাৰ থিৰ কৰিলে ।"

এই উক্তিয়ে প্ৰমাণ কৰে যে ১৯২১ চনৰ পূৰ্বৰে পৰা স্বাধীনতা সংগ্ৰামৰ অক্লান্ত নেতা দেশপ্ৰাণ চন্দ্ৰ নাথ শৰ্ম্মা, দেশনেতা কুলধৰ চলিহা আদি ব্যক্তিয়ে সাহিত্য সভা প্ৰতিষ্ঠাত অগ্ৰণী ভূমিকা লৈছিল ।

১৯১৭ চনৰ পৰা ১৯২৭ চনলৈকে সুদীৰ্ঘ কাল সভাৰ প্ৰধান সম্পাদক আছিল শৰৎ চন্দ্ৰ গোস্বামী । কাৰ্য্যালয় আছিল আৰু এতিয়াও আছে যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, দানবীৰ ৰাধাকান্ত সন্দিকৈৰ বদান্যতা আৰু সাহিত্য প্ৰেমৰ স্বাক্ষৰ বহন কৰিছে এই স্মৃতি ভৱনে যোৰহাট নগৰৰ মাজমজিয়াত । ১৯৩৪ চনত তিনিদিনীয়াকৈ মহাত্মা গান্ধী যোৰহাটলৈ আহোতে এই ভৱনতে বাহৰ কৰি অহিংস আন্দোলনক তেজী আৰু তীব্ৰ কৰাৰ স্মৃতি কেবল কংগ্ৰেছ সেৱকসকলেই নহয় সমগ্ৰ যোৰহাটীয়া ৰাইজৰ স্মৃতিত চিৰ সেউজ হৈ থাকিব ।

প্ৰথম বিশ্বযুদ্ধ

১৯১৪ চনৰ পৰা ১৯১৮ চনলৈ প্ৰথম বিশ্বযুদ্ধ অবিৰতভাৱে চলে। পৃথিৱীৰ ভিতৰত প্ৰবল প্ৰতাপী হৈ উঠা জাৰ্মান জাতিয়ে বৃটিছৰ বিৰুদ্ধে ভালকৈয়ে ৰণ সজ্জা কৰে। যদিও এই যুদ্ধখন ইউৰোপ মহাদেশৰ ভিতৰৰ আছিল, ভাৰতৰ কিছুসংখ্যক উগ্ৰপন্থীলোকে জাৰ্মান জাতিক সহায় কৰি বৃটিছক এশিকনি দিয়াৰ কথা ভাবিছিল। এই সন্দেহতে হওক বা বিশাল ভাৰত দেশখন বৃটিছৰ কবলত ৰখাৰ উদ্দেশ্যেই হওক বৃটিছ শাসকসকলে যুদ্ধত সকলো প্ৰকাৰে সহায় কৰিলে, যুদ্ধৰ অন্তত স্বায়ত্ত শাসন দিয়াৰ মৌখিক প্ৰতিশ্ৰুতি দিলে। তাকে শুনি উদাৰ মতবাদী ভাৰতীয় নেতাসকলে মিত্ৰ শক্তিক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে। কিন্তু যুদ্ধকালিন অৱস্থাত ভাৰত প্ৰতিৰক্ষা বিধি (Defence of India Act) অনুযায়ী সভা-সমিতি পাতিব নোৱাৰা হ'ল। মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত লোকসকল ভয়ংকৰ অৰ্থনৈতিক সমস্যাত পৰিল। ইতিমধ্যে যুদ্ধৰ কাৰণে যধে-মধে সৈন্যবাহিনীত মানুহ মকৰল আদি কাৰ্য্যত পঞ্জাৱত ভিতৰি ভিতৰি বিদ্ৰোহ জ্বলি উঠিছিল। যুদ্ধৰ কাৰণে বাতৰি কাকত সমূহ বন্ধ কৰি দিয়াত ক'ত কি ঘটনা ঘটিছিল কোনেও গম গতি নাপাইছিল। মধ্যবিত্ত আৰু নিম্ন ·মধ্যবিত্ত লোকসকল অৰ্থনৈতিক তাড়নাত বিদ্ৰোহী হৈ উঠিছিল। কানাডাত এদল শিখ শৰণাৰ্থীক আশ্ৰয় নিদি ঘুৰাই পঠোৱা হৈছিল আৰু তেওঁলোকে জাহাজেৰে ঘুৰি আহি কলিকতাত নামিয়েই বৃটিছক এশিকনি দিবলৈ সংঘৰ্ষত লিপ্ত হৈছিল। এই সংঘৰ্ষত ভালে কেইজন শিখলোক নিহত হয় যদিও তেওঁলোকৰ বাকীসকলে পঞ্জাবলৈ আহি বিদ্ৰোহ আৰম্ভ কৰে।

১৯১৮ চনত প্ৰথম বিশ্বযুদ্ধৰ সামৰণি পৰিল। জাৰ্মান জাতিৰ ককাল ভাগিল। 'যুদ্ধোত্তৰ কালত পূৰ্বৰ প্ৰতিশ্ৰুতি অনুযায়ী ভাৰতক স্বায়ত্ত শাসনৰ দায়িত্ব দিব বুলি পোষণ কৰি থকা আশা - আশাতেই মৰহি গ'ল। ঠায়ে ঠায়ে আকৌ বৃটিছ বিৰোধী ধ্বনি উঠিল। ফলস্বৰূপে বৃটিছ শাসকসকলে ভবিষ্যতে শাসন কটকটীয়া কৰিবলৈ ৰাওলাটক সভাপতি হিচাবে দি এখন কমিটী গঠন কৰি এখন বিল প্ৰণয়ন কৰালে। এই ৰাওলাট আইন গৃহীত কৰাটো আৰু এই আইনমতে কোনো বিশেষ বিচাৰ নকৰাকৈয়ে গ্ৰেপ্তাৰ, জৰিমনা, জেল দিব পৰা ব্যৱস্থা কৰিলে যাতে কোনো ভাৰতীয়ই আৰু আন্দোলন কৰিব নোৱাৰে। ভাৰতীয় লোকসকলক এই আইনে চকু মেল খুৱাই

দিলে যে ধনে-জনে বৃটিছক যুদ্ধত সহায় কৰাৰ পুৰস্কাৰ এই দৰেহে পালে। এই আইনৰ বিৰুদ্ধে গোটেই ভাৰতবাসী জকি উঠিল। গান্ধীজীয়েও ৰাওলাট আইনত অনুমোদন নিদিবলৈ বৰলাটক অনুৰোধ কৰিলে। কিন্তু বৰলাটে গান্ধীজীৰ কথাটো আওকাণ কৰিলে। গান্ধীজীয়ে এই বিলৰ বিৰুদ্ধে উদ্দাত্ত আহ্বান জনাই ১৯১৯ চনৰ ৬ এপ্রিল তাৰিখে শান্তিপূর্ণ হৰতাল পালন কৰিবলৈ স্থিৰ কৰিলে। ভাৰতীয় ৰাজনীতিত গান্ধীজীৰ চমকপ্রদ আবির্ভাৱ হয় আৰু স্বাধীনতা আন্দোলনৰ বুৰঞ্জীত গান্ধীজীৰ অভিনৱ নেতৃত্ব এই প্রথমবাৰ আসমুদ্র হিমাচল সমগ্র ভাৰতবর্ষতে জনজাগৰণৰ সৃষ্টি হয়।

গান্ধীজীৰ আহ্বানত ভাৰতৰ নগৰে-চহৰে গাৱেঁ-ভূয়েঁ সকলোতে আন্দোলন আৰম্ভ হ'ল। বহুত দিনৰ পৰাই বলপূর্বকভাৱে পঞ্জাৱৰ ডেকাসকলক সৈন্যদলত ভর্ত্তি কৰা, দমন নীতি চলোৱাত বিক্ষুব্ধ হৈ থকা পঞ্জাৱীসকল হিংসাত্মক কার্য্যত লিপ্ত হ'ল আৰু পঞ্জাৱৰ নেচনেল বেংক পুৰি পেলালে। পাঁচজন বৃটিছ বিষয়া বিদ্রোহীৰ হাতত নিহত হ'ল। তেতিয়া গৱর্ণমেণ্টে পঞ্জাৱত সামৰিক আইন প্রৱর্ত্তন কৰি বিদ্রোহ দমন কৰিবলৈ লাগিল।

জালিৱানৱালাবাগৰ হত্যাকাণ্ড

১৯১৯ চনৰ ১৩ এপ্রিল দেওবাৰ, সেইদিনাই চ'তৰ ৰঙালি বিহু, হিন্দুসকলে নৱবর্ষৰ আদৰণি জনোৱা উৎসৱ। পঞ্জাৱী সকলেও এই উৎসৱ মানে। অমৃতসৰৰ ওচৰৰ জালিৱানৱালাবাগৰ ভিতৰত আনন্দমুখৰ প্রায় ২০-২৫ হাজাৰ হিন্দু, শিখ, মুছলমান লোক গোট খাইছিল। জালিৱানৱালাবাগৰ চাৰিওফালে পকী বেৰা আৰু এখন মাত্র ওলোৱা-সোমোৱা দুৱাৰ আছিল।

সেই সময়ত অমৃতসৰত থকা বৃটিছ জেনেৰেল মিঃ ডায়াৰে এই সম্ভেদ পাই কিবা গুপ্ত ষড়যন্ত্র কৰিছে বুলি ভাবি প্রায় ডেৰশ অশ্বাৰোহী সৈন্য লগত লৈ জালিৱানৱালাবাগত উপস্থিত হ'লহি। দুৱাৰমুখ বন্ধ কৰি সৈন্য বাহিনীক গুলীৱাৰলৈ আদেশ দিলে। নিৰস্ত্র জনতাই গড়ালত ভৰাই থোৱা জন্তুৰ দৰে ভিতৰতে ধৰফৰাই মৃত্যু বৰণ পর্য্যন্ত কৰিবলগীয়া হ'ল। চকুৰ পচাৰতে হাজাৰ হাজাৰ নিৰস্ত্র নৰ-নাৰী আৰু শিশুৰ মৃতদেহ তেজেৰে ৰাঙলি হ'ল। জীৱন ৰক্ষাৰ বাবে গুলীৰ প্রতি আঘাতত লৰা-ধপৰা কৰিলেও ওলাই যাবলৈ বাট নাই। উক্ত স্থানত অৱস্থিত কুঁৱাত পৰিলে

মৰণৰ পৰা বাচিব বুলি ভাৱি বহুতো কুঁৱাত পৰি মৃত্যুৰ মুখত পৰিব লগা হ'ল। গুলী চালনাৰ অন্তত ডায়াৰ চাহাবে তাৰ পৰা সৈন্যবিলাকক লৈ গুচি গ'ল। চৰকাৰী হিচাবত প্ৰায় ছশ লোকৰ মৃত্যু আৰু দুহেজাৰৰো অধিক লোক আহত হৈছিল। পকী দেৱাল বিলাকত মানুহৰ মৰ্ম্মভেদী যোৱা বন্দুকৰ গুলীয়ে ফুটা কৰিছিল। আজিও তাৰ কৰুণ স্মৃতি বিদ্যমান হৈ আছে।

জালিৱানৱালাবাগৰ নৃশংস হত্যাকাণ্ডৰ পিচতো পঞ্জাবীলোকসকলক অৱৰ্ণনীয়ঁ অত্যাচাৰ কৰি আছিল। চৰকাৰী অত্যাচাৰত উত্তেজিত হৈ পঞ্জাবীসকলে এগৰাকী বৃটিছ মহিলাক হত্যা কৰিছিল। যি ঠাইত উক্ত মহিলা গৰাকীক হত্যা কৰা হৈছিল, সেই ঠাইৰ ৰাস্তাইদি মানুহ খোজকাঢ়ি যোৱাৰ পৰিবৰ্ত্তে পেটেৰে চুচৰি যাব লগীয়া হৈছিল। মানুহক উলংগ কৰি টিকাত বেত প্ৰহাৰ কৰা হৈছিল, উকীল সকলক "স্পেচিয়েল পুলিচ" কৰি ৰাস্তাত লৈ ফুৰিছিল। ইংৰাজলোকক দেখা পালেই "চালাম" দিবলৈ বাধ্য কৰাইছিল। এইদৰে বৃটিছ শাসনে ভাৰতীয় মানুহক পংগু কৰিবলৈ যত্ন কৰিছিল। আনকি এই নৃশংস হত্যাকাণ্ড সংঘটিত হোৱাৰ পিচত জেনেৰেল ডায়াৰক পুৰস্কৃত কৰা হৈছিল।

ভাৰতৰ জনগণক মানসিক সন্তুষ্টি দিবলৈকে নেকি এই নৃশংস হত্যাকাণ্ডৰ তদন্তৰ বাবে "হাণ্টাৰ কমিটী" নিয়োগ কৰিছিল। কংগ্ৰেছৰ নেতৃস্থানীয় লোকসকলে পুনৰ আন্দোলন কৰিবৰ বাবে কংগ্ৰেছ মহাসভাক শক্তিশালী কৰিবৰ অৰ্থে পঞ্জাৱতে অধিবেশন পতাৰ স্থিৰ কৰিলে।

১৯১৯ চনৰ অমৃতসৰ কংগ্ৰেছ অধিবেশন

জালিৱানৱালাবাগৰ হত্যাকাণ্ডৰ পিচত পৰিস্থিতিৰ ওপৰত আলোচনা কৰিবলৈ পণ্ডিত মতিলাল নেহৰুৰ সভাপতিত্বত অমৃতসৰত কংগ্ৰেছ মহাসভাৰ বাৰ্ষিক অধিবেশন বহে। সভাত জালিৱানৱালাবাগৰ নৃশংস হত্যাকাণ্ড, পঞ্জাৱত সামৰিক আইন প্ৰবৰ্ত্তন আদি বিষয়ৰ উপৰিও কংগ্ৰেছৰ ভবিষ্যৎ কৰ্মপদ্ধতি সম্পৰ্কত আলোচনা কৰি তলত দিয়া সিদ্ধান্ত সমূহ গ্ৰহণ কৰা হয় ঃ-

পঞ্জাৱৰ গৱৰ্ণৰ চাৰ মাইকেল ডায়াৰক কাৰ্য্যভাৰৰ পৰা অৱসৰ দিবৰ মৰ্ম্মে আৰু ভাৰতৰ গৱৰ্ণৰ জেনেৰেলক ঘূৰাই নিবৰ বাবে বৃটিছ চৰকাৰক দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে ৰাওলাট আইন খনো প্ৰত্যাহাৰ কৰিবলৈ দাবী জনোৱা হয়।

এই সভাতেই আন্দোলনৰ ভৱিষ্যৎ কৰ্মপদ্ধতি নির্ণয় কৰিবলৈ বৰ সতেজ আলোচনা হয় । ভাৰতীয় জনগণৰ ওপৰত ইমান দৰে নির্মম, নিষ্ঠুৰ দমননীতি চলোৱাৰ পিচত এদল কংগ্রেছ নেতাই প্রত্যক্ষ সংগ্রাম কৰিবৰ বাবে পৰামর্শ আগবঢ়ালেও গান্ধীজীৰ মধ্যস্থতাত তাক পৰিহাৰ কৰে । গান্ধীজীক নেতৃত্বৰ ভাৰ দিয়া হ'ল । মুছলীম নেতা মৌলানা মহমদ আলি আৰু মৌলানা চৌকত আলিয়ে গান্ধীজীৰ নেতৃত্বত শ্রদ্ধা জনাই কংগ্রেছত যোগদান কৰিলে । আলি ভাতৃদ্বয়ে হিন্দু-মুছলমানৰ মিলন ঘটালে ।এই ঘটনাৰ পৰিপ্রেক্ষিতত স্বাধীনতা সংগ্রামৰ তেজ কমক চাৰি দুগুণে বৃদ্ধি কৰিলে । সমগ্র ভাৰতত জালিৱানৱালাবাগৰ হত্যাকাণ্ডই জনসাধাৰণৰ তীব্র জাতীয়তাবোধ জগাই তুলিলে আৰু অসমকো এই ঢৌৱে বাৰুকৈয়ে কোবালে ।

যিজন পুৰুষে বৃটিছক বিশ্বাসত লৈ প্রথম বিশ্বযুদ্ধত ধনে-জনে সহায় কৰাৰ পোষকতা কৰিছিলে, অমৃতসৰ অধিবেশনত মণ্টেগু চেমচফোর্ড সংস্কাৰ মানি ল'বলৈ কংগ্রেছক নির্দেশ দিছিল সেইজন মহামানৱ মহাত্মা গান্ধীজীয়ে বৃটিছৰ বিৰুদ্ধে অসহযোগ আন্দোলন কৰাৰ সিদ্ধান্ত ল'লে ।

অসহযোগ আন্দোলন

১৯২০ চনত কলিকতা মহানগৰীত লালা-লাজপত ৰায়ৰ সভাপতিত্বত ভাৰতীয় জাতীয় মহাসভা কংগ্রেছৰ অধিবেশন বহে । এই অধিবেশনত মহাত্মা গান্ধীজীয়ে কংগ্রেছৰ আন্দোলন সম্পর্কীয় পূর্বৰ গতিধাৰা সম্পূর্ণ পৃথক কৰি এক বৈপ্লৱিক ভাৱধাৰা প্রকাশ কৰে । মহাত্মাজীয়ে দাণ্ডি ধৰা "অসহযোগ আন্দোলন"ৰ প্রস্তাৱত কংগ্রেছৰ ভিতৰতে দুটা দল গঠন হৈছিল । কিন্তু আন্দোলনৰ ভাৱমূর্ত্তি প্রকাশ কৰি গান্ধীজীয়ে বৃটিছৰ কু-শাসনৰ ফল, ভাৰতবাসীক মূৰ দাণ্ডিব নোৱাৰাকৈ ৰখাৰ ব্যৱস্থাৰ ব্যাখ্যাত ৰাইজ মুগ্ধ হৈছিল আৰু বিপুল হর্ষ ধ্বনিৰ মাজত প্রস্তাৱ গৃহীত হৈছিল । পঞ্জাৱত কৰা বৃটিছৰ অৱর্ণনীয় অত্যাচাৰৰ মুকলি প্রতিবাদ কৰা হয় ।মহাত্মাজীয়ে "অসহযোগ আন্দোলনৰ" কার্য্যসূচী ব্যাখ্যা কৰি তলৰ সিদ্ধান্তসমূহ গ্রহণ কৰে ।

(১) বৃটিছে প্রদান কৰা উপাধি আৰু অবৈতনিক পদৱী ত্যাগ কৰা ।

(২) চৰকাৰী সভা সমিতিত যোগদান নকৰা ।

(৩) চৰকাৰী বা অৰ্দ্ধচৰকাৰী স্কুল বৰ্জন কৰি জাতীয় স্কুল প্ৰতিষ্ঠা কৰা ।

(৪) বাৰিষ্টাৰ, উকীল, মুক্তিয়াৰ সকলে তেওঁলোকৰ ব্যৱসায় ত্যাগ কৰি পঞ্চায়ত বা চালিছী আদালত গঠন কৰা ।

(৫) নতুন শাসন সংস্কাৰ অনুযায়ী ব্যৱস্থাপক সভাৰ নিৰ্বাচন বৰ্জন কৰা । কংগ্ৰেছৰ প্ৰস্তাৱ অমান্য কৰি নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীক ভোট দান নকৰা ইত্যাদি ।

(৬) সৈন্য বিভাগৰ চাকৰি ত্যাগ ।

(৭) খাজনা, কৰ দিয়া বন্ধ কৰা ।

মহাত্মা গান্ধীজীয়ে সকলো, চাকৰিয়াল, ছাত্ৰ-ছাত্ৰীসকলে স্কুল-কলেজ, উকীল সকলে ওকালতি বৰ্জন কৰি ওলাই আহিবলৈ আহ্বান জনালে । উক্ত আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসমতো দেশপ্ৰাণ চন্দ্ৰ নাথ শৰ্মা আৰু সহযোগী দেশকৰ্মী সকলৰ যত্নত ১৫ জন উকীলে ওকালতি বৰ্জন কৰে । ইয়াৰ ভিতৰত দেশনেতা কুলধৰ চলিহাই যোৰহাটত সৰ্বপ্ৰথমে ১৯২০ চনৰ জানুৱাৰী মাহতে ওকালতি বৰ্জন কৰে । ইয়াৰ আগতে চলিহাই চৰকাৰী হাকিম চাকৰিৰ পৰা পদত্যাগ কৰি ওকালতি আৰম্ভ কৰিছিল ।

১৯২০ চনৰ কলিকতা কংগ্ৰেছত অসহযোগ আন্দোলনৰ প্ৰস্তাব গৃহীত হ'লেও পূৰ্ণাংগ অধিবেশনে তাক অনুমোদন নজনোৱাকৈ কাৰ্য্যকৰী কৰা টান হ'ব ভাবি ১৯২০ চনৰ ডিচেম্বৰ মাহত কংগ্ৰেছৰ পূৰ্ণাংগ অধিবেশন নাগপুৰত বহে । এই অধি বেশনত দুটা মহৎ সিদ্ধান্ত হয় ।

(১) গান্ধীজীৰ অসহযোগ আন্দোলনলৈ উগ্ৰপন্থী আৰু নৰমপন্থী দুয়োটা দলেই অকুণ্ঠ সমৰ্থন আগবঢ়ায় আৰু গান্ধীজীৰ নেতৃত্বত সম্পূৰ্ণ আস্থা জ্ঞাপন কৰা হয় ।

(২) অসমত অসম এছচিয়েচনৰ পৰিবৰ্ত্তে এখন পূৰ্ণাংগ প্ৰাদেশিক কংগ্ৰেছ কমিটী গঠনৰ অনুমতি প্ৰদান কৰা হয় ।

অসম ছাত্ৰ-সন্মিলনৰ অসহযোগ আন্দোলনত যোগদান :- ১৯১৬ চনতেই গঠন হোৱা অসম ছাত্ৰ সন্মিলনে নিখিল ভাৰত কংগ্ৰেছ মহাসভা আৰু নিখিল ভাৰতীয় ছাত্ৰ সন্মিলনৰ পৰা অসহযোগ আন্দোলনত যোগদানৰ নিৰ্দেশলৈ বাট চাই আছিল ।

১৯২০ চনৰ ডিচেম্বৰ মাহত এই দুয়োটা সৰ্ববৃহৎ অনুষ্ঠানৰ পৰা অসহযোগ আন্দোলনৰ সক্রিয় সহযোগিতাৰ নির্দেশ পালে । ছাত্র সন্মিলনে অসহযোগ আন্দোলনৰ যাই উদ্দেশ্য আৰু কার্য্যক্রমণিকা স্থিৰ কৰি স্কুল-কলেজ বর্জন কৰাৰ সিদ্ধান্ত কৰিলে । গাৱেঁ-ভূঞে, নগৰে-চহৰে প্রচাৰ আৰু সংগঠনৰ কামত ছাত্রসকল লাগি গ'ল । ১৯২১ চনৰ জানুৱাৰী মাহতেই ছাত্র আন্দোলন আৰম্ভ হয় আৰু স্কুল-কলেজ বর্জন কৰি ওলাই আহে । প্রকৃতার্থত অসমৰ ছাত্র সকলেই অসহযোগ আনোদলনৰ সূচনা কৰে । ছাত্রসকলৰ এনে সময়োপযোগী উদ্দাত্ত আহ্বানত অসমৰ সম্ভ্রান্ত পৰিয়ালৰ অনেক মহিলা কর্মীও ওলাইআহিল । বিদেশী বস্তু বিশেষকৈ বিদেশী কাপোৰ বর্জন, স্বদেশী অর্থাৎ খাদী প্রচলন, ৰাগীয়াল বস্তু বর্জন, কানি মহলত পিকেটিং কৰা ইত্যাদি কার্য্যসূচী ব্যাপকভাৱে হাতত লৈ ছাত্র আৰু মহিলাসকলে আন্দোলনত জপিয়াই পৰিল ।

অসম কংগ্রেছ গঠন :- ১৯২১ চনৰ ৫ জুন তাৰিখত কর্মবীৰ নবীন চন্দ্র বৰদলৈদেৱৰ আবাস গৃহত অসমৰ বিভিন্ন জিলাৰ কংগ্রেছ কর্ম্মী সকলৰ এখন সভা বহে । দেশনেতা কুলধৰ চলিহাক সভাপতি, কর্মবীৰ নবীন চন্দ্র বৰদলৈক সম্পাদক হিচাবে নির্ব্বাচিত কৰি পোন প্রথম বাৰৰ বাবে অসম প্রদেশ কংগ্রেছ কমিটী গঠিত হয় ।

মহাত্মাজীৰ অসম আগমন :- ১৯২১ চনৰ জুলাই মাহত বোম্বাইত অনুষ্ঠিত হোৱা নিখিল ভাৰত কংগ্রেছ কমিটীলৈ যাওঁতে তৰুণৰাম ফুকন, নবীন চন্দ্র বৰদলৈ আৰু ৰোহিনীকান্ত হাতীবৰুৱা প্রমুখ্যে নেতৃবৃন্দই মহাত্মাজীক অসমলৈ নিমন্ত্রণ জনোৱাৰ সঁহাৰিত আগষ্ট মাহৰ মাজভাগতেই গান্ধীজী অসমলৈ আহে । তেখেতৰ লগত আলি ভাতৃদ্বয় - মহমদ আলি আৰু চৌকত আলিও আহে ।

কর্মবীৰ নবীন চন্দ্র বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকনে গোলোকগঞ্জত ১৯২১ চনৰ ১৮ আগষ্ট তাৰিখে মহাত্মাজীয়ে ৰেলেৰে আহি গোলোকগঞ্জ পাওঁতেই অসমৰ হৈ আদৰণি জনায় । ১৯ তাৰিখৰ দিনা তৰুণৰাম ফুকনৰ ঘৰত আৰু চৌহদত হাজাৰ হাজাৰ লোকৰ সমাগম । গান্ধীজীয়ে আলি ভাতৃদ্বয় সহ বাইজক দেখা দিলে । ফুকনদেৱৰ ঘৰৰ মুকলি প্রাংগণত মহাত্মাজীয়ে বিদেশী বস্তু বর্জনৰ আহ্বান

জনালে আৰু লগে লগেই বিদেশী কাপোৰ, জোতা, চাটি আদিৰে দ'ম খালে । জুই জ্বলাই দিয়া হ'ল, বিদেশী বস্তু দাহ যজ্ঞত নিজৰ গাৰ পৰাও কাপোৰ খুলি বাইজে জুইলে দলিয়াই দিলে । দেশভক্ত ফুকনৰ ঘৰত থকা সকলো মূল্যবান বিদেশী বস্তুকেই জুইত দলিয়াই দিলে । আনকি নগৰৰ বাইজে দৌৰি দৌৰি গৈ ঘৰত থকা বিদেশী কাপোৰ-কানি আনি জুইত দলিয়াই দিলেহি । আলি ভাতৃদ্বয় আৰু গান্ধীজীয়ে বাইজক অসহযোগ আন্দোলন সফল কৰি তুলিবলৈ আহ্বান জনালে । "জয় মহাত্মা গান্ধীজীকী" ধ্বনিৰে গগন ভেদি গ'ল । অসমীয়া বাইজে অসহযোগ আন্দোলনত মনে-প্রাণে লাগিবলৈ প্রেৰণা পালে ।

২০ আগষ্ট তাৰিখে গান্ধীজী তেজপুৰলৈ বুলি ৰাওনা হ'ল । ব্রহ্মপুত্রৰ পাৰৰ আৰৰ্ত্তভৱনত (Circuit House) উঠিয়েই অসমৰ প্রাকৃতিক মনোমোহা দৃশ্য দেখি মোহিত হ'ল । অসম দেশখন প্রাকৃতিক সৌন্দর্য্য আৰু সম্পদত ইমান চহকী বুলি তেওঁ ভাবিব পৰা নাছিল আৰু অসমীয়া মানুহ খিনিও ইমান সহজ-সৰল প্রকৃতিৰ ভাৰতৰ ঘাইসুতিৰ জনসাধাৰণৰ লগত মিলা বুলিও ধাৰণা নাছিল । তেওঁৰ মনত পৰিল তেওঁ অসম নেদেখাকৈয়ে তেওঁৰ লিখনীত অসমীয়া মানুহক "ভীল", "পিগ্মীৰ" লগত তুলনা কৰিছিল । গান্ধীজী ভীষণ অনুতপ্ত হ'ল আৰু তেতিয়াৰ পৰা অসমৰ প্রতি ৰাজহুৱা সভাতে দুখ কৰাৰ উপৰিও "ইয়ং ইণ্ডিয়া" সাপ্তহিক কাগজত "মনোমোহা অসম" (Lovely Assam) শিতানত লিখা গৌৰৱময় প্রবন্ধত পূর্ব্বৰ ভুল ধাৰণাৰ বাবে দুখ প্রকাশ কৰিলে আৰু অসমৰ প্রতি মোহিত হৈ লিখি পেলালে । "I have fallen in love with the damsels of Assam. They can weave dreams in their Looms." অর্থাৎ "তাঁতৰ শালত সপোন ৰচিব পৰা অসমীয়া শিপিনীৰ প্রতি মই মোহিত" বোৱা-কটা অসমীয়া নাৰীৰ এটা জন্মগত সহজাত প্রতিভা । পৰীৰ সাধুৰ দৰে তাঁতৰ কাপোৰত সপোন ৰচিব পৰাতো আজিও অসমীয়া শিপিনীৰ নিপুণতা বিদ্যমান । তেওঁ আশা কৰিছিল অসমীয়া শিপিনীয়ে ঘৰে প্রতি একোখন তাঁতশালত স্বদেশী কাপোৰৰৈ কাটি ল'লে অসম সকলোতকৈ আগবাঢ়িব ।

যোৰহাটত মহাত্মাজী :- ১৯২১ চনৰ ২৪ আগষ্ট তাৰিখে মহাত্মাজীয়ে যোৰহাটত পদাপর্ণ কৰে । যি সময়ত মহাত্মা গান্ধী অসমলৈ আহিছিল সেই সময়ত আকাশীযানৰ

ব্যৱস্থাটো নাযেই, ভাল মটৰ গাড়ী বা বাছৰ ব্যৱস্থাও নাছিল। ৰেল-জাহাজেই একমাত্র ভ্রমণৰ আছিলা। ভাৰতৰ মুকুটবিহীন সম্রাট মহাত্মা গান্ধীজীকো মৰিয়নি জংচনৰ পৰা তেতিয়াৰ দিনৰ সেই জে-পি-আৰ (Narrow Gauze) ৰেল খনেৰেহে যোৰহাট পোৱাবহি লগীয়া হৈছিল। ৰেল আহি পোৱাৰ কেইবাঘণ্টাৰো আগৰ পৰাই যোৰহাট ৰেলষ্টেচনত জনগণৰ দল-দোপ হেণ্ডোল-দোপ, কেনিও বিৰদি বাট পাবলৈ নাই। গোটেই ষ্টেচন লোকে লোকাৰণ্য। মৰিয়নিৰ পৰা গান্ধীজী যোৰহাট "প্রভিঞ্চিয়েল" ৰেলেৰে আহিছিল। তেখেতৰ লগত আলি ভাতৃদ্বয় (মহমদ আলি আৰু চৌকত আলি) অসমৰ দেশভক্ত তৰুণৰাম ফুকন, কর্মবীৰ নবীনচন্দ্র বৰদলৈ আৰু লোকনায়ক অমিয় কুমাৰ দাস দেৱো আহিছিল। যোৰহাটৰ কাছাৰীৰ আগৰ পথাৰত অগণন প্রজা গোট খাইছিল। কোৱা হয় অসমৰ সকলো ঠাইতকৈ যোৰহাটতে বাইজ সবাতোকৈ অধিক সমবেত হৈছিল। গান্ধীজীয়ে হিন্দী ভাষাত বক্তৃতা দিছিল আৰু দেশভক্ত ফুকনে মহাত্মাই কোৱা কথা বিলাক অসমীয়াত ভাঙি বাইজক বুজাই দিছিল। যোৰহাটৰ কোনো স্কুল ছুটী দিয়া নাছিল যদিও বেজবৰুৱা স্কুলৰ সেই সময়ৰ প্রধান শিক্ষক মুক্তি যুজাঁক মুকলীধৰ বৰুৱাই সাহসেৰে বেজবৰুৱা স্কুল ছুটী দিছিল।

অসহযোগ আন্দোলন

মহাত্মাজীৰ অসম ভ্রমণে অসমত অসহযোগ আন্দোলন অতি প্রকট কৰি তোলে। বিদেশী বস্তু বর্জনৰ লগে লগে স্বদেশী বস্তু প্রচলন, গাৱেঁ গাঁৱে খাদী প্রচলন, গঠনমূলক কামৰ বাবে সভা-সমিতি পাতি সংগঠন কৰা, স্কুল-কলেজ বর্জন কৰা, কানি মহল বিলাকত পিকেটিং কৰা, ইত্যাদি আন্দোলনৰ কার্য্যসূচী হাতত লোৱা হ'ল।

স্কুল বর্জন কৰি ওলাই অহা ছাত্র সকলৰ বাবে জাতীয় স্কুল প্রতিষ্ঠা কৰি শিক্ষা দানৰো ব্যৱস্থা কৰা হ'ল। অসমৰ উচ্চ শিক্ষাৰ মহা বিদ্যালয় কটন কলেজৰ পৰা যোৰহাটৰ ভালে কেইজন ছাত্র ওলাই আহিল। তাৰ ভিতৰত জাঁজীৰ ৺ৰামেশ্বৰ ভট্টাচার্য চাৰিগাঁৱৰ ৺লক্ষেশ্বৰ বৰুৱা, তিলিকি আমৰ ৺সর্বেশ্বৰ বৰ চেতিয়া, যোৰহাট নগৰৰ ৺বিদ্যাধৰ শর্মা, বালিগাঁৱৰ ৺খেতেকধৰ বৰুৱাৰ নাম গৌৰৱেৰে উল্লেখ কৰিব পাৰি।

অসম দেশত মেলেৰীয়া আৰু গ্রহণী বেমাৰৰ কাৰণে অসমীয়া মানুহে কানি

নাখালে জীয়াই থকা সম্ভৱ নহয় বুলি ইংৰাজ ডাক্তৰ বিলাকৰ হুতুৰাই মত প্ৰচাৰ কৰি অসমীয়া জাতিটোক কানি বৰবিহ খুৱাই পংগু কৰিবলৈ গাঁৱে গাঁৱে কানিৰ মহল বিলাক বহুত দিনৰ আগতেই ইংৰাজ চৰকাৰে স্থাপন কৰিছিল । মহাত্মাজীৰ অসম ভ্ৰমণে এই বৰবিহ আঁতৰাবৰ বাবে আন্দোলন কৰাৰ প্ৰেৰণা দিলে । গাঁৱে-ভূঞে স্বেচ্ছাসেৱক দল গঠন কৰি কানি মহলত পিকেটিং কৰাৰ ব্যৱস্থা কৰিলে । ১৯২১ চনত অসমত ১২০০-১৩০০ মোন কানি বিক্ৰী হৈছিল । পিকেটিং কৰাৰ ফলত ইয়াৰ বিক্ৰী ৬০০ মোনলৈ কমি গৈছিল আৰু ইয়াৰ পৰা প্ৰায় ৪৪ লক্ষ টকা ৰাজহ উপাৰ্জন হৈছিল । প্ৰকৃততে ইয়াৰ দুগুণ ৰাজহ সংগৃহীত হৈছিল । কানিয়াবিলাকে মহলদাৰক কেতিয়াবা অধিক বস্তু দি বা বেছি টকা দি কানি কিনিছিল । হৰিজন বন্ধু কৃষ্ণ শৰ্মাদেৱে তেখেতৰ ডায়েৰীত জাঁজীৰ বামুণপুখুৰীৰ কানিমহলত স্বচক্ষে দেখা এটা ঘটনা বৰ্ণনা কৰি কৈছে এটা কানিয়াই চাউল দুসেৰমান লৈ মহলৰ পৰা কানি নিবলৈ আহিছে । সিফালে কানিয়াটোৰ ঘৈণীয়েকে পিচে পিচে খেদি আহিছে । তাই সেই চাউল খিনি চৰুত বহাবলৈ উলিয়াইছিল । কানিয়াই দেখা পাই হাতত পইচা নাই বাবে তাকে মনে মনে লৈ আহি মহলৰ পৰা কানি নি পুখুৰীৰ পাৰত বহি খাবলৈ লৈছে মাথোন । এনেতে সি মূৰ্চ্ছা গ'ল । আমি কানি দোকানৰ ওচৰতে আছিলো । ঘৈণীয়েকে আহি পাৰে মানে গালি পাৰিছে- "ল'ৰা-ছোৱালী কেইটাক এতিয়া মই কি খুৱাম ?" পিচত তাই গিৰিয়েকক সেই অৱস্থাত দেখি কান্দিবলৈ ধৰিলে আৰু ক'লে, "দেউতাসকল - এওঁ আজি কেইবাসাজো ভাত খোৱা নাই, পইচা নাই বাবে ৰান্ধিবলৈ লোৱা চাউলখিনিকে আনি মহলত দি কানি আনিছে । মই সদায় মাগি-খুজি আনি ল'ৰা-ছোৱালী কেইটা পোহপাল দিছো" । এইদৰে তাই হৃদয় বিদাৰক বৃত্তান্ত ক'লে আৰু আমি অবাক হ'লো ।" (কৃষ্ণ শৰ্মাৰ ডায়েৰী)

স্কুল-কলেজ বৰ্জন কৰি অহা ছাত্ৰসকলে কংগ্ৰেছ কৰ্মী সকলৰ সহযোগত সভা-শোভাযাত্ৰা সংগঠিত কৰি মহলবিলাকত পিকেটিং কৰিবলৈ ধৰিলে । কংগ্ৰেছৰ নেতৃস্থানীয় লোকসকলে বিলাতী কাপোৰ বেচা দোকানত পিকেটিং কৰা, গাঁৱত যঁতৰ বিতৰণ কৰা, সূতা-কটা কাম ব্যাপক ভাৱে কৰিবলৈ ল'লে ।

প্ৰশাসনৰ ফালৰ পৰা কংগ্ৰেছৰ ভলণ্টিয়াৰ সকলক য'তে-ত'তে অপমান কৰিবলৈ ধৰিলে । আনকি বাগানৰ বজাৰ বিলাকতো ভলণ্টিয়াৰক বজাৰ-সমাৰ কৰাত বাধা দিলে । ভলণ্টিয়াৰ সকলেও প্ৰতিবাদ কৰি বাগানৰ বাহিৰত ৰাজহুৱা বজাৰ

খুলিব লগা হৈছিল । বাগানৰ বৃটিছ মেনেজাৰ বিলাকে চৰকাৰৰ লগ হৈ বাগানত ভলন্টিয়াৰ সোমাব নোৱাৰাকৈ ১৪৪ ধাৰা বলবৎ কৰাইছিল । বিলাতী কাপোৰৰ দোকান, কানীৰ মহলত পিকেটিং কৰা ভলন্টিয়াৰ সকলক পুলিৎ মাৰধৰ কৰি জেলত ভৰোৱাৰ ব্যৱস্থা কৰিলে । বহুতৰ ৩ মাহৰ পৰা ১ বছৰ পর্য্যন্ত ফাটেক হ'ল । ১৯২১ চনৰ অসহযোগ আন্দোলনত যোৰহাটৰ কুলধৰ চলিহা, কৃষ্ণনাথ শর্মা, ৰোহিনী কুমাৰ হাতীবৰুৱা, দেৱেশ্বৰ শর্মা, সর্বেশ্বৰ বৰচেতীয়া, ৰামেশ্বৰ ভট্টাচার্য্য, বিদ্যাধৰ শর্মা, হেমনাথ ফুকন, মহেশ্বৰ বৰকটকী, খেতেকধৰ বৰুৱা, পজিৰুদ্দিন আহমদ, গোপীনাথ বেজবৰা, বাবুলা নাথ, ৰাজগুৰু ফুকন, ৰত্নধৰ বৰুৱা, চতাই বৰা আৰু অনেকলোকৰ ফাটেক হয় ।

১৯২১ চনৰ অসহযোগ আন্দোলনত যোৰহাট

১৯২১ চনত মহাত্মাজীৰ আগমনে অসমীয়া ৰাইজৰ মাজত স্বাধীনতা সংগ্রামত সক্রিয়ভাৱে লাগিবলৈ নতুন প্রেৰণা দিলে । যোৰহাটতো দেশনেতা কুলধৰ চলিহাৰ নেতৃত্বত গাঁৱে-ভূঞে অসহযোগ আন্দোলনৰ কামত গাঁৱৰ ভলন্টিয়াৰ সকল উঠি-পৰি লাগিছিল । মহাত্মাগান্ধীৰ আঁচনি মতে বিদেশী বস্তু আৰু কানি বর্জনেই অসহযোগ আন্দোলনৰ ঘাই কাম বুলি গণ্য কৰা হৈছিল । এই কাম কঁৰোতে মহাত্মাজীৰ অভ্যুত্থানৰ বাতৰি প্রচাৰ কৰা দেশকর্মী সকলৰ প্রধান লক্ষ্য আছিল । এই প্রচাৰ কার্য্যত নামঘৰৰ সৰাহ-ভাওনা বিলাকতেই মানুহক সমুহীয়াকৈ লগ পোৱাৰ সুবিধা হৈছিল । মহাত্মা গান্ধীৰ আঁচনি মতে চলিলে এবছৰৰ ভিতৰত স্বৰাজ আহিব বুলি গাঁৱৰ ৰাইজৰ মাজত প্রচাৰ কৰা হৈছিল আৰু এই প্রচাৰে আন্দোলনত তীব্রতা আনিছিল ।

প্রবীণ কংগ্রেছ কর্মী পদ্মেশ্বৰ গোস্বামীয়ে লিখিছে, 'সেই সময়ত মৌজা কংগ্রেছ গঠিত হোৱা নাছিল । আঞ্চলিক ভিত্তিত - যেনে ঃ- গাখীৰ খোৱা মৌজা আৰু টীয়ক মৌজালৈ - টীয়ক কংগ্রেছ, শিমলুগুৰি মৌজা আৰু লাহিং মৌজাক লৈ বামুণপুখুৰী কংগ্রেছ, সেইদৰেই চাৰিগাঁও কংগ্রেছ বালিগাঁও কংগ্রেছ, পকামুৰা কংগ্রেছ, তিতাবৰ কংগ্রেছ, মৰিয়নি কংগ্রেছ, যোৰহাট কংগ্রেছ, মাজুলী কংগ্রেছ ইত্যাদি ইত্যাদি" সংগঠন গঠিত হৈছিল ।

১৯২১ চনৰ ভাৰতৰ স্বাধীনতা সংগ্রামৰ বিশেষকৈ অসমৰ ৰাজনৈতিক আৰু সামাজিক ঘটনাৱলী বৰ্ণনা কৰি প্রয়াত জননায়ক দেৱেশ্বৰ শর্মাদেৱে তেখেতৰ দ্বাৰা লিখিত "হেৰাই যোৱা দিনবোৰ"ত এইদৰে বৰ্ণনা কৰিছে —

১৯২১ চনৰ এপ্রিল মাহত অসম এছচিয়েশ্বন এখন বিশেষ সভা যোৰহাটত বহে। এই সভাৰ প্রস্তাৱক্রমে কংগ্রেছৰ অসহযোগ আন্দোলনৰ সর্মথন কৰা হয় আৰু অসম প্রাদেশিক কংগ্রেছ স্থাপনৰো অনুমোদন জনায়। ইয়াৰ পাছতেই অসমৰ প্রায়বোৰ জিলাৰে প্রতিনিধিসকল গুৱাহাটীত আহি গোট খায় আৰু যোৰহাটৰ কৃষ্ণকান্ত ভট্টাচার্য্যৰ সভাপতিত্বত এই সভাই নতুন নিয়মাৱলী এখনেৰে সৈতে অসম প্রাদেশিক কংগ্রেছৰ কমিটিখন আনুষ্ঠানিকভাৱে প্রতিষ্ঠা কৰে। কৃষ্ণকান্ত ভট্টাচার্য্য আছিল এজন চৰকাৰী বিষয়া। দেশ প্রেমৰ মোহত পৰি তেখেতে চৰকাৰী কাম ইস্তফা দিছিল আৰু সেই সময়তে কি তাৰ পাছতেই তেখেতে 'অসম বিলাসিনী' নামৰ এখন বাতৰি কাকত প্রকাশ কৰিছিল ! গুৱাহাটীত পতা সভাতে প্রথম প্রাদেশিক কংগ্রেছ কমিটিৰ সভাপতিৰ বাবে কুলধৰ চলিহাদেৱক নির্বাচিত কৰা হৈছিল। তাৰ কিছুমান দিনৰ আগতে তেখেতে ওকালতি বর্জন কৰিছিল। ইয়াৰ অলপ দিনৰ পাছতে তৰুণৰাম ফুকন আৰু নবীনচন্দ্র ববদলৈদেৱে ওকালতি বর্জন কৰে আৰু একে সময়তে অর্থাৎ অলপ দিনৰ অগাপিচাকৈ অসমৰ বিভিন্ন জিলাত বহুত উকিলে ওকালতি বর্জন কৰি অসহযোগ আন্দোলনত দুগুন উৎসাহেৰে যোগ দিবলৈ ধৰিলে। ছাত্র সকলে যেনেকৈ প্রথমে স্কুল-কলেজ বর্জন কৰি অসহযোগ আন্দোলনত যোগ দি দেশবাসীৰ মাজত জাগৰণ সৃষ্টি তুলিছিল, উকিলসকলেও তেনেকৈ ওকালতি বর্জন কৰি কংগ্রেছৰ কামত যোগ দি অসহযোগ আন্দোলন দ্রুতগ্রামী হোৱাত যথেষ্ট সহায় কৰিছিল।

১৯৩০ চনত চাৰিঙত এখন ছাত্র সভা হৈছিল। সেই সভাত নানা ঠাইৰ পৰা আহি ছাত্রই আৰু অন্যান্য লোকে যোগ দিছিল। সেই সভাৰ সভাপতিয়ে গান্ধীজীৰ কংগ্রেছ আৰু অসহযোগ আন্দোলনক দুচকু পাৰি দেখিব নোৱাৰা ধুৰন্ধৰ লোক। এতিয়া অৱশ্যে কংগ্রেছৰ মুখচ ফুটা নেতা, ছাত্রসকলে ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দিব লাগেনে নালাগে সেই বিষয়ে সভাত আলোচনা হৈছিল। সভাপতিয়ে কৈছিল – "তৰুণৰাম ফুকন, নবীনচন্দ্র ববদলৈ আৰু কুলধৰ চলিহাৰ নিচিনাকৈ ল'ৰাবোৰক পঢ়া এৰিবলৈ

নবীনচন্দ্ৰ ববদলৈ আৰু কুলধৰ চলিহাৰ নিচিনাকৈ ল'ৰাবোৰক পঢ়া এৰিবলৈ উপদেশ দিব নোৱাৰি। ১৯২১ চনত ছাত্ৰবোৰ উলিয়াই আনি যিবিলাকে নাজল নাথল কৰিলে, এতিয়া তেওঁলোকে ওকালতি কৰি মহাসুখেৰে খাই-বৈ আছে। উঠি অহা ডেকা গাভৰুসকলক এনে দুৰ্গতিত পেলাবলৈ মই বাঞ্ছা নকৰো।"

আৰু এটা ঘটনাৰ পৰা যোৰহাটত অসহযোগ আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। তেতিয়া যোৰহাটৰ পুলিচ চাহাব আছিল ডিক্ৰেয়াৰমণ্ট চাহাব। তেওঁ ঘোঁৰাত উঠি ফুৰিছিল আৰু সভা সমিতিৰ মাজলৈকে ঘোঁৰা চলাই দি মানুহক হাৰাশাস্তি কৰিছিল। মানুহজন আধা বলীয়া যেন অনুমান হৈছিল। এদিন চক বজাৰৰ দাঁতিত ট্ৰাংকৰোডৰ ওপৰত ভালেমান মানুহ গোট খাই অসহযোগ আন্দোলনৰ বিষয়ে আলাপ আলোচনা কৰোতে কোনোবা পিনৰ পৰা ডিক্ৰেয়াৰমণ্ট চাহাব আহি জুম পাতি থকা মানুহৰ মাজত ঘোঁৰা চলাই উত্যপাত কৰিছিল। সেইদিনা মই তেওঁৰ ওচৰলৈ গৈ প্ৰতিবাদ কৰাত তেওঁৰ হাতত থকা বেতডাল মোৰ পিঠিত পৰে পৰে যেন দেখিছিলো। মোৰ কোনোবা এজনা গ্ৰহ ভাল আছিল বাবেহে তেওঁৰ বেতৰ পৰা ৰক্ষা পালো। ইয়াৰ তিনি কি চাৰিদিন মানৰ পাছত যোৰহাটৰ ঠাকুৰবাৰীৰ ওচৰৰ এটুকুৰা মুকলি ঠাইত অসহযোগ আন্দোলনৰ প্ৰচাৰৰ অৰ্থে আমি এখন ৰাজহুৱা সভা পাতিছিলো। সেই সভাত কোনো হাই-উকমি আৰু অশান্তি নোহোৱা সত্বেও পুলিচে সমজুৱাসকলৰ ওপৰত লাঠি চার্জ কৰিছিল। সেইদিনা ডিক্ৰেয়াৰমণ্ট চাহাবেও ভালেমান লোকক ঘোঁৰা চলাই গচকাইছিল। জাঁজীৰ দেৱেন্দ্ৰনাথ ঠাকুৰ, চেঙেলী আটিৰ ফাগু গুৱলা আৰু কেইজনমান লোকে বেছিকৈয়ে আঘাত পাইছিল। দেৱন ঠাকুৰক প্ৰাথমিক চিকিত্যসাৰ পাছত জাঁজীত ঘৰত থৈ আহিছিলোগৈহঁক।

এই সভাত লাঠিচার্জ কৰা আৰু পুলিচ চাহাবে ঘোঁৰাৰে মানুহ গচকোৱাৰ কথা যেতিয়া চাৰিওফালে ৰাষ্ট্ৰ হৈ পৰিল তেতিয়া পাচদিনা অতি ক্ৰমেও ১০,০০০ (দহ হাজাৰ) লোক আহি যোৰহাট ঠাকুৰবাৰীৰ ওচৰত সেই একে ঠাইতে এখন সভা পাতি প্ৰতিবাদ প্ৰস্তাৱ হাতত লৈ নগৰত শোভাযাত্ৰা কৰিলে। পাচদিনাৰ সভালৈ পুলিচ অহা নাছিল আৰু শোভাযাত্ৰাতো কোনেও হকাবাধা কৰা নাছিল। ইয়াৰ পাছত সেই 'পাব্লিক' মিটিং এষ্ট' ভঙ্গ কৰিবলৈকে আমি চৰকাৰক নজনোৱাকৈ গাৰৈ-ভূঞেঁ সভা সমিতি পাতিছিলোহঁক। পিছলৈ এই এক্টৰ মূল্য নোহোৱা হৈ গ'ল।

১৯২১ চনৰ গোটেই ভাৰত ব্যাপি অসহযোগ আৰু খিলাফত আন্দোলনে দেশৰ জনসাধাৰণক কেনেকৈ প্ৰভাৱান্বিত কৰি তুলিছিল সেইটো ভাবিলে আজিও আচৰিত হ'ব লাগে। আজিৰ যুগৰ ডেকা-গাভৰুসকলে সেই সময়ৰ উত্যসাহ উদ্দীপনা, সাহ আৰু ত্যাগৰ কথা উপলব্ধি কৰিব পৰাটো সহজেই নহয়। দেশৰ গাৱেঁ-ভূঞেঁ ডেকা বুঢ়া, আবাল-বৃদ্ধ-বনিতা,জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে মনত কি যে অফুৰন্ত প্ৰেৰণা আৰু অদম্য উত্যসাহ স্বেচ্ছাসেৱকে নিজ নিজ জিলা আৰু অঞ্চলত দিনে-ৰাতিয়ে কাম কৰিছিল। সেই কাৰণে অসমত অসহযোগ আন্দোলন তথা স্বাধীনতা আন্দোলনৰ বিষয়ে যিবিলাক কিতাপ পত্ৰ প্ৰকাশ হৈছে সেইবিলাকৰ অধিকাংশই মোটামোটিকে ক'বলৈ গ'লে তিনিজন অন্ধ মানুহে এটা হাতীৰ গঠন কিম্বা আকৃতিৰ বিৱৰণী দিয়া গল্পৰ দৰে। হাতীৰ বিৱৰণ দিবলৈ গৈ প্ৰথম অন্ধজনে হাতীৰ ঠেংটোত ধৰি ক'লে যে হাতীটো গোটা ঘূৰণীয়া শকত, এটা কাঠৰ খুটাৰ দৰে। দ্বিতীয়জন অন্ধই হাতীৰ শুৱডালৰ আকৃতিৰ দৰে হাতীটোৰো আকৃতি বুলি ডাঠি ক'লে। তৃতীয়জন অন্ধই নেগুৰ ডালত ধৰি হাতীটোৰ বিৱৰণী সৰু, লিটা আৰু দীঘল বুলিহে ক'লে। কাৰণ অন্ধ হেতুকে এজনেও হাতীটোৰ সম্পূৰ্ণ ৰূপ দেখা পোৱা নাছিল। সেইদৰে আমিও নিজৰ জিলা বা মহকুমাত স্বেচ্ছাসেৱকৰ কৰ্তব্য কৰি নিজ নিজ অঞ্চলত হোৱা আন্দোলনৰ বিষয়েহে ভালকৈ ক'ব পাৰো। পাছে ১৯২১। ১৯৩৯ আৰু ১৯৪২ চনত মই যোৰহাট জেলত থাকোতে গোটেই অসমৰে প্ৰায় মূৰ জিলিকা কংগ্ৰেছ কৰ্মীসকলৰ সৈতে একেলগে আছিলো। তদুপৰি ১৯৪২ চনত শেষ ভাগ মৌলবী বজাৰ দেশত আৰু ১৯৪৩ চনতো মই শ্ৰীহট্ট জেলত কটাব লগীয়া হৈছিল। সেই কাৰণে স্বাধীনতা আন্দোলনৰ ব্যাপকতা আৰু তীব্ৰতাৰ এটা মোটামোটি ধাৰণা কৰিব পাৰিছিলো।

১৯২১ চনত নবীনচন্দ্ৰ বৰদলৈ আৰু কুলধৰ চলিহাৰ জেলৰ ভিতৰত প্ৰাণ তৰ্ক হৈছিল যে কামৰূপৰ বকোত আন্দোলন তীব্ৰতৰ হৈছিলনে যোৰহাটৰ জাঁজীৰ বামুণ পুখুৰীত হৈছিল, এই বিষয় লৈ উৎপীড়ণ অসমৰ কোন ঠাইত পুলিচে কংগ্ৰেছৰ স্বেচ্ছাসেৱকসকলক বেছি উত্যপীড়ণ কৰিছিল সেই বিষয়েও তেওঁলোকে আলোচনা কৰিছিল। এই কথা থিক যে বকো আৰু জাঁজী বামুণ পুখুৰীত বৃটিছ ৰাজৰ শাসন কেইমাহমান নাছিল বুলিয়েই ক'ব পাৰি। এই দুয়োখন ঠাইৰ ল'ৰা- ছোৱালী, ডেকা-গাভৰুআৰু বুঢ়া-বুঢ়ী সকলোটিয়ে আন্দোলনত যোগ দিছিল। তেওঁলোকে বিদেশী কাপোৰ বৰ্জন

কৰিছিল আৰু ঘৰে ঘৰে সূতা কাটিছিল। ছাত্ৰ-ছাত্ৰীসকলে স্কুল-কলেজ বৰ্জন কৰিছিল আৰু সেই ঠাইৰ ৰাইজে পঞ্চায়ত পাতি কাছাৰীলৈ নগৈ নিজৰ ভিতৰতে বিবাদ- বিপত্তিবোৰ নিষ্পত্তি কৰিছিল। সেই সময়ত ডিব্ৰুগড়ত আন্দোলনৰ নেতৃত্ব দিছিল লক্ষেশ্বৰ বৰুৱা, ৰজনীকান্ত বৰুৱা, শ্যাম চৌধুৰী আৰু যোগেশ চন্দ্ৰ গোহাঁয়ে। উত্তৰ লক্ষীমপুৰত সর্বেশ্বৰ বৰুৱাই অসহযোগ আন্দোলনৰ গুৰি ধৰিছিল আৰু কিছুদিনৰ পাছত তেজপুৰৰ পৰা হেম হাজৰিকা আহি যোগ দিছিলহি। শিৱসাগৰত ভুৱন চন্দ্ৰ গগৈ, দুর্গাপ্ৰসাদ বৰঠাকুৰ, যাদৱ প্ৰসাদ চলিহা, লক্ষীকান্ত বৰুৱা (মাখন উকীল) আৰু প্ৰিয়নাথ বৰুৱা, যোৰহাটৰ কুলধৰ চলিহা, কৃষ্ণনাথ শর্মা, হেমনাথ ফুকন, ৰামেশ্বৰ ভট্টাচার্য, চাৰিগাৱঁৰ লক্ষেশ্বৰ বৰুৱা, ৰোহিনীকান্ত হাতীবৰুৱা, বিদ্যাধৰ শর্মা, বেদ বৰঠাকুৰ (নাজিৰাৰ), সর্বেশ্বৰ বৰচেতিয়া, মহেশ্বৰ বৰকটকী, শশীধৰ মলিয়া বৰুৱা, হেম শর্মা আৰু এই লিখক, যোৰহাটৰ ৰাজেন্দ্রনাথ বৰুৱা, শঙ্কৰ বৰুৱা, নগাৱঁত পণ্ডিত কনক চন্দ্ৰ শর্মা, বৃন্দাৱন চন্দ্ৰ গোস্বামী, ধর্মকান্ত শর্মা, মুহিধৰ বৰা, জখলাবন্ধাত গণেশ চন্দ্ৰ বৰঠাকুৰ আৰু তেখেতৰ পৰিবাৰ গুণেশ্বৰী দেৱী, গুৱাহাটীত তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, ৰোহিনী কুমাৰ চৌধুৰী গোপীনাথ বৰদলৈ, মহম্মদ তৈয়বুল্লা, সিদ্ধিনাথ শর্মা, বৰপেটাত ধনীৰাম তালুকদাৰ, দেৱেন উজীৰ, দেৱেন্দ্রনাথ শর্মা, তেজপুৰৰ চন্দ্রনাথ শর্মা, জ্যোতি প্ৰসাদ আগৰৱালা, মহাদেৱ শর্মা, অমিয় কুমাৰ দাস, লক্ষীধৰ শর্মা আৰু মঙ্গলদৈৰ কুমুদৰাম বৰা আদি লোকসকলে (মোৰ যিমানদূৰ মনত আছে) চ'ত মহীয়া ঘৰ পোৰা জুইৰ দৰে অসহযোগ আন্দোলনৰ জুইকুৰা দপদপকৈ জ্বলাই তুলিছিল। ওপৰত উল্লেখ কৰা সকলো লোকেই কাৰাবৰণ কৰিছিল। ইয়াৰ ভিতৰত ডিব্ৰুগড়ৰ পৰা গোলাঘাটলৈ ৰাজনৈতিক বন্দীসকলক, নগাৱঁৰ পণ্ডিত কনক চন্দ্ৰ শর্মা বৃন্দাৱন গোস্বামী প্ৰমুখ্যে সাতজন আৰু গুৱাহাটীৰ নবীনচন্দ্ৰ বৰদলৈ প্ৰমুখ্যে কেইজনমানক ১৯২১ চনত যোৰহাট জেলত ৰখা হৈছিল।

হাট বজাৰত পিকেটিং: এবছৰৰ ভিতৰতে স্বৰাজ হ'ব বুলি গান্ধীজীয়ে যি উক্তি কৰিছিল সেই ভিত্তিতে অসমত অসহযোগ আন্দোলন আৰম্ভ কৰা হয়। কংগ্রেছৰ নির্দেশমতে ঘৰমুৰি এটকাকৈ তিলক স্বৰাজ পুঁজিলৈ টকা তোলা হৈছিল। ৰাইজে যদি সত্য আৰু অহিংসাৰ পৰামর্শ অলপো ইফাল সিফাল নকৰি, সম্পুর্ণ ৰূপে মানি লৈ সেইমতে কাম কৰি যায়, তেন্তে এবছৰৰ ভিতৰতে স্বৰাজ হ'ব বুলি গান্ধীজীয়ে তেখেতৰ ইয়ং

'ইণ্ডিয়া' (Young India)কাকতৰ যোগে প্ৰবল ভাৱে প্ৰচাৰ কৰিছিল। কংগ্ৰেছৰ পৰা আহ্বান আছিল স্কুল-কলেজ, আদালত কাউন্সিল আদি বৰ্জন কৰি আন্দোলন সবল কৰিব লাগে আৰু বাইজক সুস্থ পথে আগবঢ়াই নিব লাগে। কংগ্ৰেছ কৰ্মীসকলে বিদেশী বস্তু বৰ্জন , সুতা কটা , মাদকতা নিবাৰণ, সাম্প্ৰদায়িক মিলন আদি আঁচনি লৈ প্ৰায় সকলো গাঁৱতে সোমাই পৰিছিল ছাত্ৰসকলেও স্কুল-কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিলেহি আৰু নগৰে গাৱঁে প্ৰায় সকলো ঠাইতে কংগ্ৰেছ সংগঠনৰ যোগেদি বাইজৰ মাজত অভূতপূৰ্ব উত্যসাহ উদ্দীপনা সৃষ্টি হ'ল। প্ৰতি গাৱঁত নহলেও অন্তত : প্ৰতি মৌজাৰ একোটাকৈ 'কংগ্ৰেছ অফিচ' পতা হ'ল আৰু স্বেচ্ছাসেৱক ভৰ্তি কৰা হ'ল। ভালেমান ঠাইত ইংৰাজ কোম্পানীৰ বাগিচাৰ মাজৰ হাট বজাৰবিলাক তুলি আনি বাগিচাৰ বাহিৰে চৰকাৰী আলিৰ কাষত পতা হৈছিল। যোৰহাটৰ মেলেংহাট এইদৰে তুলি অনাটো এটা উল্লেখযোগ্য ঘটনা, ইয়াত একপ্ৰকাৰ শক্তিৰ পৰীক্ষা চলিছিল। হাতীগড়ৰ বুঢ়াগোহাঁই খাটৰ হৰনাথ বৰগোহাঁই আৰু উকীল গোলোক বৰুৱা, ককায়েক ৰত্নধৰ বৰুৱাই স্বেচ্ছাসেৱক ৰূপেই বাগিচাৰ হাট বন্ধ কৰা পিকেটিং কৰা কাৰ্যত যোগদান কৰিছিল।

১৯২১ চনত সুতা কটা আৰু নিজে কাপোৰ বৈ লোৱাৰ বাহিৰে আত্ম নিৰ্ভৰশীলতা আৰু স্বাৱলম্বিতাৰ ওপৰত বৰকৈ জোৰ দিয়া হোৱা নাছিল এটা কথা সুস্পষ্টকৈ দেখা গৈছিল যে চনত আমাৰ মানুহে খেতি বাতি আৰু শাক পাচলি উৎপন্ন কৰাত বেছি গুৰুত্ব দিছিল।

সেই সময়ত অসমত তৰুণৰাম ফুকন , নবীনচন্দ্ৰ বৰদলৈ এই দুজন অবিসম্বাদী নেতা আছিল।

তিলক স্বৰাজ ভঁৰাললৈ টকা তোলা আৰু কংগ্ৰেছৰ সভ্য কৰা প্ৰধানকৈ এই দুটা কাম লৈয়ে কংগ্ৰেছৰ কৰ্মীসকল বিভিন্ন মৌজা আৰু গাৱঁত সোমাই পৰিছিল। এই টকা কোন প্ৰদেশত কিমান তুলিব তাক কংগ্ৰেছে ধাৰ্য কৰি দিছিল। নগৰত কৰা প্ৰধান কাম আছিল কানি , ভাং আৰু মদৰ মহলৰ আগত পিকেটিং কৰিছিলো। মদৰ মহলৰ আগত মই নিজেও ভালেদিন পিকেটিং কৰা। মদৰ মহলদাৰে ওখ শকত ক'লা দেচুৱালী দগবাজ গুণ্ডা মানুহ এটাক মদ খুৱাই আমাক নানা ৰকমে অপমান আৰু উপদ্ৰৱ কৰিবলৈ লগাই দিছিল। মহলদাৰ পক্ষৰ পৰা বিচাৰিছিলে যেনেতেনে এটা গোলমালৰ সৃষ্টি কৰা , আৰু আমাৰ যত্ন আছিল কোনো গণ্ডগোল নোহোৱাকৈ কাম কৰা

আমাৰ লক্ষ্য কেতিয়া পূৰ্ণ হব তাক আমি নাজানিছিলো , কিন্তু লক্ষস্থানত উপনীত হবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰিছিলোহঁক।

চৌৰীচৰা ঘটনাৰ পিছত যেতিয়া গান্ধীজীয়ে আইন অমান্য আৰু অসহযোগ আন্দোলন বন্ধ কৰাৰ কথা ঘোষণা কৰিলে , তেতিয়া ভাৰতৰ জনসাধাৰণৰ মন ভাগি পৰিছিল। ভাৰতীয়সকলৰ মনলৈ তেতিয়া এক নিৰুৎসাহ আৰু অৱসাদৰ ভাৱ আহিছিল। এবছৰৰ ভিতৰতে স্বৰাজ হ'ব বুলি বহুত লোকেই পাঁচ দফীয়া আঁচনি লৈ (যেনে : চৰকাৰৰ লগত সম্পূৰ্ণ অসহযোগিতা , মাদকতা নিবাৰণ, বিলাতী বস্তু বৰ্জন, পঞ্চায়ত গঠন আৰু জাতীয় স্কুল স্থাপন , আইন আদালত বৰ্জন ইত্যাদি) পূৰ্ণ উদ্যমে দেশৰ কামত লাগিছিল, কিন্তু সত্যাগ্রহ বন্ধ হোৱাৰ পাছত মানুহৰ সেই উদ্যম পানী ঢলা জুইৰ দৰে চেঁচা পৰি গ'ল।

অসহযোগ আন্দোলনৰ পার্শ্বজ্যোতি : অসহযোগ আন্দোলনৰ কাম তীব্র গতিৰে আগবাঢ়ি যোৱাৰ লগতে গান্ধীজীৰ বাণীও গাঁৱে-ভূঁয়ে প্রচাৰ কৰা হৈছিল। সকলো সময়তে এই কাম কৰা সহজসাধ্য নাছিল। যি ঠাইত কেৰেণী , মহৰী নাইবা চাপ্রাচী-চকীদাৰ আদি চৰকাৰী কৰ্মচাৰী আছিল সেই ঠাইতে অসহযোগৰ কাম কৰা কষ্টসাধ্য আছিল। এই প্রসংগত মোৰ মনত পৰা কথা এটা দাঙি ধৰিলো। যোৰহাটৰ পৰা প্রায় ৪ মাইল পূৰ্বে ঘৰফলীয়া সম্প্রদায়ৰ তিনিখন গাওঁ আছে। মই কেইজমান সহকৰ্মীৰে সৈতে তালৈ গৈ তিনি মাহত তিনিবাৰমান কংগ্রেছ কমিটি গঠন কৰিছিলো। আমি যোৱাৰ সময়ত তাত ৰাইজ গোট খাই থাকে। তেতিয়া আমি ৰাইজক গান্ধীজী আৰু অসহযোগৰ কথা বুজাই কওঁ। ৰাইজেও আমাৰ কথাত হয়ভৰ দি কংগ্রেছ কমিটি গঠন কৰিবলৈ ৰাজী হৈছিল। পিছে সেই গাঁৱত যোৰহাটৰ জংঘলী বিভাগৰ অফিচত কাম কৰা চাপ্রাচী এজন আছিল। তেওঁ গাঁৱৰ মানুহবিলাকক বুজাই দিলে যে কংগ্রেছৰ সভ্য হ'লে চৰকাৰে ধৰি বান্ধি বৰ ঘৰত (অর্থাৎ জেলত) সুমাই থ'ব আৰু শাস্তি দিব। তেওঁৰ ফুচুলনিত মানুহৰ মন ঘুৰি যায়। সেই গাওঁখনলৈ আমি তিনি চাৰিবাৰ গৈয়ো কেৱল সেই এজন মানুহৰ প্রতাপত কংগ্রেছ কমিটি গঠন কৰিব নোৱাৰিলো। অৱশ্যে এনেকুৱা হোৱাৰ প্রধান কাৰণ আছিল যে সেই তিনিখন গাঁৱত পাঠশালা স্কুলত পঢ়া নাইবা নিজৰ চহীটো কৰিব পৰা মানুহো তেতিয়ালৈকে অতি কম আছিল, নাছিল বুলিয়েই ক'ব পাৰি।

চেনিৰাম বাগিচাখন যোৰহাট নগৰৰ পৰা চাৰে তিনি মাইল আঁতৰত। এৰেঙ্গা তেলেঙ্গা নামৰ ফাল্টু বনুৱা এজনক বাগিচাত গান্ধীৰ কথা কৰলৈ পঠোৱা হৈছিল। এই কথা গম পাই বাগিচাৰ মেনেজাৰে তেওঁ বাগিচাত অনধিকাৰ প্ৰৱেশ কৰিছে বুলি পুলিচৰ দ্বাৰাই বনুৱাজনৰ ওপৰত আদালতত গোচৰ এটা তৰাই এৰেঙ্গাক ৩ মাহ সশ্ৰম ফাটেক দিছিল ৰাজখোৱা হাকিমে মই আচামীৰ পক্ষ অৱলম্বন কৰ প্ৰকৃততে আইনৰ চকুত এৰেঙ্গা নিৰ্দোষী আছিল যদিও খালাচ কৰাব নোৱাৰিলো। এই ঘটনাই সেই সময়ৰ এটা আভাষ দিয়ে।

কংগ্ৰেছৰ স্বেচ্ছাসেৱকসকলক পুলিচে বৰ দৌৰাত্ম কৰিছিল। পুলিছে সততে তেওঁলোকৰ পাছ লৈছিল। ইয়াৰ ফলত ৰাইজে আমাৰ ওচৰ চাপিবলৈ সংকোচ বোধ কৰিছিল। অৱশ্যে পুলিচলৈ ভয় নকৰি পুলিচৰ চিপাহীকো কংগ্ৰেছ দলত ভুক্ত কৰাৰ চেষ্টা যে কোনো কোনো গাঁৱত নহৈছিল এনে নহয়।

যোৰহাটৰ ১৯২২ চনৰ এদিনাখনৰ কথা এটা মনত পৰিলে মোৰ অকলে হাঁহি উঠে। তেতিয়া টাউন হেল্ডাৰ আছিল এজন শকত আৱত খামীদাজ মানুহ। তেওঁৰ কাম আছিল কোনে ক'ত স্বেচ্ছাসেৱক দলত ভৰ্ত্তি হৈছে আৰু কোনে "তিলক স্বৰাজ" পুজিলৈ টকা দিছে সেইবিলাক চান্দি ফুৰা। যোৰহাট চক বজাৰত গঙ্গাধৰ কালোৱাৰ নামৰ মাতব্বৰ বিহাৰী গেলামালৰ দোকানী এজন আছিল। যোৰহাট নগৰত তেতিয়া থকা মুষ্টিমেয় বিহাৰী লোকৰ ভিতৰত (মদৰ মহলদাৰজনৰ বাহিৰে) এই দোকানীজনৰে বেছি প্ৰতিপত্তি আছিল। তেওঁৰ জৰিয়তে কংগ্ৰেছৰ কামত আমি বহুতদূৰ আগবাঢ়িছিলো এদিন এই টাউন হেল্ডাৰজনে বাটৰ পৰা গঙ্গাধৰ কালোৱাৰৰ জীয়েক পৰমেশ্বৰীক ধমক দি ক'লে - " এই পৰমেশ্বৰী, এই পৰমেশ্বৰী , তই বোলে ভলণ্টিয়াৰ হৈছ ? " পৰমেশ্বৰীয়ে ভিতৰৰ পৰা চোতাললৈ ওলাই আহি হেল্ডাৰ প্ৰবৰক , মুখখন কাটি কৰি লৈ কেৰা কৈ চাই ৰূঢ়স্বৰে সমিধান দিলে - " ভৈলি ত ভৈলি , ভেলেণ্টেৰীয়া ভৈলি , তোহাৰ কা ভৈল হ।" এই বুলি পৰমেশ্বৰীয়ে হেল্ডাৰলৈ যেই চোঁচা ল'লে হেল্ডাৰে একো নেমাতি টোৱোক টোৱোক কৈ প্ৰস্থান কৰিলে।

মাজুলীত অসহযোগৰ প্ৰচাৰ : মাজুলীত যেতিয়া পোন প্ৰথমবাৰৰ বাবে অসহযোগৰ বাণী প্ৰচাৰ কৰিবলৈ যাওঁ, কেনেকৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ

গ'লো সেই কথা মোৰ স্পষ্টকৈ মনত নাই। প্রায় বেলি পৰাৰ সময়ত আমি কমলাবাৰী থানাৰ ওচৰ পালোগৈ। লগত আছিল গুণনাথ বৰঠাকুৰ আৰু কোনোবা এজন স্বেচ্ছাসেৱক (তেওঁৰ নাম এতিয়া মোৰ মনত পৰা নাই)। গধূলি হোৱাত তাৰ পৰা আমি গড়মূৰ সত্রলৈ আগবাঢ়ি যাব নোৱাৰিলো। বাটত বনৰীয়া হাতী ওলাই বুলি থানাৰ ওচৰৰ মানুহে যাবলৈ মানা কৰিছিল।

তাৰ কিছু দিনৰ আগতে কমলাবাৰী আৰু গড়মূৰ সত্রৰ মাজৰ গড়কাপ্তানী আলিটোৰ ওপৰত বনৰীয়া হাতীয়ে মানুহ এজন মৰিছিল সেই ৰাতি আমালৈ বেঠাইগাম ঘৰচোৱা খেৰ এমুঠা পঠাই দিছিল। তাৰে বিচনা কৰি লৈ ৰাতিটো আমি তিনি আলিৰ ওপৰতে কটালোঁ। আমি কংগ্রেছৰ টুপী পিন্ধি যোৱা দেখি ওচৰৰ মানুহে আমাক আলহী ৰাখিবলৈ ভয় কৰিছিল। সেই সময়তে দক্ষিণপাট আৰু আউনি আটী এই শীর্ষস্থানীয় সত্র দুখন কংগ্রেছৰ ঘোৰ বিৰোধী আছিল। মই আৰু গোপী বেজবৰুৱাই সত্র দুখনৰ তেতিয়াৰ সত্রাধিকাৰ দুগৰাকীৰ কংগ্রেছ তথা স্বাধীনতা আন্দোলনৰ বিৰোধী কার্যাৱলীৰ সমালোচনা কৰি এখন মুকলি চিঠি ছপা কৰি প্রকাশ কৰিছিলো।

এই সত্র দুখনৰ বিৰোধিতাৰ কাৰণে ১৯২১ চনত মাজুলীত আমি কংগ্রেছৰ কামত সুচাৰুৰূপে আগবাঢ়িব নোৱাৰিছিলো। কেৱল মাত্র গড়মূৰ সত্রৰ সহায়ত চেলেকা-চুবুৰীয়াকৈ ঠায়ে ঠায়ে কংগ্রেছৰ সভা পাতিছিলোহঁক

সেই সময়তে গড়মূৰৰ সত্রাধিকাৰ পীতাম্বৰদেৱ গোস্বামী প্রভুৱে সমাজ আৰু সত্রসমুহৰ সংস্কাৰ কার্যত বিশেষকৈ আত্মনিয়োগ কৰিছিল। সত্রসমূহৰ দোষ- ত্রুতিবিলাকলৈ স্পষ্টভাৱে আঙুলিয়াই দিয়াত প্রায়সকল সত্রাধিকাৰে তেখেতক সুদৃষ্টিৰে নাচাইছিল। আমি কৰতিপাৰৰ পৰা ঘূৰি আহি গড়মূৰ সত্র সোমোৱাত সত্রাধিকাৰ প্রভুৱে আমাক মৰম আৰু যতন কৰি এৰাতি ৰাখিছিল

আমি অসহযোগ আন্দোলন সম্পর্কে বিশদভাৱে আলোচনা কৰিছিলোহঁক।

মই আচৰিত হৈছিলো যে মাজুলীৰ দৰে আওহতীয়া ঠাইত থাকি তেখেতে গান্ধীজী আৰু অসহযোগ আন্দোলনৰ বিষয়ে আমাতকৈ বেছিহে জানিছিল আৰু উপলব্ধি কৰিছল। অসমীয়া আৰু হিন্দী বাতৰি কাকত তেখেতে নিয়মিত ভাৱে পঢ়িছিল। এই ১৯২১ চনত অধিকাৰ গোস্বামীয়ে মানুহৰ কান্ধত নুঠো বুলি খাটোলা এৰিলে, তাৰ পাছত তেখেতে হাতী বা আন যান-বাহনতহে উঠিছিল , মানুহে ভাৰ বৈ নিয়া খাটোলাত উঠা নাছিল। এই সর্বগুনী মহাপুৰুষ গৰাকীৰ বিষয়ে প্রসঙ্গক্রমে অন্য স্থানত অলপ বিস্তৃত ভাৱে লিখা হৈছে। ইয়াৰ কিছুদিনৰ পাচত মাজুলীৰ কুমাৰ সম্প্রদায়ৰ উঠি অহা

ডেকা আৰু প্ৰথম গ্ৰেজুৱেট কেশৱৰাম ৰাদেৱে অসহযোগ অ দালনত পূৰ্ণ মাত্ৰাই যোগ দিছিল আৰু ১৯২০/২১ চনত তেখেতে ৬ মাহ কাৰাবাস খাটিছিল। পাছত তেখেতে কমলাবাৰী হাইস্কুল আৰম্ভ কৰি বহু বছৰ তাত প্ৰধান শিক্ষকতা কৰিছিল। মাজুলীৰ কমল কটকী আৰু হীৰালাল ঠাকুৰে সদায় যিকোনো ৰাজহুৱা অনুষ্ঠানত আমাক সৰ্বতোপ্ৰকাৰে সহায় সাৰথি কৰিছিল। হীৰালাল ঠাকুৰৰ পিতৃ মাৰোৱাৰী আৰু মাতৃ অসমীয়া। এওঁলোকৰ পৰিয়ালটো হাড়েহিমজুৱে অসমীয়া। হীৰালাল ঠাকুৰে প্ৰতি সপ্তাহতে ৫ টকাৰ পৰা ৭ টকালৈকে ৰূপ যোৱহাট কংগ্ৰেছ অফিচলৈ দান স্ৱৰূপে পঠিয়াই আছিল। কমল কটকীয়ে অসহযোগ আন্দোলনত জেল খাটিছিল।

১৯২১ চনত আমাৰ সংগঠন কাৰ্য: ১৯২১ চনত যোৱহাট তথা সদৌ অসমৰে কংগ্ৰেছ কৰ্মীসকলৰ সংগঠন কাৰ্য সুসংবদ্ধ আছিল। প্ৰতিখন গাওঁ আৰু প্ৰতিটো মৌজাতে একোটাকৈ কংগ্ৰেছ অফিচ স্থাপন কৰা হৈছিল আৰু এই কংগ্ৰেছ অফিচবিলাকত একাধিক কংগ্ৰেছ কৰ্মী প্ৰায়ে দিনে ৰাতিয়ে আছিল। উল্লেখযোগ্য কথা এইটোৱেই যে তেতিয়া কোনো কংগ্ৰেছ কৰ্মীকে বেতন বা পা�ৰিতোষিক দিয়া নহৈছিল। ৰাইজৰ প্ৰকৃত সেৱক হিচাপে তেওঁলোকে গোটেই কামবিলাক চলাইছিল। স্বেচ্ছাসেৱকৰ কাম আছিল গান্ধীজীৰ বাণী আৰু স্বৰাজৰ অৰ্থ আৰু উদ্দেশ্য ব্যাখ্যা কৰা, কপাহ লৈ গৈ গাৱেঁ গাৱেঁ নামমাত্ৰ মূল্যত বিক্ৰী কৰা , সূতা কাটিবলৈ উদগণি দিয়া, কানি, ভাং, মদৰ দোকানত গৈ পিকেটিং কৰা, বিদেশী বস্তু মাদক দ্ৰব্য বৰ্জন কৰিবলৈ বুজাই বঢ়াই মাম্ভি কৰা , গাৱেঁ গাৱেঁ পঞ্চায়ত গঠন কৰা আৰু অস্পৃশ্যতা বৰ্জন কৰা আদি।

তেতিয়া অভিজ্ঞতাৰ পৰা উপলব্ধি কৰিছিলো যে নগৰ পৰা গৈ গাঁৱত সভা এখন পাতি ঘুৰি অহাতকৈ বিভিন্ন গাৱঁতে কেম্প কৰি থাকি সভাৰ পাচত গধূলি তাৰ আশে পাশে থকা মানুহৰ লগত আলোচনা কৰি কংগ্ৰেছৰ বিষয়ে ভালদৰে বুজাই দিলেহে বেছি কাম হয়। এনে কৰিলে ৰাইজে কথা বিলাক ভালদৰে বুজিব পাৰে আৰু আন্দোলন সক্ৰিয় হৈ পৰে। আমি সেইমতেই কাম কৰিছিলো। এই কংগ্ৰেছ কেম্পবিলাকত খোৱা চাউল ৰাইজে দিয়ে। গাৱঁৰ পৰা সামান্য পইচা তুলি কিছু দাইল, নিমখ, তেল আদি কিনা হয়। কোনো লোকে মাটি মাহ এমুঠি দিয়েহি।

দিনত মিটিং কৰিবৰ ৰাবে আমি অনেক সময়ত কেইবামাইলো খোজকাঢ়ি

যাবলগীয়া হৈছে। আৰু সদায় গাৱঁৰ মাজে মাজে যাওঁহক, আলি থাকিলে মুকলি পথাৰ বা হাবিৰ মাজেদি নেযাওঁ। গাৱঁৰ মাজেদি শোভাযাত্রা কৰি যাওঁতে বিহুত ডেকা-গাভৰু আৰু আদহীয়া লোকে আমাৰ লগ ধৰিছিল আৰু ক্রমে তেওঁলোক অনুপ্রাণিত হৈ আমাৰ স্বেচ্ছাসেৱকৰ দলত ভর্ত্তি হৈ পৰিছিল। দিনৰ সভাত যিমান মানুহ গোট খাই, গধূলি আমি থকা কেম্পত তাতকৈ অলপ কম হয়। সন্ধিয়া লাগিলেই গাৱঁৰ মানুহে আহি কেম্পত বহেহি আৰু কথন মথন আৰম্ভ হয়। এই উপায়েৰে কানীয়াক কানি এক্কাটো কিছু পৰিমানে সহজ হয়।

তেতিয়া মই জেলত নতুনকৈ ধৰি নি জেলত দিয়া সহকর্মীসকলৰ পৰা শুনিবলৈ পাইছিলো যে মানুহে প্রতি মৌজাতে (কোনো ঠাইত দুটা মৌজা গোট খাই) চান্দা তুলি মাহ প্রসাদ গোটাই ৰাজহুৱা ৰৰসবাহ পাতিছিল আৰু অনেক সময়ত পুলিচে গৈ এনেবিলাক ধর্ম সম্পকীয় কামটো ৰভা পৰলা ভাঙি লণ্ড ভণ্ড কৰি মানুহক মৰিয়াই খটিয়াই জোৰ জুলুম কৰিছিল। সেই ৰাজহুৱা ৰৰসবাহ বিলাক পতাৰ অৰশ্যে অন্তর্নিহিত উদ্দেশ্য আছিল ৰাজনীতি আলোচনা কৰা আৰু ৰাইজে একগোট হৈ মুঠ বন্ধা। চৰকাৰৰ চোৰাংচোৱা পুলিচে এই কথা ছানিবলৈ বেছি দিন নলাগিছিল। কিন্তু উল্লেখযোগ্য কথা এইটোহে যে সেই সময়ত কংগ্রেছৰ পন্থা অৱলম্বন কৰা অধিকাংশ লোকৰেই পুলিচলৈ বা জেললৈ ভয় নাইকীয়া হৈছিল।

১৯২১ চনৰ জানুৱাৰী মাহত মিলিটেৰী গোর্খা পল্টন এটাই লগতএজন মেজিষ্ট্রেট সহ যোৰহাট নগৰৰ পৰা ওলাই গৈ প্রথমতে চাৰিগাৱঁৰ কংগ্রেছ অফিচটো কাটি বগৰাই পেলাই দিয়ে আৰু স্থানীয় বহুলোকৰ পাইকাৰী জৰিমণা Punitive tax আদায় কৰে। এইদৰে য'তে, বেছি সক্রিয় আৰু শক্তিশালী কংগ্রেছ কমিটি আৰু কার্যালয় আছিল সেইবিলাক এই মিলিটেৰী দলটোৱে এপিনৰ পৰা কাটি ভাঙি খান্তাং কৰি যাবলৈ ধৰিলে আৰু য'তে ঘৰ ভাঙিছিল ত'তে পাইকাৰী জৰিমণা আদায় কৰা হৈছিল। প্রায় প্রতিঘৰ মানুহতে ৫০ টকাৰ পৰা ১০০ টকালৈকে ইচ্ছামতে জৰিমণা কৰা হৈছে বুলি শুনাই দি তুৰন্তে টকা খোজে। দিব নোৱাৰিলে ঘৰৰ ভিতৰ সোমাই আ-অলংকাৰ আদি লুট কৰি লয় - আৰু লগতে ভালেমান বয়-বস্তুও ভাঙি-ছিণ্ডি নষ্ট কৰি থৈ যায়।

পাচলৈ পুলিচৰ জুলুম ইমান বেছি হৈছিল যে পুলিচৰ প্রতাপত গান্ধী টুপী পিন্ধা লোকে বাটেদি যাব নোৱাৰা হৈছিল। গাৱঁলৈ যাবলৈ হ'লে আমি পথাৰ

কিম্বা হাবিৰ মাজৰ বাটেদিহে গৈছিলোঁ। আমাৰ কেইজনমানক পুলিচে পিয়াপি দি বিচাৰি ফুৰিছিল ।

১৯২১ চনৰ মাঘৰ বিহুৰ কেইদিনমানৰ আগত নাজিৰাৰ বেদ ৰৱঠাকুৰে আৰু মই কাহ্নত খদ্দৰৰ খামটি মোনা (Haversac) তিয়নী আৰু গামোচা লৈ আৰু একোখন বিহাৰী হাতে কটা নোমৰ কম্বল গাত পেলাই লৈ হাবিৰ মাজৰ বাটেদি নকছাৰী মৌজাৰ ফালে যাত্ৰা কৰিলোঁ। নকছাৰী থানাৰ কাষতে দোৰ চুলতান নামৰ এজন মুছলমান কংগ্ৰেছ খিলাফত কমীৰ ঘৰত ৰাতিটো কটালোঁ - হিন্দুৰ ঘৰত থাকিলে পুলিচে বিচাৰিব পাৰে আৰু গৃহস্থক জুলুম কৰিব পাৰে বুলি বিবেচনা কৰি আমি হিন্দুৰ ঘৰত নাথাকিলোঁ। শেষলৈকে নকছাৰীৰ ফাৰহাদ আলি আৰু দোৰ চুলতান দুয়োজন কংগ্ৰেছৰ সমৰ্থক আছিল।

যোৰহাট থানাৰ অ'চিয়ে ১২ জন বন্দুকধাৰী চিপাহী লৈ আমাৰ ঘৰত উপস্থিত হ'লগৈ, আৰু ফৌজাদাৰী সংশোধিত আইনৰ ১৭ (ক) ধাৰা মতে মোক গ্ৰেপ্তাৰ কৰা হৈছে বুলি মোক তেওঁলোকৰ লগত থানালৈ আহিবলৈ প্ৰস্তুত হ'বলৈ ক'লে। সেইদিনা এই অ'চিজনে চাৰিগাৱঁৰ লক্ষেশ্বৰ বৰুৱাকো (যাক পাছলৈ "ৰাষ্ট্ৰপতি" বোলা হৈছিল) গ্ৰেপ্তাৰ কৰিবলৈ পৰোৱানা (Warrent) লৈ গৈছিল। মোক গ্ৰেপ্তাৰ কৰি লৈ গৈ ট্ৰাঙ্ক ৰোডৰ চাৰিগাৱঁৰ আলিমূৰ পাওঁতেই লক্ষেশ্বৰ বৰুৱাক গ্ৰেপ্তাৰ কৰি লৈ যাব লাগে বুলি ক'লে। মই ক'লো "লক্ষেশ্বৰ বৰুৱা ঘৰত নাই তেওঁ মাজুলীলৈ গৈছে। তেওঁৰ ঘৰৰ পৰা দুমাইলমান হ'ব।" তেতিয়া দাৰোগাজনে ক'লে " আহিলো যেতিয়া এবাৰ বিচাৰি অহাই ভাল হ'ব।" মই ক'লো-"সেইটো আপোনাৰ ইচ্ছা। তেতিয়া

দাৰোগাজনে ক'লে- "চিপাহী লগত নিনিয়াকৈ আপুনিয়ে ময়ে চাইকেলেৰে গৈ তেওঁ খবৰ কৰি আহিলে গাৱঁৰ মানুহে কিবা দিগদাৰি কৰিব নেকি ?" মই ক'লো- "মই লগত থাকিলে আপোনাৰ কোনো চিন্তাৰ কাৰণ নাই "। তেতিয়া চিপাহী ১২ জনক চাৰিগাৱঁৰ আলিৰ মূৰত ৰাখি ওচৰৰ মানুহৰ ঘৰৰ পৰা চাইকেল দুখন আনি লক্ষেশ্বৰ বৰুৱাৰ ঘৰলৈ গলোহঁক। তাৰ পৰা প্ৰায় আঢ়ৈ মাইল দূৰ হ'ব। লক্ষেশ্বৰ বৰুৱা ঘৰত নাছিল। তেওঁ মাজুলীলৈ যোৱাটো সঁচা। তেতিয়া আমি দুয়ো উভতি আহিলো আৰু ময়ো সন্ধিয়াৰ আগে আগে জেলৰ ভিতৰ সোমালো।

ভাৰতে কেনেকৈ স্বাধীনতা লাভ কৰিলে সেই বিষয়েআমাৰ উঠি অহা ডেকা গাভৰুসকলে আৰু ছাত্ৰ- ছাত্ৰীবিলাকে নেজানে অথবা তাৰ এটা বিকৃত বিৱৰণহে সততে শুনিবলৈ পায়। যেনে- দ্বিতীয় মহাসমৰ, বোম্বাইত নৌ বিদ্রোহ ইত্যাদি। মোৰ বোধেৰে আমাৰ স্কুল-কলেজবিলাকত ১৯১৭ চনৰ পৰা ১৯৪৭ চনৰ ১৫ আগষ্টলৈকে ভাৰতৰ সত্য আৰু বিস্তৃত বুৰঞ্জী বাধ্যতামূলক পাঠ্যপুথি হ'ব লাগে। দ্বিতীয়ত : যি উপায়েৰে প্ৰবল পৰাক্ৰমী আৰু অত্যাচাৰী বিদেশী চৰকাৰৰ পৰাধীনতাৰ শিকলি ছিণ্ডি ভাৰতে মুক্তি লাভ কৰিলে, সি পৃথিবীৰ ইতিহাসতে অভিনব আৰু আচৰিত। গান্ধীজীৰ নেতৃত্বত সত্য আৰু অহিংসাৰ পথ অৱলম্বন কৰি ভাৰত স্বাধীন হ'ল। এই আন্দোলনে প্ৰমাণ কৰিলে যে পাশৱিক শক্তিতকৈ আধ্যাত্মিক শক্তি বেছি শক্তিশালী। আৰু ভাৰতৰ মুক্তি আন্দোলনে যুগ যুগান্তৰ উজ্বল পটভৰ দাণ্ডি ধৰিলে যে উপায় আৰু লক্ষ্য (Means and ends) শুদ্ধ আৰু সত্য হ'লে, আৰু নৈতিকতাৰ ভেটিত প্ৰতিষ্ঠিত হ'লে জয় অৱশ্যম্ভাবী। ই প্ৰমাণ কৰিলে যে হিংসাত্মক বিপ্লবতকৈ অহিংস বিপ্লবৰ শক্তি বেছি। সিদিনা মহাযুদ্ধৰ পাছত বিশ্বৰ যিবিলাক দেশে যুদ্ধ-বিগ্ৰহৰ জৰিয়তে স্বাধীনতা লাভ কৰিলে সেইবিলাকে দেশৰ অধিকাংশতে জনসাধাৰণৰ গণতান্ত্ৰিক স্বাধীনতা লোপ পালে বা পাবলৈ ধৰিছে। কিন্তু গান্ধীজীৰ নেতৃত্বত সত্য আৰু অহিংসাৰ পথেদি ভাৰতে লাভ কৰা সমাজতান্ত্ৰিক গণতন্ত্ৰ ভাৰতত আজিও বৰ্ত্তি আছে আৰু আগলৈকো বৰ্ত্তি থাকিব বুলি আশা কৰিবৰ যথেষ্ট কাৰণ আছে।

১৯২১ চনৰ জেইলৰ অৱস্থা :- জেলৰ ভিতৰত সোমাই যোৰহাট, শিৱসাগৰ আৰু গোলাঘাটৰ ভালেমান সহকৰ্মীক লগ পালো। কেইদিন মানৰ ভিতৰতে জেলত ৰাজনৈতিক কিম্বা আন কয়দী ৰাখিবলৈ ঠাই নটা হৈ পৰিছিল - মোক গ্ৰেপ্তাৰ কৰি নিয়াৰ সময়ত যোৰহাট জেলত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, শিৱসাগৰৰ ভুৱনচন্দ্ৰ গগৈ, দুৰ্গা প্ৰসাদ বৰঠাকুৰ, যাদৱ প্ৰসাদ চলিহা, লক্ষীকান্ত বৰুৱা (মাখন উকিল), মাজুলীৰ কেশৱৰাম বৰা আদি ভালেমান ৰাজনৈতিক বন্দী আছিল। মই জেলত কিছুদিন থকাৰ পিছতে নগাঁৰৰ পৰা বৃন্দাবন গোস্বামী, পণ্ডিত কনক চন্দ্ৰ শৰ্মা, কমলানন্দ ভট্টাচাৰ্য্য, ধৰ্মকান্ত শৰ্মা প্ৰমুখ্যে ৭ জন ৰাজনৈতিক বন্দীক গ্ৰেপ্তাৰ কৰি আনে। তেওঁলোকে জেলৰ ভিতৰত নিজে ৰান্ধি বাঢ়িহে খাইছিল। সেইদিনত (১৯২১/২২ চনত) জেলৰ আভ্যন্তৰীণ সকলো কথাই ১৯৩০/ ৩৩ কিম্বা ১৯৪০/৪২ চনৰ অৱস্থাতকৈ একেবাৰেই বেলেগ আছিল। ১৯২১ চনত জেলত আমাৰ প্ৰতিজন কয়দীকে দুটাকৈ ডাঙৰ লোহাৰ মেলাহী বাতি দিছিল। সেই দিনৰ জেইলখানাৰ সকলো

ব্যৱস্থাই শাস্তিমূলক। তেনে-পবিত্রম কবিব লাগে অশেষ, খাবঁতল পাই কম আৰু সিও নিকৃষ্ট ধৰণৰ। শুব লাগে ওখ মাটিৰ ভেটিৰ ওপৰত আৰু গাকও মাটিৰ ভেটিয়েই। মাত্র দুখন কম্বল দিছিল, এখন পাৰি ল'ৰলৈ আৰু এখন গাত ল'ৰলৈ। সেইদৰে লোহাৰ বাতি দুটাও শাস্তিমূলক ব্যৱস্থাৰে এটা নিদর্শন বুলি ক'ব পাৰি। খাই বৈ উঠি অলপ পৰ বৈ দিলেই এই লোহাৰ বাতিবোৰত বেগেতে বঙচুৰা মানুহ উঠে। এই লোহাৰ বাতিত মানুহ নুঠাকে বথা সুকঠিন অথচ বাতি চকচকীয়া পৰিষ্কাৰ নহে মানুহে ধৰাটোও জেইলখানাৰ এটা দণ্ডনীয় অপৰাধ। জেইল চুপাৰিণ্টেণ্ডেণ্ট দেওবাৰৰ বাদে প্রতি দিনেই জেইল পৰিদর্শন কৰিছিল। চুপাৰিণ্টেণ্ডেণ্ট অহাৰ সময়ত কয়দীয়েই সমুখত কম্বল জাপি লৈ ওচৰতে বাতি দুটা খৈ থিয় হৈ থাকিব লাগে। চুপাৰিণ্টেণ্ডেণ্ট আহি পোৱা মাত্রকে "চবকাৰ চালাম" বুলি সোঁহাতেৰে কপাল চুকি চালাম দি বাওঁহাতেৰে বুকুৰ সমুখত কয়দীৰ টিকটখন (য'ত কয়দীৰ নাম-ধাম আৰু অপৰাধ, মাদ আদিৰ বিতং বিৱৰণ লিখা থাকে) ধৰি থাকিব লাগে যাতে চুপাৰিণ্টেণ্ডেণ্টে কয়দীৰ শাৰী পৰিদর্শন কৰি আওঁতেই কার্ডখন ঘিৰে ঘিৰে পঢ়ি যাব পাৰে। চালাম দিয়া হৈ গ'লেই সোঁহাতখন মুঠি মেলি খালী হাতৰ তলুৱা চুপাৰিণ্টেণ্ডেণ্টৰ পিনে দেখুৱাই থিয় হৈ থাকিব লাগে। ডেকহাট জিলাৰ ৰাজনৈতিক বন্দী সকলে "চবকাৰ চালাম" দিবলৈ অস্বীকাৰ কৰিছিল। তেওঁলোকে কৈছিল যে তেওঁলোক অত্যাচাৰী বিদেশী শাসন অমান্য কৰিবলৈহে জেললৈ আহিব লগা হৈছে। তেনে স্থলত তেওঁলোকে সেই চবকাৰক কিয় চালাম দিব ? আৰম্ভণিতে নানা প্রকাৰৰ জোৰ জুলুম অত্যাচাৰ কৰি আৰু শাস্তি দিও সহযোগী কয়দীসকলক সৈমান কৰাব নোৱাৰি পাছলৈ ৰাই গৈ পোৱাৰ সময়ত এই চবকাৰ চালাম প্রথাটো শিথিল হৈ আহিছিল। তেতিয়া জিলা সদৰ জেলত চিভিল চার্জনজনেই আৰু মহকুমা সদৰ জেলত তাৰ যুগ্ম ডাক্তৰজনেই জেইল চুপাৰিণ্টেণ্ডেণ্টৰ কর্তব্য সম্পন্ন কৰিছিল। নকলেও ই'ব যে তেতিয়া চিভিল চার্জন-বিলাক ইংৰাজ আছিল। আমাৰ ভাৰতীয়ক তেতিয়া একজিকিউটিভ ইঞ্জিনীয়াৰ বা চিভিল চার্জন নাইবা তেনেকুৱা পর্যায়ৰ উচ্চ পদবীৰ চাকৰি দিয়া নহৈছিল।

কয়দীবিলাকৰ ভিতৰত তেতিয়া এ, বি, চি তিনিটা শ্রেণী বিভাগ আছিল সাধাৰণ কয়দী বিলাকক সদায় চি শ্রেণীত ৰখা হৈছিল। বি শ্রেণীৰ কয়দীয়ে কিছুমান বিশেষ সুবিধা পায়। তেওঁলোকৰ খৰা-মেলা আৰু শোৱা মেলা আৰু শোৱা-বোৱাৰ ব্যৱস্থা 'চি' শ্রেণীভুক্তক সামান্য ভাবে উন্নত। 'এ' শ্রেণীৰ কয়দী বিলাকে 'বি' শ্রেণীৰ কয়দীতকৈ বেছি সুবিধা পাইছিল।

১৯২১ চনত আমাৰ ৰাজনৈতিক বন্দীবিলাকৰ ভিতৰত এ, বি, চি শ্রেণীৰ বিভক্ত আছিলনে নাই মোৰ মনত নাই। কিন্তু যোৰহাট জেলত আমাৰ প্রায়বোৰকে একেলগে ৰখা হৈছিল আৰু একে ধৰণৰ ব্যৱহাৰ কৰা হৈছিল পুৱাতে শুই উঠি আমি ৰাজনৈতিক বন্দীবোৰে প্রার্থনা কৰোহঁক। কমৰীৰ নবীনচন্দ্র বৰদলৈদেৱে এই প্রার্থনা লগাই দিয়ে আৰু আমি লগে লগে গাই যাওহঁক। তাৰ অলপ পাছতে আমাক মাৰভাত খাবলৈ দিয়ে অর্থাৎ পানীত খুদ চাউল সিজাই তাতে অলপ নিমখ গুলি দি ৰাতিপুৱা খাবলৈ দিয়ে। দুপৰীয়া ভাত দাইলৰ নামত পানী এজকাত কেইটামান দাইল থকা পনীয়া বস্তু দিয়ে আৰু তৰকাৰী বা ভাজিৰ নামত দিয়ে জেইলৰ বাগিচাৰ খালে চুকে হোৱা কচু বা খুতৰা শাক। তৰকাৰীত প্রায়ে জেলৰ বাগিচাত হোৱা কেঁচা বা ঘাধা শুকুৱা হালধি খুন্দি দিয়া হৈছিল।

আমাৰ ৰাজনৈতিক বন্দীবিলাকৰ ভিতৰত কিছুমানৰ সশ্রম কাৰাদণ্ড হৈছিল আৰু কিছুমানৰ বিনাশ্রমে কাৰাদণ্ডৰ হুকুম হৈছিল। যিবিলাক লোকৰ সশ্রম কাৰাদণ্ড হৈছিল সেই সকলক বাৰুকৈয়ে এশিকনি দিবৰ কাৰণে জেইলাৰে অতিশয় কঠোৰ পৰিশ্রম কৰাইছিল। অথচ তেওঁলোকৰ শতকৰা ৭৫ জনেই দৈনন্দিন জীৱনত ঘৰত পৰিশ্রম কৰা লোক নাছিল। শিৱসাগৰ জেইলত ৰখা কালছোৱাত শংকৰ বৰুৱা আৰু তেওঁৰ লগৰ সশ্রম বন্দীসকলক নগৰৰ পৰা কিছু দূৰত থকা জংঘলৰ পৰা কাঠ কটাই গাড়ীত লাদি গৰুৰ পৰিবর্ত্তে তেওঁলোকৰ দ্বাৰাই টনাই জেললৈ আনিবলৈ বাধ্য কৰিছিল। তদুপৰি তেওঁলোকে জেলৰ ভিতৰত ঢেঁকী দি নিজৰ আৰু অন্যান্য কয়দীৰ কাৰণে চাউল উলিয়াব লাগিছিল। যোৰহাট জেলত ধান বনা আৰু তেলৰ ঘানী ঘূৰোৱাৰ নিচিনা কঠোৰ পৰিশ্রমৰ দুটা কাম ৰাজনৈতিক বন্দীৰ বাধ্যতামূলক কাম আছিল তেলৰ ঘানী ঘূৰাওঁতে ত্যাগবীৰ হেমচন্দ্র বৰুৱা আৰু তেওঁৰ লগৰ কেইজনমান ৰাজনৈতিক বন্দীৰ নাকেদি তেজ ওলাই গৈছিল। চিভিল চার্জন চুপাৰিণ্টেণ্ডেণ্টক এই কথা কোৱাত তেওঁবিলাকৰ কিছুমানক ঘানী ঘূৰোৱা কার্য্যৰ পৰা অব্যাহতি দিয়া হৈছিল। কিন্তু চুপাৰিণ্টেণ্ডেণ্টক আপত্তি কৰাটোও এটা নতুন অপৰাধ হ'ল আৰু সেই বাবে জেইলাৰে তেওঁলোকৰ বাবে নতুন শাস্তিৰ ব্যৱস্থা কৰিলে। জেলৰ ভিতৰত ঘানীৰ সৰিয়হৰ তেল পেৰাই কয়দী এটাৰ কাষ্কত ভাৰ দি ওৱার্ডাৰ এটাই নগৰত ৰাইজক বেচায়।

আমি জেলত থকা ৰাজনৈতিক বন্দীসকলে প্রতিজ্ঞা কৰি লৈছিলোহঁক যে আমাৰ প্রতি যিমানেই অন্যায় অবিচাৰ কৰা হওক লাগিলে আমাৰ কোনো

অসহযোগী বন্দীয়ে চৰকাৰৰ বা জেইলাৰৰ ওচৰত কোনো আপত্তি নকৰে। আমি ইয়াকো স্হিৰ কৰিছিলো যে যি ব্যৱস্হাই আমাৰ আত্ম সম্মানত আঘাত কৰে সেই কার্য্য আমি কৰিবলৈ সন্মত নহও। সেই বিষয়েও আমি মৌনতা অৱলম্বন কৰিম। যেনে আমি "চৰকাৰ চালাম" কৰিবলৈ অস্বীকাৰ কৰিছিলো, কিন্তু সেই বিষয়ে আমি কোনো আপত্তি কৰা নাছিলো। ইয়াৰ দুটা কাৰণ আছিল জেললৈ আমি স্বইচ্ছাৰে গৈছো, যেতিয়া আমাৰ আপত্তি কৰাৰ থল ক'ত। দ্বিতীয়তে আমাৰ আপত্তি যিমানেই যুক্তিপূর্ণ হওক চৰকাৰে আমাৰ কথা মিছা বুলি উৰাই দি জেইলাৰৰ কথাকে সমর্থন কৰাটো দেখ দেখকৈ ওলাই আছিল।

স্বৰাজ লাভৰ উপায়ঃ ১৯২১ চনৰ দ্বিতীয়ার্দ্ধত গান্ধীজীয়ে অসহযোগ আইন অমান্য আন্দোলনৰ সম্পূর্ণ সফলতাৰ নিমিত্তে 'অশেষ যত্ন কৰিছিল, আৰু তেখেতৰ সর্ব শক্তি নিয়োগ কৰিছিল ; কিন্তু পাছত তেখেতে দেখিবলৈ পালে যে এবছৰৰ ভিতৰত স্বৰাজ লাভ হোৱাটো সম্ভৱপৰ নাছিল। হিন্দু মুছলমানৰ একতা, অস্পৃশ্যতা নিবাৰণ আৰু বিদেশী বস্তু বর্জন বা স্বাৱলম্বিতা আর্জন এই তিনিটাই আছিল স্বৰাজ লাভৰ তিনিটা প্রধান স্বৰূপ। গান্ধীজী অসম ভ্রমণত থাকোতে মালাৰাৰত মোপলা বিদ্রোহ আৰম্ভ হয়। সেই কথা বাতৰি কাকতত পঢ়িবলৈ পাই গান্ধীজীয়ে দুখ পালে। মোপলাসকল অতীজত আৰৱৰ সতি সন্তান আছিল। তেওঁলোকে আৰৱ দেশৰ পৰা উঠি আহি ভাৰতৰ পশ্চিম উপকূলৰ মালাৰাৰত বাস কৰিবলৈ ধৰিলে। কিন্তু তেওঁবিলাক ভাৰতীয় জীৱনৰ ঘাই সুঁতিটোৰ লগত খাপ খাই নচলি আছুতীয়া হৈ আছিল। তেওঁলোকৰ অধিকাংশই অশিক্ষিত।

খিলাফত সমস্যাটোনো কি, খায় নে কাণত পিন্ধে তাক তেওঁলোকে নাজানিছিল। তেওঁবিলাক হঠাতে বিদ্রোহী হৈ উঠিল, আৰু ধর্ম যুদ্ধ (Holly war) ঘোষণা কৰি তেওঁলোকে ওচৰ-চুবুৰীয়া হিন্দুবিলাকৰ ওপৰত অত্যাচাৰ কৰিবলৈ ধৰিলে। এই সন্দর্ভত দাক্ষিণাত্যৰ কঠোৰ হিন্দু মনোভাৱ ক্রোমলাই মৈত্রীভাৱ স্হাপনৰ নিমিত্তে গান্ধীজীয়ে বৰ বেগ পাব লগা হৈছিল। এই ক্ষেত্রত গান্ধীজীৰ অসুবিধা আৰু বাঢ়িছিল। কাৰণ হিন্দু-মুছলমানৰ মাজত সাকোঁ স্বৰূপ আলি ভাতৃদ্বয়ে (চৌকত আলি আৰু মহম্মদ আলি) ৰাইজৰ মাজত নাছিল কৰাচী খিলাফত কনফাৰেন্সত মিলিটেৰী সম্পর্কে বক্তৃতা দিয়া অপৰাধত তেওঁলোক দুয়োৰে ফাটেক হৈছিল। এই ভাতৃদ্বয়ক সর্বতোপ্রকাৰে সাহায্য কৰিবলৈ গান্ধীজীয়ে যৎপৰোনাস্তি চেষ্টা কৰিছিল। যি উক্তি কৰাৰ বাবে অপৰাধী গণ্য কৰি আলি ভাতৃদ্বয়ক ফাটেক দিয়া হৈছিল, গান্ধীজীয়ে সেই একে কথাকে

বহু সভাত পুনৰাবৃত্তি কৰিবলৈ ধৰিলে, আৰু একে কথাকে পুনৰ উল্লেখ কৰি স্মাৰক পত্রত নেতৃস্হানীয় লোকসকলৰ চহী লৈছিল। আনকি কংগ্রেছ ৱৰ্কিং কমিটিৰ দ্বাৰাইও সেই একে উক্তিৰে ১৯২১ চনৰ ৯ অক্টোবৰ তাৰিখৰ বোম্বাইৰ বৈঠকত প্রস্তাব গৃহীত কৰা হৈছিল।

এই আন্দোলনৰ সময়ত ভাৰত জুৰি বিদেশী কাপোৰৰ দ'মত জুই লগোৱা হৈছিল। এইদৰে কাপোৰত জুই লগোৱা বিষয়টোত কিছুলোক ক্ষুন্ন হৈছিল। আনকি দীনবন্ধু এন ড্রজৰ নিচিনা লোকে কৈছিল যে যদি এই কাপোৰবোৰ পুৰি পেলোৱা হয় তেনেহলে চাহিদা অনুপাতে কাপোৰৰ যোগান কম হৈ পৰিব আৰু ভাৰতৰ 'মিলত' প্রস্তুত হোৱা কাপোৰৰ দাম বাঢ়ি যাব। তাৰ ফলত দুখীয়া মানুহবোৰে অনেক দুৰ্গতি ভোগ কৰিব লাগিব। গান্ধীজীয়ে তাৰ উত্তৰত এইদৰে কৈছিল–"উৎপন্ন কার্য্যত খৰখেদা কৰাৰ বাবে ধ্বংস কার্যই অতি খৰতকীয়া ব্যৱস্হা। ভাৰতবৰ্ষক যুগ যুগান্তৰৰ এলাহ আৰু কলা ঘুমটিৰ পৰা একমাত্র দুর্দমনীয় চেষ্টা আৰু অতি খৰতকীয়া ধ্বংসৰ দ্বাৰাইহে জগাই তুলিব পাৰিব " গান্ধীজীয়ে আকৌ লিখিছিল– "বিলাতী কাপোৰ পুৰি আমি মিহি আৰু ধুনীয়া বস্ত্রৰ প্রতি থকা নিজকে শাস্তি দিবলৈহে চেষ্টা কৰিছোঁ।"

১৯২১ চনৰ ৯ জানুৱাৰীত "নৱজীৱন" কাকতত গান্ধীজীয়ে লিখিছিল–" যি সকলে এই অহিংস অসহযোগ প্রস্তাৱ গ্রহণ কৰিছে, তেওঁলোকে তলত দিয়া কার্য্যসূচী সম্পূর্ণ কৰিবলৈ বাধ্য।

কার্য্যসূচী

(১) খিতাপধাৰী (Title holders) সকলে খিতাপ এৰিব লাগিব।

(২) চৰকাৰী স্কুলৰ পৰা ছাত্র-ছাত্রীসকলক আনি অভিভাৱকসকলে হয় ঘৰত পঢ়াব নহয় জাতীয় শিক্ষালয় স্হাপন কৰিব লাগিব।

(৩) ১৬ বছৰ বয়সৰ ওপৰৰ ছাত্রই চৰকাৰী স্কুল কলেজত নপঢ়ি অন্য বিষয়ত নিজকে নিয়োজিত কৰিব।

(৪) উকিলসকলে ওকালতি ত্যাগ কৰি ৰাইজৰ সেৱাত আত্মনিয়োগ কৰিব লাগিব।

(৫) ব্যৱসায়ীসকলে বিদেশী বস্তু বেচা-কিনা পৰিত্যাগ কৰিব, আৰু যিমান দূৰ সম্ভৱ সূতা কটা আৰু কাপোৰ বোৱা কামত সহায় সাৰথি কৰিব লাগিব।

(৬) কাউন্সীলৰ সভ্যসকলে কাউন্সিল পৰিত্যাগ কৰিব লাগিব। যি সকলে কাউন্সিল পৰিত্যাগ নকৰে, তেওঁলোকে কংগ্রেছৰ কামৰ কাৰণে আহ্বান জনাব নালাগে।

(৭) বাইজৰ লগত সম্পর্ক স্থাপনত পুলিচ আৰু চৰকাৰী বিষয়াসকল নম্ৰ আৰু সঁচাকথীয়া হ'ব লাগিব। তেওঁবিলাকে ৰাজদ্বৰা সভাত যোগ দিব পাৰিব কিন্তু তেওঁলোকে বক্তৃতা দিয়া উচিত নহব। তেওঁলোকে দেখ দেখকৈ মুক্তি আন্দোলনত চান্দা দিব পাৰিব।

(৮) (স্বৰাজ লাভৰ অর্থে) প্রতি মুনিহ আৰু তিৰোতাই যিমান দূৰ সম্ভৱ নিজৰ স্বার্থ ত্যাগ কৰিব লাগিব।

(৯) সকলোৱে ভালকৈ বুজা বাঁ শান্তি ৰক্ষা কৰিব পৰা আমাৰ সামর্থ্যৰ ওপৰত আমাৰ জয় নির্ভৰ কৰিব। এনে শান্তি অকল চৰকাৰৰ সম্পর্কতে নহয় আমাৰ ভিতৰতো শান্তি সম্পর্ক ৰক্ষা কৰিব পাৰিব লাগিব। শান্তি ৰক্ষাৰ অর্থ কেৱল মাৰপিট নকৰাই নহয়, গালি শপনি পৰাও হ'ব নালাগিব। সকলো হিন্দু-মুছলমানৰ মাজত একতা শক্তিশালী কৰিব লাগিব আৰু অস্পৃশ্যতা পাপ দূৰ কৰিব লাগিব।

এই কাম কেইটা যদি আমি এবছৰতে কৰিব পাৰো, তেন্তে আমি এবছৰৰ ভিতৰতে স্বৰাজ লাভ কৰিব পাৰিম। এই কার্যবিলাক সম্পাদন কৰাত যদি পলম হয়, তেনেহ'লে আমাৰ স্বাধীনতাও সেই অনুপাতে পলম হ'ব।

১৯২১ চনৰ মুখীয়াল কংগ্রেছকর্মী প্রয়াত হেমনাথ ফুকনে লিখামতে বামুণপুখুৰী কংগ্রেছৰ সভাপতি হেমনাথ ফুকন সম্পাদক ১৯২১ কটন কলেজ ত্যাগী ৰামেশ্বৰ ভট্টাচার্য্য আৰু সহকাৰী সম্পাদক দেহিৰাম হাজৰিকা আছিল। সম্পাদক ৰামেশ্বৰ ভট্টাচার্য্য সেই সময়ত যোৰহাটৰ পূৱ অঞ্চলত স্বাধীনতা সংগ্রামৰ প্রাণস্বৰূপ আৰু সভাপতি ফুকন আন্দোলনৰ গুৰিয়াল আছিল। ফুকন ডাঙৰীয়াক সেই সময়ৰ বিচাৰৰ প্রথা অনুযায়ী "জজ আদালতৰ জুৰি" নিযুক্তি দিয়ে যদিও সেই বাব ল'বলৈ অস্বীকাৰ কৰাত তেওঁক গ্রেপ্তাৰ কৰা হয়। বিচাৰত এসপ্তাহ ফাটৈক হয়।

বিলাতী কাপোৰ পোৰাৰ ব্যৱস্থা আৰু কানি, মদ-ভাঙৰ মহলত পিকেটিং কৰা কামৰ দায়িত্ব ৰামেশ্বৰ ভট্টাচার্য্য আৰু নালিয়া গঁগেয়ে সম্পাদন কৰিছিল। কনক চন্দ্র গঁগে আৰু জিনাৰাম গঁগে শিবিৰৰ তত্ত্বাৱধানত আছিল। সম্পাদক দুজনে প্রতিদিনে দহজনকৈ ভলণ্টিয়াৰ সংগ্রহ কৰি পিকেটিং কৰাইছিল। এই ভলণ্টিয়াৰসকলক আচুতীয়াকৈ অহিংসাৰ প্রশিক্ষণো দিয়া হৈছিল। হেমলাই, দালিম, হাতীমুৰীয়া গাওঁ, হাঁহচৰা, বামুণপুখুৰী, তামুলীছিগা আৰু জাঁজীত বিলাতী কাপোৰ জ্বলোৱাৰ "অগ্নিকুণ্ড" সাজি বিলাতী বস্ত্র দাহ কৰা হৈছিল।

হুকেশ্বৰ বৰুৱা, তনুৰাম দত্ত, ভবানন্দ বুঢ়াগোহাঁই আৰু কুশদেৱ গোস্বামীৰ সহায়ত বামুণপুখুৰীৰ পাৰত কংগ্ৰেছ কার্য্যালয়ৰ বাবে এটা ঘৰ সজা হৈছিল। সেই কার্য্যালয়ৰ পৰাই অসহযোগ আন্দোলনৰ কাম পৰিচালনা কৰা হৈছিল। "ব'ড" নামৰ এজন প্ৰশাসনীয় ইংৰাজ বিষয়াই গোৰ্খা পল্টন লগত লৈ "চৰকাৰৰ চালাম" নকৰা সকলক অবৰ্ণনীয় অত্যাচাৰ কৰিছিল। এই দলটোৱে "বিকুলকে" আদি কবি কণ বান্ধাবোৰ লগত লৈ গৈছিল, সম্পাদক বামেশ্বৰ ভট্টাচার্য্যৰ ঘৰত সোমাই সোণৰ আ-অলংকাৰ সকলো লৈ গৈছিল আৰু পাচনী গাঁৱত ঘৰ-দুৱাৰ বিলাক ভাঙিছিল। কংগ্ৰেছ কার্য্যালয়টো ভাঙি লণ্ড-ভণ্ড কৰে। ভলণ্টিয়াৰ সকলক ডাক বঙ্গলাৰ চাংঘৰত তলত কুকুৰা গাহৰিৰ দৰে সুমাই থৈছিল। এই আন্দোলনত হেম কুকনৰ ৮ (আঠ) মাহ ফাটেক হয়।

বামুণপুখুৰীত কানি নিবাৰণী সমিতিৰ সভাপতি প্ৰয়াত শিৱনাথ ভট্টাচার্য্য আৰু দেৱেন্দ্ৰ নাথ বৰঠাকুৰ আদিয়ে ১৯২১ চনৰ আন্দোলনত যোগদান কবি পুলিচৰ অত্যাচাৰৰ সন্মুখীন হৈছিল।

বাগিচাৰ শ্ৰমিকসকলো স্বাধীনতাৰ আন্দোলনত জড়িত আছিল। বাগিচাৰ ইংৰাজ মেনেজাৰ বিলাকৰ অমানুষিক অত্যাচাৰৰ মাজতো দুই-চাৰিজন শ্ৰমিকে পিকেটিং কৰা কামতো সহযোগ কবি কাৰাবৰণ কবিছিল। সেই সকলৰ ভিতৰত লাহিং মৌজাৰ "নানকু পানিকাই" ফাটেক খাইছিল।

হেলোডাঙাৰ মৌজাৰ শ্ৰীগোপীকান্ত বৰুৱাৰ বৰ্ণনাত আছে যে ১৯২১ চনৰ আগষ্ট মাহত মহাত্মাৰ যোৰহাট আগমনৰ পাচতে চিপাহীখোলাত ৭ দিন সবাহ ভাঙনাত আলোচনা পাতি খাজনা বন্ধ কৰা, খাদী উৎপাদন আৰু মাদকদ্ৰব্য নিবাৰণকে আদি কবি কামৰ জবিয়তে কংগ্ৰেছৰ সভ্যতৰ্ত্তি অভিযান চলোৱা হৈছিল। কৰ্ম্মীসকলে অঞ্চল বিশেষে একোখন কংগ্ৰেছ কমিটী গঠন কবি আন্দোলনৰ কার্য্যসূচী ৰূপায়ন কৰাত ব্ৰতী হৈছিল।

এই কামবোৰত হাতীচুঙী অঞ্চলৰ নন্দেশ্বৰ বৰা, সোমেশ্বৰ বৰা, ফেচুৰাল অঞ্চলৰ ৰামনাথ মেধি, কলিয়া ভকত সেনাপতি, হেলোডাঙাৰ ৰামচন্দ্ৰ ৰাজকুমাৰ, ৰোকেশ্বৰ বৰগোহাঁই, বন পিঠাগুৰি চন্দ্ৰ কুকন, কুলধৰ কুকন, পীড়াকটা অঞ্চলৰ অদিৰাম বৰা আৰু বমেশ বৰুৱাই সক্ৰিয় ভূমিকা গ্ৰহণ কবিছিল। বমেশ বৰুৱা,

গুণাৰাম দোলাকাষৰীয়া, আদিৰাম ৰৰা, নিধিৰাম শইকীয়া আৰু ৰামেশ্বৰ ৰৰাই ফাটেক খাৰ লগা হৈছিল । কুশৰাম লাহন আৰু পঞ্চানন ঘাটোৱাৰৰ তাৰৎ সম্পত্তি বাজেয়াপ্ত হৈছিল ।

শ্রীৰৰুৱাই পুনৰ লিখিছে "মহেশ্বৰ ৰৰকটকীদেৱ সেই সময়তে নাজিৰাৰ পৰা হাইস্কুলৰ শিক্ষকতা পদ ইস্তফা দি সক্রিয়ভাৱে আন্দোলনত জপিয়াই পৰি সমগ্র মৌজাটোত ব্যাপক আন্দোলন গঢ়ি তোলে । তেখেত কাৰাৰুদ্ধ হোৱাৰ পিচৰ পৰাই আনহাতে আন্দোলন স্থগিত হোৱাত কেৱল গঠনমূলক কামৰহে প্রস্তুতি চলি থাকে ।"

প্রসিদ্ধ মুক্তিযোদ্ধা শ্রীটংকেশ্বৰ ৰৰাই লিখিছে যে ১৯২০ চনত কলিকতাত হোৱা কংগ্রেছ মহাসভাৰ প্রতিনিধি হৈছিল চাওখাট মৌজাৰ ৰৈকুণ্ঠনাছ গোস্বামী । ১৯২১ চনত মহাত্মা গান্ধীৰ শিবিৰত এখেতৰ উপৰিও শশীধৰ মলিয়া ৰৰুৱা, দত্তদেৱ গোস্বামী, চিত্রনাথ ভড়ালী ভলণ্টিয়াৰ আছিল ।

অসহযোগ আন্দোলনত শশীধৰ মলিয়া ৰৰুৱাৰ তিনিমাহ ফাটেক হয় । টংকেশ্বৰ ৰৰুৱাক ডিব্রুগড়ত গ্রেপ্তাৰ কৰি তিনিমাহ ফাটেক দিয়ে । ৰেবানন্দ নেওগক যোৰহাট জেইলত ৰাখে । টীয়ক, চাওখাট, হাতীগড় আৰু শিমলুগুৰি মৌজাৰ ৰাইজে খাজনা বন্ধ কৰাৰ অপৰাধত সেনা-বাহিনীয়ে অৱর্ণনীয় অত্যাচাৰ কৰি মানুহৰ ঘৰ ক্রোক কৰিছিল । ফেদুৱা মুক্তিয়াৰ আৰু লাচিত বুঢ়াগোহাঁইৰ কান্ধত কোৰোকী বস্তুৰ ভাৰ কঢ়িয়াবলৈ দিছিল । হেমকান্ত শর্মা আৰু মুকুতা চোৱাংচোৱাই (চোৱাংচোৱা উপাধিহে) প্রত্যেকেই পঞ্চাশ টকাকৈ জৰিমনা ভৰিছিল । লহকৰ গাঁৱৰ নালীয়া মুদেয়ে কুৰি টকা জৰিমনা দিব নোৱাৰাত ঘৰৰ সকলো কাহি-বাতি লৈ গৈছিল ।

শ্রীৰৰাই লিখিছে যে কৃষ্ণনাথ শর্ম্মা আৰু সর্ব্বেশ্বৰ ৰৰচেতিয়াৰ যত্নত টীয়ক, চাওখাট, হাতীগড় আৰু হোলোঙাপাৰ এই চাৰিটা মৌজাৰ এখন কংগ্রেছ কমিটী গঠিত হৈছিল । দত্তদেৱে গোস্বামী আৰু ৰৈকুণ্ঠনাথ গোস্বামী সেই কমিটীৰ যথাক্রমে সভাপতি আৰু সম্পাদক আছিল । এই কংগ্রেছ সংগঠনে প্রতি গাঁৱতে একোখনকৈ পঞ্চায়ত গঠন কৰি প্রতিখনৰ পৰা ১০-১২ জনকৈ ভলণ্টিয়াৰ উলিয়াইছিল । এই পঞ্চায়ত সমূহে কংগ্রেছৰ চাৰি আনীয়া সভ্য কৰাৰ উপৰিও ঘৰে প্রতি দুৱনাকৈ (আজিকালিৰ ১২ পইচা) পইচা তুলি চাৰিওটা মৌজাতে সবাহ-ভাওনা পাতি কংগ্রেছৰ প্রচাৰ কার্য্য চলাইছিল । মেলেং বাগিচাৰ কৰ দিয়া বজাৰখন

ভাণ্ডি কপৰাধৰাত এখন বিনা কৰৰ বজাৰ পাতিছিল। এই কাৰ্য্যত শুভচন্দ্ৰ গোস্বামীক মেলেং বাগানৰ ইংৰাজ মেনেজাৰে ঘোঁৰাৰ পৰা পেলাই দিছিল আৰু জয়নুৰ আলিক মাৰপিত কৰিছিল। "কানি ৰৰবিহ বৰ্জন কৰক" ধ্বনিৰে সকলোৱে গান্ধীটুপী পিন্ধি যোৰহাট নগৰলৈ এটা সমদল যাত্ৰা কৰিছিল। টিপাইমেধি, টিপেশ্বৰ মেধি, ভোলাই শইকীয়া, বদন ৰৰদলৈ, থুনাই বৰুৱা, বিশ্বনাথ ৰৰদলৈ আদিয়ে শোভাযাত্ৰাৰ নেতৃত্ব কৰিছিল। দেৱেশ্বৰ শৰ্মা আৰু কৃষ্ণনাথ শৰ্মাই ভোগদৈ দলং পোৱাৰ আগতে শোভাযাত্ৰাটো বন্ধ কৰি দি পুলিচৰ নিশ্চিত নিৰ্য্যাতনৰ পৰা ভলণ্টিয়াৰ সকলক বচাইছিল।

এই আন্দোলনৰ লগতে নছৰৎ আলি হাজৰিকা, আহমদ হুছেইন আৰু পেইজান আলি খান শইকীয়াই খিলাফট আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

টীয়কৰ কংগ্ৰেছৰ দায়িত্বত থকা সেই সময়ৰ ছাত্ৰ কৰ্ম্মী শ্ৰীদেৱেশ্বৰ দলৈয়ে লিখিছে যে ১৯১২ চনত শিৱসাগৰ জিলাৰ সদৰ ঠাই যোৰহাটলৈ অহাৰ আগৰে পৰাই টীয়কৰ নাম গোটেই দেশতে জনাজাত। আহোম ৰাজত্বৰ আৰম্ভণীৰে পৰাই টীয়কৰ প্ৰাকৃতিক সম্পদ আৰু ভোগালি বস্তুৰ প্ৰচুৰতাত আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ দৃষ্টি আকৰ্ষিত হয় আৰু তাৰ ফলস্বৰূপেই "টীয়ক" নামৰ সৃষ্টি হয়। আহোম ভাষাত "টীয়ক" শব্দৰ অৰ্থ ঘিউ গাখীৰৰ উৎপত্তিস্থল ঠাই। সেই সময়ত আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলক এই টীয়কৰ পৰাই ঘিউ-গাখীৰৰ যোগান ধৰিছিল। আহোম ৰাজত্বৰ কালত টীয়ক জিলা নামে জনাজাত। টীয়কত থকা ৰজাবাৰী, পিলখানা, ফুকনৰ বাৰী, বাদুলিপুখুৰী আদিয়ে সেই সময়ৰ আহোম শাসনৰ কথা সোঁৱৰায়।

মানৰ আক্ৰমণৰ পিচত জুৰুলা হৈ থকা অসমীয়া ৰাইজক বৃটিছৰ সাম্ৰাজ্যবাদী শাসনে সামান্য সুবিধা দি ভুৰা দিলে আৰু স্বাধীনতাৰ কথা পাহৰাই পেলাবৰ চেষ্টা কৰিলে। ইতিমধ্যে মহাত্মাজীৰ সুপৰিকল্পিত নেতৃত্বই কংগ্ৰেছ মহাসভাক শক্তিশালী কৰি তুলিলে আৰু দেশবাসীৰ মাজত পুনৰ স্বাধীনতা লাভৰ বাণী প্ৰচাৰ কৰি স্বাধীনতা সংগ্ৰামৰ কাৰণে ৰাইজক সজাগ কৰিলে; তাৰ ফলস্বৰূপেই ১৯২১ চনত অহিংস অসহযোগ আন্দোলন ভাৰতৰ আন আন ৰাজ্যৰ দৰে অসমতো বিয়পি পৰিল।

১৯২০ চনতে টীয়ক মৌজাত কংগ্ৰেছৰ বাণী প্ৰচাৰাৰ্থে এখন পঞ্চায়ত গঠন কৰিছিল। এই পঞ্চায়তৰ যোগেদি মহাত্মাজীৰ গঠনমূলক কৰ্মপদ্ধতি বিশেষকৈ

বিলাতী বস্তু বর্জন, মাদকদ্রব্য নিবাৰণৰ প্ৰচাৰ কার্য্য চলিছিল। টীয়ক পঞ্চায়তে টীয়ক ব্ৰাহ্মণ গাঁৱত তিনিদিনীয়াকৈ ভাওনা-সবাহ পাতি কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিছিল। সেই সময়ৰ প্ৰধান উদ্যোগী কৰ্মী আছিল মংগল চৰণ বৰুৱা, মিথাৰাম গগৈ, আনন্দিৰাম বৰুৱা, বিশ্বনাথ ৰাজখোৱা, ধৰ্মেশ্বৰ সাতোলা, ডিম্বেশ্বৰ বাৰিক, ৰোগাৰাম সাতোলা, বিদুৰ চন্দ্ৰ বৰুৱা, মাণিক শইকীয়া, সভাৰাম বৰুৱা, তুলসী নাথ বৰদলৈ ৰোহেশ্বৰ বৰুৱা, ভোগেশ্বৰ ভূঞা ইত্যাদি। ইয়াৰ পিছৰে পৰাই টীয়কত ১৯২১ চনৰ অসহযোগ আন্দোলনে গা কৰি উঠে। বাইজে এই অহিংস অসহযোগ আন্দোলনত পুলিচৰ অনেক অত্যাচাৰ সহ্য কৰিবলগীয়া হৈছিল। এই আন্দোলনত হেমোৰাম কেওট আৰু কৃষ্ণৰাম শইকীয়াৰ কাৰাদণ্ড হৈছিল।

১৯৩০ চনত কংগ্ৰেছ মহাসভাৰ আহ্বানত গোটেই দেশতে বিলাতী বৰ্জন, অসহযোগ আৰু কানি নিবাৰণৰ আন্দোলন চলে। সেই সময়ৰ পৰাই টীয়কত কংগ্ৰেছৰ সংগঠন আৰু দৃঢ়তৰ হৈ উঠে। ডেকা কৰ্মীদলে সক্ৰিয় অংশ গ্ৰহণ কৰি গাৱেঁ-ভূঞেঁ খাদী সংঘ স্থাপন, শান্তিসেনা বা সেৱাদল গঠন আদি কামত লাগে। এই সময়ত শ্ৰীভোগেশ্বৰ ভূঞাৰ ৯ মাহ কাৰাদণ্ড আৰু হেমোৰাম গাঠকে নিৰ্য্যাতন ভোগ কৰে। টীয়ক কংগ্ৰেছে যোৰহাট জিলা কংগ্ৰেছৰ নিৰ্দেশক্ৰমে শ্ৰীকুমুদেশ্বৰ বৰা আৰু শশীধৰ মলীয়া বৰুৱা নগাঁৱত সেৱাদলৰ "নায়ক" ট্ৰেইনিং দিয়াই আনি গোটেই মৌজাতে সেৱাদল গঠন কৰে। এই সময়ছোৱাত ইৰানাথ বৰুৱাই সংগঠনত কাম কৰি গাৱেঁ-ভূঞেঁ কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰে।

১৯৩২ চনতে গোটেই দেশত বেতিয়া আইন অমান্য আন্দোলন ব্যাপকভাৱে চলিছিল সেই সময়ত টীয়ক কংগ্ৰেছৰ ওৰি ধৰিছিল শ্ৰীকুমুদেশ্বৰ বৰা আৰু ইৰানাথ বৰুৱাদেৱে যথাক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে। এই বছৰতেই যোৰহাট নগৰৰ শংকৰ মন্দিৰত অসম কংগ্ৰেছৰ জুবিলী উৎসৱ হয়। এই উৎসৱত টীয়কীয়া বাইজে ভাওনা পাতি কংগ্ৰেছৰ প্ৰতি থকা বাইজৰ অগাধ শ্ৰদ্ধাৰ নমুনা দাঙি ধৰিছিল। সেইসময়ৰ পুলিচ অধীক্ষক "বাৰ্চলে চাহবে" টীয়কৰ বাইজক তেওঁৰ বঙলাৰ আগেদি যাবলৈ নিদি অত্যাচাৰ কৰিছিল।

তথাপি বাইজে পুলিচৰ এই অত্যাচাৰলৈ ভ্ৰুক্ষেপ নকৰি আইন অমান্য কৰিছিল আৰু ভালেমান লোক আহত হৈছিল। ইয়াৰ পিছত এই আন্দোলনে টীয়কত

ভালকৈয়ে ৰূপ ধাৰণ কৰিলে আৰু এশজনৰো অধিক লোকক ধৰি নি এৰি দিলে। ঁহীৰানাথ বৰুৱা ঁডিম্বেশ্বৰ দলৈ, ঁঅকণ চন্দ্ৰ বৰুৱাৰ তিনিমাহকৈ আৰু শ্ৰীকুমুদ চন্দ্ৰ বড়াৰ ১৫ দিন ফাটেক হয়।

১৯৩৯ চনত প্ৰাইমেৰী কংগ্ৰেছ কমিটী গঠন হয়। যোৰহাট জিলা কংগ্ৰেছে চাৰিঅনীয়া কংগ্ৰেছ সভ্যসকলক ন-কছাৰীত শান্তিসেনাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। গোটেই জিলাৰ পৰাই কৰ্ম্মীসকলে ইয়াত প্ৰশিক্ষণ লয়হি। টীয়কৰ পৰাও বহুত কৰ্ম্মীয়ে প্ৰশিক্ষণ লয় আৰু পাঁচশৰ ওপৰলোক কংগ্ৰেছৰ সভ্য হয়।

১৯৪০ চনত মহাত্মাজীৰ নেতৃত্বত গোটেই দেশতে সত্যাগ্ৰহ আন্দোলন ঠন ধৰি উঠে। টীয়কত এই আন্দোলনে ভালকৈ পিপাইছিল আৰু মহিলাসকলৰ মাজতো আন্দোলনৰ তীব্ৰতা জাগি উঠিছিল। টীয়কৰ পৰা শ্ৰীমতী দেৱযানী বৰুৱা আৰু শ্ৰীযুতা আইদেউ বৰুৱাই প্ৰথমেই সত্যাগ্ৰহ কৰে আৰু গ্ৰেপ্তাৰ হয়। পুৰুষৰ ভিতৰত (সৰ্বশ্ৰী) কুমুদ চন্দ্ৰ বৰা, হীৰানাথ বৰুৱা, গোবিন্দ চন্দ্ৰ বৰুৱা, ভোগেশ্বৰ শইকীয়া, তুলসী নাথ বৰদলৈ, খগেশ্বৰ হাজৰিকা, কনক চন্দ্ৰ শইকীয়া, দুলাল চন্দ্ৰ বায়বৰুৱা আৰু ঁঅকন চন্দ্ৰ বৰুৱাই সত্যাগ্ৰহ কৰে আৰু প্ৰত্যেকেই কাৰাবৰণ কৰিব লগীয়া হয়। এই সময়ত টীয়ক কংগ্ৰেছৰ গুৰি ধৰিছিল শ্ৰীকুমুদ চন্দ্ৰ বড়াই সভাপতি হিচাবে আৰু গোবিন্দ চন্দ্ৰ বৰুৱাই সম্পাদক হিচাবে। ইয়াৰ উপৰিও টীয়কত সেৱাদল আৰু শান্তিসেনা গঠনৰ কাৰণে ঁহীৰানাথ বৰুৱা, শ্ৰীকুমুদ চন্দ্ৰ বড়া, ঁগোবিন্দ চন্দ্ৰ বৰুৱা, ঁখগেশ্বৰ হাজৰিকা, শ্ৰীদুলাল চন্দ্ৰ বায়বৰুৱা, শ্ৰীকনক চন্দ্ৰ শইকীয়া, শ্ৰীগোলোক নেওঁগ আৰু ঁতুলসী নাথ বৰদলৈয়ে প্ৰশিক্ষণ লৈ আহি নায়ক হিচাবে সংগঠনত আত্মনিয়োগ কৰিছিল। সেইসময়ত গাঁৱে-ভূঁয়ে কংগ্ৰেছৰ বাণী প্ৰচাৰ, খাদী প্ৰচলন আৰু শান্তিসেনা গঠন কৰি আন্দোলনৰ কাৰণে এক বিৰাট প্ৰস্তুতি চলিছিল।

প্ৰবীন কংগ্ৰেছ কৰ্মী শ্ৰীমোহন চন্দ্ৰ গোস্বামীয়ে লিখিছে যে অসম গৌৰৱ বোহিনী কান্ত হাতীবৰুৱাৰ আপ্ৰাণ চেষ্টাত সমগ্ৰ তিতাবৰ অঞ্চলতে (আমগুৰি খৰিকটীয়া তিতাবৰ আৰু ঠেঙাল মৌজাৰ) অসহযোগ আন্দোলনৰ সূত্ৰপাত হয় আৰু ঠায়ে ঠায়ে উৎসৰ্গিত কৰ্মীৰ সৃষ্টি হয়।

বত্ন শৰ্মা আৰু ইন্দ্ৰেশ্বৰ বৰমেধিও তেখেতৰে আৰিষ্কাৰ। এই দুয়োজনে লগত শিৱচন্দ্ৰ গোস্বামীক লৈ হাতীবৰুৱাৰ প্ৰেৰণাত বাণীভেটাৰ মৰিয়া চাপৰিত ১৯২১ চনৰ আন্দোলনৰ আৱহণিতে শিবিৰ পাতে, সেই শিবিৰৰ পৰাই আটাইকেউটা

মৌজাৰ কাম পৰিচালিত হৈছিল । শ্রীগোস্বামীয়ে স্মৃতিৰ পৰা লিখিছে যে ওপৰোক্ত চাৰিজনৰ উপৰিও ৰত্ন শইকীয়া, কেশধৰ ফুকন, ৰামচন্দ্র সোনোৱাল, পুলি কাকতি, সোনাৰাম ৰৰমেধি, হুনুৰ আলি, ৰেহনুৰ আলি, ভুৰন চন্দ্র শর্মা, ৰূপৰাম শর্মা, মিঠাৰাম শর্মা, বেনুধৰ বাঘৰৰা, আহিনা হাজৰিকা, আকৰৰ আলি, মণি দুৱৰা, পূর্ণ সন্দিকৈ, মুহীধৰ বড়া, নলুৱা মেধি, বাপু ৰৰগোহাঁই, দীন নাথ বুঢ়াগোঁহাই, দন্দিৰাম গগৈ, ৰোপন শইকীয়া, কনকেশ্বৰ দুৱৰা, ভোলাৰাম ৰৰা, যোগেশ্বৰ শর্মা, কৃষ্ণৰাম সন্দিকৈ আদি কর্মীসকলে শিবিৰৰ পৰা আন্দোলনৰ বিভিন্ন কার্যসূচী ৰূপায়ন কৰিছিল । কিছুদিনৰ পিচত কোনো এটা দেওবাৰে মৰিয়ণিৰ পৰা গোর্খা চিপাহী আহি ৰাণীভেটা শিবিৰ ভাঙি-চিণ্ডি লণ্ড-ভণ্ড কৰে আৰু তেতিয়া ৰাইজে ইন্দ্রেশ্বৰ ৰৰমেধিৰ ঘৰৰ সন্মুখলৈ শিবিৰ স্থানান্তৰ কৰে ।

সৰুচৰাই, পর্বতীয়া, খঙ্গিয়া আৰু চৰাইবাহি মৌজাৰ অসহযোগ আন্দোলন সম্পর্কত প্রবীন কংগ্রেছ কর্মী সর্বেশ্বৰ ৰৰদলৈয়ে লিখিছে যে পর্বতীয়া মৌজাৰ ৰৰ আহোম গাঁৱৰ সর্বেশ্বৰ ৰৰচেতিয়াই ১৯২১ চনত কটন কলেজ ত্যাগ কৰি আহি কেৱল পশ্চিম যোৰহাটৰে নহয় সমগ্র যোৰহাটৰ অসহযোগ আন্দোলনৰ নেতৃত্ব দিয়ে, আৰু এবছৰ কাল কাৰাদ্বন্দ ভোগ কৰে । পকামূৱা বেজগাঁৱৰ চতাই বড়াৰ তিনিমাহ ফাটেক হয় । গুৰ যোগনীয়া গাঁৱৰ সুথিল শইকীয়াই, টেকেলা গাঁৱৰ বজৌ চুতীয়াই, টি লিকি আমৰ যদু নাথ শর্মা, গোপাল শর্মা, পানীচকুৱাৰ লীলাকান্ত বড়া, নেওঁগ ভাতৃদ্বয়, চাৰিঙ্গিয়া গাঁৱৰ গোলাপ বৰুৱা, কুশৰাম নেওঁগ ১৯২১ চনৰ সক্রিয় কর্মী আছিল । ১৯২১ চনত শ্রীশ্রীপীতাম্বৰ গোস্বামী প্রভুৱে ধাপকটাৰ বিৰাট সমাবেশত ভাষণ দিছিল আৰু আজান গাঁৱৰ পথাৰত সপ্তাহজোৰা স্বৰাজ মেলা হৈছিল । ৰাতি একেলগে ৪-৫ টাকৈ ভাওঁনা হৈছিল । এই ভাওনা বিলাকেই আন্দোলনৰ প্রচাৰৰ কেন্দ্রস্থল আছিল । চাওদাং সম্প্রদায়ৰ চৰাইবাহী মৌজাৰ প্রভাৱশালী ব্যক্তি কমল বৰুৱাই তেখেতৰ পৰিবাৰ তুলতুল বৰুৱানী সহ অসহযোগ আন্দোলনত যোগদান কৰিছিল । খাদী সূতা কটা আৰু খাদী পৰিধান কৰা তেওঁৰ জীৱনৰ ব্রত আছিল ।

হেজাৰী বালিগাঁও আৰু সৰুচৰাই মৌজাৰ ১৯২১ চনৰ বিৱৰণি দি বিশিষ্ট কংগ্রেছ কর্মী শ্রীমোহন চন্দ্র ৰৰাই লেখিছে যে মহাত্মা গান্ধীৰ যোৰহাট আগমণৰ আগতে নাওঁবৈছা গাঁৱৰ কেন্দুগুৰি পথাৰত শ্রীশ্রী পীতাম্বৰ গোস্বামী প্রভুৰ তত্বাৱধানত সবাহ-ভাওনাৰ আলম লৈ অসহযোগ আন্দোলনৰ সোঁত বৈছিল । সেই সবাহত পুলিচো বিয়লি পৰলৈকে আছিল ।বালিগাঁও মিলন মন্দিৰকে কেন্দ্র কৰি কোৰোকাতলি,

দিচৈকোষ ৰজাহাউলী, গৰখীয়াদ'ল, জানখনা আদি গাঁৱত আন্দোলনৰ বতাহ প্ৰবলভাৱে বলে ।

শ্ৰীযুতাই লেখিছে যে সেইসময়ত বালিগাঁৱৰ শশীধৰ ৰকৰটকীয়ে কংগ্ৰেছ মহাসভাৰ কামত অগ্ৰণী ভূমিকা লৈছিল । তেখেতৰ লগ লাগে স্নাতক মহলাৰ পৰা কটন কলেজ ত্যাগ কৰি অহা খেতেকধৰ ৰুৱৰা, কলিকতাৰ কলেজ বৰ্জন কৰি অহা বাবুলা নাথ ফুকন, লগতে গোপাল চন্দ্ৰ ৰুৱৰা, ৰত্নধৰ ৰুৱৰা, ৰজনী শৰ্মা, নন্দি সুত আদি দলটিয়ে ৰজাহাউলীৰ কুকুৰাপহীয়া গাঁৱৰ মুছলমান ৰাইজৰ মাজত কংগ্ৰেছ আৰু খিলাফৎ আন্দোলনৰ প্ৰচাৰ কাৰ্য চলায় । এই গাঁৱৰ মুহিউদ্দিন আহমদ, হুছেইন আলি আৰু বাপুটি নেওঁগে আন্দোলনত যোগ দিয়ে ।

বালিগাঁও অঞ্চলৰ স্বাধীনতা সংগ্ৰামৰ লাইখুটা মুকুলীধৰ ৰুৱৰা বি-এ গোলাঘাটৰ চৰকাৰী হাইস্কুলৰ চাকৰি ত্যাগ কৰি আন্দোলনৰ কামত ব্ৰতী হয় । পিচলৈ ৰেজৰুৱৰা হাইস্কুলৰ প্ৰধান শিক্ষকতাৰ দায়িত্ব বহন কৰিলেও স্বাধীনচেতা মনটোৱে আন্দোলনত সাহসী পদক্ষেপ লৈছিল । পিচলৈ প্ৰধান শিক্ষক পদো ত্যাগ কৰি সৰ্বক্ষণ কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰে ।

সৰুচৰাই মৌজাৰ, শ্ৰীযুতাই লেখিছে যে হৰিজন বন্ধু কৃষ্ণ নাথ শৰ্মা (মামা), গংগাধৰ ৰকৰটকী (দাদি) য়ে যোৰহাট মহকুমাৰ কংগ্ৰেছৰ নেতৃত্ব বহন কৰে ।

একৈশ চনৰ আন্দোলনত 'মামা' আৰু 'দাদি'য়ে দীৰ্ঘদিন কাৰাবৰণ কৰিব লগা হয় । ৰত্নধৰ ৰুৱৰা, গোপাল চন্দ্ৰ ৰুৱৰা, ৰজনী কান্ত শৰ্মা, বাবুলা নাথ পূজাৰী, নন্দেশ্বৰ শৰ্মা, খেতেকধৰ ৰুৱৰা, ফনিধৰ শৰ্মা, বাবুলা নাথ ফুকন, ৰাধানাথ গোস্বামীৰ প্ৰত্যেকৰে ৪৫ দিনকৈ ফাটেক হয় ।

তেখেতৰ ডায়েৰীত হৰিজন বন্ধু কৃষ্ণ নাথ শৰ্মাই লিখিছে, "কংগ্ৰেছ মানেই ৰাইজ । ৰাইজৰ ভিতৰত আকৌ গাঁৱত থকা মানুহ হৈছে শতকৰা নব্বৈজন, জিলাত বাৰ ঠাইৰ বাৰজন থাকে । কাজেই গাঁৱলীয়া ৰাইজেইহে কংগ্ৰেছৰ ৰাজহাড়" । গোটেই যোৰহাটত ১৯২১ চনত প্ৰায় আঠৈশখন কংগ্ৰেছ পঞ্চায়ত গঠন হৈছিল । তাৰ ভিতৰত বামুণপুখুৰী পঞ্চায়তেই আটাইতকৈ শক্তিশালী আছিল । পঞ্চায়ত সমূহৰ জৰিয়তে কংগ্ৰেছৰ চাৰিঅনীয়া সভ্যভৰ্তি অভিযান আৰম্ভ হৈছিল । যোৰহাট নগৰতো জিলা কংগ্ৰেছ কমিটী গঠন কৰি দেশনেতা কুলধৰ চলিহাক সভাপতি আৰু কৃষ্ণ নাথ শৰ্মাক সম্পাদক পতা হৈছিল '। বৰ্তমান লাচিত ৰজাৰৰ পাচফালে পুৰণি "মান্না কোম্পানী"ৰ ওচৰত থকা এটা ভাৰা ঘৰত "স্ৱৰাজ কুটিৰ" নামেৰে কংগ্ৰেছ কাৰ্যালয়

প্রতিষ্ঠা কৰা হ'ল । বিদ্যাধৰ শর্মাই অফিচ পৰিচালনা কৰিছিল ।

যোৰহাট মহকুমাত কংগ্রেছ কমিটী গঠনৰ লগে লগে "খিলাফট" আন্দোলনৰ প্রচাৰ আৰু সংগঠন কৰা হৈছিল ।

যোৰহাটৰ কেন্দুগুৰিত ১৯২১ চনৰ আগষ্ট মাহৰ ভিতৰতে এখন ৰাজহুৱা সভাত যোৰহাটত মহাত্মাগান্ধীয়ে দিয়া ভাষণৰ ওপৰত আলোচনা হয় আৰু অসহয়োগ আন্দোলনৰ কার্যসূচী ৰূপায়ন কৰোতে দেৰেশ্বৰ শর্মা, লক্ষেশ্বৰ বৰুৱা আৰু সুৰেশ বৰুৱাৰ কাৰাদন্দ হয় । কলিকতাৰ বিপন কলেজৰ পৰা বি. এ. পাচ কৰি আহি উচ্চপদস্থ চৰকাৰী চাকৰি ত্যাগ কৰি আন্দোলনত যোগদিয়াৰ অপৰাধত ৰজামৈদামৰ বিপিণ বৰুৱাৰ ফাটেক হয় । "স্বৰাজ কুটিৰ" কংগ্রেছ কার্যালয়ৰ পৰিচালনাৰ দায়িত্বত থকা বিদ্যাধৰ শর্মাও এই আন্দোলনত কাৰাদন্দেৰে দণ্ডিত হয় ।

গোটেই জিলাখনৰ নেতৃত্ব বহন কৰা কুলধৰ চলিহাই আন্দোলনৰ সংগঠন কৰি থাকোতেই ১৯২১ চনৰ নবেম্বৰ মাহত প্রদেশ কংগ্রেছৰ বৈঠকলৈ গুৱাহাটীলৈ যাওঁতেই বাটতে গ্রেপ্তাৰ কৰা হয় । যোৰহাট কাৰাগাৰত কর্মবীৰ ৰৰদলৈক লগ পায় । দুয়ো জেলৰ ভিতৰতে অসুস্থ হয় । চলিহাৰ দেহৰ ওজন ১২৪ পাউণ্ডৰ পৰা ৯২ পাউণ্ড পায়গৈ আৰু ৰৰদলৈ কণ্ঠৰোগত আক্রান্ত হয় । কৃষ্ণমামাই ডায়েৰীত লেখিছে যে ৰৰদলৈ শিলচৰলৈ বদলি কৰাৰ পিচত ক্রমাৎ আৰোগ্যৰ পথলৈ আহে ।

মহাত্মা গান্ধীৰ অসম ভ্রমণৰ ফলশ্রুতি অসমত ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সফলতা । এই আন্দোলনৰ ব্যাপকতা লাভ কৰিছিল দুটা কার্যসূচীয়ে - "কৰবন্ধ" আৰু "কানি নিবাৰণ" ।

যোৰহাটত অসহযোগ আন্দোলনৰ অপূর্ব সাফল্য সম্ভৱ হৈছিল দেশনেতা চলিহাৰ বিচক্ষণ নেতৃত্ব আৰু সংগঠন শক্তিৰ কাৰণে ।

১৯১৯ চনত কাজিৰঙা বিজার্ভৰ পৰা এহেজাৰ দুগ্ধ উৎপাদনকাৰী নেপালী মানুহক ইংৰাজৰ পুলিচে বলপূর্বক উচ্ছেদ কৰাৰ প্রতিবাদত কুলধৰ চলিহাৰ নেতৃত্বত এখন তদন্ত কমিটী গঠিত হৈছিল । এই তদন্তৰ কষ্টসাধ্য প্রতিবেদন আন্দোলনৰ সময়ত পুলিচৰ কৰায়ত্ত হোৱাত প্রকাশ নহ'ল । সি যি কি নহওক এই কার্যই আৰু কানি নিবাৰণ অভিযানৰ প্রবলতাই যোৰহাটত আন্দোলনৰ ব্যাপকতা আৰু তীব্রতা বঢ়াইছিল আৰু জনসাধাৰণৰ মনত যুগান্তকাৰী আলোড়নৰ সৃষ্টি হৈছিল ।

গান্ধীবাদী তান্ত্রিক শ্রীবিজয় চন্দ্র ভাগবতীয়ে ১৯২১ চনৰ আন্দোলনৰ সফলতাৰ ওপৰত মন্তব্য কৰিছে, "আন্দোলনৰ নেতৃত্ব দিয়াসকল এক প্রকাৰ আন্দোলনৰে সৃষ্টি জনসাধাৰণৰ নেতাসকল আৰু আন্দোলনৰ মাজত যেতিয়া একাত্মবোধ হয় তেতিয়া ই তাল, মান, লয় আৰু ভাৱৰ মিল থকা উচ্চমানৰ সংগীতৰ দৰে সুন্দৰ হয় । ১৯২১ চনত অসহযোগ আন্দোলনৰ এবছৰত এনে সংযোগ আৰু একাত্মবোধ সৃষ্টি হৈছিল কাৰণে সি পৃথিৱীৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত এক তুলনা নোহোৱা অপূৰ্ব কাহিনী । সেই কাৰণে সেই যুগৰ নেতা, কৰ্মী আৰু বাইজৰ মাজত এটা পবিয়ালৰ সম্পৰ্ক হ'ব পাৰিছিল" ।

৪১ তম পাণ্ডু কংগ্রেছ ১৯২৬ চন :

এই কথা অনস্বীকাৰ্য যে ১৯২৬ চনৰ পাণ্ডু কংগ্রেছ অসমলৈ নিমন্ত্রণ কৰাৰ চিন্তা কৰে কৃষ্ণ নাথ শৰ্মা আৰু বোহিনী কান্ত হাতীবৰুৱা দেৱে । উভয়ে একমত হৈ ১৯২৫ চনৰ কানপুৰ কংগ্রেছলৈ যাওনা হ'ল । সভানেত্রী সৰোজিনী নাইডু । হাতীবৰুৱা আৰু শৰ্মাই দুয়ো মহাত্মা গান্ধীক লগ কৰি অসমলৈ আগন্তুক কংগ্রেছ নিমন্ত্রণ কৰাৰ কথা জনালে । মহাত্মাজীয়ে সভানেত্রী সৰোজিনী নাইডুক জনাবলৈ পৰামৰ্শ দিলে । অসমৰ দুয়োজন নেতাই সভানেত্রীৰ পৰা জানিলে যে বোম্বাই, পঞ্জাব আৰু আজমীৰলৈকো কংগ্রেছ আগতীয়াকৈ নিমন্ত্রণ কৰিছে । সেই সকলক মাতি কৰাব পাৰিলে অসমৰ নিমন্ত্রণ গ্রহণ কৰিব পাৰিব । অসমৰ এই নেতা দুজনে প্রতি শিবিৰলৈ গৈ অসমৰ প্রতি সমর্থন আদায় কৰিলে । মুকলি অধিবেশনত সর্বসম্মত ভাৱে বিপুল হর্ষধ্বনিৰ মাজত অসমলৈ কংগ্রেছ অহাত সম্মতি জনালো । অভ্যর্থনা সমিতিৰ প্রধান সম্পাদক কর্মবীৰ নবীনচন্দ্র বৰদলৈয়ে জাতীয় মহাসভাৰ প্রতিবেদনত লিখিছে "প্রাদেশিক কংগ্রেছ কমিটীৰ ডেকা আৰু উদ্যোগী সম্পাদক বোহিনী কান্ত হাতীবৰুৱাৰ দৃঢ় মনোবলৰ ফলত ভাৰতীয় জাতীয় কংগ্রেছক আমাৰ আমন্ত্রণ গ্রহণ কৰোৱাত আমি কৃতকার্য হ'লো ।

ত্রিশ লাখ জনসংখ্যাৰ সক প্রদেশ অসম । এই প্রদেশে কংগ্রেছ মহাসভাৰ নিচিনা বৃহৎ অনুষ্ঠানৰ আয়োজন কৰিব পৰাটো ডেকাদলৰ অদম্য দেশ প্রেমৰ অবিহনে সম্ভৱ নাছিল" ।

দেশভক্ত তৰুণবৰাম ফুকনক অভ্যর্থনা সমিতিৰ সভাপতি পতাত অসম কংগ্রেছৰ বুকু ডাঠ হ'ল যে ফুকনৰ বাগ্মীতা, ওজস্বীতা আৰু অদম্য সাহসিকতাই

অসম কংগ্রেছৰ সফলতা নিশ্চয় আনিব । স্বেচ্ছাসেৱক দলৰ অধিনায়ক হ'ল যোৰহাটৰ দেৱেশ্বৰ শর্মা । গোটেই সভামণ্ডপৰ আৰু মহাত্মা গান্ধী, পণ্ডিৎ নেহৰু, সভাপতি আয়েংগাৰ আদিৰ কুটিৰৰ সমস্ত খদ্দৰ কাপোৰৰ দায়িত্ব পৰিল নিখিল ভাৰত শিপিনী সংঘৰ অসম শাখাৰ সম্পাদক কৃষ্ণনাথ শর্মাৰ ওপৰত । আটায়ে অতি নিষ্ঠাৰে ৰৰষুণত তিতি অশেষ পৰিশ্রমেৰে অধিবেশন সাফল্যমণ্ডিত কৰি তোলাত লাগিল । কৃষ্ণনাথ শর্মাৰ অহোপুৰুষার্থত আৰু অসমৰ শিপিনী সকলৰ তাঁতৰ শালত সপোন ৰচাৰ নিপুনতাৰে সভামণ্ডপ আৰু শিবিৰ বগা খদ্দৰেৰে সুশোভিত হ'ল সর্বভাৰতীয় নেতৃবর্গৰ উপৰিও অভ্যর্থনা সমিতি আৰু অসম কংগ্রেছ কৃষ্ণ শর্মাৰ কৃতকার্যতাত অভিভূত হ'ল আৰু সর্বভাৰতীয় ক্ষেত্রত খাদীৰ সম্পর্কত অসমৰ গৌৰৱ অম্লান হৈ ৰ'ল ।

স্বেচ্ছাসেৱক বাহিনীৰ ডেকাসকলে দেৱেশ্বৰ শর্মাৰ নেতৃত্বত আৰু পৰিচালনাৰ বিচক্ষণতাত ৰৰষুণত তিতি দিনে-ৰাতিয়ে অক্লান্ত শ্রমেৰে অধিবেশনৰ যাৱতীয় কাম কৰাৰ উপৰিও শিবিৰ বিলাকত পহৰা দিছিল ।

১৯২৬ চনৰ ডিচেম্বৰ মাহৰ ২৬, ২৭ আৰু ২৮ তাৰিখে প্রতিকূল বতৰক নেওচি ধুমধামেৰে ৪১ তম কংগ্রেছ অধিবেশন দক্ষিণাত্যৰ প্রগতিবাদী নেতা শ্রীনিবাস আয়েংগাৰৰ সভাপতিত্বত সম্পন্ন হ'ল । এই কংগ্রেছ মহাসভাৰ অধিবেশনক "মহান ৰাজসূয় যজ্ঞ" বুলি ৰাইজে মন্তব্য কৰিছিল ; আৰু "মহান মহর্ষি"জনৰ (মহাত্মাজীৰ) দর্শনার্থী হৈ চকুৰ লোতকেৰে কৃতজ্ঞতা জনাইছিল ।

১৯২৯ চনৰ ডিচেম্বৰ মাহত লাহোৰত ভাৰতীয় জাতীয় কংগ্রেছৰ অধিবেশন পণ্ডিৎ জৱাহৰলাল নেহৰুৰ সভাপতিত্বত অনুষ্ঠিত হয় ।

ভাৰতবর্ষৰ পূর্ণ স্বাধীনতাই কংগ্রেছৰ লক্ষ্য বুলি ঘোষণা কৰি মহাত্মাজীয়ে এটা প্রস্তাৱ এই সভাত উত্থাপন কৰে আৰু বিপুল জয়ধ্বনিৰে সর্বসম্মতিক্রমে গৃহীত হয় । ১৯৩০ চনৰ ২৬ জানুৱাৰী তাৰিখে সমগ্র ভাৰতৰ সকলো ঠাইতে কংগ্রেছৰ ত্রিৰংগ পতাকা উত্তোলন কৰি দেশৰ স্বাধীনতা নীতিগত ভাৱে ঘোষণা কৰে । সেই বছৰৰ পৰাই প্রতিবছৰে ২৬ জানুৱাৰী দিনটো স্বাধীনতা দিৱস স্বৰূপে পালন কৰা হয় । ১৯৪৭ চনত স্বাধীনতা পোৱাৰ পিচত এই দিনটো 'গণতন্ত্র দিৱস'লৈ ৰূপান্তৰিত হয় ।

যোৰহাটত সেইমতে ১৯৩০ চনৰ ২৬ জানুৱাৰী তাৰিখে বিষ্ণুৰাম বৰুৱা ভৱনৰ সন্মুখত আবেলি স্বাধীনতাৰ পতাকা উত্তোলন কৰি সংকল্প গ্রহণ কৰে ।

পতাকা উত্তেলন কৰা সকলক গ্রেপ্তাৰ কৰি জেললৈ পঠাব বুলি এটা জনৰৱ ওলাইলি । পতাকা উত্তোলনৰ উৎসৱ দেৱেশ্বৰ শর্মা, কৃষ্ণনাথ শর্মা, হৰিনাৰায়ণ বৰুৱা, শশীধৰ মলীয়া বৰুৱা, পদ্মেশ্বৰ গোস্বামী আৰু সর্বেশ্বৰ বৰদলৈ উপস্থিত আছিল । চুঙ্গিৰ স্বর্গীয় ৰত্ন শর্মা পলমকৈ আহি এই অনুষ্ঠানত যোগদান কৰিছিল । চোকা পুলিচ পহৰাৰ মাজত পতাকা উত্তোলন কৰা হৈছিল যদিও কাকো গ্রেপ্তাৰ কৰা নাছিল ।

ইয়াৰ পিচৰ পৰা জুলাই মাহৰ শেহলৈকে অসমত আআইন অমান্য আন্দোলন প্রকৃত পক্ষে হোৱা নাছিল । কিন্তু ১৯৩০ চনৰ জুলাই মাহত অসম কংগ্রেছ নেতাসকলক যোৰহাটৰ বিষ্ণুৰাম বৰুৱা ভৱনত মিলিত হৈ অসমে অসহযোগ আন্দোলনত যোগদান কৰিবনে নকৰে তাৰ বিশদ আলোচনা কৰে । গোলাঘাট ঢেকীয়ালৰ স্বর্গীয় দ্বাৰিকা নাথ গোস্বামীয়ে ওজস্বিনী ভাষাত "অসম কেতিয়াও পিচপৰি থাকিব নোৱাৰে" বুলি দিয়া উদ্দীপ্ত ভাষণে অসমৰ নেতৃবৃন্দক আকৃষ্ট কৰিছিল আৰু ১৯৩০ চনৰ অসহযোগ আন্দোলনত যোগদান কৰাৰ সিদ্ধান্ত গৃহীত হৈছিল ।

অসমৰ তেতিয়াৰ শিক্ষাধিকাৰ কানিংহাম চাহাবে অসমৰ ছাত্র-ছাত্রীয়ে যাতে আন্দোলনত যোগদান কৰিব নোৱাৰে তাৰবাবে প্রতিজন অভিভাৱক আৰু ছাত্রক এখন প্র-পত্রত চহী কৰিবলৈ বাধ্য কৰে আৰু গোটেই অসমতে এই কানিংহাম চার্কলাৰৰ প্রতিবাদ কৰি ছাত্রসকলে ১৯৩০ চনৰ আইন অমান্য আন্দোদন সজীৱ কৰি তোলে ।

বেজবৰুৱা স্কুলৰ কেইজনমান ছাত্রই যোৰহাট চৰকাৰী হাইস্কুলত ছ আগষ্ট তাৰিখে "পিকেটিং" কৰাৰ সিদ্ধান্ত কৰে । কিন্তু যোৰহাট বেজবৰুৱা হাইস্কুলৰ প্রতিষ্ঠাপক স্বাধীনচিতীয়া নেতৃস্থানীয় ব্যক্তি স্বর্গীয় দেবেন্দ্রনাথ বেজবৰুৱাই কানিংহাম চাহাবৰ চার্কুলাৰ পাইছিল যদিও সাহসেৰে তেখেতে স্কুলৰ ছাত্রসকলক এই ইস্তাহাৰ প্রয়োগ নকৰিলে । সেইকাৰণে বেজবৰুৱা স্কুলৰ ছাত্রসকলে যোৰহাট চৰকাৰী বিদ্যালয়ৰ ছাত্রসকলক পিকেটিং কৰি এই কানিংহাম চার্কুলাৰ চহী নকৰিবলৈ আহ্বান জনাবলৈ স্থিৰ কৰে ।

৬ আগষ্ট তাৰিখে পুৱা দহ বজাত চৰকাৰী হাইস্কুলৰ সম্মুখত "পিকেটিং" কৰিবলৈ কেৱল সর্বেশ্বৰ বৰদলৈহে উপস্থিত হ'লহি আৰু লগে লগেই তেখেতক গ্রেপ্তাৰ কৰি থানালৈ লৈ যায় । পিচত হাতত "হেণ্ডকাফ" আৰু ৰকালত ৰচিৰে বান্ধি

তেখেতক কাছাৰীলৈ নিয়ে । ডেপুটি কমিচনাৰ কেণ্টলী চাহাবে বিচাৰ কৰি তিনিমাহ সশ্রম কাৰাদণ্ডৰ ৰায় দিয়ে । ইয়াৰ ৪-৫ দিনৰ পিচতে স্বৰ্গীয় হৰিনাৰায়ণ বৰুৱাই বেজবৰুৱা স্কুলৰ ছাত্র ত্রিনয়ণ শইকীয়া আৰু মালভোগ শইকীয়াক লগত লৈ যোৰহাট চৰকাৰী হাইস্কুলত "পিকেটিং" কৰি গ্রেপ্তাৰ হয় । বিচাৰত স্বৰ্গীয় হৰিনাৰায়ণ বৰুৱাৰ ছমাহ আৰু বাকী দুজনৰ ৪ মাহকৈ সশ্রম কাৰাদণ্ডৰ ৰায় দিয়ে । উল্লেখযোগ্য যে স্বৰ্গীয় হৰিনাৰায়ণ বৰুৱাতকৈ কম বয়সীয়া সৰ্বেশ্বৰ বৰদলৈক যোৰহাট জেলত অকলে অকলে থকা দেখি কাৰাগাৰত দেখিয়েই ডিঙিত সাৰটি ধৰি হুকহুককৈ কান্দিবলৈ ধৰিলে । লগতে ক'বলৈ ধৰিলে, "সৰ্বেশ্বৰ, তুমি অকলে অকলে গ্রেপ্তাৰ হোৱা দেখি আৰু এনে দুখ কষ্টক আকোৱালি লোৱাৰ বেজাৰতে মই জেললৈ আহিলো । মোৰ কিন্তু আন্দোলনটো চলাই নিয়াৰ বাবে বাহিৰত থকাৰহে ইচ্ছা আছিল," কিন্তু হৰিনাৰায়ণ বৰুৱাক নগাওঁ জেললৈ বদলি কৰিলে । বাকী দুজন কি কিছু দিন থাকি ঘৰলৈ গুচি আহিল ।

১৯৩০ চনৰ চেপ্তেম্বৰ মাহৰ মাজভাগত ঠেঙাল মৌজাৰ চুঙিৰ ২১ জন স্বেচ্ছাসেৱকক পুলিচে গ্রেপ্তাৰ কৰে । পদ্মেশ্বৰ গোস্বামী আৰু বিপিন বৰুৱাই এই দলৰ নেতৃত্ব বহন কৰা বাবে তেওঁলোকক ৪ মাহকৈ ফাটেক দিয়ে । পিচত এখেত দুজনক "বি" ডিভিজন দি নগাঁৱলৈ বদলি কৰে । বাকী কেইজন কিছুদিন থাকি ওলাই গ'ল ।

তিনিমাহ ম্যাদ শেষ হোৱাৰ পিচত সৰ্বেশ্বৰ বৰদলৈয়ে ৫ নবেম্বৰ তাৰিখে মুক্তি লাভ কৰে ।

১৯৩০ চনৰ আইন অমান্য আন্দোলন প্রবীন কংগ্রেছ নেতা দেৱেশ্বৰ শর্মা ডাঙৰীয়াই পৰিচালনা কৰে । তেখেতে এই আন্দোলনৰ পৰিচালনাৰ দায়িত্ব লৈ যোৰহাটৰ বিভিন্ন গাঁৱত সভা-সমিতি পাতি প্রচাৰ কার্য চলায় । এবাৰ এটা শোভা যাত্রাত শ্রীশর্মা ডাঙৰীয়াৰ নেতৃত্বত যোৰহাটৰ পৰা চুঙিৰ স্বৰাজ মেলালৈ এদল স্বেচ্ছাসেৱক গৈছিল । কমাৰবন্ধা চাহবাগিচাৰ চাহাবৰ বঙলাৰ আগেদি যাওঁতে ইংৰাজ ডেকা মেনেজাৰে শোভা যাত্রাটো আগভেটি ধৰে । শর্মা ডাঙৰীয়াৰ আকর্ষণীয় চেহেৰা আৰু ব্যক্তিত্বৰ কাৰণে একো ক'ব নোৱাৰিলে । শোভাযাত্রা আগবাঢ়ি গ'ল । চুঙিৰ স্বাৰাজমেলা বিৰাট আড়ম্বৰেৰে তিনিদিনীয়াকৈ অনুষ্ঠিত হয় আৰু পৰিচালনা কৰে দেৱেশ্বৰ শর্মা ডাঙৰীয়াই নিজে । শেহৰ দিনা মহিলা সমাবেশ হয় ।

চুঙি অঞ্চলত ১৯২১ চনৰ কর্মী আউনীআটী সত্রৰ বৰমেধি আৰু ঠেঙাল

মৌজাৰ ঠেঙাল সম্প্রদায়ৰ অবিসম্বাদী নেতা স্বর্গীয় ইন্দ্রেশ্বৰ ববমেধি আৰু সেই অঞ্চলৰ অক্লান্ত কংগ্রেছ কর্মী স্বর্গীয় ৰত্নেশ্বৰ শর্মা – এই অভিন্ন অন্তৰৰ উভয়েই ১৯৩০ চনৰ আন্দোলনৰ নেতৃত্ব দিছিল আৰু এই অঞ্চলৰ পৰাই ২১ জন কংগ্রেছ কর্মীয়ে কাৰাবাস খাটিছিল ।

দেৰেশ্বৰ শর্মা ডাঙৰীয়াই ১৯৩০ চনৰ আন্দোলনৰ দায়িত্ব লৈ নহটীয়া বালিগাওঁ, ঠেঙাল, তিতাবৰ, মেলেং, কাকজান, টীয়ক, শিমলুগুৰি মৌজাৰ বিভিন্ন ঠাইত কংগ্রেছৰ সভা-সমিতি পাতি স্বেচ্ছাসেৱকৰ দল গঠন কৰিছিল । তেখেত তেতিয়া সম্পূর্ণ চফল ডেকা আৰু ওকালতি বর্জন কৰিছিল । শুধ বগা খদ্দৰৰ ধুতি, পঞ্জাবী, চাদৰ আৰু মূৰত গান্ধী টুপীৰে সকলোৰে মাজত জিলিকি আকর্ষণীয় চেহেৰাৰে অধিকাৰী আছিল ।

অর্ডিনেঞ্চ আৰউইন 'গ' বেক

ভাৰতৰ ৰৱলাট (গৱর্ণৰ জেনেৰেল) লর্ড আৰউইন যোৰহাটৰ খেলমাটিলৈ (জিমখানা ক্লাৱ) অহা উদ্দেশ্যে বহুত দিনৰ পৰাই চৰকাৰী পর্যায়ত প্রস্তুতি চলি আছিল । বিশেষ ৰেল যোগে আহি ৰৱলাট মটৰেৰে যোৰহাটলৈ অহাৰ কথা । এই উদ্দেশ্যে অসম অইল কোম্পানীয়ে নিজ খৰচত মৰিয়ণিৰ পৰা যোৰহাটলৈ অহা আলিটো সেইসময়ত নতুনকৈ ওলোৱা "বিটুমেন" দি ভালকৈ প্রস্তুট কৰে । এই আলিটো অক্ষত অৱস্থাত ১৯৫০ চনৰ ভূমিকম্পৰ সময়লৈকে আছিল ।

যোৰহাটৰ খেলমাটিলৈ স্থানীয় ৰায়বাহাদুৰ, খান বাহাদুৰ সকল আৰু উচ্চ পদস্থ চৰকাৰী বিষয়া সকলক চাহমেললৈ নিমন্ত্রণ কৰিছিল । ৰৱলাটৰ লগত বহি চাহ খোৱাৰ সুবিধাৰ বাবে নিমন্ত্রিত সকল আনন্দিত হৈছিল ।

যোৰহাটৰ আৰু গোলাঘাটৰ কংগ্রেছ নেতাসকলে বিশেষকৈ যোৰহাটৰ শ্রীদেৰেশ্বৰ শর্মা আৰু গোলাঘাটৰ বিপ্লৱী বীৰ শংকৰ চন্দ্র বৰুৱাই আগভাগ লৈছিল । যোৰহাটৰ আৰু গোলাঘাটৰ ৬১ জন মুখীয়াল স্বেচ্ছাসেৱকক যোৰহাটতে কুচকাৱাজৰ প্রশিক্ষণ দিয়া হৈছিল । "অর্ডিনেঞ্চ আৰউইন গ' বেক" বুলি লিখা এখন ক'লা পৰোৱানা দুজন স্বেচ্ছাসেৱকে সন্মুখত ধৰি লৈ গৈছিল । তাৰ লগতে স্বর্গীয় শংকৰ বৰুৱা আৰু দেৰেশ্বৰ শর্মাই এজনে ক'লা পতাকা আৰু এজনে কংগ্রেছৰ ত্রিৰংগা পতাকা হাতত লৈ গৈছিল । বাকী স্বেচ্ছাসেৱকসকলে হাতত ক'লা পতাকালৈ আগ বাঢ়িছিল ।

আগতীয়াকৈ বু-বু-বা-বা ওলাইছিল যে এই শোভাযাত্রাকাৰী সকলক নির্মম ভাবে লাঠি চার্জ কৰিব আৰু মৃত্যু পর্যন্ত হ'ব পাৰে। সেইকাৰণে প্রস্তুটি কমিটীৰ ফালৰ পৰা ডাক্তৰ, নার্চ, ঔষধ-পাতি আদি সকলো যোগাৰ ৰখা হৈছিল।

'মৃত্যু বাহিনী' হিচাপে এই সমদল যাত্রা যোৰহাটৰ পৰা গৈ খেলমাটিৰ আলিয়েদি গৈ আছিল। সকলোৱে "অর্ডিনেঞ্চ আৰউইন গ' বেক", লগতে কংগ্রেছৰ আৰু মহাত্মা গান্ধী আৰু স্বাধীন ভাৰতৰ জয়ধ্বনি দিছিল। খেলমাটি পোৱাৰ কিছু আগতে সশস্ত্র পুলিচে শোভাযাত্রাটোক আগভেটি ধৰিলে আৰু আগলৈ আগবাঢ়ি যোৱাতো বাধা দিয়ে। শর্মা ডাঙৰীয়াই পুলিচ বিষয়াসকলৰ লগত কথাবার্তা পাতি থাকোতে স্বেচ্ছাসেৱক বাহিনীয়ে "অর্ডিনেঞ্চ আৰউইন গ' বেক" বুলি ধ্বনি দি আছিল।

লর্ড আৰউইনে এই ধ্বনি শুনিবলৈ পায়। তেওঁৰ ধাৰণা আছিল যে স্বাধীনতাৰ বাণী হাবি-জংঘল পাৰ হৈ ইমান দূৰলৈ অহা নাই। তেওঁ খেদ কৰি কৈছিল "**The message of Independence has come to this corner of the country**" (অর্থাৎ স্বাধীনতাৰ আহ্বান এই ঠাইলৈকো আহিছে) এই মন্তব্য শুনি মেলত উপস্থিত থকা খান বাহাদুৰ কেৰামত আলি চাহাবে তৎক্ষণাৎ উত্তৰ দিলে "My Lord ! these volunteers have come from Gologhat." অর্থাৎ যোৰহাট ইংৰাজ ভক্ত হৈয়ে আছে। এইবোৰ ভলণ্টিয়াৰ গোলাঘাটৰ পৰাহে আহিছে। লর্ড আৰউইনে পুনৰ খেদ কৰি উত্তৰ দিলে "I mean, this Corner of the Country" অর্থাৎ তেখেতে গোলাঘাট-যোৰহাট কোনো পার্থক্য কৰা নাছিল। ভাৰতৰ এই অংশৰ অঞ্চলটোৰ অর্থহে কৰিছিল। শোভাযাত্রাকাৰী সকল সেই খিনিতে বৈ গ'ল আৰু চাহমেল শেষ হোৱালৈকে ধ্বনি দি থাকিল। লর্ড আৰউইনো নতুন দিল্লীলৈ উভটি গ'ল।

লর্ড আৰউইন নতুন দিল্লী পোৱাৰ কেইদিনমানৰ পিচতে গান্ধী আৰউইন চুক্তি স্বাক্ষৰিত হ'ল আৰু লণ্ডনত ঘূৰণীয়া মেজমেলৰ আয়োজন কৰি মহাত্মা গান্ধীক তালৈ নিমন্ত্রণ কৰিলে।

মৰণ পণ কৰি "অর্ডিনেঞ্চ আৰউইন গ' বেক" বুলি যোৱা সমদল যাত্রাই সেই সময়ত ভাৰতীয় ৰাজনীতিৰ গতি পৰিবর্তন কৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ এইটোৱেই আটাইতকৈ বেছি উল্লেখযোগ্য ঘটনা।

প্ৰথম ৰাষ্ট্ৰীয় সন্মিলন ঃ ১৯৩১ চন ঃ

আন্দোলন সজীৱ কৰি ৰাখিবলৈ স্বৰ্গীয় হৰিনাৰায়ণ বৰুৱাই ১৯৩১ চনত প্ৰথম ৰাষ্ট্ৰীয় সন্মিলনৰ অভ্যৰ্থনা সমিতি গঠন কৰে । সেই অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল শ্ৰীশ্ৰী গৰমূৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ প্ৰভূ । মূলসভাৰ সভাপতি আছিল হৰিপ্ৰসাদ ব্ৰহ্মচাৰী দেৱ । গোটেই অসম ৰাজ্যৰ কংগ্ৰেছৰ নেতৃস্থানীয় লোকসকলে এই সন্মিলনত যোগদান দিছিল । যোৰহাটৰ বিভিন্ন অঞ্চলৰ পৰা অহা কংগ্ৰেছ কৰ্মীসকলে শোভাযাত্ৰা কৰি নগৰত স্বাধীনতাৰ বাণী প্ৰচাৰ কৰিছিল । মূলসভাৰ আগদিনা জিলাৰ এছ. পি. বাৰ্টলি চাহাবৰ বঙলাৰ আগেদি শোভাযাত্ৰা কৰি যোৱাৰ কাৰণে শোভাযাত্ৰাৰ আগত পতাকালৈ ধ্বনি দিয়াত পদ্মেশ্বৰ গোস্বামীক শাৰিৰীক ভাৱে প্ৰহাৰ কৰে । তদুপৰি চন্দ্ৰধৰ বৰুৱা, ধীৰেণ দত্ত আদি ভালেকেইজনক উৎপীড়ন কৰা স্বত্বেও শোভাযাত্ৰা আগবাঢ়ি গৈছিল । সেই একে দিনাই অন্য এটা শোভাযাত্ৰা থানাৰ আগেদি যোৱা বাবে ঠেঙাল মৌজাৰ গনেশ চন্দ্ৰ কটকী আৰু সহকৰ্মী এজনক পুলিচে সৌকাৰে কেইবাবাৰো প্ৰহাৰ কৰিছিল । এই বিলাক ঘটনাৰ কাৰণে অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীশ্ৰী পীতাম্বৰ গোস্বামী প্ৰভুক আৰু মূল সভাপতি হৰিপ্ৰসাদ ব্ৰহ্মচাৰী দেৱক গ্ৰেপ্তাৰ কৰাৰ সম্ভাৱনা হৈছিল । কিন্তু গ্ৰেপ্তাৰ কৰা নহ'ল । ১৯৩১ চনৰ জুন মাহত বৰ্তমান থকা যোৰহাট জিলা পুথিভঁৰালৰ স্থানতে মূল সন্মিলন বহিছিল । সেই সভাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ফুলাম এড়ীয়া চাদৰ, মুগাৰ চোলা আৰু গান্ধী টুপী পিন্ধি সভাৰ শোভা বৰ্দ্ধন কৰিছিল । সভাপতি হৰিপ্ৰসাদ ব্ৰহ্মচাৰীয়ে (এচ. দি. চি.ৰ দৰে উচ্চ পদস্থ চাকৰি পদত্যাগ কৰি কংগ্ৰেছৰ আন্দোলনত যোগদান কৰা) সভাপতিত্ব কৰিছিল । সভাত যোৰহাটৰ বিভিন্ন অঞ্চলৰ পুৰুষ-মহিলা ৮–১০ হাজাৰ মানুহ গোট খাইছিল । বিশেষকৈ নগাঁৱৰ পৰা ভালেমান মহিলা কৰ্মীয়ে আহি যোগদান দিছিলহি ।

গান্ধী-আৰউইন চুক্তিৰ পিচত যোৰহাটত হোৱা এই ৰাষ্ট্ৰীয় সন্মিলনে যোৰহটীয়া ৰাইজক যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল ।

দিল্লীত বহা অখিল ভাৰতীয় কংগ্ৰেছৰ ৪৭ তম অধিবেশনত লোৱা সিদ্ধান্তমতে সকলো প্ৰদেশতে প্ৰাদেশিক ৰাষ্ট্ৰীয় সন্মিলন পাতিবলৈ সিদ্ধান্ত হৈছিল ।

দ্বিতীয় ৰাষ্ট্রীয় সম্মিলন - ১৯৩২ চন ঃ

প্রাদেশিক ৰাষ্ট্রীয় সম্মিলন আকৌ যোৰহাটতে পাতিবলৈ সিদ্ধান্ত হ'ল । সেইমতে এই উদ্দেশ্যে হৰিজন বন্ধু কৃষ্ণনাথ শর্মাদেৱক অভ্যর্থনা সমিতিৰ সভাপতি পতা হ'ল । অসমৰ বেলেগ ঠাইত এই সম্মিলন পতাৰ আগতে নেতা সকলক গ্রেপ্তাৰ কৰি সম্মিলন পতাত বাধাৰ সৃষ্টি কৰিলে । সেইদৰে যোৰহাটতো ৰাষ্ট্রীয় সম্মিলন পাতিলেঁ জেললৈ যাব লাগিব বুলি সকলোৱে ধাৰণা কৰিছিল । প্রথমে ঁৰামেশ্বৰ ভট্টাচার্যক উত্তৰ লক্ষীমপুৰলৈ পঠাই শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামীৰ পৰা মূল অধিবেশনৰ সভাপতি হোৱাৰ অনুমতি আনে । কিন্তু অভ্যর্থনা সমিতিৰ সভাপতি ঁকৃষ্ণমামাই নিজে মাজুলিলৈ গৈ সভাপতি হ'লে সত্রাধিকাৰ প্রভুক গ্রেপ্তাৰ কৰিব পাৰে বুলি জনোৱাতো গোস্বামী প্রভু সভাপতি হ'বলৈ মান্তি হ'ল । সম্মিলনৰ দিন ওচৰ চাপি আহিল, গোটেই অসমৰ প্রতিনিধিসকল আহি যোৰহাটত গোট খালেহি । দূৰৰ পৰা অহা কংগ্রেছ কর্মীসকল মানুহৰ ঘৰে ঘৰে থাকিবলৈ দিয়া হৈছিল ।

গোলাঘাটৰ পৰা এটা মহিলাৰ দল বিশিষ্ট কংগ্রেছ নেতা ঁগংগাৰাম বৰমেধিৰ জীয়েক "পদুমীৰ" নেতৃত্বত সম্মিলনত যোগদান দিছিল ।

সম্মিলনৰ আগদিনা অভ্যর্থনা সমিতিৰ সভাপতিলৈ জিলাৰ ডেপুটি কমিচনাৰে জনালে যে এজন মেজিষ্ট্রেতৰ, পুলিচ বিষয়া আৰু চোৰাংচোৰা বিষয়াক সভাত বহিবলৈ স্থান দিব লাগে । অভ্যর্থনা সমিতি সেইমতে মান্তি হ'ল । এই সভা বিষ্টুৰাম বৰুৱা হল প্রাংগনত বহিছিল । আদৰণী সভাৰ সভাপতিয়ে আৰু মূল সভাৰ সভাপতি গোস্বামী প্রভুৱে বক্তৃতা দিয়াৰ পিচতো তেওঁলোকক গ্রেপ্তাৰ কৰা হোৱা নাছিল । সমজুৱাৰ ফালৰ পৰা কেইবাজনেও বক্তৃতা দিছিল । সভাত মানুহৰ ভীৰ ইমান বেছি হৈছিল যে সভাখন হলৰ পৰা বাহিৰলৈ আনিব লগীয়া হৈছিল । সভাভংগৰ পিচত জাঁজীৰ ঁৰামেশ্বৰ ভট্টাচার্য আৰু গোলাঘাটৰ ঁশংকৰ চন্দ্র বৰুৱাৰ চৌদ্ধ মাহ ফাটেক হৈছিল । সেই সময়ত যোৰহাট জেইলত লোকনায়ক অমিয় কুমাৰ দাস আছিল । ৰাজ আর্হিৰ চাৰিসত্রৰ অন্যতম সত্র গড়মূৰ সত্রৰ ৰাজসিকতা তাগ কৰি শ্রীশ্রীপীতাম্বৰ গোস্বামী প্রভুৱে প্রথম ৰাজনৈতিক জীৱন আৰম্ভ কৰিলে ।

১৯৩২ চনৰ আইন অমান্য আন্দোলন ঃ

(ক) এই উত্তপ্ত পৰিবেশত নেতাদুজনক গ্রেপ্তাৰ কৰাৰ লগে লগে ১৯৩২

চনৰ আইন অমান্য আন্দোলন আৰম্ভ হয় । মদ, ভাং, কানিৰ উপৰিও বিদেশী বস্তু বৰ্জন কৰাটোও আন্দোলনৰ লক্ষ্য আছিল । এই আন্দোলন দেশপ্ৰাণ কৃষ্ণনাথ শৰ্মাদেৱে পৰিচালনা কৰিছিল যদিও তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰা নাছিল । প্ৰকৃত পক্ষে ক'বলৈ গ'লে ১৯৩০ চনতকৈ ১৯৩২ চনত অধিক কংগ্ৰেছ কৰ্মীয়ে ফাটেক খাইছিল । এই আন্দোলনত বহুত কংগ্ৰেছ কৰ্মীয়ে নেতৃত্ব দি ৰাইজক আন্দোলন মুখী কৰিছিল । টীয়কৰ ঁবিশ্বনাথ বৰপূজাৰী, শ্ৰীকুমুদেশ্বৰ বৰা, ঁহীৰানাথ বৰুৱা, ঁগোবিন্দ চন্দ্ৰ বৰুৱা, শিমলুগুৰি মৌজাৰ নিবাৰণ চন্দ্ৰ বৰুৱা, ঁৰোষেশ্বৰ ৰাজখোৱা, ঁৰামেশ্বৰ ভট্টাচাৰ্য, লাহিং মৌজাত ঁহেমনাথ ফুকন আৰু ঁখগেশ্বৰ গগৈ, নকছ্বাৰী মৌজাৰ ঁ দয়াৰাম হাজৰিকা, হোলোঙাপাৰ মৌজাৰ ঁমহেশ্বৰ বৰকটকী, চাওখাট মৌজাৰ ঁশশীধৰ মলীয়া বৰুৱা, পদ্মেশ্বৰ গোস্বামী আৰু ভদ্ৰেশ্বৰ বৰদলৈ, চাৰিগাওঁ মৌজাৰ ঁলক্ষেশ্বৰ বৰুৱা আৰু দেৱেশ্বৰ শৰ্মা, আমগুৰি খৰিকটীয়াৰ ঁনোমল সোণোৱাল আৰু ঁৰাম সোণোৱাল, খঙ্গিয়া মৌজাৰ ঁপ্ৰেমধৰ বৰুৱা আৰু সৰ্বেশ্বৰ বৰদলৈ বিশেষ ভাৱে উল্লেখযোগ্য । এই আন্দোলন কিছুপৰিমাণে সীমাবদ্ধ আছিল কাৰণ আইন অমান্য সকলো ঠাইতে কৰিবলৈ সুবিধা নাছিল ।

১৯৩৩ চনৰ অসম ৰায়ত সভা ঃ

যোৰহাটৰ পশ্চিম অঞ্চলৰ টিলিকি আমৰ ঁসৰ্বেশ্বৰ বৰচেতিয়াই ১৯২১ চনতে কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ পৰা কলেজ এৰি আহিছিল । তেখেত এজন চিন্তাশীল আৰু সমাজৰ এজন দৃঢ়মনৰ কৰ্মী আছিল । নেতৃত্ব ল'ব পৰা গুণ তেখেতৰ গাত আছিল । যোৰহাটৰ কংগ্ৰেছ কৰ্মীসকলৰ লগত আলোচনা নকৰাকৈয়ে টিলিকি আমত ৰাজস্বৰা সভাপতি অসম ৰায়ত সভা বহুৱাবলৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি নিজে সভাপতিৰ দায়িত্ব লৈ ঁকুশৰাম নেওঁগক সম্পাদকৰ দায়িত্ব দিছিল । ঁভদ্ৰেশ্বৰ শৰ্মাই ৰভাৰ কাৰণে গোটেই টকৌপাত খিনি যোগান ধৰিছিল । সৰু হুজৰ ত্ৰয়োধৰ দাসে ২৫ (পঁচিশ) টকা দি প্ৰথম সহায় আগবঢ়াইছিল । মূল সভাৰ সভাপতিত্ব কৰিছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ দেৱে । এইসভা তিনিদিনীয়াকৈ বহিছিল । তিনিও দিন-ৰাতি ৰাইজে ভাওনা পাতিছিল । ৰাইজৰ ইমান বেছি সমাগম হৈছিল যে সভাৰ আধা মানুহ ৰভাৰ বাহিৰত বহিব লগীয়া হৈছিল । সভাপতি কৰ্মবীৰ বৰদলৈ দেৱে এখন লিখিত অভিভাষণ পাঠ কৰিছিল ।

এই সন্মিলনে যোৰহাটত এটা নতুন জাগৰণ আনি দিছিল আৰু যোৰহাটৰ পশ্চিম অঞ্চলত এদল তৰুণ কৰ্মী, নতুনকৈ ওলাইছিল । এই সন্মিলনৰ কৃতকার্যতাই স্বৰ্গীয় সর্বেশ্বৰ বৰচেতিয়াৰ শক্তিশালী নেতৃত্বৰ কথা প্ৰমাণ কৰিছিল । অভ্যর্থনা সমিতিৰ সামৰণি সভাত বৰচেতিয়া ডাঙৰীয়াই সভাপতিৰ আসনৰ পৰা ৰাইজক সম্বোধন কৰি কৈছিল "ৰায়ত সভা আহিল আৰু গ'ল । মানুহে আগলৈ ৰায়তসভাৰ কথা পাহৰি যাব । গতিকে গোটেই অসমতে ৰায়ত সভা সংগঠন কৰিব লাগে ।" তেখেতে সভাত আৰু এটা পৰামর্শ আগবঢ়ালে, "সাধাৰণতে ৰজাঘৰ আৰু গুৰুঘৰেহে উপাধি প্ৰদান কৰে । আজি আমি ৰায়ত সভাৰ যোগে ৰাইজৰ পৰা এই ৰায়ত সভাৰ একনিষ্ঠ সেৱক ভদ্রেশ্বৰ শর্মাক "সভাপতি আৰু ত্রয়োধৰ দাসক "হাজৰিকা" উপাধি দিওঁহক ।" ৰাইজে এই প্রস্তাৱ সর্বসম্মতিক্রমে গ্রহণ কৰি দুয়োজনকে উপাধি প্রদান কৰিলে । সেই দুই পৰিয়ালত সেই উপাধি আজিও বিৰাজমান ।

টিলিকিআমৰ অসম ৰায়ত সভাৰ প্রস্তাৱ অনুযায়ী সেইসময়ত গোটেই অসমতে বিশেষকৈ যোৰহাটত ৰায়তসভা গঠন হ'ল । যোৰহাট জিলা ৰায়ত সভাৰ প্রথম অধিবেশন কৰঙাত বহিছিল । আৰু শিৱসাগৰ জিলাৰ কোঁৱৰপুৰৰ ত্রাহিৰাম বৈৰাগীয়ে মুকলি সভাৰ সভাপতিত্ব কৰিছিল । এই সভাগুৱনী মানুহজনে মুগাৰ চুৰীয়া, মুগাৰ চাপকণ আৰু মূৰত পাগুৰি মাৰি আহিছিল । অভ্যর্থনা সমিতিৰ সভাপতি আছিল অধিবক্তা মোহনচন্দ্র মহন্ত দেৱ । সেই সভাত গুৱাহাটীৰ স্বৰ্গীয় কণক চন্দ্র শর্মা (অৱসৰ প্রাপ্ত পশু চিকিৎসক) ডাঙৰীয়াই গো-পালনৰ বিষয়ে বক্তৃতা দিছিল । সর্বেশ্বৰ বৰদলৈ প্রমুখ্যে কংগ্রেছ কর্মীৰ এটা দলে কেইবাদিনৰ আগৰে পৰা শিবিৰ পাতি এই কাম পাতি এই কাম সফল কৰি তোলাত সহায় কৰিলি । প্রকৃত পক্ষে ১৯৩৩ চনৰ পৰা ১৯৩৬ চনলৈকে এইটো ৰায়তসভাৰ সংগঠনৰ সময় আছিল ।

যোৰহাটত হৰিজন আন্দোলন ঃ

ইতিমধ্যে সমগ্র ভাৰতবর্ষতে মহাত্মা গান্ধীজীয়ে ১৯৩৩ চনৰ আগভাগতে হৰিজন আন্দোলন আৰম্ভ কৰিলে । হৰিজন সকলৰ সর্বাংগীন উন্নয়নৰ এটা নতুন জাগৰণৰ সৃষ্টি কৰিলে । 'হৰিজন সেৱক সংঘ' নামেৰে এটা সর্বভাৰতীয় অনুষ্ঠান সংগঠন কৰিলে ।

অসমৰ মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ-মাধৱদেৱৰ এই দেশ । "কুকুৰ-

শৃগাল গৰ্দভকো" আত্মাৰাম বুলি, সামৰি ল'ব পৰা ধৰ্ম দৰ্শনৰ প্ৰাৰ্দুভাৱ অসমত বিৰাজমান । এইখন অসমত প্ৰকৃত অৰ্থত "হৰিজনো" নাই "অস্পৃশ্যতা" নাই । কিন্তু ইতিমধ্যে অসমৰ বিভিন্ন জিলা, মহকুমাত নগৰ পালিকা গঠন হ'ল । নগৰৰ মলমূত্ৰ পৰিস্কাৰ কৰিবৰ অৰ্থে অসমৰ বাহিৰৰ একশ্ৰেণী শ্ৰমিকৰ সৃষ্টি হ'ল যাক অচ্যুত বুলি আখ্যা দিয়া হ'ল । মহাত্মা গান্ধীয়ে এই অস্পৃশ্য সকলক আচল হৰিভক্ত বুলি "হৰিজন" আখ্যা দিয়ে আৰু সমাজত তেওঁলোকক যথাযোগ্য স্থান দি সৰ্বতোপ্ৰকাৰ মংগলৰ কাৰণে কাম কৰাৰ প্ৰথায়েই এই হৰিজন আন্দোলন ।

হৰিজন আন্দোলনৰ সংগঠনৰ কাৰণে ১৯৩৪ চনৰ ১৫ এপ্ৰিলৰ দিনা মহাত্মা গান্ধী গোলাঘাটৰ পৰা আহি যোৰহাট পায়হি । তেখেতক যোৰহাটৰ পশ্চিম অঞ্চলৰ টিলিকি আমৰ পৰা যোৰহাট নগৰলৈ আগবঢ়াই অনা হয় । যোৰহাট নগৰৰ মাজ-মজিয়াত অৱস্থিত অসম সাহিত্য সভা কাৰ্যালয় "চন্দ্ৰকান্ত সন্দিকৈ ভৱনত" তেখেতৰ থকা মেলাৰ দিহা কৰা হৈছিল । তেখেতক বহিবলৈ অভ্যৰ্থনা সমিতিৰ পৰা যি আসন দিয়া হৈছিল সেই বিলাক গুচাই মহাত্মাজীয়ে নিজৰ আসন পাৰি লৈছিল । তেখেতৰ ব্যৱহাৰৰ কাৰণে আগেয়ে কৰি থোৱা পায়খানা চাই তাক নাকচ কৰিলে । নিজে এখন কোৰলৈ এটা সৰু গাঁত খান্দি দাঁতিত দুচলা ইটা বহিবৰ কাৰণে দি মাজত পায়খানাৰ পাত্ৰটো বহুৱাই বহি চালে আৰু এটা হাঁহি মাৰি "ভাল হৈছে" বুলি নিজেই ক'লে ।

সন্ধ্যাৰ পিচত মহাত্মাজীয়ে গতানুগতিক ভাৱে কৰা প্ৰৰ্থনাত বহিল । লেমৰ পোহৰ তেখেতৰ ফালে নাযাবৰ বাবে এখন কাগজ লগাই ল'লে । গোটখাই থকা কংগ্ৰেছ কৰ্মী সকলে এই বিলাক চাই আছিল আৰু প্ৰাৰ্থনা সভাত বহিবলৈ দিবনে নিদিয়ে তাত সন্দিহান হৈ আছিল । ইতিমধ্যে মহাত্মাজীয়ে সকলোকে হাতবাউল দি মতাত সকলো বহি পৰিল । প্ৰাৰ্থনা সমাপ্ত হ'ল ।

মহাত্মাজীৰ লগত ইংৰাজ মহিলা মীৰাবেন (কুমাৰী মেডেলিন গ্লেড), যমুনালাল বাজাজৰ জীয়েক আৰু এগৰাকী হৰিজনৰ জীয়ৰী আহিছিল । মহাত্মাজীৰ নিজৰ ব্যক্তিগত সচিব মহাদেৱ দেশাইৰ পৰিবৰ্তে ডি, জি দেশাই আহিছিল । অখিল ভাৰতীয় হৰিজন সেৱক সংঘৰ সম্পাদক অমৃতলাল ঠক্কৰজী আদি ভালেকেইজন লোক মহাত্মাজীৰ লগত আহিছিল । গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ গোস্বামী প্ৰভূ টোকোলাইত বাহৰ কৰি আছিল আৰু তেখেতে আটাই কেউদিন মহাত্মাজীৰ আৱশ্যকীয় ছাগলী গাখীৰৰ যোগান ধৰিছিল ।

যোৰহাটত থকা প্ৰতিদিনেই পুৱা তেখেতে আনঠাইত কৰাৰ দৰেই হাতত

লাখুটিডাল লৈ প্রাতঃ ভ্রমণ কৰিছিল । সেই প্রাতঃ ভ্রমণত যোৱহাটৰ বহুত ল'ৰা-ছোৱালীয়ে যোগ দিছিল । বাটত মহাত্মাজীয়ে খুউব খৰকৈ খোজ কাঢ়িছিল আৰু লগত যোৱা ল'ৰা-ছোৱালীবিলাকক হাতত থকা লাখুটি ডালেৰেই ধেমালি কৰিছিল ।

প্রাতঃ ভ্রমণৰ পিচতে মহাত্মাজীয়ে গা ধুই পুৱাৰ আহাৰ কৰে আৰু লগে লগেই লেখা-পঢ়া কামত মনোনিবেশ কৰে । ভাৰতীয় মানুহৰ দৈনিক উপাজনৰ গড় সেই সময়ত তিনি অনা (বৰ্তমান ১৯ পইচা) আছিল । তাৰে আধা ছয় পইচাৰ আহাৰহে তেখেতে গ্রহণ কৰিছিল । দুপৰীয়া আহাৰ সিজোৱা বস্তুৰে কৰে । মহাত্মাজীৰ লগত অহা ছোৱালী দুজনীক কিছু সময় পঢ়ায় আৰু ৩ বজাত ৰাইজক দর্শন দিয়ে । ৰাইজৰ ফালৰ পৰা প্রশ্ন কৰিলে তাৰ যথা-যথ উত্তৰ দিয়ে । মুঠতে ৰাইজৰ সমাগমত এখন সভা বহাৰ দৰেই হৈছিল । সন্ধ্যা পুনৰ প্রার্থনা সভাত বহে আৰু ৰাইজেও যোগদান কৰে । তেখেতে ৰাতিৰ আহাৰ সোনকালে কৰিছিল আৰু সোনকালে ৰাতিৰ বিশ্রামলৈ গৈছিল । তেখেতে চন্দ্রকান্ত সন্দিকৈ ভৱনৰ বাৰান্দাত বিচনা কৰি মুকলি ভাৱে শুইছিল ।

মূল প্রৱেশ দ্বাৰত দুৱৰী আছিল - খংগিয়া মৌজাৰ পকামূৰৰে ঁপ্রেমধৰ বৰুৱা উপায়ুক্ত চাহাব এক মিনিট সোনকালে আহি পোৱাত মহাত্মাজীয়ে ককালত আঁৰা ঘড়ী চাই এটা মিনিট বাকী বুলি কোৱাত উপায়ুক্ত সেই মিনিট দুৱাৰ দলিৰ বাহিৰত ঠিয় হৈ আছিল ।

মহাত্মাজীৰ যেযাৰহাটত থকাৰ শেষৰ দিনা অর্থাৎ ১৯৩৪ চনৰ এপ্রিল মাহৰ ১৮ তাৰিখে পুৱা ৮ বজাত হৰিজন বন্ধু কৃষ্ণনাথ শর্মাৰ ব্যক্তিগত "গোঁসাইঘৰ" হৰিজনৰ প্রৱেশাধিকাৰ দি মুকলি কৰি দিয়ে । তেখেততৰ লগত শ্রীশ্রীগড়মূৰীয় সত্রাধিকাৰ ঁপীতাম্বৰ গোস্বামী প্রভু, হৰিজন সেৱক সংঘৰ সম্পাদক অমৃতলাল ঠক্কৰ বাপা গৈছিল । এই কার্য সম্পাদন হোৱাৰ পিচত মহাত্মাজীয়ে সেৱাগ্রামলৈ গৈ "হৰিজন" কাকতত এইটো দেশৰ ভিতৰতে উল্লেখনীয় ঘটনা বুলি লিখিছিল । মহাত্মাজী যোৱহাটত থকা কার্যকালৰ ভিতৰত যোৱহাট ষ্টেচনৰ পিচফালে এটুকুৰা মাটিত আগতে সম্পূর্ণ কৰি ৰখা হৰিজন সেৱক সংঘৰ নামঘৰৰ দ্বাৰা উন্মোচন কৰে আৰু মুখা-মুখিকৈ ঁৰোহিনীকান্ত হাতীবৰুৱা স্মৃতিভৱনৰ আধাৰশিলা স্থাপন কৰে । পিচত এই ভৱনটো ১৯৩৭ চনত নির্মাণৰ কাম শেষ হোৱাত সেই সময়ৰ কংগ্রেছৰ সভাপতি জৱাহৰলাল নেহৰুৱে দ্বাৰ উন্মোচন কৰে । সেইদিনাৰ পৰা যোৱহাট জিলা কংগ্রেছ কার্যালয় ইয়াতেই চলে । এতিয়া জিলা পুথিভঁৰাল থকা

সেই চামগছ কেইজোপাৰ তলতে দিয়া ৰভাত ৰাজহুৱা সভা বহিছিল আৰু মহাত্মাজীয়ে তাত বক্তৃতা দিছিল । হৰিজন সেৱক সংঘলৈ তেখেতে দান ৰৰঙনি বিচাৰিছিল । মীৰাবেনে চাদৰৰ আচল পাতি ৰাইজে দিয়া দান ৰৰঙনি সংগ্রহ কৰিছিল । আইসকলে কাণত পিন্ধা কেৰু, ডিঙিৰ দুগদুগি, আঙুলীৰ আঙঠি পর্যন্ত দান দিছিল আৰু সন্তুষ্টিৰ আনন্দত মহাত্মাজীক পুনৰ প্রণাম জনাইছিল ।

গড়মুৰীয় সত্রাধিকাৰ পীতাম্বৰ গোস্বামী প্রভূ অসমৰ হৰিজন সেৱক সংঘৰ সভাপতি আৰু আৰু গুৱাহাটীৰ দেবেন্দ্র নাথ শর্মা সাধাৰণ সম্পাদক আছিল ।

যোৰহাটত কৃষ্ণনাথ শর্মাই হৰিজন আন্দোলনৰ গুৰি ধৰিছিল । শিক্ষাৰ প্রসাৰৰ কাৰণে ১২ টা হৰিজন স্কুল প্রতিষ্ঠা কৰিছিল আৰু সর্বেশ্বৰ ৰৰদলৈক মাহে বাট খৰচ দি পৰিদর্শক নিয়োগ কৰিছিল । উল্লেখযোগ্য যে পিচত এই স্কুল বিলাকৰ ভালেকেইখন চৰকাৰে লৈছিল ।

সমাজচ্যুত

মহাত্মা গান্ধীজীয়ে কৃষ্ণনাথ শর্মাদেৱৰ গোঁসাইঘৰ হৰিজন সকলৰ কাৰণে মুকলি কৰি দিয়াৰ কেইদিন মানৰ পিচত সেই গোঁসাইঘৰতে সার্বজনীন নাম কীর্তনৰ আয়োজন হৈছিল । কৈৰত্ত, বনিয়া সকলৰ উপৰিও যোৰহাটৰ হৰিজন কেইবাজনো হৰিজনে নামত যোগদান কৰে । সকলোৱে একেলগে প্রসাদ খায় । সেই নাম কীর্ত্তনত বালিগাঁৱৰ গংগাধৰ ৰৰকটকী, চাওখাটৰ পদ্মেশ্বৰ গোস্বামী, যোৰহাটৰ দেশনেতা কুলধৰ চলিহা, দেৱেশ্বৰ চলিহা আৰু শুন গোবিন্দ দত্ত, পকামুৰাৰ প্রেমধৰ ৰৰুৱা আৰু সর্বেশ্বৰ ৰৰদলৈ, তৰাজানৰ দেবেন্দ্র নাথ চক্রৱর্তী আদি বহুতে যোগদান কৰিছিল । পিচত এই নাম-কীর্ত্তনত যোগদিয়া সকলো উচ্চ বর্ণৰ কর্মীসকলক-নিজৰ নিজৰ অঞ্চলৰ ৰাইজে এঘৰীয়া কৰিছিল । আনকি পুৰোহিত সকলেও তেওঁলোকক বর্জন কৰিছিল । উল্লেখযোগ্য যে ৫৯ জন মানুহক সমাজৰ পৰা বাদ দিছিল । এই ঘটনাৰ পিচত ৰাইজৰ মাজত "হৰিজন" আৰু "সনাতন" দুটা ভাগত ৰাইজ বিভক্ত হৈছিল । উল্লেখযোগ্য যে সুদীর্ঘ বাৰ বছৰ কাল সমাজ বর্জিত হৈ থকাৰ পিচত সামাজিক পৰিবর্তন যথেষ্ট পৰিমাণে হয় । বর্জিত সকলো পুনৰ সমাজভুক্ত হয় ।

মহাত্মা গান্ধীজীৰ এই আগমণে গাওঁ সমূহত অভূত পূর্ব আৰু অভাৱনীয় জাগৰণ আনিছিল। মহাত্মাজীক "ঈশ্বৰৰ অৱতাৰ" বুলি অভিহিত কৰিছিল। অসমীয়া জীয়ৰী-বোৱাৰীয়ে একে ৰাতিৰ ভিতৰতে কপাহ নেওঠি, ধূনি, সূতাকাটি, তাঁত বাতি কৰি গামোছাত ফুল বাচি মহাত্মা গান্ধীক উপহাৰ দিছিল। মহাত্মাজীয়ে আহাৰত কল ব্যৱহাৰ কৰা বুলি জানি ৰাইজে আগবঢ়োৱা কলৰ থোকবোৰ চন্দ্রকান্ত হলৰ পিৰালিত শাৰী পাতি ৰখা হৈছিল। তাৰ ওপৰত ৰচী বান্ধি খাদী গামোচা বিলাক আঁৰি দিয়াত অপূর্ব দৃশ্য হৈছিল।

কেন্দ্রীয় ব্যৱস্থাপক সভাৰ নির্বাচন

১৯৩৪ চনত ভাৰতীয় ব্যৱস্থাপক সভাৰ নির্বাচন হয়। এই নির্বাচনত কংগ্রেছৰ প্রার্থী আছিল কর্মবীৰ নবীন চন্দ্র বৰদলৈ। কিন্তু তেখেতক প্রতিদ্বন্দিতা কৰিছিল দেশভক্ত তৰুণ ৰাম ফুকনে। যোৰহাটতো কংগ্রেছ প্রার্থী কর্মবীৰ নবীন চন্দ্র বৰদলৈ বিপুল ভোটাধিকত জয়লাভ কৰে। এই নির্বাচনত সুৰেন্দ্র নাথ বুঢ়াগোঁহায়ে দেহে কেহে কংগ্রেছৰ হকে খাটিছিল।

১৯৩৬ চনত কর্মবীৰ নবীন চন্দ্র বৰদলৈৰ মটৰ দূর্ঘটনাত মৃত্যু হোৱাত সেই খালি আসনলৈ যোৰহাটৰ দেশনেতা কুলধৰ চলিহা বিনা প্রতিদ্বন্দ্বিতাৰে নির্বাচিত হৈছিল।

ৰোহিনী নগৰ ঃ ১৯৩৫ চনৰ অসম ৰাষ্ট্রীয় সম্মিলন

চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱৰ দিহানৈৰ কাঁহি পৰা দলঙৰ ওচৰত আনন্দ চন্দ্র বৰুৱাৰ 'বকুলবনৰ' সন্মুখত থকা তেখেসকলৰে এখন মুকলি পথাৰত ৰাষ্ট্রীয় সম্মিলনৰ সভামণ্ডপ সজা হৈছিল। বৰুৱাইতৰ ঘৰখন সেই কেইদিন সম্মিলনৰ এটা শিবিৰত পৰিণত হৈছিল। তেখেতসকলৰ বায়েক শ্রীমতী অন্নদা দেবীয়ে সেই সময়ত অশেষ কষ্ট স্বীকাৰ কৰি অতিথিসকলৰ সোধ-পোচ কৰিছিল। এই জাতীয়

যজ্ঞ সাদিন ধৰি হৈছিল । অসমৰ একনিষ্ঠ দেশসেৱক ঁৰোহিনী হাতীবৰুৱা দেৱৰ নামেৰে নামাকৰণ কৰি সভা হোৱা অঞ্চলটোক ৰোহিনী নগৰ নাম দিয়ে আৰু বিৰাট সভা মণ্ডপ কৰে । অসম ৰাষ্ট্রীয় সন্মিলন গাঁৱৰ মাজত হোৱা সেয়ে প্রথম আছিল । যোৰহাট মহকুমাৰ কর্মীসকলৰ, বিশেষকৈ ঁমহেশ্বৰ বৰকটকীৰ আপ্রাণ চেষ্টাত চাওখাট মৌজাৰ কর্মীসকলে .ইয়াৰ কাৰণে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল । গোটেই চাওখাট মৌজাৰ ৰাইজে টকা-পইচাৰ উপৰিও বাঁহ-খেৰ, চাউল, শাক-পাচলি সংগ্রহ কৰি দিছিল ।ঁশশীধৰ মলিয়া বৰুৱাৰ অক্লান্ত পৰিশ্রমৰ ফলতে এই সন্মিলনৰ কার্য অতি নিয়াৰিকৈ সম্পন্ন হৈছিল ।

সন্মিলন উদ্বোধন কৰিছিল অসমৰ ত্যাগী ধর্মগুৰু ঁশ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী গড়মূৰীয়া সত্রাধিকাৰে । ৰাষ্ট্রীয় সন্মিলনৰ সভাপতিত্ব কৰিছিল লোকনায়ক অমিয় কুমাৰ দাস দেৱে । অসম ৰায়ত সভাৰ সভাপতিত্ব কৰিছিল ঁমহাদেৱ শর্মাদেৱে । হিন্দী প্রচাৰ সভাৰ সভাপতিত্ব কৰিছিল অম্বিকা প্রসাদ ত্রিপাঠিদেৱে । বনুৱা সভাৰ সভাপতিত্ব কৰিছিল দেৱেন শর্মাদেৱে । মহিলা সভাৰ সভানেত্রী আছিল ঁঅন্নদা দেৱী বৰকটকী । নির্যাতিত কর্মী সভাৰ সভাপতি শংকৰ চন্দ্র বৰুৱা আছিল ।

এই ৰাষ্ট্রীয় সন্মিলনলৈ সর্বভাৰতীয় মহিলা নেত্রী বাৰতৰ ভূতপূর্ব স্বাস্থ্যমন্ত্রী অমৃত কাউৰ আহিছিল । সদৌ অসমৰ কংগ্রেছ সেৱী ৰাইজক সেৱা কৰিবলৈ পোৱাটো চাওখাট মৌজাৰ ৰাইজৰ পৰম সৌভাগ্যৰ বিষয় আছিল । যোৰহাটৰ নেতা শ্রীদেৱেশ্বৰ শর্মা, ঁকুলধৰ চলিহা, ঁকৃষ্ণনাথ শর্মা, ঁহৰিনাৰায়ণ বৰুৱা আদিৰ যত্নত আৰু চাওখাট, টীয়ক, হোলোহাপাৰৰ কর্মী মহেশ্বৰ বৰকটকী, শশীধৰ মলিয়া বৰুৱা, কমল দত্ত, ঁৰেবানন্দ নেওঁগ, ৰাম চন্দ্র ৰাজকুমাৰ, পদ্মেশ্বৰ গোস্বামী, ভদ্রনাথ বৰদলৈ, ৰবীন বৰুৱা, হীৰানাথ বৰুৱা আৰু শ্রীকুমুদেশ্বৰ বৰা আদিৰ যত্নত এই সন্মিলন কৃতকার্য হৈ উঠিছিল ।

সেই স্থানত ঁৰোহিনী হাতীবৰুৱাদেৱৰ স্মৃতিত এখন পাঠশালা স্কুল স্থাপিত হয় । সেই স্কুল বর্তমানো চলি আছে ।

গঠনমূলক কাম ঃ ১৯৩৭ চন

মহাত্মা গান্ধীজীয়ে এটা ডাঙৰ গণ আন্দোলনৰ কাৰণে দেশবাসীক প্ৰস্তুত কৰাৰ উদ্দেশ্যে ১৯৩৭ চনৰ শেহৰ ভাগত গোটেই ভাৰতবৰ্ষত খাদী উৎপাদনৰ কাম হাতত লয় । সেইমতে যোৰহাট জিলা কংগ্ৰেছ কাৰ্যালয়ত কপাহ নেওঠনী, ধনু, যঁতৰ আদিৰ বিক্ৰীৰ কাৰণে মজুত ৰখা হৈছিল । খাদী-কৰ্মী শশীধৰ মলীয়া বৰুৱাৰ চেষ্টাত যোৰহাট জিলা কংগ্ৰেছ কাৰ্যালয়ত সেই সময়ত কপাহ আৰু খাদী সৰঞ্জামেৰে ভৰি আছিল আৰু যোৰহাটৰ ৰাইজৰ যঁতৰ, নেওঠনী, কপাহ কিনিবলৈ কংগ্ৰেছ কাৰ্যালয়ত যথেষ্ট সমাগম হৈছিল । এই অনুক্ৰমে মহাত্মাজীৰ নিৰ্দ্দেশনাত গঠনমূলক কামৰ মাজেদি কেইবাটিও বছৰ বাগৰি গ'ল ।

ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন

১৯৪০ চনত মহাত্মা গান্ধীয়ে অতি সোনকালে এটা গণ বিপ্লৱ কৰিব লাগিব বুলি ধাৰণা কৰিছিল । সেইকাৰণে তেখেতে ব্যক্তিগত সত্যাগ্ৰহৰ পাতনি মেলিলে, তেখেতে এখন প্ৰতিজ্ঞাপত্ৰ নিজে প্ৰস্তুত কৰিলে । সেই প্ৰতিজ্ঞাপত্ৰত চহী কৰা সকলক "সত্যাগ্ৰহী" আখ্যা দিয়া হ'ল । সত্যাগ্ৰহী দুটা তালিকা প্ৰস্তুত কৰি, সত্যাগ্ৰহী সকলৰ বেমাৰ-আজাৰ যদি আছে বিৱৰণ দি মহাত্মাজীলৈ পঠাব লাগে । গান্ধীজীয়ে সুক্ষ্মভাৱে পৰীক্ষা-নিৰিক্ষা কৰি অসুখীয়া সকলক অনুমতি নিদি বাকী সকলক অনুমতি দিছিল । যোৰহাট জিলা কংগ্ৰেছৰ কাৰ্যকৰী কমিটীৰ সভ্য সকলক প্ৰথম তালিকাত কৃষ্ণ শৰ্মা, দেৰেশ্বৰ শৰ্মা, ৰামেশ্বৰ ভট্টাচাৰ্য, হৰিনাৰায়ণ বৰুৱা, শশীধৰ মলীয়া বৰুৱা আদি আছিল । সত্যাগ্ৰহী জনে ক'ব লগা কথা মহাত্মাজীয়ে বান্ধি দিছিল । অগণন জনতাৰ আগত সত্যাগ্ৰহীজনে ক'ব লাগে" এই যুদ্ধত ধনে-জনে সহায় নকৰিব" । এই বামী উচ্চাৰণ কৰিলে সত্যাগ্ৰহী জনক পুলিছে গ্ৰেপ্তাৰ কৰি বিচাৰকৰ ওচৰলৈ লৈ যায়" প্ৰাদেশিক নেতা সকলক কাৰাদণ্ড দিয়াৰ পিচত কাৰাদণ্ডৰ ম্যাদ লাহে লাহে কমি আহিল আৰু বহুতক ফাটেক নিদিয়াকৈ এৰি দিলে । স্বৰ্গীয় গোপীনাথ বৰদলৈ অসমৰ প্ৰথম সত্যাগ্ৰহী । বিচাৰত তেখেতৰ এবছৰ কাৰাদণ্ড হয় । যোৰহাটৰ নেতা হৰিজন বন্ধু কৃষ্ণ নাথ শৰ্মা, দেৰেশ্বৰ শৰ্মা, ৺হৰিনাৰায়ণ বৰুৱা, ৺শশীধৰ মলিয়া বৰুৱা, সৰ্বেশ্বৰ বৰদলৈ আদিয়ে সত্যাগ্ৰহ কৰিছিল আৰু তেওঁলোকৰ

ফাটেক হৈছিল "দেশনেতা কুলধৰ চলিহাৰ নাম সত্যাগ্রহীৰ তালিকাত আছিল আৰু মহাত্মাজীয়ে অনুমোদন কৰা স্বত্বেও তেখেতে সত্যাগ্রহ নকৰিলে । কিন্তু "সুৰেন্দ্র নাথ বুঢ়াগোঁহাই দেৱে ৰোগত ভুগি থকা কাৰণে তেখেতক মহাত্মাজীয়ে সত্যাগ্রহ কৰিবলৈ অনুমতি নিদিলে । গতিকে তেখেতে সত্যাগ্রহ নকৰাকৈয়ে সত্যাগ্রহীৰ সন্মান লাভ কৰিলে । যোৰহাটৰ প্রায় আঢ়ৈশ সত্যাগ্রহীয়ে সত্যাগ্রহ কৰিছিল যদিও আটাই বিলাককে ফাটেক ফাটেক দিয়া নাছিল । সত্যাগ্রহ আন্দোলনত দেশৰ বিশিষ্ট নেতাসকলক যোৰহাটৰ কাৰাগাৰতে ৰাখিছিল ।

১৯৪১ চনৰ শেহৰ ভাগত সত্যাগ্রহ আন্দোলন শেষ হ'ল । মহাত্মা গান্ধীজীয়ে এতিয়া এটা গণ আন্দোলনৰ বাবে পোনপটীয়াকৈ প্রস্তুতিৰ কাম আৰম্ভ কৰিলে । ভাৰতৰ সকলো ঠাইতে শান্তিসেনাৰ শিবিৰ স্থাপন হ'ল ।

পুথি নৈ শিবিৰ (১৯৪০ চন এপ্রিল মাহ)

১৯৪০ চনৰ এপ্রিল মাহৰ প্রথম সপ্তাহত ন-আলি ঢেকীয়াজুলি, সোনাৰী গাঁৱত বহা যোৰহাট জিলা ৰাষ্ট্রীয় সন্মিলনে যোৰহাটৰ সত্যাগ্রহী শিবিৰ নকছৰী মৌজাৰ পুথিনৈৰ পাৰত পাতিবলৈ স্থিৰ কৰিলে । গোটেই মহকুমাত সত্যাগ্রহী সংগঠন কৰি তালিকা কৰিবৰ কাৰণে কেইজনমান প্রচাৰক নিযুক্ত কৰিলে । তাৰ ভিতৰত চাওখাট মৌজাৰ কর্মী পদ্মেশ্বৰ গোস্বামীও এজন । সেই সময়ত যোৰহাট জিলা কংগ্রেছৰ সভাপতি কুলধৰ চলিহা, যুটীয়া সম্পাদক হৰিনাৰায়ণ বৰুৱা আৰু শশীধৰ মলিয়া বৰুৱা । সত্যাগ্রহী শিবিৰৰ অধ্যক্ষ সর্বেশ্বৰ বৰদলৈ আৰু চেক্রেটৰী শ্রীটংকেশ্বৰ বৰাক যোৰহাট জিলা কংগ্রেছে নির্বাচন কৰে । গাঁৱে-ভূঞে সভা-সমিতি পাতি প্রচাৰ কার্য কৰা হ'ল । ১৯৪০ চনৰ এপ্রিল মাহৰ ২৩ তাৰিখৰ পৰা শিবিৰ আৰম্ভ হ'ল । কুলধৰ চলিহাদেৱে মাজে-সময়ে শিৱিৰত থাকি সত্যাগ্রহৰ তাৎপর্য সত্যাগ্রহীসকলক বুজাই দিছিল । তিনিমাহ দিন এনেদৰে প্রশিক্ষণ চলিল । শ্রীটংকেশ্বৰ বৰা শিবিৰতে নৰিয়া পৰে আৰু গৰু গাৰীৰে ঘৰলৈ আনে । প্রায় তিনিশজন সত্যাগ্রহীয়ে এই শিবিৰত প্রশিক্ষণ লয় । জুলাই মাহৰ শেষ সপ্তাহত শিবিৰ ভংগ হয় আৰু সকলো ঘৰাঘৰি যায় । উক্ত শিমলুগুৰিৰ কর্মী ৰজনী কটকীৰ গ্রহনী ৰোগত শিবিৰতে মৃত্যু হয় ।

৪ অক্টোবৰত প্ৰথম সত্যাগ্ৰহী সন্ত বিনোৱাজীয়ে সত্যাগ্ৰহ কৰিলে ; তেখেতক গ্ৰেপ্তাৰ নকৰিলে । দ্বিতীয় সত্যাগ্ৰহী পণ্ডিত জৱাহৰলাল নেহৰুৱে ১০ অক্টোবৰত সত্যাগ্ৰহ কৰিলে । তেখেতক গ্ৰেপ্তাৰ কৰি ৪ বছৰ সশ্ৰম কাৰাদণ্ড দিয়ে । চাওখাট মৌজাৰ প্ৰথম সত্যাগ্ৰহী পদ্মেশ্বৰ গোস্বামীয়ে মেলেং এম, ভি, স্কুলৰ সন্মুখত সত্যাগ্ৰহ কৰে । ১৯৪১ চনৰ ৩০ জানুৱাৰীত শ্ৰীটংকেশ্বৰ বৰাই তিনিকুৰীয়া আলি মূৰত প্ৰথমবাৰ সত্যাগ্ৰহ কৰে । পুলিচে গ্ৰেপ্তাৰ কৰি এদিন ফাটেক দিয়ে । চাওখাটৰ প্ৰসন্ন গোস্বামীয়ে বনগাওঁ স্কুলৰ সন্মুখত সত্যাগ্ৰহ কৰে তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰে । বিচাৰত তিনিমাহ সশ্ৰম ফাটেক দিয়ে । ভদ্ৰনাথ বৰদলৈয়ে ১৯৪১ চনৰ ২৭ জানুৱাৰী তাৰিখে সোণাৰী গাওঁ আলিমূৰত প্ৰথমবাৰ সত্যাগ্ৰহ কৰে ; তেখেতক এৰেষ্ট কৰি নি এদিন ফাটেক দিয়ে । টিপেশ্বৰ বৰা মেধিয়ে জহাখাটত সত্যাগ্ৰহ কৰে আৰু তেখেতক গ্ৰেপ্তাৰ কৰি ৩০ টকা জৰিমনা কৰে । দ্বিতীয়বাৰত তেখেতক চাৰিমাহ জেল দিয়ে ।

১৯৪২ চনৰ গণ বিপ্লৱ

দেশজুৰি হোৱা শান্তিসেনা সংগঠনৰ অফুৰন্ত টো আৰু জাপানীসকলে ব্ৰহ্মদেশত বৰ দ্ৰুত গতিৰে আগবাঢ়ি ভাৰতৰ পূৱ প্ৰান্তত বিজয় ডংকা বজোৱাত বৃটিছ নৌবাহিনীৰ খোপনি পিচলি গ'ল । অন্যহাতেদি কংগ্ৰেছ বামপন্থী নেতা সুভাষ চন্দ্ৰ বসু ভাৰতৰ পৰা অন্তৰ্দ্ধানি হৈ জাপান, জাভা, ফিলিপাইন, পূৰ্ব ভাৰতীয় দ্বীপপুঞ্জত প্ৰবাসী ভাৰতীয় সকলকলৈ আজাদ হিন্দ ফৌজ গঠন কৰিলে আৰু বৃটিছৰ লগত সশস্ত্ৰ বিদ্ৰোহ কৰি বৃটিছক বিব্ৰত কৰিলে । এনে ঘটনাৰ পৰিপ্ৰেক্ষিতত বৃটিছ চৰকাৰক ভাৰতৰ প্ৰতি আপোচমূলক মনোবাৱ ল'বলৈ বাধ্য কৰালে । সেইবাবে ১৯৪২ চনৰ মাৰ্চ মাহত বৃটিছ মন্ত্ৰীসভাৰ সদস্য চাৰ ষ্টেপৰ্ড ক্ৰীপচক ভাৰতীয় সমস্যাৰ সমাধানৰ কাৰণে বৃটিছে চেষ্টা কৰিবলৈ পঠালে । ক্ৰীপচ্ মিচনে বিভিন্ন দলৰ নেতাসকলৰ লগত আলোচনা কৰি একো নতুন সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে । তেওঁ জনালে যে যুদ্ধৰ পিচতে ভাৰতবৰ্ষক ঔপনিবেশিক স্বায়ত্ব শাসন দিয়া হ'ব আৰু তাৰ কাৰণে যুদ্ধৰ অন্তত এখন্ প্ৰতিনিধিমূলক সভা গঠন কৰিব । কিন্তু তৎকালীন ভাৰত চৰকাৰ বা শাসন বিধিত কোনো পৰিবৰ্তনৰ আভাস তেওঁ

পতাকা উত্তেলন কৰা সকলক গ্ৰেপ্তাৰ কৰি জেললৈ পঠাব বুলি এটা জনৰব ওলাইলি । পতাকা উত্তোলনৰ উৎসৱ দেবেশ্বৰ শৰ্মা, কৃষ্ণনাথ শৰ্মা, হৰিনাৰায়ণ বৰুৱা, শশীধৰ মলীয়া বৰুৱা, পদ্মেশ্বৰ গোস্বামী আৰু সৰ্বেশ্বৰ বৰদলৈ উপস্থিত আছিল । চুঙ্গিৰ স্বৰ্গীয় ৰত্ন শৰ্মা পলমকৈ আহি এই অনুষ্ঠানত যোগদান কৰিছিল । চোকা পুলিচ পহৰাৰ মাজত পতাকা উত্তোলন কৰা হৈছিল যদিও কাকো গ্ৰেপ্তাৰ কৰা নাছিল ।

ইয়াৰ পিচৰ পৰা জুলাই মাহৰ শেহলৈকে অসমত আজ্ঞাইন অমান্য আন্দোলন প্ৰকৃত পক্ষে হোৱা নাছিল । কিন্তু ১৯৩০ চনৰ জুলাই মাহত অসম কংগ্ৰেছ নেতাসকলক যোৰহাটৰ বিষ্ণুৰাম বৰুৱা ভৱনত মিলিত হৈ অসমে অসহযোগ আন্দোলনত যোগদান কৰিবনে নকৰে তাৰ বিশদ আলোচনা কৰে । গোলাঘাট ঢেকীয়ালৰ স্বৰ্গীয় দ্বাৰিকা নাথ গোস্বামীয়ে ওজস্বিনী ভাষাত "অসম কেতিয়াও পিচপৰি থাকিব নোৱাৰে" বুলি দিয়া উদ্দীপ্ত ভাষণে অসমৰ নেতৃবৃন্দক আকৃষ্ট কৰিছিল আৰু ১৯৩০ চনৰ অসহযোগ আন্দোলনত যোগদান কৰাৰ সিদ্ধান্ত গৃহীত হৈছিল ।

অসমৰ তেতিয়াৰ শিক্ষাধিকাৰ কানিংহাম চাহাবে অসমৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে আন্দোলনত যোগদান কৰিব নোৱাৰে তাৰবাবে প্ৰতিজন অভিভাৱক আৰু ছাত্ৰক এখন প্ৰ-পত্ৰত চহী কৰিবলৈ বাধ্য কৰে আৰু গোটেই অসমতে এই কানিংহাম চাৰ্কলাৰৰ প্ৰতিবাদ কৰি ছাত্ৰসকলে ১৯৩০ চনৰ আইন অমান্য আন্দোদন সজীৱ কৰি তোলে ।

বেজবৰুৱা স্কুলৰ কেইজনমান ছাত্ৰই যোৰহাট চৰকাৰী হাইস্কুলত ছ আগষ্ট তাৰিখে "পিকেটিং" কৰাৰ সিদ্ধান্ত কৰে । কিন্তু যোৰহাট বেজবৰুৱা হাইস্কুলৰ প্ৰতিষ্ঠাপক স্বাধীনচিতীয়া নেতৃস্থানীয় ব্যক্তি স্বৰ্গীয় দেবেন্দ্ৰনাথ বেজবৰুৱাই কানিংহাম চাহাবৰ চাৰ্কুলাৰ পাইছিল যদিও সাহসেৰে তেখেতে স্কুলৰ ছাত্ৰসকলক এই ইস্তাহাৰ প্ৰয়োগ নকৰিলে । সেইকাৰণে বেজবৰুৱা স্কুলৰ ছাত্ৰসকলে যোৰহাট চৰকাৰী বিদ্যালয়ৰ ছাত্ৰসকলক পিকেটিং কৰি এই কানিংহাম চাৰ্কুলাৰ চহী নকৰিবলৈ আহ্বান জনাবলৈ স্থিৰ কৰে ।

৬ আগষ্ট তাৰিখে পুৱা দহ বজাত চৰকাৰী হাইস্কুলৰ সম্মুখত "পিকেটিং" কৰিবলৈ কেৱল সৰ্বেশ্বৰ বৰদলৈহে উপস্থিত হ'লহি আৰু লগে লগেই তেখেতক গ্ৰেপ্তাৰ কৰি থানালৈ লৈ যায় । পিচত হাতত "হেণ্ডকাফ" আৰু ককালত বচিৰে বান্ধি

তেখেতক কাছাৰীলৈ নিয়ে । ডেপুটি কমিচনাৰ কেণ্টলী চাহাবে বিচাৰ কৰি তিনিমাহ সশ্রম কাৰাদণ্ডৰ ৰায় দিয়ে । ইয়াৰ ৪-৫ দিনৰ পিচতে স্বৰ্গীয় হৰিনাৰায়ণ বৰুৱাই বেজবৰুৱা স্কুলৰ ছাত্ৰ ত্রিনয়ণ শইকীয়া আৰু মালভোগ শইকীয়াক লগত লৈ যোৰহাট চবকাৰী হাইস্কুলত "পিকেটিং" কৰি গ্রেপ্তাৰ হয় । বিচাৰত স্বৰ্গীয় হৰিনাৰায়ণ বৰুৱাৰ ছমাহ আৰু বাকী দুজনৰ ৪ মাহকৈ সশ্রম কাৰাদণ্ডৰ ৰায় দিয়ে । উল্লেখযোগ্য যে স্বৰ্গীয় হৰিনাৰায়ণ বৰুৱাতকৈ কম বয়সীয়া সৰ্বেশ্বৰ বৰদলৈক যোৰহাট জেলত অকলে অকলে থকা দেখি কাৰাগাৰত দেখিয়েই ডিঙিত সাৰটি ধৰি হুকহুককৈ কান্দিবলৈ ধৰিলে । লগতে ক'বলৈ ধৰিলে, "সৰ্বেশ্বৰ, তুমি অকলে অকলে গ্রেপ্তাৰ হোৱা দেখি আৰু এনে দুখ কষ্টক আকোৱালি লোৱাৰ বেজাৰতে মই জেললৈ আহিলো । মোৰ কিন্তু আন্দোলনটো চলাই নিয়াৰ বাবে বাহিৰত থকাৰহে ইচ্ছা আছিল," কিন্তু হৰিনাৰায়ণ বৰুৱাক নগাওঁ জেললৈ বদলি কৰিলে । বাকী দুজন কি কিছু দিন থাকি ঘৰলৈ গুচি আহিল ।

১৯৩০ চনৰ চেপ্তেম্বৰ মাহৰ মাজভাগত ঠেঙাল মৌজাৰ চুঙিৰ ২১ জন স্বেচ্ছাসেৱকক পুলিচে গ্রেপ্তাৰ কৰে । পদ্মেশ্বৰ গোস্বামী আৰু বিপিন বৰুৱাই এই দলৰ নেতৃত্ব বহন কৰা বাবে তেওঁলোকক ৪ মাহকৈ ফাটেক দিয়ে । পিচত এখেত দুজনক "বি" ডিভিজন দি নগাঁৱলৈ বদলি কৰে । বাকী কেইজন কিছুদিন থাকি ওলাই গ'ল ।

তিনিমাহ ম্যাদ শেষ হোৱাৰ পিচত সৰ্বেশ্বৰ বৰদলৈয়ে ৫ নবেম্বৰ তাৰিখে মুক্তি লাভ কৰে ।

১৯৩০ চনৰ আইন অমান্য আন্দোলন প্রবীন কংগ্রেছ নেতা দেৱেশ্বৰ শর্মা ডাঙৰীয়াই পৰিচালনা কৰে । তেখেতে এই আন্দোলনৰ পৰিচালনাৰ দায়িত্ব লৈ যোৰহাটৰ বিভিন্ন গাঁৱত সভা-সমিতি পাতি প্রচাৰ কার্য চলায় । এবাৰ এটা শোভা যাত্রাত শ্রীশর্মা ডাঙৰীয়াৰ নেতৃত্বত যোৰহাটৰ পৰা চুঙিৰ স্বৰাজ মেলালৈ এদল স্বেচ্ছাসেৱক গৈছিল । কমাৰবন্ধা চাহবাগিচাৰ চাহাবৰ বঙলাৰ আগেদি যাওঁতে ইংৰাজ ডেকা মেনেজাৰে শোভা যাত্রাটো আগভেটি ধৰে । শর্মা ডাঙৰীয়াৰ আকর্ষণীয় চেহেৰা আৰু ব্যক্তিত্বৰ কাৰণে একো ক'ব নোৱাৰিলে । শোভাযাত্রা আগবাঢ়ি গ'ল । চুঙিৰ স্বাৰাজমেলা বিৰাট আড়ম্বৰেৰে তিনিদিনীয়াকৈ অনুষ্ঠিত হয় আৰু পৰিচালনা কৰে দেৱেশ্বৰ শর্মা ডাঙৰীয়াই নিজে । শেহৰ দিনা মহিলা সমাবেশ হয় ।

চুঙি অঞ্চলত ১৯২১ চনৰ কর্মী আড়ুনীআটী সত্রৰ বৰমেধি আৰু ঠেঙাল

মৌজাৰ ঠেঙাল সম্প্রদায়ৰ অবিসম্বাদী নেতা স্বৰ্গীয় ইন্দ্রেশ্বৰ ৰৰমেধি আৰু সেই অঞ্চলৰ অক্লান্ত কংগ্রেছ কৰ্মী স্বৰ্গীয় ৰত্নেশ্বৰ শৰ্মা — এই অভিন্ন অন্তৰৰ উভয়েই ১৯৩০ চনৰ আন্দোলনৰ নেতৃত্ব দিছিল আৰু এই অঞ্চলৰ পৰাই ২১ জন কংগ্রেছ কৰ্মীয়ে কাৰাবাস খাটিছিল ।

দেৰেশ্বৰ শৰ্মা ডাঙৰীয়াই ১৯৩০ চনৰ আন্দোলনৰ দায়িত্ব লৈ নহটীয়া বালিগাওঁ, ঠেঙাল, তিতাবৰ, মেলেং, কাকজান, টীয়ক, শিমলুগুৰি মৌজাৰ বিভিন্ন ঠাইত কংগ্রেছৰ সভা-সমিতি পাতি স্বেচ্ছাসেৱকৰ দল গঠন কৰিছিল । তেখেত তেতিয়া সম্পূর্ণ চফল ডেকা আৰু ওকালতি বৰ্জন কৰিছিল । শুধ বগা খদ্দৰৰ ধুতি, পঞ্জাবী, চাদৰ আৰু মূৰত গান্ধী টুপীৰে সকলোৰে মাজত জিলিকি আকৰ্ষণীয় চেহেৰাৰে অধিকাৰী আছিল ।

অৰ্ডিনেঞ্চ আৰউইন 'গ' বেক

ভাৰতৰ ৰৰলাট (গৰৰ্ণৰ জেনেৰেল) লৰ্ড আৰউইন যোৰহাটৰ খেলমাটিলৈ (জিমখানা ক্লাৱ) অহা উদ্দেশ্যে বহুত দিনৰ পৰাই চৰকাৰী পৰ্যায়ত প্রস্তুতি চলি আছিল । বিশেষ ৰেল যোগে আহি ৰৰলাট মটৰেৰে যোৰহাটলৈ অহাৰ কথা । এই উদ্দেশ্যে অসম অইল কোম্পানীয়ে নিজ খৰচত মৰিয়ণিৰ পৰা যোৰহাটলৈ অহা আলিটো সেইসময়ত নতুনকৈ ওলোৱা "বিটুমেন" দি ভালকৈ প্রস্তুট কৰে । এই আলিটো অক্ষত অৱস্থাত ১৯৫০ চনৰ ভূমিকম্পৰ সময়লৈকে আছিল ।

যোৰহাটৰ খেলমাটিলৈ স্থানীয় ৰায়বাহাদুৰ, খান বাহাদুৰ সকল আৰু উচ্চ পদস্থ চৰকাৰী বিষয়া সকলক চাহমেললৈ নিমন্ত্রণ কৰিছিল । ৰৰলাটৰ লগত [illegible] খোৱাৰ সুবিধাৰ বাবে নিমন্ত্রিত সকল আনন্দিত হৈছিল ।

যোৰহাটৰ আৰু গোলাঘাটৰ কংগ্রেছ নেতাসকলে [illegible] শ্রীদেৰেশ্বৰ শৰ্মা আৰু গোলাঘাটৰ বিপ্লবী বীৰ শংকৰ চন্দ্র বৰুৱা লৈছিল । যোৰহাটৰ আৰু গোলাঘাটৰ ৬১ জন [illegible] স্বেচ্ছাসেৱক কুচকাৱাজৰ প্রশিক্ষণ দিয়া হৈছিল । "অৰ্ডিনেঞ্চ আৰউইন গ' ক'লা পৰোৱানা দুজন স্বেচ্ছাসেৱকে সন্মুখত [illegible] শংকৰ বৰুৱা আৰু দেৰেশ্বৰ শৰ্মাই এজনে [illegible] ত্রিৰংগা পতাকা হাততলৈ গৈছিল । বাকী স্বেচ্ছাসেৱক আগ বাঢ়িছিল ।

আগতীয়াকে বু-বু-বা-বা ওলাইছিল যে এই শোভাযাত্রাকাৰী সকলক নির্মম ভাবে লাঠি চার্জ কৰিব আৰু মৃত্যু পর্যন্ত হ'ব পাৰে। সেইকাৰণে প্রস্তুটি কমিটীৰ ফালৰ পৰা ডাক্তৰ, নার্চ, ঔষধ-পাতি আদি সকলো যোগাৰ ৰখা হৈছিল।

'মৃত্যু বাহিনী' হিচাপে এই সমদল যাত্রা যোৰহাটৰ পৰা গৈ খেলমাটিৰ আলিয়েদি গৈ আছিল। সকলোৱে "অর্ডিনেঞ্চ আৰউইন গ' বেক", লগতে কংগ্রেছৰ আৰু মহাত্মা গান্ধী আৰু স্বাধীন ভাৰতৰ জয়ধ্বনি দিছিল। খেলমাটি পোৱাৰ কিছু আগতে সশস্ত্র পুলিচে শোভাযাত্রাটোক আগভেটি ধৰিলে আৰু আগলৈ আগবাঢ়ি যোৱাতো বাধা দিয়ে। শর্মা ডাঙৰীয়াই পুলিচ বিষয়াসকলৰ লগত কথাবার্তা পাতি থাকোতে স্বেচ্ছাসেৱক বাহিনীয়ে "অর্ডিনেঞ্চ আৰউইন গ' বেক" বুলি ধ্বনি দি আছিল।

লর্ড আৰউইনে এই ধ্বনি শুনিবলৈ পায়। তেওঁৰ ধাৰণা আছিল যে স্বাধীনতাৰ বাণী হাবি-জংঘল পাৰ হৈ ইমান দূৰলৈ অহা নাই। তেওঁ খেদ কৰি কৈছিল **"The message of Independence has come to this corner of the country"** (অর্থাৎ স্বাধীনতাৰ আহ্বান এই ঠাইলৈকো আহিছে) এই মন্তব্য শুনি মেলত উপস্থিত থকা খান বাহাদুৰ কেৰামত আলি চাহাবে তৎক্ষণাৎ উত্তৰ দিলে "My Lord ! these volunteers have come from Gologhat." অর্থাৎ যোৰহাট ইংৰাজ ভক্ত হৈয়ে আছে। এইবোৰ ভলণ্টিয়াৰ গোলাঘাটৰ পৰাহে আহিছে। লর্ড আৰউইনে পুনৰ খেদ কৰি উত্তৰ দিলে "I mean, this Corner of the Country" অর্থাৎ তেখেতে গোলাঘাট-যোৰহাট কোনো পার্থক্য কৰা নাছিল। ভাৰতৰ এই অংশৰ অঞ্চলটোৰ অর্থহে কৰিছিল। শোভাযাত্রাকাৰী সকল সেই খিনিতে বৈ গ'ল আৰু চাহমেল শেষ হোৱালৈকে ধ্বনি দি থাকিল। লর্ড আৰউইনো নতুন দিল্লীলৈ উভটি গ'ল।

লর্ড আৰউইন নতুন দিল্লী পোৱাৰ কেইদিনমানৰ পিচতে গান্ধী আৰউইন চুক্তি স্বাক্ষৰিত হ'ল আৰু লণ্ডনত ঘূৰণীয়া মেজমেলৰ আয়োজন কৰি মহাত্মা গান্ধীক তালৈ নিমন্ত্রণ কৰিলে।

মৰ্কণ পৰা কৰি "অর্ডিনেঞ্চ আৰউইন গ' বেক" বুলি যোৱা সমদল যাত্রাই সেই সময়ত ভাৰতীয় ৰাজনীতিৰ গতি পৰিবর্তন কৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ এইটোৱেই আঁচনিতে ঘটা উল্লেখযোগ্য ঘটনা।

প্রথম ৰাষ্ট্রীয় সন্মিলন ঃ ১৯৩১ চন ঃ

আন্দোলন সজীৱ কৰি ৰাখিবলৈ স্বর্গীয় হৰিনাৰায়ণ বৰুৱাই ১৯৩১ চনত প্রথম ৰাষ্ট্রীয় সন্মিলনৰ অভ্যর্থনা সমিতি গঠন কৰে । সেই অভ্যর্থনা সমিতিৰ সভাপতি আছিল শ্রীশ্রী গৰমূৰীয়া সত্রাধিকাৰ পীতাম্বৰ প্রভু । মূলসভাৰ সভাপতি আছিল হৰিপ্রসাদ ব্রহ্মচাৰী দেৱ । গোটেই অসম ৰাজ্যৰ কংগ্রেছৰ নেতৃস্থানীয় লোকসকলে এই সন্মিলনত যোগদান দিছিল । যোৱহাটৰ বিভিন্ন অঞ্চলৰ পৰা অহা কংগ্রেছ কর্মীসকলে শোভাযাত্রা কৰি নগৰত স্বাধীনতাৰ বাণী প্রচাৰ কৰিছিল । মূলসভাৰ আগদিনা জিলাৰ এছ. পি. বার্টলি চাহাবৰ বঙলাৰ আগেদি শোভাযাত্রা কৰি যোৱাৰ কাৰণে শোভাযাত্রাৰ আগত পতাকালৈ ধ্বনি দিয়াত পদ্মেশ্বৰ গোস্বামীক শাৰিৰীক ভাবে প্রহাৰ কৰে । তদুপৰি চন্দ্রধৰ বৰুৱা, ধীৰেণ দত্ত আদি ভালেকেইজনক উৎপীড়ন কৰা স্বত্বেও শোভাযাত্রা আগবাঢ়ি গৈছিল । সেই একে দিনাই অন্য এটা শোভাযাত্রা থানাৰ আগেদি যোৱা বাবে ঠেঙাল মৌজাৰ গনেশ চন্দ্র কটকী আৰু সহকর্মী এজনক পুলিচে সৌকাৰে কেইবাবাৰো প্রহাৰ কৰিছিল । এই বিলাক ঘটনাৰ কাৰণে অভ্যর্থনা সমিতিৰ সভাপতি শ্রীশ্রী পীতাম্বৰ গোস্বামী প্রভুক আৰু মূল সভাপতি হৰিপ্রসাদ ব্রহ্মচাৰী দেৱক গ্রেপ্তাৰ কৰাৰ সম্ভাৱনা হৈছিল । কিন্তু গ্রেপ্তাৰ কৰা নহ'ল । ১৯৩১ চনৰ জুন মাহত বর্তমান থকা যোৱহাট জিলা পুথিভঁৰালৰ স্থানতে মূল সন্মিলন বহিছিল । সেই সভাত ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগ�ৱালাই ফুলাম এড়ীয়া চাদৰ, মুগাৰ চোলা আৰু গান্ধী টুপী পিন্ধি সভাৰ শোভা বর্দ্ধন কৰিছিল । সভাপতি হৰিপ্রসাদ ব্রহ্মচাৰীয়ে (এচ. দি. চি.ৰ দৰে উচ্চ পদস্থ চাকৰি পদত্যাগ কৰি কংগ্রেছৰ আন্দোলনত যোগদান কৰা) সভাপতিত্ব কৰিছিল । সভাত যোৱহাটৰ বিভিন্ন অঞ্চলৰ পুৰুষ-মহিলা ৮-১০ হাজাৰ মানুহ গোট খাইছিল । বিশেষকৈ নগাঁৱৰ পৰা ভালেমান মহিলা কর্মীয়ে আহি যোগদান দিছিলহি ।

গান্ধী-আৰউইন চুক্তিৰ পিচত যোৱহাটত হোৱা এই ৰাষ্ট্রীয় সন্মিলনে যোৱহটীয়া ৰাইজক যথেষ্ট অনুপ্রেৰণা যোগাইছিল ।

দিল্লীত বহা অখিল ভাৰতীয় কংগ্রেছৰ ৪৭ তম অধিবেশনত লোৱা সিদ্ধান্তমতে সকলো প্রদেশতে প্রাদেশিক ৰাষ্ট্রীয় সন্মিলন পাতিবলৈ সিদ্ধান্ত হৈছিল ।

দ্বিতীয় ৰাষ্ট্রীয় সম্মিলন - ১৯৩২ চন ঃ

প্রাদেশিক ৰাষ্ট্রীয় সম্মিলন আকৌ যোৰহাটতে পাতিবলৈ সিদ্ধান্ত হ'ল । সেইমতে এই উদ্দেশ্যে হৰিজন বন্ধু কৃষ্ণনাথ শর্মাদেৱক অভ্যর্থনা সমিতিৰ সভাপতি পতা হ'ল । অসমৰ বেলেগ ঠাইত এই সম্মিলন পতাৰ আগতে নেতা সকলক গ্রেপ্তাৰ কৰি সম্মিলন পতাত বাধাৰ সৃষ্টি কৰিলে । সেইদৰে যোৰহাটতো ৰাষ্ট্রীয় সম্মিলন পাতিলে জেললৈ যাব লাগিব বুলি সকলোৱে ধাৰণা কৰিছিল । প্রথমে ৰামেশ্বৰ ভট্টাচার্যক উত্তৰ লক্ষীমপুৰলৈ পঠাই শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামীৰ পৰা মূল অধিবেশনৰ সভাপতি হোৱাৰ অনুমতি আনে । কিন্তু অভ্যর্থনা সমিতিৰ সভাপতি কৃষ্ণমামাই নিজে মাজুলিলৈ গৈ সভাপতি হ'লে সত্রাধিকাৰ প্রভুক গ্রেপ্তাৰ কৰিব পাৰে বুলি জনোৱাতো গোস্বামী প্রভু সভাপতি হ'বলৈ মান্তি হ'ল । সম্মিলনৰ দিন ওচৰ চাপি আহিল, গোটেই অসমৰ প্রতিনিধিসকল আহি যোৰহাটত গোট খালেহি । দূৰৰ পৰা অহা কংগ্রেছ কর্মীসকল মানুহৰ ঘৰে ঘৰে থাকিবলৈ দিয়া হৈছিল ।

গোলাঘাটৰ পৰা এটা মহিলাৰ দল বিশিষ্ট কংগ্রেছ নেতা গংগাৰাম বৰমেধিৰ জীয়েক "পদুমীৰ" নেতৃত্বত সম্মিলনত যোগদান দিছিল ।

সম্মিলনৰ আগদিনা অভ্যর্থনা সমিতিৰ সভাপতিলৈ জিলাৰ ডেপুটি কমিচনাৰে জনালে যে এজন মেজিষ্ট্রেতৰ, পুলিচ বিষয়া আৰু চোৰাংচোৰা বিষয়াক সভাত বহিবলৈ স্থান দিব লাগে । অভ্যর্থনা সমিতি সেইমতে মান্তি হ'ল । এই সভা বিষ্টুৰাম বৰুৱা হল প্রাংগনত বহিছিল । আদৰণী সভাৰ সভাপতিয়ে আৰু মূল সভাৰ সভাপতি গোস্বামী প্রভুৱে বক্তৃতা দিয়াৰ পিচতো তেওঁলোকক গ্রেপ্তাৰ কৰা হোৱা নাছিল । সমজুৱাৰ ফালৰ পৰা কেইবাজনেও বক্তৃতা দিছিল । সভাত মানুহৰ ভীৰ ইমান বেছি হৈছিল যে সভাখন হলৰ পৰা বাহিৰলৈ আনিব লগীয়া হৈছিল । সভাভংগৰ পিচত জাঁজীৰ ৰামেশ্বৰ ভট্টাচার্য আৰু গোলাঘাটৰ শংকৰ চন্দ্র বৰুৱাৰ চৌদ্দ মাহ ফাটেক হৈছিল । সেই সময়ত যোৰহাট জেইলত লোকনায়ক অমিয় কুমাৰ দাস আছিল । ৰাজ আর্হিৰ চাৰিসত্রৰ অন্যতম সত্র গড়মূৰ সত্রৰ ৰাজসিকতা তাগ কৰি শ্রীশ্রীপীতাম্বৰ গোস্বামী প্রভুৱে প্রথম ৰাজনৈতিক জীৱন আৰম্ভ কৰিলে ।

১৯৩২ চনৰ আইন অমান্য আন্দোলন ঃ

(ক) এই উত্তপ্ত পৰিবেশত নেতাদুজনক গ্রেপ্তাৰ কৰাৰ লগে লগে ১৯৩২

চনৰ আইন অমান্য আন্দোলন আৰম্ভ হয় । মদ, ভাং, কানিৰ উপৰিও বিদেশী বস্তু বৰ্জন কৰাটোও আন্দোলনৰ লক্ষ্য আছিল । এই আন্দোলন দেশপ্ৰাণ কৃষ্ণনাথ শৰ্মাদেৱে পৰিচালনা কৰিছিল যদিও তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰা নাছিল । প্ৰকৃত পক্ষে ক'বলৈ গ'লে ১৯৩০ চনতকৈ ১৯৩২ চনত অধিক কংগ্ৰেছ কৰ্মীয়ে ফাটেক খাইছিল । এই আন্দোলনত বহুত কংগ্ৰেছ কৰ্মীয়ে নেতৃত্ব দি ৰাইজক আন্দোলন মুখী কৰিছিল । টীয়কৰ বিশ্বনাথ ৰৰপূজাৰী, শ্ৰীকুমুদেশ্বৰ ৰৰা, হীৰানাথ ৰৰুৱা, গোবিন্দ চন্দ্ৰ ৰৰুৱা, শিমলুগুৰি মৌজাৰ নিবাৰণ চন্দ্ৰ ৰৰুৱা, ৰোষেশ্বৰ ৰাজখোৱা, ৰামেশ্বৰ ভট্টাচাৰ্য, লাহিং মৌজাত হেমনাথ ফুকন আৰু খগেশ্বৰ গগৈ, নকছ্বাৰী মৌজাৰ দয়াৰাম হাজৰিকা, হোলোঙাপাৰ মৌজাৰ মহেশ্বৰ ৰৰকটকী, চাওখাট মৌজাৰ শশীধৰ মলীয়া ৰৰুৱা, পদ্মেশ্বৰ গোস্বামী আৰু ভদ্ৰেশ্বৰ ৰৰদলৈ, চাৰিগাওঁ মৌজাৰ লক্ষেশ্বৰ ৰৰুৱা আৰু দেৱেশ্বৰ শৰ্মা, আমগুৰি খৰিকটীয়াৰ নোমল সোণোৱাল আৰু ৰাম সোণোৱাল, খঙ্গিয়া মৌজাৰ প্ৰেমধৰ ৰৰুৱা আৰু সৰ্বেশ্বৰ ৰৰদলৈ বিশেষ ভাৱে উল্লেখযোগ্য । এই আন্দোলন কিছুপৰিমাণে সীমাবদ্ধ আছিল কাৰণ আইন অমান্য সকলো ঠাইতে কৰিবলৈ সুবিধা নাছিল ।

১৯৩৩ চনৰ অসম ৰায়ত সভা ঃ

যোৰহাটৰ পশ্চিম অঞ্চলৰ টিলিকি আমৰ সৰ্বেশ্বৰ ৰৰচেতিয়াই ১৯২১ চনতে কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ পৰা কলেজ এৰি আহিছিল । তেখেত এজন চিন্তাশীল আৰু সমাজৰ এজন দৃঢ়মনৰ কৰ্মী আছিল । নেতৃত্ব ল'ব পৰা গুণ তেখেতৰ গাত আছিল । যোৰহাটৰ কংগ্ৰেছ কৰ্মীসকলৰ লগত আলোচনা নকৰাকৈয়ে টিলিকি আমত ৰাজস্থৰা সভাপতি অসম ৰায়ত সভা বহুৱাবলৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি নিজে সভাপতিৰ দায়িত্ব লৈ কুশৰাম নেওগক সম্পাদকৰ দায়িত্ব দিছিল । ভদ্ৰেশ্বৰ শৰ্মাই ৰভাৰ কাৰণে গোটেই টকৌপাত খিনি যোগান ধৰিছিল । সৰু হুজৰ ত্ৰয়োধৰ দাসে ২৫ (পঁচিশ) টকা দি প্ৰথম সহায় আগবঢ়াইছিল । মূল সভাৰ সভাপতিত্ব কৰিছিল কৰ্মবীৰ নবীন চন্দ্ৰ ৰৰদলৈ দেৱে । এইসভা তিনিদিনীয়াকৈ বহিছিল । তিনিও দিন-ৰাতি ৰাইজে ভাওনা পাতিছিল । ৰাইজৰ ইমান বেছি সমাগম হৈছিল যে সভাৰ আধা মানুহ ৰভাৰ বাহিৰত বহিব লগীয়া হৈছিল । সভাপতি কৰ্মবীৰ ৰৰদলৈ দেৱে এখন লিখিত অভিভাষণ পাঠ কৰিছিল ।

এই সম্মিলনে যোৰহাটত এটা নতুন জাগৰণ আনি দিছিল আৰু যোৰহাটৰ পশ্চিম অঞ্চলত এদল তৰুণ কৰ্মী, নতুনকৈ ওলাইছিল। এই সম্মিলনৰ কৃতকার্যতাই স্বৰ্গীয় সৰ্বেশ্বৰ বৰচেতিয়াৰ শক্তিশালী নেতৃত্বৰ কথা প্ৰমাণ কৰিছিল। অভ্যৰ্থনা সমিতিৰ সামৰণি সভাত বৰচেতিয়া ডাঙৰীয়াই সভাপতিৰ আসনৰ পৰা ৰাইজক সম্বোধন কৰি কৈছিল "ৰায়ত সভা আহিল আৰু গ'ল। মানুহে আগলৈ ৰায়তসভাৰ কথা পাহৰি যাব। গতিকে গোটেই অসমতে ৰায়ত সভা সংগঠন কৰিব লাগে।" তেখেতে সভাত আৰু এটা পৰামৰ্শ আগবঢ়ালে, "সাধাৰণতে ৰজাঘৰ আৰু গুৰুঘৰেহে উপাধি প্ৰদান কৰে। আজি আমি ৰায়ত সভাৰ যোগে ৰাইজৰ পৰা এই ৰায়ত সভাৰ একনিষ্ঠ সেৱক ভদ্ৰেশ্বৰ শৰ্মাক "সভাপতি আৰু ত্ৰয়োধৰ দাসক "হাজৰিকা" উপাধি দিওঁহক।" ৰাইজে এই প্ৰস্তাৱ সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰি দুয়োজনকে উপাধি প্ৰদান কৰিলে। সেই দুই পৰিয়ালত সেই উপাধি আজিও বিৰাজমান।

টিলিকিআমৰ অসম ৰায়ত সভাৰ প্ৰস্তাৱ অনুযায়ী সেইসময়ত গোটেই অসমতে বিশেষকৈ যোৰহাটত ৰায়তসভা গঠন হ'ল। যোৰহাট জিলা ৰায়ত সভাৰ প্ৰথম অধিবেশন কৰঙাত বহিছিল। আৰু শিৱসাগৰ জিলাৰ কোঁৱৰপুৰৰ ত্ৰাহিৰাম বৈৰাগীয়ে মুকলি সভাৰ সভাপতিত্ব কৰিছিল। এই সভাশুৱনী মানুহজনে মুগাৰ চুৰীয়া, মুগাৰ চাপকণ আৰু মূৰত পাগুৰি মাৰি আহিছিল। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল অধিবক্তা মোহনচন্দ্ৰ মহন্ত দেৱ। সেই সভাত গুৱাহাটীৰ স্বৰ্গীয় কণক চন্দ্ৰ শৰ্মা (অৱসৰ প্ৰাপ্ত পশু চিকিৎসক) ডাঙৰীয়াই গো-পালনৰ বিষয়ে বক্তৃতা দিছিল। সৰ্বেশ্বৰ বৰদলৈ প্ৰমুখ্যে কংগ্ৰেছ কৰ্মীৰ এটা দলে কেইবাদিনৰ আগৰে পৰা শিবিৰ পাতি এই কাম পাতি এই কাম সফল কৰি তোলাত সহায় কৰিলি। প্ৰকৃত পক্ষে ১৯৩৩ চনৰ পৰা ১৯৩৬ চনলৈকে এইটো ৰায়তসভাৰ সংগঠনৰ সময় আছিল।

যোৰহাটত হৰিজন আন্দোলন ঃ

ইতিমধ্যে সমগ্ৰ ভাৰতবৰ্ষতে মহাত্মা গান্ধীজীয়ে ১৯৩৩ চনৰ আগভাগতে হৰিজন আন্দোলন আৰম্ভ কৰিলে। হৰিজন সকলৰ সৰ্বাংগীন উন্নয়নৰ এটা নতুন জাগৰণৰ সৃষ্টি কৰিলে। 'হৰিজন সেৱক সংঘ' নামেৰে এটা সৰ্বভাৰতীয় অনুষ্ঠান সংগঠন কৰিলে।

অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ এই দেশ। "কুকুৰ-

শৃগাল গৰ্দভকো" আত্মাৰাম বুলি, সামৰি ল'ব পৰা ধৰ্ম দৰ্শনৰ প্ৰাৰ্দুভাৱ অসমত বিৰাজমান । এইখন অসমত প্ৰকৃত অৰ্থত "হৰিজনো" নাই "অস্পৃশ্যতা" নাই । কিন্তু ইতিমধ্যে অসমৰ বিভিন্ন জিলা, মহকুমাত নগৰ পালিকা গঠন হ'ল । নগৰৰ মলমূত্ৰ পৰিস্কাৰ কৰিবৰ অৰ্থে অসমৰ বাহিৰৰ একশ্ৰেণী শ্ৰমিকৰ সৃষ্টি হ'ল যাক অচ্যুত বুলি আখ্যা দিয়া হ'ল । মহাত্মা গান্ধীয়ে এই অস্পৃশ্য সকলক আচল হৰিভক্ত বুলি "হৰিজন" আখ্যা দিয়ে আৰু সমাজত তেওঁলোকক যথাযোগ্য স্থান দি সৰ্বতোপ্ৰকাৰ মংগলৰ কাৰণে কাম কৰাৰ প্ৰথায়েই এই হৰিজন আন্দোলন ।

হৰিজন আন্দোলনৰ সংগঠনৰ কাৰণে ১৯৩৪ চনৰ ১৫ এপ্ৰিলৰ দিনা মহাত্মা গান্ধী গোলাঘাটৰ পৰা আহি যোৰহাট পায়হি । তেখেতক যোৰহাটৰ পশ্চিম অঞ্চলৰ টিলিকি আমৰ পৰা যোৰহাট নগৰলৈ আগবঢ়াই অনা হয় । যোৰহাট নগৰৰ মাজ-মজিয়াত অৱস্থিত অসম সাহিত্য সভা কাৰ্যালয় "চন্দ্ৰকান্ত সন্দিকৈ ভৱনত" তেখেতৰ থকা মেলাৰ দিহা কৰা হৈছিল । তেখেতক বহিবলৈ অভ্যৰ্থনা সমিতিৰ পৰা যি আসন দিয়া হৈছিল সেই বিলাক গুচাই মহাত্মাজীয়ে নিজৰ আসন পাৰি লৈছিল । তেখেতৰ ব্যৱহাৰৰ কাৰণে আগেয়ে কৰি থোৱা পায়খানা চাই তাক নাকচ কৰিলে । নিজে এখন কোৰলৈ এটা সৰু গাঁত খান্দি দাঁতিত দুচলা ইটা বহিবৰ কাৰণে দি মাজত পায়খানাৰ পাত্ৰটো বহুৱাই বহি চালে আৰু এটা হাঁহি মাৰি "ভাল হৈছে" বুলি নিজেই ক'লে ।

সন্ধ্যাৰ পিচত মহাত্মাজীয়ে গতানুগতিক ভাৱে কৰা প্ৰৰ্থনাত বহিল । লেমৰ পোহৰ তেখেতৰ ফালে নাযাবৰ বাবে এখন কাগজ লগাই ল'লে । গোটখাই থকা কংগ্ৰেছ কৰ্মী সকলে এই বিলাক চাই আছিল আৰু প্ৰাৰ্থনা সভাত বহিবলৈ দিবনে নিদিয়ে তাত সন্দিহান হৈ আছিল । ইতিমধ্যে মহাত্মাজীয়ে সকলোকে হাতবাউল দি মতাত সকলো বহি পৰিল । প্ৰাৰ্থনা সমাপ্ত হ'ল ।

মহাত্মাজীৰ লগত ইংৰাজ মহিলা মীৰাবেন (কুমাৰী মেডেলিন গ্লেড), যমুনালাল বাজাজৰ জীয়েক আৰু এগৰাকী হৰিজনৰ জীয়ৰী আহিছিল । মহাত্মাজীৰ নিজৰ ব্যক্তিগত সচিব মহাদেৱ দেশাইৰ পৰিবৰ্তে ডি, জি দেশাই আহিছিল । অখিল ভাৰতীয় হৰিজন সেৱক সংঘৰ সম্পাদক অমৃতলাল ঠক্কৰজী আদি ভালেকেইজন লোক মহাত্মাজীৰ লগত আহিছিল । গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ গোস্বামী প্ৰভু টোকোলাইত বাহৰ কৰি আছিল আৰু তেখেতে আটাই কেউদিন মহাত্মাজীৰ আৱশ্যকীয় ছাগলী গাখীৰৰ যোগান ধৰিছিল ।

যোৰহাটত থকা প্ৰতিদিনেই পুৱা তেখেতে আনঠাইত কৰাৰ দৰেই হাতত

লাখুটিডাল লৈ প্ৰাতঃ ভ্ৰমণ কৰিছিল । সেই প্ৰাতঃ ভ্ৰমণত যোৰহাটৰ বহুত ল'ৰা-ছোৱালীয়ে যোগ দিছিল । বাটত মহাত্মাজীয়ে খুউব খৰকৈ খোজ কাঢ়িছিল আৰু লগত যোৱা ল'ৰা-ছোৱালীবিলাকক হাতত থকা লাখুটি ডালেৰেই ধেমালি কৰিছিল ।

প্ৰাতঃ ভ্ৰমণৰ পিচতে মহাত্মাজীয়ে গা ধুই পুৱাৰ আহাৰ কৰে আৰু লগে লগেই লৈখা-পঢ়া কামত মনোনিবেশ কৰে । ভাৰতীয় মানুহৰ দৈনিক উপাজনৰ গড় সেই সময়ত তিনি অনা (বৰ্তমান ১৯ পইচা) আছিল । তাৰে আধা ছয় পইচাৰ আহাৰহে তেখেতে গ্ৰহণ কৰিছিল । দুপৰীয়া আহাৰ সিজোৱা বস্তুৰে কৰে । মহাত্মাজীৰ লগত অহা ছোৱালী দুজনীক কিছু সময় পঢ়ায় আৰু ৩ বজাত ৰাইজক দৰ্শন দিয়ে । ৰাইজৰ ফালৰ পৰা প্ৰশ্ন কৰিলে তাৰ যথা-যথ উত্তৰ দিয়ে । মুঠতে ৰাইজৰ সমাগমত এখন সভা বহাৰ দৰেই হৈছিল । সন্ধ্যা পুনৰ প্ৰাৰ্থনা সভাত বহে আৰু ৰাইজেও যোগদান কৰে । তেখেতে ৰাতিৰ আহাৰ সোনকালে কৰিছিল আৰু সোনকালে ৰাতিৰ বিশ্ৰামলৈ গৈছিল । তেখেতে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ বাৰান্দাত বিচনা কৰি মুকলি ভাৱে শুইছিল ।

মূল প্ৰৱেশ দ্বাৰত দুৱৰী আছিল - খংগিয়া মৌজাৰ পকামূৱৰে ঁপ্ৰেমধৰ বৰুৱা উপায়ুক্ত চাহাব এক মিনিট সোনকালে আহি পোৱাত মহাত্মাজীয়ে ককালত আঁৰা ঘড়ী চাই এটা মিনিট বাকী বুলি কোৱাত উপায়ুক্ত সেই মিনিট দুৱাৰ দলিৰ বাহিৰত ঠিয় হৈ আছিল ।

মহাত্মাজীৰ যেযাৰহাটত থকাৰ শেষৰ দিনা অৰ্থাৎ ১৯৩৪ চনৰ এপ্ৰিল মাহৰ ১৮ তাৰিখে পুৱা ৮ বজাত হৰিজন বন্ধু কৃষ্ণনাথ শৰ্মাৰ ব্যক্তিগত "গোঁসাইঘৰ" হৰিজনৰ প্ৰৱেশাধিকাৰ দি মুকলি কৰি দিয়ে । তেখেততৰ লগত শ্ৰীশ্ৰীগড়মূৰীয় সত্ৰাধিকাৰ ঁপীতাম্বৰ গোস্বামী প্ৰভু, হৰিজন সেৱক সংঘৰ সম্পাদক অমৃতলাল ঠক্কৰ বাপা গৈছিল । এই কাৰ্য সম্পাদন হোৱাৰ পিচত মহাত্মাজীয়ে সেৱাগ্ৰামলৈ গৈ "হৰিজন" কাকতত এইটো দেশৰ ভিতৰতে উল্লেখনীয় ঘটনা বুলি লিখিছিল । মহাত্মাজী যোৰহাটত থকা কাৰ্যকালৰ ভিতৰত যোৰহাট ষ্টেচনৰ পিচফালে এটুকুৰা মাটিত আগতেঁ সম্পূৰ্ণ কৰি ৰখা হৰিজন সেৱক সংঘৰ নামঘৰৰ দ্বাৰা উন্মোচন কৰে আৰু মুখা-মুখিকৈ ঁবোহিনীকান্ত হাতীবৰুৱা স্মৃতিভৱনৰ আধাৰশিলা স্থাপন কৰে । পিচত এই ভৱনটো ১৯৩৭ চনত নিৰ্মাণৰ কাম শেষ হোৱাত সেই সময়ৰ কংগ্ৰেছৰ সভাপতি জৱাহৰলাল নেহৰুৱে দ্বাৰ উন্মোচন কৰে । সেইদিনাৰ পৰা যোৰহাট জিলা কংগ্ৰেছ কাৰ্যালয় ইয়াতেই চলে । এতিয়া জিলা পুথিভঁৰাল থকা

সেই চামগছ কেইজোপাৰ তলতে দিয়া ৰভাত ৰাজহুৱা সভা বহিছিল আৰু মহাত্মাজীয়ে তাত বক্তৃতা দিছিল । হৰিজন সেৱক সংঘলৈ তেখেতে দান ৰৰঙনি বিচাৰিছিল । মীৰাবেনে চাদৰৰ আচল পাতি বাইজে দিয়া দান ৰৰঙনি সংগ্রহ কৰিছিল । আইসকলে কাণত পিন্ধা কেৰু, ডিঙিৰ দুগদুগি, আঙুলীৰ আঙঠি পৰ্যন্ত দান দিছিল আৰু সন্তুষ্টিৰ আনন্দত মহাত্মাজীক পুনৰ প্রণাম জনাইছিল ।

গড়মূৰীয় সত্রাধিকাৰ পীতাম্বৰ গোস্বামী প্রভূ অসমৰ হৰিজন সেৱক সংঘৰ সভাপতি আৰু আৰু গুৱাহাটীৰ দেবেন্দ্র নাথ শর্মা সাধাৰণ সম্পাদক আছিল ।

যোৱহাটত কৃষ্ণনাথ শর্মাই হৰিজন আন্দোলনৰ গুৰি ধৰিছিল । শিক্ষাৰ প্রসাৰৰ কাৰণে ১২ টা হৰিজন স্কুল প্রতিষ্ঠা কৰিছিল আৰু সর্বেশ্বৰ ৰৰদলৈক মাহেৰাট খৰচ দি পৰিদর্শক নিয়োগ কৰিছিল । উল্লেখযোগ্য যে পিচত এই স্কুল বিলাকৰ ভালেকেইখন চৰকাৰে লৈছিল ।

সমাজচ্যুত

মহাত্মা গান্ধীজীয়ে কৃষ্ণনাথ শর্মাদেৱৰ গোঁসাইঘৰ হৰিজন সকলৰ কাৰণে মুকলি কৰি দিয়াৰ কেইদিন মানৰ পিচত সেই গোঁসাইঘৰতে সার্বজনীন নাম কীর্তনৰ আয়োজন হৈছিল । কৈৱর্ত, বনিয়া সকলৰ উপৰিও যোৱহাটৰ হৰিজন কেইবাজনো হৰিজনে নামত যোগদান কৰে । সকলোৱে একেলগে প্রসাদ খায় । সেই নাম কীর্ত্তনত বালিগাঁৱৰ গংগাধৰ ৰৰকটকী, চাওখাটৰ পদ্মেশ্বৰ গোস্বামী, যোৱহাটৰ দেশনেতা কুলধৰ চলিহা, দেৱেশ্বৰ চলিহা আৰু শুন গোবিন্দ দত্ত, পকামুৰাৰ প্রেমধৰ ৰৰুৱা আৰু সর্বেশ্বৰ ৰৰদলৈ, তৰাজানৰ দেবেন্দ্র নাথ চক্রৱর্তী আদি বহুতে যোগদান কৰিছিল । পিচত এই নাম-কীর্ত্তনত যোগদিয়া সকলো উচ্চ বর্ণৰ কর্মীসকলক নিজৰ নিজৰ অঞ্চলৰ বাইজে এঘৰীয়া কৰিছিল । আনকি পুৰোহিত সকলেও তেওঁলোকক বর্জন কৰিছিল । উল্লেখযোগ্য যে ৫৯ জন মানুহক সমাজৰ পৰা বাদ দিছিল । এই ঘটনাৰ পিচত বাইজৰ মাজত "হৰিজন" আৰু "সনাতন" দুটা ভাগত বাইজ বিভক্ত হৈছিল । উল্লেখযোগ্য যে সুদীর্ঘ বাৰ বছৰ কাল সমাজ বর্জিত হৈ থকাৰ পিচত সামাজিক পৰিবর্ত্তন যথেষ্ট পৰিমাণে হয় । বর্জিত সকলো পুনৰ সমাজভুক্ত হয় ।

মহাত্মা গান্ধীজীৰ এই আগমণে গাওঁ সমূহত অভূত পূর্ব আৰু অভাৱনীয় জাগৰণ আনিছিল। মহাত্মাজীক "ঈশ্বৰৰ অৱতাৰ" বুলি অভিহিত কৰিছিল। অসমীয়া জীয়ৰী-বোৱাৰীয়ে একে বাতিৰ ভিতৰতে কপাহ নেওঠি, ধূনি, সূতাকাটি, তাঁত বাতি কৰি গামোছাত ফুল বাচি মহাত্মা গান্ধীক উপহাৰ দিছিল। মহাত্মাজীয়ে আহাৰত কল ব্যৱহাৰ কৰা বুলি জানি বাইজে আগবঢ়োৱা কলৰ থোকবোৰ চন্দ্রকান্ত হলৰ পিৰালিত শাৰী পাতি ৰখা হৈছিল। তাৰ ওপৰত ৰচী বান্ধি খাদী গামোচা বিলাক আঁৰি দিয়াত অপূর্ব দৃশ্য হৈছিল।

কেন্দ্রীয় ব্যৱস্থাপক সভাৰ নির্বাচন

১৯৩৪ চনত ভাৰতীয় ব্যৱস্থাপক সভাৰ নির্বাচন হয়। এই নির্বাচনত কংগ্রেছৰ প্রার্থী আছিল কর্মবীৰ নবীন চন্দ্র ৰৰদলৈ। কিন্তু তেখেতক প্রতিদ্বন্দিতা কৰিছিল দেশভক্ত তৰুণ ৰাম ফুকনে। যোৰহাটতো কংগ্রেছ প্রার্থী কর্মবীৰ নবীন চন্দ্র ৰৰদলৈ বিপুল ভোটাধিকত জয়লাভ কৰে। এই নির্বাচনত সুৰেন্দ্র নাথ বুঢ়াগোঁহায়ে দেহে কেহে কংগ্রেছৰ হকে খাটিছিল।

১৯৩৬ চনত কর্মবীৰ নবীন চন্দ্র ৰৰদলৈৰ মটৰ দুর্ঘটনাত মৃত্যু হোৱাত সেই খালি আসনলৈ যোৰহাটৰ দেশনেতা কুলধৰ চলিহা বিনা প্রতিদ্বন্দ্বিতাৰে নির্বাচিত হৈছিল।

ৰোহিনী নগৰ ঃ ১৯৩৫ চনৰ অসম ৰাষ্ট্রীয় সম্মিলন

চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱৰ দিহানৈৰ কাঁহি পৰা দলঙৰ ওচৰত আনন্দ চন্দ্র ৰৰুৱাৰ 'বকুলবনৰ' সন্মুখত থকা তেখেসকলৰে এখন মুকলি পথাৰত ৰাষ্ট্রীয় সম্মিলনৰ সভামণ্ডপ সজা হৈছিল। ৰৰুৱাহঁতৰ ঘৰখন সেই কেইদিন সম্মিলনৰ এটা শিবিৰত পৰিণত হৈছিল। তেখেতসকলৰ বায়েক শ্রীমতী অন্নদা দেবীয়ে সেই সময়ত অশেষ কষ্ট স্বীকাৰ কৰি অতিথিসকলৰ সোধ-পোচ কৰিছিল। এই জাতীয়

যজ্ঞ সাদিন ধৰি হৈছিল । অসমৰ একনিষ্ঠ দেশসেৱক ঁবোহিনী হাতীবৰুৱা দেৱৰ নামেৰে নামাকৰণ কৰি সভা হোৱা অঞ্চলটোক বোহিনী নগৰ নাম দিয়ে আৰু বিৰাট সভা মণ্ডপ কৰে । অসম ৰাষ্ট্ৰীয় সন্মিলন গাঁৱৰ মাজত হোৱা সেয়ে প্ৰথম আছিল । যোৰহাট মহকুমাৰ কৰ্মীসকলৰ, বিশেষকৈ ঁমহেশ্বৰ বৰকটকীৰ আপ্ৰাণ চেষ্টাত চাওখাট মৌজাৰ কৰ্মীসকলে ইয়াৰ কাৰণে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল । গোটেই চাওখাট মৌজাৰ ৰাইজে টকা-পইচাৰ উপৰিও বাঁহ-খেৰ, চাউল, শাক-পাচলি সংগ্ৰহ কৰি দিছিল ।শশীধৰ মলিয়া বৰুৱাৰ অক্লান্ত পৰিশ্ৰমৰ ফলতে এই সন্মিলনৰ কাৰ্য অতি নিয়াৰিকৈ সম্পন্ন হৈছিল ।

সন্মিলন উদ্বোধন কৰিছিল অসমৰ ত্যাগী ধৰ্মগুৰু ঁশ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী গড়মূৰীয়া সত্ৰাধিকাৰে । ৰাষ্ট্ৰীয় সন্মিলনৰ সভাপতিত্ব কৰিছিল লোকনায়ক অমিয় কুমাৰ দাস দেৱে । অসম ৰায়ত সভাৰ সভাপতিত্ব কৰিছিল ঁমহাদেৱ শৰ্মাদেৱে । হিন্দী প্ৰচাৰ সভাৰ সভাপতিত্ব কৰিছিল অম্বিকা প্ৰসাদ ত্ৰিপাঠিদেৱে । বনুৱা সভাৰ সভাপতিত্ব কৰিছিল দেৱেন শৰ্মাদেৱে । মহিলা সভাৰ সভানেত্ৰী আছিল ঁঅন্নদা দেৱী বৰকটকী । নিৰ্যাতিত কৰ্মী সভাৰ সভাপতি শংকৰ চন্দ্ৰ বৰুৱা আছিল ।

এই ৰাষ্ট্ৰীয় সন্মিলনলৈ সৰ্বভাৰতীয় মহিলা নেত্ৰী বাৰতৰ ভূতপূৰ্ব স্বাস্থ্যমন্ত্ৰী অমৃত কাউৰ আহিছিল । সদৌ অসমৰ কংগ্ৰেছ সেৱী ৰাইজক সেৱা কৰিবলৈ পোৱাটো চাওখাট মৌজাৰ ৰাইজৰ পৰম সৌভাগ্যৰ বিষয় আছিল । যোৰহাটৰ নেতা শ্ৰীদেৱেশ্বৰ শৰ্মা, ঁকুলধৰ চলিহা, ঁকৃষ্ণনাথ শৰ্মা, ঁহৰিনাৰায়ণ বৰুৱা আদিৰ যত্নত আৰু চাওখাট, টীয়ক, হোলোহাপাৰৰ কৰ্মী মহেশ্বৰ বৰকটকী, শশীধৰ মলিয়া বৰুৱা, কমল দত্ত, ঁৰেবানন্দ নেওঁগ, ৰাম চন্দ্ৰ ৰাজকুমাৰ, পদ্মেশ্বৰ গোস্বামী, ভদ্ৰনাথ ৰৰদলৈ, ৰবীন বৰুৱা, হীৰানাথ বৰুৱা আৰু শ্ৰীকুমুদেশ্বৰ বৰা আদিৰ যত্নত এই সন্মিলন কৃতকাৰ্য হৈ উঠিছিল ।

সেই স্থানত ঁবোহিনী হাতীবৰুৱাদেৱৰ স্মৃতিত এখন পাঠশালা স্কুল স্থাপিত হয় । সেই স্কুল বৰ্তমানো চলি আছে ।

গঠনমূলক কাম ঃ ১৯৩৭ চন

মহাত্মা গান্ধীজীয়ে এটা ডাঙৰ গণ আন্দোলনৰ কাৰণে দেশবাসীক প্ৰস্তুত কৰাৰ উদ্দেশ্যে ১৯৩৭ চনৰ শেহৰ ভাগত গোটেই ভাৰতবৰ্ষত খাদী উৎপাদনৰ কাম হাতত লয় । সেইমতে যোৰহাট জিলা কংগ্ৰেছ কাৰ্যালয়ত কপাহ নেওঠনী, ধনু, যঁতৰ আদিৰ বিক্ৰীৰ কাৰণে মজুত ৰখা হৈছিল । খাদী-কৰ্মী শশীধৰ মলীয়া বৰুৱাৰ চেষ্টাত যোৰহাট জিলা কংগ্ৰেছ কাৰ্যালয়ত সেই সময়ত কপাহ আৰু খাদী সৰঞ্জামেৰে ভৰি আছিল আৰু যোৰহাটৰ ৰাইজৰ যঁতৰ, নেওঠনী, কপাহ কিনিবলৈ কংগ্ৰেছ কাৰ্যালয়ত যথেষ্ট সমাগম হৈছিল । এই অনুক্ৰমে মহাত্মাজীৰ নিৰ্দ্দেশনাত গঠনমূলক কামৰ মাজেদি কেইবাটিও বছৰ বাগৰি গ'ল ।

ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন

১৯৪০ চনত মহাত্মা গান্ধীয়ে অতি সোনকালে এটা গণ বিপ্লৱ কৰিব লাগিব বুলি ধাৰণা কৰিছিল । সেইকাৰণে তেখেতে ব্যক্তিগত সত্যাগ্ৰহৰ পাতনি মেলিলে, তেখেতে এখন প্ৰতিজ্ঞাপত্ৰ নিজে প্ৰস্তুত কৰিলে । সেই প্ৰতিজ্ঞাপত্ৰত চহী কৰা সকলক "সত্যাগ্ৰহী" আখ্যা দিয়া হ'ল । সত্যাগ্ৰহী দুটা তালিকা প্ৰস্তুত কৰি, সত্যাগ্ৰহী সকলৰ বেমাৰ-আজাৰ যদি আছে বিৱৰণ দি মহাত্মাজীলৈ পঠাব লাগে । গান্ধীজীয়ে সুক্ষ্মভাৱে পৰীক্ষা-নিৰিক্ষা কৰি অসুখীয়া সকলক অনুমতি নিদি বাকী সকলক অনুমতি দিছিল । যোৰহাট জিলা কংগ্ৰেছৰ কাৰ্যকৰী কমিটীৰ সভ্য সকলক প্ৰথম তালিকাত কৃষ্ণ শৰ্মা, দেৰেশ্বৰ শৰ্মা, ৰামেশ্বৰ ভট্টাচাৰ্য, হৰিনাৰায়ণ বৰুৱা, শশীধৰ মলীয়া বৰুৱা আদি আছিল । সত্যাগ্ৰহী জনে ক'ব লগা কথা মহাত্মাজীয়ে বান্ধি দিছিল । অগণন জনতাৰ আগত সত্যাগ্ৰহীজনে ক'ব লাগে" এই যুদ্ধত ধনে-জনে সহায় নকৰিব" । এই বামী উচ্চাৰণ কৰিলে সত্যাগ্ৰহী জনক পুলিছে গ্ৰেপ্তাৰ কৰি বিচাৰকৰ ওচৰলৈ লৈ যায়" প্ৰাদেশিক নেতা সকলক কাৰাদণ্ড দিয়াৰ পিচত কাৰাদণ্ডৰ ম্যাদ লাহে লাহে কমি আহিল আৰু বহুতক ফাটেক নিদিয়াকৈ এৰি দিলে । স্বৰ্গীয় গোপীনাথ বৰদলৈ অসমৰ প্ৰথম সত্যাগ্ৰহী । বিচাৰত তেখেতৰ এবছৰ কাৰাদণ্ড হয় । যোৰহাটৰ নেতা হৰিজন বন্ধু কৃষ্ণ নাথ শৰ্মা, দেৰেশ্বৰ শৰ্মা, হৰিনাৰায়ণ বৰুৱা, শশীধৰ মলিয়া বৰুৱা, সৰ্বেশ্বৰ বৰদলৈ আদিয়ে সত্যাগ্ৰহ কৰিছিল আৰু তেওঁলোকৰ

ফাটেক হৈছিল "দেশনেতা কুলধৰ চলিহাৰ নাম সত্যাগ্রহীৰ তালিকাত আছিল আৰু মহাত্মাজীয়ে অনুমোদন কৰা স্বত্বেও তেখেতে সত্যাগ্রহ নকৰিলে । কিন্তু "সুৰেন্দ্র নাথ বুঢ়াগোঁহাই দেৱে ৰোগত ভুগি থকা কাৰণে তেখেতক মহাত্মাজীয়ে সত্যাগ্রহ কৰিবলৈ অনুমতি নিদিলে । গতিকে তেখেতে সত্যাগ্রহ নকৰাকৈয়ে সত্যাগ্রহীৰ সন্মান লাভ কৰিলে । যোৰহাটৰ প্রায় আঁঠেশ সত্যাগ্রহীয়ে সত্যাগ্রহ কৰিছিল যদিও আটাই বিলাককে ফাটেক ফাটেক দিয়া নাছিল । সত্যাগ্রহ আন্দোলনত দেশৰ বিশিষ্ট নেতাসকলক যোৰহাটৰ কাৰাগাৰতে ৰাখিছিল ।

১৯৪১ চনৰ শেহৰ ভাগত সত্যাগ্রহ আন্দোলন শেষ হ'ল । মহাত্মা গান্ধীজীয়ে এতিয়া এটা গণ আন্দোলনৰ বাবে পোনপটীয়াকৈ প্রস্তুতিৰ কাম আৰম্ভ কৰিলে । ভাৰতৰ সকলো ঠাইতে শান্তিসেনাৰ শিবিৰ স্থাপন হ'ল ।

পুথি নৈ শিবিৰ (১৯৪০ চন এপ্রিল মাহ)

১৯৪০ চনৰ এপ্রিল মাহৰ প্রথম সপ্তাহত ন-আলি ঢেকীয়াজুলি, সোনাৰী গাঁৱত বহা যোৰহাট জিলা ৰাষ্ট্রীয় সম্মিলনে যোৰহাটৰ সত্যাগ্রহী শিবিৰ নকছাৰী মৌজাৰ পুথিনৈৰ পাৰত পাতিবলৈ স্থিৰ কৰিলে । গোটেই মহকুমাত সত্যাগ্রহী সংগঠন কৰি তালিকা কৰিবৰ কাৰণে কেইজনমান প্রচাৰক নিযুক্ত কৰিলে । তাৰ ভিতৰত চাওখাট মৌজাৰ কর্মী পদ্মেশ্বৰ গোস্বামীও এজন । সেই সময়ত যোৰহাট জিলা কংগ্রেছৰ সভাপতি কুলধৰ চলিহা, যুটীয়া সম্পাদক হৰিনাৰায়ণ বৰুৱা আৰু শশীধৰ মলিয়া বৰুৱা । সত্যাগ্রহী শিবিৰৰ অধ্যক্ষ সর্বেশ্বৰ বৰদলৈ আৰু চেক্রেটৰী শ্রীটংকেশ্বৰ বৰাক যোৰহাট জিলা কংগ্রেছে নির্বাচন কৰে । গাঁৱে-ভূঞে সভা-সমিতি পাতি প্রচাৰ কার্য কৰা হ'ল । ১৯৪০ চনৰ এপ্রিল মাহৰ ২৩ তাৰিখৰ পৰা শিবিৰ আৰম্ভ হ'ল । কুলধৰ চলিহাদেৱে মাজে-সময়ে শিৱিৰত থাকি সত্যাগ্রহৰ তাৎপর্য সত্যাগ্রহীসকলক বুজাই দিছিল । তিনিমাহ দিন এনেদৰে প্রশিক্ষণ চলিল । শ্রীটংকেশ্বৰ বৰা শিবিৰতে নৰিয়া পৰে আৰু গৰু গাৰীৰে ঘৰলৈ আনে । প্রায় তিনিশজন সত্যাগ্রহীয়ে এই শিবিৰত প্রশিক্ষণ লয় । জুলাই মাহৰ শেষ সপ্তাহত শিবিৰ ভংগ হয় আৰু সকলো ঘৰাঘৰি যায় । উক্ত শিমলুগুৰিৰ কর্মী ৰজনী কটকীৰ গ্রহনী ৰোগত শিবিৰতে মৃত্যু হয় ।

৪ অক্টোবৰত প্ৰথম সত্যাগ্ৰহী সন্ত বিনোবাজীয়ে সত্যাগ্ৰহ কৰিলে ; তেখেতক গ্ৰেপ্তাৰ নকৰিলে । দ্বিতীয় সত্যাগ্ৰহী পণ্ডিত জৱাহৰলাল নেহৰুৱে ১০ অক্টোবৰত সত্যাগ্ৰহ কৰিলে । তেখেতক গ্ৰেপ্তাৰ কৰি ৪ বছৰ সশ্ৰম কাৰাদণ্ড দিয়ে । চাওখাট মৌজাৰ প্ৰথম সত্যাগ্ৰহী পদ্মেশ্বৰ গোস্বামীয়ে মেলেং এম, ভি, স্কুলৰ সম্মুখত সত্যাগ্ৰহ কৰে । ১৯৪১ চনৰ ৩০ জানুৱাৰীত শ্ৰীটংকেশ্বৰ বৰাই তিনিকুৰীয়া আলি মূৰত প্ৰথমবাৰ সত্যাগ্ৰহ কৰে । পুলিচে গ্ৰেপ্তাৰ কৰি এদিন ফাটেক দিয়ে । চাওখাটৰ প্ৰসঙ্গ গোস্বামীয়ে বনগাওঁ স্কুলৰ সম্মুখত সত্যাগ্ৰহ কৰে তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰে । বিচাৰত তিনিমাহ সশ্ৰম ফাটেক দিয়ে । ভদ্ৰনাথ বৰদলৈয়ে ১৯৪১ চনৰ ২৭ জানুৱাৰী তাৰিখে সোণাৰী গাওঁ আলিমূৰত প্ৰথমবাৰ সত্যাগ্ৰহ কৰে ; তেখেতক এৰেষ্ট কৰি নি এদিন ফাটেক দিয়ে । টিপেশ্বৰ বৰা মেধিয়ে জহাখাটত সত্যাগ্ৰহ কৰে আৰু তেখেতক গ্ৰেপ্তাৰ কৰি ৩০ টকা জৰিমনা কৰে । দ্বিতীয়বাৰত তেখেতক চাৰিমাহ জেল দিয়ে ।

১৯৪২ চনৰ গণ বিপ্লৱ

দেশজুৰি হোৱা শান্তিসেনা সংগঠনৰ অফুৰন্ত টো আৰু জাপানীসকলে ব্ৰহ্মদেশত বৰ দ্ৰুত গতিৰে আগবাঢ়ি ভাৰতৰ পূৱ প্ৰান্তত বিজয় ডংকা বজোৱাত বৃটিছ নৌবাহিনীৰ খোপনি পিচলি গ'ল । অন্যহাতেদি কংগ্ৰেছ বামপন্থী নেতা সুভাষ চন্দ্ৰ বসু ভাৰতৰ পৰা অন্তৰ্দ্ধান হৈ জাপান, জাভা, ফিলিপাইন, পূৰ্ব ভাৰতীয় দ্বীপপুঞ্জত প্ৰবাসী ভাৰতীয় সকলকলৈ আজাদ হিন্দ ফৌজ গঠন কৰিলে আৰু বৃটিছৰ লগত সশস্ত্ৰ বিদ্ৰোহ কৰি বৃটিছক বিব্ৰত কৰিলে । এনে ঘটনাৰ পৰিপ্ৰেক্ষিতত বৃটিছ চৰকাৰক ভাৰতৰ প্ৰতি আপোচমূলক মনোবাৰ ল'বলৈ বাধ্য কৰালে । সেইবাবে ১৯৪২ চনৰ মাৰ্চ মাহত বৃটিছ মন্ত্ৰীসভাৰ সদস্য চাৰ ষ্টেপৰ্ড ক্ৰীপচক ভাৰতীয় সমস্যাৰ সমাধানৰ কাৰণে বৃটিছে চেষ্টা কৰিবলৈ পঠালে । ক্ৰীপচ্ মিচনে বিভিন্ন দলৰ নেতাসকলৰ লগত আলোচনা কৰি একো নতুন সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে । তেওঁ জনালে যে যুদ্ধৰ পিচতে ভাৰতবৰ্ষক ঔপনিবেশিক স্বায়ত্ব শাসন দিয়া হ'ব আৰু তাৰ কাৰণে যুদ্ধৰ অন্তত এখন প্ৰতিনিধিমূলক সভা গঠন কৰিব । কিন্তু তৎকালীন ভাৰত চৰকাৰ বা শাসন বিধিত কোনো পৰিবৰ্তনৰ আভাস তেওঁ

নিদিলে । মহাত্মা গান্ধীয়ে ক্রীপচৰ এই প্রস্তাৱক "দেউলীয়া বেংকৰ ম্যাদ শেষ হোৱা চেক" বুলি আখ্যা দিছিল । মুঠতে কংগ্রেছ মুছলীম লীগ উভয়ে নে প্রস্তাৱ অগ্রাহ্য কৰিলে । ফলত ক্রীপ চ অভিযান ব্যর্থ হ'ল ।

১৯৪২ চনৰ গণ আন্দোলন

ভাৰতৰ গৱর্ণৰ জেনেৰেলৰ লগত মহাত্মা গান্ধীয়ে অনেক আলাপ-আলোচনা আৰু চিঠি-পত্র যোগাযোগ কৰাত কোনো ফল নধৰিলে ; আনকি দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাৰ দিনাই ভাৰতীয় ৰাইজৰ কোনো মতামত - নোলোৱাকৈ এই বিশ্ব যুদ্ধত মিত্র পক্ষৰ হৈ যুদ্ধত লিপ্ত হোৱা দেশ বুলি ঘোষণা কৰিলে । ভাৰতীয় জাতীয় মহাসভা কংগ্রেছে ইয়াক এক ভয়ংকৰ অপমান বুলি বিবেচনা কৰিলে ।

ভাৰত ত্যাগ প্রস্তাৱ

(১৯৪২ চনৰ আঠ - ন আগষ্টৰ ৰাতি বোম্বাই মহানগৰীত নিখিল ভাৰত কংগ্রেছ কমিটীত গৃহীত হোৱা ঐতিহাসিক ভাৰত ত্যাগ প্রস্তাৱৰ অসমীয়া ৰূপান্তৰ (ভাঙনি) অনুবাদ কৰিছে শ্রীভৱানী চৰণ ঠাকুৰে)

১৯৪২ চনৰ আগষ্ট মাহৰ প্রথম সপ্তাহত বোম্বাই মহানগৰীত কংগ্রেছ কার্য নির্বাহক সভা বহিছিল । সেই সভাতে বিখ্যাত ভাৰত ত্যাগ প্রস্তাৱ ৰচনা কৰা হয় আৰু মহাত্মাজী নিজে উপস্থিত থাকি সেই প্রস্তাৱ ৰচনা কৰাত নীতি নির্দেশনা দিয়ে । দীঘলীয়া আলোচনাৰ অন্তত নিখিল ভাৰত কংগ্রেছ কমিটীৰ সভাত ডাণ্ডি ধৰিবলৈ তলত দিয়া প্রস্তাৱ গ্রহণ কৰে ।

"১৯৪২ চনৰ ১৪ জুলাই তাৰিখে কংগ্রেছ কার্য নির্বাহক সভাই আলোচনাৰ কাৰণে আগবঢ়োৱা প্রস্তাৱৰ সকলো যুক্তি আৰু দিশ আজিৰ নিখিল ভাৰত কংগ্রেছ কমিটীৰ এই সভাই গভীৰ মনোযোগেৰে বিবেচনা কৰে । তাৰ পৰৱর্তী অৱস্থা, যুদ্ধৰ গতিবিধি, বৃটিছ চৰকাৰৰ দায়িত্বশীল মুখপাত্রসমূহৰ এই সম্পর্কীয় উক্তি আৰু ভাৰতৰ বাহিৰে-ভিতৰে হোৱা আলোচনা-সমালোচনা সমূহ সভাই অত্যন্ত গভীৰ আৰু বিস্তৃত ভাৱে অধ্যয়ন কৰি উক্ত প্রস্তাৱটো প্রতি সভাৰ পূর্ণ সমর্থন

আগবঢ়ায় । সবাই এই সম্পর্কত মত প্রকাশ কৰে যে এই প্রস্তাৱ গ্রহণ কৰাৰ পৰৱর্তী ঘটনাবলীয়ে এই প্রস্তাৱৰ প্রাসঙ্গিকতা পুনৰ প্রতীয়মান কৰিছে । সমিতিয়ে ভাবে যে ভাৰত আৰু যুক্তৰাষ্ট্ৰ সমূহৰ (United Nations) স্বার্থৰ হকে ভাৰতত বৃটিছ শাসনৰ অবিলম্বে অন্ত পৰাটো অত্যন্ত প্রয়োজনীয় হৈ পৰিছে । ভাৰতত বৃটিছ শাসন চলি থকাটো দেশৰ কাৰণে সন্মান হানিকৰ আৰু ই দেশখনক ক্রমান্বয়ে দুর্বল কৰি আনি শেষত নিজকে ৰক্ষা কৰা আৰু পৃথিৱীৰ স্বাধীনতাৰ কাৰণে যি অৱদান দিব পাৰে তাৰ কাৰণে সামর্থ হীন কৰি তু লিছে ।

চীন আৰু ৰুছ সীমান্ত যুদ্ধৰ ক্রমাগত অৱনতিৰ প্রতি সমিতিয়ে গভীৰ উদ্বিগ্নতাৰে লক্ষ্য কৰি চান আৰু ৰুছ জনসাধাৰণে তেওঁলোকৰ স্বাধীনতা ৰক্ষা কৰা ক্ষেত্রত যি বীৰত্ব প্রদর্শন কৰিছে তাৰ শলাগ লয় । এই ক্রমবর্দ্ধমান বিপর্যস্ততা আৰু আক্রমণৰ বলীহোৱা স্বাধীনতাকাঙ্খী সকলৰ প্রতি সহানুভূতিশীল সকলো লোকেই মিত্র পক্ষৰ দুখজনক অকৃতকার্যতাৰ প্রতি লক্ষ্য কৰি মিত্র পক্ষই গ্রহণ কৰি অহা নীতি সমূহৰ মূল ভিত্তি পুনৰ বাৰ পৰীক্ষা কৰি চোৱাতো প্রয়োজনীয় বুলি ভাবে । এই নীতি, লক্ষ্য আৰু উপায় সমূহ আগত ৰাখি কাম কৰিলে অকৃকার্যতাক কৃতকার্যতালৈ ৰূপান্তৰিত কৰিব পৰা নহ'ব । অতীত অভিজ্ঞতাই আমাক দেখুৱাইছে যে অকৃকার্যতা এই নীতিসমূহৰ অন্তঃ নিহিত অংগ । এই নীতি সমূহ স্বাধীনতা ওপৰত যথোচিত গুৰুত্ব দিয়াৰ পৰিবর্তে উপনিবেশ সমূহ আৰু তাৰ প্রজা সাধাৰণক অধীনত ৰাখি ঔপনিবেশিক শাসনৰ পৰম্পৰা ৰক্ষাৰ ভিত্তিত হে প্রতিষ্ঠিত । বৃহৎ সাম্রাজ্য স্থাপনে শাসক দলৰ শক্তি বৃদ্ধি কৰাৰ পৰিবর্তে ই তেওঁলোকৰ কাৰণে এটা বোজা আৰু শাওপাত স্বৰূপ হৈ পৰিছে । আজি সাম্রাজ্যবাদৰ এটা মূল আৰু প্রণিধানযোগ্য প্রশ্ন এই ভাৰতবর্ষ । এই ভাৰতৰ স্বাধীনতাৰ ওপৰতে বৃটেইন আৰু যুক্তৰাষ্ট্রসমূহৰ প্রকৃত বিচাৰ হ'ব আৰু তাৰ পৰাহে এচিয়া তাৰপৰাহে এচিয়া আৰু আফ্রিকাৰ জন সাধাৰণে আশা আৰু উৎসাহ লাভ কৰিব ।

ভাৰতৰ পৰা বৃটিছ শাসনৰ অৱসান সেয়ে এটা মূল আৰু তৎকালিন সমস্যা আৰু ইয়াৰ ওপৰতে যুদ্ধৰ ভৱিষ্যৎ আৰু স্বাধীনতাৰ আৰু গণতন্ত্রৰ কৃতকার্যতা বহু পৰিমাণে নির্ভৰ কৰে । এখন স্বাধন ভাৰতে নিজৰ সমস্ত শক্তি সামর্থ আৰু সম্পদ স্বাধীনতাৰ হকে আৰু নাজীবাদ ফেচিষ্টবাদৰ বিৰুদ্ধে নিয়োজিত কৰি কৃতকার্যতাৰ নিশ্চয়তা প্রদান কৰিব পাৰিব । এই কার্য যুদ্ধক্ষেত্রত যে কেৱল বস্তুনিষ্ঠ ভাৰে সহায়

হ'ব সিয়ে নহয়, ৰৰং ই সমগ্ৰ পৰাধীন আৰু শোষিত জনসাধাৰণক সন্মিলিত শক্তিৰ সহযোগী কৰি তুলিব আৰু ভৱিষ্যতৰ নেতৃত্বত এই দেশসমূহে জগতক নৈতিক আৰু আধ্যাত্মিক নেতৃত্ব দিব পাৰিব। অন্যথাই পৰাধীন ভাৰত বৃটিছ চৰকাৰৰ ঔপনিবেশিক বাদৰ শাসনৰ এটা উদাহৰণ স্বৰূপে থাকি যাব আৰু সেই ঔপনিবেশিকতা বাদৰ চেকাই সমস্ত সন্মিলিত শক্তিক কলংকিত কৰি যুদ্ধৰ প্ৰগতিত বাধাৰ স্বৰূপ হৈ থাকিব।

আজিৰ এই বিপদজনক পৰিস্থিতিয়ে সেইকাৰণে বৃটিছ শাসনৰ ওৰ পেলাই ভাৰতৰ স্বাধীনতা অপৰিহাৰ্য কৰি তুলিছে। ভৱিষ্যতলৈ কৰা হ'ব বুলি দিয়া কোনো ঘোষণা বা আশাৰ বাণীয়ে এই বিপদজনক পৰিস্থিতি মোকাবিলা কৰিব নোৱাৰে। এনে বাণীয়ে জনসাধাৰণৰ মনক প্ৰয়োজনীয় মনস্তাত্বিক প্ৰভাৱ পেলাব নোৱাৰিব। কেৱল মাত্ৰ স্বাধীনতাৰ উজ্বল জ্যোতিয়েহে লক্ষ লক্ষ জনসাধাৰণৰ মনত সেই শক্তি আৰু উৎসাহ জাগ্ৰত কৰি যুদ্ধৰ গতি আৰু প্ৰকৃতি আশু পৰিবৰ্তন সাধন কৰাব পাৰিব।

সেইকাৰণেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ আজি এই সভাই অতি দৃঢ়ভাৱে ভাৰতৰ পৰা বৃটিছ শাসনৰ অৱসানৰ দাবী দোহাৰিছে। ভাৰতৰ স্বাধীনতা ঘোষণাৰ লগে লগে ভাৰতত এটা অস্থায়ী চৰকাৰ গঠিত হ'ব আৰু স্বাধীন ভাৰতে এই যুদ্ধত মিত্ৰ পক্ষৰ সমান সহযোগী সদস্য হিচাবে এই যুদ্ধ সংগঠনৰ যুটীয়া প্ৰচেষ্টা সমূহৰ সকলোপ্ৰকাৰ ঘাত-প্ৰতিঘাত ৰ সমান অংশীদাৰ হ'ব। তেনে এটা অস্থায়ী চৰকাৰ দেশৰ সকলোকিটা প্ৰধান দল আৰু গ্ৰুপৰ সহযোগতহে গঠন হ'ব পাৰে। সেইকাৰণে ই হ'ব এটা সমুহীয়া সন্মিলিত চৰকাৰ যত ভাৰতৰ আটাইকেউটা প্ৰধান ৰাজনৈতিক দল আৰু গোষ্ঠি বিশেষৰ প্ৰতিনিধি থাকিব। মিত্ৰ শক্তিৰ লগৰীয়া হৈ দেশৰ সমস্ত সশস্ত্ৰ শক্তি আৰু জনসাধাৰণৰ অহিংস শক্তিক লৈ দেশ ৰক্ষা আৰু শত্ৰুৰ আক্ৰমণ বাধা দিয়াই হ'ব এই চৰকাৰৰ মুখ্য কৰ্তব্য। পথাৰৰ কৃষক, কাৰখানা বনুৱাৰ সকলো স্তৰতে মংগল আৰু উন্নতি সাধন হ'ব এই চৰকাৰৰ লক্ষ্য। প্ৰকৃত পক্ষে তেওঁলোকেইহে দেশৰ সমস্ত শক্তি আৰু অধিকাৰৰ আধাৰ স্বৰূপ। এই অস্থায়ী চৰকাৰেই ভাৰতৰ কাৰণে এখন গণ পৰিষদ গঠন কৰিব আৰু এই গণ পৰিষদে ভাৰত শাসনৰ কাৰণে সকলোৰে গ্ৰহণযোগ্য এখন শাসনতন্ত্ৰ ৰচনা কৰিব। কংগ্ৰেছৰ মতে উক্ত শাসন তন্ত্ৰখন ফেদাৰেল ভিত্তিত হোৱা উচিত। য'ত ৰাজ্যসমূহে ওপৰঞ্চি বিষয় (Residury power) সমষ্টিতে প্ৰকৃত স্বায়ত্ব শাসনৰ অধিকাৰী হ'ব পাৰিব। মিত্ৰ পক্ষৰ দেশসমূহৰ লগত ভাৰতৰ সম্বন্ধ এই আটাইকেউখন স্বাধীন দেশৰ

প্রতিনিধিসকলৰ মাদত সকলোৰে সুবিধা আৰু স্বার্থৰক্ষা হ'ব পৰাকৈ আলাপ-আলোচনাৰ মাধ্যমেৰে সমিল-মিলেৰে নির্ণিত হ'ব - যাতে দেশসমূহে তেওঁলোকৰ উমৈহতীয়া দায়িত্ব শত্রুৰ আক্রমণক কৃতকার্যতাৰে বাধা দিব পাৰে। (Common task) জনসাধাৰণৰ প্রবল সংহত ইচ্ছা শক্তিৰে বলীয়ান হৈ এনে আক্রমণ বাধা দিয়াত স্বাধীনতা লাভ ভাৰতৰ কাৰণে বিশেষ সহায়ক হ'ব।

ভাৰতবর্ষৰ স্বাধীনতাই এচিয়াৰ বিদেশী শাসনৰ অধীনত থকা অন্য সকলো কিখন দেশৰ কাৰণে আদর্শস্বৰূপ আৰু আগলি বতৰা স্বৰূপ হ'ব লাগিব। ব্রহ্মদেশ, মালয়, ইন্দোচীন, ডাচছ ইষ্ট ইণ্ডিয়া, ইৰাণ আৰু ইৰাকেও পূর্ণ স্বাধীনতা লাভ কৰিব লাগিব। এটা কথা পৰিস্কাৰ হৈ থকা ভাল যে এই দেশ কিখনৰে যি কিখন বর্তমান জাপানে অধিকাৰ কৰি লৈছে সেই দেশ কেইখন ভৱিষ্যতলৈ কোনো ঔপনিবেশিক শক্তিৰ হাতত অর্পিত হ'ব নোৱাৰিব।

নিখিল ভাৰত কংগ্রেছ কমিটী সাধাৰণ ভাবে ভাৰতবর্ষৰ স্বাধীনতা আৰু দেশ ৰক্ষা বিষয়তহে বর্তমান সংকটময় পৰিস্থিতিত জড়িত। কিন্তু এই সমিতিয়ে এই মত পোষণ কৰে যে বিশ্বৰ ভৱিষ্যৎ শান্তি, নিৰাপত্তা আৰু সুসংহত উন্নয়নৰ কাৰণে স্বাধীন দেশসমূহৰে এখন বিশ্ব সন্থা গঠনৰ প্রয়োজন হ'ব আৰু তাৰ বাহিৰে অন্য কোনো ব্যৱস্থাৰে এই কাম সম্ভৱ হৈ নুঠিব। এই বিশ্ব সন্থাই যি বিলাকক লৈ এই সন্থা গঠিত হৈছে সেই দেশসমূহৰ স্বাধীনতা নিশ্চিত কৰি অন্য শক্তিৰ আক্রমণ প্রতিহত কৰা, এখন দেশে আন এখনক কৰা শোষণ বন্ধ কৰা, জাতীয় সংখ্যালঘু সকলৰ ৰক্ষণাবেক্ষণ, সকলো অনুন্নত আৰু পাচপৰা অঞ্চলৰ উন্নয়ন আৰু সকলোৰে মংগলৰ কাৰণে বিশ্বৰ ঐশ্বর্যসমূহৰ বিতৰণ নিশ্চিত কৰিব। এনে এখন বিশ্ব সন্থা স্থাপিত হ'লে দেশসমূহৰ অস্ত্র নিৰাকৰণ (Disarmament) সম্ভৱ হৈ উঠিব। জাতীয় সৈন্যবাহিনী, নৌ বাহিনী, বিমান বাহিনী আদিৰ প্রয়োজনীয়তা স্বাভাৱিকতে নোহোৱা হ'ব আৰু এটা ফেদাৰেল সৈন্য বাহিনীয়ে আক্রমণ প্রতিহত কৰি বিশ্ব শান্তি ৰক্ষা কৰিব। স্বাধীন ভাৰতে তেনে এটা বিশ্ব সন্থাত অন্য দেশ সমূহৰ সমান সহযোগী হৈ আনন্দৰে যোগদান কৰিব।

কমিটীয়ে দুখেৰে মত প্রকাশ কৰে যে যুদ্ধৰ দুখজনক অভিজ্ঞতা আৰু শিক্ষাও কোনো কোনো দেশৰ নেতৃবৃন্দক এই ব্যৱস্থা গ্রহণৰ মতাৱলম্বী কৰিব পৰা নাই। বৃটিছ চৰকাৰৰ প্রতিক্রিয়া আৰু বিশ্ব সংবাদপত্র কিছুমানৰ সমালোচনাই অন্য কি ভাৰতবর্ষৰ স্বাধীনতাৰো বিৰোধী যেন দেখা যায়।

নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে শেষ বাৰলৈ বিশ্বৰ স্বাধীনততাৰ হকে এই দাবী পুনৰ সজোৰে উত্থাপন কৰে যে বৃটিছ চৰকাৰ আৰু মিত্ৰ গোষ্ঠিয়ে নিজৰ স্বাৰ্থতে পৰাধীন দেশবিলাকৰ স্বাধীনতা অৰ্জন আৰু আত্ম প্ৰতিষ্ঠাৰ পথত যেন হেঙাৰ হৈ নাথাকে । কমিটীয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে ভাৰতবাসীৰ স্বাধীনতাৰ দাবী ধৰাৰ আৰু স্বাধীন হোৱাৰ অবিচ্ছেদ্য অধিকাৰ ৰক্ষা কৰিবলৈ দেশজোৰা অহিংসা গণ সংগ্ৰাম আৰম্ভ কৰা হওঁক । যোৱা বাইচ বছৰ ধৰি চলাই অহা অহিংসা সংগ্ৰামৰ পটভূমিয়ে সৃষ্টি কৰা সমস্ত অহিংস শক্তি ইয়াত প্ৰয়োগ কৰা হওঁক । এই গণ সংগ্ৰাম স্বাভাৰিক ভাৱেই 'গান্ধীজীৰ দ্বাৰা পৰিচালিত হ'ব লাগিব । সভাই গান্ধীক এই দায়িত্ব গ্ৰহণ কৰি জাতীয়ে ল'ব লগা পথ নিৰ্দেশনা দিবলৈ অনুৰোধ কৰে ।

সভাই ভাৰতৰ জনসাধাৰণক গান্ধীজীৰ নেতৃত্ব স্বীকাৰ কৰি তেওঁৰ দ্বাৰা প্ৰদৰ্শিত পথেৰে আগুৱাই গৈ যিকোনো বিপদ-বিঘিনীৰ সম্মুখীন হ'বলৈ আৰু সকলো প্ৰকাৰ তাগৰ কাৰণে প্ৰস্তুত হৈ এক গোট হৈ থাকিবলৈ আহ্বান জনায় । তেওঁলোকে এটা কথা মনত ৰাখিব যে ভাৰতৰ স্বাধীনতা যুদ্ধৰ মূল ভিত্তি হৈছে অহিংসা । হয়তো এনে এটা সময় আহিব যে যেতিয়া কোনো নীতি নিৰ্দেশনা দিয়া সম্ভৱ নহ'ব বা তেনে নিৰ্দেশনা আমাৰ সৰ্বসাধাৰণৰ ওচৰ পোৱা সম্ভৱ নহ'ব যেতিয়া হয়তো কোনো কমিটীয়ে কাম চলাব নোৱাৰা হ'ব তেনে অৱস্থাত এই সংগ্ৰামত অংশ গ্ৰহণ প্ৰতিজন মুনিহ-তিৰোতাই আগতে দি থোৱা নীতি-নিৰ্দেশনাৰ লগত সংগতি ৰাখি নিজকে পৰিচালনা কৰিব । ভাৰতবৰ্ষৰ স্বাধীনতাকাংশী সকলোলোকে নিজেই সংগ্ৰামৰ কঠোৰ ৰাষ্টাইদি পৰিচালিত কৰিব য'ত স্বাধীনতা লাভ কৰি ভাৰতমাতাক যুক্ত কৰাৰ অবিহনে জিৰণিৰ অৱকাশ নাই ।

সদৌ শেষত সভাই ঘোষণা কৰে যে ভৱিষ্যৎ স্বাধীন ভাৰত শাসন ব্যৱস্থা সম্পৰ্কে সমিতিয়ে নিজৰ মত মাত্ৰ প্ৰকাশ কৰিছে । গণ সংগ্ৰাম আৰম্ভ কৰি কোনো ক্ষমতা আহৰণৰ প্ৰয়াস ইয়াত নাই । যেতিয়া দেশ স্বাধীন হ'ব দেশৰ ক্ষমতাৰ অধিকাৰী হ'ব ভাৰতবৰ্ষৰ সমূহ জনসাধাৰণ ।

প্ৰতিক্ৰিয়া ঃ

১৯৪২ চনৰ ৭ আৰু ৮ আগষ্টত নিখিল ভাৰত কংগ্ৰেছ কমিটি বোম্বাইত বহি 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগে লগে কঠোৰ দমন নীতিৰ দ্বাৰা কলিতেই আন্দোলন দমন কৰিবৰ কাৰণে ইংৰাজ চৰকাৰে পৰিকল্পনা হাতত লৈ থৈছিল ।

বিভিন্ন ধৰণৰ অদ্যাদেশ জাৰী কৰা হৈছিল আৰু প্ৰতি প্ৰদেশৰে প্ৰথম দ্বিতীয় পৰ্যায় কংগ্ৰেছৰ নেতাসকলক গ্ৰেপ্তাৰ কৰিবলৈ স্থানীয় প্ৰশাসনক গুপ্তভাৰে নিৰ্দেশ দি ৰখা হৈছিল । ৮ আগষ্টৰ ৰাতি ভাৰত ত্যাগ প্ৰস্তাৰ কংগ্ৰেছে গ্ৰহণ কৰাৰ পিচত । এই প্ৰস্তাৱ ভাইচৰয়লৈ পঠিওৱা আৰু ভাইচৰয়ৰ উত্তৰ পালে কি ধৰনে আন্দোলন কৰা হ'ব সেই বিষয়ে সেই বিষয়ে আলোচনা কৰিব বুলি গান্ধীজীয়ে কৈছিল । কিন্তু আঠ আগষ্টৰ পুৱতি ৰাতিতে গান্ধীজীকে প্ৰমুখ্য কৰি ৰাকিং কমিটীৰ সভ্য প্ৰাদেশিক নেতাসকলক বোম্বাইত গ্ৰেপ্তাৰ কৰাৰ বাহিৰেও বিভিন্ন প্ৰদেশত সেইদিনাই আগৰ তালিকামতে নেতাসকলক গ্ৰেপ্তাৰ কৰে ।

দেশ ব্যাপি বিভিন্ন অধ্যাদেশ জাৰি কৰিলে । মিলিটেৰী, পুলিচে যুটীয়া ভাৱে আন্দোলন দমন কৰিবলৈ নিয়োগ কৰা হয় । জাপানৰ পৰা ভাৰতক ৰক্ষাৰ দায়িত্ব যুক্তৰাষ্ট্ৰ , আমেৰিকাৰ সৈন্যৰ ওপৰত দি ভাৰতৰ সকলো সামৰিক শক্তিক প্ৰয়োগ কৰে আন্দোলন দমন কৰিবলৈ । সুপ্ৰণোদিত বাৰে ভাৰতবৰ্ষৰ জনগণ জাগি উঠিল । বিভিন্ন ধৰণৰ হিংসাত্মক ঘটনা সংঘটিত হয় । ৰেল লাইন তোলা, দলং, ঘৰ আদি ধ্বংস কৰা, মিলিটেৰী বয়-বস্তু যোগানত বাধা দিয়া, সমুহীয়া ভাৱে কাছাৰী, থানাত, পতাকা উত্তোলন কৰা, সমান্তৰাল গৱৰ্ণমেণ্ট প্ৰতিষ্ঠা কৰা এনে বিভিন্ন কাৰ্য নেতৃত্বহীন জনগণে স্ব-প্ৰণোদিত ভাৱে ভাৰত ব্যাপি আৰম্ভ হয় ।

১৯৪২ চনৰ ৯ আগষ্টৰ পৰা ভাৰতবৰ্ষত যি জনবিপ্লৱ আৰম্ভ হৈছিল, তাক দমনৰ কাৰণে গৱৰ্ণমেণ্টে যি কঠোৰ ভাৱে দমন নীতি ভাৰত ব্যাপি আৰম্ভ কৰে, তাৰ ফলত দহ হেজাৰৰো অধিক লোক আটক বন্দী হয় । পাইকাৰী জৰিমণা আদায়ৰ কাৰণে বিভিন্ন অঞ্চলত যি পুলিচ-মিলিটেৰীৰ যুটীয়া অভিযান আৰম্ভ কৰিছিল, তাত হাজাৰ হাজাৰ পৰিয়াল সৰ্বস্বান্ত, গৃহহীন হয় । আনকি মহিলা সকলো লাঞ্ছিতা হোৱাৰ পৰা বাদ পৰা নাছিল ।

অসম আৰু ১৯৪২ ৰ গণবিপ্লৱ

১৯৪২ চনৰ ৯ আগষ্টত ব'ম্বেত নেতাসকলৰ গ্ৰেপ্তাৰৰ লগে লগে অসমৰ এ, বি, শ্ৰেণীৰ নেতাসকলক গ্ৰেপ্তাৰৰ অভিযান আৰম্ভ হয় । গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মা ব'ম্বে কংগ্ৰেছ কমিটীৰ পৰা উভতি আহোঁতে তেওঁলোকক ধুবুৰীত গ্ৰেপ্তাৰ কৰে । লগত যোৱা শ্ৰীকামিনী শৰ্মাক বাটতে খাকী হাফপেণ্ট কামিজ পিন্ধাই

কংগ্রেছৰ পৰা অনা চাৰ্কুলাৰ আদি তেওঁৰ হাতত দিয়ে । শ্ৰীকামিনী শৰ্মাই এ, আই, চি, চিৰ প্ৰস্তাৱ, চাৰ্কুলাৰ আনি ত্যাগবীৰ হেম বৰুৱাক দিয়েহি । সেই চাৰ্কুলাৰ গুপ্তভাৱে বিভিন্ন জিলা বিলাকলৈ পঠায় । চাৰ্কুলাৰ খনত খাজনা বন্ধ, ৰেললাইন, ডাকঘৰ, টেলীফোন, টেলিগ্ৰাফ লাইন ধ্বংস কৰা, মিলিটেৰী যোগান বন্ধ কৰা, থানা, কঁট আদিত জাতীয় পতাকা উত্তোলন, দখল কৰা আৰু সমান্তৰাল গৱৰ্ণমেণ্ট স্থাপন কৰা ইত্যাদি কাৰ্যসূচী আছিল । এই চাৰ্কুলাৰৰ কাম কেনেকৈ বাস্তৱত ৰূপান্তৰিত কৰিব পাৰি, সেই বিষয়ে কংগ্রেছ কৰ্মীসকল দোধোৰ-মোধোৰত পৰিছিল । গান্ধীজীৰ আদৰ্শত বিশ্বাসবান সকলে বিশেষকৈ অমিয় দাস, কৃষ্ণ শৰ্মা, আদিয়ে হিংসাত্মক কাৰ্যৰ বিৰোধীতা কৰিছিল । আনহাতে হিংসাত্মক বা ৰেললাইন, ডাকঘৰ, টেলিগ্ৰাফ, দলংভঙা ইত্যাদি ধ্বংস কৰা বিষয়েও কংগ্রেছ কৰ্মীসকল অনভিজ্ঞ আছিল । সৰ্বপ্ৰথম ৰৰপেটাৰ সৰভোগত বিমান ঘাটি প্ৰতিষ্ঠা কৰিবলৈ আয়োজন কৰা, অস্থায়ী ঘৰ-দুৱাৰ, বয়-বস্তু ইত্যাদি সকলো নাট্যকাৰ ব্ৰজনাথ শৰ্মা আৰু গোলোক পাঠকৰ নেতৃত্বত হেজাৰ হেজাৰ লোকে জুই দি ধ্বংস কৰে ১৫ আগষ্টত । এইটোৱেই অসমত প্ৰথম পৰ্যায়ৰ ডাঙৰ ধ্বংসকাৰ্য ।

ইয়াৰ পিচত বিভিন্ন জিলাত গৱৰ্ণমেণ্টৰ ঘৰ পোৰা, দলং ভঙা, টেলিফোন লাইন ধ্বংস, থানা, কঁটত পতাকা উত্তোলন, সমান্তৰাল গৱৰ্ণমেণ্ট ইত্যাদি কাম আৰম্ভ হয় - অসম ব্যাপি । অসমৰ গণ বিপ্লৱৰ বিষয়ে ত্যাগবীৰ হেম বৰুৱাই অমৃত বাজাৰ পত্রিকাত এটা প্ৰবন্ধ লিখিছিল ।

১৯৪২ চনৰ গণ-বিপ্লৱ আৰু অসম

ত্যাগবীৰ হেম বৰুৱা

১৯৪২ চনৰ আন্দোলনটো ফৰাচী বিপ্লৱৰ দৰেই অতি ব্যাপক আৰু উৎসাহত অদম্য আছিল । যদিও এই আন্দোলনটোৰ সবিশেষ এতিয়াও সংগৃহীত হোৱা নাই, ফৰাচী বিপ্লৱৰ সম্পৰ্কে সেইকালৰ ভিকটৰ হিউজে লিখাৰ দৰে ইয়ো ফৰাচী বিপ্লৱৰে সমপৰ্যায়ৰ আছিল । ভাৰতীয় গণ-আন্দোলনৰ বুৰঞ্জীত প্ৰতীক স্বৰূপ স্মৰণীয় চিপাহী বিদ্রোহৰ দিনৰে পৰা স্বেচ্ছাই আগবাঢ়ি আহি জাতীয় জীৱনত আলোড়ন সৃষ্টি কৰা এনে আন্দোন ১৯৪২ চনৰ আগষ্ট মাহৰ আগতে ভাৰতত হোৱা নাছিল । আগষ্টৰ আন্দোলনটো জনসাধাৰণৰ আশা-আকাংখাৰ জীৱন্ত প্ৰতীক । নিজৰ বুকুৰ ৰক্তেৰে দেশপ্রেমৰ সৌধ হিচাবে এই আন্দোলন জনসাধাৰণে গঢ়ি তুলিছিল ।

স্বাধীনতাৰ হকে অৰ্দ্ধাহাৰী আৰু অৰ্দ্ধনগ্ন লোকে কৰা ই এটা আন্দোলন । মাৰ্শ্বেলৰ চতুৰতা আৰু টটেন হামৰ কংগ্রেছৰ দায়িত্ব সম্পৰ্কে ইংগিতৰ সন্মুখত ভাৰতৰ প্রকৃত শত্রুৰ বিপক্ষে কৰা ইয়েই জনসাধাৰণৰ এখন বাস্তৱ যুদ্ধ হিচাপে পৰিগণিত হৈ থাকিব ।

কংগ্রেছৰ প্রতি আস্থাভাজন সকলৰ ১৯৪২ চনৰ আগষ্টত বম্বেত বহা নিখিল ভাৰত কংগ্রেছ কমিটীৰ অধিবেশনৰ ওপৰতে সকলোৱে আশা ৰাখিছিল আৰু বৃটিছ চৰকাৰে ষ্টেফ'ৰ্ড - ক্রীপচৰ যোগে তাৰিখ পাৰহৈ যোৱা এখন চেক দি ভাৰতীয় জনসাধাৰণক ঠগিবলৈ চেষ্টা কৰিছে বুলি এটা বিভৃষ্ণাৰ ভাৱ আৰু জাতীয় চৰকাৰৰ অবিহনে অসহায়তাৰ ভাৱ গঢ়ি উঠিছিল । কংগ্রেছে বিদেশী আক্রমণৰ বিপক্ষে ৰাষ্ট্রৰ জনগণৰ একান্ত সমর্থন পাব বুলি সকলোৱে আশা কৰিছিল । বৃটিছে নিজৰ প্রতিজ্ঞা ভংগ আৰু তেওঁলোকে প্রকৃত দৃষ্টিৰে ভাৰতৰ উচিত দাবী মানিবলৈ অমান্তি হোৱাৰ কাৰণে দেশখন ৰাৰুদৰ ঘৰৰ দৰে যিকোনো সময়তে, সামান্য আগাততে অগ্নিশিখা জ্বলি উঠাকৈ প্রস্তুত হৈ আছিল । প্রয়োজন মতে ভাৰতৰ সকলো নেতাকে বন্দী কৰা কার্যই আন্দোলনৰ এটা সুযোগ দিলে । সমৰ ডাৱৰৰ আৱৰণ যেতিয়া প্রদেশবোৰৰ আকাশত ঘনীভূত হ'ল, যদিও নিখিল ভাৰত কংগ্রেছ কমিটীৰ কোনো অনুমতি নাছিল, সকলোৱে অৱর্ণনীয় ভাৱে প্রতিবাদ জনালে । বম্বেত নেতাসকলক গ্রেপ্তাৰ কৰাৰ হুকুম দিয়াৰ সময়তেই অসমতো নেতা আৰু বহুতো নামজ্বলা লোকক গ্রেপ্তাৰ কৰিলে । ইয়াৰ ভিতৰতে মৌলানা তৈয়বুল্লা, বিষ্ণুৰাম মেধি, ফকৰুদ্দিন আলী আহমদ, দেৰেশ্বৰ শর্মা আদিক ৯ আগষ্ট তাৰিখে বন্দী কৰিলে । গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শর্ম্মাক ব'ম্বেৰ পৰা ঘূৰি আহোঁতে গ্রেপ্তাৰ কৰিলে । এই বন্দী কৰা কার্যই আন্দোলনটো পশ্চাদগামী কৰাতকৈ অন্য প্রকাৰে জুইত ঘিউ ঢলাৰ দৰেহে হ'ল । ১৬ আগষ্ট তাৰিখে অসম চৰকাৰৰ মুখ্য সচিবে অতি সন্তোষ মনেৰে প্রকাশ কৰিলে যে, বন্দী কৰাৰ পিচত দেশত শান্তি বিৰাজ কৰিছে । এই অৱস্থা যে ধুমুহাৰ আগৰ শান্ত অৱস্থা সেই কথা ভাবিবই পৰা নাছিল ।

চৰকাৰৰ দমন নীতি, নেতাসকলক অপ্রয়োজনীয় ভাৱে বন্দী কৰা চৰকাৰে ৰক্ত পিপাসু নীতিগ্রহণ কৰি স্বাধীনতা বিচৰা জনমতক দমন কৰাৰ প্রতিক্রিয়া হিচাপে এই আন্দোলন হৈছিল । যি সময়ত হয় মহাসমৰ চলি আছি ল আৰু অতি প্রয়োজনীয় সময়তে নেতাসকলক বন্দী কৰা হৈছিল ।

"স্বাধীনতা আন্দোলন আৰম্ভ হ'ল যেতিয়া
পিতাৰ পৰা পুত্রৰ হাত পৰিল তেতিয়া" ।

এই বিপ্লৱৰ গৌৱৱময় ইতিহাস অসমৰো আছে । প্ৰদেশখনক যুদ্ধৰ বাতাবৰণে আৱৰি ৰাখিছিল আৰু প্ৰত্যেক ইঞ্চি মাটিকেই জাপানৰ বিপক্ষে যুঁজিবলৈ মিত্ৰপক্ষৰ সৈন্যই কৱলত ৰাখিছিল । মেচিনগান, পিস্তল আৰু বুলেটক আওকাণ কৰি কৰি নিজৰ বিপ্লৱৰ পতাকা উৰুৱাই ভাৰতৰ মুক্তিযুঁজৰ বুৰঞ্জীত এক নতুন অধ্যায়ৰ সূচনা কৰিছিল । অসমী আইৰ পো-জীসকলে অতি সাহস আৰু বিশ্বাসেৰে স্বাধীনতা সংগ্ৰামত আগভাগ লোৱা কাৰ্যও শিখাৰ আখৰেৰে লিখাৰ যোগ্য ।

নেতাসকলক বন্দী কৰাৰ কথা বনজুইৰ দৰে বিয়পি পৰিল আৰু "কৰিম বা মৰিম" এই বৈপ্লৱিক শ্লোগানেৰে ইয়াৰ প্ৰতিবিধান কৰিবলৈ বিচাৰিছিল । জনসাধাৰণৰ প্ৰধান লক্ষ্য আছিল পুলিচ থানা বা ষ্টেচনবোৰ আৰু গোলামি মনোবৃত্তি বাহাল ৰখা বৃটিছৰ সকলো অনুষ্ঠান যেনেঃ- ন্যায় বিভাগ আদিৰ লগত সম্পৰ্ক ছেদ কৰাই আছিল জনসাধাৰণৰ মনোভাৱ । বিহালি, ঢেকিয়াজুলি, গহপুৰৰ থানাবোৰত কৰা অহিংস আক্ৰমণ আন্দোলনৰ এক জলন্ত নিদৰ্শন আছিল । ৰাষ্ট্ৰৰ কাৰণে লজ্জাজনক এই বৃটিছৰ প্ৰতীকবোৰৰ ওপৰত নিজৰ ক্ষমতা সাব্যস্ত কৰাৰ উদ্দেশ্যে থানাবোৰ অধিকাৰ কৰিবৰ কাৰণে ৰাইজে শাৰী পাতি পাতি শোভাযাত্ৰা কৰি গৈছিল ।

বিয়াল্লিছত ছাত্ৰৰ ভূমিকা সম্পৰ্কে মুক্তি যুঁজাক শ্ৰীত্ৰৈলোক্য নাথ শৰ্মাৰ বক্তব্য

১৯৪২ চনৰ ৯ আগষ্টৰ ৰাতি হেম বৰুৱাৰ (পৰবৰ্তী কালৰ প্ৰসিদ্ধ সংসদ সদস্য আৰু অসম সাহিত্য সভাৰ সভাপতি) ঘৰত গোপনে ৰেডিঅ'ত মহাত্মা গান্ধী আৰু সৰ্বভাৰতীয় নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ বাতৰি লৈয়ে যোগেন শইকীয়া, শ্ৰীত্ৰৈলোক্য নাথ শৰ্মা, শ্ৰীচাৰু গোস্বামী আদি ছাত্ৰনেতাসকলে পাছদিনাৰ কাৰ্যসূচী স্হিৰ কৰি নগৰৰ স্কুল-কলেজত পিকেটিং কৰি ছাত্ৰ-ছাত্ৰী সকলক সমদলৰলৈ উলিয়াই আনিবলৈ সিদ্ধান্ত কৰে । এই ধৰ্মঘট সংগঠন কৰিবলৈ দায়িত্ব দিয়া হয় শ্ৰীতিলেশ্বৰ বৰদলৈক । সেই ধৰ্মঘট যোৱহাটৰ বুৰঞ্জীত অভূতপূৰ্ব আছিল । দুপৰীয়া জগন্নাথ বৰুৱা কলেজৰ সন্মুখত কাছাৰী পথাৰত এখন সভা হয় । ইতিমধ্যে লাঠীধাৰী পুলিচে মোতায়েন হৈ ঘেৰি ধৰে । সেই পুলিচ আবেষ্টনিৰ মাজত হোৱা আন্দোলনৰ প্ৰথম সভাখনত সভাপতিত্ব কৰে

শ্রীত্রৈলোক্য নাথ শর্মাই। ৰাষ্ট্রীয় পথৰ সৈতে ৰৰপাত্র আলি আৰু নেহৰু পার্ক আলিত বহু লোক সমবেত হয় যদিও সভালৈ আহিব নোৱাৰি লাঠীধাৰী পুলিচে বেহুৰ মাজত সভা কৰা কর্মীবিলাকক কি কৰে, উর্ধশ্বাসে চাই আছিল।

সভাত যোগদান কৰা কর্মীসকলে পুলিচৰ বেহু ভেদ কৰি শোভাযাত্রা কৰি ৰাষ্ট্রীয় পথলৈ ওলাই আহে। সভাত সেইদিনা ভাষা বক্তাই (পকামূৰাৰ নগেন্দ্র নাথ বৰুৱা) সশস্ত্র পুলিচৰ বাহিনীক আঙুলিয়াই "বৃটিছৰ লেমটো বাহিনী" বুলি দিয়া ওজস্বিনী ভাষণ স্মৰণীয় আছিল। কিয়নো সেই ভাষণ কিছুদিনলৈ কর্মীসকলৰ মুখে মুখে বাগৰি প্রচাৰিত হৈ পৰিছিল। কাছাৰী আৰু বিষ্ণুৰাম বৰুৱা হলৰ সম্মুখত গোড়া সৈনিক সঙ্গীন উচ্চ কৰি সাজু হৈ আছিল যদিও ধ্বনি মুখৰ শোভাযাত্রাকাৰী দল ৰাষ্ট্রীয় পথেদি যথাসম্ভৰ ,শৃঙ্খলাবদ্ধ হৈ যোৱাৰ বাবে সম্ভৱ অঘটন নঘটিল। সেই শোভাযাত্রা নগৰৰ ঘাই ঘাই পথেদি গৈ জিলা কংগ্রেছৰ কার্য্যালয়ত (ৰোহিনী হাতীবৰুৱা স্মৃতি ভৱন) অন্ত পৰেগৈ। আবেলি জিলা কংগ্রেছ কার্য্যালয়ৰ পৰা আন এটা বিৰাট সমদল ন আলিয়েদি ওলাই নগৰৰ ঘাই পথকেইটা পৰিভ্রমণ কৰে। সেই সমদল যাত্রাও অভূতপূর্ব আছিল। সেই সমদলত নেতৃত্ব দিয়ে জিলা কংগ্রেছৰ সভাপতি হৰিনাৰায়ণ বৰুৱাই আৰু পৰিচালনাত আছিল সর্বেশ্বৰ বৰদলৈ প্রমুখ্যে জিলা কংগ্রেছৰ নেতৃস্হানীয় কর্মীসকলে। ৰণ-ধ্বনি কৰি তেজ উতলোৱা সমদল সংগীত গোৱাত শশীধৰ মলিয়া বৰুৱা অন্যতম আছিল।

মহাত্মা গান্ধীয়ে ৮ আগষ্ট তাৰিখে নিখিল ভাৰত কংগ্রেছ কমিটীৰ সামৰণিত স্বাধীনতা সংগ্রামৰ সেইখনেই শেষ যুদ্ধ হ'ব বুলি তেখেতৰ দীঘলীয়া ভাষণত "মন্ত্রৰ সাধন কিম্বা শৰীৰ পতন" (ডু অৰ ডাই) মন্ত্রেৰে জনগণক প্রস্তুত হ'বলৈ আহ্বান জনায় যদিও সত্যৰ অন্বেষণকাৰী মহাত্মাৰ ৰাজনীতিত কোনো গোপনীয়তাৰ ঠাই নাই আৰুপূর্ব প্রস্তুত কার্যপন্হাও নাথাকে। তেখেতৰ মতে এখোজ বা প্রথম খোজটোৱেই যথেষ্ট সত্য আৰু অহিংসাৰ সাধনত প্রথম খোজৰ পৰা দ্বিতীয় খোজ আপোনা আপুনি স্হিৰীকৃত হৈ যায়। সেই বাবে "ভাৰত ত্যাগ" প্রস্তাৱটো সেই ৰাতিয়েই মীৰা বেনৰ যোগে ভাইচৰয়লৈ পঠিয়ায় আৰু অন্যান্য বাৰৰ দৰে সেইবাৰো তেওৰ প্রতিক্রিয়া অনুসৰি পাছৰ কার্য্যসূচী স্হিৰ কৰিবলৈ থয়। কিন্তু এইবাৰ ভাইচৰয়ে তেওঁৰ প্রতিক্রিয়া জানিবলৈ নিদি সেই ৰাতিয়েই মহাত্মা গান্ধীক আৰু নেহৰু প্রমুখ্যে সর্বভাৰতীয় শীর্ষ নেতাসকলক

আৰু প্ৰান্তীয় প্ৰায় সকলো নেতাক গ্ৰেপ্তাৰ কৰোৱায়। তাৰ পৰিণামত সমগ্ৰ দেশতে পাছ দিনাৰ পৰা প্ৰচণ্ড বিক্ষোভ জ্বলি উঠে যদিও সংগ্ৰামৰ নিৰ্ধাৰিত কাৰ্য্যসূচীলৈ বাট চাব লগা হয়। মহাত্মা গান্ধী আৰু কংগ্ৰেছৰ উৰ্ধতন নেতৃত্বৰ অভাৱত জয়প্ৰকাশ নাৰায়ণ, ৰামমনোহৰ লোহিয়া, শ্ৰীমতী অৰুণা আচফ আলি প্ৰমুখ্যে দ্বিতীয় শাৰীৰ সংগ্ৰামী নেতা সকলে জনগণক নেতৃত্ব দিবলৈ আগবাঢ়ি আহে।

উপৰোক্ত কাৰণত যোৰহাটত নিয়মিত ভাৱে আন্দোলন আৰম্ভ কৰিবলৈ চেপ্তেম্বৰ মাহৰ মাজ ভাগত গড়মূৰীয়া সত্ৰাধিকাৰ বিপ্লৱীবীৰ পীতাম্বৰদেৱ গোস্বামীৰ সভাপতিত্বত এখন ৰাজহুৱা সভা হয় আৰু তাত আন্দোলনৰ কাৰ্যসূচী ঘোষিত হয়।

তাৰ পাছত কংগ্ৰেছ আৰু ছাত্ৰ সন্মিলনৰ কমী বিলাকে যোৰহাট মহকুমাৰ কেউপিনে সংগ্ৰামৰ প্ৰস্তুতিৰ কাৰণে ভাগে ভাগে ওলাই যায়।

উল্লেখযোগ্য যে বৃটিছৰ সাম্ৰাজ্যবাদী যুদ্ধৰ প্ৰচেষ্টাত বাধাদান আৰু সংগ্ৰামৰ অন্যান্য কাৰ্যসূচী কাৰ্যকৰী কৰিবৰ বাবে কেন্দ্ৰীয় ভাৱে এখন "ৰাৰ কমিটী" গঠিত হয়। প্ৰবীণ গান্ধীবাদী নেতা কৃষ্ণ শৰ্মা কমিটীৰ চেয়াৰমেন হয় আৰু সদস্য হিচাবে কংগ্ৰেছৰ পৰা শ্ৰীকুমুদেশ্বৰ বৰা, উপেন ৰাজখোৱা আৰু সুৰেন্দ্ৰ নাথ ভৰালী আৰু ছাত্ৰ সন্মিলনৰ পৰা যোগেন শইকীয়া, শ্ৰীত্ৰৈলোক্য নাথ শৰ্মা আৰু শ্ৰীঅজিত শৰ্মা সভ্য হিচাবে আছিল আৰু কমিটীৰ প্ৰত্যেকজন সদস্যক একো একোটা দপ্তৰৰ ভাৰ দিয়া হৈছিল।

যুদ্ধ প্ৰচেষ্টাত বাধা দানৰ কামটোৱেই আটাইতকৈ ডাঙৰ কাম আছিল। এই কামৰ পদ্ধতিত কমিটীৰ চেয়াৰমেন কৃষ্ণ মামাৰ সৈতে ছাত্ৰ সন্মিলনৰ সদস্য কেইজনৰ মতৰ অমিল হয়। যোৰহাট কাৰাগাৰত বন্দী হৈ থকা কংগ্ৰেছ নেতৃবৃন্দৰ (সত্তৰ তেখেতসকলৰ একাংশৰ) পৰা কমিটীৰ সদস্যসকললৈ এনেধৰণৰ নিৰ্দেশ আহে যে "মানুহ মৰাৰ বাহিৰে সকলো ধৰণৰ কাম কৰিব পাৰে।"

কমিটীৰ ছাত্ৰ-যুৱ সদস্য কেইজনৰ মতে দলং আদি ভঙাৰ নিচিনা কামবিলাক সেই বিষয়ত প্ৰশিক্ষণ প্ৰাপ্ত দক্ষ লোকৰ সহায়ত, ওচৰে-পাজৰে মানুহৰ বসতি নথকা ঠাইত কৰিব লাগে যাতে যুদ্ধৰ প্ৰচেষ্টাত বাধা পৰা

কামটোও নিখুঁত হয় আৰু পুলিচৰ হাতত মানুহ হাৰাশাস্তি হ'ৰ বিশেষ ভয়ো নাথাকে। কিন্তু একনিষ্ঠ গান্ধীবাদী কৃষ্ণ শর্মাই তাত মত নিদিয়ে। তেখেতৰ মতে ভঙা কামটো ডাঙৰ নহয়, ৰাইজৰ বাধাদানৰ প্ৰৱণতাটোহে ঘাই কথা ৰেল বা ৰাষ্ট্ৰীয় পথৰ এখন দলং ভাঙিবলৈ হলে তেখেতৰ মতে চৰকাৰী কর্তৃপক্ষক আগতে স্থান আৰু সময় জনাব লাগিব আৰু ৰাইজে কোৰ কুঠাৰ হাতুৰী যি পায় তাৰে ভাঙিবলৈ যাব। ছাত্ৰ-যুৱক সকলৰ মতে কামটো সাধিত নোহোৱাকৈয়ে কিছুমান মানুহ অনাহকত পুলিচ- মিলিটেৰীৰ হাতত মৰিব আৰু চিৰকাললৈ ঘুনীয়া হ'ব লাগিব।

যি কি নহওক কমিটীৰ কেইজনমান সদস্যই বিপ্লৱী ছাত্ৰ যুৱককেইজনৰ মতত হয়ভৰ দিয়ে। কামাখ্যা পাহাৰত এটা গোপন ঘাঁটীত বিস্ফোৰক পদার্থৰ ব্যৱহাৰ আৰু তাৰ আনুষঙ্গিক বিষয়ৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা হৈছিল। তাত প্ৰশিক্ষণ ল'ৰৰ কাৰণে যোৰহাট প্ৰিন্স অৱ ৱেলছ ইঞ্জিনিয়াৰিং ইন্সটিউচনৰ চূড়ান্ত ৰাষিকৰ ছাত্ৰ শ্ৰীকমলেশ্বৰ গগৈক (ছেলেঙৰ) প্ৰশিক্ষণ ল'ৰলৈ পঠিওৱা হয় তেওঁ তাত দিনদিয়েক প্ৰশিক্ষণ লৈ কিছু বিস্ফোৰক পদার্থ লৈ যোৰহাটলৈ ঘুৰি আহে। ৰেল দলং ভাঙিবৰ কাৰণে খওৰিকটীয়াৰ ওচৰৰ জন বসতিৰ আঁতৰত এখন দলং বাছি লোৱা হয়। উপেন ৰাজখোৱাই যোৰহাটৰ গড় আলিত এটা কাৰখানাত দলং উঠোৱা চেনি আদি দুৰিধমান হাথিয়াৰ তৈয়াৰ কৰায় আৰু তিতাবৰৰ শ্ৰীভুৱন সন্দিকৈয়ে হাথিয়াৰ কেইপাত ফটা ছাতিৰে মেৰিয়াই চাইকেলত লুকুৱাই নি তিতাবৰলৈ নিয়ে। কামটো কৰিবৰ বাবে তেতিয়াৰ মিলিটেৰীৰ তত্বাৱধানত থকা পি-অ' ডব্লিউ ইঞ্জিনিয়াৰিং ইন্সটিউটত মেকানিক্সত কাম কৰি থকা শ্ৰীগোপাল বৰাক বাছি নিয়োজিত কৰা হয়। সেই দুঃ সাহসী ডেকাজনে নির্দিষ্ট দিনত সন্ধিয়াৰ পাছত বেৰেকৰ পৰা ওলাই আহি খৰিকটীয়ালৈ যায় আৰু শ্ৰীভুৱন সন্দিকৈ, কনৰাম কছাৰী প্ৰমুখ্যে দুজনমান কৰ্মীৰ সহযোগত নির্দিষ্ট ঠাইত ৰেলৰ লাইন উঠাই আহি ৰাতি নৌপুৱাওতেই আকৌ বেৰেকত সোমায়হি। লাইন উঠাই থাকোতেই, ৰেলগাড়ী আহি ওচৰ চাপোতেই কাম সম্পূর্ণ কৰিব পৰা নহল যদিও (ৰেলগাড়ী খন সেনাবাহী নহৈ ৰণৰ সামগ্ৰী কঢ়িওৱা) গাড়ী ৩১ ঘণ্টা ঘটনা থলীত বন্ধ হৈ পৰে।

পিচদিনা পুৱাই এখন মটৰত কৃষ্ণ মামাই হেম বৰুৱা আৰু যোগেন

শইকীয়াক লৈ ঢেকীয়াজুলিৰ ফালে প্ৰচাৰৰ কামত ওলাই যাওঁতে যোৰহাট গড় আলিৰ ৰেল ক্ৰছিঙৰ ওচৰত হেম বৰুৱা আৰু যোগেন শইকীয়াক গ্ৰেপ্তাৰ কৰে আৰু কৃষ্ণ মামাক এৰি দিয়ে।

ইতিমধ্যে সেই কামৰ দায়িত্বত থকা কেইবাজনো কৰ্মী গ্ৰেপ্তাৰ হোৱাত কামটোৰ কাৰণে বিপদৰ আশংকা কৰি কমিটীয়ে বাকী দুজনমানক আত্মগোপন কৰিবলৈ নিৰ্দেশ দিয়ে। সৰ্ব্বেশ্বৰ বৰদলৈয়ে তাঁৰ কটা কেচি আদি হাথিয়াৰ নিয়ে। যুদ্ধ প্ৰচেষ্টাত বাধা দিয়াৰ বাবে জিলাখনত কেন্দ্ৰীয়ভাবে ৰাৰ কমিটীৰ পৰা ব্যৱস্থা নোহোৱা হৈ পৰাত বিক্ষিপ্ত ভাৱে কেইবা ঠাইতো অপৰিকল্পিত ধ্বংস কাৰ্য্য সংঘটিত হয়। সেইদৰে যোৰহাট ছোৱালী হাইস্কুলটোও অগ্নি সংযোগৰ ফলত ধ্বংসপ্ৰাপ্ত হয়।

সংগ্ৰামৰ তেজ স্তিমিত নৌ হওতেই বিপ্লৱী নেত্ৰী শ্ৰীমতী অৰুণা আচফ আলি অসমলৈ আহোতে যোগাযোগৰ দায়িত্বত থকা শ্ৰীঅজিত শৰ্মাই তেখেতৰ লগ ধৰে। বিপ্লৱী নেত্ৰী গৰাকীয়ে দেৱেশ্বৰ শৰ্মা ডাঙৰীয়াৰ ঘৰত এৰাতিমান কটাই সংগ্ৰামৰ দিহা-পৰামৰ্শ দিয়ে। শঙ্কৰ বৰুৱাই নগৰৰ সমীপত, চাৰিগাওঁ, তৰাজান সোণাৰীগাঁও আদিত চোং সলাই সলাই থাকি সংগঠনৰ দায়িত্বত থকা কৰ্মীসকলৰ সৈতে দিহা পৰামৰ্শ কৰি নগৰৰ গোপন কেন্দ্ৰকেইটাত কৰ্মীসকলক সাহস যোগাই থাকে। কলেজীয়া আৰু স্কুলীয়া ছাত্ৰবিলাকে যোৰহাট কাছাৰী আৰু চৰকাৰী কাৰ্য্যালয়ৰ সন্মুখত পিকেটিং অব্যাহত ৰাখিছিল। ছাত্ৰবিলাকক পুলিচে গ্ৰেপ্তাৰ কৰি বাছ একোখনত ভৰাই লৈ গৈ দুপৰ ৰাতি নামবৰ, কাজিৰঙা আদি অটব্য অৰণ্যত এৰিথৈ আহিছিলগৈ। তেনে কাণ্ড কিছুদিন নিয়মীয়া হৈ পৰিছিল।

আন্দোলনৰ কাৰ্যসূচী অনুসৰি ছাত্ৰ-দিৱস পালন কৰিবলৈ কাছাৰী পথাৰত ছাত্ৰ-ছাত্ৰীৰ এখন সভা হেম বৰুৱাৰ সভাপতিত্বত হয়। সেই সভাত নগাঁৱৰ নীলমণি ফুকন আৰু যুৱনেতা ভোলা ফুকনক পুলিচে গ্ৰেপ্তাৰ কৰে। হেম বৰুৱাৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা আছিল যদিও তেওঁক পাছতহে গ্ৰেপ্তাৰ কৰা হয়।

আন্দোলনৰ সৰহভাগ কৰ্মী গ্ৰেপ্তাৰ হোৱাত তৰাজানৰ সুৰেন ভঁৰালীৰ ঘৰত কৰ্মীসকলৰ এখন সভা হৈছিল অৱস্থা চাই ব্যৱস্থা বা কাৰ্যসূচীৰ আলোচনাৰ

বাবে চোৰাংচোৱাৰ পৰা সভা হোৱাৰ খবৰ পাই একডজন লাঠীধাৰী পুলিচ চাইকেলেৰে আহি সভাঘৰ আগুৰি ধৰে। তাতে সুৰেন ভঁৰালী, শ্রীকৃপাল শর্মা প্রমুখ্যে সাতজনমান লোকক গ্রেপ্তাৰ কৰে। পুলিচক অলপ আঁতৰত দেখি মেজত থকা কাগজ-পত্র সোপাকে লৈ গৈ ওচৰৰ হাবিত নুলুকুৰা হলে যোৰহাটৰ ভালেমান ছাত্র-কর্মী পাচেপৰে গ্রেপ্তাৰ হ'লহেতেন।

যৌৰহাটত আন্দোলনৰ কার্যসূচীৰ ভিতৰত সৈনিক দিৱসৰ দিনা প্রকৃত নিষ্ঠাৱান গান্ধীবাদী নেতা কৃষ্ণ শর্মাই অহিংসাৰে হিংসাক পৰাজয় কৰাৰ নীতিৰে গোড়া সৈনিকৰ সঙ্গীনত পুষ্পমাল্য প্রদান কৰা ঘটনাটো বিশেষ স্মৰণীয়। সেইদিনা তেখেতৰ নগৰ অভিমুখে সমদলে আগবাঢ়ি আহি থাকোতে ৰজামৈদামৰ ওচৰত সেনাদলে আগচিঁ ধৰে। সমদলত ছাত্র-কর্মী শ্রীতিলেশ্বৰ বৰদলৈ আৰু শ্রী অৰুণ বৰুৱাও আছিল। শর্মা ডাঙৰীয়াই তেখেতৰ বুকু উদং কৰি লৈ সৈনিকৰ সঙ্গীনত মাল্য অর্পণ কৰি অভিবাদন জনায়। সমদলত যোৱা শান্তি যোদ্ধা সকলেও ফুলৰ মালা গোড়া সৈনিকৰ উচ্চকৈ ধৰা বন্দুকলৈ নিক্ষেপ কৰে। অহিংসাৰ সেই অপূর্ব দৃশ্যত সৈনিকসকল থমকি ৰৈ যায়। সেই স্থানত উপস্থিত থকা দুজনমান বিদেশী লোকে সেই স্বর্গীয় দৃশ্যৰ ফটো লয়।

বিভিন্ন জিলাত হোৱা গুলি চালনাত মৃত্যু আৰু আঘাত হোৱা লোকৰ সংখ্যা

ঢেকিয়াজুলি

১৯৪২ চনৰ ৩০ চেপ্তেম্বৰ তাৰিখে চতিয়া, বৰৰিল, নাহৰবাৰী, জহামাৰী আদি গাঁৱৰ ৫-৬ হেজাৰ লোক সমৱেত হৈ ঢেকিয়াজুলি পুলিচ থানাত জাতীয় পতাকা তুলিবলৈ আহিছিল । থানাৰ ভাৰপ্রাপ্ত বিষয়াই এই কথাশুনি সশস্ত্র পুলিচ মজুত কৰি ৰাখিছিল । পুলিচ বিষয়াই সমদল যাত্রাৰ উদ্দেশ্য জানিব পাৰি প্রথমেই লাঠি চালনা কৰিবলৈ হুকুম দিয়ে । হুলস্থুলৰ মাজতে গোলোক নেওগ আৰু মনৰৰ নাথ পুলিচ থানাৰ চৌহদলৈ কেনেবাকৈ সোমাই থানাৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰিলে । পুলিচে তৎক্ষণাৎ গুলি চালনা কৰি মনৰৰ নাথক আঘাত কৰি বাটলৈ উলিয়াই আঁতৰাই দিলে । লগৰে গোলোক নেওগক মাকে গুলিৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে আৰৰি ধৰোতে এটা গুলি মাকৰ গাতো লগাত বাগৰি পৰিল । মহীৰাম কোঁচ নামৰ এজনে থানাৰ চৌহদৰ ভিতৰত পৰি থকা পতাকাখন আনিবলৈ যাওঁতে তেওঁকো গুলিয়াই নিহত কৰা হ'ল । নির্বিচাৰে গুলি কৰিবলৈ ধৰাত মানুহ যেনিয়ে-তেনিয়ে পলাবলৈ ধৰিলে । থানাৰ পূবফালে এখন দলং আছিল আৰু সেই বাটটোৰেই একমাত্র খোলা আছিল । পলাই যোৱা মানুহ বিলাকক সেই দলংখনৰ তলত লুকাই থকা ভেৰোণীয়া ময়মন চিঙীয়া কিছুমানে অমানুষিকভাৱে মাৰধৰ কৰে । মুঠতে সেই সময়ত ২৯ জাই গুলি এৰা হৈছিল ।

সেইদিনা মৃত্যু হোৱা লোকসকল হ'ল ঃ

মনৰৰ নাথ - আলিবাটত মৰিল ; মণি কছাৰী - থানাৰ কাষতে গুলিৰ আঘাত পায় ; ৰতন কছাৰী - এগৰাকী লোকক লাঠিৰ প্রহাৰৰ পৰা ৰক্ষা কৰোতে ; তিলেশ্বৰী কোঁচ - গুলি লাগে কিন্তু নন্দিৰাম ভূঞাই বোকোচাত কৰিলৈ যাওঁতে ময়মন চিঙীয়াই মাৰধৰ কৰে ; নুমলী নাথ - পুতেকক বচাবলৈ আৰৰি ধৰোতে গুলি লাগে ; মহিৰাম কোঁচ - পতাকাখন থানাৰ চৌহদৰ পৰা আনিবলৈ যাওঁতে গুলি লাগে ; মংগল কুমী

- থানাৰ পৰা এমাইল দূৰৈত ৪ দিনৰ মূৰত মৃত অৱস্থাত পোৱা যায় ; খহিলী নাথ ; দয়াল পানিকা ; সোমানাথ চুটীয়া ; এজন সাধু ; এজন ভিক্ষাৰী ; লেৰেলা কছাৰী।

গুলিৰ আঘাত পোৱা লোকসকল হৈছে ঃ

মণিৰাম কছাৰী, কণ্ডা কছাৰী, ভোলা নাথ, ভোগী নাথিনী, কলীদৈ নাথিনী, মেদিৰ নাথিনী, গোলাপী নাথিনী, তুলাই নাথিনী, চন্দ্রনাথ, দৰিকী নাথিনী, হেৰাং বড়ো, ৰাজেন্দ্রনাথ বসুমতাৰী, ঘোগাই নাথ, গোপী কোঁচ, জয়ৰাম নাথ, কমলাকান্ত দাস, মায়াকিশোৰ ঠাকুৰীয়া, নৰেশ্বৰ পিয়ন, গোবৰধন দাস, দয়াৰাম নাথ, মইনা কছাৰী, ৰামচৰণ গোৱাল, ৰাম ভূঞা ।

(এই তালিকাত দিয়াতকৈ আৰু অধিক লোক হতাহত হৈছিল । কিন্তু সকলোৰে নাম ইয়াত দিয়া কঠিন হ'ল কাৰণ ঠাই লৈ অনুসন্ধান কৰাৰ সুবিধা নহ'ল ।)

ৰৰহমপুৰৰ গুলিচালনা ঃ

১৯৪২ চনৰ ১৮ চেপ্তেম্বৰ তাৰিখে ৰৰহমপুৰৰ ৰাইজে পুলিচৰ হাতৰ পৰা শান্তিসেনা শিবিৰটো কাঢ়ি ললে আৰু দিনটো উদযাপনৰ কাৰণে এটা ভোজ পাতিলে । ভোজ কোৱাৰ ঠিক সময়তেই মিলিটেৰীৰ দল এটা উপস্থিত হ'লগৈ । বিশেষ মেজিষ্ট্রেট মিঃ ভি. এইচ ৰুজে আই চি এছক প্রতাপ চন্দ্র শর্মা বি-এলদেৰে বুজাই ক'লে যে ৰাইজে প্রসাদ খোৱা শেষ হ'লেই তাৰপৰা শান্তিপূর্ণভাৱেই সকলো গুচি যাব ।মিঃ ৰুজেই কিছুসময় কেপ্তেইন ফিনিচৰ লগত কথা পতাৰ পিছতেই প্রতাপ শর্মাকে ধৰি এঘাৰজনক গ্রেপ্তাৰ কৰি এখন মিলিটেৰী ভেনত তুলি আঁতৰলৈ লৈ গ'ল । তাৰ পিছতে তাত থকা মানুহৰ ওপৰত গোৰ-লাঠিৰে প্রহাৰ ক�ৰিবলৈ ধৰিলে, প্রসাদ লণ্ড-ভণ্ড কৰিলে । মানুহৰ মন ক্ষুণ্ণ হ'ল । তেওঁলোকে 'বন্দে মাতৰম্' ধ্বনি তুলিলে ।

'বন্দে মাতৰম' ধ্বনি শুনি ওচৰৰ গাঁৱৰ পৰা মানুহ আহিবলৈ ধৰিলে ।শ্রীমতী ৰত্নাবালাই হাতত জাতীয় পতাকা লৈ নেতৃত্ব বহন কৰিছিল, লগত আছিল ম্যাক ভোগেশ্বৰী ফুকননী । মিলিটেৰীয়ে দলটোক বাধা দিবৰ কাৰণে আগবাঢ়ি

নিদিলে । মহাত্মা গান্ধীয়ে ক্রীপচৰ এই প্রস্তাৱক "দেউলীয়া বেংকৰ ম্যাদ্ শেষ হোৱা চেক" বুলি আখ্যা দিছিল । মুঠতে কংগ্রেছ মুছলীম লীগ উভয়ে নে প্রস্তাৱ অগ্রাহ্য কৰিলে । ফলত ক্রীপ চ অভিযান ব্যর্থ হ'ল ।

১৯৪২ চনৰ গণ আন্দোলন

ভাৱতৰ গৱর্ণৰ জেনেৰেলৰ লগত মহাত্মা গান্ধীয়ে অনেক আলাপ-আলোচনা আৰু চিঠি-পত্র যোগাযোগ কৰাত কোনো ফল নধৰিলে ; আনকি দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাৰ দিনাই ভাৱতীয় ৰাইজৰ কোনো মতামত - নোলোৱাকৈ এই বিশ্ব যুদ্ধত মিত্র পক্ষৰ হৈ যুদ্ধত লিপ্ত হোৱা দেশ বুলি ঘোষণা কৰিলে । ভাৱতীয় জাতীয় মহাসভা কংগ্রেছে ইয়াক এক ভয়ংকৰ অপমান বুলি বিবেচনা কৰিলে ।

ভাৱত ত্যাগ প্রস্তাৱ

(১৯৪২ চনৰ আঠ - ন আগষ্টৰ ৰাতি বোম্বাই মহানগৰীত নিখিল ভাৱত কংগ্রেছ কমিটীত গৃহীত হোৱা ঐতিহাসিক ভাৱত ত্যাগ প্রস্তাৱৰ অসমীয়া ৰূপান্তৰ (ভাঙনি) অনুবাদ কৰিছে শ্রীভৱানী চৰণ ঠাকুৰে)

১৯৪২ চনৰ আগষ্ট মাহৰ প্রথম সপ্তাহত বোম্বাই মহানগৰীত কংগ্রেছ কার্য নির্বাহক সভা বহিছিল । সেই সভাতে বিখ্যাত ভাৱত ত্যাগ প্রস্তাৱ ৰচনা কৰা হয় আৰু মহাত্মাজী নিজে উপস্থিত থাকি সেই প্রস্তাৱ ৰচনা কৰাত নীতি নির্দেশনা দিয়ে । দীঘলীয়া আলোচনাৰ অন্তত নিখিল ভাৱত কংগ্রেছ কমিটীৰ সভাত ডাণ্ডি ধৰিবলৈ তলত দিয়া প্রস্তাৱ গ্রহণ কৰে ।

"১৯৪২ চনৰ ১৪ জুলাই তাৰিখে কংগ্রেছ কার্য নির্বাহক সভাই আলোচনাৰ কাৰণে আগবঢ়োৱা প্রস্তাৱৰ সকলো যুক্তি আৰু দিশ আজিৰ নিখিল ভাৱত কংগ্রেছ কমিটীৰ এই সভাই গভীৰ মনোযোগেৰে বিবেচনা কৰে । তাৰ পৰৱর্তী অৱস্থা, যুদ্ধৰ গতিবিধি, বৃটিছ চৰকাৰৰ দায়িত্বশীল মুখপাত্রসমূহৰ এই সম্পর্কীয় উক্তি আৰু ভাৱতৰ বাহিৰে-ভিতৰে হোৱা আলোচনা-সমালোচনা সমূহ সভাই অত্যন্ত গভীৰ আৰু বিস্তৃত ভাৱে অধ্যয়ন কৰি উক্ত প্রস্তাৱটো প্রতি সভাৰ পূর্ণ সমর্থন

আগবঢ়ায় । সবাই এই সম্পর্কত মত প্রকাশ কৰে যে এই প্রস্তাৱ গ্রহণ কৰাৰ পৰৱর্তী ঘটনাৱলীয়ে এই প্রস্তাৱৰ প্রাসঙ্গিকতা পুনৰ প্রতীয়মান কৰিছে । সমিতিয়ে ভাৱে যে ভাৰত আৰু যুক্তৰাষ্ট্ৰ সমূহৰ (United Nations) স্বার্থৰ হকে ভাৰতত বৃটিছ শাসনৰ অবিলম্বে অন্ত পৰাটো অত্যন্ত প্রয়োজনীয় হৈ পৰিছে । ভাৰতত বৃটিছ শাসন চলি থকাটো দেশৰ কাৰণে সন্মান হানিকৰ আৰু ই দেশখনক ক্রমান্বয়ে দুর্বল কৰি আনি শেষত নিজকে ৰক্ষা কৰা আৰু পৃথিৱীৰ স্বাধীনতাৰ কাৰণে যি অৱদান দিব পাৰে তাৰ কাৰণে সামর্থ হীন কৰি তু লিছে ।

চীন আৰু কছ সীমান্ত যুদ্ধৰ ক্রমাগত অৱনতিৰ প্রতি সমিতিয়ে গভীৰ উদ্বিগ্নতাৱে লক্ষ্য কৰি চান আৰু কছ জনসাধাৰণে তেওঁলোকৰ স্বাধীনতা ৰক্ষা কৰা ক্ষেত্রত যি বীৰত্ব প্রদর্শন কৰিছে তাৰ শলাগ লয় । এই ক্রমবর্দ্ধমান বিপর্যস্ততা আৰু আক্রমণৰ বলীহোৱা স্বাধীনতাকাঙ্খী সকলৰ প্রতি সহানুভূতিশীল সকলো লোকেই মিত্র পক্ষৰ দুখজনক অকৃতকার্যতাৰ প্রতি লক্ষ্য কৰি মিত্র পক্ষই গ্রহণ কৰি অহা নীতি সমূহৰ মূল ভিত্তি পুনৰ বাৰ পৰীক্ষা কৰি চোৱাতো প্রয়োজনীয় বুলি ভাবে । এই নীতি, লক্ষ্য আৰু উপায় সমূহ আগত ৰাখি কাম কৰিলে অকৃকার্যতাক কৃতকার্যতালৈ ৰূপান্তৰিত কৰিব পৰা নহ'ব । অতীত অভিজ্ঞতাই আমাক দেখুৱাইছে যে অকৃকার্যতা এই নীতিসমূহৰ অন্তঃ নিহিত অংগ । এই নীতি সমূহ স্বাধীনতা ওপৰত যথোচিত গুৰুত্ব দিয়াৰ পৰিবর্তে উপনিবেশ সমূহ আৰু তাৰ প্রজা সাধাৰণক অধীনত ৰাখি ঔপনিবেশিক শাসনৰ পৰম্পৰা ৰক্ষাৰ ভিত্তিত হে প্রতিষ্ঠিত । বৃহৎ সাম্রাজ্য স্থাপনে শাসক দলৰ শক্তি বৃদ্ধি কৰাৰ পৰিবর্তে ই তেওঁলোকৰ কাৰণে এটা বোজা আৰু শাওপাত স্বৰূপ হৈ পৰিছে । আজি সাম্রাজ্যবাদৰ এটা মূল আৰু প্রণিধানযোগ্য প্রশ্ন এই ভাৰতবর্ষ । এই ভাৰতৰ স্বাধীনতাৰ ওপৰতে বৃটেইন আৰু যুক্তৰাষ্ট্রসমূহৰ প্রকৃত বিচাৰ হ'ব আৰু তাৰ পৰাহে এচিয়া তাৰপৰাহে এচিয়া আৰু আফ্রিকাৰ জন সাধাৰণে আশা আৰু উৎসাহ লাভ কৰিব ।

ভাৰতৰ পৰা বৃটিছ শাসনৰ অৱসান সেয়ে এটা মূল আৰু তৎকালিন সমস্যা আৰু ইয়াৰ ওপৰতে যুদ্ধৰ ভৱিষ্যৎ আৰু স্বাধীনতাৰ আৰু গণতন্ত্রৰ কৃতকার্যতা বহু পৰিমাণে নির্ভৰ কৰে । এখন স্বাধন ভাৰতে নিজৰ সমস্ত শক্তি সামর্থ আৰু সম্পদ স্বাধীনতাৰ হকে আৰু নাজীবাদ ফেচিষ্টবাদৰ বিৰুদ্ধে নিয়োজিত কৰি কৃতকার্যতাৰ নিশ্চয়তা প্রদান কৰিব পাৰিব । এই কার্য যুদ্ধক্ষেত্রত যে কেৱল বস্তুনিষ্ঠ ভাৱে সহায়

হ'ব সিয়ে নহয়, ববং ই সমগ্র পৰাধীন আৰু শোষিত জনসাধাৰণক সন্মিলিত শক্তিৰ সহযোগী কৰি তুলিব আৰু ভৱিষ্যতৰ নেতৃত্বত এই দেশসমূহে জগতক নৈতিক আৰু আধ্যাত্মিক নেতৃত্ব দিব পাৰিব। অন্যথাই পৰাধীন ভাৰত বৃটিছ চৰকাৰৰ ঔপনিবেশিক বাদৰ শাসনৰ এটা উদাহৰণ স্বৰূপে থাকি যাব আৰু সেই ঔপনিবেশিকতা বাদৰ চেকাই সমস্ত সন্মিলিত শক্তিক কলংকিত কৰি যুদ্ধৰ প্ৰগতিত বাধাৰ স্বৰূপ হৈ থাকিব।

আজিৰ এই বিপদজনক পৰিস্থিতিয়ে সেইকাৰণে বৃটিছ শাসনৰ ওৰ পেলাই ভাৰতৰ স্বাধীনতা অপৰিহাৰ্য কৰি তুলিছে। ভৱিষ্যতলৈ কৰা হ'ব বুলি দিয়া কোনো ঘোষণা বা আশাৰ বাণীয়ে এই বিপদজনক পৰিস্থিতি মোকাবিলা কৰিব নোৱাৰে। এনে বাণীয়ে জনসাধাৰণৰ মনক প্ৰয়োজনীয় মনস্তাত্ত্বিক প্ৰভাৱ পেলাৱ নোৱাৰিব। কেবল মাত্ৰ স্বাধীনতাৰ উজ্বল জ্যোতিয়েহে লক্ষ লক্ষ জনসাধাৰণৰ মনত সেই শক্তি আৰু উৎসাহ জাগ্রত কৰি যুদ্ধৰ গতি আৰু প্ৰকৃতি আশু পৰিবৰ্তন সাধন কৰাব পাৰিব।

সেইকাৰণেই ভাৰতীয় জাতীয় কংগ্রেছৰ আজি এই সভাই অতি দৃঢ়ভাৱে ভাৰতৰ পৰা বৃটিছ শাসনৰ অৱসানৰ দাবী দোহাৰিছে। ভাৰতৰ স্বাধীনতা ঘোষণাৰ লগে লগে ভাৰতত এটা অস্থায়ী চৰকাৰ গঠিত হ'ব আৰু স্বাধীন ভাৰতে এই যুদ্ধত মিত্র পক্ষৰ সমান সহযোগী সদস্য হিচাবে এই যুদ্ধ সংগঠনৰ যুটীয়া প্ৰচেষ্টা সমূহৰ সকলোপ্ৰকাৰ ঘাত-প্ৰতিঘাতৰ সমান অংশীদাৰ হ'ব। তেনে এটা অস্থায়ী চৰকাৰ দেশৰ সকলোকিটা প্ৰধান দল আৰু গ্রুপৰ সহযোগতহে গঠন হ'ব পাৰে। সেইকাৰণে ই হ'ব এটা সমুহীয়া সন্মিলিত চৰকাৰ যত ভাৰতৰ আটাইকেউটা প্ৰধান ৰাজনৈতিক দল আৰু গোষ্ঠি বিশেষৰ প্ৰতিনিধি থাকিব। মিত্র শক্তিৰ লগৰীয়া হৈ দেশৰ সমস্ত সশস্ত্র শক্তি আৰু জনসাধাৰণৰ অহিংস শক্তিক লৈ দেশ ৰক্ষা আৰু শত্রুৰ আক্রমণ বাধা দিয়াই হ'ব এই চৰকাৰৰ মুখ্য কৰ্তব্য। পথাৰৰ কৃষক, কাৰখানা বনুৱাৰ সকলো স্তৰতে মংগল আৰু উন্নতি সাধন হ'ব এই চৰকাৰৰ লক্ষ্য। প্ৰকৃত পক্ষে তেওঁলোকেইহে দেশৰ সমস্ত শক্তি আৰু অধিকাৰৰ আধাৰ স্বৰূপ। এই অস্থায়ী চৰকাৰেই ভাৰতৰ কাৰণে এখন গণ পৰিষদ গঠন কৰিব আৰু এই গণ পৰিষদে ভাৰত শাসনৰ কাৰণে সকলোবে গ্রহণযোগ্য এখন শাসনতন্ত্র ৰচনা কৰিব। কংগ্রেছৰ মতে উক্ত শাসন তন্ত্রখন ফেদাৰেল ভিত্তিত হোৱা উচিত। য'ত ৰাজ্যসমূহে ওপৰঞ্চি বিষয় (Residury power) সমষ্টিতে প্ৰকৃত স্বায়ত্ব শাসনৰ অধিকাৰী হ'ব পাৰিব। মিত্র পক্ষৰ দেশসমূহৰ লগত ভাৰতৰ সম্বন্ধ এই আটাইকেউখন স্বাধীন দেশৰ

প্রতিনিধিসকলৰ মাদত সকলোৰে সুবিধা আৰু স্বার্থৰক্ষা হ'ব পৰাকৈ আলাপ-আলোচনাৰ মাধ্যমেৰে সমিল-মিলেৰে নির্ণিত হ'ব - যাতে দেশসমূহে তেওঁলোকৰ উমৈহতীয়া দায়িত্ব শত্রুৰ আক্রমণক কৃতকার্যতাৰে বাধা দিব পাৰে। (Common task) জনসাধাৰণৰ প্রবল সংহত ইচ্ছা শক্তিৰে বলীয়ান হৈ এনে আক্রমণ বাধা দিয়াত স্বাধীনতা লাভ ভাৰতৰ কাৰণে বিশেষ সহায়ক হ'ব ।

ভাৰতবর্ষৰ স্বাধীনতাই এচিয়াৰ বিদেশী শাসনৰ অধীনত থকা অন্য সকলো কিখনঁ দেশৰ কাৰণে আদর্শস্বৰূপ আৰু আগলি বতৰা স্বৰূপ হ'ব লাগিব । ব্রহ্মদেশ, মালয়, ইন্দোচীন, ডাচছ ইষ্ট ইণ্ডিয়া, ইৰাণ আৰু ইৰাকেও পূর্ণ স্বাধীনতা লাভ কৰিব লাগিব । এটা কথা পৰিষ্কাৰ হৈ থকা ভাল যে এই দেশ কিখনৰে যি কিখন বর্তমান জাপানে অধিকাৰ কৰি লৈছে সেই দেশ কেইখন ভৱিষ্যতলৈ কোনো ঔপনিবেশিক শক্তিৰ হাতত অর্পিত হ'ব নোৱাৰিব ।

নিখিল ভাৰত কংগ্রেছ কমিটী সাধাৰণ ভাৱে ভাৰতবর্ষৰ স্বাধীনতা আৰু দেশ ৰক্ষা বিষয়তহে বর্তমান সংকটময় পৰিস্থিতিত জড়িত । কিন্তু এই সমিতিয়ে এই মত পোষণ কৰে যে বিশ্বৰ ভৱিষ্যৎ শান্তি, নিৰাপত্তা আৰু সুসংহত উন্নয়নৰ কাৰণে স্বাধীন দেশসমূহৰে এখন বিশ্ব সন্থা গঠনৰ প্রয়োজন হ'ব আৰু তাৰ বাহিৰে অন্য কোনো ব্যৱস্থাৰে এই কাম সম্ভৱ হৈ নুঠিব । এই বিশ্ব সন্থাই যি বিলাকক লৈ এই সন্থা গঠিত হৈছে সেই দেশসমূহৰ স্বাধীনতা নিশ্চিত কৰি অন্য শক্তিৰ আক্রমণ প্রতিহত কৰা, এখন দেশে আন এখনক কৰা শোষণ বন্ধ কৰা, জাতীয় সংখ্যালঘু সকলৰ ৰক্ষণাবেক্ষণ, সকলো অনুন্নত আৰু পাচপৰা অঞ্চলৰ উন্নয়ন আৰু সকলোৰে মংগলৰ কাৰণে বিশ্বৰ ঐশ্বর্যসমূহৰ বিতৰণ নিশ্চিত কৰিব । এনে এখন বিশ্ব সন্থা স্থাপিত হ'লে দেশসমূহৰ অস্ত্র নিৰাকৰণ (Disarmament) সম্ভৱ হৈ উঠিব । জাতীয় সৈন্যবাহিনী, নৌ বাহিনী, বিমান বাহিনী আদিৰ প্রয়োজনীয়তা স্বাভাৱিকতে নোহোৱা হ'ব আৰু এটা ফেদাৰেল সৈন্য বাহিনীয়ে আক্রমণ প্রতিহত কৰি বিশ্ব শান্তি ৰক্ষা কৰিব । স্বাধীন ভাৰতে তেনে এটা বিশ্ব সন্থাত অন্য দেশ সমূহৰ সমান সহযোগী হৈ আনন্দৰে যোগদান কৰিব ।

কমিটীয়ে দুখেৰে মত প্রকাশ কৰে যে যুদ্ধৰ দুখজনক অভিজ্ঞতা আৰু শিক্ষাও কোনো কোনো দেশৰ নেতৃবৃন্দক এই ব্যৱস্থা গ্রহণৰ মতাৱলম্বী কৰিব পৰা নাই । বৃটিছ চৰকাৰৰ প্রতিক্রিয়া আৰু বিশ্ব সংবাদপত্র কিছুমানৰ সমালোচনাই অন্য কি ভাৰতবর্ষৰ স্বাধীনতাৰো বিৰোধী যেন দেখা যায় ।

নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে শেষ বাৰলৈ বিশ্বৰ স্বাধীনতাৰ হকে এই দাবী পুনৰ সজোৰে উত্থাপন কৰে যে বৃটিছ চৰকাৰ আৰু মিত্ৰ গোষ্ঠিয়ে নিজৰ স্বাৰ্থতে পৰাধীন দেশবিলাকৰ স্বাধীনতা অৰ্জন আৰু আত্ম প্ৰতিষ্ঠাৰ পথত যেন হেঙাৰ হৈ নাথাকে । কমিটীয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে ভাৰতবাসীৰ স্বাধীনতাৰ দাবী ধৰাৰ আৰু স্বাধীন হোৱাৰ অবিচ্ছেদ্য অধিকাৰ ৰক্ষা কৰিবলৈ দেশজোৰা অহিংসা গণ সংগ্ৰাম আৰম্ভ কৰা হওঁক । যোৱা বাইচ বছৰ ধৰি চলাই অহা অহিংসা সংগ্ৰামৰ পটভূমিয়ে সৃষ্টি কৰা সমস্ত অহিংস শক্তি ইয়াত প্ৰয়োগ কৰা হওঁক । এই গণ সংগ্ৰাম স্বাভাৰিক ভাৱেই গান্ধীজীৰ দ্বাৰা পৰিচালিত হ'ব লাগিব । সভাই গান্ধীক এই দায়িত্ব গ্ৰহণ কৰি জাতীয়ে ল'ব লগা পথ নিৰ্দেশনা দিবলৈ অনুৰোধ কৰে ।

সভাই ভাৰতৰ জনসাধাৰণক গান্ধীজীৰ নেতৃত্ব স্বীকাৰ কৰি তেওঁৰ দ্বাৰা প্ৰদৰ্শিত পথেৰে আগুৱাই গৈ যিকোনো বিপদ-বিঘিনীৰ সন্মুখীন হ'বলৈ আৰু সকলো প্ৰকাৰ ত্যাগৰ কাৰণে প্ৰস্তুত হৈ এক গোট হৈ থাকিবলৈ আহ্বান জনায় । তেওঁলোকে এটা কথা মনত ৰাখিব যে ভাৰতৰ স্বাধীনতা যুদ্ধৰ মূল ভিত্তি হৈছে অহিংসা । হয়তো এনে এটা সময় আহিব যে যেতিয়া কোনো নীতি নিৰ্দেশনা দিয়া সম্ভৱ নহ'ব বা তেনে নিৰ্দেশনা আমাৰ সৰ্বসাধাৰণৰ ওচৰ পোৱা সম্ভৱ নহ'ব যেতিয়া হয়তো কোনো কমিটীয়ে কাম চলাব নোৱাৰা হ'ব তেনে অৱস্থাত এই সংগ্ৰামত অংশ গ্ৰহণ প্ৰতিজন মুনিহ-তিৰোতাই আগতে দি থোৱা নীতি-নিৰ্দেশনাৰ লগত সংগতি ৰাখি নিজকে পৰিচালনা কৰিব । ভাৰতবৰ্ষৰ স্বাধীনতাকাংশী সকলোলোকে নিজেই সংগ্ৰামৰ কঠোৰ ৰাষ্টাইদি পৰিচালিত কৰিব য'ত স্বাধীনতা লাভ কৰি ভাৰতমাতাক যুক্ত কৰাৰ অবিহনে জিৰণিৰ অৱকাশ নাই ।

সদৌ শেষত সভাই ঘোষণা কৰে যে ভৱিষ্যৎ স্বাধীন ভাৰত শাসন ব্যৱস্থা সম্পৰ্কে সমিতিয়ে নিজৰ মত মাত্ৰ প্ৰকাশ কৰিছে । গণ সংগ্ৰাম আৰম্ভ কৰি কোনো ক্ষমতা আহৰণৰ প্ৰয়াস ইয়াত নাই । যেতিয়া দেশ স্বাধীন হ'ব দেশৰ ক্ষমতাৰ অধিকাৰী হ'ব ভাৰতবৰ্ষৰ সমূহ জনসাধাৰণ ।

প্ৰতিক্ৰিয়া ঃ

১৯৪২ চনৰ ৭ আৰু ৮ আগষ্টত নিখিল ভাৰত কংগ্ৰেছ কমিটি বোম্বাইত বহি 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগে লগে কঠোৰ দমন নীতিৰ দ্বাৰা কলিতেই আন্দোলন দমন কৰিবৰ কাৰণে ইংৰাজ চৰকাৰে পৰিকল্পনা হাতত লৈ থৈছিল ।

বিভিন্ন ধৰণৰ অদ্যাদেশ জাৰী কৰা হৈছিল আৰু প্ৰতি প্ৰদেশৰে প্ৰথম দ্বিতীয় পৰ্যায় কংগ্ৰেছৰ নেতাসকলক গ্ৰেপ্তাৰ কৰিবলৈ স্থানীয় প্ৰশাসনক গুপ্তভাৱে নিৰ্দেশ দি ৰখা হৈছিল । ৮ আগষ্টৰ ৰাতি ভাৰত ত্যাগ প্ৰস্তাৱ কংগ্ৰেছে গ্ৰহণ কৰাৰ পিচত । এই প্ৰস্তাৱ ভাইচৰয়লৈ পঠিওৱা আৰু ভাইচৰয়ৰ উত্তৰ পালে কি ধৰনে আন্দোলন কৰা হ'ব সেই বিষয়ে সেই বিষয়ে আলোচনা কৰিব বুলি গান্ধীজীয়ে কৈছিল । কিন্তু আঠ আগষ্টৰ পুৱতি ৰাতিতে গান্ধীজীকে প্ৰমুখ্য কৰি ৰাকিং কমিটীৰ সভ্য প্ৰাদেশিক নেতাসকলক বোম্বাইত গ্ৰেপ্তাৰ কৰাৰ বাহিৰেও বিভিন্ন প্ৰদেশত সেইদিনাই আগৰ তালিকামতে নেতাসকলক গ্ৰেপ্তাৰ কৰে ।

দেশ ব্যাপি বিভিন্ন অধ্যাদেশ জাৰি কৰিলে ।মিলিটেৰী, পুলিচে যুটীয়া ভাৱে আন্দোলন দমন কৰিবলৈ নিয়োগ কৰা হয় । জাপানৰ পৰা ভাৰতক ৰক্ষাৰ দায়িত্ব যুক্তৰাষ্ট্ৰ , আমেৰিকাৰ সৈন্যৰ ওপৰত দি ভাৰতৰ সকলো সামৰিক শক্তিক প্ৰয়োগ কৰে আন্দোলন দমন কৰিবলৈ । সুপ্ৰণোদিত বাৰে ভাৰতবৰ্ষৰ জনগণ জাগি উঠিল । বিভিন্ন ধৰণৰ হিংসাত্মক ঘটনা সংঘটিত হয় । ৰেল লাইন তোলা, দলং, ঘৰ আদি ধ্বংস কৰা, মিলিটেৰী বয়-বস্তু যোগানত বাধা দিয়া, সমূহীয়া ভাৱে কাছাৰী, থানাত, পতাকা উত্তোলন কৰা, সমান্তৰাল গৱৰ্ণমেণ্ট প্ৰতিষ্ঠা কৰা এনে বিভিন্ন কাৰ্য নেতৃত্বহীন জনগণে স্ব-প্ৰণোদিত ভাৱে ভাৰত ব্যাপি আৰম্ভ হয় ।

১৯৪২ চনৰ ৯ আগষ্টৰ পৰা ভাৰতবৰ্ষত যি জনবিপ্লৱ আৰম্ভ হৈছিল, তাক দমনৰ কাৰণে গৱৰ্ণমেণ্টে যি কঠোৰ ভাৱে দমন নীতি ভাৰত ব্যাপি আৰম্ভ কৰে, তাৰ ফলত দহ হেজাৰৰো অধিক লোক আটক বন্দী হয় । পাইকাৰী জৰিমণা আদায়ৰ কাৰণে বিভিন্ন অঞ্চলত যি পুলিচ-মিলিটেৰীৰ যুটীয়া অভিযান আৰম্ভ কৰিছিল, তাত হাজাৰ হাজাৰ পৰিয়াল সৰ্বস্বান্ত, গৃহহীন হয় । আনকি মহিলা সকলো লাঞ্ছিতা হোৱাৰ পৰা বাদ পৰা নাছিল ।

অসম আৰু ১৯৪২ ৰ গণবিপ্লৱ

১৯৪২ চনৰ ৯ আগষ্টত ব'ম্বেত নেতাসকলৰ গ্ৰেপ্তাৰৰ লগে লগে অসমৰ এ, বি, শ্ৰেণীৰ নেতাসকলক গ্ৰেপ্তাৰৰ অভিযান আৰম্ভ হয় । গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মা ব'ম্বে কংগ্ৰেছ কমিটীৰ পৰা উভতি আহোঁতে তেওঁলোকক ধুবুৰীত গ্ৰেপ্তাৰ কৰে । লগত যোৱা শ্ৰীকামিনী শৰ্মাক বাটতে খাকী হাফ্‌পেণ্ট কামিজ পিন্ধাই

কংগ্রেছৰ পৰা অনা চাৰ্কুলাৰ আদি তেওঁৰ হাতত দিয়ে । শ্ৰীকামিনী শৰ্মাই এ, আই, চি, চিৰ প্ৰস্তাৱ, চাৰ্কুলাৰ আনি ত্যাগবীৰ হেম বৰুৱাক দিয়েহি । সেই চাৰ্কুলাৰ গুপ্তভাৱে বিভিন্ন জিলা বিলাকলৈ পঠায় । চাৰ্কুলাৰ খনত খাজনা বন্ধ, ৰেললাইন, ডাকঘৰ, টেলীফোন, টেলিগ্ৰাফ লাইন ধ্বংস কৰা, মিলিটেৰী যোগান বন্ধ কৰা, থানা, কৰ্ট আদিত জাতীয় পতাকা উত্তোলন, দখল কৰা আৰু সমান্তৰাল গৱৰ্ণমেণ্ট স্থাপন কৰা ইত্যাদি কাৰ্যসূচী আছিল । এই চাৰ্কুলাৰৰ কাম কেনেকৈ বাস্তৱত ৰূপান্তৰিত কৰিব পাৰি, সেই বিষয়ে কংগ্রেছ কৰ্মীসকল দোধোৰ-মোধোৰত পৰিছিল । গান্ধীজীৰ আদৰ্শত বিশ্বাসবান সকলে বিশেষকৈ অমিয় দাস, কৃষ্ণ শৰ্মা, আদিয়ে হিংসাত্মক কাৰ্যৰ বিৰোধীতা কৰিছিল । আনহাতে হিংসাত্মক বা ৰেললাইন, ডাকঘৰ, টেলিগ্ৰাফ, দলংভঙা ইত্যাদি ধ্বংস কৰা বিষয়েও কংগ্রেছ কৰ্মীসকল অনভিজ্ঞ আছিল । সৰ্বপ্ৰথম ৰৰপেটাৰ সৰভোগত বিমান ঘাটি প্ৰতিষ্ঠা কৰিবলৈ আয়োজন কৰা, অস্থায়ী ঘৰ-দুৱাৰ, বয়-বস্তু ইত্যাদি সকলো নাট্যকাৰ ব্ৰজনাথ শৰ্মা আৰু গোলোক পাঠকৰ নেতৃত্বত হেজাৰ হেজাৰ লোকে জুই দি ধ্বংস কৰে ১৫ আগষ্টত । এইটোৱেই অসমত প্ৰথম পৰ্যায়ৰ ডাঙৰ ধ্বংসকাৰ্য ।

ইয়াৰ পিচত বিভিন্ন জিলাত গৱৰ্ণমেণ্টৰ ঘৰ পোৰা, দলং ভঙা, টেলিফোন লাইন ধ্বংস, থানা, কৰ্টত পতাকা উত্তোলন, সমান্তৰাল গৱৰ্ণমেণ্ট ইত্যাদি কাম আৰম্ভ হয় - অসম ব্যাপি । অসমৰ গণ বিপ্লৱৰ বিষয়ে ত্যাগবীৰ হেম বৰুৱাই অমৃত বাজাৰ পত্রিকাত এটা প্ৰবন্ধ লিখিছিল ।

১৯৪২ চনৰ গণ-বিপ্লৱ আৰু অসম

ত্যাগবীৰ হেম বৰুৱা

১৯৪২ চনৰ আন্দোলনটো ফৰাচী বিপ্লৱৰ দৰেই অতি ব্যাপক আৰু উৎসাহত অদম্য আছিল । যদিও এই আন্দোলনটোৰ সবিশেষ এতিয়াও সংগৃহীত হোৱা নাই, ফৰাচী বিপ্লৱৰ সম্পৰ্কে সেইকালৰ ভিকটৰ হিউজে লিখাৰ দৰে ইয়ো ফৰাচী বিপ্লৱৰে সমপৰ্যায়ৰ আছিল । ভাৰতীয় গণ-আন্দোলনৰ বুৰঞ্জীত প্ৰতীক স্বৰূপ স্মৰণীয় চিপাহী বিদ্রোহৰ দিনৰে পৰা স্বেচ্ছাই আগবাঢ়ি আহি জাতীয় জীৱনত আলোড়ন সৃষ্টি কৰা এনে আন্দোন ১৯৪২ চনৰ আগষ্ট মাহৰ আগতে ভাৰতত হোৱা নাছিল । আগষ্টৰ আন্দোলনটো জনসাধাৰণৰ আশা-আকাংখাৰ জীৱন্ত প্ৰতীক । নিজৰ বুকুৰ ৰক্তেৰে দেশপ্রেমৰ সৌধ হিচাবে এই আন্দোলন জনসাধাৰণে গঢ়ি তুলিছিল ।

স্বাধীনতাৰ হকে অৰ্দ্ধাহাৰী আৰু অৰ্দ্ধনগ্ন লোকে কৰা ই এটা আন্দোলন । মাৰ্শ্বেলৰ চতুৰতা আৰু টটেন হামৰ কংগ্ৰেছৰ দায়িত্ব সম্পৰ্কে ইংগিতৰ সন্মুখত ভাৰতৰ প্ৰকৃত শত্ৰুৰ বিপক্ষে কৰা ইয়েই জনসাধাৰণৰ এখন বাস্তৱ যুদ্ধ হিচাপে পৰিগণিত হৈ থাকিব ।

কংগ্ৰেছৰ প্ৰতি আস্থাভাজন-সকলৰ ১৯৪২ চনৰ আগষ্টত বম্বেত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ অধিবেশনৰ ওপৰতে সকলোৱে আশা ৰাখিছিল আৰু বৃটিছ চৰকাৰে ষ্টেফ'ৰ্ড - ক্ৰীপচৰ যোগে তাৰিখ পাৰহে যোৱা এখন চেক দি ভাৰতীয় জনসাধাৰণক ঠগিবলৈ চেষ্টা কৰিছে বুলি এটা বিতৃষ্ণাৰ ভাৱ আৰু জাতীয় চৰকাৰৰ অবিহনে অসহায়তাৰ ভাৱ গঢ়ি উঠিছিল । কংগ্ৰেছে বিদেশী আক্ৰমণৰ বিপক্ষে ৰাষ্ট্ৰৰ জনগণৰ একান্ত সমৰ্থন পাব বুলি সকলোৱে আশা কৰিছিল । বৃটিছে নিজৰ প্ৰতিজ্ঞা ভংগ আৰু তেওঁলোকে প্ৰকৃত দৃষ্টিৰে ভাৰতৰ উচিত দাবী মানিবলৈ অমাস্তি হোৱাৰ কাৰণে দেশখন বাৰুদৰ ঘৰৰ দৰে যিকোনো সময়তে, সামান্য আগাততে অগ্নিশিখা জ্বলি উঠাকৈ প্ৰস্তুত হৈ আছিল । প্ৰয়োজন মতে ভাৰতৰ সকলো নেতাকে বন্দী কৰা কাৰ্যই আন্দোলনৰ এটা সুযোগ দিলে । সমৰ ডাৱৰৰ আৱৰণ যেতিয়া প্ৰদেশবোৰৰ আকাশত ঘনীভূত হ'ল, যদিও নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ কোনো অনুমতি নাছিল, সকলোৱে অৱৰ্ণনীয় ভাৱে প্ৰতিবাদ জনালে । বম্বেত নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ হুকুম দিয়াৰ সময়তেই অসমতো নেতা আৰু বহুতো নামজ্বলা লোকক গ্ৰেপ্তাৰ কৰিলে । ইয়াৰ ভিতৰতে মৌলানা তৈয়বুল্লা, বিষ্ণুৰাম মেধি, ফকৰুদ্দিন আলী আহমদ, দেৱেশ্বৰ শৰ্মা আদিক ৯ আগষ্ট তাৰিখে বন্দী কৰিলে । গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্ম্মাক ব'ম্বেৰ পৰা ঘূৰি আহোঁতে গ্ৰেপ্তাৰ কৰিলে । এই বন্দী কৰা কাৰ্যই আন্দোলনটো পশ্চাদগামী কৰাতকৈ অন্য প্ৰকাৰে জুইত ঘিউ ঢলাৰ দৰেহে হ'ল । ১৬ আগষ্ট তাৰিখে অসম চৰকাৰৰ মুখ্য সচিবে অতি সন্তোষ মনেৰে প্ৰকাশ কৰিলে যে, বন্দী কৰাৰ পিচত দেশত শান্তি বিৰাজ কৰিছে । এই অৱস্থা যে ধুমুহাৰ আগৰ শান্ত অৱস্থা সেই কথা ভাবিবই পৰা নাছিল ।

চৰকাৰৰ দমন নীতি, নেতাসকলক অপ্ৰয়োজনীয় ভাৱে বন্দী কৰা চৰকাৰে ৰক্ত পিপাসু নীতিগ্ৰহণ কৰি স্বাধীনতা বিচৰা জনমতক দমন কৰাৰ প্ৰতিক্ৰিয়া হিচাপে এই আন্দোলন হৈছিল । যি সময়ত হয় মহাসমৰ চলি আছি ল আৰু অতি প্ৰয়োজনীয় সময়তে নেতাসকলক বন্দী কৰা হৈছিল ।

"স্বাধীনতা আন্দোলন আৰম্ভ হ'ল যেতিয়া
পিতাৰ পৰা পুত্ৰৰ হাত পৰিল তেতিয়া" ।

এই বিপ্লৱৰ গৌৱৱময় ইতিহাস অসমৰো আছে । প্ৰদেশখনক যুদ্ধৰ বাতাবৰণে আৱৰি ৰাখিছিল আৰু প্ৰত্যেক ইঞ্চি মাটিকেই জাপানৰ বিপক্ষে যুঁজিবলৈ মিত্ৰপক্ষৰ সৈন্যই কৱলত ৰাখিছিল । মেচিনগান, পিস্তল আৰু বুলেটক আওকাণ কৰি কৰি নিজৰ বিপ্লৱৰ পতাকা উৰুৱাই ভাৰতৰ মুক্তিযুঁজৰ বুৰঞ্জীত এক নতুন অধ্যায়ৰ সূচনা কৰিছিল । অসমী আইৰ পো-জীসকলে অতি সাহস আৰু বিশ্বাসেৰে স্বাধীনতা সংগ্ৰামত আগভাগ লোৱা কাৰ্যও শিখাৰ আখৰেৰে লিখাৰ যোগ্য ।

নেতাসকলক বন্দী কৰাৰ কথা বনজুইৰ দৰে বিয়পি পৰিল আৰু "কৰিম বা মৰিম" এই বৈপ্লৱিক শ্লোগানেৰে ইয়াৰ প্ৰতিবিধান কৰিবলৈ বিচাৰিছিল । জনসাধাৰণৰ প্ৰধান লক্ষ্য আছিল পুলিচ থানা বা ষ্টেচনবোৰ আৰু গোলামি মনোবৃত্তি বাহাল ৰখা বৃটিছৰ সকলো অনুষ্ঠান যেনেঃ- ন্যায় বিভাগ আদিৰ লগত সম্পৰ্ক ছেদ কৰাই আছিল জনসাধাৰণৰ মনোভাৱ । বিহালি, ঢেকিয়াজুলি, গহপুৱৰ থানাবোৰত কৰা অহিংস আক্ৰমণ আন্দোলনৰ এক জলন্ত নিদৰ্শন আছিল । ৰাষ্ট্ৰৰ কাৰণে লজ্জাজনক এই বৃটিছৰ প্ৰতীকবোৰৰ ওপৰত নিজৰ ক্ষমতা সাব্যস্ত কৰাৰ উদ্দেশ্যে থানাবোৰ অধিকাৰ কৰিবৰ কাৰণে ৰাইজে শাৰী পাতি পাতি শোভাযাত্ৰা কৰি গৈছিল ।

বিয়াল্লিছত ছাত্ৰৰ ভূমিকা সম্পৰ্কে মুক্তি যুঁজাক শ্ৰীত্ৰৈলোক্য নাথ শৰ্মাৰ বক্তব্য

১৯৪২ চনৰ ৯ আগষ্টৰ ৰাতি হেম বৰুৱাৰ (পৰৱতী কালৰ প্ৰসিদ্ধ সংসদ সদস্য আৰু অসম সাহিত্য সভাৰ সভাপতি) ঘৰত গোপনে ৰেডিঅ'ত মহাত্মা গান্ধী আৰু সৰ্বভাৰতীয় নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ বাতৰি লৈয়ে যোগেন শইকীয়া, শ্ৰীত্ৰৈলোক্য নাথ শৰ্মা, শ্ৰীচাৰু গোস্বামী আদি ছাত্ৰনেতাসকলে পাছদিনাৰ কাৰ্যসূচী স্হিৰ কৰি নগৰৰ স্কুল-কলেজত পিকেটিং কৰি ছাত্ৰ-ছাত্ৰী সকলক সমদলৰলৈ উলিয়াই আনিবলৈ সিদ্ধান্ত কৰে । এই ধৰ্মঘট সংগঠন কৰিবলৈ দায়িত্ব দিয়া হয় শ্ৰীতিলেশ্বৰ বৰদলৈক । সেই ধৰ্মঘট যোৱহাটৰ বুৰঞ্জীত অভূতপূৰ্ব আছিল । দুপৰীয়া জগন্নাথ বৰুৱা কলেজৰ সন্মুখত কাছাৰী পথাৰত এখন সভা হয় । ইতিমধ্যে লাঠীধাৰী পুলিচে মোতায়েন হৈ ঘেৰি ধৰে । সেই পুলিচ আবেষ্টনিৰ মাজত হোৱা আন্দোলনৰ প্ৰথম সভাখনত সভাপতিত্ব কৰে

শ্রীত্রৈলোক্য নাথ শর্মাই। ৰাষ্ট্রীয় পথৰ সৈতে ৰৰপাত্র আলি আৰু নেহৰু পার্ক আলিত বহু লোক সমবেত হয় যদিও সভালৈ আহিব নোৱাৰি লাঠীধাৰী পুলিচে বেহুৰ মাজত সভা কৰা কর্মীবিলাকক কি কৰে, ঊর্ধশ্বাসে চাই আছিল।

সভাত যোগদান কৰা কর্মীসকলে পুলিচৰ বেহু ভেদ কৰি শোভাযাত্রা কৰি ৰাষ্ট্রীয় পথলৈ ওলাই আহে। সভাত সৈইদিনা ভাষ্য ৰৰুৱাই (পকামূৰাৰ নগেন্দ্র নাথ ৰৰুৱা) সশস্ত্র পুলিচৰ বাহিনীক আঙুলিয়াই "বৃটিছৰ লেমটো বাহিনী" বুলি দিয়া ওজস্বিনী ভাষণ স্মৰণীয় আছিল। কিয়নো সেই ভাষণ কিছুদিনলৈ কর্মীসকলৰ মুখে মুখে বাগৰি প্রচাৰিত হৈ পৰিছিল। কাছাৰী আৰু বিষ্ণুৰাম ৰৰুৱা হলৰ সম্মুখত গোড়া সৈনিক সঙ্গীন উচ্চ কৰি সাজু হৈ আছিল যদিও ধ্বনি মুখৰ শোভাযাত্রাকাৰী দল ৰাষ্ট্রীয় পথেদি যথাসম্ভৰ ,শৃঙ্খলাবদ্ধ হৈ যোৱাৰ বাবে সম্ভৰ অঘটন নঘটিল। সেই শোভাযাত্রা নগৰৰ ঘাই ঘাই পথেদি গৈ জিলা কংগ্রেছৰ কার্য্যালয়ত (ৰোহিনী হাতীবৰুৱা স্মৃতি ভৱন) অন্ত পৰেগৈ। আবেলি জিলা কংগ্রেছ কার্য্যালয়ৰ পৰা আন এটা বিৰাট সমদল ন আলিয়েদি ওলাই নগৰৰ ঘাই পথকেইটা পৰিভ্রমণ কৰে। সেই সমদল যাত্রাও অভূতপূর্ব আছিল। সেই সমদলত নেতৃত্ব দিয়ে জিলা কংগ্রেছৰ সভাপতি হৰিনাৰায়ণ ৰৰুৱাই আৰু পৰিচালনাত আছিল সর্বেশ্বৰ ৰৰদলৈ প্রমুখ্যে জিলা কংগ্রেছৰ নেতৃস্হানীয় কর্মীসকলে। ৰণ-ধ্বনি কৰি তেজ উতলোৱা সমদল সংগীত গোৱাত শশীধৰ মলিয়া ৰৰুৱা অন্যতম আছিল।

মহাত্মা গান্ধীয়ে ৮ আগষ্ট তাৰিখে নিখিল ভাৰত কংগ্রেছ কমিটীৰ সামৰণিত স্বাধীনতা সংগ্রামৰ সেইখনেই শেষ যুদ্ধ হ'ব বুলি তেখেতৰ দীঘলীয়া ভাষণত "মন্ত্রৰ সাধন কিম্বা শৰীৰ পতন" (ডু অৰ ডাই) মন্ত্রেৰে জনগণক প্রস্তুত হ'বলৈ আহ্বান জনায় যদিও সত্যৰ অন্বেষণকাৰী মহাত্মাৰ ৰাজনীতিত কোনো গোপনীয়তাৰ ঠাই নাই আৰুপূর্ব প্রস্তুত কার্যপন্হাও নাথাকে। তেখেতৰ মতে এখোজ বা প্রথম খোজটোৱেই যথেষ্ট সত্য আৰু অহিংসাৰ সাধনত প্রথম খোজৰ পৰা দ্বিতীয় খোজ আপোনা আপুনি স্হিৰীকৃত হৈ যায়। সেই বাবে "ভাৰত ত্যাগ" প্রস্তাৱটো সেই ৰাতিয়েই মীৰা বেনৰ যোগে ভাইচৰয়লৈ পঠিয়ায় আৰু অন্যান্য বাৰৰ দৰে সেইবাৰো তেওৰ প্রতিক্রিয়া অনুসৰি পাছৰ কার্য্যসূচী স্হিৰ কৰিবলৈ থয়। কিন্তু এইবাৰ ভাইচৰয়ে তেওঁৰ প্রতিক্রিয়া জানিবলৈ নিদি সেই ৰাতিয়েই মহাত্মা গান্ধীক আৰু নেহৰু প্রমুখ্যে সর্বভাৰতীয় শীর্ষ নেতাসকলক

আৰু প্ৰান্তীয় প্ৰায় সকলো নেতাক গ্ৰেপ্তাৰ কৰোৱায়। তাৰ পৰিণামত সমগ্ৰ দেশতে পাছ দিনাৰ পৰা প্ৰচণ্ড বিক্ষোভ জ্বলি উঠে যদিও সংগ্ৰামৰ নিৰ্ধাৰিত কাৰ্য্যসূচীলৈ বাট চাব লগা হয়। মহাত্মা গান্ধী আৰু কংগ্ৰেছৰ ঊৰ্ধতন নেতৃত্বৰ অভাৱত জয়প্ৰকাশ নাৰায়ণ, ৰামমনোহৰ লোহিয়া, শ্ৰীমতী অৰুণা আচফ আলি প্ৰমুখ্যে দ্বিতীয় শাৰীৰ সংগ্ৰামী নেতা সকলে জনগণক নেতৃত্ব দিবলৈ আগবাঢ়ি আহে।

উপৰোক্ত কাৰণত যোৰহাটত নিয়মিত ভাৱে আন্দোলন আৰম্ভ কৰিবলৈ চেপ্তেম্বৰ মাহৰ মাজ ভাগত গড়মূৰীয়া সত্ৰাধিকাৰ বিপ্লৱীবীৰ পীতাম্বৰদেৱ গোস্বামীৰ সভাপতিত্বত এখন ৰাজহুৱা সভা হয় আৰু তাত আন্দোলনৰ কাৰ্যসূচী ঘোষিত হয়।

তাৰ পাছত কংগ্ৰেছ আৰু ছাত্ৰ সন্মিলনৰ কমী বিলাকে যোৰহাট মহকুমাৰ কেউপিনে সংগ্ৰামৰ প্ৰস্তুতিৰ কাৰণে ভাগে ভাগে ওলাই যায়।

উল্লেখযোগ্য যে বৃটিছৰ সাম্ৰাজ্যবাদী যুদ্ধৰ প্ৰচেষ্টাত বাধাদান আৰু সংগ্ৰামৰ অন্যান্য কাৰ্যসূচী কাৰ্যকৰী কৰিবৰ বাবে কেন্দ্ৰীয় ভাৱে এখন "ৰাৰ কমিটী" গঠিত হয়। প্ৰবীণ গান্ধীবাদী নেতা কৃষ্ণ শৰ্মা কমিটীৰ চেয়াৰমেন হয় আৰু সদস্য হিচাবে কংগ্ৰেছৰ পৰা শ্ৰীকুমুদেশ্বৰ বৰা, উপেন ৰাজখোৱা আৰু সুৰেন্দ্ৰ নাথ ভৰালী আৰু ছাত্ৰ সন্মিলনৰ পৰা যোগেন শইকীয়া, শ্ৰীত্ৰৈলোক্য নাথ শৰ্মা আৰু শ্ৰীঅজিত শৰ্মা সভ্য হিচাবে আছিল আৰু কমিটীৰ প্ৰত্যেকজন সদস্যক একো একোটা দপ্তৰৰ ভাৰ দিয়া হৈছিল।

যুদ্ধ প্ৰচেষ্টাত বাধা দানৰ কামটোৱেই আটাইতকৈ ডাঙৰ কাম আছিল। এই কামৰ পদ্ধতিত কমিটীৰ চেয়াৰমেন কৃষ্ণ মামাৰ সৈতে ছাত্ৰ সন্মিলনৰ সদস্য কেইজনৰ মতৰ অমিল হয়। যোৰহাট কাৰাগাৰত বন্দী হৈ থকা কংগ্ৰেছ নেতৃবৃন্দৰ (সত্তৰ তেখেতসকলৰ একাংশৰ) পৰা কমিটীৰ সদস্যসকললৈ এনেধৰণৰ নিৰ্দেশ আহে যে "মানুহ মৰাৰ বাহিৰে সকলো ধৰণৰ কাম কৰিব পাৰে।"

কমিটীৰ ছাত্ৰ-যুৱ সদস্য কেইজনৰ মতে দলং আদি ভঙাৰ নিচিনা কামবিলাক সেই বিষয়ত প্ৰশিক্ষণ প্ৰাপ্ত দক্ষ লোকৰ সহায়ত, ওচৰে-পাজৰে মানুহৰ বসতি নথকা ঠাইত কৰিব লাগে যাতে যুদ্ধৰ প্ৰচেষ্টাত বাধা পৰা

কামটোও নিখুঁত হয় আৰু পুলিচৰ হাতত মানুহ হাৰাশাস্তি হ'ৰ বিশেষ ভয়ো নাথাকে। কিন্তু একনিষ্ঠ গান্ধীবাদী কৃষ্ণ শর্মাই তাত মত নিদিয়ে। তেখেতৰ মতে ভঙা কামটো ডাঙৰ নহয়, ৰাইজৰ বাধাদানৰ প্ৰৱণতাটোহে ঘাই কথা ৰেল বা ৰাষ্ট্ৰীয় পথৰ এখন দলং ভাঙিবলৈ হলে তেখেতৰ মতে চৰকাৰী কৰ্তৃপক্ষক আগতে স্হান আৰু সময় জনাব লাগিব আৰু ৰাইজে কোন কুঠাৰ হাতুৰী যি পায় তাৰে ভাঙিবলৈ যাব। ছাত্ৰ-যুৱক সকলৰ মতে কামটো সাধিত নোহোৱাকৈয়ে কিছুমান মানুহ অনাহকত পুলিচ- মিলিটেৰীৰ হাতত ধৰা আৰু চিৰকাললৈ ঘুনীয়া হ'ব লাগিব।

যি কি নহওক কমিটীৰ কেইজনমান সদস্যই বিপ্লৱী ছাত্ৰ যুৱককেইজনৰ মতত হয়ভৰ দিয়ে। কামাখ্যা পাহাৰত এটা গোপন ঘাটীত বিস্ফোৰক পদার্থৰ ব্যৱহাৰ আৰু তাৰ আনুষঙ্গিক বিষয়ৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্হা হৈছিল। তাত প্ৰশিক্ষণ ল'ৰৰ কাৰণে যোৰহাট প্ৰিন্স অৱ ৱেলছ ইঞ্জিনিয়াৰিং ইন্সটিউচনৰ চূড়ান্ত বার্ষিকৰ ছাত্ৰ শ্ৰীকমলেশ্বৰ গগৈক (ছেলেঙৰ) প্ৰশিক্ষণ ল'ৰলৈ পঠিওৱা হয় তেওঁ তাত দিনদিয়েক প্ৰশিক্ষণ লৈ কিছু বিস্ফোৰক পদার্থ লৈ যোৰহাটলৈ ঘুৰি আহে। ৰেল দলং ভাঙিবৰ কাৰণে খওৰিকটীয়াৰ ওচৰৰ জন বসতিৰ আঁতৰত এখন দলং বাছি লোৱা হয়। উপেন ৰাজখোৱাই যোৰহাটৰ গড় আলিত এটা কাৰখানাত দলং উঠোৱা চেনি আদি দুবিধমান হাথিয়াৰ তৈয়াৰ কৰায় আৰু তিতাবৰৰ শ্ৰীভুৱন সন্দিকৈয়ে হাথিয়াৰ কেইপাত ফটা ছাতিৰে মেৰিয়াই চাঁহকেলত লুকুৰাই নি তিতাবৰলৈ নিয়ে। কামটো কৰিবৰ বাবে তেতিয়াৰ মিলিটেৰীৰ তত্বাৱধানত থকা পি-অ' ডব্লিউ ইঞ্জিনিয়াৰিং ইন্সটিউটত মেকানিক্সত কাম কৰি থকা শ্ৰীগোপাল বৰাক বাছি নিয়োজিত কৰা হয়। সেই দুঃ সাহসী ডেকাজনে নির্দিষ্ট দিনত সন্ধিয়াৰ পাছত বেৰেকৰ পৰা ওলাই আহি খৰিকটীয়ালৈ যায় আৰু শ্ৰীভুৱন সন্দিকৈ, কনৰাম কছাৰী প্ৰমুখ্যে দুজনমান কর্মীৰ সহযোগত নির্দিষ্ট ঠাইত ৰেলৰ লাইন উঠাই আহি ৰাতি নৌপুৱাওতেই আকৌ বেৰেকত সোমায়হি। লাইন উঠাই থাকোতেই, ৰেলগাড়ী আহি ওচৰ চাপোতেই কাম সম্পূর্ণ কৰিব পৰা নহল যদিও (ৰেলগাড়ী খন সেনাবাহী নহৈ ৰণৰ সামগ্ৰী কঢ়িওৱা) গাড়ী ৩১ ঘণ্টা ঘটনা থলীত বন্ধ হৈ পৰে।

পিচদিনা পুৱাই এখন মটৰত কৃষ্ণ মামাই হেম বৰুৱা আৰু যোগেন

শইকীয়াক লৈ ঢেকীয়াজুলিৰ ফালে প্ৰচাৰৰ কামত ওলাই যাওঁতে যোৰহাট গড আলিৰ ৰেল ক্ৰছিঙৰ ওচৰত হেম বৰুৱা আৰু যোগেন শইকীয়াক গ্ৰেপ্তাৰ কৰে আৰু কৃষ্ণ মামাক এৰি দিয়ে।

ইতিমধ্যে সেই কামৰ দায়িত্বত থকা কেইবাজনো কৰ্মী গ্ৰেপ্তাৰ হোৱাত কামটোৰ কাৰণে বিপদৰ আশংকা কৰি কমিটীয়ে বাকী দুজনমানক আত্মগোপন কৰিবলৈ নিৰ্দেশ দিয়ে। সৰ্ব্বেশ্বৰ বৰদলৈয়ে তাঁৰ কটা কেচি আদি হাথিয়াৰ নিয়ে। যুদ্ধ প্ৰচেষ্টাত বাধা দিয়াৰ বাবে জিলাখনত কেন্দ্ৰীয়ভাবে ৰাৰ কমিটীৰ পৰা ব্যৱস্থা নোহোৱা হৈ পৰাত বিক্ষিপ্ত ভাৱে কেইবা ঠাইতো অপৰিকল্পিত ধ্বংস কাৰ্য্য সংঘটিত হয়। সেইদৰে যোৰহাট ছোৱালী হাইস্কুলটোও অগ্নি সংযোগৰ ফলত ধ্বংসপ্ৰাপ্ত হয়।

সংগ্ৰামৰ তেজ স্তিমিত নৌ হওতেই বিপ্লৱী নেত্ৰী শ্ৰীমতী অৰুণা আচফ আলি অসমলৈ আহোতে যোগাযোগৰ দায়িত্বত থকা শ্ৰীঅজিত শৰ্মাই তেখেতৰ লগ ধৰে। বিপ্লৱী নেত্ৰী গৰাকীয়ে দেৱেশ্বৰ শৰ্মা ডাঙৰীয়াৰ ঘৰত এৰাতিমান কটাই সংগ্ৰামৰ দিহা পৰামৰ্শ দিয়ে। শঙ্কৰ বৰুৱাই নগৰৰ সমীপত, চাৰিগাওঁ, তৰাজান সোণাৰীগাঁও আদিত চোং সলাই সলাই থাকি সংগঠনৰ দায়িত্বত থকা কৰ্মীসকলৰ সৈতে দিহা পৰামৰ্শ কৰি নগৰৰ গোপন কেন্দ্ৰকেইটাত কৰ্মীসকলক সাহস যোগাই থাকে। কলেজীয়া আৰু স্কুলীয়া ছাত্ৰবিলাকে যোৰহাট কাছাৰী আৰু চৰকাৰী কাৰ্য্যালয়ৰ সম্মুখত পিকেটিং অব্যাহত ৰাখিছিল। ছাত্ৰবিলাকক পুলিচে গ্ৰেপ্তাৰ কৰি বাছ একোখনত ভৰাই লৈ গৈ দুপৰ ৰাতি নামবৰ, কাজিৰঙা আদি অটব্য অৰণ্যত এৰিথৈ আহিছিলগৈ। তেনে কাণ্ড কিছুদিন নিয়মীয়া হৈ পৰিছিল।

আন্দোলনৰ কাৰ্যসূচী অনুসৰি ছাত্ৰ-দিৱস পালন কৰিবলৈ কাছাৰী পথাৰত ছাত্ৰ-ছাত্ৰীৰ এখন সভা হেম বৰুৱাৰ সভাপতিত্বত হয়। সেই সভাত গাঁৱৰ নীলমণি ফুকন আৰু যুৱনেতা ভোলা ফুকনক পুলিচে গ্ৰেপ্তাৰ কৰে। হেম বৰুৱাৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা আছিল যদিও তেওঁক পাছতহে গ্ৰেপ্তাৰ কৰা হয়।

আন্দোলনৰ সৰহভাগ কৰ্মী গ্ৰেপ্তাৰ হোৱাত তৰাজানৰ সুৰেন ভঁৰালীৰ ঘৰত কৰ্মীসকলৰ এখন সভা হৈছিল অৱস্থা চাই ব্যৱস্থা বা কাৰ্যসূচীৰ আলোচনাৰ

বাবে চোৰাংচোৱাৰ পৰা সভা হোৱাৰ খবৰ পাই একডজন লাঠীধাৰী পুলিচ চাইকেলেৰে আহি সভাঘৰ আগুৰি ধৰে। তাতে সুৰেন ভঁৰালী, শ্রীকৃপাল শর্মা প্রমুখ্যে সাতজনমান লোকক গ্রেপ্তাৰ কৰে। পুলিচক অলপ আঁতৰত দেখি মেজত থকা কাগজ-পত্র সোপাকে লৈ গৈ ওচৰৰ হাবিত নুলুকুৱা হলে যোৰহাটৰ ভালেমান ছাত্র-কর্মী পাচেপৰে গ্রেপ্তাৰ হ'লহেতেন।

যোৰহাটত আন্দোলনৰ কার্যসূচীৰ ভিতৰত সৈনিক দিৱসৰ দিনা প্রকৃত নিষ্ঠাৱান গান্ধীবাদী নেতা কৃষ্ণ শর্মাই অহিংসাৰে হিংসাক পৰাজয় কৰাৰ নীতিৰে গোড়া সৈনিকৰ সঙ্গীনত পুষ্পমাল্য প্রদান কৰা ঘটনাটো বিশেষ স্মৰণীয়। সেইদিনা তেখেতৰ নগৰ অভিমুখে সমদলে আগবাঢ়ি আহি থাকোতে ৰজামৈদামৰ ওচৰত সেনাদলে আগচি ধৰে। সমদলত ছাত্র-কর্মী শ্রীতিলেশ্বৰ বৰদলৈ আৰু শ্রী অৰুণ বৰুৱাও আছিল। শর্মা ডাঙৰীয়াই তেখেতৰ বুকু উদং কৰি লৈ সৈনিকৰ সঙ্গীনত মাল্য অর্পণ কৰি অভিবাদন জনায়। সমদলত যোৱা শান্তি যোদ্ধা সকলেও ফুলৰ মালা গোড়া সৈনিকৰ উচ্চকৈ ধৰা বন্দুকলৈ নিক্ষেপ কৰে। অহিংসাৰ সেই অপূর্ব দৃশ্যত সৈনিকসকল থমকি ৰৈ যায়। সেই স্থানত উপস্থিত থকা দুজনমান বিদেশী লোকে সেই স্বর্গীয় দৃশ্যৰ ফটো লয়।

বিভিন্ন জিলাত হোৱা গুলি চালনাত মৃত্যু আৰু আঘাত হোৱা লোকৰ সংখ্যা

ঢেকিয়াজুলি

১৯৪২ চনৰ ৩০ চেপ্তেম্বৰ তাৰিখে চতিয়া, বৰৰিল, নাহৰবাৰী, জহামাৰী আদি গাঁৱৰ ৫-৬ হেজাৰ লোক সমৱেত হৈ ঢেকিয়াজুলি পুলিচ থানাত জাতীয় পতাকা তুলিবলৈ আহিছিল। থানাৰ ভাৰপ্রাপ্ত বিষয়াই এই কথাশুনি সশস্ত্র পুলিচ মজুত কৰি ৰাখিছিল। পুলিচ বিষয়াই সমদল যাত্রাৰ উদ্দেশ্য জানিব পাৰি প্রথমেই লাঠি চালনা কৰিবলৈ হুকুম দিয়ে। হুলস্থুলৰ মাজতে গোলোক নেওগ আৰু মনৰৰ নাথ পুলিচ থানাৰ চৌহদলৈ কেনেবাকৈ সোমাই থানাৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰিলে। পুলিচে তৎক্ষণাৎ গুলি চালনা কৰি মনৰৰ নাথক আঘাত কৰি বাটলৈ উলিয়াই আঁতৰাই দিলে। লগৰে গোলোক নেওগক মাকে গুলিৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে আৰৰি ধৰোতে এটা গুলি মাকৰ গাতো লগাত বাগৰি পৰিল। মহীৰাম কোঁচ নামৰ এজনে থানাৰ চৌহদৰ ভিতৰত পৰি থকা পতাকাখন আনিবলৈ যাওঁতে তেওঁকো গুলিয়াই নিহত কৰা হ'ল। নির্বিচাৰে গুলি কৰিবলৈ ধৰাত মানুহ যেনিয়ে-তেনিয়ে পলাবলৈ ধৰিলে। থানাৰ পূবফালে এখন দলং আছিল আৰু সেই বাটটোৰেই একমাত্র খোলা আছিল। পলাই যোৱা মানুহ বিলাকক সেই দলংখনৰ তলত লুকাই থকা ভেৰোণীয়া ময়মন চিঙীয়া কিছুমানে অমানুষিকভাৱে মাৰধৰ কৰে। মুঠতে সেই সময়ত ২৯ জাই গুলি এৰা হৈছিল।

সেইদিনা মৃত্যু হোৱা লোকসকল হ'ল ঃ

মনৰৰ নাথ - আলিবাটত মৰিল; মণি কছাৰী - থানাৰ কাষতে গুলিৰ আঘাত পায়; ৰতন কছাৰী - এগৰাকী লোকক লাঠিৰ প্রহাৰৰ পৰা ৰক্ষা কৰোতে; তিলেশ্বৰী কোঁচ - গুলি লাগে কিন্তু নন্দিৰাম ভূঞাই বোকোচাত কৰিলে যাওঁতে ময়মন চিঙীয়াই মাৰধৰ কৰে; নুমলী নাথ - পুতেকক বচাবলৈ আৰৰি ধৰোতে গুলি লাগে; মহিৰাম কোঁচ - পতাকাখন থানাৰ চৌহদৰ পৰা আনিবলৈ যাওঁতে গুলি লাগে; মংগল কুমাৰী

- থানাৰ পৰা এমাইল দূৰৈত ৪ দিনৰ মূৰত মৃত অৱস্থাত পোৱা যায় ; খহিলী নাথ ; দয়াল পানিকা ; সোমানাথ চুটীয়া ; এজন সাধু ; এজন ভিক্ষাৰী ; লেৰেলা কছাৰী।

গুলিৰ আঘাত পোৱা লোকসকল হৈছে ঃ

মণিৰাম কছাৰী, কণ্ডা কছাৰী, ভোলা নাথ, ভোগী নাথিনী, কলীদৈ নাথিনী, মেদিৰ নাথিনী, গোলাপী নাথিনী, তুলাই নাথিনী, চন্দ্রনাথ, দৰিকী নাথিনী, হেৰাং বড়ো, ৰাজেন্দ্রনাথ বসুমতাৰী, ঘোগাই নাথ, গোপী কোঁচ, জয়ৰাম নাথ, কমলাকান্ত দাস, মায়াকিশোৰ ঠাকুৰীয়া, নৰেশ্বৰ পিয়ন, গোবৰধন দাস, দয়াৰাম নাথ, মইনা কছাৰী, ৰামচৰণ গোৱাল, ৰাম ভূঞা ।

(এই তালিকাত দিয়াতকৈ আৰু অধিক লোক হতাহত হৈছিল । কিন্তু সকলোৰে নাম ইয়াত দিয়া কঠিন হ'ল কাৰণ ঠাই লৈ অনুসন্ধান কৰাৰ সুবিধা নহ'ল ।)

ৰৰহমপুৰৰ গুলিচালনা ঃ

১৯৪২ চনৰ ১৮ চেপ্তেম্বৰ তাৰিখে ৰৰহমপুৰৰ ৰাইজে পুলিচৰ হাতৰ পৰা শান্তিসেনা শিবিৰটো কাঢ়ি ললে আৰু দিনটো উদযাপনৰ কাৰণে এটা ভোজ পাতিলে । ভোজ কোৱাৰ ঠিক সময়তেই মিলিটেৰীৰ দল এটা উপস্থিত হ'লগৈ । বিশেষ মেজিষ্ট্রেট মিঃ ভি. এইচ ৰুজে আই চি এছক প্রতাপ চন্দ্র শর্মা বি-এলদেৰে বুজাই ক'লে যে ৰাইজে প্রসাদ খোৱা শেষ হ'লেই তাৰপৰা শান্তিপূর্ণভাৱেই সকলো গুচি যাব ।মিঃ ৰুজেই কিছুসময় কেপ্তেইন ফিনিচৰ লগত কথা পতাৰ পিছতেই প্রতাপ শর্মাকে ধৰি এঘাৰজনক গ্রেপ্তাৰ কৰি এখন মিলিটেৰী ভেনত তুলি আঁতৰলৈ লৈ গ'ল ।তাৰ পিছতে তাত থকা মানুহৰ ওপৰত গোৰ-লাঠিৰে প্রহাৰ কৰিবলৈ ধৰিলে, প্রসাদ লণ্ড-ভণ্ড কৰিলে । মানুহৰ মন ক্ষুণ্ণ হ'ল । তেওঁলোকে 'বন্দে মাতৰম্' ধ্বনি তুলিলে ।

'বন্দে মাতৰম' ধ্বনি শুনি ওচৰৰ গাঁৱৰ পৰা মানুহ আহিবলৈ ধৰিলে ।শ্রীমতী ৰত্নাবালাই হাতত জাতীয় পতাকা লৈ নেতৃত্ব বহন কৰিছিল, লগত আছিল মাক ভোগেশ্বৰী ফুকননী । মিলিটেৰীয়ে দলটোক বাধা দিবৰ কাৰণে আগবাঢ়ি

গ'ল । ভীষণ টনা-আঁজোৱা কৰি ৰত্নাবালাৰ পৰা পতাকাখন ফিনিচে কাঢ়ি লৈ জনতাৰ ওপৰত ৰিভলভাৰ উলিয়াই গুলি চলাবলৈ ধৰিলে । গুলিচালনাত নিহত আৰু আহত হোৱা সকলৰ নাম তলত দিয়া হ'ল ।

নিহতসকল : লক্ষ্মী কান্ত হাজৰিকা, ঠগীৰাম সুত, বলোৰাম সুত, ভোগেশ্বৰী ফুকননী ।

আহতসকল : হলিৰাম হাজৰিকা, চকিৰাম নাথ, ডম্বৰুধৰ বৰুৱা, ভেলেউৰাম নাথ ।

(সাধাৰণ আঘাত পোৱা লোকৰ সংখ্যা ৯২ জনমান হ'ব বুলি চিকিৎসক দলে ৰিপ'ৰ্ট দিছিল ।)

বেৰেজিয়াত গুলিচালনা :

১৯৪২ চনৰ ২৫ আগষ্ট তাৰিখে ৰাতি কোনোবা অচিনাকি লোকে বেৰেজিয়াৰ দলঙৰ কিছুমান কাঠৰ পাত পুৰি পেলায় । পিছদিনা দুপৰীয়া এদল পুলিচ আৰু মিলিটেৰীয়ে সেই গাঁৱত উপস্থিত হৈ আক্রমণ কৰিলে । এই আক্রমণে অনেকৰ ঘৰৰ বেৰা-দুৱাৰ ধ্বংস কৰিলে আৰু বাসিন্দাসকলৰ ওপৰত অমানুষিক অত্যাচাৰ চলালে । আনকি এটা মিলিটেৰীয়ে বন্দুকৰ আগত থকা সঙ্গীনেৰে বেৰাত খোঁচ দিওঁতে ডম্বৰু দাস নামৰ গিৰিহঁতৰ পেটত সোমায় । শেষত প্রায় চাৰিশ লোকক গ্রেপ্তাৰ কৰে । আনকি তিনিদিনৰ আগতে প্রসৱ হোৱা ৰোহিনী নামৰ এগৰাকী মহিলায়ো এই গ্রেপ্তাৰৰ পৰা হাত সাৰিব নোৱাৰিলে । পঞ্চানন শর্মাৰ ৮০ বছৰীয়া বৃদ্ধ শয্যাসায়ী ককায়েককো এৰি নিদিলে । শুদা গাৰে পথাৰত কাম কৰি থকা লোকক গা-ঢাকি কাপোৰ এখন লবলৈও সময় নিদিলে । এইদৰেই সকলোকে পশুৰ জাক খেদি নিয়াৰ দৰে নগৰলৈ লৈ গ'ল । মর্মন্তুদ কাহিনী এই যে প্রসৱ বেদনাক্লিষ্ট বলোৰাম শর্মাৰ পত্নীক খেদিলে যাওঁতে তেওঁৰ আনৰ লগত সমানে যাব নোৱাৰাৰ কাৰণে অপমান সহ্য কৰিব লগাত পৰিছিল । পাঁচমাইল বাট এইদৰে জাকপাতি নিয়াৰ পিছত ৰীড দলঙৰ কাষত তাৰে ৯৮ জনক এৰি দিয়ে । সেইদিনা গোটেই দিনে-নিশাই এটা খুদকণ আৰু এটোপা পানী নিদিয়াকৈয়ে তেওঁলোকক আটক কৰি থৈছিল । অনেক অনুৰোধ কৰা সত্বেও উপায়ুক্ত ৰাধাৰঞ্জন ধৰে কোনো সহায় কৰিবলৈ অমান্তি হৈছিল । পিছদিনা ইয়াৰে ত্রিশজনক জেললৈ পঠায় ৰাকীসকলক এৰি দিয়ে ।

এই অমানুষিক অত্যাচাৰৰ বাতৰি পাই পিছদিনা ওচৰৰ গাঁৱৰ অনেক লোক নগৰলৈ সোঁত ৰবলৈ ধৰিলে । এই নিৰপৰাধী শান্তিপ্ৰিয়লোক সকলৰ ওপৰতো দলঙৰ তলত লুকাই থাকি মিলিটেৰীয়ে গুলি চলালে । ফলত দুজনলোকৰ থিতাতে মৃত্যু হ'ল আৰু ছজন লোক আহত হ'ল । সেইসকল হৈছে ঃ

মৃতসকল ঃ বলাই কোঁচ (কুমাৰ গাওঁ), হেমকান্ত বৰুৱা (হাতীগড়) ।

আহতসকল ঃ প্ৰদীপ শইকীয়া (ছাত্ৰ), ৰাজেন্দ্ৰ নাথ কলিতা, নাহৰ নাথ, মোহন চন্দ্ৰ নাথ, বগাই ৰাম ডেকা, কালি সিং ৰাজবংশী (পিছত যক্ষ্মাৰোগত ভুগি ১৯৪৬ চনত মৃত্যু হয়) ।

জোঙালবলহু গড়ৰ গুলিচালনা ঃ

বেবেজিয়াৰ নৃশংস গুলিচালনাৰ কথা জিলাখনৰ চাৰিওফালে বিয়পি পৰিল আৰু সকলোৰে মাজত প্ৰচাৰ হ'ল যে নগাঁৱলৈ আৰু মিলিটেৰী অনাৰ ব্যৱস্থা চলিছে যাতে কংগ্ৰেছৰ আন্দোলন মষিমূৰ কৰিব পাৰি । এনে বাতৰি শুনি সকলো আতঙ্কিত হ'ল । আৰু বিমোৰত পৰিল । আগন্তুক বিপদৰ পৰা হাত সৰাৰ উদ্দেশ্যে যাতে গুৱাহাটীৰ পৰা অত্যাধিক মিলিটেৰী আনিব নোৱাৰে তাৰ বাবে নগাঁৱৰ পৰা ১৬ মাইল পশ্চিমত নগাওঁ-গুৱাহাটী ৰাস্তাৰ জোঙালবলহু গড়ৰ ওচৰত দলংখন ভাঙি দিয়াৰ বাবে ৰাইজ সমবেত হ'ল । তেওঁলোক কামত লাগি থাকোতেই কিছুমান মিলিটেৰী তাত উপস্থিত হ'লহি আৰু কোনো জাননী নিদিয়াকৈ তেওঁলোকৰ ওপৰত গুলি চলোৱাৰ ফলত থিতাতে দুজনৰ মৃত্যু হ'ল । তেওঁলোক হৈছে - হেমোৰাম পাতৰ (বাৰপূজীয়া), গুণাভিৰাম বৰদলৈ (দৰংগীয়া গাওঁ) আৰু আহত লোকসকল হৈছে - গোলোক চন্দ্ৰ ভূঞা, বনাই লালুং, মোহন চন্দ্ৰ ডেকা ।

বাৰপূজীয়াৰ গুলিচালনা ঃ

জোঙালবলহু গড়ৰ ঘটনাৰ দিনাই নিশালৈ চৰকাৰী নথি-পত্ৰৰ সৈতে ৰহাৰ চাৰ্কেল অফিচটো অগ্নিসংযোগ কৰি ভস্মীভূত কৰে । এই কৰ্মই জুইত ঘিউ ঢলাৰ দৰে হ'ল । পুলিচে বাৰপূজীয়াৰ মানুহকে এই কামত লিপ্ত থকা বুলি ভাবিলে । ২৬ আগষ্টৰ নিশা এজন পুলিচ উপ-অধীক্ষকৰ তত্বাৱধানত গাওঁখন আক্ৰমণ কৰে ।

গাওঁখনলৈ বাহিৰৰ পৰা কোনো অনিষ্ট সাধনকাৰী লোক যোৱা বন্ধ কৰিবৰ কাৰণে এটা শান্তি সেনাৰ দল গঠন কৰিছিল আৰু এইদৰে গাওঁখনৰ প্ৰধান বাটত অনবৰত পহৰা দি আছিল । সেইৰাতি তিলক ডেকাৰ ওপৰত পহৰা দিয়াৰ ভাৰ পৰিছিল । নিশা একমান বজাত গাওঁ আক্ৰমণ কৰা মিলিটেৰীৰ দল এটা উপস্থিত হ'ল । তিলক ডেকাই তেওঁলোকক প্ৰত্যাহ্বান জনালে আৰু শিঙা বজাই ৰাইজক সজাগ কৰিলে । তেওঁক তাতে গুলি কৰি হত্যা কৰা হ'ল । তেওঁৰ মূৰটো থেতেলা হৈ যোৱা অৱস্থাত আৰু গাত অনেক সংগীনেৰে খোচা দাগ পোৱা গৈছিল । এনেদৰেই এজন কৰ্তব্যৰত অমায়িক ডেকাৰ গৌৰৱময় জীৱনৰ অৱসান ঘটিল । বাৰপূজীয়াত আৰম্ভ হ'ল পুলিচ-মিলিটেৰীৰ অত্যাচাৰ ।

জয়প্ৰকাশ নাৰায়ণ আৰু বিয়াল্লিছৰ বিপ্লৱ ঃ

গান্ধীজীয়ে অনশনৰ পাছত আন্দোলন পৰিচালনা কৰি থকা নেতৃবৃন্দৰ মাজত আদৰ্শ আৰু নীতিগত পাৰ্থক্যই দেখা দিয়ে । গান্ধী আদৰ্শবাদীসকলে গুপ্তভাৱে আন্দোলন পৰিচালনা কৰা পথ পৰিহাৰ কৰে । আনহাতে সমাজবাদী নেতা জয়প্ৰকাশ নাৰায়ণে জেলৰপৰা পলাই অন্য সমাজবাদী নেতা অৰুণা আছফ আলী প্ৰমুখ্যে নেতাসকলৰ সৈতে কলিকতাত গুপ্ত আন্দোলনৰ কেন্দ্ৰ স্থাপন কৰে । এওঁলোক 'আগাষ্টীয়া" নামে জনাজাত । কলিকতাৰ পৰা অসমকে আদি কৰি বিভিন্ন প্ৰদেশৰ গুপ্ত আন্দোলনকাৰী নেতাসকলৰ লগত যোগাযোগ কৰি পুনৰ আন্দোলন সক্ৰিয় কৰিবৰ কাৰণে প্ৰচেষ্টা চলাইছিল ।

অৰুণা আছফ আলী ছদ্মবেশ ধৰি অসমলৈ আহি সেই সময়ত গুপ্ত হৈ থকা বিপ্লবী বীৰ শংকৰ বৰুৱা প্ৰমুখ্যে নেতাৰ লগত যোগাযোগ কৰিছিলহি । পুনৰ অসমত আন্দোলন সক্ৰিয় কৰি তোলাৰ অৰ্থে । আনহাতে আজাদ হিন্দ ফৌজৰ লগত সমন্ধ স্থাপনৰ কাৰণেও চেষ্টা কৰিছিলহি । কিন্তু ১৯৪৫ চনত যুদ্ধত মিত্ৰপক্ষ জয়ী হোৱাত ৰাজনৈতিক পৰিস্থিতিৰ আমূল পৰিবৰ্তন ঘটে । এনে ৰাজনৈতিক ঘাত-প্ৰতিঘাতৰ মাজেদি ১৯৪৭ চনৰ তিনি জুনত ভাৰতবৰ্ষ বিভাজন হৈ হিন্দুস্থান আৰু পাকিস্তান দুখন ডমিনিয়ন ৰাষ্ট্ৰ গঠন হয় আৰু ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই বিপুল সমাৰোহেৰে স্বাধীনতা উৎসৱ পালন কৰে ।

১৯৫০ চনৰ ২৬ জানুৱাৰীত গণ পৰিষদে ৰচনা কৰা স্বাধীন ভাৰতৰ সংবিধান গ্ৰহণ আৰু ভাৰত এখন প্ৰজাতন্ত্ৰ ৰাষ্ট্ৰ হিচাপে ঘোষিত হয় ।

তিতাবৰৰ সৰশ্ৰী ভুৱন চন্দ্ৰ সন্দিকৈ, মহেন্দ্ৰ নাথ ফুকন আৰু কচুখাটৰ মাঘিৰাম কছাৰীয়ে যুটীয়া ভাৱে লিখিছে যে আহোম স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহৰ দিনতে তিতাবৰৰ বাহাদুৰ গাওঁবুঢ়াই বিদ্রোহ কৰি কলিয়া পানীত জীয়াতু ভোগাৰ দিনৰে পৰা তিতাবৰৰ চাৰিওফালে স্বাধীনতা সংগ্ৰামৰ সকলো পৰ্য্যায়তে জনগণৰ সঁহাৰিয়ে আন্দোলনক পৃথক গতিবেগ দিবলৈ সক্ষম হৈছিল। ১৯২১ চনত বস্ত্রযজ্ঞৰ উপৰিও খিলাফৎ আন্দোলনে গা কৰি উঠিছিল।

বিশেষকৈ অসম গৌৰৱ ৰোহিনীকান্ত হাতীবৰুৱাই কংগ্রেছৰ সংগঠন, কানি নিবাৰণ, বিধান সভাৰ নিৰ্ব্বাচন, অসমলৈ কংগ্রেছ অধিবেশন নিমন্ত্রণ ইত্যাদিত অসম কংগ্রেছৰ নেতৃত্ব বহনে তিতাবৰৰ কেউদিশে তৃণমূল পর্য্যায়ৰ পৰা সংগঠন আৰু আন্দোলন ব্যাপকতৰ ৰূপত গঢ় লৈ উঠিছিল। ঠেঙ্গাল মৌজাৰ ঁৰত্নেশ্বৰ শর্ম্মা আৰু ইন্দ্রেশ্বৰ ৰৰমেধিৰ উদ্যোগত ১৯৩২ চনতে সাতদিনীয়াকৈ চুঙিত "স্বৰাজ মেলা" পাতিছিল। ইয়াৰ ফলস্বৰূপে ঁৰূপেশ্বৰ পাঠক, ঁৰামচন্দ্ৰ সোণোৱাল, ঁনোমল সোণোৱাল, ঁকমল চন্দ্ৰ ৰৰুৱা, আৰু তেওঁৰ পৰিবাৰ ঁতুলতুল ৰৰুৱানী, ঁআহিনা হাজৰিকা আদিৰ পৰিচালনাত ৰৰহোলাৰ নেঘেৰী গাওঁ, টিমটিমিয়া, চাউদাং গাওঁ, ৰৰবাম চুঙি আদিত খাদীকেন্দ্ৰ প্রতিষ্ঠা কৰি খাদীৰ প্রচলন বৃদ্ধি কৰিছিল। ১৯৩৯ চনৰ নবেম্বৰ মাহত ঢেকিয়াজুলিত বহা দুদিনীয়া ৰাষ্ট্রীয় সম্মিলনত শান্তিসেনাৰ প্রশিক্ষণ হৈছিল। এই সম্মিলনত ছাত্র আৰু যুব শক্তিৰ যোগদান উল্লেখযোগ্য। পৰৱৰ্ত্তী কালত এই শিবিৰ নকছাৰীৰ পুথি নৈৰ কাষলৈ স্থানান্তৰিত কৰা হয়। ১৯৪০ চনৰ মাজ ভাগত ঢেকিয়াজুলি কঁহাৰ গাৱঁত অনুষ্ঠিত যোৰহাট জিলা ছাত্র সম্মিলনৰ অধিবেশনে ছাত্র-যুব শক্তিক উদ্বুদ্ধ কৰি 'ছাত্র সংগ্রাম পৰিষদলৈ ৰূপান্তৰিত কৰিছিল। কংগ্রেছ কর্ম্মীসকলে ৪ খন প্রতিজ্ঞা পত্র (১) শান্তিসেনা, (২) স্বেচ্ছাসেৱক, (৩) সত্যাগ্রহী (৪) মৃত্যু বাহিনীত চহী কৰিছিল।

এনে ধৰণৰ প্রশিক্ষণ কেন্দ্র তিতাবৰ বেবেজিয়া, মেলামাটি, ৰজাবাহৰ, বিৰিনাশায়েক, কচুখাট, ৰৰহোলা, জালুকনিবাৰী, ৰতনপুৰ, ৰৰবাম চুঙি, ন আলি ঢেকিয়াজুলি, ৰঙাজানৰ মৰাণ গাওঁ, মৰিয়নিৰ সোণোৱাল আদিত গঠন কৰি গাৱঁ-ভুঞে এচাম ডেকা কর্ম্মী আন্দোলনলৈ ওলাই আহে। বেবেজিয়াত ৪ টা মৌজাৰ প্রধান কেন্দ্র আছিল। তিতাবৰত ঁ পানীৰাম দুৱৰা আৰু ৰৰহোলাত ঁৰূপেশ্বৰ পাঠকৰ তত্বাৱধানত শিবিৰসমূহ সুচাৰুৰূপে চলিছিল। বেবেজিয়াত ১০০০ (এহেজাৰ)তকৈয়ো অধিক শান্তিসেনাই প্রশিক্ষণ লৈছিল। এই শিবিৰলৈ

প্রয়াত ৰাষ্ট্রপতি ফখৰুদ্দিন আলি আহমেদ আৰু শ্রীশ্রীগড়মুৰীয়া সত্রাধিকাৰ প্রভু আহি বক্তৃতা দি সেৱকসকলক উৎসাহিত কৰিছিল। এই শিবিৰ সমূহৰ দ্বাৰা ঘাইকৈ নিম্নোলিখিত বিষয় সমূহত ৰাইজ তথা কংগ্রেছ স্বাধীনতা অর্জ্জনৰ ক্ষেত্রত উপকৃত হৈছিল ।

(১) কংগ্রেছৰ বহুল প্রচাৰ,আৰু শক্তি বৃদ্ধি কৰা

(২) অহিংস উপায়েৰে নিজ দেশ ৰক্ষা কৰা

(৩) নিয়মানুবর্তিতা মানি চলি দেশ উদ্ধাৰৰ এজন নিভীক সৈনিকৰূপে নিজকে প্রস্তুত কৰা

(৪) আতুৰক বিপদত সহায় কৰা।

শেহতীয়া দফাটোৰ এটা বিশেষ উল্লেখনীয় কথা এয়ে যে ২য় মহাযুদ্ধৰ সময়ত যেতিয়া বার্মাৰ পৰা ৰণ ভগনীয়া সকল সর্ব্বস্ব হেৰুৱাই প্রাণ লৈ কহিমা হৈ ডিমাপুৰ পায়হি সেই শৰণার্থী সকলক এই স্বেচ্ছাসেৱক সকলেই গৈ আহাৰ পানী আৰু স্বাস্থ্যসেৱা আগবঢ়াইছিল। এই চনতেই ব্যক্তিগত সত্যাগ্রহ আন্দোলন মহাত্মাৰ নির্দেশক্রমে চলিছিল। সত্যাগ্রহী সকলৰ নামৰ তালিকাত গান্ধীজীয়ে অনুমোদন জনাব লাগিছিল।

তিতাবৰ তিনিআলিত পোন প্রথমে শ্রীভুৰনচন্দ্র সন্দিকৈয়ে সত্যাগ্রহ কৰি কাৰাবৰণ কৰিছিল। তেখেতক তিতাবৰ মাজগাৱঁৰ ভোলা ৰাজখোৱাই মাল্যবৰণ কৰিছিল। তাৰ পিছত ক্রমান্বয়ে বিভিন্ন স্থানত পদ্মেশ্বৰ বৰুৱা, কনকৰাম কছাৰী, শ্রীভুৰন বৰুৱা , থিৰেশ্বৰ চাৰিঙীয়া বৰদলৈ, ৰামচন্দ্র সোণোৱাল পাতলি সোণোৱাল নোমল সোণোৱাল মোলান গোঁহাই, শ্রীতিলেশ্বৰ চাংমাই আদিয়ে কেন্দ্রস্থল সমূহত সত্যাগ্রহ কৰে।

জিলাৰ হৈ হৰিনাৰায়ণ বৰুৱাই তিতাবৰত সত্যাগ্রহ কৰে।

১৯৪২ চন - সত্যাগ্রহৰ পিছতেই ভাৰতবাসী মহাত্মাৰ নির্দ্দেশত ত্যাগৰ চৰম সীমাৰ কাৰণে সাজু হ'ল। তেখেতৰ আহ্বানত কংগ্রেছৰ লগত ছাত্র সংগঠনে যোগ দিয়ে। ছাত্র সকলে স্কুল কলেজ ৰর্জন কৰি আন্দোলনত জপিয়াই পৰে। এই যুদ্ধৰ লগত ভাৰতক সাঙুৰিব নেলাগে বুলি সৈনিক সকলক ৰহুদ যোগান বা তেনে কোনো সহায় আগ নবঢ়াবলৈ ঠিৰাং কৰে। হাট-বজাৰত পিকেটিং আৰম্ভ হয়। কংগ্রেছ কর্মীসকলৰ লগত লগ লাগি ছাত্র সকলে ভাগে ভাগে গাওঁবোৰত সোমাই পৰি প্রচাৰ অভিযানত লাগি যায়। তিতাবৰ চাৰিআলিত থকা সাপ্তাহিক বজাৰখন অচল কৰি মুগাফার্মৰ ওচৰৰ মুকলি চাপৰিত নতুন

বজাৰ আৰম্ভ কৰে ।

এই ৪২ ৰেই ১৯ আগষ্ট তাৰিখে যোৰহাট কাছাৰীত পিকেটিং কৰি তাত জাতীয় পতাকা তুলিবলৈ ঠিৰাং কৰা হয়। সেই উদ্দেশ্যৰেই আগদিনা শ্রীভুৱন চন্দ্র সন্দিকৈয়ে "কেৱকণ হাজৰিকা," ভুৱনেশ্বৰ নেওগ আৰু "মোহন গগৈৰ সহযোগত ৰৰহোলা, ৰজাবাহৰ, বিৰিণাশায়েক, কচুখাট ৰঙাজান মৰাণ গাওঁ আদিৰ পৰা স্বেচ্ছাসেৱকসকলক লৈ আহি সন্ধিয়া সময়ত তিতাবৰ বেবেজিয়াৰ মূল শিবিৰ পায়হি। বেবেজিয়া গাৱঁৰ সেইদিনা শ শ কৰ্ম্মীক কোমল চাউলেৰে জলপান খুৱায়। খোৱা-বোৱাৰ অন্তত ৰাতি দহমান বজাত দলটো যোৰহাট অভিমুখে ৰাওণা হয়। যাত্রাৰ প্রাক কালত দলপতি শ্রীভুৱন সন্দিকৈয়ে সেৱকসকলক যাত্রাৰ উদ্দেশ্য আৰু কর্ত্তব্যৰ বিষয়ে বুজাই কয় আৰু এই ক্ষেত্রত মৃত্যু পর্য্যন্ত ৰৰণ কৰিব লগীয়া হ'ব পাৰে বুলি আগজাননী দিয়ে। তাৰ উত্তৰত "ৰূপেশ্বৰ পাঠক, "মোহন গগৈ আৰু শ্রীভদ্রেশ্বৰ বুঢ়াগোঁহাঁয়ে মৃত্যুবৰণ কৰি হলেও যোৰহাট কাছাৰীত ত্রিৰঙ্গ পতাকা উত্তোলন কৰিব বুলি প্রতিজ্ঞাবদ্ধ হয়

যোৰহাট অভিমুখে যাওঁতে দলটোৰ লগত ৰতনপুৰ, জালুকনি, ন -আলি ঢেকিয়াজুলি আদিৰ পৰাও স্বেচ্ছাসেৱকসকল আহি যোগ দি দলৰ শক্তি বৃদ্ধি কৰে।

পুৱাৰে পৰাই পিকেটিং আৰম্ভ হয়। এই পর্য্যায়ৰ আন্দোলনত কৰছুং সত্রৰ শ্রীমোহন চন্দ্র গোস্বামীক প্রথমেই গ্রেপ্তাৰ কৰে। পিকেটিংকাৰীসকলৰ সংখ্যা সৰহ হোৱাত কাছাৰী ময়দানতে আবদ্ধ কৰি গ্রেপ্তাৰ কৰি ৰাখে। পিকেটিংকাৰীসকল পুলিচৰ ৰৰচাহাবৰ কার্য্যালয়ৰ ফালে গতি কৰে আৰু তাতো পিকেটিং চলায়। পুলিচে লাঠীচালনা কৰে ইয়াৰ ফলত বহুতো কৰ্ম্মী আঘাতপ্রাপ্ত হয়। তাৰে ভিতৰত তামোলবাৰীৰ "কণৰাম শইকীয়াৰ আঘাত গুৰুতৰ হয়। ফলত জনতা মাৰ মুখী হয় আৰু কাছাৰী ময়দানত আবদ্ধ কৰি ৰখা কৰ্ম্মীসকলক মুক্ত কৰিবলৈ যায়। এনে অৱস্থাত পৰিস্থিতি চম্ভালিবলৈ জিলাধিনায়ক স্বর্গীয় হৰিনাৰায়ণ বৰুৱা তাত উপস্থিত হৈ দলটোক শৃঙ্খলাৱদ্ধ কৰি বোহিনী হাতীবৰুৱা ভৱনলৈ (কংগ্রেছ অফিচ) লৈ যায়। তাতে এখন সভা বহে। ৰাতিলৈ "হৰিনাৰায়ণ বৰুৱাক গ্রেপ্তাৰ কৰে। এখেতৰ গ্রেপ্তাৰৰ পিছত শ্রীভুৱন চন্দ্র সন্দিকৈ জিলাধিনায়কলৈ উন্নীত হয়। আন্দোলনৰ পিছৰছোৱাকাল তেখেতে আত্মগোপন কৰি "শঙ্কৰ বৰুৱাৰ নেতৃত্বত আন্দোলনটো সজীৱ কৰি ৰাখে।

এই সময় ছোৱাতেই তিতাবৰৰ যুবক শান্তিসেনা আৰু জনচেৰেক ছাত্ৰৰ এটা দলে সৰুপথাৰ ৰেল দুৰ্ঘটনাৰ (১২ চেপ্তেম্বৰ) পিছদিনা সামৰিক বাহিনীৰ চলাচলত বাধা প্ৰদান কৰাৰ উদ্দেশ্যৰে কাছজান নদীৰ ওচৰত অসম-বেঙ্গল ৰেল লাইনৰ ফিচপ্লেট খোলে যাতে এই যুদ্ধৰ বাবে অহা সৈন্য বাহিনী আৰু তেওঁলোকৰ বাবে ব্যৱহাৰ হোৱা ৰছদ পাতি যোগানত ব্যাহত হয়। ফলত এখন ৰেল গাড়ী লাইনচ্যুত হয়। ৰাতিলৈ চক্রেশ্বৰ শইকীয়াকে ধৰি মুঠ ৮ জনক গ্ৰেপ্তাৰ কৰে। ইয়াৰ পিছত চৈয়দ বাৰীৰ বঙলা, তিতাবৰ এম, ই স্কুলৰ লাইব্ৰেৰী আদিও অগ্নিত জাহ যায়। ফলত ধৰপাকৰ ও পাইকাৰী জৰিমনাৰ জুলুম বৃদ্ধি পায়। কংগ্ৰেছ কৰ্মী ও ছাত্ৰ সকলক ধৰি জেলত বন্দী কৰি ৰাখে যদিও অঞ্চলটোত শেষলৈকে আন্দোলনৰ শাম নাকাটিলে। ইয়াৰ আগতে ১৯৩৯ চনত তিতাবৰৰ মুগাফাৰ্মৰ ওচৰত (য'ত যুদ্ধৰ সময়ত সাপ্তাহিক বজাৰ বহুৱা হৈছিল) এদিনীয়া কাৰ্য্যসূচীৰে যুৱক সম্মিলন বহি এই যুদ্ধৰ বিৰোধিতা কৰে। এই সভাত প্ৰখ্যাত আইনবিদ জগদীশ চন্দ্ৰ মেধিয়ে পৌৰহিত্য কৰিছিল। তেখেতৰ ওজস্বিনী ভাষণত সমবেত ৰাইজ মুগ্ধ হৈছিল। এই সভাৰ আয়োজন সেই সময়ৰ যুৱক চক্রেশ্বৰ শইকীয়া, মহেন্দ্ৰ শইকীয়া, খেতেকেশ্বৰ বৰুৱা, ৰেৱকান্ত শইকীয়া, ভোলা ৰাজখোৱা আদিৰ আহ্বানত অনুষ্ঠিত হৈছিল। সেই সভাত তিতাবৰৰ দাতিকাষ অঞ্চলৰ অগণন ৰাইজে যোগদান কৰিছিল -ইয়াৰ দ্বাৰাই যুৱক- যুৱতী তথা স্বৰাজ প্ৰেমী ৰাইজ উদ্বুদ্ধ হৈছিল। বিদেশী শাসনকাৰীসকলে কেৱল ৰাজনীতিৰ লগত জড়িত সকলকে আতক কৰি জেল জৰিমনা আদি দিয়াতে ক্ষান্ত নাথাকি আমাৰ ধৰ্ম্মৰ লাইখুটাতো হাত দিলেগৈ। এদিনাখন চাৰিসত্ৰৰ ভিতৰৰে এক সত্ৰ শ্ৰীশ্ৰীগড়মূৰীয়া সত্ৰৰ ডেকা অধিকাৰ শ্ৰীশ্ৰীকৃষ্ণ চন্দ্ৰ দেব গোস্বামী প্ৰভুক আটক কৰি আনি কাৰাগাৰত আবদ্ধ কৰাৰ প্ৰতিবাদত সমগ্ৰ অসম জাগ্ৰত হৈ উঠে। এই গ্ৰেপ্তাৰৰ সৰৱ প্ৰতিবাদ উঠিল। সেই সময়ত বলবৎ থকা ১৪৪ ধাৰা আইন অমান্য কৰি তিতাবৰত ছাত্ৰ আৰু কংগ্ৰেছ কৰ্মীৰ এটা সমদল ওলাই ইয়াৰ প্ৰতিবাদ ধ্বনি দি থানা অভিমুখে গতি কৰে। ফলত চাৰিআলিৰ ওচৰত শ্ৰীমহেন্দ্ৰ ফুকনকে ধৰি ৬ জনক গ্ৰেপ্তাৰ কৰি যোৰহাটৰ কাছাৰীলৈ চালান দিয়ে। সমদলৰ পিছত যোৱাসকল পলাই সাৰে। বহুদিন নিস্তব্ধতাৰ পিছত এই সজাগতাই চৰকাৰ পক্ষক পুনৰ সচেতন কৰি তোলে যাৰ ফলত আত্মগোপনকাৰীসকল অধিক সতৰ্ক হৈ চলিব লগা হ'ল।

গোলাঘাটৰ শঙ্কৰ বৰুৱা (যাৰ নাম পিছত বিপ্লবী বীৰ ৰখা হৈছে) আত্ম

গোপন কৰি তেখেতৰ কার্য্যক্ষেত্রৰ মূল কেন্দ্র তিতাবৰ অঞ্চলৰ পৰা পৰিচালনা কৰিবলৈ লয়। সহযোগী হিচাপে তেখেতক সহায় কৰিবৰ কাৰণে ঘিলাধাৰীৰ 'সুৰেন ফুকন, চাৰিগাৱঁৰ 'বংশীধৰ দত্ত, স্থানীয় ভুবন চন্দ্র সন্দিকৈৰ লগতে 'কণৰাম কছাৰী, 'হেমধৰ হাজৰিকা 'কমলা হাজৰিকা, টক দাস, শ্রীতিলেশ্বৰ চাংমাই আদি সকলে আত্মগোপন কৰি থাকি আন্দোলন চলাই আছিল। এই সকলেই "উজনি অসম কংগ্রেছ" নাম দি সংগঠন চলাই আছিল, কাৰণ নামনি অসমৰ লগত যোগাযোগ বখা 'সম্ভৱ নহৈছিল। 'শঙ্কৰ বৰুৱা- সভাপতি, শ্রীভুবন সন্দিকৈ- সংগঠক।

এনে অৱস্থাৰ পৰিপ্রেক্ষিতত আন্দোলন মধিমুৰ কৰিবলৈ উঠিপৰি লগা চৰকাৰৰ বিষয়া চক্রৰ দৃষ্টি আৰু কার্য্য তিতাবৰৰ ওপৰত গভীৰ ভাৱে নিক্ষেপ কৰে। ফলত আত্মগোপনকাৰী সকল অধিক সচেতন হ'ব লগা হয়। কাৰাগাৰত আবদ্ধ হৈ থকা নেতা সকলৰ পৰামর্শ মানি কার্য্যত আগবঢ়াত যথেষ্ট অসুবিধা পোৱা হয়। তথাপি এই আত্মগোপনকাৰীসকলেই আন্দোলন জীয়াই বাখে। ২য় মহাযুদ্ধৰ ফলত ১৯৪৩ ৰ পৰা '৪৫ লৈকে গোটেই অঞ্চলত উত্তর হোৱা পৰিস্থিতিটোতে যুদ্ধৰ বিভীষিকাই ঠাই পায়। বিদেশী সৈন্যৰ লগতে ভাৰতীয় সৈন্য গোটেই অঞ্চল আৱৰি বাখে। বেলৰ ষ্টেচন ইঞ্জিন চালনা আদি কার্য্যত আমেৰিকান সৈন্য নিয়োগ কৰা হয়। চাৰিওফালে সৈন্য আৰু যুদ্ধৰ ঠিকাদাৰৰ প্রকোপ। স্বাধীনতা আন্দোলনৰ প্রায় সকলোৱেই কাৰাগাৰত আৱদ্ধ। যি মুষ্টিমেয় কেইজন বাহিৰত আছিল সেইসকলে আত্মগোপন কৰি দেশৰ স্বাধীনতা আৰু সমাজ কল্যাণৰ বাবে কাম কৰি আছিল। গতিকে মিলিটেৰী সন্ত্রাসৰ বিৰুদ্ধে আত্মগোপনকাৰীসকলে এটা সংগঠন গঢ়ি তোলে। এই সংগঠনটোৱে কৰঙ্গা কমাৰ শিল্পীসকলৰ পৰা চিয়াৰী কাঁড় আৰু মহিলা সকলৰ বাবে চুৰী (দেগাৰ) আদি গঢ়াই আনি গাৱেঁ গাৱেঁ কর্ম্মীসকলৰ মাজত গোপনে আত্মৰক্ষাৰ কাৰণে বিলায়। কাৰণ সেই সময়ত প্রশাসনে স্থানীয় সমস্যা আৰু নিৰাপত্তাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰা নাছিল।

ইফালেদি সুভাষ বসুৰ নেতৃত্বত আজাদ হিন্দ ফৌজ (INA) ভাৰত স্বাধীন কৰিবলৈ কহিমা পর্য্যন্ত আগবাঢ়ি আহে। এই আত্মগোপনকাৰী সংগঠনটোৱে " আজাদ হিন্দ ফৌজ"ৰ লগত সংযোগ স্থাপনৰ কাৰণে গোপন ব্যৱস্থা লয়। চৰকাৰে এই বিষয়ে সন্দেহ কৰি গাৰুলীয়া বাহিনীক তেওঁলোকৰ বাইচাইকেলবোৰ থানাত পঞ্জীয়নভুক্ত কৰি টিকট ল'বলৈ নির্দ্দেশ জাৰি কৰে।

তেওঁলোকে হয়তো ভাবিছিল যদি INAৰ চিপাহী সকল আওৰাই আহে আন নহলেও গাওঁবাসীৰ চাইকেলসমূহকে তেওঁলোকে বাহন ৰূপে ব্যৱহাৰ কৰিব পাৰে। এনে সময়তে খৰিকটিয়া চাহবাগানৰ সমীপৰ ধলীনদীৰ ওচৰত এজন INAৰ বার্ত্তা প্রেৰক শিখ চিপাহী ৰাতি বেতাৰ যন্ত্রসহ নামে। সত্তৰ তেওঁ অঞ্চলটোৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে বিশেষ জ্ঞান নাছিল। বাগানৰ এজন বনুৱাই নৈৰ পাৰত প্রাতঃ কৃত্য সমাপন কৰিবলৈ যাওঁতে এটা অস্বাভাৱিক শব্দ (বেতাৰ যন্ত্রৰ) শুনি উধাতু খাই আহি ওচৰতে থকা ৰঙাজান বাগানৰ ইংৰাজ পৰিচালক লেফন চাহাবক বাগানৰ মাজত শুনা আচহুৱা শব্দধ্বনিৰ (টু- টু- টু) কথা জনায়হি। লগে লগে মেনেজাৰে বাগানত পগলা ঘণ্টি বজোৱায়। এই ঘণ্টাৰ পাছত বনুৱাসকল চাৰিওফালৰ পৰা পৰিবেষ্টিত হৈ আহি এই ভাৰতীয় মুক্তিযোদ্ধাজনক তেখেতৰ যন্ত্রপাতিৰে সৈতে কৰায়ত্ত কৰি আনি মেনেজাৰৰ ওচৰলৈ লৈ আহে। ইংৰাজ মেনেজাৰে লগে লগে তিতাবৰ থানালৈ লৈ আহি থানাৰপৰা নিৰাপত্তাৰক্ষী লৈ যোৰহাটৰ ইংৰাজ প্রশাসক ডেপুটিকমিশ্যনাৰৰ ওচৰত গতাই দিয়েগৈ। এতেকে এই স্বাধীনতা প্রয়াসী মুক্তিযোদ্ধাজনৰ ভাগ্যত কি ঘটিল তাক জনাৰ আমাৰ উপায় নাই। আজি আমি এই অজান মুক্তিযোদ্ধাজনলৈ আমাৰ শতসহস্র প্রণিপাত জনাইছো।

সামৰণি:-বৃটিছ চৰকাৰে আমাৰ নেতা আৰু কর্মীসকলক গ্রেপ্তাৰ কৰি কাৰাগাৰত আৱদ্ধ কৰি ৰখাৰ উপৰিও কংগ্রেছ কর্ম্মীসকলৰ গতিবিধিৰ ওপৰত চোকাদৃষ্টি ৰাখি এই আন্দোলন যাতে অধিক আগবাঢ়িব নোৱাৰে তাৰ কাৰণে সকলো সম্ভৱপৰ ব্যৱস্থা ললে। অঞ্চলে প্রতি স্থানীয় কিছু ইংৰাজপ্রীতি ভাৱপন্ন লোকক গোপন তথ্য যোগানৰ কাৰণে নিয়োজিত কৰা হ'ল। এই সকলৰ তথ্য অনুসৰি বহুতো ঠাইত তালাচী আৰু নির্য্যাতন চলোৱা হ'ল। ইয়াৰে এটা ঘটনা হ'ল যে জালুকনীৰ ন-চুঙ্গী গাৱঁৰ হেম হাজৰিকাৰ ঘৰত এদিন মাজনিশা পুলিচে ঘৰবেৰাদি গোটেই আচবাব পত্র লণ্ড-ভণ্ড কৰি আলমাৰি আদি ভাঙি তালাচী চলায় আৰু গৃহস্থ হেমচন্দ্র হাজৰিকাক শাৰীৰিক ভাৱে অত্যাচাৰ কৰি ঘূনীয়া কৰে। অৱশ্যে গোপন সংবাদ পাই তেখেতৰ ঘৰৰ পৰা ইয়াৰ আগেয়েই শস্তৰ বৰুৱা প্রমুখ্যে অন্যান্য আত্মগোপনকাৰীসকল অন্য ঠাইলৈ নিৰাপদে গুচি যায়।

বৃটিছ চৰকাৰ আৰু তেওঁলোকৰ বহুতীয়া সকলৰ দ্বাৰা শাসন- শোষণ-তোষণ আদি চলি থাকে যদিও মহাত্মাজীৰ আদর্শত ব্রতী কর্ম্মীসকলে অঞ্চলটোত

গাওঁবক্ষী বাহিনী গঠন কৰি, তাৰ জৰীয়তে খাদী বস্ত্ৰ তৈয়াৰ আদি সমাজ উন্নয়নমূলক কাম কৰাৰ লগে লগে সৰ্ব্বসাধাৰণ বাইজৰ মাজত ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ হেতু আত্মোৎসৰ্গ কৰা আন্দোলনটো জীপাল কৰি ৰাখে।

[স্বাধীনতা সংগ্রামত পশ্চিম যোৰহাট সম্পৰ্কত বিয়াল্লিছৰ ছাত্র-কর্মী বর্তমান যোৰহাট জিলা মুক্তি যুঁজাক সন্মিলনৰ প্রধান সম্পাদক শ্রীতিলেশ্বৰ বৰদলৈয়ে লেখিছে, ...]

কটন কলেজৰ পৰা মহাত্মাগান্ধীৰ আহ্বানত কলেজ ত্যাগ কৰা ১১৭ জন ছাত্রৰ ভিতৰত টিলিকিআম অঞ্চলৰ বৰ আহোম গাঁৱৰ শ্রদ্ধাভাজন নেতা স্নাতক মহলাৰ ওয় বার্ষিকৰ সৰ্বেশ্বৰ বৰচেতীয়া অন্যতম। গুৱাহাটীতে অহিংস অসহযোগ আন্দোলনত অংশ গ্রহণ কৰি এবছৰ সশ্রম কাৰাদণ্ডত ভোগে। কাৰাবাসৰ অন্তত মুকলি হৈ যোৰহাটলৈ আহে আৰু স্বাধীনতা আন্দোলনৰ নেতৃত্ব লয়। পকামূৰাৰ দ্বিতীয়জন, প্রকৃততে প্রথমজন পুৰুষ ১৯২১ চনত কাৰাদণ্ড হয়, বেজগাঁৱৰ চতাই বৰা। অহিংস অসহযোগ আন্দোলনত অংশ গ্রহণ কৰি চতাই বৰাই তিনিমাহ কাৰাবাস খাটে। ১৯৪২ চনৰ দৰে ১৯২১ চনতো যোৰহাট কাৰাগাৰত অসমৰ সিংহ পুৰুষ দুজনক ৰখা হৈছিল। সেই দুজন হ'ল- কর্মবীৰ নবীন চন্দ্র বৰদলৈ আৰু দেশভক্ত তৰুণ ৰাম ফুকন। এই দুজন শীর্ষস্থানীয় নেতাৰ উপৰিও ত্যাগবীৰ হেমচন্দ্র বৰুৱাকে মুখ্য কৰি অসমৰ নেতাসকল যোৰহাট কাৰাগাৰত আছিল। প্রয়াত চতাই বৰাই এই সকলৰ সান্নিধ্য লাভ কৰি জীৱনৰ অভিজ্ঞতা পৰিপুষ্ট আৰু পৰিবর্ধন কৰিছিল। সৰ্বেশ্বৰ বৰচেতিয়াকো যোৰহাট কাৰাগাৰলৈ স্থানান্তৰিত কৰিছিল। স্বর্গীয় চতাই বৰাই এই লিখকক ১৯২১ চনৰ জেল জীৱনৰ অভিজ্ঞতা বর্ণাই বহুত কথা কৈছিল। "বৰা সেই সময়ত চফল ডেকা। কাৰাগাৰৰ নির্দিষ্ট জোখত দিয়া ভাতে ভোক নুগুছে। বৰদলৈ-ফুকনে কথাটো বুজি নিজৰ ভাগৰ ভাত দি বৰাৰ ক্ষুধা নিবৃত্তি কৰিছিল।

কাৰাগাৰৰ কঠোৰতা

১৯২১ চনত সশ্রম কাৰাদণ্ড হ'লে বৰ কঠোৰ শ্রম কৰিব লগা হৈছিল।

ত্যাগবীৰ হেম বৰুৱাৰ সেই সময়ত চেহেৰা বৰ ভাল আছিল বাবে তেলৰঘানি টনা কামত লগাইছিল। ঘানি ঘুৰাওঁতে ৰমনী মোহন ৰায়ে তেজ বমি কৰিছিল। "চৰকাৰ চালাম" নিদিয়া অপৰাধত কৰ্মবীৰ আৰু দেশভক্তকো নিজান ফাটৈকত ৰখা হৈছিল। আটাইতকৈ টান কাম আছিল এলোপাত খুন্দি ৰচি তৈয়াৰ কৰা -পাত খুন্দোতে পাতৰ এঠা শৰীৰৰ য'ত পৰে তাতে ঘা হয়। সেই ঘা ক্ৰমে বহলহে হয়, নুশুকায়। তথাপি বন্দীসকলৰ মনোবল অটুত আছিল। চতাই ৰৰাই এই সকলো কাম কৰাৰ শাস্তি যোৰহাট কাৰাগাৰত হাঁহি মুখে লৈ সহ্য কৰিছিল। ত্যাগবীৰ হেম বৰুৱা, সৰ্ব্বশ্বৰ ৰৰচেতীয়াক গুৱাহাটীৰ পৰা যোৰহাট কাৰাগাৰলৈ আনোতে দুই হাতত হাতকেৰেয়া লগোৱাৰ উপৰিও কঁকালত ফঁহৰে বান্ধি অনা হৈছিল।

এঁকেশৰ কৰ্মী-সকল

পকামুৰাৰ গুৰযোগনীয়াৰ গাঁৱৰ সুঠিল শইকীয়া কংগ্রেছ ভলণ্টিয়াৰ হৈ গাঁৱে গাঁৱে সংগঠনৰ কাম কৰিছিল। পানীচকুৱাৰ লক্ষীনাথ নেওগ আৰু তেওঁৰ ভাতৃয়ে সক্রিয় ভাৱে আন্দোলনত নেতৃত্ব দিছিল। টেকেলা গাঁৱৰ বজৌ চুতীয়া অসহযোগ আন্দোলনৰ সক্রিয় কৰ্মী আছিল। টিলিকিআমৰ যদুনাথ শৰ্মা, গোপাল শৰ্মা আদি ১৯২১ চনৰ আন্দোলনত গাওঁ সংগঠনত অংশ গ্রহণ কৰিছিল। চাৰিঙ্গীয়া গাঁৱৰ গোলাপ বৰুৱা, কুশৰাম নেওগ, ছ'ৰাচোৱাৰ লীলাকান্ত বৰা অসহযোগ আন্দোলৰ মুখ্য কৰ্মী আছিল। কাৰামুক্ত হৈ সৰ্বেশ্বৰ ৰৰচেতীয়াই পশ্চিম যোৰহাটৰে নহয়, গোটেই যোৰহাটৰ নেতৃত্ব লৈছিল। নেতাৰ গাত থাকিবলগীয়া সকলো গুণেৰে ৰৰচেতীয়াদেৱ বিভূষিত আছিল। চিৰকুমাৰ, সৰ্বত্যাগী অধ্যয়নশীল এই নেতাজনে দেশসেৱাক জীৱনৰ ব্রত হিচাবে গ্রহণ কৰিছিল। বুদ্ধিমত্তা আৰু নিভীকতা তেওঁৰ জীৱনৰ বৈশিষ্ট্য আছিল। হিন্দুৰ বিবাহ আইনৰ ওপৰত তেওঁৰ তথ্য সম্বলিত এখন কিতাপ ইংৰাজীত লিখি ছপা কৰি নতুন দিল্লীৰ পৰা আৰম্ভ কৰি ভাৰততে বিতৰণ কৰিছিল। এই কিতাপ ছপা কৰিবলৈ শ্রীশ্রীআউনীআটীয় সত্রাধিকাৰ প্রভুৰ পৰা লোৱা অর্থ সাহায্যই অকুলন হোৱাত ৰৰচেতীয়াই নিজৰ অলপ মাটি বিক্রি কৰি এই কিতাপ ছপা কৰি উলিয়াইছিল। হক কথাত তেওঁ পণ্ডিত নেহৰুক বিৰোধ কৰিবলৈকো কুণ্ঠাবোধ নকৰিছিল।

সর্বেশ্বৰ বৰদলৈ প্রথম বন্দী

পকামূৰা গুৱযোগনীয়াৰ গাঁৱৰ সর্বেশ্বৰ বৰদলৈ তেতিয়া বেজবৰুৱা হাইস্কুলৰ অষ্টম শ্রেণীৰ ছাত্র। দেবেন্দ্র নাথ বেজবৰুৱা- বেজবৰুৱা হাইস্কুলৰ স্বত্বাধিকাৰী আৰু যোৰহাট কাছাৰীৰ হাকিম (মেজিষ্ট্রেট)। তেওঁ চৰকাৰী হাকিম হ'লেও দেশাত্মবোধত উদ্বুদ্ধ লোক আছিল। কানিংহাম চার্কুলাৰ তেওঁৰ স্কুলত জাৰিকৰা নাছিল। সর্বেশ্বৰ বৰদলৈয়ে যোৰহাট চৰকাৰী হাইস্কুলৰ ছাত্রক পিকেটিং কৰিবলৈ লৈ গৈ স্কুলৰ প্রৱেশদ্বাৰত থিয় হওঁতেই গ্রেপ্তাৰ কৰিলে। দুই হাতত লোহাৰ কেৰেয়া লগাই ককালত ৰচীৰে বান্ধি ৰচীদালৰ আনটো মূৰত পুলিচ এজনে ধৰি পোনচাতেই কাছাৰীৰ লকআপ'ত সুমুৱাই থলে। বৰদলৈ তেতিয়া ১৪ বছৰীয়া ল'ৰা। পোছাকত খদ্দৰৰ চোলা-চুৰিয়া, মূৰত গান্ধী টুপী। কানিংহাম চার্কুলাৰৰ বিৰোধ কৰি পিকেটিং কৰা নির্দেশ আছিল অসম ছাত্র সম্মিলনৰ। ১ আগষ্টত গৰমৰ বন্ধৰ পাছত স্কুল খুলিলে। ৩ আগষ্টৰ পৰা পৰীক্ষা। বৰদলৈয়ে দুদিন পৰীক্ষা দিলে। ৬ আগষ্টত অকলশৰে পিকেটিং কৰি গ্রেপ্তাৰ হ'ল। ছাত্র সম্মিলনৰ পৰা নির্ধাৰিত কৰা বাকীকেইজন নাহিল।

১৪ বছৰীয়া এজন কিশোৰে অকলে পিকেটিং কৰি দুই হাতত লোহাৰ জিঞ্জিৰি আৰু ককালত ৰচী বান্ধি নিয়া ঘটনাই যোৰহাট নগৰত আলোড়ন তুলিলে। বহুত ছাত্র আৰু ৰাইজ ল'ৰাজনক চাবলৈ বাটত গোট খালে। বহুতে চকুলো টুকিলে। বহুতে আয়ৈ দেহি বুলি হুমুনিয়াহ কাঢ়িলে! কাছাৰীৰ লকআপৰ সমুখতো দেধাৰ মানুহ। দেৱেন্দ্র নাথ বেজবৰুৱা স্কুলত বাঘ। ছাত্রইও বাঘৰ সমান ভয় কৰে। চৰকাৰী হাকিম হৈয়ো সেই 'বাঘ' জন লকাপৰ সমুখলৈ গৈ লকআপ খোলাই ভিতৰলৈ গ'ল, নিজৰ ছাত্র জনক গালে মুখে মৰম কৰি আবেগ বিহ্বল মাতেৰে কলে, 'সর্ব্বেশ্বৰ মই হাকিম হৈ আছো। ইয়ালৈ অহাতো উচিত নহয়। কানিংহাম চার্কুলাৰ মোৰ স্কুললৈ মই আহিবলৈ দিয়া নাই। তুমি অকলে অকলে অন্য স্কুলত কিয় লাগিছা? মোৰ কথা তুমি চহী দি ইয়াৰ পৰা গুচি যাব লাগে।" নিজৰ পূজনীয় ছাৰৰ কথা শুনি সাহ গোটাই অতি নম্রভাৱে ছাত্র জনে ক'লে –"ছাৰ মোক ক্ষমা কৰিব, মই চহী দি নাযাওঁ।" চকু চলচলীয়া কৰি পুনৰ নিজৰ মৰমৰ ছাত্রক মৰম কৰি বেজবৰুৱা আঁতৰি গ'ল। বহুত মানুহৰ মাজত আৰু এজন বৰদলৈৰ অতি শ্রদ্ধাৰ মোমায়েক গোলোক চন্দ্র শর্মা (শ্রীমতী সাদৰী দেৱীৰ দেউতাক) লকআপৰ ওচৰলৈ

গৈ উচুপি আছিল। ৰৱদলৈয়ে তেওঁৰ চকুলৈ চাব নোৱাৰিলে, দেখিয়েই বুকু চিৰিংকৈ গ'ল।

যোৰহাট জিলাৰ উপায়ুক্ত কেপ্টলি চাহাবে ৰৱদলৈক তিনিমাহ সশ্রম কাৰাদণ্ড বিহিলে আৰু যোৰহাট কাৰাগাৰলৈ লৈ যোৱা হ'ল। ইফালে যোৰহাটত নেতৃবৰ্গ আৰু কংগ্রেছ কৰ্মী সকলৰ মনৰ মাজত হাহাকাৰ লাগিল। সৰু ল'ৰা এটা কাৰাগাৰলৈ পঠাই শান্তিৰে থাকিব নোৱাৰি 'হৰিনাৰায়ণ ৰৱৱা ৪ দিনৰ দিনা ১০ আগষ্ট তাৰিখে পিকেটিং কৰি জেইল পাই ৰৱদলৈক সাৱট মাৰি ধৰি কান্দি কান্দি ক'লে, "সৰ্বেশ্বৰ, তুমি অকলে ইয়াত কেনেকৈ আছা এই কথা ভাবি গুছি আহিলো।" উভয়ে চকুলোৰে গাল-মুখ তিয়াই পেলালে। সেই একেদিনাই 'মালভোগ শইকীয়া আৰু 'ত্রিনয়ন শইকীয়াও পিকেটিং কৰি লগ হ'ল। পিচে দুয়োজনে 'লিখা দি' ঘৰলৈ গুছি গ'ল।

ত্রিশচনৰ কৰ্মীসকল

১৯৩০ চনৰ আন্দোলনত 'প্রেমধৰ ৰৱৱাই যোগ দিবৰ কাৰণে চাংছোৱা বাগিচাৰ কৰ্মচাৰীৰ চাকৰি ত্যাগ কৰে আৰু তেতিয়াৰ পৰা আজীৱন কংগ্রেছৰ সেৱাতে কাল অতিবাহিত কৰে। দহোটীয়া গাঁৱৰ 'মুক্ষেশ্বৰ ৰৱৱা ত্রিশ চনৰ এজন নিষ্ঠাৱান কংগ্রেছ কৰ্মী আছিল। তেওঁৰ অকালতে পৰলোক হয়। আৰু এজন অতি একনিষ্ঠ কৰ্মী আজান গাঁৱৰ টোকটা ঘৰৰ 'বংশীধৰ দত্ত। ডেকা বয়স, চফল চেহেৰা, নিপোতল স্বাস্থ্যৰে হিয়াত দেশ প্রেমেৰে উপচি থকা এজন ঐকান্তিক কৰ্মী। কষ্ট আৰু ক্লেশ সহ্য কৰিব পৰা শক্তি অসীম আছিল। এইজন উদীয়মান, কষ্ট সহিষ্ণু যুৱকে ১৯৩৭ চনৰ নিৰ্বাচনত বিশেষকৈ গৰুমৰা অঞ্চলত অক্লান্ত ভাৱে কংগ্রেছৰ কাৰণে কষ্ট কৰিলে। ফুকন-ৰৱশইকীয়া আলি বন্ধাৰ পৰিকল্পনা অগ্রজ বন্ধু সৰ্বেশ্বৰ ৰৱদলৈৰ লগত কৰিছিলে। কিন্তু হঠাৎ সন্নিপাত জ্বৰত ৩- ৪ দিন পৰি থাকি শেষ নিশ্বাস ল'লে। পকামুৰা অঞ্চল, খঙ্গীয়া মৌজাই নহয় পশ্চিম যোৰহাটে এজন বিচক্ষণ আৰু সুদৰ্শন ভাবী কালৰ নেতাক হেৰুৱালে। এইজন অগ্রজৰ স্মৃতি আমাৰ মনত সদায় সজীৱ হৈ আছে, সজীৱ হৈ থাকিব।

যোৰহাটত মহাত্মা গান্ধী

চন্দ্রকান্ত সন্দিকৈ ভৱন মহাত্মাজীৰ বাহৰ। পকামূৰাৰ সর্বেশ্বৰ বৰদলৈ গোটেই বাহৰৰ দায়িত্বত। পকামূৰাৰে প্রেমধৰ বৰুৱা মহাত্মাজী থকা মূল দুৱাৰৰ দুৱৰী। অভ্যর্থনা সমিতিৰ সভাপতি কুলধৰ চলিহা আৰু সম্পাদক কৃষ্ণনাথ শর্মা (মামা)। বাপুজীৰ জীৱন-যাপনৰ খুঁতি-নাতি নিৰীক্ষণ কৰাত কর্মীসকল ব্যস্ত। সেৱাৰ সামান্য ভাগ পালেও কর্মীসকল সন্তুষ্ট।

পকামূৰাৰ বাপুজী দর্শনার্থী ৰাইজ

তেতিয়া ৰাছ-মটৰ নাছিল। গৰুগাড়ীৰে বুঢ়া-বুঢ়ী সকলো পুৰুষ- মহিলা অনেক উপঢৌকন লৈ মহাত্মাজীক দর্শন কৰি সেৱা জনোৱা দৃশ্য নেদেখিলে বিশ্বাস কৰাই টান। পকামূৰাৰ পল্লৱতী বৰুৱাই একেৰাতিতে সূতা কাটি, তাঁত বাতি কৰি বৈ উলিওৱা গামোছাৰে বাপুজীৰ চৰণ সেৱা কৰিছিল। হৰিজনৰ কাৰণে পুঁজি সংগ্রহত মহাত্মাজী আহিছিল। পকামূৰা অঞ্চলৰ সকলো ৰাইজ গৈ যি পাৰে দি মহাত্মাজীক সেৱা জনাইছিল।

আমাৰ খোলোচাকৈ মনত আছে। ৰাইজে নিয়া থোকা থোকে কল চন্দ্রকান্ত ভৱনৰ পিৰালীত আওঁজাই থোৱা হৈছিল। গামোছাবোৰ ৰচী বান্ধি ওলোমাই থোৱা হৈছিল। আবেলি মীৰাবেন আৰু এগৰাকীয়ে দুইমূৰে ধৰি মেলিধৰা কাপোৰ খনলৈ বহুত মহিলাই কাণৰ কেৰু, ডিঙিৰ ডুগডুগি, আঙুলিৰ আঙঠি খুলি শ্রদ্ধাৰে মূৰ দোৱাই দান দিছিল। সেই তিনিদিন অপূর্ব দৃশ্য। পকামূৰাৰ কোনো ঘৰ মানুহ, যাবলৈ বাকী নাছিল যেন লাগে। বাহিৰত বৈ থকা সময়কণত বহুতে টাকুৰীত সূতা কাটি আছিল। এইদৰে ১৯৩৪ চনৰ মহাত্মাজীৰ যোৰহাট আগমনে সমস্ত ৰাইজক অপূর্ব আৰু অভূতপূর্ব মানসিক পৰিবর্তন আনি দিলে।

পকামূৰা চাৰিআলিত 'সত্যাগ্রহ'

১৯৪০-৪১ চনৰ ব্যক্তিগত আন্দোলনত পকামূৰাৰ এজনেহে সত্যাগ্রহ কৰিবলৈ অনুমতি পাইছিল। সেইজন সর্বেশ্বৰ বৰদলৈ। তাৰিখ পাহিৰিলো। (সময় পুৱা- ৮৩০ বজা)। মেজ এখনৰ ওপৰত বৰদলৈ থিয় হৈ সত্যাগ্রহ

বাক্য পাঠ কৰিছে। মেজখনৰ ওপৰত থিয় নহ'লে তেওঁক সকলো বাইজে নেদেখে– ইমান বেছি মানুহ গোট খাইছে। সত্যাগ্রহ বাক্য কেইশাৰি হ'ল – "এই যুদ্ধ আমাৰ যুদ্ধ নহয়। ধনে-জনে ইংৰাজৰ যুদ্ধ প্রচেষ্টাত সহায় কৰা অন্যায়। সকলো যুদ্ধকে অহিংস উপায়ে বাধা দিয়া উচিত।" লগে লগে পুলিচে তেওঁক গ্রেপ্তাৰ কৰিলে। গ্রেপ্তাৰৰ লগে লগে ৰৱদলৈৰ ডিঙিত বাইজে অসংখ্য ফুলৰ মালাৰে ওপচাই দিয়ে। বাইজৰ জয়ধ্বনি, আইসকলৰ উৰুলি ধ্বনিৰে পকামূৰা চাৰিআলি প্রতিধ্বনিত হৈছিল।

চাৰিআলিৰ পৰা যোৰহাট কাছাৰীলৈ খোজকাঢ়ি যাওঁতে অসংখ্য বাইজে শোভা যাত্রা কৰি লগে লগে গৈ আছিল। বাটত যাওঁতে বাইজে ফুলৰ মালা পিন্ধাইছিলে। আইসকল পকামূৰা তিনিআলিৰ পৰা ঘূৰি আহিল। পুৰুষসকল কাছাৰীলৈকে গ'ল। বাটত যাওঁতে "মহাত্মা গান্ধীজীকী জয়, স্বাধীন ভাৰত কী জয়, বন্দে মাতৰম্" আদি ধ্বনি দি গৈ আছিল। সেই জনসমাগম, সেই উৎসাহ-উদ্দীপনা পকামূৰা চাৰিআলিত অভূতপূর্ব আছিল। যোৰহাট কাছাৰীলৈ যোৱা সেই শোভাযাত্রাও অবিস্মৰণীয়।

বিশ্বাস কৰিবলৈ টান হ'লেও সত্য যে মহাত্মা গান্ধীয়ে নিজে সমগ্র ভাৰতৰ সত্যাগ্রহীৰ তালিকা কৰিছিল। সত্যাগ্রহৰ তাৰিখ, সময়, স্থান আগতীয়াকৈ জিলা প্রশাসনক জনাব লাগিছিল! সত্যাগ্রহত ৰৱদলৈৰ ২১ দিন ফাটৈক হৈছিল। গোটেই যোৰহাট মহকুমাতে তেওঁৰ পৰিচালনাত সত্যাগ্রহ আন্দোলন হৈছিল।

পকামূৰা চাৰিআলিত কংগ্রেছ শিবিৰ

১৯৪২ চন ; ৯ আগষ্ট। মহাত্মা গান্ধী আৰু নেতৃবর্গ পুৰাই গ্রেপ্তাৰ। অজ্ঞাত বাস। আবেলি জননায়ক দেৰেশ্বৰ শর্মাক ঘৰতে গ্রেপ্তাৰ কৰিলে। গোটেই ভাৰতত জুই জ্বলিল - পকামূৰাতো জুই দপদপকৈ জ্বলিল।

নবীন নাট্য মন্দিৰ। থিয়েটাৰ হল। মঞ্চটো টিনৰ, প্রেক্ষাগৃহ খেৰৰ। উত্তৰা-দক্ষিণাকৈ ঘৰটো। একে টোহদতে পকামূৰা শিক্ষাকেন্দ্রটো সেই বছৰ নতুনকৈ সজা। চূণ-তেল দি জকমকীয়া। (এতিয়া শ্রীৰমেন বৰাৰ বাৰীখন) নবীন নাট্য মন্দিৰতে পশ্চিম যোৰহাটৰ কংগ্রেছ কর্ম্মীৰ শিবিৰ। বহুত স্মৃতিৰে বিজৰিত! সৰুচৰাই, পৰতীয়া, খঙীয়া মৌজাৰ কর্ম্মীৰ উপৰিও নগৰৰ কর্ম্মীও

এই শিবিৰত আছিল। যুদ্ধ প্ৰচেষ্টাত বাধা জন্মোৱা সকলো কাম শিবিৰৰ পৰা পৰিচালিত হৈছিল। শিবিৰৰ অধ্যক্ষ আছিল সৰ্বেশ্বৰ বৰদলৈ। তেওঁৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা। তেওঁ পলাতক, ধৰি দিব পাৰিলে দহ হাজাৰ টকাৰ ঘোষণা। পলাতক হ'লেও শিবিৰৰ সকলো কামৰ দায়িত্ব তেওঁৰ। শিবিৰত নাথাকিলেও আন্দোলনৰ গুৰি ধৰোতা আছিল গুৱযোগনীয়াৰ গাঁৱৰ প্ৰেমধৰ বৰুৱা। বৰুৱা আন্দোলনৰ চালিকা শক্তি। সঞ্চালনিকৈ শিবিৰত থকা নাছিল যদিও আন্দোলনৰ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰা লোক আছিল। বৰুৱা গাঁৱৰ বাবুলি বৰুৱা, কুহিয়াৰবৰীয়া গাঁৱৰ বসন্ত কুমাৰ বৰুৱা শ্ৰীপূণ্যেশ্বৰ বৰুৱা, ধলি কুমাৰ গাঁৱৰ মিহিৰাম দত্ত, দহোটীয়া গাঁৱৰ বাপুৰাম চলিহা, পানীচকুৱাৰ লীলাকান্ত বৰা, বিষ্টু দাস, শ্ৰীনৱেন বৰা, চাংছোৱা বাগিচাৰ শিৱৰাম কেওত, বৰশইকীয়া গাঁৱৰ শ্ৰীকলাই শইকীয়া, গুৱযোগনীয়াৰ গাঁৱৰ নগেন্দ্ৰ নাথ বৰুৱা, টিলিকিআমৰ ৰাম শৰ্মা আদি।

পশ্চিম যোৰহাটত মহিলা সকলেও শেষ সংগ্ৰামখনত সক্ৰিয় অংশ লৈছিল –গুৱযোগনীয়াৰ গাঁৱৰ বাসন্তী বৰদলৈ, পকামূৱা চাৰিআলিৰ ভোগদা দেৱী, পানীচকুৱাৰ শ্ৰীমতী জয়মতী নেওগ, শ্ৰীমতী বিজয়া গগৈ, শ্ৰীমতী হেমপ্ৰভা নেওগ আদিয়ে মহিলা সকলৰ নেতৃত্ব লৈছিল।

পকামূৱা চাৰিআলিৰ নবীন নাট্য মন্দিৰৰ মূল শিবিৰত আছিল– টিলিকিআমৰ শ্ৰীকৃপাল চন্দ্ৰ শৰ্মা, ধাপকটাৰ শ্ৰীপ্ৰফুল্ল গোস্বামী, শ্ৰীপ্ৰসন্ন কুমাৰ গোস্বামী, ভাতেমৰাৰ তগৰ বৰা, শ্ৰীখগেশ্বৰ বৰা, বামেশ্বৰ বৰা, দীনাই ঢেকিয়াল, ভূপেন্দ্ৰ নাথ বৰবৰা, পুলিবৰৰ শ্ৰীহেমন্ত কুমাৰ বৰুৱা, বৰআহোম গাঁৱৰ শ্ৰীকমলেশ্বৰ চেতিয়া, পানীচকুৱাৰ শ্ৰীসুৰেন্দ্ৰ নাথ গগৈ (নেওগ) কুহিয়াৰবৰীয়া ব্ৰাহ্মণ গাঁৱৰ শ্ৰীগজেন্দ্ৰ নাথ বৰঠাকুৰ, শ্ৰীমহেন্দ্ৰ নাথ শৰ্মা বৰুৱা, শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মা বৰুৱা, শ্ৰীতনুৰাম কাথকটীয়া, চাৰিআলিৰ শ্ৰীকৃষ্ণ অধ্যাপক, বৰুৱা গাঁৱৰ শ্ৰীকুল প্ৰসাদ বৰুৱা, প্ৰফুল্ল বৰুৱা, বাহক গাঁৱৰ শ্ৰীপূণ্যেশ্বৰ শইকীয়া, পানীচকুৱাৰ বিপিন চন্দ্ৰ ভৱালী, ধেকেলীয়া গাঁৱৰ পদ্মনাথ ভৱালী, যোৰহাট তৱাজান কাকতি গাঁৱৰ শ্ৰীনিৰ্মল চন্দ্ৰ শৰ্মা, দেৱগাঁৱৰ শ্ৰীভোলা হাজৰিকা, (মাজে মাজে থাকেহি), পুলিবৰৰ শ্ৰীনগেন বৰা, গুৱযোগনীয়াৰ গাঁৱৰ শ্ৰীতিলেশ্বৰ বৰদলৈ আদি। শিবিৰত নথকাকৈ মাজে মাজে সহায় কৰা লোক কেবাজনো আছিল। মনত পৰা মতে বাহক গাঁৱৰ শ্ৰীত্ৰীনন্দন দত্ত, (টেপুৰাম), চাৰিআলিৰ আনন্দ বৰঠাকুৰ, শ্ৰীমালভোগ কলিতা, ভোলাৰাম কলিতা, বৰুৱা গাঁৱৰ বিমল বৰুৱা, শ্ৰীযদু

দত্ত, শ্রীকালীপ্রসাদ বৰুৱা, ববশইকীয়া গাঁৱৰ 'বিনন্দি ববশইকীয়া, শ্রীদেৱেশ্বৰ শর্মা, টিলিকিআমৰ 'ৰাম শর্মা, কুঁহিয়াৰবৰিয়া ব্রাহ্মণ গাঁৱৰ 'পূর্ণানন্দ শর্মা আদি।

মূল শিবিৰ সমূহ পকামূৱা চাৰিআলিৰ উপৰিও পানীচকুৱা আৰু পুলিবৰতো পতা হৈছিল।

আন্দোলনৰ সর্বাত্মক ৰূপ

শিবিৰত থকা কেইজনেই স্বাধীনতাৰ শেষ সংগ্রাম কৰা নাছিল। কৰিছিল সকলো ৰাইজে। 'কৰিম কিম্বা মৰিম' মন্ত্রই সকলোৰে অন্তৰত প্রভাৱ পেলাইছিল। ২য় মহাযুদ্ধৰ ভৱপক। ৰবৈয়াত বিমানঘাটি আৰু সৈন্যৰ ঘিৎ-ঘিটনি, দিনে-ৰাতিয়ে ব্যস্ততা। ইফালে কংগ্রেছৰ মৃত্যু বাহিনী 'মাৰ গুলী মাৰ গুলী, আমি নভৰাওঁ' নিভীকতা। ৰূপ কোঁৱৰৰ উদ্দীপ্ত ভাষাত সকলো 'বিশ্ববিজয়ী – নৰ জোৱান ...'!, 'জেল লাঠি গুলী ফাঁচি আমাৰ মামাৰ মানত ধূলা– খেলা, স্বৰাজ সাধন হেতু আমি শেষ কৰিম মর্ত্য লীলা' মনোভাৱেৰে দিনে-নিশাই শেষ সংগ্রামত ব্রতী আছিল শিবিৰৰ কর্মীসকল।

পশ্চাৎঘাটী কাম

এই শিবিৰৰ পৰা টেলিগ্রাফৰ তাঁৰ কটা, ৰবৈয়া বিমান ঘাটিৰ ঘৰ জ্বলোৱা আদি পশ্চাৎঘাটী কামো কৰা হৈছিল। সর্বেশ্বৰ ববদলৈয়ে কেইজনমান ল'ৰাক ক'লে ৰেল লাইনৰ তাঁৰ কাটিবলৈ। কেইদিনমানৰ মূৰত আহি সুধিলে, "কামটো হ'লনে?" নাই হোৱা বুলি শুনিয়েই নিজেই গ'ল। ৰেজগাঁৱৰ ওচৰত কুঁহিয়াৰবৰীয়া গাঁৱলৈকে প্রায় এক ডেৰ মাইল তাঁৰ কটা হ'ল। ৰেল লাইনৰ ফুটত বাকী লৰাৰোৱে তাঁৰৰোৰ নুৰিয়াই পুতিবলৈ লাগিল। এই কামলোন বৰ গোপনে কৰা হৈছিল। কামটো কৰা কেইজনৰ বাহিৰে অন্য কর্মীয়ে নাজানিছিল -অতি লোমহর্ষক কাম এটা আমি ককাই-ভাই দুটাই কৰিছিলো। ৰবৈয়া বাগিচাখন প্রতিৰক্ষা বিভাগে লৈ শাৰী শাৰী খেৰী ঘৰ সাজিলে। সকলোতে মিত্রপক্ষ আমেৰিকাৰ সৈন্যৰ চাউনী। এদিন শ্রীকৃপাল শর্মাৰ সৈতে ববদলৈ গ'ল লহপহীয়া বাগিচালৈ। বাগিচাৰ মূৰৰ পৰা কাঁৱৰ মূৰত নাহৰ গুটি জ্বলাই ধেনু মাৰিলে, লক্ষ্যত নালাগিল। দুয়ো আহি শিবিৰত নাথাকি ৯৯ নং ববশইকীয়া

ফুলৰ বাঁহৰ চাঙত ভাগৰ মাৰিলে। পুৱতি নিশা। এদিন আমি বহুত দিন শুকাই থোৱা নাহৰ গুটি জেপত ল'লো। এটা জুইশলা ল'লো। ধনুখন ভাঙি চোলাৰ তলত লৈ কমাৰবন্ধা আলিৰ ৰৈয়া চাৰি আলিৰ দলংখন পাৰ হৈ ৰৈয়া বাগিচাৰ শিয়াল গাঁতেদি গৈ এতিয়া ৫ নং বায়ুবাহিনীৰ হাস্পাতালৰ ওচৰতে ধনুকাঁড় মাৰিলো। কাঁড়ে লক্ষ্যভেদ কৰিলে। কতাহ পাই নাহৰ গুটি কেইটা বেছিকৈ জ্বলি গৈছিল। সকলো খৰ পুৰি ছাই হ'ল। দেখাৰ সামৰিক গাড়ীত 'অক্সাইড' চিএৰে গগন ফালিছে। খেৰীঘৰৰ জুইৰ পোহৰ, গাড়ীৰ লাইটৰ পোহৰে দিন যেন কৰিলে। আমি নিশ্চিত মৃত্যু বুলি ভাবিলো। কেনেকৈ উভতি আহি ৰৈয়া দলঙৰ তলত পেট পেলাই পৰিলোহি ক'ৰ নোৱাৰো। দলঙৰ ওপৰেদি অসংখ্য সামৰিক গাড়ীৰ অহা-যোৱা, চিএৰ-বাখৰ, আতুৰত ঈশ্বৰৰ নাম লৈছিলো, হুলস্থূল হৈ আছিল। কিন্তু কোনেও দলঙৰ তলত টৰ্চ মাৰি নাচালে। আমি ৰাতি ৪ বজালৈকে দলঙৰ তলতে পৰি থাকিলো। হুলস্থূল কমিলত দুয়ো উঠি ফুটুকানিৰ আঁৰে আঁৰে ৰেল লাইনত উঠিহে উশাহ ল'লো। এনে দুঃসাহসিক কামো সংঘটিত কৰা হৈছিল।

স্পেচিয়েল পুলিচৰ কাণ্ড

ৰিয়াল্লিছৰ বিপ্লৱত কমিউনিষ্ট সকলে 'জনযুদ্ধ' বুলি কংগ্রেছৰ সংগ্রামক বিৰুদ্ধাচৰণ কৰা কথা সৰ্বজনবিদিত। ৰাষ্ট্রীয় ঘাইপথৰ টিলিকিআম দলঙৰ ওপৰত তেনে এজনক ধৰা পেলোৱা হৈছিল। তেওঁৰ ডায়েৰীত কথাবোৰ লেখা আছিল। পানীচকুৰাৰ শিবিৰত তিনিদিন খাপপিটি বৃধবাৰ এটাত চাৰিঙীয়া হাটত পিকেটিং কৰিবলৈ যাওঁতে আমাৰ শিবিৰ বন্ধ দেখি তেওঁ নগৰলৈ গৈছিল। পিছে আমাৰ শিবিৰত দুজন ল'ৰা তেওঁকে চাবলৈ আছিল। লৰি লৰি গৈ বুধবৰীয়া হাটত খবৰ দিলত টিলিকিআম দলঙৰ ওপৰত তেওঁক ধৰা পেলোৱা হৈছিল।

ৰিনন্দি ৰৰশইকীয়া, সৰ্বেশ্বৰ ৰৰদলৈৰ বন্ধু। চাউল একঠা আগ কৰিছিলে ৰৰশইকীয়াই। তেওঁতকৈ জ্যেষ্ঠ স্পেচিয়েল পুলিচজনে গান্ধী ভলণ্টিয়াৰকে চাউল কঠা দিলে বৰ ভাল কথা হ'ব বুলি জনালে। পতিয়ন গৈ চাউল কঠাৰ যোগাৰ দিলে। স্পেচিয়েল পুলিচজনে নিশ্চিত কৰিলে ৰৰদলৈ অহাটো। ৰৰদলৈ তেতিয়া পলাতক। ভোজ হ'ল। ৰাতি ১০ মান বজাত খানলৈ বহা

হ'ল। ৰৰশহকীয়াই স্পেচিয়েল পুলিচ জনৰ ষড়যন্ত্ৰ বুজি নাপালে। এগৰাহ দুগৰাহ খালে। তেনেতে পুলিচৰ লাঠিৰে, বুটজোতাৰে ভাতৰপাত গছুকি গুৰিয়াই নগুৰ-নাকতি কৰিলে। শিবিৰবাসী ছেদেলি ভেদেলি হ'ল। ৰৰদলৈ অহা বাটত খাপ দিলে। পালে। ক'লে এই কান্দত নপৰাকৈ এই কোৱঁলৈ বাছিল। ৰৰদলৈক ধৰি দিব পাৰিলে দহ হাজাৰ টকাৰ হেপাহত এইবোৰ কাণ্ড পকামুৰাত ঘটি আছিল। পিচত ১৯ অক্টোবৰত অন্য এজন স্পেচিয়েল পুলিচৰ ষড়যন্ত্ৰত ৰৰদলৈক শিবিৰতে গ্ৰেপ্তাৰ কৰে। তাৰ এক সপ্তাহৰ পিছত ২৬ অক্টোবৰৰ দিনা মোক গ্ৰেপ্তাৰ কৰা হ'ল – দুয়োজন স্পেচিয়েল পুলিচৰ সহায়ত। অৱশ্যে শাৰীৰিক অত্যাচাৰো যথেষ্ট কৰিছিল।

মৃত্যুৰ বিভীষিকাৰ মাজতো ৰং-ৰহইচ

পকামুৰা চাৰিআলিৰ শিবিৰত আমি একান্নভোক্ত এটা পৰিয়ালৰ দৰে মিলা-প্ৰীতিৰে আছিলো। জ্যেঠ কেইজনৰ বাহিৰে সকলোৱেই প্ৰায় সমবয়সৰ সমনীয়া। স্কুলীয়া ল'ৰা। ভাতে মৰাৰ ভূপেন ৰৰৰাক সকলোৱে 'ৰৰবৌ' বুলি মাতিছিল। তেওঁ থাকিলে তেওঁৰ বাহিৰে ভাত বান্ধিব আনে নোৱাৰিছিল। তেওঁ বৰ হৃষ্ট-পুষ্ট, নিপোতল। দেহাত হাতীৰ সমান শক্তি। খাবও পাৰে তেনেকৈয়ে। পিচে আগতে কেতিয়াও নাখায়। সকলোকে খুৱাই বুৱাই লৈহে খায়। বাহিজৰ পৰা খুজি অনা চাউল, যেনিবা ৫০ জনৰ বান্ধিলে। বাতি ১২ বজালৈকে আছিল ২৫ জন। বাকী ২৫ জনৰ ভাত যি বাকী থাকিল গোটেইখিনি ৰৰবৌৱে খাব পাৰিছিল। যেনিবা ৫০ জনৰ ঠাইত হ'ল ৫২ জন ৰৰবৌৱে নাখায়। লঘোনে থাকে। আদৰ্শ গৃহস্থৰ আৰ্হি। 'খালেনে ? বুলি সুধিলে প্ৰসন্নচিত্তে হাঁহি মাৰি কয় অঁ হ'ল। তই শুই থাক।" এদিন প্ৰকাণ্ড ভীমকল এডাল সাতোটা মানে ধৰি কেকোজেকোকৈ ৰৰশহকীয়া গাঁৱৰ পৰা আনি আছে। ৰৰবৌৱে গম পালে। লৰমাৰি গ'ল। "গুহু, এৰ" বুলি অকলে কলডাল কান্ধত তুলি লৈ আনিলে। "পটুৱা বখলীয়া ভাত খোৱা ঠাল মই কৰিম।" এদিন কাকডোঙাৰ পৰা ৰৰালি মাছ, দুটা বাতিখন উলিয়ালেহি। দা-কটাৰী একো নাই। ৰৰবৌৱে হাতেৰেই মাছ দুটা বাছি দিলে। সেইদৰে দেৰগাঁৱৰ শ্ৰীভোলা হাজৰিকাক 'নবৌ' বুলি মতা হৈছিল। নবীন নাট্য মন্দিৰত কনৌজ কুঁৱৰী নাটকখনত শ্ৰীহাজৰিকাই কেইবাবাৰো সংযুক্তলৰ ভাও অতি কৃতকাৰ্য্যতাৰে ৰূপায়িত কৰিছিল। সেই

আপাহতে তেওঁক 'নবৌ' বুলি মাতিছিল। ৰসিকতাত পাৰ্গত শ্ৰীপ্ৰসন্ন কুমাৰ গোস্বামীৰ হাঁহিৰ থুনপাক ক'লে, নিবন্ধৰ কলেৱৰ বাঢ়িব বুলি নক'লো আৰু।

পকামূৰা ষ্টাডি চাৰ্কোল

বৰ কষ্ট, অতি আগ্ৰহ আৰু ঐকান্তিকতাৰে চৰায়ে কুটা কঢ়িয়াই বাঁহ সজাৰ দৰে, এই 'পকামূৰা ষ্টাডি চাৰ্কোল' গঢ়ি তোলা হৈছিল। কংগ্ৰেছ কাৰ্য্যালয় ৰূপে ব্যৱহাৰ হোৱা এই অনুষ্ঠানটো পুলিচে ধ্বংস কৰাত আমি যি বেজাৰ পালোহক তাক জীৱিত কালত পাহৰিব পৰা নাই, পাহৰিব নোৱাৰি। আমাৰ সকলোৰে চকুৰ আগতে পুলিচে নৃশংস ভাৱে অনুষ্ঠানটো লণ্ড-ভণ্ড কৰি ভাঙি পেলালে।

গ্ৰেপ্তাৰৰ জোৱাৰ

এজন এজনকৈ বিভিন্ন পৰিবেশত কৰ্মীসকল গ্ৰেপ্তাৰ হ'বলৈ ধৰিলে। ৰৰদলৈৰ পাছত শিবিৰ সঞ্চালক শ্ৰদ্ধেয় শ্ৰীকৃপাল চন্দ্ৰ শৰ্মা গ্ৰেপ্তাৰ হোৱাত, পুলিচৰ অত্যাচাৰ বৃদ্ধি পোৱাত পকামূৰাৰ শিবিৰ বন্ধ হৈ যায়।

সামৰণি

এই দৰেই পশ্চিম যোৰহাটে স্বাধীনতা সংগ্ৰামত ৰৰঙণি যোগোৱাত অকণো কাৰ্পণ্য কৰা নাছিল। ৰৰঞ্চ স্বাধীনতা ৰণৰ ইতিহাসত গৌৰৱময় স্থান অধিকাৰ কৰি থাকিব। মহাত্মা গান্ধীজীৰ আশীৰ্বাদ আৰু ঈশ্বৰৰ কৰুণা যে কোনোজন স্বহীদ নহ'ল। ঘুণীয়া বহুত হ'ল। আজি সেইসকলৰ প্ৰত্যেকেই সমাজত প্ৰতিষ্ঠিত লোক।

"The great secret of education is to secure the body and mental exercise shall always serve that relax one another"

–Rousseau, Collected. T. Sharma

স্বাধীনতা যুদ্ধত নকছাৰি সম্পর্কে ১৯৪২ চনৰ ছাত্র কর্মী শ্রীফনীন্দ্র নাথ গগৈয়ে লেখিছে যে –

নকছাৰিৰ ৰজাবাৰী,আগৰনাম গমধৰ কোঁৱৰৰ বাৰী। গমধৰ কোঁৱৰে ইয়াৰ পৰাই স্থানীয় প্রজাৰ লগ লাগি ১৯২৮ চনতে বৃটিছৰ বিৰুদ্ধে বিদ্রোহ আৰম্ভ কৰে। ১৯২৮ চনত 'ৰজা' বুলি ঘোষণা কৰি ৰাজ সিংহাসনত আৰোহন কৰে। মাত্র ৪ দিন ৰাজপাটত বহিবলৈ পায় আৰু ৰাজৰোষত পৰি নির্বাসন দণ্ডৰে দণ্ডিত হয়। এয়া সূত্রপাতৰ কথা সোঁৱৰা হ'ল।

১৯২১ চনত অসহযোগ আন্দোলনৰ প্রচাৰ আৰু সংগঠনৰ উদ্দেশ্যে নকছাৰিৰ পুথিনদী অঞ্চলত 'গান্ধী সভা' ৰাইজে পাতিছিল। তাত বিদেশী বস্ত্র দ'ম কৰি জুই লগাই পুৰিছিল। চৰকাৰে গোড়া পল্টনৰ দ্বাৰা সভা ভণ্ডায়। তেতিয়াৰে পৰা এই অঞ্চলত কংগ্রেছৰ বীজ বিয়পে।

১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ টৌত নকছাৰি অঞ্চল পুনৰ জাগৰিত হৈ উঠে।

জনা যায় যে, এই সময়তেই দয়াৰাম হাজৰিকাই বাগানৰ চাকৰি ত্যাগ কৰি কংগ্রেছৰ কামত অংশ গ্রহণ কৰি আন্দোলনত সংগঠন আৰু প্রচাৰৰ কামত লাগে। এইমতে বুজা যায় যে, তেখেতেই নকছাৰিত পোন প্রথম কংগ্রেছ সংগঠনৰ কাম আৰম্ভ কৰে।

১৯৩৫ চনৰ পিছৰ কালছোৱাত স্বায়ত্ত শাসন আইন অনুসৰি 'লোকেল বর্ড'ৰ দৰে অনুষ্ঠানত কংগ্রেছৰ দ্বাৰা অংশ গ্রহণ কৰা কামবোৰত লাগিছিল।

১৯৩৯ চনত নকছাৰি, লাহিং আৰু গাখীৰ খোৱা এই তিনিও মৌজাৰ সংগম স্থল পুথিনদী বৰতলৰ ওচৰত দক্ষিণপাট সত্রই পতা বাহৰত 'সত্যাগ্রহ আন্দোলন' ৰ প্রশিক্ষণ শিবিৰ হয়। এই শিবিৰ পৰিচালনা কার্য্যত তেখেতে (হাজৰিকাই) সহকাৰী প্রধান পৰিচালকৰ দায়িত্ব বহন কৰি সকলোৰে মনোযোগ আকর্ষণ কৰিছিল। হাজৰিকাই ১৯৪১ চনত সত্যাগ্রহ কৰা একমাত্র কর্মী।

১৯৪২ চনত গণ আন্দোলনৰ বাবে স্থানীয় প্রশিক্ষণ শিবিৰ পাতি সম্পূর্ণ ভাৱে গুৰি ধৰিছিল।

(ক) এই কালছোৱাত সাম্প্রদায়িক সংগঠন 'আহোমলীগ'ৰ প্রতিদ্বন্দী ৰূপে সদৌ অসম জাতীয়তাবাদী আহোম সভা পাতি অন্য এক অসাম্প্রদায়ীকভাৱে আহোম সকলৰ মাজত সংগঠন কৰি প্রধান সম্পাদকৰ দায়িত্ব বহন কৰে আৰু এখন ছপা 'মেমৰেণ্ডাম' প্রকাশ কৰি চৰকাৰক দাখিল কৰে।

(খ) আন্দোলনৰ অগ্নিময় কালছোৱাত ওচৰৰ মৌজা কেইটাৰ আৰু জিলাৰ নেতা আৰু নেতৃস্থানীয় কৰ্ম্মী সকলৰ জেল হোৱাত এখেতেইৰ কিছুদিন গুৰি ধৰি আন্দোলনৰ কাম চলাই নিছিল।

বিপ্লবী বীৰ শঙ্কৰ বৰুৱাৰ দ্বাৰা পৰিচালিত আন্দোলনত জিলা পৰিচালক আছিল। সেই বাবেই তেখেতে পুলিচক ধৰা দিয়া নাছিল। এই বাবে তেখেতে দি যোৱা অৱদান অবিস্মৰণীয়। এখেতে গান্ধীদর্শন খুউব ভালকৈ আয়ত্ত কৰিছিল। সত্য, অহিংসা, প্রেম আৰু ন্যায়ৰ প্রতি সদায় সজাগ আছিল, অস্পৃশ্যতা বর্জন আৰু সাম্প্রদায়িকতা বর্জনত তেখেতে যি বাস্তৱ ভূমিকা লৈছিল তাৰ দ্বাৰাই মহান হৈ থাকিব। তেখেত প্রচাৰ বিমুখী, অনাড়ম্বৰ মেধাবী পুৰুষ আছিল। সেই সময়ত ভালেখিনি দেশকর্মীয়ে তেখেতৰ সহযোগী কৰ্ম্মী হিচাবে নকছাৰি মৌজাত কাম কৰি আছিল। ১৯৪১-৪২ চনত এই সকল কৰ্ম্মীয়ে বাইজৰ মাজত সংগঠনৰ কাম কৰিছিল –দুর্গেশ্বৰ হাজৰিকা, শ্রীদুর্গেশ্বৰ হাজৰিকা,(হাজৰিকা গাওঁ) শ্রীনাগেশ্বৰ দত্ত, শ্রীনাগেশ্বৰ গগৈ, শ্রীউপেন গগৈ, তুলাৰাম দত্ত, (পুথিনদী), শ্রীজীৱন নিপুন, শ্রীচন্দ্রধৰ পাও, শ্রীবালীভাই পাঙ্গিন, অগদা টাই, শ্রীবীৰু পাও, (গন্ধিয়া মিচিং গাওঁ) শ্রীকৃপানাথ গগৈ, শ্রীৰাজেন বড়া, শ্রীকুলধৰ গগৈ, খগেশ্বৰ গগৈ, লক্ষেশ্বৰ গগৈ, দণ্ডিধৰ শইকীয়া, (দহোতীয়া গাওঁ), শ্রীগোলাপ গগৈ, শ্রীহেম গগৈ, (লিকচন গাওঁ) তনুৰাম গগৈ, শ্রীটেপুৰাম গগৈ, (তৰাগাওঁ) শ্রীনেত্র গগৈ, (ৰজাবাৰী)।

পৃথিৱীৰ সর্ব্ববৃহৎ নদী দ্বীপ "মাজুলী" তিনিটা ডাঙৰ মৌজাৰ সমষ্টি। বর্ত্তমান যোৰহাট জিলাৰ অন্তর্গত এটি মহকুমা। ১৯২২ চনৰ পৰা ১৯৪২ চনলৈকে এই সুদীর্ঘ কালছোৱাত ভাৰতৰ স্বাধীনতা লাভৰ অর্থে কেনে ভাবে কাম কৰিছিল তাৰ এটি বিৱৰণ দি মাজুলীৰ প্রবীণ মুক্তি যুদ্ধাৰু শ্রীকনক চন্দ্র দত্তই লিখিছে যে —

১৯২০ চনৰ ভাৰতীয় জাতীয় কংগ্রেছৰ নাগপুৰ অধিবেশনত গৃহীত

প্রস্তাৱমতে ১৯২১ চনত হোৱা অসহযোগ আন্দোলনত মহাত্মা গান্ধীৰ আহ্বানৰ প্রতি সঁহাৰি জনাই গড়মূৰ সত্রৰ সত্রাধিকাৰ শ্রীশ্রী পীতাম্বৰ দেৱ গোস্বামী প্রভুৰ অন্তৰত স্বদেশানুৰাগ প্রৱলভাৱে জাগৃত হোৱাত দেশৰ নেতৃবৃন্দই অভিনন্দন জনাইছিল।

নৱ দিগন্তৰ সন্ধান প্রদর্শনকাৰী এইজনা সত্রাধিকাৰৰ দৱে সেই সময়ত সত্রৰ দায়িত্বত থকা কোনো সত্রাধিকাৰেই ৰাজসুখ, ৰাজসম্পদ পৰিত্যাগ কৰি দেশৰ মুক্তিৰ ৰাৱে ওলাই অহা নাছিল। এই ধর্মাধিকাৰ জনৰ প্রেৰণাতেই মাজুলীত বিশেষকৈ গড়মূৰ সত্রৰ বহুত ভকত-বৈষ্ণৱে মুক্তি সংগ্রামত অংশ গ্রহণ কৰিলে।

কটকটীয়া ৰক্ষণশীল নীতি, ভেদাভেদ থকা সামাজিক তথা জাতিভেদ প্রথা আৰু চিৰাচৰিত উদাসীন প্রথা প্রথমেই এইজনা সত্রাধিকাৰে গড়মূৰ সত্রৰ পৰা উচ্ছেদ কৰিলে, আন সত্রলৈকো তেনে কৰিবলৈ আহ্বান জনালে।

অস্পৃশ্যতা বর্জন, মাদক দ্রব্য বিশেষকৈ কানি ৰৱিহৰ প্রচলন বন্ধ কৰিবলৈ আন্দোলনৰ সূত্রপাত হ'ল। উচ্চ হিন্দুৱে সাধাৰণতে ঘৃণাৰ চকুৰে চোৱা অনুসূচীত সম্প্রদায়ৰ লোকক হৰিমন্দিৰত প্রৱেশৰ অধিকাৰ দিলে। গোটেই মাজুলীতে এই জনা সংস্কাৰী পুৰুষে ভ্রমণ কৰি গঠনমূলক কামৰ আঁচনি দাঙি ধৰিলে মাজুলীৰ ভালে কেইজন সুযোগ্য সন্তানে বিশেষকৈ ১৯২৯ চনত বাধানাথ হাজৰিকাই ছাত্র অৱস্থাতেই অসহযোগ আন্দোলনত আৰু শ্রীধৰ বৰুৱাই ১৯২৬ চনৰ পাণ্ডু কংগ্রেছৰ সময়তেই সক্রিয় ভাৱে আন্দোলনত যোগদান কৰিছিল। পিচত তেখেতসকলে উচ্চ শিক্ষালৈ ন্যায়াধীশ হিচাবে নিয়োগ আৰু অধিবক্তা হিচাবে আত্মনিয়োগ কৰিছিল। সেই দৱে ১৯৪২ চনৰ গণআন্দোলনত অংশ গ্রহণ কৰা ন্যায়াধীশ শ্রীনগেন হাজৰিকা আৰু কৃষি মহাবিদ্যালয়ৰ প্রাক্তন অধ্যক্ষ মহেন্দ্র নাথ বড়াৰ নামো উল্লেখনীয়। ১৯২৬ চনত ভাৰতীয় জাতীয় কংগ্রেছ মহাসভাৰ পাণ্ডু অধিবেশনত যোগদান কৰি মহাত্মাজী প্রমুখ্যে দেশনেতাসকলৰ সান্নিধ্যলৈ আহি বিভিন্ন বিষয়লৈ আলোচনা কৰিছিল। আৰু তাৰ ফলশ্রুতিত মাজুলীত অসহযোগ আৰু বিদেশী বর্জন আন্দোলন প্রকট কৰি তুলিছিল।

১৯৩৭ চনত ভাৰতৰ মুক্তি সংগ্রামৰ সেনাপতি স্বৰূপ জৱাহৰলাল নেহৰুৱে মাজুলী ভ্রমণলৈ আহি গড়মূৰ সত্রত পদাৰ্পণ কৰে। সমূহ মাজুলী বাসী ৰাইজক এই ধর্মীয় নেতা গৰাকীৰ নেতৃত্বত মুক্তি সংগ্রামৰ আন্দোলন সূচকৰি তুলিবলৈ

জনোৱা আহ্বানে মাজুলীবাসী বাইজক প্ৰেৰণা যোগালে।

১৯৩৮ চনত মাজুলীত ৰাষ্ট্ৰীয় সম্মিলনত কৰ্মবীৰ নবীন ৰৱদলৈ, ত্যাগবীৰ হেম ৰৱৱা, লোকপ্ৰীয় গোপীনাথ ৰৱদলৈ প্ৰমুখ্যে নেতৃবৃন্দই যোগদান কৰাত মাজুলীত আন্দোলন আৰু তীব্ৰতৰ হৈ উঠে। ১৯২৭ চনৰ পৰা ১৯৪১ চনলৈ মাজুলীত কংগ্ৰেছ সংগঠনৰ মূলতে সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ প্ৰভু আৰু উজনি মাজুলীৰ কেশৱৰাম বড়া। দুয়োজনেই যথাক্ৰমে সভাপতি, সম্পাদক আছিল। এই সংগঠনত বেথাৰাম বড়া আৰু কমল কটকী পিচলৈ উমাৰাম শইকীয়াই সম্পাদকৰ দায়িত্ব লৈ সংগঠনৰ কামত আত্মনিয়োগ কৰে। মাজুলীত সংগঠন শক্তিশালী হোৱাৰ পিচত সেই সময়ৰ গড়মূৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰীকৃষ্ণ চন্দ্ৰ দেৱগোস্বামী সভাপতি আৰু বগাৰাম কাকতিয়ে সম্পাদকৰ দায়িত্ব লয়। সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ প্ৰভুৱে মুকলিমুৰীয়াকৈ গোটেই ৰাজ্যতে আন্দোলনৰ সংগঠনত লাগে।

১৯২১ চনত অসহযোগ আন্দোলনত মাজুলীৰ একমাত্ৰ উচ্চ শিক্ষিত (স্নাতক) শালমৰা মৌজাৰ কেশৱৰাম বড়াই ছয় মাহ কাৰাবাস খাটে, একে মৌজাৰে চিনাতলী গাৱঁৰ কমল চন্দ্ৰ কটকীয়ে ৩ মাহ কাৰাবাস খাটি মাজুলীৰ ঐতিহ্য কঢ়িয়াই আনে। ১৯৩০ চনতো আইন অমান্য আন্দোলনত মাজুলীৰ বহুতলোকে নিৰ্য্যাতন ভুগিব লগীয়া হয়। ১৯৪২ চনৰ গণ আন্দোলনত মাজুলীৰ ৰৱঙণি লেখত ল'বলগীয়া, বিশেষকৈ গড়মূৰ সত্ৰাধিকাৰ দুজনে ২ বছৰ ৬ মাহকৈ কাৰাবাসত থকাৰ উপৰিও উমাৰাম শইকীয়া (১৬ মাহ) কাৰাবাস, শ্ৰীখগেন ভূঞা (৬ মাহ), শ্ৰীবিদ্যা ৰৱৱা (১ বছৰ), মানিক হাজৰিকা (৬ মাহ), ভাৰত বড়া (২ বছৰ), শ্ৰীজীৱেশ্বৰ বড়া (২ বছৰ), নাৰায়ণ ভড়ালী (২ বছৰ), শ্ৰীমাধৱ বড়া (২ বছৰ), শ্ৰীকনক দত্ত (২ বছৰ ৬ মাহ), শ্ৰীসুনন্দ ভূঞা (৬ মাহ) শ্ৰীদেউৰাম শইকীয়া (৬ মাহ)।

১৯৪২ চনৰ আন্দোলনত জেললৈ যোৱা সকলৰ উপৰিও গড়মূৰত থকা বাকী সকলৰ বাবে চৰকাৰে লোণ আৰু কেৰাচিন তেলৰ যোগান বন্ধ কৰি দিলে। আনকি কেনিও কলৈকো ওলাই যাব নোৱাবাকৈ ব্যৱস্থা কৰিলে। এইদৰেই মাজুলীবাসীৰ ওপৰত পুলিচৰ অতিশৰ্য্যা চাৰিওফালে হৈছিল।

শ্ৰীশ্ৰীগড়মূৰীয়া সত্ৰাধিকাৰ প্ৰভু দুজনাৰ উপৰিও কেইজনমান প্ৰবীণ মুক্তিযোদ্ধাৰ নাম মাজুলী বাসীয়ে পাহৰিব নোৱাৰে। আহতগুৰী মৌজাৰ স্বৰ্গীয় বগাৰাম কাকতিয়ে মাজুলীৰ ভাটি অঞ্চলত অহোপুৰুষাৰ্থ কৰি সমাজৰ কাম

কৰি ছয়মাহ কাল কাৰাবাস খাটে। সত্রাধিকাৰ শ্রীশ্রীপীতাম্বৰ প্রভুৰ সান্নিধ্যলৈ আহি "কমল চন্দ্র ভাগৱতীদেৱে অস্পৃশ্যতা বর্জনৰ ডাঙৰ দৃষ্টান্ত থৈ গৈছে। নিজে কুলিন ব্রাহ্মণ হৈ অস্পৃশ্যলোকৰ হাতে আহাৰ গ্রহণ কৰিছিল। স্বাধীনতা সংগ্রামত যোগদান কৰা বাবে ছয়মাহ কাল কাৰাবাস খাটিব লগীয়া হৈছিল। "উমাৰাম শইকীয়াদেৱে বাগানৰ চাকৰি এৰি ১৯৪০ চনত সত্যাগ্রহ কৰি তিনিমাহ কাল কাৰাবাস খাটে। সেইদৰে ১৯৪২ চনৰ মুক্তি আন্দোলনতো অংশ গ্রহণ কৰি তেৰমাহ কাল কাৰাবাস খাটে।

এখেত সকলৰ দৰেই মাজুলীৰ ভালে কেইজন মুক্তিযুঁজাকৰে কাৰাবৰণ কৰে। এইদৰেই দিন বাগৰি গৈ ১৯৪৫ চনত জেলৰ পৰা মুক্তিযুঁজাক সকলো ওলাই আহিল। শ্রীশ্রীপীতাম্বৰ প্রভুৱে মাজুলীৰ তিনিওটা মৌজাৰ কংগ্রেছৰ সংগঠন পুনৰ সঞ্জীবিত কৰি তুলিলে আৰু প্রাদেশিক কংগ্রেছে তাক অনুমোদন জনালে। শালমৰা মৌজা কংগ্রেছ কমিটিৰ দায়িত্ব ল'লে শ্রীশ্রীপুনীয়া সত্রৰ সত্রাধিকাৰে। সম্পাদক হ'ল -"গঙ্গাৰাম চমুৱা। কমলাবাৰী মৌজাৰ কংগ্রেছৰ দায়িত্ব ল'লে সভাপতি হিচাবে শ্রীশ্রীকৃষ্ণ চন্দ্র ডেকা অধিকাৰ গোস্বামী প্রভুৱে। সম্পাদক আছিল "বগাৰাম কাকতি। তেখেতৰ মৃত্যু হোৱাত সম্পাদকৰ দায়িত্ব বহন কৰে শ্রীপোৱাল চন্দ্র হাজৰিকা আৰু শ্রীইন্দ্রেশ্বৰ দত্তই। আহতগুৰি মৌজাৰ সভাপতি হ'ল মুক্তি গোস্বামী আৰু সম্পাদক ৰাধাবল্লভ গোস্বামী। এই কমিটি সমূহ গঠন হোৱাৰ পিচত মাজুলীত সংগঠনৰ কাম সুচাৰুৰূপে চলিবলৈ ধৰিলে।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে বৃটিছে পৰাজয় স্বীকাৰ কৰি ভাৰতৰ স্বাধীনতা ঘোষণা কৰি ক্ষমতা হস্তান্তৰ কৰিলে। মাজুলীতো এই দিনটো বৰ উৎসাহ-উদ্দীপনাৰে পালন কৰা হ'ল। পতাকা উত্তোলন কৰিলে শ্রীশ্রীগড়মূৰীয়া সত্রাধিকাৰ পীতাম্বৰ প্রভুৱে। . . . . স্বর্গদেউ ৰুদ্রসিংহদেৱে গড়মূৰ সত্রক চাৰিটা বৰটোপ দিছিল। প্রভুৱে এই আনন্দৰ দিনতে এই বৰটোপ কেইটা ফুটোৱা হওক বুলি প্রস্তাৱ দিলে আৰু কেনেকৈ ফুটাব লাগে তেখেতে জানে বুলি কোৱাত বাহিজ আনন্দিত হ'ল। যেনে কথা তেনে কাম। পতাকা উত্তোলনৰ অন্তত প্রভুৱে দেখুওৱা কৌশলমতে খাৰ-বাকদ ভৰাই জুই লগাই দিয়া হ'ল। লগে লগে প্রচণ্ড টোপধ্বনী হ'ল। ইয়াৰ শব্দ তৰঙ্গই গোটেই মাজুলী কপাই তুলিলে। আবেলি গোটেই মাজুলীৰ ভিত্তিত কমলাবাৰী হাইস্কুল প্রাঙ্গণত মাজুলীৰ গৌৰৱ "কেশৱৰাম বড়াৰ আহ্বানত ৰাজহুৱা সভা বহিল। হাজাৰ হাজাৰ লোকৰ সমাগম হ'ল। সভাৰ সভাপতিত্ব কৰিলে শ্রীশ্রীগড়মূৰীয়া

সভাধিকাৰ পীতাম্বৰ প্ৰভূৱে। এই সভা উদ্বোধন কৰিছিল প্ৰবীণ মুক্তিযুজাক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাণ প্ৰতিষ্ঠাতা ৰমাকান্ত মুক্তিয়াৰ আঁতেয়ে। সভাপতি পীতাম্বৰ প্ৰভূঈশ্বৰৰ তেজোদীপ্ত ভাষণে জনগণক মোহিত কৰিলে আৰু এটা দুৰ্বহ বোজাৰ পৰা ভাৰতে সকাহ পালে। ভাৰত মাতৃ শৃঙ্খল মুক্ত হ'ল। পৃথিৱীৰ ৰাষ্ট্ৰ সমূহৰ মাজত ভাৰত এখন সাৰ্ব্বভৌম স্বাধীন ৰাষ্ট্ৰ হ'ল।



অমৰ শ্বহীদ কুশল কোঁৱৰ

"অমৰ কুশল
তোমাৰ বুকুৰ তেজে
স্বাধীন দেশত আছে
অনিৰ্বান বস্তি জ্বলাই।
মৃত্যুঞ্জয়ী অমৰ আত্মাই
আছে সকীয়াই
কুশল জীয়াই আছে নাই মৰা নাই।

কবি নলিনী বালা দেৱীৰ অন্তৰ উজাৰি আহা অনুভূতিৰে ওপৰৰ কবিতাৰ পংক্তিৰে অমৰ শ্বহীদ কুশল কোঁৱৰৰ প্ৰতি শ্ৰদ্ধা জনাইছে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অখন্ড ভাৰতৰ ভিতৰতে কেৱল এজন সত্যাগ্ৰহীৰ মৃত্যুদন্ড হয়, সেই জনেই কুশল কোঁৱৰ। কোঁৱৰ সাধাৰণ গাৱঁলীয়া পৰিবেশত ডাঙৰ-দীঘল হ'লেও তেওঁ অসাধাৰণ, অদ্বিতীয়, অনন্য। প্ৰয়াত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদৰ ভাষাত "তেওঁ আমাৰ ভাৰতীয় জাতিৰ চিৰবৰেণ্য মহান ব্যক্তি।" হেম বৰুৱাই শ্বহীদজনাক "মহাপুৰুষ" আখ্যাৰে বিভূষিত কৰি "গাৱঁত লুকাই থকা হেমিল্টন" বুলি কৈছে। তেওঁ "সাগৰৰ দৰে প্ৰশান্ত, ফল্গুৰ দৰে অন্তৰ প্ৰবাহী, ব্ৰহ্মপুত্ৰৰ খৰ-সোঁতৰ দৰে তেজী আৰু বেগী।" গান্ধী দৰ্শনৰ প্ৰবক্তা শ্ৰী বিজয় ভাগৱতীৰ ভাষাত "কুশল

কোঁৱৰ একেধাৰে আছিল এজন সিদ্ধযোগী পুৰুষ আৰু অন্যায় , অবিচাৰ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে প্ৰাণ পাণ কৰি যুদ্ধ কৰোতা বিপ্লবী। শান্ত সৌম্য তেওঁৰ মূৰ্তি, কিন্তু চকুত বিপ্লৱৰ ফিৰিঙতি। —— দেশবাসীৰ প্ৰাণবো প্ৰাণত অমৰ হৈ থাকিল। কুশল কোঁৱৰ কেতিয়াও নমৰে। কুশল কোঁৱৰ মৰা নাই –তেওঁ অমৰ হৈ আছে।" লোকপ্ৰিয় ৰবদলৈয়ে লেখিছে , "আমি কুশল কোঁৱৰৰ ওচৰলৈ গৈছিলো অন্তিম মুহূৰ্তত অলপ সান্ত্বনা দিবৰ মনেৰে। কিন্তু আমি সান্ত্বনা দিও ছাৰি আমি নিজেহে সান্ত্বনা লৈ উভতিলো আৰু লগে লগে আমাৰ অন্তৰত যি অনুপ্ৰেৰণা লাভ কৰিলো সেই অনুপ্ৰেৰণা আমাৰ জীৱনত আজীৱন থাকিব। মোৰ অনুভৱ হ'ল শেষ মুহূৰ্তত তেওঁৰ জীৱনৰ মুক্তি সাধনাই চৰম শিখৰ পাইছেগৈ। —— কোনো স্থিতপ্ৰজ্ঞ লোকৰ মুখতহে এনে শান্ত কথা আৰু গভীৰ নিষ্ঠা ফুটি ওলোৱা সম্ভৱপৰ। মুখখনলৈ চালো এক নিবিড় শান্তি বিৰাজ কৰিছে। —— মানুহজনৰ অন্তৰত শান্তি, গভীৰ নীৰৱতা আৰু ঈশ্বৰ বিশ্বাস বিৰাজমান।"

আত্মো সৰ্গৰ আগদিনা ৰাজনৈতিক বন্দীসকলে যোৰহাট কৰাগাৰৰ নিজান ফাটৈকৰ সমুখত কোঁৱৰৰ প্ৰতি শেষ শ্ৰদ্ধা জনাবলৈ সমবেত হোৱা সহবন্দীসকলক সান্ত্বনা দি কোঁৱৰে ক'লে — "মোক যি শাস্তি দিছে, সেই শাস্তি মোৰ প্ৰাপ্য নহয়। যি দোষত মোক মৃত্যুদন্ড দিছে সেই দোষ মই কৰা নাই। মই মহাত্মা গান্ধীৰ অনুগামী আৰু তেওঁৰ অহিংস পন্থাত মোৰ দৃঢ় বিশ্বাস আছে। যোৱা ১৭ বছৰ ধৰি মই নিৰামিষ ভোজন কৰি অহিংস জীৱন যাপন কৰিছো। যোৱা ৯ বছৰ ধৰি মই নিমখ মুখত দিয়া নাই। মই ৰেল বগৰাই পৰিত্ৰ মানৱ জীৱন ধ্বংস কৰাৰ কথা ভাবিব পাৰোনে ? —— কিন্তু ভাগ্যৰ ফেৰ যে মই মৃত্যুদন্ড ভুগিব লগা হ'ল। তাৰ কাৰণেই অৱশ্যেই মই অলপো দুঃখিত বা চিন্তিত নহয়। — ঈশ্বৰৰ ইচ্ছা আৰু কৃপা বুলি মই এই দন্ডাজ্ঞা শিৰত তুলি ল'লো। সকলোৰে মাজৰ পৰা মোক বছা বাবে মই তেওঁৰ ওচৰত কৃতজ্ঞ —।"

ধীৰ চিত্তেৰে কোঁৱৰে আকৌ ক'লে , "জন্মিলেই মৰণো হয়। সেইদৰে মৰিলেও পুনৰ জন্ম হয়। জন্মোতে মই প্ৰায় ডেৰঘণ্টা কাল জীয়াতু ভুগিছিলো –কিন্তু মৰোতে মাত্ৰ ১৫ মিনিটহে যাতনা ভুগিম। দেহে যাতনা ভুগিব, কিন্তু আত্মাক কোনে মাৰে। আত্মা স্বাধীন আৰু স্পৰ্শৰ অতীত। বৃটিছ চৰকাৰে বা আপোনালোকেও মোৰ আত্মাক চুব নোৱাৰে। যিজনে দিছিলে তেৱেঁই আকৌ ঘু�ৰাই নিব।"

লোকপ্রিয় ৰৱদলৈয়ে নিজক চম্ভালি কোনোৰকমে ক'লে, "আনন্দই পৰমেশ্বৰ। আপোনাৰ মাজত সেই আনন্দই বিৰাজ কৰিছে।"

১২ জুন, ১৯৪৩, শনিবাৰ। সহধর্মিনী প্রভাৱতী দেৱী, ৯ বছৰীয়া খগেন –৬ বছৰীয়া নগেন আৰু আৰু ভায়েক পূর্ণ কোঁৱৰক নিজান ফাটৈকৰ ফালে লৈ যোৱা হ'ল। হাতৰ গীতাখন কাষত থৈ কোঁৱৰে চেলৰ লোহাৰ জালনাত ধৰিলে। জালনাৰ কাষ চাপিল প্রভাৱতী। জালনাৰ বাহিৰৰ পৰাই সেৱা জনালে। কাৰো মুখত মাত-বোল নাই। খগেন-নগেনে একেথিৰে চাই ৰ'ল দেউতাকলৈ। প্রভাৱতীয়ে প্রথমে কথা ক'লে, "আপুনি দুখ নকৰিব –দেশৰ কাৰণে আপুনি প্রাণ দিব। এয়া সৌভাগ্যৰ কথা। এই সৌভাগ্য ভগৱানে আপোনাক দিছে। ইমান মানুহ থাকোতে ভগৱানে আপোনাক বাচি লৈছে।" আৰু ক'ব নোৱাৰিলে। চকুলোৰ ঢল বাগৰিল। কোঁৱৰে ক'লে, " প্রভা, তোমাক মই কৈছিলো, দেশখন স্বাধীন হ'বলৈ হ'লে এদল মানুহ মৰিবই লাগিব। আমাৰ দেশৰ স্বাধীনতাৰ অর্থে মই প্রাণ দিম। —দুখ -বেজাৰ নকৰিবা। মই মৰিম, দেশ থাকিব। দেশ স্বাধীন হ'ব। তোমাক আৰু খগেন-নগেনক দেশে চাব।" কান্দি কান্দি চেতনা হেৰুৱা পত্নীক স্থিতপ্রজ্ঞৰ দৰে কোঁৱৰে পুনৰ ক'লে, "নাকান্দা প্রভা। এইয়া ঈশ্বৰৰ ইচ্ছা — মোৰ সাধনা পূর্ণ হৈছে। মহাপুৰুষ মহাত্মাজীৰ চৰণ চুই মই দেশৰ কাৰণে জীৱন বিসর্জন দিয়াৰ যি পৱিত্র কামনা কৰিছিলো, ভগৱানে তাক পূর্ণ কৰিছে। —যোৱাগৈ। — তোমাৰ স্বামীয়ে দেশৰ কাৰণে জীৱন দিছে এই সান্ত্বনাকে লৈ জীয়াই থাকিবা।" কান্দোনত অধীৰা হৈ ভাগি পৰা দৃশ্য চাই থকাসকলেও থিৰেৰে ৰ'ব নোৱাৰিলে। হিয়া ঢাকুৰি আঁতৰি গ'ল।

ফাঁচীৰ আগৰাতি যোৰহাট কাৰাগাৰত কোনো শুৱ নোৱাৰিলে। কুশল কোঁৱৰ টোপনিত লালকাল। ৰাতিত ৩-৩০ বজাত কোঁৱৰক জগাওঁতে ক'লে, "মোৰ সময় হ'ল নেকি?" নিত্য কর্ম কৰি প্রার্থনা কৰি ক'লে –"মই সাজু।" ফাঁচীৰ কাঠত উঠিও সকলোকে ক্ষমা বিচাৰি 'পাৰ কৰা ৰঘুনাথ —' গাই নির্ৱিকাৰ চিত্তে জীৱন বিসর্জন দিলে।

এইজনেই কুশল কোঁৱৰ। অমৰ শহীদ। গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ চাউদাং চাৰি আলিত ১৯০৫ চনৰ ৯ চ'তৰ দিনা জন্ম গ্রহণ কৰা সোণাৰাম কোঁৱৰ আৰু কনকেশ্বৰীৰ পঞ্চম সন্তান। গাৱঁৰ আন দহজনৰ দৰেই কুশলেও বোকা-পানীত উমলি-জামলি ডাঙৰ হ'ল। ১৯১২ চনত বালিজান প্রাথমিক বিদ্যালয়ত শিক্ষা লৈ ১৯১৮ চনত গোলাঘাট নগৰৰ বেজবৰুৱা মধ্য

ইংৰাজী বিদ্যালয়ত নাম ভর্ত্তি কৰিলে। নগৰৰে এঘৰত মেচ কৰি থকিবলৈ ল'লে। অৱস্হাৰ তাড়ণাত সোণাৰাম কোঁৱৰ ১৯২৪ চনত ৰেংমাইলৈ উঠি যায়। তাতে এখন প্রাথমিক বিদ্যালয় স্হাপন কৰি কুশল কোঁৱৰ শিক্ষক হৈ ৰাইজৰ লগত মিলি গ'ল। লগতে স্বাধীনতা সংগ্রামৰ কথাও ৰাইজৰ মাজত সদৰি কৰিবলৈ ধৰিলে। তেনেতে তেওঁ বিপ্লৱী ৰীৰ শঙ্কৰ বৰুৱাক লগ পালে। বৰুৱাই কুশলৰ অন্তৰত দেশপ্রেমৰ ফল্গুধাৰা আৱিষ্কাৰ কৰিলে –কুশলেও বৰুৱা আৰু সর্ব্বস্ব ত্যাগী ভোলা বৰুৱাৰ পৰা প্রেৰণা পালে

কিন্তু অৱস্হাৰ তাড়নাত পৰি কোঁৱৰ বালিজান চাহ বাগিছাৰ কেৰাণীৰ চাকৰিত সোমাই ১৯২৭ চনৰ ১৭ জুনত। ১৯৩৬ চনৰ ৩০ জুনলৈকে চাকৰিত থাকি দেশমাতৃকাৰ আহ্বানত কামৰ পৰা পদত্যাগ কৰি কংগ্রেছৰ সর্বক্ষণ সেৱক হৈ পৰে। ইতিমধ্যে কোঁৱৰৰ প্রভাৱতীৰ লগত বিয়া হয় — ১৯২৯ চনৰ ফাগুনৰ ২৪ তাৰিখে।

১৯৩৪ চনৰ ১৫ এপ্রিল – কোঁৱৰৰ জীৱনৰ নতুন সংকল্প। মহাত্মাগান্ধীৰ চৰণ চুই আশীষ বিচাৰিলে। পালে। জীৱনৰ পট পৰিবর্তন হ'ল। নিয়মিত ভাৱে গীতা-ভাগৱত পাঠ, আমিষ আহাৰ ত্যাগ, অস্পৃশ্যতা বর্জন, দীন-দৰিদ্রৰ সেৱা আৰু স্বাধীনতা আন্দোলনৰ প্রচাৰ জীৱনৰ ব্রত হিচাবে গ্রহণ কৰিলে।

১৯৪২ চন। আগষ্টৰ ভাৰত-ত্যাগ আন্দোলন। সৰুপথাৰত সামৰিক সামগ্রীৰ ৰেল বগৰোৱা ঘটনা। তাৰ পৰিণতি হ'ল অহিংস সত্যাগ্রহী কোঁৱৰৰ মৃত্যু দণ্ড।

মৌলানা মহম্মদ তৈয়বুল্লাই লেখিছে, " শ্বহীদৰ মৃত্যু হৈছে বুলি নক'বা, নহয়, আচলতে জীৱিত।" - আল কোৰাণ বাইবেলৰ উদ্ধৃতি দি লেখিছে "The meek shall inherit the earth – অর্থাৎ শান্তজনেই কৰিব লাভ স্বর্গৰাজ্য।" নামঘোষাৰ উদ্ধৃতি দি তৈয়বুল্লা চাহাবে লেখিছে, —

"চৈতন্য ঈশ্বৰ আদিত্য যাহাৰ
হিয়াত ভৈলা প্রকাশ।
কালমেঘ প্রায় অবিদ্যা আন্ধাৰ
তাহাৰ হোৱে বিনাশ।।

○○○

শ্বহীদ কমলা মিৰি

"লেখা দি যোৱাতকৈ জেইলতে মৰিম "

যোৱহাট জেইলৰ উত্তৰ-পশ্চিম চুকত জেইল হস্পিটেলখন। ১৯৪২ চনৰ আন্দোলনত জড়িত থকা বুলি সন্দেহ কৰি কমলা মিৰিক গ্রেপ্তাৰ কৰি আনি যোৱহাট জেইলত আটক কৰি ৰাখিলে। তেখেতৰ বয়স প্রায় ৫০ বছৰ। বহুত দিন ধৰি তেখেত এটা দু�ৰাৰোগ্য ৰোগত ভুগী আছিল। কিছুদিনৰ পিছতেই জেইল হস্পিটেলত ভর্ত্তি কৰিলে।

"কমলা মিৰি"লোকপ্রিয় ৰৱদলৈৰ অতি প্রিয় বন্ধু আছিল। এদিন ৰৱদলৈদেৱে কমলাক সুধিলে "পঢ়িব জানানে ?" "নাজানো।" "এতিয়া পঢ়িবানে ?" উত্তৰত ক'লে –"তই পঢ়ালে পঢ়িম।" ৰৱদলৈ দেৱে ফলি এখন আৰু কিতাপ এখন কিনাই আনি তেখেতক দিলে। সদায় দুপৰীয়া , তেখেত A Division Ward লৈ যায় আৰু "ৰৱদলৈৰ ওচৰত লিখা-পঢ়া শিকে। "ৰৱদলৈ দেৱে যঁতৰত সূতা কাটি থাকে আৰু তেখেতক ক, খ শিকাই। অতি অলপ দিনৰ ভিতৰতে তেখেতে লেখিব- পঢ়িব জনা হ'ল।

এদিনৰ কথা। তেখেতে"ৰৱদলৈক কলে "তোৰ যঁতৰটো মোক দেচোন, মই সূতা কাটি চাওঁ"। "ৰৱদলৈদেৱে দিলে, কিন্তু তেখেতে সূতা কাটিব নাজানিলে বাকচাৰ্লা যঁতৰত সূতা কটা নিয়মটো "ৰৱদলৈয়ে তেখেতক শিকাই দিলে।

তেখেতে সেইটো যতৰত কেইদিনমান সূতা কটাৰ পিচত কিছু শিকিলে আৰু ৰৰদলৈক ক'লে -"তোৰ নিচিনা যতৰ এটা ভাটি দেশৰ পৰা মোৰ কাৰণে অনাই দিব পাৰনে ?"

সেইদিনা ৰৰদলৈদেৱে গুৱাহাটীলৈ চিঠি দিলে। কেইদিনমানৰ পিছতে যতৰ আহিল, কিন্তু সেই যতৰত সূতা কাটিবলৈ কমলাই নাপালে।

তেখেতৰ বেমাৰ ক্ৰমে বেছি হৈ গ'ল। সেই সময়ত মই আৰু দেৱগাৱঁৰ শ্ৰীযুক্ত নৱেন শৰ্মা জ্বৰ হোৱাৰ কাৰণে জেইলৰ হস্পিটেলত আছিলো। আমাৰ দুয়োজনৰ মাজত কমলাৰ বিছনাখন আছিল। বেমাৰ আৰোগ্য নোহোৱা যেন দেখি লেখা দি ওলাই যাবৰ কাৰণে (আন্দোলনত যোগ নিদিও বুলি (Undertaking) জেইল কৰ্ত্তৃপক্ষই কেইবাদিনো কোৱা শুনিছিলো। তেখেতে প্ৰত্যেকদিনেই নিভীক স্বৰে উত্তৰ দিয়ে, "মই কোনো পাপ কাম কৰি জেইললৈ অহা নাই। লেখা নিদিও। লেখা দি যোৱাতকৈ জেইলতে মৰিম।" স্বাধীনতা পিপাসু এটি সহজ সৰল জনজাতীয় প্ৰাণীৰ হিয়াৰ পৰা ফুটি ওলোৱা জ্বলন্ত স্ফুলিঙ্গৰ আগত বগাবঙালৰ প্ৰতিনিধি জেইলাৰ আৰু জেইল চুপাৰিণ্টেণ্ডেণ্টৰ ষড়যন্ত্ৰ ব্যৰ্থ হৈ গ'ল। উপায়ন্তৰ হৈ তেওঁলোকে কমলাক Parrolত (সাময়িক ভাৱে মুক্তি) দিবৰ কাৰণে স্হিৰ কৰি ঘৰৰ পৰা মানুহ মাতি পঠিয়ালে।

নিয়তিৰ নিৰ্ব্বন্ধন কোনে খণ্ডাব পাৰে। পিচদিনা পুৱাবেলাতে ঘৰৰ পৰা কেইবাজনো লোক আহি জেইল গেটত উপস্হিত হ'লহি, কিন্তু আগদিনা ৰাতি ২ বজাতে কমলাৰ সজাৰ পৰা প্ৰাণ-পক্ষী উৰি গ'ল। ৰাতি পুৱাবলৈ আৰু ৩ ঘণ্টা বাকী। মাজৰখন বিছনাত মৃতদেহ লৈ শ্ৰীযুত নৱেন শৰ্ম্মা আৰু মই ৰাতি পুৱাবৰ কাৰণে অপেক্ষা কৰি বহি আছো। আগদিনা আমাক দুটা এলাচি গুটি দি আমাক কোৱা কথাষাৰ মনত পৰিলে আজিও গাৰ নোম সিয়ঁৰি উঠে। তেখেতে কৈছিল, " আজি মোৰ গা বৰ দুৰ্ব্বল লাগিছে, খাবলৈ সমূলি মন যোৱা নাই। সিহঁতক লেখা দি ওলাই যোৱা নহ'ব। ওপৰৰ গৰাকী জনৰ ওচৰতে লেখা দিমগৈ।"

স্বৰাজৰ কাৰণে অন্তৰত কিমান হেপাঁহ জাগিছিল আৰু আত্মবলিদান দিবলৈ নিৰক্ষৰ হোজা গাৱঁলীয়া লোকসকল কেনেকৈ জপিয়াই পৰিছিল এয়া তাৰেই জ্বলন্ত নিদৰ্শন।

স্বাধীনতা সংগ্ৰামৰ সেইজন ৰীৰ সৈনিকৰ প্ৰতি আজি এই পবিত্ৰ ক্ষণত আমাৰ অন্তৰৰ ভক্তি পুষ্পাঞ্জলি অৰ্পণ কৰিলো।

০ ০ ০

দত্ত, শ্রীকালীপ্রসাদ বৰুৱা, ববশইকীয়া গাঁৱৰ 'বিনন্দি ববশইকীয়া, শ্রীদেৱেশ্বৰ শর্মা, টিলিকিআমৰ 'ৰাম শর্মা, কুঁহিয়াৰবৰিয়া ব্রাহ্মণ গাঁৱৰ 'পূর্ণানন্দ শর্মা আদি।

মূল শিবিৰ সমূহ পকামূৰা চাৰিআলিৰ উপৰিও পানীচকুৰা আৰু পুলিবৰতো পতা হৈছিল।

আন্দোলনৰ সর্বাত্মক ৰূপ

শিবিৰত থকা কেইজনেই স্বাধীনতাৰ শেষ সংগ্রাম কৰা নাছিল। কৰিছিল সকলো ৰাইজে। 'কৰিম কিম্বা মৰিম' মন্ত্রই সকলোৰে অন্তৰত প্রভাৱ পেলাইছিল। ২য় মহাযুদ্ধৰ ভৰপক। ৰৰৈয়াত বিমানঘাটি আৰু সৈন্যৰ ঘিৎ-ঘিটনি, দিনে-ৰাতিয়ে ৰাস্তা। ইফালে কংগ্রেছৰ মৃত্যু বাহিনী 'মাৰ গুলী মাৰ গুলী, আমি নভৰাওঁ' নিভীকতা। ৰূপ কোঁৱৰৰ উদ্দীপ্ত ভাষাত সকলো 'বিশ্ববিজয়ী – নৰ জোৱান ...'!, 'জেল লাঠি গুলী ফাঁচি আমাৰ মামাৰ মানত ধূলা– খেলা, স্বৰাজ সাধন হেতু আমি শেষ কৰিম মর্ত্য লীলা' মনোভাৱেৰে দিনে-নিশাই শেষ সংগ্রামত ব্রতী আছিল শিবিৰৰ কর্মীসকল।

পশ্চাৎঘাটী কাম

এই শিবিৰৰ পৰা টেলিগ্রাফৰ তাঁৰ কটা, ৰৰৈয়া বিমান ঘাটিৰ ঘৰ জ্বলোৱা আদি পশ্চাৎঘাটী কামো কৰা হৈছিল। সর্বেশ্বৰ ববদলৈয়ে কেইজনমান ল'ৰাক ক'লে ৰেল লাইনৰ তাঁৰ কাটিবলৈ। কেইদিনমানৰ মূৰত আহি সুধিলে "কামটো হ'লনে ?" নাই হোৱা বুলি শুনিয়েই নিজেই গ'ল। বেজগাঁৱৰ ওচৰত কুঁহিয়াৰবৰীয়া গাঁৱলৈকে প্রায় এক ডেৰ মাইল তাঁৰ কটা হ'ল। ৰেল লাইনৰ ফুটত বাকী লৰাবোৰে তাঁৰবোৰ নুৰিয়াই পুতিবলৈ লাগিল। এই কামলোন ৰৰ গোপনে কৰা হৈছিল। কামটো কৰা কেইজনৰ বাহিৰে অন্য কর্মীয়ে নাজানিছিল -অতি লোমহর্ষক কাম এটা আমি ককাই-ভাই দুটাই কৰিছিলো। ৰৰৈয়া বাগিচাখন প্রতিৰক্ষা বিভাগে লৈ শাৰী শাৰী খেৰী ঘৰ সাজিলে। সকলোতে মিত্রপক্ষ আমেৰিকাৰ সৈন্যৰ চাউনী। এদিন শ্রীকৃপাল শর্মাৰ সৈতে ববদলৈ গ'ল লহপহীয়া বাগিচালৈ। বাগিচাৰ মূৰৰ পৰা কাঁৰৰ মূৰত নাহৰ গুটি জ্বলাই ধেনু মাৰিলে, লক্ষ্যত লাগিল। দুয়ো আহি শিবিৰত নাথাকি ৯৯ নং ববশইকীয়া

স্কুলৰ বাঁহৰ চাঙত ভাগৰ মাৰিলে। পুৱতি নিশা। এদিন আমি বহুত দিন শুকাই থোৱা নাহৰ গুটি জেপত ল'লো। এটা জুইশলা ল'লো। ধনুখন ভাঙি চোলাৰ তলত লৈ কমাৰবন্ধা আলিৰ বঁৰেয়া চাবি আলিৰ দলংখন পাৰ হৈ বঁৰেয়া বাগিচাৰ শিয়াল গাঁতেদি গৈ এতিয়া ৫ নং বায়ুবাহিনীৰ হাস্পাতালৰ ওচৰতে ধনুকাঁড় মাৰিলো। কাঁড়ে লক্ষ্যভেদ কৰিলে। বতাহ পাহি নাহৰ গুটি কেইটা বেছিকৈ জ্বলি গৈছিল। সকলো খৰ পুৰি ছাই হ'ল। দেখাৰ সামৰিক গাড়ীত 'অক্রাইষ্ট' চিগ্ৰেৰ গগন ফালিছে। খেৰীঘৰৰ জুইৰ পোহৰ, গাড়ীৰ লাইটৰ পোহৰে দিন যেন কৰিলে। আমি নিশ্চিত মৃত্যু বুলি ভাবিলো। কেনেকৈ উভতি আহি ৰঁৰেয়া দলঙৰ তলত পেট পেলাই পৰিলোহি ক'ব নোৱাৰো। দলঙৰ ওপৰেদি অসংখ্য সামৰিক গাড়ীৰ অহা-যোৱা, চিগ্ৰেৰ-বাখৰ, আতুৰত ঈশ্বৰৰ নাম লৈছিলো, হুলস্থূল হৈ আছিল। কিন্তু কোনেও দলঙৰ তলত টৰ্চ মাৰি নাচালে। আমি ৰাতি ৪ বজালৈকে দলঙৰ তলতে পৰি থাকিলো। হুলস্থূল কমিলত দুয়ো উঠি ফুটুকানিৰ আঁৰে আঁৰে ৰেল লাইনত উঠিছে উশাহ ল'লো। এনে দুঃসাহসিক কামো সংঘটিত কৰা হৈছিল।

স্পেচিয়েল পুলিচৰ কাণ্ড

ৰিয়াল্লিছৰ বিপ্লৱত কমিউনিষ্ট সকলে 'জনযুদ্ধ' বুলি কংগ্ৰেছৰ সংগ্ৰামক বিৰুদ্ধাচৰণ কৰা কথা সৰ্বজনবিদিত। ৰাষ্ট্ৰীয় ঘাইপথৰ টিলিকিআম দলঙৰ ওপৰত তেনে এজনক ধৰা পেলোৱা হৈছিল। তেওঁৰ ডায়েৰীত কথাবোৰ লেখা আছিল। পানীচকুৰাৰ শিবিৰত তিনিদিন খাপপিটি বৃষবাৰ এটাত চাৰিঙীয়া হাটত পিকেটিং কৰিবলৈ যাওঁতে আমাৰ শিবিৰ বন্ধ দেখি তেওঁ নগৰলৈ গৈছিল। পিচে আমাৰ শিবিৰত দুজন ল'ৰা তেওঁকে চাবলৈ আছিল। লৰি লৰি গৈ বুধবাৰীয়া হাটত খবৰ দিলত টিলিকিআম দলঙৰ ওপৰত তেওঁক ধৰা পেলোৱা হৈছিল।

বিনন্দি ৰৰশইকীয়া, সৰ্বেশ্বৰ ৰৰদলৈৰ বন্ধু। চাউল একঠা আগ কৰিছিলে ৰৰশইকীয়াই। তেওঁতকৈ জ্যেষ্ঠ স্পেচিয়েল পুলিচজনে গান্ধী ভলণ্টিয়াৰকে চাউল কঠা দিলে বৰ ভাল কথা হ'ব বুলি জনালে। পতিয়ন গৈ চাউল কঠাৰ যোগাৰ দিলে। স্পেচিয়েল পুলিচজনে নিশ্চিত কৰিলে ৰৰদলৈ অহাটো। ৰৰদলৈ তেতিয়া পলাতক। ভোজ হ'ল। ৰাতি ১০ মান বজাত খাবলৈ বহা

হ'ল। ৰৰশহকীয়াই স্পেচিয়েল পুলিচ জনৰ ষড়যন্ত্ৰ বুজি নাপালে। এগৰাহ দুগৰাহ খালে। তেনেতে পুলিচৰ লাঠিৰে, বুটজোতাৰে ভাতকপাত গছুকি গুৰিয়াই নগুৰ-নাকতি কৰিলে। শিবিৰবাসী ছেদেলি ভেদেলি হ'ল। ৰৰদলে অহা বাটত খাপ দিলে। পালে। ক'লে এই কান্দত নপৰাকৈ এই কোৱঁলে বাছিল। ৰৰদলৈক ধৰি দিব পাৰিলে দহ হাজাৰ টকাৰ হেপাহত এইবোৰ কাণ্ড পকামুৰাত ঘটি আছিল। পিচত ১৯ অক্টোবৰত অন্য এজন স্পেচিয়েল পুলিচৰ ষড়যন্ত্ৰত ৰৰদলৈক শিবিৰতে গ্ৰেপ্তাৰ কৰে। তাৰ এক সপ্তাহৰ পিছত ২৬ অক্টোবৰৰ দিনা মোক গ্ৰেপ্তাৰ কৰা হ'ল – দুয়োজন স্পেচিয়েল পুলিচৰ সহায়ত। অৱশ্যে শাৰীৰিক অত্যাচাৰো যথেষ্ট কৰিছিল।

মৃত্যুৰ বিভীষিকাৰ মাজতো ৰং-ৰহইচ

পকামুৰা চাৰিআলিৰ শিবিৰত আমি একান্নভোক্ত এটা পৰিয়ালৰ দৰে মিলা-প্ৰীতিৰে আছিলো। জ্যেষ্ঠ কেইজনৰ বাহিৰে সকলোৱেই প্ৰায় সমবয়সৰ সমনীয়া। স্কুলীয়া ল'ৰা। ভাতে মৰাৰ ভূপেন ৰৰৰাক সকলোৱে 'ৰৰবৌ' বুলি মাতিছিল। তেওঁ থাকিলে তেওঁৰ বাহিৰে ভাত বান্ধিব আনে নোৱাৰিছিল। তেওঁ বৰ হৃষ্ট-পুষ্ট, নিপোতল। দেহাত হাতীৰ সমান শক্তি। খাবও পাৰে তেনেকৈয়ে। পিচে আগতে কেতিয়াও নাখায়। সকলোকে খুৱাই বুৱাই লৈহে খায়। বাইজৰ পৰা খুজি অনা চাউল, যেনিবা ৫০ জনৰ বান্ধিলে। বাতি ১২ বজালৈকে আছিল ২৫ জন। বাকী ২৫ জনৰ ভাত যি বাকী থাকিল গোটেইখিনি ৰৰবৌৱে খাব পাৰিছিল। যেনিবা ৫০ জনৰ ঠাইত হ'ল ৫২ জন ৰৰবৌৱে নাখায়। লক্ষ্যেনে থাকে। আদৰ্শ গৃহস্থৰ আহি। 'খালেনে ? বুলি সুধিলে প্ৰসন্নচিত্তে হাঁহি মাৰি কয় অঁ হ'ল। তই শুই থাক।" এদিন প্ৰকাণ্ড ভীমকল এডাল সাতোটা মানে ধৰি কেকোজেকোকৈ ৰৰশহকীয়া গাঁৱৰ পৰা আনি আছে। ৰৰবৌৱে গম পালে। লৰমাৰি গ'ল। "গুহু, এৰ" বুলি অকলে কলডাল কান্ধত তুলি লৈ আনিলে। "পটুৰা বখলীয়া ভাত খোৱা ঠাল মই কৰিম।" এদিন কাকডোঙাৰ পৰা ৰৰালি মাছ, দুটা বাতিখন উলিয়ালেহি। দা-কটাৰী একো নাই। ৰৰবৌৱে হাতেৰেই মাছ দুটা বাছি দিলে। সেইদৰে দেৰগাঁৱৰ শ্ৰীভোলা হাজৰিকাক 'নবৌ' বুলি মতা হৈছিল। নবীন নাট্য মন্দিৰত কনৌজ কুঁৱৰী নাটকখনত শ্ৰীহাজৰিকাই কেইবাৰাৰো সংযুক্তস্ব ভাও অতি কৃতকাৰ্য্যতাৰে ৰূপায়িত কৰিছিল। সেই

আপাহতে তেওঁক 'নবৌ' বুলি মাতিছিল। বসিকতাত পাৰ্গত শ্ৰীপ্ৰসন্ন কুমাৰ গোস্বামীৰ হাঁহিৰ থুনপাক ক'লে, নিবন্ধৰ কলেৱৰ বাঢ়িব বুলি নক'লো আৰু।

পকামূৰা ষ্টাডি চাৰ্কোল

বৰ কষ্ট, অতি আগ্ৰহ আৰু ঐৰ্কান্তিকতাৰে চৰায়ে কুটা কঢ়িয়াই বাঁহ সজাৰ দৰে, এই 'পকামূৰা ষ্টাডি চাৰ্কোল' গঢ়ি তোলা হৈছিল। কংগ্ৰেছ কাৰ্য্যালয় ৰূপে ব্যৱহাৰ হোৱা এই অনুষ্ঠানটো পুলিচে ধ্বংস কৰাত আমি যি বেজাৰ পালোহক তাক জীৱিত কালত পাহৰিব পৰা নাই, পাহৰিব নোৱাৰি। আমাৰ সকলোৰে চকুৰ আগতে পুলিচে নৃশংস ভাৱে অনুষ্ঠানটো লণ্ড-ভণ্ড কৰি ভাঙি পেলালে।

গ্ৰেপ্তাৰৰ জোৱাৰ

এজন এজনকৈ বিভিন্ন পৰিবেশত কৰ্মীসকল গ্ৰেপ্তাৰ হ'বলৈ ধৰিলে। বৰদলৈৰ পাছত শিবিৰ সঞ্চালক শ্ৰদ্ধেয় শ্ৰীকৃপাল চন্দ্ৰ শৰ্মা গ্ৰেপ্তাৰ হোৱাত, পুলিচৰ অত্যাচাৰ বৃদ্ধি পোৱাত পকামূৰাৰ শিবিৰ বন্ধ হৈ যায়।

সামৰণি

এই দৰেই পশ্চিম যোৰহাটে স্বাধীনতা সংগ্ৰামত বৰঙণি যোগোৱাত অকণো কাৰ্পণ্য কৰা নাছিল। বৰঞ্চ স্বাধীনতা ৰণৰ ইতিহাসত গৌৰৱময় স্থান অধিকাৰ কৰি থাকিব। মহাত্মা গান্ধীজীৰ আশীৰ্বাদ আৰু ঈশ্বৰৰ কৰুণা যে কোনোজন শ্বহীদ নহ'ল। ঘুণীয়া বহুত হ'ল। আজি সেইসকলৰ প্ৰত্যেকেই সমাজত প্ৰতিষ্ঠিত লোক।

"The great secret of education is to secure the body and mental exercise shall always serve that relax one another"

–Rousseau, Collected. T. Sharma

স্বাধীনতা যুদ্ধত নকছাৰি সম্পর্কে ১৯৪২ চনৰ ছাত্র কর্মী শ্রীফনীন্দ্র নাথ গগৈয়ে লেখিছে যে –

নকছাৰিৰ ৰজাবাৰী,আগৰনাম গমধৰ কোঁৱৰৰ বাৰী। গমধৰ কোঁৱৰে ইয়াৰ পৰাই স্থানীয় প্রজাৰ লগ লাগি ১৯২৮ চনতে বৃটিছৰ বিৰুদ্ধে বিদ্রোহ আৰম্ভ কৰে। ১৯২৮ চনত 'ৰজা' বুলি ঘোষণা কৰি ৰাজ সিংহাসনত আৰোহন কৰে। মাত্র ৪ দিন ৰাজপাটত বহিবলৈ পায় আৰু ৰাজদ্রোহত পৰি নির্বাসন দণ্ডৰে দণ্ডিত হয়। এয়া সূত্রপাতৰ কথা সোঁৱৰা হ'ল।

১৯২১ চনত অসহযোগ আন্দোলনৰ প্রচাৰ আৰু সংগঠনৰ উদ্দেশ্যে নকছাৰিৰ পুথিনদী অঞ্চলত 'গান্ধী সভা' ৰাইজে পাতিছিল। তাত বিদেশী বস্ত্র দ'ম কৰি জুই লগাই পুৰিছিল। চৰকাৰে গোড়া পল্টনৰ দ্বাৰা সভা ভঙায়। তেতিয়াৰে পৰা এই অঞ্চলত কংগ্রেছৰ বীজ বিয়পে।

১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ টৌত নকছাৰি অঞ্চল পুনৰ জাগৰিত হৈ উঠে।

জনা যায় যে, এই সময়তেই দয়াৰাম হাজৰিকাই বাগানৰ চাকৰি ত্যাগ কৰি কংগ্রেছৰ কামত অংশ গ্রহণ কৰি আন্দোলনত সংগঠন আৰু প্রচাৰৰ কামত লাগে। এইমতে বুজা যায় যে, তেখেতেই নকছাৰিত পোন প্রথম কংগ্রেছ সংগঠনৰ কাম আৰম্ভ কৰে।

১৯৩৫ চনৰ পিছৰ কালছোৱাত স্বায়ত্ত শাসন আইন অনুসৰি 'লোকেল বর্ড'ৰ দৰে অনুষ্ঠানত কংগ্রেছৰ দ্বাৰা অংশ গ্রহণ কৰা কামবোৰত লাগিছিল।

১৯৩৯ চনত নকছাৰি, লাহিং আৰু গাখীৰ খোৱা এই তিনিও মৌজাৰ সংগম স্থল পুথিনদী ৰৰতলৰ ওচৰত দক্ষিণপাট সত্রই পতা বাহৰত 'সত্যাগ্রহ আন্দোলন' ৰ প্রশিক্ষণ শিবিৰ হয়। এই শিবিৰ পৰিচালনা কার্য্যত তেখেতে (হাজৰিকাই) সহকাৰী প্রধান পৰিচালকৰ দায়িত্ব বহন কৰি সকলোৰে মনোযোগ আকর্ষণ কৰিছিল। হাজৰিকাই ১৯৪১ চনত সত্যাগ্রহ কৰা একমাত্র কর্মী।

১৯৪২ চনত গণ আন্দোলনৰ বাবে স্থানীয় প্রশিক্ষণ শিবিৰ পাতি সম্পূর্ণ ভাৱে গুৰি ধৰিছিল।

(ক) এই কালছোৱাত সাম্প্রদায়িক সংগঠন 'আহোমলীগ'ৰ প্রতিদ্বন্দী ৰূপে সদৌ অসম জাতীয়তাবাদী আহোম সভা পাতি অন্য এক অসাম্প্রদায়ীকভাৱে আহোম সকলৰ মাজত সংগঠন কৰি প্রধান সম্পাদকৰ দায়িত্ব বহন কৰে আৰু এখন ছপা 'মেমৰেণ্ডাম' প্রকাশ কৰি চৰকাৰক দাখিল কৰে।

(খ) আন্দোলনৰ অগ্নিময় কালছোৱাত ওচৰৰ মৌজা কেইটাৰ আৰু জিলাৰ নেতা আৰু নেতৃস্থানীয় কৰ্ম্মী সকলৰ জেল হোৱাত এখেতেইকীকছুদিন গুৰি ধৰি আন্দোলনৰ কাম চলাই নিছিল।

বিপ্লবী বীৰ শঙ্কৰ বৰুৱাৰ দ্বাৰা পৰিচালিত আন্দোলনত জিলা পৰিচালক আছিল। সেই [illegible]বাৰেই তেখেতে পুলিচক ধৰা দিয়া নাছিল। [illegible]ৰ বাৰে তেখেতে দি যোৱা অৱদান অবিস্মৰণীয়। এখেতে গান্ধীদৰ্শন খুউব ভালকৈ আয়ত্ত কৰিছিল। সত্য, অহিংসা, প্রেম আৰু ন্যায়ৰ প্রতি সদায় সজাগ আছিল, অস্পৃশ্যতা বর্জন আৰু সাম্প্রদায়িকতা বর্জনত তেখেতে যি বাস্তৱ ভূমিকা লৈছিল তাৰ দ্বাৰাই মহান হৈ থাকিব। তেখেত প্রচাৰ বিমুখী, অনাড়ম্বৰ মেধাবী পুৰুষ আছিল। সেই সময়ত ভালেখিনি দেশকর্মীয়ে তেখেতৰ সহযোগী কৰ্ম্মী হিচাবে নকছাৰি মৌজাত কাম কৰি আছিল। ১৯৪১-৪২ চনত এই সকল কৰ্ম্মীয়ে বাইজৰ মাজত সংগঠনৰ কাম কৰিছিল –দুর্গেশ্বৰ হাজৰিকা, শ্রীদুর্গেশ্বৰ হাজৰিকা,(হাজৰিকা গাওঁ) শ্রীনাগেশ্বৰ দত্ত, শ্রীনাগেশ্বৰ গগৈ, শ্রীউপেন গগৈ, তুলাৰাম দত্ত, (পুথিনদী), শ্রীজীৱন নিপুন, শ্রীচন্দ্রধৰ পাও, শ্রীবালীভাই পাঙ্গিন, অগদা টাই, শ্রীবীৰু পাও, (গন্ধিয়া মিচিং গাওঁ) শ্রীকৃপানাথ গগৈ, শ্রীৰাজেন বড়া, শ্রীকুলধৰ গগৈ, খগেশ্বৰ গগৈ, লক্ষেশ্বৰ গগৈ, দণ্ডিধৰ শইকীয়া, (দহোতীয়া গাওঁ), শ্রীগোলাপ গগৈ, শ্রীহেম গগৈ, (লিকচন গাওঁ) তনুৰাম গগৈ, শ্রীটেপুৰাম গগৈ, (তৰাগাওঁ) শ্রীনেত্র গগৈ, (ৰজাবাৰী)।

পৃথিৱীৰ সর্ব্ববৃহৎ নদী দ্বীপ "মাজুলী" তিনিটা ডাঙৰ মৌজাৰ সমষ্টি। বর্ত্তমান যোৰহাট জিলাৰ অন্তর্গত এটি মহকুমা। ১৯২২ চনৰ পৰা ১৯৪২ চনলৈকে এই সুদীর্ঘ কালছোৱাত ভাৰতৰ স্বাধীনতা লাভৰ অর্থে কেনে ভাবে কাম কৰিছিল তাৰ এটি বিৱৰণ দি মাজুলীৰ প্রবীণ মুক্তি যুদ্ধৰ শ্রীকনক চন্দ্র দত্তই লিখিছে যে —

১৯২০ চনৰ ভাৰতীয় জাতীয় কংগ্রেছৰ নাগপুৰ অধিবেশনত গৃহীত

প্রস্তাৱমতে ১৯২১ চনত হোৱা অসহযোগ আন্দোলনত মহাত্মা গান্ধীৰ আহ্বানৰ প্রতি সঁহাৰি জনাই গড়মূৰ সত্রৰ সত্রাধিকাৰ শ্রীশ্রী পীতাম্বৰ দেৱ গোস্বামী প্রভুৰ অন্তৰত স্বদেশানুৰাগ প্রৱলভাৱে জাগৃত হোৱাত দেশৰ নেতৃবৃন্দই অভিনন্দন জনাইছিল।

নৱ দিগন্তৰ সন্ধান প্রদর্শনকাৰী এইজনা সত্রাধিকাৰৰ দৱে সেই সময়ত সত্রৰ দায়িত্বত থকা কোনো সত্রাধিকাৰেই ৰাজসুখ, ৰাজসম্পদ পৰিত্যাগ কৰি দেশৰ মুক্তিৰ বাবে ওলাই অহা নাছিল। এই ধৰ্মাধিকাৰ জনৰ শ্রেষ্ঠণাতেই মাজুলীত বিশেষকৈ গড়মূৰ সত্রৰ বহুত ভকত-বৈষ্ণৱে মুক্তি সংগ্রামত অংশ গ্রহণ কৰিলে।

কটকটীয়া ৰক্ষণশীল নীতি, ভেদাভেদ থকা সামাজিক তথা জাতিভেদ প্রথা আৰু চিৰাচৰিত উদাসীন প্রথা প্রথমেই এইজনা সত্রাধিকাৰে গড়মূৰ সত্রৰ পৰা উচ্ছেদ কৰিলে, আন সত্রলৈকো তেনে কৰিবলৈ আহ্বান জনালে।

অস্পৃশ্যতা বর্জন, মাদক দ্রব্য বিশেষকৈ কানি ৱৰিহৰ প্রচলন বন্ধ কৰিবলৈ আন্দোলনৰ সূত্রপাত হ'ল। উচ্চ হিন্দুৱে সাধাৰণতে ঘৃণাৰ চকুৰে চোৱা অনুসূচীত সম্প্রদায়ৰ লোকক হৰিমন্দিৰত প্রৱেশৰ অধিকাৰ দিলে। গোটেই মাজুলীতে এই জনা সংস্কাৰী পুৰুষে ভ্রমণ কৰি গঠনমূলক কামৰ আঁচনি দাঙি ধৰিলে মাজুলীৰ ভালে কেইজন সুযোগ্য সন্তানে বিশেষকৈ ১৯২৯ চনত বাধানাথ হাজৰিকাই ছাত্র অৱস্থাতেই অসহযোগ আন্দোলনত আৰু শ্রীধৰ বকৰাই ১৯২৬ চনৰ পাণ্ডু কংগ্রেছৰ সময়তেই সক্রিয় ভাবে আন্দোলনত যোগদান কৰিছিল। পিচত তেখেতসকলে উচ্চ শিক্ষালৈ ন্যায়াধীশ হিচাবে নিয়োগ আৰু অধিবক্তা হিচাবে আত্মনিয়োগ কৰিছিল। সেই দৱে ১৯৪২ চনৰ গণআন্দোলনত অংশ গ্রহণ কৰা ন্যায়াধীশ শ্রীনগেন হাজৰিকা আৰু কৃষি মহাবিদ্যালয়ৰ প্রাক্তন অধ্যক্ষ মহেন্দ্র নাথ বড়াৰ নামো উল্লেখনীয়। ১৯২৬ চনত ভাৰতীয় জাতীয় কংগ্রেছ মহাসভাৰ পাণ্ডু অধিবেশনত যোগদান কৰি মহাত্মাজী প্রমুখ্যে দেশনেতাসকলৰ সান্নিধ্যলৈ আহি বিভিন্ন বিষয়লৈ আলোচনা কৰিছিল। আৰু তাৰ ফলশ্রুতিত মাজুলীত অসহযোগ আৰু বিদেশী বর্জন আন্দোলন প্রকট কৰি তুলিছিল।

১৯৩৭ চনত ভাৰতৰ মুক্তি সংগ্রামৰ সেনাপতি স্বৰূপ জৱাহৰলাল নেহৰুৱে মাজুলী ভ্রমণলৈ আহি গড়মূৰ সত্রত পদাপর্ণ কৰে। সমূহ মাজুলী বাসী বাইজক এই ধন্যীয় নেতা গান্ধীজীৰ নেতৃত্বত মুক্তি সংগ্রামৰ আন্দোলন দৃঢ়কৰি তুলিবলৈ

জনোৱা আহ্বানে মাজুলীবাসী বাইজক প্ৰেৰণা যোগালে।

১৯৩৮ চনত মাজুলীত বাষ্ট্ৰীয় সম্মিলনত কৰ্মবীৰ নবীন বৰদলৈ, ত্যাগবীৰ হেম বৰুৱা, লোকপ্ৰীয় গোপীনাথ বৰদলৈ প্ৰমুখ্যে নেতৃবৃন্দই যোগদান কৰাত মাজুলীত আন্দোলন আৰু তীব্ৰতৰ হৈ উঠে। ১৯২৭ চনৰ পৰা ১৯৪১ চনলৈ মাজুলীত কংগ্ৰেছ সংগঠনৰ মূলতে সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ প্ৰভু আৰু উজনি মাজুলীৰ কেশৰৰাম বড়া। দুয়োজনেই যথাক্ৰমে সভাপতি, সম্পাদক আছিল। এই সংগঠনত বেথাৰাম বড়া আৰু কমল কটকী পিচলৈ উমাৰাম শইকীয়াই সম্পাদকৰ দায়িত্ব লৈ সংগঠনৰ কামত আত্মনিয়োগ কৰে। মাজুলীত সংগঠন শক্তিশালী হোৱাৰ পিচত সেই সময়ৰ গড়মূৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰীকৃষ্ণ চন্দ্ৰ দেৱগোস্বামী সভাপতি আৰু বগাৰাম কাকতিয়ে সম্পাদকৰ দায়িত্ব লয়। সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ প্ৰভুৱে মুকলিমূৰীয়াকৈ গোটেই ৰাজ্যতে আন্দোলনৰ সংগঠনত লাগে।

১৯২১ চনত অসহযোগ আন্দোলনত মাজুলীৰ একমাত্ৰ উচ্চ শিক্ষিত (স্নাতক) শালমৰা মৌজাৰ কেশৰৰাম বড়াই ছয় মাহ কাৰাবাস খাটে, একে মৌজাৰে চিনাতলী গাঁৱৰ কমল চন্দ্ৰ কটকীয়ে ৩ মাহ কাৰাবাস খাটি মাজুলীৰ ঐতিহ্য কঢ়িয়াই আনে। ১৯৩০ চনতো আইন অমান্য আন্দোলনত মাজুলীৰ বহুতলোকে নিৰ্য্যাতন ভুগিব লগীয়া হয়। ১৯৪২ চনৰ গণ আন্দোলনত মাজুলীৰ বৰঙণি লেখত ল'বলগীয়া, বিশেষকৈ গড়মূৰ সত্ৰাধিকাৰ দুজনে ২ বছৰ ৬ মাহকৈ কাৰাবাসত থকাৰ উপৰিও উমাৰাম শইকীয়া (১৬ মাহ) কাৰাবাস, শ্ৰীখগেন ভূঞা (৬ মাহ), শ্ৰীবিদ্যা বৰুৱা (১ বছৰ), মানিক হাজৰিকা (৬ মাহ), ভাৰত বড়া (২ বছৰ), শ্ৰীজীৰেশ্বৰ বড়া (২ বছৰ), নাৰায়ণ ভড়ালী (২ বছৰ), শ্ৰীমাধৱ বড়া (২ বছৰ), শ্ৰীকনক দত্ত (২ বছৰ ৬ মাহ), শ্ৰীসুনন্দ ভূঞা (৬ মাহ) শ্ৰীদেউৰাম শইকীয়া (৬ মাহ)।

১৯৪২ চনৰ আন্দোলনত জেললৈ যোৱা সকলৰ উপৰিও গড়মূৰত থকা বাকী সকলৰ বাবে চৰকাৰে লোণ আৰু কেৰাচিন তেলৰ যোগান বন্ধ কৰি দিলে। আনকি কেনিও কলেকো ওলাই যাব নোৱাৰাকৈ ব্যৱস্থা কৰিলে। এইদৰেই মাজুলীবাসীৰ ওপৰত পুলিচৰ আতিশৰ্য্যা চাৰিওফালে হৈছিল।

শ্ৰীশ্ৰীগড়মূৰীয়া সত্ৰাধিকাৰ প্ৰভু দুজনাৰ উপৰিও কেইজনমান প্ৰবীণ মুক্তিযোদ্ধাৰ নাম মাজুলী বাসীয়ে পাহৰিব নোৱাৰে। আহতগুৰী মৌজাৰ স্বৰ্গীয় বগাৰাম কাকতিয়ে মাজুলীৰ ভাটি অঞ্চলত অহোপুৰুষাৰ্থ কৰি সমাজৰ কাম

কৰি ছয়মাহ কাল কাৰাবাস খাটে। সত্রাধিকাৰ শ্রীশ্রীপীতাম্বৰ প্রভুৰ সান্নিধ্যলৈ আহি কমল চন্দ্র ভাগৱতীদেৱে অস্পৃশ্যতা বর্জনৰ ডাঙৰ দৃষ্টান্ত থৈ গৈছে। নিজে কুলিন ব্রাহ্মণ হৈ অস্পৃশ্যলোকৰ হাতে আহাৰ গ্রহণ কৰিছিল। স্বাধীনতা সংগ্রামত যোগদান কৰা বাবে ছয়মাহ কাল কাৰাবাস খাটিব লগীয়া হৈছিল। উমাৰাম শইকীয়াদেৱে বাগানৰ চাকৰি এৰি ১৯৪০ চনত সত্যাগ্রহ কৰি তিনিমাহ কাল কাৰাবাস খাটে। সেইদৰে ১৯৪২ চনৰ মুক্তি আন্দোলনতো অংশ গ্রহণ কৰি তেৰমাহ কাল কাৰাবাস খাটে।

এখেত সকলৰ দৰেই মাজুলীৰ ভালে কেইজন মুক্তিযুঁজাকৰে কাৰাবৰণ কৰে। এইদৰেই দিন বাগৰি গৈ ১৯৪৫ চনত জেলৰ পৰা মুক্তিযুঁজাক সকলো ওলাই আহিল। শ্রীশ্রীপীতাম্বৰ প্রভুৱে মাজুলীৰ তিনিওটা মৌজাৰ কংগ্রেছৰ সংগঠন পুনৰ সঞ্জীবিত কৰি তুলিলে আৰু প্রাদেশিক কংগ্রেছে তাক অনুমোদন জনালে। শালমৰা মৌজা কংগ্রেছ কমিটিৰ দায়িত্ব ল'লে শ্রীশ্রীপুনীয়া সত্রৰ সত্রাধিকাৰে। সম্পাদক হ'ল - গঙ্গাৰাম চমুৱা। কমলাবাৰী মৌজাৰ কংগ্রেছৰ দায়িত্ব ল'লে সভাপতি হিচাবে শ্রীশ্রীকৃষ্ণ চন্দ্র ডেকা অধিকাৰ গোস্বামী প্রভুৱে। সম্পাদক আছিল বগাৰাম কাকতি। তেখেতৰ মৃত্যু হোৱাত সম্পাদকৰ দায়িত্ব বহন কৰে শ্রীপোৱাল চন্দ্র হাজৰিকা আৰু শ্রীইন্দ্রেশ্বৰ দত্তই। আহতগুৰি মৌজাৰ সভাপতি হ'ল মুক্তি গোস্বামী আৰু সম্পাদক ৰাধাবল্লভ গোস্বামী। এই কমিটি সমূহ গঠন হোৱাৰ পিচত মাজুলীত সংগঠনৰ কাম সুচাৰুৰূপে চলিবলৈ ধৰিলে।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে বৃটিছে পৰাজয় স্বীকাৰ কৰি ভাৰতৰ স্বাধীনতা ঘোষণা কৰি ক্ষমতা হস্তান্তৰ কৰিলে। মাজুলীতো এই দিনটো বৰ উৎসাহ-উদ্দীপনাৰে পালন কৰা হ'ল। পতাকা উত্তোলন কৰিলে শ্রীশ্রীগড়মূৰীয়া সত্রাধিকাৰ পীতাম্বৰ প্রভুৱে। . . . . স্বর্গদেউ ৰুদ্রসিংহদেৱে গড়মূৰ সত্রক চাৰিটা বৰটোপ দিছিল। প্রভুৱে এই আনন্দৰ দিনতে এই বৰটোপ কেইটা ফুটোৱা হওক বুলি প্রস্তাৱ দিলে আৰু কেনেকৈ ফুটাব লাগে তেখেতে জানে বুলি কোৱাত বাহিজ আনন্দিত হ'ল। যেনে কথা তেনে কাম। পতাকা উত্তোলনৰ অন্তত প্রভুৱে দেখুওৱা কৌশলমতে খাৰ-বাকৰ ভৰাই জুই লগাই দিয়া হ'ল। লগে লগে প্রচণ্ড টোপধ্বনী হ'ল। ইয়াৰ শব্দ তৰঙ্গই গোটেই মাজুলী কপাই তুলিলে। আবেলি গোটেই মাজুলীৰ ভিত্তিত কমলাবাৰী হাইস্কুল প্রাঙ্গণত মাজুলীৰ গৌৰৱ কেশৱৰাম বড়াৰ আহ্বানত ৰাজহুৱা সভা বহিল। হাজাৰ হাজাৰ লোকৰ সমাগম হ'ল। সভাৰ সভাপতিত্ব কৰিলে শ্রীশ্রীগড়মূৰীয়া

সন্ন্যাসিকাৰ পীতাম্বৰ প্ৰভূৱে। এই সভা উদ্বোধন কৰিছিল প্ৰবীণ মুক্তিযুজাক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাণ প্ৰতিষ্ঠাতা ৰমাকান্ত মুক্তিয়াৰ আতেয়ে। সভাপতি পীতাম্বৰ প্ৰভুঈশ্বৰৰ তেজোদীপ্ত ভাষণে জনগণক মোহিত কৰিলে আৰু এটা দুৰ্বহ বোজাৰ পৰা ভাৰতে সকাহ পালে। ভাৰত মাতৃ শৃঙ্খল মুক্ত হ'ল। পৃথিবীৰ ৰাষ্ট্ৰ সমূহৰ মাজত ভাৰত এখন সাৰ্ব্বভৌম স্বাধীন ৰাষ্ট্ৰ হ'ল।

অমৰ শ্বহীদ কুশল কোঁৱৰ

"অমৰ কুশল
তোমাৰ বুকুৰ তেজে
স্বাধীন দেশত আছে
অনিৰ্বান বহ্নি জ্বলাই।
মৃত্যুঞ্জয়ী অমৰ আত্মাই
আছে সকীয়াই
কুশল জীয়াই আছে নাই মৰা নাই।

কবি নলিনী বালা দেৱীৰ অন্তৰ উজাৰি আহা অনুভূতিৰে ওপৰৰ কবিতাৰ পংক্তিৰে অমৰ শ্বহীদ কুশল কোঁৱৰৰ প্ৰতি শ্ৰদ্ধা জনাইছে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অখন্ড ভাৰতৰ ভিতৰতে কেৱল এজন সত্যাগ্ৰহীৰ মৃত্যুদন্ড হয়, সেই জনেই কুশল কোঁৱৰ। কোঁৱৰ সাধাৰণ গাৱঁলীয়া পৰিবেশত ডাঙৰ-দীঘল হ'লেও তেওঁ অসাধাৰণ, অদ্বিতীয়, অনন্য। প্ৰয়াত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদৰ ভাষাত "তেওঁ আমাৰ ভাৰতীয় জাতিৰ চিৰবৰেণ্য মহান ব্যক্তি।" হেম বৰুৱাই শ্বহীদজনাক "মহাপুৰুষ" আখ্যাৰে বিভূষিত কৰি "গাৱঁত লুকাই থকা হেমিল্টন" বুলি কৈছে। তেওঁ "সাগৰৰ দৰে প্ৰশান্ত, ফল্গুৰ দৰে অন্তৰ প্ৰবাহী, ব্ৰহ্মপুত্ৰৰ খৰ-সোঁতৰ দৰে তেজী আৰু বেগী।" গান্ধী দৰ্শনৰ প্ৰবক্তা শ্ৰী বিজয় ভাগৱতীৰ ভাষাত " কুশল

কোঁৱৰ একেধাৰে আছিল এজন সিদ্ধযোগী পুৰুষ আৰু অন্যায় , অবিচাৰ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে প্ৰাণ পাণ কৰি যুদ্ধ কৰোতা বিপ্লবী। শান্ত সৌম্য তেওঁৰ মূৰ্তি, কিন্তু চকুত বিপ্লৱৰ ফিৰিঙতি। — দেশবাসীৰ প্ৰাণবো প্ৰাণত অমৰ হৈ থাকিল। কুশল কোঁৱৰ কেতিয়াও নমৰে। কুশল কোঁৱৰ মৰা নাই -তেওঁ অমৰ হৈ আছে।" লোকপ্ৰিয় ৰবদলৈয়ে লেখিছে , "আমি কুশল কোঁৱৰৰ ওচৰলৈ গৈছিলো অন্তিম মুহূৰ্তত অলপ সান্ত্বনা দিবৰ মনেৰে। কিন্তু আমি সান্ত্বনা দিও ছাৰি আমি নিজেহে সান্ত্বনা লৈ উভতিলো আৰু লগে লগে আমাৰ অন্তৰত যি অনুপ্ৰেৰণা লাভ কৰিলো সেই অনুপ্ৰেৰণা আমাৰ জীৱনত আজীৱন থাকিব। মোৰ অনুভৱ হ'ল শেষ মুহূৰ্তত তেওঁৰ জীৱনৰ মুক্তি সাধনাই চৰম শিখৰ পাইছেগৈ। — কোনো স্থিতপ্ৰজ্ঞ লোকৰ মুখতহে এনে শান্ত কথা আৰু গভীৰ নিষ্ঠা ফুটি ওলোৱা সম্ভৱপৰ। মুখখনলৈ চালো এক নিবিড় শান্তি বিৰাজ কৰিছে। — মানুহজনৰ অন্তৰত শান্তি, গভীৰ নীৰৱতা আৰু ঈশ্বৰ বিশ্বাস বিৰাজমান।"

আত্মো সৰ্গৰ আগদিনা ৰাজনৈতিক বন্দীসকলে যোৰহাট কৰাগাৰৰ নিজান ফাটৈকৰ সমুখত কোঁৱৰৰ প্ৰতি শেষ শ্ৰদ্ধা জনাবলৈ সমবেত হোৱা সহবন্দীসকলক সান্ত্বনা দি কোঁৱৰে ক'লে — "মোক যি শাস্তি দিছে, সেই শাস্তি মোৰ প্ৰাপ্য নহয়। যি দোষত মোক মৃত্যুদণ্ড দিছে সেই দোষ মই কৰা নাই। মই মহাত্মা গান্ধীৰ অনুগামী আৰু তেওঁৰ অহিংস পন্থাত মোৰ দৃঢ় বিশ্বাস আছে। যোৱা ১৭ বছৰ ধৰি মই নিৰামিষ ভোজন কৰি অহিংস জীৱন যাপন কৰিছো। যোৱা ৯ বছৰ ধৰি মই নিমখ মুখত দিয়া নাই। মই ৰেল বগৰাই পৰিত্ৰ মানৱ জীৱন ধ্বংস কৰাৰ কথা ভাবিব পাৰোনে ? — কিন্তু ভাগ্যৰ ফেৰ যে মই মৃত্যুদণ্ড ভুগিব লগা হ'ল। তাৰ কাৰণেই অৱশ্যেই মই অলপো দুঃখিত বা চিন্তিত নহয়। — ঈশ্বৰৰ ইচ্ছা আৰু কৃপা বুলি মই এই দণ্ডাজ্ঞা শিৰত তুলি ল'লো। সকলোৰে মাজৰ পৰা মোক বছা বাবে মই তেওঁৰ ওচৰত কৃতজ্ঞ — ।"

ধীৰ চিত্তেৰে কোঁৱৰে আকৌ ক'লে , "জন্মিলেই মৰণো হয়। সেইদৰে মৰিলেও পুনৰ জন্ম হয়। জন্মোতে মই প্ৰায় ডেৰঘণ্টা কাল জীয়াতু ভুগিছিলো -কিন্তু মৰোতে মাত্ৰ ১৫ মিনিটহে যাতনা ভুগিম। দেহে যাতনা ভুগিব, কিন্তু আত্মাক কোনে মাৰে। আত্মা স্বাধীন আৰু স্পৰ্শৰ অতীত। বৃটিছ চৰকাৰে বা আপোনালোকেও মোৰ আত্মাক চুব নোৱাৰে। যিজনে দিছিলে তেৱেঁই আকৌ ঘুৰাই নিব।"

লোকপ্রিয় ৰৱদলৈয়ে নিজক চম্ভালি কোনোৰকমে ক'লে, "আনন্দই পৰমেশ্বৰ। আপোনাৰ মাজত সেই আনন্দই বিৰাজ কৰিছে।"

১২ জুন, ১৯৪৩, শনিবাৰ। সহধর্মিনী প্রভাৱতী দেৱী, ৯ বছৰীয়া খগেন –৬ বছৰীয়া নগেন আৰু আৰু ভায়েক পূর্ণ কোঁৱৰক নিজান ফাটেকৰ ফালে লৈ যোৱা হ'ল। হাতৰ গীতাখন কাষত থৈ কোঁৱৰে চেলৰ লোহাৰ জালনাত ধৰিলে। জালনাৰ কাষ চাপিল প্রভাৱতী। জালনাৰ বাহিৰৰ পৰাই সেৱা জনালে। কাৰো মুখত মাত-বোল নাই। খগেন-নগেনে একেথিৰে চাই ৰ'ল দেউতাকলৈ। প্রভাৱতীয়ে প্রথমে কথা ক'লে, "আপুনি দুখ নকৰিব –দেশৰ কাৰণে আপুনি প্রাণ দিব। এয়া সৌভাগ্যৰ কথা। এই সৌভাগ্য ভগৱানে আপোনাক দিছে। ইমান মানুহ থাকোতে ভগৱানে আপোনাক বাচি লৈছে।" আৰু ক'ব নোৱাৰিলে। চকুলোৰ ঢল বাগৰিল। কোঁৱৰে ক'লে, "প্রভা, তোমাক মই কৈছিলো, দেশখন স্বাধীন হ'বলৈ হ'লে এদল মানুহ মৰিবই লাগিব। আমাৰ দেশৰ স্বাধীনতাৰ অর্থে মই প্রাণ দিম। —দুখ -বেজাৰ নকৰিবা। মই মৰিম, দেশ থাকিব। দেশ স্বাধীন হ'ব। তোমাক আৰু খগেন-নগেনক দেশে চাব।" কান্দি কান্দি চেতনা হেৰুৱা পত্নীক স্থিতপ্রজ্ঞৰ দৰে কোঁৱৰে পুনৰ ক'লে, "নাকান্দা প্রভা। এইয়া ঈশ্বৰৰ ইচ্ছা — মোৰ সাধনা পূর্ণ হৈছে। মহাপুৰুষ মহাত্মাজীৰ চৰণ চুই মই দেশৰ কাৰণে জীৱন বিসর্জন দিয়াৰ যি পৱিত্র কামনা কৰিছিলো, ভগৱানে তাক পূর্ণ কৰিছে। —যোৱাগৈ। — তোমাৰ স্বামীয়ে দেশৰ কাৰণে জীৱন দিছে এই সান্ত্বনাকে লৈ জীয়াই থাকিবা।" কান্দোনত অধীৰা হৈ ভাগি পৰা দৃশ্য চাই থকাসকলেও থিৰেৰে ৰ'ব নোৱাৰিলে। হিয়া ঢাকুৰি আঁতৰি গ'ল।

ফাঁচীৰ আগৰাতি যোৰহাট কাৰাগাৰত কোনো শুব নোৱাৰিলে। কুশল কোঁৱৰ টোপনিত লালকাল। ৰাতিত ৩-৩০ বজাত কোঁৱৰক জগাওঁতে ক'লে, "মোৰ সময় হ'ল নেকি?" নিত্য কর্ম কৰি প্রার্থনা কৰি ক'লে –"মই সাজু।" ফাঁচীৰ কাঠত উঠিও সকলোকে ক্ষমা বিচাৰি 'পাৰ কৰা ৰঘুনাথ — ' গাই নির্বিকাৰ চিত্তে জীৱন বিসর্জন দিলে।

এইজনেই কুশল কোঁৱৰ। অমৰ শহীদ। গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ চাউদাং চাৰি আলিত ১৯০৫ চনৰ ৯ চ'তৰ দিনা জন্ম গ্রহণ কৰা সোণাৰাম কোঁৱৰ আৰু কনকেশ্বৰীৰ পঞ্চম সন্তান। গাৱঁৰ আন দহজনৰ দৰেই কুশলেও বোকা-পানীত উমলি-জামলি ডাঙৰ হ'ল। ১৯১২ চনত বালিজান প্রাথমিক বিদ্যালয়ত শিক্ষা লৈ ১৯১৮ চনত গোলাঘাট নগৰৰ বেজবৰুৱা মধ্য

ইংৰাজী বিদ্যালয়ত নাম ভর্ত্তি কৰিলে। নগৰৰে এঘৰত মেচ কৰি থকিবলৈ ল'লে। অৱস্হাৰ তাড়ণাত সোণাৰাম কোঁৱৰ ১৯২৪ চনত ৰেংমাইলৈ উঠি যায়। তাতে এখন প্ৰাথমিক বিদ্যালয় স্হাপন কৰি কুশল কোঁৱৰ শিক্ষক হৈ ৰাইজৰ লগত মিলি গ'ল। লগতে স্বাধীনতা সংগ্ৰামৰ কথাও ৰাইজৰ মাজত সদৰি কৰিবলৈ ধৰিলে। তেনেতে তেওঁ বিপ্লৱী ৰীৰ শঙ্কৰ বৰুৱাক লগ পালে। বৰুৱাই কুশলৰ অন্তৰত দেশপ্ৰেমৰ ফল্গুধাৰা আৰিষ্কাৰ কৰিলে। কুশলেও বৰুৱা আৰু সৰ্ব্বস্ব ত্যাগী ভোলা বৰুৱাৰ পৰা প্ৰেৰণা পালে

কিন্তু অৱস্হাৰ তাড়নাত পৰি কোঁৱৰ বালিজান চাহ বাগিছাৰ কেৰাণীৰ চাকৰিত সোমাই ১৯২৭ চনৰ ১৭ জুনত। ১৯৩৬ চনৰ ৩০ জুনলৈকে চাকৰিত থাকি দেশমাতৃকাৰ আহ্বানত কামৰ পৰা পদত্যাগ কৰি কংগ্ৰেছৰ সৰ্বক্ষণ সেৱক হৈ পৰে। ইতিমধ্যে কোঁৱৰৰ প্ৰভাৱতীৰ লগত বিয়া হয় — ১৯২৯ চনৰ ফাগুনৰ ২৪ তাৰিখে।

১৯৩৪ চনৰ ১৫ এপ্ৰিল – কোঁৱৰৰ জীৱনৰ নতুন সংকল্প। মহাত্মাগান্ধীৰ চৰণ চুই আশীষ বিচাৰিলে। পালে। জীৱনৰ পট পৰিবৰ্তন হ'ল। নিয়মিত ভাৱে গীতা-ভাগৱত পাঠ, আমিষ আহাৰ ত্যাগ, অস্পৃশ্যতা বৰ্জন, দীন-দৰিদ্ৰৰ সেৱা আৰু স্বাধীনতা আন্দোলনৰ প্ৰচাৰ জীৱনৰ ব্ৰত হিচাবে গ্ৰহণ কৰিলে।

১৯৪২ চন। আগষ্টৰ ভাৰত-ত্যাগ আন্দোলন। সৰুপথাৰত সামৰিক সামগ্ৰীৰ ৰেল বগৰোৱা ঘটনা। তাৰ পৰিণতি হ'ল অহিংস সত্যাগ্ৰহী কোঁৱৰৰ মৃত্যু দণ্ড।

মৌলানা মহম্মদ তৈয়বুল্লাই লেখিছে, " শ্বহীদৰ মৃত্যু হৈছে বুলি নক'বা, নহয়, আচলতে জীৱিত।" - আল কোৰাণ বাইবেলৰ উদ্ধৃতি দি লেখিছে "The meek shall inherit the earth – অৰ্থাৎ শান্তজনেই কৰিব লাভ স্বৰ্গৰাজ্য।" নামঘোষাৰ উদ্ধৃতি দি তৈয়বুল্লা চাহাবে লেখিছে, —

"চৈতন্য ঈশ্বৰ আদিত্য যাহাৰ
হিয়াত ভৈলা প্ৰকাশ।
কালমেঘ প্ৰায় অবিদ্যা আন্ধাৰ
তাহাৰ হোৱে বিনাশ।।

○ ○ ○

শ্বহীদ কমলা মিৰি

"লেখা দি যোৱাতকৈ জেইলতে মৰিম "

যোৰহাট জেইলৰ উত্তৰ-পশ্চিম চুকত জেইল হস্পিটেলখন। ১৯৪২ চনৰ আন্দোলনত জড়িত থকা বুলি সন্দেহ কৰি কমলা মিৰিক গ্রেপ্তাৰ কৰি আনি যোৰহাট জেইলত আটক কৰি ৰাখিলে। তেখেতৰ বয়স প্রায় ৫০ বছৰ। বহুত দিন ধৰি তেখেত এটা দু�ৰাৰোগ্য ৰোগত ভুগী আছিল। কিছুদিনৰ পিছতেই জেইল হস্পিটেলত ভর্ত্তি কৰিলে।

'কমলা মিৰি' লোকপ্রিয় ৰৰদলৈৰ অতি প্রিয় বন্ধু আছিল। এদিন ৰৰদলৈদেৱে কমলাক সুধিলে "পঢ়িব জানানে ?" "নাজানো।" "এতিয়া পঢ়িবানে ?" উত্তৰত ক'লে –"তই পঢ়ালে পঢ়িম।" ৰৰদলৈ দেৱে ফলি এখন আৰু কিতাপ এখন কিনাই আনি তেখেতক দিলে। সদায় দুপৰীয়া , তেখেত A Division Ward লৈ যায় আৰু 'ৰৰদলৈৰ ওচৰত লিখা-পঢ়া শিকে। 'ৰৰদলৈ দেৱে যঁতৰত সুতা কাটি থাকে আৰু তেখেতক 'ক, খ শিকাই। অতি অলপ দিনৰ ভিতৰতে তেখেতে লেখিব- পঢ়িব জনা হ'ল।

এদিনৰ কথা। তেখেতে 'ৰৰদলৈক কলে "তোৰ যঁতৰটো মোক দেচোন, মই সুতা কাটি চাওঁ"। 'ৰৰদলৈদেৱে দিলে, কিন্তু তেখেতে সুতা কাটিব নাজানিলে বাকচ্বালা যতৰত সুতা কটা নিয়মটো 'ৰৰদলৈয়ে তেখেতক শিকাই দিলে।

তেখেতে সেইটো যতৰত কেইদিনমান সূতা কটাৰ পিচত কিছু শিকিলে আৰু ৰৱদলৈক ক'লে -"তোৰ নিচিনা যতৰ এটা ভাটি দেশৰ পৰা মোৰ কাৰণে অনাই দিব পাৰনে ?"

সেইদিনা ৰৱদলৈদেৱে গুৱাহাটীলৈ চিঠি দিলে। কেইদিনমানৰ পিছতে যতৰ আহিল, কিন্তু সেই যতৰত সূতা কাটিবলৈ কমলাই নাপালে।

তেখেতৰ বেমাৰ ক্ৰমে বেছি হৈ গ'ল। সেই সময়ত মই আৰু দেৱগাৱঁৰ শ্ৰীযুত নৱেন শৰ্মা জ্বৰ হোৱাৰ কাৰণে জেইলৰ হস্পিটেলত আছিলো। আমাৰ দুয়োজনৰ মাজত কমলাৰ বিছনাখন আছিল। বেমাৰ আৰোগ্য নোহোৱা যেন দেখি লেখা দি ওলাই যাবৰ কাৰণে (আন্দোলনত যোগ নিদিও বুলি (Undertaking) জেইল কৰ্ত্তৃপক্ষই কেইবাদিনো কোৱা শুনিছিলো। তেখেতে প্ৰত্যেকদিনেই নিভীক স্বৰে উত্তৰ দিয়ে, "মই কোনো পাপ কাম কৰি জেইললৈ অহা নাই । লেখা নিদিও। লেখা দি যোৱাতকৈ জেইলতে মৰিম।" স্বাধীনতা পিপাসু এটি সহজ সৰল জনজাতীয় প্ৰাণীৰ হিয়াৰ পৰা ফুটি ওলোৱা জ্বলন্ত স্ফুলিঙ্গৰ আগত বগাবঙালৰ প্ৰতিনিধি জেইলাৰ আৰু জেইল চুপাৰিণ্টেণ্ডেণ্টৰ ষড়যন্ত্ৰ ব্যৰ্থ হৈ গ'ল। উপায়ন্তৰ হৈ তেওঁলোকে কমলাক Parrolত (সাময়িক ভাৱে মুক্তি) দিবৰ কাৰণে স্হিৰ কৰি ঘৰৰ পৰা মানুহ মাতি পঠিয়ালে।

নিয়তিৰ নিৰ্ব্বন্ধন কোনে খণ্ডাব পাৰে। পিচদিনা পুৱাবেলাতে ঘৰৰ পৰা কেইবাজনো লোক আহি জেইল গেটত উপস্হিত হ'লহি, কিন্তু আগদিনা ৰাতি ২ বজাতে কমলাৰ সজাৰ পৰা প্ৰাণ-পক্ষী উৰি গ'ল। ৰাতি পুৱাবলৈ আৰু ৩ ঘণ্টা বাকী। মাজৰখন বিছচনাত মৃতদেহ লৈ শ্ৰীযুত নৱেন শৰ্মা আৰু মই ৰাতি পুৱাবৰ কাৰণে অপেক্ষা কৰি বহি আছো। আগদিনা আমাক দুটা এলাচি গুটি দি আমাক কোৱা কথাষাৰ মনত পৰিলে আজিও গাৰ নোম সিয়ঁৰি উঠে। তেখেতে কৈছিল, " আজি মোৰ গা বৰ দুৰ্ব্বল লাগিছে, খাবলৈ সমূলি মন যোৱা নাই। সিহঁতক লেখা দি ওলাই যোৱা নহ'ব। ওপৰৰ গৰাকী জনৰ ওচৰতে লেখা দিমগৈ।"

স্বৰাজৰ কাৰণে অন্তৰত কিমান হেপাঁহ জাগিছিল আৰু আত্মবলিদান দিবলৈ নিৰক্ষৰ হোজা গাৱঁলীয়া লোকসকল কেনেকৈ জপিয়াই পৰিছিল এয়া তাৰেই জ্বলন্ত নিদৰ্শন।

স্বাধীনতা সংগ্ৰামৰ সেইজন ৰীৰ সৈনিকৰ প্ৰতি আজি এই পবিত্ৰ ক্ষণত আমাৰ অন্তৰৰ ভক্তি পুষ্পাঞ্জলি অৰ্পণ কৰিলো।

০ ০ ০

কালপূৰ্বজ ধৰ্ম্মাচাৰ্য্য শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী

ঊনবিংশ শতিকাত জন্মগ্ৰহণ (১৮৮৫ চনৰ ১০ জুন) কৰি কুৰি শতিকাৰ ঋষিকল্প দ্ৰষ্টা পুৰুষ, মাজুলী গড়মুৰ সত্ৰৰ ধৰ্ম্মাচাৰ্য্য শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী প্ৰভু ব্যক্তিত্বৰ বিমালয় সদৃশ, বিশালতাত সাগৰ সদৃশ, জ্ঞানত ব্যাস স্বৰূপ, উদাৰতাত বিকল্পবিহীন, সংস্কাৰমুক্ত এজন ক্ষণজন্মা পুৰুষ। সমন্বয় আৰু সহযোগিতাৰ এখন নতুন সমাজ প্ৰতিষ্ঠা গুৰুজনাৰ জীৱন বেদ আছিল। শ্ৰীমন্ত শঙ্কৰ দেৱ আৰু মহাত্মা গান্ধীৰ আদৰ্শক আত্মিক আৰু মাতৃভূমি মুক্তিৰ জীৱন-দৰ্শন ৰূপে গ্ৰহণ কৰা প্ৰভুৰ জীৱনজোৰা সংগ্ৰাম অসমতে নহয় ভাৰততো বিৰল।

"প্ৰথমতে জননীৰ শৃংখল ছিণ্ডিলৈ তাৰ পিছতহে ধৰ্ম" বুলি এই জনা গুৰুৱে স্বাধীনতা সংগ্ৰামৰ নেতৃত্ব বহন 'কৰি কাৰাবৰন কৰিবলৈকো কুণ্ঠাবোধ নকৰিলে। প্ৰভুৱে যি কাম নিজে কৰা নাই তেনে কাম আনক কৰিবলৈ কোৱা নাই। গতিকে ধৰ্ম আৰু মুক্তি সংগ্ৰাম উভয়তে প্ৰভুৱে অভূতপূৰ্ব বিপ্লৱৰ সৃষ্টি কৰি সমাজ গাঁঠনিৰ আমূল পৰিবৰ্ত্তন সাধন কৰিলে।

১৮৯১ চনত ছয় বছৰ বয়সতে প্ৰভুৰ বিদ্যাৰম্ভ কৰাৰ এমাহৰ পাচতে ডেকাসত্ৰাধিকাৰ পদত অধিষ্ঠিত হ'ব লগা হয়। ১৯০৭ চনত ২২ বছৰ হওঁতে

অধিকাৰৰ দায়িত্ব লয়। তেতিয়াৰে পৰা সময়ৰ আগতে দূৰ দৃষ্টিৰে আৰু অনাগত কালৰ দ্ৰষ্টাৰূপে প্ৰভুৱে অস্পৃশ্যতা বৰ্জন, আত্মুক্তক স্মাৰক পত্ৰ প্ৰদান, সত্ৰত নিজে নাট লিখি অসমীয়া নাটৰ প্ৰচলন কৰি আলোড়নৰ সৃষ্টি কৰাৰ লগতে শাস্ত্ৰৰ গভীৰ অধ্যয়ন আৰু শৰীৰ চৰ্চ্চাত একান্তীয়াকৈ ব্ৰতী হয়। এই অধ্যয়ন-তৃষ্ণা প্ৰভুৰ জীৱন জোৰা সাধনা হৈ ৰয়। লগে লগে প্ৰভুৱে সঙ্গীত চৰ্চ্চাতো মনোনিবেশ কৰে। তেতিয়াৰে পৰা সমাজ সংস্কাৰৰ নিবন্ধকাৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰে।

অবিশ্বাস্য হ'লেও সত্য যে প্ৰভুৱে ১৯১৭ চনৰে পৰা বিদেশী বস্তু ত্যাগ কৰি স্বদেশী দ্ৰব্যৰ উৎপাদন আৰু বিতৰন ব্যৱস্থা প্ৰবৰ্ত্তন কৰে। এই বছৰতে প্ৰভুৱে নিজে ট্ৰেক্টৰ চলাই কৃষি কৰ্মকৰাত সমাজত বৈপ্লবিক চেতনাৰ উন্মেশ হয়। ১৯১৮ চনত সত্ৰাধিকাৰৰ সাতখলপীয়া গাদী ত্যাগ কৰি মেৰঢৰাৰ প্ৰচলনে জনসমাজৰ আশ্বৰ্য্যৰ পাৰ ভাঙি গ'ল। ১৯১৯ চনত প্ৰভুৱে "নিজকে সমাজৰ সেৱক" বুলি প্ৰকাশ্যে ঘোষনা কৰি গুৰুকৰৰ বিলোপ সাধন কৰিলে। প্ৰভুৰ প্ৰতিটো পদক্ষেপ একোটা অভূতপূৰ্ব বিপ্লৱ। ১৯২১ চনৰ প্ৰাৰম্ভতে নৰবাহী খাটোলা ত্যাগ কৰে। অসহযোগ আন্দোলনৰ 'স্ব-ৰাজ' প্ৰতিষ্ঠাৰ আঁচনিৰ লগত নিজৰ কাৰ্য্যসূচীৰ সাদৃশ্য থকাত আন্দোলনৰ প্ৰতি নৈতিক সমৰ্থন জ্ঞাপন কৰে। একে বছৰতে সত্ৰ বংশীগোপাল সংস্কৃত টোল, ১৯২২ চনত জাঁজীত সাৰস্বত বিদ্যালয় স্থাপন কৰাৰ উপৰিও ১৯২১ চনত সত্ৰৰ থিয়েটাৰৰ প্ৰচলন কৰি ১৯২২ চনত সত্ৰত 'তৰুণ ৰঙ্গমঞ্চ' নিৰ্মাণ কৰে। ১৯৪৭ চনত ৰঙ্গমঞ্চৰ নাম 'বংশীগোপাল নাট্য মন্দিৰ' কৰি ১৯৫০ চনত সহ-অভিনয় প্ৰচলন কৰে। নিজে ৰাসৰ নাটক লিখি ৰৰগীতৰ নতুন সুৰ দি নিজৰ তত্বাৱধানত কৰা ৰাস ইমানেই প্ৰসিদ্ধ হয় যে সেই ৰাস নতুন দিল্লীত প্ৰদৰ্শন কৰি ১৯৬০ চনত 'ডকুমেণ্টৰী' কথা ছবি ৰূপে ভাৰতত প্ৰচলিত হয়। ১৯২৩ চনত অসম সন্ত সম্মিলন পাতি পৰিকল্পনাসমূহ সকলো সত্ৰতে প্ৰৰৰ্ত্তনৰ প্ৰচেষ্টা চলায়। অধিকাৰ পদত অধিষ্ঠিত হৈয়েই প্ৰভুৱে "দুনীতিৰ চূড়ান্ত অত্যাচাৰ" হোৱা সত্ৰৰ ভকতৰ উদাসীন প্ৰথা লোপ কৰি গৃহস্থী প্ৰথা প্ৰচলন কৰে। ১৯২৩ চনতে অসীম সাহসিকতাৰে বাল্য বিবাহ বন্ধ আৰু বিধবা বিবাহ প্ৰচলনৰ বাবে নিজে জনমত গঠন কৰে। এই বছৰতে " জগতৰ সকলো মানুহ আপোন" আনকি "জগতৰ প্ৰত্যেক পদাৰ্থই যে পৰস্পৰে একাত্মক" এই কথা বুজি প্ৰভুৱে অনুন্নত আৰু জনজাতিসকলক বৈষ্ণৱ সত্ৰলৈ আনি সংস্কাৰৰ পথ পদৰ্শন কৰে।

১৯২৬ চনৰ পাণ্ডু কংগ্রেছত প্রভু আৰু মহাত্মা গান্ধী দুই মহাপুৰুষৰ মিলনে ভাৰতৰ স্বাধীনতা আন্দোলনত বিশেষকৈ অসমত এটা প্রচণ্ড গতিবেগ আৰু তীব্রতৰ জোৱাৰ আনিলে। কোৱা বাহুল্য যে ১৯২২ চনতে অসম চৰকাৰে 'ব্রেক লিষ্টি'ত প্রভুক নামভুক্ত কৰে। ১৯৪১ চনত ব্যক্তিগত সত্যাগ্রহ কৰে যদিও অসমৰ ৰাইজৰ প্রতিক্রিয়াৰ প্রকোপ ভীষন হ'ব বুলি গ্রেপ্তাৰ কৰা নহ'ল। ১৯৪২ চনৰ ১২ আগষ্টৰ পৰা যোৰহাট জিলা কংগ্রেছৰ দায়িত্ব গ্রহণ কৰে যদিও তিনি অক্টোবৰৰ পৰা সত্রতে অন্তৰীণ বন্দী কৰা হয়।

১৯৪৩ চনৰ ৫ আগষ্ট। গ্রেপ্তাৰী পৰোৱানা লৈ প্রভুৰ চ'ৰাত চৰকাৰী বিষয়া উপস্থিত হ'ল। বিষয়াই চ'ৰাৰ বাহিৰত জোতা খোলা অনুকৰণ কৰি পুলিচসকলেও জোতা খুলি গৈছে। কঁপা হাতেৰে প্রভুলৈ পৰোৱানা আগবঢ়াই দিছে। অভয় দি প্রভুৱে কাগজখন ললে। মূহুর্ত্ততে প্রভুক গ্রেপ্তাৰ কৰা সংবাদ বিয়পি পৰিল। চাৰিওফালে কান্দোনৰ ৰোল উঠিল। বিদায় বেলাত সমবেত হোৱা অগনন প্রজাক প্রভুৱে ক'লে, " তোমালোকে একো নাভাবিবা। মনতো একো দুখ নকৰিবা। মোক জেললৈ যাবলৈ হুকুম জাৰি কৰিছে। গতিকে মই ওলালো। তোমালোকে সত্রৰ সকলো কাম চলাবা।" প্রভুৰ কথাত সত্রবাসী ব্রজাহত হ'ল। সেইদিনা কাৰো ঘৰত আখলৈলে জাল নগল।

কাৰাগাৰৰ সন্মুখত জিলা উপায়ুক্ত হামফ্রে চাহাব হাজিৰ। প্রভুক উপায়ুক্তই ক'লে, "আপুনি এনে এজন সর্ব্বজ্ঞানী পূজনীয় পুৰুষ হৈ এই চোৰ-ডকাইতবোৰৰ লগত থাকিবলৈ কিয় আহিছে ?" উত্তৰত প্রভুৱে ক'লে, " পৰপদলিত হৈ থকাতকৈ এনেবোৰ চোৰ-ডকাইতৰ লগত থকাও হাজাৰগুণে শ্রেয়। আপুনি এখন স্বাধীন দেশৰ নাগৰিক আৰু এখন জিলাৰ পদস্হ কর্মচাৰী হৈ এনে কথা সোধাত মই অত্যন্ত লজ্জিত হৈছোঁ"। এনে উত্তৰত লজ্জিত হৈ চাহবে ক'লে, "মই আপোনাক কঠোৰ দণ্ড দিম।" প্রভুৱে আকৌ নিভীক ভাৱে উত্তৰ দিলে, " বেচ, দিয়ক। আপুনি গুলী কৰিবলৈ উদ্যত হ'লেও মই বুকু পাতি ঠিয় দিম "। প্রভুৰ নিভীক উত্তৰত উপায়ুক্ত চাহাব আঁতৰি গ'ল। দুবছৰ কাল কাৰাবাস খাটি ১৯৪৫ চনৰ এপ্রিল মাহত প্রভুৱে মুক্তি পায়। প্রভু কাৰাগাৰত থকা সময়ত সত্রত খানাতালাচী চলাই পুলিচে বহুত অমূল্য সম্পদ লৈ যায়। কাৰাৰুদ্ধ থকা কালত প্রভুৰ কাহিনীৰে সুকীয়া নিবন্ধ হয় যদিও প্রভুৰ নিজ হাতে তৈয়াৰী ফেনি পিঠা আৰু মাঘৰ বিহুত বাহিৰৰ পৰা যোৱা পিঠা-পনা

প্রভুৱে প্রথমে খাই ছয়শৰো অধিক বন্দীৰ লগত একেলগে বিছু পতা পাহৰিব নোৱৰা ঘটনা।

মাহৰণিৰ ঈদ মেহফিলত প্রভুৱে আসন গ্রহণ কৰাৰ আগতে "চালাম ওৱালেকুম " বুলি সম্ভাষণ জনোৱাত মুছলমান ৰাইজ স্তম্ভিত হৈ গৈছিল। প্রভুৰ বক্তৃতা শুনি সমজুৱাৰ মাজৰ পৰা বুঢ়া মৌলবীয়ে মন্তব্য কৰিলে " ..... এইজন হিন্দু ধর্মৰ এজন গুৰু নে ঈছলাম ধর্মৰ এজন পীড়।" এনে আছিল প্রভুৰ 'সর্বধর্মে সমানত্ব' ব্রতৰ অনুশীলন। আনকি সত্রৰ নামঘৰত ১৯২৮ চনতে প্রভুৱে অনুসূচিত আৰু জনজাতিৰ প্রবেশাধিকাৰ দিলে। ১৯৩০ চনত কৈৱর্ত্ত সম্মিলনৰ তাৰো আগতে সুত সম্মিলনৰ সভাপতি অস্পৃশ্যতা বর্জন সংঘৰ সভাপতি, হৰিজন সেৱক সংঘৰ সভাপতি হৈ, আনকি লক্ষীমপুৰৰ তেলাহী মৌজাৰ মথাউৰী বান্ধোতে প্রভুৱে নিজে মাটি কাটি মূৰত নিয়া দৃষ্টান্ত চাৰিসত্রীযা অধিকাৰৰ জীৱনত নাশ্রুত নাভূত। কার্বি ৰাইজ, চাহমজদুৰ ৰাইজৰ মাজতো সোমাই প্রভুৱে শিক্ষা আৰু ধর্ম প্রচাৰত প্রভুৰ দেহা ৰোগাক্রান্ত হয়। ৮ টা বনৰীয়া হাতী, ১৪০ টা উপদ্রৱকাৰী বাঘ আৰু এটা ভালুক বধ কৰা চিকাৰী আছিল প্রভু।

১৯৬১ চনত বিনোৱা ভাৱেৰ লগত নতুন আহিত সত্রানুস্হান প্রতিষ্ঠাৰ আলোচনাৰ পাচতে প্রভুৰ শৰীৰ পৰি গৈছিল। ১৯৬২ চনৰ ২০ অক্টোবৰত যোৰহাট বাহৰতে প্রভুৰ বৈকুণ্ঠ গমন হয়।

স্বাসৰোগাক্রান্ত অৱস্হাতো অসম কংগ্রেছৰ সভাপতিৰ আগত প্রভুৱে কৈছিল, "জীৱনৰ এটা আকাঙ্খা অপূর্ণকৈ ৰাখি যাবলৈ ওলালোঁ। পাহাৰৰ কাম কৰাৰ ইচ্ছা থাকিল। মই কাৰো পৰা সহায় নাপালোঁ। - - আপোনালোকে যদি পাৰে কামটোৰ প্রতি অলপ দৃষ্টি ৰাখিব।" নিয়তিয়ে সেই আশা অপূর্ণ কৰি ৰাখিলে।

মহাত্মা গান্ধীৰ উক্তি " কর্মজীৱনৰ পৰা আঁতৰি ধর্মৰ সুকীয়া অস্তিত্বৰ কথা মই নাজনো।" প্রভুৱে ধর্ম আৰু কর্মৰ সমন্বয় ঘটাইছিল।

"ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।
মাছে বুলিলন্ত ইও এক জলচৰ"
শ্রীমন্ত শঙ্কৰদেৱ প্রভুৰ ক্ষেত্রত আমাৰো তদ্রূপ অৱস্হা।

○○○



দেশ নেতা কুলধৰ চলিহা -

ঊনবিংশ শতিকাৰ 'সিংহপুৰুষ' বুলি খ্যাত, অসম ব্যৱস্থাপক সভাৰ সদস্য হৈ অসমৰ পৰা কানি বৰবিহৰ ব্যৱসায় বন্ধ কৰাৰ দাবি কৰাত বৃটিছ চৰকাৰে কটুক্তিৰ প্রতিবাদত সদস্য পদ ত্যাগ কৰা বীৰ ব্যক্তি ফণিধৰ চলিহা আৰু তেখেতৰ সুযোগ্যা সহধর্মিনী সাৱিত্রী চলিহাৰ প্রথম সন্তান কুলধৰ চলিহা। জন্ম ১৮৮৬ চনৰ ২০ ছেপ্তেম্বৰত। মঙ্গলদৈত প্রাথমিক শিক্ষা লৈ শিৱসাগৰত হাইস্কুলীয়া শিক্ষা শেষ কৰে। কলিকতাৰ প্রেছিডেন্সি কলেজৰ পৰা বি এ পাছ কৰি পাচত বি এল পাচ কৰে। উল্লেখাযোগ্য যে ভাৰতৰ প্রথম ৰাষ্ট্রপতি ডঃ ৰাজেন্দ্র প্রসাদকে মুখ্য কৰি কেবাজনো সর্বভাৰতীয় নেতা কুলধৰ চলিহাৰ সহপাঠী আছিল।

চলিহাই যোৱহাটত দুবছৰমান মেজিষ্ট্রেটৰ চাকৰি কৰিলেও স্বাধীনচিতীয়া মনটোৱে ইংৰাজ বিষয়াৰ আচৰণৰ প্রতিবাদ কৰি পদত্যাগ কৰে। তাৰ পাচৰে পৰা ওকালতি আৰম্ভ কৰে। মহাত্মা গান্ধীৰ আহ্বানৰ প্রতি সঁহাৰি জনাই ১৯২০ চনৰ জানুৱাৰী মাহতে ওকালতি ত্যাগ কৰি দেশ মাতৃৰ উদ্ধাৰৰ কাৰণে জীৱন উচর্গা কৰে।

যি তিনিজন মহাৰথীয়ে অসমত স্বাধীনতা আন্দোলন আৰম্ভ কৰে, তাৰে অন্যতম দেশনেতা কুলধৰ চলিহা। আন দুজন কর্মবীৰ নবীন চন্দ্র বৰদলৈ আৰু দেশভক্ত তৰুণৰাম ফুকন। এই ত্রিমূর্তিয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ

অসহযোগ আন্দোলনৰ বাণী প্ৰচাৰ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ বুনিয়াদ ৰচনা কৰে।

১৯২০ চনৰ এপ্ৰিল মাহত অসম প্ৰদেশ কংগ্ৰেছ কমিটী গঠন হয়। হাকিমৰ পদ আৰু ওকালতি ত্যাগ কৰা কুলধৰ চলিহাক সৰ্ব সম্মতিক্ৰমে সভাপতি নিৰ্বাচিত কৰি নবীন চন্দ্ৰ বৰদলৈক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। কোৱা বাহুল্য যে এই কমিটী গঠন আৰু পদ নিৰ্বাচনত যুবনেতা দেশপ্ৰাণ চন্দ্ৰ নাথ শৰ্মাৰ অৱদান অন্যতম। অহিংস অসহযোগ আন্দোলনৰ প্ৰথম কাৰ্যসূচী দুটা লোৱা হ'ল - কৰ বন্ধ আৰু কানি বৰ্জন।

অসমত অসহযোগ আন্দোলনৰ গতিবেগ তীব্ৰতৰ কৰাৰ উদ্দেশ্যে ত্ৰিমূৰ্তিয়ে মহাত্মা গান্ধীক অসম ভ্ৰমণলৈ আনিবলৈ মন মেলে। বৰদলৈ, ফুকন, চলিহা ত্ৰিমূৰ্তি ১৯২১ চনৰ জুনত বোম্বাইলৈ গ'ল। কংগ্ৰেছ অধিবেশন বহি থাকোতেই মহাত্মা গান্ধীক অসমলৈ নিমন্ত্ৰণ কৰিলে। সেই নিমন্ত্ৰণ গ্ৰহণ কৰি মহাত্মাজী আগষ্ট মাহত অসম ভ্ৰমণ কৰে। বিদেশী বস্ত্ৰ বৰ্জনৰ কাৰণে দেশভক্তৰ আগচোতালত ফুকনৰ ঘৰৰ সকলো বিদেশী বস্ত্ৰৰে মেজী হয়। সমবেত বিৰাট জনতাই সেই ঐতিহাসিক 'বহুসৰ'লৈ বিদেশী কাপোৰ, গাৰ চোলা খুলিও দলিয়াই দিয়ে।

২০ আগষ্টত মহাত্মাজীয়ে যোৰহাটৰ জনসভাত ভাষণ দিয়ে। চলিহা তেজপুৰলৈ মহাত্মাজীৰ লগত নগৈ যোৰহাটৰ সভা সংগঠন কৰেহি। যোৰহাটৰ যান-বাহন সেইকালত একো নাথাকিলেও যিমান জনসমাগম হৈছিল সিমান অসমৰ ক'তো হোৱা নাছিল। চলিহাৰ সংগঠন শক্তিৰ পৰিচয় অগণন ৰাইজৰ বিপুল সমাগমে প্ৰমাণ কৰে।

মহাত্মাজীৰ ভ্ৰমণৰ সুফল ইপ্সিত অনুপাতে পোৱা হ'ল। দলিত, পীড়িত, নিষ্পেষিত ৰাইজৰ ত্ৰাণকৰ্তা ৰূপে মহাত্মাজীৰ চৰণ চুই সেৱা কৰিবলৈ ৰাইজৰ উথপথপ নিয়ন্ত্ৰণ কৰিব লগা হ'ল। অসমত অসহযোগ আন্দোলনৰ গতিবেগ তীব্ৰতৰ হৈ জনসাধাৰণৰ মনত অভূতপূৰ্ব আলোড়ণৰ সৃষ্টি কৰিলে। যোৰহাটতে সংগঠনৰ দিশৰ পৰা কংগ্ৰেছ অতি শক্তিশালী হ'ল। দেশনেতা চলিহা কংগ্ৰেছ বৈঠকলৈ যাওঁতে গুৱাহাটীত গ্ৰেপ্তাৰ কৰি ত্ৰিমূৰ্তিক যোৰহাট কাৰাগাৰলৈ আনা হ'ল। চলিহা কাৰাৰুদ্ধ অৱস্থাত অসুস্থ হৈ শৰীৰৰ ওজন ১২৪ পাউণ্ডৰ পৰা কমি ৯২ পাউণ্ড পায়গৈ।

১৯২৭ চনত গোলাঘাট সমষ্টিৰ পৰা চলিহা অসম ব্যৱস্থাপক সভালৈ নির্বাচিত হৈ সদনৰ ভিতৰে বাহিৰে কানি ববৰিহ নির্মূলৰ কাৰণে সংগ্রাম কৰিবলৈ সুচল হয়। প্রদেশ কংগ্রেছৰ কানি তদন্ত কমিটীৰ চলিহা সভাপতি হৈ সমগ্র অসম ভ্রমণ কৰে। দীনবন্ধু ত্রন্ডরুজ আৰু হোৰেছ আলেকজেন্ডাৰ যোৱহাটত চলিহাৰ ঘৰত আলহী হৈ কানি তদন্তত সহযোগ কৰে। চলিহা যোৱহাট লোকেল বোর্ড পৌৰ সভালৈ নির্বাচিত হৈ ১৯২৫ চনৰ পৰা ১৯২৮ চনলৈ পৌৰপতিৰ পদত কার্য্য নির্বাহ কৰে। ব্যৱস্থাপক সভাতে চলিহাৰ তীক্ষন যুক্তিত আৰু বাগ্মিতাত চৰকাৰ পক্ষ ক্ষত-বিক্ষত হৈছিল।

অসুস্হতাৰ চিকিত্যসাৰ কাৰণে সুভাষ বসুৰ পৰামর্শমতে ১৯৩৫ চনত চলিহাই ইউৰোপ ভ্রমণ কৰে। ভিয়েনাত ছয় সপ্তাহৰ ভিতৰতে কণ্ঠৰোগ সম্পূর্ণ আৰোগ্য হোৱাৰ পাচত জার্মানী, ইংলন্ড, ফ্রান্স, ছুইজাৰলেন্ড, ইটালী আদি দেশবোৰ ভ্রমণ কৰে। লন্ডনত 'কোৱেকাৰ চছাইটি' ত কানি বন্ধৰ বিষয়ে হৃদয়স্পর্শী বক্তৃতা দিয়ে। বৃটিছ ট্রেড ইউনিয়ন কংগ্রেছ, কুৰিজন বিলাতৰ সাংসদ আৰু জেনেভাত কানিৰ অপকাৰিতাৰ বিষয়ে বক্তৃতা দিয়াৰ উপৰিও 'লীগ অৱ নেশ্যানছ'ত কানিৰ ব্যৱসায় বন্ধ দাবি কৰি এখন স্মাৰক-পত্র দিয়ে। 'ৱল্ড এন্টি ড্রাগ চছাইটি'ৰ সভাপতি কাউন্ট বিয়াৰ্ণ্টক সাক্ষাত্য কৰি কানি বন্ধ কৰাৰ আৱশ্যকতাত পতিয়ন নিয়ায়। এইদৰে ইউৰোপ ভ্রমণ কালত পৃথিৱীত কানিৰ অপকাৰিতা আৰু ব্যৱসায় বন্ধৰ আৱশ্যকতাৰ ওপৰত জনমত গঠনত সহায় কৰে।

স্বদেশ প্রত্যাৱর্তনৰ কেইদিনমান পাচতে কর্মবীৰ নবীন চন্দ্র ববদলৈ পৰলোক হোৱাত কেন্দ্রীয় ব্যৱস্থাপক সভালৈ চলিহা অপ্রতিদ্বন্দী ভাৱে নির্বাচিত হয়। ১৯৩৬ চনৰ পৰা গণ পৰিষদৰ সদস্য (Constituent Assembly) হোৱালৈকে চলিহা ১৭ বছৰ নতুন দিল্লীত থাকে। ১৯৩৬ চনত ৰামগড় অধিবেশনৰ লগতে অনুষ্ঠিত ভাৰতৰ দেশীয় ৰাজ্যসমূহৰ প্রজা সম্মিলনৰ সর্বভাৰতীয় প্রথম অধিবেশনত দেশনেতা চলিহাই সভাপতিত্ব কৰে। সংসদৰ বিভিন্ন কমিটীৰ সদস্য হৈ নিজৰ যোগ্যতাক প্রতিপন্ন কৰে।

পূৱ পাকিস্হানৰ পৰা (বর্ত্তমান বাংলাদেশ) অসমলৈ হোৱা অবৈধ অনুপ্রেৱশৰ ওপৰত গৃহমন্ত্রী পেটেলে উত্থাপন কৰা বিধেয়কৰ ওপৰত চলিহাৰ সবল যুক্তি ১৯৩৮ চনতে হোৱা কংগ্রেছ আৰু মুছলিম লীগৰ মাজত

হোৱা চুক্তি অসমলৈ অনুপ্রবেশ বন্ধ কৰা, তেতিয়ালৈকে অহা সকলকো দেশলৈ ঘুৰাই পঠোৱা আদি আনুষঙ্গিক বিষয়ৰ ওপৰত সৰ্বভাৰতীয় জনমত গঠন কৰিবলৈ সক্ষম হৈছিল। আনকি বহিৰাগতৰ পৰা অসমৰ খিলঞ্জীয়া বাসিন্দাৰ জাতীয় বৈশিষ্ট্য অক্ষুন্ন ৰখাৰ উদ্দেশ্যে ১৯৪৮ চনতে অসম চৰকাৰে জাতীয়তা নিৰূপণ আইনৰ (Nationality Act) নিচিনা এখন আইন প্রবর্ত্তনৰ কাৰণে ভাৰত চৰকাৰক পৰামর্শ দিছিল। অসমৰ অখণ্ডতাৰ কাৰণে ষষ্ঠ অনুচ্ছেদৰ ব্যৱস্থাৱলীৰ সংশোধনৰ দাবি জনাইছিল।

১৯৫২ চনত দেশনেতাজন কাটনি সমষ্টিৰ পৰা পুনৰ অসম বিধানসভালৈ নির্বাচিত হৈ ৫ মার্চৰ দিনা বিনাপ্রতিদ্বন্দিতাৰে অধ্যক্ষৰ আসন অলঙ্কৃত কৰে। সুনিপুণ দক্ষতাৰে অধ্যক্ষৰ দায়িত্ব বহন কৰি পৰবর্তী সদনৰ কাৰণে উজ্বল দৃষ্টান্তৰ পৰম্পৰা প্রতিষ্ঠা কৰিবলৈ সক্ষম হয়।

১৯০৮ চনত চলিহাৰ শশীপ্রভাৰ লগত বিবাহ হয়। তেখেত অতিথি পৰায়ণ মহিলাৰ উপৰিও দেশনেতাজনৰ সহধর্মিনী হোৱাৰ উপৰিও উপযুক্তা সহকর্মিনীও আছিল। মহাত্মা গান্ধী, পণ্ডিত নেহেৰু প্রমুখ্যে সৰ্বভাৰতীয় আৰু আন্তঃৰাষ্ট্রীয় নেতাসকলৰ কাৰণে চলিহাৰ ঘৰখন অতিথিশালা আছিল। ১৯৩৬ চনৰে পৰা চলিহাৰ ঘৰতে জিলা কংগ্রেছ কার্যালয় চলি থাকে। চলিহা সুদীর্ঘ কাল জিলা কংগ্রেছৰ সভাপতি আছিল।

কংগ্রেছ সেৱকসকলৰ অনুপ্রেৰণাৰ উত্যস হৈ থকা দেশনেতাজনৰ চাৰিকুৰিলৈ তিনি বছৰ থাকোতেই তিনিদিনীয়া নৰীয়া পাটীত পৰি ১৯৬৩ চনৰ ১৯ জানুৱাৰীত জীৱন-বর্ত্তি নির্বাপিত হ'ল। 'ত্রিমূর্ত্তি'ৰ অৱশিষ্টজনো অসম আকাশত নাইকিয়া হ'ল।

দেশনেতা চলিহা মানুহজনৰ সদা স্মিতহাস্য মুখ, মধ্যমীয়া আৱয়ৱিক গঠন, গৌৰবর্ণ, দীপ্তিমান চকু, আৰু জোঙা নাকেৰে সৈতে শুভ্র, খদ্দৰৰ চুৰিয়া, ডিঙিলৈকে বুটাম মৰা 'কলাৰ' নথকা পাঞ্জাবী কুর্তা পৰিহিত গান্ধী টুপিটোৰে সৈতে গাম্ভীর্যপূর্ণ ব্যক্তিত্বৰ অধিকাৰী আছিল। জীৱনৰ আগছোৱাত, আনকি হাকিম হৈ থাকোতেও "এজন গৌৰবর্ণ, সুশ্রী , চকল ডেকা, মূৰত পাটৰ কাপোৰৰ পাগুৰিৰে সৈতে এজলাচত বহি কাম কৰি থকা দেখা পোৱা গৈছিল।" তেতিয়াৰ দিনত পাটৰ বা কপাহী কাপোৰৰ পাগুৰিটোৱে অসমীয়া

জাতীয় শিৰোভূষণ(Head dress) আছিল। পাগুৰিটোৱে অসমীয়া মানুহক বিশেষ ব্যক্তিত্ব আৰু বৈশিষ্ট্যৰ অধিকাৰী কৰিছিল। সেই সাজেৰেই চলিহাই গাৱঁত কংগ্রেছৰ সংগঠনৰ কাম কৰিছিল। প্রাতঃভ্রমণ আৰু সান্ধ্যভ্রমণ চলিহাৰ নিত্য-নৈমিত্তিক অভ্যাস আছিল। আৰকালি এৰি চাদৰখন ককাললৈকে মেৰিয়াই বিশেষ ভঙ্গীত গাত ছাঁতি মাৰি লৈছিল। চলিহাৰ ধর্মনিষ্ঠা অবিচলিত আছিল। কংগ্রেছ কর্মীৰ লগত ৰসিকতা কৰি ভালপোৱা চলিহাই সদায় 'টী ৰাটাৰ ইট কৰা' বুলিহে চাহৰ পিয়লা আগবঢ়াই দিয়ে। সহনশীলতা তেখেতৰ চাৰিত্রিক বৈশিষ্ট্য। ক্ষমা জীৱনৰ ভূষণ। সেই কাৰণেই কোনো কর্মীৰ লগত তেখেতৰ কোনো বিৰোধভাৱ নাছিল। এদিনৰ এটা উদাহৰণে এই কথা ফটফটীয়া কৰিব :- ভদ্রনাথ বৰদলৈ, কাকজান ভৰলুৱা সোণাৰী গাৱঁত ঘৰ। মানুহজন খহুটীয়া, হাঁহিয়েই থাকে। এদিন চলিহাৰ ঘৰতে সুধিলে, "ছাৰ, আজি আপোনাক পৰীক্ষা কৰিম। মোৰ পৰীক্ষাত পাছ কৰিব পাৰিলেহে আপুনি নেতা হ'ব পাৰিব।" "কি কোৱাহে ভদ্র, " বুলি চলিহাই হাঁহি মাৰি সমিধান দিলে। বৰদলৈয়ে সুধিলে ,"ছাৰ, হোৱাট ইলেকচন ইজ মেইড অৱ? চলিহাই হাঁহি আছে। বৰদলৈয়ে বাৰে বাৰে প্রশ্নটো কৰি কৈছে,"এই প্রশ্নৰ উত্তৰ দিব পাৰিলেহে আপুনি নেতা হ'ব। হাঁহি থকা চলিহাই উত্তৰ দিব নোৱাৰাত বৰদলৈয়ে ক'লে , "ছাৰ, ইলেকচন ইজ নেইড অৱ ভোটছ। আপুনি পৰীক্ষাত ফেইল কৰিছে।" " ৰ'বা ভদ্র, টী ৰাটাৰ ইট কৰা।" এনেকুৱা সৌহার্দ্যপূর্ণ সম্বন্ধ কর্মীসকলৰ লগত চলিহাৰ আছিল।

এইজনেই কংগ্রেছৰ প্রাককালত ১৯১৭ চনৰে পৰা সাহিত্য সভা জন্ম দিয়া, সামাজিক কামেৰে অসম মাতৃক দেহে-কেহে সেৱা কৰা দেশনেতা কুলধৰ চলিহা।

○ ○ ○

হৰিজন বন্ধু কৃষ্ণ নাথ শর্মা

(মামা)

কুৰি শতিকাৰ প্ৰথম দশকতে ভাৰতৰ ভাগ্য নিয়ন্তাৰ ৰূপত অৱতীর্ণ হোৱা, ঊনবিংশ শতাব্দীৰ শেহৰ দশকত প্ৰতিষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মহাপ্ৰাণ, ঋষিকল্প পুৰুষ কৃষ্ণনাথ শর্মা। অহিংস নীতিৰ চুলি এডালো হেৰ-ফেৰ নকৰা মহাত্মাজীৰ একান্ত অনুগত দেশপ্ৰেমিক শর্মা সমগ্ৰ অসমতে 'মামা' বুলি প্ৰখ্যাত।

১৮৮৭ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে জন্ম হৈ স্বাধীনতা লাভৰ মাত্ৰ ৬ মাহ ১৩ দিনৰ আগতে ১৯৪৭ চনৰ ২ ফেব্ৰুৱাৰীৰ দিনা হৰিজন বন্ধুজনে ইহলীলা সম্বৰণ কৰে। ডাঃ ভুবনেশ্বৰ বৰুৱাক নৰীয়া পাটীৰ পৰাই মামাই সুধিছে, "ডাঃ বৰুৱা, বেজী নাইনে এনেকুৱা, দিয়কচোন। মই স্বাধীন ভাৰতত মৰিবলৈ বিচাৰিছো।" ডাঃ বৰুৱাই হুক-হুক কৰে কান্দি মামাক সাবটি ধৰিলে।

পিতৃ গঙ্গাধৰ শর্মা খ্যাতনামা উকীল। হাতী, মাটি, বাগিচা আদিৰে জয়-জয় ময়-ময় অৱস্থা। মাতৃ গিৰিমালা দেৱীৰ প্ৰথম পুত্ৰ কৃষ্ণনাথ শর্মা। কালৰ কুটীল গতিত পিতৃৰ অৱস্থা হীন হৈ দাৰিদ্যৰ কৰালগ্ৰাসত পৰি কৃষ্ণ নাথ শর্মাৰ পঢ়াই বিঘ্নিত হৈ স্বকীয় প্ৰচেষ্টাৰে বি-এছচি,বি-এল পাছ

কৰে। জীৱনৰ চাকনৈয়াত ১৯১৭ চনত কৃষ্ণনাথ শর্মাই ওকালতি আৰম্ভ কৰে ১৯১৮ চনৰ পৰা সামাজিক কামত হাত দি সমাজৰ কামতে ওৰেটো জীৱন অতিবাহিত কৰে। 'কংগ্রেছৰ গঠনমূলক কামৰ পাৰ নেদেখা সাগৰৰ মাজত' কৃষ্ণনাথ শর্মাই বুৰ দিলে। ওকালতি বর্জন কৰি কংগ্রেছৰ কামত সর্বক্ষণ ব্রতী হৈ পৰিল।

"কৃষ্ণ শর্মাৰ ডায়েৰী" নামৰ সত্য সন্ধানী, সত্য অন্বেষাত্মক আৰু সত্যানুৰতী আত্মকাহিনীখনত এই সত্যনিষ্ঠ পুৰুষজনৰ ক্লেশ জর্জৰিত জীৱনৰ জীয়া ইতিহাস বর্ণিত হৈছে। কৃষ্ণ নাথ শর্মা সাম্প্রতিক কালৰ ৰাজনীতিকৰ অর্থত 'ৰাজনীতি' কৰা ব্যক্তি নাছিল। মহাত্মা গান্ধীৰ একান্ত অনুৰক্ত আৰু অনুগত আৰু গান্ধীজীৰ দৰেই অনাসক্ত আছিল। "স্বৰাজ পালে তোমাৰ সকলো ধাৰ মাৰিম" বোলা দোকানীজনক স্বাধীন ভাৰতত লগ পাবলৈ মামা নাথাকিল। "স্বৰাজৰ প্রকৃত অর্থ হৈছে স্বাৱলম্বিতা। —গাৱঁলীয়া শিল্পবোৰ আমাৰ জাতীয় দেহৰ তেজ চলাচল কৰা শিৰা।" এয়েই আছিল কৃষ্ণনাথ শর্মাৰ জীৱন দর্শন।

"মোৰ জীৱনৰ লক্ষ্য আছিল অসমৰ পৰা কানি বৰবিহ নির্মূল কৰা"- 'ডায়ৰীত' মামাই এই উক্তি কৰি এই উদ্দেশ্যত আত্মোৎসর্গ কৰিলে। কানি তদন্ত কমিটীৰ অন্যতম সদস্য স্বৰূপে অবিস্মৰণীয় অভিজ্ঞতাৰে প্রভূত বৰঙণিৰে এই বৰবিহ নির্মূল কৰাত অহোপুৰুষার্থ কৰিলে।

১৯৩৭ চনৰ বিধান সভা নির্বাচনত বিপুল ভোটাধিক্যত জয়লাভ কৰি কৃষ্ণ শর্মা সংসদী ৰাজনীতিত প্রৱেশ কৰিলেও তেওঁৰ অভিমত যে "নিঃস্বার্থভাৱে দেশ সেৱা কৰা ক্ষেত্র এছেম্বলী নহয়।"সেই কাৰণেই ১৯৪৬ চনত বিধান সভাৰ মনোনয়ন স্বইচ্ছাই প্রত্যাখ্যান কৰিলে। উচ্চ সদনলৈ অপ্রতিদ্বন্দী ভাৱে নির্বাচিত হ'লেও অধিবেশন বহাৰ আগতে মামাই ইহ লীলা সম্বৰণ কৰিলে।

১৯৩৪ চনত মহাত্মা গান্ধীৰ দ্বিতীয় অসম ভ্রমণ কালত মামাৰ পাৰিবাৰিক গোঁসাই ঘৰ হৰিজনসকলৰ কাৰণে মহাত্মা গান্ধীৰ পাদ-পদ্মৰ পৰশেৰে মুকলি কৰা ঘটনা অসমৰ ইতিহাসত বিৰল। লগত আছিল গড়মূৰীয়া অধিকাৰ শ্রীশ্রী পীতাম্বৰদেৱ গোস্বামী প্রভু আৰু হৰিজন সেৱক সংঘৰ সর্বভাৰতীয় সম্পাদক অমৃতলাল ঠক্কৰ। এই উপলক্ষে অনুষ্ঠিত সার্বজনীন নামত উপস্থিত

থকাসকলৰ সৈতে সকলো বহু বছৰলৈ সমাজচ্যুত হৈ থাকিব লগীয়া হৈছিল। মামাৰ হৰিজন প্রীতিৰ এই অভূতপূর্ব নমুনাৰ বাবেই মামাক 'হৰিজন বন্ধু' উপাধি প্রদান যথার্থ হৈছে সকলোৰে ঐক্যমত।

ৰৰজীয়াৰী স্বৰোজিনীৰ ১৯৩৯ চনতে বিবাহ হ'লেও উত্তৰ লক্ষীমপুৰৰ প্রথিতযশা অধিবক্তা আৰু কংগ্রেছ সেৱক নন্দনাথ গোস্বামী ১৯৪০ চনতে যক্ষ্মাৰোগত পৰলোক হোৱাত মামাই স্হিতপ্রজ্ঞৰ দৰে এই মর্মান্তিক বেজাৰ সহ্য কৰি মহাত্মা গান্ধীৰ পৰামর্শ বিচাৰিলে। মহাত্মাজীয়ে স্বৰোজিনীক ৰার্দালৈ মাতি পঠালে। ৫ বছৰীয়া পাঠ্যক্রম তিনি বছৰতে সুখ্যাতিৰে শেষ কৰি ভাৰত ত্যাগ আন্দোলনত যোগ দি এবছৰ কাল নাগপুৰ কাৰাগাৰত কাৰাবাস খাটে। কাৰামুক্ত হৈ আশ্রমতে শিক্ষকতাত ব্রতী স্বৰোজিনী ১৯৪৬ চনতে আচম্বিতে আৰু আকস্মিক ভাৱে পৰলোক হয়। এই নিষ্ঠুৰ পৰিবেশত মামা ভাগি পৰিল।

ভাৰত-ত্যাগ আন্দোলনত আটক বন্দী হৈ থাকোতে অসুস্হতাৰ কাৰণে কিছুদিন আগতীয়াকৈ মুক্তি পালে। অফুৰন্ত মানসিক শক্তি মামাৰ। ৰার্দ্ধালৈ গৈ মহাত্মাজীক সাক্ষাৎ কৰি অসমত বিদেশী প্রব্রজনকে আৰম্ভ কৰি নানান সমস্যাৰ কথা আলচ কৰে।

হাজাৰ বিপদেও, অযুত সংঘাতেও টলাব নোৱাৰা মনৰ গৰাকী আছিল কৃষ্ণনাথ শর্মা। সত্য আৰু অহিংসাৰে কেৱল নহয়, মহাত্মাজীৰ আশ্রমত পুৱা-সন্ধ্যা পঠিত আৰু পালিত 'একাদশ ব্রত' তেওঁৰ জীৱনৰ পাথেয়। সোণ-ৰূপৰ চকুতে হাত দি জন্ম গ্রহণ কৰি দৰিদ্রতাৰ নিদাৰুণ আঘাতত 'স্হিতপ্রজ্ঞ' হৈ সত্য আৰু অহিংসাৰ কষতি শিলত পৰীক্ষা কৰি জীৱনৰ বাট বুলিছিল।

যোৰহাট জিলা ছাত্র সম্মিলনৰ পৰা প্রকাশিত প্রসস্তি-পত্রত লেখা হৈছে, "—কৃষ্ণমামাই সকলোৰে অন্তৰত প্রভাৱ কৰি গৈছে সঁচা ; কিন্তু সেই প্রভাৱ ক্ষমতা বা বিষয় বাবৰ প্রভাৱ নহয়। সেই প্রভাৱ প্রাণৰ, সেই প্রভাৱ আত্মাদানৰ। —যিহৰ কাৰণে কৃষ্ণ মামা মৃত্যুৰ পিছতো জীয়াই থাকিব সি কৃষ্ণ মামাৰ এম-এল-এ, এম-এল-চি পদৰী নহয়। — কৃষ্ণ মামাৰ সেই

প্রভাৱ হৈছে ধন-ঐশ্বর্য্য -ক্ষমতা , বিষয় একো নোহোৱাকৈ মানুহৰ অন্তৰ জয় কৰিব পৰা এটি আপুৰুগীয়া শক্তিৰ । সেই শক্তিয়েই হাজাৰৰ মাজত এজনৰ থকা ব্যক্তিত্ব । সেই ব্যক্তিত্বৰ কাৰণেই কৃষ্ণ শর্মাই দেশবাসীৰ হৃদয় জয় কৰাৰ এখন ৰাজ্য বিস্তাৰ কৰি থৈ গৈছে । সেই ৰাজ্যত তেখেতৰ কোনো শত্রু নাই, সেই ৰাজ্যত তেখেতৰ মৰণ নাই । ৰাজনৈতিক মতবাদ যাৰে যিয়েই নহওক, কৃষ্ণ মামাৰ সাধুতা,অমায়িকতা, নৈতিকতা, নিভীকতা, একনিষ্ঠতা, কর্মকুশলতা আৰু সবাতোপৰি তেখেতৰ অকপাট ভাবৰ কাৰণে সকলোৰে ওচৰত কৃষ্ণ মামা প্রিয়জন আছিল । কৃষ্ণ মামাৰ নামটো কেৱল তেখেতৰ ব্যক্তিগত কথাৰে উল্লেখ কৰিবৰ কাৰণেই মানুহে নলয় । বহুতৰ মুখত সাধুতা আৰু সততাৰ জীৱন্ত উদাহৰণ হিচাবেও এই নাম উচ্চাৰণ কৰা শুনা যায় । এয়ে উকীল কৃষ্ণ শর্মাৰ ধন-দৌলত, এয়ে দেশপ্রাণ কৃষ্ণ মামাৰ মৃত্যু- বিজয়ী চিনাকি ।"

○ ○ ○



জননায়ক দেবেশ্বৰ শর্মা

উচ্চতাত ছয় ফুটবো অধিক বুলি অনুমান হোৱা, দীর্ঘতা অনুপাতে কায়িক ভাৱে লনি, মুখাবয়ব শুশ্রী, সুদর্শন, ম্লান নপৰা স্বাস্থ্যবে ,শুধ বগা সাজেবে, বগা চাদৰখনো দুয়োফালে বৈ পৰাকৈ লোৱা, স্বাভাৱিক গাম্ভীর্য্যবে মানুহক আকর্ষণ কৰিব পৰা সভা-শুৱনী পুৰুষজনেই জননায়ক দেবেশ্বৰ শর্মা- অসমৰ ৰাজনীতিত আৰু সমাজ জীৱনত অমোচনীয় স্বাক্ষৰ এৰি যোৱা দেৱেশ্বৰ শর্মাই ইতিহাস সৃষ্টি কৰি যোৱা ১-৮-৯৩ তাৰিখে নিজেই ইতিহাস হ'ল।

"হেৰাই যোৱা দিনবোৰ" শর্মাৰ মতে ইতিহাস নহয়, আত্মজীৱনীও নহয়, সাহিত্যও নহয়। তথাপি নিজে লিখা এই কিতাপখনত মানুহজন প্রকট হৈছে। নিভীকতা আৰু স্পষ্টবাদিতাবে হক কথাত উচিত মাত মতা মানুহজন 'হেৰাই যোৱা দিনবোৰ 'ত স্পষ্ট হৈ পৰিছে।

১৮৯৬ চনৰ ১০ চেপ্তেম্বৰ তাৰিখে জন্মগ্রহণ কৰা 'কেন্দুগুৰিৰ দেৱেশ্বৰ' জনৰ জীৱন কালতে মুক্তি যুজাৰু সম্মিলনে জন্ম শতবার্ষিকী পালন কৰি চেনেহ আৰু শ্রদ্ধাৰ নেতাজনক শতবর্ষৰ সম্বর্ধনা জনোৱাৰ হাবিয়াস কৰিছিল -কিন্তু নিয়তীৰ সিদ্ধান্ত সুকীয়া। — শতবর্ষ সম্পূর্ণ হ'বলৈ ৩ বছৰ বাকী থাকোতেই আমাৰ মৰমৰ 'দাদু'ক আমাৰ মাজৰ পৰা লৈ গ'ল-অনন্ত ধামলৈ -লগে লগে অসমৰ জ্যেষ্ঠতম মুক্তি যুঁজাৰুজনৰ জীৱনাৱসান হ'ল।

১৯১৭ চন। কলিকতাত দেৱেশ্বৰ শর্মা ছাত্র। নেতাজী সুভাষ চন্দ্র বসু সমসাময়িক বন্ধু। সেই বছৰতে বহা কলিকতা কংগ্রেছৰ স্বেচ্ছাসেৱক বাহিনীত ভর্ত্তি হৈছিল দেৱেশ্বৰ শর্মা। শর্মাৰ ৰাজহুৱা জীৱন দৰাচলতে তেতিয়াই শুভাৰম্ভ হয়। ১৯২০ চনত ঘৰৰ ল'ৰা ঘৰলৈ আহি ওকালতি কৰিলেও ছাত্র জীৱনত অঙ্কুৰিত হোৱা দেশপ্রেম প্রস্ফুটিত হয়। গড়মূৰীয়া সত্রাধিকাৰ শ্রী শ্রী পীতাম্বৰ দেৱ গোস্বামীয়ে কংগ্রেছক দান দিয়া লিঠু কৰা ষত্রত লিঠু কৰি "অসম বাইজ" নামে এখন কাকত সম্পাদনা কৰি প্রকাশ আৰু প্রচাৰ কৰে। চৰকাৰৰ ঘৰত পঞ্জীয়ণ নকৰা এইখন কাকত দৈনিক আছিল। ১৯২১ চনত মহাত্মা গান্ধীজীৰ প্রথম অসম ভ্রমণ, যোৰহাটত বিপুল ৰাইজৰ আগত মহাত্মাজীৰ ভাষণ আৰু অহিংস, অসহযোগ আন্দোলনত শর্মাৰ যোগদান। ইয়াৰ পাচত শর্মাৰ জীৱনৰ বিৰতি নাই।

শর্মাই স্বাধীনতা সংগ্রামৰ আটাইকেউটা পর্য্যায়তে নেতৃত্বৰ গুৰু দায়িত্ব পালন কৰিলে। ১৯২১ চনত মদৰ মহলত পিকেটিং কৰি ৩ মাহ কাৰাদণ্ড ভুগিব লগা হয়। ওকালতি বর্জন কৰি কংগ্রেছৰ সাংগঠনিক কামত বিৰামবিহীন ভাৱে নিজক উছর্গা কৰে। ইয়াৰ পিছত বিৰিত নাই। ওৰেওটো জীৱন জিৰণি নল'লে।

১৯৩০ চনৰ আইন অমান্য আন্দোলনত শর্মাৰ নেতৃত্বৰ বিচক্ষণতা, সাংগঠনিক শক্তিৰ নিপূণতা, কষ্ট সহিষ্ণুতা, বীৰত্বপূর্ণ নিভীকতা প্রকাশ পায় -লর্ড আৰউইনক জীমখানা ক্লাৱত ক'লা পতাকা প্রদর্শন অৱশ্যম্ভাৱী মৃত্যুৰ সৈতে সন্মুখীন হোৱাৰ তেজস্বীতা কেইজন নেতাৰ আছে। নেতৃত্বৰ বিচক্ষণতা, প্রত্যুৎপন্নমতি, বাক -পটুতাৰে সেইদিনা নিশ্চিত মৰণৰ মুখৰ পৰা বাচিলে। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্রহত ৯ মাহ কাৰাদন্ড ভোগে। ১৯৪২ চনৰ ৯ আগষ্ট তাৰিখেই ঘৰতে গ্রেপ্তাৰ হৈ প্রায় তিনি বছৰ আটকাধীন হৈ থাকে।

১৯৩৭ চনতে অসম বিধান সভালৈ বিপুল সংখ্যা গৰিষ্ঠতাৰে নির্বাচিত হৈ সংসদী ৰাজনীতিত প্রৱেশ কৰে। সেই বাৰেই বিধান সভাত কংগ্রেছ দলৰ মুখ্য সচেতকৰ ভূমিকাত ভৱিষ্যত বিধায়কসকলৰ কাৰণে সুস্থ পৰম্পৰা আৰু ঐতিহ্যৰ নিদর্শন প্রতিষ্ঠা কৰে। ১৯৪৬ চনৰ বিধান সভাত অধ্যক্ষৰ আসনত বিধান সভা পৰিচালনাৰ বিচক্ষণতা প্রকাশ পায়। ১৯৫৭ আৰু ১৯৬৭ চনত দুবাৰ বিধায়ক নির্বাচিত হৈ মন্ত্রীত্বৰ দায়িত্ব পালনত দেশ হিতৈষণাৰ পটন্তৰৰ সৃষ্টি কৰে। ১৯৫২ চনত লোকসভালৈকো নির্ব্বাচিত হৈ সর্বভাৰতীয় সমস্যাৰ প্রতি জ্ঞান-গভীৰতাৰ পৰিচয় দিয়ে। ইয়াৰ মাজতে স্বাধীনোত্তৰ

ভাৰতৰ আৰম্ভণিতে মণিপুৰত 'ডমিনিয়ন এজেন্ট' পদত অধিষ্ঠিত হৈছিল। এনেকৈ সাংবিধানিক ৰাজনীতিত বিভিন্ন সময়ত বিভিন্ন দায়িত্বত অধিষ্ঠিতহৈ ৰাজ্য আৰু ৰাষ্ট্ৰ উভয়ৰে বিকাশত বিভিন্ন ৰৰঙণি আগবঢ়ায়।

কংগ্ৰেছৰ সাংগঠনিক দিশতো তৃণমূল পৰ্য্যায়ৰ পৰা প্ৰদেশ কংগ্ৰেছৰ সভাপতিক নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ কাৰ্য্যনিৰ্বাহৰ সদস্য হৈ স্বকীয় বৈশিষ্ট্যৰে অসমৰ সমস্যা সমাধানৰ কাৰণে কান্ডাৰীৰ ভূমিকা গ্ৰহণ কৰে —এইজন সৰ্বগুণী নেতাকে কংগ্ৰেছ বিভাজনৰ পাচতো 'ই' বা 'অ' উভয় কংগ্ৰেছৰ এটা ভাগটো নথকাত 'জৰুৰী অৱস্থাৰ' সময়ত 'মিছা' আইনত গ্ৰেপ্তাৰ কৰি আটক বন্দী কৰিবলৈকো প্ৰশাসনে কুণ্ঠাবোধ নকৰিলে। এই ঘটনাত জননায়কজনে তীব্ৰ মানসিক বেদনা অনুভৱ কৰিলে। অন্তমুখী জিজ্ঞাসা আৰু প্ৰজ্ঞাৰে আত্ম-বিশ্লেষণ আৰু আত্ম-দৰ্শন (Introspection)ৰ আশ্ৰয়ত প্ৰশান্তি লাভ কৰিলে।

"তুমি ইমান সোনকালে আহিলাইনে ? আৰু দুদিনমান থাকিব নোৱাৰিলা হ'বলা ? - ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত কংগ্ৰেছ সেৱক ধৰা পৰি যোৰহাট কাৰাগাৰত সোমালে শৰ্মাই এইদৰে কয়। কোৱাৰ অৰ্থ শৰ্মাই মনে-প্ৰাণে বিশ্বাস কৰিছিল যে ভাৰতৰ মুক্তি সংগ্ৰাম ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনতে শেষ। আৰু স্বাধীনতা সংগ্ৰাম নহয়। গতিকে কৰ্মীসকল পলাতক হৈয়ো আন্দোলনৰ কাৰ্য্যসূচী চলাই যাব লাগে। কিবা প্ৰকাৰে শৰ্মাই কাৰাগাৰৰ ভিতৰৰ পৰাই কাৰ্য্যসূচীৰ নিৰ্দেশনা দি আছিল। কাৰাগাৰৰ ভিতৰত স্বাধীন ভাৰতৰ সংবিধান, শাসনতন্ত্ৰ, আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক কেনেকুৱা হ'ব এই বিষয়ে নেতৃবৰ্গৰ আলোচনাত শৰ্মাই মুখ্য ভূমিকা গ্ৰহণ কৰিছিলে।

স্বাধীনতাৰ পিচত অসমৰ সমস্যাৰ নিখুঁত ছবি দাঙি ধৰি অসমৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া নেতাজন আছিল দেৱেশ্বৰ শৰ্মা। এই প্ৰচেষ্টাত শৰ্মা বাৰে বাৰে ক্ষুন্ন হৈ 'হেৰাই যোৱা দিনবোৰ'ত মন্তব্য কৰিছে, "কেন্দ্ৰীয় ৰাজনীতিত উচ্চ পদস্থ লোকৰ ভৰিত তেল মালিচ কৰি বা পদধূলি শিৰত লৈহে ৰাজনীতিৰ জখলাত ওপৰলৈ বগাব পাৰি।" নেতাজনৰ নিভীক আৰু স্পষ্ট উত্তৰ। উত্তৰ পুৰুষে ইয়াৰ প্ৰতিক্ৰিয়া আৰু প্ৰতিকাৰ কৰিব লাগিব।

অসমলৈ বিদেশী অনুপ্ৰৱেশ সমস্যাৰ প্ৰতি নেতাজনে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। আক্ষেপেৰে তেওঁ লিখিছে, " অতি আশ্চৰ্য্য আৰু

দুর্ভাগ্যৰ কথা যে এই নিঃকিনৰ বাদে অসমৰ কোনো এজন নেতৃস্থানীয় লোকেই অসমলৈ পাকিস্থানী অনুপ্রবেশৰ দৰে সাংঘাতিক বিপদজনক বিষয়টো গুৰুত্ব আৰোপ বা তাৰ সামান্য প্রতিবাদো কৰা নাছিল ।"এই প্রসংগত জননায়কজনে অন্তি পৰিতাপেৰে মন্তব্য কৰিছে, " ভোট আৰু ক্ষমতাৰ লোভত আমি দেশৰ অনিষ্ট হোৱা কাম কৰিবলৈও পিছ নোহোঁহকো –ইয়াৰ উপৰিও অসমৰ স্বার্থৰ হকে তেল পুঙৰ সন্তৰপৰ ওচৰত শোধনাগাৰ স্থাপন, চাহ শিল্পৰ বুজন অংশ লাভ অসমৰ উন্নয়নত প্রয়োগ , উদ্যোগসমূহত থলুৱা নিবনুৱাৰ মকৰল, কেৱল প্রশাসনতে নহয়, ৰাজহুৱা জীৱনত অসমীয়া ভাষাৰ প্রয়োগ আদি অসমৰ স্বার্থৰ অনুকুল বিষয়সমূহত জাতীয়তাবাদী দৃষ্টিৰে বলীষ্ঠ নেতৃত্ব দিছিলে ।

জননায়ক শর্মা আধুনিক অসমৰ আৰু লগতে যোৰহাটৰ নির্মাতা বুলি ক'ব পাৰি । যোৰহাটৰ য'লৈকে দৃষ্টি নিক্ষেপ কৰা হয় ত'তেই শর্মাৰ স্বাক্ষৰ বহন কৰা কীর্ত্তি । আঞ্চলিক গৱেষণাগাৰেই বোলক, নতুবা ৪ নং ৰাৰ্ড প্রাথমিক বিদ্যালয়েই বোলক, প্রকাশন পৰিষদেই বোলক নতুবা বঙাইগাওঁ উদ্যোগিক প্রশিক্ষণ কেন্দ্র বোলক- অসমক নতুন ৰূপত গঢ় দিয়া প্রতিষ্ঠানত শর্মাৰ দূৰদর্শী পৰিকল্পনাৰ স্বাক্ষৰ ।

এইজন দেৱেশ্বৰ শর্মাক কিন্তু এবাৰ যি লগ পাইছে সততে তেওঁক পাহৰিব নোৱাৰে । তেওঁৰ খাৰাংখাচ আৰু তেওঁৰ খোলোচা কথাই মানুহক আকর্ষণ কৰে । তেনেকুৱা খোলোচা কথা কোৱা লোক সাম্প্রতিক সমাজত বিৰল । এই স্পষ্টবাদিতা, নিভীকতাৰ গুণেৰে বিভূষিত হৈ, নিয়ম আৰু নিয়মানুর্ত্তিতাৰে দৈনন্দিন জীৱন যাপন কৰি, সময় নিষ্ঠা সমাজত প্রতিপন্ন কৰি তাহানিৰ দিনৰ নেতাজনে কর্মীসকলৰ মনৰ দিগন্তত ৰেখাপাত কৰিবলৈ সক্ষম হৈছিল । সুদূৰ ভৱিষ্যত আৰু ভৱিতব্যতাই জননায়কজনক নিশ্চয় স্মৰণ কৰিব ।

০ ০ ০



অসম গৌৰৱ ৰোহিনী কান্ত হাতীবৰুৱা

ঊনবিংশ শতিকাৰ শেষ দশকৰ শেহাৰ্দ্ধত (১৮৯৫ চনৰ মাঘৰ ১৭ তাৰিখে) –জন্ম গ্ৰহণ কৰি অসমৰ আকাশত দুৰ্বাৰ কৰ্মশক্তিৰে দুৰ্লভ দেশপ্ৰেমৰ অম্লান চানেকী ৰাখি যোৱা অসম গৌৰৱ ৰোহিনীকান্ত হাতীবৰুৱাৰ ঘৰ যোৰহাট নগৰৰ দক্ষিণে কৰঙাত। পৈত্ৰিক ভিথা 'হাতীবৰুৱা টোল ' নামে প্ৰসিদ্ধ। পিতৃ গোলাপ চন্দ্ৰ হাতীবৰুৱা, মাতৃ পদ্মেশ্বৰী গাভৰু।

"মোৰ শৰীৰত ৰাজকীয় শোণিত প্ৰৱাহিত হৈ আছে " (I have got the royal blood in me) বুলি কটন কলেজৰ অধ্যক্ষ চুডমাৰ্চন চাহাবৰ লগত তৰিয়া-তৰি লাগি ১৯১৬ চনতে সাহসেৰে প্ৰতাহবান জনাৰ পৰা বীৰত্বৰ ছাত্ৰ আছিল হাতীবৰুৱা। অৱশ্যে এই ঘটনাক কেন্দ্ৰকৰি তেওঁক দুমাহৰ বাবে অধ্যয়নৰ পৰা বিৰত (Suspended) ৰখা হৈছিল। পিচত কলিকতাৰ স্কটিশ চার্চ কলেজৰ পৰা ১৯১৯ চনত সম্মানসহ বি- এ পাছ কৰে –কলিকতা বিশ্ববিদ্যালযত এম-এ আৰু আইনত অধ্যয়ন কৰোতে কলেৰা সদৃশ ৰোগত আক্ৰান্ত হৈ ঘৰলৈ ঘুৰি আহিবলৈ বাধ্য হয়।

ইয়াৰ পিছতেই হাতীবৰুৱাৰ অবিশ্ৰান্ত কৰ্মময় জীৱনৰ আৰম্ভ হয়। ১৯২০-২১ চনৰ অসহযোগ আন্দোলনত ৩ মাহ কাৰাবাস খাটে। কাৰামুক্ত হৈ কংগ্ৰেছৰ সাংগঠনিক দিশত অক্লান্ত পৰিশ্ৰমেৰে শোৱন-খাৱন নোহোৱাকৈ ব্যস্ত হৈ পৰে। ১৯২২ চনত হাতীবৰুৱা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ

প্রধান সম্পাদক পদত অধিষ্ঠিত হৈ পৰলোক পর্যন্ত (১৯২৯ চনৰ ৮ অক্টোবৰ) এই গুৰু দায়িত্ব বহন কৰে।

ৰোহিনী কান্ত হাতীবৰুৱাৰ জীৱনৰ ব্ৰত আছিল অসমৰ পৰা কানি ৰৰাহি নির্মূল কৰা। "ভগৱানে আপোনাক কানি ৰৰাহি নির্মূল কৰিবলৈকে অসমলৈ পঠাইছে। গতিকে আপুনি কানি নির্মূল কৰিব লাগিব," বুলি মহাত্মা গান্ধীজীৰ আশীষ হাতীবৰুৱাই নতশিৰে গ্ৰহণ কৰি এই কামত অহোপুৰুষার্থ কৰিছিল –প্রাদেশিক কানি তদন্ত কমিটীৰ সম্পাদক হৈ সমগ্র অসম ভ্রমণ কৰি যি প্রতিবেদন যুগুত কৰা হয় তাকে জেনেভা সম্মিলনলৈ প্রেৰন কৰা হয়। মহামতি চি-এফ- এণ্ড্রেজে এই প্রতিবেদনত এটি পাতনি সন্নিবিষ্ট কৰে।

নিখিল ভাৰত কংগ্রেছ কমিটীয়ে দীনবন্ধু এনড্রুজ চাহাবক অসমত কানি তদন্তত সহায় কৰিবলৈ প্রেড়ন কৰে। ১২৬০ মাইল ভ্রমণ আৰু ৫২৬ জনৰ সাক্ষৰ উপৰি ভ্রমণ কালত চাক্ষুশ আৰু প্রত্যক্ষ অভিজ্ঞতাৰে পৰিপুষ্ট হৈ হাতীবৰুৱা শান্তি নিকেতনত প্রায় তিনি মাহ থাকি বিস্তৃত প্রতিবেদন যুগুত কৰে।

হোৰেছ আলেকজেণ্ডাৰ নামে আন এজন মহান ইংৰাজ অসমলৈ আহি হাতীবৰুৱাক এবছৰৰ কাৰণে ইংলেণ্ডলৈ নিমন্ত্রণ কৰি সকলো বন্দৰস্ত কৰি দিবলৈ গাত লৈছিল। হাতীবৰুৱাই বার্মিংহাম আদি ঠাইত কানিৰ অপকাৰিতাৰ বিষয়ে বক্তৃতা দি বৃটিছ চৰকাৰ আৰু আন্তৰাষ্ট্রীয় সংস্থাত কানি অনতিপলমে নির্মূল কৰাৰ বিষয়ে পৰিবেশ প্রস্তুত কৰিব। কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাস, পৰিকল্পনা আৰু প্রস্তুতি কার্য্যকৰী নহ'ল।

স্বৰাজ্য দলৰ পৰা ১৯২৩ আৰু ১৯২৬ চনত প্রবল-প্রতাপী শিৰ প্রসাদ বৰুৱাক নির্বাচন যুদ্ধত পৰাভূত কৰি হাতীবৰুৱা অসম কাউন্সিলত প্রৱেশ কৰে। নিজৰ যোগ্যতা প্রতিপন্ন কৰি কাউন্সিলৰ ভিতৰৰ পৰাও কানি নিবাৰণৰ প্রচেষ্টা অব্যাহত ৰাখে। কাউন্সিলত হাতীবৰুৱাই বলীষ্ঠ যুক্তিৰে চৰকাৰী পক্ষক থকা-সৰকা কৰাৰ উপৰিও জনহিতকৰ প্রস্তাৱত চৰকাৰী প্রস্তাৱ ব্যাহত কৰাতো সফলতা অর্জন কৰিব পাৰিছিল।

অসমলৈ কংগ্রেছ অধিবেশন নিমন্ত্রণ কৰাৰ সাহসী পদক্ষেপ গ্রহণ কৰে হাতীবৰুৱাই। সহকাৰী সম্পাদকৰ দায়িত্ব গ্রহণ কৰি সম্পাদক কর্মবীৰ নবীন চন্দ্র বৰদলৈৰ সোঁহাত হৈ অধিবেশন কৃতকার্য্য কৰাত ৰাতিক দিন কৰি খাটিছিল।

কোনো প্ৰতিকূল পৰিস্থিতিয়ে গন্তব্য পথত হাৰ মনাব নোৱাৰা, অমিত-তেজা, দেশপ্ৰেমৰ মজ্জাগত স্পৃহাই ব্যক্তিগত, পাৰিবাৰিক কথালৈ আওকাণ কৰি, হাত দিয়া সকলো ক্ষেত্ৰতে আপোন যোগ্যতাৰে শীৰ্ষস্থানলৈ উন্নীত হোৱা নিঃস্বাৰ্থ ,নিৰঙ্কুশ , গান্ধীবাদী নেতাজন অকালতে অসমক কন্দুৱাই গুছি গ'ল। ১৯২৮ চনৰ ১৫ অহাৰত অসম সাহিত্য সভাৰ কান্ডাৰী পদ্মনাথ গোঁহাইবৰুৱাৰ তৃতীয়া কন্যা শ্ৰীমতী শান্তিপ্ৰিয়া আইদেউক বিয়া কৰালেও বৈবাহিক জীৱন তেনেই ক্ষণস্থায়ী হয়। হাতীবৰুৱাৰ পৰলোক হোৱাৰ পাচতহে এটি কন্যা সন্তানৰ জন্ম হয়।

কংগ্ৰেছ মহাসভাৰ লগত তৃনমূল পৰ্য্যায়ৰে পৰা নিবিড় ভাৱে জড়িত হৈ জনমানসত হাতীবৰুৱাই যি চেনেহ-শ্ৰদ্ধাৰ জোৱাৰ তুলিলে তাৰেই স্মৃতিত ১৯৩৭ চনতে ৰোহিনী হাতীবৰুৱা স্মৃতি-ভৱন নিৰ্মিত হৈ ১৯৪৭ চনলৈকে কংগ্ৰেছ কাৰ্য্যালয় হৈ আছিল। ৰোহিনী হাতীবৰুৱা স্মৃতি-ভৱনৰ আধাৰ-শিলা স্থাপন কৰে মহাত্মা গান্ধীয়ে ১৯৩৪ চনত আৰু ভৱনৰ দ্বাৰ উন্মোচন কৰে কংগ্ৰেছ সভাপতি স্বৰূপে পন্ডিত জৱাহৰ লাল নেহৰুৱে ১৯৩৭ চনত। ৰাইজৰ দান-বৰঙনিৰে এই ভৱন নিৰ্মিত।

○ ○ ○

কর্মপ্রাণ হৰিনাৰায়ণ বৰুৱা

কর্মপ্রাণ হৰিনাৰায়ণ বৰুৱা স্বাধীনতা ৰণৰ অক্লান্ত ৰণুৱা হোৱাৰ উপৰিও আজীৱন সমাজসেৱী,সুপ্রসিদ্ধ ব্যায়ামবীৰ,বিধায়ক,অভিনেতা,অসম-শক্তি মেলাৰ প্রৱর্তক। সবাতোপৰি তেখেত সদৌ অসম গাওঁবক্ষী বাহিনীৰ জনক। ইমান অবিশ্রান্তভাৱে কাম কৰিব পাৰিছিল আৰু স্বাস্থ্য আৰু দেহা ইমান সক্ষম আছিল যে দিনে-ৰাতিয়ে খাটিলেও ভাগৰ চিনি পোৱা নাছিল। যোৰহাটৰ কিয় , অসমৰ চুকে-কোণে বৰুৱাৰ কর্মশক্তিৰ স্বাক্ষৰ বহন কৰি বৰুৱা অমৰ হৈ আছে।

সম্ভ্রান্ত ৰহিয়াল বৰুৱাৰ বংশত ১৯০১ চনৰ ১৬ ডিচেম্বৰত নগাওঁ জিলা ৰহাৰ গড়মাৰী গাৱঁত বৰুৱাৰ জন্ম। পিতৃ ঘনকান্ত বৰুৱা, মাতৃ বগীতৰা বৰুৱা। বৰুৱাৰ নাম আছিল গগৈৰাম বৰুৱা। ৰহা মজলীয়া স্কুলত শিক্ষা শেষ হওঁতেই ১৯২০-২১ চনৰ অহিংস অসহযোগ আন্দোলনত লাগি কনক চন্দ্র শর্মাই প্রতিষ্ঠা কৰা জাতীয় হাইস্কুলত শিক্ষা গ্রহণ কৰে। বৰুৱাৰ পিতৃ-মাতৃ উভয়ে ১৯২৩ চনত অলপ দিনৰ ব্যৱধানত বিয়োগ হোৱাত বৈৰাগ্য ধর্ম ত্যাগ কৰে। বৰুৱাই পূর্ণচন্দ্র বৈষ্ণৱ নামে এজন স্বাধীনতা সংগ্রামীৰ সান্নিধ্যত সন্যাস ধর্ম লৈ চন্দনৰ ফোট , তুলসীৰ মালা, গেৰুৱা বসন পিন্ধি আশ্রমত আছিল। ১৯২৭ চনলৈকে বৰুৱাৰ নাম গুনদা প্রসাদ বৰুৱা আছিল। কাজিৰঙাত শৰীৰ চর্চাৰ প্রদর্শন কৰি হৰিনাৰায়ণ বৰুৱা নাম লয়। ঘাট মাউৰা হোৱাত ককায়েক

বলিনাৰায়ণ বৰুৱাই যোৱহাটলৈ আনি তেওঁক শৰীৰ চৰ্চাৰ শৈলীত পাকৈত কৰি তোলে। যোৱহাটৰ ৰঙিগাৱঁত নিগাজী ঘৰ লৈ অভিনয় আদি নানান কামত ব্যস্ত হৈ পৰে। ১৯২৬ চনৰ পাছু কংগ্রেছত যোগদান কৰি সৰ্বক্ষণ কৰ্মী হিচাবে স্বাধীনতা যুঁজত সক্রিয় ভূমিকা গ্রহণ কৰে।

১৯২৮ চনত শিৱসাগৰত বিৰাট কৃষি মেলা হৈছিল। বৰুৱাই তাত বিভিন্ন প্রকাৰৰ ব্যায়াম খেল প্রদর্শন কৰিছিল। তাতে বিপ্লৱী বীৰ শঙ্কৰ চন্দ্র বৰুৱাই লগ পাই যোৱহাট কংগ্রেছত কাম কৰিবলৈ লগায় আৰু দেশনেতা কুলধৰ চলিহা আৰু জননায়ক দেৱেশ্বৰ শর্মাৰ লগতে জিলা কংগ্রেছৰ সহকাৰী সম্পাদক হিচাবে সংগঠনত ব্রতী হয়। বৰুৱাৰ এটা সুবিধা আছিল – শৰীৰ চৰ্চাৰ বিভিন্ন কৌশল দেখুৱাই চলন্ত মটৰ গাড়ী ৰখোৱা, শিল বুকুত লোৱা আদি খেলত ডেকা শক্তিক আকর্ষণ কৰিব পাৰিছিল। এই আৰম্ভণিৰে যোৱহাটৰ গাওঁ ভূঁইত কংগ্রেছ সংগঠনত যি লাগিল-জীৱনত বিশ্রাম নললে।

১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্রতিবাদত কাৰাবৰণ আৰম্ভ হৈ ১৯৪০ চনত সত্যাগ্রহ, ১৯৩৩ চনত কলিকতাত কংগ্রেছৰ জৰুৰী অধিবেশনলৈ গৈ বাটতে গ্রেপ্তাৰ হৈ কাৰাবাস আৰু ১৯৪২ চনৰ চূড়ান্ত সংগ্রামত প্রায় তিনিবছৰ কাৰাবাস খাটে।

১৯৩৭ চনৰ নির্বাচনৰ সময়ত জাতীয়তাবাদী আহোম সভা সংগঠন কৰি কংগ্রেছ প্রার্থী কৃষ্ণনাথ শর্মাক জয়যুক্ত কৰাৰ বৰুৱাৰ এটি সুকীয়া কীর্তি টীয়ক ৰজাবাৰীত সেৱাশ্রম প্রতিষ্ঠা কৰাৰ পৰিকল্পনা যোৱহাট কাৰাগাৰৰ ভিতৰত থকা কর্মীসকলৰ আলোচনাৰ ফলশ্রুতি। ১৯৪৫ চনৰ বহাগত ৬০ বিঘা অধিকৃত মাটিত কংগ্রেছ কর্মীসকলৰ অফুৰন্ত কর্ম শক্তিৰ প্রতীক স্বৰূপে সেৱাশ্রম গঠিত আৰু প্রতিপালিত হয়। ভীমকর্মা বৰুৱা তেতিয়া বিধায়ক, যোৱহাট জিলা কংগ্রেছৰ সভাপতি, শান্তি সেনাৰ অধিনায়ক। শান্তি সেনাৰ প্রশিক্ষণো সেৱাশ্রমতে হয়।

ভাৰত স্বাধীন হ'ল। দেশ স্বাধীন নহ'লে বিয়া নকৰায় বুলি প্রতিজ্ঞা কৰা বৰুৱাই ১৯৪৮ চনত তিতাবৰৰ শ্রীমতী ভুবনেশ্বৰীক বিয়া কৰায় সংসাৰ পাতে। মৃত্যুৰ সময়ত (২৩-৮-৬৯) তিনি পুত্র, এটি কন্যাৰে বিধৱা পত্নীক এৰি যায়।

জিলা কংগ্রেছৰ শান্তি সেনা প্রশিক্ষণৰ অধিনায়কৰ অভিজ্ঞতাৰে কর্মপ্রাণ বৰুৱাই ১৯৪৯ চনত নগা বিদ্রোহীৰ লুণ্ঠন, চুৰি চাপ্রাচীৰ অত্যাচাৰ নিৰাকৰণৰ

উপায় স্বৰূপে গাঁওৰক্ষী বাহিনীৰ জন্ম দিয়ে। কালক্রমত বৰুৱাৰ জীৱনৰ কীর্ত্তিস্তম্ভ হৈ সমগ্র অসমত এই বাহিনীয়ে প্রসাৰতা লাভ কৰি১৯৫৩ চনৰ ১লা এপ্রিলত চৰকাৰী স্বীকৃতি আৰুঅনুদান লাভ কৰে। বৰুৱা এই বাহিনীৰ মুখ্য উপদেষ্টাৰ পদত অধিষ্ঠিত হয়। আজি অসমত গাওঁ ৰক্ষী বাহিনীয়ে বৰুৱাৰ অক্ষয় কীর্তিৰ স্বাক্ষৰ বহন কৰি আছে।

১৯৬৯ চনৰ ২৫-২৬ এপ্রিলত বৰুৱাৰ প্রাণকেন্দ্র টীয়ক ৰজাবাৰী সেৱাশ্রমতে যোৱহাটৰ সকলো কংগ্রেছ কর্মীক সমবেত কৰি শ্রীশ্রীকৃষ্ণ চন্দ্র দেৱ গোস্বামী প্রভুৰ সভাপতিত্বত এটি সমাজোহ পাতে আৰু সকলোৱে দেখা শুনাকৈ এমুঠি খায়। সম্ভৱ এই সমাৰোহ আৰু চাউল কঠা বৰুৱাৰ শেষ ইচ্ছা। ইয়াৰ পাচতে ২৩ আগষ্টত পুৱা সাজ পিন্ধি যাবলৈ ওলাওতেই আচম্বিতে ঢলি পৰি জীৱন নাটৰ যৱনিকা পৰে।

নিৰামিষ ভোজী বৰুৱাৰ পালোৱানী চেহেৰাৰ অৱয়ব। শক্তিমেলাৰ মটৰ গাড়ী ৰখা শক্তিৰ। যিহকে শাকে -কচুৱে মিলায় অতি সন্তোসেৰে তাকে গ্রহণ কৰে। দুখ-ভাগৰ যেনেকৈ নাই, নাই তেনেকৈ অসন্তোষ। হৰিনাৰায়ণ বৰুৱা মৰিও অমৰ –কেৱল কর্মীসকলৰ মনতে নহয়, জনহিতকৰ কামৰ মাজতে নহয়, চিৰপ্রৱাহমান গাওঁৰক্ষী বাহিনীৰ মাজত তেওঁ অক্ষায় বস্তি হৈ ৰ'ব।

০ ০ ০



ৰামেশ্বৰ ভট্টাচার্য্য

যি কেইজন মেধাৱী ছাত্রই ১৯২১ চনৰ অহিংস অসহযোগ আন্দোলনত মহাত্মা গান্ধীৰ আহ্বানত কটন কলেজ ত্যাগ কৰি স্বাধীনতা সংগ্রামত আজীৱন অৰিহণা যোগাই নেতৃত্ব লৈছিল সেই সকলৰ ভিতৰত শিমলুগুৰি মৌজাৰ হাঁহচৰা শিৰোমণি ভট্টাচার্য্যৰ ঘৰৰ ৰামেশ্বৰ ভট্টাচার্য্য অন্যতম। কলেজ ত্যাগ কৰি ঘৰলৈ নাহি বাহিৰে বাহিৰে সংগ্রামৰ সংগঠনৰ কাৰণে ৰৰপেটালৈ যায় আৰু কৰ্মবীৰ নবীনচন্দ্র ৰৰদলৈৰ সান্নিধ্যত নামনি অসমত থাকে তাৰ পৰাহে যোৰহাটলৈ আহি আন্দোলনৰ নেতৃত্ব লয়।

ভট্টাচার্য্যৰ জন্ম ১৯০০ চনত। পিতৃ খৰ্গেশ্বৰ ভট্টাচার্য্য। ১ম বিভাগত প্রৱেশিকা আৰু আই-এছ-চি পাচ কৰি কটন কলেজৰ ৩য় বার্ষিক শ্রেণীত পঢ়ি আছিল। প্রথম স্বাধীনতা আন্দোলনত সন্তাৱনাপূর্ণ চফল ডেকা। কাৰামুক্ত হৈ সংগঠনৰ কামত ব্যস্ত। জাঁজী কোম্পানীৰ চাহ বাগিছাসমূহে আগুৰি ৰখা গাওঁ আৰু বাগিছাৰ শ্রমিকসকল ভট্টাচার্য্যৰ বিশেষ কর্মক্ষেত্র আছিল ১৯২২ চনৰ ২৭ আৰু ২৮ জানুৱাৰীত হোৱা ৰাৱণ বধ ভাওনাৰ আচনি লৈ পতা কংগ্রেছ কর্মীৰ বিৰাট মেলালৈ ভট্টাচার্য্যই বামুনপুখুৰী অঞ্চলৰ কংগ্রেছ কুমীৰ শকত দল এটা লৈ শোভা যাত্রা কৰি গৈছিল। ভাওনা হৈছিল আমগুৰি থানাৰ ওচৰৰ পথাৰত। এই দুদিনীয়া ভাওনা প্রকৃতপক্ষে কংগ্রেছৰ প্রচাৰ মাধ্যম আছিল। ভট্টাচার্য্যই দৰাচলতে 'বৃটিছ-ৰাৱণ'ক বধ পর্ব্বত ৰাম'ৰ ভাৱত অৱতীর্ণ হৈছিল।

১৯৩১ চনৰ প্ৰথম আৰু ১৯৩২ চনত দ্বিতীয় ৰাষ্ট্ৰীয় সম্মিলন যোৰহাটত হয়। ভট্টাচাৰ্য্য প্ৰথমখনৰ প্ৰধান উদ্যোক্তা। দ্বিতীয়খনৰ সময়ত গ্ৰেপ্তাৰী পৰোৱানা লৈ পলাতক অৱস্থাতে ৰাতি আহে। ৰাতি ৰাতি আন্ধাৰৰ আঁৰত কামৰোৰ কৰে। ইফালে কংগ্ৰেছক বে-আইনী ঘোষণা কৰাত ৰামেশ্বৰ ভট্টাচাৰ্য্য যোৰহাটৰ আন্দোলনৰ 'পৰিচালক'। সেইবাৰ ৰাষ্ট্ৰীয় সম্মিলন গোলাঘাটৰ পৰিবৰ্তে যোৰহাটত হোৱাৰ যুক্তি দেখুৱাই কুলধৰ চলিহাৰ ঘৰত ত্যাগবীৰ হেমৰুৰাক পলাতক অৱস্থাতে লগ কৰে। অৱশ্যে সম্মিলনৰ পাচতে ভট্টাচাৰ্য্যক গ্ৰেপ্তাৰ কৰা হয়। বিচাৰত দুইমাহ কাৰাদণ্ড হয়।

স্বাধীনতা আন্দোলন নথকা সময়ছোৱাত ৰায়ত সভা, কৃষক সভা, মাদক-দ্ৰব্য নিবাৰণৰ প্ৰচাৰ স্বাৱলম্বন হোৱাৰ, বিশেষকৈ সূতা কটাৰ আহি আৰু উদাহৰণেৰে ৰাইজৰ উৎসাহ - উদ্দীপনা স্তিমিত হ'বলৈ নিদিয়াকৈ ৰখা নেতাকেইজনৰ ভিতৰত ভট্টাচাৰ্য্য আগশাৰীৰ আছিল। ১৯৪০ চনত সত্যাগ্ৰহ কৰা তাৰিখৰ পৰা আগতে সত্যাগ্ৰহ প্ৰত্যাহাৰ কৰা হয়। ১৯৪২ চনৰ ১ লা নবেম্বৰত গ্ৰেপ্তাৰ হৈ ভাৰত ত্যাগ আন্দোলনত আঢ়ৈ বছৰৰো ওপৰ কাল আটক বন্দী হৈ ১৯৪৫ চনত মুক্তি পায়।

কংগ্ৰেছ আৰু স্বাধীনতা সংগ্ৰামক তেজী, বেগী আৰু অফুৰন্ত শক্তিৰ অধিকাৰী কৰাত যোৰহাটত যি কেইজন নেতৃস্থানীয় কৰ্মীয়ে অহোপুৰুষাৰ্থ কৰিলে সেইসকলৰ ভিতৰত ৰামেশ্বৰ ভট্টাচাৰ্য্য আগশাৰীৰ। বিপদ সঙ্কুল পৰিস্থিতিত পৰিলেও নিভীকতা আৰু সুস্থিৰতাৰে প্ৰতিকূল পৰিবেশ মোকাবিলা কৰিব পৰা নেতৃত্ব ভট্টাচাৰ্য্যৰ আছিল।

১৯২০ চনৰ আন্দোলনত ভট্টাচাৰ্য্যৰ কৰ্মস্থলী ৰামুনপুখুৰীত আছিল। এই অঞ্চলত বহুতো কংগ্ৰেছ কৰ্মীয়ে শিবিৰ পাতি আছিল। পুলিচৰ অত্যাচাৰো অৱৰ্ণনীয় আছিল। ভট্টাচাৰ্য্যৰ ঘৰত খানাতালাচ কৰি পুলিচে ৫০.০০ টকা বলপূৰ্বক জৰিমনা কৰাৰ উপৰিও বৰ্ত্তমানৰ মূল্যত ৫০ হাজাৰমান টকাৰ সোনৰ গহনা লৈ আনে। আন্দোলন আনুষ্ঠানিক ভাৱে অৱসান হোৱাৰ পাছত ভট্টাচাৰ্য্যক পুনৰ গ্ৰেপ্তাৰ কৰি তিনিমাহ কাল কাছাৰীলৈ অহা-যোৱা কৰিবলৈ বাধ্য কৰায়। বিচাৰত অৱশ্যে মুক্তি পায়।

স্বাস্থ্যৰ নিয়ম-নীতি কঠোৰ ভাৱে মনা পৰিপাটী, নিয়াৰী, বুদ্ধিদীপ্ত ৰামেশ্বৰ ভট্টাচাৰ্য্যই ১৯৬৭ চনত ইহলীলা সম্বৰণ কৰে। কোনো পৰিস্থিতিতে মহাত্মা গান্ধীৰ নীতিক হেৰ-ফেৰ নকৰা এইজন নিভীক যোদ্ধাক আজিও সকলোৱে শ্ৰদ্ধাৰে সোঁৰৰে। তেখেতৰ পুত্ৰ শ্ৰীঅৰুণ কুমাৰ ভট্টাচাৰ্য্যও এজন মুক্তিযোদ্ধা।

০ ০ ০

সৰ্ব্বেশ্বৰ ৰৰচেতিয়া

পৰ্বতীয়া মৌজা। ৰৰ আহোম গাঁও। পশ্চিম যোৰহাটৰ এই অঞ্চলটোৰ নাম টিলিকিয়াম। প্ৰখ্যাত ৰৰচেতিয়াৰ ঘৰত সৰ্ব্বেশ্বৰ ৰৰচেতিয়াৰ জন্ম ১৯০০ চনত। সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ। ১৯২১ চনত কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ ল'ৰা। মহাত্মা গান্ধীৰ আহৱানত অহিংস অসহযোগ আন্দোলনত কলেজ ত্যাগ কৰি জপিয়াই পৰে। এবছৰ সশ্ৰম কাৰাদণ্ড হয়। কাৰামুক্ত হৈ নিজৰ ঠাই যোৰহাটলৈ আহি আন্দোলন আৰু কংগ্ৰেছৰ কামত জীৱন উৎসৰ্গা কৰে। পুনৰ শিক্ষা জীৱনলৈ ঘুৰি নগ'ল। কংগ্ৰেছৰ সাংগঠনিক কামত আশাশুধীয়া আৰু একানপতীয়াকৈ আত্মনিয়োগ কৰে।

অধ্যয়নপুষ্ট ৰৰচেতিয়াই কথাবোৰ সৰ্বভাৰতীয় আৰু আন্তজাতিক দৃষ্টিভঙ্গীৰে চিন্তা কৰিছিল। সেই কাৰণেই তেখেতৰ নেতৃত্বও সেই পৰ্য্যায়ৰ আছিল। হিন্দু বিবাহ আইনৰ ওপৰত এখন সমালোচনামূলক কিতাপ ৰৰচেতিয়াই ইংৰাজীত লেখিলে আৰু বিনামূল্যত লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলৰ মাজত বিতৰণ কৰিলে। এই কিতাপখনত ভাৰতৰ ভৱিষ্যত জনসংখ্যাৰ স্বৰূপ বিশ্লেষণ কৰি দেখুওৱা হৈছিল। ছপাৰ খৰচৰ কাৰণে শ্ৰীশ্ৰী আউনী আটীয়ে সত্ৰাধিকাৰ প্ৰভুৰ পৰা অৰ্থ সাহায্য অকুলন হোৱাত নিজৰ ভূ-সম্পত্তি বিক্ৰী কৰি ছপা খৰচ যোগাৰ কৰিছিল। উচিত কথাত সেইকালত ৰৰচেতিয়াই পণ্ডিত নেহৰুৰ বিৰুদ্ধেও মাত মতা বা কলম ধৰিবলৈ কুণ্ঠাবোধ নকৰিছিল।

দাণ্ডীযাত্রা বা লোন আইন ভঙ্গৰ কথা সপোনৰ অগোচৰ থাকোতেই ১৯২১ চনৰ কাৰাবাসৰ কালতে বৰচেতিয়াই অৰ্থনৈতিক সমীক্ষাৰে লোন আইন ভঙ্গ কৰাৰ পৰিসংখ্যা গৱেষণা কৰি কৈছিল ,"আমাৰ জনসংখ্যা প্ৰায় ৩০ লাখ। এই ত্ৰিশলাখ মানুহক নাই নাই বুলিও নিতৌ দুয়োসাজত ১৮৭৫ মোন লোন লাগে। — গড় হিচাবে,ধৰিলে দিলে ২-৩ হাজাৰ মোন লোনৰ কম নহ'ব। ইয়াক বৰ্জন কৰি আমাৰ খাৰত বা দুখৰীয়া লোনত ধৰিলে লিভাৰপুলীয়া সদাগৰহঁতে ভালকৈয়ে এসেকা পায় দেখোন। গতিকে আমি এনেও খাৰখোৱা অসমীয়া , তেনেও খাৰখোৱা অসমীয়া -আমিচোন খাৰ খায়েই মৰোহক। লিভাৰপুলৰ লোন বেপাৰীবোৰ মূৰ মৰক আৰু আমাৰ ইয়াৰ থল -ঘৰিয়ালবোৰবোৰ মুদা মৰক।"

এনে আছিল বৰচেতিয়াৰ দূৰদৃষ্টি। ১০ বছৰৰ মূৰত মহাত্মা গান্ধীয়ে এই কৰ্মসূচীৰে বৃটিছ চৰকাৰৰ ধমনি কঁপাই তুলিছিল।

১৯৩৪ চনত বৰচেতিয়াৰ উদ্যোগত আৰু নেতৃত্বত টিলিকিয়ামত সদৌ অসম কৃষক সম্মিলনৰ উদ্বোধনী অধিবেশন হয় - তিনিদিনীয়াকৈ। বিৰাট ৰভা আৰু তিনিওৰাতি কেইবাটাও ভাওনাৰে এই সভা অনুস্হিত হয়। বাইজে বৰচেতিয়াক অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু যদুনাথ শৰ্মাক সম্পাদক নিৰ্বাচিত কৰে। স্হানীয় ভদ্ৰেশ্বৰ শৰ্মাই নিজৰ বাৰীৰ সমস্ত টকৌপাত ৰভাৰ কাৰণে দিয়ে। ত্ৰয়োধৰ দাসে অভ্যৰ্থনা সমিতিৰ সদস্যৰ বৰঙণি ২৫.০০ টকা সেই কালতে স্বইচ্ছাই দিয়ে। মূল সভাৰ সভাপতি আছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। নিজৰ ভায়েক গিৰিশ চন্দ্ৰ বৰদলৈ। যোৰহাটতে হাকিম হৈ থকা স্বত্বেও বৰদলৈ ভায়েকৰ ঘৰত নাথাকি দেশনেতা কুলধৰ চলিহাৰ ঘৰতে আছিল। কৰ্মবীৰে লিখিত অভিভাষণ পাঠ কৰিছিল। যোৰহাটৰ সকলো অঞ্চলৰ কংগ্ৰেছ সেৱকসকলো এই সভাত সমবেত হৈ মাটিৰ খাজনা কম কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছিল।

অধিবেশনৰ সফল সমাপ্তিৰ পাছত অভ্যৰ্থনা সমিতিৰ সভাত বৰচেতিয়াই অভূতপূৰ্ব কাম এটা কৰিলে। তেওঁ ক'লে যে অসমত উপাধি প্ৰস্তাৱ কৰে গুৰুঘৰে আৰু ৰজাঘৰে। কিন্তু প্ৰশংসনীয় কামৰ কাৰণে বাইজে সৰ্ব্বসন্মতিক্ৰমে উপাধি প্ৰদান কৰিব নোৱাৰিব কিয় ? ভদ্ৰেশ্বৰ শৰ্মাক 'সভাপণ্ডিত' আৰু

ত্রয়োধৰ দাসক 'হাজৰিকা ' উপাধি প্রদানৰ প্রস্তাৱ ৰৰচেতিয়াই দাঙি ধৰাত সকলোৱে হর্ষোল্লাসেৰে গ্রহণ কৰিলে। সেই ৰাইজ প্রদত্ত উপাধি পৰিয়াল দুটাই আজিও ব্যৱহাৰ কৰিছে। ৩৭ নং ৰাষ্ট্রীয় পথৰ ১৮৬ মাইলৰ ওচৰতে এতিয়া ৰাম শর্মা থকা ঠাইতে এই অধিবেশন হৈছিল।

সর্ব্বেশ্বৰ ৰৰচেতিয়া চিৰকুমাৰ। পঙ্গু ভনীয়েক এজনী আৰু বৃদ্ধা মাক আছিল। তেওঁ একমাত্র পুত্র। মাকে পুতেকৰ বিয়া পাতিবলৈ সদায় কুতুৰি থাকে। ৰোগ শয্যাত পৰি যুটীয়ে বংশৰ উত্তৰাধিকাৰী পাবলৈ প্রৰল ইচ্ছাৰে যেতিয়া পুতেকক কাৰৌ কোকালি কৰে তেতিয়া ৰৰচেতিয়াও কেতিয়াবা বিচলিত হৈছিল। এদিন কংগ্রেছৰ কামত ছাঁৰ দৰে থকা সর্ব্বেশ্বৰ ৰৰদলৈক ক'লে , "ৰোপাটি , ক'ৰবাৰ পৰা আহোমৰ ছোৱালী এজনী আনি আইক ক'ৰৰ মন গৈছে 'এইজনী আপোনাৰ বোৱাৰী ' বুলি। সেইদিনা মাকৰ বেজাৰত পুতেকৰ চকুৰ পানীৰে বাট নেদেখা হৈছিল।

মনৰ আশা মনতে লৈ মাকে চকু মুদিলে। আজি ৰৰচেতিয়াও নাই। কিন্তু সর্ব্বেশ্বৰ ৰৰচেতিয়াৰ ত্যাগ, সেৱা আৰু নেতৃত্বই ৰাইজক এতিয়াও উদ্বুদ্ধ কৰে।

○○○

বিদ্যাধৰ শর্মা

১৮৯৮ চনৰ ৯ আগষ্টত যোৰহাট তৰাজানত জন্ম গ্ৰহণ কৰা বিদ্যাধৰ শর্মা ১৯২১ চনত কটন কলেজৰ স্নাতক মহলাৰ চতুর্থ বার্ষিকৰ ছাত্ৰ। মহাত্মা গান্ধীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাবলৈ কার্জন হলত অনুস্ঠিত কটনিয়ান আৰু যুৱ শক্তিৰ সভাত সৰ্ব্বপ্ৰথম বিদ্যা শর্মাই ঘোষণা কৰে , "মহাত্মা গান্ধীজীৰ আহ্বানৰ প্ৰতি সশ্ৰদ্ধ প্ৰণাম জনাই মই ঘোষণা কৰিলো – কাইলৈৰ পৰা মই কলেজলৈ নাযাওঁ।" যি ওলাল ওলালেই, আনুস্হানিক শিক্ষা ল'বলৈ ঘূৰি নগ'ল। "আসাম বিলাসিনী"ৰ প্ৰতিনিধি আৰু কটন কলেজৰ পৰা অসমৰ ছাত্ৰ প্ৰতিনিধি হৈ সেই বছৰতেই নাগপুৰত বহা কংগ্ৰেছত আৰু নিখিল ভাৰত ছাত্ৰ সম্মিলনত যোগ দান কৰে। ছাত্ৰ সম্মিলনত অসহযোগৰ প্ৰস্তাৱৰ সমর্থন কৰি ইংৰাজীত তেজ উতলা ভাষণ দিছিল। শর্মাৰ পিতৃ সেইকালৰ প্ৰসিদ্ধ পণ্ডিত তোয়ধৰ শর্মা। শৈশৱতে ঘাট-মাউৰা শর্মা ককায়েক বিদগ্ধ পণ্ডিত লক্ষীনাথ শর্মাৰ তত্বাৱধানত ডাঙৰ-দীঘল হয়।

শর্মাই কংগ্ৰেছৰ কামত কাৰামুক্ত হৈয়ে নিবিড়ভাৱে আত্মনিয়োগ কৰে বর্ত্তমান লাচিত বজাৰৰ ওচৰত মান্না কোম্পানীৰ ঘৰ এটা লৈ যোৰহাট জিলা কংগ্ৰেছৰ অফিছ স্হাপন কৰে কালক্ৰমত জিলা কংগ্ৰেছৰ সম্পাদক নির্বাচিত হৈ কংগ্ৰেছ সংগঠনত জীৱন পাত কৰে। ভাৰত সেৱক সমাজ, হিত সাধনা সভা, হৰিজনৰ সেৱা আদিত অৱিৰত ভাৱে ব্ৰতী আছিল। ১৯৩৯ চনত যোৰহাটৰ হৰিজন কলনীত এখন আৰু তৰাজানত এখন –দুখন নৈশ

বিদ্যালয় প্রতিস্ঠা কৰি সমাজৰ পিচপৰা শ্রেণীক নিজে শিক্ষাদান কৰে। দুখীয়া ছাত্রক সহায় কৰি শিক্ষা দান দিয়া শর্মাৰ অভ্যাস জীৱনৰ শেষ সময়লৈকে আছিল।

বিদ্যাধৰ শর্মা বিদ্যোত্যসাহী হোৱাৰ উপৰিও দেশ বিদেশৰ প্রসিদ্ধ গ্রন্হ সমূহৰ নিয়মীয়া পাঠক আছিল। বন্ধুমহলে তেওক 'বুদ্ধিজীৱী দৈত্য'(Intellectual giant) আখ্যা দিছিল। ইংৰাজী সাহিত্যৰ প্রতি তেওঁৰ স্বভাৱজাত অনুৰাগ আছিল। ইংৰাজী কৱিতা অসমীয়ালৈ অনুবাদ কৰিছিল। শর্মাই অসমীয়া সাহিত্যলৈ অনবদ্য ৰৰঙনি দি থৈ গৈছে। 'সংশ্রৱ বর্জন' 'জিলিঙনি' 'অগ্নিশিখা 'আৰু 'মলোৱাম ' তেওঁৰ প্রকাশিত পুথি। ইয়াৰ বাহিৰেও বহুত অপ্রকাশিত অৱস্হাত আছে। শ্রী মন্ত শঙ্কৰদেৱ মহাপুৰুষৰ 'টোটয়'ৰ আৰ্হিৰে অনুপ্রাস ছন্দত কৱিতা লেখা কৰি বোধকৰো আধুনিক অসমীয়া সাহিত্যত শর্মাৰ ব্যতিৰেকে কোনো নাই। তাৰে এটি ক্ষুদ্র উদাহৰণ

"মৰা আছে কপালত দাসত্বৰ চাব
চাব দেহি মুচি দিব কোনে ?
কোনে মুক্ত কৰে বাৰু শিকলিৰ বান্ধ
বন্ধা আছে সুদৃঢ় বান্ধোন
বান্ধোনত ভৱিষ্যত দেখে অন্ধকাৰ
অন্ধকাৰ জাতীয় মন্দিৰ।
মন্দিৰ চ'বাত নাই পতাকা স্বাধীন
স্বাধীনতা লুপ্ত জননীৰ " ইত্যাদি।

শিক্ষাব্রতী আৰু বিদ্যুত্যসাহী শর্মাই ১৯৫০ চনত তৰাজান হাইস্কুল আৰু ১৯৫৪ চনত মডেল ইন্সটিটিউশ্যন নামেৰে দুখন হাইস্কুল প্রতিষ্ঠা কৰে। শর্মাৰ পৰলোকৰ পাছত দেশনেতা কুলধৰ চলিহাৰ প্রস্তাৱ অনুযায়ী মডেল ইন্সটিটিউশ্যনৰ নাম বিদ্যাধৰ শর্মা মেমৰিয়েল হাইস্কুল নামকৰণ কৰি শর্মাৰ স্মৃতিত উৎসর্গিত কৰা হয়। বর্ত্তমান দুয়োখন বিদ্যালয়েই প্রাদেশিকৰণ হৈ চলি আছে। 'আসাম বিলাসিনী'ৰ লগত জড়িত থাকি শর্মা এজন প্রবীন সাংবাদিক আছিল। সঙ্গীতপ্রেমী শর্মা ছাত্রজীৱনৰ ফুটবল আৰু ক্রিকেটৰ খেলুৱৈ স্বৰূপে

সংগীত আৰু ক্রিৰাৰ প্রতি ধাউতি আজীৱন থাকি গ'ল। শর্মাৰ চিকাৰতো যথেষ্ট ৰাপ আছিল।

যোৰহাটৰ এইজন সৰবৰহী কংগ্রেছ সেৱক, দেশৰ স্বার্থক সদাই আগত ৰাখি সমাজসেৱা, দেশসেৱা, সাহিত্যসেৱাৰ আগশাৰীৰ নেতৃস্থানীয় লোকজন নিস্পেষিত জনতাৰ সদা-সতর্ক প্রহৰী আছিল। পাৰিৰাৰিক দৈন্যই সামাজিক সেৱাক কোনো কাহানিও ম্লান পেলাব পৰা নাছিল। শর্মাৰ বুদ্ধিদীপ্ত বক্তৃতাই ৰাইজক আন্দোলনৰ প্রতি সততে আকর্ষণ কৰিব পাৰিছিল। এইজন নিস্বার্থ-নেতৃস্থানীয় স্বাধীনতা সংগ্রামৰ অগ্রদূত ১৯৫৬ চনৰ ৩ ডিচেম্বৰ তাৰিখে তামিলনাড়ুৰ ভেলোৰ হাস্পতালত ইহলীলা সম্বৰণ কৰে।

০ ০ ০



লক্ষেশ্বৰ বৰুৱা

'ৰাষ্ট্রপতি' বুলি যিজন ব্যক্তি অসমত প্রসিদ্ধ সেইজনেই চাৰিগাঁৱঁৰ লক্ষেশ্বৰ বৰুৱা। বিয়াল্লিছৰ ভাৰত-ত্যাগ আন্দোলনত চাৰিগাওঁ মৌজাক 'স্বাধীন ৰাষ্ট্র' ঘোষণা কৰি নিজে 'ৰাষ্ট্রপতি' নির্বাচিত হৈ 'মন্ত্রীসভা' গঠন কৰি সংগ্রামৰ নেতৃত্ব দি অসমত আলোড়নৰ উর্মিমালাৰ জোৱাৰ তুলিবলৈ সাহস কৰিছিল। সেইজন মুক্তিযোদ্ধা ১৯২১ চনত কটন কলেজৰ স্নাতক মহলাৰ পৰা কলেজ ত্যাগ কৰি পুনৰ কলেজলৈ ঘুৰি নগ'ল। নিজৰ নাম প্রায় পাহৰি সকলোৱে 'ৰাষ্ট্রপতি' বুলিহে তেখেতক জানে। এবাৰ অসম কৃষি বিশ্ববিদ্যালয়ত সমাবর্ত্তন উৎসৱ। চাৰিগাঁৱঁৰ 'ৰাষ্ট্রপতি' নিমন্ত্রিত সকলৰ মাজত বহি আছে। মুখ্য অতিথি ৰাষ্ট্রপতি ফখৰুদ্দিন আলি আহমদ। মঞ্চত থিয় হৈয়ে চকু পৰিল বৰুৱাৰ ওপৰত। তৎক্ষণাত বৰুৱাক মঞ্চৰ ওপৰলৈ নি বহুৱাই ফখৰুদ্দিন চাহাবে ক'লে, "প্রকৃত ৰাষ্ট্রপতি এইজনহে।"

এই ৰাষ্ট্রপতিৰ জন্ম চাৰিগাঁৱঁত ১৯০১ চনত। পিতৃ সভাৰাম বৰুৱা। মাতৃ তৰা বৰুৱা। যোৰহাট চৰকাৰী বিদ্যালয়ৰ পৰা ১৯১৮ চনত প্রথম বিভাগত প্রবেশিকা পাছ কৰি কটন কলেজৰ পৰা আই-এছ-ছি পাছ কৰি বিজ্ঞানৰ স্নাতক মহলাত পঢ়ি থাকোতেই ১৯২১ চন আহিল। মহাত্মা গান্ধীৰ আহ্বানত কলেজ আৰু উচ্চ শিক্ষা ত্যাগ কৰি স্বাধীনতা সংগ্রামত ক্লান্তিহীন, বিশ্রামবিহীনভাৱে আত্মনিয়োগ কৰিলে। ১৯২১ চনত কাৰাগাৰৰ পৰা ৰাজকলি

হৈ কংগ্রেছৰ সংগঠন,মাদকদ্রব্য বর্জন আদি সাংগঠনিক কামত ব্রতী হয়। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত প্রধানতঃ কানি ববিহ্ নির্মূলকৰণৰ কাৰণে আত্মনিয়োগ কৰে। ১৯৪০ চনৰ সত্যাগ্রহত অংশ গ্রহণ কৰি গ্রেপ্তাৰ হয়। বৰুৱাৰ অতি সাহসিকতাৰ নিদর্শনেৰে জনসাধাৰণক স্তম্ভিত কৰাৰ লগতে উৎসাহ-উদ্দীপনাৰে যুৱ শক্তিক মৃত্যু বাহিনীত যোগ দিবলৈ মৃত্যু ভয় নাইকীয়া কৰিলে 'চাবিগাওঁ স্বাধীন ৰাষ্ট্ৰ' ঘোষণা কৰি। ভাৰত-ত্যাগ আন্দোলনৰ তীব্রতা যেতিয়া তুঙ্গত, চৰকাৰী নিপীড়ন যেতিয়া অমানুসিক স্তৰলৈ পর্য্যবসিত,সেইসময়তে লক্ষেশ্বৰ বৰুৱাই বিৰাট জনসভা এখনত চাবিগাৱঁক স্বাধীন ৰাষ্ট্ৰ বুলি ঘোষণা কৰিয়েই ক্ষান্ত থকা নাছিল,এখন কেবিনেট পর্যায়ৰ 'মন্ত্রী-সভা'ও গঠন কৰি দপ্তৰসমূহ বিতৰণ কৰি দিছিল। ৰাইজৰ সর্বসম্মত সিদ্ধান্ত অনুযায়ী নিজক 'ৰাষ্ট্রপতি'স্বৰূপে ঘোষণা কৰা হৈছিল। এই স্বাধীন ৰাষ্ট্ৰ ঘোষণাতে আৱদ্ধ থকা নাছিল। বিভিন্ন দপ্তৰ অনুযায়ী কার্যসূচী প্রণয়ন কৰি ক্রম অনুসৰি কামৰ ভাগ কৰি দিয়া হৈছিল। কিন্তু কার্য্যসূচী বাস্তবায়িত কৰিবলৈ আৰম্ভ কৰোতেই সকলো মন্ত্রীয়ে আত্মগোপন কৰিব লগীয়া হ'ল। গোপন ইস্তাহাৰে সামৰিক যোগান বন্ধ কৰাৰ প্রচেষ্টা চলালে। তেনেসময়তে 'ৰাষ্ট্রপতি' বৰুৱাক গ্রেপ্তাৰ কৰি যোৰহাট কাৰাগাৰত নিৰাপত্তা বন্দী কৰি প্রায় আঢ়ৈবছৰৰ পাছত ১৯৪৫ চনৰ এপ্রিল মাহত মুক্তি দিয়ে।

স্বাধীনোত্তৰ কালত ১৯৪৮ চনত বৰুৱা গাওঁ উন্নয়ন বিষয়া হিচাবে নিযুক্তি পায়। দেশ গঢ়াৰ মানসেৰে গ্রামোন্নয়ন বিষয়া স্বৰূপে গাওঁ সমূহত পঞ্চবার্ষিক পৰিকল্পনাৰ জৰিয়তে নিপুণতা আৰু নিষ্ঠাৰে চাকৰি কৰি যথাসময়ত অৱসৰ গ্রহণ কৰে। ১৯২১ চনৰে পৰা কংগ্রেছৰ জৰিয়তে গাওঁ সংগঠনত ব্যস্ত থাকি চৰকাৰী গ্রামোন্নয়ন বিষয়া পদবীত 'ৰাষ্ট্রপতি' জনসাধাৰণৰ মনৰ মানুহ হিচাবে পৰিগণিত হ'ব পাৰিছিল।

নিয়মীয়া ওখ, নিপোটল দেহাৰে সমাজক জিনি যোৱা গলগলীয়া মাতেৰে কথা বহুৱাব পৰা 'ৰাষ্ট্রপতি' ১৯৯০ চনৰ ১১ জানুৱাৰীৰ দিনা শেষ নিশ্বাস ত্যাগ কৰে।

○○○

শশীধৰ মলিয়া বৰুৱা

নিয়মীয়া ওখ, আটিল শকত, হাতৰ আঙুলিৰে চুলিখিনি ফনিয়াব পৰাকৈ চুটিকৈ কটা , কলাফুলত পৰাকৈ নিজ হাতে কটা সূতাৰ খোৰ মবা চুৰিয়া, বনিয়নটোকে হাত দুটা কিলাকুটিলেকে দীঘলকৈ বখা দুয়োফালে তলজেপ আৰু বুকুজেপ থকা চোলা, কান্ধত চাতি মাৰি লোৱা চাদৰখনেৰে বুদ্ধি দীপ্ত চকুহালেৰে গম্ভীৰ মানুহজনেই শশীধৰ মলিয়া বৰুৱা । মানুহজনক দেখিলেই যথেষ্ট দেহা আৰু মনে পবিশ্রম কৰিব পৰা যেন লাগে । এই মানুহজনৰ জেপত টাকুৰী আৰু পাঁজি সদায় থাকে । মানুহৰ ঘৰতে হওঁক বা সভা-সমিতিতে হওঁক বহিলেই টাকুবীত সূতা কাটি কথা হব পাৰে । গোটেই জীৱনটো নিজ হাতে সূতা কাটি কাপোৰ পিন্ধিলে । নিজে খেতি কৰি সম্পূর্ণ স্বাৱলম্বী হৈ জীৱন কটালে ।

এইজন মলিয়া বৰুৱা চাওখাট মৌজাৰ ঢেকিয়াখোৱা গাঁৱত ১৯০১ চনত জন্ম । পিতৃ ৰামচৰণ এজন প্রকৃত বৈষ্ণৱ আছিল । ১৯০৭ চনত গাঁৱৰে পঢ়াশালীত নাম লগায় । কাকজান চৰকাৰী ইংৰাজী বিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীর্ণ হৈ যোৰহাটৰ বেজবৰুৱা হাইস্কুলত দশম শ্রেণীত পঢ়ি থাকোতেই ১৯২১ চনৰ প্রথম স্বাধীনতা সংগ্রামত শিক্ষা বিসর্জন দি আন্দোলনত জপিয়াই পৰে । তিনিমাহ সশ্রম কাৰাদণ্ড ভোগে । তাৰ পাচত কংগ্রেছৰ সংগঠনৰ কামত আত্মনিয়োগ কৰি মনে প্রাণে, হাতে-কামে মহাত্মা গান্ধীৰ অহিংস

ব্রতত দীক্ষিত হয়। সংগঠনৰ কামত ব্রতি হৈ যোৰহাট জিলা কংগ্রেছৰ সম্পাদক স্বৰূপে ও কার্য্যনির্বাহ কৰে। অসম কানি নিবাৰণ তদন্ত কমিটিৰ সদস্য হৈ কানি ববিহ নির্মূল কৰা আন্দোলনত ক্লান্তিবিহীন ভাৱে অবিহনা আগ বঢ়ায়। ১৯২৬ চনৰ পাণ্ডু কংগ্রেছতো যথাসাধ্য সেৱাৰ অধিবেশনৰ সফলতাত ৰঙণি দিয়ে। ১৯৩১ চনৰ আইন অমান্য আন্দোলনত ৬ মাহ সশ্রম কাৰাবাস খাটে।

১৯৩৪ চনত মহাত্মা গান্ধীক দ্বিতীয় বাৰ দর্শন আৰু যোৰহাটত থকা কেইদিন সেৱা কৰাৰ সুবিধা পায় মলিয়া বৰুৱাৰ মহাত্মাজীৰ বর্ণ-নীতিৰ প্রতি বিশ্বাস আগতকৈও দৃঢ় হ'ল। সেইবাবে মহাত্মাজী হৰিজন আন্দোলন ব্যাপকতৰ কৰাৰ উদ্দেশ্য লৈ ভ্রমণ কৰিছিল। মলিয়া বৰুৱা হৰিজন আন্দোলনত আত্মনিয়োগ কৰিলে। লগে লগে নিখিল ভাৰত শিপিনি সংঘৰ লগত নিবিড়ভাৱে জৰিত হৈ পৰে। শিপিনী সংঘৰ চাওখাটে শাখা নিজৰ ঘৰৰ ওচৰতে প্রতিষ্ঠা কৰে। শিপিনী সংঘৰ কাৰণে প্রয়োজনীয় যঁতৰ, নেওঠনী, মধ্যম পিঞ্জল (ধেনু) আদি স্থানীয় ভাৱে বগীৰাম মিস্ত্রীৰ হতুৱাই নিজৰ তত্বাবধানত সজাইছিল। চাওখাট মৌজাৰ সকলো গাঁৱৰ মহিলা আহি শিপিনী সংঘত সহযোগ কৰিছিল। এই কামৰ জৰিয়তে মলিয়া বৰুৱাই আপ্রান চেষ্টাৰে স্বাধীনতা সংগ্রামৰ কাৰণে মহিলাসকল সহযোগ আদায় কৰাৰ লগতে গঠন মূলক কামৰ প্রশিক্ষনো দিছিল। প্রয়াত মুখ্যমন্ত্রী বিমলাপ্রসাদ চলিহাই বিহাৰত প্রশিক্ষণ লৈ তেজপুৰৰ পদ্মকান্ত গোস্বামীক নিজে প্রশিক্ষণ দি চাওখাট কেন্দ্রলৈ পঠায়। গোস্বামী তিনি মাহ কেন্দ্রত থাকি পুৰুষ-মহিলা সকলোকে প্রশিক্ষণ দিয়ে। এই দৰে গোটেই যোৰহাটতে খাদী প্রচলনৰ কাম মলিয়া বৰুৱাৰ যত্নত জনপ্রিয় হৈ উঠে।

১৯৩৫ চনত অসম ৰাষ্ট্রীয় সম্মিলন সাত দিনিয়াকৈ মলিয়া বৰুৱাৰ ঘৰৰ কাষতে তেখেতৰ চেষ্টাতে অনুষ্ঠিত হৈছিল। ৰাজ্যিক ৰাষ্ট্রীয় সম্মিলন গাঁৱত পতা সেইখনেই প্রথম আছিল। সভা-থলীৰ নাম দিয়া হৈছিল 'ৰোহিনী কান্ত হাতীবৰুৱা লগৰ' মলিয়া বৰুৱা অবার্থনা সমিতিৰ সভাপতি নির্বাচিত হৈ গাওঁ অঞ্চলত ৰাইজৰ অফুৰন্ত সহযোগত এই বিৰাট সভা সফল কৰি তুলিছিল। প্রতি ৰাতি একাধিক ভাওনা অনুষ্ঠিত হৈছিল। মলিয়া বৰুৱা অবিস্বাস্য সংগঠন শক্তিৰ ফলতে এই বিৰাট কাম সম্ভৱ হৈছিল।

১৯৩৭ চনৰ সীমিত ভোটাধিকাৰৰ ভিত্তিত হোৱা ব্যৱস্থাপক কাউন্সিলৰ প্ৰথম নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী হৰিজন বন্ধু কৃষ্ণ নাথ শৰ্মাক জয়যুক্ত কৰাত মলিয়া বৰুৱাৰ প্ৰভূত ৰবঙণি অনস্বীকাৰ্য্য। ১৯৩৮ চনত মলিয়া বৰুৱা যোৰহাট জিলা কংগ্ৰেছৰ সম্পাদক নিৰ্বাচিত হয়। সেই একে বছৰতে হোৱা লোকেল বৰ্ডৰ নিৰ্বাচনত যোৰহাটৰ ভিতৰতে সৰ্বাধিক ভোট পাই নিৰ্বাচিত হয়।

১৯৪২ চনত মলিয়া বৰুৱা পুলিছৰ অত্যাচাৰৰ বলী হৈ টীয়কত ১০ ছেপ্টেম্বৰত গ্ৰেপ্তাৰ হয়। ৭ মাহ হাজোতী হৈ থাকি বিচাৰত ২ বছৰ কাৰাদণ্ড হয়। যোৰহাট কাৰাগাৰত ১৯৪৩ চনৰ ২৪ ফেব্ৰুৱাৰীত হোৱা অনাহক আৰু অপ্ৰবোচিত লাঠি চালনাত মলিয়া বৰুৱা বেয়াকৈ আঘাত পায় আৰু মূ�ৰ ফাটে। অলপ দিনৰ পাচতে তেওঁক চিলেট জেললৈ স্থানান্তৰ কৰে। এই আঘাততে তেখেতে দৃষ্টি শক্তি হেৰুৱায়। ১৯৫৮ চনৰ জুনত (৫ জেঠ) পৰলোক হয়।

শশীধৰ মলিয়া বৰুৱা পৰিপাটী, নিয়মানুবৰ্তীতা, ৰসিক, মহাত্মাজীৰ একাদশ ব্ৰত আৰু গঠনমূলক কামৰ আঁচনিত গভীৰ আস্থা থকা এজন নেতা আছিল। মাতৃ ভাষাৰ উপৰিও ইংৰাজী আৰু হিন্দীত সলসলীয়াকৈ সুন্দৰ ভাষণ দিব পাৰিছিল। 'বাসনা' নামেৰে এখন মাহেকীয়া আলোচনী হাতে লিখাকৈয়ে প্ৰচলন কৰিছিল।

○○○

গঙ্গাঁধৰ বৰকটকী

ওখই ৬ ফুট ৩ ইঞ্চি, বুকুৰ চাতি ৫২ ইঞ্চি , ভৰিত ১৩ নম্বৰী জোতাত ছুটীহে হয় । বিৰাট কপু , ২৮ ইঞ্চি ওখ চাইকেল এখনত উঠি কংগ্রেছ সংগঠন আৰু বৰকটকী কোম্পানীৰ ব্যৱসায়ত তাকুৰী ঘুৰা দিয়া মানুহজনেই বালিগাঁৱঁৰ বিখ্যাত বৰকটকী পৰিয়ালৰ গঙ্গাঁধৰ বৰকটকীৰ জন্ম হয় ১৮৭৬ চনত ।বৰকটকী কোম্পানী আৰু অন্নদা প্রিন্টিং প্রেছ যোৰহাটৰ কংগ্রেছ কর্মীসকলৰ কাৰণে ১৯৩৭ চনলৈকে 'কার্য্যালয়' হিচাবে ব্যৱহৃত হৈছিল। এই প্রেছৰ পৰাই 'ৰাইজ' নামেৰে এখন বাতৰি কাকত প্রকাশ হৈছিল । ৰাইজে কংগ্রেছৰ সদনকে আদি কৰি স্বাধীনতা সংগ্রাম আৰু ১৯৩৭ চনৰ প্রথম নির্বাচনৰ প্রভূত সহায় কৰিছিল । যোৰহাট নগৰৰ মাজমজিয়াত অৱস্থিত এই প্রতিষ্ঠান দুটাই সকলো কংগ্রেছ কর্মীৰ কাৰণে খৰৰ দিয়া আৰু লোৱাৰ কেন্দ্র হোৱাৰ উপৰিও সৰুসুৱা সভা-সমিতিও ইয়াতে হৈছিল । সেইকাৰণে গঙ্গাঁধৰ বৰকটকীও যোৰহাটট কংগ্রেছৰ অপৰিহার্য্য ব্যক্তি আছিল । তেওঁক সর্বসাধাৰণে 'দাদি' বুলি সম্বোধন কৰিছিল ।

১৯৩০ চনচ মদন মোহন মালব্যজীৰ সভাপতিত্বত হোৱা দিল্লী কংগ্রেছ চৰকাৰে নিসিদ্ধ কৰি কংগ্রেছক বে-আইনী ঘোষণা কৰে । অধিবেশনলৈ যোৱা প্রতিনিধিক ৰেলৰ ষ্টেচনতে গ্রেপ্তাৰ কৰা হয় । যোৰহাটৰ পৰা যোৱা কৃষ্ণ নাথ শর্মা আৰু গঙ্গাঁধৰ বৰকটকীক দিল্লীতে গ্রেপ্তাৰ কৰি অস্থায়ী

কাৰাগাৰত ৰাখে। ১৯৩১ চনত যোৰহাটৰ জীমখানা ক্লাৱত লৰ্ড আৰউইনক ক'লা পতাকা দেখুৱাই "আৰউইন গ' বেক ' অভিযানত আগশাৰীত নেতৃত্ব দিছিল জননায়ক দেৱেশ্বৰ শৰ্মা আৰু বিপ্লৱী বীৰ শঙ্কৰ বৰুৱাই পাচৰ শাৰীত গুৰি ধৰিছিল ভীমকায় গঙ্গাধৰ বৰকটকীয়ে।

১৯৩৪ চনত মহাত্মা গান্ধীয়ে,হৰিজন বন্ধু কৃষ্ণ মামাৰ ঘৰুৱা গোঁসাইঘৰ হৰিজনৰ কাৰণে মুকলি কৰা অনুস্হানত আৰু সেই উপলক্ষে আয়োজিত নামত বৰকটকীয়ে সম্পূৰ্ণ সহযোগ কৰিছিল। অন্যান্যসকলৰ লগতে গঙ্গাধৰ বৰকটকীয়ো 'অচ্যুত্য ' আখ্যা দি সমাজচ্যুত কৰিছিল। বৰকটকী সমাজ বিবৰ্জিত হৈ থকাৰ সময়ৰ বহুতো আমোদজনক ঘটনা সংগঠিত হৈছিল --স্হানীয় এখন বিয়ালৈ যাওঁতে বৰকটকী ৰভা তলত ভৰি দিওঁতেই বাকী মানুহ বিয়াঘৰ ত্যাগ কৰি গুছি গ'ল। তেওঁ বিয়া খাই ঘূৰি যাওঁতে লগপোৱা মানুহক ক'লে , "মই বিয়া খাই আহিলো। আপোনালোকে খাওকগৈ।" এই কথাষাৰৰ অর্থ 'বৰকটকীয়ে আমাক উশ্বিষ্ট খাবলৈ কৈছে ' বুলি সুকীয়া এটা প্রতিকুল পৰিস্হিতিৰ সৃষ্টি কৰি তেখেতক সমাজৰ চকুত হেয় প্রতিপন্ন কৰিবলৈ কৰা. চেষ্টা কৰা বৰকটকীয়ে হেলাৰঙে আৰু তেওঁৰ স্বভাৱগত ৰসিকতাৰে প্রতিহিত কৰিছিল। তেওঁৰ অবয়ব যেনেকৈ বিৰাট , ব্যক্তিগতো তেনেকৈ গাম্ভীর্য্যপূর্ণ আৰু সতকাই আসৈ নোপোৱা আছিল। মুক্তি সংগ্রামীয়ে ৰক্ষণশীলতাৰ লগত আপোচ নকৰে।

এইজন নেতৃস্হানীয় মুক্তি যোদ্ধাই ১৯৫৫ চনৰ ১৪ আগষ্টত জীৱন নাটৰ জৱনীকা পেলায়।

অন্নদা দেৱী বৰকটকী :- তেখেতৰ সুযুগ্যা সহধর্মিনী। এখেতো এগৰাকী মুক্তিযোদ্ধা হৈয়ো মহিয়সী মহিলা। প্রাথমিক পর্য্যায়ৰ শিক্ষা লৈ স্বামীৰ অনুপ্রেৰণাত এগৰাকী সুবক্তা আৰু প্রসিদ্ধ লেখিকা হোৱাৰ উপৰিও সমাজ সংস্কাৰৰ লগতে স্ত্রী শিক্ষাৰ প্রতিষ্ঠিতা প্রবক্তা। নিজে সুতা কাটি বোৱা-কটাত এগৰাকী পাকৈত শিপিনী। বালিগাওঁ মাতৃ মন্দিৰ, বালিগাওঁ মহিলা সমিতি, জয়মতী আদর্শ প্রাথমিক, জয়মতী মাধ্যমিক বিদ্যালয় আদিৰ লগত ওতঃপ্রোত ভাৱে জড়িত। আইনাম আৰু বিয়ানাম এই দুখন তেখেতৰ প্রকাশিত গ্রন্হ।

○○○

মহেশ্বৰ বৰকটকী

পীড়াকটাৰ মহেশ্বৰ বৰকটকী বুলিলে নিচিনা-নজনা মানুহ এই যোৰহাটত নাই। এইজন নেতৃস্হানীয় কংগ্রেছ সেৱকে বহুতো লোকক স্বাধীনতা সংগ্রামত জড়িত কৰিলে , সৃষ্টিধর্মী মেধাৰে মুক্তি-যুদ্ধত বহুতো কৌশল উদ্ভাৱন কৰি কংগ্রেছ সংগঠন আৰু স্বাধীনতা সংগ্রামক তেজী গতিবেগ দিলে। বৰকটকীৰ এটা উদ্ভাৱনী শক্তিৰ উদাহৰণ :- কংগ্রেছ সভাপতি পণ্ডিত জৱাহৰলাল নেহৰু কাকজানলৈ গ'ল। য'ত সভাখন পাতিব লাগে তাত মুকলি চাপৰি নাই। ৰাইজ বিবুদ্ধিত পৰিল। বৰকটকীয়ে চিন্তা কৰি ৰাইজক অভয় দিলে আৰু ওচৰতে এটা পুখুৰীৰ ওপৰত চাং সজালে। চাঙলৈ যাবলৈ দলং এখন দিলে। সমবেত জনতাই, আনকি পণ্ডিত নেহৰুৱেও এই অভিনৱ কৌশল প্রশংসা কৰিলে। এনে ধৰণৰ সন্ধিৰ বাহ বুদ্ধিৰে কটা অনেক ঘটনাৰ মাত্র এটাহে উল্লেখ কৰা হ'ল।

বৰকটকীৰ জন্ম হয় ১৮৯০ চনৰ জুন মাহত। পিতৃ খেতেকেশ্বৰ বৰকটকী নামজ্বলা বেজ আছিল বাবে 'খেতোবেজ 'নামেও পৰিচিত।

১৮৯৭ চনত পীড়াকটা পঢ়াশালীত নাম লগায়। যোৰহাট বেজবৰুৱা হাইস্কুলৰ পৰা সুখ্যাতিৰে এণ্ট্রেন্স পাছ কৰি কটন কলেজৰ পৰা এম- এ পৰীক্ষাত উত্তীর্ণ হৈ শিক্ষা সাং কৰে। যোৰহাট মিচন হাইস্কুলত শিক্ষকতা কৰে ইংৰাজ মিচনাৰীসকলৰ লগত বৰকটকী খাপ খাব নোৱাৰি তিনিমাহৰ মুৰতে

পদত্যাগ কৰে। সহকর্মী কেইজনমানৰ সহায় লৈ মৰাণত এখন হাইস্কুল প্রতিষ্ঠা কৰে। আদর্শৰ সংঘাত হোৱাত তাৰ পৰা গৈ নাজিৰা হাইস্কুলত শিক্ষকতা কৰি থাকোতেই ১৯২১ চনৰ অহিংস অসহযোগ আন্দোলনে ৰৰকটকীক ৰৰকৈ কোৱালে। শিক্ষকতাৰ পৰা অব্যাহতি লৈ আন্দোলনত দেহ মন সপি দিলে। ডেৰমাহ সশ্রম কাৰাবাস খাটি তেওঁ কানি নিবাৰণত ব্যস্ত হৈ পৰে। ১৯২৪ চনত কানি নিবাৰণী কমিটীৰ সদস্য নির্বাচিত হয়। মাদক দ্রব্য নিবাৰণত অৱর্ণনীয় লাঞ্ছনা -গঞ্জনা সহ্য কৰিও তেওঁ অক্লান্ত পৰিশ্রমেৰে এই কামত আত্মনিয়োগ কৰে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰোতে আৰু কানিংহাম চার্কুলাৰৰ প্রতিবাদত পিকেটিং কৰোতে ৩ মাহ ফাটেক খাব লগীয়া হয়।

১৯৩৭ চনৰ নির্বাচনত কংগ্রেছ প্রার্থী কৃষ্ণ নাথ শর্মাৰ হকে নিৰ্ব্বাচনী প্রচাৰত ৰৰকটকীয়ে প্রতিকুল পৰিস্থিত চম্ভালাৰ অনেক আমোদজনক কাহিনী ৰাইজৰ মাজত বর্ত্তমানো অতীত ৰোমন্থনত বখানা হয়। এবাৰ প্রতিদ্বন্দী প্রার্থী সুৰেন্দ্রনাথ বুঢ়াগোহাইক ভোট দিব বুলি এখন গাৱঁত কৃষ্ণ মামা আৰু ৰৰকটকী ৰাতি থাকিব লগা হ'ল। ৰাতি গঙ্গাউকীলৰ পুতেক কৃষ্ণকান্ত মামা ৰৰকটকী ৰাতি থাকিব লগা হ'ল। ৰাতি গঙ্গা উকীলৰ পুতেক কৃষ্ণ শর্মা আৰু খেতোৰেজৰ পুতেক মহেশ্বৰ ৰৰকটকী বুলি চিনাকী দিয়াত মানুহঘৰেই নহয় , গাওঁখনৰ ৰাইজেও কংগ্রেছ প্রার্থীক ভোট দিয়াৰ সিদ্ধান্ত কৰিলে

প্রত্যুৎপন্নমতি আৰু ৰসিকতাৰ ভান্ডাৰ আছিল ৰৰকটকী। ১৯৩৮ চনত হোলোঙাপাৰ মৌজাৰ পৰা যোৰহাট লোকেল বর্ডলৈ সদস্য নির্বাচিত হয়। ১৯৪০ চনত তিনিবাৰ পীড়াকটা , নকচাৰী আৰু যোৰহাট নগৰত সত্যাগ্রহ কৰি তিনিওবাৰ গ্রেপ্তাৰ হৈ প্রতিবাৰতে এদিনকৈ ফাটেক হয়। সত্যাগ্রহ আন্দোলনত ক্লান্তিহীন ভাৱে ঘূৰোতে তেখেত হাপানি ৰোগত আক্রান্ত হয়। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত দিনে ৰাতিয়ে অৱিশ্রান্ত ভাৱে ৰুগীয়া দেহাৰেই ঘূৰাত স্বাস্থ্যৰ অধিক অৱনতি হয়। ডিচেম্বৰ মাহত ৰৰকটকীক গ্রেপ্তাৰ কৰি যোৰহাট কাৰাগাৰত আটক বন্দী কৰি ৰাখোতে তেখেতে অসুস্হতাৰ কাৰণে এসন্ধ্যাহে আহাৰ কৰিছিল। স্বাস্থ্য কাৰাগাৰৰ ভিতৰতে ইমান বেয়া হ'ল যে আহাৰকে খাব নোৱাৰা হ'ল। অৱশেষত তেখেতক বিনাচর্তে মুক্তি দিয়ে।

ভগ্ন স্বাস্থ্যৰে মুকলি হৈ তেখেত অকর্মন্য হৈ পৰে। ইফালে বৃহৎ পৰিয়ালৰ পৰা ১৯৩২ চনতে বেলেগ কৰি দিয়ে। ভাগত মাত্র ৫ বিঘা

মাটিৰ খেতিয়েই উপার্জন। ভাটী বয়সত পানীত হাঁহ নচৰা অৱস্থা। ৰাইজে খেৰ-বাহ সংগ্রহ কৰি সাজি দিয়া জুপুৰী এটাতে থাকে। তাতে থাকি কাকজান হাইস্কুল প্রতিষ্ঠাৰ কামত দিনে-ৰাতিয়ে খাটে। ঢেকীয়াখোৱাত সাতদিনীয়াকৈ হোৱা ৰাষ্ট্রীয় সম্মিলনত গোটেই অঞ্চলটোৱেই মুক্তি ৰণৰ দুর্গত পৰিণত কৰিছিল। ৰৰকটকীৰ শত্রু নাই কাৰণে গুণমুগ্ধ ৰাইজৰ উদাৰতাত এই নির্য্যাতিত পৰিয়ালটো অনাহাৰত মৃত্যুৰ মুখত নপৰাকৈ বাচি আছিল।

১৯২৭ চনত ৰৰকটকীৰ বিবাহ হয়। লাহিং মৌজাৰ মৌজাদাৰৰ একমাত্র জীয়ৰী শ্রীমতী ডিম্বেশ্বৰী সহধর্মিনী হৈ পৰিয়ালৰ প্রতি 'ভোলানাথ' স্বামীক অশেষ কষ্টৈৰে ৰাজহুৱা কামত উদগনি দিছিল। ১৯৫২ চনত ৰবপুত্র কার্তিকৰ অকাল মৃত্যুৱে ৰোগাক্রান্ত ৰৰকটকীক ম্রিয়মান কৰে। ১৯৫৩ চনত তেখেতে শেষ নিশ্বাস ত্যাগ কৰে।

ৰৰকটকীয়ে দিনে সূতা কটা, উপাসনা কৰা, গীতা পাঠ জীৱনত এদিনো ক্ষতি কৰা নাছিল। সত্য, অহিংসা, সাহস, ধৈর্য্যৰে তেখেত আধ্যাত্মিক ভাৱেৰে স্হিতপ্রজ্ঞতাৰে নিজেও চৰম ত্যাগী হৈ আনকো ত্যাগৰ আদর্শেৰে উদ্বুদ্ধ কৰিছিল। ৰৰকটকীয়ে প্রকৃত সত্যাগ্রহী স্বৰূপে কংগ্রেছৰ সেৱাত আত্মোৎসর্গ কৰিছিল। দৰিদ্রতাৰ নিষ্ঠুৰতাক আৰু পাৰিবাৰিক দায়বদ্ধতাক নেওচি দেশসেৱাত ব্রতী হোৱাৰ যুগমীয়া নিদর্শন মহেশ্বৰ ৰৰকটকী।

○ ○ ○

মোহন চন্দ্র মহন্ত

কৰঙাৰ তেলপানী সত্রৰ অধিকাৰ যাদৱ গোঁসাইৰ ৰৰপুত্র মোহন চন্দ্র মহন্ত ১৯০৩ চনত জন্ম গ্রহণ কৰি কাৰাবাস নখটাকৈ অসমত যি কেইজন মহত্যলোকে মুক্তি যুঁজাৰুৱৰ আখ্যা পাইছিল সেইকেইজনৰ অন্যতম। গ্রেপ্তাৰ বা কাৰাদন্ড হোৱা নাছিল সঁচা, কিন্তু মহন্তৰ জীৱন যোৱা সাধনা আছিল স্বাধীনতা সংগ্রামত জড়িত হৈ ভাৰত মাতৃৰ শৃঙ্খল মোচন কৰা। এই প্রয়াসত মহন্তই দৰিদ্রতা আৰু প্রতিকুল পৰিবেশৰ বিপক্ষে কৰা যুঁজখনেই তেওঁৰ জীৱন সংগ্রাম, মাতৃৰ মুক্তি সংগ্রাম।

প্রাথমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত বৃত্তি পাই গোলাঘাট বেজবৰুৱা হাইস্কুলত পঢ়ি থকা সময়ত স্কুল এৰি ১৯২১চনৰ আন্দোলনত ব্যস্ত হৈ পৰিল নদিয়াত সংস্কৃত পঢ়াৰ ইচ্ছা পিতৃ বাক্য সাৰোগত কৰি বাদ দি ১৯২৪ চনত সংস্কৃত আৰু বুৰঞ্জীত 'লেটাৰ' লৈ সুখ্যাতিৰে প্রৱেশিকা পৰীক্ষাত বৃত্তি লৈ উত্তীর্ণ হয়। কটন কলেজত পঢ়োতে টকৌবাৰীৰ পৰা অহা-যোৱা কৰি পঢ়িছিল মহন্তৰ বৈষ্ণৱ সাহিত্যৰ গৱেষণা জীৱনৰ সাধনা আছিল। স্নাতক-মহলাৰ তৃতীয় বার্ষিকতে বুৰঞ্জী বিষয়ৰ 'অনার্চ'ৰ 'চেমিনাৰ'ত 'মনষ্টাৰিজম এন্ড সত্র চিষ্টেম অৱ আসাম' নামৰ প্রৱন্ধ লেখি বিদ্যুত্য মন্ডলীৰ প্রশংসাৰ পাত্র হৈছিল। ১৯২৮ চনত 'অনার্চ' সহ স্নাতক হয়। ইচ্ছা থাকিলেও উপায় নোহোৱাত কলিকতাত স্নাতকোত্তৰ পঢ়াৰ আশা বাদ দি আহিন কলেজত অধ্যয়ন কৰি সোণাৰাম হাইস্কুলত শিক্ষকতা কৰে। ১৯৩০

চনৰ কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত শিক্ষক চাকৰিৰ পৰা পদত্যাগ কৰে। ইয়াৰ পাচতে'সাদিনীয়া অসমীয়া'ৰ সহকাৰী সম্পাদক হৈ কাৰ্য্যনিৰ্বাহ কৰে। ১৯১৭ চনতে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত এই কাকতে মহন্তক "দেশপ্ৰেমৰ ভাৰ শিকালে"বুলি নিজে স্বীকাৰ কৰিছে। এই কাগজত ১৯৩০ চনৰ ২৬ জানুৱাৰী সংখ্যাত "আলহী গৱৰ্ণমেণ্ট" আৰু পাচত "জেলত গ্ৰহণী হ'ল " শিৰোনামাৰ সমালোচনামূলক প্ৰৱন্ধ লেখোতে চৰকাৰী ৰোষত পৰি কাকত প্ৰকাশ বন্ধ হয়। চন্দ্ৰকুমাৰ আগৰৱালাৰ উদাৰ সহায়ত তিনিদিনীয়া আৰু সাপ্তাহিক দুয়োখনেৰে সম্পাদক, প্ৰকাশক আৰু মুদ্ৰকৰ ভূমিকাত অবতীৰ্ণ হৈ কাকত প্ৰকাশ কৰে। ১৯৩১ চনৰ আগষ্টত কাকত এৰি যোৰহাটত ওকালতি আৰম্ভ কৰে।

১৯৩৫ চনত কৰঙাত মহন্তৰ উদ্যোগত কৃষক সভা আৰ ৰায়ত সভাৰ আয়োজন বিৰাট পয়োভৰে কৰা হ'ল। মহন্ত অভ্যৰ্থনা সমিতিৰ সভাপতি নিৰ্বাচিত হ'ল। সেই বছৰত বানপানীৰ কাৰণে টকাত আঠ অনা খাজনা মাফ, মাদক দ্ৰব্য বৰ্জন, কানিৰ নিৰ্মূলকৰণ , বিলাতী বস্ত্ৰ বৰ্জন অভিযানত মহন্তই একেদৰে একাণপতীয়াকৈ আত্মনিয়োগ কৰে। খাজনা মাফৰ আন্দোলনত জয়যুক্ত হয়। ১৯৩৮ চনত কাটনি মৌজাৰ পৰা যোৰহাট লোকেল বৰ্ডলৈ নিৰ্বাচিত হৈ কংগ্ৰেছ দলৰ দলপতি নিৰ্বাচিত হয়। যোৰহাট জিলা কংগ্ৰেছৰো সম্পাদক হৈছিল। পুনৰ পিতৃ বাক্য মানি এই পদ এৰি দিছিল।

মোহন চন্দ্ৰ মহন্ত এজন চিন্তাশীল লেখক। বৈষ্ণৱ সাহিত্যৰো এজন অনুসন্ধিত্যসু গৱেষক। নিভীকতা তেওঁৰ লেখনীৰ বৈশিষ্ট্য। দৰিদ্ৰতাৰ সৰ্বগ্ৰাসী প্ৰচন্ডতাই তেওঁৰ বিশ্বাস আৰু কলম বন্ধ কৰিব পৰা নাছিল। নিজৰ বুলিবলৈ ঘৰ এটিও মহন্তৰ নাছিল। তেনেকৈয়ে সমাজৰ আৰু সমাজৰ কল্যাণৰ অৰ্থে কলম চলাই গৈছিল। অমিয় কুমাৰ দাস সম্পাদিত 'অসমীয়া'ত ১৯২৪-২৫ চনৰে পৰা ' অসমীয়া সঙ্গীত কথা : মৃদঙ্গীয়া গায়ন-বায়ন' শিৰোনামাৰে এলানি প্ৰৱন্ধ প্ৰকাশ কৰি ,সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সেই প্ৰৱন্ধ লানি 'বাহী'ত পুনৰ প্ৰকাশ হৈছিল। মহন্তৰ শিক্ষাগুৰু ডঃ সূৰ্য্যকুমাৰ ভূঞা আকৰ্ষিত হৈ সাঁচিপতীয়া পুথি অধ্যয়ন আৰু পুনৰ লেখনীত নিযুক্ত কৰিছিল। সাময়িক সমস্যাৰ ওপৰত গঠনমূলক পৰামৰ্শৰে প্ৰৱন্ধ লেখি সংশ্লিষ্ট সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল।

এইজন ধর্মপ্রাণ লোক জীৱনৰ বিয়লি বেলাত গুৱাহাটীৰ গীতা নগৰৰ ৰৰপুত্ৰৰ ঘৰত থাকি দিনে ১৬ ঘণ্টালৈকে অধ্যয়নত ব্যস্ত আছিল। দৃষ্টি শক্তি ম্লান হ'লেও কষ্ট কৰি পঢ়া-শুনা কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ 'ভক্তি ৰত্নাকৰ' খন সম্পাদনা আৰু সংকলন কৰি প্ৰকাশ কৰিলে। জীৱনৰ শেষ সময়লৈকে মাধৱদেৱ পুৰুষৰ 'নামঘোষা' পুনৰ সংকলনৰ কামত ব্যস্ত আছিল। সত্ৰীয়া সংস্কৃতিৰ ওপৰত অনেক প্ৰবন্ধেৰে মহন্তই অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়ালে। অসম সত্ৰ সংঘৰ লগতো তেওঁ নিবিড় ভাৱে জড়িত।

সত্ৰীয়া পৰম্পৰাৰে নীতি-নিয়ম মানি জীৱন অতিবাহিত কৰি মহন্তই ১৯৮৯ চনৰ ২৬ জানুৱাৰীত ৮৬ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। যোৰহাটৰ পৱা চুটী-চাপৰ, মূৰত পাগুৰি মৰা, আজীৱন খাদী বস্ত্ৰ পৰিধান কৰা খাটি মানুহজন নাইকিয়া হৈ গ'ল।

নিবাৰণ চন্দ্র বৰুৱা

১৯২১ চন। মহাত্মা গান্ধীৰ আহ্বানত দেশত অসহযোগ আন্দোলনৰ জোৱাৰ। সেই জোৱাৰে অসমৰ গাওঁ-ভূঁইত কপনি তুলিলে। জাঁজী হাইস্কুলত নৱমমানত পঢ়ি থকা এটি ল'ৰা। ৰঙা-বগা,নিপোটল,চফল,প্রাণ-চঞ্চল। মহাত্মাৰ বাণীয়ে ল'ৰাজনৰ মন-প্রাণ পুলকিত কৰি তুলিলে। বৃটিছৰ বিদ্যালয়ত গোলামী শিক্ষা নলয়—খাটাং সিদ্ধান্ত। স্কুল আৰু শিক্ষা বিসর্জন দিলে। স্বাধীনতা সংগ্রামত তন-মন সঁপি দিলে। অৱিৰত ভাৱে মুক্তি-ৰণৰ ৰণুৱা হৈ জীৱন-পণ কৰিলে। মহাত্মা গান্ধীৰ অনুৰক্ত অহিংস ৰণুৱা।

সেইজন পুৰুষেই নিবাৰণ চন্দ্র বৰুৱা। ওখ, সুশ্রী, তেজ গোৰা চেহেৰা। অন্তৰত ভাৰত স্বাধীন কৰাৰ অদম্য সাহস ,গাওঁ সংগঠনৰ জৰিয়তে স্বৰাজ লাভৰ অসীম প্রেৰণা। বৈ পৰা গোফ কোছাৰে, থুলন্তৰ দেহাৰে, তেজে ফুটি যাওঁ-ফাটি যাওঁ চেহেৰাৰ পূর্ণ চন্দ্র বৰুৱাৰ উপযুক্ত পুত্র।

অসহযোগ আন্দোলনত ভগামুখত নেতৃত্ব লৈ বিদেশী বস্ত্র দাহ কৰা যজ্ঞ সমাপণ কৰে। লগে লগে স্বদেশী বস্ত্র উৎপাদনৰ কাৰণে প্রৱৃদ্ধ কৰে। ১৯০১ চনত জন্ম গ্রহণ কৰা ল'ৰাজন তেতিয়া ২১ বছৰীয়া ডেকা। দেহাত অফুৰন্ত শক্তি, প্রাণত মহাত্মা গান্ধীৰ অমোঘ বাণীৰ হেন্দোলনি,গাওঁ সংগঠনৰ অনন্ত স্পৃহা।

১৯৩০-৩২ চনৰ আইন-অমান্য আন্দোলন। নিবাৰণ বৰুৱা আলিমহৰী। পৰিয়াল পাৰিপোষণৰ তাড়ণাত মাজতে চাকৰিত সোমাইছিল। এইবাৰ চাকৰি ত্যাগ কৰিলে। আন্দোলনত জাপ দিলে। যোৱহাট কাছাৰীত পিকেটিং কৰিলে। গ্ৰেপ্তাৰ হ'ল। তিনিমাহ ফাটেক। জেইলৰ পৰা মুকলি হৈ মহাত্মাজীৰ গঠনমূলক কাৰ্য্যসূচীত আত্মনিয়োগ কৰে। ১৯৪০ চনত শিমলুগুৰি মৌজাৰ সত্যাগ্ৰহ পৰিচালনাৰ দায়িত্ব পালন কৰে। ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত বৰুৱা নিবিড়ভাৱে জড়িত হৈ পৰে। পাইকাৰী জৰিমনাৰ প্ৰতিবাদ কৰোতে গ্ৰেপ্তাৰ হয়। বিচাৰত ডেৰ বছৰ কাৰাদণ্ড আৰু ৩০০.০০ টকাৰ জৰিমনা, অনাদায়ে ৬ মাহ ফাটেক। বৰুৱাক গ্ৰেপ্তাৰ কৰা দিনাই (৮-১-৪৩) ঘৰ খানাতালাচ কৰে। বৰুৱাৰ একমাত্ৰ সম্বল চাইকেলখন, ৰাৰ্দ্ধা যঁতৰটো, পৰিবাৰে পিন্ধা কাপোৰ-কানি আৰু ১০০ টকা পাইকাৰী জৰিমনা কৰি পুলিচে লৈ যায়।

যোৱহাট কাৰাগাৰত বন্দী হৈ থাকোতেই বৰুৱাৰ পিতৃ, সৰু ভায়েক আৰু একান্নভোক্তা ভতিজা জীয়ৰী এগৰাকীৰ পৰলোক হয়। চৰকাৰৰ ফালৰ পৰা বিবিধ প্ৰৰোচনা আৰু প্ৰলোভনেৰে 'লেখা' (Undertaking) দি মুক্তি লবলৈ কৰা প্ৰচেষ্টা বৰুৱাই হেলাৰঙে হাঁহি হাঁহি প্ৰতিহত কৰে। পিতৃ-ভাতৃ বিয়োগৰ চৰম বিপৰ্য্যয়ৰ সময়তো বৰুৱা নিজৰ বিশ্বাসত অচল-অটল হৈ থাকিল। সম্পূৰ্ণ ম্যাদ শেষ কৰি তেওঁ কাৰামুক্ত হয়। ১৯৪৩ চনৰ ২৪ ফেব্ৰুৱাৰীৰ অনাহক আৰু অপ্ৰৰোচিত অমানুষিক লাঠী চালনাত বৰুৱা ভীষণ ভাৱে জখম হৈ জীৱনলৈ ঘৃণীয়া হ'ল।

তত্বাৱধান আৰু অভিভাৱকত্বৰ অভাৱত বৰুৱাৰ ল'ৰা-ছোৱালীয়ে স্কুলৰ শিক্ষা এৰিব লগা হয়। দৰিদ্ৰতাৰ লগত সহাৱস্থান কৰি নিবাৰণ বৰুৱাই মহাত্মাজীৰ 'ৰাম-ৰাজ্য'ৰ অৰুণোদয়লৈ অপেক্ষা কৰে।

বৰুৱাই ১৯৬৩ চনত ৰাজ্যিক, ১৯৭২ চনত তাম্ৰ-পত্ৰ আৰু কেন্দ্ৰীয় চৰকাঁৰৰ সম্মান পেঞ্চন পোৱাৰ উপৰিও ১৯৮৪ চনত ৫ হাজাৰ টকাৰ এককালীন বঁটাৰে চৰকাৰী ভাৱে সম্বৰ্দ্ধিত হয়।

১৯৯১ চনৰ ১৯ ফেব্ৰুৱাৰীৰ দিনা ৯০ বছৰ বয়সত বাৰ্দ্ধক্যৰ হেচাত শেষ নিশ্বাস ত্যাগ কৰে। নিবাৰণ বৰুৱাৰ পৰলোকত শিমলুগুৰি মৌজাৰ ১৯২১ চনৰ মুক্তি সংগ্ৰামীৰ শেষৰজনো অসীমত বিলীন হয়।

ooo

ৰোষেশ্বৰ ৰাজখোৱা

জন্ম তাৰিখ : ১৯০১ চনৰ ১ জানুৱাৰী
পিতৃৰ নাম : মুহিৰাম ৰাজখোৱা
মাতৃৰ নাম : ৰাসন্তী ৰাজখোৱা

মৃত্যু তাৰিখ : ৩১ মাৰ্চ,১৯৮৩ চন
ফাটেক খোৱাৰ ম্যাদ :
২ বছৰ ৭ মাহ ৯ দিন।

যোৱহাটৰ যিকেইজন প্ৰবীণ মুক্তিযোদ্ধাই নিজৰ কৰ্মনিষ্ঠা, ত্যাগ আৰু মহাত্মা গান্ধীৰ অহিংস সত্যাগ্ৰহী নীতিৰে জনমানসত অবিস্মৰণীয় স্বাক্ষৰ ৰাখি গৈছে সেইসকলৰ ভিতৰত শিমলুগুৰি মৌজাৰ ভগামুখ চাৰিঙ্গিয়া গাঁৱৰ ৰোষেশ্বৰ ৰাজখোৱাও এজন। নিস্বাৰ্থ সমাজ সেৱাৰে ৰাইজৰ লগত একাত্মতাৰ সৃষ্টি কৰি ৰাইজৰে এজন হৈ কাম কৰিব পৰা ক্ষমতাৰ ৰাজখোৱা এজন বলীষ্ঠ পুৰুষ আছিল।

১৯২১ চনত শিমলুগুৰি মৌজাত অসহযোগ আন্দোলন ইমান বেছি তীব্ৰ হৈছিল যে সেই অঞ্চলত বৃটিছ প্ৰশাসন অচল হৈ গৈছিল। সেই অচলাবস্থাৰ কাৰণে বৃটিছ চৰকাৰৰ অত্যাচাৰ- উৎপীড়নো তদনুৰূপ ভাৱে অমানুষিক স্তৰলৈ অৱনমিত হৈছিল। বামুণ পুখুৰীত এঘাৰ শৰো অধিক কংগ্ৰেছ সেৱকে শিবিৰ কৰি খাজনা বন্ধ, বিদেশী বস্ত্ৰৰ দাহ যজ্ঞ, খাদী প্ৰচলনৰ ব্যৱস্থা, সূতা কাটি নিজৰ প্ৰয়োজনীয় কাপোৰ পৰিয়ালস্তে যোগাৰ কৰা, সবাতোপৰি

কানি বৰবিহ নির্মূলকৰণৰ কাৰণে কানি মহলত পিকেটিং কৰা কার্যসূচী শিমলুগুৰি মৌজাত অতি প্ৰবল ভাৱে হৈছিল। ৰাজখোৱাই এই আন্দোলনত নিজ অঞ্চলত নেতৃত্ব বহন কৰি ইংৰাজ অত্যাচাৰৰ বলী হৈছিল। আন্দোলন প্ৰত্যাহাৰ হোৱাৰ পাচতো গঠনমূলক কামৰ যতি পেলোৱা নহৈছিল। মাত্ৰ কংগ্ৰেছ সংগঠনৰ কাৰণে সভ্য ভর্তি কৰাই নহয়, খাদী প্ৰচলনকে আদি কৰি গঠনমূলক কামৰ জৰিয়তে কংগ্ৰেছক পৰৱর্তী আন্দোলনৰ কাৰণে প্ৰস্তুতি পর্ব পূৰ্ণোদ্যমে চলিছিল। এনে প্ৰচাৰ কার্য্য সেই সময়ত ভাওনা- সবাহৰ জৰিয়তে কৰা হৈছিল। ৰোষেশ্বৰ ৰাজখোৱাই ভাওনা-সবাহ বাদ নিদিয়াকৈ নিৰন্তৰ মহাত্মা গান্ধীৰ বাণী প্ৰচাৰত আত্মনিয়োগ কৰিছিল। সেই সময়ত প্ৰাণচঞ্চল ডেকা তেজৰ উদ্দীপনাৰে বেছিভাগ সময় খোজ কাঢ়িয়েই সেই অঞ্চলত ৰাজখোৱাই কংগ্ৰেছক শক্তিশালী সাঁচত গঢ় দিছিল। তেখেত সকলৰ নিজা দোকানত থকা বিলাতী কাপোৰ (আজিৰ দিনত বহু হাজাৰ টকা) অগ্নিত দাহ কৰি বিদেশী বর্জ্জন আন্দোলনৰ তীব্ৰতাৰে শিমলুগুৰি মৌজাত জোৱাৰ তুলিবলৈ সক্ষম হৈছিল। আৰু লগতে ইংৰাজ চৰকাৰৰ চকুত টোপনি নাইকিয়া কৰিছিল। স্কুল প্ৰতিষ্ঠা কৰা, আলিবাট বন্ধা, দলং দিয়া, স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰাকে ধৰি, জীৱন নির্বাহৰ অপৰিহার্য্য সামগ্ৰীসমূহ ৰাইজৰ সহযোগত প্ৰতিষ্ঠা কৰা কামত ৰাজখোৱাই অগ্ৰণী ভূমিকা লৈ নেতৃত্ব বহন কৰিছিল।

১৯৩০-৩১ চনৰ আইন অমান্য আন্দোলনত ৰোষেশ্বৰ ৰাজখোৱাই শিমলুগুৰি মৌজাৰ আন্দোলন পৰিচালনা কৰে। ১৯৪০ চনত ৰাজখোৱাই সত্যাগ্ৰহ কৰি মহাত্মা গান্ধীৰ নির্দেশ অনুযায়ী কেৱল নিজৰে নহয় অঞ্চলটোৰ সত্যাগ্ৰহী সকলৰ দিন বাৰ স্থান স্থিৰ কৰাৰ উপৰিও জিলা কংগ্ৰেছৰ লগত যোগসূত্ৰ ৰাখি প্ৰশাসনক জাননী দিয়া কামত অগ্ৰণী ভূমিকা লৈছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেওঁৰ নেতৃত্বত চূড়ান্ত ৰূপ গ্ৰহণ কৰে। দীর্ঘদিন স্থানীয় ৰাইজৰ লগত আপদে-বিপদে সম্বন্ধ ৰাখি, সবাহে-ভাওনাই কেৱল মহাত্মা গান্ধীৰ বাণী প্ৰচাৰত ব্যস্ত হৈ ৰাইজৰ লগত এৰাব নোৱাৰা সম্বন্ধৰে স্বাধীনতা সংগ্ৰামৰ শেষৰখন যুঁজত মৃত্যু বাহিনীৰ সংগঠন শক্তিশালী কৰাৰ গুৰিত্তে আছিল অদমনীয় আৰু অনমনীয়, ৰোষেশ্বৰ ৰাজখোৱা। বিয়াল্লিছৰ বিপ্লৱৰ জনজাগৰণে পাইকাৰী জৰিমনা ৰাজহুৱা ভাৱে ৮০১০.০০

টকা চৰকাৰে সংগ্রহ কৰাৰ উপৰিও বাৰজন নেতৃস্হানীয় লোকৰ পৰা ৬০০.০০ টকাকৈ আদায় কৰিছিল। সেই ১২ জনৰ ভিতৰত বোষেশ্বৰ ৰাজখোৱা অন্যতম। তাৰোপৰি তেখেতে আত্মগোপন কৰি থকা কালছোৱাত পুলিছে (বৃটিছ চৰকাৰৰ) তেখেতৰ ঘৰৰ বহু মূল্যবান আপুৰুগীয়া বজাদিনীয়া সা-সম্পত্তি খানাতালাচীৰ সময়ত বাজেয়াপ্ত কৰি লৈ যায়। বিপ্লৱৰ ধামখুমিয়াত ৰাজখোৱাক গ্রেপ্তাৰ কৰি যোৰহাট কাৰাগাৰত প্রায় আঢ়ৈ বছৰৰো অধিক কাল কাৰাৰুদ্ধ কৰি ৰখা হয়। কিন্তু তেখেতে জেলত থকা সময়ত খোৱা লোৱা বিশেষকৈ নিম্নমানৰ খাদ্য দিয়া সম্পর্কত (বন্দীসকলক) কর্তৃপক্ষৰ লগত মতানৈক্য ঘটাত আৰু পৰিস্হিতি বিপদ্জনক দেখি চৰকাৰে শিলচৰ জেললৈ স্হানান্তৰ কৰিছিল।

কাৰামুক্ত হৈ দীর্ঘদিন কাৰাবাসত ঘটা ভগ্ন স্হাস্হ্য সত্তেও জিৰণি লোৱাৰ অৱকাশ ৰাজখোৱাই নেদেখিলে। ৰাইজৰ মানুহ হিচাবে পুনৰ স্বাধীনতা নোপোৱালৈকে ৰাইজৰ মাজত সংগঠনৰ কামত ব্যস্তহৈ পৰিল। দেশ স্বাধীন হোৱাৰ পিছত তেখেতৰ অক্লান্ত পৰিশ্রম আৰু ত্যাগৰ ফলতেই তেখেতে দান দিয়া মাটিত ভগামুখ প্রাথমিক চিকিৎসালয় আৰু আৰক্ষীচকী গঢ়ি উঠিল। জিলা কংগ্রেছ কমিটীৰ নিৰন্তৰ সদস্য হৈ জিলাৰ সিদ্ধান্তসমূহতো আলোকপাত কৰি শুদ্ধ দিক-দর্শনৰ যোগ্যতাৰে নিজৰ বলীষ্ঠতাক প্রতিপন্ন কৰিব পাৰিছিল ৰাজখোৱাই। সেইবাবেই তেওঁ জিলা কংগ্রেছৰ অপৰিহার্য্য ব্যক্তি আছিল। ১৯০১ চনৰ ১ জানুৱাৰীত জন্মগ্রহণ কৰা এই নিস্বার্থ কর্মীজনে অহর্নিশে পৰিশ্রম কৰি থকাৰ ফলত স্হাস্হ্য দিনকদিনে পৰি গৈছিল। ১৯৮৩ চনৰ ৩১ মার্চত ৮২ বছৰ বয়সত বার্ধক্য জনিত বোগত আক্রান্ত হৈ এই নেতৃস্হানীয় মুক্তি যোদ্ধা জনৰ অৱশেষত জীৱনাৱসান হয়

১৯৭২ চনত ৰাজখোৱাক ভাৰত চৰকাৰে তাম্র-পত্র প্রদান কৰে। নিয়মীয়া উচ্চতা, মিঠা বৰণীয়া, সাধাৰণতে ৰগা খাদী কুর্তাৰ ওপৰত কান্ধত একাষৰীয়াকৈ লোৱা খদ্দৰৰ চাদৰখন লৈ, মূৰত গান্ধী টুপী, শুৰিত সচৰাচৰ ক'লা ৰঙৰ জোতাৰে ৰসিকতাপূর্ণ 'ভোলানাথ' মানুহজন নিমিষতে সকলোকে আপোন কৰি ল'ব পৰা গুণৰ অধিকাৰী আছিল।

○○○

মুৰলীধৰ বৰুৱা

বালিগাওঁ আৰু মুৰ্কলীধৰ বৰুৱা উভয়ে উভয়ৰে পৰিপূৰক। এজনক বাদ দি অঞ্চলটোৰ প্রতিচ্ছবি অসম্পূর্ণ। স্বাধীনতা সংগ্রামৰ বিৰামবিহীন যুজাৰু হোৱাৰ লগতে বালিগাৱঁৰ সর্বাঙ্গীন বিকাশৰ বাবে অক্লান্ত শ্রমেৰে জীৱন পাত কৰাজনেই মুৰলীধৰ বৰুৱা। বি-এ জগন্নাথ বৰুৱাৰ চাবিঙিয়া বৰুৱাৰ ঘৰত ১৮৯২ চনৰ (১৮১৪ শক) চ'ত মাহত জন্ম গ্রহণ কৰি ১৯১৫ চনত কটন কলেজৰ পৰা স্নাতক হোৱা লোকজনৰ কাৰণে জীৱনৰ সেন্দুৰীয়া আলি তেনেই পোন আছিল, কিন্তু নিজ ইচ্ছাতে দৰিদ্রতা আৰু কৃচ্ছ্রতাক আঁকোৱালি লৈ আনক আৰু অঞ্চলটোক পোহৰ বিলাই নিজে জহি খহি যোৱা লোকজন ১৯২১ চনৰে পৰা নিৰবচ্ছিন্ন কংগ্রেছ সেৱক, বালিগাৱঁৰ অপৰিহার্য্য ব্যক্তি।

যোৰহাট উচ্চ বিদ্যালয়ত শিক্ষকতাৰে বৰুৱাই চাকৰি জীৱন আৰম্ভ কৰে। গোলাঘাটত স্কুল চাব ইন্সপেক্টৰ হৈ থকাৰ পাচত গোলাঘাট চৰকাৰী হাইস্কুলৰ শিক্ষকতালৈ পুনৰ আহে। চৰকাৰী চাকৰিৰ প্রতি স্বাধীন চেতা বৰুৱাৰ মনলৈ অনীহা অহাত পদত্যাগ কৰি নাজিৰা হাইস্কুলত সহকাৰী প্রধান শিক্ষক পদলৈ আমন্ত্রিত হয়। তাৰে পৰা ঢাকাত বি-টি পঢ়ে। ৰোগাক্রান্ত হৈ নাজিৰালৈ প্রত্যাবর্ত্তন কৰিব লগা হয়। দেৱেন্দ্র নাথ বেজবৰুৱাই বৰুৱাক

নিজৰ স্কুল যোৰহাট বেজবৰুৱা হাইস্কুললৈ প্ৰধান শিক্ষকৰ পদত লৈ আনে। ১৯২১ চনলৈকে এই স্কুলত থাকে। শিক্ষকতা বৰুৱাৰ কাৰণে চাকৰি নাছিল, ই আছিল উত্তৰ পুৰুষক গঢ় দিয়া দেশসেৱা। এই আধ্যাত্মিকতা আৰু নৈতিক দায়বদ্ধতা,কৰ্ত্তব্যপৰায়ণতা আৰু দেশাত্মবোধেৰে বৰুৱাই শিক্ষকতাৰ সেৱাৰে দেশ গঢ়াৰ কাৰণে সংকল্প লৈছিল।

১৯২১ চনত মহাত্মাৰ আহবানে বৰুৱাৰ সত্তা উতলালে। অহিংসা, সত্য,প্ৰেম, অস্তেয়, অপৰিগ্ৰহ আৰু নিভীকতাৰে গ্ৰহণ কৰিলে ত্যাগী জীৱনৰ কঠোৰতা। যোৰহাটত ১৯২১ চনত মহাত্মা গান্ধীৰ পদাৰ্পণে বৰুৱাৰ জীৱনৰ গতি সলালে। কংগ্ৰেছৰ সংগঠনত সৰ্বক্ষণ ব্ৰতী হ'ল। সূতা কটা, খাদী প্ৰচলন, বিদেশী বৰ্জন ঘৰ নিৰন্তৰে প্ৰচলনত ব্যস্ত হ'ল। তেওঁ শিক্ষকতাও বাদ দি সংগ্ৰামত ব্ৰতী হ'ল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছলৈ বালিগাৱঁৰ পৰা স্বেচ্ছাসেৱক বাহিনী এটা নেতৃত্বত নি বৰুৱাই অশেষ কষ্ট কৰাৰ উপৰিও ত্ৰিৰঙ্গ পতাকা উত্তোলনৰ 'সৌযে উৰিছে স্বৰাজ নিচান' গীত পৰিবেশনত বালিগাৱঁৰ সেৱকেই অংশ গ্ৰহণ কৰে। এয়া বৰুৱাৰ দ্বিতীয়বাৰ মহাত্মাজীৰ দৰ্শন আৰু ভাষণ শুনাৰ সৌভাগ্য। এই সৌভাগ্যৰ কাৰণে বৰুৱাৰ দেশসেৱাৰ ব্ৰত আৰু দৃঢ় হ'ল। ত্যাগৰ মনোভাৱ আৰু নিকপকপীয়া হ'ল। ১৯৪২ চনৰ শেষ সংগ্ৰামত বৰুৱা সৰ্ব্বস্বান্ত হ'ল। চাইকেল,গৰু গাই,কাঁহি-বাটি সকলো অস্হাৱৰ সম্পত্তি চৰকাৰে লৈ গ'ল। বৰুৱা অকণো বিচলিত নহ'ল। কিন্তু মহাত্মা গান্ধীৰ অহিংস পথৰ পৰা চুলি এডালো হেৰ-ফেৰ নকৰি অচল অটল হৈ থাকিল। স্বাধীনতাৰ পাচতো সেই সম্পত্তিৰ খা-খবৰ নল'লে।

১৯৩৭ চনত ৰাৱস্হাপক সভা, লোকেল বোৰ্ড আদি ক্ষমতাৰ ৰাজনীতিলৈ অনাৰ সকলো প্ৰচেষ্টা আৰু প্ৰলোভন বৰুৱাই প্ৰত্যাখ্যান কৰি বালিগাওঁ বিকাশ জীৱনৰ ব্ৰত কৰি ল'লে। ১৯২৩ চনতে বালিগাওঁ মিলন মন্দিৰত 'নেচনেল স্কুল' খুলি পৰৱৰ্ত্তী কালত"জগন্নাথ বৰুৱা আৰ্য্য বিদ্যালয়"লৈ ৰূপান্তৰিত কৰিলে। নিজে চৰায়ে কুটা কঁঢ়িওৱা দি বিদ্যালয়খন পূৰ্ণাংগ কৰি একনিষ্ঠতা, আদৰ্শনিষ্ঠাৰে কাম কৰাই যিজনৰ জীৱনৰ জীৱন দৰ্শন সেইজন আদৰ্শ পুৰুষ সাম্প্ৰতিক কালত অতি বিৰল।

প্ৰধান শিক্ষকৰ দায়িত্ব লৈ উত্তৰ পুৰুষ গঢ়াৰ ব্ৰতত ব্ৰতী হ'ল। ১৯৫৪ চনত এই বিদ্যালয় মজলীয়া খাপৰ পৰা মাধ্যমিক পৰ্য্যায়লৈ উন্নীত হয় আৰু ১৯৬২ চনৰ ৩১ জুলাইলে বৰুৱাই স্কুলখন সৰ্বাঙ্গসুন্দৰ কৰি অৱসৰ লয়।

জয়মতী আদর্শ বালিকা বিদ্যালয়কো পূর্ণাংগ কৰি ইয়াতো অবৈতনিক ভাৱে শিক্ষকতা কৰি স্কুলখন গঢ় দিয়ে। বালিগাৱঁৰ মিলন মন্দিৰ,মাতৃ মন্দিৰ, নাট্য মন্দিৰ, কীৰ্ত্তিচন্দ্র লাইব্রেৰী,সমবায় সমিতি আদি এটা অঞ্চল উন্নত কৰিবলৈ যি অনুষ্ঠানৰে প্রয়োজন হ'ল সেই সকলো অনুষ্ঠান-প্রতিষ্ঠান পাতি বালিগাৱঁক নতুন বিকশিত ৰূপত গঢ় দিয়া মানুহজন মুৰুলীধৰ বৰুৱা।

• বৰুৱাৰ ভাতৃ খেতেকধৰ বৰুৱা ১৯২১ চনতে কটন কলেজৰ স্নাতক মহলাৰ পৰা কলেজ ত্যাগ কৰি কাৰাবাস খটা মুক্তি যুঁজাৰু। পুতেক মুকুন্দ বৰুৱাও এজন মুক্তি যুঁজাৰু।

চুটি চাপৰ, শুধ বগা ধুতি কুর্ত্তা পৰিহিত, বৈ পৰা একোছা গোঁফ, হয় খোজ কাঢ়ি,মহয় চাইকেলখনেৰে সকলোৰে শ্রদ্ধাৰ মানুহজনেই বালিগাৱঁৰ মুৰলীধৰ বৰুৱা। সুগন্ধি ধূপৰ দৰে সুবাস বিলাই নিজে ছাই হৈ যোৱা সৰলতা, একনিষ্ঠতা, আদর্শনিষ্ঠাৰে কাম কৰাই যিজনৰ জীৱন দর্শন সেইজন আদর্শ পুৰুষ সাম্প্রতিক কালত বিৰল।

○ ○ ○



শ্রমিক প্রাণ সৰ্ব্বেশ্বৰ ৰৰদলৈ

১৯৩০ চনৰ ৬ আগষ্ট তাৰিখে কানিংহাম চাৰ্কুলাৰৰ প্রতিবাদত পিকেটিং কৰি যোৰহাট কাৰাগাৰত তিনিমাহ সশ্রম কাৰাদন্ড ভোগা অষ্টম শ্রেণীত পঢ়া সৰু ল'ৰাজনে জীৱনত পিচলৈ ঘুৰি চাব লগা নহ'ল , অবিশ্রান্ত ভাৱে গান্ধী ভলন্টিয়াৰ হৈ ১৯৯১ চনৰ ২৯ জুনত শেষ নিশ্বাসলৈ ক্ষান্ত নহ'ল। ১৯১৩ চনৰ ১ লা জুলাইত পকামুৰাত জন্ম। পিতৃ খগেশ্বৰ ৰৰদলৈ , মাতৃ পদ্মিনী দেৱী। শিৱসাগৰ বিদ্যাপীঠ নামে জাতীয় স্কুলত পঢ়োতে পুনৰ ১৯৩২ চনত গ্রেপ্তাৰ হৈ আকৌ তিনিমাহ কাৰাবাস।

"হে মহাত্মা আজি তোমাক দর্শন কৰিবলৈ পাম। তুমি মোক নিজৰ পিতৃৰ পৰা , বুঢ়ীআইৰ বুকুৰ পৰা কাঢ়ি আনিলা। তোমাৰ কাৰণেই মোৰ পঢ়া নহ'ল। তুমি মোৰ সকলো লৈ গ'লা ভলন্টিয়াৰ নামধাৰী এবিধ নতুন অনাদৃত শ্রেণীত মই সোমাই পৰিলো। তোমাক নেদেখাকৈয়ে মই তোমাৰ বাণী শুনিয়েই সকলো এৰিলো। তোমাক নিজ চকুৰে চাই আজি মোৰ জীৱন ধন্য কৰিম।' —১৯৩৪ চনৰ ১৫ এপ্রিল তাৰিখে মহাত্মা গান্ধী যোৰহাট ভ্রমণত অহাৰ আগে-আগে ওপৰৰ কথাকেইটা ভাৰি ভাৰত বিভোৰ হৈ আছিল। খিড়িকীৰে মহাত্মাক দেখি ধাৰাসাৰে চকুলো ওলাই আহিল, চকুৰ লোতকেৰে মহাত্মাৰ চৰণ তিয়াই সেৱা জনালে। এইদৰেই ৰৰদলৈয়ে

মহাত্মাৰ চৰণত নিজক সমৰ্পণ কৰি গান্ধী ভলণ্টিয়াৰৰ আদৰ্শৰে কংগ্ৰেছৰ কামত নিজক উচৰ্গা কৰি জীৱন অতিবাহিত কৰিলে। ১৯৩৬ চনতে যোৰহাট জিলা কংগ্ৰেছৰ কাৰ্য্যালয় সম্পাদক হৈ ১৯৪৮ চনলৈকে সংগঠনৰ কামত ব্ৰতী হ'ল। হৰিজন স্কুল প্ৰতিষ্ঠা কৰি হৰিজন সেৱাত লগাত সমাজচ্যুত হ'ব লগা হয়। ১৯৪০-৪১ চনত নিজে সত্যাগ্ৰহ কৰি কাৰাবৰণ কৰাৰ লগতে যোৰহাটত সত্যাগ্ৰহ পৰিচালনা কৰিব লগা হয়। ১৯৪২ চনৰ চূড়ান্ত সংগ্ৰামত আন্দোলন পৰিচালনা কৰে পলাতক হৈ। ৰৰদলৈক ধৰি দিবলৈ চৰকাৰে দহহাজাৰ টকা ঘোষণা কৰে। অৱশেষত ১৯৪২ চনৰ ১৯ অক্টোবৰত ৰৰদলৈ গ্ৰেপ্তাৰ হৈ আঢ়ৈ বছৰৰো অধিক কাল আটক বন্দী হৈ থাকে। ১৯৪৫ চনত মুক্তি পায় পুনৰ্ব কংগ্ৰেছ কাৰ্য্যালয়ত ব্যস্ত হৈ পৰে।

স্বাধীনতা লাভৰ উখল-মাখলৰ ধামখুমীয়াত ৰৰদলৈৰ মনত নতুন প্ৰশ্ন :-

নিস্পেষিত জনতাৰ সেৱা। চাহমজদুৰৰ সেৱাত নিজকে নিয়োগ কৰিলে ১৯৪৬ চনতে যোৰহাট বিজুলী শক্তি সৰবৰাহ মজদুৰ সংঘ গঠন কৰি পঞ্জীভুক্ত কৰে। পৰাধীন অসমত এইটোৱেই ট্ৰেড ইউনিয়ন আইন ,১৯২৬ ৰ মতে পঞ্জীয়ণ কৰা প্ৰথম ট্ৰেড ইউনিয়ন। ইয়াৰ লগে লগে যোৰহাট জিলা চাহ মজদুৰ সংঘ , গোলাঘাট জিলা চাহ মজদুৰ সংঘ , অসম চাহ কৰ্মচাৰী সংঘকে প্ৰমুখ্য কৰি পৰিবহন , গড়কাপ্তানী,বিদ্যুত পৰিষদ,জাহাজ কমী সংঘ, শোধনাগাৰ ,চেনিকল আদি অসমৰ মুখ্য প্ৰতিষ্ঠানসমূহত ট্ৰেড ইউনিয়ন গঠনত আগভাগ লৈ জিৰণি ল'বলৈ আহৰি নোপোৱাকৈ ব্যস্ত হৈ পৰে। প্ৰকৃতপক্ষে অসমত ট্ৰেড ইউনিয়নৰ জন্মদাতাকেইজনৰ ভিতৰত ৰৰদলৈ আগৰণুৱা।

সমবায়ৰ প্ৰতিও ৰৰদলৈ আকৃষ্ট হয়। পকামুৰা ট্ৰেডিং সমবায় প্ৰতিষ্ঠা কৰি সফলতা পোৱাৰ পিচত যোৰহাটত চেণ্ট্ৰেল ট্ৰেডিং সমবায় প্ৰতিষ্ঠাৰ জৰিয়তে সামগ্ৰীৰ পাইকাৰী ব্যৱসায়তো কৃতকাৰ্য্যতা কৰে।

ৰৰদলৈ ১৯৫৭ চনৰ পৰা দুবাৰ বিধায়ক নিৰ্বাচিত হয়। যদিও তৃতীয় বাৰ স্বইচ্ছাই প্ৰাৰ্থী নহৈ মজদুৰৰ ল'ৰা এজনক আসন দিয়ে। ১৯৬৮ চনত অসম সমবায় চেনিকলৰ সভাপতি মনোনীত-হৈ ১১ বছৰ এই পদত থাকি চেনিকলৰ পূৰ্বৰ ঋণ পৰিশোধ কৰিও লাভ কৰিবলৈ সক্ষম হয়। ট্ৰেড ইউনিয়নত অবিৰত ভাৱে ব্ৰতী হৈ অসম শাখা ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ

সভাপতি, ইণ্ডিয়ান প্লেণ্টেছনছ ৰাৰ্কাৰ্ছ ফেডাৰেশ্বনৰ সভাপতি, ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য পদত নিজৰ যোগ্যতা আৰু দক্ষতা প্ৰতিপন্ন কৰে। ১৯৭২ চনত আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনত (I.L.O.) আভ্যন্তৰীণ জল পৰিবহন কমিটী লৈ ভাৰতৰ দুজন প্ৰতিনিধিৰ এজন হৈ জেনেভালৈ যায় আৰু লগতে ইউৰোপৰ আঠখন দেশ ভ্ৰমণ কৰে। শেহতীয়াকৈ সৰ্বভাৰতীয় নেলচন মেণ্ডেলা ৰাষ্ট্ৰীয় অভ্যৰ্থনা সমিতিৰ সদস্য মনোনীত হয়।

১৯৩৪ চনত বাসন্তী বৰদলৈৰ লগত বিবাহ হয় আৰু দুটি কন্যা সন্তানৰ পিতৃ হয়। মুক্তি যুঁজত আজীৱন ব্ৰতী হৈ পত্নীৰে সৈতে গোটেই ঘৰখনকে স্বাধীনতা সংগ্ৰামত জড়িত কৰে। জীৱনৰ আৰম্ভণিতে মহাত্মাজীক জীৱনৰ প্ৰদৰ্শক ৰূপে গ্ৰহণ কৰি শেষ নিশ্বাসৰ দিন ১৯৯১ চনৰ ২৯ জুনলৈকে গান্ধী টুপিটোৰ সৈতে,শুভ্ৰ খদ্দৰৰ পোচাকটোৰে সৈতে বগা চাদৰখন কান্ধত পেলাই গান্ধী ভলন্টিয়াৰৰ মানসিকতাৰে স্বাৱলম্বী হৈ জীৱন অতিবাহিত কৰিলে। সৰলতা, ঐকান্তিকতা, একাগ্ৰতা আৰু অধ্যব্যসায় বৰদলৈৰ জীৱনৰ বৈশিষ্ট্য সেই বৈশিষ্ট্য লৈ বৰদলৈ সৰ্ব্বজনপ্ৰিয় এজন ভদ্ৰলোক।

চক্রেশ্বৰ শইকীয়া

বিয়াল্লিছৰ গণ বিপ্লবত কাৰাৰুদ্ধ অৱস্থাত অধ্যয়ন কৰি কাৰাগাৰৰ পৰা সশস্ত্র প্রহৰীৰ দ্বাৰা পৰিবেষ্টিত হৈ পৰীক্ষা দি স্নাতোকোত্তৰ ডিগ্রী (এম-এ) লোৱা মুক্তি যুঁজাক অসমত একমাত্র চক্রেশ্বৰ শইকীয়া।১৯৪৫ চনত চিলেট জেলৰ পৰা স্নানান্তৰ হৈ তেজপুৰ কাৰাগাৰত কাৰাৰুদ্ধ হৈ থাকোতেই অসমীয়া বিভাগত এম-এ পৰীক্ষাত অৱতীর্ণ হয়। কাৰামুক্ত হৈ সুখ্যাতিৰে উত্তীর্ণ হোৱাৰ খবৰ পায়।

এইজন ধীৰ,স্থিৰ অধ্যয়নশীল মুক্তি যোদ্ধাৰ জন্ম হয় ১৯১৬ চনৰ ৬ অক্টোবৰত তিতাবৰত। পিতৃ ভদ্রেশ্বৰ শইকীয়া। তিতাবৰতে প্রাথমিক স্তৰ শেষ কৰি মজলীয়া খাপ আৰম্ভ কৰে। তাৰ পাচত ধুবুৰীত পঢ়ে। ধুবুৰীত পঢ়ি থাকোতেই ১৯৩০ চনৰ আন্দোলনত অংশ লয়। শ্রেণী বর্জন কৰি ৰাজহুৱা সভাত অংশ লওঁতে লাঠী চালনাত আঘাতপ্রাপ্ত হয়। সন্দেহযুক্ত সন্ত্রাসবাদী বুলি সন্দেহ কৰি ছিটাগং ৰেল-ষ্টেচনত আটক কৰিছিল। শইকীয়া স্বাধীনতা সংগ্রামৰ প্রথম পাঠ ১৯২১ চনতে পায়। কিশোৰ 'বাবাৰ (ঘৰুৱা নাম) মোমায়েক বিপ্লৱী ধীৰ শঙ্কৰ বৰুৱাৰ সান্নিধ্য পাই সংগ্রামৰ ভাৰ তেতিয়াই মনৰ মণিকোঠাত সোমায়। ১৯৪২ চনৰ গণ আন্দোলনত নেতৃত্ব বহন কৰে। তিতাবৰ থানাৰ প্রাঙ্গনত ত্রিৰঙ্গ পতাকা উত্তোলন কৰা প্রবল হেপাহ থাকিলেও পৰিস্থিতিয়ে সেই প্রচেষ্টাৰ পৰা বিৰত ৰাখিছিল। পিচত

খৰিকটীয়া ৰেলষ্টেচনৰ ওচৰত ৰেল লাইন উঠোৱা অভিযোগত ১৯৪২ চনৰ ২৪ অক্টোবৰ, লক্ষীপূৰ্ণিমাৰ দিনা শইকীয়াক গ্ৰেপ্তাৰ কৰে। ২৬ মাহ কাৰাৰুদ্ধ হৈ থকাৰ পাচত মুক্তি পাই যদিও ৬ মাহ অন্তৰ্বন্দী কৰি ৰখা হৈছিল।

জীৱনৰ অপূৰণ হাবিয়াস পূৰ্ণ হয় ১৯৪৭ চনৰ ১৫ আগষ্টৰ পুৱা। সেই গৌৰৱোজ্বল পুৱা তিতাবৰ থানা প্ৰাঙ্গনত শইকীয়াই স্বাধীন ভাৰতৰ পতাকা উত্তোলন কৰে - অগণন জনসমুদ্ৰৰ মাজত। সেই ক্ষণ শইকীয়াৰ জীৱনত স্মৰণীয় মুহূৰ্ত্ত।

১৯৪৮ চনলৈকে শইকীয়া প্ৰদেশ কংগ্ৰেছৰ সদস্য। তিতাবৰৰ পৰা অপ্ৰতিদ্বন্দী হৈ নিৰ্বাচিত।

তেনে সময়তে জয়প্ৰকাশ নাৰায়ণৰ চিন্তাধাৰাই শইকীয়াৰ মনত প্ৰভাৱ পেলালে। মহাত্মা গান্ধীৰ আদৰ্শ কংগ্ৰেছে বাস্তবায়িত কৰিব নোৱাৰাৰ সন্দেহত তেওঁ সমাজবাদী আন্দোলনত যোগ দিয়ে আৰু কৃষক পঞ্চায়তৰ কাৰ্য্যকৰী কমিটীৰ সদস্য হৈ "কৃষক" নামৰ কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক হয়। তিতাবৰ অঞ্চলৰ আধিয়াৰ সকলক সংগঠিত কৰি "অসম তলতীয়া ৰায়ত সংঘ" স্থাপন কৰি নিজে প্ৰধান সম্পাদকৰ দায়িত্ব লৈ আধিয়াৰৰ স্বাৰ্থৰক্ষাত মনোনিবেশ কৰে। ১৯৫২ চনত ছচিয়েলিষ্ট দলৰ পৰা আৰু ১৯৬৭ চনত নিৰ্দলীয় হিচাবে বিধায়ক নিৰ্বাচনত নামি পৰাজয় বৰণ কৰিলেও তেওঁ কাৰো প্ৰতি বিদ্বেষ ভাৱ পোষণ কৰা নাছিল।

চক্ৰেশ্বৰ শইকীয়া আধুনিক তিতাবৰৰ নিৰ্মাতাসকলৰ অন্যতম। ১৯৫৪ চনৰে পৰা তেওঁ তিতাবৰৰ সৰ্বাঙ্গীন বিকাশত একাগপতীয়াকৈ আত্মনিয়োগ কৰে। কাৰামুক্ত হোৱাৰ পিচৰ পৰাই মিহিৰাম শইকীয়া হাইস্কুলত শিক্ষকতাৰে শিক্ষক জীৱনৰ পাতনি মেলে। এই স্কুলৰ ১১ বছৰ প্ৰধান শিক্ষক থাকি স্কুলখন নতুন ৰূপত গঢ় দিয়ে। ১৯৫৯ চনত নন্দনাথ শইকীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি নিজে অধ্যক্ষৰ দায়িত্ব লৈ কালক্ৰমত কলা, বিজ্ঞান, বাণিজ্য শাখাৰ প্ৰায় বিষয়তে 'মেজৰ' খুলি আগশাৰীৰ কলেজলৈ ৰূপান্তৰিত কৰাত শইকীয়াৰ সংগঠন শক্তি, কষ্টসহিষ্ণুতা, ত্যাগ আৰু নেতৃত্বৰ পৰিচয় পোৱা যায়। এই কলেজ চক্ৰেশ্বৰ শইকীয়াৰ অক্ষয় কীৰ্ত্তি। কলেজ বৰ্তিবলৈ তিতাবৰ অঞ্চলৰ বিভিন্ন ঠাইত হাইস্কুল প্ৰতিষ্ঠাৰ বাবে তেওঁ উদ্যম হাতত লয়। ১৯৪০ চনতে প্ৰতিষ্ঠিত তিতাবৰ পাব্লিক ক্লাব, বেচিক ট্ৰেইনিং স্কুল,

জনতা কলেজ, গোমতী দেৱী ছোৱালী হাইস্কুল, শঙ্কৰ বিদ্যাপীঠ আদি অনুস্হান প্রতিষ্ঠানৰ অন্যতম প্রতিষ্ঠাতা শইকীয়া।

শইকীয়া শিৱসাগৰ জিলা সাহিত্য পৰিষদৰ সভাপতি পদলৈ নির্বাচিত হ'ব পৰা অর্হতাৰ সাহিত্য-সেৱী। এজন নিৰৱ কৰ্মি, এজন প্রচাৰ বিমুখ সাহিত্যিক -এই আপাহতে ১৯৭৫ চনত অসম সাহিত্য সভাৰ ৪২ তম্ অধিবেশনৰ অভ্যর্থনা সমিতিৰ সভাপতিৰ দায়িত্ব লৈ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ সক্ষম হৈছিল।

মহাত্মা গান্ধীৰ দর্শনৰ এজন অনুগামী আৰু প্রৱক্তা স্বৰূপে গান্ধী দর্শন জীয়াই ৰখাৰ চিন্তাত শইকীয়া সচেষ্ট হৈ মুক্তি যুঁজাৰু সন্মিলনৰ জৰিয়তে মহাত্মাজীৰ আদর্শ জীয়াই ৰখাৰ প্রচেষ্টা কৰিছিল। ১৯৭৭ চনত তেওঁ অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ উপসভাপতি পদত অধিস্হিত হৈছিল। ১৯৮১ চনৰ মার্চ্চৰে পৰা পৰলোকলৈকে যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ ১১ বছৰ সভাপতি পদত থাকি এই মঞ্চৰ জৰিয়তে মহাত্মাজীৰ আদর্শ জীয়াই ৰখাৰ চেষ্টাত ব্রতী হৈছিল। মহাত্মাজীৰ আদর্শ উত্তৰ পুষ্ফৰ মাজত জীয়াই ৰখাৰ মানসেৰে শইকীয়াই মুক্তি যুঁজাৰু যুৱ পৰিষদ সক্রিয় কৰাৰ প্রচেষ্টা চলায়।

জীৱনৰ বিয়লি পৰত ১৯৮১ চনত শইকীয়াৰ ৰাজনৈতিক চেতনাৰ পৰিবর্ত্তন হয়। ভাৰতীয় জনতা পাটিৰ প্রথমে অসম শাখাৰ উপসভাপতি আৰু ১৯৮৫-১৯৮৮ লৈ সভাপতি পদত অধিস্হিত হৈ কার্য্যনির্বাহ কৰে।

অধ্যয়নপুষ্ট আৰু প্রগতিবাদী, সংস্কাৰধর্মী আৰু সমাজসচেতন, উত্তৰপুৰুষৰ প্রতি সততে চিন্তাশীল, শিক্ষাবিদ আৰু শিক্ষাব্রতী সত্যাগ্রহী মুক্তিযুদ্ধা চক্রেশ্বৰ শইকীয়াই সদায় প্রয়াত-জীৱিত মুক্তিযুঁজাৰুসকলৰ জীৱনী এখন সংকলন কৰিবলৈ হাতত লওঁতেই' নিয়াতিয়ে তেওঁক কাঢ়ি লৈ গ'ল।

○ ○ ○

শ্রীকুমুদেশ্বৰ বৰা,(টীয়ক)

তিৰান্নবৈ বছৰীয়া 'যুৱক' বুলি পৰিচয দিবলৈ এজন মুক্তি যুঁজাৰু সবল সুঠাম স্বাস্থ্যবে এতিয়াও সক্রিয হৈ আছে সেইজনেই টীয়কৰ শ্রীকুমুদেশ্বৰ বৰা । শ্রীবৰাই ডেকা এজনক কব মর্দ্দন কৰি নিজে মুঠিটো এৰি নিদিলে ডেকাজনে হাত এৰুৱাই নিয়াব সাধ্য নাই - এই পৰিপক্ক বয়সতো । চকু-কাণ, খাবন শোৱন সকলো এতিয়াও সজীৱ, সতেজ । ছশমা ল'ব লগীয়া হোৱা নাই ।

চাৰিকুৰি তেৰৰ দেওনা পাৰ হোৱা এই 'যুৱক' জনৰ জন্ম ১৯০১ চনত । পিতৃ ভোলানাথ বৰা, মাতৃ কান্তি দেৱী । নিবাস দুলীয়া গাওঁ । জীৱনৰ ঘাত -প্রতিঘাতত বর্ত্তমান জগদুৱাৰত ।

শ্রীবৰাৰ মন আজিও বিপ্লৱী । সমাজ সচেতন মনটো সমাজ সংস্কাৰত ব্রতী । মুক্তি যুঁজাৰু সন্মিলনৰ জৰিয়তে সেৱাৰ ভাৱত, সেৱাৰ কামত এতিয়াও আত্মনিয়োগ কৰি আছে । ১৯২৮ চনত কংগ্রেছত যোগ দি মহাত্মা গান্ধীৰ স্বাৱলম্বন কার্য্যসূচীত অংশ গ্রহণ কৰে । যৌৱনৰ অপৰাজেয় উদ্দীপনাৰে মথাউৰি বন্ধা, ৰাজহুৱা পুখুৰী খন্দা, কানি- ভাঙৰ মহলত পিকেটিং কৰা, বিদেশী বস্তু বর্জ্জন কৰা আৰু স্বদেশী দ্রব্য উৎপাদন কৰা আদি গঠনমূলক

কামৰ জৰিয়তে নিজকে অহিংস ৰণুৱা স্বৰূপে গঢ়ি তোলে। ১৯৩০ চনত আইন অমান্য আন্দোলনত গ্রেপ্তাৰ হৈ সাত দিন কাৰাবাস খাটে। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্রহ আন্দোলনত অংশ গ্রহণ কৰি কাৰাদণ্ড ভোগ কৰে। ১৯৪০ চনতে তেখেতৰ পত্নী বিয়োগ হোৱাত নাবালক মাতৃহাৰা ল'ৰা-ছোৱালীকেইটা আনৰ ঘৰত থৈ শ্রীযুতাই আন্দোলনত অংশ গ্রহণ কৰিছিল। শ্রীযুতাৰ কাৰণে মহাত্মা গান্ধীৰ আহ্বানতকৈ পৰিয়ালৰ প্রতি কর্ত্তব্য ডাঙৰ নাছিল। আমা ডিমী ল'ৰা-ছোৱালী আনৰ ঘৰত থকা অৱস্থাতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন পৰিচালনাৰ দায়িত্ব শ্রীযুতাৰ ওপৰতে পৰে। ২০ চেপ্টেম্বৰত টীয়ক থানা অৱৰোধ কৰি ত্রিৰঙ্গ পতাকা উত্তোলন কৰিবলৈ যোৱা ঐতিহাসিক আৰু অবিস্মৰণীয় সমদল পৰিচালনা কৰিছিল শ্রীযুতাই। অসীম সাহসেৰে সেই দিনা শ্রীযুতাই সেই বিৰাট সমদলৰ নেতৃত্ব কৰিছিল। সেই তাৰিখৰ পৰা তেখেতে আত্মগোপন কৰি গণ বিপ্লৱ পৰিচালনা কৰে। মৃত্যু বাহিনীৰ অধিনায়ক পদত তেখেতে সামৰিক কৌশল আৰু ৰণৰ পদ্ধতিৰে সকলোকে পৰিচালনা কৰিছিল। শৃংখলা, নিয়মানুবর্ত্তিতা, সময়নিষ্ঠা আৰু শিবিৰৰ পৰিপাটীতাৰো অকণো হীন দেটি হ'বলৈ নিদিছিল। আগতে কিবা কাৰণত তেখেতৰ আগ দাঁত দুটা ভাগিছিল। টীয়ক থানাৰ ডাৰোগাই থানাৰ আগেদি যোৱা আৰু শ্রীযুতা বুলি সন্দেহ কৰা সকলো লোকৰ আগদাঁত পৰীক্ষা কৰি মুখ মেলাই চাইছিল। পলাতক অৱস্থাত তেখেতক ধৰিবলৈ টীয়ক থানাই এই কৌশল কৰিও তেখেতক গ্রেপ্তাৰ কৰিবলৈ ব্যর্থ হৈছিল। আত্মগোপন কৰি তেখেতে বিপ্লৱৰ অগনি জীয়াই ৰখাই নহয়, দপদপকৈ জ্বলাই দিছিল। অৱশেষত ছয়মাহ আত্মগোপন কৰি আন্দোলন পৰিচালনাৰ পাচত ১৯৪৩ চনৰ জানুৱাৰী মাহত তেখেত ধৰা পৰে। গ্রেপ্তাৰ কৰি দুবছৰতকৈ অধিক কাল কাৰাবাস খাটে।

কাৰামুক্ত হৈ শ্রীযুতাই জিৰণি নোলোৱাকৈ কংগ্রেছৰ বিভিন্ন কামত পুনৰ ব্রতী হয়। বয়সে পোটোকা পেলাব নোৱৰা স্বাস্থ্যৰে, নিস্প্রভ কৰিব নোৱৰা উদ্যমেৰে আজিকোপতি তেখেত সামাজিক কামত ব্রতী। যোৰহাট লোকেল বোর্ডলৈ বিপুল ভোটত নির্ব্বাচিত হৈ নিজে কৰা ৰাজহুৱা কামসমূহৰ স্থায়ী ৰূপ দিবলৈ সক্ষম হয়। নির্ব্বাচন সমূহত শ্রীযুতা কংগ্রেছৰ অজেয় শক্তি।

শ্রীযুতাই কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সন্মান পেন্সন লাভ কৰিছে। পাৰিবাৰিক সংঘাতেও জর্জ্জৰিত কৰিব নোৱাৰা চিৰ সেউজীয়া প্রেৰণাৰ উৎস শ্রীযুতা।

০ ০ ০

স্বৰ্গীয় পদ্মেশ্বৰ গোস্বামী

প্রাথমিক বিদ্যালয়ত পঢ়ি থকা বয়সৰে পৰা, মানে শৈশৱৰ পৰা মহাত্মা গান্ধীৰ প্রতি অনুৰক্ত হৈ দৰিদ্রতাৰ দানৱক স্থিতপ্রজ্ঞতাৰে পৰাভূত কৰি, স্বাধীনতা সংগ্রামত অমিত তেজা সাহসেৰে অবিৰত আত্মনিয়োগ কৰা অক্লান্ত আৰু অম্লান মুক্তি যুঁজাৰু স্বৰ্গীয় পদ্মেশ্বৰ গোস্বামী। গীতাশাস্ত্র গোস্বামীৰ জীৱনৰ লগৰী। "গীতাশ্রয়োহহং তিষ্ঠামি গীতা মে পৰমং গৃহম" জ্ঞান কৰি জীৱনৰ ঘাত-প্রতিঘাতত পথ বুলা গোস্বামীয়ে কস্মিন কালেও পৰাজয় স্বীকাৰ কৰি লোৱা নাই। তেখেতে ১৯৩০ চনতে ২৬ জানুৱাৰীৰ দিনা নগাওঁ জিলা কাৰাগাৰৰ ভিতৰত ত্রিৰঙ্গ পতাকা উত্তোলন কৰি ১৪ দিন দাণ্ডাবিৰিৰ শাস্তি ল'বলৈকো কুণ্ঠাবোধ কৰা নাছিল।

চাওখাট মৌজাৰ মেলেং কাঠগাৱঁত ১৯০৯ চনত জন্ম গ্রহণ কৰা গোস্বামীয়ে ১৯৯২ চনৰ ১৩ ফেব্রুৱাৰীত শেষ নিশ্বাস ত্যাগ কৰালৈকে বিশ্রাম নল'লে, বিৰতি নাপালে। পিতৃ ডিম্বেশ্বৰ গোস্বামী আৰু মাতৃ পদ্মেশ্বৰী দেৱীৰ সাতোটি সন্তানৰ গোস্বামী ষষ্ঠ সন্তান। ঘৰ খনেই স্বাধীনতা আন্দোলন আৰু মহাত্মা গান্ধীৰ প্রতি আকৃষ্ট, অনুগত আৰু অনুৰক্ত।

প্রাথমিক বিদ্যালয়ত ছাত্রাৱস্থাতে কংগ্রেছৰ সভা শুনি শিক্ষকৰ সৌকাৰ কোৰ খায় গোস্বামীয়ে শিক্ষাকে ত্যাগ কৰি কংগ্রেছ সংগঠনত জ্যেষ্ঠজনৰ

লগত লাগি গ'ল। চৌৰি চৌৰাৰ অঘটনৰ পাছত মহাত্মা গান্ধীয়ে অহিংস অসহযোগ আন্দোলন বন্ধ কৰাৰ পাচতহে গোস্বামীয়ে পুনৰ অধ্যয়ন কৰে। নগৰৰ বেজবৰুৱা হাইস্কুলত পঢ়াৰ কাৰণে ঘৰৰ পৰা আঁতৰি থাকি অশান্তি লগাত কাকজান মজলীয়া বিদ্যালয়ত নাম ভর্তি কৰে। লগে লগে কংগ্রেছৰ সংগঠনৰ কামো অব্যাহত ৰাখে। পঢ়াশলীয়া সংগীত প্রেমী গোস্বামীয়ে সংগীত শিক্ষা প্রসাৰতো মনোনিবেশ কৰে। মেলেং ছাত্র সম্মিলনৰ জন্ম লগ্নতে ১৯২৬ চনতে গোস্বামীয়ে প্রধান ভূমিকা গ্রহণ কৰি সাহিত্য সাধনাতো ব্রতী হয়। "সমাজ সেৱা সংঘ" প্রতিষ্ঠা কৰি নিজে সম্পাদক হৈ "বসন্ত" নামেৰে হাতে লিখা আলোচনী প্রকাশ কৰে। ১৯২৯ চনত মেলেং জ্ঞানদা চতুষ্পাঠী সংস্কৃত টোলত অধ্যয়ন কৰোতে চাহ বাগিছাৰ শ্রমিকক নামঘৰ সাজি ভাওনা কৰিবলৈ শিকায়।

গোস্বামীৰ ঘৰৰ নামঘৰত এবেছা হৰিশ্চন্দ্র উপাখ্যান ভাওনা পাতি গোস্বামীয়ে হৰিশ্চন্দ্রৰ ভাও লোৱাত নিজৰ জীৱনতো হৰিশ্চন্দ্রৰ দশা প্রতিফলিত হোৱাৰ আশঙ্কাত মাতৃতুল্যা বায়েকে মানা কৰিছিলে। বায়েকৰ আশঙ্কা ভায়েকৰ জীৱনত সঁচাকৈয়ে প্রতিফলিত হৈছিল। স্বাধীনতা সংগ্রামত একাণপতীয়াকৈ ব্রতী হৈ পৰিয়াল পৰিপোষণৰ দায়িত্বৰ প্রতি উদাসীন হোৱাত সন্তান সকল অৱর্ণনীয় ক্লেশৰ ভাগী হ'বলগা হয়।

১৯৩০ চন। অহিংস আইন অমান্য আন্দোলন। অসমত কানিংহাম চার্কুলাৰৰ বিভীষিকা। বিলাতী কাপোৰৰ দোকানত পিকেটিং কৰোতে গোস্বামীক গ্রেপ্তাৰ কৰি 'বি' ডিভিজন দি নগাওঁ কাৰাগাৰলৈ পঠায়। ২৬ জানুৱাৰীত গ্রেপ্তাৰ কৰি ১৯৩১ চনৰ ফেব্রুৱাৰীত মুকলি কৰে। ১৯৩৪ চনত মহাত্মা গান্ধী যোৰহাটলৈ আহোতে হৰিজন বন্ধু কৃষ্ণ মামাৰ ঘৰলৈ গোঁসাই ঘৰ হৰিজন সকলৰ কাৰণে মুকলি কৰা উৎসৱত গোস্বামীৰ পূর্ণ সহযোগে কেইবাবছৰলৈ তেখেতক সনাতনী বাইজে এঘৰীয়া কৰাতো ব্যতিব্যস্ত নহৈছিল। ১৯৩২ চনত কোনোবা এদিন স্বৰাজৰ গীত গাই কৃষ্ণ মামাৰ ঘৰলৈ যাওঁতে শ্রীকুমুদেশ্বৰ বৰা, ভাবি ৰাম দত্ত আৰু গোস্বামীক গ্রেপ্তাৰ কৰি এসপ্তাহৰ ফাটেক দিয়ে। এই বিচাৰ আমোদজনক আছিল। একে দৰেই আমোদজনক গোস্বামীৰ ১৯৩৭ চনৰ ১০ মার্চত হোৱা শুভবিবাহৰ বৰ যাত্রা। সম্পূর্ণ গান্ধী ভলণ্টিয়াৰে যোগাৰ কৰা বিয়াত দৰা পশুচালিত বা মানুহে টনা বাহনত নাযায়। অৱশেষত চাহিকেলত যোৱাৰ বন্দবস্ত হ'ল। কন্যাঘৰলৈ যোৱা বাটতে এছোৱা ছিগা বাটত একাঠু

পানী। চাইকেলো এৰি শুদা ভৰিৰে চুৰিয়া কোচাই পদযাত্রা কৰা হ'ল।

১৯৪০ চনত মেলেং এম -ভি-স্কুলৰ সম্মুখত ব্যক্তিগত সত্যাগ্রহ কৰি গ্রেপ্তাৰ বৰণ কৰে। তাৰ পাচৰে পৰা চাৰিগাওঁ, হেজাৰী, বালিগাওঁ, খঙ্গিয়া, আৰু পৰ্ব্বতীয়া মৌজাত শান্তি সেনাৰ প্রশিক্ষণত ব্রতী হয়।

১৯৪২ চন। আগষ্ট মাহ। ৯ আগষ্টত 'ভাৰত ত্যাগ' প্রস্তাৱ গৃহীত 'কৰিম নতুবা মৰিম' পণ । পন্নেশ্বৰ গোস্বামী সংগঠনত আগৰণুৱা। ২০ ডিচেম্বৰ। টীয়ক থানা অৱৰোধৰ আঁচনি। হাজাৰ-বিজাৰ বাইজ। থানাত পতাকা উত্তোলন কৰিব লাগে। গোস্বামীক আন তেৰ জনৰ লগত গ্রেপ্তাৰ কৰি সেই ৰাতি ১৪ জনক একেটা 'লক-আপ' তে ৰাখে। এমাহ হাজোতত থকাৰ পিচত কাৰাদণ্ড হয়। কাৰামুক্ত হৈ গাঁৱে গাঁৱে প্রচাৰ কার্য্য কৰাত পুনৰ গ্রেপ্তাৰ হৈ কাৰাবাস খাটে।

মহাত্মাজীৰ 'ৰাম ৰাজ্য' গঢ়াৰ সপোন বাস্তৱত ৰূপায়ণৰ কাৰণে অহোপুৰুষার্থ কৰা গোস্বামীয়ে স্বাধীন ভাৰতৰ নতুন সূৰুযৰ প্রখৰ তাপ সহ্য কৰিব নোৱাৰা হ'ল। মানৱীয় মূল্যবোধৰ স্খলনে গান্ধীবাদী সকলক তীব্র জোকাৰ দিয়াত গোস্বামীৰ দৰে বহুতে কংগ্রেছ ত্যাগ কৰে। ১৯৫০ চনত লোকেল বোর্ডৰ সদস্য নির্ব্বাচিত হৈ গাঁৱৰ প্রভুত উন্নয়ন কৰে। ১৯৫২ চনত কংগ্রেছ ত্যাগ কৰি প্রজা পার্টীত যোগ দি প্রখ্যাত গান্ধীবাদী নেতা আচার্য্য কৃপালনিৰ লগ লাগে।

অসমত মুক্তি যুঁজাৰু সম্মিলনৰ সংগঠনত আগ ভাগ লওঁতা সকলৰ ভিতৰত গোস্বামী অন্যতম আৰু অগ্রণী। ছয় বছৰীয়া অস্তিত্ব ৰক্ষা আন্দোলনত তেওঁ বিৰাম বিহীনভাৱে আত্মোৎসর্গ কৰে। জীৱনৰ অন্তিম সময়লৈকে যোৰহাট জিলা মুক্তি যুঁজাৰু সম্মিলনৰ সভাপতি। গণতান্ত্রিক মূল্যবোধৰ সদাসতর্ক প্রহৰী, গণতান্ত্রিক প্রতিবাদ সাব্যস্ত কৰাৰ মানসিকতাৰে আজীৱন গান্ধীবাদী সমাজসেৱী, গঠনমূলক সংগঠনৰ নিষ্ঠাৰে 'ঢেকীয়াখোৱা খাদী গ্রামোদ্যোগ'ৰ প্রতিষ্ঠাতা সভাপতি, আধ্যাত্মিক আলোকেৰে উদ্ভাসিত ব্যক্তি পন্নেশ্বৰ গোস্বামীয়ে চাৰিকুৰি তিনি বছৰেও পৰাজয় স্বীকাৰ কৰি নল'লে। অভাৱ-অনাটনে কষ্মিন কালেও প্রতিহত কৰিব নোৱাৰা এইজন মুক্তি যুঁজাৰুৰে ৰাষ্ট্রীয় স্বতন্ত্র সৈনিক সম্মান আৰু ৰাজ্যিক পেন্সন-আৰু তাম্র পত্রেৰে সম্মানিত হয়। ○ ○ ○



স্বৰ্গীয় ঋষেশ্বৰ দলৈ

পিতৃ -টঙ্কেশ্বৰ দলৈ।

মাতৃ -পদুমী দলৈ।

জন্ম - ১৯১৩ চন।

মৃত্যু - ১৭ - ৫ - ৯২।

টীয়ক বলমাত নিগাজীকৈ নিবাস থকা ঋষেশ্বৰ দলৈ পৰাধীন ভাৰতত যোৰহাট জিলা কংগ্রেছৰ এটা প্রসিদ্ধ নাম। যোৰহাট বেজবৰুৱা হাইস্কুলৰ পৰা সু-খ্যাতিৰে প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হয়। ১৯৩০ চনতে মহাত্মা গান্ধীৰ প্রতি অনুৰক্ত হৈ গান্ধীৰ আদর্শৰে জীৱন যাপন কৰাৰ পণ লয়। নিজে স্হাপন কৰা "চন্দ্রকমল বেজবৰুৱা হাইস্কুলৰ ছাত্র সমন্বিতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত আত্মা নিয়োগ কৰি দলেয়ে আঁঠু বহুৰ কাল কাৰাবাস খাটিব লগা হয়। কাৰামুক্ত হৈ জিলা কংগ্রেছৰ লগত সঙ্গতি ৰাখি শিক্ষাৰ প্রসাৰ আৰু গাওঁ সংগঠনৰ কামত আত্মনিয়োগ কৰে।

শ্রীমন্ত শঙ্কৰদেৱ সংঘৰ জৰিয়তে নৈতিক আৰু আধ্যাত্মিক উৎকর্ষ সমাজত প্রতিষ্ঠা কৰাৰ মানসেৰে চিন্তা, কথা আৰু কাম এই তিনিওৰে সমন্বয় সাধনত নিজৰ জীৱন গঢ়ি তোলে আৰু সমাজৰ বাবে কলম হাতত লয়। তৃণ-মূল পর্য্যায়ত সংগঠন আৰম্ভ কৰি অসম শ্রীমন্ত শঙ্কৰদেৱ সংঘৰ পদাধিকাৰ পদ

অলংকৃত কৰে। কথা আৰু জীৱন নির্বাহৰ পদ্ধতিৰ লগত প্ৰকট হৈ উঠা বৈপৰিত্যৰ মাজত দলৈ ব্যতিক্ৰম। দুজন মহাপুৰুষৰ জীৱনাদর্শেৰে তেখেত উদ্বুদ্ধ। চাইকেলেৰে অসম ভ্ৰমণ কৰি সমাজৰ সংগঠনত দিনে নিশাই কঠোৰ পৰিশ্ৰম কৰাৰ দৃষ্টান্ত নতুন পুৰুষৰ বাবে অনুকৰণীয়। চিন্তাৰ লগত কাম তাৎকালিন ভাৱে ৰূপায়ণ তেখেতৰ জীৱনৰ বৈশিষ্ট। চন্দ্ৰকমল বেজবৰুৱা হাইস্কুল, ৰেৱতী লাহন প্ৰাথমিক বিদ্যালয়, "কৃষ্ণ কলা শিল্পী সঙ্ঘ" তাৰে উজ্বল দৃষ্টান্ত। সৰলতা তেখেতৰ জীৱনৰ বৈচিত্ৰ - পোচাক পৰিচ্ছদতে নহয়, আনকি তেখেতে এৰি যোৱা অসংখ্য লেখনিত।

ভাৰত চৰকাৰৰ তাম্ৰপত্ৰ, স্বতন্ত্ৰ সৈনিক সন্মান পেঞ্চন আৰু বাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেন্সন তেখেতে পাইছিল।

শ্রীমোহন চন্দ্র গোস্বামী



যোৰহাটৰ তিতাবৰ অঞ্চলৰ ঠেঙ্গাল মোজাৰ ৰতনপুৰ গাৱঁৰ কৰ্চুং সত্ৰৰ অধিকাৰ মুক্তি যুজাঁকু শিৱচন্দ্ৰ গোস্বামীৰ একমাত্ৰ পুত্ৰ। মাতৃৰ নাম অন্নদা দেৱী। জন্ম ১৯১৩ চন।

১৯২১ চনত ধলী নৈৰ কাষত ৰাণী ভেটাৰ মৰীয়া চাপৰিত শিৱচন্দ্ৰ গোস্বামীয়ে এটি আবাসিক কংগ্ৰেছ শিবিৰ প্ৰতিষ্ঠা কৰিছিল আৰু নিজেই শিবিৰ পৰিচালনা সমিতিৰ সভাপতি আছিল। গোড়া পল্টনে সেই শিবিৰৰ খুটা কাটি ভাঙি উচ্ছেদ কৰে। এইজন অমিততেজা পুৰুষৰ পুত্ৰ শ্ৰীমোহন চন্দ্ৰ গোস্বামীয়ে শৈশবৰে পৰা স্বাধীনতা আন্দোলনৰ অভিজ্ঞতা অৰ্জন কৰিছিল। ১৯৩০ চনত ঠেঙ্গাল মৌজাত তিনিদিনীয়াকৈ হোৱা স্বৰাজ মেলাত সংগঠন আৰু স্বেচ্ছাসেৱকৰ ভূমিকাত অৱতীৰ্ণ হৈ শ্ৰীগোস্বামীয়ে আজিও চাৰিকুৰিৰ দেওনা পাৰ হৈয়ো অবিৰতভাৱে সামাজিক উন্নয়নৰ কামত ব্ৰতী হৈ আছে।

ৰত্নেশ্বৰ শৰ্মা আৰু ইন্দ্ৰেশ্বৰ ৰৰমেধি আছিল ঠেঙ্গাল মৌজা কংগ্ৰেছৰ লাইখুটা। তেখেতসকলৰ পৰলোকৰ পাচত কংগ্ৰেছ আৰু আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰে শ্ৰীগোস্বামীয়ে। একেৰাহে কুৰি বছৰ কাল ঠেঙ্গাল মৌজা কংগ্ৰেছৰ অবিসম্বাদী সভাপতি নিৰ্ব্বাচিত হৈ স্বাধীনতা সংগ্ৰাম আৰু কংগ্ৰেছ সংগঠনৰ গুৰি ধৰিছিল। লগত আছিল একেদিনাই, একে ঠাইতে, একে সময়তে কংগ্ৰেছ সভ্য হোৱা শ্ৰীতিলেশ্বৰ চাংমাই প্ৰমুখ্যে কংগ্ৰেছৰ সেৱকসকল। স্বৰাজমেলা অসমৰ ভিতৰতে কংগ্ৰেছৰ প্ৰাণকেন্দ্ৰ আছিল। স্বাধীনতাৰ সকলো আন্দোলনতে

এই কেন্দ্র সজীৱ, সক্রিয় আৰু সহায়ক আছিল। কানি নিবাৰণী সমিতিৰ সম্পাদকৰ দায়িত্ব লৈ শ্রীগোস্বামীয়ে নিজৰ জীৱন বিপন্ন কৰিও সেই অঞ্চলত কানি ৰৰবিহ নির্মূল কৰিবলৈ সক্ষম হয়। অসম গৌৰৱ ৰোহিণী কান্ত হাতীবৰুৱা আৰু শিৱপ্রসাদ বৰুৱাৰ বিধান সভাৰ নির্বাচনৰ পৰা ১৯৩৭ চনৰ সাধাৰণ নির্বাচন, লোকেল বোর্ডৰ নির্বাচন সমূহত শ্রীগোস্বামী ঠেঙাল মৌজাৰ অজেয় শক্তি আছিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সমগ্র অঞ্চলত গণ আন্দোলন গঢ়ি পানবাৰী বাগিছাৰ ইংৰাজ মেনেজাৰৰ অতপালি কৌশলেৰে প্রতিহত কৰি শ শ কংগ্রেছ কর্মীৰ সমদলে ৪ চেপ্তেম্বৰ তাৰিখে যোৰহাট নগৰলৈ পিকেটিং কৰিবলৈ আনিবলৈ সক্ষম হৈছিল। ৫ চেপ্তেম্বৰৰ দিনা যোৰহাট কাছাৰীত প্রৱেশদ্বাৰৰ পুলটোত উঠি পিকেটিং কৰোতে শ্রীগোস্বামীক গ্রেপ্তাৰ কৰি লক আপত ভৰালে। বাকী হাজাৰ হাজাৰ কর্মীক গ্রেপ্তাৰ কৰি লক আপৰ বাহিৰত আৰু বাৰান্দাত ৰাখিলে। বেলি লহিওৱাৰ লগে লগে সর্ৱেশ্বৰ ৰৰদলৈয়ে উত্তপ্ত বক্তৃতা এটা দি সকলো গ্রেপ্তাৰ কৰি ৰখা কর্মীক সমদলে মুকলি কৰি লৈ গ'ল একমাত্র শ্রীগোস্বামী লক আপত থকাৰ বাবে যাব নোৱাৰিলে। এই ঘটনা বিয়াল্লিছৰ আন্দোলনত অভিনৱ আৰু অবিস্মৰণীয়। শ্রীগোস্বামীক কাৰাগাৰলৈ লৈ যোৱা হ'ল। পিকেটাৰ হিচাপে জেললৈ যোৱা কংগ্রেছ কর্মী শ্রীগোস্বামী যোৰহাটত প্রথম।

শ্রীগোস্বামীৰ কাৰাৰুদ্ধ অৱস্থাতে মাতৃৰ পৰলোক হয়। একমাত্র পুত্র হৈ মাতৃৰ শেষ কৃত্য সম্পন্ন কৰিবলৈ নাপালে। যোৰহাট কাৰাগাৰত সেই সময়ত থকা নেতৃবর্গৰ যত্নত আদ্যশ্রাদ্ধ কৰিবলৈ সাময়িক ছুটী মঞ্জুৰ হোৱাত শ্রাদ্ধাদি শেষ কৰি শ্রীগোস্বামী পুনৰ কাৰাগাৰলৈ উভতি যায়।

শ্রীগোস্বামীক বার্দ্ধক্যই ম্লান পেলাব পৰা নাই। দুবাৰকৈ চকুৰ অস্ত্রোপচাৰ কৰি ৰক্তচাপ দেহাত লৈয়ো সক্রিয়। যোৰহাট জিলাৰ মুক্তি যুজাঁক সন্মিলনৰ অন্যতম প্রতিষ্ঠাতা আৰু বর্তমান উপদেষ্টা হৈ এই পুস্তক প্রকাশত প্রভূত পৰামর্শৰে উপকৃত কৰিছে।

ৰাজ্যিক আৰু ৰাষ্ট্রীয় সম্মান পেঞ্চনেৰে সম্মানিত হৈছে।

শ্রীসোণাৰাম চুতীয়া

হোলোঙাপাৰ মৌজাৰ কাকজান বামকুকুবাছোৱা গাৱঁত নিগাজী ঘৰ হ'লেও বৰ্তমান যোৰহাট নগৰৰ মালৌ আলিৰ স্থায়ী বাসিন্দা। পিতৃ জাঁজীৰাম চুতীয়া, মাতৃ ফুলেশ্বৰী। জন্ম ১৯১৫ চনৰ ৮ জুন।

সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিৰ ল'ৰা। প্ৰাথমিক পৰ্য্যায়ৰে পৰা শ্ৰেণীত প্ৰথম হৈ উত্তীৰ্ণ হৈ ছাত্ৰ বৃত্তি পাই কাকজান এম, ই স্কুলৰ পৰা মাইনৰ বৃত্তি পৰীক্ষাত প্ৰথম হৈ যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯৩৫ চনত পাচোঁটা বিষয়ত 'লেটাৰ' লৈ 'ষ্টাৰ' পাই প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। কটন কলেজত ভর্ত্তি হৈ ১৯৩৮ চনত বিজ্ঞান স্নাতক হয় 'ডিষ্টিংচন' লৈ। ১৯৩৮ চনতে স্বাধীনতা সংগ্ৰামত জড়িত হৈ শিক্ষা জীৱনৰ যবনিকা পৰাৰ পৰা কথমপি ৰক্ষা পৰে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসমৰ প্ৰধান মন্ত্ৰী নোহোৱাহ'লে শিক্ষা জীৱন আধৰুৱাকৈ অন্ত পৰিলহেঁতেন। উচ্চ শিক্ষা দিবলৈ পৰিয়ালৰ যোত্ৰ সমূলি নাছিল। প্ৰতিটো চূড়ান্ত পৰীক্ষাত জলপানি আৰু সদাশয় ব্যক্তিৰ উদাৰতাই উচ্চ শিক্ষা লোৱাত প্ৰভূত সহায় কৰিলে। অৱশ্যে নিজৰ প্ৰতিভা অনস্বীকাৰ্য্য।

অ'ত ত'ত শিক্ষকতা কৰাৰ সময়তে ১৯৪২ চনৰ ভাৰত ত্যাগ প্ৰস্তাৱৰ চূড়ান্ত সংগ্ৰাম অহাত সেই সংগ্ৰামত আত্মনিয়োগ কৰে। সেই সময়তে শ্ৰীচুতীয়াই হিন্দুধৰ্মৰ প্ৰতি বিতুষ্ট হৈ ধৰ্মান্তৰ গ্ৰহণ কৰাৰ কথা চিন্তা কৰিছিলে। তেনে সময়তে ৪-১২-৪২ তাৰিখে গ্ৰেপ্তাৰ হোৱাত তেখেতৰ বাসস্থান হয় যোৰহাট

কাৰাগাৰ। ধর্মান্তৰ গ্রহণৰ বেলা উকলি গ'ল। কাৰাগাৰৰ ভিতৰত লগ পালে লোকনায়ক অমিয় কুমাৰ দাসক। লোকনায়কে শ্রীচুতীয়াৰ অধ্যয়নপুষ্ট ধী-শক্তিৰ উমান পাই আৰু ধর্মান্তৰ গ্রহণৰ সিদ্ধান্তৰ কথা গম পাই কাৰাগাৰৰ ভিতৰতে সত্রীয়া আহিত বন্দী জীৱন যাপন কৰা গড়মূৰীয় সত্রাধিকাৰ শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী প্রভূৰ ওচৰত চমজাই দিয়ে। প্রভূৱে শ্রীচুতীয়াৰ মেধাৰ উমান পালে আৰু শাস্ত্র সমূহ অধ্যয়নত লগালে। বেদকে আদি কৰি মূল শাস্ত্র অধ্যয়ন, প্রভূৰ পাণ্ডিত্যপূর্ণ ব্যাখ্যাই শ্রীচুতীয়াৰ মন ধর্মান্তৰৰ অনুভূতিৰ পৰা আঁতৰাই আনিলে। ছাত্র অৱস্থাৰে পৰা একনিষ্ঠ অধ্যয়নশীলতাই বেদ-বেদান্তৰ অধ্যয়নত বিশ্লেষাত্মক দৃষ্টিভংগীৰে মনোনিবেশ কৰিলে। প্রভূৰ মহত্ব আৰু শাস্ত্রৰ পাণ্ডিত্যই শ্রীচুতীয়াক যুক্তিনিষ্ঠ ভাৱে পৰিবর্তন কৰিলে। ইত্যাদি কাৰণত সম্ভৱ শ্রীচুতীয়াই স্বীকাৰোক্তি কৰিছে যে ১৯৪২ চনৰ চূড়ান্ত স্বাধীনতা সংগ্রামত অংশ গ্রহণ "জীৱনৰ সর্বশ্রেষ্ঠ ঘটনা"। ১৯৪২ চনৰ ৪ ডিচেম্বৰৰ পৰা ১৯৪৪ চনৰ ২২ ডিচেম্বৰলৈ দুই বছৰ ১৮ দিনৰ কাৰাবাসে জীৱনলৈ পট পৰিবর্তনৰ সূচনা কৰিলে। কাৰামুক্তিৰ পাচত ৬ মাহ নিজ ঘৰত অন্তৰীণ বন্দী হয়।

১৯৪৬ চনত সেৱা গ্রামত ১০ মাহ প্রশিক্ষণত মহাত্মা গান্ধী আৰু গান্ধী দর্শনৰ পৃথিৱী প্রসিদ্ধ প্রবক্তা সকলৰ সান্নিধ্যই তেখেতৰ মনৰ দিগন্তই প্রসাৰতা লাভ কৰে। ১৯৬২ চনত দ্বিতীয় শ্রেণীৰ প্রশাসনিক বিষয়া নির্ব্বাচিত হৈ গ্রাম্য উন্নয়ন বিষয়াৰ পদত অধিস্থিত হয়। জনসেৱাৰ কামত জনসাধাৰণৰ কল্যাণৰ কামত ঐকান্তিকতাৰে ব্রতী হয়। ১৯৭০ চনত পঞ্চায়তীৰাজ প্রশিক্ষণ কেন্দ্রৰ অধক্ষ্য পদৰ পৰা অৱসৰ লয়।

শ্রীচুতীয়াৰ অধ্যয়নৰ পৰিসৰ অতি ব্যাপক। স্মৃতি শক্তি অসামান্য আৰু অণুকৰনীয়। এই উভয় বিৰল প্রতিভাৰে পাণ্ডিত্যপূর্ণ কেবাখনো পুস্তক আৰু অসংখ্য তথ্য গধুৰ নিবন্ধ ৰচনা কৰে। "অসমৰ বৈষ্ণৱ ধর্ম্মৰ স্বর্ণৰেখা","ভাগৱত মাহাত্ম্য","মহাপুৰুষীয়া ধর্ম্ম জিজ্ঞাসা"আদি কেইখনমান পুথিৰ উদাহৰণ। বর্ত্তমানো মৌলিক সংস্কৃত,হিন্দী,ইংৰাজী গ্রন্থৰ অধ্যয়ন অবিৰত ভাবে কৰি আছে। চাৰি কুৰিৰ ওচৰ পায়ো কোনো দিন বার্দ্ধক্যৰ কথা চিন্তা কৰাৰ অৱকাশ নাই। "বৈষ্ণৱ পণ্ডিত"উপাধিৰে বিভূষিত।

ৰাজ্যিক আৰু ৰাষ্ট্রীয় সম্মান পেঞ্চনেৰে সম্মানিত হোৱাৰ উপৰিও তাম্র-পত্রৰে সম্মানিত। যোৰহাট জিলা মুক্তি যুজাঁক সম্মিলনৰ সভাপতি স্বৰূপে এই পুস্তক প্রকাশনৰ মুখ্য পৰামর্শদাতা।

দ্বিতীয় খণ্ড

ভাৰতৰ স্বাধীনতা সংগ্রামত ৰাষ্ট্রীয় সঙ্গীত

বন্দে মাতৰম্ বন্দে মাতৰম্ ।
সুজলাং সুফলাং, মলয়জ শীতলাম্
শস্য শ্যামলাং মাতৰম্ ।
শুভ্র জ্যোৎস্না পুলকিত যামিনীম্
ফুল্ল কুসুমিত দ্রুমদল শোভিনীম্,
সুহাসিনীং সুমধুৰ ভাষিনীম্
সুখদাং, ৰৰদাং মাতৰম্ ।
বন্দে মাতৰম্ ॥

— বঙ্কিমচন্দ্র

পতাকা উত্তোলনৰ গীত

বিজয়ী বিশ্বতিৰঙ্গা প্যাৰা
ঝণ্ডা উঁচা ৰহে হামাৰা ।
সদা শক্তি বৰষানে ৰালা
প্রেম সুধা স্বৰষানে ৰালা,
ৰীৰ কো ঘৰষানে ৰালা
মাতৃ ভূমিকা তনমন সাৰা ।
ঝণ্ডা উঁচা ৰহে হামাৰা ।
আৰ ভাইও বহন আৰ
দেশ ধৰমপৰ বলি বলি যাৰ
এক সাথ সব মিলকৰ গাৰ
ঝণ্ডা উঁচা ৰহে হামাৰা ।
শানন ইসকী জানে পায়ে
চাহে জান ভলেহি জায়ে ।
বিশ্ব বিজয়ী কৰকে দিখ্লাৰে
তব হোৱে পণ পূর্ণ হামাৰা
ঝণ্ডা উঁচা ৰহে হামাৰা ।

পতাকা অৱতৰণৰ গীত

ৰাষ্ট্ৰ গগন্‌কী দিব্যজ্যোতি,
ৰাষ্ট্ৰীয় পতাকা নমো নমো।
ভাৰত জননীকে গৌৰৱ কী
অবিচল শাখা,নমো নমো।
কৰমে লেকৰ্ ইসে শূৰ্মা,
কৌটি কৌটি ভাৰত সন্তান
হস্‌তে হস্‌তে মাতৃভূমিকে
চৰনোপৰ হোঙ্গে বলিদান।
হো ঘোষিত নিভীক্ বিশ্বমে
তৰল তিৰঙ্গ নৱল নিশান,
খিল উঠে বীৰ হৃদয় সে
ভাৰতীয় ক্ষন্‌মে মৈদান্।
ৰাষ্ট্ৰ গগন্‌কী দিব্যজ্যোতি
ৰাষ্ট্ৰীয় পতাকা নমো নমো।

সমদলৰ গীত

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ

বিশ্ব বিজয়ী নৱ-জোৱান, বিশ্ব বিজয়ী নৱ-জোৱান
শক্তি শালিনী ভাৰতৰ,
ওলাই আহা, ওলাই আহা
সন্তান তুমি বিপ্লৱৰ।
সমুখ সমৰ ভয় নকৰিবি
মুক্তি যুজাঁক হুহিয়াৰ,
মৃত্যু বিজয় কৰিব লাগিব
স্বাধীনতাৰ খুলি দুৱাৰ।

অগ্নি বৃষ্টি আহিব লাগিছে
গৰজে বজ্রপাত,
শিলাবৃষ্টি ভূমিকম্প
হ'ব উল্কাপাত।
বিশ্ব বিজয়ী নর-জোৱান . . . . .

* * * * * *

আগুৱা বীৰেন্দ্র দল আগুৱা আগুৱা,
বীৰ দর্পে ৰণ শিঙ্গা বজোৱা বজোৱা ॥
হোৱা সবে ভীষ্ম দ্রোর্ণ পার্থ বৃকোদৰ কর্ণ
লাচিত শিৱাজীৰ দৰে হৃদয় সজোৱা
খোজত খোজ দিয়া দলে দলে আগবাঢ়া।
খোজৰ ভৰত মহী মণ্ডল কপোঁৱা ॥
বীৰ হিয়া নাচি উঠে ৰণ ভূমি পাই
ৰনোন্মত্ত প্রাণে সবে বলা আগুৱাই।
আগুৱা বীৰেন্দ্র দল আগুৱা আগুৱা,
বীৰদর্পে ৰণ শিঙ্গা বজোৱা বজোৱা ॥

* * * *

ব'লা ভাই,ব'লা ভাই ব'লা বীৰদর্পে আগুৱাই
ব'লা,ব'লা ভাই,ব'লা আগুৱাই
জননীৰ জয় গান গাই গাই।
সৌ যে মনিৰাম সৌ যে ক্ষুদিৰাম
আছে বিমানতে ৰই।
উদগনি দিছে জননীৰ হস্তে
আমাক ফাঁচী লব লই ॥

সৌযে দৃশ্য দেখা ভয়ঙ্কৰ
অতি ভয়াবহ ভাই।
নিকৰুণ চৰকাৰে দাৰুণ প্ৰহাৰেৰে
মাৰিলে লাজপট ৰায় ॥
সৌযে ভগত সিং সৌযে শুকদেৱ
কাৰ হকে ল'লে ফাঁচী
কাৰ হকে নো ফাঁচী কাঠত উঠি
ৰাজগুৰু হ'ল স্বৰ্গবাসী।
সৌযে দীনেশ সৌযে হৰিকিসন
ফাঁচীৰ চাঙত দুয়ো বহি,
"জয়হে জননী, জয়হে ভাৰত
গায় মহাগান হাঁহি হাঁহি।
ব'লা ব'লা ভাই ব'লা আগুৱাই
গাত বীৰ তেজ লই।
অহিংস ৰণৰে সাৰথি ভগৱান।
গোৱা স্বৰাজৰ জয় ॥

সাহিত্যৰথী বেজবৰুৱাৰ গীত

আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হ'ম
সকলো আছিল সকলো আছে নুগুনো নলওঁ গম।
শঙ্কৰে দিলে বিশুদ্ধ ধৰম লাচিতে বাহুত বল,
সতী জয়মতী সতীত্ব তেজেৰে অসমী আই প্ৰবল ॥
বাজক দবা বাজক শঙ্খ
বাজক মৃদং খোল।
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল ॥
ভাস্কৰ বৰ্ম্মা ভাস্কৰ জেউতি
প্ৰাগ্‌জ্যোতিষৰ ৰজা

ভাৰতৰ ৰজাৰ আগশাৰী ললে
নহয় ই কথা সজা
শঙ্কৰাচার্য্য গুৰু অসমীয়া কুমাৰিল ভট্ট নাম,
জগতগুৰুৰো গুৰু হ'ব পাৰে ভট্টই দেখালে কাম।
বাজক দবা বাজক শঙ্খ
বাজক মৃদং খোল।
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল॥

আজাদ হিন্দ ফৌজৰ গীত

কদম্ কদম্ বঢ়ায়ে যা,
খুসীসে গীত গায়ে যা,
য়হ জিন্দ্গী হ্যায় কৌম্ কি,
তো কৌম্ পৈ লুটায়ে য়া॥

তু শেৰ্ এ হিন্দ আগে বঢ়্
মৰ্ণেসে ভি তু ন ডৰ।
আচ্মান তক্ উঠাকে শিৰ॥
জোশ (এ) ৰতন বঢ়ায়ে যা॥

তেৰী হিম্মৎ বঢ়তী ৰহে
খুদা তেৰী সুন্তা ৰহে।
জো সামনে তেৰে চঢ়ে
তো খাক্সে মিলায়ে যা॥

চলো দিল্লী পুকাৰকে
কৌমী নিশান সম্ভাল্কে
লালকিল্লে পৈ গাঢ়কে
লহৰায়ে জা লহৰায়ে জা।

কদম্ কদম্ বঢ়ায়ে যা
খসীসে গীত গায়ে যা॥

১৯২৬ চনত পাণ্ডু কংগ্রেছৰ আৱন্তণী গীত

আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট
নৰ নাৰায়ন ৰূপ
পঙ্কিল পৰাধীন কুণ্ঠিত চিত্তমন
নাই ফুল চন্দন দীপ ॥
সুদূৰ দ্বাপৰত শুনিছো পাণ্ডৱে
জয়কৰি সপ্ত ধৰিত্রী ॥
যজ্ঞ ৰাজসূয় কৰিলেক সমাপন
সম্রাট হয়ে একছত্রী ॥
দেশে দেশে জুৰি লক্ষ লক্ষ ভূপতি
গালে আহি মুৰ্ত্ত গায়ত্রী ॥
(আজি) দাসত্ব বন্ধনে ৰোধিত কণ্ঠত
নুফুটে ৰাগীণী অনুৰূপ।
বিংশতি ৰাজা নাই যজ্ঞ ৰজসূয় নাই
নাই ৰাজা নৰপতি বৰ্গ।
কৰ্কশ বানী শুনি পাঞ্চ্য জন্য তুলি
নাহিলব ভক্তিৰ অৰ্ঘ্য।
সেই নাৰায়নে জাগে নৰৰূপে
মোহাৰি বাধা উপসৰ্গ।
প্রজাসুয়ে সব যজ্ঞ সমাপন
আৰতি নিখিল ভূপ ॥
ৰুদ্ধ কণ্ঠ ভেদি মুখৰিত হৌক আজি
জয় নাৰায়ন বন্দে।
পতিত ভাৰতৰ দুখ অৱসান বেলা
নিশি মঙ্গল ছন্দে ॥
গ্রহ উপগ্রহ ধ্বনিত হৌক আজি
দুন্দুভী ভুলোক নন্দী।

জাগ্রত হৌক আজি বিজয়ী গৰ্ব্বেৰে
বিজয়ী শক্তি অপৰূপ ॥

অম্বিকাগিৰি ৰায় চৌধুৰী

ডেকা গাভৰুৰ দল
ধীৰ ধীৰাঙ্গনাৰ দল
নতুন তেজেৰে ৰাঙলী ৰূপহী
কৰহি ধৰণী তল।
খোজৰ ভৰত কঁপক ধৰণী
তৰুণ চকুত জ্বলক অগনি,
শত সহস্র মৃত্যু নেওচি
ব'ল আগুৱাই ব'ল।
যুগ যুগান্তৰ পাৰ হৈ গ'ল
মাতৃ অনাথা তোৰ
পৰ পদানত কতনো সহিবি
নপৰিল তাৰ ওৰ।
বুকুত বাজক ধীণ অগনিত
ৰুদ্ধ হিয়াৰ তপত বোধিৰ
ধৈ যাওক আজি অৰুণ বোলেৰে
বোৱাই ধৰণী তল।

– নবীনচন্দ্র বৰদলৈ

জাতীয় সঙ্গীত

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ,
এনেখন শুৱলা এনেখন ফুলা
এনেখন মৰমৰ দেশ।
অ' মোৰ সুৰীয়া মাত,
অসমৰ সুৱদী মাত,
পৃথিৰীৰ ক'তো বিচাৰি নোপোৱা
জনমটো কৰিলেও পাত।
অ' মোৰ ওপজা ঠাই,
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।

লক্ষ্মীনাথ বেজবৰুৱা

ৰাষ্ট্ৰীয় সঙ্গীত

জন গন মন অধিনায়ক জয়হে
ভাৰত ভাগ্য বিধাতা
পাঞ্জাৱ সিন্ধু গুজৰাট মাৰাঠা
দ্রাবিড় উৎকল বঙ্গ।
বিন্ধ্য হিমাচল যমুনা গঙ্গা
উচ্চল জলধি তৰঙ্গ॥
তব সুভ নামে জাগে,
তব সুভ আশীষ মাগে,
গাহে তব জয়গাথা॥
জন গণ মঙ্গল দায়ক জয়হে
ভাৰত ভাগ্য বিধাতা
জয়হে, জয়হে, জয়হে;
জয়, জয়, জয়, জয়হে।

শ্রীহীৱানাথ ভৱালী -শিমলুগুৰি মৌজাৰ জগদুৱাৰ কাকতি গাঁৱৰ নিবাসী । পিতৃ মতিৰাম ভৱালী, মাতৃ নৱমী ভৱালী । জন্ম ১৯০৬ চন । ১৯২১ চনত দশম মানত পঢ়ি থাকোতেই স্কুল বৰ্জন কৰি অহিংস অসহযোগ আন্দোলনত যোগ দি তেতিয়াৰে পৰা ভাৰত ত্যাগ আন্দোলনলৈকে অবিৰত ভাৱে স্বাধীনতা সংগ্রামত আত্মনিয়োগ কৰে। জাঁজী ডাক বঙলা জ্বলোৱা অপৰাধত ৫০০ (পাঁচশ) চকাৰ জৰিমনা ভৰিব লগা হৈছিল । ১৯৩০ চনত পিকেটিং কৰোতে কাৰাবাস খাটিব লগা হয় । ১৯৪২ চনত যোৱহাট কাছাৰীত পিকেটিং কৰোতে গ্রেপ্তাৰ কৰি ৰাতি ১২ বজাত থানাৰ পৰা মুক্তি দিয়ে । আত্মগোপন কৰি সামৰিক যোগান বন্ধ কৰাত ব্রতী হয় ।

১৯২১ চনৰে পৰা কংগ্রেছৰ সাংগঠনিক কামত নিৰবচ্ছিন্ন ভাৱে লাগি থাকি সকলো গঠনমূলক কামত অংশ গ্রহণ কৰে ।

১৯৬২ চনৰ পৰা ৰাজ্যিক আৰু ১৯৭৩ চনৰে পৰা কেন্দ্রীয় সন্মান পেঞ্চন পাই আছে ।

শ্রীচন্দ্রকান্ত ৰাজখোৱা : পিতৃ লক্ষীকান্ত ৰাজখোৱা মাতৃৰ নাম লীলাৱতী ৰাজখোৱা নিবাস শিমলুগুৰি মৌজাৰ চাৰিঙীয়া গাওঁ । জন্ম চন ১৯২৪ । শ্রীৰাজখোৱা এগৰাকী সক্রিয় ৰাজনৈতিক কৰ্মী আছিল । তেখেতৰ পৰিয়ালৰ একাধিক ব্যক্তিয়ে মুক্তিযুজাৰূপ সন্মান অর্জন কৰিছে । ১৯৪২ চনৰ গণবিদ্রোহত বিদ্যালয় বৰ্জন কৰি তেঁহে আন্দোলনৰ প্রচাৰ, সংগঠন আদি কাৰ্য্যত নিজকে নিয়োজিত কৰে ।

স্বেচ্ছাসেৱক বাহিনী গঠন আদিত অংশ গ্রহণ কৰি যোৱহাটৰ বিভিন্ন মৌজাত আন্দোলন গঢ়ি তোলা আৰু পিকেটিং আদি কৰা কামত অংশ গ্রহণ কৰি

ফুৰিছিল। শেষত পুলিচৰ হাতত গ্রেপ্তাৰ হৈ বিচাৰত ৯ মাহ কাৰাদণ্ড ভোগে। জেলত থাকোতেই পুলিচৰ অত্যাচাৰত স্বাস্থ্য ভঙ্গ হয়। স্বাধীনতা লাভৰ পিছতো নানা গঠনমূলক কামত অংশ গ্রহণ কৰি আহিছে। শ্রীৰাজখোৱাই ভাৰত চৰকাৰৰ স্বতন্ত্রতা সৈনিক সম্মান পেন্সন আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাক পেন্সন লাভ কৰিছে।

শ্রীডিম্বেশ্বৰ শর্ম্মা : শ্রীডিম্বেশ্বৰ শর্ম্মাৰ পিতৃ ঁশশীধৰ শর্ম্মা আৰু মাতৃৰ নাম ঁসৰু আইটি দেৱী। জন্ম চন ১৯২১। ঘৰ শিমলুগুৰি মৌজাৰ তুলসীজানত। শ্রীশর্ম্মা এজন গঠনমূলক সমাজ কর্ম্মী আৰু কৃতী শিক্ষক। ১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কৰি তেখেতে ছমাহ কাৰাবৰণ কৰিছিলে। প্রচাৰ কার্য্য আৰু যুদ্ধৰ যোগান বন্ধ কৰা আদি আন্দোলনত জড়িত।

কলিয়াপানী গাওঁপঞ্চায়তৰ সভাপতি থকাৰ উপৰিও বামুণপুখুৰী হাইস্কুলৰ প্রতিস্হাপক প্রধান শিক্ষক আছিল। শ্রীশর্ম্মাই ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাক পেন্সন লাভ কৰিছে।

শ্রীতৰুণ চন্দ্র চাংকাকতি : শ্রীতৰুণ চাংকাকতিৰ পিতৃ ঁডম্বৰুধৰ চাংকাকতি আৰু মাতৃ ঁ কমলেশ্বৰী দেৱী। জন্ম চন ১৯২৭। শ্রীচাংকাকতি এজন প্রবীণ আৰু প্রথিতযশা আৰু প্রসিদ্ধ সংগঠক। ১৯৪২ চনৰ আন্দোলনত শিমলুগুৰি মৌজাত নেতৃত্ব বহন কৰি তেখেতে আন্দোলন পৰিচালনা কৰে আৰু ৬ মাহতকৈ অধিককাল কাৰাবাস খাটে। প্রাথমিক শিক্ষক সম্মিলন সংগঠনত তেখেতৰ অৱদান প্রণিধানযোগ্য।

এযুগতকৈও অধিককাল ধৰি ৰাজ্যিক আৰু সর্ব্বভাৰতীয় প্রাথমিক শিক্ষক সম্মিলনৰ সভাপতি স্বৰূপে কার্য্য পৰিচালনা কৰি শিক্ষক আন্দোলনত উল্লেখযোগ্য অৰিহণা আগবঢ়ায়। শ্রীচাংকাকতিয়ে ৰাজ্যিক চৰকাৰী পেন্সন ভোগ

কৰিছে। আৰু বৰ্ত্তমানো মুক্তিযুঁজাক সম্মিলনকে আদি কৰি বিভিন্ন সামাজিক কামত জড়িত।



শ্রীযজ্ঞেশ্বৰ হাজৰিকা : শ্রীযজ্ঞেশ্বৰ হাজৰিকাৰ পিতৃ দেহীৰাম হাজৰিকা, মাতৃ কেতেকী হাজৰিকা। জন্ম চন ১৯২৫। ঘৰ শিমলুগুৰিত। বৰ্ত্তমান বাসস্থান ফুকন নগৰ, শিৰসাগৰ। এজন শিক্ষাব্রতী। ১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কৰি ৬ মাহতকৈ বেছি দিন কাৰাবৰণ কৰিব লগীয়া হয়। তেখেতে অসম চৰকাৰৰ মুক্তিযুঁজাক পেন্সন লাভ কৰিছে।

শ্রীমহেন্দ্র নাথ হাজৰিকা : শ্রীমহেন্দ্র নাথ হাজৰিকাৰ নিবাস শিমলুগুৰি মৌজা, তুলসী জান, হাজৰিকা গাওঁ। পিতৃৰ নাম কেশৰাম হাজৰিকা আৰু মাতৃ আইকণ হাজৰিকা। জন্ম চন ১৯২০। এজন গঠনমূলক কৰ্ম্মীস্বৰূপে ১৯৪২ চনৰ আন্দোলনত অংশগ্রহণ কৰি মিলিটেৰী যোগান বন্ধ কৰাৰ অপৰাধত ছয়মাহতকৈ অধিক দিন কাৰাদণ্ড ভোগ কৰে। যোৰহাট জেলত পুলিচৰ মাৰ খাই বিশেষ ধৰণে আঘাত প্রাপ্ত হৈছিল। তেখেতে তাম্রপত্র পোৱাৰ উপৰিও ভাৰত চৰকাৰৰ স্বতন্ত্রতা সেনানী পেন্সন আৰু ৰাজ্যিক চৰকাৰৰ পেন্সন ভোগ কৰিছে।

শ্রীদিনাৰাম বৰুৱা : শিমলুগুৰি মৌজাৰ তামুলীগাৰঁত ঘৰ । পিতৃ বাবুলা বৰুৱা, মাতৃ মেৰী বৰুৱা । জন্ম চন ১৯১১ । মজলীয়া বিদ্যালয়ৰ ছাত্রাৱস্থাতে ১৯২১ চনৰ আন্দোলনৰ প্রভাৱত পৰে । ১৯২৬ চনৰ ছাত্র সম্মিলনৰ সম্পাদক স্বৰূপে সংগঠনৰ কামত আত্মনিয়োগ কৰে । ১৯৪১ চনৰ ১৭ জানুৱাৰীত সত্যাগ্রহ কৰি চাৰিদিন কাৰাবাস খাটে । ১৯৪২ চনৰ গণবিপ্লৱত অংশ গ্রহণ কৰি ১-৩-৪২ তাৰিখে গ্রেপ্তাৰ হৈ ৭ মাহ জেলত থাকে । ১৯৩২-৪৮ চনলৈ ভগামুখ প্রাথমিক কংগ্রেছৰ সম্পাদকৰ দায়িত্ব বহন কৰে । কেন্দ্রীয় আৰু ৰাজ্যিক সম্মান পেন্সন লাভ কৰিছে ।

শ্রীজগন্নাথ শর্ম্মা শ্রীজগন্নাথ শর্ম্মাৰ পিতৃৰ নাম যোগদেৱ শর্ম্মা আৰু মাতৃৰ নাম ৰামপাহী দেবী । জন্ম ১৯২৯ চন । ঘৰ শিমলুগুৰি মৌজাৰ পহুমৰা গাৱঁত । ১৯৪২ চনৰ আন্দোলনত অংশগ্রহণ কৰি ৯ মাহ কাৰাবাস খাটে । অঞ্চলৰ গঠনমূলক কামত অংশ গ্রহণ কৰে । প্রাথমিক বিদ্যালয়ৰ শিক্ষক । শ্রীশর্ম্মাই ভাৰত চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ স্বতন্ত্রতা সেনানী সম্মান পেন্সন লাভ কৰিছে ।

শ্রীকনকেশ্বৰ বৰা : শিমলুগুৰি মৌজাৰ খনামুখ চাৰিঙ্গিয়া গাঁৱৰ নিবাসী । পিতৃ ফুপাই বৰা, মাতৃ আইকণ বৰা । জন্ম চন ১৯২৮ । বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলনত তামুলীছিগা হাইস্কুলৰ নৱম শ্রেণীৰ পৰা স্কুল ত্যাগ কৰি আন্দোলনত জপিয়াই পৰে । সামৰিক যোগান বন্ধ কৰা কার্য্যসূচীত বিভিন্ন প্রকাৰে অংশ গ্রহণ কৰে ।

বিপ্লৱৰ পাচত পুনৰ অধ্যয়নত ব্ৰতী হৈ স্বাধীন ব্যৱসায়ত লাগি বৰ্ত্তমান যোৰহাট নগৰৰ দহাৰবা চুমুৰীৰ বাসিন্দা।

শ্ৰীতিলেশ্বৰ তামুলী: শ্ৰীতিলেশ্বৰ তামুলীৰ ঘৰ শিমলুগুৰি মৌজাৰ বনাইত। পিতৃৰ নাম মানিক চন্দ্ৰ তামুলী আৰু মাতৃৰ নাম আইধান তামুলী। জন্ম ১৯২৩ চন। এজন গঠনমুলক সমাজকৰ্ম্মী। কংগ্ৰেছ কৰ্ম্মী স্বৰূপেও তেখেত নানা কামত লিপ্ত আছিল। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন কৰে।

১৯৪২ চনৰ আন্দোলনত সহযোগ কৰি যোৰহাট কাছাৰীত পিকেটিং কৰি গ্ৰেপ্তাৰ হয় আৰু দুৰ্গম ঠাইত এৰি দিয়ে। প্ৰায় এবছৰ ধৰি পলাতক কৰ্ম্মীৰূপে আন্দোলনৰ কাম কৰে। স্বেচ্ছাসেৱক বাহিনী গঠন আৰু প্ৰশিক্ষণ দিয়াত শ্ৰীহাজৰিকাই অংশ গ্ৰহণ কৰে। জাজী ডাক বঙলা জুই লগা অপৰাধত পাইকাৰী জৰিমণা ভৰিব লগা হয়। তেখেতে অসম চৰকাৰৰ স্বতন্ত্ৰতা সেনানী পেঞ্চন পায়।



শ্ৰীতৰুণ চন্দ্ৰ বৰা : শ্ৰীতৰুণ চন্দ্ৰ বৰাৰ পিতৃৰ নাম মধুৰাম বৰা মাতৃৰ নাম আইটী বৰা। জন্ম চন ১৯১৮। ঘৰ শিমলুগুৰি মৌজাৰ তামুলী গাঁৱত। এজন সমাজ কৰ্ম্মী। ১৯৪২ চনৰ আন্দোলনত জাজী ডাক বঙলা জুই লগোৱা কাৰ্য্যত অংশীদাৰ। ফলস্বৰূপে তেখেতৰ পৰিয়ালে পাইকাৰী জৰিমণা ভৰিব লগা হয় আৰু তেখেত নিজে পলাই ফুৰিব লগা অৱস্থা হৈছিল।

বিভিন্ন সময়তে কংগ্ৰেছ অনুষ্ঠানৰ বিষয় বাৰ লোৱাৰ উপৰিও আঞ্চলিক পঞ্চায়তৰ সদস্য আছিল আৰু স্থানীয় সমবায় মাৰ্কেটিং চহাইটিৰ সভাপতি আছিল।

শ্রীনন্দেশ্বৰ বৰা : শ্রীনন্দেশ্বৰ বৰাৰ ঘৰ শিমলুগুৰি মৌজাৰ তামুলীছিগাত। তেখেতৰ পিতৃৰ নাম গোলাই বৰা আৰু মাতৃৰ নাম পতীমা বৰা। জন্ম ১৯১১ চন। শ্রীবৰা এজন শস্যাব্রতী। তামুলীছিগা হাইস্কুলৰ প্রতিষ্ঠাৰ পৰা শিক্ষকতা কৰিছিল। মহাত্মাজীৰ লোন আইন অমান্য আন্দোলনৰ সময়ত জাজীৰ নৰনাথ শর্ম্মাৰ লগত সভা সমিতি পতাত অংশ গ্রহণ কৰিছিল।

১৯৪২ চনতো এজন স্বেচ্চাসেৱী হিচাবে অংশ গ্রহণ কৰিছিল আৰু শোভাযাত্রা আদিৰে প্রচাৰ কার্য চলাইছিল। তেখেতে ৰাজ্যিক চৰকাৰৰ স্বতন্ত্রতা সেনানী পেঞ্চন পায়।



শ্রীমতী কুসুম কুমাৰী বৰা : স্বামীৰ নাম থিৰেশ্বৰ বৰা, তামুলীছিগা সোনাৰী গাঁৱত ঘৰ। এগৰাকী মহিলা স্বেচ্ছাসেৱিকা, মহিলা সংগঠনৰ কামত বিশেষ ধৰণে জড়িত আছিল। ১৯৪২ চনৰ প্রচাৰ কার্য্য কৰা আৰু মহিলা সকলক সংগঠন কৰি সভা শোভা-যাত্রা কৰিছিল। ৪২ চনতে বিদ্যালয় বর্জ্জন কৰে আৰু পঢ়া নহ'ল।

গণ আন্দোলনৰ পৰবৰ্ত্তী কালত আৰু স্বাধীনোত্তৰ কালতো শ্ৰীহাজৰিকা সমাজৰ গঠনমূলক কামত ব্ৰতী। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ স্বাধীনতা সেনানীৰ পেন্সন পাইছে।



শ্ৰীমানিক চন্দ্ৰ বৰদলৈ - শিমলুগুৰি মৌজাৰ মৰিজাঁজী সোণাৰী গাঁৱৰ বাসিন্দা। পিতৃ মালভোগ বৰদলৈ, মাতৃ কেতেকী বৰদলৈ। জন্ম ১৯২৬ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত স্কুল এৰি আন্দোলনত লাগে। ৯ আগষ্টৰ টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে গ্ৰেপ্তাৰ কৰি ৰাতি দেবেৰাপাৰ চাৰিআলিত এৰি দিয়ে। সত্যাগ্ৰহত ভুৱন বাৰুৱাতীৰ লগত যাওঁতে পুলিচৰ খেদা খায়।

পিচত পুনৰ অধ্যয়নত লাগি চৰকাৰী চাকৰি কৰি খণ্ড উন্নয়ন বিষয়া হিচাবে অৱসৰ গ্ৰহণ কৰে। বৰ্তমান ৰোগাক্ৰান্ত হৈ মানুহজন কোঙা হৈ আছে।

শ্রীডিম্বেশ্বৰ হাজৰিকা - শিমলুগুৰি মৌজাৰ ভগামুখ তামুলী গাঁৱঁৰ নিগাজী নিবাসী । জন্ম ১৯২১ চন । ১৯৪০ চনৰ পুথি নৈৰ পাৰৰ শিৰিৰৰ এজন নিপুণ শাস্তিসেনাত প্ৰশিক্ষণৰ পাচত নিজ এলেকাত প্ৰশিক্ষক নিযুক্তিৰে সেৱা আগ বঢ়ায় । মৰিজাঁজী তামুলীছিগা আৰু যোৰহাটত প্ৰশিক্ষণ দি থাকোতেই ডিমাপুৰত ভগনীয়া শিৰিৰত সেৱা- শুশ্ৰুষাত ব্ৰতী হয় । ভগামুখ কংগ্ৰেছৰ সহকাৰী সম্পাদকৰ দায়িত্বত থাকি চূড়ান্ত স্বাধীনতা সংগ্ৰামৰ প্ৰস্তুতিত অগ্ৰণী ভূমিকা লৈছিল । টীয়ক থানাত পতাকা উত্তোলনৰ যাত্ৰাত প্ৰহৃত হোৱাৰ উপৰিও গ্ৰেপ্তাৰ আৰু পাইকাৰী জৰিমনা ভৰে । কাৰাবাসৰ অন্তত অবিভক্ত শিৱসাগৰ জিলাৰ পৰা বহিষ্কৃত (Extern) হৈ ডিব্ৰুগড়, তিনিচুকীয়া, মাকুম, ডিগবৈ, মাৰ্ঘেৰিটা, লিডুত প্ৰচাৰ কাৰ্য্য চলাই কলীয়াৰীত চাকৰি কৰাৰ লগতে ট্ৰেড ইউনিয়নত ব্ৰতী হয় । ১৯৮৩ চনত জন্মস্থানলৈ আহি সচেতন সংগামী হৈ আছে ।

শ্রীনীলকান্ত বুঢ়াগোহাঁই : শিমলুগুৰি মৌজাৰ বামুণপুখুৰী গোঁহাই গাঁৱঁৰ নিগাজী নিবাসী । পিতৃ বাপুকণ বুঢ়াগোঁহাঁই, মাতৃ লখিমী বুঢ়াগোঁহাঁই । জন্ম ১৯২৪ চন ।

ভাৰত ত্যাগ আন্দোলনত জড়িত হৈ জাঁজী ডাক বঙলাৰ অগ্নি কাণ্ডত জড়িত হয় । সেই আপাহতে ডেৰ বছৰ আত্মগোপন কৰি আন্দোলন সক্ৰিয় কৰাত সহায় কৰে ।

বাজ্যিক সম্মান পেঞ্চন পাই আছে ।

শ্রীসুৰেন্দ্রনাথ ভট্টাচার্য্য শিমলুগুৰি মৌজাৰ শিৰোমণি গাঁৱৰ শ্রীসুৰেন্দ্র নাথ ভট্টাচার্য্যৰ পিতৃ শিৱনাথ ভট্টাচার্য্য আৰু মাতৃৰ নাম পদ্মাৱতী দেৱী। তেখেতৰ জন্ম হয় ১৯১৯ চনত। শ্রীভট্টচার্য্যৰ পিতৃ শিৱনাথ ভট্টাচার্য্যও এজন কংগ্রেছ কৰ্ম্মী আছিল আৰু বৃটিছৰ তলত চাকৰি নকৰো বুলি বাগানৰ চাকৰি এৰি থৈ আহি কংগ্রেছৰ কামত সহযোগ কৰে।

শ্রীসুৰেন্দ্রনাথ ভট্টাচার্য্য ল'ৰা কালৰ পৰাই স্বাধীনতা সংগ্রামৰ এজন অক্লান্ত যোদ্ধা আছিল। ১৯৪১ চনত বিভিন্ন ঠাইত ব্যক্তিগত সত্যাগ্রহ কৰি কাৰাদণ্ড ভোগ কৰিছিল। ১৯৪২ অৰ গণবিপ্লৱত কেইবাজনো কৰ্মীৰে সৈতে মাজুলীত শ্রীশ্রীগড়মুৰীয়া প্রভূৰ সহযোগত আন্দোলনৰ প্রচাৰ কার্য্য আৰু কৃষ্ণনাথ শর্ম্মাৰ নেতৃত্বত আন্দোলনৰ কাম কৰি থকা অৱস্থাতে গ্রেপ্তাৰ কৰণ কৰে আৰু এবছৰৰো অধিক দিন কাৰাদণ্ড ভোগে। জেলৰ পৰা মুক্ত হোৱাৰ পিচতো লোকেলবর্ড, পঞ্চায়ত, সমবায় কৃষক সভা সমবায় বেঙ্ক, আদি প্রতিষ্ঠাৰ এজন কৰ্ম্মী স্বৰূপে নানা ক্ষেত্রত দায়িত্বপূর্ণ পদবীত অধিষ্ঠিত আছিল।

শ্রীভট্টাচার্য্যই মুক্তি যোদ্ধাৰ সন্মান তাম্রপত্র পোৱাৰ উপৰিও ভাৰত চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ স্বতন্ত্রতা সেনানী সন্মান পেন্সন লাভ কৰিছে।

যোৱা ছবছৰীয়া অস্তিত্ব ৰক্ষা আন্দোলনতো অংশ গ্রহণ কৰি তেখেতে তাম্রপত্র ঘূৰাই দিছিল। আৰু এই আন্দোলনত অংশলোৱা কাৰণে কাৰাবৰণ কৰিছিল।

শ্রীঅৰুণ কুমাৰ ভট্টাচার্য: স্বনামধন্য মুক্তিযোদ্ধা, ১৯২০ চনতে স্নাতক মহলাৰ পৰা কটন কলেজ ত্যাগ কৰি কাৰাবৰণ কৰা ৰামেশ্বৰ ভট্টাচার্যৰ পুত্র। শ্রীভট্টাচার্যৰ জন্ম ১৯২৪ চনত। ১৯৪২ চনত ছাত্রাৱস্থাৰে পৰা ভাৰত ত্যাগ আন্দোলনত যোগদান কৰি দুই

বছৰ আটক বন্দী হৈ মুক্তি লাভ কৰাৰ পাছতো ছয়মাহ গৃহবন্দী কৰি ৰাখে।

আন্দোলনৰ পাছত ছাত্ৰ জীৱনৰ পুণৰ আৰম্ভ কৰি এম এ আৰু এল-এল-বি ডিগ্ৰী লৈ ডিব্ৰুগড়ত এডভোকেট হিচাবে ওকালটি কৰে। 'নতুন অসমীয়া', 'জনমভূমি' আৰু 'চাহমজদুৰ' কাকতৰ সম্পাদনাত অংশ লৈ সাংবাদিকতাত অবিহণা যোগায়। ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ (I. N. T. U. C.) অধীনত শ্ৰমিক আন্দোলনত জড়িত হৈ বৰ্ত্তমান অসম চাহ কৰ্ম্মচাৰী সংঘৰ প্ৰধান সম্পাদক নিৰ্বাচিত হৈ কাৰ্য্যনিৰ্বাহ কৰি আছে।

শ্ৰীমতী সৰ্ব্বেশ্বৰী বৰা - শিমলুগুৰি মৌজাৰ দুলীয়া ভৰালী গাঁৱৰ নিবাসী। স্বামী ধৰ্ম্মেশ্বৰ বৰা। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি টীয়ক থানাত পুলিচৰ লাঠি চালনাত আঘাট প্ৰাপ্ত হয়। চাওখাত মহিলা সমিতিৰ উদ্যোগত শোভাযাত্ৰা কৰি থানাত মাল্য প্ৰদান কৰে। অক্তোবৰৰ পৰা গান্ধীজয়ন্তী সপ্তাহজোৰা কাৰ্য্যসূচীৰে পালন কৰি ৪ অক্তোবৰত মহিলা দিৱসত আগভাগ লয়। ১৯৪৩ চনৰ পৰা টীয়ক ৰজাবাৰী সেৱাশ্ৰমত সুনিপুণা খাদী কৰ্ম্মী আছিল। সেৱাশ্ৰমত বাইজৰ মাজত সৰবৰহী কৰাত শ্ৰীমতী বৰাৰ অবিহণা উল্লেখযোগ্য।

শ্ৰীনীলনাথ বৰঠাকুৰ -শিমলুগুৰি মৌজাৰ তেতেলিগুৰি ব্ৰাহ্মণ গাঁৱত ঘৰ। পিতৃ ৺ভোলানাথ, মাতৃ ৺তাৰিণী দেৱী। জন্ম ১৯২৬ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত জপিয়াই পৰি যৌৱনৰ উদ্যমেৰে নিৰূপিত কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰে। সামৰিক যোগান বন্ধ কৰিবলৈ বাতি পহৰা দি কৃতকাৰ্য্য হয়।

জাঁজীৰ ডাকবঙলা পোৱাৰ দিনা পুলিচৰ অতিশৰ্য্যৰ বলী হৈ বাওঁহাতখন ভাগিছিল। লগতে সেই অগ্নিসংযোগৰ ফলত ১০০.০০ টকা পাইকাৰী জৰিমণা ভৰিব লগা হয়।

বেলৰ ষ্টেচন মাষ্টৰৰ চাকৰিৰ পৰা অপসাৰিত হয়। পাচৰ জীৱনত গাঁও উন্নয়নমূলক কামত আত্মনিয়োগ কৰে।

শ্রীদেবানন্দ মহন্ত,

টীয়ক মৌজাৰ কমাৰ খাটোৱালৰ একনিষ্ঠ কংগ্রেছ কর্মী শ্রীদেবানন্দ মহন্তৰ পিতৃ ভৰকান্ত মহন্ত আৰু মাতৃৰ নাম ডালিমী মহন্ত। তেখেতৰ জন্ম ১৯০৫ চনত।

শ্রীমহন্ত এজন সক্রিয় কংগ্রেছ কর্মী। ১৯২১ চনত বিদ্যালয় ত্যাগ কৰি আন্দোলনত অংশ গ্রহণ কৰে। ১৯৪২ চনত আন্দোলনত সহযোগ কৰোতে ধ্বংসমূলক কার্য্য কৰাৰ অভিযোগত পুলিচে গ্রেপ্তাৰ কৰি ছমাহ বিচাৰাধীন কয়দী কৰি ৰাখি ৪৩ চনৰ এপ্রিল মাহৰ বিচাৰত এবছৰ ন মাহ কাৰাদণ্ডৰ আদেশ দিয়ে। '৪৩ চনৰ ফেব্রুৱাৰীত লাঠি চালনাত আঘাত প্রাপ্ত হয়। সেই চনৰে জনু মাহত তেখেতক যোৰহাট জেলৰপৰা গুৱাহাটী জেললৈ স্থানান্তৰ কৰে। শ্রীমহন্ত জেলত থকা অৱস্থাতে তেখেতৰ মাতৃ বিয়োগ হয়। শ্রীমহন্ত এজন গঠনমূলক কামত আগভাগ লোৱা সমাজ কর্মী।

শ্রীমহন্তই কেন্দ্রীয় চৰকাৰৰ আৰু ৰাজ্য চৰকাৰৰ পেঞ্চন আৰু তাম্রপত্র পাইছে। স্বাধীনতা লাভৰ পিচত শ্রীমহন্তই গাখীৰখোৱা মৌজাৰ লক্ষীবাৰীত স্থায়ীভাবে থাকি সমাজৰ কাম কৰি আছে।

শ্রীচাৰু গোস্বামী

শ্রীচাৰু গোস্বামী টীয়কৰ এজন সক্রিয় সমাজ কর্মী। তেখেতৰ পিতৃৰ নাম কৃষ্ণকান্ত গোস্বামী আৰু মাতৃৰ নাম কৃষ্ণকান্তি। নিবাস ফুলবাৰীসত্র, টীয়ক, ৰজাবাৰী। জন্ম ১৯১৩ চন।

স্বাধীনমনা দেশ কর্মী শ্রীগোস্বামীয়ে জাতীয় কংগ্রেছৰ সংগঠন আৰু প্রচাৰাদিত অংশ গ্রহণ কৰাৰ উপৰিও নানা গঠনমূলক কামত নিজক জড়িত কৰি ৰাখে।

১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কাৰি দুবছৰতকৈ অধিক কাল কাৰাদণ্ডেৰে

দণ্ডিত হয়। ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু সম্মান পেঞ্চন শ্রীগোস্বামীয়ে লাভ কৰিছে।

যোৰহাট জিলাৰ মুক্তিযুঁজাৰু সম্মিলনৰ প্রধান সম্পাদক থকা অৱস্থাতে স্বাধীনতা আন্দোলনৰ যোৰহাটৰ বুৰঞ্জী প্রকাশৰ প্র-পত্রাদি ছপা কৰি বিতৰন কৰে। তাৰেই আলমত এই বুৰঞ্জীৰ তথ্য সংগ্রহত বহুখিনি সহায় হয়।



শ্রীকনকেশ্বৰ শইকীয়া, টীয়ক

টীয়ক ৰজাবাৰী গাঁৱৰ শ্রীকনকেশ্বৰ শইকীয়াৰ পিতৃৰ নাম ৺মালভোগ শইকীয়া। জন্ম চন ১৯১৭।

শ্রীশইকীয়া এজন নীৰৱ সমাজ কর্মী। ১৯৩৭ চনতে জাতীয় কংগ্রেছত যোগ দি শান্তি সেনা প্রশিক্ষণ অস্পৃশ্যতা বর্জ্জন আদি কামত ব্রতী হয়। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দি দুবছৰ কাৰাবাস খাটে।

কাৰাগাৰৰ পৰা মুক্ত হোৱাৰ পাচত গান্ধীজীৰ চাহ মজদুৰ কল্যাণৰ উদ্দেশ্যে ৰৰৈয়া বনুৱা উন্নয়ন কেন্দ্রত প্রশিক্ষণৰ কামত আত্ম নিয়োগ কৰে।

এই উদ্দেশ্যে দীর্ঘদিন গান্ধীজীৰ সেৱাগ্রামত প্রশিক্ষণ গ্রহণ কৰে। প্রশিক্ষণ কালত বাপুজী, সন্ত বিনোবা ভাবে প্রমুখ্যে, গান্ধীদর্শনৰ প্রবক্তাসকলৰ সান্নিধ্যলৈ আহে। শ্রীশইকীয়াৰ এখন চিঠিৰ পৰাই অসমত মইনা পাৰিজাত অঙ্কুৰিত হয়। বর্ত্তমানো তেখেত সক্রিয়।

শ্রীনন্দী নাথ বৰদলৈ - টীয়ক

শ্রীনন্দীনাথ বৰদলৈৰ পিতৃ গোপালচন্দ্র বৰদলৈ, মাতৃৰ নাম সৰু ছোৱালী বৰদলৈ। নিবাস টীয়ক কহাৰ গাঁও । জন্ম চন ১৯১৫ ।

শ্রীবৰদলৈয়ে ১৯৪২ চনৰ আন্দোলনৰ এজন সক্রিয় সৈনিক স্বৰূপে আন্দোলনৰ কামত লাগি থাকি সাতমাহ কাৰাদণ্ড ভোগ কৰে ।

ভাৰত চৰকাৰৰ স্বতন্ত্রতা সৈনিক সম্মান পেঞ্চন আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন শ্রীবৰদলৈয়ে লাভ কৰিছে ।

শ্রীবিষ্ণুপ্রসাদ বৰুৱা, টীয়ক

শ্রীবিষ্ণুপ্রসাদ বৰুৱা নিবাস টীয়ক মৌজাৰ পৰ্ব্বতীয়া গাঁও । পিতৃৰ নাম দন্দিৰাম বৰুৱা, মাতৃ পূৰবী বৰুৱা। জন্ম । ১৯১৬ চন ।

শিক্ষাব্রতী শ্রীবৰুৱা বিয়াল্লিছৰ গণ বিপ্লবৰ অন্যতম সক্রিয় কর্মী আছিল আৰু দুবছৰ সশ্রম কাৰাদণ্ড ভোগ কৰিব লগীয়া হৈছিল । তেখেত এজন গঠন মূলক কর্মী আৰু টীয়ক সেৱাশ্রমকে ধৰি টীয়কৰ ভালেকেইটা ৰাজহুৱা অনুষ্ঠানৰ গুৰি ধৰোতা ।

স্বাধীনতা লাভৰ পিচত চৰকাৰী হাইস্কুলৰ শিক্ষকৰ পদত মকৰল আৰু সুখ্যাতিৰে শিক্ষকতা কৰি অৱসৰ গ্রহণ কৰে । তেখেত বর্তমান ডিব্রুগড় জিলাত স্থায়ীভাবে বাস কৰে । শ্রীবৰুৱাই কেন্দ্র আৰু ৰাজ্যচৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে



শ্রীৰূপৰাম খাৰঘৰীয়া

শ্রীৰূপৰাম খাৰঘৰীয়াৰ পিতৃ সোনাৰাম খাৰঘৰীয়া, মাতৃ জয়ন্তী খাৰঘৰীয়া । নিবাস কমাৰ খাটোৱাল, মৌজা টীয়ক । জন্ম ১৯১৭ চন ।

শ্রীখাৰঘৰীয়া ওজন সক্রিয় সমাজ কর্মী । ১৯৪২ চনৰ আন্দোলনত সহযোগ কৰি তেখেতৰ

দুবছৰো অধিক কাল কাৰাদণ্ড ভোগ কৰে। জেলৰ ভিতৰত হোৱা পুলিচৰ লাঠি চালনাত তেখেতে হাত আৰু মূৰত বিশেষ ধৰণে আঘাত পাইছিল। স্বাধীনতা লাভৰ পিছত শ্ৰীখাৰঘৰীয়াই গাঁও উন্নয়ন আদি বিভিন্ন সমাজ সেৱাৰ কামত ব্ৰতী হৈ আছে।

তেখেত বৰ্তমান গাখীৰখোৱা মৌজাৰ লক্ষীবাৰীত চৰকাৰী অনুদানৰ ভূমিত স্থায়ীভাৱে আছে। তেখেতে ভাৰত চৰকাৰৰ মুক্তি যুঁজাৰুৰ সন্মান পেঞ্চন আৰু ৰাজ্যিক পেঞ্চন লাভ কৰিছে।

শ্ৰীভোলানাথ হাজৰিকা

টীয়ক খণ্ডিয়া গাঁৱৰ শ্ৰীভোলানাথ হাজৰিকা বৰ্তমান নিবাস যোৰহাট নগৰ। পিতৃ ভাটিৰাম হাজৰিকা আৰু মাতৃ মৃনালিনী।

ছাত্ৰ অৱস্থাতে জাতীয় কংগ্ৰেছত যোগদান কৰে বিয়াল্লিছৰ গণবিপ্লৱৰ সময়ত মৰাণ বৰডবা হাইস্কুলৰ সহ প্ৰধান শিক্ষকৰ পদ ইস্তফা দি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। পুলিচৰ হাতত গ্ৰেপ্তাৰ হৈ ছমাহ সশ্ৰম কাৰাদণ্ডৰ আদেশেৰে দণ্ডিত হয়।

শ্ৰীহাজৰিকাই একাধিক বিদ্যালয়ত শিক্ষকতা কৰি সেৱা আগবঢ়াইছিল।

এখেতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।

শ্ৰীবেণুধৰ বৰদলৈ : টীয়ক

শ্ৰীবেণুধৰ বৰদলৈৰ পিতৃ নিৰাময় বৰদলৈ, মাতৃৰ নাম আইটি বৰদলৈ। ঘৰ টীয়ক মৌজাৰ কহাঁৰ গাঁৱত। জন্ম চন ১৯২১।

বিয়াল্লিছৰ গণ বিপ্লৱৰ এজন সক্ৰিয় কৰ্মী। চাৰিমাহ কাৰাবাস খাটে। জেলত হোৱা লাঠি চাৰ্জত তেখেতৰ মূৰ ফাটিছিল।

ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।

শ্রীদেৱেশ্বৰ দলৈ :

টীয়ক মৌজাৰ বজাবাৰীৰ বাসিন্দা, বৰ্তমান যোৱহাটত স্থায়ীভাৱে বসতি । জন্ম হয় ১৯২৩ চনত। পিতৃ ঁভোলাৰাম দলৈ, মাতৃ মুক্তি যোদ্ধা ঁপূর্ব্বেশ্বৰী দলৈ ।

১৯৪০ চনৰ সত্যাগ্রহ আন্দোলনৰ জনসভাত যোগ দিয়াৰে পৰা সংগ্রামী জীৱনৰ পাতনি মেলে ।

১৯৪২ চনত প্রৱেশিকা পৰীক্ষা ত্যাগ কৰি আন্দোলনৰ বিভিন্ন কার্য্যসূচীত অংশ গ্রহণ কৰে । পাইকাৰী জৰিমনা আদায়ত বাধা প্রদান কৰোতে গ্রেপ্তাৰ আৰু ৭ মাহ কাৰাবাস খাটে । কাৰামুক্তিৰ পাচত টীয়ক সেৱাশ্রমৰ জৰিয়তে গাঁও সংগঠনৰ কামত আত্মনিয়োগ কৰে। ১৯৪৫ চনত পুনৰ পঢ়া আৰম্ভ কৰি প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয় ।

১৯৪৭ চনত পঞ্চায়তৰ প্রচাৰ বিষযা নিযুক্তি লৈ উন্নযন বিষয়া আৰু মহকুমা পৰিষদৰ স্থায়ী সচিব পদলৈ উন্নীত হৈ অৱসৰ গ্রহণ কৰে ।

বৰ্তমান বিভিন্ন সামাজিক সংগঠনৰ লগত জড়িত হোৱাৰ উপৰিও মুক্তি যুঁজাৰু সম্মিলনৰ যোৱহাট জিলাৰ কার্য্যকৰী সভাপতি, বৰ্তমান ৰাজ্যিকৰ সাধাৰণ সম্পাদক আৰু সৰ্ব্বভাৰতীয় মুক্তি যুঁজাৰু সমিতিৰ যুটীয়া সম্পাদক ।

তাম্র পত্র পোৱাৰ উপৰিও স্বতন্ত্রতা সৈনিক সম্মান পেঞ্চন আৰু ৰাজ্যিক মুক্তি যুঁজাৰু পেঞ্চন পাইছে ।



শ্রীৰূপেশ্বৰ কলিতা, টীয়ক

শ্রীৰূপেশ্বৰ কলিতাৰ ঘৰ দুইনে মুখ কহাঁৰ গাঁও, টীয়ক । পিতৃৰ নাম ঁভুধৰ কলিতা । মাতৃ ঁজোনাকী কলিতা । জন্ম চন ১৯২৫ ।?

শ্রীকলিতা এজন প্রাথমিক বিদ্যালয়ৰ শিক্ষক । ১৯৪২ চনৰ আন্দোলনত সহযোগ কৰি দুবছৰতকৈও অধিক কাল কাৰাবৰণ কৰে । যোৱহাট জেলত পুলিচৰ মাৰখাই আঘাত প্রাপ্ত হৈছিল, এজন গঠনমূলক কর্মী ।

এখেতে কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে

শ্রীঅকণ চন্দ্র বৰুৱা

টীয়ক মৌজাৰ পছুঙ্গী গাঁৱৰ শ্রীঅকণ চন্দ্র বৰুৱাৰ পিতৃ টঙ্কেশ্বৰ বৰুৱা আৰু মাতৃ ৰাউলী বৰুৱা। জন্ম চন ১৯২৬।

মুক্তি যুঁজাৰু বৰুৱাৰ পিতৃ আৰু জ্যেষ্ঠ ভাতৃ মুক্তি যোদ্ধা হেতুকে তেওঁলোকৰ পৰাই দেশাত্মবোধৰ প্রেৰণা লাভ কৰে।

ছাত্র অৱস্থাতে বিয়াল্লিছ চনৰ গণ বিপ্লৱত সহযোগ কৰি ছাত্র সকলৰ মাজত সংগঠন কৰাৰ লগতে পিকেটিং, হৰতাল আদি কৰাৰ উপৰিও অন্যান্য অভিযোগত দুবছৰ কাল কাৰাবাস খাটে। টীয়ক থানা অৱৰোধত অংশ গ্রহণ কৰে।

স্বাধীনতা লাভৰ পিছত শ্রীবৰুৱা অসম চৰকাৰৰ খণ্ড উন্নয়ন বিষয়াকে ধৰি একাধিক পদত মকৰল হৈ এতিয়া অৱসৰ পাইছে। বর্তমান ডিব্রুগড়ত স্থায়ীভাৱে থাকিবলৈ লয়।

তেখেতে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।

শ্রীভুবন চন্দ্র বৰুৱা

শ্রীভুবন চন্দ্র বৰুৱাৰ পিতৃ ডিম্বেশ্বৰ বৰুৱা আৰু মাতৃ হেমকান্তি বৰুৱা। নিবাস টীয়ক ৰজাবাৰী কহাঁৰ গাঁও। মৌজা টীয়ক। জন্ম চন ১৯২৭।

শ্রীবৰুৱা ছাত্র অৱস্থাতে ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰি গ্রেপ্তাৰী বৰণ কৰে আৰু সাত মাহতকৈও অধিক কাল কাৰাদণ্ড ভোগ কৰে। জাজীমুখ এম, ই, স্কুলৰ বৰুৱা প্রতিস্থাপক প্রধান শিক্ষক।

শ্রীবৰুৱাই ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।

শ্রীত্রৈলোক্য নাথ বৰুৱা ঃ

শ্রীত্রৈলোক্য নাথ বৰুৱাৰ ঘৰ টীয়ক মৌজাৰ নাওবৈছা গাঁৱত । পিতৃৰ নাম ডিংকেশ্বৰ বৰুৱা আৰু মাতৃৰ নাম উপমা বৰুৱা । জন্ম চন ১৯২৬ ।

ছাত্ৰ অৱস্থাতে ১৯৪২ চনৰ গণ বিপ্লৱত সহযোগ কৰি ছাত্ৰ সকলৰ মাজত সংগঠন কৰাৰ লগতে পিকেটিং হৰতাল আদি কৰাৰ কামত লিপ্ত থাকি কাৰাবাস খাটে । পুণাযাত্ৰা আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল ।

শ্রীবৰুৱাই কেন্দ্রীয় আৰু ৰাজ্যচৰকাৰৰ মুক্তি যুঁজাৰ পেঞ্চন লাভ কৰিছে ।



শ্রীশুকৰাম ৰৱা - টীয়ক

শ্রী শুকৰাম ৰৱাৰ ঘৰ টীয়ক মৌজাৰ দক্ষিণ দুলীয়া গাঁৱত । তেখেতৰ পিতৃৰ নাম ৰোপাৰাম ৰৱা, মাতৃ বকুলী ৰৱা, জন্ম চন ১৯০৯ ।

এখেত এজন সক্ৰিয় সমাজ কৰ্মী । ১৯৪০ আৰু ১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কৰিছিলে । '৪২ চনৰ আন্দোলনত টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচৰ দ্বাৰা প্রহৃত হৈছিলে ।

শ্রীবৰুৱাই ৰাজ্যচৰকাৰৰ মুক্তি যুঁজাৰ পেঞ্চন লাভ কৰিছে ।

শ্রীবোধেশ্বৰ শইকীয়া,-টীয়ক

শ্রীবোধেশ্বৰ শইকীয়াৰ নিবাস দুলীয়া গাঁও, টীয়ক। পিতৃ হৰিদাস, মাতৃ গোলেশ্বৰী শইকীয়া। জন্ম চন ১৯১৭।

শ্রী শইকীয়া এজন গঠন মূলক সমাজকৰ্মী। খাদী প্ৰচাৰ, কৃষিপাম, বিদ্যালয় স্থাপন আদি কামত অংশ গ্ৰহণ কাৰী। ১৯৪২ চনত ঝগানৰ চাকৰি ইস্তফা দি আন্দোলনত সহযোগ কৰি পুলিচৰ হাতত একাধিক বাৰ গ্ৰেপ্তাৰ হয় আৰু প্ৰত্যেক বাৰেই দূৰ-দূৰণিৰ বনাঞ্চলত এৰি থৈ আহিছিল। পিচত আত্মগোপন কৰি আন্দোলনৰ কাম কৰি আছিল। ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাক পেঞ্চন লাভ কৰিছে।

শ্রীথানেশ্বৰ ৰৰদলৈ:টীয়ক মৌজাৰ জগদুৱাৰ দলৈ গাৱঁৰ বাসীন্দা যদিও যোৰহাট নগৰৰ ৰজামৈদামত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। পিতৃৰ নাম বাপুৰাম ৰৰদলৈ আৰু মাতৃৰ নাম ডালিমী ৰৰদলৈ। জন্ম চন ১৯১২। ১৯৩০ চনতে কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি বিদ্যালয় বৰ্জন কৰে এজন গঠনমূলক কৰ্মী হিচাবে পিচপৰা গাওঁ অঞ্চলত শিক্ষাপ্ৰচাৰ কৰাৰ লগতে কংগ্ৰেছৰ গঠনমূলক কামত আত্মনিয়োগ কৰে।

হৰিজন সেৱক সংঘৰ এজন কৰ্মীস্বৰূপে শ্রীশ্রীগড়মূৰীয়া গীতাস্থ প্ৰভুৰ বাহকত থাকি চাহমজদুৰ সকলৰ উন্নয়নৰ অৰ্থে কাম কৰে। ১৯৪২ চনৰ গণবিপ্লৱত অংশগ্ৰহণ কৰি তিনিমাহতকৈ অধিক কাল কাৰাবাস খাটে। ৰেখেতে ৰাজ্যিক চৰকাৰৰ সন্মান পেন্সন লাভ কৰিছে।

শ্রীদেৱযানী বৰুৱা, টীয়ক

যোৱহাটৰ প্ৰখ্যাত মুক্তি যোদ্ধা স্বৰ্গীয় [illegible] বৰুৱাৰ পত্নী শ্রীদেৱযানী বৰুৱাৰ জন্ম ১৯[illegible] চনত।

শ্রীমতী বৰুৱা এগৰাকী আদৰ্শ গৃহিণী। তেখেতে স্বামীৰ দেশ সেৱাৰ কামত আন্তৰিকতাৰে সহযোগ কৰাৰ লগে লগে নিজেও মহিলা সংগঠন, খাদি প্ৰচাৰ আদি কামত মনোনিবেশ কৰিছিলে।

১৯৪১ চনৰ ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনত যোৱহাট জিলাৰ প্ৰথম চাৰিগৰাকী মহিলাৰ অন্যতম সত্যাগ্ৰহী। সত্যাগ্ৰহ কৰি তেখেতে কাৰাবাস খাটিছিলে।

স্বামীৰ মৃত্যুৰ পাচত শ্রীমতী বৰুৱাই কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰুৰ পেঞ্চন লাভ কৰি আছে।



শ্রীমতী আইদেউ বৰুৱা

টীয়ক মৌজাৰ ঢেকীয়ানী নাৰ্ৎৰেছা গাঁৱৰ শ্রীমতী আইদেউ বৰুৱাৰ স্বামীৰ নাম গোবিন্দ চন্দ্র বৰুৱা। জন্ম ১৯১৫ চনত।

এগৰাকী মহিলা কৰ্মী। একচল্লিহ চনৰ ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনত যোৱহাটৰ প্ৰথম চাৰিগৰাকী মহিলা সত্যাগ্ৰহীৰ ভিতৰত এগৰাকী ৰূপেও অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল। বিয়াল্লিহৰ গণ বিপ্লৱতো সক্রিয় ভাৱে অংশগ্রহণ কৰি টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ যোৱা দলৰ সহযাত্রী আছিল। স্বামীৰ মৃত্যুৰ পিচত তেখেতে কেন্দ্রীয় আৰু ৰাজ্যচৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে



শ্রীনীল শর্মা ঃ

টীয়ক মাজ গাঁৱত ১৯২২ চনত জন্ম। পিতৃ মাণিক চন্দ্র শর্মা, মাতৃ আইকণ শর্মা। পিচত গোল্যাঘাটত বাসস্থান কৰে।

স্কুলীয়া ছাত্রহে থকা অৱস্থাতে ১৯৪২ চনত স্কুল বর্জন কৰি আন্দোলনত জুপিয়াই পৰে। টীয়ক আৰক্ষী থানাত ত্রিৰঙ্গ পতাকা উৰাবলৈ যাওঁতে গুৰুতৰ আঘাত পাই মৃত্যু হ'ল বুলি জনৰব প্রচাৰ হয়। জীৱনৰ চাকনৈয়াত তিনিচুকীয়া চেনাইৰাম উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হৈ উচ্চ শিক্ষা লৈ চৰকাৰী চাকৰি কৰে। বর্তমান অৱসৰ প্রাপ্ত। ভাৰত ত্যাগ আন্দোলনত বহুবাৰ গ্রেপ্তাৰ কৰি বিভিন্ন অত্যাচাৰ অবণ্যত ৰাতি এৰি দিছিল।

শ্রীমতী পুষ্পলতা বৰা - টীয়ক

শ্রীমতী পুষ্পলতা বৰাৰ ঘৰ টীয়ক মৌজাৰ কমাৰ খাটোৱাল গাঁৱত। পিতৃৰ নাম শম্ভুৰাম আৰু মাতৃৰ নাম বোধেশ্বৰী। জন্ম চন ১৯২৯।

শ্রীমতী বৰা এগৰাকী নীৰৱ দেশ কর্মী। কিশোৰী কালতে ১৯৪২ চনৰ আন্দোলনত সভা, শোভাযাত্রা আদিত যোগ দিয়াৰ লগতে পিকেটিঙতো অংশ গ্রহণ কৰিছিলে আৰু গ্রেপ্তাৰ বৰণ কৰিছিল।



শ্রীমতী তিলোত্তমা দোলাকাৰৰীয়া (গগৈ) - টীয়ক বজাৰাৰীৰ বাসিন্দা। বিশিষ্ট মুক্তি যুদ্ধাৰু চিদানন্দ দোলাকাৰৰীয়া সহধর্মিনী। জন্ম ১৯৩০ চন।

বিয়ালিছৰ বিপ্লৱত মহিলা কর্মী। ১৯৪৪/৪৫ চনত দেড় বছৰ গুৱাহাটীৰ শৰণীয়াত কস্তুৰবা আ,ৰমত প্রশিক্ষণ লয়। টীয়ক বজাৰাৰীৰ কস্তুৰবা সেৱাশ্রমত গ্রাম সেৱিকা প্রশিক্ষণ কেন্দ্রৰ পৰিচালিকা হয়।

শ্রীযুগল চন্দ্র বৰুৱা - টীয়ক

শ্রী যুগল চন্দ্র বৰুৱাৰ পিতৃ মোহন চন্দ্র বৰুৱা, মাতৃ লীলাবতী বৰুৱা । নিবাস কমাৰ খাটোৱাল গাঁও, মৌজা টীয়ক । জন্ম চন ১৯২৩ ।

১৯৪২ চনত বিদ্যালয় বৰ্জন কৰি গণ আন্দোলনত অংশ গ্রহণ কৰে । এমাহতকৈ অধিক দিন যোৰহাট জেলত কাৰাবাস খাটি শ্রীবৰুৱাই শিক্ষক স্বৰূপে সেৱা আগবঢ়োৱাৰ লগতে সমাজৰ বিভিন্ন উন্নয়নমূলক কামত নিজকে নিয়োজিত কৰি ৰাখিলে।



শ্রীচিদানন্দ কলিতা :

শ্রীচিদানন্দ কলিতা, নিবাস দুইনৈ মুখ কুমাৰ গাঁও, টীয়ক । পিতৃৰ নাম কমলা কলিতা আৰু মাতৃ বাপহী কলিতা । জন্ম চন ১৯২৬ ।

শ্রীকলিতা এজন সাংগঠনিক কামত মনোনিবেশ কৰা কৰ্মী । বিয়াল্লিছৰ গণ বিপ্লৱত কিশোৰ ছাত্র হিচাপে প্রচাৰ, হৰতাল আদি কৰাত সহযোগ কৰা কাৰণে বিদ্যালয়ৰ পৰা নাম কাটি খেদাই দিয়ে । পিচত তেখেতে টীয়ক বজাৰীত প্রতিষ্ঠা হোৱা জাতীয় ভাৰাপন্ন স্কুলত পুনৰ নাম লগাই পঢ়িব লগা হয় । আন্দোলনৰ সময়ত পলাতক কৰ্মী স্বৰূপে কাম কৰিছিলে । বৰ্তমান শ্রীকলিতাই খাদী বৰ্ডৰ অধীনত কাম কৰে ।

শ্রীগুণাভিৰাম বৰা -চাওখাটি মৌজাৰ বামকুকুৰাচোৱা গাঁৱৰ নিগাজী নিৰাসী। পিতৃ মধাইৰাম বৰা, মাতৃ কপাহী বৰা। জন্ম ১৯১৭ চন। ১৯৩০ চনৰ কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত কাকজান মজলীয়া স্কুলৰ ছাত্ৰাৱস্থাতে আন্দোলনত জপিয়াই পৰাত স্কুলৰ পৰা অপসাৰিত হয়।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত টীয়ক থানাত্ পতাকা উত্তোলন কৰিবলৈ নিয়োজিত ১৪ জনীয়া দলৰ এজন হৈ গ্ৰেপ্তাৰ হয়। সেই সময়তে পাইকাৰী জৰিমনাৰ নামত ঘৰ খানাতালাচ কৰি সোণ-ৰূপ, কাঁহ- পিতলৰ বস্তু পুলিচে লৈ যায়। পুলিচৰ সঘন অত্যাচাৰত পৰিবৰ তোষপ্ৰভা পিতৃগৃহলৈ গুছি যাব লগা হয়। ১৯৪০ চনৰ সত্যাগ্ৰহী। ১৯৪২ ত প্ৰায় এবছৰ কাৰাবাস।

স্বাধীনোত্তৰ কালত শ্ৰীবৰা অবিৰত ভাৱে কংগ্ৰেছৰ সেৱাত ব্ৰতী। চাওখাটি কংগ্ৰেছৰ সভাপতি, জিলা কংগ্ৰেছৰ উপ-সভাপতি, প্ৰদেশ কংগ্ৰেছৰ সদস্য হয়। কাকজান অঞ্চলৰ বহুতো অনুস্হানৰ প্ৰতিষ্ঠাতা। কাকজান বালিকা হাইস্কুলৰ প্ৰতিষ্ঠাতা শিক্ষক। কাকজান কলেজ আৰু হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি, মাদক দ্ৰব্য নিবাৰণী সমিতিৰ ৰাজ্যিক সদস্য।

তাম্ৰপত্ৰ পোৱা শ্ৰীবৰাই ২৫/১১/৬০ ৰ পৰা বাৰ্ষিক আৰু ১৫/৮/ ৭২ ৰ পৰা কেন্দ্ৰীয় সম্মান পেঞ্চন পাইছে।



শ্ৰীৰবীন্দ্ৰ নাথ বৰুৱা - চাওখাটি

চাওখাটি মৌজাৰ ঢেকিয়াখোৱা গাৱৰ শ্ৰীৰবীন্দ্ৰ নাথ বৰুৱাৰ পিতৃ প্ৰেমধৰ বৰুৱা আৰু মাতৃৰ নাম ইন্দ্ৰানী দেবী। জন্ম চন ১৯২০।

শ্ৰীবৰুৱা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল আৰু সেই চনৰে নবেম্বৰ মাহত তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ডিব্ৰুগড় জেলত সাতমাহ কাৰাদণ্ড ভোগ কৰে শ্ৰী বৰুৱা এজন গঠনমূলক কৰ্মী।

তেখেতে কেন্দ্ৰীয় চৰকাৰৰ স্বতন্ত্ৰতা সৈনিক সম্মান পেঞ্চন আৰু বাৰ্ষিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।

শ্রীটকেশ্বৰ বৰা :

চাওখাট মৌজাৰ তিনিকুৰীয়া গাঁৱত স্থায়ী নিবাস । জন্ম হয় ১৯২০ চনত । পিতৃ আজিনা ববা ।

১৯৪০ চনত ব্যক্তি গত সত্যাগ্রহ ৩ বাৰ কৰে । ১ম বাৰ ১দিন, ২. বাৰ ৩ মাহ, ৩য় বাৰ ডেৰ মাহ। সশ্রম কাৰাদণ্ডত তেজপুৰ কাৰাগাৰলৈ বদলি কৰে । ১৯৪২ চনৰ মুঠ ৫ মাহ ২১ দিন কাৰাগাৰ বন্দী । ভাৰত ত্যাগ আন্দোলনৰ আৰম্ভতে ১৮ দিন মাজুলীত শ্রীশ্রীপীতাম্বৰ প্রভুৰ পৰামর্শ মতে আন্দোলনৰ প্রচাৰ কার্য্যত ব্রতী হয় । টীয়ক থানাত পতাকা উৰাবলৈ চাওখাটৰ ১৪ জনৰ লগত গৈ এৰাতি লক আপত ৰাখে। মৃত্যু বাহিনীৰ অগ্রগামী সেৱক পুঠিনদী শিবিৰৰ প্রশিক্ষণ প্রাপ্ত মুক্তি যুঁজাক ।

পৰবর্তী জীৱনত খণ্ড উন্নয়নৰ গ্রাম সেৱকহৈ ১৯৭২ চনত পদত্যাগ কৰি কৃষি কর্ম্ম আৰু সামাজিক ৰচনাত্মক কামত আত্মনিয়োগ, ছয় বছৰীয়া আন্দোলনত সক্রিয় সেৱা আগবঢ়ায় । কাকজান গণসংগ্রাম পৰিষদৰ সভাপতি নিৰ্বাচিত হয় । শ্রীযুত বর্তমান যোৱহাট জিলা মুক্তি যুঁজাক সম্মিলনৰ সহকাৰী সম্পাদক, মধ্য যোৱহাট আঞ্চলিক মুক্তি যুঁজাক সম্মিলনৰ সম্পাদক, ঢেকিয়াখোৱা খাদী গ্রামোদ্যোগ সেৱাশ্রমৰ সদস্য আৰু বিভিন্ন ৰাজহুৱা সংগঠনৰ লগত জড়িত । তাম্র পত্র আৰু কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ পেঞ্চন পায় ।



শ্রীসদানন্দ মহন্ত : কাকজানৰ চাওখাট মৌজাৰ বাম কুকুৰাছোৱাৰ গাঁৱৰ নিগাজী নিবাসী । ১৯২২ চনৰ অক্টোবৰ মাহত জন্ম । পিতৃ লীলাকান্ত মহন্ত, মাতৃ অৰ্পণা দেৱী । ১৯৪০ চনত প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হৈ যোৱহাট জগন্নাথ বৰুৱা কলেজৰ পঢ়া ১৯৪২ চনত আই এ পৰীক্ষাত উত্তীর্ণ হোৱাৰ লগে লগেই ভাৰত ত্যাগ আন্দোলনত আত্মনিয়োগ কৰে ।

১৯৪২ চনৰ ১৫ ডিচেম্বৰত স্থানীয় ২৮ গৰাকী কংগ্ৰেছ কৰ্মীৰ সৈতে গ্ৰেপ্তাৰ হৈ যোৰহাট জিলা কাৰাগাৰত কাৰাৰুদ্ধ হয়। ১৯৪৩ চনৰ ২৪ ফেব্ৰুৱাৰীত কাৰাগাৰত হোৱা অত্যাচৰিত মাৰ-পিটত মুখ, হাত, ভৰি, আদিত সাংঘাতিক আঘাট পাই আজীৱন খুনীয়া হ'ব লগা হয়। অৱশ্যেই ফলশ্ৰুতিত পাচৰ জীৱনত ক্ষয়ৰোগ, স্নায়ুৰ শিৰাৰোগ আদি নানান ৰোগত মহন্ত আক্ৰান্ত হয়। দহ বছৰ ছয়মাহ কাৰাবাস হয়।

শিক্ষকতা শ্ৰীমহন্তৰ জীৱনৰ উপজীব্য। পাঁচ বছৰ অ'ত ত'ত শিক্ষকতা কৰি ১৯৫২ চনত নিজে কাকজান বালিকা মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰি যোগদান হয়। বহুতো মূল্যবান সাহিত্য কীৰ্ত্তিৰ অধিকাৰী।

তাম্ৰ-পত্ৰ আৰু ৰাষ্ট্ৰীয় আৰু ৰাজিযক সম্মান পেঞ্চন পাই আছে।



শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী : ধৰ চাওখাট মৌজাৰ ভকলুৱা গাঁৱৰ ফুলবাৰী সত্ৰৰ। জন্মৰ চন ১৯২২। পিতৃৰ নাম মাধৱ চন্দ্ৰ গোস্বামী আৰু মাতৃ লীলাৱতী গোস্বামী। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গোস্বামীয়ে ছাত্ৰ অৱস্থাতেই যোগদান কৰে। মিলিটেৰীৰ খাদ্য যোগানবন্ধৰ কাৰণে শান্তিসেনা বাহিনীত অন্তৰ্ভুক্ত হয়। যোৰহাট চকৰজাৰত পিকেটিং কৰাৰ পৰা গ্ৰেপ্তাৰ কৰি নি বাতি ২০/৩০ মাইল দূৰত এৰি থৈ আহে।

টাৰক খানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে গোস্বামীক গ্ৰেপ্তাৰ কৰে আৰু জেললৈ পঠাই। ৪ মাহ সশ্ৰম কাৰাদণ্ড অন্তত আটক বন্দী হিচাবে ৭ মাহ থাকিব লগীয়া হয়। গোস্বামীয়ে নিজ গাঁৱত প্ৰতিষ্ঠা হোৱা বঁতৰ সভা কাৰখানা পৰিচালনা কৰি গঠনমূলক কাযত আত্মনিয়োগ কৰিছিল। গোস্বামীয়ে প্ৰতিষ্ঠাও যোৰহাট কাছাৰীলৈ অহা যোৱা কৰি তৰণী সংঘৰ কাম চলাই আছে। গোস্বামীয়ে ৰাজিক আৰু ভাৰত চৰকাৰৰ স্বতন্ত্ৰতা সম্মান পেঞ্চন পাইছে।

শ্রীযুগল চন্দ্র বৰা -চাওখাট

শ্রীযুগল চন্দ্র বৰাৰ ঘৰ চাওখাট মৌজাৰ ভৰলুৱা গাঁৱত । জন্ম চন ১৯২৯। পিতৃৰ নাম মুক্তি যোদ্ধা টিপেশ্বৰ বৰা মেৰি আৰু মাতৃ বকুলী বৰা ।

কিশোৰ বয়সতে শ্রীবৰাই ১৯৪২ চনৰ গণ আন্দোলনত সহযোগ কৰি শান্তিসেনা দলত যোগ দিয়ে আৰু আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিলে। তেখেতে আঠ মাহ কাল কাৰাবাস খাটিব লগীয়া হৈছিল আৰু তেখেতৰ পৰিয়ালেও পাইকাৰী জৰিমনা ভৰা ক্ষেত্রত বহুত ধৰণে ক্ষতিগ্রস্ত হ'বলগীয়া হৈছিল ।

তেখেতে কেন্দ্রীয় চৰকাৰৰ পেঞ্চন আৰু ৰাজ্য চৰকাৰৰ পেঞ্চন লাভ কৰিছে।



শ্রীলোকনাথ ভৰালী : চাওখাট মৌজাৰ মেলেং লহকৰ গাঁৱত ১৯২৮ চনত জন্ম । পিতৃ গুণাৰাম ভৰালী, মাতৃ মালতী ভৰালী। অষ্টম শ্রেণীতে বিয়ালিছৰ বিপ্লৱত স্কুল এৰি মৃত্যু বাহিনীত যোগদান। বিপ্লৱৰ সকলো কাৰ্য্যসূচীতে অংশ গ্রহণ কৰে। ১৯-৪-৪৩ ত গ্রেপ্তাৰ কৰি ২ বছৰ কাৰাদণ্ড । যোৰহাটৰ বাদেও গুৱাহাটী, শ্রীহট্ট,কৰিমগঞ্জত কাৰাবাস খাটে কাৰামুক্তিৰ পাচত কাশীত শিক্ষা গ্রহণ। হিন্দীত স্নাতকোত্তৰ (এম-এ) উপাধিলে শ্রীমন্ত শঙ্কৰদেৱ আৰু সন্ত কবীৰৰ সাহিত্য কীর্ত্তিৰ তুলনামূলক অধ্যয়ন। ১৯৫৮ চনত অসমৰ শিক্ষা বিভাগত যোগ দি কালক্রমত উত্তৰ পূৰ্বাঞ্চলৰ হিন্দী শিক্ষাৰ উচ্চতম পদবীলে পদোন্নতি। ১৯৮৬ চনত অৱসৰ গ্রহণ।

শ্রীভৰালী এজন খ্যাতনামা সাহিত্যিক। হিন্দীৰ পৰা অসমীয়া, অসমীয়াৰ পৰা হিন্দীলে কেইখনো গ্রন্থ অনুবাদ কৰাৰ উপৰিও কেইখনো মৌলিক গ্রন্থৰ ৰচয়িতা । হিন্দী সাহিত্য সম্পদ বঢ়োৱাৰ বাবে কেইবাবাৰো ভাৰত

চৰকাৰৰ দ্বাৰা পুৰস্কৃত আৰু সম্মানিত। অসম বাজ্যিক মুক্তি যুঁজাক সন্মিলনৰ প্ৰাক্তন সম্পাদক আৰু মুক্তি যুঁজাকৰ সৰ্ব্বভাৰতীয় সমিতিৰ যুটীয়া সচিব।

শ্ৰীভৱালী বৰ্ত্তমানো সাহিত্য সংস্কৃতিৰ সাধক আৰু অসম আৰু বাহিৰৰ বিভিন্ন সংগঠনৰ সৈতে জড়িত। এতিয়া তেওঁ গুৱাহাটীৰ স্থায়ী বাসিন্দা।

শ্ৰীনগেন চন্দ্ৰ ভূঞা - চাওখাট



শ্ৰীনগেন চন্দ্ৰ ভূঞাৰ ঘৰ চাওখাট মৌজাৰ বনগাঁৱত। পিতৃৰ নাম ৺গোলাই ভূঞা। জন্ম চন ১৯২৬। এখেত এজন নিষ্ঠাবান সমাজ কৰ্মী। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰি যোৰহাট নগৰত পিকেটিং কৰোতে তেখেতক কেবাবাৰো পুলিচে গ্ৰেপ্তাৰ কৰি আঁতৰৰ আওহতীয়া ঠাইত এৰি থৈ আহিছিল। পাইকাৰী জৰিমনা স্বৰূপে তেখেতৰ পৰা নগদ টকা আৰু গৰুগাড়ী এখন পুলিচে ক্ৰোক কৰি লৈ গৈছিল।

শ্ৰীকোষেশ্বৰ গগৈ - চাওখাট

শ্ৰীকোষেশ্বৰ গগৈৰ জন্ম ১৯২৪ চন। পিতৃৰ নাম ৺ডিম্বেশ্বৰ গগৈ, মাতৃৰ নাম ৺মুহিতা গগৈ। নিবাস হাতীগড় মৌজাৰ বছাপথাৰ ৰবগুৰি।

১৯৪২ চনত যোৰহাট চৰকাৰী বালক বিদ্যালয়ত অষ্টম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে আন্দোলনত অংশ গ্ৰহণ কৰি পিকেটিং কৰোতে গ্ৰেপ্তাৰ হয়। কিন্তু পিছ দিনাই মুক্তি দিয়ে। শ্ৰী গগৈৰ ইমানতে শিক্ষা জীৱনৰ অন্ত পৰে। তেখেত এজন হাতে কামে খেতি পথাৰ কৰি জীৱিকা অৰ্জ্জন কৰা লোক।

শ্রীলীলাধৰ ৰৱা - চাওখাট

শ্রীলীলাধৰ ৰৱাৰ ঘৰ চাওখাট মৌজাৰ কাঠ গাঁৱত। পিতৃৰ নাম ˚যোগধৰ ৰৱাৰ মাতৃ ˚ভদ্রেশ্বৰী ৰৱা। জন্ম চন ১৯২০।



শ্রীৰৱা এজন গঠনমূলক কর্মী। ১৯৪০ চনৰ পৰা খাদী প্রচাৰ অভিযানৰ এজন কর্মী আছিল। ১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কৰি পুলিচ অফিচত পিকেটিং কৰোতে এখেতে পুলিচৰ মাৰ খায়। শ্রীৰৱা একাধিক বাৰ গ্রেপ্তাৰ হ'ব লগীয়া হোৱাত আত্মগোপন কৰি আন্দোলনৰ কাম কৰিছিল।

বর্তমান শিল্পৰ কাম আৰু খেতি কৰি জীৱিকা নির্বাহ কৰিছে।



শ্রীভৰাম হাজৰিকা - চাওখাট

শ্রীভৰাম হাজৰিকাৰ ঘৰ চাওখাট মৌজাৰ বনগাঁৱত। জন্ম চন ১৯২১। তেখেতৰ পিতৃৰ নাম বিদ্যাধৰ হাজৰিক আৰু মাতৃ ˚জোনাকী।

১৯৪২ চনত পিকেটিং কৰা অপৰাধত তেখেতক বহুবাৰ গ্রেপ্তাৰ কৰি কাজিৰঙা, মৰিয়নী ৰিজার্ভ আদিত পুলিচে এৰি থৈ আহিছিল গৈ। পাছত পলাতক কর্মী হিচাপে ভালে দিন আন্দোলনৰ কাম কৰিছিল।



শ্রীগুণদা হাজৰিকা - চাওখাট

শ্রী গুণদা হাজৰিকাৰ ঘৰ চাওখাট মৌজাৰ বনগাঁৱত। পিতৃৰ নাম ˚বিদ্যাধৰ হাজৰিকা আৰু মাতৃৰ নাম ˚জোনাকী। জন্ম চন ১৯২৫।

শ্রীমতী হাজৰিকা মহিলা সংগঠনৰ ক্ষেত্রত আগৰণুৱা কর্মী আছিল। ১৯৪২ চনৰ আন্দোলনত ভাগ লৈ সেই চনৰে ২০ চেপ্তেম্বৰ

দিনা ২০ গৰাকী মহিলা সহ টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ গৈ পুলিচৰ লাঠি আৰু বন্দুকত মালা পিন্ধাইছিলে। একাধিক বাৰ পুলিচৰ দ্বাৰত গ্রেপ্তাৰ হৈছিল ।



শ্রীপ্রমোদ শর্মা - চাওখাট

শ্রীপ্রমোদ শর্মাৰ ঘৰ চাওখাট মৌজাৰ দলৈ গাঁৱত। জন্ম চন ১৯২৩ । পিতৃৰ নাম শ্রীসোমেশ্বৰ শর্মা আৰু মাতৃ ৺ৰ আইটি ।

শ্রীশর্মা এজন কৃষি উন্নয়নত সক্রিয় অংশ লোৱা গঠনমূলক কর্মী ।

১৯৪২ চনৰ আন্দোলনত শান্তি সেনা বাহিনী গঠন কৰি পৰিচালক আছিল শ্রীশর্মা আঞ্চলিক পঞ্চায়তৰ সদস্য নিৰ্বাচিত হৈছিল আৰু প্রাথমিক বিদ্যালয়ৰ শিক্ষক স্বৰূপে জীৱিকা নির্বাহ কৰিছিল।



শ্রী যতীন্দ্র নাথ শর্মা - চাওখাটঃ

শ্রীযতীন্দ্র নাথ শর্মাৰ পিতৃ তিলেশ্বৰ শর্মা মাতৃ ৺যজ্ঞেশ্বৰী । জন্ম চন ১৯২২। নিবাস চাওখাট মৌজাৰ কাঠগাঁও ।

এজন গঠনমূলক কর্মী । ১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কৰি গিকেটিং কৰোতে একাধিকবাৰ গ্রেপ্তাৰ হ'ব লগীয়া হয় । ১৯৪২ চনৰ ৯ আগষ্ট দিবস পালনৰ অভিযোগত পিছ দিনা ১০ আগষ্ট তাৰিখে গ্রেপ্তাৰ কৰি ১৪ দিনৰ মূৰত কাৰাগাৰৰ পৰা মুক্তি দিয়ে ।

এখেতে বাজ্য চৰকাৰৰ মুক্তি যুঁজাক পেঞ্চন পায় ।



শ্রীদুলাল চন্দ্র গোস্বামী - চাওখাট

শ্রীগোস্বামীৰ ঘৰ চাওখাট মৌজাৰ কাঠ গাঁৱত। জন্ম চন ১৯১৯ । পিতৃৰ নাম দীন নাথ গোস্বামী আৰু মাতৃ ভদ্রেশ্বৰী ।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এজন অংশীদাৰ । একাধিক বাৰ পুলিচৰ হাতত গ্রেপ্তাৰ হ'ব লগীয়া হৈছিল ' ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত টীয়ক থানাত পতাকা উত্তোলন অভিযানত সক্রিয় অংশ গ্রহণ কৰিছিল । এজন স্বাধীন ব্যবসায়ী ।



শ্রীনীল কুমাৰ ৰবা - চাওখাট

শ্রীনীলকুমাৰ ৰবাৰ ঘৰ চাওখাট মৌজাৰ কাঠগাঁৱত। পিতৃৰ নাম সভাৰাম ৰবা। মাতৃৰ নাম ভৱকান্তি । জন্ম চন ১৯১৮ ।

১৯৪২ চনৰ আন্দোলনৰ এজন কর্মী । শ্রীবৰাই পলাতক হিচাবে থাকি আন্দোলনৰ বিভিন্ন সংগঠনৰ কামত লাগি আছিল । জেলৰ পৰা কংগ্রেছ কর্মী সকল ওলাই অহাৰ পিচত তেখেতে অ'ত ত'ত চাকৰি কৰিছিল যদিও শেষত টিনেমা হলৰ পৰিচালনাৰ দায়িত্বত থাকি তাৰ পৰা অৱসৰ লয় । বর্তমান ৰঙামেদামৰ স্থায়ী বাসিন্দা । তেখেতে ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন পাই আছে ।



শ্রীউমা নাথ হাজৰিকা - চাওখাট

চাওখাট মৌজাৰ ৰনগাঁও নিবাসী শ্রীউমানাথ হাজৰিকাৰ পিতৃ ভকত চৰণ হাজৰিকা আৰু মাতৃৰ নাম ফুলেশ্বৰী হাজৰিকা । জন্ম চন ১৯২৩ ।

১৯৪০-৪১ চনৰ সত্যাগ্রহ আন্দোলনৰ এজন কর্মী আছিল । ১৯৪২ চনৰ গণ বিপ্লবত অংশ

গ্রহণ কৰি পিকেটিং কৰোতে গ্রেপ্তাৰী বৰণ কৰে

গ্রেপ্তাৰ কৰি এৰি দিয়াৰ পাচত টঁয়ক থানাত পতাকা উত্তোলন কৰিবলৈ যোৱা দলৰ লগত হাতত পতাকা লৈ আগবাঢ়ি যাওঁতে পুলিচৰ লাঠিৰ কোবত আঘাত প্রাপ্ত হৈছিল ।



শ্রীপ্রফুল্ল চন্দ্র ৰাজখোৱা - চাওখাট

চাওখাট মৌজাৰ কাকজান অঞ্চলৰ শ্রী প্রফুল্ল চন্দ্র ৰাজখোৱাৰ পিতৃৰ নাম ৺সোমধৰ ৰাজখোৱা আৰু মাতৃৰ নাম ৺দুর্গেশ্বৰী দেবী ।

এখেত এজন গঠনমূলক সমাজ কর্মী আৰু শিক্ষাব্রতী । ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰি স্থানীয় শান্তি সেনা বাহিনীত যোগ দিয়ে । তেখেতৰ পৰিয়ালৰ পৰা শতাধিক পাইকাৰী জৰিমনাও আদায় কৰা হৈছিল । শ্রীৰাজখোৱা এজন কৃতী শিক্ষক ।



শ্রীমতী টঙ্কেশ্বৰী ৰৰদলৈ - চাওখাট

শ্রীমতী টঙ্কেশ্বৰী ৰৰদলৈ চাওখাট মৌজাৰ সোণাৰী গাঁৱৰ এগৰাকী মহিলা কর্মী। তেখেতৰ স্বামীৰ নাম মুক্তি যোদ্ধা ৺ভদ্রনাথ ৰৰদলৈ । জন্ম চন ১৯২০ ।

১৯৪০ চনত গঠিত হোৱা চাওখাট মৌজা মহিলা সমিতিৰ তেখেত এগৰাকী আগ শাৰীৰ কর্মী । ১৯৪২ চনৰ গণ বিপ্লৱত মহিলা সকলক সংগঠন কৰি অক্টোবৰ মাহত ২০ গৰাকী মহিলা সহ টঁয়ক থানাত প্রবেশ কৰি পুলিচৰ লাঠি আৰু বন্দুকৰ সম্মুখীন হৈ বন্দুকত ফুলৰ মালা পিন্ধাই আগবঢ়ি জনাইছিল । ৰাষ্ট্রিক পেঞ্চন পাইছে ।



শ্রীপুনাৰাম দোলাকাষৰীয়া - চাওখাট

শ্রীপুনাৰাম দোলাকাষৰীয়াৰ ঘৰ চাওখাট মৌজাৰ ভৰলুৱা বাপুচুক গাঁৱত । পিতৃৰ নাম ৺মালিৰাম আৰু মাতৃৰ নাম ৺ছাকলী । জন্ম চন ১৯১৩ ।

এজন গঠনমূলক সমাজ কৰ্মী ।১৯৪২ চনৰ গণ আন্দোলনত একাধিক বাৰ পুলিচে গ্ৰেপ্তাৰ কৰে । পলাতক কৰ্মী স্বৰূপে চাওখাট মৌজাত আন্দোলনৰ কামত অংশ গ্ৰহণ কৰিছিল ।



শ্রীলক্ষীনাথ বৰা - চাওখাট

শ্রী লক্ষীনাথ বৰা চাওখাট মৌজা তিনিকুৰিয়া গাঁও । পিতৃ ৺মালভোগ বৰা মাতৃ জোনাকী বৰা। জন্ম চন ১৯১৩ ।

এজন গঠনমূলক সমাজ কৰ্মী । ১৯৩২ চনৰ আন্দোলনতে বিদ্যালয় বৰ্জ্জন কৰি ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে ।

আন্দোলনত একাধিক বাৰ পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিছিলে । পৰিয়ালৰ পৰা পাইকাৰী জৰিমনা আদায় কৰা হৈছিল । এজন পলাতক কৰ্মী স্বৰূপে আন্দোলনৰ কাম কৰি আছিলে ।



শ্রীবেণুৰাম শইকীয়া - চাওখাট

চাওখাট মৌজাৰ তিনিকুৰীয়া গাঁও নিবাসী শ্রীৰেণুৰাম শইকীয়াৰ পিতৃৰ নাম ৺বিহৰা শইকীয়া জন্ম চন ১৯১৮।

১৯৪২ চনৰ গণবিপ্লৱত তেখেতে একাধিক বাৰ পিকেটিং কৰি গ্ৰেপ্তাৰ হ'ব লগীয়া হৈছিল । কেবাবাৰো গ্ৰেপ্তাৰ কৰি দূৰ দূৰণিৰ ঠাইত এৰি থৈ অহাৰ পিচত তেখেতে আত্ম গোপন কৰি

আন্দোলনৰ কাম কৰিছিল। ১৯৪২ চনৰ ৯ আগষ্টত ভাৰত ত্যাগ দিবস পালন কৰাৰ অভিযোগত তেখেতক ১০ আগষ্ট তাৰিখে পথাৰত হালবাই থকাৰ পৰা গ্ৰেপ্তাৰ কৰি আনি ১৭ দিন কাৰাগাৰত ৰাখিছিল । কাৰাগাৰত থকা সময়তে তেখেতৰ ২য় পুত্ৰৰ মৃত্যু হয় ।

তেখেতে বৰ্তমান ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে ।

শ্ৰীমতী সোমেশ্বৰী দত্ত : কাকজানৰ তিনিকুৰীয়া গাৱঁত পিতৃ গৃহ। পিতৃ আহিনা, মাতৃ চাদুৰী । জন্ম ১৯২৬ চন । স্বামী যোৱহাট নগৰৰ আতিলা গাৱঁৰ শ্ৰীবাপ্ দত্ত। বিয়ালিছৰ গণ বিপ্লৱত চাওখাট মৌজাৰ মৃত্যু বাহিনীৰ মহিলা গোটৰ এগৰাকী অন্যতমা কৰ্মী । টীয়ক থানাত পতাকা উত্তোলন সমদলত জীৱন-পণ কৰি গৈ পুলিচৰ লাঠী আৰু বন্দুকত মাল্যাৰ্পণ কৰি স্বাধীন ভাৰতৰ জয়ধ্বনি দিয়া মহিলা ।

স্বাধীনোত্তৰ কালতো নিজা পৰিসৰত মহিলা সংগঠনত ব্ৰতী ।



শ্ৰীমতীননী শইকীয়া - চাওখাট

শ্ৰীমতী ননী শইকীয়া পিতৃৰ নাম ৺হৰি দাস শইকীয়া আৰু মাতৃৰ নাম ৺গোলেশ্বৰী শইকীয়া। নিবাস চাওখাট মৌজাৰ ঢেকিয়াখোৱা । জন্ম চন ১৯২৭।

এগৰাকী খাদী প্ৰচাৰ কাৰ্য্যত অনুৰাগী মহিলা কৰ্মী। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচৰ খেদাত টীয়ক নদীত পৰি গৈছিলে ।

শ্রীদেৱেশ্বৰ বৰুৱা - হাতীগড়

হাতীগড় মৌজাৰ মেলেং ৰৰগুৰিৰ শ্রীদেৱেশ্বৰ বৰুৱাৰ পিতৃৰ নাম ৺ৰত্নেশ্বৰ বৰুৱা আৰু মাতৃ ৺মুহিনী দেৱী। জন্ম চন ১৯২৪।

শ্রীবৰুৱা এজন সর্ৱোদয় কর্মী। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত বিদ্যালয় বর্জ্জন কৰি যুদ্ধৰ যোগান বন্ধ, পিকেটিং আদি কৰি আন্দোলনত অংশ গ্রহণ কৰে : হাতীগড় মৌজাক ১৯৪২ চনৰ জানুৱাৰী মাহত পুলিচে আটক কৰে আৰু এবছৰতকৈও অধিক কাল গুৱাহাটী জেলত কাৰাবাস খাটে।

শ্রী বৰুৱাই কেন্দ্রীয় চৰকাৰৰ স্বতন্ত্রতা সৈনিক সন্মান পেঞ্চন আৰু ৰাজ্য চৰকাৰৰ পেঞ্চন লাভ কৰিছে।

শ্রীমতী সুশীলা শইকীয়া -চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাৱঁৰ নিগাজী নিবাসী। স্বামী ৺অকণমান শইকীয়া। জন্ম ১৯২৪ চন। ১৯৪০ চনৰ সত্যাগ্রহৰ সভাসমূহত যোগ দি ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ যোৱা প্রখ্যাত অভিযানত যোগ দিয়ে। তেতিয়াৰে পৰা কংগ্রেছৰ সেৱাত ব্রতী হৈ বর্ত্তমান ঢেকীয়াখোৱা খাদী প্রতিষ্ঠানত কাম কৰি আছে।



শ্রীকমলেশ্বৰ গগৈ : লাহিং মৌজাৰ পিঠাখোৱা গাৱঁৰ শ্রীকমলেশ্বৰ গগৈৰ পিতৃৰ নাম বাপিৰাম গগৈ, মাতৃ সুমিত্রা বালা গগৈ। জন্ম চন ১৯১৭। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এজন সক্রিয় কৰ্মী। সেই সময়ত আন্দোলনৰ কাৰণে গঠিত মৃত্যু বাহিনীৰ সদস্য আছিল। কূটাঘাট মূলক কামৰ হাঠিয়াৰ সংগ্রহত সেই সময়ত প্রিন্স অৱ ৱেলছ আভিযান্ত্রিক প্রতিষ্ঠানৰ ৩য় বার্ষিকৰ ছাত্র আৱস্হাতে আগভাগ লয়।

পলাতক অৱস্হাত শ্রীগগৈয়ে গোপন কামৰ ঘাটি তৈয়াৰ কৰিছিল। প্রচাৰ, পিকেটিং, যুদ্ধ সামগ্রী বন্ধ কৰা আদি কামত লিপ্ত আছিল। শ্রীগগৈয়ে ৯ মাহ কাৰাবাস খাটিব লগীয়া হৈছিল। তেখেত এজন শিক্ষক আৰু গঠণমূলক কামৰ একান্ত একনিষ্ঠ কৰ্মী। শ্রীগগৈয়ে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰুৰ পেন্সন লাভ কৰিছে। তেখেত মুক্তি যুঁজাৰুৰ সম্মিলনত সক্রিয় ভাবে জড়িত। বর্তমানো তেখেত সামাজিক কামত ব্যস্ত।

শ্রীহেমচন্দ্র ৰৰা: শ্রীহেমচন্দ্র ৰৰাৰ নিবাস লাহিং মৌজাৰ নামচেচু কুকুৰা চোৰা গাওঁ। পিতৃ কাতিৰাম ৰৰা। মাতৃ থুনুকী ৰৰা। জন্ম চন ১৯২৪। শ্রীৰৰাই চেলেংহাট ইংৰাজী বিদ্যালয়ৰ নৱমমান শ্রেণীৰ পৰা বিদ্যালয় বর্জ্জন কৰি ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰে। আন্দোলনৰ প্রচাৰ আৰু ছাত্র সংগঠনৰ কামত অংশ গ্রহণ কৰি থাকোতে পুলিচৰ হাতত গ্রেপ্তাৰ ৰৰণ কৰে আৰু দুবছৰতকৈ অধিক কাল কাৰাবাস খাটে। এজন গঠনমূলক কৰ্মী আৰু চৰকাৰৰ পঞ্চায়ত বিভাগৰ কর্ম্মচাৰী আছিল।

শ্ৰীবৰাই কেন্দ্ৰীয় চৰকাৰৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।

শ্ৰীভোলানাথ ফুকন : ৰৰপাত্ৰ দ'ল, কালুগাওঁ নিবাসী হ'লেও ১৯৪২ চনত জগন্নাথ ৰৰুৱা কলেজৰ ছাত্ৰ আছিল ৰাবে যোৰহাটৰ গণ আন্দোলনত ছাত্ৰ সন্মিলনৰ নেতৃস্থানীয় কৰ্ম্মীস্বৰূপে জৰিত হৈ পৰে। বিয়াল্লিছৰ বিপ্লৱৰত ছাত্ৰসকলৰ সহযোগ বিচাৰি, অভিভাৱকৰ সভা পাতি থাকোতেই চন্দ্ৰকান্ত সন্দিকৈ ভৱনতে গ্ৰেপ্তাৰ হয়। প্ৰায় ৬মাহ কাৰাবাস খাটি মুক্তি পালেও যোৰহাট নগৰত অন্তৰীন বন্দী কৰে। ২৪-২-৪৩ ৰ কাৰাগাৰৰ অপ্ৰড়োচিত লাঠী চালনাত ভৰি আৰু পিঠিত ভীষণ ভাৱে আঘাত পাই সেই আঘাতৰ চিহ্ন জীৱনলৈ ৰৈ যায়।

স্বাধীনোত্তৰ কালত প্ৰথমে সাংবাদিকতা বৃত্তি ললেও পিচলৈ শিক্ষকতাৰ জীৱনত সুনাম অৰ্জন কৰে। ১৯৭২ চনৰ পৰা মুক্তি যোদ্ধাৰ সম্মান পেঞ্চন পাই আছে।



শ্ৰীডম্বৰুধৰ নেওঁগ : শ্ৰীডম্বৰুধৰ নেওঁগৰ ঘৰ লাহিং মৌজাৰ পদুমণি জাপিসজিয়া গাৱঁত। তেখেতৰ পিতৃৰ নাম ভোলানাথ নেওঁগ আৰু মাতৃৰ নাম লং নেওঁগ। শ্ৰীনেওঁগ ৪২ ৰ গণ আন্দোলনৰ এজন সক্ৰিয় কৰ্ম্মী। নানা গঠনমূলক কামত ব্যস্ত থকাৰ উপৰিও আন্দোলনত সহযোগ কৰি প্ৰচাৰ পিকেটিং আদি কৰিছিলে। ৯ মাহ কাৰাবাস খাটে।

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেন্সন লাভ কৰিছে।

শ্রীৰেৱত চন্দ্র গগৈ: শ্রীৰেৱত চন্দ্র গগৈৰ ঘৰ যোৰহাট জিলাৰ অন্তর্গত লাহিং মৌজাৰ লুখুৰাখুনি গাৱঁত। পিতৃৰ নাম হেমধৰ গগৈ মাতৃ তৰামাই। জন্ম চন ১৯১৬। শ্রীগগৈয়ে ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰি মিলিটেৰী খাদ্য যোগান বন্ধ কৰিছিল। গাঁৱৰ শান্তি সেনা বাহিনীত যোগদান কৰি, আলিবন্ধা, পুখুৰী খন্দা আদি সংগঠনৰ কাম কৰিছিল। তেওঁ ৰাজ্য চৰকাৰৰ সন্মান পেন্সন পাই আছে।



শ্রীপ্রেম নাথ বৰা : লাহিং মৌজাৰ বৰ নগঞা দ চুকৰ স্থায়ী বাসিন্দা। পিতৃ ৰত্নেশ্বৰ বৰা। মাতৃ সৰুআইটি। জন্ম ১৯২০ চন। বিয়ালিছৰ গণ আন্দোলনত জপিয়াই পৰি টীয়কৰ সকলো কার্য্যসূচীতে নির্দেশানুযায়ী সহযোগ কৰি এঘাৰ মাহ কাৰাৰুদ্ধ হয়। স্বাধীনতা লাভৰ পাছতো এজন সমাজ সেৱক। তাম্রপত্রৰ উপৰিও ৰাজ্যিক আৰু কেন্দ্রীয় সন্মান পেন্সন পাইছে।

শ্রীমতী বিমলী গগৈ - লাহিং মৌজাৰ ছেলেংহাটৰ পিঠাখোৱা গাৱঁত ঘৰ। মুক্তি যুজাঁক শশীধৰ গগৈৰ পত্নী। গগৈৰ জন্ম ১৯১৭ চনত। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গগৈৰ এঘাৰ মাহ সশ্রম কাৰাদণ্ড হয়। কাৰামুক্ত হৈ ১৯৪৪ চনত শ্রীমতী বিমলী গগৈৰ পানি গ্রহণ কৰে। পাঁচোটি সন্তানক এৰি ১৯৬৯ চনৰ এপ্রিলত গগৈ পৰলোক হয়।



(১৬) শ্রীকিৰণ চন্দ্র ফুকন : যোৰহাট জিলাৰ অন্তর্গত লাহিং মৌজাৰ বাইলুংগাৰিত শ্রীকিৰণ চন্দ্র ফুকনৰ ঘৰ। পিতৃৰ নাম ইন্দ্রেশ্বৰ ফুকন, মাতৃ তোৰেশ্বৰী ফুকন শ্রীফুকনে ১৯৩৯ চনতে কংগ্রেছত যোগদান কৰি প্রাথমিক কংগ্রেছৰ দায়িত্ব লয়। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্রহত দুবাৰ আটকাবদী হৈ মুক্তি লাভ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰি পলাতক কৰ্ম্মী হিচাবে কাম কৰে। বিপ্লবী বীৰ শঙ্কৰ ৰক্ষাৰ গোপন সংগঠনৰ কামত লাহিং মৌজাৰ পৰিচালকৰ দায়িত্বত আছিল।

বৰ্ত্তমান চাৰিকুৰি বছৰ বয়সৰ দেওনাত ভৰি দিলেও কৰ্ম্মশক্তি অটুত আছে। তেখেতে অসম চৰকাৰৰ ৰাজ্যিক সন্মান পেন্সন পাই আছে।



শ্রীনৱনাথ ফুকন: ঘৰ লাহিং মৌজাৰ ভূঞাহাটত। পিতৃৰ নাম কনক নাথ ফুকন, মাতৃৰ নাম বিদ্যাধৰী ফুকন। শ্রীফুকনে কিশোৰ বয়সতে স্বাধীনতা সংগ্রামত ভাগ লয়। প্রচাৰ, পিকেটিং আদি কৰাত অংশ গ্রহণ কৰোতে বনাই কংগ্রেছ অফিচত লাঠি চার্জত আঘাত প্রাপ্ত হৈছিল। এজন গঠনমূলক কৰ্ম্মী।

শ্রীমতী আজলী তৰা চুতীয়া

গাখীৰখোৱা মৌজাৰ শুকান জান পৰৰ ৬০ বছৰ বয়সৰ দেওনা পাৰ হোৱা শ্রীমতী আজলী তৰা চুতীয়া সেই অঞ্চলৰ মুক্তি যুঁজাক প্রয়াত লীলাৰাম চুতীয়াৰ পৰিবাৰ। মুক্তি যুঁজাক চুতীয়াই ছাত্র অৱস্থাতে ১৯৪২ চনৰ মুক্তি আন্দোলনত যোগদান কৰি শিক্ষাৰ সামৰণি মাৰ আৰু সাত মাহ কাৰাবাস খাটে। দেশে স্বাধীনতা পোৱাৰ পিছত অসম চৰকাৰৰ ৰাজহ বিভাগত চাকৰি কৰে

তেখেতে বাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন পাইছিল আৰু তেখেতৰ মৃত্যুৰ পিচত পৰিবাৰ শ্ৰীমতী চুতীয়াই সেই পেঞ্চন ভোগ কৰি আছে।

শ্ৰীগোলাপ চন্দ্ৰ ফুকন : লাহিং মৌজাৰ বাইলুং গাঁৱৰ ইন্দ্ৰেশ্বৰ ফুকন আৰু তোষেশ্বৰী ফুকনৰ পুত্ৰ। জন্ম ১৯২৫ চন। ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত প্ৰবেশিকা পৰীক্ষা পৰিত্যাগ কৰি বিপ্লৱত ব্ৰতী হয়। বিয়াল্লিছৰ নৱেম্বৰ মাহত গ্ৰেপ্তাৰ হৈ ১৯৪৫ চনৰ মে' মাহত মুক্তি লাভ কৰে। প্ৰায় আঢ়ৈ বছৰ কাৰাৰুদ্ধ হয়।

কাৰাগাৰৰ পৰা মুক্তি পাই অধ্যয়নত ব্ৰতী হৈ উচ্চ শিক্ষা লৈ চৰকাৰী চাকৰি কৰি ১৯৮৩ চনত বিত্ত বিভাগৰ অৱৰ সচিব পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। বৰ্ত্তমান গুৱাহাটীত অধিবক্তা।

স্বতন্ত্ৰতা সৈনিক সম্মান আৰু বাজ্যিক পেঞ্চন পাই আছে।

শ্ৰীফনীন্দ্ৰ নাথ গগৈ- নকছাৰী মৌজাৰ দহোটীয়া গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ লক্ষেশ্বৰ গগৈ, মাতৃ জালতী গগৈ। জন্ম ১৯২৭ চন।

বলমা হাইস্কুল অষ্টম শ্ৰেণীত পঢ়োতে ভাৰত ত্যাগ আন্দোলনত যোগ দিবলৈ প্ৰতিষ্ঠাপক শিক্ষক ঋষেশ্বৰ দলৈয়ে স্কুলৰ পৰা বিদায় লোৱা অভিনৱ কাৰ্য্যসূচীত উদ্বুদ্ধ হৈ বিপ্লৱত জপিয়াই পৰে।

১৯৪৫ - ৫৫ লৈ নকছাৰি মৌজা কংগ্ৰেছৰ সম্পাদক। হৰিনাৰায়ণ বৰুৱাৰ দিনত জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী সদস্য। পিচত চৰকাৰী চাকৰিত নিযুক্তি লৈ খণ্ড উন্নয়ন বিষয়া পদৰ পৰা অৱসৰ গ্ৰহণ কৰে।

শ্ৰীগগৈ বৰ্ত্তমানো এজন সমাজ সচেতন ব্যক্তি।



শ্রীবোধেশ্বৰ ববা ঃ

গাখীৰ খোৱা মৌজাৰ দোলাখৰীয়া গাঁও নিবাসী শ্রীৰোধেশ্বৰ ববাৰ পিতৃ মিঠাই ববা, মাতৃ কাদুৰী ববা । জন্ম ১৯১৩ চন ।

১৯৪২ চনৰ গণ আন্দোলনৰ এজন সক্রিয় কর্মী । ছ মাহতকৈও অধিক কাল কাৰাবাস খাটে ।

শ্রীববাই কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তিযুদ্ধাৰ পেঞ্চন আৰু তাম্র পত্র লাভ কৰিছে । বর্তমান সমাজ সংগঠন কামত ব্রতী হৈ আছে।

শ্রীমুকুট চন্দ্র শইকীয়া ঃ

ঘৰ গাখীৰখোৱা মৌজাৰ বলমা মৰাণ গাঁৱত । পিতৃৰ নাম ধেনুৰাম আৰু মাতৃৰ নাম চন্দ্রী । জন্ম চন ১৯১৯ ।

১৯৪১ চনত ব্যক্তিগত সত্যাগ্রহ আন্দোলনত গ্রেপ্তাৰ ৰৰণ কৰি এদিন কাৰাবাস খাটে । ১৯৪২ চনৰ আন্দোলনৰ এজন সক্রিয় কর্মী স্বৰূপে আঠ মাহতকৈ অধিক কাল কাৰাদণ্ডেৰে দণ্ডিত হয় ।

শ্রীশইকীয়াই কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ পেঞ্চন আৰু তাম্রপত্র লাভ কৰিছে ।



শ্রী আদিৰাম বড়া ঃ

শ্রীআদিৰাম বড়াৰ ঘৰ গাখীৰখোৱা মৌজাৰ লাহিং পাণৰাৰী গাঁৱত । ৮০ বছৰ বয়সৰ দেওনা পাৰ হোৱা শ্রীবড়া বর্তমান চৰকাৰী গাওঁ বুঢ়া পদত অধিষ্ঠিত হৈ আছে।

১৯৩০-৩২ চনৰ পৰা ভাৰতৰ মুক্তি সংগ্রামৰ এজন সক্রিয় কর্মী ।

১৯৪২ চনৰ গণ আন্দোলনত স্বেচ্ছাসেৱকৰ প্ৰশিক্ষণ লৈ শ্ৰীৰড়াই আন্দোলনত বিভিন্ন কামত যোগদান কৰিছিল । ৰাজ্যিক চৰকাৰৰ পেঞ্চন পাইছে ।



শ্ৰীমুহিৰাম চুতীয়া ঃ

শ্ৰীমুহিৰাম চুতীয়াৰ ঘৰ গাখীৰখোৱা মৌজাৰ শুকান জান গাঁৱত । পিতৃৰ নাম মোলোকা চুতীয়া । মাতৃৰ নাম অফলী চুতীয়া । জন্ম চন ১৯২০ ।

শ্ৰীচুতীয়াই ১৯৪২ চনৰ আন্দোলনত সহযোগ কৰি ৬ মাহ কাৰাবাস খাটে । তেখেতে ১৯৪৩ চনৰ ফেব্ৰুৱাৰীত জেলৰ ভিতৰত হোৱা লাঠি চালনাতো আঘাত প্ৰাপ্ত হৈছিল।

তেখেতে ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে ।



শ্ৰীমতিৰাম চুতীয়া : গাখীৰ খোৱা মৌজাৰ জহাখাট গাঁৱৰ নিবাসী। জন্ম চন ১৯২১। পিতৃ বলোৰাম চুতীয়া। বৰ্ত্তমান ৰতনপুৰৰ বাসিন্দা। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি ১২-১১-৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ ৫ মাহ কাৰাদণ্ড খাটে। ম্যাদৰ শেষত মুক্তি নিদি পুনৰ ৬ মাহ আটক বন্দী কৰে । কাৰামুক্তি হৈ শিক্ষকতাৰ জীৱন ১৯৪৮-৫৬ লৈ যাপন কৰি পঞ্চায়তৰ কৰ্ম্মচাৰী হৈ জনসংযোগ আৰু জনহিতকৰে কামত আত্মনিয়োগ কৰে ১৯৭৬ চনত অৱসৰ গ্ৰহণ কৰে । কেন্দ্ৰীয় আৰু ৰাজ্যিক সম্মান পেন্সন লাভ কৰিছে ।



শ্রীকুল চন্দ্র চুতীয়া

গাখীৰখোৱা মৌজাৰ শুকান ডাং গাঁৱৰ শ্রীকুলচন্দ্র চুতীয়াৰ জন্ম হয় ১৯২০ চনত। তেখেতৰ পিতৃৰ নাম কমলেশ্বৰ চুতীয়া ।

শ্রীচুতীয়াই ভাৰতৰ স্বাধীনতা সংগ্রামৰ এজন সক্রিয় কর্মী হিচাবে অংশ গ্রহণ কৰে। সেই সময়ত কংগ্রেছে গঠন কৰা স্বেচ্ছাসেৱক বাহিনীত যোগদান কৰিছিল । এখেতে বাজ্যিক চৰকাৰৰ পেঞ্চন ভোগ কৰি আছে ।

শ্রীযোগেশ্বৰ বৰদলৈ :

টীয়ক মৌজাৰ ছাত্র মুক্তি যুজাঁক শ্রীযোগেশ্বৰ বৰদলৈ চাকৰি সংক্রান্তত গাখীৰ খোৱা মৌজাৰ বলমা গাঁৱৰ স্থায়ী বাসিন্দা হয় । শ্রীবৰদলৈৰ পিতৃৰ নাম আছিল দেউটি বৰদলৈ আৰু মাতৃ সৰুদৈ বৰদলৈ জন্ম চন ১৯২৯ ।

শ্রীবৰদলৈয়ে কাকজান হাইস্কুলৰ সপ্তম শ্রেণীৰ পৰা বিদ্যালয় ত্যাগ কৰি '৪২ চনৰ গণ আন্দোলনত সহযোগ কৰে । পাইকাৰী জৰিমনা তুলিবলৈ যোৱা পুলিচক সর্বশ্রী বিষ্ণু প্রসাদ বৰুৱা, দেৱেশ্বৰ দলৈ আদি সহ বাধা প্রদান কৰা অপৰাধত শ্রী বৰদলৈক পুলিচে গ্রেপ্তাৰ কৰি সাত মাহ বিচাৰাধীন বন্দী হিচাপে বাখি থয় । শেষত আদালতে বিচাৰত নাবালক বুলি খালাছ দিয়ে ।

পলাতক কর্মী সকলৰ খবৰ বাতৰি সংগ্রহ আৰু বজাৰাধীত স্থাপিত হোৱা এটা হস্ত মুদ্রন (Hand press) কেন্দ্রত কাম কৰি তেখেতে গোপণ কাগজ পত্র ছপা কৰা কামত অংশ গ্রহণ কৰিছিল । আন্দোলনৰ পাছত তেখেত স্নাতক হয় আৰু শিক্ষকতা বৃত্তি গ্রহণ কৰে ।

শ্রীবৰদলৈয়ে কেন্দ্রীয় চৰকাৰ আৰু বাজ্য চৰকাৰৰ পেঞ্চন লাভ কৰিছে ।

শ্রীমতী টংকেশ্বৰী দলৈ : গাধীৰ খোৱা মৌজাৰ বলমাৰ প্রসিদ্ধ মুক্তি যোদ্ধা ৺ঋষেশ্বৰ দলৈৰ সহধর্মীনী। পিতৃ তিতাবৰৰ প্রসিদ্ধ মুক্তি যোদ্ধা, ৺ঘনশ্যাম দত্ত, মাতৃ ৺ধর্মেশ্বৰী। জন্ম ১৯২৭ চন।

পিতৃ আৰু পতিগৃহ উভয়তে স্বাধীনতা সংগ্রামৰ পৰিবেশত প্রতিপালিত। জীয়াৰী কালতে ১৯৪২ ৰ বিপ্লৱত অংশ গ্রহণ কৰে। -শৰণীয়া আশ্রমত চমু দিনৰ প্রশিক্ষণ প্রাপ্ত মহিলা। ১৯৪৮ চনত বিপ্লৱী বীৰাঙ্গনা ৰেবতী লাহনৰ স্মৃতিত প্রতিস্হাপিত বিদ্যালয়ত প্রতিস্হাপিকা শিক্ষয়িত্রী স্বৰূপে অবৈতনিক ভাৱে শিক্ষকতা কৰি ১৯৫১ চনত বিদ্যালয়ৰ লগতে নিজেও স্হায়ী হৈ ১৯৮৫ চনত অৱসৰ গ্রহণ কৰে।

স্বামীৰ অবিহনে ৰাষ্ট্রীয় আৰু ৰাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্রীৰাপুৰাম বৰুৱা :

শ্রীৰাপুৰাম বৰুৱাৰ নিবাস গাধীৰ খোৱা মৌজাৰ ন হাট দোলাখৰীয়া গাঁও। পিতৃৰ নাম ৺ মালভোগ বৰুৱা, মাতৃৰ নাম ৺ বালাহি বৰুৱা। জন্ম চন ১৯১২।

শ্রীবৰুৱা এজন সক্রিয় কংগ্রেছ কর্মী আছিল। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰি শ্রীবৰুৱাই সভা, সমিতি, শোভাযাত্রা আদি সংগঠনৰ কাম কৰোতে পুলিচৰ লাঠিৰ কোৱ খাব লগীয়া হৈছিল। পুলিচৰ হাতত ধৰা নিদিয়াকৈ কুটাঘাত মূলক কাম কৰাত অংশ গ্রহণ কৰিছিল।

শ্রীতৰুণ চন্দ্র শইকীয়া ঃ

শ্রীতৰুণ চন্দ্র শইকীয়াৰ নিবাস শুকান জান, গাখীৰ খোৱা। পিতৃৰ নাম ৺মইনা শইকীয়া, মাতৃ ৺তৰী শইকীয়া। জন্ম চন ১৯১৯।

শ্রীশইকীয়াই ১৯৪২ চনৰ গণ আন্দোলনত সহযোগ কৰি ৬ মাহতকৈ অধিক কাল কাৰাবাস খাটে। এজন সমাজ কৰ্মী।

শ্রীশইকীয়াই বাজ্য চৰকাৰৰ মুক্তি যুঁজাক পেঞ্চন লাভ কৰিছে।



শ্রীচন্দ্র কান্ত কোঁৱৰ ঃ

শ্রীচন্দ্রকান্ত কোঁৱৰৰ নিবাস বলমা মৰাণ গাঁও, মৌজা গাখীৰ খোৱা, পিতৃৰ নাম ৺মণিৰাম কোঁৱৰ জন্ম চন ১৯২৬

১৯৪২ ৰ গণ আন্দোলনৰ এজন সক্রিয় কৰ্মী। একাধিক বাৰ পুলিচে গ্রেপ্তাৰ কৰি নামৰৰ হাবি অঞ্চলত এৰি থৈ আহিছিলে। এজন গঠনমূলক সমাজ কৰ্মী।



শ্রীযোগেশ্বৰ বৰুৱা ঃ

শ্রীযোগেশ্বৰ বৰুৱাৰ ঘৰ ন হাট দোলাখৰীয়া গাঁও, গাখীৰখোৱা মৌজা। পিতৃৰ নাম ৺হলিৰাম বৰুৱা, মাতৃৰ নাম ৺বন্দুলী বৰুৱা। জন্ম ১৯০৬ চন।

এজন একনিষ্ঠ কংগ্রেছকৰ্মী আৰু মৌজা কংগ্রেছৰ সম্পাদক স্বৰূপে কাম কৰিছিল। ১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কৰি গ্রেপ্তাৰ বৰণ কৰে। আন্দোলনৰ কামত লাগি থকা কাৰণেই বাগানৰ চাকৰিও যায়। পলাতক কৰ্মী স্বৰূপে '৪২ ৰ আন্দোলনৰ প্রচাৰ আৰু সংগঠ নত ভাগ লৈছিলে।

শ্রীমতী ভানুমতী বড়া (পাঠক)

শ্রীমতী ভানুমতী বড়াৰ ঘৰ গাখীৰখোৱা মৌজাৰ লাহিং লক্ষীৰাৰী গাঁৱত । বৰ্তমান বয়স ৬২ বছৰ । তেখেতৰ স্বামী বিনন্দ চন্দ্র বৰা (পাঠক) এজন সক্রিয় মুক্তি যুঁজাক আছিল ।

১৯৩২ চনতে ডিগবৈ তেল কোম্পানীৰ চাকৰি এৰি আহি স্বাধীনতা সংগ্রামত যোগদান কৰেহি । ১৯৪২ চনৰ গণ আন্দোলনত ধর্মীয় আৰু স্বদেশ প্রেমৰ টোকাৰী গীত গাই ৰাইজক আন্দোলন মুখী কৰিছিল ।

বিনন্দ চন্দ্র বড়া পাঠকে ৰাজ্যিক চৰকাৰৰ পেঞ্চন পাইছিল আৰু তেখেতৰ মৃত্যুত শ্রীমতী বড়াই সেই পেঞ্চন ভোগ কৰি আছে ।

শ্রীগুণাৰাম চুতীয়া :

গাখীৰখোৱা মৌজাৰ বালিজনীয়া গাঁৱৰ শ্রীগুণাৰাম চুতীয়াৰ ১৯২০ চনত জন্ম হয় । তেখেতৰ পিতৃৰ নাম গন্ধিয়া চুতীয়া আৰু মাতৃৰ নাম পেনেৰী চুতীয়া ।

শ্রীচুতীয়া এজন প্রশিক্ষণ প্রাপ্ত কংগ্রেছ স্বেচ্ছাসেৱক আছিল । ১৯৪২ চনৰ গণ আন্দোলনত ভলন্টিয়াৰ সকলৰ নায়ক হিচাবে আন্দোলনত সক্রিয় অংশ লৈছিল ।

কংগ্রেছ কর্মী হিচাবে শ্রীচুতীয়াই আঞ্চলিক ভিত্তিত ভালেখিনি ৰাজহুৱা কাম কৰিছিল ।

শ্রীখীৰেশ্বৰ শইকীয়া :

১৯১৩ চনত জন্ম গ্রহণ কৰা শ্রীখীৰেশ্বৰ শইকীয়াৰ ঘৰ গাখীৰখোৱা মৌজাৰ জহাখাট গাঁৱত । ১৯৪২ চনৰ গণ আন্দোলনত এজন প্রশিক্ষণ প্রাপ্ত স্বেচ্ছাসেৱক হিচাবে কাম কৰিছিল । ১৩-১১-৪২ তাং প্রশিক্ষণ কেম্পত পুলিচে বহু কর্মীক গ্রেপ্তাৰ কৰোতে শ্রীশইকীয়া পলাই সাৰিছিল আৰু পলাতক কর্মী হিচাবে আন্দোলনত সক্রিয় অংশগ্রহণ কৰিছিল ।

শ্রীচিদানন্দ চুতীয়া ঃ

গাখীৰখোৱা মৌজাৰ বালিজনীয়া গাঁৱত শ্রীচিদানন্দ চুতীয়াৰ ঘৰ । তেখেতৰ পিতৃৰ নাম ৺পুনাৰাম চুতীয়া আৰু মাতৃৰ নাম সোমেশ্বৰী চুতীয়া।

শ্রীচুতীয়াৰ পিতৃ ৺পুনাৰাম চুতীয়াই কংগ্রেছৰ বিভিন্ন দায়িত্বশীল পদত থাকি আন্দোলন চলাই থকাত তেওঁৰ পৰাই দেশ সেৱাৰ প্রেৰণা পাইছিল । সেই সময়ত কম বয়সীয়া যদিও শইকীয়াই আন্দোলনত অংশ গ্রহণ কৰিছিল ।

শ্রীসভাৰাম শইকীয়া ঃ

গাখীৰখোৱা মৌজাৰ শ্রীসভাৰাম শইকীয়াৰ ঘৰ জহাখাট গাৱত । পিতৃৰ নাম মণিৰাম শইকীয়া আৰু মাতৃৰ নাম ৺ মাহিন্দী শইকীয়া । জন্ম চন ১৯২৪ .

১৯৪২ চনত ছাত্র সংগঠনৰ কর্মী হিচাবে স্বাধীনতা সংগ্রামত মৌজা কংগ্রেছৰ যোগেদি হোৱা স্বেচ্ছাসেৱক প্রশিক্ষণ কেন্দ্রত যোগদান কৰে । কংগ্রেছ কর্মীসকলৰ দিহা- পৰামর্শ অনুসৰি মৌজাৰ বিভিন্ন অঞ্চলত হোৱা আন্দোলনত জপিয়াই পৰে । শ্রীশইকীয়াই স্কুল বর্জন কৰি ছাত্র জীবনৰ সামৰণি পেলায় যদিও স্বাধীনতা লাভৰ অন্তত শিক্ষকতা কৰি জীৱন নির্বাহ কৰে ।

শ্রীখেটেকেশ্বৰ বুঢ়াগোহাঁই ঃ

শ্রীখেটেকেশ্বৰ বুঢ়া গোহাঁইৰ ঘৰ দোলাখৰীয়া গাঁও, গাখীৰ খোৱা মৌজা । পিতৃ ৺বগাই বুঢ়া গোহাঁই, মাতৃ ৺দুকী বুঢ়াগোহাঁই । জন্ম চন ১৯১৫

শ্রীখেটেকেশ্বৰ বুঢ়াগোহাঁয়ে ১৯৪২ চনৰ গণ বিপ্লৱৰ সময়ত তেওঁৰ ঘৰৰ সম্মুখত প্রতিষ্ঠিত কেম্পত স্বেচ্ছা সেৱীসকলক বান্ধি খুৱাৰ দায়িত্বত আছিল । সভা-সমিতি, পিকেটিং আদিতো অংশ গ্রহণ কৰিছিলে । পুলিচে গ্রেপ্তাৰ কৰি নি নামৰৰ হাবি অঞ্চলত এৰি দিছিল ।

শ্রীগোপী কান্ত বৰুৱা

শ্রীগোপীকান্ত বৰুৱাৰ ঘৰ হোলোঙাপাৰ মৌজাৰ বন পিঠগুৰি গাঁৱত । পিতৃৰ নাম ৺বাপুৰাম বৰুৱা, মাতৃ ৺ সুভদ্রা বৰুৱা । জন্ম চন ১৯১২ ।

শ্রীবৰুৱা এজন সক্রিয় কংগ্রেছ কর্মী । ১৯৩০ চনত কানিংহাম চাৰকুলাৰৰ প্রতিবাদত বিদ্যালয় বর্জ্জন কৰে । ১৯৪০ চনত চাহ বাগানৰ কাম ইস্তফা দি জাতীয় কংগ্রেছৰ সংগঠনত অংশ লয় । আৰু বহু বছৰ ধৰি মৌজা কংগ্রেছৰ সম্পাদক স্বৰূপে কার্য্য নির্বাহ কৰে । ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰি ছমাহ কাৰাবাস খাটে । বর্ত মান বৰুৱা সামাজিক কামত সক্রিয় ।

তেখেতে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন আৰু তাম্র পত্র লাভ কৰিছে ।



শ্রীদুর্গাপ্রসাদ ৰৰা ঃ

শ্রীদুর্গাপ্রসাদ ৰৰা হোলোঙাপাৰ মৌজাৰ নপাম ভৰলুৱা গাঁও নিবাসী । তেখেতৰ পিতৃৰ নাম ৺নালিয়া আৰু মাতৃৰ নাম ৺গোলাপী । জন্ম চন ১৯১৪ ।

শ্রী ৰৰাই ১৯৩৬ চনতে ভাৰতীয় জাতীয় কংগ্রেছৰ সভ্য ভুক্ত হৈ স্বাধীনতা যুদ্ধৰ সৈনিক হয় আৰু শান্তি সেনা বাহিনীত যোগ দিয়ে । ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্রহ আন্দোলনত যোগ দি কাৰাবাস খাটে । '৪২ চনৰ গণ আন্দোলনতো সক্রিয়ভাৱে যোগদান কৰি তিনি মাহ কাৰাবাস খাটে । জেলৰ পৰা মুক্তি পোৱাৰ পিচতো শ্রীৰৰাই সামাজিক গঠন মূলক কামত অংশ গ্রহণ কৰি আহিছে।

তেখেতে ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে ।

শ্রীসর্ব্বানন্দ হাতীবৰুৱা ঃ

মেলেং গোহাঁই গাঁও নিবাসী শ্রীসর্ব্বানন্দ হাতীবৰুৱাৰ পিতৃৰ নাম উমেশ্বৰ হাতীবৰুৱা, মাতৃৰ নাম মাদুৰী। জন্ম চন ১৯১৫।

শ্রীহাতীবৰুৱা এজন সমাজ কর্মী। '৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণকাৰী হিচাবে গ্রেপ্তাৰ হয় আৰু প্রায় তিনিমাহ কাল কাৰাবাস খাটে।

শ্রীহাতীবৰুৱাই বাজ্যচৰকাৰৰ মুক্তি যুঁজাকৰ পেঞ্চন লাভ কৰিছে



শ্রীকণৰাম শইকীয়া ঃ

শ্রীকণৰাম শইকীয়াৰ পিতা সোণাৰাম শইকীয়া, মাতৃ সুমিত্রা শইকীয়া। নিবাস নপাম গোহাঁই গাঁও, হোলোঙাপাৰ মৌজা। জন্ম চন ১৯১৭।

শ্রীশইকীয়া এজন নিষ্ঠাবান কংগ্রেছ কর্মী। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্রহ আন্দোলনত অংশ গ্রহণ কৰি ১৫ দিন কাৰাবাস খাটে। ১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কৰি টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ গৈছিল। তেখেত সেৱাদলৰ নায়ক আছিল। চৰকাৰ বিৰোধী কার্য্যত লিপ্ত থকাৰ অভিযোগত তেখেতক গ্রেপ্তাৰ কৰি দুবছৰ কাৰাদণ্ডেৰে দণ্ডিত কৰে।

শ্রীশইকীয়াই ভাৰত চৰকাৰ আৰু বাজ্য চৰকাৰৰ মুক্তি যুঁজাক পেঞ্চন লাভ কৰিছে।

শ্রীমিনাৰাম ৰৱা

শ্রীমিনাৰাম ৰৱাৰ পিতৃৰ নাম দুর্গেশ্বৰ ৰৱা । নিবাস হোলোঙাপাৰ মৌজাৰ পুৰণা গজপুৰীয়া গাঁও। জন্ম চন ১৯১৮ ।

১৯৩৭ চনতে জাতীয় কংগ্রেছত যোগ দিয়ে আৰু শান্তি সেনাৰ প্রশিক্ষণ গ্রহণ কৰে। ১৯৪০ চনৰ সত্যাগ্রহ আন্দোলনৰো এজন সহযোগী আছিল । ১৯৪২ চনৰ গণ আন্দোলনত সক্রিয় কর্মী হিচাপে অংশ গ্রহণ কৰি দুবছৰ কাৰাদণ্ডেৰে দণ্ডিত হয়। মৌজা কংগ্রেছ আৰু জিলা কংগ্রেছৰ সক্রিয় সদস্য থকাৰ লগতে নানা সমাজ সংগঠনৰ কামত তেখেত জড়িত থাকে ।

শ্রীৰৱাই কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে ।



শ্রীবিদ্যাধৰ বৰুৱা

শ্রীবিদ্যাধৰ বৰুৱাৰ পিতৃৰ নাম কনক চন্দ্র বৰুৱা, মাতৃৰ নাম পুৰণ বৰুৱা । নিবাস বর্তমান কাকজান সোণাৰী গাঁও, হোলোঙাপাৰ দেৱান ভৱলুৱা । চাৰিগাঁও মৌজাৰ একনিষ্ঠ কংগ্রেছ কর্মী আছিল । জন্ম চন ১৯১৯

শ্রীবৰুৱাই ১৯৩২ চনতে ভাৰতীয় জাতীয় কংগ্রেছত যোগ দি স্বাধীনতা যুদ্ধৰ কর্মী স্বৰূপে ব্রতী হয় । ৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰি পোন্ধৰ মাহ কাল কাৰাবাস খাটে । বৈকুণ্ঠ গামী গড়মূৰীয়া সত্রাধিকাৰ শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামীৰ সহযোগী স্বৰূপে থাকি আন্দোলনৰ বিভিন্ন কামত অংশ গ্রহণ কৰিছিল। জেলত থাকোতেই টায়ফয়দ ৰোগত আক্রান্ত হৈ আজীৱন কণীয়া হয় ।

শ্রীবৰুৱাই কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।

শ্রীজয়বাম ফুকন ঃ

শ্রীজয়বাম ফুকনব নিবাস বনপিঠাগুবি গাঁও, হোলোঙাপাব মৌজা । পিতৃ ঁজোনবাম ফুকন, মাতৃ ঁমালিতা ফুকন । জন্ম চন ১৯২১ ।

শ্রীফুকন এজন একনিষ্ঠ কংগ্রেছ কর্মী । ১৯৪০ চনবে পবা সংগঠন আৰু প্রচাব কার্য্যত জড়িত থাকি ব্যক্তিগত সত্যাগ্রহ আন্দোলনত ভাগ লয় আৰু নদিন কাবাবাস খাটে । ১৯৪২ চনব আন্দোলনত অংশ গ্রহণ কবি ছমাহব কাবাদণ্ড ভোগে আৰু বাজ্যচবকাবব মুক্তি যুঁজাক পেঞ্চন আৰু তাম্র পত্র লাভ কবিছে ।

শ্রীহবকান্ত হাতীবকবা ঃ

শ্রীহবকান্ত হাতীবকবাব পিতৃব নাম ঁনবকান্ত হাতীবকবা, মাতৃ ঁঠানেশ্ববী হাতীবকবা। জন্ম চন ১৯২২ । নিবাস মেলেং গোহাঁই গাঁও ।

১৯৪২ চনব আন্দোলনত শ্রীহাতীবকবাই দশমমান শ্রেণীব পবা বিদ্যালয় বর্জ্জন কবি আন্দোলনত অংশগ্রহণ কবে । ছাত্র সকলক সংগঠন কবি আন্দোলন মুখী কবাত শ্রীহাতী বকবাব অবিহণা উল্লেখযোগ্য । তেখেতে দুমাহতকৈ অধিক কাল কাবাবাস খাটিছিলে।

স্থানীয় গঠন মূলক কামত অংশ গ্রহণ কাবী শ্রীহাতীবকবা বহুদিন ধবি স্থানীয় গাঁও পঞ্চায়তব সদস্য আছিল ।

শ্রীভীষণ হাতীবৰুৱা ঃ হোলোঙাপাৰ

হোলোঙাপাৰ মৌজাৰ মেলেং গোহাঁই গাঁও নিবাসী শ্রীভীষণ হাতীবৰুৱাৰ পিতৃৰ নাম লখোদৰ হাতী বৰুৱা। জন্ম চন ১৮৯৭ ।

শ্রীহাতী বৰুৱাক ১৯৪২ চনৰ আন্দোলনত অংশ লোৱা কাৰণে একাধিক বাৰ গ্রেপ্তাৰ কৰে আৰু পিছত ছমাহৰ কাৰাদণ্ডেৰে দণ্ডিত হয় ।

শ্রীহাতী বৰুৱাই কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে

শ্রীনিত্যানন্দ শর্মা ঃ

শ্রীনিত্যানন্দ শর্মাৰ পিতৃৰ নাম ফণীধৰ শর্মা, মাতৃ খেটেকেশ্বৰী দেৱী । নিবাস ফেচুৱাল গছপুৰীয়া গাঁও, হোলোঙাপাৰ মৌজা। জন্ম চন ১৯২৪ ।

১৯৪২ চনৰ আন্দোলনৰ এজন সক্রিয় কর্মী । আন্দোলনত অংশ গ্রহণ কৰাৰ কাৰণে '৪২ চনৰ ডিচেম্বৰ মাহত গ্রেপ্তাৰ হৈ ৬ মাহ কাৰাদণ্ড ভোগ কৰে । পৰিয়ালৰ পৰা পাইকাৰী জৰিমনাৰ বাবদ সোণৰ গহনা আৰু নগদ টকা পুলিচে আদায় কৰিছিল।

এজন সমাজ কর্মী স্বৰূপে ৰাজহুৱা নানা কার্যত সহযোগ কৰি শান্তি সেনা বাহিনী গঠন আৰু কংগ্রেছৰ আদর্শ প্রচাৰত ব্রতী আছিল ।



শ্রীলম্বোদৰ দোলাকাৰবীয়া ঃ

শ্রীলম্বোদৰ দোলাকাৰবীয়া হোলোঙাপাৰ মৌজাৰ নপাম ভৱলুৱা গাঁৱৰ প্রসিদ্ধ মুক্তি যোদ্ধা চনিৰাম দোলাকাৰবীয়াৰ পুত্র । বর্তমান যোৰহাটৰ ক্লাৰ ৰ'দ নিবাসী ।

'৪২ চনৰ ভাৰতত্যাগ আন্দোলনত বিদ্যালয়ৰ নৱম শ্রেণীৰ পৰা বিদ্যালয় ত্যাগ কৰি আন্দোলনত অংশ গ্রহণ কৰে । বিপ্লবী বীৰ শহুৰ বৰুৱা আৰু

বংশী দত্তৰ তত্ত্বাৱধানত ভালেদিন কাৰ্য্যপৰিচালনা কৰিছিল আৰু আন্দোলনৰ খবৰ বাতৰি আনা নিয়া কৰি কেম্প বিলাকৰ লগত যোগাযোগ ৰক্ষা কৰিছিল। '৪২ চনৰ ডিচেম্বৰ মাহত তেখেতক গ্ৰেপ্তাৰ কৰি এমাহ জেইলত ৰাখে।



শ্ৰীশৈলেন্দ্ৰ নাথ কোঁৱৰ

হোলোঙাপাৰ মৌজাৰ নগাম ৰঘুনাথ গাঁৱৰ ৰাজেশ্বৰ কোঁৱৰ আৰু শ্ৰীমতী সুভদ্ৰাৰ পুত্ৰ। । জন্ম ১৯২৭ চন। মুইকুলৰ নিম্ন শ্ৰেণীত পঢ়ি থাকোতেই ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত সৰ্ব্বক্ষণ কৰ্ম্মীৰূপে যোগদান কৰি দুইবছৰ কাৰাবাস খাটে। যোৰহাট জিলা কাৰাগাৰত বন্দীসকলৰ ভিতৰত কনিষ্ঠতম কেইজনৰ অন্যতম।

কাৰামুক্তিৰ পাছত শিক্ষা লৈ শিক্ষকতাৰ বৃত্তি গ্ৰহণ কৰি আধ্যাত্মিকভাৱ অনুশীলনত ব্ৰতী। তাম্ৰ- পত্ৰ আৰু কেন্দ্ৰীয় আৰু ৰাজ্যিক সন্মান পেঞ্চন পায়।

শ্ৰীযুতা ডিম্বেশ্বৰী ৰৰকটকী ঃ

হোলোঙাপাৰ মৌজাৰ পীড়াকটা নিবাসী প্ৰবীণ আৰু প্ৰখ্যাত মুক্তি যুঁজাক মহেশ্বৰ ৰৰকটকীৰ পত্নী শ্ৰীডিম্বেশ্বৰী ৰৰকটকীৰ জন্ম চন ১৯০৪।

১৯২১ চনতে স্বামীৰ পদাঙ্ক অনুসৰণ কৰি গাঁৱে গাঁৱে মহিলা সমিতি পাতি তেখেতে অসহযোগ আন্দোলনৰ প্ৰচাৰ কাৰ্য্য কৰিছিল। ১৯৩৪ চনত ঢেকীয়াখোৱাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সম্মিলনৰ কামত তিনিমাহ ঢেকীয়াখোৱাতে থাকি লৈ সেই সম্মিলন সফল কৰি তোলাত উল্লেখযোগ্য ৰৱদাণি আগবঢ়াইছিলে। ১৯৪২ চনৰ আন্দোলনতো যোৰহাট নগৰত পিকেটিং আৰু টাঁয়ক থানাত পতাকা উত্তোলন কৰিবলৈ যাওতে দুয়োবাৰতে গ্ৰেপ্তাৰী ৰৰণ কৰিছিল।

শ্ৰীযুতা ৰৰকটকীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাক পেঞ্চন লাভ কৰিছে।



শ্রীকৃষ্ণকান্ত বড়া : শ্রীকৃষ্ণকান্ত বড়াৰ পিতৃ সোণাৰাম বড়া আৰু মাতৃ কমলা বড়া, হোলোঙাপাৰ মৌজাৰ হাতীচুঙি গাঁৱৰ স্থায়ী বাসিন্দা। জন্ম ১৯০৭ চন। শ্রীবড়া আজীৱন সমাজ কৰ্মী। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত এজন নিষ্ঠাবান কংগ্রেছ কৰ্মী হিচাবে অংশ গ্রহণ কৰি শিক্ষা প্রচাৰৰ অর্থে ৫ খন প্রাইমেৰী স্কুল আৰু দুখন এম ই স্কুল প্রতিষ্ঠাত আগভাগ লয়। ১৯৪২ চনৰ মুক্তি আন্দোলনত যোগদান কৰি কেইবাবাৰো গ্রেপ্তাৰ হয় আৰু প্রায় তিনিমাহ কাল আটক বন্দী হৈ থাকে। ৮৭ বছৰ বয়সতো কৰ্মঠ হৈ আছে।

ৰাজ্যিক পেঞ্চন পাইছে।



শ্রীদেবানন্দ ভৱালী : শ্রীদেবানন্দ ভৱালীৰ পিতৃ সোনাৰাম ভৱালী মাতৃ ভাতুকী নিবাস কলাখোৱা গাওঁ। চাৰিগাওঁ মৌজা। বৰ্ত্তমান যোৰহাট নগৰৰ বাসিন্দা। জন্মচন ১৯০৭। শ্রীভৱালী ১৯২৯-৩০ চনৰে পৰা কলিকতাত পঢ়ি থকা অৱস্থাতে কংগ্রেছ কৰ্ম্মী হিচাপে নিজকে প্রতিষ্ঠা কৰি ১৯৩০ চনত ৪ মাহ কাৰাবাস খাটে।

এজন স্বাধীনমনা আৰু সংগঠন শক্তি সম্পন্ন লোক শ্রীভৱালীয়ে কেবাখনো শিক্ষা প্রতিষ্ঠান স্থাপন কৰাৰ উপৰিও নেচনেল টেলিগ্রাফ ট্রেইনিং আৰু কৰ্মাচিয়েল ইনষ্টিটিউত অসমৰ একাধিক নগৰত শাখাৰে সৈতে স্থাপন কৰি বহুত ডেকা-গাভৰুক চৰকাৰী-বেচৰকাৰী নানা অনুষ্ঠানত সংস্থান দিয়াৰ কৃতিত্ব আৰ্জ্জন কৰিছে।

১৯৪২ চনৰ আন্দোলনতো আত্মগোপন কৰি বিখ্যাত বিপ্লবীনেত্রী শ্রীঅৰুণা আচফ আলি, শঙ্কৰ বৰুৱা আদিৰ সৈতে কংগ্রেছ কৰ্ম্মীসকলৰ যোগাযোগ ৰক্ষা কৰা কামত জড়িত আছিল। পিচত গ্রেপ্তাৰ হৈ ৯ মাহ কাৰাবৰণ কৰে তেখেতৰ দ্বাৰা স্থাপিত অনুষ্ঠানটো পুলিচৰ ৰোষত পৰি বেয়াধৰণে ক্ষতিগ্রস্ত হৈছিল।

শ্রীভৱালীয়ে ভাৰত চৰকাৰৰ স্বতন্ত্রতা সৈনিক সন্মান পেঞ্চন আৰু বাৰ্দ্ধক্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে। জিলা মুক্তি যুঁজাৰু সম্মিলনৰ তেখেত কার্য্যালয়ৰ সম্পাদক। বয়সত চাৰিকুৰি দহৰ দেওনা কাষ চপাটো শ্রীভৱালী এজন সক্ষম, নিষ্ঠাবান, নিয়মানুবৰ্ত্তী কৰ্ম্মী।



শ্রীসোণাৰাম শইকীয়া : শ্রীসোণাৰাম শইকীয়াৰ ঘৰ ১নং বমুনগাওঁ। চাৰিগাওঁ মৌজা। পিতৃৰ নাম পিয়ল চন্দ্র শইকীয়া, মাতৃৰ নাম মকৰা। জন্ম চন ১৯১৭। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনৰ এজন সক্রিয় কৰ্ম্মী স্বৰূপে চাৰিগাৰাক স্বাধীন ৰাষ্ট্র ঘোষণা কৰি গঠিত হোৱা মন্ত্রীসভাত এজন মন্ত্রী নিয়োজিত হৈছিল। তেখেতে সেই আন্দোলনতে ৮ মাহতকৈ অধিক কাল –

কাৰাদণ্ড ভোগ কৰে। শ্ৰীশইকীয়াই ভাৰত চৰকাৰৰ স্বাধীনতা সেনানীৰ তাম্ৰপত্ৰ আৰু স্বতন্ত্ৰতা সৈনিক সম্মান পেঞ্চন আৰু বাজ্যিক চৰকাৰৰ মুক্তি যুঁজাক পেঞ্চন লাভ কৰিছে।



শ্ৰীশিৱ প্ৰসাদ দত্ত : চাবিগাওঁ মৌজাৰ সোণাৰী গাৱঁৰ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ প্ৰভুৰ ঘনিষ্ঠতম সঙ্গী মাধৱ চন্দ্ৰ দত্ত আৰু সুমলা দত্তৰ পুত্ৰ।

জন্ম ১৯২৩ চন। বিয়াল্লিছৰ বিপ্লৱত প্ৰাক্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ নিৰ্দ্দেশানুযায়ী বিপ্লৱী বীৰ শঙ্কৰ চন্দ্ৰ বৰুৱাৰ সহযোগী হৈ আত্মগোপন কৰে। বিপ্লৱ শাম কটাৰ পাচত ৱার্দ্ধাত খাদী গ্ৰামোদ্যোগৰ দুই বছৰ প্ৰশিক্ষণ লৈ অসম চৰকাৰৰ চাকৰি কৰে।

শ্ৰীদত্ত বৰ্ত্তমান গুৱাহাটী ৱাপনগৱৰ স্থায়ী বাসিন্দা। ৰাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্ৰীসৰ্ব্বানন্দ ৰৱঠাকুৰ : চাবিগাওঁ মৌজাৰ সোণাৰী গাৱঁত ঘৰ যদিও যোৰহাট নগৰত স্থায়ীভাৱে বসবাস কৰে। তেখেতৰ পিতৃৰ নাম প্ৰয়াত প্ৰয়োধৰ ৰৱঠাকুৰ আৰু মাতৃ ললিতা দেবী। জন্ম ১৯২৩ চন। ১৯৪২ চনত ছাত্ৰ অৱস্থাতেই ভাৰত-ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি চাবিগাওঁ মৌজা কংগ্ৰেছৰ সম্পাদক হয়।

চাবগাৱঁক স্বাধীন ৰাষ্ট্ৰ ঘোষণা কৰি নেতৃবৰ্গ গ্ৰেপ্তাৰ হোৱাত ৰৱঠাকুৰে আত্মগোপন কৰি সংগঠনৰ জিলা সম্পাদক প্ৰয়াত উপেন ৰাজখোৱা আৰু কোৰাধ্যক্ষ ৰালিগাৱঁৰ শিক্ষাবিদ মুকলীধৰ বৰুৱাৰ নেতৃত্বত গোপনে কাম কৰে। মাজ গাৱঁৰ মৌকেশ্বৰ শইকীয়াৰ ঘৰতেই জিলা কাৰ্য্যালয় গোপনে চলাইছিল।

স্বাধীনতা লাভৰ অন্তত বাগানৰ চাকৰি কৰি ১৯৮৭ চনত অৱসৰ লৈ মুক্তি যুঁজাক সকলৰ সহযোগত সংগঠনত লাগি থাকে।

এখেতে ৰাজ্যিক মুক্তি যুঁজাক পেঞ্চন লাভ কৰিছে।

শ্রীমিনেশ্বৰ শৰ্মা :- চাৰিগাওঁ মৌজাৰ নিমাতিৰ ভিতৰ কৰিলা গাৱঁৰ বাসিন্দা। পিতৃ নৱদেৱ শৰ্মা, মাতৃ নমী দেৱী। জন্ম ১৯১৪ চনৰ ১২ নৱেম্বৰ।

১৯৩৭ চনৰে পৰা সক্ৰিয় কংগ্ৰেছ কৰ্মী স্বৰূপে আন্দোলনৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ আন্দোলনত আত্মগোপন কৰি যোৱহাটৰ মুক্তি যুজাক সকলৰ গোপন বৰ্তাবাহক আছিল।

শ্রীদেৱীচৰণ বৰবৰা : চাৰিগাওঁ মৌজাৰ ২ নং ব্ৰাহ্মণ গাৱঁত চাৰেক ঘৰ। বৰ্ত্তমান ডুমডুমাৰ ৰূপাহীৰ বাসিন্দা। পিতৃ ৺ৱজ্ঞেশ্বৰ শৰ্মা, মাতৃ ৺ধনদা দেৱী। জন্ম ১৯১৮ চন। ১৯৩৪ চনত মহাত্মাজীৰ দৰ্শন লভি আন্দোলনৰ প্ৰতি আকৃষ্ট হয়। ১৯৩৮ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষকতাৰ বৃত্তি গ্ৰহণ। ১৯৪০ ৰ সত্যাগ্ৰহত অংশ গ্ৰহণত গ্ৰেপ্তাৰ কৰি টাঁয়কৰ হাবিত দুপৰ বাতি এৰি দিয়ে। ১৯৪২ ৰ ভাৰত-ত্যাগ আন্দোলনত ৯ ছেপ্তেম্বৰত 'স্বাধীন চাৰিগাওঁ ৰাষ্ট্ৰৰ' প্ৰতিৰক্ষা মন্ত্ৰী স্বৰূপে কৰ্ত্তব্য পালন কৰি আত্মগোপন কৰে। প্ৰসিদ্ধ পুণা যাত্ৰাত অংশ গ্ৰহণ কৰি বোকাখাতত গ্ৰেপ্তাৰ হয়। পিছত গোলাঘাটৰ পৰা যোৱহাট কাষাগাৰলৈ স্থানান্তৰ কৰে। আত্মগোনৰ সময়ত ঘৰত তালাচী চলাই বৰ ককায়েকৰ চাইকেলকে ধৰি বহু বস্তু লৈ যায় আৰু পৰিয়ালক হাবাশাস্তি কৰে।

কাৰামুক্তিৰ পাচত জীৱিকাৰ কাৰণে বিভিন্ন চাকৰি কৰি ৰূপাহীত স্বাধীন ব্যৱসায়ত ব্যস্ত হৈ সামাজিক কামত অবিৰত ভাৱে ন্যস্ত। তিনিচুকীয়া মুক্তি যুঁজাক সন্মিলনৰ সাধাৰণ সম্পাদক।

ৰাষ্ট্ৰীয় সন্মান আৰু বাজিক পেঞ্চন পাইছে।

শ্রীনগেন্দ্রনাথ বৰুৱা : শ্রীনগেন্দ্রনাথ বৰুৱা ওৰফে জীৱকান্ত বৰুৱা। পুতা মৃত দুৰ্গেশ্বৰ বৰুৱা মাতৃ সত্যৱতী বৰুৱা। চাৰিগাওঁ মৌজাৰ কেন্দুগুৰিত ঘৰ। হাইস্কুলৰ শেহাত্ত পৰীক্ষা দিবলৈ নৌ পাওঁতেই ১৯৪২ চনৰ গণবিপ্লৱত যোগদান দিয়াত পুলিছে গ্রেপ্তাৰ কৰে। আৰু বিচাৰত তিনিমাহ কাৰাদণ্ড হয়। কলাকুশলী সঙ্গীতজ্ঞ বৰুৱাই যোৱহাট জিলা কাৰাগাৰত ৰাজনৈতিক বন্দীসকলৰ বিভিন্ন সভাত সুললিত কণ্ঠেৰে গীত পৰিবেশন কৰাত বাগ্মীবৰ নীলমণি ফুকন ককাই "সঙ্গীত কুমাৰ" উপাধিৰে বিভূষিত কৰিছিল। শ্রীবৰুৱাই মুক্তিলাভ কৰি স্বাধীনতা লাভৰ অন্তত ডিগবৈ তেল নগৰীৰ চাকৰি কৰি তাৰে বাসিন্দা হয়। তেওঁ ৰাজ্যিক চৰকাৰৰ সন্মান পেঞ্চন পাই আছে।

শ্রীমতী সুধালতা দত্ত : শ্রীসুধালতা দত্তৰ পিতৃ "ভৰামৰ শইকীয়া আৰু মাতৃৰ নাম "ৰামেশ্বৰী শইকীয়া। বিখ্যাত ৰাজনৈতিক কৰ্ম্মী আৰু মুক্তিযোদ্ধা "বংশীধৰ দত্ত তেখেতৰ স্বামী আছিল। তেখেতৰ জন্ম চন ১৯২৪। এগৰাকী মহিলা সমাজকৰ্ম্মী শ্রীসুধালতা দত্তই দেশৰ স্বাধীনতা আন্দোলনত আৰু ৰাজনৈতিক আন্দোলনৰ নানা ধৰণে অংশীদাৰ আছিল।

১৯৪০ চনত সত্যাগ্রহ কৰা কাৰণত তেখেতক পুলিচে গ্রেপ্তাৰ কৰি এদিন কাৰাগাৰত ৰাখিছিল।

১৯৪২ চনৰ আন্দোলনত কোলাত কেচুৰালৈ ঘৰৰ দৰিদ্রতাকো হেলাৰঙ্গে আওকান কৰি যোৱহাট লক্ষীমপুৰ মাজুলী আদিত আন্দোলনৰ প্রচাৰ আৰু গঠন কৰি ফুৰিছিল। তেখেতে ৰাজ্যিক পেঞ্চন লাভ কৰিছে। বিপ্লৱী ধীৰ "শঙ্কৰ বৰুৱাৰ নেতৃত্বত চলা গোপন মুক্তি সংগ্রামৰ আগৰণুৱা মহিলা কৰ্ম্মী আছিল।

শ্রীমতী আইমণি দত্ত: চাবিগাওঁ মৌজাৰ প্ৰবীণ মুক্তি যুজাঁক আৰু প্ৰসিদ্ধ গঠনমূলক কৰ্ম্মী কৃষ্ণ প্ৰসাদ দত্তৰ সহধৰ্ম্মিণী। জন্ম ১৯২৬ চন।

মুক্তি যুজাঁক পৰিয়ালৰ সুনিপুণা গৃহিণীৰ উপৰিও স্বামীৰ কাৰাবাস অৱস্থাত বিয়ালিছৰ বিপ্লৱী বীৰ শহৰ চন্দ্ৰ বৰুৱাৰ আত্মগোপনত প্ৰভূত সহায় কৰি স্বাধীনতাৰ চূড়ান্ত সংগ্ৰাম সজীৱ কৰি ৰখাত মহিলাসকলক সহায় কৰে।

১৯৭৫ চনত স্বামী স্বৰ্গী হোৱাৰ পাচৰে পৰা নাবালক সন্তান কেইটিৰ চৰিত্ৰ গঠনৰ লগতে পৰিয়ালৰ দায়িত্ব গ্ৰহণ কৰে। কেন্দীয় সম্মান পেঞ্চন পাই আছে, কিন্তু ৰাজ্যিক পেঞ্চনৰ পৰা ৰহস্যজনকভাৱে বাঞ্চিত হৈ আছে।

শ্রীমতী সুবর্ণ দত্ত : চাবিগাওঁ মৌজাৰ কেন্দুগুৰিৰ প্ৰসিদ্ধ মুক্তিযোদ্ধা গোলাপ চন্দ্ৰ দত্তৰ সহধৰ্মীনী। জন্ম ১৯২৬ চন। পিতৃ দুৰ্গেশ্বৰ বৰুৱা, মাতৃ সত্যৱতী। মজলীয়া বিদ্যালয়ৰ ছাত্ৰী অৱস্থাতে ত্ৰিৰঙ্গ পতাকা লৈ সমদলৰ আগত সৈছিল বিয়ালিছৰ আন্দোলনত। ১৯৪৫ চনত মুক্তিযুজাঁক দত্তৰ লগত বিবাহ হৈ সংগ্ৰামী আৰু সংগঠক স্বামীক সাহচৰ্য্যৰ যোগ্য অভিহণাৰে সমৃদ্ধ কৰে।

১৯৮৬ চনত স্বামীৰ পৰলোক হোৱাত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্রীমোহন চন্দ্র বৰা : অবিৰতভাৱে কংগ্রেছৰ জৰিয়তে সমাজ সংগঠনত আত্মনিয়োগ কৰা এজন একনিষ্ঠ কৰ্ম্মী। জন্ম চন ১৯১৯। পিতৃৰ নাম সোনাই বৰা, মাতৃৰ নাম বহাগী বৰা। নিমাজী নিবাস নাওবৈছা গাওঁ। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰি ১৩ মাহৰো অধিক কাল কাৰাবাস খাটে। কাৰামুক্ত হৈ কংগ্রেছৰ জৰিয়তে ৰাষ্ট্রীয় মজদুৰ কংগ্রেছৰ প্রাৰম্ভতে চাহ বাগিছাত মজদুৰ সংগঠনত যি কেইজনলোকে আগভাগ লৈছিল তাৰ ভিতৰত শ্রীবৰাও এজন।

স্বাধীনোত্তৰ কালৰ কেইবাবাৰো মজদুৰ সংঘৰ সংগঠনত সক্রিয় অংশ গ্রহণ কৰে। হৰিজন সেৱক সংঘত ভুক্ত হৈ হৰিজন আন্দোলনত ব্রতী হয়। কংগ্রেছৰ গঠনমূলক কামত জৰিত হৈ এটা সময়ত জিলা কংগ্রেছৰ সম্পাদক পদত নিৰ্বাচিত হয়। মুক্তি যুঁজাক সম্মিলনৰ লগতো শ্রীবৰা সক্রিয়ভাৱে জৰিত।

তাম্রপত্র, কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ মুক্তিযোদ্ধাৰ সম্মান পেঞ্চন লাভ কৰি বৰ্ত্তমানো শ্রীবৰা এজন নিৰবচ্ছিন্ন কংগ্রেছ কৰ্মী।

শ্রীবিনোদ চন্দ্র ভট্টাচার্য্য : শ্রীবিনোদ চন্দ্র ভট্টাচার্য্য যোৰহাট জিলাৰ বালিগাৱঁৰ স্থায়ী বাসিন্দা। পিতৃৰ নাম বিশ্বনাথ ভট্টাচার্য্য আৰু মাতৃ সাৰদা দেৱী। জন্ম চন ১৯২৫। শ্রীভট্টাচার্য্য এজন সৰ্ব্বক্ষণ দেশকৰ্ম্মী। ছাত্র অৱস্থাৰ পৰাই সামাজিক কাম কৰাৰ অভিজ্ঞতাৰে ১৯৪২ চনৰ আন্দোলনত ছাত্র সমাজক নেতৃত্ব দিব পাৰিছিল। সেই সময়ৰ ছাত্র সম্মিলনৰ তেওঁ এজন আগৰণুৱা কৰ্ম্মী আছিল।

এই গণ আন্দোলনত তেওঁ তিনিমাহ কাৰাবাস খাটিব লগীয়া হয়। জেলৰ পৰা

মুকলি হৈ অহাৰ পিচতো সৰ্ব্বক্ষণ স্বেচ্ছাসেৱক বাহিনী আৰু অন্যান্য বাজহুৱা কামত জড়িত হৈছিল। স্বাধীনোত্তৰ কালত শিক্ষকতাৰ দায়িত্ব লৈ সুকীৰ্তিৰে কাৰ্য্যনিৰ্বাহ কৰিছিল। শ্ৰীভট্টাচাৰ্য্যই বাজিক চৰকাৰৰ সন্মান পেঞ্চন পাই আছে

শ্ৰীমুকুণ্ডধৰ বৰুৱা : হেজাৰী মৌজাৰ দিচৈকোৱঁ গাৱঁৰ স্থায়ী বাসিন্দা। প্ৰসিদ্ধ মুক্তি যুজাৰু আৰু শিক্ষাবিদ মৃৱলীধৰ বৰুৱাৰ বৰ পুত্ৰ। মাতৃ শ্ৰীমতী ৰটন্তী দেৱী। জন্ম ১৯২০ চন। ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত জগন্নাথ বৰুৱা কলেজৰ ৪ৰ্থ বাৰ্ষিক স্নাতক শ্ৰেণীৰ পৰা ছাত্ৰ জীৱন বাৰ্ষিক স্নাতক শ্ৰেণীৰ পৰা ছাত্ৰ জীৱন ত্যাগ কৰি যুৱশক্তিৰ নেতৃত্ব গ্ৰহণ কৰে। বালিগাওঁ অঞ্চলৰ আন্দোলনৰ সময়ত আৰু পৰৱৰ্ত্তী কালতো সকলো সামাজিক কামত আগভাগলোৱা এজন গঠণমূলক নেতৃস্হানীয় কৰ্মী। কাৰাৰুদ্ধ নহ'লেও আন্দোলনৰ সকলো কাৰ্য্যসূচীতে অংশ গ্ৰহণ কৰে।

বাজিক সন্মান পেঞ্চন পাই আছে। শ্ৰীবৰুৱা বৰ্ত্তমানো বিশ্ৰামবিহীন কৰ্মী।

শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা, বাৰ-এট-ল : হেজাৰি মৌজাৰ বালিগাওঁ অঞ্চলৰ বাসিন্দা আছিল। বৰ্ত্তমান উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা হৈ গুৱাহাটীৰ স্হায়ী বাসিন্দা। পিতৃ গোলোক চন্দ্ৰ বেজবৰুৱা, মাতৃ হিৰণ্যবালা দেৱী। জন্ম ২১-২-২৬ চন। অষ্টম শ্ৰেণীৰ স্কুলীয়া ছাত্ৰ থাকোতেই ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনৰ সংগ্ৰামী কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰি ৩ মাহ কাৰাবাস খাটে। কাৰামুক্তিৰ পাচত অধ্যয়ন কৰি এম-এ আৰু বাৰ-এট-ল পাছ কৰি অধিবক্তা হয়। শ্ৰীবেজবৰুৱা বৰ্ত্তমানো সক্ৰিয় আৰু সচেতন নাগৰিক। পেঞ্চন বিচৰা নাই।

শ্রীপ্রফুল্ল গোস্বামী : সৰুচবাই মৌজাৰ ধাপকটাৰ স্থায়ী বাসিন্দা। পিতৃ চন্দ্র নাথ গোস্বামী। জন্ম ১৯২০ চনৰ মার্চ মাহ।

১৯৪০ চনত প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হৈ জগন্নাথ বৰুৱা কলেজত ছাত্র ৰাজনীতিত অংশ গ্রহণ কৰি নেতৃত্ব লয়। ১৯৪২ ৰ ভাৰত-ত্যাগ আন্দোলনত আত্মনিয়োগ কৰি ১২ ছেপ্তেম্বৰ তাৰিখে গ্রেপ্তাৰ হৈ ১৯৪৫ চনৰ ৫ মার্চলৈকে যোৰহাট চিলেট আৰু তেজপৰৰ জিলা কাৰাগাৰত আঁঠু বছৰৰ অধিক কাল আটক বন্দী ৰূপে কাৰাৰুদ্ধ হয়। ১৯৪৫ চনৰ পৰা কংগ্রেছৰ সেৱাত ব্রতী হয়।

কাৰা মুক্তিৰ পাছত উচ্চ শিক্ষা লৈ চৰকাৰী চাকৰি গ্রহণ কৰে যদিও পদত্যাগ কৰি শিক্ষকতাৰ বৃত্তি গ্রহণ কৰে। দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰূপে অৱসৰ গ্রহণ কৰে।

তাম্র-পত্র পোৱা শ্রীগোস্বামী স্বতন্ত্র সেনানী সম্মান আৰু ৰাজ্যিক সম্মান পেন্সন পাই বর্ত্তমানো সামাজিক সমস্যাৰ প্রতি সচেতন।

শ্রীহেমন্ত বৰুৱা : সৰুচবাই মৌজাৰ ভাতেমৰা গাৱঁৰ নিগাজী নিবাসী। পিতৃ সাহৰাম বৰুৱা, মাতৃ দময়ন্তী বৰুৱা। জন্ম চন ১৯২০। বিয়ালিছৰ গণ বিপ্লৱত মৃত্যু বাহিনীৰ সৈনিক হৈ পকামুৰা শিবিৰৰ নিয়মীয়া সক্রিয় কর্মী। সংগ্রামৰ সকলো পর্য্যায়তে জীৱন পণ কৰি কাম কৰিছিল। আন্দোলনৰ ধাম খুমিয়াত গ্রেপ্তাৰ হৈ প্রায় ন মাহ কাৰাৰুদ্ধ হয়।

স্বাধীনোত্তৰ কালত মুক্তি যুজাঁৰু সম্মিলন আৰু বিভিন্ন সামাজিক কামত ব্রতী। তাম্র-পত্র আৰু ৰাজ্যিক আৰু ৰাষ্ট্রীয় স্বতন্ত্র সৈনিক সম্মান পেন্সন পাই আছে। শ্রীবৰুৱা বর্ত্তমানো সমাজ সচেতন আৰু সক্রিয়।

শ্রীকালিদাস দেৱ শর্মা : হবিজন বন্ধু কৃষ্ণনাথ শর্মা আৰু স্বর্ণলতা দেবীৰ ২য় পুত্র। পৰিয়ালৰ পৰিবেশৰ প্রভাৱত শৈশৱতে দেশাত্মবোধ অঙ্কুৰিত হয়। তেওঁ আধ্যাত্মিক ভাৱাপন্ন আৰু পৃথক ব্যক্তিত্বৰ লোক। সম্পূর্ণ নিজস্ব আত্মবোধেৰে শিক্ষা আৰু ৰচনাত্মক কামত ব্রতী হৈ কৃষ্ণ নগৰ সমাজ উন্নয়ন কেন্দ্র প্রতিষ্ঠা আৰু পৰিচালনা কৰিছে। ১৯৪২ চনত শ্রীশর্মা বিশ্বভাৱতীৰ ছাত্র।

গণ বিপ্লৱ আৰম্ভৰ লগে লগে অসমলৈ পদব্রজে মাজুলী হৈ লক্ষীমপুৰ, তেজপুৰ গুৱাহাটী, ৰৰপেটা, ধুবুৰী পর্য্যন্ত ভ্রমণ কৰি আন্দোলনৰ সংগঠনত ব্রতী হয়। অৱশেষত গ্রেপ্তাৰ হৈ ৬ মাহ কাৰাদণ্ড হয়। কাৰামুক্তিৰ পিচত পুনৰ শান্তি নিকেতনৰ শিক্ষা সাং কৰি ১৯৪৫ চনলৈকে বাৰ্দ্ধাৰ গান্ধী আশ্রমত নয়ী তালিমৰ শিক্ষা লয়। অসমলৈ আহি ৰঙৈয়া বনুৱা উন্নয়ন প্রশিক্ষণ কেন্দ্রৰ প্রথম অধ্যক্ষ হয়। তেওঁ মাদ্রাজতে গ্রাম উন্নয়ণৰ প্রশিক্ষণ শেষ কৰিছিল যদিও চৰকাৰী চাকৰি প্রত্যাখ্যান কৰি কৃষ্ণ নগৰ সমাজ উন্নয়ণ কেন্দ্রৰ পৰিচালনাৰ দায়িত্ব গ্রহণ কৰে। এই অনুষ্ঠান গান্ধী সমাজভুক্ত, হবিজন উন্নয়ণ বর্ড আৰু আন্তঃৰাষ্ট্রীয় ভাতৃত্ব আৰু শান্তি কমিটীৰ অন্তর্ভুক্ত।

শ্রীশর্মাই ভাৰত আৰু অসম চৰকাৰৰ সম্মান পেন্সন আৰু তাম্রপত্র পাইছে।



শ্রীপ্রসন্ন কুমাৰ গোস্বামী : সকচবাহ মৌজাৰ ধাপকটা সত্রৰ স্থায়ী অধিবাসী। পিতৃ দেৱেশ্বৰ দেৱ গোস্বামী, মাতৃ ভদ্রেশ্বৰী দেবী। জন্ম ১৯২৪ চন।

ভাৰত ত্যাগ আন্দোলনৰ প্রাক কালৰে পৰা শান্তি সেনা প্রশিক্ষণ লৈ বিয়াল্লিছৰ বিপ্লৱত ছাত্র কর্মী হিচাপে জপিয়াই পৰে। পকামুৰা চাবিআলিৰ শিবিৰত মৃত্যু বাহিনীৰ সদস্য হৈ আন্দোলনৰ বিভিন্ন কার্য্যসূচীত সৰ্ব্বক্ষণ জড়িত হৈ পৰে। ১৩-৯-৪২ তাৰিখে গ্রেপ্তাৰ হৈ প্রায় ডেৰবছৰ আটক বন্দী হিচাপে

কাৰবাস খাটে। জেইল জীৱনৰ জড়তা ভাঙি কাৰাবন্দী সকলৰ সাংস্কৃতিক সম্পাদক হৈ সীমিত সুবিধাৰ পৰিবেশত তিনিখন নাটক মঞ্চস্থ কৰে। কাৰামুক্ত হৈ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণৰ পাচত কলেজীয়া শিক্ষা আধকৰা কবি শিক্ষকতাৰ বৃত্তি গ্ৰহণ কৰিলেও সাংস্কৃতিক শিল্পী হিচাপে মঞ্চ আৰু বোলছবি মাধ্যমত সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। শিক্ষকতাৰ পৰা অৱসৰৰ পাচতো বাজহুৱা আৰু শিল্পী জীৱনৰ পৰা অৱসৰ ল'ব পৰা নাই। স্বাভাৱতে ৰসিকতাৰ বহুধৰা গোস্বামী সদাহাস্যময়। তাম্ৰ-পত্ৰ, বাজিক আৰু ৰাষ্ট্ৰীয় সন্মান পেঞ্চনেৰে সন্মানিত হৈ গোস্বামী এতিয়াও সক্ৰিয়।



শ্ৰীগোলাপ কাকতি : সকচৰাই মৌজাৰ ঢেকৰগাঢ়া কমাৰ গাঁৱৰ নিগাজী নিবাসী। পিতৃ যজ্ঞেশ্বৰাম কাকতি, মাতৃ পাহিতা কাকতি। জন্ম চন ১৯২৬।

১৯৩৮ চনৰে পৰা ছাত্ৰ কৰ্মী হিচাপে ছাত্ৰ সংগঠনৰ লগত জড়িত হৈ ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত আত্মনিয়োগ কৰে। যোৱহাট কাছাৰী ঘৰৰ বেৰত 'পোষ্টাৰ' লগাই থাকোতে গ্ৰেপ্তাৰ কৰি এমাহ কাৰাবাস খাটিব লগা হয়। গ্ৰেপ্তাৰ কৰোতে শাৰীৰিক নিৰ্য্যাতনো কৰে।

কাৰামুক্ত হৈ আৰক্ষীৰ নজৰ বন্দী হৈ থকা অৱস্থাতে আত্মগোপন কৰি বিপ্লবী বীৰ শঙ্কৰ বৰুৱাৰ পৰামৰ্শ মতে কাম কৰে। ১৯৪৩ চনৰ শেষৰ পৰা কংগ্ৰেছৰ কামত মুকলিভাৱে ন্যস্ত হয়। গাওঁ আৰু আঞ্চলিক পঞ্চায়তৰ কৰ্মচাৰীৰ পদ ত্যাগ কৰি বিভিন্ন সামাজিক উন্নয়নমূলক কামত ব্ৰতী হয়। শ্ৰীকাকতি ক্ৰীড়া জগতৰ লগতো ওতঃপ্ৰোত ভাৱে জড়িত। বৰ্তমানো এজন সক্ৰিয় সামাজিক কৰ্মী। বাজিক সন্মান পেঞ্চন পাইছে।



শ্রীজগন্নাথ ঠাকুৰ : সকলোৱে মৌজাৰ কোৱোকাতলি গাঁৱৰ কোনৰ চাবেক ৰাজিলা হলেও বৰ্তমান সৰ্ব্বাহিবৰা নিবাসী। পিতৃ ৺বেণুধৰ ঠাকুৰ, মাতৃ বৈদৰ্ভী দেবী জন্ম ১৯২২ চন।

মুৰলীধৰ বৰুৱাৰ প্ৰেৰণাত ছাত্ৰাৱস্থাতে কংগ্ৰেছৰ কামত জড়িত। বিয়ালিছত স্নাতক হৈ ভাৰত ত্যাগ আন্দোলনত আত্মনিয়োগ কৰে। কূটাঘাতমূলক কামতো লিপ্ত হয়। স্বাধীনোত্তৰ কালত অসম অসামৰিক সেৱাৰ প্ৰথম শ্ৰেণীৰ বিষয়াৰ পৰা অৱসৰ লৈ অধিবক্তা, মুক্ত সংবাদ সেৱা আৰু স্থানীয় সামাজিক কামত জড়িত। বাজ্যিক চৰকাৰৰ পেঞ্চন পাইছে।

শ্রীকৃপাল চন্দ্র শর্ম্মা

পর্ব্বতীয়া মৌজাৰ টিলিকিআম নিবাসী শ্রীকৃপাল চন্দ্র শর্ম্মা এজন প্রবীণ শিক্ষাবিদেই নহয় তেখেত এজন আদর্শনীয় মুক্তি যোদ্ধাও । শ্রীশর্ম্মাৰ পিতৃৰ নাম ৺ পূর্ণকান্ত শর্ম্মা আৰু মাতৃ ৺জানকী দেৱী । জন্ম চন ১৯১২।

শ্রী শর্ম্মাই ছাত্র অৱস্থাৰ পৰাই ১৯৩০-৩২ চনৰ আন্দোলনত সভা সমিতি আৰু পিকেটিং আদিত অংশ গ্রহণ কৰিছিল । ১৯৪২ চনৰ ব্যক্তিগত সত্যাগ্রহ আন্দোলনত সত্যাগ্রহ কৰি তেখেতে দুবাৰ কাৰাবাস খাটিব লগীয়া হয় । ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেখেতে যোৱহাট বেজবৰুৱা হাইস্কুলৰ শিক্ষকতাৰ চাকৰি ত্যাগ কৰি আন্দোলনত সক্রিয়ভাবে লাগে। ১৯৪৩ চনৰ জানুৱাৰী মাহত তেখেতক গ্রেপ্তাৰ কৰি চাৰি মাহৰ সশ্রম কাৰাদণ্ড বিহে ।

এজন অমায়িক, নীতিনিষ্ঠ ভদ্রলোক । শ্রীশর্ম্মাই পিচত দহোটিযা হাইস্কুলৰ প্রধান শিক্ষকৰ দায়িত্ব লৈ এজন শিক্ষাবিদ স্বৰূপে নিজকে প্রতিষ্ঠা কৰিব পাৰিছিলে । সমাজৰ না না গঠনমূলক কামত তেখেতৰ উল্লেখনীয অৱদান আছে।

শ্রী শর্ম্মাই কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাকৰ পেঞ্চন লাভ কৰিছে।

শ্রীত্রিগুণানন্দ গোস্বামী -পর্ব্বতীয়া মৌজাৰ পুৰণি মাটি সত্রৰ স্থায়ী বাসিন্দা । পিতৃ শ্রীৰাধিকানন্দ গোস্বামী, মাতৃ পৰমেশ্বৰী দেৱী, জন্ম ২১ - ৭ - ২১ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত স্কুলৰ শিক্ষা ত্যাগ কৰি আন্দোলনত ব্রতী হয় । আত্মগোপন কৰি আন্দোলনটো সজীৱ ৰখাত আত্মনিয়োগ কৰে ।

ৰাজ্যিক পেঞ্চন পাইছে । শ্রীগোস্বামী এতিয়াও এজন সক্রিয় কংগ্রেছ কৰ্ম্মী ।



শ্রীনবীন চন্দ্র নেওগ : পৰ্ব্বতীয়া মৌজাৰ চাবিজিয়াত চাবেক ঘৰ। বৰ্ত্তমান যোৱহাট নগৰৰ কুশল কোঁৱৰ পথৰ স্থায়ী বাসিন্দা। পিতৃ মুক্তি যোদ্ধা কুশৰাম নেওগ, মাতৃ লক্ষীপ্রিয়া। জন্ম ১৯২৬ চন। ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত স্কুলীয়া জীৱন ত্যাগ কৰি বিপ্লৱত আত্মনিয়োগ কৰে। সামৰিক যোগান বন্ধ কৰা প্রচেষ্টাত কেবাবাৰো গ্রেপ্তাৰ কৰি মাজৰাতি অৱর্ণাত এৰি দিয়ে।

বিপ্লৱ শাম কটাৰ পাচত অধ্যয়ন কৰি কংগ্রেছৰ সেৱাত অবিৰত অংশ গ্রহণ।

ৰাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্রীলক্ষীনাথ দত্ত - পৰ্ব্বতীয়া

মুক্তি যোদ্ধা নিত্যানন্দ দত্ত আৰু আৰতি দত্তৰ পুত্র শ্রীলক্ষীনাথ দত্তৰ জন্ম হয় ১৯২৮ চনত। ঘৰ পৰ্ব্বতীয়া মৌজাৰ টিলিকি আমত।

তেখেত এজন অৱসৰ প্রাপ্ত শিক্ষক। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেখেতে এজন ছাত্র কর্মী স্বৰূপে সক্রিয় অংশ গ্রহণ কৰিছিলে আৰু প্রচাৰ কার্য্য আৰু কূটাঘাত মূলক হিংসা কার্য্যতো লিপ্ত আছিল। একাধিক বাৰ পুলিচে গ্রেপ্তাৰ কৰি দুর্গম ঠাইত এৰি থৈ অহাৰ পিছত গ্রেপ্তাৰৰ পৰা আতৰি থাকি আন্দোলনত অংশ গ্রহণ কৰি গৈছিলে। ৰাজ্যিক চৰকাৰৰ মুক্তি যুজাঁৰু পেঞ্চন পাইছে।

শ্রীপুণ্যেশ্বৰ বৰুৱা : খঙ্গিয়া মৌজাৰ কুহিয়াৰবীয়া ব্রাহ্মণ গাৱঁৰ নিগাজী নিবাসী। পিতৃ ঁথানেশ্বৰ বৰুৱা, মাতৃ ঁভোগদা দেৱী। জন্ম ১৯১৭ চনৰ ৮ জানুৱাৰী। ছাত্রজীৱনৰ পৰা ৰাজনীতিত অংশ গ্রহণ কৰি ১৯৪১ চনৰ ২২ ফেব্রুৱাৰীত সত্যাগ্রহ কৰি এদিন ফাটেক হয়। ১৯৪২ চনত আই এ পৰীক্ষাত উত্তীর্ণ হৈ ভাৰত-ত্যাগ আন্দোলনৰ পকামূৰা শিবিৰত আগভাগ লয়। ১৯৪৩ ৰ ছেপ্তেম্বৰত আত্মগোপন কৰি উত্তৰ লক্ষীমপুৰ বিহপুৰীয়া, মাজুলী, বিশ্বনাথ চাৰি আলিত সংগঠনত ব্রতী হয়।

১৯৪৫ ৰ ১৪ আগষ্টত নিজ ঘৰলৈ ঘূৰি আহি শিক্ষকতা আৰু শিক্ষানুষ্ঠান প্রতিষ্ঠা জীৱনৰ ব্রত কৰি লয়। চৰাইবাহী এম ই আৰু হাইস্কুল প্রতিষ্ঠা কৰি তাতে শিক্ষকতা কৰি ১৯৮০ চনৰ ডিচেম্বৰত অৱসৰ লৈ বর্ত্তমান অসুস্হতাত আক্রান্ত।

শ্রীমহেন্দ্র নাথ বৰুৱা : খঙ্গিয়া মৌজাৰ কুহিয়াৰ বৰীয়া ব্রহ্মণ গাৱঁত চাবেক ঘৰ হ'লেও বর্তমান যোৰহাট নগৰৰ বঙাল পুখুৰীৰ স্হায়ী বাসিন্দা। পিতৃ ঁ থানেশ্বৰ বৰুৱা, মাতৃ ঁভোগদা দেৱী। জন্ম ২৪-৬-১৯২৪ চন। বিয়ালিছৰ বিপ্লৱত স্কুল ত্যাগ কৰি মৃত্যু বাহিনীত যোগদান। পকামূৰা চাৰিআলিৰ শিবিৰত থাকি বিপ্লৱৰ বিভিন্ন কার্য্যসূচীত, আনকি কূটাঘাতমূলক কামতো অংশ গ্রহণ কৰে।

গ্রেপ্তাৰী পৰোৱানা জাৰি হোৱাত আত্মগোপন কৰে। বিপ্লৱৰ সমাপ্তিৰ পাছত পুনৰ অধ্যয়ন কৰি বাণিজ্যৰ স্নাতক হৈ চৰকাৰী চাকৰিৰ পৰা ১-৯-৮৫ত অৱসৰ গ্রহণ কৰে। পেঞ্চন বা কোনো স্বীকৃতি বিচৰা নাই।

শ্রীতিলেশ্বৰ বৰদলৈ - শ্রীতিলেশ্বৰ বৰদলৈৰ ঘৰ খড়িয়া মৌজাৰ পকামুখাত। পিতৃৰ নাম খগেশ্বৰ বৰদলৈ আৰু মাতৃ পদ্মিনী দেৱী। জন্ম ১৯২৪ চন। শ্রীবৰদলৈ পৰিয়ালৰ কেবাজনো ব্যক্তি ভাৰতৰ মুক্তি সংগ্রামৰ অংশীদাৰ। ১৯৪২ চনৰ আন্দোলনত ছাত্র অৱস্থাতে অংশ গ্রহণ কৰি শ্রীবৰদলৈয়ে এবছৰতকৈ অধিক কাল কাৰাবাস খাটে।

কাৰাবাসৰ অন্তত পুনৰ ছাত্র জীৱন আৰম্ভ কৰাৰ লগে লগে ছাত্র সংগঠনত লাগে আৰু অসম ছাত্র কংগ্রেছৰ সভাপতিকে ধৰি বিভিন্ন দায়িত্ব বহন কৰে। সাংবাদিক স্বৰূপেও তেখেতে যথেষ্ট দিন সেৱা আগবঢ়াইছিল আৰু বনুৱা সংগঠনৰ যোগেদি ৰাষ্ট্রীয় মজদুৰ কংগ্রেছৰ সৰ্বক্ষণ নিৰ্বাচিত কৰ্ম্মকৰ্ত্তা স্বৰূপে কাম কৰিছিল। ৰৰেয়া বনুৱা উন্নয়ন প্রশিক্ষণ কেন্দ্রৰ অধ্যক্ষ স্বৰূপে কার্য্য নির্বাহ কৰিছিল।

তেখেত যোৱহাটৰ প্রথম আঞ্চলিক পঞ্চায়তৰ সদস্য হোৱাৰ উপৰিও যোৱহাট মহকুমা পৰিষদৰো সভাপতি আছিল। ছবছৰীয়া অস্তিত্ব ৰক্ষা আন্দোলনৰো এজন সমর্থক স্বৰূপে তেখেতে কাৰাবৰণ কৰিব লগীয়া হৈছিল।

শ্রীবৰদলৈ কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পেঞ্চন আৰু তাম্র পত্র লাভ কৰিছে। যোৱহাট জিলা মুক্তি যুঁজাৰু সম্মিলনৰ বর্তমান প্রধান সম্পাদক।



শ্রীতনুৰাম কাঠকটীয়া : খঙ্গিয়া মৌজাৰ কুঁহিয়াৰবৰীয়া ব্রাহ্মণ গাঁৱৰ নিগাজী নিবাসী। পিতৃ খুদৰাম কাঠকটীয়া, মাতৃ হৰিদ্রী। জন্ম ১৯২২ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন আৰু পকামুৰা শিবিৰৰ সংগঠক। কাছাৰী ঘৰত পিকেটিং কৰোতে গ্রেপ্তাৰ কৰি দুপৰ ৰাতি অটব্য অৱস্থাত এৰি থৈ আহে। সামৰিক যোগান বন্ধ কৰা অপৰাধত গ্রেপ্তাৰ কৰি ডেড়মাহ কাৰাবাস খাটে।

শ্রমিক প্রাণ সর্ব্বেশ্বৰ বৰদলৈৰ ঘনিষ্ঠ সহযোগী। পকামুৰা ট্রেডিং সমবায় সমিতিৰ প্রতিষ্ঠাপক সম্পাদক। কংগ্রেছৰ নিৰবিচ্ছিন্ন সেৱক হৈ বিভিন্ন উন্নয়নমূলক সামাজিক কামত বর্ত্তমানো ব্রতী। ৰাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্রীহবেন্দ্র নাথ বৰুৱা : খঙ্গিয়া মৌজাৰ কুহিয়াৰ বৰীয়া ব্রাহ্মণ গাৱঁৰ স্হায়ী বাসিন্দা। বৰ্ত্তমান ডিব্রুগড়ৰ নিগাজী নিবাসী। পিতৃ থানেশ্বৰ বৰুৱা, মাতৃ ভোগদা দেৱী। জন্ম ১৯২৭ চনৰ জুলাই মাহ। ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত স্কুল এৰি মৃত্যু বাহিনীত যোগদান কৰি পকামুৰা চাৰিআলিৰ শিবিৰৰ সৈনিক হয়। আন্দোলনৰ সকলো কার্য্যসূচীত অংশ গ্রহণ কৰে, কিন্তু গ্রেপ্তাৰৰ হাত সাৰিবলৈ আত্মগোপন কৰে। আন্দোলনৰ পাচত স্নাতক হয় আৰু চৰকাৰী চাকৰি কৰি ২৯-২-৮৮ তাৰিখে অৱসৰ লয়। পেঞ্চন বা অন্যান্য স্বীকৃতি বিচৰা নাই।

শ্রীপূন্যেশ্বৰ শইকীয়া : খঙ্গিয়া মৌজাৰ বাহেক গাৱঁৰ বেনু শইকীয়া ৰৰমেধিৰ পুত্র। বৰ্ত্তমান তৰাজান ব্রাহ্মণ গাৱঁৰ স্হায়ী বাসিন্দা। জন্ম ১৯২৫ চন। ১৯৪২ চনৰ চূড়ান্ত সংগ্রামত পকামূৰা শিবিৰৰ মৃত্যু বাহিনীৰ সৈনিক। চাপৰ ল'ৰামতীয়া হোৱাত নির্য্যাতন দি গ্রেপ্তাৰ নকৰাকৈ ৰখাত আত্মগোপন কৰি সংগঠনৰ কাম কৰে। সংগ্রাম স্তিমিত হোৱাত উচ্চ শিক্ষা লাভ কৰি শিক্ষকতা কৰে। পাচত চৰকাৰী চাকৰি কৰি বর্ত্তমান অৱসৰৰ জীৱন। ৰাজ্যিক সন্মান পেঞ্চন পাইছে।

শ্রীসুৰেণ কুমাৰ গগৈ -খঙ্গিয়া মৌজাৰ পানীচকুৰাৰ স্হায়ী বাসিন্দা। শ্রীগগৈৰ মাতৃ ভদ্রাৱতী গগৈ ১৯৪২ চনৰ আন্দোলনত পানীচকুৰাৰ পৰা যোৱহাটলৈ ন — দহ কিলোমিটাৰ খোজ কাঢ়ি শোভাযাত্রা কৰি আহিছিল। ১৯০১ চনত জন্ম হোৱা মাতৃগৰাকী ১৯৮৮ চনত স্বর্গী হয়। ১৯২০ চনত

জন্ম হোৱা শ্রীগগৈ ১৯৪২ চনৰ পকামুৰা চাৰি আলিৰ শিবিৰ মৃত্যু বাহিনীৰ সেনানী আছিল।

আত্মগোপন কৰি আন্দোলন সজীৱ কৰি ৰাখিছিল। স্বাধীনোত্তৰ কালত চাকৰি কৰি বৰ্ত্তমান অৱসৰৰ জীৱন যাপন কৰিছে।

শ্রীকুল প্রসাদ বৰুৱা : খঙ্গিয়া মৌজাৰ বৰুৱা গাঁৱৰ নিবাসী আছিল যদিও বৰ্ত্তমান যোৱহাট নগৰৰ বঙালপুখুৰী অঞ্চলৰ অধিবাসী। পিতৃ ৺লক্ষ্মীকান্ত বৰুৱা, মাতৃ ৺কাঞ্চন লতা। জন্ম ৩০ ১১ ২৫ চন। অসহযোগ আন্দোলনত সুতাকাটি আন্দোলনৰ প্রতি আসক্ত হৈ ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত ছাত্র জীৱন ত্যাগ কৰি পকামুৰা শিবিৰৰ মৃত্যু বাহিনীত যোগ দি সংগ্রামৰ বিভিন্ন কার্য্যসূচীত অংশ লয়। কেবাবাৰো গ্রেপ্তাৰ কৰি ৰাতি অটব্য অৰণ্যত হিংস্র জন্তুৰ খাদ্য হ'বলৈ এৰি দিছিলে। সেৱাদলৰ মৌজা সম্পাদক আছিল। পিচত অধ্যয়ন কৰি ১৯৪৮ চনত অৰুণাচলৰ শিক্ষকতা বৃত্তি গ্রহণ কৰি ১৯৮৭ চনত অৱসৰ গ্রহণ কৰে। বৰ্ত্তমানো শ্রীবৰুৱা সক্রিয়। পেঞ্চন বিচৰা নাই।

শ্রীনবেন্দ্র নাথ বৰা : খঙ্গিয়া মৌজাৰ পানীচকুৰা গাঁৱৰ নিবাসী। পিতৃ ৺প্রিয়ৰাম বৰা, মাতৃ ৺প্রমিলা। জন্ম ২-১-১৯০১ চন। ১৯২১ চনত যোৱহাট বেজবৰুৱা হাইস্কুলৰ ৬ষ্ঠ মানৰ ছাত্র অৱস্থাতে অসহযোগ আন্দোলনত আত্মনিয়োগ কৰে। পানীচকুৰা কংগ্রেছ কমিটী গঠন কৰি কার্য্যালয় সম্পাদকৰ দায়িত্ব পালন কৰে। সভাপতি ৺লক্ষীনাথ নেওগ, সম্পাদক ৺জালিৰাম বৰা। স্বেচ্ছাসেৱক বাহিনীৰ নায়ক আছিল ৺জোনাৰাম বৰা, নায়িকা ৺জয়গুণ বেগম। দিনে ৩০ জনকৈ ভলণ্টিয়াৰ পিকেটিঙৰ বাবে পঠোৱা হৈছিল। দুবছৰ খাজনা বন্ধ আন্দোলন সফল কৰা

হৈছিল। পুলিচে অফিচ লণ্ড-ভণ্ড কৰি সকলো কাগজ-পত্ৰ লৈ যায়। শ্ৰীবৰাক গ্ৰেপ্তাৰ কৰি বিচাৰত সৰু ল'ৰা বুলি এৰি দিয়ে।

১৯৪৫-৪৮ লৈ লোকেল বৰ্ডৰ সদস্য। ১৯৫২ ৰ সাধাৰণ নিৰ্ব্বাচনত এছ, পিৰ প্ৰাৰ্থী হৈ পৰাজিত। প্ৰতিষ্ঠাৰে পৰা দহোটীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ উন্নয়নত জড়িত।

৯৫ বছৰতো সতেজ আৰু সক্ৰিয়। পেঞ্চন বিচৰা নাই।

শ্ৰীসদানন্দ বৰুৱা : চৰাইবাহী মৌজাৰ কুঁৱৰী পুখুৰী বাঘমৰীয়া গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ নবেশ্বৰ বৰুৱা। জন্ম ১৯২০ চন। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনৰ সময়তেই কংগ্ৰেছৰ সভ্য হৈ আন্দোলনত অংশ গ্ৰহণ কৰে। ১৯৪২ চনত আত্মগোপন কৰা নেতৃবৃন্দক আশ্ৰয় দি নিজেও গ্ৰেপ্তাৰ হোৱাৰ পৰা আঁতৰি থাকে।

১৯৫৫ চনত গাওঁ উন্নয়ন বিভাগৰ চাকৰি কৰিলেও পিচলৈ পদত্যাগ কৰি আঞ্চলিক পঞ্চায়তৰ সভাপতি পদত অধিস্থিত হয়। পিচপৰা চাওদাং সম্প্ৰদায়ৰ বসতি এলেকাত ১২ খন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠাত আগভাগ লয়। শ্ৰীবৰুৱাৰ বৰ্ত্তমানো কৰ্ম প্ৰেৰণা অটুত আছে।

বাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্ৰীকমল কুমাৰ গগৈ : স্বাধীনতা সংগ্ৰামত আমণ্ত্ৰিত অৰিহণা দিলেও বৰ্ত্তমান চৰাইবাহী মৌজাৰ শেনচোৱা গাঁৱৰ বাসিন্দা। শ্ৰীগগৈৰ পিতৃ ১৯২১ চনৰ মুক্তিযোদ্ধা ফণিধৰ গগৈ। ১৯৩০ চনৰ আন্দোলনৰ পৰা সংগ্ৰামত জড়িত। ১৯৩০-৪২ পৰ্য্যন্ত নিমখ বৰ্জন। ১৯৪২ চনত এবছৰ কাৰাবাস। কাৰাবাসৰ অন্তত কুটাঘাতমূলক কামত অভিযুক্ত হৈ আত্মগোপন কৰে।

কেন্দ্ৰীয় আৰু বাজ্যিক সম্মান পেঞ্চন পাইছে।



শ্রীত্রৈলোক্যনাথ কাকতি : চৰাইদেউ মৌজাৰ বামুণ গাঁৱত স্থায়ী নিবাস। পিতৃ হলিৰাম কাকতি, মাতৃ সোমৰৰী। জন্ম ১৯২৩ চন। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দি একাধিকবাৰ গ্ৰেপ্তাৰ বৰণ কৰিছিল। তেতিয়াৰে পৰা বিভিন্ন সামাজিক কামত নিজৰ অৰিহণা দি আছে। শ্রীকাকতিয়ে বাজ্যিক চৰকাৰৰ পেন্সন পাই আছে।

শ্রীভুৱন মোহন বুঢ়াগোঁহাই: লক্ষীমপুৰ জিলাৰ তেলাহী মৌজাৰ গোহাঁইটেকেলা গাঁৱৰ বাসিন্দা হলেও ভাগ্য চক্রত মৰিয়নি নগৰত স্থায়ীভাবে বসতি কৰে। পিতৃ চন্দ্রেশ্বৰ বুঢ়াগোহাঁই, মাতৃ আনন্দেশ্বৰী বুঢ়াগোহাঁই। জন্ম চন ১৯২০। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত বিভিন্ন কার্য্যসূচীত একাগ্রতাৰে আত্মনিয়োগ কৰি ৩১-৮-৪৩ ত গ্রেপ্তাৰ হৈ ১০-৯-৪৩ ৰ বিচাৰত এদিন কাৰাদণ্ড হয়।

পুনৰ ২৮-১-৪৪ত গ্রেপ্তাৰ কৰি ১-২-৪৪ ৰ বিচাৰত ১০০ (এশ) টকা জৰিমনা, অনাদায়ে ৩ মাহ সশ্রম কাৰাদণ্ড দিয়ে, ১১-৪-৪৪ তাৰিখে মুক্তি দিয়ে। কিন্তু জৰিমনা নিদিয়াৰ বাবে ঘৰৰ সা-সম্পত্তি আৰু হালৰ ম'হটোও বাজেয়াপ্ত কৰি তেওঁক আকৌ গ্রেপ্তাৰ কৰে। উত্তৰ লক্ষীমপুৰৰ নেতৃবৰ্গ সকলো কাৰাৰুদ্ধ হোৱাত ১৯৪২-৪৫ চনৰ কালছোৱাত দুবাৰ তেওঁ জিলা কংগ্রেছৰ প্রধান সম্পাদকৰ দায়িত্ব লৈ ভাৰত -ত্যাগ আন্দোলন পৰিচালনা কৰিছিল। মৰিয়নিত বসতি কৰিও ১৯৬৪-৬৭ চনৰ কাল ছোৱাত যোৰহাট জিলা কংগ্রেছৰ সম্পাদকৰ দায়িত্ব পালন কৰে। উজনি অসম কংগ্রেছ গঠন কৰি তেওঁ সাংগঠনিক সম্পাদক নিৰ্ব্বাচিত হয়। স্বাধীনোত্তৰ কালৰ প্রথম আঞ্চলিক পঞ্চায়তৰ উপসভাপতি নিৰ্ব্বাচিত হয়। সমাজ সংগঠনত জীৱনজোৰা অৱদানৰ নিদর্শন মৰিয়নি আৰু নাগাজাক্তাৰ মাধ্যমিক বিদ্যালয়। প্রথম পর্য্যায়তে ৰাজনৈতিক নির্য্যাতিত উপদেষ্টা বোৰ্ডৰ সদস্য আছিল। বাজ্যিক পেন্সন লাভ কৰি শ্রীবুঢ়াগোহাঁই এতিয়াও সক্রিয়।

শ্রীনগেন্দ্র নাথ বৰা: -নিগাজী নিবাস সৰুচৰাই মৌজাৰ পুলিবৰৰ পৰা বিয়াল্লিছৰ আন্দোলনত ৎআত্মনিয়োগ কৰিলেও স্বাধীনোত্তৰ কালত মৰিয়নিৰ স্হায়ী বাসিন্দা হয়। পিতৃ গোপাল চন্দ্র বৰা, মাতৃ ধনদা বৰা, জন্ম চন ১৯২৪। ভাৰত ত্যাগ আন্দোলনত পকামুৰা শিবিৰত থাকি সকলো কার্য্যসূচীতে অংশ গ্রহণ কৰি ১৫- ৯-৪২ ত গ্রেপ্তাৰ হৈ তেৰ মাহৰো অধিক কাল কাৰা বাস খাটি ২২-১০-৪৩ ত মুক্তি পায়।

স্বাধীনোত্তৰ কালত চাহ বাগিচাৰ শিক্ষকতাৰ বৃত্তি ল'লেও ৰাষ্ট্রীয় মজদুৰ কংগ্রেছৰ জৰিয়তে সামাজিক কামত অবিৰত ভাবে জড়িত হৈ আছে। মৰিয়নিৰ উন্নয়নত আৰু শিক্ষানুষ্ঠান প্রতিষ্ঠাত শ্রীবৰাৰ অৱদান অমোচনীয়। বর্ত্তমানো মুক্তি যুঁজাৰু সম্মিলন আৰু মৰিয়নিৰ সকলো কামতে ওত:প্রোত ভাবে জড়িত। তাম্র পত্র পোৱাৰ উপৰিও ৰাজ্যিক আৰু কেন্দ্রীয় সম্মান পেন্সন পাইছে।



শ্রীসোমেশ্বৰ মুক্তিয়াৰ: -যোৰহাট জিলাৰ কাটনি মৌজাৰ হাতীচুঙি কমাৰ গাৱঁত ১৯১১ চনত শ্রীসোমেশ্বৰ মুক্তিয়াৰৰ জন্ম হয়। পিতৃ থগীৰাম মুক্তিয়াৰ আৰু মাতৃ ভকতনী। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি স্হানীয় কংগ্রেছ কমিটীৰ নির্দেশত শান্তিসেনা বাহিনী গঠনত আত্ম নিয়োগ কৰে।

১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত বিপ্লবী ধীৰ শংকৰ চন্দ্র বৰুৱাৰ লগত আত্ম গোপন কৰি থাকে। সেই সময়ত কংগ্রেছৰ আন্দোলন সম্পর্কীয় যা-যাজঁবি

বাতি গোপন পথেদি অহা যোৱা কৰি নিব লগীয়া হৈছিল। শ্ৰীমুক্তিয়াবে অশেষ কষ্ট সহ্য কৰি এনে দায়িত্ব পালন কৰিছিল।

মুক্তিয়াবে বাজ্য চৰকাবৰ সম্মান পেন্সন লাভ কৰিছে। ৮২ বছৰীয়া মুক্তিয়াৰ এতিয়াও ফুৰা চকা কৰিব পৰা হৈ আছে।

শ্ৰীমতী পূণ্যপ্ৰভা দাস: -বিয়াল্লিছৰ বিপ্লবী বীৰ শংকৰ চন্দ্ৰ বৰুৱাৰ আত্মগোপন কালত ঘনিষ্ঠ সহযোগী শ্ৰীপূণ্যপ্ৰভা দাসৰ পিতৃ কিতৌ ৰাম দাস, মাতৃ সেউতি দাস। স্বামী প্ৰথিতযশা মুক্তিযুঁজাক টংকেশ্বৰ দাস। জন্ম ১৯২৬ চন। চুঙিত পিতৃ আৰু স্বামীগৃহ হ'লেও পিচলৈ কাটনি মৌজাৰ গড়মুৰত স্থায়ী বসতি হয়। আত্মগোপন কৰি বিয়াল্লিছৰ বিপ্লবৰ অগনি জ্বলাই ৰখাত শ্ৰীমতী দাসৰ ৰৰঙণি উল্লেখযোগ্য।

প্ৰাক স্বাধীনতা কালতে কস্তুৰবা ন্যাসৰ প্ৰশিক্ষণ লৈ সামাজিক কামত আত্ম নিয়োগ কৰি আছে। ৰাজ্যিক পেন্সন পাইছে। মুক্তি যুঁজাক সন্মিলনৰ সক্ৰিয় সদস্যা।

শ্ৰীডিম্বেশ্বৰ গগৈ: -কাটনি মৌজাৰ বচা গাৱঁৰ স্থায়ী বাসিন্দা। পিতৃ মিঠাৰাম গগৈ, মাতৃ লয়নী। জন্ম ১৯২১ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত শান্তি সেনা দলত ভৰ্ত্তি হৈ আন্দোলনৰ সকলো কাৰ্য্যসূচীতে অংশ গ্ৰহণ কৰে। গ্ৰেপ্তাৰ হৈ প্ৰায় তিনিমাহ কাল কাৰাৰুদ্ধ হয়। কংগ্ৰেছৰ সাংগঠনিক দিশত অবিৰত কৰ্ম্মী।

গাওঁ পঞ্চায়তৰ সম্পাদকৰ ৰাৰ লৈ সমাজ সংগঠনত ব্ৰতী। শ্ৰীগগৈ বৰ্ত্তমানো সক্ৰিয় কৰ্ম্মী।

শ্রীমতী শান্তিপ্রিয়া হাতী বৰুৱা : অসম গৌৰব ৺মোহিনী কান্ত হাতীবৰুৱাৰ সহধর্মীনী আৰু সাহিত্য কাণ্ডাৰী ৺পদ্মনাথ গোঁহাইবৰুৱাৰ ৩য়া কন্যা। মাতৃ ৺ঈশ্বৰী। জন্ম ১৯০৮ চন। ১৯২৮ চনতে বিবাহ হৈ ১৯২৯ চনৰ ২১ চেপ্তেম্বৰলৈকে মাত্ৰ ডেড় বছৰ বিবাহিত জীৱন কটালে। আনকি একমাত্ৰ কন্যা শ্রীমতী মাধনৰ (সবিতা) জন্ম হয়। পিতৃ পৰলোক ৰ দুমাহৰ পাচত। "তেখেত ঘৰত নাথাকেই। এবাৰ মাত্ৰ মোক কাউন্সিলৰ অধিবেশনলৈ যাওঁতে ছিলঙলৈ নিছিল। তেতিয়া দেউতাৰ বন্ধু ছাদুল্লা চাহাবৰ ঘৰলৈ যাওঁতে তেখেতক চৰকাৰী দললৈ আনি দিলে মন্ত্রীত্ব দিব বুলি কৈছিলে। মই কথাটো সমূলি গাত নল'লো ৮৬ বছৰীয়া আইতাই দেখা কৰোতে এইদৰে কয়। ১৯২৫ চনৰ এটা ডায়েৰী আৰু লণ্ডনলৈ যোৱাৰ কাৰণে জোগাৰ কৰা 'পাছ-পৰ্ট' তেখেতে সযতনে সংৰক্ষণ কৰিছে।

তেখেতৰ শহুৰ ৺গোলাপ চন্দ্র হাতীবৰুৱাৰ স্মৃতিও সতেজ হৈ আছে। এতিয়াও নিঃসঙ্গ কিন্তু অতীতৰ সতৰ্ক আৰু সতেজ প্রহৰী হৈ আছে।

শ্রীমতী নির্মলা হাজৰিকা : কাটনি মৌজাৰ কৰঙ্গা বৰুৱা গাওঁ নিবাসী। প্রসিদ্ধ মুক্তিযোদ্ধা ৺চিদানন্দ হাজৰিকাৰ সহধর্মীনী। পিতৃ ৺বাজান সোণাৰী গাৱঁৰ ৺নৱদ্বীপ বৰদলৈ, মাতৃ ৺সৰুআই। জন্ম ১৯৩২ চন। বিবাহবর্ষ ১৯৫৪ ৰ পৰা স্বামী হাজৰিকাৰ পৰলোকৰ বছৰ ১৯৬৬ লৈকে এটা যুগৰ যুগ্মজীৱন উভয়ৰে কাৰণে কর্ম্ম ব্যস্ততাৰ সময়। স্বামীৰ সামাজিক দায়বদ্ধতাৰ যোগ্য অংশীদাৰ স্বৰূপে শ্রীমতী হাজৰিকা বর্ত্তমানো সমাজ সংগঠনত জড়িত।

স্বামীৰ অবর্ত্তমানত ৰাষ্ট্রীয় আৰু বাজিক সম্মান পেঞ্চন পাইছে।

শ্রীহিতেশ্বৰ নেওগ: -কাটনি মৌজাৰ পূব কৰঙা বাইডাং কমাৰ গাৱঁৰ স্থায়ী বাসিন্দা। জন্ম ১৯২৮ চন। এজন একনিষ্ঠ কংগ্রেছ সেৱক হিচাবে কংগ্রেছৰ সংগঠনত আজীৱন ব্রতী। গাওঁ পঞ্চায়ত, সমবায় আন্দোলন আদিত অংশ গ্রহণেৰে শিক্ষানুষ্ঠান আৰু সামাজিক প্রতিষ্ঠান গঢ়াত আগৰণুৱা। কুশল কোঁৱৰৰ স্মৃতিত প্রতিষ্ঠিত বিদ্যালয়ৰ অন্যতম প্রতিষ্ঠাতা হৈ চাৰি বছৰ অবৈতনিক ভাৱে প্রধান শিক্ষকৰ দায়িত্ব পালন কৰে। কৰঙা সেৱাশ্রমৰো এজন সক্রিয় কৰ্ম্মী আছিল।

শ্রীতিলেশ্বৰ চাংমাই - ঠেঙাল

শ্রীতিলেশ্বৰ চাংমাইৰ জন্ম ১৯১৫। পিতৃ ˚সোণাৰাম চাংমাই, মাতৃ ˚জয়ন্তী চাংমাই।

শ্রীচাংমাইএ ১৯৩০ আৰু ১৯৩২ চনৰ আইন অমান্য আন্দোলনত অংশ গ্রহণ কৰি কাৰাদণ্ড ভোগ কৰে। ১৯৪১ চনৰ ব্যক্তিগত সত্যাগ্রহ আন্দোলনত সত্যাগ্রহ কৰি ত্রিশ টকা জৰিমনা ভৰিব লগীয়া হয়। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্রহণ কৰি তেখেতে বহু দিন ধৰি পলাতক কৰ্ম্মীৰ জীৱন যাপন কৰিব লগীয়া হৈছিল।

তেখেতে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাক পেঞ্চন পায়।



শ্রীনকুলচন্দ্র গগৈ : ঠেঙাল মৌজাৰ ঠেঙাল গাৱত ঘৰ। তেখেতৰ পিতৃৰ নাম ৺মধুৰা গগৈ। ১৯২৫ চনত জন্ম গ্ৰহণ কৰা গগৈয়ে উচ্চ ইংৰাজী বিদ্যালয়ত পঢ়ি থাকোতেই ১৯৪২ চনৰ গণ আন্দোলনত যোগদান দিয়ে। তিতাবৰ বজাৰ স্থানান্তৰ কৰা কাৰ্য্যত বাইজক সংগঠন কৰোতে আৰু মিলিটেৰী যোগান বন্ধৰ বাবে পিকেটিং কৰা সময়তেই পুলিচে আটক কৰে। বিচাৰত ছয়মাহ কাৰাবাস হয়। শ্ৰীগগৈয়ে চৰকাৰৰ সন্মান পেন্সন পাইছে।

শ্রীভুবন চন্দ্র সন্দিকৈ - তিতাবৰ

শ্রীভুবনচন্দ্র সন্দিকৈৰ ঘৰ তিতাবৰ বেৰেজীয়া গাঁৱত। পিতৃৰ নাম ৺ৰোষেশ্বৰ সন্দিকৈ, মাতৃ ৺ৰত্নেশ্বৰী সন্দিকৈ। জন্ম চন ১৯১৭।

শ্রীসন্দিকৈ এজন নিষ্ঠাবান ৰাজনৈতিক কৰ্মী ১৯৪১ চনৰ ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনত অংশ লৈ তেখেতে দুমাহ কাৰাবাস খাটে। ১৯৪২ চনৰ গণ আন্দোলনত আন্দোলনত সংগঠকৰ দায়িত্ব লৈ, গোপনভাৱে উজনি অসমত প্ৰচাৰ কাৰ্য্য চলায়। তেখেত কংগ্ৰেছ সেৱাদলৰ প্ৰশিক্ষক আছিল। শ্রীসন্দিকৈ পঞ্চায়ত, সমবায় আদি গঠনমূলক আন্দোলনৰো এজন একনিষ্ঠ কৰ্মী। আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদৰ সভাপতি স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিলে।

শ্রীসন্দিকৈয়ে ভাৰত চৰকাৰৰ স্বতন্ত্ৰতা সৈনিক সন্মান আৰু বাৰ্দ্ধক্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন ভোগ কৰিছে।

শ্রীভুবন বৰুৱা - তিতাবৰ

তিতাবৰ মৌজাৰ ন-আলি ঢেকিয়াজুলিৰ বুৰুক বৰুৱা গাঁও নিবাসী শ্রীভুবন বৰুৱাৰ পিতৃৰ নাম ° মিনাৰাম বৰুৱা আৰু মাতৃৰ নাম °কলিদৈ বৰুৱা । জন্ম চন ১৯১৮ ।

১৯৪১ চনত বিদ্যালয়ৰ শিক্ষকতা পদ ত্যাগ কৰি ব্যক্তিগত সত্যাগ্রহ কৰোতে পুলিচৰ হাতত আটক হৈ জৰিমনা ভৰিব লগীয়া হৈছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোৰহাটৰ সমগ্র দক্ষিণ অঞ্চলৰ সংগঠক স্বৰূপে কাম কৰোতে পুলিচৰ হাতত গ্রেপ্তাৰ হয় আৰু এবছৰ কাৰাদণ্ড ভোগে।

শ্রীবৰুৱা অসম মুক্তি যুঁজাৰু নিয়্যাতিত সন্মিলনৰ বহুবছৰ ধৰি সম্পাদক আছিল। প্রকৃততে তেখেতৰ অক্লান্ত যত্নতে মুক্তি যুঁজাৰু সন্মিলন প্রতিষ্ঠা হয়। সিচৰিত হৈ থকা অসমৰ মুক্তি যুঁজাৰু সকলক একত্রিত কৰি এটা শক্তি-শালী গঠনমূলক অনুষ্ঠান গটি তোলাত আপ্রাণ চেষ্টা চলাইছিল । নিজ অঞ্চলত থকা কাহঁৰ ঢালাই শিল্প পুনৰুদ্ধাৰ কাৰ্য্যত অহোপুৰুষার্থ কৰিছিল । এজন গঠনমূলক নিয়্যাতিত কর্মী হিচাবে সু-নাম অম্লান হৈ আছে । তেখেতে স্বাধীনতা সংগ্রামৰ একাধিক গ্রন্থৰ প্রণেতা ।

তেখেতে ভাৰত চৰকাৰৰ আৰু ৰাজ্যিক চৰকাৰৰ স্বতন্ত্রতা সৈনিক সন্মান পেঞ্চন লাভ কৰিছে ।



শ্রীফনীন্দ্র নাথ হাতীবৰুৱা - তিতাবৰ

শ্রীফনীন্দ্র নাথ হাতীবৰুৱাৰ নিবাস ১নং মৰাণ গাঁও, তিতাবৰ । পিতৃ °ধর্ম্মেশ্বৰ হাতী বৰুৱা, মাতৃ °তোলনী হাতীবৰুৱা, জন্ম চন ১৯১৭ ।

শ্রীহাতী বৰুৱা এজন সক্রিয় কংগ্রেছ কর্ম্মী আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেখেতে সৈন্য বিভাগৰ যোগান বন্ধ কৰা কার্য্যত

সক্রিয় ভূমিকালোৱাৰ উপৰিও : কুটাঘাতমূলক কার্য্যৰ আঁচনি আৰু ৰূপায়ণ কৰাত অংশ গ্ৰহণ কৰিছিল । লাঠি, ছুৰি খেল আদি শিকাই স্বেচ্ছাসেৱক বাহিনী গঠন কৰাত নেতৃত্ব গ্ৰহণ কৰিছিলে। স্বাধীনতা লাভৰ পিচত তেখেতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা কৰিবলৈ লয় ।

শ্ৰী হাতী বৰুৱাই বাজ্যিক চৰকাৰৰ মুক্তিযুঁজাৰ পেঞ্চন লাভ কৰিছে ।



শ্ৰীডিম্বেশ্বৰ হাজৰিকা : তিতাবৰৰ ববৰাম চুঙ্গিত ঘৰ । পিতৃ মুক্তি যোদ্ধা ৺গোপীৰাম হাজৰিকা, মাতৃ ৺সুমিত্ৰা । জন্ম ১৯২০ চন । ১৯৩৭ চনতে কংগ্ৰেছৰ চাৰি অনীয়া সভ্য হৈ ১৯৪০ চনত শান্তিসেনা প্ৰশিক্ষণ লৈ গঠনমূলক কামত আত্মনিয়গ কৰে । সত্যাগ্ৰহ কৰোতে এদিনৰ ফাটৈক হয় । ১৯৪২ ৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰি ১৯৪৩ চনৰ প্ৰখ্যাত পুণা যাত্ৰাত সমদলে পদব্ৰজে আহি থাকোতে যোৱহাট নগৰত গ্ৰেপ্তাৰ কৰি ১১ মাহ কাৰাবাস খাটে । ববৰাম চুঙ্গিত কস্তুৰবা আশ্ৰম প্ৰতিষ্ঠাত অগ্ৰনী ভূমিকা লয় । বৰ্ত্তমান সামাজিক কামত ব্ৰতী ।

ৰাষ্ট্ৰীয় সন্মান আৰু বাজ্যিক পেঞ্চন পাইছে ।

শ্ৰীভুবনেশ্বৰ শইকীয়া - তিতাবৰ

তিতাবৰৰ শ্ৰীভুবনেশ্বৰ শইকীয়াৰ পিতৃৰ নাম ৺ভদ্ৰেশ্বৰ শইকীয়া আৰু মাতৃৰ নাম ৺ তিলেশ্বৰী শইকীয়া । জন্ম চন ১৯২১ ।

শ্ৰীশইকীয়া ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এজন সক্রিয় কৰ্মী । তেখেত গণ আন্দোলনত অংশ গ্ৰহণ কৰি ৰেল লাইন উঠোৱা অভিযোগত গ্ৰেপ্তাৰ হয় আৰু সাতমাহ কাৰাবাস খাটে । তেখেতে চাহবাগানত। পৰিচালকৰ চাকৰি কৰি

অৱসৰ লয় । শ্রীশইকীয়াই ভাৰত চৰকাৰৰ স্বতন্ত্রতা সৈনিক সম্মান পেঞ্চন আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰুৰ পেঞ্চন লাভ কৰিছে ।

শ্রীগোবিন্দ চন্দ্র ৰৱদলৈ - তিতাবৰ

শ্রীগোবিন্দ চন্দ্র ৰৱদলৈৰ ঘৰ তিতাবৰ ন আলি ঢেকিয়াজুলিৰ বুৰুকবৰুৱা গাঁৱত। তেখেতৰ পিতৃৰ নাম হলিৰাম ৰৱদলৈ আৰু মাতৃৰ নাম মাজু ৰৱদলৈ । জন্ম চন ১৯২১।

শ্রীৰৱদলৈয়ে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সহযোগ কৰি মিলিটেৰী যোগান বন্ধ আৰু পিকেটিং আদি কৰাত অংশ গ্রহণ কৰে। তেখেতক ৪২ চনৰ চেপ্তেম্বৰ মাহত পুলিচে আটক কৰে আৰু চাৰি মাহতকৈ অধিক দিন কাৰাবাস খাটিব লগীয়া হয়। এজন গঠনমূলক কর্মী শ্রীৰৱদলৈয়ে ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰুৰ পেঞ্চন লাভ কৰিছে।

শ্রীমতী স্বর্ণলতা সন্দিকৈ

স্থায়ী নিবাস পুৰণা তিতাবৰ

প্রখ্যাত মুক্তিযোদ্ধা শ্রীভুবন চন্দ্র সন্দিকৈৰ সহধর্ম্মিনী, গোলাঘাটৰ প্রখ্যাত মুক্তি যুঁজাৰু ভদ্রকান্ত ফুকনৰ আৰু সুৰেন ফুকনৰ ভগ্নী । জন্ম ১৯২৪ চন । ১৯৪০ ৪১ চনৰ সত্যাগ্রহী । পিতৃগৃহ আৰু পতিগৃহ উভয়তে স্বাধীনতা সংগ্রামৰ ধামখুমিয়াত প্রতিপালিত হোৱাত নিজেও মহিলা সংগঠনৰ জৰিয়তে ৪২ ৰ বিপ্লৱৰ অগ্নি গাৰে-ভূৱে প্রজ্বলিত কৰি ৰাখিছিল ।

শ্রীমতী সন্দিকৈ বর্ত্তমানো সক্রিয়,কিন্তু ৰাজনৈতিক পেন্সন পোৱা নাই ।

শ্রীমতী হেম প্রভা বৰুৱা - তিতাবৰ

তিতাবৰ ন আলি ঢেকিয়াজুলিৰ বুৰুক বৰুৱা গাঁৱৰ, শ্রীভুবন বৰুৱাৰ পত্নী শ্রীমতী হেম প্রভা বৰুৱাৰ জন্ম হয় উত্তৰ লক্ষীমপুৰত । তেখেতৰ পিতৃৰ নাম ঁঅম্বিকা ফুকন্ আৰু মাতৃ ইতেশ্বৰী ফুকননী । জন্ম চন ১৯২৮।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত নিম্ন প্রাথমিক বিদ্যালয়ৰ শিক্ষয়ত্রীৰ পদ ইস্তফা দি গড়মূৰীয় সত্রাধিকাৰ ঁ শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামীৰ নির্দেশক্রমে লক্ষীমপুৰ মাজুলী, যোৰহাট, গোলাঘাট আদি জিলাত আন্দোলনৰ প্রচাৰ কার্য্য চলায়। ১৯৪৩ চনৰ জানুৱাৰী মাহত তেখেতক পুলিচে গ্রেপ্তাৰ কৰি ছয়মাহতকৈও অধিক কাল বিনা বিচাৰে কাৰাবন্দী কৰি ৰাখি সেই চনৰে আগষ্ট মাহত মুক্তি দিয়ে ।

শ্রীমতী বৰুৱাই ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাক পেঞ্চন লাভ কৰিছে ।

শ্রীখগেশ্বৰ গগৈ : তিতাবৰৰ আমগুৰি খৰিকটীয়া মৌজাৰ কাছজানৰ ঁগেৰজাই গগৈ আৰু ঁসৰুমাইৰ পুত্র । জন্ম ১৯২৫ চন । হাইস্কুলৰ ছাত্রাৱস্থাতে ১৯৪২ৰ বিপ্লৱত আত্মনিয়োগ কৰি ২৪-১০-৪২ গ্রেপ্তাৰ হৈ ২৫-৫-৪৩ লৈ সাতমাহৰো অধিক কাল কাৰাৰুদ্ধ হয় । স্কুলীয়া জীৱনতে সুনিপুণ খেলুৰে শ্রীগগৈয়ে কাৰাগাৰৰ ভিতৰতো ৰাষ্ট্রপতি ফখৰুদ্দিন আলি আহমেদ, লোকপ্রিয় ৰৰদলৈৰ বিশেষ প্রিয়পাত্র হৈছিল ।

বিপ্লৱ শাম কটাৰ পাচত উচ্চ শিক্ষা গ্রহণ কৰি শিক্ষকতা আৰু শিক্ষানুষ্ঠান প্রতিষ্ঠাৰ পথত তিতাবৰক নতুন ৰূপ দিয়াত প্রভূত ৰৰঙণি যোগায় । অসম

সাহিত্য সভাৰ তিতাবৰ অধিবেশনৰ অভ্যর্থনা সমিতিৰ সাধাৰণ সম্পাদকৰ পদ সুচাৰুৰূপে সম্পন্ন কৰি সংগঠন শক্তিৰ পৰিচয় দিয়ে।

অৱসৰ জীৱনত খেলুৱৈসুলভ মনোভাৱেৰে জীৱন কটাইছে। বাৰ্দ্ধক্য সম্মান পেঞ্চন পাইছে।



শ্রীগঙ্গা ৰাম গগৈ - তিতাবৰ

শ্রীগঙ্গাৰাম গগৈৰ ঘৰ তিতাবৰ মৰাণ গাঁৱত তেখেতৰ পিতৃৰ নাম "সোনাৰাম গগৈ আৰু মাতৃৰ নাম "বিমলা গগৈ। জন্ম চন ১৯২৯।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত কম বয়সীয়া কর্মী স্বৰূপে প্রচাৰ পত্র বিলোৱা আৰু হাট, বজাৰত পিকেটিং কৰা কামত অংশ গ্রহণ কৰিছিল।

শ্রীধর্মেশ্বৰ বৰুৱা - তিতাবৰ

শ্রীধর্মেশ্বৰ বৰুৱাৰ জন্মস্থান ববদলনি মৌজা, লক্ষীমপুৰ। বর্তমান নিবাস তিতাবৰ। জন্ম চন ১৯৩০।

ছাত্র অৱস্থাতে ১৯৪২ চনৰ আন্দোলনত প্রচাৰ পত্র বিলোৱা, বাতৰি অনা- নিয়া কৰা আদি কাম কৰিছিলে। ছাত্র অনুষ্ঠানৰ এজন প্রসিদ্ধ কর্মী আছিল। তেখেত এজন প্রবীন শিক্ষক আৰু বাজনৈতিক কর্মী।

অসম চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।



শ্রীতিলেশ্বৰ গগৈ

শ্রীতিলেশ্বৰ গগৈৰ ঘৰ তিতাবৰ মৌজাৰ দক্ষিণপাট ঘৰ ফলীয়া গাঁৱত । পিতৃৰ নাম মনোৰাম গগৈ আৰু মাতৃ ৰাখৰ গগৈ । জন্ম চন ১৯১৮ ।

১৯৪২ চনৰ গণ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী । আন্দোলনত অংশ গ্ৰহণ কৰোতে একাধিক বাৰ পুলিচৰ হাতত গ্ৰেপ্তাৰ হয় । পিচত পলাতক কৰ্মী স্বৰূপে আন্দোলনৰ কামত অংশ গ্ৰহণ কৰিছিল ।



শ্রীসোণাৰাম হাজৰিকা : তিতাবৰ মৌজাৰ বৰবামচুঙ্গিৰ স্থায়ী বাসিন্দা । পিতৃ কণলৰা হাজৰিকা । জন্ম ১৯২২ চন । ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত চফল যুৱকৰ উদ্যমেৰে যোগদান । ১৯৪৩ চনত পুণা যাত্ৰা কৰি যোৰহাট নগৰ পাওঁতেই বি-অ-চি পেট্ৰল পাম্পৰ ওচৰত গ্ৰেপ্তাৰ কৰি ৩ মাহ বিচাৰাধীন বন্দী কৰি ৯ মাহ কাৰাদণ্ড দিয়ে । এবছৰ কাৰাবাসৰ অন্তত মুক্ত হৈ কংগ্ৰেছ সংগঠনত ব্ৰতী হয় ৰাজিক আৰু ৰাষ্ট্ৰীয় সন্মান পেঞ্চন পাইছে ।



শ্রীবাবুলা ভৰালী : আন্দোলন আৰু সংগঠন চুঙি অঞ্চলত কৰিলেও বৰ্ত্তমান তিতাবৰ বিবিজানৰ স্থায়ী বাসিন্দা। পিতৃ ঁসৰুপাই ভৰালী, মাতৃ ঁশয়নী। জন্ম ১৯২৬ চন। মজলীয়া বিদ্যালয়ৰ ছাত্ৰ হৈ থাকোতেই ১৯৪২ ৰ চূড়ান্ত সংগ্ৰামৰ বতাহে কোবায়। পিকেটিঙত অংশ গ্ৰহণ কৰে। বিপ্লৱী বীৰ শঙ্কৰ বৰুৱাৰ প্ৰভাৱত পৰি বীৰজনাৰ আত্মগোপন কালৰ সঙ্গী হয়।

স্বাধীন ভাৰতৰ গাওঁ পঞ্চায়তৰ সভাপতি হৈ গাওঁ সংগঠনত ব্ৰতী হয়। ৰাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্রীমতী শান্তি শইকীয়া : তিতাবৰ নিৰ্মাতা বুলি খ্যাত, যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সুদীৰ্ঘ কালৰ সভাপতি, মুক্তি যোদ্ধা ঁচক্ৰেশ্বৰ শইকীয়াৰ সহধৰ্মীনী। পিতৃ উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰৰ ঁদীন কান্ত বৰুৱা, মাতৃ ঁশিশুপ্ৰভা। জন্ম ১৯৩০ চন। ১৯৫০ চনত শইকীয়াৰ লগত বিবাহ হৈ গোমতী দেৰী বালিকা মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়ত্ৰী স্বৰূপে ১৯৮৯ চনত অৱসৰ হয়। স্বামীৰ সফলতাত সহধৰ্মীনীৰ অৰিহণা শ্ৰীমতী শইকীয়াৰ জীৱনত যথাযথ ভাৱে প্ৰতিফলন ঘটে।

স্বামীৰ অবৰ্ত্তমানত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সম্মান পেঞ্চন পাইছে।



শ্রীডম্বৰু দুৱৰা : তিতাবৰ বেবেজিয়াত ঘৰ। পিতৃ ঁবত্নেশ্বৰ দুৱৰা, মাতৃ ঁমূলা। জন্ম ১৯১৭ চন। ১৯৪২ ৰ গণ বিপ্লৱত স্বেচ্ছাসেৱক বাহিনীত যোগ দিয়া বেবেজিয়া শিবিৰৰ সৰ্বক্ষণ কৰ্মী। তিতাবৰ বজাৰ পিকেটিং কৰোতে গ্ৰেপ্তাৰ হৈ তিনিমাহ কাৰাবাস। কাৰামুক্তিৰ পাচত কাকডোঙা গ্ৰাণ্টত ১০ বিঘা মাটি পাই ১৯৫০ চনত সেই ঠাইৰ অধিবাসী হয়।

ৰাজ্যিক পেন্সন পাইছে।

শ্রীবাপুকণ নেওগ : আমগুৰি খৰিকটীয়া মৌজাৰ বিৰিণাপায়েক গাঁৱৰ শ্রীবাপুকণ নেওগৰ পিতৃ ঁখগেশ্বৰ নেওগ, মাতৃ ঁআইকণ নেওগ। জন্ম চন ১৯২১।

১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনৰ সময়ত নেওগ কলেজৰ ২য় বাৰ্ষিক পৰীক্ষাৰ পৰীক্ষাৰ্থী আছিল। আন্দোলনৰ আহ্বানত কলেজ বৰ্জ্জন কৰি আহি শান্তিসেনা দলত ভর্তি হয় আৰু শান্তি সেনা সংগঠন আৰু প্রশিক্ষণৰ দায়িত্ব লয়। লগে লগে খাদী প্রচলন আদি গঠনমূলক কামত অংশ গ্রহণ কৰে। চৰকাৰী কার্য্যালয় আদি বৰ্জ্জন কৰি স্বাধীন ভাৱে কাম কৰিবলৈ চৰকাৰী কর্ম্মচাৰী সকলক আহ্বান জনায় আৰু আন্দোলনত সক্রিয় ভাৱে অংশ গ্রহণ কৰি পিকেটিং আদি কৰে। ছৈয়দবাৰী চাহ বাগিছাৰ মেনেজাৰৰ ঘৰ পোৰা অভিযোগত অভিযুক্ত হৈ প্রায় ৯ মাহ কাৰাবাস খাটে। পুনৰ উচ্চ শিক্ষা গ্রহণ কৰি চৰকাৰী চাকৰি কৰে।

শ্রীনেওগে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।



শ্রীপুণাৰাম ৰৰা : আমগুৰি খৰিকটীয়া মৌজাৰ কচুখাট গাওঁ নিবাসী শ্রীপুনাৰাম ৰৰাৰ জন্ম হয় ১৯১৪ চনত। তেখেতৰ পিতৃৰ নাম ঁৰলোৰাম ৰৰা আৰু মাতৃৰ নাম ঁখীৰেশ্বৰী ৰৰা।

শ্রীৰৰাই ১৯৩৯ চনতে জেপি আৰৰ কাম ইস্তফা দি স্বাধীনতা সংগ্রামৰ কর্ম্মী হয় ১৯৪২ চনৰ আন্দোলনত সক্রিয় ভূমিকা গ্রহণ কৰি ন মাহ কাৰাবাস খাটে।

শ্রীৰৰাই কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰ পেঞ্চন লাভ কৰিছে।

শ্রীদুর্গাধৰ কছাৰী : শ্রীদুর্গাধৰ কছাৰীৰ নিবাস কচুখাট, আমগুৰি খৰিকটিয়া মৌজা। পিতৃৰ নাম কলাই কছাৰী, মাতৃ শুকুৰী কছাৰী। জন্ম চন ১৯১৭।

শ্রীকছাৰীয়ে ১৯৩৯ চনত ভাৰতীয় কংগ্রেছৰ সদস্য ভুক্ত হৈ শান্তি সেনা প্রশিক্ষণ লয় আৰু নিজ অঞ্চলত শান্তি সেনা বাহিনী গঠন কৰে। ১৯৪২ চনৰ আন্দোলনত হাট, বজাৰ আদিত পিকেটিং কৰোতে এদিন গ্রেপ্তাৰ কৰি ৰাখিছিল। কিন্তু কলেজৰ ল'ৰা গৈ গেট ভাঙি মুকলি কৰি আনে। ভালে দিন ধৰি পলাতক অৱস্থাত আন্দোলনৰ কাম কৰি থাকিব লগীয়া হৈছিল।

শ্রীকছাৰী যোৰহাট লোকেল বর্ড আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য নির্বাচিত হৈছিল। তেখেতে ৰাজ্যচৰকাৰৰ পেঞ্চন পায়।

শ্রীমাঘিৰাম কছাৰী : শ্রীমাঘিৰাম কছাৰীৰ ঘৰ আমগুৰি খৰিকটীয়া মৌজাৰ কচুখাট গাঁৱত। পিতৃৰ নাম ধনীৰাম কছাৰী। জন্ম ১৯১৯ চন।

শ্রীকছাৰী ১৯৩৯ চনৰ পৰা স্বাধীনতা সংগ্রামৰ এজন সক্রিয় কৰ্মী আছিল। ১৯৪২ চনৰ গণ বিপ্লৱত সক্রিয় অংশ লৈ তেখেত ৯ মাহ কাৰাবৰণ কৰে।

তেখেতে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰুৰ সম্মান পেঞ্চন লাভ কৰিছে।



শ্রীৰাতিৰাম কছাৰী : শ্রীৰাতিৰাম কছাৰীৰ ঘৰ কছুখাট, আমগুৰি খৰিকটীয়া মৌজাত। পিতৃ ঁবেজিয়া, মাতৃ ঁবিছটি কছাৰী। জন্ম চন ১৯২৮।

শ্রীকছাৰীয়ে ১৯৪২ চনৰ আন্দোলনত সহযোগ কৰি হাট, বজাৰ আদিত পিকেটিং কৰিছিলে। পুলিচৰ ওচৰত ধৰা নিদিয়াকৈ আন্দোলনৰ কামত অংশ গ্রহণ কৰিছিল।

শ্রীমুহি কান্ত বৰুৱা : আমগুৰি খৰিকটীয়া মৌজাৰ তিতাবৰ মাজগাঁৱৰ শ্রীমুহি কান্ত বৰুৱাৰ পিতৃ ঁহৰ নাথ বৰুৱা। জন্ম চন ১৯২৩।

শ্রীবৰুৱাই ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত সহযোগ কৰি ২৪-১২-৪২ তাৰিখে পুলিচৰ হাতত আটক হয় আৰু বিচাৰধীন বন্দী স্বৰূপে প্রায় এবছৰ কাল কাৰাবাস খাটে। বাগানৰ চাকৎসাবিভাগৰ সুখ্যাতিৰে কাম কৰি অৱসৰ লয়।

শ্রীবৰুৱাই কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে।



শ্রীমহেন্দ্র নাথ ফুকন : শ্রীমহেন্দ্র নাথ ফুকনৰ ঘৰ আমগুৰি খৰিকটীয়া মৌজাৰ তিতাবৰৰ বিবিজানত। পিতৃ ঁৰত্নধৰ ফুকন আৰু মাতৃ ঁপুন্যদা ফুকন। জন্ম চন ১৯২৩।

শ্রীফুকন এজন সক্রিয় সমাজকর্মী। ১৯৪২ চনৰ গণ আন্দোলনত সক্রিয় ভূমিকা পালন কৰি তেখেতে আঠ মাহ কাল কাৰাবাস খাটে। শ্রীফুকনে তাম্র পত্র লাভ কৰিছিলে পিচত বিদেশী বিতাৰণআন্দোলনৰ সময়ত প্রতিবাদ কৰ্ম্মে সেই তাম্র পত্র ঘূৰাই

দিয়ে। শ্রীফুকনে সমবায় বিভাগত সুখ্যাতিৰে কাম কৰি যথা সময়ত অৱসৰ লয়। শ্রীফুকনে কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰপৰা পেঞ্চন লাভ কৰিছে

শ্রীসোমেশ্বৰ ভূঞা : শ্রীসোমেশ্বৰ ভূঞা, নিবাস তিতাবৰ মাজগাঁও, মৌজা আমগুৰি। পিতৃ খগেশ্বৰ ভূঞা, মাতৃ আইকণ ভূঞা। জন্ম চন ১৯২৭।

উচ্চ ইংৰাজী বিদ্যালয়ৰ নৱম শ্রেণীৰ ছাত্র শ্রীভূঞাই ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত সক্রিয় কৰ্ম্মী স্বৰূপে যোগ দিয়ে। ৰেল লাইন অপসাৰণৰ অভিযোগত পুলিচে গ্রেপ্তাৰ কৰে আৰু আঠমাহতকৈ অধিক কাল কাৰাবাস খাটিব লগীয়া হয়।

তেখেতে ভাৰত চৰকাৰৰ স্বতন্ত্রতা সৈনিক সম্মান পেঞ্চন আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছে। বর্তমান যোৰহাট নগৰৰ ৰজামৈদামত স্থায়ী ভাৱে আছে।

শ্রীতনুৰাম কছাৰী : ঘৰ কচুখাটৰ আমগুৰি খৰিকটীয়া মৌজাত। পিতৃৰ নাম মেচেলা আৰু মাতৃৰ নাম মেচি। জন্ম ১৯২০ চন।

শ্রীকছাৰীয়ে ১৯৩৯ চনত কংগ্রেছত যোগ দি অনুষ্ঠানৰ সংগঠনৰ কামত থাকে। ১৯৪২ চনৰ আন্দোলনত সক্রিয় ভাৱে অংশ গ্রহণ কৰি পিকেটিং আদি কৰিছিলে।

যোৰহাট কাছাৰীত পিকেটিং কৰি গ্রেপ্তাৰ হোৱাত কলেজৰ ল'ৰাই জোৰ কৰি মুক্ত কৰি আনে। পলাতক কৰ্ম্মী হিচাবে আন্দোলনৰ কামত লাগি আছিল। ৰেল লাইন ভঙা অপৰাধত অর্থ দণ্ড ভৰিব লগীয়া হৈছিল।

শ্রীপানীৰাম বণিয়া : আমগুৰি খৰিকটীয়া মৌজাৰ বিবিজান । পিতৃৰ নাম ˚কণ বণিয়া আৰু মাতৃ ˚দানেশ্বৰী বণিয়া। জন্ম চন ১৯১৮।

শ্রীবণিয়া এজন সক্রিয় সমাজ কৰ্ম্মী। ১৯৪২ চনৰ আন্দোলনত অংশ গ্রহণ কৰি পলাতক কৰ্ম্মী স্বৰূপে আন্দোলনৰ শেষলৈকে কাম কৰি আছিল। আন্দোলনৰ প্রচাৰ আৰু সংগঠনত তেখেতৰ ৰৰঙণি আছে।

শ্রীমতীশ্যামন্ত কুমাৰী নেওগ



শ্রীমতী নেওগৰ স্বামী ˚গণেশ চন্দ্র নেওগ এগৰাকী মুক্তি যোদ্ধা আছিল। ঘৰ আমগুৰি খৰিকটীয়া মৌজাৰে বিৰিণাশায়েকত। জন্ম চন ১৯২৫ ।

১৯৪২ চনৰ গণ আন্দোলনত সহযোগ কৰি ˚নেওগে তিতাবৰ, ৰৰহোলা, গোলাঘট আদিত আন্দোলৰ প্রচাৰ চলাইছিল। বিপ্লৱী ৰীৰ ˚শঙ্কৰ ৰৰুৱা তেখেতৰ ঘৰতে বহুদিন ধৰি আত্মগোপন কৰি থাকি আন্দোলন পৰিচালনা কৰিছিল। তেখেতৰ ঘৰখন না না ঠাইৰ পলাতক ৰাজনৈতিক কৰ্ম্মীৰ আশ্রয় স্থান হৈ পৰিছিল। তেখেতে ৰাজ্যচৰকাৰক মুক্তি যুঁজাক পেঞ্চন পায়।

শ্রীডম্বৰু সোণোৱাল : আমগুৰি খৰিকটীয়া মৌজাৰ কচুখাট কপহুৱা গাঁৱত ঘৰ। পিতৃ লক্ষীৰাম সোণোৱাল, মাতৃ পুহিতা। জন্ম ১৯১৫ চন। ১৯৪২ ৰ গণ বিপ্লৱৰ সকলো কার্য্যসূচীত অংশ গ্ৰহণ কৰি অৱশেষত প্ৰসিদ্ধ পুণা যাত্ৰাত অংশ লৈ আহি যোৱহাটত গ্ৰেপ্তাৰ হৈ এবছৰ কাৰাবাস খাটে। কাৰামুক্তিৰ পাচতো সামাজিক কামত ব্যস্ত হৈ গাওঁ উন্নয়নত জড়িত হয়। ৰাষ্ট্ৰীয় সন্মান আৰু ৰাজ্যিক পেঞ্চন পাইছে।



শ্রীকনক চন্দ্র দত্ত মাজুলী গড়মূৰ সত্রৰ শ্রীকনক চন্দ্র দত্তৰ পিতৃৰ নাম ˚পুৰাৰাম দত্ত আৰু মাতৃৰ নাম ˚যামিনী দত্ত। জন্ম ১৯১৭ চন।

শ্রীদত্ত এজন একনিষ্ঠ দেশকৰ্ম্মী। ১৯৪০/৪১ চনৰ ব্যক্তিগত সত্যাগ্রহ আন্দোলনত অংশ গ্রহণ কৰি ১৫ দিন কাৰাবাস খাটে, ১৯৪২˙ চনত গড়মূৰীয়া সত্রধিকাৰ শ্রীশ্রীপীতাম্বৰ গোস্বামী প্রভুৰ সহযোগী হিচাবে ভাৰত ত্যাগ আন্দোলনত অংশ গ্রহণ কৰাৰ কাৰণে পুলিচৰ হাতত গ্রেপ্তাৰ হৈ পুনৰ দুবছৰ কাৰাবাস খাটিব লগীয়া হয়। দেশে স্বাধীনতা পোৱাৰ পিছত শ্রীদত্তই সমাজত গঠনমুলক কামত আত্মনিয়োগ কৰি আছে।

শ্রীদত্তই কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্যচৰকাৰৰ মুক্তি যুঁজাৰু পেন্সন লাভ কৰছে। মুক্তি যুঁজাৰু সন্মিলনৰ লগত নিবিড় ভাৱে জৰিত। মুক্তিযুঁজাৰু ৰাজ্যিক উপদেষ্টা বৰ্ডৰ সদস্য।

শ্রীমাধৱ চন্দ্র ৰৰা : মাজুলী গড়মূৰ সত্রৰ নিগাজী নিবাসী। পিতৃ ˚কণৰাম ৰৰা, মাতৃ ˚কলীদৈ ৰৰা। জন্ম ১৯১২ চন। শ্রীশ্রীপীতাম্বৰ দেৱগোস্বামী প্রভূৰ প্রেৰণাত ১৯৩২ চনৰে পৰা স্বাধীনতা সংগ্রামত আত্মনিয়োগ কৰে। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্রহ কৰে। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত জড়িত হৈ ১৯৪৩ চনৰ ৯ আগষ্টৰ পৰা ১৯৪৪ চনৰ জুলাইলৈকে কাৰাৰুদ্ধ হয়।

ৰাজ্যিক আৰু কেন্দ্রীয় সম্মান পেঞ্চন পাই আছে।



শ্রীখগেন্দ্র নাথ ভূঞাৰ ঘৰ মাজুলীৰ গড়মূৰ অঞ্চলৰ শান্তিপুৰত। পিতৃ ৺ৰূপৰাম ভূঞা আৰু মাতৃৰ নাম ৺মাহিশ্ৰী। জন্ম ১৯১৭ চন

১৯৩২ চনতে বিপ্লৱী ধৰ্মগুৰু শ্ৰীশ্ৰীপীতাম্বৰ প্ৰভুৰ নেতৃত্বত চলা মাজুলীৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰে। ১৯৪১ চনৰ সত্যাগ্ৰহত ১৩ দিন কাৰাবাস খাটে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত আঁঠু বহুৰকাল কাৰাবাস হয়।

বিপ্লৱী বীৰ শঙ্কৰ চন্দ্ৰ বৰুৱাৰ লগত আন্দোলনৰ গোপণ যোগসূত্ৰ ৰক্ষা কৰিবলৈ সত্ৰাধিকাৰ প্ৰভুৱে এখেতক বিশেষ গোপণ কটকী হিচাবে খটাইছিল।

বৰ্ত্তমান বাৰ্দ্ধক্যজনিত কাৰণত ঘৰতে আছে। স্বতন্ত্ৰতা সেনানী সন্মান আৰু ৰাজ্যিক চৰকাৰৰ পেঞ্চন পাই আছে।

শ্রীজীৱেশ্বৰ বৰা : মাজুলী গড়মূৰ সত্ৰৰ স্হায়ী বাসিন্দা। পিতৃ ৺ৰূপৰাম বৰা, জন্ম ১৯২৬ চন। কমলাবাৰী মাধ্যমিক বিদ্যালয়ত অষ্টম শ্ৰেণীত থাকোতেই বিয়ালিছৰ ভাৰত ত্যাগ আন্দোলনত জপিয়াই পৰে। মৃত্যু বাহিনীৰ সৈন্য হয়। অ'ত ত'ত কূটাঘাতমূলক কাণ্ড সংঘটিত হোৱাত আত্মগোপন কৰে। শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী প্ৰভুৰ লগত গ্ৰেপ্তাৰ হয় যদিও 'সৰু ল'ৰা' বুলি এৰি দিয়ে।

পুনৰ ১৯৪৩ চনৰ ২৬ জানুৱাৰী পালনত গ্ৰেপ্তাৰ কৰিলেও আকৌ এৰি দিয়ে। তৃতীয়বাৰ ৯-৮-৪৩ তাৰিখে গ্ৰেপ্তাৰ কৰি যোৱহাট কাৰাগাৰলৈ নি ১-৬-৪৪ তাৰিখে মুক্তি পায়। কাৰামুক্ত হোৱাৰ পাচতো ১৯৪৫ ৰ পৰা গড়মূৰ সত্ৰৰ আঞ্চলিক কংগ্ৰেছৰ সম্পাদকৰ দায়িত্ব পালন কৰে। মীৰাট আৰু জয়পুৰ কংগ্ৰেছত শ্রীশ্রীকৃষ্ণচন্দ্ৰ দেৱ গোস্বামী প্ৰভুৰ লগত যোগদান কৰে।

১৯৭২ চনত তাম্ৰপত্ৰ, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সন্মান পেঞ্চন পাই আছে

শ্রীইন্দ্রেশ্বৰ ভূঞা : মাজুলী গড়মূৰ সত্ৰৰ আতুৰাম ভূঞা আৰু প্ৰমিলাৰ পুত্ৰ। জন্ম ১৯২৫ চনৰ ১৪ নৱেম্বৰ। ১৯৩৬ চনতে পণ্ডিত নেহৰুৰ মাজুলী ভ্ৰমণৰ সময়তে গড়মূৰ সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ প্ৰভুৰ নিৰ্দ্দেশ ক্ৰমে স্বৰাজ সঙ্গীতৰ প্ৰশিক্ষণ লয়। ১৯৩৮ চনত সেৱাদলৰ প্ৰশিক্ষণ প্ৰাপ্ত হয়। ১৯৪২ চনৰ বিপ্লৱত মৃত্যু বাহিনীৰ স্বেচ্ছাসেৱক। ১৯৪২-৪৫ৰ সময়ছোৱাত চাৰিবাৰ

গ্ৰেপ্তাৰ হৈ প্ৰতিবাৰেই এবাতি লক আপত থাকি নিৰ্য্যাতন ভোগ কৰে গড়মূৰ সত্ৰৰ সমূহ বাসিন্দাৰ লগতে ১৩ মাহকাল নজৰ বন্দী হয় আৰু তেল-নিমখৰ পৰা বঞ্চিত হয়।



শ্ৰীমতী স্বৰোজ শইকীয়া : মাজুলী গড়মূৰৰ প্ৰবীণ মুক্তি যুজাঁক, শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী প্ৰভুৰ স্নেহধন্য উমাৰাম শইকীয়াৰ পত্নী। জন্ম ১৯২৮ চন। স্বাধীনতা আন্দোলনত আত্মনিয়োগ কৰি আপোনপাহৰা স্বামীৰ অবৰ্ত্তমানত ঘৰখন নিয়াৰীকৈ পৰিচালনা কৰাৰ উপৰিও সংগ্ৰামত স্বামীক উদ্যম আৰু ইন্ধন যোগোৱা অহৰহ আন্দোলনত জৰিত। স্বামী স্বৰ্গী হোৱাত পৰিয়ালৰ সম্পূৰ্ণ দায়িত্ব ল'ব পৰা যোগ্যতা সম্পন্না মহিলা। বাৰ্দ্ধক্যৰ তাড়ণাত অসুস্থা হৈয়ো সমাজৰ প্ৰতি দায়বদ্ধতা ত্যাগ কৰা নাই। ৰাষ্ট্ৰীয় আৰু বাজ্যিক সম্মান পেঞ্চন পাই আছে।



শ্রীচাৰু কাকতি: মাজুলী গড়মূৰ সত্ৰৰ নিগাজী নিবাসী। পিতৃ ভোলানাথ দত্ত কাকতি। জন্ম ১৯২৭ চন।বিয়ালিছৰ বিপ্লৱত ছাত্ৰাৱস্থাতে জড়িত হৈ পৰে। শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী প্রভুৰ নির্দেশত শৃঙ্খলিত সৈনিক স্বৰূপে অংশ গ্রহণ কৰি ত্রিনিবাৰ গ্রেপ্তাৰ হয় যদিও কোমল বয়সীয়া কাৰণে কাৰাৰুদ্ধ নকৰিলেও শাৰীৰিক নির্য্যাতনৰ চিকাৰ হ'ব লগীয়া হয়।

তাৰোপৰি তেৰমাহ কাল নজৰ বন্দী হোৱাৰ লগতে গড়মূৰ সত্ৰৰ বাকী সকলৰ লগতে নিমখ-তেলৰ পৰা বঞ্চিত হয়। তেতিয়াৰে পৰা কংগ্রেছৰ অনুৰক্ত সেৱক। বাজ্যিক পেঞ্চন পাই আছে।



শ্রীমতী যমুনেশ্বৰী ভৰালী : মাজুলী গড়মূৰৰ প্রবীণ মুক্তি যুজাঁক নাৰায়ণ ভৰালীৰ পত্নী। জন্ম ১৯২১ চন। শ্রীশ্রী পীতাম্বৰ দেৱ গোস্বামী প্রভুৰ ঘনিষ্ঠ সাহচর্য্য লাভ কৰা ভৰালী দম্পতি প্রভুৰ প্রেড়ণাত স্বাধীনতা সংগ্রামত সক্রিয় অংশ গ্রহণ কৰে। ভৰালীৰ কাৰাৰুদ্ধৰ সময়ত পৰিয়াল পৰিচালনা কৰাৰ উপৰিও বিয়ালিছৰ বিপ্লৱত মহিলা সংগঠনত ওতঃপ্রোত ভাৱে

স্বামী পৰলোক হোৱাৰ পাচতো গৃহস্থীৰ ধর্ম্ম ধৰি সন্তান কেইটা মানুহ কৰাৰ কৃতিত্বৰ অধিকাৰী।

ৰাষ্ট্রীয় আৰু বাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্রীধীৰেণ দত্ত : মাজুলী গড়মূৰ সত্রত ১৯২৬ চনত জন্ম। পিতৃ ঁপুৰাৰাম দত্ত মাতৃ ঁজেউতি। বৰ্ত্তমান বসতি যোৰহাট নেহৰু পার্ক। শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী প্রভুৰ নির্দ্দেশত ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্রহণ কৰে। কেইবাবাৰো গ্রেপ্তাৰ কৰি এৰাতিকৈ 'লক আপ'ত ৰাখি এৰি দিয়ে। ১৩ মাহ ঘৰত অন্তৰীণ বন্দী হৈ থাকে। ছাত্র অৱস্থাতে বিদ্যালয় ত্যাগ কৰি আন্দোলনত নামে। ৰাজ্যিক সম্মান পেঞ্চন পাইছে।



শ্রীপোৱাল চন্দ্র হাজৰিকা : শ্রীপোৱাল চন্দ্র হাজৰিকাৰ পিতৃ ঁমলখু হাজৰিকা, মাতৃৰ নাম ঁ মালৌ হাজৰিকা। নিবাস - মাজুলী কাণকুৰিকা ৰৰটানি গাওঁ। জন্ম চন ১৯০৬। শ্রীপোৱাল হাজৰিকা মাজুলীৰ এজন একনিষ্ঠ দেশ কর্ম্মী। ১৯৩০ চনতে ভাৰতীয় জাতীয় কংগ্রেছত যোগদান কৰে। ১৯৩৭ চনৰ নিৰ্ব্বাচনত কংগ্রেছ প্রার্থীৰ হৈ কাম কৰা অপৰাধত নিম্ন প্রাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ পৰা বর্খাস্ত হয় জাতীয় কংগ্রেছৰ আদর্শ প্রচাৰত ব্রতী হৈ ৪০ ৪২ চনৰ আন্দোলনত পলাতক কর্ম্মী স্বৰূপে সক্রিয়ভাৱে যোগদান কৰিছিলে। কানি নিবাৰণী অভিযান, মাদক দ্রব্য বর্জ্জন সমিতি, কৃষক সংগঠন আদিত সক্রিয় সহযোগিতাৰে নানা সামাজিক কামত ব্রতী আছিল। তেখেতে অসম চৰকাৰৰ ৰাজ্যিক মুক্তিযোদ্ধা পেঞ্চন লাভ কৰিছে।

শ্রীবিষ্টুৰাম বৰুৱা: ওপৰ কাটনী গাওঁ, মাজুলী। পিতৃৰ নাম ঁতোলন চন্দ্র বৰুৱা আৰু মাতৃৰ নাম ঁহেলচী বৰুৱানী। জন্ম ১৯১৭ চন। শ্রীবৰুৱাই ১৯৩৯ চনৰ পৰা জাতীয় কংগ্রেছৰ সভ্য হিচাবে ৰাজনৈতিক জীৱন আৰম্ভ কৰে।

৪২ চনৰ গণ আন্দোলনত সক্রিয় ভাৱে অংশ গ্রহণ কৰিছিল। একাধিক বাৰ পুলিচৰ অত্যাচাৰ সহ্য কৰি নেৰা- নেপেৰা ভাৱে আন্দোলনৰ কার্য্যত ব্রতী আছিল।

শ্রীবৰুৱাই মাজুলীত সমবায় আন্দোলনৰ গুৰি ধৰিছিল। ৰাজ্যিক চৰকাৰৰ মুক্তিযোদ্ধা পেন্সন লাভ কৰিছে।



শ্রীৰাধা ভাগৱতী : মাজুলী শালমৰাৰ শ্রীৰাধা ভাগৱতীৰ পিতৃ ৱামদেৱ ভাগৱতী আৰু মাতৃৰ নাম কুশেশ্বৰী ভাগৱতী। জন্ম ১৯২৭ চন। ছাত্র অৱস্থাৰ পৰাই শ্রীভাগৱতী দেশৰ স্বাধীনতা যুদ্ধৰ প্রতি আকৃষ্ট হয় আৰু ১৯৪২ চনৰ আন্দোলনত স্বেচ্ছাসেৱী হিছাপে সহযোগ কৰে। না না ধৰণে পুলিচৰ ভাবুকি আৰু অত্যাচাৰ সহ্য কৰিব লগা হৈছিল আৰু একাধিক বাৰ পুলিছে গ্রেপ্তাৰ কৰি নাবালক ভাবি থানাৰ পৰা এৰি দিছিল।

ৰাজ্যিক চৰকাৰৰ মুক্তিযোদ্ধাৰ পেন্সন লাভ কৰিছে।



শ্রীপূর্ণ শইকীয়া : শ্রীপূর্ণ শইকীয়াৰ পিতৃৰ নাম পুণাৰাম শইকীযা। মাতৃৰ নাম আইতা শইকীয়া। নিবাস মাজুলী শালমৰাৰ ১নং কহাৰ গাওঁ। জন্মচন ১৯২৫। শ্রীপূর্ণ শইকীয়াই ছাত্র অৱস্থাৰ পৰাই দেশৰ কামত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ আন্দোলনত সক্রিয় ভূমিকা পালন কৰি মাজুলীত প্রচাৰ কার্য্যত ব্রতী হয়। না না পুলিচ অত্যাচাৰ নেওচি প্রায় এবছৰ কাল আন্দোলনৰ কামত লাগি থাকে।

মাজুলীৰ না না গঠনমুলক কাম আৰু শিক্ষা প্রতিষ্ঠান স্হাপনত আগভাগ লৈ সামাজিক কামত স্হানীয় লোকৰ মাজত প্রতিষ্ঠা লাভ কৰে। ৰাজ্যিক চৰকাৰৰ পেন্সন লাভ কৰিছে।



শ্রীভৱকান্ত শর্ম্মা · শ্রীভৱকান্ত শর্ম্মাৰ পিতৃৰ নাম ʼকমল শর্ম্মা আৰু মাতৃৰ নাম ʼজানেকী দেবী। নিবাস দক্ষিণপাট কৈবর্ত্ত গাওঁ। জন্ম চন ১৯১২। শ্রীশর্ম্মাই ১৯৩৬ চনতে ভাৰতীয় জাতীয় কংগ্রেছত যোগদান কৰি গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সক্রিয় কর্মী স্বৰূপে যোগদান কৰি প্রচাৰ কার্য্য আদি কৰা কাৰনে পলিচী অত্যাচাৰ সহ্য কৰিব লগা হয় একাধিক বাৰ গ্রেপ্তাৰ বৰণ কৰে। ৰাজ্যচৰকাৰৰ মুক্তিযোদ্ধাৰ পেন্ছন লাভ কৰিছে।

শ্রীনগেন বৰা শ্রীনগেন বৰাৰ নিবাস মাজুলী জুগুনীধাৰী গাওঁ, পিতৃৰ নাম ʼসোনাৰাম বৰা আৰু মাতৃৰ নাম ʼনুমলী বৰা। জন্ম চন ১৯২৬। শ্রীবৰা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এজন সক্রিয় কর্ম্মী আছিল। প্রচাৰ কার্য্য আৰু আন্দোলন সংগঠনৰ কামত ব্রতী হৈ পলাতক কর্ম্মী স্বৰূপে আন্দোলনৰ কাম কৰিছিল। তেখেতে ৰাজ্যিক চৰকাৰৰ মুক্ত যোদ্ধা পেন্সন লাভ কৰিছে।

শ্রীদেউৰাম দত্ত : মাজুলী দক্ষিণপাট কলিতা গাৱঁৰ নিবাসী। বর্ত্তমান যোৰহাটৰ নআলি নাচনিচুকৰ স্থায়ী বাসিন্দা। পিতৃ ʼভদীৰাম দত্ত, মাতৃ ʼসুমথিৰা। জন্ম ১৯২৪ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী প্রভুৰ নির্দ্দেশত বিভিন্ন কামত আত্মনিয়োগ কৰি নির্য্যাতিত হয়। লোহিতৰ চাপৰিত আত্মগোপন কৰি সংগ্রাম সজীৱ কৰি ৰাখিছিল। ৰাজ্যিক চৰকাৰৰ পেন্ছন পাই আছে।

শ্রীবাজেন্দ্র নাথ বৰুৱা : কেৱল অসমৰে নহয়, সমগ্র ভাৰতৰ ইতিহাসতে মাত্র এজন চৰকাৰী বিষয়াই, তাকো আৰক্ষী বিভাগৰ নগাওঁ সদৰ থানাৰ ভাৰপ্রাপ্ত বিষয়া পদত থাকোতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সমর্থন আৰু গোপন সহযোগৰ কাৰণে গ্রেপ্তাৰ হৈ তিনিমাহকৈ আটক বন্দী হোৱাৰ নজিৰ সৃষ্টি কৰিছিল সেইজনেই যোৰহাটৰ জ্যেষ্ঠ অধিবক্তা শ্রীবাজেন্দ্র নাথ বৰুৱা।

শ্রীবৰুৱাৰ পিতৃ ৺খগনাথ বৰুৱা, মাতৃ ৺অন্নদা দেৱী। জন্ম ১৯১২ চন। ১৯৩২ চনত স্নাতক হৈ ১৯৩৮ চনত আৰক্ষীৰ চাকৰিত নিযুক্তি লয়। গণ বিপ্লৱত নগাৱঁত বহুতো শ্বহীদ হলেও নগাওঁ সদৰ থানাত গান্ধী ভলণ্টিয়াৰক সামান্য নির্য্যাতনো কৰা নাছিল বৰঞ্চ দৰদী ব্যৱহাৰহে কৰা হৈছিল। আনকি পিচ দিনা কংগ্রেছ শিৰিৰত তালাচী চলোৱাৰ খবৰ আগদিনা মৃত্যু বাহিনীয়ে পাই সষ্টম হৈছিল। গণ বিপ্লৱ আৰু চাকৰি লৈ শ্রীবৰুৱাৰ মনত দ্বন্দ্ব হৈছিল। এনেদৰে গণ বিপ্লৱত সহায় কৰাৰ উমান কর্তৃপক্ষই পাই তেখেতক চিলেট থানালৈ স্থানান্তৰৰ আদেশ অমান্য কৰাৰ অজুহাতত গ্রেপ্তাৰ কৰি তিনি মাহ আটক বন্দী কৰা হ'ল। তাৰ পাচত ১৯৪৫ চনলৈকে যোৰহাটত অন্তৰীন বন্দী কৰি ৰখা হ'ল।

শ্রীবৰুৱা গুৱাহাটীত 'ক'ট ইন্সপেক্টৰ' থাকোতে আইনৰ স্নাতক হোৱাত ১৯৪৪ চনত অন্তৰীণ বন্দী অৱস্থাতে যোৰহাটত অধিবক্তা ৰূপে যোগদান কৰি সুখ্যাতি অর্জন কৰে। ১৯৬০ চনত পি-এছ-পি আৰু ১৯৬৬ চনত কংগ্রেছ প্রার্থী ৰূপে যোৰহাট সমষ্টিৰ পৰা সাংসদ হয়। ৮৩ বছৰ বয়সতো শ্রীবৰুৱা সতেজ আৰু সক্রিয়। ৰাজনৈতিক সম্মান পেন্ছন বিচৰা নাই।



শ্রীপ্রফুল্ল চন্দ্র বৰুৱা: যোৰহাটৰ ৰজাহাউলীত ১৯১২ চনত জন্মগ্রহণ কৰিলেও বর্ত্তমান যোৰহাট নগৰৰ দৰঙ্গি চুকৰ স্থায়ী বাসিন্দা। পিতৃ ঘনশ্যাম বৰুৱা, মাতৃ হৰকান্তি দেৱী। ৰজাহাউলীৰ পৰা খোজ কাঢ়ি নগৰত পঢ়া শ্রীবৰুৱাই ১৯৩৮ চনত স্নাতক ডিগ্রী লাভ কৰে। ১৯৪২ চনত গণ বিপ্লৱত যোগ দি দুবছৰৰো অধিক কাল কাৰাবাস খাটে। জিলা কর্ম্ম পৰিষদৰ সম্পাদক হৈ যোৰহাটৰ আন্দোলন পৰিচালনাৰ দায়িত্ব পালন কৰিছিল। ১৯৪৬ চনত যোগান পৰিদর্শকৰ চাকৰিত নিযুক্তি লৈ ১৯৫৪ চনত অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীক্ষকৰ পদত সুখ্যাতিৰে চাকৰি কৰি ১৯৭০ চনত অৱসৰ পায়। স্বাধীনতা সংগ্রামৰ বুৰঞ্জীখন প্রকাশৰ উদ্যম শ্রীবৰুৱাই প্রথমে গ্রহণ কৰে।

শ্রীঅৰুণ বৰুৱা- যোৰহাটৰ ৰজামৈদামৰ স্থায়ী বাসিন্দা। পিতৃ মুক্তিযোদ্ধা বিপিন বৰুৱা, মাতৃ কুঞ্জলতা দেৱী। জন্ম ১৯২৬ চন।

হাইস্কুলৰ ছাত্রাৱস্থাতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত জপিয়াই পৰি ছাত্র সম্মিলনৰ নেতৃত্ব লৈ ছাত্র যুৱকক উদ্বুদ্ধ কৰে। পিকেটিং কার্য্যসূচীত অনেকবাৰ গ্রেপ্তাৰ কাৰ কাজৰঙা, নামৰৰ নদীৰ অটব্য অৱন্যত দুপৰ ৰাতি এৰি থৈ আহে। ১৭/৬/ ৪৩ তাৰিখে গ্রেপ্তাৰ কৰি দুৰাতি 'নর্ককুণ্ড' লক-আপত ৰাখি তৃতীয় দিনা যোৰহাট কাৰাগাৰলৈ নিয়ে। কাৰাগাৰত কুৰি দিন ৰাখি মুক্তি দিলেও পূর্ব্বৰ শিৱসাগৰ জিলাৰ পৰা বহিষ্কৃত (Extern) কৰে দুমাহৰ বাবে।

আন্দোলনৰ পৰৱর্ত্তী সময়ৰ যোৰহাট জিলা ছাত্র সম্মিলনৰ সম্পাদক আৰু পাচলৈ ছাত্র কংগ্রেছৰ সভাপতি পদত থাকি ছাত্র যুৱকৰ প্রেৰণাৰ উৎস হৈ থাকে।

স্বাধীনোত্তৰ কালত পিতৃৰ পুৰণি ব্যৱসায় 'এচিয়াটিক প্রিন্টিং ওৱর্কচ'ৰ পৰিচালনাৰ দায়িত্ব লয়।

ডাঃ কৃষ্ণ ঠাকুৰ : যোৰহাট নগৰৰ শাস্ত্রীপীঠত ঘৰ। পূৰ্বৰ শিৱসাগৰৰ পুৰণা আমোলাপট্টীৰ বাসিন্দা। পিতৃ টংকেশ্বৰ ঠাকুৰ, মাতৃ মোহিনী দেৱী। জন্ম ১৯২৬ চন। ডাঃ ঠাকুৰৰ পিতৃ শিৱসাগৰ নগৰ কংগ্রেছৰ সভাপতি আৰু শান্তিসেনাৰ অধিনায়ক আৰু নিখিল ভাৰত কংগ্রেছৰ কমিটীৰ সদস্য আছিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ছাত্র অৱস্থাৰ পৰাই আত্মনিয়োগ কৰে। মৃত্যু বাহিনীৰ সৈনিক হৈ বিপ্লৱৰ কার্য্যসূচীত অংশ লয়। ১৪-১১-৪২ ত গ্রেপ্তাৰ হৈ প্রায় ডেড়মাহ কাৰাৰুদ্ধ হয়। গ্রেপ্তাৰৰ দিনাই ৫০০,০০ টকা পাইকাৰী জৰিমনা আদায় কৰে।

কাৰামুক্তিৰ পাচত ১৯৪৭ চনত বিজ্ঞান স্নাতক আৰু ১৯৫৩ চনত এম্, বি, বি,এচ পাছ কৰি ১৯৫৪ চনত চৰকাৰী নিযুক্তি হলেও পদত্যাগ কৰি বর্ত্তমান যোৰহাটৰ এজন প্রসিদ্ধ চিকিৎসক।

শ্রীঅজিত কুমাৰ শর্মা : জননায়ক দেৱেশ্বৰ শর্মাৰ ৰৰপুত্র। মাতৃ শ্রীমতী নির্মলময়ী দেৱী। জন্ম ১৯২২ চন। ১৯৪২ ৰ গণ বিপ্লৱত যোৰাহাটত গঠিত 'ৱাৰ কাউন্সিল'ৰ তিনিজনীয়া ছাত্র সম্মিলনৰ প্রতিনিধিৰ অন্যতম। কূটাঘাতমূলক কামত সক্রিয় অংশ লয়। আনকি সৰুপথাৰৰ বেল বাগৰোৱা সৰঞ্জাম বৈকুণ্ঠ সিঙক চমজাই দিয়ে।

বৃটিছ ভাৰতৰ গৃহ সচিব Sir Reginald Maxwell ৰ "Congress responsible for disturbances" শীর্ষক বিজ্ঞাপ্তিত সংযোজিত জয়প্রকাশ নাৰায়নৰ 'সকলো মুক্তি যোদ্ধালৈ' এখন চিঠি অসমীয়ালে অনুবাদ কৰি ছপাই সমগ্র অসমত বিতৰণ কৰি বিপ্লৱৰ তীব্রতা বঢ়ায়। ত্যাগীবীৰ হেম বৰুৱাই শ্রীশর্মাক অসমৰ বাহিৰৰ বিপ্লৱাত্মক কার্য্যসূচীৰ লগত সম্পর্ক ৰক্ষাৰ দায়িত্ব

অর্পণ কৰে। এই কামত জয়প্রকাশ নাৰায়ণ, ৰামমনোহৰ লোহিয়া, শ্রীমতী অৰুণা আচক আলি আদি আত্মগোপণ কৰা নেতৃবৃন্দৰ লগত নেতাজী সুভাষ বসুক অসমেদি আহি লগ কৰাৰ সন্দর্ভত গোপন ৰাটীত কথোপকথন হৈছিল।

পৰৱৰ্ত্তী জীৱনত শ্রীশর্মা এজন প্রতিভাবান অভিযন্তা। অইল ইণ্ডিয়া লিমিটেডৰ শীর্ষতম পদ ত্যাগ কৰি বর্ত্তমান জনমভূমি প্রতিষ্ঠানৰ পৰিচালক হোৱাৰ উপৰিও ৰাজহুৱা জীৱনৰ লগত জড়িত।



শ্রীচাক চন্দ্র গোস্বামী : নগাওঁ পুৰণিগুদামৰ লতাবোৱা সত্রৰ অধিবাসী যদিও ১৯৪২ চনত যোৱহাট জে বি কলেজৰ স্নাতক শ্রেণীৰ ছাত্র। পিতৃ বংশীধৰ গোস্বামী, মাতৃ চেনিমাই দৱী। জন্ম ১৯২১ চন।

১৯৪১ চনৰ জনযুদ্ধৰ প্রশ্নক ভিত্তি কৰি গঢ়ি উঠা আন্দোলনৰে পৰা যোৱহাটৰ আগশাৰী ছাত্রনেতা। ১৯৪২ৰ গণ বিপ্লৱত যুৱশক্তিৰ প্রতীক স্বৰূপে আন্দোলনৰ গুৰি ধৰে। নেতৃত্বৰ দায়িত্বত কার্য্যনির্বাহ কৰোতেই ৮-১০-৪২ তাৰিখে গ্রেপ্তাৰ কৰি যোৱহাট কাৰাগাৰত কাৰৰুদ্ধ কৰা হয়। ২৪-২-৪৩ তাৰিখে কাৰাগাৰত হোৱা অপ্রত্যাশিত মাৰ-পিটত বেয়াকৈ আঘাটপ্রাপ্ত হয়। কাৰামুক্তিৰ পাচত ডেড়মাহৰো কম প্রস্তুতিৰে ১৯৪৪ চনত স্নাতক পৰীক্ষাত উত্তীর্ণ হৈ সেইবছৰৰ মে মাহত নিজ গৃহলৈ প্রত্যাৱর্ত্তন কৰে।

পিতৃ আৰু জ্যেষ্ঠ ভাতৃৰ প্রেৰণাত শৈশৱৰে পৰা জাতীয়তাভাৱত উদ্বুদ্ধ হৈ স্বাধীনতা সংগ্রামত যোগদান কৰে। পৰৱৰ্ত্তী জীৱনত ভাৰতৰ বিভিন্ন ঠাইত প্রশিক্ষণ লৈ গাওঁ উন্নয়ন বিভাগত চাকৰি কৰি ১৯৭৪ চনত অৱসৰ গ্রহণ কৰে। অৱসৰৰ পাচতো শিক্ষকতাকে মুখ্য কৰি সামাজিক কামত অবিৰত ভাৱে ব্রতী হৈ আছে। ভাৰত চৰকাৰৰ স্বতন্ত্রতা সৈনিক সম্মান আৰু বাৰ্দ্ধক্য চৰকাৰৰ মুক্তি যুঁজাক দুয়োটা পেঞ্চন পাই আছে।

শ্রীগৌৰীচৰণ ৰৰকটকী

বালিগাওঁ ৰাজহাউলী নিৱাসী ১৯২১ চনৰ নেতৃস্থানীয় মুক্তিযোদ্ধা গঙ্গাধৰ ৰৰকটকীৰ পুত্ৰ। মাতৃ মুক্তিযোদ্ধা অন্নদা ৰৰকটকী। জন্মচন ১৯১৩। ১৯২১ চনত শৈশৱ কালতে পিতৃৰ প্ৰভাৱত আন্দোলনৰ বতাহ লাগে। ১৯২৬ ৰ পাণ্ডু কংগ্ৰেছৰ স্বেচ্ছাসেৱক আছিল। ১৯৩০ ৰ 'আৰ্ডিনেন্স ব্ৰেক' অভিযানৰ প্ৰাথমিক চিকিৎসা সেৱাৰ সেৱক। ১৯৩৪ ৰ হৰিজন আন্দোলনত এবছৰ সমাজচ্যুত। কংগ্ৰেছৰ অনানুষ্ঠানিক কাৰ্যালয় ৰৰকটকী কোম্পানীৰ জৰিয়তে ১৯৪২ চনৰ আন্দোলনৰ প্ৰচাৰ অভিযানত ডেৰবছৰ আত্মগোপন কৰি নিজৰ ছপাখানাতে ছপাই নিজেই দায়িত্বত প্ৰচাৰ কৰি ভাৰত-ত্যাগ আন্দোলনত সহযোগ। ১৯৪৫-৫৫ পৰ্য্যন্ত জিলা কংগ্ৰেছৰ সদস্য। বৰ্ত্তমান বান্ধ্যকৰ হেচাত জৰ্জ্জৰিত।

শ্রীমতী হেমপ্রভা খনিকৰ

(শইকীয়া)-শিৱসাগৰ চাৰিঙৰ অগ্নিৱৰ খনিকৰ গাৱঁত পিতৃগৃহ। পিতৃ বেদেল চন্দ্ৰ, মাতৃ বকুলি। মুক্তি যুজাঁক গাধীবখোৱা মৌজাৰ, ওকানাজনীয়া গাৱঁৰ শ্ৰীতৰুণ শইকীয়াৰ সহধৰ্মিণী। বৰ্ত্তমান যোৱহাট নগৰৰ তৰাজান কাকতি গাৱঁৰ, বাসিন্দা। জন্ম ১৯২৮ চন।

জীয়ৰী কালতে স্কুলীয়া ছাত্ৰী থাকোতে চাৰিং অঞ্চলত ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগ দি প্ৰচাৰ আদি কামত নিয়োজিত। পিতৃ আৰু পতিগৃহ উভয়তে স্বাধীনতা সংগ্ৰামৰ জোৱাৰত জড়িত। সামাজিক কামত অনুৰাগী।



শ্রীভৱানী চৰণ ঠাকুৰ- সকচবাই মৌজাৰ দিহৈকোৱ গাৱঁৰ বাসিন্দা হ'লেও বৰ্ত্তমান যোৱহাট নগৰৰ সুৱাগপুৰত স্থায়ী নিবাসী। পিতৃ মুক্তিনাথ ঠাকুৰ, মাতৃ যোগদা দেৱী। জন্ম ১৯২৬ চন।

ছাত্রাৱস্থাতে বিয়ালিছৰ বিপ্লৱত যোগদান কৰি সকলো কার্য্যসূচীতে অংশ গ্রহণ কৰি কাৰাদণ্ডেৰে দণ্ডিত হয়। কাৰামুক্তিৰ পাচত পুনৰ শিক্ষা গ্রহণ কৰি কলাৰ স্নাতক হৈ শিক্ষকতাত মনোনিবেশ কৰে।

কল্যাণী হাইস্কুলৰ প্রধান শিক্ষক হৈ ১৯৮৭ চনত অৱসৰ গ্রহণ কৰে। ছাত্র জীৱনৰে পৰা ছাত্র কংগ্রেছ আৰু বিভিন্ন ,সামাজিক কামত আত্মনিয়োগ কৰি মুক্তি যুঁজাৰু সন্মিলনৰ বাদেও বিভিন্ন ৰাজহুৱা অনুষ্ঠানত শ্রীঠাকুৰ বৰ্ত্তমানো জড়িত।

শ্রীকৈলাশ চন্দ্র গোস্বামী- যোৱহাট নগৰৰ তৰাজান এলেকাত ঘৰ হ'লেও বৰ্ত্তমান ডিব্রুগড়ত স্থায়ী নিবাস। পিতৃ গুঞ্জলাল গোস্বামী, মাতৃ ভৱানী দেৱী। জন্ম ১৯২৬ চন।

চাওখাট মৌজাৰ বিশিষ্ট মুক্তি যুজাঁৰু পদ্মেশ্বৰ গোস্বামী দেৱৰ একান্নভোক্তা পৰিয়ালৰ এজন হিচাবে শৈশৱতে দেশপ্রেমৰ প্রেৰণা পায়।হাইস্কুলতনৱম মানতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত আত্মনিয়োগ কৰে।

তৰাজান ছাত্র সন্মিলনৰ সম্পাদক হয়। কেইবাবাৰো গ্রেপ্তাৰ হৈ বাতি অটব্য অৱণ্যত এৰি থৈ আহিছিল। যোৱহাট কাৰাগাৰত ৩৭ দিন কাৰাবাস খাটে।

কাৰামুক্ত হৈ শিক্ষা লৈ চৰকাৰী চাকৰি কৰি বৰ্ত্তমান অৱসৰ লৈ সচেতন আৰু সক্রিয় সামাজিক কর্ম্মী স্বৰূপে দিন অতিবাহিত কৰিছে।

শ্রীনির্ম্মল চন্দ্র শর্ম্মা– তৰাজান কাকতি গাঁৱৰ স্থায়ী বাসিন্দা। জন্ম ১৯২৩ চনৰ এপ্রিল। পিতৃ ধর্মেশ্বৰ বৰুৱা।

তৰাজান কাকতি গাঁৱৰ যুৱ সমাজতে সামাজিক কামৰ প্ৰাথমিক পৰ্য্যায়ৰ পাছ হৈ যোৰহাট জিলা ছাত্ৰ সন্মিলনৰ সক্ৰিয় কৰ্মী হৈ ভাৰত্যাগ আন্দোলনত যোগ দান কৰে। পকামুৰা চাৰি আলিৰ শিৱিৰত মৃত্যু বাহিনীৰ সৈনিক হৈ সৰ্বেশ্বৰ বৰদলৈৰ নেতৃত্বত বিভিন্ন বিপদ সঙ্কুল কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰে। বৰদলৈৰ গ্ৰেপ্তাৰৰ পিচত আত্মগোপন কৰে। মেধাৱী ছাত্ৰ হিচাবে ১৯৪৩ চনতে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। কৃষি কৰ্ম এৰি ১৯৪৪ চনৰ পৰা ১৯৮১ চনলৈকে কেন্দ্ৰীয় আৰক্ষাৰী আৰু সীমা শুল্ক বিভাগত চাকৰি কৰি 'ক' গ্ৰুপলৈকে পদোন্নতি হৈ অৱসৰ লয়। বৰ্তমান ৰোগাক্ৰান্ত হ'লেও মন সদা সচেতন।

শ্রীহৰেন্দ্র নাথ শর্মা: পূৰ্বৰ ঘৰ শিৱসাগৰ নগৰৰ পুৰণা আমোলাপট্টীত হ'লেও বৰ্তমান যোৰহাট নগৰৰ তৰাজান কাকতি গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ বিশ্বনাথ শর্মা, মাতৃ সাৱিত্ৰী দেৱী। জন্ম ৭-৩-১৪ চন।

হাইস্কুলত পঢ়ি থকা অৱস্থাতে ১৯৩০ চনত নৱম শ্ৰেণীৰ পৰা কানিংহাম চাকুলাৰৰ বিৰোধিতা কৰি স্কুল ত্যাগ কৰে আইন অমান্য আন্দোলনত যোগ দি লগৰীয়া চাৰিজনৰ সৈতে গ্ৰেপ্তাৰ হয়। কেইদিন মানৰ পাচত নগাওঁ কাৰাগাৰলৈ স্থানান্তৰিত কৰা হয়।

কাৰামুক্ত হোৱাৰ পাচত শিৱসাগৰ বিদ্যাপীঠত অধ্যয়ন কৰি প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ভগ্ন স্বাস্থ্যৰ কাৰণে কলেজীয়া শিক্ষা আধৰুৱা হয়। ১৯৩৯ চনৰ পৰা বিভিন্ন বেঙ্কত চাকৰি কৰি ১৯৭৫ চনত অৱসৰ গ্ৰহণ কৰি

বৰ্ত্তমানো সামাজিক কামত অনুৰক্ত। মুক্তি যুজাঁকৰ বাজ্যিক পেন্ছন লাভ কৰি আছে।

শ্রীমতী প্রেমদা বৰুৱা : পূৰ্ব্বৰ ঘৰ গোলাঘাটৰ কছাৰীহাটত। বৰ্ত্তমান যোৱহাটৰ বঙালপুখুৰীৰ স্থায়ী বাসিন্দা। মুক্তিযোদ্ধা দেৱেশ্বৰ বৰুৱাৰ সহধর্মীনী। পিতৃ মহেশ্বৰ শর্ম্মা ৰৰদলৈ, মাতৃ আইতা দেৱী। জন্ম ১৯২৩ চন। ১৯৪২ ৰ আন্দোলনত মৰঙ্গি মৌজাৰ দৈগ্রোং শিবিৰত থাকোতেই কলেৰাত আক্রান্ত হৈ স্বামীয়ে মৃত্যু ৰৰণ কৰে। স্বামী সৰ্ব্বক্ষণ কংগ্রেছ কৰ্মী আছিল। ঘৰখন কংগ্রেছ কৰ্মীৰ আশ্রয় স্থল আছিল। শ্রীমতী বৰুৱা আদৰ আপ্যায়নৰ গৰাকী আছিল।

৯-১২-৬০ ৰ পৰা বাজ্যিক পেন্ছন পাই আছে।



শ্রীমতী প্রেমদা চক্রৱর্ত্তী : যোৱহাট নগৰৰ তৰাজানৰ ২১ চনৰ মুক্তি যুজাক প্রয়াত দেৱেন্দ্র চক্রৱর্ত্তীৰ সহধর্মীনী। বিবাহিত জীৱনত দৰিদ্রতাক জীৱনৰ সঙ্গী কৰি কংগ্রেছৰ কামত অৱশী জীৱন-যাপন কৰা স্বামীৰ অবিহনত প্রতিকূল পৰিস্থিতিত অবিচলিত ভাৱে পাৰিবাৰিক জীৱন যাপন কৰা এগৰাকী আদর্শ গৃহিনী।

শ্রীমতী স্নেহলতা বৰুৱা গোলাঘাটৰ কছাৰীহাটত চাবেক ঘৰ। বৰ্ত্তমান যোৰহাট নগৰৰ বঙালপুখুৰীৰ স্থায়ী বাসিন্দা। মুক্তিযোদ্ধা নিত্যানন্দ শৰ্ম্মা বৰুৱাৰ সহধৰ্মিনী। পিতৃ গুৱাহাটীৰ বাসুদেৱ শৰ্ম্মা, মাতৃ ৰত্নমণি। জন্ম ১৯২৩ চন। শ্রীমতী বৰুৱাৰ ঘৰখন আত্মগোপন কৰা কালতে কেৱল নহয়, দৈনন্দিন জীৱনতো শঙ্কৰচন্দ্র বৰুৱা আৰু অন্য কংগ্রেছ কৰ্মীসকলৰ আশ্রয় স্থল আছিল। ১৯৪১ চনত বিবাহ হোৱা শ্রীমতী বৰুৱাৰ স্বামীক গ্রেপ্তাৰ কৰা দিনা প্রথম সন্তান জন্মৰ চাবি দিনহে হৈছিল।

২৯-১০-৮৯ তাৰিখে স্বামীৰ মৃত্যুৰ পাচত বাষ্ট্রীয় আৰু বাজ্যিক উভয় পেঞ্চন পাইছে।

শ্রীখগেশ্বৰ গগৈ : পূৰ্ব্বৰ ঘৰ শিমলুগুৰি মৌজাৰ তামুলীছিগা ভৰালী গাৱঁত আছিল। বৰ্ত্তমান যোৰহাট নগৰৰ দহাৰৰা পথৰ স্থায়ী বাসিন্দা। পিতৃ তুলসী নাথ গগৈ, মাতৃ মালতী। জন্ম ১৯২০ চন। ১৯৪১ চনত ছাত্র অৱস্থাতে কংগ্রেছৰ সভ্য হয়। ১৯৪২ চনত জাঁজী হাইস্কুলত দশম মানত পঢ়াৰ পৰা স্কুল ত্যাগ কৰি ভাৰত ত্যাগ আন্দোলনৰ বিভিন্ন কার্য্যসূচীত অংশ গ্রহণ কৰে। কূটাঘাত মূলক কামত অংশ গ্রহণৰ অভিযোগ হোৱাত আত্মগোপন কৰে।

১৯৪৬-৮৫ লৈ জিলা কংগ্রেছৰ কার্য্যালয় সম্পাদক। ১৯৮৩-৮৫ লৈ গাওঁবুঢ়ী বাহিনীৰ উপ-উপদেষ্টা। বৰ্ত্তমান যোৰহাট থানা কমিটীৰ সভাপতি।

বাজ্যিক সম্মান পেঞ্চন পাইছে।

শ্রীবীৰেন্দ্র কুমাৰ বৰুৱা : নগৰ মহল মৌজাৰ ৰবিগাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ ৺ডাঃ ৰাজেন্দ্র নাথ বৰুৱা, মাতৃ ৺তিলোত্তমা। জন্ম ১৯২৭ চনৰ জুন মাহ। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সকলো কৰ্মী কাৰাৰুদ্ধ হোৱাত যোৱহাট কাৰাগাৰৰ বন্দী সকলৰ বাহিৰৰ বিপ্লৱৰ লগত যোগসূত্র ৰক্ষা কৰিছিল। একাধিকবাৰ গ্রেপ্তাৰ হোৱাত অটব্য অৱণ্যত দুপৰ ৰাতি এৰি থৈ আহে। ছাত্র সম্মিলনৰ জৰিয়তে আন্দোলন সজীৱ কৰাত অৰিহনা যোগাই বিপ্লৱৰ বত্তি নির্ৱাপিত নোহোৱাকৈ ৰাখিছিল।

আন্দোলনৰ পাচত এছ-ভি-চি নামাকৰণেৰে সামাজিক স্বেচ্ছাসেৱক বাহিনী গঠন কৰি পাচলৈ গৃহৰক্ষী বাহিনীৰ সর্ৱাধিনায়ক পদলৈ উন্নীত হৈ অৱসৰ গ্রহণৰ পাচত এছ-ভি-চি ৰ পুনৰ জীৱন দি সেৱা ব্রতী হৈ আছে।

শ্রীমতী ভুৱনেশ্বৰী বৰুৱা : নগৰ মহল মৌজাৰ ৰবিগাঁৱৰ স্থায়ী বাসিন্দা। কর্মপ্রাণ হৰিনাৰায়ন বৰুৱাৰ সহধর্মীনী। পিতৃ ৺পূর্ণকান্ত সন্দিকৈ, মাতৃ ৺চিন্তা আইদেউ। জন্ম ১৯৩০ চন। 'স্বাধীনতা নাপালে সংসাৰ নকৰো' বুলি পণ কৰা স্বর্গীয় বৰুৱাই শ্রীমতী বৰুৱাক ১৯৪৮ চনৰ আগষ্ট মাহত পাণি গ্রহণ কৰে। তেতিয়াৰে পৰা ঘৰুৱা দায়িত্ব পালন কৰাৰ উপৰিও গাঁওৰক্ষী বাহিনীৰ সংগঠনতো সহায় কৰে। ৱৈধব্য কালতো গাওঁৰক্ষী বাহিনীৰ লগত যোগসূত্র ৰক্ষা কৰি কর্ত্তব্য কৰাৰ অনুভূতি অনুভৱ কৰে।

শ্রীনগেন্দ্র কুমাৰ বৰকটকী : শিমলুগুৰি মৌজাৰ বাসিন্দা হলেও বৰ্তমান স্থায়ী বাসস্থান যোৰহাট সৰাইবন্ধাৰ কৃষ্ণ নগৰ। পিতৃ ৺বসুকান্ত বৰকটকী, মাতৃ ৺তাৰিণী দেৱী। ছাত্ৰ অৱস্থাতে শিক্ষা আধৰুৱা কৰি ভাৰত ত্যাগ আন্দোলনত জড়িত হয়। বিপ্লৱী বীৰ শঙ্কৰ চন্দ্ৰ বৰুৱাৰ সান্নিধ্যত আত্মগোপনৰ জৰিয়তে আন্দোলন স্তিমিত হ'বলৈ নিদিয়াকৈ ৰখাত নিজৰ বৰঙণি আগবঢ়ায়।

শ্রীদুর্গা প্রসাদ বৰপূজাৰী টীয়ক মৌজাৰ বামুণ গাৱঁত ঘৰ। বৰ্তমান ৰাজমৈদাম নিবাসী। জন্ম ১৯২৪ চন। পিতৃ ৺লক্ষীনাথ বৰপূজাৰী, মাতৃ সৈৰিন্ধ্রি দেৱী।

মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ হৈ থাকোতে বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় সহযোগ কৰি একাধিক বাৰ গ্ৰেপ্তাৰ বৰণ কৰোতে অটব্য অৱণ্যত দুপৰ ৰাতি এৰি থৈ আহে।

টীয়ক আৰু যোৰহাটত ছাত্ৰ সকলৰ নেতৃত্ব বহন কৰি সংগ্ৰামৰ কাৰ্য্যসূচী ৰূপায়ণ কৰোতে নানান ধৰণে নিৰ্য্যাতিত হোৱাৰ উপৰিও দুইবছৰ ছাত্ৰ জীৱনৰ পৰা বিচ্যুত হয়। ১৯৪৫ চনত পুনৰ ছাত্ৰ হৈ শিক্ষা সাং কৰি চাহ বাগিছাত চাকৰি কৰি অসম চাহ কৰ্ম্মচাৰী সংঘৰ মাধ্যমেৰে ট্ৰেড ইউনিয়ন আন্দোলনত ওতঃপ্ৰোত ভাৱে আত্মনিয়োগ কৰে। অৱসৰৰ পাচতো শ্রীবৰপূজাৰী গোলাঘাট চাৰ্কোল চাহ কৰ্ম্মচাৰী সংঘৰ সম্পাদক স্বৰূপে ৰাষ্ট্ৰীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ শ্রমিক আন্দোলনৰ লগত জড়িত।



শ্রীত্রৈলোক্য নাথ শর্মা : যোৰহাট নগৰৰ তৰাজান কাকতি গাঁৱৰ নিগাজী নিবাসী। পিতৃ ৰজনী নাথ শর্মা, মাতৃ কুমুদিনী দেৱী। জন্ম অনুমিত ১৯২০ চন। ১৯৪১ চনৰ জনযুদ্ধৰ জোৱাৰত পূৰ্বতে কমিউনিষ্ট শিবিৰত থকা শ্রীশর্মা মহাত্মা গান্ধীৰ সত্যাগ্রহ আন্দোলনৰ বাণীৰ সমর্থনত ছাত্র সম্মিলনৰ যোৰহাট জিলাৰ সভাপতি নির্বাচিত হৈ অনাগত আন্দোলনৰ পূৰ্ব প্রস্তুতিত ব্রতী হয়।

ভাৰত-ত্যাগ আন্দোলনত গঠিত 'ৰাৰ কাউন্সিল'ৰ তিনিজনীয়া ছাত্র সদস্যৰ অন্যতম স্বৰূপে কূটাঘাতমূলক কামৰ নেতৃত্ব লয়। কেইবাদিনো কথমপিহে পুলিচৰ পৰা হাত সাৰে। অত্যন্ত কৌশলেৰে আত্মগোপন কৰি মাজুলীত আন্দোলনৰ সংগঠনত ব্রতী হয়। ছাত্র আৰু যুৱশক্তিৰ নেতৃত্ব বহন কৰি জিলা ভিত্তিত কার্য্যসূচীৰ প্রণয়ন আৰু ৰূপায়ণৰ দায়িত্ব বহন কৰে।

বিপ্লৱৰ শাম কটাৰ পাচত শ্রীশর্মাই শিক্ষকতাৰ বৃত্তি গ্রহণ কৰি আদর্শ শিক্ষক স্বৰূপে প্রতিভাত হয়। ছাত্রৰ জীৱনৰ উদ্দেশ্য ধর্মিতাৰ ওপৰত গুৰুত্ব দি সফল হয়। পৰৱর্ত্তী জীৱনত শ্রীশর্মা সাংবাদিকতাৰ ক্ষেত্রত প্রৱেশ কৰি 'সাপ্তাহিক জনমভূমি'ৰ সম্পাদনাৰ দায়িত্ব প্রায় ১৭ বছৰ কাল কৃতিত্বৰে সম্পন্ন কৰে। তেতিয়াৰে পৰা জনমভূমি, দৈনিক জনমভূমি আৰু গুৱাহাটীৰ একাধিক কাকতৰ সম্পাদকীয় প্রৱন্ধৰ লেখক হয়। বর্ত্তমান শ্রীশর্মা সাংবাদিকতাৰ প্রবীণ আৰু অগ্রগণী ব্যক্তি। উল্লেখযোগ্য যে জনমভূমিৰ সম্পাদনাৰ দায়িত্বত থকোতে মইনা পাৰিজাতৰ জন্মদাতা। গান্ধী দর্শনৰ একাধিক গ্রন্থৰ প্রণেতা।

শ্রীযুগল চন্দ্র ভূঞা- টীয়ক মৌজাৰ দুইনৈমুখ কছাৰ গাঁৱত ১৯১৪ চনত জন্ম হয়, পিতৃৰ নাম বনমালী। প্রাথমিক শিক্ষা গ্রহণ কৰি আর্থিক অনাটনত পিতৃৰ লগত উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰলৈ উঠি যায়। ১৯৩৯-৪২ চনৰ আন্দোলনত লক্ষীমপুৰৰ প্রবীণ নেতা শ্রীমহানন্দ বড়াৰ নেতৃত্বত আন্দোলনত অংশ গ্রহণ কৰি কেইবাবাৰো গ্রেপ্তাৰ হয়। ১৯৮৩ চনত পুণৰ নিজ জন্মস্থানলৈ ঘুৰি আহে আৰু ছবছৰীয়া অস্তিত্ব ৰক্ষা আন্দোলনত যোগদান কৰি গ্রপ্তাৰ হয়।

শ্রীচন্দ্রকান্ত শইকীয়াঃ শিমলুগুৰি মৌজাৰ বনাই নপমুৰা গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ গঙ্গাৰাম শইকীয়া, মাতৃ চন্দে। জন্ম ১৯২৩ চন। ১৯৩৯ চনতে কংগ্রেছত যোগদান। ১৯৪০ চনত সত্যাগ্রহ কৰে যদিও গ্রেপ্তাৰ নকৰিলে। ১৯৪২ চনত পুলিচৰ ওচৰত ধৰা নিদি ভাৰত ত্যাগ আন্দোলনত অংশ গ্রহণ কৰে। এশ টকাৰ পাইকাৰী জৰিমনা ভৰে।

শ্রীচেনিৰাম হাজৰিকা: শিমলুগুৰি মৌজাৰ বনাই অঞ্চলৰ নপমুৰা গাৱৰ স্থায়ী বাসিন্দা। জন্ম ১৯২৩ চন। বিয়ালিছৰ বিপ্লৱত সক্রিয় অংশ গ্রহণ কৰি নানান নির্য্যাতন ভোগ কৰে। ১৯৭৮ চনত বসন্ত ৰোগত আক্রান্ত হৈ দুয়োটা চকুৰে নেদেখা হয়। এতিয়া অন্ধতাই শ্রীহাজৰিকাক পঙ্গু কৰি তুলিছে। বাজ্যিক পেঞ্চনটোৰেই তেখেতৰ এতিয়া প্রধান উপজীব্য।

শ্রীদুলাল ৰায় বৰুৱা .- টীয়কৰ দুলীয়া গাৱঁৰ পৰা স্বাধীনতা সংগ্রামত অংশ গ্রহণ কৰিলেও বর্ত্তমান স্হায়ী বাসস্হান ডিব্রুগড়ৰ টিপলিং পুৰণা ঘাটত। পিতৃ হৰিপ্রসাদ ৰায় বৰুৱা, মাতৃ উমা কান্তি। জন্ম ১৯১০ চন।

স্বাধীনতা সংগ্রামত যোৱহাটৰ এজন সফল সংগঠক আৰু সেৱা দলৰ প্রশিক্ষক। ভাৰত ত্যাগ আন্দোলনত অংশ গ্রহণ কৰি ২৬-৮-৪২ ত গ্রেপ্তাৰ হৈ যোৱহাট কাৰাগাৰত আটক বন্দী হয়। পাইকাৰী জৰিমনাৰ কাৰণে একাধিক বাৰ ঘৰত ক্রোক হয়।

স্বাধীনতা লাভৰ পাচত ভাগ্য অন্বেষণত দুলীয়াজানত স্হায়ী নিবাস লৈয়ো সামাজিক কাম অব্যাহত ৰাখে। বর্ত্তমান বাৰ্দ্ধক্যৰ যন্ত্রণাত জর্জ্জৰিত।

তাম্র-পত্র আৰু ৰাজ্যিক আৰু ৰাষ্ট্রীয় সন্মান পেঞ্চন পাই আছে।

শ্রীবিচিত্র কুমাৰ শইকীয়া টীযক মৌজাৰ ঢেকীয়ানী নাওবৈচা গাৱঁত ১৯২৬ চনত জন্ম হয়। বলমা হাইস্কুলত পঢ়ি থাকোতেই ভাৰত ত্যাগ আন্দোলনত যোগদান কৰি যোৱহাট কাছাৰীত পিকেটিং কৰোতে তিনিবাৰ গ্রেপ্তাৰ হৈছিল।কংগ্রেছৰ শান্তিসেনা বাহিনীত যোগদান কৰি গাওঁৰক্ষী বাহিনী গঠন কৰাত আত্মনিয়োগ কৰে। ১৯৪৩ চনৰ শেষৰ ভাগত ঘৰলৈ ঘুৰি আহি পুনৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। টীয়ক ৰজাবাৰীত প্রতিষ্ঠিত "টীয়ক সেৱাশ্রমত" থাকি লৈ কাম কৰে।

শ্রীকৃষ্ণ চন্দ্র গোস্বামী : শিমলুগুৰি মৌজাৰ হাঁহচৰা চূড়ামণি গাঁৱৰ নিগাজী নিবাসী। জন্ম ১৯৫ চন ভাৰত ত্যাগ আন্দোলনত ছাত্র জীৱন ত্যাগ কৰি শেষ সংগ্রামত অংশ গ্রহণ কৰে। গ্রেপ্তাৰ হৈ দুইবছৰ কাৰাবাস খাটিব লগা হয়। কাৰামুক্তিৰ পাচত অধ্যয়ন কৰি শিক্ষকতাৰ বৃত্তি গ্রহণ কৰি বর্ত্তমান অৱসৰৰ জীৱন যাপন কৰিছে। ৰাষ্ট্রীয় আৰু ৰাজ্যিক সন্মান পেঞ্চন পাইছে

শ্রীকমল কুমাৰ গগৈ : আমগুৰি থানাৰ অন্তর্গত গধুলি বজাৰ মৌজাৰ জাপিসজীয়া গাঁৱত চাবেক ঘৰ বৰ্ত্তমান চৰাইবাহী মৌজাৰ শেনচোৱা গাঁৱৰ বাসিন্দা। পিতৃ ঐকেশৰ মুক্তিযোদ্ধা ফনিধৰ গগৈ, মাতৃ ভাকু গগৈ। জন্ম ১৯১৮ চনৰ ২৫ মে'ত। শ্রীগগৈ ১৯৩০ চনৰ আইন অমান্য আন্দোলনত জড়িত। ১৯৪২ চনত এবছৰ কাৰাবৰণ আন্দোলনত সক্রিয় ভাৱে জড়িত। কাৰামুক্ত হোৱাৰ পাচত আত্মগোপন। তাম্র-পত্র আৰু দুয়োটা পেঞ্চন পাইছে।

শ্রীঘনশ্যাম গগৈ : তিতাবৰ মৌজাৰ বেবেজীয়া গাঁৱৰ বাসিন্দা হ'লেও বৰ্ত্তমান লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ নিবাসী। পিতৃ বঙাই গগৈ। জন্ম ১৯২৬ চন। ভাৰত-ত্যাগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি ৪ মাহ কাৰাবাস খাটে। ভাগ্যৰ অন্বেষণত স্বাধীনোত্তৰ কালত লক্ষীমপুৰলৈ উঠি যায়।

শ্রীডম্বৰু দুৱৰা : তিতাবৰ মৌজাৰ বেবেজিয়া গাঁৱৰ নিবাসী হ'লেও বৰ্ত্তমান কাকডোঙা হাবি গাঁৱত বসতি লৈছে। জন্ম ১৯২৫ চন। ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত জপিয়াই পৰি তিতাবৰ অঞ্চলত বিভিন্ন কার্য্যসূচীত অংশ লয়। গ্রেপ্তাৰ হৈ চাৰি মাহ কাৰাবৰণ ভোগ কৰে।

শ্রীসৰুবাপু শইকীয়া : বৰহোলাৰ মাটিখোলাৰ নিগাজী নিবাসী। জন্ম ১৯২৭ চন। বিয়াল্লিছৰ গণ আন্দোলনত সক্রিয় ভাৱে জড়িত হৈ শান্তি সেনাৰ প্রশিক্ষণ লৈ পিচলৈ নিজেই নায়ক নির্ব্বাচিত হয়। নায়ক হৈ গাঁৱে গাঁৱে শান্তি সেনাৰ প্রশিক্ষণ দিয়ে।

শ্রীকৃষ্ণ চন্দ্র গোস্বামী : শিমলুগুৰি মৌজাৰ হাঁহচৰা চূড়ামণি গাঁৱৰ স্থায়ী বাসিন্দা। জন্ম ১৯২৫ চন। বিয়াল্লিছৰ ভাৰত-ত্যাগ আন্দোলনত অংশ গ্রহণ কৰি দুই বছৰ কাৰাবাস খাটে। পৰবর্ত্তী জীৱনত বিদ্যালয়ৰ শিক্ষকতাৰ বৃত্তি ললেও সমাজ উন্নয়নৰ কামত সততে ব্রতী হৈ থাকে। বৰ্ত্তমান অৱসৰ জীৱন অতিবাহিত কৰিছে।

কেন্দ্রীয় চৰকাৰৰ স্বতন্ত্রতা সৈনিক সম্মান পেঞ্চন আৰু বাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন পাইছে।

শ্রীগজেন ৰৱঠাকুৰ : খঙ্গিয়া মৌজাৰ কুহিয়াৰ ৰবীয়া ব্রাহ্মণ গাৰঁৰ নিবাসী যদিও বৰ্তমান মাৰ্ঘেৰিটাৰ শ্রীমন্ত নগৰৰ স্থায়ী বাসিন্দা। পিতৃ ভোলানাথ ৰৱঠাকুৰ, মাতৃ ডিম্বেশ্বৰী দেৱী। জন্ম নবেম্বৰ ১৯২৪ চন।

বিয়ালিছৰ বিপ্লৱত পকামূৰা শিবিৰৰ মৃত্যু বাহিনীৰ সৈনিক হিচাবে সকলো কার্য্যসূচীতে অংশগ্রহণ কৰাৰ লগতে কূটাঘাতমূলক কমতো জড়িত আছিল। একাধিকবাৰ গ্রেপ্তাৰ কৰি আৰক্ষীৰ নির্য্যাতন ভোগৰ উপৰিও বাতি অটব্য অৰণ্যত হিংস্র জন্তুৰ খাদ্য হ'বলৈ এৰি থৈ আহিছিল। পাইকাৰী জৰিমনা দিব নোৱাৰাত সোণৰ গহনা আৰু চাইকেলখন জব্দ কৰে।

পৰৱৰ্ত্তী জীৱনত চাকৰি কৰি অৱসৰ হলেও মার্ঘেৰিটাৰ এজন প্রসিদ্ধ আৰু প্রবীণ সাংবাদিক।

শ্রীকুল প্রসাদ বৰুৱা :- খঙ্গিয়া মৌজাৰ বৰুৱা গাৰঁৰ নিবাসী হ'লেও বর্ত্তমান যোৰহাট বঙাল পুখুৰীৰ স্থায়ী বাসিন্দা। পিতৃ ঘনকান্ত বৰুৱা, মাতৃ কাঞ্চন লতা বৰুৱা । জন্ম ১৯২৫ চনৰ ৩০ নৱেম্বৰ।

১৯৪২ ৰ আগৰে পৰা স্বাধীনতা সংগ্রামত অংশ গ্রহণ কৰি ভাৰত ত্যাগ আন্দোলনত পকামূৰা চাৰি আলি শিবিৰৰ মৃত্যু বাহিনীত যোগদান কৰে। কেৰা বাৰো গ্রেপ্তাৰ কৰি ৰাতি নুমলীগড় আৰু কাজিৰঙা হাবিত বন্যপ্রাণীৰ খাদ্য হবলৈ এৰি থৈ আহে। সেৱাদলৰ প্রশিক্ষণ লৈ খঙ্গিয়া মৌজাৰ সেৱাদলৰ সম্পাদক হৈ নিজেই প্রশিক্ষক হয়। ১৯৪৭ চনৰ ১৫ আগষ্টত যোৰহাট কাছাৰী পথাৰত সেৱাদলৰ কুচকাৱাজত যোগদান কৰে। ১৯৪৮ চনত অৰুণাচলত শিক্ষক চাকৰিত মকৰল হৈ ১৯৮৭ চনত অৱসৰ গ্রহণ কৰে।



শ্রীমতী কেশতী ভূঞা : চাওখাট মৌজাৰ বনগাৱঁৰ মুক্তিযোদ্ধা লক্ষেশ্বৰ ভূঞাৰ সহধর্মীনী। পিতৃ দন্দি শইকীয়া, মাতৃ বৈৰতী। জন্ম ১৯৩২ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ মুক্তিযোদ্ধা স্বামীৰ অবিহনত সম্মান পেঞ্চন পাইছে। তেখেত এতিয়াও কংগ্রেছ সংগঠনৰ সক্রিয় কৰ্মী আৰু সমাজ সচেতন মহিলা।

শ্রীমতী আইধান হাজৰিকা : চাওখাট মৌজাৰ বনগাৱঁৰ নিগাজী নিবাসী, স্বামী শ্রীহেমোৱাম হাজৰিকা। পিতৃ টীয়ক মৌজাৰ প্রবীন মুক্তি যুঁজাকু মালভোগ শইকীয়া। জন্ম ১৯২৬ চন। ১৯৪০ চনতে কংগ্রেছত যোগদান কৰি ১৯৪৪ চনলৈকে খাদী আৰু মহিলা সংগঠনৰ কামত ব্রতী হয়। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত টীয়ক থানা অৱৰোধ অভিযানত অংশ গ্রহণ কৰে। শ্রীমতী হাজৰিকা বর্ত্তমানেও সক্রিয় হৈ আছে। বাজিক সম্মান পেঞ্চন পাইছে।

শ্রীটুনিৰাম কোঁৱৰ : লাহিং মৌজাৰ কোঁৱৰ গাৱঁৰ স্থায়ী বাসিন্দা। পিতৃ থানুৰাম কোঁৱৰ মাতৃ কালিন্দী। জন্ম ১৯১০ চন। ১৯৩০ চনৰে পৰা সক্রিয় কংগ্রেছ কৰ্মী। বিদেশী বর্জন আৰু আইন অমান্য আন্দোলনত আত্মনিয়োগ কৰে। ১৯৪০ চনৰ সত্যাগ্রহী তেতিয়াৰে পৰা পানীতোলা প্রাথমিক কংগ্রেছৰ সভাপতি। ১৯৪২ চনত আত্মগোপন কৰি সামৰিক যোগান বন্ধ কৰাত আগভাগ লয়। কূটাঘাতমূলক কামত অংশ লৈ পলাতক জীৱনত সংগ্রাম সক্রিয় কৰি ৰাখে।

বাজিক আৰু ৰাষ্ট্রীয় সম্মান পেঞ্চন পাইছে। বয়সে গৰকিছে যদিও এতিয়াও সক্রিয় কৰ্মী।

শ্রীমতী প্রেমলতা গোস্বামী : চাওখাট মৌজাৰ প্রসিদ্ধ আৰু প্রধান মুক্তিযুঁজাৰু পদ্মেশ্বৰ গোস্বামীৰ সহধর্মিনী। বালিগাওঁ গৰখীয়া দ'লৰ ঔৱাসত্রৰ দামোদৰ গোস্বামীৰ জীয়ৰী। জন্ম ১৯২৭ চন। দেশ সেৱা ভাৰতৰ মুক্তি সংগ্রামক জীৱনৰ ব্রত কৰি লোৱা স্বামীৰ অঘৰী জীৱনৰ ঘাত প্রতিঘাত সাহসেৰে সন্মুখীন হোৱা এই গৰাকী নাৰীৰ জীৱন জীৱাই থকা সংগ্রামৰ সংঘাতেৰে সংপৃক্ত। ঘৰখনেই মুক্তি সংগ্রামৰ আলয় হোৱাত মহিলা গৰাকীৰ ধৈর্য্য, স্থৈর্য্য আৰু আতিত্য অপৰীসীম।

১৯৯২ চনত স্বামী বিয়োগৰ পাচত বাষ্ট্রীয় আৰু বাজ্যিক সন্মান পেঞ্চন পাই আছে।.



শ্রীমতী আদৰী ভূঞা : শিমলুগুৰি মৌজাৰ বনাইৰ প্রসিদ্ধ মুক্তিযোদ্ধা প্রয়াত যোগানন্দ ভূঞাৰ সহধর্মিনী। কাকজান কমাৰ খাটোৱালৰ মোহন চন্দ্র ববাৰ জীয়ৰী। জন্ম ১৯৩০ চন। সুদীর্ঘকাল কংগ্রেছৰ কামত স্বামীৰ অৱর্তমানত আৰক্ষীৰ নির্য্যাতনত সাহসেৰে সন্মুখীন হৈছিল। স্বামীৰ অবিহনত বিপর্য্যয়ৰ মাজতো অবিচলিত ভাৱে জীৱন নির্বাহ কৰিছে। বাজ্যিক মুক্তিযোদ্ধা পেঞ্চন পাইছে।



শ্রীমতী কিৰণ বালা ৰবদলৈ : টীয়ক মৌজাৰ জখৰীয়া গাৱঁৰ প্রয়াত প্রসিদ্ধ মুক্তিযোদ্ধা জিন্নেশ্বৰ ৰবদলৈৰ সুযোগ্যা সহধর্মিনী। স্বামীৰ কাৰাৰুদ্ধ অৱস্থাত আৰু কংগ্রেছৰ গঠনমূলক কামত ঘৰৰ পৰা আঁতৰি থকা সময়ত পৰিয়ালৰ দায়িত্ব নিয়াৰীকৈ পালন কৰাৰ উপৰিও সামাজিক কামত জড়িত হৈ আছে। মুক্তি যুঁজাক সন্মিলনৰো কাৰ্য্যকৰী সদস্যা। মুক্তি যোদ্ধাৰ সন্মান পেঞ্চন দুয়োটা পাইছে।

শ্রীগোপাল ৰৱা : চাৰিগাওঁ মৌজাৰ বাহনাৰ বাসিন্দা। পিতৃ নিতাৰাম ৰৱা, মাতৃ মালাৱতী। জন্ম ১৯১৯ চন।

বিয়াল্লিছৰ বিপ্লৱত কূটাঘাতমূলক কামত লিপ্ত আছিল। ককিলামুখত সামৰিক যোগানৰ কাৰণে পৰ্বতাকাৰ কৰি ৰখা সৰণখেৰৰ মেজী পুৰি ভস্মীভূত কৰা মৃত্যু বাহিনীৰ নায়ক আছিল শ্ৰী ৰৱা। ১৯৪১ চনৰ বাহনা শিবিৰৰ পৰা ক্লান্তিবিহীন কৰ্মী। শেষত ধৰা পৰি কাৰাৰুদ্ধ হ'বলগীয়া হ'ল।

বৰ্তমানো শ্ৰীৰৱা সমাজ সচেতন ব্যক্তি।

শ্রীআনন্দ বৰুৱা : চাৰিগাওঁ মৌজাৰ বাহনাত নিগাজী ঘৰ। পিতৃ যোগানন্দ বৰুৱা, মাতৃ ডামলি। জন্ম ১৯২০ চন।

চফল ডেকা শ্ৰীবৰুৱাই ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত পশ্চাৎঘাটী কাৰ্য্যৰ নেতৃত্ব দিছিল। যোৱহাট নগৰৰ পৰা হাথিয়াৰসমূহ চমজি লৈ সেইবোৰ যথাস্থানলৈ প্ৰেৰণা কৰিছিল। বাঁতি হাবিৰ মাজত পেট্ৰলৰ পাত্ৰ থৈ কামত লগাইছিল। ককিলামুখৰ খেৰৰ দ'মত অগ্নিসংযোগৰ মূল নায়ক আছিল। আত্মগোপনৰ কালত ধৰা নপৰাকৈ আন্দোলনৰ কামত আত্মনিয়োগ কৰি সফল হৈছিল।

শ্রীমহেন্দ্র নেওগ : চাৰিগাওঁ মৌজাৰ কেন্দুগুৰিত ঘৰ। ছাত্র জীৱনতে কংগ্রেছৰ সেৱাত আত্মনিয়োগ কৰে। যোৱহাট জগন্নাথ বৰুৱা কলেজত অধ্যয়নৰত অৱস্থাতে আঠুৰ ওপৰত চুৰিয়া পিন্ধি খৰম ব্যৱহাৰ কৰি গঠনমূলক কামত ব্রতী হয়।

পৰৱৰ্ত্তী জীৱনত শিক্ষকতাৰ বৃত্তি কৰি বৰ্তমান অৱসৰ জীৱন যাপন কৰিছে।

শ্রীমতী কণুবালা দত্ত : চৰাইবাহী মৌজাৰ কৰঙ্গা কমাৰ হাজৰিকা গাঁৱৰ মুক্তিযুঁজাক গঙ্গাধৰ দত্তৰ সহধর্মীনী। জন্ম ১৯৩৫ চন। কংগ্রেছ আৰু স্বাধীনতা আন্দোলনত অবিৰত ভাৱে স্বামীৰ অবিহনত পাৰিবাৰিক দায়িত্ব সুচাকৰূপে পৰিচালনা কৰাৰ উপৰিও সমাজসেৱিকা শাহু আছিল অনুপ্রেৰণাত শ্রীমতী দত্তই সমাজ উন্নয়নতো অবিহণা যোগাই আহিছে। ১৯৮৬ চনত স্বামীৰ পৰলোকৰ পাছৰে পৰা বাজ্যিক সন্মান পেঞ্চন পাই আছে।



শ্রীকমলেশ্বৰ চেতিয়া : পৰ্ব্বতীয়া মৌজাৰ বৰ আহোম গাঁৱৰ স্থায়ী বাসিন্দা। জন্ম ১৯২৩ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত পকামূৰা চাৰি আলি আৰু ধলি শিবিৰৰ বিপ্লৱী স্বেচ্ছাসেৱক। সামৰিক যোগান প্ৰতিহত কৰা, পিকেটিং কৰা আদি আন্দোলনৰ সকলো কাৰ্য্যসূচীত সাহসিকতাপূৰ্ণ অংশ গ্ৰহণ কৰে আত্মগোপনৰ জৰিয়তে গ্ৰেপ্তাৰ এৰাই চলিলেও একাধিকবাৰ গ্ৰেপ্তাৰ কৰি দুপৰ বাতি কাজিৰঙা অৰণ্যত হিংস্ৰ প্ৰাণীৰ খাদ্য হ'বলৈ এৰি দিয়ে। আন্দোলন শাম কটাৰ পাচত চাহ বাগিছাত চাকৰি কৰি বৰ্ত্তমান অৱসৰ জীৱন যাপন কৰিছে। কোনো পেঞ্চন বা স্বীকৃতি বিচৰা নাই।



স্বৰ্গীয় দময়ন্তী (সন্দিকৈ) চেতিয়া : পৰ্ব্বতীয়া মৌজাৰ বৰ আহোম গাঁৱৰ মুক্তি যোদ্ধা শ্ৰীকমলেশ্বৰ চেতিয়াৰ সহধৰ্মীনী। জন্ম ১৯২৮ চন মৃত্যু ১২ মে, ১৯৯২ চন, জীৱন কাল ৬৪ বছৰ। ১৯৪২ চনৰ চূড়ান্ত স্বাধীনতা আন্দোলনৰ সময়ত কৈশোৰ কালতে পানীচকুৱাৰ পৰা যোৰহাট নগৰলৈ ১৬ কিলোমিটাৰ পথ সমদলত অংশ গ্ৰহণ কৰি ভাৰত ত্যাগ আন্দোলনত যোগদান কৰে। মহিলা সংগঠনৰ এগৰাকী উদ্যোক্তা আৰু অবিৰত একনিষ্ঠ সেৱিকা আছিল। পৰৱৰ্ত্তী পাৰিবাৰিক জীৱনত উপযুক্ত নাগৰিক গঢ়াত নৈপুণ্যৰ পৰিচয় দিয়ে।

শ্ৰীমেঘ ভট্টাচাৰ্য্য : যোৰহাট বালিগাঁৱৰ নিবাসী যদিও বৰ্ত্তমান আমেৰিকাৰ বাসিন্দা। ছাত্ৰ অৱস্থাতে আঠুৰ ওপৰত চুৰিয়া পিন্ধি খালী-ভৰিৰে আহি যোৰহাট চৰকাৰী বিদ্যালয়ত পঢ়ে আৰু গঠনমূলক কামত ব্ৰতী হয়। পৰৱৰ্ত্তী জীৱনত কেইবা বছৰো মহাত্মা গান্ধীৰ বাৰ্দ্ধা আশ্ৰমত শিক্ষা গ্ৰহণ কৰি জাপানলৈ যায়। বাৰ্দ্ধা আশ্ৰম-বাসী এগৰাকী জাপানী মহিলাৰ পাণি গ্ৰহণ কৰি বৰ্ত্তমানো বিদেশত মহাত্মাজীৰ আদৰ্শ প্ৰচাৰত আত্মনিয়োগ কৰি আছে।

আমি পাহৰিব নোৱাৰো

যোৰহাট কাৰাগাৰৰ অভূতপূৰ্ব্ব ঘটনা

১৯৪৩ চন। ২৪ ফেব্রুৱাৰী। সময় সন্ধ্যা সাঁজ লগাৰ পাচতে। যোৰহাট কাৰাগাৰ। ভাৰত-ত্যাগ আন্দোলনত কাৰাদণ্ড হোৱা কংগ্রেছ সেৱকেৰে কাৰাগাৰ ঠাহখোৱা। অসমৰ নেতৃবৰ্গৰ উপৰিও নগাওঁ, গোলাঘাট, শিৱসাগৰৰ কৰ্ম্মীও বহুত আছিল। কাৰাগাৰৰ নিয়ম-সন্ধ্যাৰ আগতে আহাৰ শেষ কৰিব লাগে। সেই দিনা ব্যতিক্রম। আহাৰ দিয়া পলম হ'ল।

কাৰাগাৰৰ চাৰিবেৰৰ চুকবোৰত লাঠিৰ দ'ম। এসপ্তাহমানৰ আগৰে পৰা বন্দীসকলৰ চকুত পৰিছে। লাঠিবোৰ কিয় সংগ্রহ কৰিছে-সকলোৰে প্রশ্ন। মূঢ়া চালিত লাঠিবোৰ তৈয়াৰ কৰাও বহুতে দেখিছে। ইকাণ-সিকাণকৈ সকলোৰে মনত সন্দেহ। কোনেও উৱাদিহ নাপালে।

২৪ ফেব্রুৱাৰীৰ কাল সন্ধিয়াটো। কাৰাগাৰৰ দক্ষিণ-পশ্চিম চুকত গা-ধোৱা চালি। ওচৰত এটা খেৰী ঘৰ। কয়দী থাকে। তাতে জুই লাগি নিমিষতে নুমাই গ'ল। কেইবাজনেও দেখিলে। লগে লগে হুইছেল বাজি উঠিল। পগলা ঘণ্টাও বাজি উঠিল। ওচৰতে থকা আৰক্ষী চাউনিৰপৰা লাঠিধাৰী পুলিচে এফালৰপৰা যাকে য'তে পালে কোবাবলৈ ধৰিলে। লাঠিধাৰী বিলাকৰ আগে আগে হাতত জ্বলা লেম এটা লৈ এজন মানুহ। মানুহজন য'তে বৈছে তাতে মাৰ-ধৰ কৰা হৈছে। মুখৰ মাত নাই হাতত লেম লৈ যোৱাজনৰ চকুৰ ইঙ্গিতত মাৰ-পিট চলিছে।

প্রতিটো বেৰেকত দলটো সোমাইছে। লেম লৈ যোৱাজন য'তে বৈছে সেইজনকে উধাই-মুধাই মাধ-মাৰ সোধাইছে। ৰাজনৈতিক বন্দীসকলৰ আৰ্ত্তনাদ। যেয়ে যেনি পাৰে পলাইছে। কান্দোনৰ ৰোল উঠিছে। টিঞৰত গছৰ পাত সৰিছে। পলাব ক'লৈ, চাৰিওফালে ইটাৰ দেৱাল। 'এ' ডিভিজনৰ দেৱালৰ দুৱাৰত তলামৰা, তালেকো আতুৰত যাব নোৱাৰে। মহিলাৰ ৱাৰ্ডলে যায় বুলি সেই দেৱালবোৰ তলা বন্ধ। বহুত পায়খানাত সোমাল, বহুত যেনি তেনি চিটিকি পৰিল। চাং তলত সোমাবলৈকো নাই। বিছনাবোৰ ইটা আৰ যোকাৰ গাঁঠনি। ফাঁক নাই, তাকো ভৰি পথানৰ ফালে হেলনীয়া, মূৰ-শিতান সামান্য ওখ। একেফালে মূৰ কৰি শুবও নোৱাৰি। এখনৰ পূৰ্বলে মূৰ শিতান হ'লে দ্বিতীয় খনৰ পশ্চিমফালে মূৰ শিতান। টোকোনৰ কোণত অনেকৰ মূৰ ফাটিলে।

এইদৰে টঙনিয়াই ১৪ নং (বি-ডিভিজন) ৱার্ডৰ বন্দীসকলৰ কোঠাত সোমাল। লেম লৈ থকা জন ষ'তে ৰৈছে, পুলিচৰ মাধ-মাৰ সেইজনৰ ওপৰতে পৰিছে। দুৱাৰমুখতে 'কামাখ্যা প্রসাদ ত্রিপাঠী আৰু 'সৰ্ব্বেশ্বৰ ৰৱদলৈ বিছনা এখনত বহি কথা পাতি আছিল। লেম সেইখিনিতে ৰৈ গল, সোধ নাই পোচ নাই, মাধ-মাৰ দিলে সোধাই। ত্রিপাঠীৰ চছমাযোৰ ভাগিল। চাৰিওটা কৱঙনতে এমাৰ বাৰুকৈয়ে পৰিল। তেনেতে লেম লৈ ফুৰা 'গাইড' ৰূপী হেড জামাদাৰ জনে 'ৱহা নহী, ৱহা নহী ' বুলি মাত দি তাৰ পৰা ঘুৰাই লৈ গ'ল। সেই ১৪ নং ৱার্ডতে কৃষ্ণ শর্মা, বাগ্মীবৰ ককা, বিমলা প্রসাদ চলিহা, শ্রীবিজয় চন্দ্র ভাগৱতী, 'পল্লধৰ চলিহা, 'হেম ৰুৰুৱা আদি ১৮/২০ জন আছিল। ইফালে আতুৰত, আতঙ্কত মহৰ টোকোনৰ মাৰৰ কোবত চিঞৰত গগণ ফালিছে। য'ত সোমোৱা নাই তাত বন্দীসকলে মুৰ পিঠি সাজু কৰি ৰাখিছে। কেনি ক'ত কান্দোনৰ চিঞৰৰ ৰোল উঠিছে, আন্ধাৰত বুজিব নোৱাৰি।

একেবাৰে শেষত ভাতখোৱা ঘৰত সোমাল। এই ঘৰত একেলগে দুশমান বন্দীয়ে ভাত খাই আছিল। ঘৰটোত লোহাৰ জালি আছিল। জালি মাজে মাজে ফটা আছিল। ফটা জালিকে অলপ বহল কৰি ওলাই যোৱা কেইজনৰ হাত ভৰি শৰীৰ জালিয়ে ফালি বাৰুকৈয়ে ঘা লাগিল। বাকীসকলক গৰু পিটাদি পিটিলে। গাৰ তেজেৰে ভাতৰ পাত্র লুতুৰি পুতুৰি হ'ল। তেজেৰে ডোঙা বান্ধিলে। কাৰোবাৰ হাত ভাগিল, কাৰোবাৰ ভৰি ভাগিল, কাৰোবাৰ আৰু মুৰ ফাটিল, কাৰোবাৰ দাঁত সৰিল। গোটেই মজিয়াখন তেজেৰে তুমৰলি বান্ধিলে। কোনো সহায় নাই, নাই এষাৰি আঁয়ে দেহিৰ দৰে সহানুভূতিৰ মাত। মাটিতে বাগৰি কান্দে শ্রীহৰি অৱস্থা।

প্রতি ৱার্ডত বাছি বাছি ৰাজনৈতিক বন্দীক পিটিছিল। সেইসকল জীৱনলৈ ঘুণীয়া হ'ল। এজন পাহোৰাল বন্দীয়ে পুলিছৰ লাঠিকে কাঢ়ি ললে, ওভতাই পুলিছজনকে মাৰিবলৈ লাঠি ডাঙি ললে। লাঠি ডাঙি লোৱাৰ অৱস্থাতে চেতনা আহিল -তেওঁ মহাত্মা গান্ধীৰ অহিংস সৈনিক। তেওঁ কাৰাগাৰত যন্ত্রণা সহ্য কৰিবলৈহে আছে, কাকো আঘাত কৰিবলৈ নহয়। তৎক্ষণাত দাঙি লোৱা লাঠি পুলিচজনক ঘুৰাই দিলে। সেই লাঠিৰেই পুলিচজনে তেওঁক উৰাই-ঘুৰাই পিটিলে জীৱনলৈ ঘুনীয়া হোৱাকৈ। সেইজন সত্যাগ্রহী অলপতে দুৰাৰোগ্য ৰোগত আক্রান্ত হৈ স্বর্গী হৈছে। নাম ৰূপৰাম খাৰৱৰীয়া। ঘৰ কাকজান কমাৰখাটোৱালত। উঠি গ'ল গান্ধীৰখোৱাৰ লক্ষীবাৰীলৈ।

সহায় নাই, আশ্রয় নাই, আন্ধাৰ ৰাতি, কোনো ওলাব নোৱাৰে। ৰ'বে মানুহ ত'তে পৰি থাকিল। প্রাথমিক চিকিৎসাৰ প্রশ্নই নুঠে। বেজাৰত, বিষত, ঘাবোৰৰ যাত্রণাত ৰাতিটো সেইদৰে পৰি থাকিল। ৰাতিটো কাৰো টোপনি নাহিল। যাত্রনাৰ চিৎকাৰ চলি থাকিল। অসহায় অৱস্থা।

দুখৰ ৰাতি নেযায়-নুপুৰায়। বেছিকৈ মাৰ খোৱা সকলৰ ধৰকৰণি চৎফটনিত অৱশেষত ৰাতি পুৱাল। প্রতি ৰাউণ্ড লৌহ কপাট খোল খালে। তেতিয়াহে গম পোৱা গ'ল - ১৫০ জনে মাৰ খালে। ৪৬ জনক হস্পিতালত ভর্তি কৰিব লগা হ'ল। ২৮ জনৰ জখম গুৰুতৰ। তাৰ ভিতৰত চাওখাটিৰ শশীধৰ মলীয়া বৰুৱা, উপেন্দ্র নাথ হাজৰিকা, টীয়কৰ বোহিত ৰবদলৈ, শ্রীবেণু ৰবদলৈ, শিমলুগুৰিৰ শিৱৰাম ৰবা, দেৱগাঁৱঁৰ নৱেন শর্মা আদিৰ আঘাত অতি বেছি। 'এ' আৰু 'বি' ডিভিজনৰ বন্দীৰ চাহ-কটিবে আঘাত পোৱাসকলক কেইবাদিনলৈকে শুশ্রূষা কৰা হৈছিল।

এনে অপ্রৱোচিত অমানুষিক কাণ্ডৰ কাৰণ কি ? কিহৰ কাৰণে নিৰপৰাধী, নিৰস্ত্র ৰাজনৈতিক বন্দীৰ ওপৰত জঘন্য মাৰ-ধৰ চলিল ? অসহায় অৱস্থাত কি কাৰণে আক্রমণ চলোৱা হ'ল ? এই কথা আজিও ৰহস্য হৈয়ে ৰ'ল, অনুদ্ঘাটিত হৈ থাকিল। পাচদিনা পলমকৈ কাৰাগাৰ অধীক্ষক গ'ল। তেৱোঁ একো নকৰিলে। এজন সহকাৰী আয়ুক্তৰ দ্বাৰা (ৰতিকান্ত শর্মা) তদন্তৰ নামত ভেকো-ভাওনা পতা হ'ল। তাৰো প্রতিবেদন প্রকাশ নহ'ল। সেই সময়ৰ যোৱহাটৰ কাৰাগাৰত বন্দী হৈ থকা লোকসকলৰ বিশ্বাস সুকীয়া। সেই বিশ্বাস স্বাধীনোত্তৰ কালত সত্য বুলি প্রমাণিত হ'ল। বন্দীসকলৰ বিশ্বাস যে মূৰব্বী জেইলাৰ তাৰক দে (তাৰক বাবু) ৰাজনৈতিক বন্দীসকলৰ চকুৰ কুটা, দাঁতৰ শূল। ইয়াৰো কাৰণ আছে। বিয়াল্লিছৰ যোৱহাট কাৰাগাৰ বন্দীসকলৰ কাৰণে 'তীর্থক্ষেত্র'। এই তীর্থক্ষেত্রত অৱগাহণ কৰি বন্দীসকলে কাৰাগাৰৰ বাহিৰৰ গণ বিপ্লৱৰ বিস্ফোভ কৰি ন্যায্য প্রাপ্য আদায় কৰি লৈছিল। বন্দীসকলৰ এখন সাধাৰণ সভা আছিল। সম্পাদক আছিল দেৱগাঁৱঁৰ নৱেন শর্মা। সাধাৰণ সভাখন প্রাপ্য আদায়ৰ মাধ্যম বা মঞ্চ আছিল। কাৰাগাৰ আইন আৰু জেল মেনুৱেল জনা লোক বন্দী সকলৰ মাজতে কেইবাজনো প্রসিদ্ধ অধিবক্তা আছিল। সেই কাৰণে তাৰক বাবুৱে তুৰি-মুৰি কৰিব নোৱাৰি সাধাৰণ সভাৰ কামবোৰক 'অত্যাচাৰ' বুলি অভিহিত কৰিছিলে। আনকি ব্যক্তিগত আক্রোশ লৈ প্রতিশোধ পৰায়ণ হৈ পৰিছিল। পদোন্নতিৰ প্রত্যাশাত তাৰক বাবু অধিক প্রভু-ভক্ত হৈছিল।

২৪ ফেব্রুৱাৰীৰ সকলো পৰিকল্পনা সংগোপনে তেওঁ নিজেই কৰিছিলে। নিজে সেইদিনা গধূলি কিবা অজুহাতত যোৰহাট নগৰলৈ গুছি গৈছিল। ঘটনাৰ বাতি তেওঁক কোনেও বিচাৰি নাপালে। ভাৰতবৰ্ষই স্বাধীনতা কস্মিণকালেও নাপায় এই ধাৰণা ৰ বশৱৰ্ত্তী বা বিশ্বাসী হৈ তাৰক বাবুৱে ৰাজনৈতিক বন্দীৰ ওপৰত পাশবিক পোতক ললে। বন্দীসকলৰ এই বিশ্বাস স্বাধীনোত্তৰ কালত সত্য বুলি প্রমাণিত-কৰিলে তাৰক বাবুৱে নিজে। লোকপ্রিয় বৰদলৈ, জননায়ক দেৱেশ্বৰ শর্মা আৰু শ্রমিক-প্রাণ সৰ্ব্বেশ্বৰ বৰদলৈৰ দুই ভৰিৰ মাজত মুৰটো সুমুৱাই 'আমাকে বাচান আমাকে বাচান' বুলি জয়দেউ কাকুতি কৰা ঘটনাই তেওঁৰ সকলো দুৰভিসন্ধি উদঘাটন কৰাই নহয়, তেওঁৰ স্বীকাৰোক্তিৰে ক্ষমা প্রার্থনা কৰিলে। জ্যেষ্ঠতম্ সহকাৰী জেইলাৰজনে ২৪ ফেব্রুৱাৰীৰ ঘটনাৰ ভু-ভটং একো উমানকে নাপালে।

এসপ্তাহমানৰ পাচত উপায়ুক্ত 'হামফ্রে' কুশল কোঁৱৰ পথেদি গোলাঘাটৰ ফালৰ পৰা আহোতে আচম্বিতে যোৰহাট কাৰাগাৰত সোমাল। কাৰাগাৰৰ ভিতৰলৈ গৈ মুখ্য জেইলাৰৰ লগত কথাপাতি যাওঁতে 'এ ডিভিজনৰ' ৱার্ডৰ কর্ত্তব্যৰত চন্তৰীটোক হুইছেল বজাবলৈ ক'লে। তেওঁ হুইছেল বজালে। সেই হুইছেল শুনি আন কোনেও হুইছেলৰ পুনৰাবৃত্তি নকৰিলে। ঘটনাৰ দিনা এটা হুইছেলৰ লগে লগে অসংখ্য হুইছেল বাজিলেই, আনকি পগলা ঘণ্টাও বাজিলে। উপায়ুক্তই ইয়াৰ কাৰণ সোধাত জেইলাৰে সন্তোষজনক উত্তৰ দিব নোৱাৰি সেমেনা সেমেনি কৰিবলৈ ধৰিলে। সেই ঘটনা পূৰ্ব্ব-পৰিকল্পিত বুলি এই প্রসঙ্গয়ো প্রমাণ কৰে।

বিয়াল্লিছৰ গণবিপ্লৱত যোৰহাট কাৰাগাৰৰ বন্দীসকলে এই ঘটনা পাহৰা সম্ভৱ নহয়। নিজৰ নিজৰ স্মৃতিৰ-পটত আজীৱন এই ঘটনাৰ দৃশ্যপট ভাহি থাকিব। ১৪ নং ৱার্ডত থকা শিৱসাগৰৰ বিষ্ণু প্রসাদ চলিহাই খণ্ডত দাঁত মূৰ কৰচি কেইবাদিনলৈকে কৈ আছিল - "ডু অৰ ডাই, ডু অৰ ডাই। তোমালোকে কৰিবা, আমি ডাই-মৰিম। ডু অৰ ডাই ॥"

কোৱা বাহুল্য যে বেছিকৈ আঘাত পোৱা প্রায় আঠাইকেইজন মুক্তি যুঁজাকৰে এই-আঘাতৰ প্রতিক্রিয়াতে ইহ সংসাৰ ত্যাগ কৰিলে।

শহীদ কুশল কোঁরবব পবিয়াল

পবিবাব প্রভাবতী কুঁবী



শ্রীখগেন কোঁরব
ববপুত্র

নগেন কোঁরব
সকপুত্র

সম্মুখৰ শাৰীত (বাওঁফালৰ পৰা) - ঁধৰমী কছাৰী, শ্ৰীভুবন বৰুৱা, শ্ৰীভুবন সন্দিকৈ, ঁচক্ৰেশ্বৰ শইকীযা, ঁৰত্নধৰ ফুকন, ঁকমলা হাজৰিকা, ঁহেমধৰ হাজৰিকা, শ্ৰীতিলেশ্বৰ চাংমাই, শ্ৰীমোহন চন্দ্ৰ গোস্বামী, শ্ৰীবাপুকণ নেওঁগ।

মাজৰ শাৰীত (বাওঁফালৰ পৰা) - শ্ৰীৰাতিৰাম কছাৰী, শ্ৰীমুহিকান্ত বৰুৱা, শ্ৰীহেমধৰ গগৈ, ঁদেহিৰাম বডা, ঁদূর্গা কছাৰী, ঁবগাই সন্দিকৈ, ঁভূবন ৰাজখোৱা, শ্ৰীবাবুলা ভৰালী, ঁযদু দাস, শ্ৰীভদ্রেশ্বৰ বুঢাগোঁহাই, জেহিৰুদ্দিন আহমেদ, শ্ৰীখগেশ্বৰ গগৈ।

শেষৰ শাৰীত (বাওঁফালৰ পৰা) - ঁতনুৰাম কছাৰী, শ্ৰীমহেন্দ্ৰ নাথ ফুকন, ঁদীন নাথ সন্দিকৈ, শ্ৰীমুহিধৰ বগদুৱৰা।

"অর্ডিনেন্স আৰউইন গ' বেক" ১৯৩১ চনৰ জানুৱাৰী মাহত
মৰণ-পণ লৈ মৃত্যুঞ্জয় যাত্ৰীৰ দল

১৯৯৫ চনৰ ৭ আৰু ৮ জানুৱাৰী তাৰিখে যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ তিতাবৰত অনুষ্ঠিত ত্ৰৈ বাৰ্ষিক সন্মিলনৰ সভাপতি মাজত শ্ৰীসোণাৰাম চুতীয়া আৰু দুয়োকাষে উপ-সভাপতি শ্ৰীমোহন চন্দ্ৰ বড়া আৰু উপদেষ্টা শ্ৰীভুবন চন্দ্ৰ সন্দিকৈক দেখা গৈছে।

সৰ্বশ্ৰী - দেবেশ্বৰ দলৈ, মোহন চন্দ্ৰ গোস্বামী, মহেন্দ্ৰ নাথ ফুকন, চিদা কলিতা, ভোলা হাজৰিকা, প্ৰফুল্ল গোস্বামী, মুকুন্দধৰ বকৰা আদি মুক্তি যুঁজাৰু সকল।



শ্রীশ্রী কৃষ্ণচন্দ্র দেবগোস্বামী

বামপন্থী তাত্ত্বিক স্বর্গীয় দধি মহন্ত



খঙ্গিয়া মৌজার সংগ্রামর গুরি ধরৌতা
স্বর্গীয় প্রেমধর বরুৱা

(এই মুক্তি যুঁজাক কেইজনর ফটো সময়মতে নোপোৱাত জীৱন বৃত্তান্তর লগত দিব নোৱাৰি দুঃখিত। - সম্পাদকদ্বয়।)

১৯৬৪ চনৰ গান্ধী জয়ন্তী (২ অক্টোবৰ) উপলক্ষে যোৰহাটৰ মহেন্দ্ৰ নগৰ মুকলি কাৰাগাৰ চৌহদত অৱস্থিত অমৰ শ্বহীদ কুশল কোঁৱৰ আৰু কমলা মিৰিৰ সমাধিত তদানীন্তন মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চলিহা, কাৰাগাৰ মন্ত্ৰী মহেন্দ্ৰ নাথ হাজৰিকা আৰু জিলা কংগ্ৰেছৰ সভাপতি যোগেন শইকীয়াই তৰ্পণ দিয়াৰ দৃশ্য।

দেশনেতা কুলধৰ চলিহা জন্ম শত বাৰ্ষিকীত যোৰহাট জিলাৰ মুক্তি যুঁজাক সকলৰ শোভাযাত্ৰাত পদ্মেশ্বৰ গোস্বামী, মোহন চন্দ্ৰ বড়া, কুমুদেশ্বৰ বড়া আদি প্ৰবীণ মুক্তি যুঁজাক সকলক দেখা গৈছে।

শ্বহীদ কুশল কোঁৱৰ আৰু কমলা মিৰিৰ সমাধি স্থলীত আয়োজিত মুক্তি যুঁজাক সকলৰ সভাত মুখ্য মন্ত্ৰীৰ হৈ যোৰহাট জিলা মুক্তি যুঁজাক সম্মিলনৰ কাৰ্য্যকৰী সভাপতি শ্ৰীদেবেশ্বৰ দলৈয়ে অভিভাষণ পাঠ কৰি থকা দেখা গৈছে।



১৯৮৮ চনত যোৰহাটত বহা অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ কার্য্যকৰী সমিতিৰ সভাত উপস্থিত থকা মুক্তি যুঁজাৰু সকলৰ পৰিচয়

সোঁহাতৰ পৰা - সৰ্ব্বশ্রী চিদানন্দ কলিতা, ?, মহেশ্বৰ নাথ, গোপীকান্ত বৰুৱা, ... হাজৰিকা, মোহন বড়া, সুৰেন্দ্র নাথ ভট্টাচার্য্য, দেৱানন্দ ভৰালী, মুকুন্দ ধৰ বৰুৱা, প্রফুল্ল গোস্বামী, দেবেশ্বৰ বৰুৱা, গোলাপ কাকতি, বাপেশ্বৰ শর্মা।

মাজৰ শাৰীত বহি সোঁফালৰ পৰা - সৰ্ব্বশ্রী - দেবেশ্বৰ দলৈ, বিশ্বেশ্বৰ শর্মা, বেণুৰঞ্জন বৰুৱা, কামাখ্যা প্রসাদ দাস, ৰবীন নৰিচ, ৰবীন কাকতি, (সভাপতি) সর্ব্বেশ্বৰ ৰৰদলৈ, (কার্য্যকৰী সভাপতি) তাৰা প্রসাদ ৰৰঠাকুৰ, ..., ফটিক হাজৰিকা, ভাৰত গোস্বামী, বেণু কলিতা।

পিছফালে ঠিয়হৈ - ?, লক্ষীনাথ দত্ত, বিষ্ণুকান্ত দত্ত, মিনাৰাম বড়া, সোণাৰাম চুতীয়া, চক্রেশ্বৰ শইকীয়া, পদ্মেশ্বৰ গোস্বামী, কণকেশ্বৰ শইকীয়া, টঙ্কেশ্বৰ বড়া, ভূৰন চন্দ্র সন্দিকৈ, ?, ... সোণাৰাম শইকীয়া, বাপুকণ নেওঁগ।

শেষৰ শাৰীত - ?, সৰ্ব্বশ্রী তিলেশ্বৰ ৰৰদলৈ, গনেশৰাম শর্মা, কণৰাম শইকীয়া, প্রসন্ন গোস্বামী, কণৰাম শইকীয়া, ?, লোকনাথ ভৰালী।

যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ
কার্য্যকৰী সমিতিৰ সদস্য সকল - ১৯৯৪ চন

ৰাওঁফালৰ পৰা বহি - সৰ্ব্বশ্রী তিলেশ্বৰ চাংমাই, গুণাভিৰাম বড়া, ভুবন সন্দিকৈ, সোণাৰাম চুতীয়া (সভাপতি), মোহন গোস্বামী (উপদেষ্টা), বাপুকণ নেওগ (উপ-সভাপতি), দেবেশ্বৰ বৰুৱা, প্রসন্ন গোস্বামী, মিনাৰাম বড়া।

মাজত বহি - শ্রীমতী পুণ্য দাস, কিৰণ বালা ৰবদলৈ, টঙ্কেশ্বৰ বড়া, ভুবনমোহন বুঢ়াগোঁহাই, কণকেশ্বৰ শইকীয়া, ভৱানী ঠাকুৰ, মহেন্দ্র ফুকন, লক্ষীনাথ দত্ত, তৰুণ চাংকাকতি, সোণাৰাম শইকীয়া।

শেহৰ শাৰীত থিয় হৈ - চিদানন্দ কলিতা, কণৰাম শইকীয়া, কমলেশ্বৰ গগৈ, মাঘিৰাম কছাৰী, মোহন বড়া, দেবেশ্বৰ দলৈ (কাঃ সভাপতি) নগেন বড়া, তিলেশ্বৰ ৰবদলৈ (প্রধান সম্পাদক) জয়ৰাম ফুকন, দূর্গাপ্রসাদ বড়া।

১৯৯৫ চনৰ ৭ আৰু ৮ জানুৱাৰী তাৰিখে তিতাবৰত বহা যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ ত্ৰৈ বাৰ্ষিক অধিবেশনত সৰ্ব্বধৰ্মীয় প্ৰাৰ্থনাৰ অন্তত সমবেত জিলাৰ মুক্তি যুঁজাৰু সকল। ৯৪ বছৰ বয়সীয়া প্ৰবীণতম মুক্তি যুঁজাৰু **শ্ৰীকুমুদেশ্বৰ** বড়াক সভাপতি **শ্ৰীসোণাৰাম দেৱৰ** কাষত বহি থকা দেখা গৈছে (ক'লা চাদৰলৈ)।



যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ ত্ৰৈ বাৰ্ষিক তিতাবৰ অধিবেশনত বিশিষ্ট অতিথিৰ ভাষণত ৰাজ্যিক মুঃ যুঃ সঃ উপসভাপতি **শ্ৰীটঙ্কেশ্বৰ চেতিয়া**, সভাপতিৰ আসনত **শ্ৰীসোণাৰাম চুতীয়া**, কাৰ্য্যকৰী সভাপতি **শ্ৰীদেৱেশ্বৰ দলৈ** আৰু প্ৰঃ সম্পাদক **শ্ৰীতিলেশ্বৰ ৰবদলৈ** আদি জিলাৰ কৰ্মকৰ্ত্তা সকলক দেখা গৈছে।

চলিহা শতবার্ষিকীর শোভাযাত্রা

সর্ব্বশ্রী - ভুবন চন্দ্র সন্দিকৈ, সর্ব্বেশ্বর বরদলৈ, মোহন চন্দ্র গোস্বামী, মুকুন্দধর বরুৱা, বদনচন্দ্র বরুৱা, চিদা কলিতা, দেবেশ্বর দলৈ, নগেন্দ্র নাথ বড়া, নিত্যানন্দ শর্মা বরদলৈ আদি।

দেশনেতা কুলধর চলিহা জন্ম শত বার্ষিকীর উপলক্ষে
মুক্তি যুঁজাক সকলর শোভাযাত্রা

গান্ধী টুপীৰে সর্ব্বশ্রী মোহন চন্দ্র গোস্বামী, প্রফুল্ল বরুৱা, ভোলা হাজৰিকা, দেবেশ্বর দলৈ আদিক দেখা গৈছে।

শৰণীয়া আশ্রমত মহাত্মা প্রাতঃভ্রমণত
তেওঁৰ সোঁহাতে শ্রীমতী অমলাপ্রভা দাস
আৰু বাওঁহাতে ডা· হৃষিকৃষ্ণ দাস

আমি শ্রদ্ধাৰে সুঁৱৰিছো

ভাৰতৰ মুক্তি সংগ্ৰামৰ বিভিন্ন সময়ত কাৰাবাস খটা প্ৰতি মৌজাৰ মুক্তি যুঁজাক সকলৰ নাম তলত দিয়া হ'ল । এই তালিকা কাৰাগাৰৰ নথিৰ পৰা অনা হৈছে । যদি আমাৰ অজ্ঞাতে কাৰোবাৰ নাম বাদ পৰি গৈছে, তেখেতসকললৈ আমাৰ শ্ৰদ্ধাঞ্জলি আগবঢ়াই অনিচ্ছাকৃত ত্ৰুটিৰ মাৰ্জনা বিচাৰিলোঁ । - সম্পাদকদ্বয়

শিমলুগুৰি মৌজা

নাম	গাওঁ আৰু ঠিকনা	কাৰাৱাসৰ চন
৺হৰনাথ শৰ্মা বৰুৱা	শিমলুগুৰি, টীয়ক	১৯২১-২২
৺গঙ্গেশ্বৰ শৰ্মা	চাৰিঙ্গীয়া	১৯২১-২২
৺ৰামেশ্বৰ ভট্টাচাৰ্য্য	চূড়ামণি গাওঁ, জাঁজী	১৯২১-৩০-৪০-৪২
৺ৰোষেশ্বৰ ৰাজখোৱা	চাৰিষ্ঠীয়া গাওঁ, ভগামুখ	১৯২১-৩০-৪০-৪২
৺নিৰাৰণ চন্দ্ৰ বৰুৱা	চাৰিষ্ঠীয়া গাওঁ, ভগামুখ	১৯২১-৩০-৪০-৪২
শ্ৰীঅৰুণ কুমাৰ ভট্টাচাৰ্য্য	চাৰিষ্ঠীয়া গাওঁ, ভগামুখ	১৯৪২
৺কালি প্ৰসাদ ভট্টাচাৰ্য্য	চাৰিষ্ঠীয়া গাওঁ, ভগামুখ	১৯৪২
৺মানিক চন্দ্ৰ ভট্টাচাৰ্য্য	চাৰিষ্ঠীয়া গাওঁ, ভগামুখ	১৯৪২
৺ধৰ্মেশ্বৰ বৰুৱা (ভলক বায়েন)	শেনচোৱা গাওঁ	১৯৪২
৺টিকিৰাই গগৈ	চাংমাই গাওঁ	১৯৪২
৺সুৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য	শিৱোমণি গাওঁ, বামুণ পুখুৰী	১৯৪২
৺ডিম্বেশ্বৰ শইকীয়া	পাচনি গাওঁ, বামুণ পুখুৰী	১৯৪২
৺তোষেশ্বৰ শৰ্মা	তুলসীজান গাওঁ, বামুণ পুখুৰী	১৯৪২
শ্ৰীডিম্বেশ্বৰ শৰ্মা	তুলসীজান গাওঁ, বামুণ পুখুৰী	১৯৪২

শ্রীমহেন্দ্র নাথ হাজৰিকা	তুলসীজান গাওঁ, বামুণ পুখুৰী	১৯৪২
শ্রীযজ্ঞেশ্বৰ হাজৰিকা	তুলসীজান গাওঁ, বামুণ পুখুৰী	১৯৪২
শ্রীগগণ চন্দ্র ৰৱদলৈ	বনাই	১৯৪২
ঘনকান্ত হাজৰিকা	তুলসীজান	১৯৪২
কণল'ৰা কলিতা	তুলসীজান	১৯৪২
ভোলোক গগৈ	তুলসীজান	১৯৪২
টকেশ্বৰ শর্মা	তুলসীজান	১৯৪২
পদ্ম পাচনী	তুলসীজান	১৯৪২
বাপুৰাম গগৈ	তুলসীজান	১৯৪২
ভুবন চন্দ্র বাৰুৱত্তী	তুলসীজান	১৯৪২
শিৱৰাম ৰৱা	কমাৰগাওঁ, বামুণ পুখুৰী	১৯৪২
বিমান পাচনী	পাচনী গাওঁ	১৯৪২
শ্রীতৰুণ চাংকাকতি	তামুলীছিগা	১৯৪২
মহেশ্বৰ ভট্টাচার্য্য	বনাই	১৯৪২
শ্রীচন্দ্রকান্ত ৰাজখোৱা	চাৰিঙীয়া গাওঁ, ভগামুখ	১৯৪২
শ্রীকৃষ্ণকান্ত গোস্বামী	চূড়ামণি গাওঁ, জাঁজী	১৯৪২
ৰাজেশ্বৰ ভট্টাচার্য্য	চূড়ামণি গাওঁ, জাঁজী	১৯৪২
গণ ভট্টাচার্য্য	চূড়ামণি গাওঁ, জাঁজী	১৯৪২
শ্রীডিম্বেশ্বৰ ভূঞা	বনাই	১৯৪২
দেৱনাথ ভট্টাচার্য্য	শিৱোমণি গাওঁ, বামুণ পুখুৰী	১৯৪২
জগন্নাথ শর্মা	তুলসীজান, বামুণ পুখুৰী	১৯৪২
অকণ ভট্টাচার্য্য	বামুণ পুখুৰী	১৯৪২

টীয়ক মৌজা

হেমৰাম কেওট	গুৱাল গাওঁ, টীয়ক	১৯২১-২২
সক মুচি	টীয়ক বঙালী বস্তি, টীয়ক	১৯২১-২২
হীৰানাথ ৰৱৰা	দুলীয়া গাওঁ, টীয়ক	১৯৩০-৪০-৪২

শ্রীকুমুদেশ্বৰ বড়া	দুলীয়া গাওঁ	১৯৩২-৪২	
ডিম্বেশ্বৰ ৰবদলৈ	জ-খৰীয়া গাওঁ, টীয়ক	১৯৩২	
বপৰাম খাৰঘৰীয়া	কমাৰখাটোৱাল গাওঁ, কাকজান	১৯৪২	
খগেশ্বৰ হাজৰিকা	ঢেকীয়ানী ভৰলুৱা গাওঁ, টীয়ক	১৯৪২	
শ্রীৰূপেশ্বৰ কলিতা	কঁহাৰ গাওঁ, টীয়ক	১৯৪২	
পোৱাল চন্দ্র শইকীয়া	দুলীয়া গাওঁ, কাকজান	১৯৪২	
শ্রীকনকেশ্বৰ শইকীয়া	কঁহাৰ গাওঁ, কাকজান	১৯৪২	
শ্রীবানেশ্বৰ ৰবৰবা	পছুণ্ডী গাওঁ, টীয়ক	১৯৪২	
শ্রীতাৰিণী প্রসাদ পূজাৰী	টীয়ক বামুণ গাওঁ	১৯৪২	
খেমাই শইকীয়া	দুলীয়া গাওঁ, টীয়ক	১৯৪২	
নীল নাথ শইকীয়া	ঢেকীয়ানি ভৰলুৱা গাওঁ, টীয়ক	১৯৪২	
কদম্বেশ্বৰ ৰৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২	
অকণ চন্দ্র ৰৰুৱা	পৰ্বতীয়া	১৯৪০	
দীঘলা বনুৱা	টীয়ক	১৯৪০	
সর্বেশ্বৰ ৰৰুৱা	জগদুৱাৰ	১৯৪২	
যুগল ৰৰুৱা	টীয়ক	১৯৪০	
শ্রীদেবেশ্বৰ দলৈ	ৰজাবাৰী কঁহাৰগাওঁ, টীয়ক	১৯৪২	
শ্রীভুৱন চন্দ্র ৰৰুৱা	ৰজাবাৰী কঁহাৰগাওঁ, টীয়ক	১৯৪২	
চিদানন্দ দোলাকাষৰীয়া	ঢেকীয়ানী	১৯৪২	
শ্রীৰেনুধৰ ৰবদলৈ	জ-খৰীয়া		১৯৪২
শ্রীনন্দীনাথ ৰবদলৈ	টীয়ক কঁহাৰগাওঁ	১৯৪২	
কমলাকান্ত নেওগ	টীয়ক দুলীয়া গাওঁ	১৯৪২	
শ্রীবিষ্ণু প্রসাদ ৰৰুৱা	পৰ্বতীয়া গাওঁ, টীয়ক	১৯৪২	
শ্রীভোলানাথ হাজৰিকা	মাজগাওঁ, টীয়ক	১৯৪২	
দীননাথ ৰবা	দুলীয়া গাওঁ, টীয়ক	১৯৪২	
চন্দ্রধৰ দত্ত	কঁহাৰ গাওঁ, টীয়ক	১৯৪২	
মোহিত চন্দ্র ৰবদলৈ	জগদুৱাৰ সোণাৰী গাওঁ, টীয়ক	১৯৪২	

তুলসী বৰদলৈ	জগদুৱাৰ সোণাৰী গাওঁ, টীয়ক	১৯৪২
সৰ্বেশ্বৰ বৰুৱা	নাৰেঙ পাচনী গাওঁ, টীয়ক	১৯৪২
গোবিন্দ চন্দ্ৰ বৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২
শ্ৰীত্ৰৈলোক্য বৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২
শ্ৰীদুলাল চন্দ্ৰ ৰায়বৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২
শ্ৰীঅকণ চন্দ্ৰ ৰবা	ফুলবাৰী সত্ৰ, টীয়ক	১৯৪২
শ্ৰীঅকণ চন্দ্ৰ বৰবৰা	পছুণ্ডী গাওঁ, টীয়ক	১৯৪২
শ্ৰীচাৰু চন্দ্ৰ গোস্বামী	ঢেকীয়ানী ভৰলুৱা গাওঁ, টীয়ক	১৯৪২
যোগেশ্বৰ গগৈ	চাওদাং গাওঁ, টীয়ক	১৯৪২
শ্ৰীযোগেশ্বৰ বৰদলৈ	কঁহৰ গাওঁ, টীয়ক	১৯৪২
শ্ৰীদেবানন্দ মহন্ত	কমাৰখাটোৱাল, টীয়ক	১৯৪২
মোহন চন্দ্ৰ মহন্ত	কমাৰখাটোৱাল, টীয়ক	১৯৪২
নগেন ৰায়বৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২
মহেন্দ্ৰ নাথ বৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২
মোহন চন্দ্ৰ বৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২
শ্ৰীমতী দেবযানী বৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২
শ্ৰীমতী আইদেউ বৰুৱা	দুলীয়া গাওঁ, টীয়ক	১৯৪২

লাহিং মৌজা

ফণীধৰ শৰ্মা (ফুকন)	ভূএৰাহাট, জাঁজী	১৯২১-২২
টিকিৰাই গগৈ	লাহিং	১৯২১-২২
নাণকু পাংকা	লাহিং	১৯২১-২২.
চিমু নায়ক	বৈচাহাবি চাহ বাগিছা, চেলেংহাট	১৯২১-২২
হেমনাথ ফুকন	কমাৰগাওঁ, জাঁজী	১৯২১-৪০-৪২
খগেশ্বৰ গগৈ	বৰ নগএৰা গাওঁ, চেলেংহাট	১৯৩০-৪০-৪২
ভৰাম বৰুৱা	বৰ নগএৰা গাওঁ, চেলেং হাট	১৯৩২
কেশৰাম গগৈ	ঐ	১৯৩২

ঁফণীধৱ গগৈ	ঐ	১৯৩২
ঁটৈপুৱাম দুৱৰা	ঐ	১৯৩২
ঁথগিৱাম গগৈ	ঐ	১৯৩২
ঁপুণাৱাম গগৈ	ঐ	১৯৩২
ঁটৈলেকা গগৈ	ঐ	১৯৩২
ঁকিনাৱাম গগৈ	ঐ	১৯৩২
ঁতিলক গগৈ	ঐ	১৯৪২
শ্রীগোলাপ ফুকন	বাইলুং গাওঁ, জাঁজী	১৯৪২
ঁদীন ফুকন	লুখুৱাখন গাওঁ, চেলেংহাট	১৯৪২
শ্রীহেম চন্দ্র ৱৰা	কুকুৱাচোৱা গাওঁ, চেলেংহাট	১৯৪২
শ্রীডম্বৰুধৱ নেওগ	পদুমণি জাপিসজীয়া গাওঁ, চেলেংহাট	১৯৪২
শ্রীগঙ্গাধৱ গগৈ	পানীতোলা গাওঁ, জাঁজী	১৯৪২
ঁনন্দেশ্বৱ গগৈ	ঐ	১৯৪২
ঁটঙ্কেশ্বৱ বৰুৱা	ঐ	১৯৪২
সদানন্দ বৰুৱা	চেতিয়া গাওঁ, চেলেংহাট	১৯৪২
ঁসর্বেশ্বৱ বৰুৱা	হালোৱা পথাৰ, চেলেংহাট	১৯৪২
শ্রীকমলেশ্বৱ গগৈ	পিঠাখোৱা গাওঁ, চেলেংহাট	১৯৪২
ঁশচীকান্ত গগৈ	ঐ	১৯৪২
শ্রীপ্রেমনাথ ৱৰা	বৰ নগঞা গাওঁ	১৯৪২
শ্রীভোলানাথ ফুকন	ভূঞাহাট, জাঁজী	১৯৪২

চাৰিগাওঁ মৌজা

লক্ষেশ্বৱ বৰুৱা	চাৰিগাওঁ, বাহনা	১৯২১-৪০-৪২
ঁহৰিনাৰায়ণ বৰুৱা	বৰিগাওঁ, যোৱহাট	১৯৩০-৩২-৪০-৪২
ঁউপেন বৰুৱা	চাৰিগাওঁ	১৯৩০
ঁপেপেৱা ৱৰা	কলাখোৱা	১৯৪২
ঁবংশীধৱ দত্ত	কলাখোৱা	১৯৪২

শ্রীমতী সুধালতা দত্ত	কলাখোৱা	১৯৪০-৪২
কৃষ্ণ প্রসাদ দত্ত	চাৰিগাওঁ, বাহ্না	১৯৪২
যোগেন শইকীয়া	ঐ	১৯৪২
যজ্ঞেশ্বৰ ৰৱদলৈ	লুৱকীহাট, যোৱহাট	১৯৪২
শ্রীসোণাৰাম শইকীয়া	চাৰিগাওঁ, বাহ্না	১৯৪২
গোলাপ দত্ত	কেন্দুগুৰি, যোৱহাট	১৯৪২
শ্রীনগেন্দ্র কুমাৰ ৰৱৱা	চাৰিগাওঁ, যোৱহাট	১৯৪২
ভাৰিৰাম দত্ত	ঐ	১৯৩০-৪২
শ্রীমহেন্দ্র নেওগ	কেন্দুগুৰি, যোৱহাট	১৯৪২
শ্রীদেৱীচৰণ ৰঁৱৰড়া	ঐ	১৯৪২
শ্রীবিদ্যা ৰৱৱা	চাৰিগাওঁ, যোৱহাট	১৯৪২
শ্রীৰোষেশ্বৰ হাজৰিকা	যোৱহাট	১৯৪২
শ্রীচন্দ্রধৰ ৰৱৱা	যোৱহাট	১৯৪২
শ্রীশৰৎ ৰৱৱা	যোৱহাট	১৯৪২

হোলোঙাপাৰ মৌজা

হৰনাথ বুঢ়াগোহাঁই	মেলেং গোহাঁই গাওঁ, কাকজান	১৯২১-২২
শ্রীজয়ৰাম ফুকন	বনপিঠাগুৰি, কাকজান	১৯৪২
শ্রীসোণাৰাম চুতীয়া	ৰামকুকুৰাচোৱা গাওঁ	১৯৪২
শ্রীশৰৎ কুমাৰ ৰৱগোহাঁই	মেলেং গোহাঁই গাওঁ, কাকজান	১৯৪২
মহেশ্বৰ ৰৱকটকী	পীৰাকটা	১৯৩০-৪২
আনন্দ প্রসাদ ৰৱকটকী	ৰামকুকুৰাচোৱা, কাকজান	১৯৪২
গোলাপ হাতীৰৱৱা	মেলেং গোহাঁই গাওঁ	১৯৪২
ভৱকান্ত ৰৱা	ৰামকুকুৰাচোৱা, কাকজান	১৯৪২
শ্রীহৰকান্ত হাতীৰৱৱা	মেলেং, গোহাঁই গাওঁ	১৯৪২
কনকেশ্বৰ ফুকন	আৰাৰুৱা গাওঁ, কাকজান	১৯৪২
উমেশ চন্দ্র ৰৱা	মুদৈজান	১৯৪২

শ্রীনৱকান্ত হাতীবৰুৱা	মেলেং, গোহাঁই গাওঁ	১৯৪২
"বিষ্ণু হাতীবৰুৱা	ঐ	১৯৪২
"সর্বানন্দ হাতীবৰুৱা	ঐ	১৯৪২
"টঙ্কেশ্বৰ হাতীবৰুৱা	ঐ	১৯৪২
"পুণাৰাম হাতীবৰুৱা	ঐ	১৯৪২
"ভদ্রেশ্বৰ লাহন	পীৰাকটা	১৯৪২
"বুদুৰাম গগৈ	হোলোঙাপাৰ	১৯৪২
"কুশৰাম লাহন	ঐ	১৯৪২
"তিলেশ্বৰ হাতীবৰুৱা	মেলেং গোহাঁইগাওঁ, কাকজান	১৯৪২
"বুদ্ধেশ্বৰ লাহন	পীৰাকটা	১৯৪২
শ্রীগোপীকান্ত বৰুৱা	বনপিঠাগুৰি গাওঁ, কাকজান	১৯৪২
"চনীৰাম দোলাকাষৰীয়া	পীৰাকটা	১৯৪২
"ৰাধানাথ সন্দিকৈ	ৰৱগোহাঁই চাপৰি, কাকজান	১৯৪২
শ্রীকণৰাম শইকীয়া	ভৰলুৱা গাওঁ, পীৰাকটা	১৯৪২
শ্রীমিনাৰাম ৰৱা	ঐ	১৯৪২
শ্রীশৈলেন কোঁৱৰ	পীৰাকটা, গোহাঁইগাওঁ	১৯৪২
"গোলাপ শইকীয়া	মলীয়া গাওঁ, লাদৈগড়	১৯৪২
"খগেন্দ্র নাথ দোলাকাষৰীয়া	ভৰলুৱা গাওঁ, পীৰাকটা	১৯৪২
"সর্বেশ্বৰ শইকীয়া	হোলোঙাপাৰ	১৯৪২
"লম্বোদৰ দোলাকাষৰীয়া	ঐ	১৯৪২

গাখীৰখোৱা মৌজা

"ঋষেশ্বৰ দলৈ	বলমা	১৯৪২
শ্রীৱোধেশ্বৰ ৰৱা'	টিপমীয়া গাওঁ	১৯৪২
শ্রীমুকুট শইকীয়া	দেওধাই, চপানী	১৯৪২
শ্রীসকৰাম শইকীয়া (চুতীয়া)	চাপৰি চুক, ভৰলুৱা	১৯৪২
শ্রীমুহিৰাম চুতীয়া	শুকান জনীয়া	১৯৪২

*পুণ্যেশ্বৰ শইকীয়া	ঐ	১৯৪২
শ্রীযদুৰাম গগৈ	ঐ	১৯৪২
*শুকানী চুতীয়া	বুঢ়াকুৰি গাওঁ, বলমা	১৯৪২
শ্রীতৰুণ শইকীয়া	শুকানজনীয়া, বলমা	১৯৪২
সৰুৰাম শইকীয়া	দিহিঙ্গীয়া কলিতা গাওঁ, টীয়ক	১৯৪২
*আনন্দ শর্মা	মাজকুৰি, বলমা	১৯৪২
*মহেন্দ্র নাথ গগৈ	মটক গাওঁ, বলমা	১৯৪২
শ্রীমতিৰাম চুতীয়া	জহাখাট, টীয়ক	১৯৪২
*সোণাৰাম চুতীয়া	ন-হাট দিহিঙ্গীয়া কলিতা গাওঁ	১৯৪২
*যোগেশ্বৰ বৰা	এৰা গাওঁ, টীয়ক	১৯৪২
*হেম নাথ শর্মা	মাজকুৰি	১৯৩০-৪২
*হৰিনাথ চুতীয়া	গাখীৰখোৱা	১৯৩০-৪২
*গুণাই আহোম	ঐ	১৯৩০-৪২
*যোগেশ্বৰ হাজৰিকা	ঐ	১৯৩০-৪২
*সৰুকণ চুতীয়া	ঐ	১৯৩০-৪২

চাওখাট মৌজা

*শশীধৰ মলীয়া বৰুৱা	ঢেকীয়াখোৱা গাওঁ, কাকজান	১৯৩২-৪০-৪২
*গোলোক চন্দ্র ভূঞা	বনগাওঁ	১৯৪২
*পদ্মেশ্বৰ গোস্বামী	কাঠগাওঁ	১৯৩২-৪০-৪২
*টীপেশ্বৰ বৰা মেধী	ভৰলুৱা গাওঁ, কাকজান	১৯৪২
শ্রীযুগল বৰা	ঐ	১৯৪২
শ্রীগুণাভিৰাম বৰা	বামকুকুৰাচোৱা	১৯৪২
শ্রীসদানন্দ মহন্ত	ঐ	১৯৪২
শ্রীচন্দ্রনাথ দত্ত	ঢেকীয়াখোৱা	১৯৪২
*বত্নেশ্বৰ লাহন	বনগাওঁ	১৯৪২
ৰবীন বৰুৱা	ঢেকীয়াখোৱা	১৯৪২

ঁতুলসীকান্ত ভঁৰালী	তিনিকুৰীয়া গাওঁ	১৯৪২
শ্রীটঙ্কেশ্বৰ ৰৱা	ঐ	১৯৪০-৪২
শ্রীশৰৎ চন্দ্র গোস্বামী	ভৰলুৱা গাওঁ	১৯৪২
ঁউপেন্দ্র নাথ হাজৰিকা	বনগাওঁ	১৯৪২
ঁহেমধৰ বাঢ়ৈ	তিনিকুৰীয়া	১৯৪২
ঁলক্ষেশ্বৰ ভূঞা	বনগাওঁ	১৯৪২
ঁপ্রসন্ন দেৱ গোস্বামী	ঢাৰিগাওঁ	১৯৪২
শ্রীলোকনাথ ভৰালী	লহকৰ গাওঁ	১৯৪২
ঁসোণাৰাম দত্ত	ৰৱখেলীয়া গাওঁ	১৯৪২
ঁদুর্গেশ্বৰ শইকীয়া	ঐ	১৯৪২
ঁৰঙাই কেওঁট	ঐ	১৯৪২
শ্রীহৰিপদ কলিতা	ঐ	১৯৪২
শ্রীকুলধৰ ৰৱৱা	ঐ	১৯৪২
শ্রীযতীন শর্মা	ঐ	১৯৪২
শ্রীবেণুৰাম কেওঁট	ঐ	১৯৪২

ঠেঙ্গাল মৌজা

শ্রীমোহন চন্দ্র গোস্বামী	কৰ্হং সত্র, ৰতনপুৰ	১৯৪২
ঁৰত্নেশ্বৰ শর্মা	মলীয়া গাওঁ	১৯২১-২২-৩০
ঁখিৰেশ্বৰ ৰৱদলৈ	ধলি সোণাৰিগাওঁ, ঠেঙ্গাল	১৯৪২
শ্রীমুহিধৰ বগদুৱৱা	জালুকনি	১৯৪২
শ্রীমহেন্দ্র নাথ ফুকন	মৰধলি (বর্তমান বিবিজান)	১৯৪২
শ্রীগণেশ চন্দ্র শর্মাকটকী	মলীয়া গাওঁ	১৯৪২
শ্রীনকুল গগৈ	বাঢ়ৈবাৰী, ঠেঙ্গাল	১৯৪২
ঁভুলিৰাম কছাৰী	---	১৯৪২

কাটনী মৌজা - গড়মূৰ

*বোহ্নীকান্ত হাতীবৰুৱা	বণ্ডাজান	১৯২১-২২
*মতিৰাম চুতীয়া	গড়মূৰীয়া গাওঁ	১৯৪২
*ৰামেশ্বৰ চেতিয়া	নাগাজাক্কা	১৯৪২
*নৱেন চেতিয়া	ঐ	১৯৪২
*গুণকান্ত বৰুৱা	কৰঙা	১৯৪২
*কনেকেশ্বৰ দাস	গড়মূৰ	১৯৩০

নকছাৰী মৌজা

*প্ৰেম গগৈ	ৰজাবাৰী গাওঁ, নকছাৰী	১৯৪২

মাজুলী

*পীতাম্বৰ দেৱগোস্বামী	গড়মূৰ সত্ৰ	১৯৪২
*কৃষ্ণচন্দ্ৰ দেৱগোস্বামী	ঐ	১৯৪২
*খগেন্দ্ৰ নাথ ভূঞা	ঐ	১৯৪২
*মাধৱ চন্দ্ৰ শইকীয়া	দেওদিঁয়াআটী, কমলাবাৰী	১৯৪২
*সুনন্দ ভূঞা	ঐ	১৯৪২
শ্ৰীকনক দত্ত	গড়মূৰ, মাজুলী	১৯৪২
শ্ৰীদেউৰাম শইকীয়া	দেওদিয়াআটী, কমলাবাৰী	১৯৪২
*নাৰায়ণ চন্দ্ৰ ভৰালী	গড়মূৰ সত্ৰ, মাজুলী	১৯৪২
*ভাৰত চন্দ্ৰ বৰা	ঐ	১৯৪২
*উমাৰাম শইকীয়া	ন-পমুৱা গাওঁ, গড়মূৰ	১৯৪২
শ্ৰীজীৱেশ্বৰ বৰা	গড়মূৰ সত্ৰ, মাজুলী	১৯৪২
*কমল চন্দ্ৰ ভাগৱতী	ঐ	১৯৪২
* এম. কলিতা	কমলাবাৰী	১৯২০-৩০
*কেশৱ বৰা	শালমৰা, মাজুলী	১৯২১-৩০-৪২

৺কমল কটকী	চীনাতলি	১৯২১-৩০
৺লক্ষীকান্ত দাস	ওপৰকাটনী গাওঁ, মাজুলী	১৯৪২
৺কেশৰ চন্দ্ৰ বৰা	কমলাবাৰী	১৯২১-৩০
৺সোমেশ্বৰ বৰা	মাজুলী	১৯২১-৩০
৺লক্ষীকান্ত হাজৰিকা	মাজুলী	১৯২১-৩০
৺মাণিক চন্দ্ৰ চুতীয়া	মাজুলী	১৯২১-৩০
৺বগাৰাম কাকতি	মাজুলী	১৯২১-৩০
৺ফণীধৰ বৰা	দেওদিয়াআটী	১৯২১-৩০
৺বোপাৰাম শইকীয়া	শালমৰা	১৯২১-২২

বালিগাওঁ মৌজা

৺খেতেকধৰ বৰুৱা	বালিগাওঁ	১৯২১-২২
৺হৰিপ্ৰসাদ গোস্বামী	বালিগাওঁ	১৯২১-২২
৺গঙ্গাধৰ বৰকটকী	ৰজাহাউলী, যোৰহাট	১৯২১-২২
৺বসন্ত কুমাৰ শৰ্মা	বালিগাওঁ	১৯৪২
৺বিষ্ণুকান্ত দত্ত	ঐ	১৯৪২
৺আনন্দ কুমাৰ ফুকন	ঐ	১৯৪২
৺তৰুণ চন্দ্ৰ ভট্টাচাৰ্য্য	ঐ	১৯৪২
শ্ৰীবিনোদ ভট্টাচাৰ্য্য	ঐ	১৯৪২
শ্ৰীভবানীচৰণ ঠাকুৰ	ঐ	১৯৪২
শ্ৰীপ্ৰফুল্ল বৰুৱা	ঐ	১৯৪২

হাতীগড় মৌজা

শ্ৰীদেবেশ্বৰ বৰুৱা	বালিচাপৰি,যোৰহাট	১৯৪২

হেজাৰি মৌজা

শ্ৰীমোহন চন্দ্ৰ বৰা	পটীয়া গাওঁ, যোৰহাট	১৯৪২

শ্রীকিৰণ চন্দ্র বেজবৰুৱা	বালিগাওঁ, যোৰহাট	১৯৪২

সৰুচৰাই মৌজা

শ্রীপ্রফুল্ল গোস্বামী	ঢাপকটা সত্র, যোৰহাট	১৯৪২
শ্রীপ্রসন্ন কুমাৰ গোস্বামী	ঐ	১৯৪২
শ্রীনগেন বৰা	মৰিয়ণী	১৯৪২
শ্রীহেমন্ত কুমাৰ বৰুৱা	সৰুচৰাই, যোৰহাট	১৯৪২
৺ভূ পেন্দ্র নাথ বৰবৰা	ঐ	১৯৪২
৺ৰামেশ্বৰ বৰা	ঐ	১৯৪২
৺দীনাৰাম ঢেকীয়াল	ঐ	১৯৪২
৺কামাখ্যাচৰণ বৰঠাকুৰ	ঐ	১৯৪২
শ্রীকালিনাথ দেৱশর্মা	ঐ	১৯৪২
৺সৰোজিনী গোস্বামী	ঐ	১৯৪২

খঙ্গিয়া মৌজা

৺চতাই বৰা	পকামুৰা, যোৰহাট	১৯২১
৺সর্বেশ্বৰ বৰদলৈ	ঐ	১৯৩০-৩২-৪০-৪২
শ্রীতিলেশ্বৰ বৰদলৈ	ঐ	১৯৪২
৺নগেন্দ্র নাথ বৰুৱা	ঐ	১৯৪২
শ্রীকলাই বৰশইকীয়া	ঐ	১৯৪২
৺মিহিৰাম দত্ত	ধলি, কুমাৰগাওঁ	১৯৪২
৺দিবাকৰ ফুকন	পানীচকুৰা	১৯২১

যোৰহাট নগৰ

৺কুলধৰ চলিহা	ন-আলি, যোৰহাট	১৯২১-২২
৺দেৱেশ্বৰ শর্মা	নেহৰুপার্ক	১৯২১-৩০-৪০-৪২

*কৃষ্ণনাথ শর্মা (মামা)	সর্বাহিবন্ধা	১৯২১-২২-৩০-৪০-৪২
*বিদ্যাধৰ শর্ম্মা	তৰাজান	১৯২১-২২
*সুৰেন্দ্র নাথ ভৰালী	ঐ	১৯৪২
*নীলমণি ফুকন	যোৰহাট	১৯৪২
*হেম বৰুৱা	তৰাজান, যোৰহাট	১৯৪২
*উপেন ৰাজখোৱা	নেহৰু পার্ক	১৯৪২
*কমল চন্দ্র দত্ত	তৰাজান, যোৰহাট	১৯২১
*ৰোষেশ্বৰ হাজৰিকা	চেউনি আলি	১৯২১
*বিপিন চন্দ্র বৰুৱা	ঐ	১৯২১
*শিৱকান্ত ভট্টাচার্য্য	ঐ	১৯২১
*বেদনাথ বৰঠাকুৰ	ঐ	১৯২২
শ্রীচারু গোস্বামী	বর্তমান নগাওঁ	১৯৪২
*ভাৰিৰাম দত্ত	দহাবড়া, যোৰহাট	১৯৩০-৪২
*চৈয়দ ৰিয়াদুল হক	যোৰহাট	

পর্বতীয়া মৌজা

*দেবেন্দ্র নাথ চক্রৱর্তী	যোৰহাট নগৰ	১৯৩০-৪২
কামাখ্যা বৰঠাকুৰ	সর্বাহিবন্ধা	১৯৩০-৪২
*সর্বেশ্বৰ বৰচেতিয়া	পর্বতীয়া, যোৰহাট	১৯২১-২২
শ্রীকৃপাল চন্দ্র শর্মা	টিলিকিআম, যোৰহাট	১৯৪২
*চন্দ্র কমল নেওগ	চাৰিঙ্গীয়া গাওঁ	১৯৪২
কন দাস	ঐ	
কুলাই দাস	ঐ	

তিতাৰৰ মৌজা

*চন্দ্রেশ্বৰ শইকীয়া	বেবেজীয়া	১৯৪২

শ্রীকামনাথ বৰুৱা	ঢেকীয়াজুলি	১৯৪২
শ্রীপানীৰাম দুৱৰা	বেবেজীয়া	১৯৪২
শ্রীখগেশ্বৰ গগৈ	ঐ	১৯৪২
শ্রীভুবনেশ্বৰ শইকীয়া	ঐ	১৯৪২
শ্রীগোবিন্দ চন্দ্র বৰদলৈ	ঢেকীয়াজুলী, সোণাৰী গাওঁ	১৯৪২
শ্রীবকুল বৰদলৈ	ঐ	১৯৪২
শ্রীভূবন চন্দ্র বৰুৱা	বুৰুক বৰুৱা	১৯৪২
শ্রীচন্দ্র নাথ বৰুৱা	ঢেকীয়াজুলি	১৯৪২
শ্রীভগেশ্বৰ গোহাঁই	বেবেজীয়া	১৯৪২
শ্রীবিশ্বধৰ গগৈ	মৰাণ গাওঁ	১৯৪২
ডম্বৰু দুৱৰা	বেবেজীয়া	১৯৪২
শ্রীঘনশ্যাম গগৈ	ঐ	১৯৪২
শ্রীপদ্ম দত্ত	মেলামাটি	১৯৪২
শ্রীত্রৈলোক্য শইকীয়া	বেবেজীয়া	১৯৪২
শ্রীডিম্বেশ্বৰ হাজৰিকা	বৰবামচুঙী	১৯৪২
শ্রীযদু দাস	বেবেজীয়া	১৯৪২
সুৰেন্দ্র নাথ শইকীয়া	ঐ	১৯৪২

আমগুৰি খৰিকটীয়া মৌজা

শ্রীবাপুকণ নেওগ	বিৰিণা শায়েক	১৯৪২
শ্রীদেবেন্দ্র নাথ বুঢ়াগোহাঁই	ঐ	১৯৪২
শ্রীতুলসী চিৰিং ফুকন	ঐ	১৯৪২
শ্রীসভাৰাম বুঢ়াগোহাঁই	ঐ	১৯৪২
শ্রীভৱকান্ত কাকতি	ঐ	১৯৪২
শ্রীটেপুৰাম বুঢ়াগোহাঁই	ঐ	১৯৪২
শ্রীথোলাই কলিতা	ঐ	১৯৪২
শ্রীসৰুপাই বুঢ়াগোহাঁই	ঐ	১৯৪২

শ্রীঅম্বিকা চৰণ নেওগ	মৰিয়া শায়েক	১৯৪২
শ্রীভুবন চন্দ্র বুঢ়াগোহাঁই	বিৰিণা শায়েক	১৯৪২
শ্রীতুলসী নাথ বুঢ়াগোহাঁই	ঐ	১৯৪২
শ্রীবাপুটি বুঢ়াগোহাঁই	ঐ	১৯৪২
শ্রীগেন্ধেলা ববা	ঐ	১৯৪২
শ্রীভোগেশ্বৰ গোহাঁই	ঐ	১৯৪২
শ্রীমুহিকান্ত বৰুৱা	মাজগাওঁ	১৯৪২
শ্রীসোমেশ্বৰ ভূঞা	ঐ	১৯৪২
ঁঘনকান্ত ভূঞা	ঐ	১৯৪২
শ্রীথোলাই কেওট	ঐ	১৯৪২
শ্রীপোনাৰাম ববা	কচুখাট	১৯৪২
শ্রীমাঘিৰাম কছাৰী	ঐ	১৯৪২
ঁনোমল সোনোৱাল	ববহোলা	১৯৪২
শ্রীজয়ৰাম সোনোৱাল	নেঘেৰী	১৯৪২
ঁডিম্বেশ্বৰ হাজৰিকা	তিতাবৰ	১৯৪২
ঁবগাই সন্দিকৈ	ৰজাবাহৰ	১৯৪২
ঁমিত্রধৰ ববগোহাঁই	ঐ	১৯৪২
ঁসুৰেণ শইকীয়া	চেকুৰীয়া	১৯৪২
ঁথানেশ্বৰ শইকীয়া	ঐ	১৯৪২
ঁদুর্গা কছাৰী	কচুখাট	১৯৪২
ঁখর্গেশ্বৰ সোনোৱাল	ঐ	১৯৪২
ঁৰামেশ্বৰ সোনোৱাল	ঐ	১৯৪২
ঁডম্বৰু দুৱৰা	ঐ	১৯৪২
ঁমোলান গোহাঁই	ৰজাবাহৰ	১৯৪২
ঁকলাই সোনোৱাল	ঐ	১৯৪২
ঁজম্মণী সোনোৱাল	ঐ	১৯৪২
ঁভুবন চন্দ্র ৰাজখোৱা	ঐ	১৯৪২

পদ্মেশ্বৰ চিৰিং ফুকন	ঐ	১৯৪২
ৰামেশ্বৰ চুতীয়া	ঐ	১৯৪২
মথৰাম চুতীয়া	ঐ	১৯৪২
মতিৰাম কোঁৱৰ	ঐ	১৯৪২
ডিম্বেশ্বৰ গগৈ	ঐ	১৯৪২
মণিৰাম বৰুৱা	ঐ	১৯৪২
ভোগেশ্বৰ সন্দিকৈ	ঐ	১৯৪২
হেম চন্দ্ৰ গগৈ	ঐ	১৯৪২

কুশল কোঁৱৰ	গন্ধকৰৈ গাওঁ, সৰুপথাৰ	গ্ৰেপ্তাৰ হয় ৬।৩।৪৩ । ফাঁচী, ১৫।৬।৪২ ৰাতি ৩-৩০ বজাত
কমলা মিৰি	ৰঙামাটি, দেৱগাওঁ	জেল হয়, ৮।১০।৪২ । ২৪।৪।৪৩ তাৰিখে ৰাতি দুই বজাত মৃত্যু হয় ।

***

তৃতীয় খণ্ড

স্বৰ্গীয় বাগ্মীবৰ নীলমণি ফুকন : নীলমণি ফুকনৰ জন্ম হৈছিল ১৮৮০ চনৰ ২২ জুন তাৰিখে ডিব্ৰুগড়ত। পিতৃ লম্বোদৰ ফুকন। ১৯০০ চনত ডিব্ৰুগড় হাইস্কুলৰ পৰা কৃতিত্ব সহকাৰে এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি কলিকতালৈ গৈ প্ৰেচিডেন্সি কলেজত নাম ভৰ্তি কৰে। এনেতে ১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপিত হোৱাত কলি

কতাৰ পৰা উভতি আহি কটন কলেজত নাম লগায়। ১৯০৭ চনত কোচবিহাৰৰ পৰা বি, এ, পাছ কৰাৰ পিছত আইনৰ ছাত্ৰ হ'ল যদিও আইনৰ উপাধি লাভ কৰা নহ'ল।

শিক্ষানীতি , সমাজনীতি, ৰাজনীতি, ধৰ্মনীতি, অৰ্থনীতি, সাহিত্য চচা প্ৰতিটো বিষয়তে তেখেতৰ গভীৰ অধ্যয়ন আৰু দখল আছিল। গুৱাহাটী ভগৱতী প্ৰসাদ বৰুৱা হলত ককাই 'মহাপুৰুষীয়া ধৰ্ম ইয়াৰ অতীত, বৰ্তমান আৰু ভবিষ্যৎ সম্পৰ্কত ৫ ঘণ্টা নেৰা নেপেৰাকৈ বক্তৃতা দিছিল, তেখেতক কাৰণেই বাগ্মীবৰ বুলি কোৱা হৈছিল। তেখেতে কৈছিল – "মোৰ গুৰু চাৰিজন - - শঙ্কৰ, মাধৱ, গান্ধীজী আৰু বিনোৱাজী।" ১৯২১ চনত ফুকনে সক্ৰিয় ৰাজনীতিত যোগ দিছিল। অসম কাউন্সিলৰ আৰু অসম বিধান সভাত তেখেতে কেবাবাৰো সদস্য নিৰ্বাচিত হৈছিল।

পিতামহ ভীষ্মৰ দৰে ফুকনদেৱ চিৰ কৌমাৰ্যব্ৰতী হ'লেও সন্যাসী নাছিল বিশ্বৰ ল'ৰা- ছোৱালীবিলাকক নাতিপুতি জ্ঞান কৰিছিল। গোলাঘাটৰ মিতুৰ আশ্ৰম, লক্ষীমপুৰৰ মৈত্ৰী আশ্ৰম, তেখেতৰ একক প্ৰচেষ্টাৰ ফলশ্ৰুতি। মৈত্ৰী আশ্ৰম'ৰ উদ্দেশ্য আছিল বিশ্বমৈত্ৰী স্থাপন কৰা। তেখেত 'অসম মাদক দ্ৰব্য নিবাৰণ সমিতি' আৰু 'অসম সদাচাৰ সমিতি' ৰো সভাপতি আছিল।

দেশৰ প্ৰতি, বিশ্বমানৱৰ প্ৰতি ফুকনে কৰা ত্যাগৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে তেখেতক 'পদ্মশ্ৰী' উপাধি আৰু ৰাষ্ট্ৰীয় সাহিত্য একাডেমী পুৰস্কাৰ আগবঢ়াইছিল। 'পদ্মশ্ৰী' সন্মান তেখেতে গ্ৰহণ নকৰিলে। তেওঁ মুক্তি যুঁজাকৰ

সম্মানৰ তাম্রপত্র লাভ কৰিছিল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে ডি-লিট উপাধি প্রদান কৰিছিল। ফুকন বিশ্বধর্ম সমন্বয়ৰ প্রতীক আছিল। তেখেত এজন চিন্তাশীল লিখক, কবি আৰু বিশিষ্ট সাংবাদিক আছিল। তেখেতে একেৰাহে 'আলোচনী' 'বাতৰি', দৈনিক বাতৰি' আদি সংবাদপত্রৰ আৰু 'ন-জোন' আলোচনীৰ সম্পাদক আছিল। তেখেতৰ কবিতাপুথি জ্যোতিকণা, মানসী, গুটিমালী, জিঞ্জিৰি আৰু সন্ধানী। গদ্য-গ্রন্থ সাহিত্য কলা, জীয়াতীর্থ, চিন্তামণি আৰু মহাপুৰুষীয়া ধর্ম আদি। ৰচনাসমূহ সতধাৰা, মর্মবাণী, কুঁহিপাত, জগৎগুৰু শংকৰদেৱ, কীর্তনত লৰণু ইত্যাদি।

স্বর্গীয় হেম বৰুৱা : যোৰহাট নগৰৰ তৰাজানৰ বাসিন্দা হলেও পাচলৈ গুৱাহাটীৰ নিগাজী নিবাসী। পিতৃ বিনন্দি ৰাম বৰুৱা, মাতৃ পদ্মালোচনী দেৱী। জন্ম ২২-৪-১৫, মৃত্যু ৯-৪-৭৭, জীৱন কাল ৬২ বছৰ মাত্র।

তেজপুৰত নৱম মানৰ ছাত্র অৱস্থাতে ১৯৩০ চনৰ আইন অমান্য আন্দোলনত পুলিচৰ লাঠিৰ কোৰ, জোতাৰ গোৰ আৰু বন্দুকৰ খুন্দা বুকু পাতি লোৱা হেম বৰুৱা সংসদী জীৱনত প্রৱাদ পুৰুষলৈ ৰূপান্তৰিত হ'ল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত প্রস্তুতিৰে পৰা নিবিড় ভাৱে আত্মনিয়োগ কৰি ১২-১০-৪২ ত গ্রেপ্তাৰ হৈ এবছৰ সশ্রম কাৰাদণ্ড ভোগে। যোৰহাট কাৰাগাৰেই হেম বৰুৱাৰ জীৱনৰ পট পৰিবর্তনকৰে। লোকপ্রিয় নবদলৈ প্রমুক্ষে অসমৰ নেতৃবর্গৰ অন্তৰঙ্গ সান্নিধ্য আৰু ব্যাপক অধ্যয়নে জীৱনৰ গতি সলনি কৰে আৰু বৰুৱাৰ কর্মস্থলী গুৱাহাটীলৈ স্থানান্তৰিত হয়। গান্ধীবাদী চিন্তাবিদ শ্রীবিজয় চন্দ্র ভাগৱতীয়ে লেখিছে, ".....এই আন্দোলনৰ মাজেদি তেওঁ জনসাধাৰণৰ লগত ঘনিষ্ঠ সম্পর্কলৈ অহাৰ সুযোগ পায়। ই তেওঁৰ ভবিষ্যত ৰাজনৈতিক জীৱনৰ ধাৰাইযে নিৰূপিত কৰে এনে নহয়, ইয়াতেই তেওঁৰ সাহিত্য সৃষ্টিৰ উৎস বিচাৰি পোৱা যাব। তেওঁৰ বাগ্মিতা আৰু লিখাৰ মাজেদি হেম বৰুৱাই জনসাধাৰণৰ প্রাণৰ ভাষা প্রকাশ কৰিছিল। ৰাজনীতি আৰু সাহিত্যত তেওঁৰ কৃতকার্য্যতাৰ এয়ে চাবি-কাঠী।"

১৯৫৭-৭০ চনলৈ ১৪ বছৰত হেম বৰুৱাৰ সংসদী জীৱনত ৮৫০ টা ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় বিষয়ত সদনত আলোড়নকাৰী বক্তব্য ডাঙি ধৰিছিল।

শাসক দললৈ নিৱ খোজা শক্তিশালী প্রলোভন প্রত্যাখ্যান কাৰি ৰাজনৈতিক সততাৰ বিৰল দৃষ্টান্ত হেম ৰঙৰা। দেশ- বিদেশত ব্যাপক ভ্রমণৰ অভিজ্ঞতাৰে অসমীয়া সাহিত্যত ভ্রমণ-কাহিনীৰ সৃষ্টিত তেওঁ ৰাটকটীয়া। অসমীয়া আৰু ইংৰাজীত ডেড়কুৰিখন কিতাপৰ উপৰিও বহুতো প্রবন্ধ অপ্রকাশিত হৈ আছে। 'August Revolution in Assam' আৰু 'বিয়াল্লিছৰ গণ বিপ্লৱত অসম' দুখন হেম ৰঙৰাৰ দলিল স্বৰূপ পুস্তক।

পঞ্জাবৰ 'ট্রিবিউন' কাকত খনে ১৫ জনৰ এজন আৰু 'টাইম্চ অৱ ইণ্ডয়া' কাকতে ১০ জনৰ এজন সাংসদ বুলি হেম ৰঙৰাক স্বীকৃতি দিয়ে। পূৰ্বতে কেবাবাৰো অগ্রজসকলৰ দোহাই দি হাতসৰা ৰঙৰা ১৯৭২ চনত ধুবুৰীৰ উনচত্বাৰিংশ অধিবেশনৰ অসম সাহিত্য সভাৰ সভাপতি হয়।

১৯৭১ চনৰ মধ্যকালীন নিৰ্বাচনত হেম ৰঙৰাই পৰাজয় ৰৰণ কৰে। তাৰ পাচৰে পৰা ৰঙৰাৰ স্বাস্থ্যৰ অৱনতি হৈ অৱশেষতস্হঁবিৰ হৈ পৰে।

স্বৰ্গীয়া মুখুৰী বাই : খদ্দৰৰ মেখেলা চাদৰ, মূৰত গান্ধী টুপী, হাতত মাৰি এদালৰ মূৰত কংগ্রেছৰ ত্রিৰঙ্গ পতাকা এখন লৈ জিলা কংগ্রেছৰ সভা-সমিতি এখনো বাদ নিদিয়াকৈ এগৰাকী মহিলা উপস্হিত থাকে। কেইবাবাৰো মহাত্মা গান্ধীৰ জয় দিয়ে। পাচত সভাৰ কথা শুনি মনে মনে বহি থাকে। সভা শেষ হ'লে পুনৰ পথাচাৰী হৈ 'মহাত্মা গান্ধীজীকী জয়, স্বাধীন ভাৰত কী জয়,' ধ্বনি কৰি ঘূৰি ফুৰে। শিশু আৰু কিশোৰ বয়সৰ কোনোৱে কংগ্রেছ আৰু মহাত্মাজীৰ বিৰূপ মন্তব্য কৰা শুনিলে মুখুৰী বাই মুখৰ হৈ উঠে।

মাজে মাজে মহিলা গৰাকী যোৱহাটৰ পৰা অন্তর্দ্ধান হয়। তেতিয়া প্রাদেশিক কংগ্রেছৰ সভাত, নিখিল ভাৰত কংগ্রেছ মহাসভাত যোগ দিবলৈ যায়। মহাত্মা গান্ধী আৰু কংগ্রেছৰ বাহিৰে তেওঁ একো নাজানে।

পিন্ধনত পৰিপাটী, নিকা মহিলাগৰাকীৰ ঘৰ নাই, অঘৰী। মনে মিলা মানুহৰ ঘৰতে থাকে। অনুসন্ধান কৰি জনা গ'ল যে তেওঁ টীয়কৰ জীয়ৰী, কাচগৰালৰ বোৱাৰী। সন্তানো হেনো আছিল এটি। কি কথাত অঘৰী হ'ল জনা নাযায়। কিন্তু স্বাধীনতা সংগ্রামত জড়িত হৈ ১৯৩০ চনৰ আইন আমান্য আন্দোলনত কেইমাহমান কাৰাৰুদ্ধ হৈছিল। কাৰামুক্ত হৈ ঘৰলৈ নগৈ অঘৰী হৈ মহাত্মা গান্ধীৰ চৰণত জীৱন সঁপি দি ক'ত শেষ নিশ্বাস ত্যাগ কৰিলে তাকো জনা নগ'ল।



স্বৰ্গীয় তিলক গগৈ

স্বৰ্গীয় তিলক গগৈ লাহিং মৌজাৰ বৰ ন-গওঁৱা গাঁৱৰ নিবাসী । পাছলৈ যোৰহাটৰ কুশল কোঁৱৰ পথৰ বৰভেটাত স্থায়ী বসতি । পিতৃ মুক্তিযোদ্ধা খগেশ্বৰ গগৈ, মাতৃ দনিকণা আইদেউ । ১০।৪।২৩ তাৰিখে জন্ম গ্ৰহণ কৰি ২২।৭।৮৫ তাৰিখত মৃত্যু বৰণ কৰে ।

জাঁজী হাইস্কুলত দশমমান শ্ৰেণীত পঢ়ি থাকোতেই ভাৰত ত্যাগ আন্দোলনত জপিয়াই পৰি স্কুল ত্যাগ কৰে । ছাত্ৰনেতা হিচাবে ছাত্ৰসকলক স্কুল বৰ্জন কৰি আন্দোলনত যোগদান কৰিবলৈ পূৰ্বৰ শিৱসাগৰ জিলাৰ উজনি অঞ্চলৰ শিক্ষানুষ্ঠান বিলাকত পিকেটিং কৰি ছাত্ৰ আন্দোলন শক্তিশালী কৰি তোলে । ১৩।১১।৪২ তাৰিখত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ১৯৪৫ চনৰ মে মাহলৈকে কাৰাবাসত আঢ়ৈ বছৰ কাল থাকে । জেলৰ পৰা ওলাই আহি পুনৰ পঢ়াত মনোনিবেশ কৰি ১৯৫০ চনত কটন কলেজৰ পৰা স্নাতক হয়, আইন মহাবিদ্যালয়ত নাম ভৰ্তি কৰিলেও ছাত্ৰ কংগ্ৰেছত যোগদান কৰি পুনৰ সংগঠনৰ কামত লাগে । ১৯৫৪-৫৮ চনত অসম যুৱক কংগ্ৰেছৰ প্ৰতিষ্ঠাতা সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰি সক্ৰিয়ভাৱে ৰাজনীতিত যোগদান কৰে ।

১৯৫৯ চনত কংগ্ৰেছৰ গুৱাহাটী অধিবেশনৰ এজন সম্পাদক হিচাবে নেতৃবৰ্গৰ দৃষ্টি গোচৰলৈ আহে আৰু বিভিন্ন দায়িত্ব লৈ প্ৰদেশ কংগ্ৰেছৰ কাম কৰে । ১৯৬৭-৭২ চনত যোৰহাট জিলা কংগ্ৰেছৰ সভাপতি হিচাবে আত্মনিয়োগ কৰে । এই

কালতে স্বাধীনতাৰ ৰূপালী জয়ন্তী পালনৰ নেতৃত্ব লৈ এখনি স্মৰণীয় স্মৃতিগ্ৰন্থ যুগুতাই উলিয়ায় । এই অনুষ্ঠানতে প্ৰধান মুক্তিযোদ্ধাসকলক "তাম্ৰপত্ৰ" প্ৰদান কৰে । এই কালছোৱাতেই গগৈ দুবাৰ বিধান সভালৈ বিধায়ক হিচাবে নিৰ্বাচিত হয় আৰু বিধায়িনী দলৰ সম্পাদক হিচাবেও কাৰ্য্যনিৰ্বাহ কৰে । ১৯৭৬ চনত গুৱাহাটী জৰাহৰ নগৰত অনুষ্ঠিত অখিল ভাৰত কংগ্ৰেছৰ এজন প্ৰধান কৰ্মী হিচাবে সক্ৰিয় অংশ গ্ৰহণ কৰে । ১৯৭৭ চনত ৰাজ্যসভাৰ সদস্য হিচাবে নিৰ্বাচিত হয় ।

গগৈয়ে নিৰবচ্ছিন্নভাবে কংগ্ৰেছৰ কামত লাগি থাকে আৰু ১৯৮৩ চনত পুনৰ টীয়ক সমষ্টিৰ পৰা বিধান সভালৈ নিৰ্বাচিত হৈ কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী হিচাবে মনোনীত হয় । গাওঁ উন্নয়ন, অ-সামৰিক যোগান আদি বিষয়ৰ দায়িত্ব লৈ গগৈয়ে ৰাইজৰ মাজত জনপ্ৰিয় হৈ উঠিছিল যদিও বেছি কাল এই দায়িত্ব পালন কৰিবলৈ নাপালে । তেওঁৰ স্বাস্থ্য ভাগি পৰিবলৈ ধৰিলে আৰু ভাল চিকিৎসা লোৱাৰ বাবে ভাৰতৰ বাহিৰত লণ্ডনস্থ "হাহাৰাস্মিথ" হাস্পতালত অকালতে শেষ নিশ্বাস পেলালে ।

গগৈ এজন সু-নিপুণ খেলুৰৈ, ওখ, শকত আৰু সু-শ্ৰী লোক আছিল । ১৬ বছৰ বয়সতে ২ মোন চৌদ্ধ সেৰ (প্ৰায় ৯০ কেজি) ওজন হৈছিল আৰু শৰীৰ চৰ্চ্চা কৰি বলৰ প্ৰভাৱ খেলাধূলাত দেখাইছিল ।

গগৈয়ে ভাৰত চৰকাৰৰ "তাম্ৰপত্ৰ" স্বতন্ত্ৰতা সৈনিক সন্মান পেঞ্চন আৰু ৰাজ্যিক মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছিল ।

স্বৰ্গীয় ৰজনীকান্ত শৰ্মা–যোৰহাট কটৰ সন্মুখত ট্ৰাংক ৰোডত শোভাযাত্ৰা কৰোঁতে গ্ৰেপ্তাৰ কৰে ২০/১২/২১ চনত, ৬ মাহ জেল হয় ২৩/১২/ ২১ চনত ।

স্বৰ্গীয় ভাবিৰাম দত্ত–যোৰহাট দহাবৰা চুকৰ দত্তই ১৯২১ চনৰ আন্দোলনতে সক্ৰিয় অংশ গ্ৰহণ কৰে । তেতিয়াবে পৰা তেওঁ ক্ৰমান্বয়ে ১৯৩০ আৰু ৩২ চনৰ আন্দোলনতো অংশ লয় । ১৯৪২ৰ গণ আন্দোলনত অংশ লৈ কাৰাবৰণ কৰে । জীৱনৰ

স্বৰ্গীয় ৰেদনাথ ৰৰঠাকুৰ–যোৰহাট জিলা কংগ্ৰেছ কমিটিৰ সম্পাদক আছিল । আন্দোলনত ২৩/৩/২২ তাৰিখে ৯ মাহ জেল হয় ।

স্বৰ্গীয় সুৰেন্দ্ৰ নাথ ভৰালী : যোৰহাটত স্বাধীনোত্তৰ কালত যি কেইজন লোক লোকেল বোৰ্ডৰ চেয়াৰমেন হৈ বিস্তৰ লোকহিতকৰ কাম কৰিলে সেই কেইজনৰ ভিতৰত সুৰেন্দ্ৰ নাথ ভৰালী ৰাইজৰ মনত স্মৰণীয় হৈ ৰ'ল। ভৰালীক অধিক্তা হৈ থাকোতে দেশনেতা কুলধৰ চলিহাই কংগ্ৰেছলৈ আনে ১৯৩৭ চনত। তেতিয়াৰে পৰা কংগ্ৰেছত তেওঁ সক্ৰিয় হৈ সংগঠন আৰু মুক্তি সংগ্ৰাম উভয়তে সমানে অৰিহণা যোগায়।

ভৰালীৰ জন্ম হয় ১৯০৮ চনৰ ৮ ডিচেম্বৰত চাৰিগাঁৱঁত। প্ৰবেশিকা পাছ কৰে ১৯২৪ চনত। কটন কলেজৰ পৰা বিজ্ঞানৰ স্নাতক হয় ১৯২৮ চনত। ১৯৩১ চনত আইনৰ স্নাতক হৈ ওকালতি আৰম্ভ কৰে। তেতিয়াই যোৰহাট নগৰত স্থায়ী বাসিন্দা হয়।

১৯৪০ চনত সত্যাগ্ৰহ কৰি ৪ মাহ কাৰাবাস খাটে। ১৯৪২ চনত গণ সংগ্ৰামত যোৰহাট কাৰাগাৰত আটক বন্দী হয়। কুশল কোঁৱৰৰ জীৱন ৰক্ষাৰ কাৰণে কাৰাগাৰৰ ভিতৰতে নেতৃবৃন্দই আইনৰ পৰামৰ্শ দি যাবতীয় ব্যৱস্থা গ্ৰহণৰ কাৰণে ভৰালীক ভাৰ দিয়ে। ভৰালীয়ে ৰামনাথ দাসক অধিবক্তাৰ দায়িত্ব ন্যস্ত কৰে।

লোকেলবোৰ্ডৰ সদস্য নিৰ্বাচিত হয় ১৯৪৫ চনৰ ৯ জুনত। সেইবাৰ। যোৰহাটৰ বিভিন্ন কোনৰ পৰা প্ৰবীন কংগ্ৰেছসেৱক লোকেল বোৰ্ডলৈ নিৰ্বাচিত হৈছিল। ৮ আগষ্টত ভৰালী চেয়াৰমেন নিৰ্বাচিত হয়। ১৯৪৮ চনত তেওঁ যোৰহাট শিক্ষাবোৰ্ডৰো চেয়াৰমেন হয়। দুয়োটা পদবীতে ১৯৬৩ চনলৈকে থাকি যোৰহাট জিলাৰ গ্ৰাম্যাঞ্চলৰ আলি,পুখুৰী,স্কুল আদি উন্নয়নমূলক কাম বহুতো কৰিবলৈ সক্ষম হয়। বিশেষকৈ চাহ বাগিছাৰ মাটিৰ খাজনা বৃদ্ধি আৰু স্থানীয় কৰ লোৱা প্ৰথাৰ প্ৰচলন কৰি পুঁজি টনকিয়াল কৰাৰ লগতে উন্নয়নমূলক কামত সেই পুঁজি ব্যয় কৰাৰ পথ প্ৰসস্ত কৰে। ১৯৪৬ চনত তেওঁ যোৰহাট জিলা কংগ্ৰেছৰ সম্পাদক নিৰ্বাচিত হয়।

ব্যস্ততাৰ মাজতো ভৰালী এজন সফল অধিবক্তা, অধিবক্তা সস্থাৰ কৰ্মকৰ্ত্তা, গণতন্ত্ৰৰ সদাসতৰ্ক প্ৰহৰী। ১৯৮৮ চনৰ মে' মাহত গুৱাহাটীলৈ উঠি গৈ ৯ আগষ্টত পৰলোক হয়।



স্বৰ্গীয় বিপিন চন্দ্ৰ বৰুৱা : উচ্চ পদস্থ চৰকাৰী চাকৰি পৰিত্যাগ কৰি যি কেইজন ব্যক্তিয়ে ১৯২১ চনত অসহযোগ আন্দোলনত জপিয়াই পৰি কাৰাবৰণ কৰিছিল সেই সকলৰ ভিতৰত বিপিন চন্দ্ৰ বৰুৱাও এজন। যোৰহাট বজামৈদামৰ খ্যাতনামা গোলাপ চন্দ্ৰ বৰুৱাৰ ৰৰপুত্ৰ বিপিন চন্দ্ৰ বৰুৱাৰ জন্ম ১৮৯৪ চনত। কলিকতাৰ বিপন কলেজৰ পৰা স্নাতক মহলাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ শিক্ষা বিভাগত সহকাৰী পৰিদৰ্শকৰ পদত নিযুক্তি পায়। মহাত্মাৰ আহ্বানত সেই চাকৰি ত্যাগ কৰি কংগ্ৰেছৰ সংগঠনৰ কামত ব্ৰতী হয়। কাৰাবাসত থাকোতেই বৰ আই ওলোৱাত মুক্তি পায়। কথমপি জীৱন ৰক্ষা পৰে। তাৰ পাছৰে পৰা কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰি জীৱিকাৰ কাৰণে শাক-পাচলিৰ কাৰবাৰ কৰি শ্ৰমৰ মৰ্যাদাৰ আদৰ্শ দাঙি ধৰে।

স্বাধীনতা সংগ্ৰামত আৰু স্বাধীন ব্যৱসায় উভয়তে মনোনিবেশ কৰি ১৯২৯ চনত 'এচিয়াটিক প্ৰেছ' প্ৰতিষ্ঠা কৰে। ১৯৬০ চনৰ ভাষা আন্দোলনতো বৰুৱা এজন দুৰ্বাৰ গতিৰ নায়ক আছিল। বৰুৱাই সাহিত্য সেৱাত ব্ৰতী হৈ 'ভ্ৰমৰংগ','ভেনিচৰ সাউদ', 'ৰাণাপ্ৰতাপ', 'ধ্ৰুৱ', 'প্ৰহ্লাদ' আদি নাটক আৰু শিশু সাহিত্য প্ৰকাশ কৰে। বৰুৱা এজন সফল অভিনেতাও আছিল। ১৯৬১ চনৰ বুদ্ধ পূৰ্ণিমাৰ দিনা সান্নিপাত ৰোগত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় দেবেন্দ্ৰনাথ চক্ৰৱৰ্তী : যোৰহাট নগৰৰ তৰাজানত ১৯০২ চনৰ ৭ আহিনত জন্ম। পিতৃ ৰাধানাথ আৰু মাক জয়ন্তী চক্ৰৱৰ্তী। ১৯২১ চনৰ আন্দোলনত কংগ্ৰেছত যোগদান। তেতিয়াৰেপৰা আজীৱন কংগ্ৰেছৰ একনিষ্ঠ সেৱক। পাৰিবাৰিক প্ৰতিকূল পৰিস্থিতিৰ মাজতো অবিচলিত ভাৱে গঠনমূলক কামত ব্ৰতী। চক্ৰৱৰ্তী কবি, সাহিত্যিক, চিত্ৰশিল্পী, সঙ্গীতজ্ঞ, নাট্যকাৰ আৰু অভিনেতা

আছিল। ৬ খন পুথি জীৱনকালত প্ৰকাশ কৰে আৰু হাতে লিখা অৱস্থাত কেবাখনো এৰি যায়। তৰাজান মিলন মন্দিৰৰ প্ৰতিষ্ঠাতাসকলৰ চক্ৰৱৰ্তী অন্যতম। ৰক্ষণশীল পৰিয়ালৰ ব্যক্তি হৈও ১৯০৪ চনৰ হৰিজন আন্দোলনত যোগদান, দৰিদ্ৰতা চক্ৰৱৰ্তীৰ জীৱনৰ লগৰী হোৱা সত্বেও আদৰ্শচ্যুত হোৱা নাছিল। সমাজত সততাৰ আহি দাঙি ধৰি ১৯- ৭-৬৫ তাৰিখে ৬৩ বছৰ বয়সত মৃত্যুক আঁকোৱালি লয়।

স্বৰ্গীয় মানিক চলিহা–ঘৰ যোৰহাট নগৰৰ কুশল পথৰ্ব ফাৰত। ১৯২১ চনৰ কৰ্মীসকলৰ ভিতৰত নেতৃস্থানীয়। মহাত্মা গান্ধীৰ গঠনমূলক কামৰ প্ৰতি অধিক আকৃষ্ট আছিল। তেখেতে নিজে সূঁতা কটা আৰু ধূনা এটা যঁতৰ আৱিষ্কাৰ কৰিছিল। আন্দোলন শাম কটাৰ পিছত যঁতৰটোৰ উন্নতিৰ কাৰণে যত্ন কৰিছিল। তেখেতৰ ভাতৃ টঙ্কেশ্বৰ চলিহাৰ ঘৰত যঁতৰটো সম্ভৰ এতিয়াও আছে। তেখেত চিৰকুমাৰ আছিল।

স্বৰ্গীয় নিত্যানন্দ শৰ্মা বৰুৱা : গোলাঘাটৰ কছাৰীহাটত- চাৰেক ঘৰ। জন্ম - ১৯০৮ চনত। পিতৃ মালিৰাম শৰ্মা বৰুৱা। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অশেষ নিৰ্য্যাতনৰ অন্তত ৬ মাহ কাৰাবৰণ। যোৰহাট কাৰাগাৰৰ পৰা মুক্তি লাভ কৰি স্বাধীনতাৰ পাচত টোকোলাই চাহ গৱেষণা কেন্দ্ৰত যোগদান, লগে লগে জীৱন বীমা নিগমৰ এজেন্ট স্বৰূপে একাধিক বাৰ সৰ্বোৎকৃষ্ট এজেন্টৰ বটা লাভ।

যোৰহাটত স্থায়ী বসতি স্থাপন। যোৰহাট জিলা মুক্তি যুঁজাৰু সম্মিলনৰ কোষাধ্যক্ষৰ দায়িত্ব গ্ৰহণ। ছয় বছৰীয়া বিদেশী বিতাৰণ আন্দোলন আৰু বেচৰকাৰী মেহতা আয়োগৰ প্ৰতি সক্ৰিয় সহযোগ।

১৯৮৯ চনত ৮১ বছৰ বয়সত পৰলোক হয়। কেন্দ্ৰীয় আৰু ৰাজ্যিক সম্মান পেন্সন পায়।



স্বৰ্গীয় কামাখ্যা চৰণ ৰৰঠাকুৰ : যোৰহাট সৰ্ব্বাইৰঙ্গাত ১৯২২ চনৰ নৱেম্বৰত জন্ম। পিতৃ ভুবনেশ্বৰ ৰৰঠাকুৰ, মাতৃ দময়ন্তী দেৱী। ১৯৪৮ চনৰ পৰা ডিব্ৰুগড় নগৰৰ স্হায়ী বাসিন্দা। ১৯৭৯ চনৰ ২০ জানুৱাৰীত মৃত্যু। জীৱন কাল ৬৭ বছৰ মাত্ৰ। ১৯৩০ চনতে কটন কলেজ ত্যাগ কৰি আন্দোলনত জপিয়াই পৰিছিল। ডেল্টন মেথদৰ সুবিধা লৈ নৱম মানৰ পৰা প্ৰৱেশিকা পৰীক্ষাত প্ৰতিযোগিতামূলক বৃত্তি পায়। দৰ্শনত 'সম্মান' লৈ স্নাতক হৈ ১৯৩৭ চনৰ পৰা যোৰহাটত ওকালতি কৰে। ছাত্ৰাৱস্হাত ছাত্ৰ ফেডাৰেশ্যনৰ কৰ্মকৰ্ত্তা আছিল।

১৯৪২ ৰ গণবিপ্লৱত আত্মনিয়োগ কৰি ৬ মাহ কাৰাবাসৰ পিচত আটক বন্দী হৈ ২১-৬-৪৩ তাৰিখে যোৰহাট কাৰাগাৰৰ পৰা মুক্তি পায়। কাৰামুক্তিৰ পাচতো স্বাধীনতা সংগ্রামৰ বিভিন্ন কাৰ্য্যসূচীত ব্ৰতী হয়।

১৯৪৬ চনৰ পৰা ৰাষ্ট্ৰীয় মজদুৰ কংগ্রেছৰ সংগঠনত ব্ৰতী হৈ কেৱল শ্রমিক পক্ষৰ অধিবক্তা হিচাবে ঔদ্যোগিক আইনৰ ক্ষেত্রত উচ্চতম ন্যায়ালয়ৰ ঐতিহ্যপূৰ্ণ পৰম্পৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। ৰৰঠাকুৰ শ্রমিক আন্দোলন আৰু ঔদ্যোগিক আইনৰ বাটকটীয়া সকলৰ ভিতৰত অন্যতম।

স্বৰ্গীয় গণেশ কটকী : ঠেঙ্গাল মৌজাৰ মলিয়া গাঁৱৰ বাসিন্দা। পিতৃ গোলাপ কটকী। জন্ম ১৯১৮ চন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এজন নিষ্ঠাবান আৰু ঐকান্তিক কৰ্ম্মী। শাৰীৰিক নিৰ্য্যাতন কৰি কেইবা বাতিও যোৰহাট কাৰাগাৰত ৰাখি মুক্তি দিয়ে। হিংসাত্মক কাম সংঘটিত হোৱাত পাইকাৰী জৰিমনাত জুৰুলা হয়।

অকালতে অতি কষ্টসহিষ্ণু এইজন কৰ্মীয়ে মৃত্যু ৰৰণ কৰিলে।

স্বৰ্গীয় শিৱ চন্দ্র গোস্বামী : ঠেঙ্গাল মৌজাৰ ৰৰুৱাজানৰ কৰ্তৃসত্রৰ অধিকাৰ আছিল। পিতৃ কেশচন্দ্র গোস্বামী, মাতৃ মুকুটেশ্বৰী দেৱী। জন্ম ১৮৬৮ চন, মৃত্যু ১৯৩৪ চন। ১৯২১ চনৰ অহিংসে অসহযোগ আন্দোলনতে সক্রিয় ভাৱে জড়িত হৈ তিতাৱৰত গান্ধীযুগৰ প্রৱর্তক। ধলী নৈৰ পাৰৰ বাণীভেটাৰ মৰায়া চাপৰিত নিৰ্ম্মাণ কৰা কংগ্রেছ শিবিৰৰ পৰিচালনাৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল আনকি সেই শিবিৰ গোড়াপল্টনে ভাঙি-চিঙি চুৰমাৰ কৰাৰ পাচতো চুঙি অঞ্চলৰ স্বনামধন্য ইন্দ্রেশ্বৰ ৰৰমেধীৰ ঘৰৰ সম্মুখত নতুনকৈ শিবিৰ

পাতি সেই শিবিৰ যোৰহাট কংগ্রেছৰ প্রাণকেন্দ্র স্বৰূপ কৰি গঢ়ি তুলিছিল। সেই কালত সত্রীয়া নৈষ্ঠিকতাৰ পৰম্পৰা জলাঞ্জলি দিব পৰা সাহসিকতাৰে স্বাধীনতা সংগ্রামত বলিষ্ঠ পদক্ষেপ লৈছিল।

স্বৰ্গীয় বলিনাৰায়ন বৰুৱা : নগৰ মহল মৌজাৰ ৰবি গাঁৱৰ নিগাজী নিবাসী। পিতৃ ঘণকান্ত বৰুৱা, মাতৃ ৰংগীতৰা। জন্ম ১৮৯১ চন। জন্মস্থান নগাঁৱৰ ৰহাৰ গড়মাৰী গাঁও। ৰহা নেচনেল মাধ্যমিক বিদ্যালয়ৰ পৰা এণ্ট্রেন্স পৰীক্ষাত উত্তীর্ণ হৈ প্রথমে মহাসমৰত সৈনিক হয়। যুদ্ধাৱসানত কলিকতাৰ যাদৱপুৰ অভিযান্ত্রিক মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে ১৯২১ চনৰ আন্দোলনত আত্মনিয়োগৰ অপৰাধত বঙ্গত্যাগৰ আদেশ পায়। ঘৰৰ ল'ৰা ঘৰলৈ আহে। শিক্ষা বিভাগৰ শৰীৰ চর্চ্চাৰ প্রশিক্ষক পদত নিযুক্তি লয়। ১৯৩০ চনৰ আন্দোলনত অংশ গ্রহণৰ কাৰণে চাকৰিৰ পৰা ৰৰখাস্ত হয়। তেতিয়াৰ পৰা বৰুৱা মুক্তি ৰণৰ অনুৰক্ত ৰণুৱা।

বৰুৱা প্রসিদ্ধ ব্যায়ামৰীৰ। শক্তি মেলা অনুষ্ঠিত কৰি শৰীৰ চর্চ্চা প্রদর্শনৰ জৰিয়তে স্বাধীনতা আন্দোলনৰ প্রচাৰ অভিযানত ব্রতী হয়। গোৱালপাৰা জিলা ৰঙ্গৰ লগত চামিল নোহোৱাৰ কাৰণসমূহৰ ভিতৰত বৰুৱাৰ শক্তিমেলাৰ আলমত প্রচাৰ অভিযান অন্যতম।

৯৭ বছৰত ১৯৮৮ চনৰ আগষ্টত যোৰহাটৰ নিজা ঘৰত পৰলোক হয়।

স্বৰ্গীয় উপেন্দ্র নাথ ৰাজখোৱা : প্রসিদ্ধ মুক্তি যুঁজাক ৰাজখোৱাৰ পিতৃ যোগেন্দ্র নাথ ৰাজখোৱা। জন্ম ১৯১৬ চন। যোৰহাট জগন্নাথ বৰুৱা কলেজৰ জন্ম লগৰ ছাত্র হৈ ১৯৩৪ চনত কলা বিভাগৰ আৰু ১৯৩৮ চনত আইনৰ স্নাতক হৈ অধিবক্তা হয়। অসম ছাত্র সম্মিলনৰ একেৰাহে তিনিটা কার্য্যকালৰ প্রধান সম্পাদকৰ দায়িত্ব পালন কৰা যোগ্যতা সম্পন্ন ব্যক্তি।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ পূর্ব্বপ্রস্তুতিত যুৱ শক্তিৰ প্রেৰনাৰ উৎসই কেৱল নাছিল, বিপ্লৱৰ গতিবেগ নিয়ন্ত্রণৰ ফল্গু ধাৰাৰ খৰ-স্রোতা শক্তি দাতা আছিল। তাকো ইমান সংগোপনে নেতৃত্ব দিছিলে যে তেওঁ ৰাৰ কাউন্সিল'ত কংগ্রেছৰ প্রাণশক্তি আছিল বুলি বহুত বিপ্লৱীয়ে উমানকে

নাপাইছিল। আত্মগোপন কৰা সংগ্রামীসকলৰ সমগ্র অসমৰে তেওঁ যোগসূত্র আছিল। ছাত্র সম্মিলনৰ সৈতে একাত্মতাবে বিপ্লৱ পৰিচালনা কৰিছিল। সকলো নেতা আৰু কংগ্রেছসেৱক যেতিয়া কাৰাৰুদ্ধ হয় তেতিয়াও যোৱহাটত বিপ্লৱৰ তীব্রতা কমিবলৈ নিদিয়াকৈ ৰখা মানুহজন আছিল ৰাজখোৱা। আনকি যুৱশক্তিৰ বাহনা শিবিৰত দিনে- ৰাতিয়ে থাকি প্রশিক্ষণ পৰিচালনা কৰিছিল। বিপ্লৱৰ কৌশলত জয় প্রকাশ নাৰায়নৰ পদ্ধতিত বিশ্বাস কৰিছিল। বিপ্লৱী বীৰ শহৰ বৰুৱাৰ নিৰাপত্তাৰ দায়িত্বও লৈছিল। শেহলৈকে মুকলিমূৰীয়াকৈ থাকি মুক্তি পোৱা যুঁজাৰুসকলক বিভিন্ন কামত নিয়োজিত কৰিছিল। শেষত আঁঢ়ৈ বছৰৰ ওপৰকাল কাৰাৰুদ্ধ হয় আৰু পৰৱর্ত্তী জীৱনত জিলা ন্যায়াধীশ হয়।

শিমলুগুৰি মৌজা



স্বৰ্গীয় শিৱনাথ ভট্টাচার্য্য : যোৰহাট জিলাৰ শিমলুগুৰি মৌজাৰ বামুণ পুখুৰী চুড়ামণি গাঁৱত ১৮৭৪ চনত শিৱনাথ ভট্টাচার্য্যৰ জন্ম হয়। শিৱসাগৰত নৱমমান শ্রেণীলৈকে পঢ়ি ঘৰ চলাব লগীয়া হোৱাত সৰু চাকৰি কৰিছিল। ১৯২১ চনত মহাত্মাজীৰ আহ্বানত চাকৰি এৰি অসহযোগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰে।

অসমৰ পৱা কানি নির্মুল কৰাৰ কাৰণে সেই সময়ৰ জিলা কংগ্রেছৰ সভাপতি দেশনেতা কুলধৰ চলিহাৰ নেতৃত্বত চলা আন্দোলনতো ভট্টাচার্য্যক মদ নিবাৰণী সমিতিৰ সভাপতি পাতিছিল। বৃটিছ চৰকাৰৰ দ্বাৰা প্রতিষ্ঠা কৰা আদালত বর্জনৰ আহ্বানত শিমলুগুৰিত গণ আন্দোলন গঠন কৰি ভট্টাচার্য্যক বিচাৰক নিয়োগ কৰিছিল। এইদৰে ১৯২১ চনৰ পৰা ১৯৪২ চনৰ মুক্তি আন্দোলনলৈকে অশেষ ত্যাগ কৰিছিল। ১৯৪২ চনত তেখেতৰ ঘৰ খানাতালাচ কৰি বহুত বয়বস্তু নষ্ট কৰিছিল। ১৯৭১ চনত ৯৭ বছৰত তেখেতৰ মৃত্যু হয়।



স্বৰ্গীয় আনন্দেশ্বৰ ৰৰঠাকুৰ:- পিতৃ ৰতনী ৰৰঠাকুৰ, মাতৃ চামিন্দী ৰৰঠাকুৰ। জন্ম চন ১৮৯৬। নিবাস পাচনি গাওঁ। শিমলুগুৰি মৌজা। ৰৰঠাকুৰে ১৯২১ চনতে হালোৱাটিং বাগানৰ চাকৰি ইস্তফা দি স্বাধীনতা যুদ্ধত অংশ গ্রহণ কৰে। ১৯৩২ চনত কাৰাবাস খাটিব লগীয়া হয়। তেখেতে পিঠিত বন্দুকৰ আঘাত পাইছিল।

১৯৪২ চনৰ আন্দোলনতো অংশগ্রহণ কৰি অর্থদণ্ড ভৰিব লগীয়া হৈছিল।

তেখেতে অসম চৰকাৰৰ স্বাধীনতা সেনানী সম্মান পেন্সন পাইছিল।



স্বৰ্গীয় মহেশ্বৰ ভট্টাচার্য্যঃ ১৯০১ চনত জন্ম গ্ৰহণ কৰা মহেশ্বৰ ভট্টাচার্য্যৰ ঘৰ শিমলুগুৰি মৌজাৰ বনাইত তেখেতৰ পিতৃৰ নাম ° নবীন চন্দ্ৰ ভট্টাচার্য্য, মাতৃৰ নাম 'নাৰায়ণী দেৱী । ১৯২১ চনত মহাত্মা গান্ধী যোৰহাটলে আহোতে ভট্টাচার্য্যই এজন স্বেচ্ছাসেৱক স্বৰূপে গান্ধীজীৰ লগত থাকি সেৱা শুশ্ৰূষা কৰিছিল ।

চাইমন কমিছন আহোঁতে ক'লা পতাকা প্ৰদৰ্শনত অংশ গ্ৰহণ কৰা আৰু যোৰহাট কাছাৰীত পিকেটিং কৰা কাৰণে পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিয়ে । বনাই। অঞ্চলৰ কংগ্ৰেছ কমিটিৰ সম্পাদক স্বৰূপে তেখেতে নানা গঠনমূলক আৰু প্ৰচাৰমূলক কাম কৰাৰ উপৰিও ১৯৪১ চনত ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন পৰিচালনা কৰিছিল । নিজেও সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰী বৰণ কৰে আৰু কাৰাবাস খাটে ।

১৯৪২ চনৰ আন্দোলনৰ কামত তেখেতে প্ৰায়ে আত্মগোপন কৰিব লগীয়া হৈছিল । সেই চনৰে ডিচেম্বৰ মাহত তেখেতক ঘৰ বেৰা দি গ্ৰেপ্তাৰ কৰি আনে আৰু ১৯৪৫ চনৰ মে মাহ পৰ্য্যন্ত জেলত আবদ্ধ কৰি ৰাখে । তেখেত এজন গঠনমূলক কৰ্ম্মীও আছিল আৰু স্থানীয় ভাবে একাধিক অনুষ্ঠান স্থাপন কৰাত আগভাগ লৈছিল ।

শ্ৰীভট্টাচার্য্যই ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ স্বাধীনতা সেনানী পেন্সন পাইছিল ।



স্বৰ্গীয় শিৱৰাম বড়াঃ- পিতৃৰ নাম নৰাম বড়া । ঘৰ তুলসীজান বামুণ পুখুৰীত । জন্ম চন-১৯২১ । শিৱৰাম বৰা শিমলুগুৰি মৌজাৰ এজন প্ৰধান কংগ্ৰেছ কৰ্ম্মী আছিল ১৯৩২ চনৰ পৰাই স্বাধীনতা আন্দোলনত যোগদান কৰে আৰু মৌজা কংগ্ৰেছৰ বহু বছৰ সম্পাদকৰ দায়িত্ব পালন কৰে । ১৯৪২

চনৰ গণ-আন্দোলনত সুদীর্ঘ কাল কাৰাবৰণ কৰে ।

মৃত্যুৰ আগ মুহুর্ত্তলৈকে তেখেত পঞ্চায়ত সংগঠনৰ এজন সক্রিয় কর্মী আছিল আৰু সম্পাদকৰ দায়িত্ব বহন কৰি বহুত উন্নয়নমূলক কাম কৰি থৈ যায় । ২৪-২-৪৩ চনত যোৱহাট জেলৰ লাঠি চার্জত ৰবা জীৱনলৈ ঘুণীয়া হয় ভাৰত চৰকাৰৰ স্বতন্ত্রতা সৈনিক সম্মান পেঞ্চন আৰু ৰাজ্যিক পেন্সন লাভ কৰে ।

স্বর্গীয় ঘন হাজৰিকা : পিতৃৰ নাম দেহিৰাম হাজৰিকা, জন্ম ১৯২২ । শিমলুগুৰি মৌজা যোৱহাট ।১৯৩০ চনত এই কংগ্রেছ কর্মীজনে দেশৰ মুক্তি সংগ্রামতযোগদান দিয়ে। এখেত অঞ্চলটোৰ এজন নেতৃস্হানীয় ব্যক্তি আছিল হাজৰিকাই সত্যাগ্রহ আন্দোলনত যোগদান কৰিছিল আৰু ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবৰণ কৰিছিল । জেলৰপৰা ওলাই আহি কংগ্রেছৰ সক্রিয় দায়িত্ব বহন কৰিছিল ।

১৯৬০ চনৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি হিচাপে সমাজৰ ভালেখিনি গঠনমূলক কাম কৰিছিল । ১৯৮৭ চনত ৭৬ বছৰ বয়সত তেখেতৰ মৃত্যু হয় ।

স্বর্গীয় ডিম্বেশ্বৰ শইকীয়া : যোৱহাট জিলাৰ শিমলুগুৰি মৌজাৰ বামুণপুখুৰী অঞ্চলৰ ডিম্বেশ্বৰ শইকীয়াই হাইস্কুল৩ পঢ়ি থাকোতেই মুক্তি সংগ্রামত ১৯৪২ চনত যোগদান কৰে। তেওঁ প্রায় ২ বছৰ জেলত কাৰাবৰণ কৰে । জেলত থাকোতে ডিম্বেশ্বৰ শইকীয়াই বিভিন্ন শাৰীৰিক কৌশল আৰু মেজিক প্রদর্শন কৰি কাৰাগাৰৰ বন্দী সকলক আনন্দ দি আছিল । তেওঁ সকলোৰে বৰ মৰমৰ আছিল বাবে তেওঁক সকলোৱে এটা উপনামেৰে 'চাকু' বুলি মাতিছিল । জেলৰ পৰা ওলাই আহি সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল । ডেকা কালতে আকস্মিক দুর্ঘটনাত তেওঁৰ মৃত্যু হয় ।

স্বৰ্গীয় তোষেশ্বৰ শৰ্মা : জন্ম ১৯২৭ চন। শিমলুগুৰি মৌজা, বামুণপুখুৰী, যোৰহাট। পিতৃ ° মহেশ্বৰ শৰ্মা। ১৯৪২ চনৰ মুক্তি সংগ্ৰামত হাইস্কুলৰ শিক্ষা বৰ্জন কৰি তোষেশ্বৰ শৰ্মাই আন্দোলনত জপিয়াই পৰে আৰু দুবছৰ কাল যোৰহাট জেলত আটক হৈ থাকে। এই যুৱক কমীজন বৰ খুহুতীয়া আৰু ৰসিক আছিল। ৰসিকতাৰ কথা কৈ কাৰাগাৰৰ আন বন্দীসকলক আনন্দ দি আছিল। জেলৰ পৰা ওলাই আহি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা কৰিছিল। কৰ্কট ৰোগত আক্ৰান্তহৈ কেবাটিও নাবালক সন্তান আৰু পৰিবাৰক এৰি অকালতে মৃত্যু বৰণ কৰে।

স্বৰ্গীয় ভদীয়া মণ্ডল বৰুৱা:-বামুণ পুখুৰীৰ দিহিঙ্গিয়া গাওঁ নিবাসী। পিতৃ ° চেংমন।

১৯২১ চনত বামুণ পুখুৰী কংগ্ৰেছৰ উপ-সভাপতি পদত থাকি অসহযোগ আন্দোলনত আত্মনিয়োগ কৰিছিল। পুলিচৰ অত্যাচাৰত নিপীড়িত হোৱাৰ উপৰিও ১০০(এশ) টকা জৰিমনা ভৰিব লগা হৈছিল।

স্বৰ্গীয় ভৱানন্দ বুঢ়াগোহাঁই:-বামুণ পুখুৰীৰ গোহাঁই গাৱঁৰ স্থায়ী বাসিন্দা। পিতৃ ° মাজুৰাম।

১৯২১ চনত বামুণ পুখুৰীৰ কংগ্ৰেছ কমিটীৰ উপ-সভাপতি আছিল। অসহযোগ আন্দোলনত সম্পূৰ্ণভাৱে জড়িত হৈ পুলিচৰ নিৰ্য্যাতন ভোগাৰ উপৰিও ১০০(এশ) টকা জৰিমনা ভৰিব লগা হৈছিল।

স্বৰ্গীয় দেহীৰাম হাজৰিকা:-তুলসীজান গাৱঁৰ নিবাসী। পিতৃ ° চুলীয়া। জন্ম ১৮৮৬ চন, মৃত্যু ১৯৫৯ চন।

১৯২১ চনত বামুণ পুখুৰী কংগ্ৰেছৰ সম্পাদক আছিল। বামুণ পুখুৰীৰ পাৰত থকা শিবিৰৰ ১১০০ (এঘাৰশ) ভলণ্টিয়াৰৰ পৰিচালনা কৰি বিদেশী বস্ত্ৰ বৰ্জ্জন, কানি নিবাৰণ, খাজনা বন্ধৰ অভিযান, কাছাৰীত মামলা-মোকৰ্দ্দমা বন্ধ আদি যি সৰ্ব্বাত্মক আন্দোলন চলিছিল তাৰ নেতৃত্ব দিছিল। এখেতেও ১০০ (এশ) টকা জৰিমনা জোৰ-জুলুমৰ অন্তত ভৰিব লগা হৈছিল।

১৯৩০ চনৰ আইন-অমান্য আন্দোলনতো ° হাজৰিকাই সক্রিয় অংশ গ্রহণ কৰিছিল।

স্বৰ্গীয় বালীমহৰী বৰুৱা :-বামুণ পুখুৰী দিহিঙ্গিয়া গাৱঁত স্হায়ী নিবাস।

১৯২১ চনৰ বামুণ পুখুৰী কংগ্রেছৰ সক্রিয় সদস্য। পুলিচৰ অৱৰ্ণনীয় নির্য্যাতুনৰ বলী হৈ বলপূর্বক ভাৱে ৫০ (পঞ্চাশ) টকা জৰিমনা আদায় কৰে।

স্বৰ্গীয় ডম্বৰুধৰ শর্মা :-বামুণ পুখুৰী তুলসীজানৰ °শর্ম্মা °মালভোগ শর্ম্মাৰ পুত্র জন্ম ১৮৮৬ চন। মৃত্যু ১৯৫৮ চন।

১৯২১ চনত বামুণ পুখুৰী কংগ্রেছ কমিটীৰ সহকাৰী সম্পাদক পদত থাকি অসহযোগ আন্দোলন পৰিচালনাৰ দায়িত্বত আছিল। পুলিচৰ অশেষ নির্য্যাতন নিৰবে সহ্য কৰাৰ উপৰিও ৫০ (পঞ্চাশ) টকা জৰিমনা জোৰ-জুলুম কৰি উচল কৰা হৈছিল।

স্বৰ্গীয় ৰঙাই গগৈ:-তুলসীজান চাংমাই গাঁৱৰ ° কাশীনাথ গগৈৰ পুত্র।

১৯২১ চনৰ অসহযোগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি পুলিচৰ উৎপীড়নৰ উপৰিও ৫০ (পঞ্চাশ) টকা জৰিমনা আদায় দিবলৈ বাধ্য কৰোৱা হৈছিল।

স্বৰ্গীয় ভোগৰাম বৰুৱা :-বামুণ পুখুৰীৰ পথৰুৱা চাংমাই গাঁও নিবাসী °বৰুৱা ১৯২১ চনৰ সক্রিয় কর্ম্মী স্বৰূপে অসহযোগ আন্দোলনত অংশ গ্রহণ কৰিছিল।

স্বৰ্গীয় যদুনাথ ফুকন :-বামুণ পুখুৰী পাচনী গাৱঁৰ °ফুকনে ১৯২১ চনৰ অহিংস অসহযোগ আন্দোলনত অংশ গ্রহণ কৰি পুলিচৰ উৎপীড়ন সহ্য কৰিব লগা হৈছিল ।

°ফুকনৰ লগতে তলত দিয়া কংগ্রেছ কর্ম্মীসকলে ১৯২১ চনৰ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি পুলিচৰ নির্য্যাতন ভোগ কৰিছিল।

° বাবু পাচনী	পাচনী গাওঁ।
° পোৱাল পাচনী	ঐ
°যজ্ঞেশ্বৰ শর্ম্মা খাউণ্ড	ঐ

* ভাবিৰাম ফুকন	খাৰঘৰীয়া গাওঁ।
*বগাই ফুকন	ঐ
*হাবি গগৈ	ৰবি গাওঁ
*টাবুৰাম গগৈ	ঐ
*উমাই শর্মা বৰুৱা	ধনটোলা গাওঁ (বনাই)
*ভৱনাথ শর্মা	ঐ
*হৰেশ্বৰ বৰুৱা	দিহিঙ্গীয়া গাওঁ
*মথৰাম বৰুৱা	ঐ
*গুণাভিৰাম বৰুৱা	ঐ
*বৰকুটক গোঁহাই	গোহাই গাওঁ
*চুটি গোঁহাই	ঐ
*ভুৱন চন্দ্র বৰদলৈ	চৰাইমৰীয়া গাওঁ
*জেকুৱা বৰা (বায়েন)	ঐ
*বাবুলা বৰুৱা	চাংমাই গাওঁ
*ডিম্বেশ্বৰ বৰুৱা	ঐ
পূর্ণকান্ত খাউণ্ড	পাচনী গাওঁ
*গঙ্গেশ্বৰ খাউণ্ড	বৰা গাওঁ
*দীননাথ শর্মা	বৰা গাওঁ
*ফটৌ বৰা	ঐ
* ঘনশ্যাম শইকীয়া	বৰা গাওঁ
* কলীয়া কোঁচ	ডুলীয়া গাওঁ
*চেনিৰাম শর্মা	তুলসীজান
*ভৱকান্ত দত্ত	ঐ
*সৰু বৰা	পাচনী গাওঁ
*মহেশ্বৰ পাচনী	ঐ
*হাতী পাচনী	ঐ
*ডিম্বধৰ গগৈ	দিহিঙিয়া গাওঁ
*ডিম্বেশ্বৰ দলৈ	চপানি গাওঁ
*পৰমানন্দ দলৈ	ঐ
*কটীয়া কলিতা	বনাই
*তোলন চন্দ্র লিগিৰা	তামুলীছিগা

টিকিৰাই ৰৱা	তুলসীজান
ডিম্বধৰ চাংমাই ৰৰুৱা	তামুলী গাওঁ
কেশৱ চন্দ্ৰ ৰৰুৱা	ঐ
কমলাকান্ত গগৈ	দোলাখৰীয়া গাওঁ
শুভ শৰ্মা ৰৰুৱা	খাৰঘৰীয়া গাওঁ
মাজু গোহাই	গোঁহাই গাওঁ
সাঁদহ খোৱা ৰৱা	চৰাইমৰীয়া গাওঁ
দেবেন্দ্ৰ নাথ ৰৱঠাকুৰ	পাচনী গাওঁ
বাপি বাৰুৱতী	চিন্তামণি গাওঁ
যজ্ঞেশ্বৰ গগৈ	ঘৰফলীয়া গাওঁ
লাডুৰাম আগৰৱালা	ৰামুণপুখুৰী
কুৱেৰিমল আগৰৱালা	ঐ
মহম্মদ চকিৰুদ্দিন আহমদ	গৰীয়া পথাৰ
মহম্মদ আশ্ৰফ আলি	ঐ
তুলসীনাথ খাউণ্ড	পাচনী গাওঁ
ধৰ্ম্মেশ্বৰ পাচনী	ঐ
সৰ্ব্বেশ্বৰ পাঠক	ঐ
নৱনাথ শৰ্মা ৰৰুৱা	ধনটোলা (ৰনাই)
চেনিৰাম গগৈ	ৰৰিগাওঁ
অম্বেশ্বৰ শৰ্মা ৰৰুৱা	চাৰিঙিয়া গাওঁ
সৰুকণ ৰৰুৱা	শেনছোৱা গাওঁ
তনুৰাম দত্ত	ৰচা গাওঁ
সোমেশ্বৰ ৰৱা	ৰামুণপুখুৰী
গাঁথলু শইকীয়া	চাৰিঙ্গিয়া
লাদৰ ৰৱা	ঐ
ডিম্বেশ্বৰ ৰৰুৱা	তামুলী গাওঁ
ডম্বৰুধৰ শৰ্ম্মা ৰৰুৱা	কপিলি চুক
প্ৰেম ৰৰুৱা	চাৰিঙ্গিয়া গাওঁ
প্ৰিয়নাথ শইকীয়া	চৰাইমৰীয়া
সৰ্ব্বানন্দ ঠাকুৰ	পাচনী গাওঁ
মহেশ চন্দ্ৰ শৰ্ম্মা	কপিলি চুক

সর্বেশ্বৰ দলৈ	জগদুৱাৰ কাকতী গাওঁ
কনক চন্দ্ৰ দত্ত	ববা গাওঁ
পৰশুৰাম পূজাৰী	ঐ
থিৰেশ্বৰ শৰ্ম্মা	তুলসীজান
কনকেশ্বৰ শৰ্ম্মা	ঐ
নন্দেশ্বৰ হাজৰিকা	ঐ
বলোৰাম বৰুৱা	ঐ
সিদ্ধেশ্বৰ বৰুৱা	তামুলী গাঁও
হৰিহৰ বৰুৱা	ঐ
ছায়ানাথ ৰাজখোৱা	চাৰিঙ্গিয়া গাওঁ
উত্তম ববা	ঐ
ভেবেলা ববা	ববা গাওঁ
লক্ষ্মীকান্ত ৰাজখোৱা	চাৰিঙ্গিয়া গাওঁ
ৰূপৰাম শৰ্মা (বায়েন)	তামুলী গাওঁ

স্বৰ্গীয় কুশদেৱ গোস্বামী : যোৱহাট জিলাৰ শিমলুগুৰি মৌজাত বামুণ পুখুৰী ৰত্নাকৰ সত্ৰত ১৮৯৪ চনত জন্ম হয়। তেওঁ ১৯২১ চনত অসহযোগ আন্দোলনৰ গুৰি ধৰিছিল। ভলণ্টিয়াৰ সংগঠন কৰি কেম্পত নাম গাই থাকোতে সেই সময়ৰ দাৰোগাই কেম্পটো ভাঙি পেলায় আৰু গোস্বামীক গ্ৰেপ্তাৰ কৰে। তেখেত বামুনীপুখুৰী কংগ্ৰেছৰ সভাপতি আছিল। ১৯২১-২২ চনৰ আন্দোলনত কাৰাবাস খাটে।

১৯২৬ চনত মাত্ৰ ৩২ বছৰ বয়সত মৃত্যু হয়। তেখেতৰ পত্নী চন্দ্ৰপ্ৰভা গোস্বামী বৰ্তমান জীৱিত আৰু তেখেতৰ বয়স বৰ্তমান ৮৫ বছৰ।

স্বৰ্গীয় খদ্দেশ্বৰ খাউণ্ড : যোৱহাট শিমলুগুৰি মৌজাৰ খদ্দেশ্বৰ খাউণ্ড আছিল এজন বিপ্লৱী কৰ্মী। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰি ১৯২২ চনত তিনিমাহ ফাটেক খাটে। তেওঁ শিমলুগুৰি মৌজাৰ প্ৰথম জেলখোৱা কৰ্মী। তেখেতে ৰাজ্যিক চৰকাৰৰ পেঞ্চন পাইছিল।

১৯৮৩ চনত তেখেতৰ মৃত্যু হয়। তেখেতৰ পৰিবাৰ শ্ৰীযুতা পূৰ্ণেশ্বৰী খাউণ্ড বৰ্তমান জীৱিত।

স্বৰ্গীয় চেনিৰাম শৰ্মা : শিমলুগুৰি মৌজাৰ চেনীজানৰ চেনিৰাম শৰ্মা ১৯২১ চনৰ কংগ্ৰেছ কৰ্মী আছিল। আন্দোলনত পুলিচে গ্ৰেপ্তাৰ কৰি তিনিমাহ কাৰাগাৰত ৰাখে। জেলৰপৰা ওলাই আহি বিয়া পাতে যদিও শান্তি ল'ৰলৈ নৌপাওঁতেই ২৮ বছৰ বয়সত মৃত্যু হয়।

স্বৰ্গীয় জেকুৰা ৰৱা : ১৯২১ চনৰ অসহযোগ আন্দোলনৰ ভলণ্টিয়াৰ সকলৰ ভিতৰত জেকুৰা ৰৱা এজন ত্যাগী কৰ্মী আছিল। তেওঁ বামুণ পুখুৰী অঞ্চলৰ চাইমুৰীয়াত জন্ম গ্ৰহণ কৰিছিল। ৬০ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

স্বৰ্গীয় বীৰেন শৰ্মা : যোৱহাট শিমলুগুৰি মৌজাৰ দ-গাঁৱৰ বীৰেণ শৰ্মা নামে এজন চেমনীয়া যুৱকে ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰে আৰু পুলিচে গ্ৰেপ্তাৰ কৰি যোৱহাট জেলত ৰাখে। জেলৰ ভিতৰত তেওঁ সকলোৰে মৰমৰ আৰু আদৰৰ আছিল জেলৰপৰা মুক্তি লাভ কৰাৰ পিছত জীৱিকাৰ সন্ধানত তেওঁ বাহিৰলৈ যায় আৰু তাতেই মৃত্যু মুখত পৰে।

স্বৰ্গীয় বিমান পাচনি : বামুণপুখুৰী, শিমলুগুৰি মৌজা। বিমান পাঁচনিয়ে

ছাত্র অৱস্থাতে দেশৰ মুক্তি সংগ্রামত যোগদান কৰি কাৰাবৰণ কৰে। স্বাধীনতাৰ আগৰ ক্বেইবছৰ বিমান পাঁচনিয়ে স্থানীয় কংগ্রেছৰ কামত সক্রিয় অংশ গ্রহণ কৰিছিল। স্বাধীনতাৰ পাছত তেওঁ যোৰহাট নগৰত থাকিবলৈ লয়।

যোৰহাট জেলত থকা কালছোৱাত তেওঁ ইমান সক্রিয় আছিল যে সহকৰ্মীসকলে তেখেতক বনকুকুৰা বুলি মাতিছিল। স্বাধীনোত্তৰ কালত তেখেত এজন লেখক ল'বলগীয়া সমালোচক আছিল। সমালোচনামূলক প্রবন্ধ কেইবাটাও ছপাহে প্রকাশ পাইছে। এই নিভীক যুৱ নেতাজনে ৰক্তছাপ ৰোগত ভুগি অকালতে মৃত্যু বৰণ কৰে।

স্বৰ্গীয় যোগানন্দ ভূঞা : শিমলুগুৰি মৌজা। যোৰহাট বনাইৰ যোগানন্দ ভূঞা এজন উদীয়মান, স্বাস্থ্যবান, সভাগুৱনী যুৱক আছিল। ১৯৩৯ চনত বৰ্মাদেশৰ পৰা ভাৰতীয় ভগনীয়া সকলক শুশ্রষাৰ কাৰণে ডিমাপুৰত খোলা শিবিৰত যোৰহাট জিলা কংগ্রেছৰ স্বেচ্ছাসেৱক হিচাপে কাম কৰে।

১৯৪০-৪১ চনত সত্যাগ্রহী আছিল। ১৯৪২ চনৰ পৰা ১৯৪৫ চনলৈকে যোৰহাট জেলত মুক্তি সংগ্রামত সহযোগ কৰা বাবে কাৰাবৰণ কৰে। জেলৰ পৰা ওলাই আহি গঠনমূলক কামত আত্মনিয়োগ কৰে আৰু ১৯৫০-৬০ চনত পূব যোৰহাট আঞ্চলিক পঞ্চায়তৰ উপসভাপতি হিচাপে কার্যনির্বাহ কৰে ৰাজহুৱা কামত সম্পূর্ণৰূপে সহযোগ কৰি থাকোতেই কৰ্কট ৰোগত আক্রান্ত হৈ মৃত্যু বৰণ কৰে।

স্বৰ্গীয় ৰজনী কটকী : যোৰহাট জিলাৰ শিমলুগুৰি মৌজাৰ লাহোৱাল গাঁৱৰ ৰজনী কটকী ১৯৪০ চনত সত্যাগ্রহ প্রশিক্ষণ কেন্দ্রত ন-কছাৰী মৌজাৰ পুথিনৈৰ কেম্পত স্বেচ্ছাসেৱক হিচাপে যোগদান কৰিছিল। সমাজকর্মী হিচাপে তেওঁ গাঁৱত সংগঠনৰ কাম কৰি ফুৰিছিল।

আনকি মৃত্যুৰ আগলৈকে গাঁৱৰ মাজত কেম্পৰ সংগঠনৰ যোগেদি বক্তৃতা দি ফুৰিছিল। প্রশিক্ষণ শিবিৰত তেওঁৰ অসুখ বেছি হোৱা কাৰণে তেওঁৰ আত্মীয় এজনৰ ঘৰলৈ স্থানান্তৰ কৰা হয় যদিও সন্নিপাত ৰোগত তেওঁৰ অকালতে মৃত্যু হয়।

টীয়ক মৌজাৰ প্ৰয়াত মুক্তি যুঁজাৰুসকল

স্বৰ্গীয় উমাৰাম কলিতা : টীয়ক মৌজাৰ দুইনৈমুখ কঁহাৰ গাওঁ প্ৰাথমিক কংগ্ৰেছৰ সভাপতি আছিল। শান্তিসেনা বাহিনী গঠন কৰি গাৱঁৰ স্বাৱলম্বী হোৱা কামত গুৰুত্ব দিছিল। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰা অপৰাধত পুলিচৰ কোপ-দৃষ্টিত পৰিছিল আৰু পাইকাৰী জৰিমণা আদায় নিদিয়াত ঘৰৰ কাঁহি-বাতি পৰ্য্যন্ত পুলিচে লৈ গৈছিল। গাওঁখনৰ সংগঠন অটুত ৰাখিছিল, আৰু-আন্দোলনৰ বাবে কৰ্মী উলিয়াইছিল।

স্বৰ্গীয় চন্দ্ৰনাথ দত্ত : পিতৃৰ নাম জুৰমণ দত্ত। টীয়কৰ ৰজাবাৰী কঁহাৰ গাৱঁত ঘৰ। ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰিছিল। ১৯৪২ চনৰ নবেম্বৰ মাহত পাইকাৰী জৰিমণা আদায় কৰোতে বাধা দিয়াত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ছমাহৰ অধিক কাল কাৰাবাস খাটিব লগীয়া হয়। ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু আৰু স্বতন্ত্ৰতা সৈনিক সম্মান পেঞ্চন পাইছিল। ১৯৮৩ চনত অকালতে মৃত্যু হয়।

স্বৰ্গীয় ৰমেন্দ্ৰ বল্লভ মহন্ত : জন্ম হয় ১৯০১ চনত আৰু ১৯৬৪ চনত মৃত্যু ৰৰণ কৰে। টীয়ক মৌজাৰ ৰজাবাৰীৰ নাতিদূৰত শ্ৰীশ্ৰীকাংসপাৰ সত্ৰত জন্ম গ্ৰহণ কৰা এই কংগ্ৰেছ কৰ্ম্মীজনে মৃত্যু পৰ্য্যন্ত গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। "গুৰুদেৱ ঔষধালয়" নামৰ প্ৰতিষ্ঠানৰ যোগেদি প্ৰাচীন "নিদানৰ" যোগে বলিয়া কুকুৰে খোৱা, বিষাক্ত সৰ্পৰ দংশন আৰু স্ত্ৰী ৰোগৰ চিকিৎসা কৰি সুখ্যাতি অৰ্জন কৰাই নহয় কম খৰচতে দুখীয়া লোকক চিকিৎসা দিছিল।

দুইনৈমুখ প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক হিচাবে কাৰ্য্য নিৰ্বাহ কৰি ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰিছিল। পাইকাৰী জৰিমণাত ঘৰৰ সা-সম্পত্তি পুলিচে নিছিল।

স্বৰ্গীয় মহেন্দ্ৰনাথ বৰুৱা : ঘৰ টীয়ক মৌজাৰ দুলীয়া গাৱঁত আছিল যদিও স্বাধীনতা লাভৰ অন্তত জয়পুৰ অঞ্চলত স্থায়ীভাৱে থাকিবলৈ লয় আৰু তাতেই অকালতে মৃত্যুৰ মুখত পৰে। ১৯৪২ চনত টীয়ক মৌজাৰ কৰ্মীসকলৰ লগত আন্দোলনত যোগদান দি দীৰ্ঘদিন কাৰাবাসত থাকে।

স্বৰ্গীয় হৰ দলৈ : টীয়কৰ ৰজাবাৰী শান্তিসেনা শিবিৰৰ ওচৰৰে কঁহাৰ গাৱঁত ঘৰ। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। টীয়ক মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকে আন্দোলনকাৰী সকলৰ আহ্বানত

বিদ্যালয় এৰি নহাত গান্ধীটুপী এটা পিন্ধাই এই মাতব্যৰ কর্মীজনে দাণ্ডি উলিয়াই লৈ আহিছিল আৰু শোভাযাত্রাত অংশ গ্রহণ কৰোৱাইছিল। গাঁৱৰ ৰাইজক আন্দোলনৰ প্রতি উদ্বুদ্ধ কৰি তুলিব পাৰিছিল। ১৯৬৮ চনত এই সাহসী কর্মীজনৰ মৃত্যু হৈছিল।

স্বর্গীয় অকণ চন্দ্র বৰুৱা : টীয়ক পর্বতীয়া গাঁৱৰ অকণ চন্দ্র বৰুৱাই আন্দোলনত যোগদান কৰি ৩ মাহ কাৰাবৰণ কৰে আৰু তেতিয়াৰ পৰাই স্বাধীনতা আন্দোলনত সক্রিয় ভাবে লাগি থাকি ভালেখিনি জনহিতকৰ কাম কৰে। বিশেষকৈ গোজাতিৰ উন্নয়নৰ বাবে পথাৰ বিলাক বেদখলীৰ হাতৰ পৰা উদ্ধাৰ কৰাত অহোপুৰুষার্থ কৰে। তেখেতে ১৯৪১ চনৰ সত্যাগ্রহ আন্দোলন আৰু ১৯৪২ চনৰ গণ আন্দোলনতো যোগদান কৰে। ৭৮ বছৰ বয়সত তেখেতে মৃত্যু বৰণ কৰে।

স্বর্গীয় অকণ চন্দ্র গোস্বামী : ভকত গাওঁ ; মৌজা টীয়ক। পুণীয়া সত্রৰ আৰু জাঁজিমুখ অঞ্চলৰ এজন প্রখ্যাত সমাজকর্মী আছিল। সত্রৰ নামঘৰত শান্তিসেনাৰ শিবিৰ পাতি যোৰহাট নগৰ আৰু টীয়ক থানালৈ পঠাইছিল।

স্বর্গীয় কণল'ৰা সাধনীদাৰ-টীয়ক মৌজাৰ মিধাখাট গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ খহুৰা। জন্ম ১৮৯৫ চন। মৃত্যু ২০ -১১ - ৯০ চন।

১৯২১ চনৰ অহিংস অসহযোগ আন্দোলনৰ প্রতি ভৰ ডেকা বয়সত মহাত্মা গান্ধীৰ আহ্বানৰ প্রতি সক্রিয় সঁহাৰি জনাই পিকেটিং কৰা অপৰাধত ৬ (ছয়) মাহ কাৰাদণ্ড হয়। কাৰামুক্ত হোৱাৰ পাচত কংগ্রেছৰ সাংগঠনিক দিশত আত্মনিয়োগ কৰে।

ৰাজ্যিক ৰাজনৈতিক পেঞ্চন পাইছিল।

স্বর্গীয় আনন্দিৰাম বৰুৱা - টীয়ক মৌজাৰ দুলীয়া গাঁৱৰ বাসিন্দা। পিতৃ লীলাৰাম, মাতৃ লেৰেলী। জন্ম ১৮৭৪ চন।

১৯২১ চনতে মহাত্মা গান্ধীৰ আহ্বানত অহিংস অসহযোগ আন্দোলনত যোগদান কৰি কানি নিবাৰণী আৰু খাজনা বন্ধ কার্য্যসূচী ৰূপায়নত সক্রিয় অংশ গ্রহণ কৰি কাৰাবৰণ কৰে। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ ঘনিষ্ঠ সহযোগী। ১৯৪০ চনৰ সত্যাগ্রহত নিজে সত্যাগ্রহ কৰা নাছিল যদিও সত্যাগ্রহ কৰিবলৈ অনুষ্ঠিত সভাবিলাকত সভাপতিত্ব কৰিছিল। ১৯৪২ চনত বার্দ্ধক্যৰ হেচাত ৰোগাক্রান্ত।

৫ জন পুত্ৰ আৰু ৩ গৰাকী কন্যা এৰি থৈ ১৯৫৬ চনৰ ভাদমাহত ৮২ বছৰ বয়সত স্বৰ্গী হয়।।

স্বৰ্গীয়া উমাকান্তি ৰায় বৰুৱা :- টীয়ক দুলীয়া গাৱঁত নিবাস হলেও ডিব্ৰুগড়ৰ টিপলিং পুৰণাঘাটত স্থায়ী ভাবে পুত্ৰসকলৰ লগত বসবাস কৰে। স্বামী হৰিপ্ৰসাদ ৰায় বৰুৱা। জন্ম ১৯০০ চন।

গোটেই পৰিয়ালটো স্বাধীনতা সংগ্ৰামত জড়িত হোৱাত মাতৃ স্বৰূপে সভা, শোভাযাত্ৰাত অংশ গ্ৰহণ কৰি মহিলাসকলৰ নেতৃত্ব গ্ৰহণ কৰে। টীয়ক অঞ্চলৰ মহিলা যুঁজাকসকলৰ অগ্ৰণী ভূমিকাত অৱতীৰ্ণ হয়।

দুজন পুত্ৰ শ্ৰীদুলাল ৰায় বৰুৱা আৰু নগেন ৰায় বৰুৱাক আন্দোলনলৈ উলিয়াই পঠিওৱাই নহয় পলাতক আন্দোলনকাৰী কৰ্মী সকললৈ আহাৰ যোগাৰ কৰি ৰাখে। এই গৰাকী আইতাই পলাতক কৰ্মী শ্ৰীকুমুদ বৰাৰ মাউৰা লৰা ছোৱালী কেইটাক ঘৰত ৰাখি প্ৰতিপালন কৰিছিল।

১৯৮৭ চনত ৮৮ বছৰ বয়সত পৰলোক হয়। কোনো সম্মান বিচৰা নাছিল।

অচ্যুৎ নেওগ : (গাওঁবুঢ়া) টীয়ক মৌজাৰ অন্তৰ্গত জাজীমুখৰ প্ৰাথমিক সম্পাদক আছিল। এই অঞ্চলত যাতায়তৰ কোনো সুবিধা নাছিল। ব্ৰহ্মপুত্ৰৰ পানী বাঢ়িলে নাৱেৰে মানুহ অহা যোৱা কৰিছিল। নেওগে সেই অঞ্চলৰ ৰাইজক সংগঠিত কৰি ৰাখিছিল। জনজাতি অঞ্চলত কানি ৰৰবিহ প্ৰচলন আছিল। এখেতে সেইবিলাক কংগ্ৰেছ সংগঠনৰ যোগে দূৰ কৰাৰ যত্ন কৰিছিল।

জেলৰ পৰা পলাই যোৱা চাৰিজন বিপ্লৱী লোকক ৰাইজে ধৰি আনি এখেতৰ দায়িত্বত ৰাখিছিল। এই বৃদ্ধ কৰ্মী জনে এখন সৰু নাৱত তুলি আনি মৌজা পঞ্চায়তক চমজাই দিছিল। তথাপি সেই বিপ্লৱী কৰ্মী কেইজনে বৃদ্ধ নেওগৰ ব্যৱহাৰত সন্তুষ্ট হৈ নিজেই আহি হাজিৰ হৈছিলহি।

স্বৰ্গীয় দন্দি হাজৰিকা : নাওবৈচা গাঁৱৰ প্ৰাথমিকৰ সভাপতি আছিল। কংগ্ৰেছৰ আদৰ্শ আৰু নিৰ্দ্দেশ মানি সকলো কাৰ্য্যসূচীতে অংশ গ্ৰহণ কৰিছিল। পাইকাৰী জৰিমনাৰ বাবে ঘৰৰ বয় বস্তু পুলিছে লৈ গৈছিল।

স্বৰ্গীয় অকন হাজৰিকা : ঢেকিয়ানিৰ প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল। খাদী উৎপাদন, মুগা পুহি তাৰ সূতা উৎপাদন কৰা আৰু অন্যান্য কাৰ্য্যসূচীত সদায়েই ব্যস্ত আছিল। মাদক দ্ৰব্য বৰ্জ্জন, সত্যাগ্ৰহ, গণ আন্দোলন আদি প্ৰতিটো আন্দোলনত সক্ৰিয় ভাবে জড়িত আছিল। পাইকাৰী জৰিমনাৰ বাবে ঘৰৰ মালবস্তু খানাতালাচ কৰি নিছিল।

স্বৰ্গীয় কমল দোলাকাৰ্ষৰীয়া : টীয়ক ঢেকীয়ানি প্ৰাথমিক কংগ্ৰেছৰ কংগ্ৰেছৰ সাধাৰণ সভ্য আছিল যদিও কংগ্ৰেছৰ নিৰ্দ্দেশ মানি সকলো কাৰ্য্যসূচীতে অংশ গ্ৰহণ কৰি আগভাগ লৈছিল। ঘৰৰ অৱস্থা শোচনীয় যদিও তালৈ ভ্ৰুক্ষেপ নকৰি সদায়ে এটা নহয় এটা বাজহুৱা কামত জড়িত আছিল। টীয়ক সেৱাশ্ৰম প্ৰতিষ্ঠাত আগভাগ লৈছিল।

স্বৰ্গীয় নন্দেশ্বৰ পেগু : টীয়ক শগুণ পৰা প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল। মিচিং সম্প্ৰদায়ৰ সকলো বিলাক উন্নয়ন মূলক কামৰ আগৰণুৱা আছিল। এজন নিৰৱ কৰ্ম্মী। ৪২ চনত কংগ্ৰেছৰ সকলো কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছিল অকালতে মৃত্যু হয়।

স্বৰ্গীয় পেটুৱা শইকীয়া : টীয়কৰ বেজৰ চিগা গাৱঁৰ এজন প্ৰধান উদ্যোগী, ৪২ চনৰ কংগ্ৰেছ কৰ্ম্মী আছিল। কংগ্ৰেছৰ কামত জড়িত থকাৰ বাবে শইকীয়া দুবাৰ পুলিচে ধৰি আনি এৰি দিছিল তেওঁৰ ঘৰত অৱস্থা শোচনীয় আছিল। গান্ধীৰ বাণী সকলো গাৱঁতে প্ৰচাৰ কৰি ফুৰিছিল।

স্বৰ্গীয় ভোলাই ভূঞা : টীয়ক মৌজাৰ বেজাৰ চিগা গাঁৱৰ কংগ্ৰেছৰ স্বেচ্ছাসেৱক আৰু শান্তি সেনা কৰ্ম্মী আছিল। ৪২ কংগ্ৰেছৰ আদৰ্শ আৰু বাণী নিজেও মানি চলিছিল আৰু গাৱঁৰ বাইজৰ মাজত প্ৰচাৰ কৰি ফুৰিছিল। অকস্মাতে মৃত্যু বৰণ কৰে।

বোধেশ্বৰ বৰুৱা : চাওদাং গাওঁ প্ৰাথমিক কংগ্ৰেছৰ সভাপতি আছিল। এই জন লোকৰ আজীৱন ত্যাগ আৰু কৰ্ম্মৰ তুলনা অতি বিৰল। সকলো প্ৰকাৰৰ চৰকাৰী নিপীড়ন সহ্য কৰিও আদৰ্শৰ পৰা কোনো সময়তে বিচ্যুতি হোৱা নাছিল।

বিমলা ভূঞা : টীয়ক মৌজাৰ জগদুৱাৰ পাচনি গাৱত তেখেতৰ ১৮৮২ চনত জন্ম হয়। পিতৃ কণ্ঠিৰাম কাকতী। চাওখাট মৌজাৰ তিনিকুৰীয়া গাঁৱৰ বাপুতি ভূঞাই তেখেতক বিয়া কৰাইছিল। ১৯৫২ চনৰ ২ অক্টোবৰত তেখেতৰ মৃত্যু হয়।

১৯৪২ চনৰ আৰম্ভণিতে চাওখাট মৌজাৰ ১০ খন গাঁৱৰ ভিতৰত এখন বিপ্লৱী মহিলা সমিতি গঠন কৰা হৈছিল। সেই সমিতিৰ সভানেত্ৰী আছিল বিমলা ভূঞা, যুগ্ম সভানেত্ৰী শ্ৰীযুতা টঙ্কেশ্বৰী বৰদলৈ আৰু সম্পাদিকা শ্ৰীযুতা ধনলতা ভূঞা (কাকতী) আছিল। '৪২ ৰ ৫ অক্টোবৰত মহিলা দিবসত গোটেই দেশৰে কাছাৰী, থানা আৰু অফিচবিলাকত মহিলাসকলে জাতীয় পতাকা উত্তোলন কৰিবলৈ নিৰ্দেশ আছিল। চাওখাট মৌজাৰ অধিনায়ক ভদ্ৰনাথ বৰদলৈয়ে এক অভিনৱ উপায় উদ্ভাৱন কৰিলে যে মহিলা সকলে হাতত ফুলৰ মালা লৈ যাব আৰু পুলিচৰ বন্দুক আৰু লাঠিত 'জয় মহাত্মা গান্ধীৰ জয়' ধ্বনি কৰি পিন্ধাই দিব। গাঁৱৰে নামঘৰৰ মুখৰপৰা গোটেই মৌজাৰ বছা বছা ২০ গৰাকী মহিলাই হাতত ফুলৰ মালা লৈ শোভাযাত্ৰা কৰি টীয়ক থানালৈ গ'ল সভানেত্ৰীয়ে হাতত জাতীয় পতাকা লৈ গৈছিল। পতাকাখন ইনচার্জে কাঢ়ি ল'লে। সকলোৱে জয়ধ্বনি কৰি পুলিচৰ লাঠি আৰু বন্দুকত মালা পিন্ধাই ঘূৰি আহিল। পুলিচে লাঠি চার্জ কৰা দূৰত থাওঁক, বেয়া কথা এষাৰ পৰ্য্যন্ত কোৱা নাছিল। এয়ে অহিংস নীতিৰ আধ্যাত্মিক প্ৰভাৱ। তেখেত কেইবা বছৰো মৌজা মহিলা সমিতিৰ সভানেত্ৰী আছিল। সূতা কটাৰ প্ৰচাৰ কৰিছিল।

সৰ্ব্বেকান্ত পেগু : বৰ মঠাউৰি প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল। স্বেচ্ছাসেৱক আৰু শান্তি সেনা বাহিনীৰ অক্লান্ত নায়ক আছিল। মিচিং সম্প্ৰদায়ৰ মাজত সকলো প্ৰকাৰৰ কংগ্ৰেছৰ বাণী আদৰ্শ নিষ্ঠাৰে প্ৰচাৰ কৰি নিজেও সৰ্ব্বস্ব ত্যাগ স্বীকাৰ কৰি গঠনমূলক কামত আত্ম নিয়োগ কৰিছিল। এওঁৰভনীয়েক শ্ৰীমতী মনোমতী পেগুৱে কস্তুৰী বাই মহিলা আশ্ৰম স্থাপন কৰি মহিলা সকলকো জাগৃত কৰিছিল।

স্বৰ্গীয় দন্দি নাথ বৰুৱা : কমাৰ খাটোৱাল প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আৰু কংগ্ৰেছৰ সংগ্ৰামী আছিল। কংগ্ৰেছৰ আদৰ্শ মানি সকলো বিলাক গঠনমূলক কামত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। অত্যন্ত সাহসী আৰু উদ্যোগী আছিল। যিকোনো কামতে আগশাৰীত থিয় হৈছিল, ১৯৪২ চনত জেললৈ চালান দিয়া নাছিল যদিও কেইবাবাৰো গ্ৰেপ্তাৰ বৰণ কৰিছিল। অন্যান্য নিৰ্য্যাতনৰ উপৰিও পাইকাৰী জৰিমনা ভৰিব লগা হৈছিল।

স্বৰ্গীয় লক্ষীনাথ ববা : টীয়ক ওৱাল গাঁৱৰ বাসিন্দা। জন্ম ১৯১৮ চন, মৃত্যু ১৯৭৪ চন। জীৱনকাল ৫৬ বছৰ মাত্ৰ। ববা নিয়মীয়া কংগ্ৰেছ কৰ্মী নাছিল যদিও ১৯৪২ ৰ বিপ্লৱত কৰ্মীতকৈ বহুত অধিক আশাসুধীয়া আৰু ঐকান্তিক ভাৱে লিপ্ত আছিল। তেখেতৰ এখন দোকান আছিল, ববপুখুৰীপাৱত গোপন নথি পত্ৰ সেই দোকানতে ৰাখে বুলি পুলিচে জানিছিল কাৰণে সঘনে দোকানখন তালাচী হৈছিল। ববাই নথিবোৰ পুখুৰীত পেলাই দি কৰ্মীসকলক ৰক্ষণাবেক্ষণ দিছিল। অৱশেষত এদিন দোকানখনকে জ্বলাই দিছিল। এইদৰে সংগ্ৰামত সহায় কৰি অকালতে ইহ সংসাৰ ত্যাগ কৰিলে।

স্বৰ্গীয় ভোগেশ্বৰ শইকীয়া : কটিকুচিয়া প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল। কংগ্ৰেছৰ আদৰ্শ আৰু নেতাসকলৰ বাণী সাৰাগত কৰি গাওঁখনৰ সকলো গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। তেখেতৰ এখন ভৰি লেঙেৰা যদিও প্ৰতিটো কামত আগশাৰীত পোৱা হৈছিল। ঘৰৰ কথা মন কাণ এৰি বাহিজৰ তথা দেশৰ কামত ব্ৰতী আছিল। তেখেতৰ দৰে আদৰ্শ কংগ্ৰেছ কৰ্মী অতিশয় বিৰল। পাইকাৰী জৰিমনাত ঘৰত বয়স্ক খানা তালাচ কৰি নিছিল। ১৯৪২ চনৰ এজন নিৰৱকৰ্মী।

স্বৰ্গীয় ইন্দ্ৰেশ্বৰ ববৰবা : টীয়ক মৌজাৰ পহুচুঙি প্ৰাথমিক কংগ্ৰেছৰ সক্ৰিয় সদস্য আছিল। খাদী উৎপাদন বিদেশী বৰ্জন, মাদকতা বৰ্জন আদি কামত আগৰণুৱা আছিল। আজীৱন কংগ্ৰেছৰ আদৰ্শ মানি চলিছিল। সময়ে সময়ে চৰকাৰৰ নিৰ্য্যাতন মূৰ পাতি লৈছিল।

স্বৰ্গীয় বোধেশ্বৰ ববৰবা : পহুচুঙি প্ৰাথমিক কংগ্ৰেছৰ সভ্য আৰু স্বেচ্ছা সেৱক বাহিনীৰ নায়ক আছিল। গ্ৰেপ্তাৰ বৰণ কৰিছিল। কিন্তু দূৰৰ বনাঞ্চলত এৰি দিয়ে আৰু অনেক বাৰ নিৰ্য্যাতন ভোগ কৰে।

স্বৰ্গীয় ডম্বৰুধৰ চুতীয়া : টীয়ক গোঁহাই পথাৰ গাঁৱৰ লোক আছিল। ১৯৪১- ৪২ চনত কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য আছিল। ৪২ চনৰ সকলো কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছিল। পাইকাৰী জৰিমনা আদি ভৰিব লগা হৈছিল। কংগ্ৰেছ কৰ্মী সকলে টিয়ক ৰজাবাৰীত আশ্ৰম পতাত সহযোগ কৰিছিল।

স্বৰ্গীয় টংকেশ্বৰ ৰৱৰৱা : টীয়ক পহুচুঙি প্ৰাথমিক কংগ্ৰেছৰ সভাপতি আছিল। কংগ্ৰেছৰ প্ৰায় বিলাক কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছিল। তেখেতৰ গোটেই ঘৰখনেই আছিল কংগ্ৰেছৰ শিৱিৰ। তেখেতৰ পুত্ৰ বোধেশ্বৰ ৰৱৰৱা শান্তি সেনা নায়ক আছিল আৰু তেখেতৰ আন এজন পুত্ৰ শ্ৰীঅকন ৰৱৰৱাই ৪২ আন্দোলনত ছাত্ৰ জীৱন বাদ দি জেইললৈ যায়।

স্বৰ্গীয় জয়ৰাম দলৈ : টীয়ক জখৰীয়া প্ৰাথমিক কংগ্ৰেছৰ সভাপতি আছিল। এই জন লোকৰ ঘৰখন কংগ্ৰেছ কৰ্মী সকলৰ শিবিৰ স্বৰূপে আছিল। খাদী উৎপাদন, মাদকদ্ৰব্য বৰ্জ্জন আদি প্ৰায়বিলাক কাৰ্য্যসূচী অনুসৰি আদৰ্শ মানি চলিছিল। এখেত কংগ্ৰেছ অনুষ্ঠানৰ হকে ত্যাগ স্বীকাৰ কৰি চৰকাৰৰ নিৰ্য্যাতন অকাতৰে সহ্য কৰিছিল।

স্বৰ্গীয় খেমাৰাম ৰৱা : টীয়ক মাহৰা প্ৰাথমিকৰ কংগ্ৰেছৰ সভাপতি আছিল। তেখেত এজন আধ্যাত্মিক ভাৱৰ লোক আছিল। সেই বুলি গান্ধীজীৰ প্ৰদৰ্শিত পথৰ পৰা বিচলিত হোৱা নাছিল। পাইকাৰী জৰিমনাৰো বলি হৈছিল। ১৯৪২ চনৰ সকলো কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছিল।

স্বৰ্গীয় উপেন্দ্ৰ নাথ বৰুৱা : টীয়ক বামুণ গাওঁ প্ৰাথমিক কংগ্ৰেছৰ সভাপতি আছিল। কংগ্ৰেছৰ নিৰ্দ্দেশ মানি প্ৰয়োজন হ'লেই যি কাৰ্য্যসূচী ডাঙি ধৰে প্ৰতিটোতে সক্ৰিয় ভাৱে জড়িত আছিল। পাইকাৰী জৰিমনা ভৰিব লগা হৈছিল।

স্বৰ্গীয় ভোগেশ্বৰ ভূঞা : টীয়ক কটিকুচিয়া গাঁৱত ঘৰ। ১৯৪২ চনত কংগ্ৰেছৰ সকলো বিলাক কাৰ্য্যসূচীত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ আদৰ্শ মানি সকলো নিৰ্য্যাতন নিপীড়ণ গ্ৰহণ কৰিছিল। আনকি চাৰি মাহ কাৰাবাস খাটিছিল। পাইকাৰী জৰিমনা ভৰিছিল।

স্বৰ্গীয় খগেশ্বৰ হাজৰিকা : খগেশ্বৰ হাজৰিকাৰ ঘৰ যোৰহাট জিলাৰ টীয়ক মৌজাৰ ঢেকিয়ানী ভৰলুৱা গাঁৱত। ১৯১২ চনত জন্ম। তেখেত প্ৰশিক্ষণ প্ৰাপ্ত কংগ্ৰেছৰ শান্তি সেনা আছিল। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গাঁৱে-ভূঞে সংগঠনৰ কাম কৰিছিল।

১৯৪২ চনৰ গণবিপ্লৱত জপিয়াই পৰি ৭ মাহ কাৰাবাস খাটে। স্বাধীনোত্তৰ কালত পঞ্চায়ত সংগঠনত আত্মনিয়োগ কৰি বাইজৰ দ্বাৰা কেইবাবাৰো নিৰ্বাচিত হয়। তেখেতে ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেন্সন পাইছিল। ১৯৮২ চনৰ মে মাহত ৭০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

গোবিন্দ চন্দ্ৰ বৰুৱা : যোৰহাট জিলাৰ টীয়কৰ খটীয়া বৰুৱা বংশৰ গোবিন্দ চন্দ্ৰ বৰুৱাই স্বাধীনতা আন্দোলনত যোগদি ১৯৩২ চনত কাৰাবৰণ কৰে। তেতিয়াৰ পৰাই বৰুৱাই সক্ৰিয় অংশ গ্ৰহণ কৰি স্বাধীনতা আন্দোলনত সকলো দিশতে আন্দোলনৰ নেতৃত্ব দিয়ে।

বিশেষকৈ মহাত্মাজীৰ গঠনমূলক আঁচনি আৰু হৰিজন আন্দোলনত আত্মনিয়োগ কৰে আৰু সেই কাৰণেই তেখেতক মানুহে হৰিজন বুলি মাতিছিল।

১৯৪১ চনত তেখেতৰ সহধৰ্মিনী শ্ৰীমতী আইদেউ বৰুৱাই স্বামীৰ লগতে সত্যাগ্ৰহ কৰি কাৰাবৰণ কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি সুদীৰ্ঘ কাল কাৰাবাসত কটায়। জেলৰ ভিতৰতে নীলমণি ফুকনৰ লগত টীয়ক সেৱাশ্ৰম স্থাপনৰ আঁচনিৰ পৰিকল্পনা কৰে আৰু জেলৰ পৰা ওলাই আহি তাক কাৰ্যকৰী কৰাত আত্মনিয়োগ কৰে। ৮৬ বছৰ বয়সত বাৰ্দ্ধক্যজনিত কাৰণত নিজ বাস ভৱনত তেখেতৰ মৃত্যু হয়। তেখেতে বৃদ্ধা মুক্তিযোদ্ধা পৰিবাৰ, তিনিজন পুত্ৰ আৰু এটি কন্যা সন্তান এৰি থৈ যায়।

ডিম্বেশ্বৰ ৰৱদলৈ : যোৰহাট জিলাৰ টীয়ক জখৰীয়া অঞ্চলৰ ডিম্বেশ্বৰ ৰৱদলৈয়ে ১৯৩২ চনৰ আইন অমান্য আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি তিনিমাহ সশ্রম কাৰাবাস খাটে। তেওঁ এজন অত্যন্ত সাহসী মুক্তি যুঁজাক আছিল। সাহসীকতাৰে লিডু কলিয়ৰীত কাম কৰি পৰিচালকৰ পদ লাভ কৰিছিল।

তেখেতৰ সহধর্মিনী শ্রীকিৰণ ৰৱদলৈয়ে এতিয়াও সমাজৰ কাম কৰি আছে আৰু মুক্তি যোদ্ধাৰ সম্মান পেন্সন পাইছে।



চিদানন্দ দোলাকাষৰীয়া : টীয়ক ৰজাবাৰীৰ চিদানন্দ দোলাকাষৰীয়াই ছাত্র আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি পাইকাৰী জৰিমনা চৰকাৰক নিদিবলৈ বাইজক কোৱা বাবে গ্রেপ্তাৰ ৰৱণ কৰি সাতমাহ কাল কাৰাগাৰত থাকে। তেওঁটীয়ক সেৱাশ্রমৰ সক্রিয় গঠনমূলক কর্মী আছিল। চৰকাৰী ৰেচম বিভাগত কাম কৰি অৱসৰ লয়। তেওঁ স্বতন্ত্র সৈনিক সম্মান আৰু ৰাজ্যিক মুক্তি যুঁজাক পেঞ্চন পাইছিল।

বনমালী শইকীয়া : গুৱাল গাওঁ। টীয়ক মৌজা। '৪২ ৰ গণ বিপ্লৱত টীয়ক থানাতে পিকেটিং কৰিছিল। এজন চিত্রশিল্পী আছিল। ৰাজ্যিক মুক্তি যুঁজাক পেঞ্চন পাইছিল।



খগিৰাম শইকীয়া : শ্ৰীখগিৰাম শইকীয়াৰ ঘৰ টীয়ক মৌজাৰ কাকজান দুলিয়া গাঁৱত। তেখেতৰ পিতৃৰ নাম ৺হৰিদাস আৰু মাতৃ ৺গোলেশ্বৰী। জন্ম চন ১৯০৩। ১৯৩২ -৩৩ চনতে জাতীয় কংগ্ৰেছৰ সভ্য ভৰ্ত্তি হৈ দেশৰ গঠনমূলক কামত অংশ গ্ৰহণ কৰি খাদী প্ৰচাৰত আত্ম নিয়োগ কৰিছিল।

বিয়াল্লিছৰ গণবিপ্লৱত অংশ গ্ৰহণ কৰি প্ৰচাৰ আৰু আন্দোলন সংগঠনৰ কামত লাগি থকা অপৰাধত গ্ৰেপ্তাৰ হৈ সাত মাহ দিন ধৰি বিচাৰাধীন কয়দীস্বৰূপে থকাৰ পাচত বিচাৰত আদালতে মুক্তি দিয়ে। ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেন্সন লাভ কৰিছে।



কৈলাশ চন্দ্ৰ বৰুৱা : ১৯৩২ চনতে বাগানত চাকৰি এৰি আহি কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয়ভাৱে সহযোগিতা কৰে। অনাড়ম্বৰ জীৱন যাপন কৰি পুলিচৰ পৰা আঁতৰি গাওঁসংগঠনৰ কামত আত্মনিয়োগ কৰিছিল যদিও পিকেটিং কৰোতে গ্ৰেপ্তাৰ বৰণ কৰিব লগীয়া হৈছিল। মৰিয়নীৰ ওচৰৰ বনাঞ্চলত এৰি আহিছিল। পাইকাৰী জৰিমনা ভৰিব লগীয়া হৈছিল।

এখেতৰ ঘৰ টীয়ক মৌজাৰ দুলীয়া গাৱঁত আছিল।

৺চন্দ্ৰেশ্বৰ কলিতাৰ টীয়ক মৌজাৰ নাম চুক গাৱঁত ঘৰ। পিতৃৰ নাম নদী পণ্ডিত। সাধু স্বভাৱৰ এই কংগ্ৰেছ কৰ্মীজনে নিজৰ আৰ্থিক অৱস্থালৈ আওকাণ কৰি ৰাইজৰ কাম কৰিছিল। ১৯৩৯/৪০ চনত সত্যাগ্ৰহ আন্দোলনৰ পৰা গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। এখেতৰ অকালতে মৃত্যু হয়।



পোৱাল চন্দ্র শইকীয়া : যোৱহাট জিলাৰ টীয়ক দুলীয়া গাঁৱত পোৱালচন্দ্র শইকীয়াৰ জন্ম হয়। তেখেত এজন আদর্শৱান শিক্ষক আছিল। ১৯৪১ চনত আৰু তাৰ পিছতো সত্যাগ্রহ আন্দোলনত যোগ দিয়ে। ১৯৪২ চনৰ গণ আন্দোলনত সুদীর্ঘ কাল কাৰাবৰণ কৰে। তেখেতে ধর্মান্ধতা দূৰীকৰণৰ বাবে অস্পৃশ্যতা বর্জনত জোৰ দিছিল। মৃত্যুৰ সময়লৈকে সমাজ সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ৮০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

পূর্বেশ্বৰী দলৈ : যোৱহাট জিলাৰ টীয়ক মৌজাৰ এখন পিছপৰা গাঁৱত পূর্বেশ্বৰী দলৈৰ জন্ম হয়। ১৯৩৯ চনত সত্যাগ্রহ আন্দোলনৰ শান্তি সেনা গঠনত মহিলা সংগঠনত আৰু প্রচলনত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ মুক্তি সংগ্রামত সক্রিয় অংশ গ্রহণ কৰি সেই চনৰে ৫ নবেম্বৰত কেইবাহাজাৰো মহিলাৰ শোভাযাত্রা পৰিচালনা কৰি আগত জাতীয় পতাকালৈ থানালৈ আগবাঢ়ি যাওঁতে পুলিচ মিলিটেৰীৰ সম্মুখীন হয়। সেই দিনৰ পৰা ঘৰ-বাৰী এৰি হৰি নাৰায়ণ বৰুৱাৰ সন্নিধ্যলৈ আহি মহিলা সংগঠন শক্তিশালী কৰণত আত্মনিয়োগ কৰে। ১৯৪২ চনত পুলিচে পাইকাৰী জৰিমনা আদায় কৰিবলৈ যাওঁতে বাধা দিয়াত ঘৰৰ কাঁহি -বাতি লৈ যায়। পুলিচ দাৰোগাক এনে হীন কার্য কৰাত দলৈয়ে কটুবাক্য প্রয়োগ কৰে আৰু তেতিয়া তেওঁক মাৰিবলৈ উদ্যত হওঁতে মিলিটেৰী কমাণ্ডাৰে বাধা দিয়ে। এই পাইকাৰী জৰিমনা সংগ্রহত বাধা দান কৰা বাবে তেখেতৰ একমাত্র পুত্র প্রৱেশিকা পৰীক্ষার্থী শ্রীদেৱেশ্বৰ দলৈক গ্রেপ্তাৰ কৰি জেললৈ চালান দিয়ে। এই বিদুষী মহিলা মুক্তি যুজাৰু গৰাকীয়ে ১৯৮৩ চনৰ আহিন মাহত ৯০ বছৰ বয়সত মৃত্যু বৰণ কৰে।

ঁৱোহিত চন্দ্র ৱৰদলৈ : টীয়ক মৌজাৰ জগদুৱাৰ সোণাৰী গাঁৱত তেখেতে ১৯১৭ চনৰ অক্টোবৰ মাহত জন্ম গ্রহণ কৰে। পিতৃ ৱৈদ্যনাথ ৱৰদলৈ, মাতৃ সুমিত্রা ৱৰদলৈ। ১৯৩২ চনৰ আন্দোলনত অষ্টমমান শ্রেণীত পঢ়ি থাকোতেই স্কুল বর্জন কৰে আৰু জীৱনৰ কাৰণে শিক্ষা সাং হয়। ১৯৩২ চনৰ গণ বিপ্লৱত সক্রিয় অংশ গ্রহণ কৰে।

যোৱহাট নগৰত পিকেটিং কৰোতে কেইবাবাৰো পুলিচে গ্রেপ্তাৰ কৰি নি মৰিয়নি হাবিৰ মাজত এৰিছিল। জগদুৱাৰ ৰাস্তাৰ কাঠৰ দলং জ্বলোৱা অপৰাধত তেখেতক ঘৰৰ পৰা পুলিচে গ্রেপ্তাৰ কৰি নি ১-১২-৪২ তাৰিখে জেলত আটক বন্দীৰূপে ৰাখিছিল। ২৪-২-৪৩ তাৰিখত জেলত হোৱা লাঠি চালনাত তেখেতৰ মূৰত লাঠিৰ কোব পৰিছিল আৰু আজীৱন ঘূণীয়া হৈ ৰৈছিল। ১৯৭৭ চনৰ ১২ নবেম্বৰত তেখেতৰ মৃত্যু হয়।

ঁহীৰানাথ বৰুৱা : যোৱহাট টীয়ক দুলীয়া গাঁৱত বিখ্যাত খটীয়া বৰুৱা বংশৰ হীৰানাথ বৰুৱা এজন প্রসিদ্ধ নেতৃস্হানীয় কংগ্রেছ কর্মী। বৰুৱাৰ বেছি পঢ়া-শুনা নাছিল যদিও নেতৃত্ব দিব পৰা শক্তি তেওঁৰ আছিল। ১৯৩২ চনৰ আইন অমাণ্য আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰে। ১৯৪০-৪২ চনৰ আন্দোলনত তেওঁ আৰু তেওঁৰ পত্নী শ্রীমতী দেৱযানী বৰুৱাই সত্যাগ্রহ কৰিছিল।

১৯৪২ চনত সুদীর্ঘকাল কাৰাবাস হয়। টীয়ক ৰজাবাৰীত সেৱাশ্রম স্হাপনত তেওঁ আগভাগ লৈছিল। অসমৰ সর্বপ্রথম ৰুৱেল পঞ্চায়তৰ ১৯৪৮ চনত সভাপতি নির্বাচিত হৈছিল। ১৯৫৯ চনৰ আঞ্চলিক পঞ্চায়তৰ সংগঠনলৈকে লাগি থাকি গাওঁ উন্নয়নৰ বহুত কাম কৰি যায়। ৮৩ বছৰ বয়সত বার্ধক্যজনিত কাৰণত ১৯৮৭ চনত মৃত্যু হয়।

ঁসর্বেশ্বৰ বৰুৱা : সর্বেশ্বৰ বৰুৱা জগদুৱাৰ নাৱেং পাচনী গাঁৱৰ এজন স্বাধীনচিতীয়া মুক্তিযুঁজাৰু আছিল। ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰি যোৱহাট জেলত বহুদিন কটাবলগীয়া হয়। তেওঁ নিজে ১০ বিঘা মাটিত চাহখেতি কৰি গোটেই ঘৰখন চলোৱাৰ উপৰিও ল'ৰা-ছোৱালীৰ পঢ়া খৰচ যোগদান ধৰিছিল। তেখেতৰ ১৯৭৯ চনত ৭৫ বছৰ বয়সত মৃত্যু হয়। ৰাজ্যিক আৰু কেন্দ্রীয় পেঞ্চন পঠাইছিল।

ঁগাণ্টং মেদক : জাজিমুখ অঞ্চলৰ ৬ খন মিছিং গাঁৱৰ ভিতৰত এজন প্রধান কর্মী আছিল। তেওঁৰ ঘৰ ৰৰমথাউৰিত। ১৯৪০ চনৰ ডাঙৰ শান্তি সেনা

দল এটা গঠন কৰি' ৪২ ৰ গণবিপ্লৱত যোৱহাটত পিকেটিং কৰিছিল পুলিচে আন্দোলনকাৰীসকলক কাছাৰী চৌহদত ৪ ঘণ্টা আটক কৰি ৰাখিছিল। ৰৈৰেয়া ফিল্ডত মিলিটাৰী ভৰি পৰিছিল। বেপাৰীসকলৰ গৰু কাঢ়ি তেওঁলোকে ব্ৰহ্মপুত্ৰৰ কাষৰ অটব্য অৱণ্যত এৰি দিছিল।

গোপাল কাকতী : জগদুৱাৰ পাঁচনী গাওঁ। ডিম্বেশ্বৰ কাকতীৰ ভাতৃ। বিয়াল্লিছৰ গণ বিপ্লৱত চাৰি পাঁচখন গাঁৱত শান্তি সেনা সংগঠন কৰিছিল। যোৱহাটত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰে। গঠনমূলক কামত জড়িত আছিল।

নন্দেশ্বৰ পেগু : শগুনপাৰা গাওঁ। আঞ্চলিক বিপ্লৱী দলৰ অধিনায়ক আছিল। ইকৰাণী হাবিৰ মাজত শিবিৰ পাতি আত্মগোপণ কৰিছিল টীয়ক মৌজাৰ কংগ্ৰেছ কৰ্মী কুমুদ বৰা, হীৰা বৰুৱা, গোবিন্দ চন্দ্ৰ বৰুৱা আদিয়ে প্ৰশিক্ষণ দি গান্ধীজীৰ অহিংসা নীতিৰে অনুপ্ৰাণিত কৰিছিল।

বিশ্বনাথ বৰপূজাৰী : যোৱহাট জিলাৰ টীয়ক ব্ৰাহ্মণ গাঁৱৰ বিশ্বনাথ বৰপূজাৰীয়ে ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰে। কটন কলেজৰ পৰা ওলাই আহি স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰে। যোৱহাটত তেওঁ এজন নেতৃস্থানীয় ব্যক্তি আছিল।

যোৱহাটৰ কংগ্ৰেছ কৰ্মীসকলৰ ওপৰত তেওঁৰ যথেষ্ট প্ৰভাৱ আছিল। প্ৰতিবাৰৰ স্বাধীনতা আন্দোলনত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু কাৰাগাৰলৈ নগৈ গাঁৱৰ গঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

মোহন চন্দ্ৰ মহন্ত : টীয়ক কমাৰ খাটোৱাল গাঁৱৰ মোহনচন্দ্ৰ মহন্তই ছাত্ৰ অৱস্থাতে ১৯৪২ চনৰ গণ-আন্দোলনত অংশ গ্ৰহণ কৰি দীৰ্ঘদিন কাৰাবাস খাটে। জেলৰ ভিতৰত ৰৰগীত গাই আৰু ঘোষা কীৰ্তন পাঠ কৰি বন্দী মুক্তি যুঁজাক সকলক আনন্দ দিছিল। ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ আন্দোলনত যোগদান কৰে। তেওঁ অসম গড়কাপ্তানী মজদুৰ সংঘৰ বহুকাল ধৰি সাধাৰণ সম্পাদক আছিল। তেওঁ সমবায় আন্দোলনৰো এজন সক্ৰিয় কৰ্মী আছিল।

কৰ্মক্ষেত্ৰ বৃদ্ধি পোৱাৰ লগে লগে তেওঁ টীয়কৰ পৰা যোৱহাটত স্থায়ীভাৱে থাকিবলৈ লয়। যোৱহাট জিলা মুক্তি যুঁজাক সম্মিলনৰো কিছুকাল সম্পাদক আছিল। তেওঁ ৰাজনীতিত অংশ গ্ৰহণ কৰি বিধান সভালৈকে প্ৰতিদ্বন্দ্বিতা কৰিছিল। ১৯৮৫ চনত কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে।

সর্বেশ্বৰ শ্রুতিকৰ : কমাৰ খাটোৱাল গাওঁ। টীয়ক মৌজাৰ মুখিয়াল কর্মী আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত সক্রিয় অংশ লয়।

তুলসী নাথ বৰদলৈ : টীয়ক মৌজাৰ জগদুৱাৰ সোণাৰী গাঁৱত ১৮৯২ চনৰ জানুৱাৰী মাহত তুলসীচন্দ্র বৰদলৈৰ জন্ম হয়। পিতৃ বৈদ্যনাথ বৰদলৈ আৰু মাতৃ সাদৰী বৰদলৈ। ১৯২১ চনৰ আন্দোলনৰ সক্রিয় সহযোগী আছিল। ১৯২৮ চনত নকছাৰী, গাখীৰখোৱা, লাহিং, হোলোঙাপাৰ, টীয়ক,

শিমলুগুৰি, চাওখাট আৰু হাতীগড় এই আঁঠটা মৌজাৰ কংগ্রেছ কর্মী সকলে কাকজান কংগ্রেছ নাম দি এখন কংগ্রেছ সমিতি গঠন কৰিছিল। এই সমিতি গঠনৰকামত বৰদলৈ দেৱৰ বৰঙণি অশেষ। এই সমিতিৰ সভাপতি মহেশ্বৰ বৰকটকী আৰু সম্পাদক শশীধৰ মলীয়া বৰুৱা আছিল।

১৯৪২ চনৰ গণ বিপ্লৱত পিকেটিং কৰা অপৰাধত তেখেতৰ ৩ মাহ সশ্রম কাৰাদণ্ড হয়। গাওঁ অঞ্চলত নানা গঠনমূলক কামত তেখেত লিপ্ত আছিল। আশে পাশে থকা গাওঁ সমূহত আৰু নিজ গাঁৱত প্রাথমিক বিদ্যালয় স্থাপনত তেখেতৰ বৰঙণি উল্লেখযোগ্য। ১৯৭৩ চনৰ মার্চ মাহত তেখেতৰ মৃত্যু হৈছিল

দীননাথ বড়া : টীয়ক দুলীয়া গাঁৱৰ দীন বড়া এজন অমায়িক আৰু গঠনমূলক কামৰ কংগ্রেছ কর্মী আছিল। তেওঁ মৌজা কংগ্রেছৰ নেতৃত্ব দিয়ে আৰু ১৯৪২ চনৰ গণ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি সুদীর্ঘ কাল কাৰাবৰণ কৰে। জেলৰ পৰা ওলাই আহি গঠনমূলক কামত আত্মনিয়োগ কৰে। স্বাধীন চৰকাৰৰ পঞ্চায়ত সংগঠনত সম্পাদকৰ দায়িত্ব দক্ষতাৰে পালন কৰে। পৰিয়ালৰ ভৰণ পোষণৰ বাবে উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুলৈ ঠাই যায় আৰু তাতে ৬৮ বছৰ বয়সত মৃত্যু বৰণ কৰে।

বোষেশ্বৰ বৰুৱা : টীয়ক বৰুৱা গাঁৱৰ বোষেশ্বৰ বৰুৱা এজন নীৰৱ কংগ্রেছ কর্মী আছিল। ১৯৪২ চনৰ গণ-আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি কাৰাবৰণ কৰে। এই সৰবহী কর্মী জনে জীৱিকা নির্বাহৰ কাৰণে সামান্য কাৰবাৰ কৰি চলিছিল আৰু গাঁৱ-ভূঞে সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ৬৯ বছৰ বয়সতে এই নীৰৱ কর্মীজনে মৃত্যু বৰণ কৰে।

ক'লাই পাচনী : জগদুৱাৰ পাচনী গাওঁ। টীয়ক থানাত পিকেটিং কৰি ৩ মাহ জেল খাটে।

ৰকুলচন্দ্ৰ ৰকৰা : পৰতীয়া গাওঁ। ১৯৪০-৪২ ৰ আন্দোলনৰ সক্ৰীয় কৰ্মী।

বিদুৰ চন্দ্ৰ ৰকৰা : পৰতীয়া গাওঁ। ১৯২১-৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী।

মালভোগ শইকীয়া :-১৮৮৩ চনত জন্ম আৰু ১৯৬৮ চনত ৮৫ বছৰ বয়সত মৃত্যু। টীয়ক মৌজাৰ দুলীয়া গাৱঁত ঘৰ।

● দুলীয়া গাওঁ প্ৰাথমিক কংগ্ৰেছৰ সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল আৰু গোটেই ঘৰখনকে খাদী উৎপাদন আদি গঠনমূলক কামত লগাইছিল। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰাত পাইকাৰী জৰিমণা অনাদায়ত কাঁহি-বাতি পৰ্য্যন্ত পুলিচে নিছিল। ৪২ চনৰ নবেম্বৰ মাহত পুলিচে গ্ৰেপ্তাৰ কৰি জেললৈ পঠাইছিল আৰু অতিৰিক্ত বয়স বুলি বিচাৰকে খালাচ দিয়ে। তেখেতৰ মাজুপুত্ৰ শ্ৰীকনকেশ্বৰ শইকীয়াই দীৰ্ঘদিন কাৰাবাসত থাকি গান্ধীজীৰ সেৱাগ্ৰামত প্ৰশিক্ষণ লৈ আহি গঠনমূলক কামত আত্ম নিয়োগ কৰি আছে।

ডিম্বেশ্বৰ ৰকৰা :-টীয়ক দুলিয়া গাওঁ প্ৰাথমিক কংগ্ৰেছৰ সম্পাদকৰ দায়িত্ব বহন কৰি ভালেদিন সংগঠনৰ কামত আছিল। ১৯৪২ চনৰ আন্দোলনত আত্মগোপন কৰি সহকৰ্মী সকল জেলত থকাত টীয়ক মৌজাৰ দায়িত্বলৈ বিপ্লৱী বীৰ শঙ্কৰ ৰকৰাৰ নেতৃত্বত আৰু সেই সময়ৰ যোৰহাট জিলাৰ আন্দোলন পৰিচালক বংশী দত্তৰ সহযোগত আন্দোলন সজীৱ কৰি ৰাখিছিল। নিজৰ ঘৰখন গোপন কাৰ্য্যালয় হিচাবে ব্যৱহাৰ কৰিবলৈ দিছিল, ডাঙৰ পুত্ৰ, শ্ৰীত্ৰৈলোক্য নাথ ৰকৰা পুনাযাত্ৰাত গ্ৰেপ্তাৰ হৈ কাৰাবাস খাটিছিল।

সকমন কলিতা : টীয়ক মৌজাৰ ৰজাবাৰী অঞ্চলটো ১৯৪২ চনৰ মুক্তি যুজাক ঘাই কেন্দ্ৰ আছিল। ইয়াতে এটা অস্থায়ী ঘৰ সাজি তাত শান্তিসেনাৰ শিবিৰ পাতিছিল। এই শিবিৰত ১৯৪২ চনত টীয়ক চাওখাট, শিমলুগুৰি, লাহিং গাখীৰ খোৱা অঞ্চলৰ কৰ্মীসকল সততে গোটখাই আন্দোলনৰ প্ৰস্তুতি চলাইছিল। এই শিবিৰত সততে সকমন কলিতাই সকসুৱা কামবোৰ কোনেও নজনাকৈ কৰি থাকেহি পিচলৈ কৰ্মীসকলৰ চকুত পৰিল আৰু সকলোৰে আদৰৰ হৈ পৰিছিল। সকমন কলিতাৰ পিতৃৰ নাম বলো। জন্ম হয় ১৯০৩ চনত, ১৯৭২ চনত মৃত্যু হয়।

গঙ্গাধৰ বৰুৱা : টীয়ক মৌজাৰ জগদুৱাৰ সোণাৰী গাঁৱত ঘৰ, পাঠশালা শিক্ষকৰ চাকৰি ইস্তফা দি' ৪২ ৰ গণ বিপ্লৱত সক্রিয় ভূমিকা লৈছিল।

বাপুৰাম বৰা : ভকত গাওঁ। জাঁজি মুখ শান্তিসেনা দলৰ নায়ক আছিল। যোৰহাট নগৰত পিকেটিং কৰোতে পুলিচে গ্রেপ্তাৰ কৰি মালীগাড়ীত তুলি নি মৰিয়নী হাবিত নিশা এৰি দিছিল। গঠনমূলক কামত তেখেত মৃত্যুৰ সময়লৈকে জড়িত আছিল।

মালভোগ বৰা : টীয়ক মৌজাৰ নামচুক প্রাথমিক কংগ্রেছৰ সভাপতি আছিল। গহীন গভীৰ থুলন্তৰ চেহেৰা থকা এই কংগ্রেছ কর্মীজনে ১৯২১ চনৰ পৰা আটাইকেইটা আন্দোলনতে অংশ গ্রহণ কৰিছিল।

অহিংস উপায়েৰে গঠনমূলক কামত আত্মনিয়োগ কৰিবলৈ আনকো উপদেশ দিছিল আৰু নিজেও নিষ্ঠাৰে কর্তব্য পালন কৰিছিল।

স্বর্গীয় কনকচন্দ্র ভূঞা : ১৯৪২ চনৰ কংগ্রেছৰ স্বেচ্ছাসেৱক আছিল। টীয়ক কাটিকুচিয়া কংগ্রেছৰ শান্তি সেনাৰ শিবিৰত নায়ক আছিল। ৪২ ৰ গণ আন্দোলনৰ সময়ত টিয়ক থানা দখল কৰিবলৈ কৰা শোভাযাত্রাত পুলিচৰ সঙ্গীনৰ খোচত আহত হৈছিল। অকালতে মৃত্যু হয়।

স্বর্গীয় মাধৱ চন্দ্র হাজৰিকা : টীয়ক কটিকুচিয়া কংগ্রেছৰ সংগঠক আছিল। খাদী উৎপাদন,, মাদকতা বর্জ্জন আৰু অন্যান্য গঠনমূলক কামত সক্রিয় ভাৱে অংশ গ্রহণ কৰিছিল। পাইকাৰী জৰিমনাৰ হাত সৰা নাছিল।

চাওখাট মৌজা

সেন্দুৰী বৰা : কাঠগাওঁ। চাওঁখাট মৌজা বিপ্লৱী মহিলা সমিতিৰ সক্রিয় কর্মী আছিল। '৪২ ৰ গণবিপ্লৱত ৩০ চেপ্তেম্বৰ আৰু ৫ অক্টোবৰ তাৰিখে টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ গৈছিল। মলা বৰা তেওঁৰ বায়েক আছিল।

টিপেশ্বৰ বৰা মেধি : ১৯০২ চনত চাওখাট মৌজাৰ বাপুচুক ভৰলুৱা গাঁৱত জন্ম হয়। মৃত্যু ১৯৬৩ চনত। পিতৃ আকলি বৰা। ১৯৪০ চনৰ অহিংস সত্যাগ্রহ আন্দোলনত যোগদি সত্যাগ্রহী প্রতিজ্ঞা পত্রত চহী কৰি কিছুদিন পুথিন সত্যাগ্রহী শিবিৰত আছিল। ৩-২-৪২ ত নিজ গাঁৱৰ নামঘৰৰ সন্মুখত যুদ্ধ বিৰোধী ধ্বনিৰে সত্যাগ্রহ কৰাত পুলিচে গ্রেপ্তাৰ কৰি আদালতত হাজিৰ কৰে। ১ দিন ফাটেকবাস হয়। দ্বিতীয়বাৰ ১১-১০-৪১ তাৰিখে বাদুলি পুখুৰীৰ পাৰত সত্যাগ্রহ কৰে। পুলিচে গ্রেপ্তাৰ কৰি ১৩ মাইল বাট খোজকাঢ়ি নিওঁতে পাঁচ বাজি যোৱাত কাছাৰী ছুটী হোৱাত বাহিৰে বাহিৰে সন্ধ্যাভাগত জেললৈ যায়গৈ। ১৩-১০- ৪৩ তাৰিখে বিচাৰ কৰি ৩ মাহ সশ্রম কাৰাদণ্ড দিয়ে। ৮-১-৪৩ ৰ পৰা ১২- ৬-৪৩ লৈ আটক বন্দী হৈ আছিল। নানান জনহিতকৰ কার্যত তেখেত আজীৱন কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছিল। ১৯৪৭ চনত স্হাপিত টীয়ক ৰজাবাৰী সেৱাশ্রমৰ তেখেতে সক্রিয় সভ্য আছিল। ১৯৪৮ চনত স্হাপন কৰা কাকজান আদর্শ কৃষিপামত তেখেত থাকি লৈ কাম কৰিছিল। এজন আদর্শ খেতিয়ক আছিল।

তুলসীকান্ত ভৰালী : ১৮৯৭ চনত চাওখাট মৌজাৰ তিনিকুৰীয়া গাঁৱত জন্ম হয়। পিতৃ মুকুন্দ ভৰালী আৰু মাতৃ কপাহী ভৰালী। প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হোৱাৰ কেইবছৰমান পিছত ওদালগুৰি বাগানত সহকাৰী মেনেজাৰৰ কামত ভর্তি হয়। ১৯৩২ চনৰ আন্দোলনত চাকৰি ইস্তফা দি আহি নিজ গাওঁ আৰু মৌজাত আন্দোলনৰ কাম কৰে। ১৯৩৮ চনত গঠিত হোৱা তিনিচুকীয়াৰ প্রাথমিক কংগ্রেছৰ তেখেত সভাপতি নির্বাচিত হয়। ১৯৪২ চনৰ আন্দোলনত তেখেতে নেতৃত্ব লয়। আগষ্টৰ শেষ ভাগত এদিন এজন ঠিকাদাৰে ৰৰৈয়া ফিল্ডৰ পৰা ট্রাইভাৰ আৰু ২ জন নিগ্রো মিলিটেৰী এখন গাড়ীৰে আনি গাঁৱত সুমুৱালে। শান্তি সেনাৰ নায়ক দেহেশ্বৰ ভূঞাই শিঙা ফুকে, গোটেই গাঁৱৰ ৰাইজ নামঘৰত গোটখাই গাড়ীখন আৰু মিলিটেৰী ৩ টা ঘু�ৰাই পঠালে। ঠিকাদাৰক বন্দী কৰি নাম ঘৰত আঠুকঢ়াই থলে। ৰাজহুৱা সভা পাতিলে। ভৰালীক সভাপতি হিচাপে ল'লে।

সভাত সিদ্ধান্ত হ'ল যে দুষ্ট ঠিকাদাৰে ছোৱালী দিম বুলি কৈ গাঁৱত মিলিটেৰী সুমুৱাৰ অপৰাধত গোটেই ৰাতি সি নামঘৰত কাণ দুখনত ধৰি আঠু কাঢ়ি থাকিব লাগিব। আৰু ২০ জন শান্তি সেনা লগত থাকিব, তেনেদৰেই কাম হ'ল। ৰাতিপুৱা সি খালাচ পালে। চোৰাংচোৱা পিচ দিনা টায়ক থানাত খবৰ দিলে। ঢলপুৱাতে যোৰহাট থানাৰ ইনচার্জে ২ ডজন চিপাহী লৈ আহি ভৰালীক গ্ৰেপ্তাৰ কৰি নি জেলত ভৰালে। যোৰহাট জেলত ৮ মাহ আটক বন্দী ৰূপে থাকে। নাট্যাভিনয়ত তেখেতেৰ বৰ বাপ আছিল। এই অঞ্চলৰ লোকক থিয়েটাৰ পাতিবলৈ শিকালে। মৌজা পঞ্চায়তৰ সভাপতি হিচেপে থাকি গাওঁসমূহত বহুতো উন্নয়নমূলক কাম কৰিছিল। ১৯৬৪ চনৰ ২৬ আহাৰত তেখেতৰ মৃত্যু হয়।

বাপুকণ ভৰালী : দলৈ গাওঁ। নগৰত হোৱা পিকেটিঙত গ্ৰেপ্তাৰ কৰি মৰিয়নী হাবিৰ মাজত এৰি দিছিল।

বৈদনাথ ঠাকুৰ : যোৰহাট মেলেঙত জন্ম গ্ৰহণ কৰা বৰঠাকুৰে কটন কলেজত বি, এ পঢ়ি থকা সময়ত মহাত্মা গান্ধীৰ আহ্বানত শিক্ষা জীৱনৰ সমাপ্তি ঘটাই ১৯২১ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰে। যোৰহাটত প্ৰবীণ নেতাসকলক কাৰাৰুদ্ধ কৰা সময়ত জিলা কংগ্ৰেছৰ সম্পাদক ৰূপে তেওঁ কাযনিৰ্বাহ কৰাৰ লগতে আন্দোলনৰ লনৰ ব্যাপক প্ৰচাৰ কৰোতে ধৰাপৰি ফাটেক খাটে। ফাটেকৰ পৰা ওলাই মেলেঙত এম, ই স্কুল স্থাপন কৰি প্ৰধান শিক্ষক হৈ থকাৰ পাছত নাজিৰালৈ আহি আন চাকৰিত সোমায়। তেওঁ বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আছিল। নাজিৰা নাট্য মন্দিৰ, নাজিৰা সাহিত্য সভা, কংগ্ৰেছ কমিটি আদি। ১৯৪৬-৪৭ চনত নাজিৰা ছোৱালী হাইস্কুল স্থাপন কৰি প্ৰধান শিক্ষক হৈ ১৯৬০ চনত অৱসৰ লয়। ১৯৬০ চনত নাজিৰাত বহা অসম সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সভা পতি আছিল। ১৯৮৪ চনৰ ৩০ জুন তাৰিখে এইজন মুক্তি যোদ্ধাৰ মৃত্যু হয়।

সোণাৰাম দত্ত : চাওখাট মৌজাৰ ৰৰখেলীয়া গাঁৱত ১৯১০ চনত জন্ম হয়। পিতৃ ভালি আৰু মাতৃ সুন্দৰী দেৱী। ১৯৪২ চনৰ গণবিপ্লৱত সক্ৰিয় সহযোগী আছিল আৰু নগৰ পিকেটিঙত বহুতবাৰ পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিছিল। বোকাখাতৰ এখন বাজহুৱা সভাত বক্তৃতা দি থাকোতে পুলিচে গ্ৰেপ্তাৰ কৰে। বিচাৰত এমাহ সশ্ৰম কাৰাদণ্ড ভোগে। চিৰকুমাৰ দত্ত চাওখাট মৌজাৰ এজন বিশিষ্ট সমাজ কৰ্মী আছিল। ১৯৫৫ চনত তেখেতৰ মৃত্যু হয়।

মোহন মহন্ত : বামকুৰা চোৱা। বাজ ভাঙনী সত্ৰ।' ৩২ চনৰ আন্দোলনৰ কৰ্মী।

হিতেশ্বৰ তামুলী : ধাৰি গাওঁ। ১৯৩৮ চনৰ পৰা অঞ্চলটোৰ সংগঠক আছিল।' ৪২ ৰ গণবিপ্লৱত নগৰ পিকেটিঙত বাহুত বাৰ গ্ৰেপ্তাৰ হৈছিল। ধাৰি গাওঁ পাঠশালা স্কুলৰ তেওঁ প্ৰতিষ্ঠাপক আছিল।

মাখৰাম ৰৱা : ' ৪২ ৰ গণবিপ্লৱত আত্মগোপন কৰি কাম কৰা মৃত্যু বাহিনীৰ দলটোৰ কেম্প তেওঁৰ ঘৰত আছিল। জন্ম ৰৱখোলা গাঁৱত।

মালভোগ হাজৰিকা : লহকৰ গাওঁ। মৌজা চাওখাট। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ সহযোগী আছিল।

প্ৰসন্ন দেৱ গোস্বামী : চাওখাট মৌজাৰ ধাৰিগাঁৱত ১৯২০ চনত তেখেতৰ জন্ম হয়। পিতৃ গঙ্গাধৰ গোস্বামী। ১৯৪০ চনত যোৰহাট জিলাত আৰম্ভ কৰা ন-কহাৰী পুথিন সত্যাগ্ৰহী শিৱিৰত ভৰ্ত্তি হৈ প্ৰশিক্ষণ লয়। ১৯৪২ চনৰ জানুৱাৰীত বনগাওঁ প্ৰাথমিক বিদ্যালয়ৰ সম্মুখত সত্যাগ্ৰহ কৰে। পুলিচে গ্ৰেপ্তাৰ কৰে। বিচাৰত যোৰহাট জেলত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

১৯৪২ চনৰ গণবিপ্লৱত বহুতবাৰ পিকেটিং কৰে। পুলিচে গ্ৰেপ্তাৰ কৰি কেইবাদিনো কাজিৰঙা বিজাৰ্ভত এৰি দিছিল। গাঁৱৰ নানা সামাজিক কামত তেখেত লিপ্ত আছিল। ১৯৮৮ চনত তেখেতৰ মৃত্যু হয়।

ৰগীৰাম ৰৱা মিস্ত্ৰী : চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱৰ দগাৰ চুকত ১৯১০ চনত জন্ম হয়। মৃত্যু ১৯৮৫ চনৰ চ'ত মাহত। তেখেতে ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় সহযোগী আছিল। ১৯৩৫ চনত ৭ দিনীয়াকৈ ৰোহিনী হাতীবন্ধা নগাৰত বহা অসম ৰাষ্ট্ৰীয় সম্মিলন সাফল্যমণ্ডিত কৰি তোলাত তেখেত আগশাৰীৰ কৰ্মী আছিল। নিখিল ভাৰত শিপিনী সংঘৰ অসম শাখাৰ সম্পাদক বিমল প্ৰসাদ চলিহাই শশীঘৰ মন্ত্ৰীয়া ৰকৰাৰ ঘৰতে শিপিনী সংঘৰ চাওখাট শাখা স্থাপন কৰিছিল। এই শাখাৰ আৱশ্যকীয় যঁতৰ, নেওঠনী আৰু মধ্যম পিঞ্জৰখিনি ৰগীৰাম মিস্ত্ৰীয়ে সাজি দিছিল। যোৰহাট জিলা কংগ্ৰেছৰ ১৯৪২ চনত দেৰেশ্বৰ শৰ্মাদেৱ সভাপতি থাকোতে এইজন মিস্ত্ৰীৰ দ্বাৰা কেইবাশও যঁতৰ, নেওঠনী কৰাই নিছিল।

বৈকুণ্ঠদেৱ গোস্বামী : চাওখাট মৌজাৰ বনগাঁৱত ১৮৯৯ চনত জন্ম গ্রহণ কৰে। পিতৃ আনন্দদেৱ গোস্বামী, মাতৃ ৰৱদা দেৱী। ১৯২০ চনত কলিকতাত হোৱা কংগ্রেছ অধিৱেশনত তেজপুৰৰ চন্দ্রনাথ শর্মাৰ লগত গৈছিল। তাৰপৰা ঘূৰি আহি গুৱাহাটীত শর্মাৰ সৈতে অসম এচোচিয়েচন গঠন কার্যত লাগিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল। ১৯৪২ চনৰ গণবিপ্লৱত সভা, শোভাযাত্রা, পিকেটিং আদিত অংশ গ্রহণ কৰিছিল। ১৯৮৭ চনৰ জুন মাহত ৮৮ বছৰ বয়সত মৃত্যু হয়।

ভদ্রকান্ত ভৱালী : চাওখাট মৌজাৰ ধাৰিগাঁৱত ১৮৯৬ চনত জন্ম হয়। পিতৃ কেশৰাম ভৱালী আৰু মাতৃ কাঞ্চন ভৱালী। ৮ নং ধাৰিগাওঁ স্কুলত প্রাথমিক শিক্ষা লাভ কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰে ১৯২৬ চনত পাণ্ডু কংগ্রেছত যোগ দিয়ে আৰু স্বেচ্ছাসেৱক দলত ভর্তি হৈ বহুদিন থাকি কাম কৰে।

অধিবেশনৰ কাৰণে চিত্রনাথ ভৱালীৰ সৈতে অঞ্চলটোৰ বিভিন্ন গাঁৱৰ যঁতৰ, নেওঠনী, কপাহ বিতৰণ কৰি খদ্দৰ কাপোৰ তৈয়াৰ কৰাই দিছিল। ১৯৪২ চনৰ গণবিপ্লৱত সক্রিয় অংশ গ্রহণ কৰিছিল।

বাপুকণ নেওঁগ : ১৯২৩ চনত চাওখাট মৌজাৰ বাপুচুক ভৱলুৱা গাঁৱত তেখেতৰ জন্ম হয়। পিতৃ থেঘোৱা নেওঁগ। ১৯৪২ চনৰ গণবিপ্লৱত কেইবাদিনো নগৰ পিকেটিঙত যোগ দিয়ে। ২ দিন পুলিচে গ্রেপ্তাৰ কৰি মৰিয়নি হাবিৰ মাজত এৰি দিছিল। আকৌ পিকেটিং কৰাত পুলিচে ধৰি নি কাছাৰীত হাজিৰ কৰে। ২ বছৰ জেল হয় যদিও ৩০-৪-৪৫ ত মুক্ত হয়। অমায়িক, নিষ্ঠাৱান, চিৰকুমাৰ বাপুকণ নেওঁগৰ ১৯৫৩ চনত মৃত্যু হয়।

দেহেশ্বৰ ভূঞা : চাওখাট মৌজাৰ তিনিকুৰীয়া গাঁৱৰ ১৯২২ চনত জন্ম। মৃত্যু ১৯৮৭ চন। পিতৃ বাপুতী ভূঞা, মাতৃ বিমলা ভূঞা। ১৯৪২ চনৰ আন্দোলনত তেখেতৰ ঘৰৰ সকলোৱেই অংশ গ্রহণ কৰিছিল। সভা, শোভাযাত্রা, পিকেটিং আদিত ভাগ লৈছিল। তেখেত তিনিকুৰীয়া শান্তিসেনা দলৰ নায়ক আছিল।

তেখেতে এটা ভাঙৰ ম'হৰ শিং যোগাৰ কৰি লৈছিল আৰু বিপদৰ সময়ত শিঙা বজাই গোটেই বাইজক সতর্ক কৰি দিছিল।

খগাই দর্জি : চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱত ১৯০০ চনত দর্জিৰ জন্ম হয় ১৯২৬ চনত পাণ্ডু কংগ্রেছলৈ শশীধৰ মলীয়া বৰুৱাৰ লগত গৈছিল। ১৯৩০ চনৰ আন্দোলনত সক্রিয় সহযোগী আছিল ১৯৪২ চনত নগৰত পিকেটিং কৰে আৰু সভা, শোভাযাত্রাত যোগ দিয়ে ।

১৯৪৩ চনৰ ৯ আগষ্ট দিনটো বকুল বনত পালন কৰোতে তেখেতৰ সৈতে মুঠ ১৫ জন কর্মীক গ্রেপ্তাৰ কৰি নি যোৰহাট জেলত আটক বন্দীৰূপে ৰাখে। ১৪ দিনৰ পিছত এৰি দিয়ে। তেখেতৰ ১৯৬২ চনত মৃত্যু হয়।

হেমধৰ বাঢ়ৈ : ১৯১৮ চনত চাওঁখাট মৌজাৰ বাম কুকুৰাছোৱা গাঁৱত জন্ম হয়। পিতৃ পোৱাল বাঢ়ৈ আৰু মাতৃ বেকেতি বাঢ়ৈ। ৩-১-৭০ চনত তেখেতৰ মৃত্যু হয়। বাঢ়ৈয়ে ১৯৪২ চনৰ গণবিপ্লৱত সক্রিয় কর্মী হিচাপে কাম কৰিছিল। নগৰ পিকেটিঙত পুলিচে বহুবাৰ গ্রেপ্তাৰ কৰিছিল।

৪-১০-৪২ তাৰিখে তেখেতক ঘৰৰ পৰা গ্রেপ্তাৰ কৰি নি কাছাৰীত হাজিৰ কৰে। বিচাৰত ২ বছৰ সশ্রম কাৰদণ্ড হয়। যোৰহাট জেলত কিছুদিন থকাৰ পিছত চিলেট জেললৈ বদলি কৰে। জেলৰপৰা ওলাই প্রাইভেটকৈ হিন্দী পৰীক্ষা দি কেইবাটাও পৰীক্ষাত উত্তীর্ণ হৈ কাকজান উচ্চ ইংৰাজী স্কুলত হিন্দী শিক্ষকৰ কাম কৰিছিল।

ৰত্নেশ্বৰ লাহন : চাওখাট মৌজাৰ বনগাঁৱত তেখেতৰ ১৯০৪ চনত জন্ম হয় আৰু ১ ২-৮৯ তাৰিখে মৃত্যু হয়। পিতৃ সকমন লাহন আৰু মাতৃ নুমলী লাহন। ১৯৪২ চনৰ গণবিপ্লৱত সক্রিয় সহযোগী আছিল। ৫-১-৪৩ তাৰিখে তেখেতক পুলিচে ঘৰৰ পৰা গ্রেপ্তাৰ কৰি নি যোৰহাট জেলত আটক বন্দী কৰি ৰাখে।

২-৭-৪৩ তাৰিখত মুক্তি দিয়ে। লাহন এজন আদর্শ খেতিয়ক আৰু সমাজ কর্মী আছিল।

ভদ্রনাথ বৰদলৈ : চাওখাট মৌজাৰ সোণাৰী গাঁৱত ১৯০১ চনত জন্ম হয়। পিতৃ ভুকান্ত বৰদলৈ, মাতৃ ৰূপেশ্বৰী বৰদলৈ ১৯৪০ চনত সত্যাগ্রহ কৰে। এদিন ফাটেক হয়। '৪২ ৰ গণ বিপ্লৱত শান্তিসেনা দলৰ চাওখাট মৌজাৰ অধিনায়ক আছিল। নগৰ পিকেটিঙত বহুবাৰ পুলিচে গ্রেপ্তাৰ কৰি এৰি দিছিল। আন্দোলনৰ শেষলৈকে ৎঅবিৰাম সংগ্রাম কৰিছিল। গাঁৱৰ উন্নয়নমূলক কামত চিৰজীৱন লিপ্ত আছিল ১৯৩৯ চনৰ পৰা ৪৫ চনলৈকে চাওখাট মৌজা কংগ্রেছৰ সম্পাদক আছিল। ১৯৮৭ চনৰ ১৯ ডিচেম্বৰত তেখেতৰ মৃত্যু হয়।

মুকুতা বৰা : কাঠগাওঁ শান্তি সেনাদলৰ নায়ক আছিল। নগৰৰ পিকেটিঙত বহুতবাৰ গ্রেপ্তাৰ হয়।

মলা বৰা : কাঠ গাওঁ, বিপ্লৱী মহিলা সমিতিৰ সক্রিয় সদস্যা আছিল। ১৯৪২ ৰ আন্দোলনত ২০ চেপ্তেম্বৰ আৰু ৫ অক্টোবৰত টীয়ক থানালৈ পতাকা উত্তোলনত গৈছিল। বিদেশী বস্ত্র বর্জনত সূতা কাটি কাপোৰ বোৱাত স্থগীয় বৰাই বিশেষ ভূমিকা লৈছিল। ১৯৪৮ চনত যোৰহাট বালিগাঁৱৰ স্থগীয় থানেশ্বৰ দত্তৰ লগত বিয়া হয়। ১৯৫৭ চনত মৃত্যু বৰণ কৰে।

উপেন্দ্র নাথ হাজৰিকা : বনগাওঁ, চাওখাট মৌজা। জন্ম ১৯০৪, মৃত্যু ৭-৫-৮২ চন পিতৃ নৰনাথ দাৰোগা, আৰু মাতৃ সুভদ্রা হাজৰিকা। ১৯৪২ চনত সক্রিয় কর্মী আছিল। ৮-১-৪৩ ত গ্রেপ্তাৰ কৰি আটক বন্দী কৰি ২-৭-৪৩ ত মুক্ত কৰি দিয়ে। তেখেত, তেখেতৰ পত্নী বাধা হাজৰিকা দুয়ো সমাজ কর্মী আছিল।

ললিত চন্দ্র শর্মা : চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱত তেখেতৰ ১৯০১ চনৰ নবেম্বৰ মাহত জন্ম হয়। ১৯৫৮ চনৰ জুন মাহত স্থগী হয়। ১৯২১ চনৰ আন্দোলনত সক্রিয় সহযোগী আছিল। ১৯৪২ চনৰ আন্দোলনত তেখেতে পিকেটিং, সভা, শোভাযাত্রা আদিত যোগ দিছিল ১৯৪৩ চনৰ ৯ আগষ্ট দিনটো বকুল বনত পালন কৰোতে ১৫ আগষ্টৰ দিনা তেখেতৰ সৈতে

মুঠ ১৫ জন কমীক পুলিচে গ্রেপ্তাৰ কৰি যোৰহাট জেলত আটক বন্দী ৰূপে ৰাখে। ১৪ দিনৰ মূৰত এৰি দিয়ে।

লক্ষেশ্বৰ ভূঞা : বনগাওঁ, চাওখাট মৌজা। জন্ম ১৯০১ চন, মৃত্যু ১-৮-১৯৮৪ চন। পিতৃ লীলাধৰ ভূঞা, মাতৃ সেমেৰী ভূঞা। ১৯৪২ চনত পিকেটিং কৰা অপৰাধত তেখেতক ৮-১-৪৩ তাৰিখে গ্রেপ্তাৰ কৰি যোৰহাট জেলৰ আটক বন্দী ৰূপে ৰাখে। ১৪-৭-৪৩ তাৰিখে জেলৰ পৰা মুক্ত হয়।

ভৱকান্ত বৰা : বামকুকুৰাচোৰা কাকজানত ঘৰ। চাওঁখাটৰ মৌজাদাৰৰ অফিচত জুই জ্বলোৱা অপৰাধত দুই বছৰ জেল হয়। ' ৪২ ৰ গণবিপ্লৱত এজন আগৰণুৱা কৰ্মী আছিল।

ভোলাই ভূঞা : বেজৰ ছিগা গাওঁ। ১৯২১ চনৰ কৰ্মী গাঁৱত সূঁতা কটাৰ প্রচলন কৰিছিল ।

মালভোগ বৰা : চাওখাট মৌজাৰ মৃত্যু বাহিনীৰ সদস্য আছিল। এজন পটু সংগঠকো আছিল।

ভোলাই শইকীয়া : ভৰলুৱা গাওঁ। ৪২ ৰ গণবিপ্লৱত ঘৰ খানাতালাচ কৰি বহুতো অস্থাৱৰ সম্পত্তি নিয়ে। বহুতবাৰ পিকেটিঙত অংশ লৈছিল।

চাওখাট মৌজা

স্বৰ্গীয় গোলোক চন্দ্র ভূঞা : চাওখাট মৌজাৰ বনগাঁৱৰ ভূঞা বংশত তেখেতৰ জন্ম হয় ১৮৯৯ চনত। মৃত্যু ১৯৭৪ চন পিতৃ ৰতিৰাম ভূঞা আৰু মাতৃ কণ ছোৱালী। ১৯৪২ চনৰ গণবিপ্লৱত সক্রিয় কৰ্মী আছিল। ৫-১-৪৩ তাৰিখে তেখেতক ঘৰৰ পৰা গ্রেপ্তাৰ কৰি আনি যোৰহাট জেলত আটক বন্দীৰূপে ৰাখি ২-৭-৪৩ তাৰিখে মুক্তি দিয়া। তাৰ পিছ দিনাৰ পৰা সভা সমিতি পাতি ঘূৰি ফুৰাৰ কাৰণে পুনৰ ৩-৮-৪৩ তাৰিখে গ্রেপ্তাৰ কৰি আটকবন্দী ৰূপে ৪-১-৪৫ লৈকে ৰাখে। তেখেত মৌজাখনৰ বহুতো গঠনমূলক কামত ব্যস্ত থাকে।

স্বৰ্গীয় চেপেটা কেওঁট : চাওখাট মৌজাৰ বামুণ গাঁৱত জন্ম। পিতৃ ৰগাই দত্ত। মাতৃ দুমণি দত্ত। ১৯৭০ চনৰ আহাৰৰ ১৩ তাৰিখে ৬০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়। ১৯৪২ চনৰ আন্দোলনত চাওখাট মৌজাৰ শান্তি সেনা বাহিনীত ভর্তি হৈছিল। নগৰত পিকেটিং কৰোতে পুলিচে ধৰি নি কাজিৰঙা বিজার্ভত এৰি দিছিল। এদিন গ্রেপ্তাৰ কৰি মৰিয়নি হাবিৰ মাজত এৰি দিছিল।

স্বৰ্গীয় ইন্দ্রেশ্বৰ শর্মা : শিক্ষকতা ত্যাগ কৰি ১৯২১ চনৰ আন্দোলনত যোগদান কৰে। মেলেং কংগ্রেছ যোগে হাতীগড় মৌজাত নেতৃত্ব দিয়ে। কংগ্রেছৰ কার্য্যালয়ৰ সন্মুখত তেওঁ সদায় বক্তৃতা দিছিল। জীৱনত তেওঁ আৰু চাকৰি নকৰিলে।' ৪২ ত হাতীগড় মৌজা 'স্বাধীন ৰাষ্ট্ৰ' ঘোষণা কৰোতে শর্মাক 'প্রধান মন্ত্রীৰ' বাব দিয়া হয়। কিন্তু ১৯৩৪ চনৰ হৰিজন আন্দোলনৰ তেও বিৰোধিতা কৰে। এই লৈ কংগ্রেছ সেৱকসকলৰ লগত তুমুল বিতর্ক হলেও তেওঁ নিজৰ মতত অলৰ অচৰ আছিল। 'জাগতিক ধর্ম প্রাকৃতিক প্রবাহ' আৰু 'পৃথিৱীৰ মাধ্যাকর্ষণ নহয়, জলাকর্ষণ' নামৰ দুখন কিতাপ লেখি ইংৰাজীলৈ অনুবাদ কৰিবলৈ চেষ্টা কৰি ব্যর্থ হয় আৰু অপ্রকাশিত হৈ বয়। জীৱনত তেওঁৰ খং উঠা কোনেও প্রত্যক্ষ কৰা নাছিল।

স্বৰ্গীয় বিপিন চন্দ্র বৰুৱা : চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱত দগাৰ চুকতে তেখেতৰ ১৯১৬ চনত জন্ম হয় তেখেতৰ পিতৃৰ নাম প্রেমধৰ বৰুৱা আৰু মাতৃ ইন্দ্রানী বৰুৱা। ১৯৩০ চনৰ আন্দোলনত তেখেতে স্কুলত পঢ়ি থকোতেই যোগ দিয়ে। ১-৩-৩০ তাৰিখে মুক্তি পায়।' ৪২ ৰ গণবিপ্লবত তেখেত ডিব্রুগাড়ত সক্রিয় সহযোগী আছিল।

১৯৭৮ চনত তেখেতৰ থকা ঘৰ, মাটি-বাৰী মেলেং গাওঁ উন্নয়ন সমিতিক দান কৰে। বর্তমান সেই মাটিতে বিপিন বৰুৱা সেৱাশ্রম, ঢেকীয়াখোৱা খাদী গ্রাম উদ্যোগ কেন্দ্রৰ কাম চলি আছে। তেখেত এজন নাট্য শিল্পীও আছিল। ১৯৮৫ চনৰ ৪ জুলাইত ৬৯ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় পুৰন্দৰ শইকীয়া : ভৰলুৱা গাওঁ। ১৯৪০ চনত সত্যাগ্রহী প্রতিজ্ঞা পত্রত চহী কৰিছিল। যঁতৰ নেওঠনী সাজি জিলা কংগ্রেছ কমিটিক উপহাৰ দিছিল।' ৪২ ৰ কর্মী আছিল।

স্বৰ্গীয় ডিম্বেশ্বৰ গোস্বামী : কাঠ গাওঁ, কাকজান ১৯২১ চনৰ কর্মী।

স্বৰ্গীয় পূৰ্ণকান্ত দত্ত : ১৯২১ চনৰ কর্মী। চিপাহীখোলাত হোৱা স্বৰাজ মেলাৰ কর্মী আছিল। গোৰ্খা চিপাহীৰ লাঠিৰ কোব খাইছিল।

স্বৰ্গীয় দুৰ্গেশ্বৰ বৰা : ১৯২১ চনৰ কর্মী। চিপাহীখোলা ৰাজহুৱা সভালৈ পীতাম্বৰ দেৱ গোস্বামীক আগবঢ়াই অনা শোভাযাত্রাত অংশ লৈছিল। ' ৪২ ৰ গণবিপ্লৱৰ সক্রিয় কর্মী।

স্বৰ্গীয় নীলদা বৰা : তিনিকুৰীয়া। ' ৪২ ৰ চাওখাট মৌজা বিপ্লৱী মহিলা সমিতিৰ উপ সভানেত্রী আছিল। টীয়ক থানাত ২০ চেপ্তেম্বৰ তাৰিখে পতাকা উত্তোলন কৰিবলৈ গৈছিল ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।

স্বৰ্গীয় নোমল বৰা : দলৈ গাওঁ। চাওখাট মৌজা। ১৯২১ চনত চিপাহীখোলাত হোৱা ৭ দিনীয়া স্বৰাজমেলাৰ এজন উদ্যোক্তা আছিল। ' ৪২ ৰ গণ বিপ্লৱত পুলিচৰ লাঠিৰ কোব খায়।

স্বৰ্গীয় টংকেশ্বৰ ভট্টাচার্য্য : ঢেকীয়াখোৱা ১৯২১ চনৰ আন্দোলনৰ এজন কর্মী।

স্বৰ্গীয় ফাদুৱা মুক্তিয়াৰ : ঢেকীয়াল গাওঁ। ১৯২১ চনৰ পৰা ১৯৩০ চনলৈ আন্দোলনত যোগ দিয়ে।

স্বৰ্গীয় বাসন্তী মলিয়া বৰুৱা : ঢেকীয়াখোৱা গাওঁ। ১৯২১ চনৰ কংগ্রেছৰ ভলণ্টিয়াৰ আছিল।

স্বৰ্গীয় বালী দত্ত : ববখেলীয়া গাওঁ।

স্বৰ্গীয়া বদমতী দেবী শর্মা : পাখিমৰা, পোঃ অঃ চৌখাট।

স্বৰ্গীয় জালিৰাম বৰা : ববখেলীয়া পিকেটিং কৰোতে নগৰত পুলিচে গ্রেপ্তাৰ কৰি মৰিয়নি হাবিত এৰি দিছিল।

স্বৰ্গীয় চিত্রী লাহন : বনগাওঁ। ' ৪২ ৰ আন্দোলনত ২০ চেপ্তেম্বৰ আৰু ৫ অক্টোবৰ তাৰিখে টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ গৈছিল।

স্বৰ্গীয় জয়ৰাম শইকীয়া : ঢেকীয়াখোৱা। মি· ভাঃ লিঃ সংঘৰ ঢেকীয়াখোৱা কেন্দ্রৰ এজন প্রধান কর্মী আছিল। গোটেই মৌজাতে কপাহ,

যঁতৰ, নেওঠনী, মধ্যম, পিঞ্জৰ কান্ধত ভাৰ কৰি লৈ শিপিনীসকলৰ ঘৰে ঘৰে গৈ যোগান ধৰিছিল।

স্বৰ্গীয় কুশধৰ বৰুৱা : ঢেকীয়াখোৱা গাওঁ। জন্ম ১৯১৬ চন পিতৃ যোগধৰ বৰুৱা। ছাত্রাৱস্থাত ১৯৩২ চনৰ শোভাযাত্রাত অংশ লয়। ১৯৪০-৪২ চনৰ সত্যাগ্রহত গ্রেপ্তাৰ বৰণ কৰে। ১৯৪৩ চনত গ্রেপ্তাৰ কৰি যোৰহাট জেলত ১৭ দিন কাৰাবাস দিয়ে।

স্বৰ্গীয় চন্দ্রকান্ত বৰা : কাঠগাওঁ। চাওখাট মৌজা ' ৪২ ৰ গণ বিপ্লৱত গ্রেপ্তাৰ কৰি কাজিৰঙা হাবিত এৰি দিছিল। অবিবাহিত আছিল।

স্বৰ্গীয় চিত্রনাথ ভৰালী : চিত্রখাট মৌজাৰ চাৰিগাঁৱত তেখেতৰ ১৮৯০ চনত জন্ম হয়। তেখেতৰ পিতৃ মণিৰাম ভৰালী, মাতৃ কেতেকী ভৰালী। চিত্রনাথ ভৰালীয়ে ৮ নং ঘাৰিগাওঁ স্কুলত প্রাথমিক শিক্ষা লাভ কৰি মেলেং ডাঙৰীয়া টোলত আৰম্ভ হোৱা মধ্য ইংৰাজী স্কুলত পঢ়ে তাৰ পৰা সুখ্যাতিৰে পাছ কৰি কিছুদিন ঘৰতে থকাৰ পিচত মাৰ্ঘেৰিটাৰ কয়লা খনিত মহৰী কাম কৰে। ইতিমধ্যে ১৯২১ চনৰ অসহযোগ আন্দোলন আৰম্ভ হোৱাত চাকৰি ইস্তফাদি আন্দোলনত সক্রিয় অংশ গ্রহণ কৰে।

১৯২৬ চনত কৃষ্ণনাথ শর্মাৰ নেতৃত্বত পাণ্ডুত হোৱা কংগ্রেছ অধিবেশনত সভা মণ্ডপৰ বাবে খদ্দৰ কাপোৰ তৈয়াৰ কৰা অভিযানত তেখেতে সক্রিয়ভাৱে লাগি গাঁৱত যঁতৰ নেওঠনী, কপাহ, যোগান ধৰি কাপোৰ তৈয়াৰ কৰি দিছিল আৰু নিজে স্বেচ্ছাসেৱক দলত ভর্তি হৈ শ্রীযুত দেৱেশ্বৰ শর্মাৰ নেতৃত্বত কংগ্রেছ অধিবেশনত কাম কৰে। ১৯৪২ চনৰ গণবিপ্লৱতো সক্রিয় সহযোগী আছিল ১৯৬০ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় পেটুৰা শইকীয়া : বেজছিগা গাওঁ। ১৯৪২ চনত নিজ গাঁৱত শান্তিসেনা গঠন কৰি নেতৃত্ব লৈছিল।

স্বৰ্গীয় কনক গোস্বামী : কাঠ গাওঁ, ১৯২১ চনত আন্দোলনত যোগ দিয়ে।

স্বৰ্গীয় কৃষ্ণকান্ত শর্মা : পাখীমৰা গাওঁ। ১৯২০ চনৰ ডিচেম্বৰ মাহৰ ২৬ তাৰিখে তেজপুৰত অসম এচোচিয়চনৰ সভা হৈছিল ব'ত সহযোগিতা কৰা দলে সমর্থন কৰিছিল।

স্বৰ্গীয় চেনেহী ভূঞা : তিনিকুৰীয়া। ১৯২১ চনৰ এজন কৰ্মী।

স্বৰ্গীয় তুলসী দেৱী : দলৈ গাওঁ।

স্বৰ্গীয় থানেশ্বৰ লাহন : আৰাদ্ধৰা, ১৯২১ চনৰ এজন সক্ৰীয় কৰ্মী।

স্বৰ্গীয় থানেশ্বৰ শৰ্মা : দলৈ গাওঁ। ১৯২১-৩০ চনলৈ আন্দোলনত যোগ দিয়ে।

স্বৰ্গীয় অশ্বিনী ৰবা : ঢেকীয়াখোৱা গাঁৱত জন্ম হয়। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী।

স্বৰ্গীয় ভেবেলা শইকীয়া : ঢেকীয়াখোৱা। ১৯৩২ চনৰ আন্দোলনত ৩ মাহ ফাটেক হয়।

স্বৰ্গীয়া আইদেউ ৰাজখোৱা : ১৯২১ চনৰ খাদী কৰ্মী আছিল।

এক, কে দৌলতদ্দিন : কাকজান, মাজুলী।

ৰত্নধৰ ৰৰদলৈ : যোৰহাট জিলাৰ চাওখাট মৌজাৰ কাকজান সোণাৰী গাঁৱত ৰত্নধৰ ৰৰদলৈৰ ১৯২০ চনত জন্ম হয়। ১৯৪০ চনতে পঢ়া শেষ কৰি কংগ্ৰেছৰ সক্ৰিয় সভ্য হয় আৰু গোটেই মৌজাতে কংগ্ৰেছৰ সহ সম্পাদক হিচাপে শান্তিসেনা বাহিনী গঠনত আত্মনিয়োগ কৰে।

১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি স্বেচ্ছাসেৱক প্ৰশিক্ষণ শিবিৰ পৰিচালনা কৰি কেইবাবাৰো পুলিচৰ সম্মুখীন হয়। আত্মগোপন কৰি এই বিপ্লৱী যুৱকে এক আলোড়নৰ সৃষ্টি কৰে আৰু গাঁৱে ভূঞে আন্দোলন শক্তিশালী কৰি তোলাত অবিহণা যোগায়। ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ পিছত স্বাধীন ব্যৱসায় কৰি গাঁৱৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৮৯২ চনত ৬২ বছৰ বয়সত মৃত্যু বৰণ কৰে।

স্বৰ্গীয় গোলাপ চন্দ্ৰ বৰুৱা : হাতীগড় চাহবাগিচাৰ মেনেজাৰ গোলাপ চন্দ্ৰ বৰুৱা। তেওঁ প্ৰসিদ্ধ চাহ খেতিয়ক ৰোষেশ্বৰ বৰুৱা পুত্ৰ।

শিৰিৰত যেতিয়া প্ৰয়োজন হয় দিনেই হওক বা দুপৰ ৰাতিয়েই হওক গোপাল বৰুৱাই সদায় প্ৰয়োজনতকৈ অধিক দিয়াৰ অভ্যাস। কেতিয়াও কংগ্ৰেছ সেৱকক বিমুখ নকৰে। এনে উদাৰতা আৰু বদান্যতাৰ বাবেই শিৰিৰত কংগ্ৰেছ সেৱক সকল লঘোনে নাথাকে, মুক্তি ৰণত থমকিব লগা নহয়, গ্ৰেপ্তাৰ এৰাই চলা সকল বিপদত নপৰে। গোপাল বৰুৱা এই কাৰণেই স্মৰণীয় আৰু ৰৰণীয়। মুক্তি যুজাঁক নহৈও মুক্তি যুজৰ গুৰি বঠাৰ গৰাকী।

স্বৰ্গীয় জগন্নাথ বৰুৱা–' ২১ চনৰ প্ৰসিদ্ধ মুক্তি যোদ্ধা ৰত্নেশ্বৰ বৰুৱাৰ পুত্ৰ। ১৯৪২ চনত ঘোষণা কৰা হাতীগড় মৌজা 'স্বাধীন ৰাষ্ট্ৰ'ৰ এজন মন্ত্ৰী।

স্বৰ্গীয় তিলাই হাজৰিকা–হাতীগড় মৌজাৰ বালিচাপৰি নিবাসী হাজৰিকা ১৯২১ চনৰে পৰা কংগ্ৰেছ কৰ্মী। নিৰ্বাচন সমূহত কংগ্ৰেছৰ নিৰ্ভৰশীল আশ্ৰয়। অন্যান্য ৰাজহুৱা কামত ব্ৰতী। বালিচাপৰি নামঘৰত অনুষ্ঠিত অবিচ্ছেদ্য পালনামৰ মৃত্যুৰ আগলৈকে সম্পাদক আছিল।

স্বৰ্গীয় থানেশ্বৰ শৰ্মা–দলৈ গাওঁ। ১৯২১ - ৩০ চনলৈ আন্দোলনত যোগ দিয়ে।

স্বৰ্গীয় থিৰেশ্বৰ পাঠক–হাতীগড় মৌজাৰ বালিচাপৰি নিবাসী পাঠকে মহাত্মাজীৰ গঠনমূলক কামৰ জৰিয়তে কংগ্ৰেছৰ সেৱা কৰে।

স্বৰ্গীয় দুতিৰাম ভূঞা–হাতীগড় মৌজাৰ অসয়বাৰীত ঘৰ। আজীৱন কংগ্ৰেছৰ সক্ৰিয় সভ্য। নিৰ্বাচন বিলাকত কংগ্ৰেছৰ শক্তিৰ উৎস।

স্বৰ্গীয় নবীন গোস্বামী–হাতীগড় মৌজাৰ ডিফলুৰ ৰত্নাকৰ সত্ৰৰ নবীন গোস্বামী প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি ১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পৰা কংগ্ৰেছ প্ৰাৰ্থীৰ কাৰণে অশেষ কষ্ট কৰি ৰাজহুৱা জীৱনৰ পৰা অৱসৰ নোলোৱাকৈয়ে জীৱন অতিবাহিত কৰে।

স্বৰ্গীয় পূৰ্ণ গগৈ–হাতীগড় মৌজাৰ লাদৈগড়ত ঘৰ। ১৯২১ চনতে অসহযোগ আন্দোলনত ভলণ্টিয়াৰ হৈ কংগ্রেছৰ জৰিয়তে বাইজৰ সেৱাত জীৱন অতিবাহিত কৰে।

স্বৰ্গীয় বাপুৰাম বৰা–হাতীগড় মৌজাৰ পাখিমৰা গাৱঁত ঘৰ। ১৯২১ চনত ৩ মাহ কাৰাদণ্ড হয়। মৃত্যুৰ আগমুহূর্তলৈকে তেওঁ সমাজৰ কাম কৰে। মহাত্মাজীৰ আশ্রমৰ আসিত তেওঁ নিতৌ একাদশ ব্রত, গীতাৰ স্থিতপ্রজ্ঞ লক্ষণ্ শ্লোক আবৃতি কৰি সর্বধর্ম প্রার্থনা কৰিছিল। তেওঁ গাওঁবুঢ়া হৈও কংগ্রেছৰ কাম অবিৰতভাৱে কৰিছিল।

স্বৰ্গীয় ৰত্নেশ্বৰ বৰুৱা –বিখ্যাত চাহ খেতিয়ক ৰোহেশ্বৰ বৰুৱাৰ নাতি আৰু জীৱেশ্বৰ বৰুৱাৰ পুতেক হৈও ১৯২১ চনৰ আন্দোলনত জপিয়াই পৰে। পূর্ব ঘৰ হাতীগড় পূজাৰী চুকত, এতিয়া লাদৈগড় ৰৰগুৰিত। দুর্দান্ত সাহসিকতাৰে তেওঁ ইংৰাজ চাহ মালিকৰ মেলেং হাট ভাঙি নতুন হাট পতা , মেলেঙত প্রকাণ্ড স্বৰাজ সবাহ- ভাৱনা পতা , পঞ্চায়ত পাতি গোচৰ আদি নিষ্পত্তি কৰি কাছাৰীলৈ যোৱা বন্ধ কৰা, মেলেং কানি ভাঙৰ মহলত পিকেটিং কৰা আনকি ১৯২২ চনতে খাজনা বন্ধ আন্দোলনৰ নেতৃত্ব বহন কৰে। মেলেং ৰৰগুৰিত থকা তেওঁৰ দোকান গোর্খা চিপাহীয়ে ক্রোক কৰি টকাৰ বাকচ পর্যন্ত লৈ যায়। বৰুৱাৰ পত্নী মোহিনী দেৱীয়েও কংগ্রেছত যোগ দি সংগঠন আৰু সূতা কটা ব্যাপক কৰাত সহায় কৰিছিল। বৰুৱাৰ নুমলীয়া পুতেক দেৱেশ্বৰ বৰুৱা ১৯৪২ ৰ আন্দোলনত কাৰাবাস খাটি তাম্রপত্র লাভ কৰে।

স্বৰ্গীয় ললিত চন্দ্র বুঢ়াগোহাঁই–স্কুল ত্যাগ কৰি কংগ্রেছত যোগ দি ১৯২১ চনতে ৩ মাহ কাৰাবাস খাটে। হাতীগড় ডাঙৰীয়া টোলৰ ঘৰ আৰু আন আন আন্দোলনকাৰীৰ ঘৰ ক্রোক কৰি বস্ত্র-বাহানি বুঢ়াগোহাঁইৰ কান্ধত সাঙ্গীভাৱ দি নিয়া হয়। গোলাঘাটৰ কোনো ঠাইলে স্থানান্তৰ হৈ তাতেই মৃত্যু হয়।

স্বৰ্গীয় শৰৎ সন্দিকৈ–হাতীগড় মৌজাৰ ভিতৰতে এখেতসকল স্বচ্ছল অৱস্থাৰ পৰিয়াল আছিল। কংগ্রেছ সেৱক সকলক খুৱাই-বুৱাই পৰিচর্য্যা কৰি অসীম তৃপ্তি আৰু সন্তুষ্টি লাভ কৰিছিল। আতিথ্যকে কংগ্রেছৰ সেৱা জ্ঞান কৰি জীৱন কটালে।

স্বৰ্গীয় সোমেশ্বৰ হাজৰিকা–১৯২১ চনৰ পৰা কংগ্রেছ কর্মী। হাতীগড় মৌজাত অনুষ্ঠিত ৰায়ত সভাসমূহৰ অক্লান্ত কর্মী। আজীৱন সমাজ সেৱক।

স্বৰ্গীয় হৰেশ্বৰ ভট্টাচার্য্য–হাতীগড় মৌজাৰ লাদেগড় বাগিচাত ঘৰ। ১৯২১ চনৰ পৰা কংগ্রেছৰ সেৱক। ১৯৩৭ চনৰ নির্বাচনত গাঠিৰ ধনেৱে কংগ্রেছ্ কার্য্যালয় পাতি প্রচাৰ কার্য কৰে। কংগ্রেছৰ সেৱা কার্য্যতে উপান্ত হৈ শেষ ৱয়সত দাৰুণ দৰিদ্রৰ কৱলত অকালতে পত্নী -পুত্রক হেৰুৱাব লগীয়া হয়।

স্বৰ্গীয় হৰনাথ বুঢ়াগোহাঁই–হাতীগড় মৌজাৰ অগ্রণী মুক্তি যোদ্ধা। ১৯২১ চনতে কংগ্রেছত যোগ দিয়ে। প্রকৃত অর্থত বুঢ়াগোহাঁই 'ডাঙৰীয়া' আছিল। ডাঙৰীয়া টোলত তেওঁৰ ঘৰ। কাকজানত চৰকাৰী মাইনৰ স্কুলৰ আগতে বসন্ত কুমাৰ সন্দিকৈয়ে খোলা মাইনৰ স্কুলত তেওঁ পঢ়িছিল। ১৯২১ চনতে তেওঁৰ ঘৰ ক্রোক কৰি সকলো স্থাৱৰ সম্পত্তিৰ লগতে হাঁহ-ছাগলীও গোৰ্খা চিপাহীয়ে লৈ যায়। শ্রীপদ্মেশ্বৰ গোস্বামীয়ে হাতীগড় মৌজাত ১৯৪২ চনত স্বাধীন ৰাষ্ট্র ঘোষণা কৰি বুঢ়া গোহাঁই ডাঙৰীয়াক 'ৰাষ্ট্রপতি' পাতে। তেওঁ শাস্ত্রজ্ঞ, দীক্ষিত পুৰুষ আছিল।



স্বৰ্গীয় খগেশ্বৰ গগৈ : খগেশ্বৰ গগৈ ১৯২১ চনৰ পৰা কংগ্ৰেছৰ সমৰ্থক আছিল। ১৯৪২ চনৰ গণআন্দোলনত তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰি যোৱহাট জেলত কিছুদিন ৰাখে। আকাৰত তেওঁ ভীম সদৃশ ওখ-শকত লোক আছিল। সেইমতে অত্যন্ত শাৰীৰিক পৰিশ্ৰমো কৰিব পাৰিছিল। অসমত আহোম সকলে প্ৰতিপত্তি বিস্তাৰ কৰা সময়ত গগৈ আহোম সভাৰ যোগে কংগ্ৰেছৰ অনুষ্ঠানক শক্তিশালী কৰি তুলিছিল।

স্বৰ্গীয় হেমনাথ ফুকন—প্ৰসিদ্ধ পৰ্বতীয়া ফুকনৰ ঘৰত ১৮৯৫ চনত জন্ম হৈছিল। উচ্চ শিক্ষা নাছিল যদিও বুদ্ধি আৰু জ্ঞান গভীৰ আছিল। ১৯২১ চনত আন্দোলনত যোগ দি ১ বছৰ কাৰাবাস খাটে। মুক্তিৰ পাছত স্থানীয় চেলেংহাট অঞ্চলত নেতৃস্থানীয় উপদেষ্টা হয়। ১৯৪১ চনৰ সত্যাগ্ৰহী। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি ২ বছৰ ৮ মাহ আটক বন্দী হৈ থাকে। কাৰামুক্ত হৈ ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ চাহ মজদুৰ সংগঠনত আত্মনিয়োগ কৰে। নিজৰ কৰ্ম দক্ষতাৰে তেওঁ চাহ মজদুৰ সংঘৰ উপ-সভাপতি নিৰ্বাচিত হয়। ১৯৭৮ চনত ৮৪ বছৰ বয়সত পৰলোক হয়। ফুকন এজন সফল কবিৰাজ আছিল আৰু এটা স্বাস্থ্যকেন্দ্ৰ পৰিচালনা কৰিছিল।

স্বৰ্গীয় সৰ্বেশ্বৰ বৰুৱা—সৰ্ব্বেশ্বৰ বৰুৱাৰ ঘৰ লাহিং মৌজাৰ বৰুৱা পথাৰ হালোৱা গাৱঁত। পিতৃৰ নাম ত্ৰিলোচন বৰুৱা। জন্ম চন ১৯২০। তেখেতৰ পত্নী শ্ৰীমতী বাসন্তী বৰুৱা।

১৯৪২ চনৰ গণ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী। আন্দোলনত যোগদান কৰি তেখেতে প্ৰায় এঘাৰ মাহ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত হয়।

ৰবুৱা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুজাঁকু পেঞ্চন আৰু তাম্ৰ পত্ৰ প্ৰাপ্ত মুক্তি যোদ্ধা। ১৯৮৩ চনৰ জানুৱাৰী মাহত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় শশীধৰ গগৈ—শশীধৰ গগৈৰ ঘৰ লাহিং মৌজাৰ পিঠাখোৱা গাৱঁত। পিতৃৰ নাম আছিল ৰূপাই গগৈ।

'গগৈ এজন সক্রিয় মুক্তিযোদ্ধা আছিল।' ৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰি তেখেতে এবাৰ মাহ কাৰাবাস খাটে। ৫৫ বছৰ বয়সত তেখেতৰ মৃত্যু হয়। 'গগৈৰ পত্নীৰ নাম শ্রীবিমলা গগৈ।

তেখেতে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুজাঁক পেন্সন ভোগ কৰিছে।

স্বৰ্গীয় ফনীধৰ ফুকন-লাহিং মৌজাৰ ভূঞাহাটৰ স্থায়ী বাসিন্দা। পিতৃ হিমকান্ত ফুকন। জন্ম ১৮৫০ চন। মৃত্যু ১৯৪২ চনৰ প্রথম সপ্তাহৰ এদিন। জীৱনকাল ৯২ বছৰ।

ইংৰাজ চৰকাৰে দিয়া মৌজাৰ দায়িত্ব প্রত্যাখ্যান কৰি ১৯২১ চনৰ অসহযোগ আন্দোলনত আত্মনিয়োগ কৰে। মহাত্মা গান্ধী প্রথম অসম ভ্রমণত আহোতে যোৰহাটত আমগুৰি, লাহিং আদিৰ শিপিনী সকলৰ নৈপুণ্য, ডেকাসকলৰ স্বাবলম্বিতা, অসমৰ অস্পৃশ্যতাৰ, ঐক্য আৰু সম্প্রীতিৰ এটি বিস্তৃত বিৱৰণ দাঙি ধৰে। যোৰহাটৰ জনসভাত ভাষণ দি থকা অৱস্থাতে ১৯২১ চনত তেখেতক গ্রেপ্তাৰ কৰা হয়। যোৰহাট কাৰাগাৰত 'দ্বাৰিকা গোস্বামীৰ সৈতে তেখেতে নিজে ৰান্ধিহে খায়। ১৯৩০ চনত ৰাতি জোৰ লৈ নিজে এটা সমদল যাত্রাৰ নেতৃত্ব কৰে। ১৯৩২ চনত ভূঞাহাটত ওজস্বিনী ভাষাৰ বক্তৃতাৰে জন চেতনাক জাগ্রত কৰে। ৮২ বছৰীয়া বৃদ্ধ অৱস্থাৰ কাৰণে সেইবাৰ তেখেতক গ্রেপ্তাৰ কৰি মুক্তি দিয়া হয়।

জাঁজী, আমগুৰি, ছেলেংহাট হাইস্কুল প্রতিষ্ঠাত তেখেতৰ সহযোগ আছিল। ১৯২১ চনৰ আগছোৱা সময়ত সংগ্রামী ব্যক্তিসকলৰ আহ্বানত অসমৰ জনগণে যি ভূমিকা লৈছিল তাৰ গুৰিতে আছিল ফুকনৰ অফুৰন্ত কর্মশক্তি আৰু ওজস্বিতা।

প্রয়াত ভ্রমৰ শইকীয়া : লাহিং মৌজাৰ জাঁজী হাঁহচৰাৰ নিবাসী। কুৰি শতিকাৰ দ্বিতীয় দশকতে কানি নিবাৰণ অভিযানত আত্মনিয়োগ কৰে। পূব যোৰহাটত কংগ্রেছক জনপ্রিয় কৰি গঢ়ি তোলাত এইজন প্রবীণ পুৰুষৰ অৱদান উল্লেখনীয়। সাহিত্য সাধনাৰ প্রতি আগ্রহশীল হৈ তেখেতে 'ভ্রমৰ' নামেৰে এখন আলোচনী প্রকাশ কৰে। সাহিত্য সাধনাৰ ব্রতী হৈ তেখেতে একাধিক ক্ষেত্রত সুনাম অর্জন কৰে।

স্বৰ্গীয় দয়াৰাম হাজৰিকা : নকছাৰী মৌজাৰ দয়াৰাম হাজৰিকা ১৯২১ চনৰ পৰাই আটাইকেইটা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰিছিল। ১৯৪০ চনত তেখেতৰ ঘৰৰ ওচৰত পুঠি নৈৰ শান্তিসেনা শিৰিৰত সক্ৰিয়ভাৱে যোগদান কৰিছিল আৰু কংগ্ৰেছৰ কাম কৰি গাওঁ বিলাকত ঘুৰিছিল। ন কছাৰী মৌজাৰ অসহযোগ আৰু আইন অমান্য আন্দোলনত গোটেই মৌজাটোৰ ৰাইজক নেতৃত্ব দিছিল। ১৯৪২ চনৰ গণ আন্দোলনত পুলিচে তেখেতক আটক কৰি যোৰহাট জেলত ৰাখিছিল।

স্বৰ্গীয় পুণ্যধৰ লাহন—নকছাৰী মৌজাৰ কালিমৰা গাৱঁত তেখেতৰ ঘৰ। ১৯২১ চনত অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। নকছাৰী মৌজাৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰা কম সংখ্যক কৰ্মীৰ মাজত তেখেত এজন। বহুত দিনৰ আগতেই তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় পজিৰুদ্দিন আহমেদ—নকছাৰী মৌজাৰ কাকজান বাগানৰ ওচৰত তেখেতৰ ঘৰ। পূৰ্বতে যোৰহাট নগৰত আছিল। তাতে থাকোতেই ১৯২১ চনৰ আন্দোলনত যোগ দিছিল। নকছাৰীলৈ উঠি যোৱাৰ পাছতো সেই অঞ্চলত কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিছিল। ২০/১/২২ তাৰিখে পুলিচে গ্ৰেপ্তাৰ কৰি কিছুদিন জেলত আটক কৰি ৰাখে। ১৯৫০ চন মানত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় ফৰহাদ আলি —নকছাৰী মৌজা। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী।

পহৰচন্দ্ৰ গগৈ :- নকছাৰী মৌজাৰ সৰল মনৰ এজন নিষ্ঠাৰান নিৰৱ কৰ্মী। ১৯৩৯ চনত সত্যাগ্ৰহৰ প্ৰশিক্ষণ লৈছিল আৰু ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ৰাজ্যিক পেন্সন পাইছিল।

স্মৰণীয় কথা যে আন্দোলনৰ দিনহোৱাত তেখেতৰ ঘৰখন খাদী গ্ৰামোদ্যোগৰ এক জীৱন্ত প্ৰশিক্ষণ কেন্দ্ৰ হৈ আছিল।

ৰগীৰাম গগৈ :- নকছাৰী মৌজাৰ এখেত ইমানেই দেশ সেৱাত ব্ৰতী হৈছিল যে, তেখেতৰ ঘৰবাৰী সম্পূৰ্ণ ভাৱে শিবিৰ হিচাবে চলাবলৈ এৰি দিছিল। তেখেতৰ ৰাৰী ভৰি থকা তামোল পাণ, নেমু, লাও, কোমোৰা, অমিতা আদি

ভলণ্টিয়াৰ সকলে অবাধে ব্যৱহাৰ কৰিছিল। দুপৰীয়া প্ৰচাৰ আৰু সংগঠনৰ কামৰ পৰা ঘুৰি আহি ঢেকীয়াৰ ভাজি আৰু ডাইলৰ পানীত নেমুৰস (তেখেতৰ বাৰীত নেমু অপাৰ আছিল) চেপি খোৱা ভাত মুঠিৰ তৃপ্তি আজিও সকলোৰে মনত পৰে। সেয়ে যেন ভলণ্টিয়াৰসকলৰ কাৰণে আছিল অমৃত তুল্য।

সৰুমলা গগৈ :- নকছাৰী মৌজাত ঘৰ, এখেত ভলণ্টিয়াৰৰ বাবে আছিল মাতৃ তুল্যা। উল্লেখনীয় যে এখেতৰ গাওঁখনৰ সকলো লোক আছিল আহোম লীগৰ প্ৰভাবান্বিত লোক। একমাত্ৰ এখেতৰ ঘৰখনেই আছিল কংগ্ৰেছী ঘৰ। এখেতে ভলণ্টিয়াৰ সকলক পুত্ৰবৎ মৰম চেনেহ কৰি সাহস আৰু প্ৰেৰণা যোগাইছিল।



প্ৰেমধৰ গগৈ :-(১) ১৯৩৯ চনত সত্যাগ্ৰহ আন্দোলনৰ প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ লয় আৰু ১৯৪১ চনত সত্যাগ্ৰহ কৰে।

১৯৪২ চনত স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। নকছাৰী মৌজাৰ কংগ্ৰেছৰ সম্পাদকৰ দায়িত্ব বহন কৰে। আৰু এই দায়িত্ব থকা অৱস্থাতে পুলিচে খানাতালাচ কৰি সকলো নথি পত্ৰ জব্দ কৰি তেখেতক গ্ৰেপ্তাৰ কৰি লৈ যায় ১৯৪৪ চনৰ ১৪ জানুৱাৰীত।

৯ মাহ জেল হৈছিল। তাম্ৰ পত্ৰ লাভ কৰে। কেন্দ্ৰীয় আৰু ৰাজ্যিক পেঞ্চন পায়। জেলৰ পৰা ওলাই আহি কংগ্ৰেছৰ সংগঠনৰ বিভিন্ন উন্নয়নমূলক কামত আত্মনিয়োগ কৰে। সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ দিশতো তেখেতৰ অৱদান স্মৰণীয়। তেখেতৰ জন্ম ১৯১০। মৃত্যু ১৯৯৩ চনৰ ২৩ জুন।

☐

স্বৰ্গীয় চন্দ্রকমল বেজবৰুৱা : গাখীৰ খোৱা মৌজাৰ বলমা বাগিচাৰ সত্বাধিকাৰ চন্দ্রকমল বেজবৰুৱা এজন সিংহপুৰুষ আছিল। ১৯২১ চনৰ পৰা তেখেতে স্বাধীনতা আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল। তেখেত লক্ষ্মীনাথ বেজবৰুৱা পৰিয়ালৰ উত্তৰাধিকাৰী। এজন সমাজ সংস্কাৰক আছিল। অসমত বিধৱা বিবাহ প্রচলনৰ তেওঁ অন্যতম পথ প্রদর্শক।
শিৱসাগৰৰ ন-পুখুৰীত মাছ পুহি সেই পোহামাছ বিক্রী কৰি সমাজত আদর্শ দাঙি ধৰে। মেলেং বাগিচাৰ মাজেদি তেখেতৰ কমলা বাগিচালৈ যোৱাৰ বাটত এজন মেলেং বাগিচাৰ ইংৰাজ মালিকে তেখেতক অহা-যোৱা বন্ধ কৰিবলৈ দিয়াত যোৰহাট কাছাৰীত এটা ডাঙৰ মোকর্দমা হয়। আদালতৰ বিচাৰত বেজবৰুৱাৰ জয় হয় আৰু আলিবাটৰ সেই অংশ জনসাধাৰণৰ কাৰণে মুকলি কৰি দিয়া হয়।

হেমনাথ শর্মা : (মাজকুৰি) এখেতে ১৯২১ চনৰ অসহযোগ আন্দোলনতে কলেজ এৰি আন্দোলনত যোগ দিয়ে। তাৰ পাছৰে পৰা স্বাধীন ভাবে চাহ বাগিচা এখন চলাই থাকিও স্বাধীনতাৰ সংক্রান্তত '৪২ ৰ গণ আন্দোলনলৈকে, যিমান কেইটা আন্দোলন চলিছিল, সকলোতে সক্রিয় অংশ গ্রহণ কৰিছিল। যেনে - বিদেশী বস্ত্র বর্জন,

বৈদ্যনাথ শর্মা : এখেত হেমনাথ শর্মাৰ ভাতৃ। ককায়েকৰ দৰেই এখেতেও জীৱনৰ শেষ বয়সলৈ মহাত্মাগান্ধীৰ আদেশ-উপদেশ অনুসৰি সংগঠনৰ কাম কৰি আছিল। গাখীৰ খোৱা মৌজা কংগ্রেছ কমিটিৰ সভাপতি হিচাবে কেইবাবছৰো সংগঠনৰ কাম কৰিছিল। এখেতেও মহাত্মা গান্ধীৰ কেউটা "বর্জন আন্দোলনত সক্রিয় সহযোগ কৰিছিল।

মইনা শইকীয়া ববমেধি : (শুকানজান গাওঁ- লাহিং) এখেতো এজন ১৯২১ চনৰে পৰা কংগ্রেছ কর্মী আছিল। গাখীৰ খোৱা মৌজা কংগ্রেছ কমিটীৰ সভাপতি হিচাবে ৩ বছৰ কাম কৰিছিল। '৪২ ৰ গণ আন্দোলনত কাৰাবৰণ নাইকৰা যদিও আন্দোলনৰ ভলণ্টিয়াৰ সকলক সকলো
প্রকাৰে সহায় আৰু অনুপ্রেৰণা দিছিল। এখেত এজন স্বাবলম্বী পুৰুষ আছিল।

স্বৰ্গীয় মুক্তানাথ ববঠাকুৰ : বলমা আলি, গাখীৰ খোৱা মৌজা। ১৯২১ চনৰ পৰা স্বাধীনতা আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল। প্রচাৰ কার্যৰ কর্মীসকলে সেই সময়ত তেখেতৰ ঘৰত আশ্রয় লৈছিল।

স্বৰ্গীয় বসন্ত নাথ ৰৰঠাকুৰ : গাখীৰ খোৱা মৌজাৰ মাজকুৰি গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ চন্দ্ৰ ৰাম ৰৰঠাকুৰ, মাতৃ ভৱানী দেৱী। জন্ম ১৯০৮ চন ৮ ভাদ। চাহ বাগিছাৰ চাকৰি পদত্যাগ কৰি ১৯৩০-৩২ চনৰ স্বাধীনতা সংগ্রামত যোগদান কৰি শিৱসাগৰ আৰু শিলচৰ কাৰাগাৰত ৯ মাহ কাৰাৰুদ্ধ। ১৯৩৫-৩৬ চনত গুকানজনীয়া প্রাথমিক বিদ্যালয় স্থাপন কৰি সেই বিদ্যালয়তে শিক্ষকতা কৰি অৱসৰ গ্রহণ কৰে। ১৯৬৪ চনৰ ১৩ ফেব্রুৱাৰীত মৃত্যু হয়। জীৱন কালত ৰৰঠাকুৰ এজন মুক্তিযোদ্ধা হৈয়ো প্রসিদ্ধ অভিনেতা আছিল। কানি-নিবাৰণৰ অক্লান্ত কর্মী আছিল। কংগ্রেছৰ নিৰবিচ্ছিন্ন নেতৃস্থানীয় কর্মী আছিল।

স্বৰ্গীয় আনন্দ শর্মা : গাখীৰখোৱা মৌজাৰ বলমা মাজকুৰী গাৱঁত জন্ম হলেও বর্তমান যোৰহাট চোলাধৰাত পৰিয়ালটো থাকে। পিতৃ পূণেশ্বৰ শর্মা। জন্ম ১৯২৮ চনত। মৃত্যু ২১-১-৮৪ চনত। ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনৰ আগতে ছাত্র যুৱকৰ স্থানীয়ভাৱে নেতৃত্ব লয়।

আন্দোলন আৰম্ভৰ লগে লগে টীয়ক অঞ্চলত শ্রদ্ধাৰ শিক্ষক ঋষেশ্বৰ দলৈৰ পৰিচালনাত আন্দোলনৰ তীব্রতা বৃদ্ধি কৰে। শিক্ষক দলৈ আৰু ছাত্র শর্মাক একেলগে ১২ -১১ - ৪২ ত গ্রেপ্তাৰ কৰি ১৩ - ১১ - ৪২ ৰ পৰা যোৰহাট কাৰাগাৰত ৰাখে। ২ - ৪- ৪৩ ৰ বিচাৰত শর্মাৰ ৪ মাহ কাৰাদণ্ড হলেও ম্যাদৰ অন্তত আটক বন্দী কৰা হয়।

স্বাধীনোত্তৰ কালত স্নাতকোত্তৰ শিক্ষা লৈ শিক্ষকতাৰ বৃত্তি বাচি লয়। নিজ অঞ্চল টীয়কত মহাবিদ্যালয় প্রতিষ্ঠাৰ দিনৰে পৰা প্রতিষ্ঠাপক কার্য্যকৰী অধ্যক্ষ

পদত কার্য্য নিৰ্ব্বাহ কৰা কালতে জীৱনাৱসান হয়। উল্লেখযোগ্য যে শর্মাই চৰকাৰী উচ্চ পদৱীৰ প্রলোভন প্রত্যাখ্যান কৰি টীয়ক কলেজখনকে জীৱনৰ সাধনাৰ প্রতিষ্ঠান বুলি লৈছিল।

স্বৰ্গীয় শুকানি চুতীয়া : শুকানি চুতীয়াৰ ঘৰ গাখীৰ খোৱা মৌজাৰ বুঢ়াকুৰি গাঁৱত। পিতৃৰ নাম দধি চুতীয়া, মাতৃৰ নাম চেনেহী চুতীয়া। জন্ম চন ১৯২১। শ্রীচুতীয়াই '৪২ ৰ গণ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি ৮ মাহতকৈও অধিক কাল কাৰাবাস খাটে। এজন গঠনমূলক কামত আগভাগ লোৱা কর্মী।

তেখেতে ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেন্সন লাভ কৰিছিল। ১৯৯৩ চনত তেখেতৰ নিজ ঘৰত মৃত্যু হয়।

ইন্দ্রনাথ শর্মা : এখেত হেমনাথ শর্মাৰ ভাতৃ। এখেতে '৪২ ৰ গণ আন্দোলনত বন্দী হোৱা নাছিল যদিও আন্দোলনৰ স্বেচ্ছা সেৱক হিচাবে সংগঠনৰ কাম কৰিছিল। শেষ বয়সলৈকে কংগ্রেছৰ সক্রিয় কর্মী আছিল।

ভৰাল শইকীয়া : (মৰাণ গাওঁ) এখেত এজন সক্রিয় গান্ধীবাদী সেৱক আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন বিশেষ কর্মী আছিল। এজন সত্যাগ্রহী আছিল। পিন্ধন, উৰন আৰু ব্যৱহাৰ পাতিত এজন আদর্শ কংগ্রেছী লোক আছিল। শেষ বয়সলৈকে খদ্দৰৰ মাত্র- তিনিখন বস্ত্রহে

স্বৰ্গীয় পুণাৰাম চুতীয়া : (গাওঁবুঢ়া) যোৰহাটৰ পূৰে অৱস্থিত গাখীৰ খোৱা মৌজাত ১৯২১ চনৰ আন্দোলনত যিকেইজন পঢ়াশালীয়াই শিক্ষা ত্যাগ কৰি আন্দোলনত অংশ গ্রহণ কৰিছিল সেইসকলৰ ভিতৰত পুণাৰাম চুতীয়া অন্যতম।

যোৰহাটৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্রেণীৰ পৰাই তেওঁ আন্দোলনত জপিয়াই পৰিছিল। মইনা শইকীয়া, বৰমেধি তেওঁৰ সকলো কামতে সহচৰ আৰু সহযোগী আছিল। ১৯৩১ চনত তেওঁ বলমাত এখন 'জাতীয় হাইস্কুল'

প্রতিষ্ঠা কৰে আৰু সেই স্কুলত কিছুদিন শিক্ষকতা কৰে। চন্দ্রকমল বেজবৰুৱা তেওঁৰ প্রেৰণাদাতা আছিল। কৰ্কট ৰোগত আক্রান্তহৈ ৬২ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

স্বৰ্গীয় ৰেৱতী লাহন : গান্ধীৰ খোৱা। ১৯৪২ চনৰ গণ-আন্দোলন সক্রিয় অংশ গ্রহণ কৰিছিল। এই মহিলা কর্মী গৰাকীৰ মাজত নেতৃত্ব দিব পৰা গুণ আছিল।' ৪২ ৰ গণ আন্দোলনত পলাতক হিচাপে থাকি গাঁৱে গাঁৱে ঘুৰি স্বাধীনতাৰ বাণী প্রচাৰ কৰিছিল।

এইদৰে গাঁৱে গাঁৱে ঘুৰি ফুৰোতে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে আৰু নেতাসকলৰ জেলত থকা দিনতে আন্দোলনৰ মাজতে ৰেৱতী লাহনৰ মৃত্যু হয়। মৃত্যু পিছত ঋষেশ্বৰ দলৈৰ উদ্যোগত স্থানীয় বাইজে তেওঁৰ নামত 'ৰেৱতী লাহন বিদ্যালয়' নামৰ এখন স্কুল স্থাপন কৰে।

হোলোঙাপাৰা মৌজা

স্বৰ্গীয় আধিৰাম শইকীয়া : দেৱান ভৱলুৱা। ১৯২১-৪২ চনৰ মুক্তি যুঁজাক।

স্বৰ্গীয় কুশৰাম লাহন : আৰাদ্ধৰা, যোৰহাট। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ আন্দোলনত যোগ দিয়ে।

স্বৰ্গীয় কালিভকত সেনাপতি : জেচুৰাল গাওঁ, ১৯২১ চনৰ পৰা ১৯৪২ চনৰ মুক্তি যুঁজাক।

স্বৰ্গীয় ভোগৰাম ফুকন : বনপিঠাগুৰি ১৯২১ চনৰ আন্দোলনৰ মুক্তি যুঁজাক।

স্বৰ্গীয় কনকেশ্বৰ ফুকন : আৰাদ্ধৰা গাওঁ। হোলোঙাপাৰ মৌজা। জন্ম ১৯০৭ চন পিতৃ লুদুৰ ফুকন। কাকজান ডাকঘৰ জ্বলোৱা অপৰাধত এবছৰৰো অধিককাল আটক বন্দী কৰি ৰাখে।

স্বৰ্গীয় টঙ্কেশ্বৰ বৰঠাকুৰ : পীড়াকটা গাওঁ। ১৯৪২ চনত যোৰহাট নগৰত পিকেটিং কৰা অপৰাধত পুলিচে গ্রেপ্তাৰ কৰি মৰিয়নি হাবিত এৰি দিয়ে। মৌজাৰ গঠনমূলক কামত জড়িত আছিল।

স্বৰ্গীয় বুদুৰাম গগৈ : বনপিঠা গুৰি। হোলোঙাপাৰ মৌজা। জন্ম ১৮৮৫ চন। ১৯২১ চনৰ আন্দোলনৰ কর্মী। ১৯৪২ চনত কাকজান ডাকঘৰ, চাওঁখাট মৌজাদাৰৰ অফিচ জ্বলোৱা অপৰাধত গ্রেপ্তাৰ কৰি যোৰহাট জেলত আটক বন্দী কৰি ৰাখিছিল। মৃত্যুৰ সময়লৈকে গঠনমূলক কামত জড়িত আছিল।



স্বৰ্গীয় গোপাল চন্দ্র শইকীয়া : যোৰহাট জিলাৰ হোলোঙাপাৰ মৌজাৰ এজন প্রবীণকংগ্রেছ কর্মী আছিল। ১৯৪০ চনৰ সত্যাগ্রহ আন্দোলনৰ পৰাই সক্রিয় ভাবে ১৯৪২ চনৰ স্বাধীনতা সংগ্রামত জপিয়াই পৰি দুবাৰ কাৰাবাস খাটে।

স্বৰ্গীয় যোগেন শইকীয়া : চাবিগাওঁ মৌজাৰ চাবিগাৱঁত নিগাজী ঘৰ। কিন্তু পৰৱৰ্ত্তী জীৱনত যোৰহাট মালৌ আলিৰ বাসিন্দা হয়। পিতৃ ঁসোণাৰাম শইকীয়া, মাতৃ ঁসেউতি। জন্ম ৬-১০-২১, মৃত্যু ২৫-৪-৭৬, জীৱন কাল ৫৫ বছৰ মাত্ৰ। অসমত যি দুজন মুক্তি যুঁজাকৰে কাৰাগাৰৰ পৰা আৰক্ষী পহৰাৰ মাজত পৰীক্ষা দি স্নাতক হয় তাৰে অন্যতম, ঁযোগেন শইকীয়াই ১৯৪৪ চনত 'ডিষ্টিংশ্যান' লৈ উত্তীর্ণ হয়। ১৯৪০ চনত প্ৰৱেশিকা প্ৰতিভা বৃত্তি লাভ কৰি ১৯৪২ চনত সুখ্যাতিৰে আই-এ পাছ কৰে। স্কুলীয়া ছাত্ৰাৱস্থাতে সদৌ অসম ভিত্তিত ৰচনা প্ৰতিযোগিতাত শীৰ্ষস্থান অধিকাৰ কৰি সোণৰ পদক পায়।

ছাত্ৰাৱস্থাৰে পৰা ছাত্ৰ সংগঠনত আগভাগলোৱা শইকীয়াই ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় ভাৱে আত্মনিয়োগ কৰে আৰু যুৱ শক্তিক এক অজেয় শক্তি ৰূপে সংগঠন কৰে। দ্বিতীয় মহাসমৰৰ পটভূমিত ভাৰত ত্যাগ আন্দোলনক লৈ গঢ়ি উঠা 'জনযুদ্ধ'ৰ জোৱাৰৰ অভেদ্য ভেটা দি শইকীয়া জাতীয়তাবাদী ছাত্ৰ সম্মিলনৰ সম্পাদক হৈ গণ-আন্দোলনৰ নেতৃত্ব বহন কৰে। 'স্বাধীন চাবিগাওঁ ৰাষ্ট্ৰৰ' মন্ত্ৰী পদত অধিস্থিত হৈ বিপ্লৱৰ কামত লিপ্ত থাকোতেই গ্ৰেপ্তাৰ হৈ আঁঢ়ৈ বছৰ কাল কাৰাৰুদ্ধ হয়। কাৰামুক্তিৰ পাচত এম এ আৰু আইন পঢ়োতেই ১৯৪৬ চনৰ কলিকতা হত্যাকাণ্ডত কথমপি সাৰি আহি গুৱাহাটীৰ পৰা আইনৰ স্নাতক হয়। অধিবক্তা হৈ যোৰহাটত ওকালতি আৰম্ভ কৰে। প্ৰাদেশিক কংগ্ৰেছৰ যুটীয়া সহকাৰী সম্পাদকৰ দায়িত্ব বহন কৰে। ১৯৫৬ চনত আচার্য্য কৃপালনিৰ লগ লাগি অসমত কিষান মজদুৰ প্ৰজা পাৰ্টীৰ সংগঠনত ব্ৰতী হয়। পুণৰ শইকীয়া কংগ্ৰেছলৈ ঘুৰি আহে আৰু যোৰহাট জিলা কংগ্ৰেছৰ ১৯৫৬ চনত সভাপতি নিৰ্ব্বাচিত হৈ কংগ্ৰেছক নতুন গতিবেগ দিবলৈ সক্ষম হয়। ১৯৬৭ চনত বিধায়ক হৈ উপাধ্যক্ষ পদৰ দায়িত্ব বহন কৰে। পাচলৈ কেবিনেট পর্য্যায়ৰ মন্ত্ৰী পদত অধিস্থিত হৈ আইন, সমবায় আদি দপ্তৰ সুচাৰুৰূপে পৰিচালনা কৰে। সেইসময়তে মুক-বধিৰসকলৰ কাৰণে সংগঠন গঢ়ি সৰ্ব্বভাৰতীয় স্বীকৃতি লাভ কৰে। পাচলৈ এই সৰ্ব্বভাৰতীয় সংগঠনৰ উপ-সভাপতি পদত অধিস্থিত হয়।

১৯৭৩ চনত শইকীয়া ভাৰত চৰকাৰ ভাষা আযোগৰ কার্য্যবাহী সদস্য হৈ দিল্লীত থাকে। তেতিয়াই তেওঁ সহপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ কলা-কৃষ্টি বহুল প্রচাৰৰ কাৰণে দিল্লীত এটি কেন্দ্র প্রতিষ্ঠা কৰাৰ উপৰিও শ্রীমন্ত শঙ্কৰদেৱৰ ৰাম বিজয় নাট কমলাবাৰী সত্রৰ দ্বাৰা ইণ্ডোনেচিয়াত প্রদর্শন কৰায়।

"Hill Tribes of Assam" আৰু "Imigrants and Eviction in Assam" নামৰ দুখন প্রকাশিত পুথিৰ উপৰিও শইকীয়া কাকত-আলোচনীত বহুতো চিন্তা- গধুৰ নিবন্ধৰ প্রণেতা।

শইকীয়া অবিৰত ক্লান্তিবিহীন কৰ্ম্মী। কর্ম্মব্যস্ততাতে শৰীৰ ভাগি পৰে আৰু অকালতে অম্লান প্রতিভাৰ জীৱনাৱসান ঘটে।

স্বর্গীয় তুলসীৰাম কলিতা : চাৰিগাওঁ মৌজাৰ কমাৰ গাৱঁৰ নিগাজী নিবাসী। পিতৃ যজ্ঞেশ্বৰ, মাতৃ সৰুফুল। জন্ম ১৯১২ চন। প্রাথমিক বিদ্যালয়ৰ ছাত্র থাকোতেই ১৯২১ চনত মহাত্মা গান্ধীক যোৰহাটত দেখাৰ সৌভাগ্য হয় তেতিয়াৰে পৰা স্বাধীনতা সংগ্রামৰ প্রতি প্রেৰণা লাভ। ১৯৩০ চনত মজলীয়া শিক্ষা সাংকৰি আইন অমান্য আন্দোলনত অংশ গ্রহণ কৰে। ৬ - ৯ - ৩২ ৰ পৰা ১২ -২ ৩৩ লৈ কাৰাৰুদ্ধ হয়। পাচৰ জীৱনত শিক্ষকতাৰ বৃত্তি গ্রহণ কৰিলেও সামাজিক কামত ব্রতী হয়। ১৯৪৩ -৫০ লৈ কমাৰ গাওঁ কংগ্রেছৰ সম্পাদকৰ পদত থাকি বিভিন্ন জনহিতকৰ কামত আত্মনিয়োগ কৰে। কাৰামুক্ত হৈ কমাৰ শিল্পৰ বৈজ্ঞানিক উন্নতিকল্পে যত্ন কৰি চৰকাৰী সাহায্য নাপাই শিক্ষকতাত মনোনিবেশ কৰি কৃতিত্ব অর্জন কৰে।

ৰাজ্যিক সম্মান পেঞ্চন পাইছিল।

স্বৰ্গীয় গোলাপ চন্দ্ৰ দত্ত : ১৯৪২

চনৰ গণ আন্দোলনত যোৱহাট জিলাৰ চাৰিগাওঁ মৌজাই এক নতুন বিপ্লৱৰ সূচনা কৰি চাৰিগাৱঁক স্বাধীন ৰাষ্ট্ৰ ঘোষণা কৰি বিপ্লৱী যীৱ শ্ৰীযুত লক্ষেশ্বৰ বৰুৱা ৰাষ্ট্ৰপতি হয়। মন্ত্ৰীসভা গঠন কৰি গোলাপ চন্দ্ৰ দত্তক শিক্ষামন্ত্ৰীৰ ৰাব দিলে। বৃটিছ চৰকাৰৰ নজৰত পৰিলত ৰাষ্ট্ৰপতি আৰু মন্ত্ৰীসভাৰ সদস্যসকল বন্দী হয়।

গোলাপ দত্তই ১৯১৫ চনত জন্ম গ্ৰহণ কৰি ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। যোৱহাট জেলত কুশল কোঁৱৰৰ লগত সম্বন্ধ বাঢ়ে। 'মুক্তি' নামৰ এখন নাটক লিখি জেলতে মঞ্চস্থ কৰি সকলোৰে শলাগ পায়। কাৰাগাৰৰ পৰা ওলাই আহি তেওঁ আৰু চৰকাৰী চাকৰি নকৰিলে। ১৩ জন ছাত্ৰলৈ বাহনা হাইস্কুল প্ৰতিষ্ঠা কৰি অসমৰ ভিতৰতে এইখনক নামজ্বলা শিক্ষানুষ্ঠানলৈ পৰিণত কৰি তাৰ পৰা অৱসৰ লয়। কেন্দ্ৰীয় চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেঞ্চন পাইছিল। ১৯৮৬ চনত ৭১ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় যজ্ঞেশ্বৰ বৰদলৈ : যজ্ঞেশ্বৰ

বৰদলৈ যোৱহাট লুকীহাটত ১৯০৪ চনৰ ৪ মাৰ্চত জন্ম গ্ৰহণ কৰে। পিতৃ গদাধৰ বৰদলৈ, মাতৃ ধনদা বৰদলৈ। তেখেত যোৱহাট বেজবৰুৱা স্কুলত প্ৰৱেশিকা মহলালৈকে পঢ়ি জীৱিকা নিৰ্বাহৰ বাবে ডিব্ৰুগড়ত এখন চাহবাগিচাত কেৰাণী চাকৰিত সোমায়। সেই সময়ত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন অসমত বিয়পি পৰাত 'বৃটিছ তলত চাকৰি নকৰো' বুলি ঘৰলৈ ঘুৰি আহে অসহযোগ আন্দোলনত জপিয়াই পৰে।

চাৰিগাৱঁত স্বতন্ত্ৰ চৰকাৰ গঠন কৰি লক্ষেশ্বৰ বৰুৱাক ৰাষ্ট্ৰপতি, গোলাপ দত্ত, কৃষ্ণ দত্ত আৰু নিজেও মন্ত্ৰী পদলৈ চাৰিগাৱঁক স্বাধীন ৰাষ্ট্ৰ ঘোষণা কৰি পতাকা উত্তোলন কৰাৰ দিনা ৰাতি ঘৰ ঘেৰাও কৰি পুলিচে আটক কৰে আৰু যোৱহাট কাৰাগাৰত ২ বছৰ ৫ মাহ কাৰাবাস দিয়ে। কাৰাগাৰতে তেওঁ সৰ্বেশ্বৰ বৰদলৈ, গোপীনাথ বৰদলৈৰ লগত পৰিচিত হয়। কাৰাগাৰৰ পৰা ঘুৰি আহি সমাজ গঠনত তেওঁ মনোযোগ দিয়ে। মণ্ডল কংগ্ৰেছ কমিটিৰ সভাপতি আৰু সদস্য ৰূপে থাকে।

তেখেত এজন ধর্মপৰায়ণ আৰু সকলোৰে প্ৰিয়ভাজন আছিল। ১৯৮৫ চনৰ ৭ আগষ্টৰ পুৱা ৭ - ১৫ মিনিটত নিজ ঘৰ লুৰুকী গাৱঁত ইহলীলা সম্বৰণ কৰে।

স্বৰ্গীয় পেপেৰা কান্ত বৰা : পেপেৰাকান্ত বৰা, ঘৰ বৰুৱা বাৰী গাওঁ, চাৰিগাওঁ মৌজা। বৰ্তমান নিবাস তৰাজান যোৰহাট।.পিতৃ মতিৰাম বৰা, মাতৃ সৰুপাতী বৰা, জন্ম ১৯০৭ চন। বৰা এজন কংগ্ৰেছ কৰ্মী আছিল। ৪২ চনৰ গণ বিপ্লৱত অংশ গ্ৰহণ কৰি ১ মাহতকৈ অধিক কাল কাৰাবৰণ কৰিছিল।

বৰাই বাজিক চৰকাৰৰ মুক্তি যুজাঁৰু পেঞ্চন পোৱাৰ উপৰিও প্ৰায় ১২ বিঘা মাটি চৰকাৰৰ পৰা অনুদান স্বৰূপে লাভ কৰে

স্বৰ্গীয় সোমনাথ বুঢ়াগোহাঁই–কলেজৰ শিক্ষা এৰি ১৯২১ চনত কংগ্ৰেছ আন্দোলনত যোগ দিয়ে। আন্দোলনৰ পাছত চৰকাৰী চাকৰি কৰে। বৰ্তমান ঘৰ কেন্দুগুৰিত।

স্বৰ্গীয় জগতচন্দ্ৰ শইকীয়া–চাৰিগাওঁ মৌজাৰ হাতীগড়ৰ শইকীয়া 'স্বাধীন চাৰিগাওঁ ৰাষ্ট্ৰ'ৰ এজন মন্ত্ৰী আছিল। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাৰুদ্ধ হয়। কংগ্ৰেছৰ সংগঠন আৰু সংগ্ৰামৰ অক্লান্ত কৰ্মী। তেওঁৰ ভায়েক গোবিন্দ চন্দ্ৰ শইকীয়া ১৯৩০ চনতে কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰি অকালতে মৃত্যু হয়। শইকীয়া কৰ্কট ৰোগত আক্ৰান্ত হৈ অকালতে পৰলোক হয়।

স্বৰ্গীয় চন্দ্ৰ কান্ত বৰুৱা –বিপ্লৱী বীৰ শংকৰ বৰুৱাৰ পৰিয়ালৰ চন্দ্ৰকান্ত বৰুৱা ১৯২১ চনতে কাৰাবৰণ কৰা কংগ্ৰেছ সেৱক। ঘৰ চাৰিগাওঁ মৌজাৰ কেন্দুগুৰিত। কংগ্ৰেছ ভলণ্টিয়াৰ সকলৰ থকা-খোৱাৰ বন্দবস্ত কৰি আৰু যথাসাধ্য সহায় কৰি তেখেতে অপৰিসীম আনন্দ পাইছিল। ১৯৩৪ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় বিপিন বৰুৱা–যোৰহাটৰ চাৰিগাৱঁত ঘৰ। ১৯৩০ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। সদায় কংগ্ৰেছ কৰ্মীসকলক শিবিৰত খুৱাৰৰ বাবে এটা টিন চাল পুঁজি সংগ্ৰহ কৰি ফুৰিছিল। গধূলি শিবিৰত ভলণ্টিয়াৰ সকলে সেই উপাৰ্জন

খোৱাত খৰচ কৰে। শিৱিৰ বন্ধ হোৱাৰ পাছত তেওঁ মাৰোৱাৰী পট্টিত খালী টিন সংগ্রহ কৰি কুশল পথৰ কাষত অৱস্থিত চাউল আৰু তেলৰ কলত টিনবোৰ জমা দি সেই উপার্জনেৰে তেওঁ দিন কটাইছিল। নিজৰ চাইকেলত বাঁহৰ কামি বান্ধি বহুত টিন একেলগে লৈ গৈছিল। ১৯৪৯ চনত অবিবাহিত বৰুৱাৰ মৃত্যু হয়।



স্বৰ্গীয় কৃষ্ণ প্রসাদ দত্ত : চাৰিগাওঁ নিবাসী কৃষ্ণপ্রসাদ দত্ত এগৰাকী স্বাধীনতা যুঁজাৰু আৰু সক্রিয় গঠনমূলক কৰ্ম্মী আছিল। তেখেতৰ পিতৃৰ নাম মাধৱ চন্দ্র দত্ত আৰু মাতৃৰ নাম যজ্ঞেশ্বৰী দত্ত। জন্ম ১৯১৭ চন।

এজন আগশাৰীৰ গঠনমূলক কৰ্মী দত্তই ১৯৪২ চনৰ আন্দোলনত সহযোগ কৰি ছমাহৰ অধিক কাল কাৰাবৰণ কৰে। জেলৰ পৰা মুক্ত হৈ খাদী বৰ্ডৰ কৰ্মী স্বৰূপে কাম কৰে। তেখেতৰ চেষ্টাতেই চাৰিগাওঁ মৌ পালন কেন্দ্র গঢ় লৈ উঠিছিল।

তেখেতে আৰু বৰ্তমান তেখেতৰ পত্নীয়ে ভাৰত চৰকাৰৰ স্বতন্ত্রতা সৈনিক সম্মান পেঞ্চন লাভ কৰিছে।



স্বৰ্গীয় শৈলেন বৰা-চাৰিগাওঁ মৌজাৰ ১ নং বামুণ গাৰঁত ঘৰ। জন্ম ১৯২২ চন। মৃত্যু ১৮ - ৯ - ৮৮ চন। ১৯৪০ চনত প্রবেশিকা পাছ কৰি চাৰিগাওঁ ছাত্র সন্মিলনৰ সম্পাদক নির্বাচিত হৈ যুৱ- ছাত্রৰ নেতৃত্ব বহন কৰে। জে বি কলেজৰ হৈ ১৯৪২ চনৰ ১০ আগষ্টৰ স্মৰণীয় হৰতালে জীৱনৰ গতি সলনি কৰে। পিকেটিঙত অবিৰত ভাৱে অংশ লৈ বিপ্লবী বীৰ শঙ্কৰ বৰুৱাৰ নির্দ্দেশত আত্মগোপন কৰি বিপ্লৱ জীয়াই ৰাখে।

স্বাধীনোত্তৰ কালত চছিয়েলিষ্ট দলভুক্ত হৈ দলীয় কামৰ বাবে বাহনা হাইস্কুলৰ শিক্ষকতাৰ পদ ত্যাগ কৰি সৰ্ব্বক্ষণ কৰ্মী হয়। বৰাৰ ঘৰখন বহুতো ছাত্রৰ আৱাস আছিল। অভাৱে টলাব নোৱাৰা চৰিত্রৰ লোকজন ৬৬ বছৰ বয়সত পৰলোক হয়।

প্রয়াত নিৰন চন্দ্র বৰুৱা : পিতৃ ঁবলোৰাম । ঘৰ মজিয়াভেটি ২নং সোণাৰী গাওঁ, বালিগাওঁ মৌজা ।

নিৰন বৰুৱা ১৯৩০ চনৰ এজন সক্রিয় কংগ্রেছ কর্ম্মী আছিল । ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰা অপৰাধত গ্রেপ্তাৰ হৈ তিনিমাহ দিন কাৰাবাস খাটে । দুখৰ .বিষয় তেখেতৰ মৃত্যুৰ দহদিনৰ পিচত ৰাজ্যিক পেন্সনৰ খবৰ আহে । তেখেতৰ পৰিবাৰ শ্রীমতী ভনী বৰুৱাই সেই পেন্সন বর্ত্তমান পাই আছে । ভূমিহীন শ্রীমতী বৰুৱাৰ একমাত্র পুত্রই সেনা বিভাগত চাকৰি কৰি থকাত তেও দুখে কষ্টে অকলে বসবাস কৰি থাকিব লগীয়া হৈছে বর্ত্তমান গড়মুৰত ।

সৰুচৰাই মৌজা

স্বৰ্গীয় ভুপেন্দ্ৰ নাথ বৰবৰা : বৰবৰা ১৯৪২ চনত চফল ডেকা শৰীৰত অসীম শক্তি। খাবও পাৰিছিল প্ৰচুৰ। অহিংস হ'বলৈ যত্ন কৰিবলগা হৈছিল ভাৰত ত্যাগ আন্দোলনত ১ বছৰ কাৰাদণ্ড হয়। মুক্তি পাই সংগঠনত অংশ লয়। স্বাধীন ভাৰতত বনবিভাগৰ চাকৰি কৰি অৱসৰ লোৱাৰ পাছত ১৯৮৯ চনত মৃত্যু হয়। দুয়োটা পেঞ্চন পাইছিল।

স্বৰ্গীয় তগৰ বৰা–পুলিবৰ ভাতেমৰা গাঁৱৰ বৰা ১৯৪২ চনৰ গণ আন্দোলনত সৈন্য বাহিনীৰ যোগান বন্ধ কৰোঁতে কেইবাবাৰো গ্ৰেপ্তাৰ বৰণ কৰে। আজীৱন কংগ্ৰেছৰ সেৱক স্বৰূপে ব্ৰতী হৈ বৃদ্ধাৱস্থাত মৃত্যু হয়। জীৱনৰ শেষ সময়লৈকে তেওঁ গান্ধী টুপী এৰা নাছিল।

স্বৰ্গীয় দীনাৰাম ঢেকিয়াল–পুলিবৰ নিবাসী ঢেকিয়ালৰ ১৯৪২ চনত ৬ মাহ কাৰাদণ্ড হয়। কাৰামুক্ত হৈ মহাত্মাজীৰ ৰচনাত্মক কামত অংশ গ্ৰহণ কৰে। স্বাধীনতাৰ পাছত স্বাধীন ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰিছিল। অকালতে মৃত্যু মুখত পৰে।

স্বৰ্গীয় ৰামেশ্বৰ বৰা–পুলিবৰত ঘৰ। ১৯৪২ চনৰ গণ আন্দোলনত ৬ মাহ কাৰাদণ্ড হয়। কাৰামুক্ত হৈ গঠনমূলক কামত আত্মনিয়োগ কৰে। দেশ স্বাধীন হোৱাৰ পিছত দৰ্জিৰ স্বাধীন ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰি পৰলোক হয়।

পৰতীয়া মৌজা

স্বৰ্গীয় কুশৰাম নেওঁগ : টিলিকিআম চাৰিঙীয়া গাঁৱৰ ১৯২১ চনৰ কৰ্মী। ১৯৩৩ চনৰ টিলিকিআম ৰায়ত সভাৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক আছিল। আজীৱন স্বাধীনতা আন্দোলনৰ ৰণুৱা হৈ থাকি বৃদ্ধাৱস্থাত মৃত্যু হয়।

স্বৰ্গীয় গোলাপ শৰ্মা : পৰতীয়া মৌজাৰ টিলিকিআম অঞ্চলত গোলাপ শৰ্মাৰ ঘৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আন্দোলনৰ পিছত চাকৰি কৰিছিল আৰু যোৰহাট নগৰৰ চোলাধৰা অঞ্চলত বসতি কৰিছিল। তেওঁ বৃদ্ধ অৱস্থাত মৃত্যু হয়।

স্বৰ্গীয় চন্দ্ৰকমল নেওঁগ : টিলিকিআম চাৰিঙ্গিয়া গাঁৱৰ ১৯২১ চনৰ মুক্তি যুঁজাৰু কুশৰাম নেওঁগৰ জেষ্ঠ্য পুত্ৰ। ১৯৪২ চনত দীৰ্ঘদিন কাৰাবাস খাটে - মুক্তি পাই কংগ্ৰেছৰ গঠনমূলক কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। অকালতে মৃত্যু হয়।

স্বৰ্গীয় ৰাম চন্দ্ৰ শৰ্মা : টিলিকিআম। জন্ম ১৯১৪, মৃত্যু ২৫-৩-১৯৮৮ চন। ১৯৩৩ চনত বহা অসম ৰায়ত সম্মিলনৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৩৫ চনত হৰিজন আন্দোলনত যোগদি নিজৰ মাটিতে এখন হৰিজন স্কুল সাজিছিল। ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত কেবাবাৰো গ্ৰেপ্তাৰ কৰি এৰি দিছিল। হৃদৰোগত আক্ৰান্তহৈ তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় যদুনাথ শৰ্মা : টিলিকিআম পৰ্ৱতীয়া মৌজা। ১৯২১ চনৰে পৰা নিঠাবান কংগ্ৰেছ কৰ্মী। টিলিকিআমত বহা অসম ৰায়ত সভাৰ অভ্যৰ্থনা সমিতিৰ এজন সক্ৰিয় কৰ্মী আছিল। চিৰকুমাৰ যদুনাথ শৰ্মাৰ ১৯৮২ চনত মৃত্যু হয়।

স্বৰ্গীয় ভোগদা দেৱী : পৰতীয়া মৌজাৰ টিলিকিআম অঞ্চলৰ ভোগদা দেৱী ১৯২১ চনৰ পৰা ১৯৩২ চনলৈকে প্ৰত্যেক স্বাধীনতা সংগ্ৰামত আত্মনিয়োগ কৰিছিল। তেওঁ যদুনাথ শৰ্মাৰ সম্বন্ধত ভনী আৰু বাল্য বিধবা আছিল। ১৯৭৯ চনত তেওঁৰ মৃত্যু হয়।

খণ্ডীয়া মৌজা

স্বৰ্গীয় ত্ৰয়োধৰ হাজৰিকা : খণ্ডীয়া মৌজাৰ টিলিকি আমৰ হুজত ঘৰ। ১৯২১ চনৰ কৰ্মী। ১৯৩৩ চনৰ অসম ৰায়ত সভাৰ প্ৰথম অধিবেশনৰ এজন উদ্যোক্তা। ৰায়ত কৃতকাৰ্য্যতাৰ পাছত তেখেতক 'হাজৰিকা' উপাধি অভ্যৰ্থনা সমিতিয়ে দান কৰে। ৯০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় কুলাই দাস : বৰহুজ গাওঁ দহোটীয়া। আন্দোলনত ১ মাহ জেল হয়।

স্বৰ্গীয় কানিৰাম দাস : বৰহুজ গাওঁ দহোটীয়া। আন্দোলনত ১ মাহ জেল হয়।

স্বৰ্গীয় গোলাপ শৰ্মা : এখেতৰ ঘৰ আছিল খণ্ডীয়া মৌজাৰ আজান গাঁৱত। ১৯২১ চনৰ আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী আছিল। ১৯৩৩ চনত যোৰহাটৰ টিলিকীআমত বহা অসম ৰায়ত সভাৰ অভ্যৰ্থনা সমিতিৰ এজন সক্ৰিয় কৰ্মী আছিল।

স্বৰ্গীয় প্ৰেমধৰ বৰুৱা : খণ্ডীয়া মৌজাৰ পকামূৰা অঞ্চলৰ এটা সম্ভ্ৰান্ত পৰিয়ালত বৰুৱা জন্ম হয়। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দি চাংছোৱা চাহবাগিচাৰ কৰ্মচাৰীৰ চাকৰি ত্যাগ কৰি স্বাধীনতা সংগ্ৰামত জপিয়াই পৰে।

তেখেতৰ অনুপ্ৰেৰণাত ভতিজাক শ্ৰীসৰ্বেশ্বৰ বৰদলৈ আৰু ভায়েক নগেন্দ্ৰনাথ বৰুৱাই মুক্তি সংগ্ৰামত যোগ দিয়ে। তেখেত আছিল খদ্দৰৰ ধুতি-পাঞ্জাবী আৰু বগা পাগুৰীৰে এজন সভাশুৱনী আৰু প্ৰভাৱশালী লোক। তেখেত জেললৈ যোৱা নাছিল যদিও ১৯৩০ চনৰে পৰা স্বাধীনতা আন্দোলনত যোগ্যতাৰে নেতৃত্ব দি আহিছিল। ১৯৩৪ চনৰ হৰিজন আন্দোলনত যোগ দিয়াৰ কাৰণে কেবাবছৰো সমাজচ্যুত হৈ আছিল।

স্বৰ্গীয় বজৌ চুতীয়া : ঘৰ খণ্ডীয়া মৌজাৰ টেকেলা গাঁৱত। ১৯২১ চনত সেই অঞ্চলৰ যিকেইজন মুষ্টিমেয় মানুহে আন্দোলনত যোগ দিছিল। সেইসকলৰ ভিতৰত বজৌ চুতীয়া অন্যতম। চাৰিকুৰি বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় লক্ষীধৰ নেওগ : খণ্ডীয়া মৌজাৰ পানাচকুৰা গাঁৱৰ এও

এজন নেতৃস্হানীয় লোক আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল। ১৯২২ চনত পশ্চিম যোৰহাটৰ আজান গাঁৱৰ পথাৰত এসপ্তাহজোৰা বিৰাট স্বৰাজ মেলা তেখেতে আয়োদন কৰিছিল।

স্বৰ্গীয় সুথিল শইকীয়া : ১৯২১ চনৰ অসহযোগ আন্দোলনত খণ্ডীয়া মৌজাৰ পকামূৰা অঞ্চলৰ পৰা সক্রিয়ভাৱে যোগ দিছিল। খাদী পোছাক আৰু গান্ধী টুপী পিন্ধা গুৰ যোগনীয়া গাঁৱৰ সেইকালৰ একমাত্র ভলণ্টিয়াৰ আছিল। ১৯৩৪ চনত মৃত্যু হয়।

স্বৰ্গীয় পদ্মনাথ শর্মা ভৰালী : খণ্ডীয়া মৌজাৰ পকামূৰা অঞ্চলৰ ঢেকেলীয়া গাঁৱত ঘৰ। ১৯৪২ চনৰ গণ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল। গঠনমূলক কামত আত্মনিয়োগ কৰি নিজৰ ঘৰতে এটি বয়ন শিল্প কেন্দ্র স্হাপন কৰি বহুতো যুৱক-যুৱতীক প্রশিক্ষণ দি জীৱিকাৰ পথ মুকলি কৰাত সাহায্য আগবঢ়াইছিল। ডেকা কালত যক্ষ্মা ৰোগত আক্রান্ত হৈ মৃত্যু বৰণ কৰে।

স্বৰ্গীয় বসন্ত কুমাৰ বৰুৱা : যোৰহাটৰ পকামূৰাত ঘৰ। ১৯৩৭ চনৰ পৰা যোৰহাট জিলা কংগ্রেছ কার্যালয়ত কোনো পাৰিতোষিক নোলোৱাকৈ কাম কৰিছিল। ১৯৩৭ আৰু ১৯৪৬ চনৰ সাধাৰণ নির্বাচনত কংগ্রেছৰ হকে অশেষ কষ্ট কৰিছিল। যক্ষ্মা ৰোগত আক্রান্ত হৈ তেওঁৰ মৃত্যু হয়।
এটি কন্যা আৰু তিনিটা পুত্র সন্তানেৰে বিধৰা পত্নী তেওঁ এৰি থৈ গৈছে।

স্বৰ্গীয় চতাই বৰা : পকামূৰা বেজগাওঁ, মৌজা খণ্ডীয়া। ১৯০০ চনৰ চ'ত মাহত জন্ম হোৱা বাবে পিতৃ যজ্ঞেৰাম বৰাই তেখেতৰ নাম 'চতাই' ৰাখে। সেই অঞ্চলত পঢ়াৰ সুবিধে নথকাত ৮ মাইল বাট খোজকাঢ়ি টাউন এম ই স্কুলত পঢ়িবলৈ লয়। প্রেমধৰ বৰুৱাৰ ঘৰৰ লগত ঘনিষ্ঠতাৰ কা�ৰণে বাতৰি কাকত, আলোচনীৰ লগত সম্পর্ক ৰাখে। এনে পূর্ব প্রস্তুতিৰে কংগ্রেছৰ চাৰিজনীয়া সভ্যহৈ গাওঁ সংগঠন আৰু অসহযোগ আন্দোলনৰ কামত ব্রতী হয়। নিজহাতে সূতা কাটি নিজৰ প্রয়োজনীয় কাপোৰ যোগাৰ কৰে। ১৯২১ চনৰ আন্দোলনত তেওঁৰ ৩ মাহ সশ্রম কাৰাদণ্ড হয়। যোৰহাট কাৰাগাৰত কর্মবীৰ নবীনচন্দ্র বৰদলৈ আৰু দেশভক্ত তৰুণৰাম ফুকনৰ লগত একেলগে আছিল বৰাৰ কাৰাগাৰৰ তাকৰীয়া ভাতে ভোক নপলোৱাত কর্মবীৰ আৰু দেশভক্ত ভাগৰ একো অংশ বৰাক দিছিল। মুক্তি পোৱাৰ পিছত তেখেতে আজীৱন কংগ্রেছৰ সেৱাত আত্মনিয়োগ কৰে। খদ্দৰৰ লগতে নিজে এড়ি পলু পুহি এৰি

কাপোৰ সহধর্মিনী আইকণ বৰাই বৈ কাটি লয়। বেজগাওঁ প্রাথমিক বিদ্যালয়ৰ বৰা প্রতিষ্ঠাতা শিক্ষক। প্রথম আঞ্চলিক পঞ্চায়তৰ সদস্য নির্বাচিত হৈ সমাজ উন্নয়নৰ কামত অবিহণা যোগায়। তেওঁ এজন নিপুণ অভিনেতা আছিল। বাঢ়ে কামৰ দক্ষতাৰে কুটীৰ শিল্পৰ উন্নতি সাধনৰ যত্ন কৰে। এসপ্তাহৰ অগা পিচাকৈ ১৯৭৬ চনৰ ৬ আহিনত বৰাৰ আৰু ১৩ আহিনত পত্নীৰ মৃত্যু হয়। পুত্র শ্রীনীলকান্ত বৰা এগৰাকী শিৰ্ক্ষক। পিতৃ চতাই বৰাৰ নামত উৎসর্গিত এখন মধ্য ইংৰাজী বিদ্যালয়ৰ সম্পূর্ণ ভূমি তেওঁ দান কৰে।

স্বর্গীয় মুখেশ্বৰ বৰুৱা : খণ্ডীয়া মৌজাৰ দহোটীয়া বৰুৱা গাঁৱৰ এজন কাৰাবাস খটা মুক্তি যোদ্ধা। গাওঁ সংগঠন আৰু স্বাধীনতা ৰণৰ ৰণুৱা বৰুৱাৰ অতি কম বয়সতে মৃত্যু হয়।

স্বর্গীয় লীলাকান্ত বৰা : ছ'ৰা ছোৱা টিলিকীআম, মৌজা খণ্ডীয়া। কাৰাবাস নখটাকৈ আটাইকেইটা স্বাধীনতা আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল। আজীৱন খদ্দৰৰ পোছাক আৰু গান্ধী টুপী পিন্ধিছিল। নাম-কীর্তনৰ পদ্ধতি আৰু গঠনমূলক কামৰ আঁচনিৰ কেইবাখনো কিতাপ নিজে লেখি প্রকাশ কৰিছিল। বৃদ্ধ বয়সত ৩৭ নং ৰাষ্ট্রীয় পথত এটা মটৰ দুর্ঘটনাত তেখেতৰ মৃত্যু হয়।

স্বর্গীয় বাবুলি বৰুৱা : খঙ্গিয়া মৌজাৰ পকামূৰা বৰুৱা গাৱঁৰ নিগাজী নিবাসী। পিতৃ কণ্ঠী বৰুৱা, মাতৃ ভূৰুকী। জন্ম ১৯১০ চন।

১৯৩০ চনৰে পৰা কংগ্রেছৰ সভ্য ভর্ত্তি, প্রচাৰ, সেৱাদল প্রশিক্ষণ আদিত অংশ গ্রহণ কৰাৰ উপৰিও কংগ্রেছৰ কর্মীক নিজ ঘৰত আশ্রয় দিয়ে। কাৰাবৰণ নকৰিলেও খঙ্গিয়া মৌজাৰ এজন অবিৰত সেৱাব্রতী কংগ্রেছ সেৱক। ১৯৬০ চনত মাত্র ৫০ বছৰ বয়সতে পৰলোক হয়।

স্বৰ্গীয়া বাসন্তী বৰদলৈ : খণ্ডীয়া মৌজাৰ পকামূৱাত ঘৰ। ভাৰত ত্যাগ আন্দোলনত এখেতে সক্রিয় অংশ গ্রহণ কৰিছিল। পানীচকুৱাৰ পৰা সাতমাইল-ঘাট শোভাযাত্রা কৰি কেইবাবাৰো যোৰহাটলৈ আহোতে পুলিচ আৰু মিলিটাৰীয়ে বাধা দিছিল। গাঁৱত ভাৰত ত্যাগ আন্দোলনৰ সভা সমিতি পাতি সংগঠন কৰিছিল।

তেওঁৰ স্বামী সুদীর্ঘ কাল জেলত থাকোতে মনোবল অটুত ৰাখিছিল। ঘৰৰ দায়িত্ব লৈ ঘৰ চলাইছিল। যোৰহাট জিলা মহিলা সমিতিৰ তিনিবছৰ সম্পাদিকা আছিল। আৰু অসম মহিলা সমিতি যোৰহাটত বহোতে অভ্যর্থনা সমিতিৰ সাধাৰণ সম্পাদিকা আছিল। কেইবাখনো মহিলা সভাত সুখ্যাতিৰে সভানেত্রীৰ দায়িত্ব পালন কৰিছিল। চৰকাৰৰ ক্ষুদ্র সঞ্চয় আচঁনিৰ এগৰাকী এজেন্ট আছিল ১৮৮৫ চনৰ এপ্রিল মাহত ৬৪ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।



স্বৰ্গীয় বংশী দত্ত : খণ্ডীয়া মৌজাৰ আজান গাঁৱৰ চৌকটা ঘৰৰ এজন উদীয়মান আৰু অক্লান্ত মুক্তিযোদ্ধা আছিল। ১৯৩৭ চনৰ প্রথম সাধাৰণ নির্বাচনত কংগ্রেছ প্রার্থী শ্রীদেৰেশ্বৰ শর্মাৰ পক্ষে দুৰ্বাৰ গতিত প্রচাৰ কার্য্য চলাইছিল।

তেওঁ এজন সুঠাম, সুশ্রী আৰু চালে চকুৰোৱা স্বাস্থ্যৰ ব্যক্তি আছিল। নির্বাচনৰ কঠোৰ পৰিশ্রমৰ পিছতে সন্নিপাত ৰোগত তেওঁৰ মৃত্যু হয়। স্থানীয় যুৱক সকলে তেওঁৰ স্মৃতিত পৰিয়ালৰ লোকে প্রদান কৰা এখন ফুটবল শিল্ড প্রতিযোগিতা প্রতিবছৰে অনুষ্ঠিত কৰে।



স্বৰ্গীয় গঙ্গাধৰ দত্ত : চৰাইবাহী মৌজাৰ কৰঙ্গা কমাৰ হাজৰিকা গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ কদম চন্দ্ৰ দত্ত, মাতৃ কুন্তেশ্বৰী। জন্ম ১৯১৪ চন। সমাজসেৱিকা মাতৃৰ পৰা শৈশৱ কালতে সমাজ সেৱাৰ প্ৰেৰণা লাভ কৰি ১৯৩২ চনৰে পৰা কংগ্ৰেছৰ সেৱাত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি আন্দোলনৰ সকলো কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰে। স্বাধীনোত্তৰ কালতো পঞ্চায়ত, সমবায় আন্দোলনত জড়িত হৈ আজীৱন গ্ৰামোন্নয়নত ব্ৰতী হয়। ৰাজ্যিক সম্মান পেঞ্চন পাঁচশ টকাকৈ দিয়া দিনৰে পৰা তেখেতে সেই স্বীকৃতি লাভ কৰে। ১৯৮৬ চনৰ ৬ এপ্ৰিল তাৰিখে ৭২ বছৰ বয়সত পৰলোক হয়।

স্বৰ্গীয় গুণ বৰুৱা–কৰঙা বৰুৱা গাঁৱৰ উদীয়মান ডেকা গুণ বৰুৱাৱ ১৯৪২ চনৰ গণ আন্দোলনত ছমাহ জেল হৈছিল। কাৰামুক্ত হৈ তেওঁ কংগ্রেছৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। অকালতে আকস্মিকভাৱে তেওঁৰ মৃত্যু হয়। সেই অঞ্চলৰ পৰা কাৰাদণ্ড হোৱা তেৱেঁই প্রথম আছিল।

স্বৰ্গীয় দধি মহন্ত–অসম ছাত্র সম্মিলনৰ সংগঠক , ছাত্রালোচনী 'মিলনৰ' সম্পাদক, ইংৰাজ সাম্রাজ্যবাদ বিৰোধী জাতীয় মুক্তি সংগ্রামৰ আপোচহীন সৈনিক, শ্রমিক শ্রেণী, কৃষক জনগণ আৰু সমুদায় শ্রমজীবী জনগণৰ সামাজিক মুক্তিৰ বিপ্লবী ভাবাদর্শৰ আজীৱন সাধক আছিল দধি মহন্ত।

অসমত কমিউনিষ্ট আন্দোলনৰ বাটকটীয়া সকলৰ অন্যতম কমিউনিষ্ট পাটীৰ মুখপত্র নতুন অসম, জনমত কাকতৰ প্রতিষ্ঠাপক সম্পাদক মণ্ডলীৰ অন্যতম, প্রগতিবাদী লেখক, প্রগতিশীল শিল্পী সাহিত্যিক সংঘৰ উদ্যোক্তা সকলৰ এজনো আছিল দধি মহন্ত । দধি মহন্তৰ জন্ম হৈছিল ১৯১৪ চনৰ বহাগত। আকস্মিক ভাৱে আমি হেৰুৱালো ৩১ - ১ - ৮৭ তাৰিখে। মহন্তই ছাত্রাৱস্থাৰ পৰা আধা শতিকা জুৰি গণ মুক্তি আৰু সমাজ ৰূপান্তৰৰ বিপ্লবী ভাবাদর্শত অবিচল আছিল। জীৱনৰ সৃষ্টিশীল সমুদায় প্রতিভা সমাজ জীৱনৰ সকলো পদক্ষেপত নিয়োগ কৰি দধি মহন্ত এজন ব্যক্তি হৈয়ো এটি অনুপম গণ প্রতিষ্ঠান ৰূপে বিবেচিত হৈছিল।

স্বৰ্গীয় চিদানন্দ হাজৰিকা : কাটনি মৌজাৰ কৰঙ্গা বৰুৱা গাঁৱৰ স্থায়ী বাসিন্দা। পূৰ্ব্বৰ ঘৰ দেৰগাঁৱৰ জেলেহুৱা গাঁৱৰ পৰা স্বাধীনতা সংগ্রামত বিশিষ্ট অংশ লয় । পিতৃ হৰনাথ হাজৰিকা। জন্ম ১৯১৭ চন। কানি নিবাৰণ অভিযানত অংশ গ্রহণ কৰি সংগ্রামত লিপ্ত হয়। ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত ৭ মাহ কাৰাদণ্ড হৈ গোলাঘাট কাৰাগাৰত থাকিলেও আটক বন্দী কৰি চিলেট কাৰাগাৰলৈ স্থানান্তৰ কৰে। মুঠ কাৰাবাস আঁঢ়ৈ বছৰ। চিনামৰা মাধ্যমিক বিদ্যালয়ৰ শিক্ষকতাৰে

জীৱন আৰম্ভ কৰে, কাৰামুক্তিৰ পাচত কৰেল পঞ্চায়ত প্ৰৱৰ্ত্তনৰ লগে লগে সম্পাদকৰ দায়িত্ব লয়। যোৰহাট লোকেল বৰ্ডৰ সদস্য হৈ ৯খন বিভিন্ন পৰ্য্যায়ৰ বিদ্যালয়ৰ প্ৰতিষ্ঠাতা। এজন অবিৰত সমাজসংগঠক। পঞ্চাশ বছৰ নৌহওঁতেই জীৱনাৱসান হয়। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সম্মান পেঞ্চন পাইছিল।



স্বৰ্গীয় ত্ৰৈলোকেশ্বৰ শইকীয়া : যোৰহাট জিলাৰ পুৰণা তিতাবৰ অঞ্চলত ১৯২৫ চনত শইকীয়াৰ জন্ম হয়। ছাত্ৰ অৱস্থাতে ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। মিলিটেৰীৰ খাদ্য সামগ্ৰী যোগনত বাধা দি পিকেটিং কৰাত পুলিচে গ্ৰেপ্তাৰ কৰি জেললৈ পঠায়। উল্লেখযোগ্য যে জেষ্ঠ ভাতৃ প্ৰয়াত চন্দ্ৰেশ্বৰ শইকীয়া আৰু মাজুককায়েক শ্ৰীযুত ভুৱনেশ্বৰ শইকীয়াইও আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবাস খাটে।

শইকীয়াই কাৰাগাৰৰ পৰা ওলাই আহি শিক্ষা সাং কৰি বেলৰে বিভাগত চাকৰি কৰে। অৱসৰ পোৱাৰ পিছতে ৬২ বছৰ বয়সত ১৯৮৭ চনত মৃত্যু বৰণ কৰে।

স্বৰ্গীয় পানীৰাম দুৱৰা : তিতাবৰ মৌজাৰ পুৰণা তিতাবৰ পানীৰা দুৱৰাৰ ঘৰ। ৪২ চনৰ গণ আন্দোলনত তেখেতে বহুদিন যোৰহাট জেলত আৱদ্ধ হৈ আছিল। জেললৈ যোৱাৰ আগতেই তেখেতৰ বিয়া হৈছিল আৰু প্ৰথম সন্তানৰ জন্ম হৈছিল। তেখেতৰ ঘৰৰ সম্মুখতে তিতাবৰ কংগ্ৰেছৰ অফিচ আছিল বৃদ্ধ অৱস্থা নাপাওঁতেই পানীৰাম দুৱৰাৰ মৃত্যু হয়।

স্বৰ্গীয় বকুল চন্দ্ৰ বৰদলৈ : ১৯২২ চনত জন্ম। ১৯৪৪ চনত প্ৰবেশিকা, ১৯৫৫ চনত আই, এ আৰু ১৯৬৭ চনত স্নাতক হয়। জন্মস্থান যোৰহাটৰ ন আলি ঢেকিয়জুলিৰে তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত শিক্ষকতা কৰি ১৯৪৮ চনত অৱসৰ লয়। স্কুলীয়া অৱস্থাতে ১৯৪২ ৰ গণ আন্দোলনত যোগদান কৰি কাৰা বৰণ কৰে।



স্বৰ্গীয় ৰমেশ চন্দ্ৰ বৰুৱা : দেশনেতা কুলধৰ চলিহাৰ সৈতে ন আলি ঢেকিয়াজুলি ১৯৩২ চনৰ পৰাই বৰুৱাই দেশৰ মুক্তি সংগ্ৰামত জপিয়াই ঢেকিয়াজুলিত যোৰহাট জিলাৰ ৰাষ্ট্ৰীয় সম্মিলন সফল কৰি তোলাত এই মুক্তিযোদ্ধা গৰাকীৰ ৰৰঙণি বিশেষভাৱে উল্লেখযোগ্য।

স্বৰ্গীয় খিৰেশ্বৰ চাৰিঙীয়া ৰৰদলৈ–১৯৩০ চনৰ পৰা ১৯৪২ চন পৰ্যন্ত কংগ্ৰেছৰ গঠনমূলক কামত আত্মনিয়োগ কৰা ৰৰদলৈয়ে ন আলি ঢেকিয়াজুলিত পতা ৰাষ্ট্ৰীয় সম্মিলনত দেশনেতা কুলধৰ চলিহাক সহায় কৰিছিল। তেওঁ এজন প্ৰসিদ্ধ স্বৰ্ণশিল্পী হিচাবে জনাজাত আছিল। ১৯৭২ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় যদুনাথ দাস–তিতাবৰ মৌজাৰ তিতাবৰ হাইস্কুলৰ কাষত যদুনাথ দাসৰ ঘৰ। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পিছত তিতাবৰ অঞ্চলত এজন কমিউনিষ্ট নেতা হিচাবে প্ৰখ্যাত হৈছিল যদিও কংগ্ৰেছ কৰ্মীসকলৰ লগত সহযোগেৰে চলিছিল আৰু কোনো কাৰণত তেওঁ নিজৰ আদৰ্শৰ পৰা বিচ্যুত হোৱা নাছিল। ১৯৮৪ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় কেৰ্কেটুৰা চুতীয়া–লোকাং বেবেজীয়া তিতাবৰ। ১৯২২ চনত তিতাবৰত ৬ মাহ জেল হয়। ৯/২/২৩ চনত মুক্তি পায়।

স্বৰ্গীয় ঘনশ্যাম দত্ত– তিতাবৰ চাৰি আলিত দত্তৰ ঘৰ। ১৯২১ চনৰ পৰা ১৯৩২ চনলৈকে তেখেতে তিতাবৰ অঞ্চলত সক্ৰিয়ভাৱে কংগ্ৰেছৰ কাম কৰিছিল। মৃত্যু হৈছে যদিও তিতাবৰ অঞ্চলত তেখেতৰ সক্ৰিয়তা এতিয়াও আছে।

স্বৰ্গীয় বাপিৰাম গোহাঁই–গোহাঁই গাওঁ, তিতাবৰ। ১৯২২ চনত ৩ মাহ জেল হয়। ৭/১০/২২ ত মুক্তি পায়।

স্বৰ্গীয় বেণুধৰ বাঘৰৱা–বঙহাৰচুক চুঙ্গি। ১৯২১ চনত পিকেটিঙত অংশ গ্ৰহণ কৰে।

স্বৰ্গীয় বুদুৰাম বাৰিক–বুদুৰাম বাৰিকৰ ঘৰ ৰৰহোলাৰ নেঘেৰি গাৱঁত। তেওঁ অঞ্চলটোৰ এজন নেতৃস্হানীয় লোক আছিল। তেখেত জেললৈ যোৱা নাছিল যদিও স্বাধীনতা সংগ্ৰামৰ এজন সক্ৰিয় কৰ্মী আছিল। বাৰিক সমবায় আন্দোলনৰ এজন সক্ৰিয় কৰ্মীও আছিল।

স্বৰ্গীয় ৰত্নেশ্বৰ শইকীয়া–তিতাবৰ মৌজাৰ তিতাবৰ অঞ্চলত ধোদৰ আলিৰ কাষত ৰত্নেশ্বৰ শইকীয়াৰ ঘৰ। ১৯২২ চনৰ অসহযোগ আন্দোলনত তেওঁ সক্ৰিয়ভাৱে কাম কৰিছিল আৰু পুলিচে গ্ৰেপ্তাৰ কৰিছিল। ১৯৩০ - ৩২ চনৰ আন্দোলনতো শইকীয়াই যোগদান কৰিছিল। তিতাবৰ অঞ্চলত কংগ্ৰেছৰ কাম কৰিবলৈ গ'লে কৰ্মীসকলে তেখেতৰ ঘৰতে আশ্ৰয় লৈছিল।

স্বৰ্গীয় পদ্ম বৰুৱা–ন আলি ঢেকিয়াজুলিৰ বুৰুক বৰুৱা গাওঁ নিবাসী বৰুৱাই ১৯৪২ চনত ৬ মাহু কাৰাবাস খাটে। ১৯৫০ চনৰ পৰা মৃত্যুৰ সময়লৈকে নাম ধৰ্ম প্ৰচাৰত একনিষ্ঠ ভাৱে আত্মনিয়োগ কৰিছিল।

ঠেঙ্গাল

স্বৰ্গীয় কণৰাম কছাৰী : ঠেঙ্গাল মৌজাৰ জালুকনিবাৰী বালিজান গাৱঁত ঘৰ। স্বাধীনতা আন্দোলনত আত্ম নিয়োগ কৰি যোৰহাটৰ এজন নেতৃস্হানীয় মুক্তিযোদ্ধা হিচাবে পৰিগণিত হয়। ১৯৪১ চনত দুৱৰা সত্যাগ্রহ কৰে। ৪২ চনৰ গণ আন্দোলনত তেওঁ বহুত দিন পলাতক হৈ শত্রুৰ বৰুৱাৰ নির্দেশ মতে সংগ্রাম চলাইছিল। তেওঁ যোৰহাট লোকেল বোর্ডৰ সদস্য আছিল। উজনী অসম-কংগ্রেছৰ সম্পাদক আছিল। ১৯৭৮ চনত মৃত্যু হয়।

স্বৰ্গীয় ৰত্নেশ্বৰ শর্মা আৰু ইন্দ্রেশ্বৰ ৰৰমেধি–ৰত্নেশ্বৰ শর্মা আৰু ইন্দ্রেশ্বৰ ৰৰমেধি যদিও দুঘৰৰ দুজন, বাস্তৱ ক্ষেত্রত সহোদৰ ভাই-ককাইৰ দৰে। ইজন আনজনৰ পৰিপূৰক। সেই কাৰণে দুয়োজনৰ স্মৃতি স্বাধীনতা আন্দোলনৰ দিনতে নহয় স্বাধীনোত্তৰ কালতো যুগ্মভাৱে উচ্চাৰিত হয়। দুয়োজনৰে ঘৰ যোৰহাটৰ দক্ষিণ-পশ্চিম ফালে অৱস্হিত চুঙী অঞ্চলৰ ঠেঙ্গাল মৌজাত। শর্মাৰ মলীয়াগাৱঁত আৰু ৰৰমেধিৰ ঘৰ তামোলবাৰী গাৱঁত। দুয়োঘৰৰে ব্যৱধান পোন বাটেদি এক কিলোমিটাৰ। বয়সত দুয়োজন সমসাময়িক। জন্মৰ সঠিক তাৰিখ জনা নাযায় যদিও ১৯২১ চনত উভয়ৰে বয়স দুকুৰিৰ ওপৰ আছিল। পার্থক্য এটা দিশতে আছিল - শর্মা দুখীয়া কংগ্রেছ কর্মী; ৰৰমেধি আউনিআটী সত্রৰ ঠেঙ্গাল চহৰৰ ৰৰমেধি স্বচ্ছল অৱস্হাৰ নামজ্বলা সত্রৰ ডাঙৰ বিষয় পোৱা প্রতাপী লোক। ৰৰমেধিক কংগ্রেছলৈ অনাটো শর্মাৰ কৃতিত্ব। উভয়ৰে আপ্রাণ চেষ্টাত সমগ্র ঠেঙ্গাল মৌজাৰ লোকে কংগ্রেছত যোগ দিলে। শর্মাই ১৯২০ চনত কংগ্রেছত যোগ দি ১৯২১ চনত কাৰাৰুদ্ধ হ'ল। তেতিয়াৰ পৰাই মূৰত গান্ধীটুপী আৰু হাতে কটা সূতাৰ খাদী কাপোৰ পিন্ধি তেওঁৰ চিৰ লগৰী চাইকেলখনেৰে কংগ্রেছৰ সংগঠনৰ কাম কৰিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত যোৰহাটৰ বিষ্ণুৰাম বৰুৱা হলৰ সম্মুখত জাতীয় পতাকা উত্তোলন কৰিবলৈ অহা মুষ্টিমেয় কংগ্রেছ কর্মীৰ ভিতৰত তেওঁ এজন আছিল।

শর্মা আৰু ৰৰমেধি দুয়োজনেই কংগ্রেছৰ বিৰাট শক্তি আছিল। এই দুজন পুৰুষৰ আশাগুধীয়া প্রচেষ্টাত চুঙীত প্রতি বছৰে একোখন স্বৰাজ মেলা পয়োভৰেৰে অনুষ্ঠিত হৈছিল। এই মেলাত মুকলি অধিবেশন, মহিলা সমিতি, যুৱক সম্মিলন আদি পৃথকে পৃথকে হৈছিল আৰু ৰাতিলৈ জাক-জমকভাৱে ভাওনা পাতিছিল। এই স্বৰাজ মেলা ইমান ডাঙৰকৈ পাতিছিল যে ইয়াৰ পয়োভৰ আৰু সমাৰোহ দেখি পানবাৰী মৌজাৰ ইংৰাজ মেনেজাৰজনেও যোগ দিছিল। আনকি তেওঁ সা-সঁজুলি আৰু টকা পইচাৰেও সহায় কৰিছিল। সেই সময়ত যোৰহাট কংগ্রেছৰ আটাইতকৈ শক্তিশালী কর্মীৰ দল ঠেঙালতে আছিল। ১৯৩০ চনৰ আন্দোলনত চুঙীৰ কংগ্রেছ ডাঙৰ শক্তি আছিল।

স্বৰ্গীয় হেমধৰ হাজৰিকা : ঠেঙাল মৌজাৰ জালুকনিবাৰী বালিজান গাঁৱৰ নিগাজী নিবাসী আছিল। ১৯১০ চনত জন্ম গ্ৰহণ কৰি ১৯৮২ চনত পৰলোক হয়। জীৱন কাল ৭২ বছৰ। পিতৃ যজ্ঞেৰাম হাজৰিকা। ১৯৩০ চনত স্বাধীনতা সংগ্ৰামত যোগ দি ১৯৩২ চনত স্বেচ্ছাসেৱকৰ তালিকাভুক্ত হয়। মহাত্মা গান্ধীৰ গঠনমূলক কামত আত্মনিয়োগ কৰি ১৯৩৮ চনত জিলা কংগ্ৰেছৰ সদস্য হয়।

১৯৪২ চনত শঙ্কৰ চন্দ্ৰ বৰুৱাৰ লগ লাগি উজনি অসম কংগ্ৰেছ গঠন কৰি ভাদৈ বুটীৰ ঘৰতে কার্য্যালয় স্থাপন কৰে। শেহলৈকে আন্দোলন জীয়াই ৰখাত হাজৰিকাৰ ৰণডণি অতুলনীয়। এখেতে আত্মোৎসর্গ কৰি স্বাধীনতা আন্দোলনত উৎসর্গিত জীৱন-যাপন কৰিয়েই মৃত্যুৰ মুখত পৰে। আত্মগোপনৰ সময়ত অশেষ নির্য্যাতন ভুগিব লগা হয়।

স্বৰ্গীয়া সেউতী চাংমাই : তিতাবৰ ঠেঙাল মৌজাৰ ৰতনপুৰৰ প্ৰবীণ মুক্তি যুঁজাক শ্ৰীতিলেশ্বৰ চাংমাইৰ সহধর্মীনী। কাটনি মৌজাৰ কাটনি গাঁৱৰ ১৯২১ চনৰ মুক্তি যোদ্ধা স্বৰ্গীয় বগাৰাম গৈগৈৰ ৰৰ জীয়ৰী। জন্ম ১৯২৩ চন।

১৯৪২ ৰ গণ বিপ্লৱত সংগ্ৰামৰ সমগ্ৰ সময় আত্মগোপন কৰা স্বামীৰ অবিহনত ঘৰখনত আৰক্ষীৰ অত্যাচাৰৰ সাহসেৰে সন্মুখীন হৈ অবিচলিত আছিল। পিতৃ আৰ পতিগৃহ উভয়তে আন্দোলনৰ পৰিবেশে চাংমাইক সংগ্ৰামী স্বৰূপে গঢ়ি তুলিছিল। অকালতে মৃত্যুক সাৱতি ললে।

স্বৰ্গীয় কমলা হাজৰিকা : তিতাবৰ ঠেঙাল মৌজাৰ জালুকনিৰ বাসিন্দা আছিল। তেখেতৰ ঘৰখন বিয়ালিছৰ বিপ্লৱত আত্মগোপন কৰাসকলৰ ঘাটী

আছিল। মাজুলীৰ সত্ৰ সমূহত শ্ৰীমোহন চন্দ্ৰ গোস্বামীৰ লগত গৈ বিপ্লৱৰ প্ৰচাৰ কাৰ্য্য চলাইছিল। নিজেও আত্মগোপন কৰি শঙ্কৰ চন্দ্ৰ বৰুৱাৰ নেতৃত্বত কাম কৰিছিল।

১৯২৪ চনতে জন্মগ্ৰহণ কৰা প্ৰয়াত হাজৰিকাৰ পিতৃ মুক্তি যুঁজাকু নলুৱা মেধী।

স্বৰ্গীয় নন্দেশ্বৰ বৰগোঁহাই : এইজন প্ৰবীণ মুক্তি যুঁজাকু স্থানীয় ভাৱে কেৱা গোঁহাই বা মেম্বৰ নামেৰে জনাজাত আছিল। গোলাঘাটৰ কাকডোঙা মৌজাৰ চাবুকধৰা নপমুৱা গাঁৱৰ বাসিন্দ হ'লেও স্বাধীনতা আন্দোলনত নিজৰ কৰ্মস্থলী যোৰহাটৰ চুঙি অঞ্চলত আছিল। পিতৃ দীননাথ বৰগোঁহাই, মাতৃ কপাহী। জন্ম ১৮৮৯ চন, মৃত্যু ১৯৪৫ চন।

১৯৩০ চনত চুঙিত অনুষ্ঠিত স্বৰাজ মেলাৰ এজন সক্ৰিয় কৰ্মী। ঠেঙ্গাল মৌজাৰ আন্দোলনৰ আৰু কংগ্ৰেছৰ কৰ্ণদাৰ ৰত্নেশ্বৰ শৰ্মা আৰু ইন্দ্ৰেশ্বৰ বৰমেধিৰ সদা-সৰ্ব্বদা সহযোগী থকাৰ উপৰিও ৰোহিণীকান্ত হাতীবৰুৱাৰ প্ৰেৰণাত মৃত্যুৰ আগমুহূৰ্তলৈকে আন্দোলনৰ কামত ব্ৰতী আছিল। মাত্ৰ ৫৬ বছৰ বয়সত অকালতে জীৱনৰ যবনিকা পৰে। জীৱনযোৰা সংগ্ৰামৰ অন্তত স্বাধীনতা লাভৰ সোৱাদ নোপোৱাকৈয়ে পৰলোক হয়।



স্বৰ্গীয় নোমল সোণোৱাল : নোমল সোণোৱাল এজন সহযোগী কৰ্মী আছিল। গান্ধীজীৰ আদৰ্শত অটল বিশ্বাসী সোণোৱালে সদায় টাকুৰীত সূতা কাটি [illegible] নিজে কটা সূতাৰেহে কাপোৰ [illegible] সকলোৰে বিশ্বাস ভাজন সোণোৱাল ৪২ [illegible] আন্দোলনত বহুদিন যোৰহাট জেলত আবদ্ধ হৈ আছিল। অঞ্চলটোৰ মহিলা কৰ্মীসকলৰ অভিভাৱক স্বৰূপ আছিল।

স্বৰ্গীয় গুণাৰাম ৰৱৰকৰা : গুণাৰাম ৰৱৰকৰাৰ নিবাস তিতাবৰ বিৰিণাশায়েক, মৌজা আমগুৰি খৰিকটীয়া। পিতৃৰ নাম উম্বৰুধৰ। জন্ম ১৯০২ চন। ৰৱৰকৰা ১৯৩০ চনৰ পৰা জাতীয় কংগ্ৰেছৰ কৰ্মী আছিল। ১৯৪২ চনৰ গণ বিপ্লৱত সহযোগ কৰি তেখেতে গাৱেঁ গাৱেঁ ভ্ৰমণ কৰি আন্দোলন প্ৰচাৰ কৰাত অংশ গ্ৰহণ কৰিছিল।

ছৈয়দবাৰী চাহ বাগিচাৰ ছাৰ ছাদুল্লা চাহাবৰ ঘৰ জ্বলোৱাৰ অভিযোগত তেখেতে ছমাহ কাৰাদণ্ড ভোগে।

যোৱা ১৯৮৩ চনত তেখেতৰ মৃত্যু হয়। ৰৱৰকৰাই কেন্দ্ৰীয় চৰকাৰৰ মুক্তি যুজাঁকৰ পেঞ্চন লাভ কৰিছিল।

স্বৰ্গীয় থোলাই ভূঞা–তিতাবৰৰ বিৰণাশায়েক গাৱঁৰ (আমগুৰি খৰিকটীয়া মৌজা) থোলাই ভূঞাৰ জন্ম হয় ১৮৯৮ চনত। তেখেতৰ পিতৃৰ নাম ফনীধৰ ভূঞা (ওৰফে ফোপাই) আৰু মাতৃৰ নাম ৰূপহী আছিল।

মৃত ভূঞা এজন নাম থকা বায়ন আছিল আৰু অসমী মহাপুৰুষীয়া নাট বাদ্য, নাচ আদিত পাৰদৰ্শিতা আছিল।

১৯২১ চনৰ পৰা স্বাধীনতা আন্দোলনৰ বাণী বহন কৰি অহা ভূএগাই ১৯৪২ চনৰ আন্দোলনত ছৈয়দবাৰী বাগানৰ ছাদুল্লা চাহাবৰ ঘৰ জ্বলোৱা অভিযোগত ছমাহ কাৰাবাস খাটে। ১৯৭৩ চনত ৭৫ বছৰ বয়সত মৃত্যু হয়। তেখেতে ৰাজ্য চৰকাৰৰ মুক্তি যুজাঁক পেঞ্চন লাভ কৰিছিল।



স্বৰ্গীয় ভূৰন চন্দ্ৰ ৰাজখোৱা : (আমগুৰি খৰিকটীয়া) ভূৰন চন্দ্ৰ ৰাজখোৱাৰ ঘৰ আমগুৰিৰ খৰিকটীয়া মৌজাৰ বিৰিণাশায়েকত। তেখেতৰ পিতৃৰ নাম লীলাসেন ৰাজখোৱা আৰু মাতৃৰ নাম ফুলেশ্বৰী ৰাজখোৱা।

ৰাজখোৱা স্বাধীনতা যুদ্ধৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ গণ আন্দোলনত সেই সময়ৰ অসমৰ মুখ্য মন্ত্ৰী চাৰ ছৈয়দ ছাদুল্লাৰ বণ্ডলাত জুই জ্বলোৱা অভিযোগত অভিযুক্ত হোৱাত তেখেতৰ ঘৰৰ পৰা পাইকাৰী জৰিমনা আদায় কৰা হৈছিল। সেই অভিযোগতে তেখেতে ছমাহ কাৰাদণ্ড ভোগ কৰে। ৬২ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

তেখেত এজন শিক্ষক আছিল। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুক্তি যুজাঁক পেঞ্চন লাভ কৰিছিল।

স্বৰ্গীয় ভূৰন সোণোৱাল–ৰৰহোলা, নেঘেৰি গাওঁ। ১৯২১ - ৩০ আৰু ৩২ চনৰ আন্দোলনৰ কৰ্মী।

স্বৰ্গীয় ৰূপেশ্বৰ পাঠক–ৰৰহোলা অঞ্চলৰ ৰূপেশ্বৰ পাঠক এজন নেতা আছিল। ৰৰহোলা অঞ্চলত নগা সকলে ৰাইজৰ মাজত উৎপীড়ন চলোৱাৰ প্ৰতিবাদ কৰোঁতে ৰূপেশ্বৰ পাঠকে এটা লাঠিয়াল যুৱকৰ দল সংগঠন কৰে। এই যুৱক সকলক উপযুক্ত ভাৱে লাঠি ব্যৱহাৰ কৰিবলৈ এজন উপযুক্ত প্ৰশিক্ষকৰ হাতুৰাই প্ৰশিক্ষণ দিয়া হৈছিল। দক্ষিণ হেঙেৰা হাটলৈ গৰু কিনিবলৈ বহুত নগা লোকৰ সমাগম হৈছিল। এই প্ৰশিক্ষণ প্ৰাপ্ত যুৱক সকল ৰূপেশ্বৰ পাঠকৰ নেতৃত্বত এখন বাহুত গৈ দক্ষিণ হেঙেৰা হাটত নগা সকলক আক্ৰমণ কৰে। গোলাঘাটৰ পুলিচে বাহুত থকা সকলো কৰ্মীকে গ্ৰেপ্তাৰ কৰি গোলাঘাট জেলত সুমুৱাই থয়। পাঠকে সকলো যুৱকক

নাখাবলৈ অনুমতি দি "স্বৰাজৰ দলত মই একো নাখাওঁ" বুলি তিনি দিন অনশন কৰি থকাৰ পিছত গোলাঘাট জেলৰ পৰা সকলোকে মুক্তি দিয়ে। তাৰ পিছৰ পৰাই ৰৰহোলা অঞ্চলত নগাৰ উৎপাত নাইকিয়া হয় ।

পাঠকে মৰিয়নী হাইস্কুল, মৰিয়নী কলেজ আৰু কেইটামান জলসিঞ্চন প্ৰকল্পত উদাৰ মনেৰে আৰু মুক্ত হস্তেৰে দান ৰৰঙণি আগবঢ়ায়। তেখেতৰ বৃদ্ধ বয়সত স্থানীয় ৰাইজে তেখেতক জাক-জমকেৰে শোভাযাত্ৰা কৰি আনি ৰৰহোলা হাইস্কুল প্ৰাঙ্গণত এখন বিৰাট ৰাজহুৱা সভা পাতি সম্বৰ্দ্ধনা জনায়। ৮৫ বছৰ বয়সত ১৯৮৫ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় ৰামচন্দ্ৰ সোণোৱাল–আমগুৰি খৰিকটীয়া মৌজাৰ সেই সময়ত অতি পিছপৰা অঞ্চল ৰৰহোলাৰ নেঘেৰি গাৱঁত ৰামচন্দ্ৰ সোণোৱালৰ ঘৰ। স্বাধীনতা আন্দোলনৰ এজন অতি নিষ্ঠাবান আৰু সক্ৰিয় কৰ্মী আছিল। তেখেতে ৰৰহোলা অঞ্চলত এখন আশ্ৰম স্থাপন কৰিছিল। কিন্তু ৰৰহোলা অঞ্চলত স্বাধীনতা সংগ্ৰামত প্ৰথমে কামকৰা কৰ্মী হিচাবে তেখেতৰ নাম এতিয়াও সকলোৱে জানে।



স্বৰ্গীয় ঘন কান্ত ভূঞা : তিতাবৰ মাজগাঁৱৰ (আমগুৰি খৰিকটীয়া মৌজাৰ) ঘন কান্ত ভূঞা পিতৃ খৰ্গেশ্বৰ ভূঞা, মাতৃৰ নাম আইকন ভূঞা, জন্মচন ১৯২৪। ভূঞা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। ৰেল লাইন তোলা অভিযোগত তেখেতক গ্ৰেপ্তাৰ কৰা হয় আৰু সাতমাহতকৈ অধিক কাল আটকবন্দী স্বৰূপে কাৰাগাৰত ৰখা হয়। অসম চৰকাৰৰ ডেপুটি চেক্ৰেটৰীৰ পদত থকা অৱস্থাতে ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

তেখেতে কেন্দ্ৰীয় চৰকাৰৰ মুক্তিযোদ্ধা পেঞ্চন লাভ কৰিছিল।

স্বৰ্গীয় পূৰ্ণকান্ত সন্দিকৈ–বিৰিণাপাৰৈক গাওঁ, ১৯২১, ৩০ আৰু ৩২ চনৰ আন্দোলনত যোগ দিয়ে।



স্বৰ্গীয় খোলাই শইকীয়া :- আমগুৰি খৰিকটীয়া মৌজাৰ বিৰিনাশায়েক গাৱঁৰ নিগাজী নিবাসী। জন্ম ১৮৯৭ চনৰ ২৩ বহাগ।

১৯২১ চনৰ অহিংস অসহযোগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰা মুক্তি যুঁজাৰু। ১৯৪০ চনৰ এজন সত্যাগ্রহী। ১৯৪২ চনৰ গণআন্দোলনত সেই সময়ৰ অসমৰ প্রধান মন্ত্রী ছাৰ চাদুল্লা চাহাবৰ চৈয়দবাৰী বাসগৃহ দাহ কৰা প্রধান অপৰাধীৰ অভিযোগত ১৫-১১-৪২ তাৰিখে গ্রেপ্তাৰ কৰি পাচত আটক বন্দী হিচাবে যোৰহাট কাৰাগাৰত কাৰাৰুদ্ধ কৰে।

শইকীয়াৰ দোকানৰ পৰা প্রায় এহেজাৰ টকাৰ সামগ্রী বাজেয়াপ্ত কৰে। কাৰাৰুদ্ধ অৱস্থাতে ৫০০ টকাৰ পাইকাৰী জৰিমনা অনাদায়ৰ অপৰাধত প্রায় দুইহাজাৰ টকাৰ সা-সম্পত্তি, পৰিবাৰৰ সোণৰ গহনা বাজেয়াপ্ত কৰাৰ উপৰিও ডেড় মাহ কাৰাদণ্ড দিয়ে। মুঠ ১১ মাহ ১৫ দিন কাৰাৰুদ্ধ হয়।

৯-৭-৫৫ তাৰিখে ৫৮ বছৰ বয়সত শইকীয়া স্বৰ্গী হয়।

স্বৰ্গীয় গোপাল চন্দ্র দত্ত–গোপাল চন্দ্র দত্তৰ ঘৰ তিতাবৰ বিৰণাশায়েক মৌজা আমগুৰি খৰিকটীয়া।

মৃত দত্তই ১৯৪২ চনৰ গণ বিপ্লবত অংশ গ্রহণ কৰি পিকেটিং, প্রচাৰ আদি কৰিছিল। ছৈয়দবাৰী বাগানৰ ছাদুল্লা চাহাবৰ ঘৰ জ্বলোৱাৰ অভিযোগত অভিযুক্ত হৈ তেখেতে ছমাহ কাৰাদণ্ড ভোগে। তেখেতে ৰাজ্য চৰকাৰৰ মুক্তি যুজাঁৰু পেঞ্চন লাভ কৰিছে।



স্বৰ্গীয় উমাৰাম শইকীয়া : মাজুলীৰ গড়মূৰ সত্ৰত স্থায়ী ঘৰ। জন্ম ১৯০৪ চনত। স্বাধীনতা আন্দোলনৰ মাজুলীৰ নেতৃস্থানীয় কৰ্মী। ১ম বাৰ ৩ মাহ, ২য় বাৰ ৪ মাহ ধৰি সৰ্বমুঠ ২১ মাহ কাৰাবাস খাটে। ৮৬ বছৰ বয়সত ১৮-৯-৮৯ তাৰিখে পৰলোক হয়।

স্বৰ্গীয় কেশৱৰাম ৰৰা : শালমৰা মৌজাৰ শালমৰা গাঁৱত জন্ম গ্ৰহণ কৰে। ১৯২১ চনত ভাৰতৰ মুক্তি যুঁজত অংশগ্ৰহণ কৰি ছমাহ কাৰাদণ্ড ভোগ কৰে। কেশৱৰাম ৰৰাই বি। এচ. ছি. পাছ কৰি মাজুলীত প্ৰথম শিক্ষাৰ পোহৰ পেলায়। ইংৰাজ চৰকাৰে পুলিচৰ দাৰোগা চাকৰিত মকৰল কৰা সত্বেও সেই চাকৰি প্ৰত্যাখ্যান কৰি শালমৰা গাঁৱৰ পৰা কমলাবাৰীলৈ উঠি আহি উচ্চ ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰে, লগতে মাজুলীত কমন হল নাম দি এটি ৰঙ্গমঞ্চও প্ৰতিষ্ঠা কৰে আৰু মাজুলী মহাবিদ্যালয়খনিও প্ৰতিষ্ঠা কৰি মৃত্যু ৰৰণ কৰে

স্বৰ্গীয় নাৰায়ণ চন্দ্ৰ ভৰালী–গড়মূৰ সত্ৰত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দিয়াত ২ বছৰ কাল যোৰহাট জেলত সশ্ৰম কাৰাদণ্ড ভোগ কৰি ১৯৬৬ চনত মৃত্যু ৰৰণ কৰে।

স্বৰ্গীয় বগাৰাম কাকতি–গড়মূৰ সত্ৰৰ এই উদীয়মান যুৱকজনে ১৯৪২ চনত ভাৰতীয় গণ আন্দোলনত অংশ গ্ৰহণ কৰি যোৰহাট ফাটেকত ৬ মাহ কাল কাৰাদণ্ড ভোগ কৰে। ১৯৪৮ চনত অতি কম বয়সতে যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মৃত্যু ৰৰণ কৰে।

স্বৰ্গীয় সুনন্দ ভুঞা–কমলাবাৰী সত্ৰৰ এজন গুণী শিল্পী। শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ লগতে ভাৰতৰ গণ আন্দোলনত জপিয়াই পৰি যোৰহাট জেলত ৬ মাহ

বিনাশ্রম কাৰাদণ্ড ভোগ কৰে। বায়ন ১০৩ বছৰ জীৱিত থাকি ১৯৮৮ চনত মৃত্যু বৰণ কৰে।

শ্রীশ্রীকৃষ্ণদেৱ গোস্বামী–গড়মূৰ সত্রাধিকাৰ। জন্ম ১৯১৩ চনৰ ভাদ মাহৰ কৃষ্ণ প্রতিপদ তিথিত কুৰুৱাবাহী সত্রত। পিতৃ শ্রীশ্রীযদুচন্দ্র দেৱ গোস্বামী। ১৯২৭ চনত ১৪ বছৰ বয়সত গড়মূৰ সত্রলৈ আহে। ১৯৫৫ চনত ডেকা সত্রাধিকাৰৰ নির্মালি লয়। ১৯৩৪ চনত যোৱহাটত মহাত্মা গান্ধীৰ লগত দেখা-সাক্ষাৎ হয়। টোকোলাই বাহৰত থাকি তাৰ পৰাই নিতৌ মহাত্মাজীক ছাগলী গাখীৰ যোগান ধৰে। ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনত যোগ দি ১৯৪৫ চনলৈকে ২ বছৰ ৪ মাহ কাৰাবাস খাটে। কাৰাৰুদ্ধ অৱস্থাতে প্রভুৰ পিতৃ বিয়োগ হয়। ১৯৬২ চনত সত্রাধিকাৰ শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী প্রভু বৈকুণ্ঠী হোৱাত সত্রাধিকাৰৰ নির্মালি লয়। ১৯৮৪ চনৰ ১২ তাৰিখে মাঘ পঞ্চমী তিথিৰ দিনা সত্রত ইহলীলা সম্বৰণ কৰে। অসম চৰকাৰৰ হৈ মাজুলী মহকুমাধিপতিয়ে শৱদেহত মাল্যার্পণ কৰে। পুৰুষ-মহিলা বহু হাজাৰ লোকৰ সমাবেশত দাহকার্য সম্পন্ন হয়।

গড়মূৰ সত্রৰ অধিকাৰ আৰু ডেকা অধিকাৰ দুয়োজন প্রভুৱে ভাৰতৰ স্বাধীনতা আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি কাৰাবৰণ কৰা ঘটনা চাৰিসত্রৰ ইতিহাসত এটা অভূতপূর্ব অভিলেখ। এই অভিলেখে মুক্তি সংগ্রামত সুকীয়া শক্তি আৰু প্রভূত প্রভাৱ পেলায়। প্রভু দুগৰাকীৰ ত্যাগ আৰু অবিহণা স্বাধীনতাৰ বুৰঞ্জীত চিৰস্মৰণীয় আৰু বৰণীয় হৈ ৰ'ব।

স্বর্গীয় চাদু�ৰাম হাজৰিকা-বনগাঁও। বনগাঁৱৰ কংগ্রেছ কমী সকলো গ্রেপ্তাৰ হোৱাত তেওঁ সংগঠন জীয়াই ৰাখিছিল।

স্বর্গীয় তৰুণ চন্দ্র পামেগাম–গড়মূৰ ৰৰগাঁঞা। তেখেতৰ নেতৃত্বত বিপ্লৱী দলে মিলিটেৰী যোগান বন্ধ কৰিছিল। পামেগাম এজন প্রবীণ সাহিত্যিক, সু-সংগঠক আৰু আগশাৰীৰ সমাজকমী আছিল। তেখেত অসম সাহিত্য সভাৰ নির্বাচিত উপ-সভাপতিও আছিল।

স্বর্গীয় গঙ্গাৰাম চমুৱা–বনগাঁও। ১৯৪২ চনৰ বিপ্লৱত সক্রিয় অংশ গ্রহণ কৰিছিল।

স্বর্গীয় চন্দ্র ভৱালী–বনগাঁও। '৪২ ৰ ভাৰত ত্যাগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল।

স্বৰ্গীয় দধিৰাম মুদৈ–গুৱাল গাঁও। গাঁৱত শান্তিসেনা বাহিনী গঠন কৰিছিল। ১৯৪২ চনৰ বিপ্লৱৰ সহযোগী কৰ্মী আছিল।

স্বৰ্গীয় বক্সিৰাম ঠাকুৰ–মাজুলী, বনগাঁও। ১৯২১-৪২ চনৰ আন্দোলনৰ বিপ্লৱী কৰ্মী আছিল।

স্বৰ্গীয় ভোলানাথ দেৱশৰ্মা বৰদলৈ–১৮৯৫ চনত মাজুলীৰ কৰতিপাৰ গাঁৱত জন্ম গ্ৰহণ কৰে। ডিগৰৈ তেল কোম্পানীৰ চাকৰি এৰি মুক্তি সংগ্ৰামত নানা ঠাইত বৃটিছৰ বিৰুদ্ধে প্ৰচাৰ অভিযান চলাইছিল। ডিগৰৈ, ডিব্ৰুগড়, মাৰেৰিটা, লিডু, তৰাজান, বদতিঘাট, হেলেম, গমিৰিঘাট আদি উল্লেখযোগ্য। ইংৰাজী আৰু সংস্কৃতত পণ্ডিত আছিল। মৃত্যুৰ আগমুহূর্তত গহপুৰৰ অন্তৰ্গত মৰণাবাৰী গাঁওখনত আছিল। নিজাকৈ মাটি ভেটি লোৱা নাছিল। এম, পি, হেম বৰুৱাৰ পিতৃ তেতিয়া গমিৰিঘাটত আছিল আৰু দুয়ো বন্ধু আছিল। ১৯৪২ চনৰ আন্দোলনত গহপুৰ থানাত তেখেতে গুলিবিদ্ধ হয় আৰু চিকিৎসাহীনভাৱে অকালতে ১৯৪৪ চনত ৪৯ বছৰ বয়সত মৃত্যু হয়।

স্বৰ্গীয় মহেশ্বৰ মুদৈ–গুৱাল গাঁও, মাজুলী। অঞ্চলটোৰ গঠনমূলক কৰ্মী। ১৯২১ চনৰ কৰ্মী আছিল।

মোহন দোলাকাষৰীয়া–আউনিআটিত ঘৰ। মুখ্যমন্ত্ৰী স্বাদুল্লা চাহাবৰ হাতত দহ হাজাৰ টকা আউনি আটি সত্ৰাধিকাৰে যুদ্ধৰ পুঁজিলৈ দান দিয়া কাৰ্যত প্ৰতিবাদ কৰিছিল। ফলত পুলিচে গ্ৰেপ্তাৰ কৰি নি কমলাবাৰী থানাত এদিন ৰাখি এৰি দিছিল।

স্বৰ্গীয় ৰমাকান্ত মিশ্ৰ–বহমৰা গাঁও, মাজুলী। '৪০ চনৰ সত্যাগ্ৰহী আছিল। '৪২ চনৰ সক্ৰিয় কৰ্মী।

স্বৰ্গীয় ৰূপৰাম বৰুৱা–বিৰিণাবাৰী, মাজুলী। '৪২ ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ২ মাহ আটক বন্দী হৈ থাকে।

স্বৰ্গীয় হৰেন্দ্ৰ নাথ ভৰালী–নামনি মাজুলী অঞ্চলৰ প্ৰধান নেতা।

উপৰিও ঘৰৰ সকলো সা-সম্পত্তি হেৰুৱাব লগা হৈছিল। স্বাধীনতাৰ পিছত কংগ্ৰেছৰ জিলা সমিতিৰ সদস্য, পঞ্চায়ত সমবায়ৰ সভাপতি হৈ সামাজিক উন্নয়নমূলক কামত আত্মনিয়োগ কৰে। শৰ্মাই বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত আছিল। ১৯৮৮ চনৰ ২১ জুনত ৰক্তচাপত আক্ৰান্ত হৈ ৭৭ বছৰ বয়সত মৃত্যু ৰৰণ কৰে।

স্বৰ্গীয় কমল চন্দ্ৰ ভাগৱতী–গড়মূৰ সত্ৰৰ ভাগৱতী আছিল। শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ আজ্ঞা পাই ১৯৪২ চনৰ গণ আন্দোলনত যোগ দিয়াৰ অপৰাধত যোৰহাট জেলত ৬ মাহ কাৰাবৰণ কৰে। ১৯৭৭ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় ভাৰত চন্দ্ৰ বৰা–গড়মূৰ সত্ৰৰ ভাৰত চন্দ্ৰ বৰা ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰাৰ অপৰাধত ২ বছৰ যোৰহাট জেলত সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৭৮ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় ভোলাৰাম কাকতি–গড়মূৰ সত্ৰত জন্মগ্ৰহণ কৰে। ১৯৪২ চনত তেখেতে গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৭৬ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় মানিক হাজৰিকা–গড়মূৰ সত্ৰত ঘৰ। ১৯৪২ চনত দেশজুৰি হোৱা গণ আন্দোলনত যোৰহাট জেলত ৬ মাহ কাৰাদণ্ড ভোগ কৰিবলগা হয়।

মাধৱ চন্দ্ৰ শইকীয়া–মাজুলীৰ দেওদি আটিৰ গাঁৱত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰাত ৬ মাহ যোৰহাট জেলত কাৰাদণ্ড ভোগ কৰে। ১৯৬২ চনত তেখেতৰ মৃত্যু হয়।

স্বৰ্গীয় হৰীলাল ঠাকুৰ–কমলাবাৰী। ১৯২১-৪২ ৰ সকলো আন্দোলনৰ কৰ্মী। ১৯৪২ চনত ঠিকাদাৰসকলে সংগ্ৰহ কৰা খেৰ-বেতৰ নাও টুনী নৈত কৰ্মীসকলৰ দ্বাৰা ডুবাই দিছিল। মাজুলীৰ বহুকেইখন কলেজ আৰু হাইস্কুলৰ প্ৰতিষ্ঠাপক আছিল।

স্বৰ্গীয় কমল চন্দ্ৰ কটকী–চিনাতলীয়া গাঁও, ৰতনপুৰ। ২৪/৪/ ২২ ত ৩মাহ জেল আৰু ২৩/৭/২২ চনত মুক্তি।

স্বৰ্গীয় কেশৱ চন্দ্ৰ শৰ্মা–শৰ্মাৰ জন্ম ১৯১২ চনত। ১৯৩০ চনৰ আন্দোলনত তেখেতক জয়সাগৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা খেদাই দিয়ে। কংগ্ৰেছ সংগঠনৰ কামত আত্মনিয়োগ কৰি সংগঠনৰ কাম, বিদ্যালয় স্থাপন, খাদী আশ্ৰম, সমাজ সংগঠন, কানি নিবাৰণ আদি সমাজৰ উন্নয়ন মূলক কামত আত্মনিয়োগ কৰে ; দ্বাৰিকানাথ ফুকন, কুল গোস্বামী, কুলধৰ শইকীয়া, বিমলা দলে, আনন্দ দত্ত, জয়নাথ গগৈ, শৈল বৰা, কুঞ্জ দাস, ৰবিন দত্ত, ডম্বৰু চেতীয়া, কেশৱ গোহাঁই প্ৰমুখ্যে কৰ্মীসকলৰ লগত ১৯৪২ চনত শান্তি সেনা বাহিনীৰ সংগঠনৰ কাম কৰি ঘুৰি ফুৰোঁতে কমলাবাৰীৰ পুলিচৰ হাতত আটক হৈ যোৰাহট জেলত দুদিন ফাটেক খাটিবলগীয়া হয়।



স্বৰ্গীয় খগীৰাম ভূঞা :- ১৯০৮ চনত মাজুলীৰ, শালমৰা মৌজাৰ লহকৰ গাঁৱত জন্ম গ্ৰহণ কৰা ভূঞা এজন মেধাবী লোক। যোৰহাট বেজবৰুৱা হাইস্কুলৰ পৰা প্ৰথম বিভাগত ১৯২৩ চনতে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ আৰ্থিক অনাটনৰ বাবে উচ্চ শিক্ষা ল'ব নোৱাৰিলে। নিজৰ অধ্যৱসায়ৰ বলত আৰ্থিক ভাবে কিছু স্বচ্ছল হৈ সমাজৰ কামত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰে আৰু স্বেচ্ছাই সমবায় বেঙ্কৰ "চুপাৰ ভাইজাৰ" চাকৰি ত্যাগ কৰে।

স্বাধীন চৰকাৰৰ পঞ্চায়তীৰাজ আঁচনিত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু আঞ্চলিক পঞ্চায়তৰ দীৰ্ঘ দিন সভাপতি পদত থাকি মাজুলীৰ ভালেমান বাস্তা-ঘাট আৰু শিক্ষানুষ্ঠানৰ গঢ় দিয়ে। ১৯৭৬ চনৰ ৭ আগষ্টত যোৰহাট ৰজামৈদামৰ নিজ ঘৰত ৬৯ বছৰ বয়সত মৃত্যু হয়।

স্বৰ্গীয়া বাসন্তী মলিয়া বৰুৱা ঃ- চাওখাট মৌজাৰ ঢেকীয়াখোৱাৰ এইগৰাকী মুক্তি যুঁজাকু প্ৰসিদ্ধ শশীধৰ মলিয়া বৰুৱাৰ সহধৰ্মিণী । জীয়াৰী কালতে ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সক্ৰিয় কৰ্মী হৈ সেই কালৰ পৰিবেশত মহিলাসকলৰ স্বাধীনতা সংগ্ৰামত সহযোগ সম্ভৱ কৰি তুলিছিল । পৰৱৰ্ত্তী জীৱনত মলিয়া বৰুৱাৰ পত্নী হৈ স্বামী-স্ত্ৰী উভয়ে স্বাধীনতা সংগ্ৰামৰ কাৰ্যসূচীত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে ।

১৯৩৫ চনৰ সপ্তাহজোৱা অসম ৰাষ্ট্ৰীয় সম্মিলন মলিয়া বৰুৱাৰ ঘৰৰ আগৰ পথাৰখনত পাতোতে স্বামী-স্ত্ৰী দুয়ো অশেষ পৰিশ্ৰম কৰি সম্মিলন সফল কৰি তুলিছিল । মহিলা সকলৰ সূতা কটা প্ৰদৰ্শনত নেওঠনিত কপাহৰ গুটি গুচোৱাৰ পৰা যঁতৰত সূতা কটালৈকে প্ৰক্ৰিয়াটোৰ প্ৰদৰ্শনত আই গৰাকীয়ে ৰাতিক দিন কৰি খটাৰ উপৰিও অসমৰ নেতৃবৰ্গক আদৰ-অভ্যৰ্থনাৰ দায়িত্ব সুচাৰুৰূপে পালন কৰে । আন্দোলন আৰু কাৰাগাৰত সৰহ সময় স্বামী ঘৰৰ বাহিৰত কটাৰ লগীয়া হোৱাত খেতি-খোলাকে আদি কৰি গৰু গাই প্ৰতিপালনলৈকে নিয়াৰিকৈ গৃহস্থী চলোৱাত নিপুণা গৃহিণী আছিল ।

স্বৰ্গীয় টঙ্কেশ্বৰ ভট্টাচাৰ্য্য ঃ- চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱৰ এইজন মুক্তি যুঁজাকু ১৯২১ চনৰ অসহযোগ আন্দোলনৰে পৰা সক্ৰিয় কৰ্মী । মহাত্মা গান্ধীৰ সাগৰ সংকাশ ব্যক্তিত্ব আৰু গগনচুম্বী আকৰ্ষণে প্ৰথম দৰ্শনতে এইজন মুক্তি যুঁজাকুক চুম্বকৰ দৰে আকৰ্ষণ কৰিলে । সেই আকৰ্ষণতে ভট্টাচাৰ্য্যই আন্দোলনৰ প্ৰথম পৰ্য্যায়তে নিজক জড়িত কৰে ।

স্বৰ্গীয় ভেবেলা শইকীয়া ঃ- চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱৰ শইকীয়া ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ পৰা স্বাধীনতা সংগ্ৰামত জড়িত যদিও ১৯৩২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ হয় , আৰু বিচাৰত তিনিমাহৰ কাৰাদণ্ড হয় । কাৰামুক্তিৰ পৰৱৰ্ত্তী জীৱনত কংগ্ৰেছৰ সেৱক ৰূপে জীৱন অতিবাহিত কৰে ।

স্বৰ্গীয় বেদৱতী দেৱী শৰ্মা ঃ চাওখাট মৌজাৰ পাখিমৰা গাঁৱৰ নিবাসী এই গৰাকী মহিলাই ১৯২১ চনৰ অসহযোগ আন্দোলনৰ দিনতে সংৰক্ষণশীল সমাজৰ হেঙাৰ ভাঙি স্বাধীনতা সংগ্ৰামলৈ ওলাই আহে । গাঁৱৰ নাৰী সমাজক মহাত্মা

গান্ধীৰ কার্য্যসূচীৰে উদ্বুদ্ধ কৰাত নিজকে ব্ৰতী কৰি সক্রিয় ভূমিকা গ্ৰহণ কৰে ।

স্বৰ্গীয় টঙ্কেশ্বৰ বৰুৱা ঃ- চাওখাট মৌজাৰ তিনিকুৰীয়া গাঁৱৰ ঁবৰুৱাক ১৯২১ চনৰ অসহযোগ আন্দোলনত গ্ৰেপ্তাৰ কৰি এদিনৰ কাৰণে ফাটেক দিয়ে । বামুণ পুখুৰী শিৰিৰৰ শ শ শিৰিৰবাসীৰ এজন হৈ পুলিচ-মিলিটাৰীৰ অবৰ্ণনীয় নিৰ্য্যাতনৰ চিকাৰ হৈয়ো মনোবল অক্ষুন্ন থাকে । সংগ্ৰাম শাম কটাৰ অন্তত গঠনমূলক কার্য্যসূচীৰ জৰিয়তে গাঁও সংগঠনত মনোনিবেশ কৰে ।

স্বৰ্গীয় ফাদুৰা মুক্তিয়াৰ ঃ চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱৰ ঁমুক্তিয়াৰ মুখ্যতঃ এজন গঠনমূলক কর্মী । ১৯৩০ চনৰ আইন অমান্য আন্দোলনত সক্রিয় অংশ গ্ৰহণ কৰা মুক্তি যুঁজাৰুজন ১৯২১ চনৰ অসহযোগ আন্দোলনৰ পৰা মুক্তি সংগ্ৰামত জড়িত । ১৯২১ চনৰ সংগ্ৰাম মহাত্মা গান্ধীয়ে বন্ধ কৰাৰ পাচত গঠনমূলক কামৰ জৰিয়তে পৰৱৰ্ত্তী আন্দোলনৰ কাৰণে কংগ্ৰেছ সেৱক প্ৰস্তুত কৰাৰ কামত এখেতে মনোনিবেশ কৰিছিল ।

স্বৰ্গীয় বালী দত্ত ঃ চাওখাট মৌজাৰ ববখেলিয়া গাৱঁৰ ঁদত্ত ১৯২১ চনৰ অসহযোগ আন্দোলনৰ কর্ম্মী । ভাৱনা, সবাহ, স্বৰাজ মেলা, বায়ত সভা, বাষ্ট্ৰীয় সম্মিলন আদি আন্দোলনৰ প্ৰচাৰ মাধ্যমৰ যোগে কংগ্ৰেছ সেৱক আৰু জনসাধাৰণক পৰৱৰ্ত্তী সংগ্ৰামৰ কাৰণে সাজু কৰা কার্য্যসূচীত আগভাগ লোৱা এজন সক্রিয় কর্ম্মী আছিল । সেই কাৰণেই পুলিচী-নিৰ্য্যাতনৰ পৰা বাচি আছিল ।

স্বৰ্গীয় থানেশ্বৰ লাহন ঃ চাওখাট মৌজাৰ আৰাদ্ধৰা গাৱঁৰ নিবাসী । এইজন সমাজ সচেতন লোকে ১৯২১ চনৰ আন্দোলনতে মহাত্মা গান্ধীৰ প্ৰতি অনুৰক্ত হয় । ১৯২১ চনৰ আন্দোলনত অসমত কানি বৰৰিহ নিৰাৰণৰ প্ৰচাৰ মুখ্য আছিল । ঁ লাহনে এই কানি নিৰ্ম্মূল কৰণৰ কামত নিজকে লিপ্ত কৰি প্ৰচাৰত মুখ্য ভূমিকা লৈছিল । তেখেত এজন ১৯২১ চনৰ সক্রিয় কর্ম্মীৰূপে পৰিগণিত হয় ।

স্বৰ্গীয় থানেশ্বৰ শর্ম্মা ঃ চাওখাট মৌজাৰ দলৈ গাৱঁৰ ঁ শর্ম্মা ১৯২১ চনৰ

অসহযোগ আন্দোলৰ পৰা ১৯৩০ চনৰ আইন আমান্য আন্দোলনলৈকে সক্রিয় কৰ্ম্মী । আন্দোলনত গ্রেপ্তাৰ নহ'লেও কার্য্যসূচী ৰূপায়ণত দলে বলে প্রচাৰ অভিযানত থাকি গাওঁ অঞ্চলত ভাৱনা সবাহৰ জৰিয়তে আন্দোলনৰ বাণী বাইজৰ মাজত সদৰি কৰে ।

স্বর্গীয়া তুলসী দেৱী ঃ চাওখাট মৌজাৰ দলৈ গাৱঁৰ এইগৰাকী অগ্রগণী মহিলাই ঘৰে ঘৰে গৈ মহিলাসকলৰ মাজত স্বাধীনতা সংগ্রাম আৰু মহাত্মা গান্ধীৰ ভূমিকা সম্পর্কে বুজনি দি নাৰী সমাজক আন্দোলনৰ প্রতি আগ্রহশীলা কৰিবলৈ যত্ন কৰিছিল । এই পৱিত্র কামত আৰক্ষীৰ লগত মুখামুখী নোহোৱাকৈয়ে স্বাধীনতা আন্দোলনৰ প্রচাৰ কৰি গাঁওবাসীৰ মাজত জাগৰণ অনাত সক্ষম হৈছিল । এই মহৎ কাম তেখেতে ১৯২১ চনৰ পৰা বহু বছৰৰ পাছলৈকে কৰি আছিল ।

স্বর্গীয়া চেনেহী ভূঞা ঃ চাওখাট মৌজাৰ তিনিকুৰীয়া গাৱঁৰ নিবাসী এইগৰাকী মহিলা কর্ম্মী সামাজিক কামত আগৰণুৱা আছিল । যোৰহাট কাছাৰী পথাৰত ১৯২১ চনত মহাত্মা গান্ধীক দর্শন লভি নিজৰ জীৱন ধন্য মানিছিল । সেই একেই উচ্ছাসতে অসহযোগ আন্দোলনৰ কার্য্যসূচীত অংশ লৈ গাৱঁৰ আই সকলক স্বাধীনতা সংগ্রামৰ বতৰা দি সজাগ কৰি তুলিছিল ।

স্বর্গীয় ডিম্বেশ্বৰ গোস্বামী ঃ চাওখাট মৌজাৰ কাথ গাৱঁৰ নিবাসী । ১৯২১ চনৰ অসহযোগ আন্দোলত অংশ গ্রহণ কৰি মহাত্মা গান্ধীৰ গঠনমূলক কামৰ প্রতি অনুৰক্ত হৈ সেই কার্য্যসূচী ৰূপায়ণত মনোনিবেশ কৰে । জীৱনত গাঁও সংগঠনৰ জৰিয়তে স্বৰাজ লাভৰ আশা পোষণ কৰি খাদী উদ্যোগৰ কার্যসূচীত ব্রতী হয় । তেখেতে সংগ্রামৰ কার্যসূচীতকৈ ৰচনাত্মক কামত অধিক গুৰুত্ব দিয়ে ।

স্বর্গীয় কনক গোস্বামী ঃ চাওখাট মৌজাৰ অধিবাসী "গোস্বামী কাঠ গাঁৱৰ প্রসিদ্ধ মুক্তি যুঁজাৰু । ১৯২১ চনত হোৱা স্বাধীনতা সংগ্রামৰ প্রথম পর্য্যায়তে অসহযোগ আন্দোলনত যোগ দিয়ে । এটা কথা প্রণিধানযোগ্য যে মহাত্মাৰ প্রথম অসম ভ্রমণতে অগণন মানুহক মহাত্মাজীৰ দর্শন লাভতে জীৱনৰ গতি সলনি কৰে ।"গোস্বামী সেই সকলৰে এজন ।

স্বৰ্গীয় কৃষ্ণকান্ত শৰ্ম্মা ঃ চাওখাট মৌজাৰ পাখীমৰা গাৱঁৰ শৰ্ম্মা সামাজিক আৰু ৰাজনৈতিক ভাবে সচেতন ব্যক্তি আছিল । ১৯২০ চনৰ ২৬ ডিচেম্বৰত তেজপুৰত অনুষ্ঠিত অসম এছচিয়েশ্যনৰ অধিবেশনত যোগদান কৰে । এছচিয়েশ্যনৰ পৰিবর্ত্তে কংগ্রেছ কমিটি গঠনৰ প্রত্যক্ষ প্রতিনিধি স্বৰূপে তেখেতে ১৯২১ চনৰ অসহযোগ আন্দোলনৰ লগতো সহযোগ কৰে ।

স্বৰ্গীয় কীর্ত্তি নাথ ভট্টাচার্য্য ঃ চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাৱঁৰ এইজন মুক্তি যুঁজাকৰে মহাত্মা গান্ধীৰ প্রথম যোৰহাট ভ্রমণত দর্শন লাভ কৰি শৰীৰ মন ৰোমাঞ্চিত হয় । ১৯২১ চনৰ প্রথম স্বাধীনতা সংগ্রামৰ অসহযোগ আন্দোলনত অংশ গ্রহণ কৰে । মাদক দ্রব্যৰ মহলত পিকেটিং কার্য্যসূচী ৰূপায়ণ কৰোতে গ্রেপ্তাৰ হৈ কেইবামাহো কাৰাবাস খাটিব লগা হয় ।

স্বৰ্গীয় কমল চন্দ্র দত্ত ঃ চাওখাট মৌজাৰ ধাৰি গাওঁ নিবাসী । ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত মাধ্যমিক বিদ্যালয়ৰ ছাত্র । মহাত্মা গান্ধীৰ আহ্বানৰ প্রতি সঁহাৰি জনাই বিদ্যালয় ত্যাগ কৰি আন্দোলনৰ কার্য্যসূচীত অংশ গ্রহণ কৰে । মাদক দ্রব্যৰ মহলত পিকেটিং কৰোতে গ্রেপ্তাৰ হৈ কাৰাগাৰলৈ প্রেৰণ কৰে । ১৯২২ চনৰ ৪ জুন তাৰিখে বিচাৰত তিনিমাহ কাৰাদণ্ডৰ আদেশ হয় । ১৯২৩ চনৰ ৩০ অক্টোবৰত সম্পূর্ণ ম্যাদৰ অন্তত মুক্তি লাভ কৰে । তেতিয়াৰে পৰা পুনৰ অধ্যয়ন নকৰি মুক্তি ৰণৰ ৰনুৱা হৈ জীৱনাৱসান হয় ।

স্বৰ্গীয় অশ্বিনী বৰা ঃ চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাৱঁৰ নিগাজী নিবাসী । শশীধৰ মলিয়া বৰুৱাৰ প্রেৰণাত ১৯২১ চনতে অসহযোগ আন্দোলনত আত্মনিয়োগ কৰি খাদী উৎপাদনত একাণপতীয়াকৈ ব্রতী হয় । ঢেকীয়াখোৱা ৰাষ্ট্রীয় সম্মিলনৰ অক্লান্ত কর্ম্মী । কানি নিবাৰণত সক্রিয় কর্ম্মী আছিল । আজীৱন কংগ্রেছৰ সেৱাৰ জৰিয়তে মহাত্মা গান্ধীৰ বাণী গাওঁ অঞ্চলত প্রতিফলন ঘটোৱা কামেই জীৱনৰ ব্রত কৰি লৈছিল ।

স্বৰ্গীয়া আইদেউ ৰাজখোৱা ঃ চাওখাট মৌজাৰ গাধীৰখোৱা গাৱঁত বিমলা প্রসাদ চলিহাৰ উদ্যোগত প্রতিষ্ঠিত খাদী কেন্দ্রৰ এগৰাকী একনিষ্ঠা সেৱিকা । অসম ৰাষ্ট্রীয় সম্মিলনৰ ঢেকীয়াখোৱা অধিবেশনৰ অভ্যর্থনাৰ দায়িত্বত ন্যস্ত হৈ

কৰ্ম্মকুশলতাৰ পৰিচয় দিয়ে । পৰবৰ্ত্তী জীৱনত খাদী প্ৰচলনৰ কামত একাণপতীয়াকৈ লাগি মহাত্মা গান্ধীৰ বচনাত্মক কামত ব্ৰতী হয় ।

স্বৰ্গীয় এছ. কে. দৌলৎদ্দিন ঃ চাওখাট মৌজাৰ কাকজানৰ এইজন মুক্তি যুঁজাকৰে ১৯২১ চনৰ মহাত্মা গান্ধীৰ যোৰহাট ভ্ৰমণত দৰ্শন লাভ কৰি অভিভূত হয় । তেতিয়াৰে পৰা স্বাধীনতা সংগ্ৰামত যোগ দি গান্ধীৰ কাৰ্য্যসূচীমতে গাওঁ সংগঠনত মনোনিবেশ কৰি আজীৱন কংগ্ৰেছৰ সেৱা কৰে ।

স্বৰ্গীয়া কলী মলিয়া বৰুৱা ঃ চাওখাট মৌজাৰ ঢেকীয়াখোৱাৰ মহিলা কৰ্মী । এইসকল মহিলা কৰ্মীয়ে স্বাধীনতা সংগ্ৰামৰ ফেহুজালিতে দেশৰ কাৰণে জীৱন উৎসৰ্গা কৰি মহাত্মা গান্ধীৰ গঠনমূলক কামকে জীৱনৰ ব্ৰত কৰি লয় । ১৯২১ চনৰে পৰা এই গৰাকী মহিলা ঢেকীয়াখোৱা খাদী কেন্দ্ৰৰ একাণপতীয়া কৰ্মী । শশীধৰ মলিয়া বৰুৱাৰ আত্মীয়া এই গৰাকীৰ ওপৰত তেখেতৰ প্ৰভাৱ পৰিছিলে ।

স্বৰ্গীয়া বাথুৰী শইকীয়া ঃ খঙ্গিয়া মৌজাৰ পকামূৰা ম'হৰ গাৱঁৰ নিবাসী এই গৰাকী মুক্তি যুঁজাকৰে মূৰত গান্ধীটুপী এটা পিন্ধি মহিলাসকলক মহাত্মা গান্ধীৰ কথা কৈ ঘৰৰ পৰা উলিয়াই আনিছিল- স্বাধীনতা আন্দোলনৰ সমদল যাত্ৰালৈ । সমদল যাত্ৰাৰ আগত বাথুৰী শইকীয়া, মূৰত গান্ধীটুপী, হাতত কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকা । মহিলা শোভাযাত্ৰাৰ নেতৃত্ব কৰা মহিলা। ১৯৩৭ চনৰ সাধাৰণ নিৰ্ব্বাচনৰ পৰা সকলো নিৰ্ব্বাচনতে এই গৰাকী মুক্তি যুঁজাকু কংগ্ৰেছৰ অজেয় শক্তি । সংসাৰ নপতাকৈয়ে ঐকিক জীৱন যাপন কৰি ১৯৯২ চনত সংসাৰ ত্যাগ কৰে ।

স্বৰ্গীয় গোপীনাথ বেজবৰুৱা ঃ যোৰহাট নগৰৰ চোলাধৰা নিবাসী এইজন মুক্তি যোদ্ধাই ১৯২১ চনত কটন কলেজ ত্যাগ কৰি আহি অসহযোগ আন্দোলনত আত্মনিয়োগ কৰি পিকেটিং কৰোতে গ্ৰেপ্তাৰ হয় আৰু আঠ মাহ সশ্ৰম কাৰাদণ্ড হয় । কাৰামুক্তিৰ পাচত পুনৰ অধ্যয়ন কৰি ওকালতি ব্যৱসায়ত ব্ৰতী হয় ।

স্বৰ্গীয় বাবুলানাথ ফুকন ঃ যোৰহাট নগৰৰ মালৌ আলিৰ বাসিন্দা । ১৯২১ চনত কলেজীয়া শিক্ষা বৰ্জন কৰি অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ

কৰি ৰাষ্ট্ৰীয় পথেদি শোভাযাত্ৰাৰ নেতৃত্ব কৰাত ২০-১২-২১ তাৰিখে গ্ৰেপ্তাৰ কৰে আৰু কাৰাবাস খাটে। পৰৱৰ্ত্তী জীৱনত প্ৰসিদ্ধ ব্যবসায়ী ৰূপে পৰিগণিত হয়।

স্বৰ্গীয় প্ৰফুল্ল বৰুৱা ঃ খঙ্গিয়া মৌজাৰ বৰুৱা গাওঁ নিবাসী। পিতৃ ৺লক্ষেশ্বৰ বৰুৱা, জন্ম ১৯২৪ চন।

মাধ্যমিক বিদ্যালয়ত পঢ়ি থকা কালতে বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি পকামুৰা শিবিৰৰ নিৰবচ্ছিন্ন কৰ্মী। সামৰিক বাহিনীৰ যোগান বন্ধ কৰা,পিকেটিং কৰা আৰু কূটাঘাত মূলক কামত অংশ লোৱা অভিযোগত একাধিকবাৰ গ্ৰেপ্তাৰ কৰি দুপৰ বাতি অটব্য অৱণ্যত মেলি দিয়ে।

পিছনত পৰিপাটী এই মুক্তি যোদ্ধাজন অতি পৰিশ্ৰমী আছিল। স্বাধীনোত্তৰ কালত চাহ বাগিচাত কৰ্মচাৰী হৈ অকালতে মৃত্যু বৰণ কৰে।

স্বৰ্গীয় শঙ্খ বৰদলৈ ঃ তৰাজান সোণাৰী গাৱঁৰ স্থায়ী বাসিন্দা এইজন মুক্তি যুঁজাৰু ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ সময়ৰপৰা স্বাধীনতা সংগ্ৰামত জড়িত। তেতিয়াৰে পৰা তেওঁ কংগ্ৰেছ সংগঠনৰ সক্ৰিয় আৰু অবিৰত কৰ্মী। প্ৰাথমিক কংগ্ৰেছ কমিটী গঠনকে আদি কৰি চৰাইবাহী মৌজাত কংগ্ৰেছ আৰু বাপুজীৰ বাণী প্ৰচাৰত মুখ্য ভুমিকা গ্ৰহণ কৰে। ১৯৪২ চনৰ বিপ্লৱত কাৰাবাস খটা নাই যদিও সংগ্ৰামৰ সকলো কাৰ্য্যসূচীত জড়িত আছিল।

স্বৰ্গীয় ত্ৰয়োধৰ হাজৰিকা ঃ খঙ্গিয়া মৌজাৰ সৰুহজ গাৱঁৰ স্থায়ী বাসিন্দা। ১৯৩০ চনত আইন অমান্য আন্দোলনৰ সক্ৰিয় কৰ্ম্মী। ১৯৩৩ চনত টিলিকিআমত হোৱা তিনিদিনীয়া ৰায়ত সভাৰ অভ্যৰ্থনা সমিতিৰ সদস্য হিচাৱে সৰ্ব্বপ্ৰথম ২৫.০০ (পঁচিচ) টকা বৰগুণি দি বদান্যতাৰ পৰিচয় দিয়ে। শেষত ৺সৰ্ব্বেশ্বৰ বৰচেতিয়া দেৱৰ পৰামৰ্শ মতে তেখেতক 'হাজৰিকা' উপাধি প্ৰদান কৰা হয়। তেতিয়াৰে পৰা পৰিয়ালটো হাজৰিকা হিচাৱে পৰিচিত হয়। ১৯৪২ চনৰ বিপ্লৱৰ আগতে পৰলোক হোৱা হাজৰিকা সদা-সৰ্বদা স্বাধীনতা সংগ্ৰামৰ বিভিন্ন কাৰ্য্যসূচীত ব্ৰতী আছিল।

স্বৰ্গীয় বজৌ চুতীয়া ঃ খঙ্গিয়া মৌজাৰ টেকেলা গাৱঁৰ এইজন মুক্তি যুঁজাকৰে ১৯২১ চনৰ অহিংস অসহযোগ আন্দোলনত কাৰাবাস খাটে। কাৰামুক্ত হৈ

কালি ৰৱবিহুনির্মূল কৰনত আত্মনিয়োগ কৰে। মহাত্মা গান্ধীৰ বানী প্ৰচাৰ জীৱনৰ অৱশ্য কৰ্ত্তব্য বুলি জ্ঞান কৰি সেই মহৎ কামতে ব্ৰতী হৈ অকালতে জীৱনাৱসান হয়।

স্বৰ্গীয় ভদ্ৰেশ্বৰ শৰ্ম্মা সভাপণ্ডিত ঃ খঙ্গিয়া মৌজাৰ তিলিকিআমৰ স্থায়ী বাসিন্দা। ১৯৩০ চনতে স্বাধীনতা আন্দোলনৰ প্ৰতি আকৃষ্ট হয়। ১৯৩৩ চনত তিনিদিনীয়াকৈ অনুষ্ঠিত ৰায়ত সভাৰ বিৰাট সভা-মণ্ডপৰ টকৌপাত তেখেতে নিজৰ বাৰীৰ পৰা দান দিয়ে। ৰায়ত-সভাৰ আয়োজনৰ কাৰণে দেহেকেহে খাটি কৰ্ম্মবীৰ নবীন ৰবদলৈৰ সভাপতিত্বত হোৱা সভাখন অপূৰ্ব্ব সফলতাৰে সম্পন্ন কৰে। অভ্যৰ্থনা সমিতিৰ শেষ বৈঠকত সভাপতি সৰ্ব্বেশ্বৰ ৰৱচেতিয়াই কয়, যে উপাধি দিয়ে ৰজাঘৰে আৰু গুৰুঘৰে। ৰাইজেও বিশিষ্ট লোকক উপাধি প্ৰদানৰ পৰম্পৰা সৃষ্টি কৰা হওক বুলি শৰ্ম্মাক 'সভাপণ্ডিত' উপাধিৰে বিভূষিত কৰে। তেতিয়াৰে পৰা তেখেত সভাপণ্ডিত উপাধিৰে পৰিচিত।

হীৰা নাম আৰু দিহা নামৰ এজন অপ্ৰতিদ্বন্দ্বী ওজা সভাপণ্ডিত ১৯৪২ চনৰ পূৰ্ব্বেই পৰলোক হয়।

স্বৰ্গীয় মুক্ষেশ্বৰ ৰৱৰুৱা ঃ খঙ্গিয়া মৌজাৰ দহোটীয়া গাঁৱৰ স্থায়ী নিবাসী এইজন মুক্তি যুঁজাৰুৱে ১৯৩০ চনৰ আন্দোলনৰে পৰা কংগ্ৰেছ আৰু স্বাধীনতা সংগ্ৰামৰ সকলো কাৰ্য্যসূচীত আত্মনিয়োগ কৰি অঞ্চলত আন্দোলন আৰু কংগ্ৰেছক তৃণমূল পৰ্য্যায়লৈ পৰ্য্যবসিত কৰাত অহোপুৰুষাৰ্থ কৰিছিল। ১৯৩৩ চনৰ অসম ৰায়ত সভাৰ এজন অক্লান্ত কৰ্মী। সৰ্ব্বেশ্বৰ ৰৱচেতিয়াৰ দৰে নেতাৰ প্ৰতি অনুৰক্ত।

ৰাজ্যিক সন্মান পেন্সন ৰৱৰুৱাৰ অবৰ্ত্তমানত বিধবা পত্নীয়ে বৰ্ত্তমানো পাই আছে।

স্বৰ্গীয় সুথিল শইকীয়া ঃ খঙ্গিয়া মৌজাৰ দহোটীয়া ৰৱৰুৱা ৰাজহ খণ্ডৰ পকামূৰা গুৱ যোগনীয়া গাঁৱৰ নিগাজী নিবাসী। ১৯২১ চনৰ অসহযোগ আন্দোলনতে মূৰত গান্ধী টুপীৰে বগা সাজটো পিন্ধি গাঁৱে গাঁৱে 'গান্ধী মহাত্মা'ৰ বাণী প্ৰচাৰ কৰি ফুৰিছিল। যি কালত মানুহে কংগ্ৰেছ আৰু মহাত্মা গান্ধীৰ নাম ল'বলৈ সংকোচ কৰিছিল, সেই সময়ত তেওঁ এজন গান্ধীজীৰ বাৰ্ত্তা ৰাহক

ভ্রাম্যমান ভলণ্টিয়াৰ । ১৯৩০ চনৰ আন্দোলনৰ আগতে স্বৰ্গী হোৱা এইজন মুক্তি যুঁজাৰুৱে সংসাৰ নাপাতিলে ।

স্বৰ্গীয় বাপুৰাম চলিহা ঃ খঙ্গিয়া মৌজাৰ দহোটীয়া গাৱঁৰ নিগাজী নিবাসী । ১৯৩০ চনৰে পৰা কংগ্রেছৰ সক্রিয় সদস্য হৈ স্বাধীনতা আন্দোলনৰ এজন অবিৰত কর্মী । স্বাধীনোত্তৰ কালত এজন সফল পঞ্চায়ত সম্পাদক । মৌজাটোৰ অবিসম্বাদী নেতৃস্থানীয় আগশাৰীৰ মুক্তি যোদ্ধা" প্রেমধৰ বৰুৱাৰ পৰামর্শ অনুযায়ী" চলিহা এজন বিচক্ষণ কর্মী । 'অন্ন শুণ কৰয় বিস্তাৰ'-নামঘোষাৰ এই পদ ফাকিৰ যথার্থ প্রয়োগ এইজন মুক্তি যুঁজাৰুৱে সততে কৰি তেওঁৰ পঞ্চায়তৰ প্রতিবেদন ৰসাল আৰু বাস্তৱধর্মী কৰি তুলিছিল ।

ৰাজ্যিক সন্মান পেন্সন তেওঁৰ বিয়োগৰ পাচত বিধবা পত্নীয়ে পাই আছে ।

স্বৰ্গীয় মিহিৰাম দত্ত ঃ খঙ্গিয়া মৌজাৰ ধলি কুমাৰ গাৱঁৰ স্থায়ী বাসিন্দা । ১৯২১ চনৰ অসহযোগ আন্দোলনতে কাৰাবৰণ কৰা এইজন মুক্তি যুঁজাৰুৱে প্রতিকূল পৰিবেশ, দৰিদ্রতা আৰু নিষ্পেষণ অকাতৰে সহ্য কৰি আজীৱন কংগ্রেছকে সেৱা কৰি গ'ল । গাৱঁৰ আৰু অঞ্চলৰ সকলো উন্নয়নমূলক সামাজিক কামত জড়িত আছিল । বার্দ্ধক্যই পোতোকা পেলাব নোৱাৰা নিপোতল স্বাস্থ্যৰ কর্মী আছিল । ৰাজ্যিক সন্মান পেঞ্চন পাইছিল ।

স্বৰ্গীয় চন্দ্রনাথ শর্মা ভৰালী ঃ খঙ্গিয়া মৌজাৰ ধেকেলিয়া গাৱঁৰ বাসিন্দা হ'লেও স্বাধীনতা সংগ্রামত তেওঁৰ কর্মথলী গোলাঘাটত আছিল । ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত মৰঙ্গি মৌজাত বিপ্লৱৰ কার্য্যসূচীত অংশ গ্রহণ কৰিছিল । স্বাধীনোত্তৰ কালত খঙ্গিয়া মৌজাৰ পকামূৰা প্রাথমিক পঞ্চায়তৰ একাধিক বাৰ সভাপতি নির্ব্বাচিত হৈ গাওঁ উন্নয়নত ব্রতী হয় ।

মৃত্যুৰ পিচত ৰাজ্যিক সন্মান পেঞ্চন বিধবা পত্নীয়ে পাই আছে ।

স্বৰ্গীয় পাহৰৰ দাস ঃ খঙ্গিয়া মৌজাৰ সৰুহজ গাৱঁৰ বাসিন্দা । ১৯৩৪ চনত "সর্ৱেশ্বৰ বৰদলৈয়ে প্রতিষ্ঠা কৰি শিক্ষকতা কৰা হৰিজন প্রাথমিক বিদ্যালয়ৰ ছাত্র আছিল । শৈশৱতে বিপ্লৱৰ বীজ অন্তৰত অঙ্কুৰিত হৈ ১৯৪২ চনৰ ভাৰত -ত্যাগ আন্দোলনত কর্ত্তব্য সাধন কিম্বা শৰীৰ পতন মন্ত্রত দীক্ষিত

হয় । তেতিয়াৱে পৰা মহাত্মা গান্ধীৰ কার্য্যসূচী ৰূপায়ণত ব্রতী হৈ অৱর্ণনীয় দৰিদ্রতাৰ মাজত দিন কটাই অৱশেষত মৃত্যুক আকোৱালি ললে । কোনো স্বীকৃতি আৰু পেঞ্চনৰ কাৰণে হাবিয়াস নকৰিলে ।

স্বর্গীয় গজেন্দ্রনাথ ৰৱদলৈ : তৰাজান কাকতি গাৱঁৰ নিগাজী নিবাসী ৺ৰৱদলৈ পুলিচ বিষয়া আছিল । ১৯২১ চনৰ অসহযোগ আন্দোলনত সেই চাকৰি পদত্যাগ কৰি সংগ্রামৰ কার্য্যসূচীত আত্মনিয়োগ কৰি তিনিমাহ কাৰাৱৰণ হয় । কাৰামুক্তিৰ পাচতো কংগ্রেছৰ সেৱাত আত্মনিয়োগ কৰে আজীৱন সামাজিক অনুষ্ঠানৰ লগত জড়িত মুক্তি যুঁজাৰুজন বিপ্লৱী মানসিকতাৰ অধিকাৰী আছিল । পুলিচৰ বিষয়া চাকৰি পদত্যাগ কৰি বিপ্লৱী জীৱনৰ কণ্টকময় পথ বাচিলোৱা মুক্তি যুঁজাৰু যোৱহাটত সম্ভৱ ৺ৰৱদলৈ সর্ব্বপ্রথম ।

স্বর্গীয় কৃষ্ণকান্ত ভট্টাচার্য্য : 'কৃষ্ণ পেস্কাৰ' – নামে খ্যাত যোৱহাট নগৰৰ তৰাজানত ১৮৬৬ চনত জন্ম গ্রহণ কৰি উনবিংশ শতিকাতে সংবাদ সেৱাৰ মাধ্যমেৰে অসমত অভূতপূর্ব আলোড়নৰ সৃষ্টি কৰে এইজন সাংবাদিকে । 'আসাম বিলাসিনী' সাপ্তাহিক সংবাদ পত্র প্রকাশন আৰু সম্পাদনাৰে নিজে চৰকাৰী কর্ম্মচাৰী হৈয়ো কালেকো কেৰেপ নকৰি দুর্দ্দান্ত সাহসেৰে স্বাধীনতা সংগ্রামত প্রত্যক্ষভাৱে নেতৃত্ব দিয়াৰ বিৰল দৃষ্টান্ত ডাঙি ধৰে ১৯১৬ চনত প্রথম প্রকাশ কৰি ১৯৩৮ চনলৈকে ইংৰাজী আৰু অসমীয়া ভাষাত 'আসাম বিলাসিনী'য়ে বৃটিছ চৰকাৰক সন্ত্রস্ত কৰাৰ উপৰিও অসহযোগ আন্দোলনক প্রভূত সহায় কৰিছিলে । দৰিদ্রতাৰ ওপৰত মাধমাৰ সোধোৱা দুটা কাম- ১৯২১ চনৰ পৰা ভট্টাচার্য্যৰ পেঞ্চন বাতিল আৰু একে বছৰতে প্রেছ আইনৰ সহায়ত দুহাজাৰ টকা জামিন আদায় কৰাত স্বাধীনতা সংগ্রামৰ তেজ উতলা কৰা কাকতখন বন্ধ হৈ যায় ।

বাতৰিৰ উপৰিও ইংৰাজ চৰকাৰৰ খৰ-কাচুতি নাইকীয়া কৰা সম্পাদকীয় প্ৰবন্ধই 'চেনি বন্ধা কাগজত' প্ৰকাশিত আসাম বিলাসিনীয়ে কংগ্ৰেছক শক্তিশালী কৰাৰ কৰাৰ লগতে ইংৰাজ চৰকাৰক কম্পিত কৰি তুলিছিল। উদাহৰণ স্বৰূপে একেৰাহি ভাতৰ এটা পিটিকি পাওঁ : প্ৰথম অস্থায়ী ৰাজ্যপাল ছাৰ নিকলাচ বিটচন বেলৰ (Beatson Bell) আমোলতে চৰণীয়া পথাৰ কৰ আইন গৃহীত হয়। ভট্টাচাৰ্য্যই প্ৰবন্ধ লেখিলে **Beasts Bell,"** কৰ যথাসময়ত প্ৰত্যাহাৰ কৰা হ'ল। ভোগদৈ নৈত বান্ধ দিয়াৰ আঁচনি আসাম বিলাসিনীয়ে চুৰমাৰ কৰি দিলে। অসমৰ প্ৰথিতযশা সাংবাদিক প্ৰয়াত হৰেন্দ্ৰ নাথ বৰুৱাৰ মতে দেশৰ স্বাধীনতা আন্দোলনত " আটাইতকৈ উল্লেখযোগ্য ৰৰঙণি যোগোৱা" কাকত আছিল আসাম বিলাসিনী। ' পলিটিকেল হিষ্টৰী অৱ আছাম'ত . ." কংগ্ৰেছ দলৰ কাম-কাজৰ বাতৰি আৰু কংগ্ৰেছ কৰ্মীয়ে লিখা প্ৰবন্ধ প্ৰকাশ কৰিছিল।" বুলি লিখি ভট্টাচাৰ্য্যৰ ওপৰত কৰা নিৰ্য্যাতন, নিষ্পেষণ আৰু শোষণৰ বৰ্ণনা দিছে।

অপেক্ষাকৃত ভাৱে চাপৰ, এটা ভৰি সামান্য দুপিয়াই লাখুটি লৈ খোজ কঢ়া অমিততেজা মানুহজন ৮৭ বছৰ বয়সত ১৯৫৩ চনত পৰলোক হয়।

স্বৰ্গীয় বংশীধৰ ৰৰগোঁহাই : যোৱহাট নগৰৰ কুশল কোঁৱৰ পথৰ স্থায়ী বাসিন্দা। পিতৃ 'ৰায় চাহাব' ক্ষেত্ৰধৰ ৰৰগোঁহাই, মাতৃ অন্নদা আইদেউ। জন্ম ১৯২৭ চনৰ ২৬ এপ্ৰিল। মৃত্যু ১৯৮৭ চনৰ ১০ আগষ্ট। জীৱনকাল ৬০ বছৰ মাত্ৰ।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ছাত্ৰাৱস্থাতে আত্মনিয়োগ কৰে। কেইবাবাৰো তেখেতক গ্ৰেপ্তাৰ কৰি দুপৰ ৰাতি কাজিৰঙা আৰু আৰু নামৰৰ হাবিত এৰি দিছিল। 'জনযুদ্ধ' বিৰোধী ছাত্ৰ সম্মিলনৰ সক্ৰিয় কৰ্মী আছিল।

আন্দোলনৰ পাচত কলিকতাত পঢ়ি থাকোতে ১৯৪৮ চনত ভাৰতীয় বিমান বাহিনীত যোগ দি 'গ্ৰুপ কেপ্তেইন' পদলৈ পদোন্নতি হৈ ১৯৭৭ চনত অৱসৰ লয়। অৱসৰৰ পাচত যোৱহাটৰ সামাজিক কামত অবিৰত ভাৱে জড়িত হৈ পৌৰ সভাৰ পৌৰপতি নিৰ্ব্বাচিত হয়। ছয় বছৰীয়া অস্তিত্ব ৰক্ষা সংগ্ৰামত সুযোগ্যা পত্নী শ্ৰীমতী শশীপ্ৰভা ৰৰগোঁহাইৰ সৈতে আত্মনিয়োগ কৰে। শ্ৰীমতী ৰৰগোঁহায়ে'জোনাকী সংঘ'ৰ জৰিয়তে বিদ্যালয় প্ৰতিষ্ঠা কৰি ৰৰগোঁহাইৰ সপোন বাস্তবায়িত কৰাত ব্ৰতী।

স্বৰ্গীয় জগত চন্দ্ৰ শইকীয়া ঃ চাৰিগাওঁ মৌজাৰ দিহিঙ্গীয়া গাঁৱৰ নিগাজী নিবাসী । পিতৃ ঁমধৰাম শইকীয়া, মাতৃ ঁ বিলাহী । জন্ম ১৯০৫ চন । মৃত্যু ১৯৪৯ চন । জীৱনকাল ৪৪ বছৰ মাত্ৰ ।

অক্লান্ত সমাজকৰ্মী ঁশইকীয়া ১৯৩০ চনৰে পৰা কংগ্ৰেছ আৰু স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভাৱে জড়িত । ১৯৪১ চনত কাছগৰালত সত্যাগ্ৰহ কৰে ।। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত 'স্বাধীন চাৰিগাওঁ ৰাষ্ট্ৰ'ৰ গৃহমন্ত্ৰী স্বৰূপে কাৰ্য্যনিৰ্বাহ কৰি আত্মগোপনেৰে শেহলৈকে ধৰা নিদিয়াকৈ থকাত কৃতকাৰ্য্য হয় । ১৯৪৫ চনৰে পৰা মৰণ কাললৈকে যোৱহাট লোকেল ব'ৰ্ডৰ সদস্য । জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী সদস্য স্বৰূপে জিলা ভিত্তিক সংগ্ৰামৰ মুখীয়াল ভূমিকা লয় । অবিৰত অক্লান্ত পৰিশ্ৰমৰ অৱসান ঘটায় শইকীয়াৰ অকাল বিয়োগে ।



স্বৰ্গীয় বিনন্দ চন্দ্ৰ বৰা ঃ শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ বলীয়াঘাটত জন্ম হ'লেও ১৯৪৯ চনৰ পৰা কাটনি মৌজাৰ মৰিয়নিৰ স্থায়ী বাসিন্দা । পিতৃ ঁ যোগানন্দ বৰা । জন্ম ১৯২৩ চন । মৃত্যু ১৯৮৫ চন । জীৱন কাল ৬২ বছৰ ।

অষ্টম শ্ৰেণীৰ ছাত্ৰাৱস্থাতে ১৯৩৮ চনত স্বাধীনতা সংগ্ৰামৰ প্ৰতি আকৃষ্ট হয় । ১৯৪০ চনত সত্যাগ্ৰহ কৰি কাৰাবাস খাটে । ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত প্ৰায় এবছৰ কাৰাৰুদ্ধ হয় । স্বাধীনোত্তৰ কালত ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ জৰিয়তে ট্ৰেড ইউনিয়নত ব্ৰতী হৈ নাজিৰা চাহ মজদুৰ সংঘৰ সভাপতি হয় ।

মৰিয়নিলৈ আহি কংগ্ৰেছৰ সংগঠনত ব্ৰতী হৈ জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী সদস্য হয় । মৰিয়নি গাওঁ পঞ্চায়তৰ বহু বছৰ একেৰাহে সভাপতি পদত থাকি মৰিয়নিৰ সকলো শিক্ষানুষ্ঠান, ক্ৰীড়ানুষ্ঠান প্ৰতিষ্ঠাত অগ্ৰগণী ভূমিকা লয় ।

১৯৭২ চনত তাম্ৰ-পত্ৰ আৰু ১৯৭৪ চনৰ পৰা ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সম্মান পেঞ্চন পায়।

স্বৰ্গীয়া জাপৰী দেৱী ঃ ঠেঙ্গাল মৌজাৰে কেৱল নহয়, সমগ্ৰ যোৰহাট জিলাৰ ১৯২১ চনৰে পৰা কংগ্ৰেছ সংগঠন আৰু সংগ্ৰামৰ কৰ্ণধাৰ প্ৰয়াত ৰত্নেশ্বৰ শৰ্মাৰ সহধৰ্মিনী। কংগ্ৰেছ আৰু সংগ্ৰামৰ কামত ঘৰত থাকিবলৈ আহৰি নোপোৱা স্বামীৰ অবিহনে ঘৰখন চলোৱা দক্ষতাৰ উপৰিও ভোলানাথ স্বামীৰ তত্বাৱধানৰ পাৰদৰ্শিতাৰে দেশ সেৱাত অকাতৰে অৰিহণা যোগোৱা মহিলা গৰাকীৰ জন্ম ১৯১০ চনত আৰু পৰলোক হয় ১৯৭৪ চনত।

স্বামীৰ অবৰ্ত্তমানত একমাত্ৰ পুত্ৰৰ দায়িত্ব দাৰিদ্ৰ্যৰ মাজতো বৈধব্যৰ বোজা লৈয়ো সন্তৰ কৰি তুলিছিল এই গৰাকী কষ্টসহিষ্ণু মহিলাই।

স্বৰ্গীয় বিষ্ণুকান্ত দত্ত ঃ সৰুচৰাই মৌজাৰ ৰজাহাউলীৰ নিগাজী নিবাসী। পিতৃ সোমেশ্বৰ দত্ত, মাতৃ ৰত্নেশ্বৰী। জন্ম ১৯২১ চন, মৃত্যু ৪-৯-৯৩ চন। জীৱনকাল ৭২ বছৰ। যোৰহাটৰ বেজবৰুৱা মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীত পঢ়াৰ পৰা ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত বালিগাঁৱৰ বৰেণ্য মুক্তি যুঁজাৰু মুকলীধৰ বৰুৱাৰ নেতৃত্বত আত্মনিয়োগ কৰে। ২৪ চেপ্তেম্বৰৰ দিনা যোৰহাট কাছাৰীত পিকেটিং কৰোতে গ্ৰেপ্তাৰ কৰি ছয়মাহ কাৰাবাস খটিব লগা হয়। কাৰামুক্তিৰ পাচতো দত্তই বিভিন্ন সংগ্ৰামৰ কাৰ্য্যসূচীত ব্ৰতী হয়। সংগ্ৰাম শেষ হোৱাত দত্তই জাহাজঘাটৰ চাকৰিত সোমায়। বিহাৰলৈ বদলি কৰাত ১৯৬৬ চনত চাকৰিৰ পৰা পদত্যাগ কৰি পুনৰ সামাজিক কামত ব্ৰতী হয়।

ৰাষ্ট্ৰীয় আৰু বাজ্যিক সম্মান পেঞ্চন পাইছিল।

স্বৰ্গীয়া সৰোজিনী দেৱী (গোস্বামী) ঃ কৃষ্ণ মামাৰ জীয়ৰী আৰু উত্তৰ লক্ষীমপুৰৰ প্ৰসিদ্ধ মুক্তি যুঁজাৰু আৰু সাহিত্যিক নন্দ গোস্বামীৰ সহধৰ্মিনী।

পতিগৃহ গছকাৰ আগতে বৈধব্যৰ বোজা গ্ৰহণ । মহাত্মা গান্ধীৰ পৰামৰ্শক্ৰমে ৰাৰ্দ্ধাত সাত বছৰ শিক্ষা গ্ৰহণৰ অন্তত ৰাৰ্দ্ধাতে অধ্যাপনাৰ দায়িত্বত ন্যস্ত হয় । ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত নাগপুৰতে অংশগ্ৰহণ কৰি এবছৰ কাৰাবাস খাটে । ৰাৰ্দ্ধা মহিলা আশ্ৰমত বাপুজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰি থাকোতেই ১৯৪৬ চনত পৰলোক হয় । গুণমুগ্ধা আশ্ৰমবাসীয়ে আশ্ৰমত এজুপি বকুলৰ পুলি ৰোপন কৰি অভিনৱ উপায়েৰে স্মৃতি ৰাখে । ফলে-ফুলে জাতিষ্কাৰ হৈ সেই বকুলে আজিও সৰোজিনীৰ স্মৃতি ৰক্ষা কৰি আছে ।

স্বৰ্গীয় টঙ্কেশ্বৰ দাস ঃ তিতাবৰ মৌজাৰ ৰৰবাম চুঙ্গিৰ এই প্ৰসিদ্ধ মুক্তি যোদ্ধাজনৰ পিতৃ "কলিয়া দাস, মাতৃ" নয়নতৰা । জন্ম ১৯১৭ চনৰ ১ লা জুন । মৃত্যু ১৯৮২ চনৰ ৮ জুন । জীৱনকাল ৬৫ বছৰ ।

প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ বৃত্তি পাই উত্তীৰ্ণ হোৱা ল'ৰাজনে তিতাবৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰাৱস্থাতে " ব্যক্তি জীৱনৰ ভবিষ্যত পাহৰি গ'লা, দেশৰ স্বাৰ্থক সাৱটি ল'লা, . . . শঙ্কৰ বৰকন্যাৰ শুশুচৰ হ'লা ।" বুলি মৰণ-কালৰ প্ৰশস্তি পত্ৰত যথাৰ্থভাবে কৈছে । যোৰহাট জিলা অনুসূচীত জাতি পৰিষদ দাসৰ অবিৰত শ্ৰমৰ ফলশ্ৰুতি । এই পৰিষদৰ ৰাজ্যিক উপ-সভাপতি ১৯৫৫ চনত যোৰহাট গড়মূৰলৈ স্থানান্তৰ হৈ সমাজ জীৱনত সোমাই পৰে । গড়মূৰ মধ্য ইংৰাজী বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাতা । সকলো উন্নয়নমূলক কামৰ মাজতে দাসৰ জীৱন আচম্বিতে অৱসান হয় । সম্মান পেঞ্চন পাইছিল ।

স্বৰ্গীয় ৰগাৰাম গগৈ ঃ যোৰহাট জিলাৰ কাটনা মৌজাৰ কাটনীপাৰ গাঁৱত জন্ম গ্ৰহণ কৰা গগৈয়ে স্কুলীয়া শিক্ষা সাং কৰি চৈকতা ৰাগানত চাকৰি কৰি ৰৰমহৰী পদ পাইছিল । কিন্তু ১৯২১ চনত মহাত্মাজীৰ আহ্বানত চাকৰি এৰি আন্দোলনত যোগদান দিয়ে । গোটেই জীৱন কংগ্ৰেছৰ সংগঠনত আত্মনিয়োগ কৰে । কানি ৰৰষিহ সমুলঞ্চে বন্ধ কৰা আৰু মদ নিৰাৰণী আন্দোলনত ১৯২২ চনত যোগদান দিয়ে ।

১৯৪২ চনত ভাৰত-ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি আত্মগোপন কৰে। বিপ্লৱী বীৰ শঙ্কৰ বৰুৱাই এখেতৰ ঘৰত আৰু তত্ত্বাৱধানত আত্মগোপন কৰি গোলাঘাট আৰু যোৱহাটত বিপ্লৱ সক্ৰিয় কৰে।



স্বৰ্গীয় প্ৰিয়ৱাম কলিতা ঃ টীয়ক মৌজাৰ দুইনৈমুখ কুমাৰ গাঁৱৰ নিগাজী নিবাসী। পিতৃ কমলা কলিতা, মাতৃ ৰূপহী। জন্ম ১৯১৫ চন, মৃত্যু ১৯৯৪ চন। জীৱনকাল ৭৯ বছৰ।

১৯৩৯ চনৰে পৰা কংগ্ৰেছৰ সক্ৰিয় সদস্য ভুক্ত হৈ মুক্তি ৰণৰ ৰণুৱা হিচাবে টীয়কত সামৰ্থ অনুযায়ী ৰৰঙণি আগবঢ়ায়। ১৯৪২ ৰ টীয়ক থানা অৱৰোধত অংশ লয়। মুদৈজানৰ দলং ভঙাৰ ষড়যন্ত্ৰত জড়িত। আত্মগোপন কৰি গ্ৰেপ্তাৰৰ পৰা আঁতৰি থাকে। ১৯৪৮ ৰ পৰা টীয়ক ৰজাবাৰী প্ৰাথমিক পঞ্চায়তৰ সভাপতি।

ৰাজ্যিক সম্মান পেঞ্চন পাইছিল।

স্বৰ্গীয়া তাৰিণী ৰৰকটকী ঃ হৰিজন বন্ধু কৃষ্ণ মামাৰ ভনীয়েক আৰু শিমলুগুৰিৰ প্ৰসিদ্ধ মুক্তি যোদ্ধা বসুকান্ত ৰৰকটকীৰ পত্নী হৈ পিতৃগৃহ আৰু পতিগৃহ উভয়তে স্বাধীনতা আন্দোলনৰ পৰিৱেশত মহিলা কৰ্মী স্বৰূপে নিজক সংগ্ৰামত জড়িত কৰে। ফলশ্ৰুতিত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী পদৰ পৰা বৰ্খাস্ত হ'ব লগা হয়। ১৯৩৪ চনত মামাৰ গোঁসাইঘৰ হৰিজনৰ কাৰণে বাপূজীৰ হতুৱাই মুকলি কৰা নাম প্ৰসঙ্গত যোগদানৰ কাৰণে বহু বছৰ সমাজচ্যুত হৈ থাকিব লগা হয়। ওৰেটো জীৱন সমাজৰ উন্নয়নত ব্ৰতী হয়।

সৰাইঘৰাৰ স্থায়ী বাসিন্দা হিচাবে জীৱন কটায়।

স্বৰ্গীয় সুৰেন্দ্ৰ নাথ বৰুৱা ঃ যোৰহাট জিলাৰ ঠেঙাল মৌজাৰ ৰৰচৈকতাৰ বাসিন্দা হ'লেও যোৰহাট নগৰৰ ৰজামৈদামত জীৱিত কালতেই স্থায়ীভাৱে থাকিবলৈ লয় । পিতৃৰ নাম ° গিৰীশ চন্দ্ৰ বৰুৱা, মাতৃ °- নৰেশ্বৰী বৰুৱা । জন্ম চন ১৯১০ চন, মৃত্যু ১৯৯৩ চন । জীৱনকাল ৮৩ বছৰ ।

১৯৩০ চনত বৰুৱাই বিদ্যালয় বৰ্জন কৰি আইন অমান্য আন্দোলনত যোগদান কৰে ; আৰু দীৰ্ঘদিন কাৰাবাস খাটিবলগীয়া হয় । জেলৰ পৰা ওলাই আহি শিৱসাগৰত জাতীয় বিদ্যাপীঠ গঢ়া কামত আত্মনিয়োগ কৰে । ১৯৪২ চনত মোমায়েক বিপ্লৱী বীৰ শঙ্কৰ বৰুৱাৰ ছাঁৰ দৰে থাকি অজ্ঞাতবাসত আছিল আৰু মোমায়েকৰ কাৰ্য্যাৱলীত সহায় কৰিছিল ।

সঙ্গীতজ্ঞ আৰু (চাৰু শিল্পী) বৰুৱাই ন- আলি ঢেকিয়াজুলীত যুৱক সংঘ গঠন কৰি নৃত্য-গীতৰ প্ৰশিক্ষণ দিয়াৰ উপৰিও ভাৱনা, থিয়েটাৰ আদি প্ৰশিক্ষণত আগভাগ লয় আৰু দৃশ্যপট আঁকি খ্যাতি আৰ্জন কৰে ।

বাৰ্দ্ধক্যজনিত কাৰণত ৮৩ বছৰ বয়সত ১৯৯ ৩ চনৰ ১৯ অক্টোবৰত মৃত্যুবৰণ কৰে । ভাৰত চৰকাৰৰ স্বতন্ত্ৰতা সৈনিক সন্মান পেঞ্চন আৰু ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছিল ।

স্বৰ্গীয় তনুৰাম শইকীয়া ঃ চৰাইবাহী মৌজাৰ ফেটা গাৱঁৰ নিগাজী নিবাসী । পিতৃ °লবোৰাম শইকীয়া, মাতৃ ভাদৈ । জন্ম ১৯০১ চন, মৃত্যু ১৯৯২ চন । জীৱনকাল ৯১ বছৰ ।

১৯২১ চনৰ অসহযোগ আন্দোলনৰ পৰা স্বাধীনতা সংগ্ৰামত জড়িত । তেতিয়াৰে পৰা স্বাধীনতা আন্দোলন আৰু কংগ্ৰেছৰ সংগঠনত সক্ৰিয় সহযোগ কৰে । ১৯৪২ চনৰ ভাৰত - ত্যাগ আন্দোলনতো আৰক্ষীক ধৰা নিদিয়াকৈ সংগ্ৰাম সজীৱ কৰি ৰাখিবলৈ সক্ষম হয় ।

স্বাধীনোত্তৰ কালতো কংগ্রেছৰ জৰিয়তে গ্রাম্য উন্নয়নত আৰু শিক্ষানুষ্ঠান প্রতিষ্ঠাত আগভাগ লয় । ৰাষ্ট্রীয় সন্মান আৰু ৰাজ্যিক পেঞ্চন পাইছিল ।

স্বর্গীয় বাপিৰাম গোঁহাই ঃ তিতাবৰৰ গোঁহাই গাঁৱৰ নিগাজী নিৰাসী । মহাত্মা গান্ধীৰ প্রথম দর্শনতে মন্ত্রমুগ্ধ হৈ ১৯২১ চনৰ অসহযোগ আন্দোলনত চফল ডেকা বয়সত আত্মনিয়োগ কৰে । মাদক দ্রব্যৰ মহলত পিকেটিং কৰা অপৰাধত গ্রেপ্তাৰ হৈ তিনিমাহ কাৰাদণ্ড ভোগ কৰি ১৯২২ চনৰ ৭ অক্টোবৰ তাৰিখে সম্পূর্ণ ম্যাদৰ অন্তত মুক্তি পায় । কাৰামুক্ত হোৱাৰ পাচতো কংগ্রেছৰ এজন একনিষ্ঠ সেৱক স্বৰূপে সেৱা আগবঢ়াই পৰিপক্ক বয়সত পৰলোক হয় ।

স্বর্গীয় চন্দ্র বৰুৱা ঃ তিতাবৰৰ ঢেকিয়াজুলি সোণাৰী গাঁৱৰ বাসিন্দা । মাধ্যমিক বিদ্যালয়ৰ উচ্চ শ্রেণীৰ ছাত্র হৈ থাকোতেই ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত আত্মনিয়োগ কৰে । সুদর্শন চেহেৰা আৰু নিপোটল স্বাস্থ্যৰ অধিকাৰী বৰুৱাই কঠোৰতম কামো কৰিব পাৰিছিল । নামজ্বলা খেলুৰে হিচাবে মৃত্যু বাহিনীৰ সেনানী হৈ গ্রেপ্তাৰ হয় আৰু দীর্ঘকাল কাৰাবাস খাটে । কাৰামুক্তিৰ পাচত উচ্চ শিক্ষা লওঁতে ছাত্র কংগ্রেছৰ প্রসিদ্ধ কর্মী স্বৰূপে ছাত্র সংগঠনত ব্রতী হয় ।

স্বাধীনোত্তৰ কালত অসম চৰকাৰৰ ৰেচম বিভাগৰ চাকৰিত নিযুক্তি লৈ বিচক্ষণতাৰ পৰিচয় দি ক্রমান্বয়ে পদোন্নতি পাই উপ-সঞ্চালক পদলৈ উন্নীত হয় । সেই চাকৰিত থাকোতেই অপ্রত্যাশিত ভাৱে পৰলোক হয় ।

স্বর্গীয় বেণুধৰ ৰাঘৰৰা ঃ ঠেঙ্গাল মৌজাৰ পাণবাৰীৰ বাসিন্দা । চুবুৰীটো বাঘৰৰা চুবুৰী নামেৰেই জনাজাত । ৰত্নেশ্বৰ শর্মা আৰু ইন্দ্রেশ্বৰ ৰৰমেধীৰ প্রভাৱত এইজন মুক্তি যুঁজাৰুৱে ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্রহণ কৰি মাদক দ্রব্যৰ মহলত পিকেটিং কৰে । পৰৱর্ত্তী কংগ্রেছ সংগঠনৰ জৰিয়তে সামাজিক কামত ব্রতী হয় ।

স্বর্গীয় ফণিধৰ ফুকন ঃ লাহিং মৌজাৰ ফুকন ১৯২১ চনৰ বামুণ পুখুৰীৰ শিৱিৰত থাকি অসহযোগ আন্দোলন কৰিছিল । শিৱিৰৰ মুক্তি যুঁজাৰু ফুকন গোৰা পল্টনৰ অৱর্ণনীয় অত্যাচাৰৰ বলী হৈছিল । ফুকন সেই সকলৰ অন্যতম । যোৰহাটৰ আদালতত হেম নাথ ফুকনৰ লগত একেলগে বিচাৰ হয় আৰু ৪-৯-২২ তাৰিখে পাঁচ মাহৰ সশ্রম কাৰাদণ্ড বিহে । কাৰা মুক্তিৰ পাচত

আন্দোলনৰ মহাত্মাজীৰ গঠনমূলক কামত উৎসৰ্গিত জীৱন যাপন কৰি চাওখাট মৌজালৈকে নিজৰ কৰ্মক্ষেত্ৰ সম্প্ৰসাৰিত কৰে ।

স্বৰ্গীয় কুলাই দাস ঃ খঙ্গিয়া মৌজাৰ দহোটীয়া অঞ্চলৰ ৰৱহুজ গাঁৱৰ দাস ১৯২১ চনতে মহাত্মা গান্ধীৰ প্ৰতি আকৃষ্ট হয় আৰু কংগ্ৰেছ আৰু আন্দোলনৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰে । মাদক দ্ৰব্যৰ মহলত পিকেটিং কৰোঁতে গ্ৰেপ্তাৰ হৈ এমাহ কাৰাদণ্ড হয় ।

১৯২১ চনৰ স্বাধীনতা সংগ্ৰামত কাৰাবাস খটা এইজন মুক্তি যুঁজাৰুৱে ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ প্ৰাক কালতে ইহলীলা সম্ভৰণ কৰে ।

স্বৰ্গীয় কানিৰাম দাস ঃ খঙ্গিয়া মৌজাৰ দহোটীয়া এলেকাৰ ৰৱহুজ গাঁৱৰ বাসিন্দা দাসে ১৯২১ চনৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম পৰ্য্যায়তে মহাত্মা গান্ধীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আন্দোলনত আত্মনিয়োগ কৰে । ১৯২১ চনত মহাত্মাজীৰ প্ৰথম অসম ভ্ৰমণত যোৰহাটলৈ আহোতে দাসে বাপুজীৰ প্ৰথম দৰ্শনতে মন্ত্ৰমুগ্ধ হয় । একে বছৰতে স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰি এমাহ কাৰাদণ্ড ভুগিব লগা হয় ।

কাৰামুক্ত হৈ কংগ্ৰেছৰ সেৱাত ব্ৰতী হৈ ১৯৩০ চনৰ আইন অমান্য আন্দোলন আৰম্ভ নৌহওঁতেই স্বৰ্গী হয় ।

স্বৰ্গীয় দিৱাকৰ ফুকন ঃ খঙ্গিয়া মৌজাৰ পানীচকুৱা গাঁৱৰ নিবাসী এইজন মুক্তি যুঁজাৰুৱে মহাত্মা গান্ধীৰ দৰ্শন লাভ কৰি ইমান আপ্লুত হ'ল যে ১৯২১ চনৰ অসহযোগ আন্দোলনত আত্মনিয়োগ কৰি ৩ মাহ কাৰাবাস খাটিলে । একৈশৰ কাৰাজীৱনৰ কঠোৰতাই ফুকনৰ মহাত্মাজীৰ প্ৰতি শ্ৰদ্ধা আৰু অধিক কৰিলে আৰু স্বাধীনতা সংগ্ৰামৰ প্ৰতি আগ্ৰহ আগতকৈয়ো শাণিত কৰিলে । কাৰামুক্তিৰ পাচত গাঁও সংগঠনৰ কামত একাণপতীয়াকৈ লাগি অকালতে সংসাৰ ত্যাগ কৰে ।

স্বৰ্গীয় নৰনাথ শৰ্ম্মা ঃ শিমলুগুৰি মৌজাৰ এইজন মুক্তি যুঁজাৰুক কোনো ভাবুকিয়ে টলাব নোৱাৰিলে । লাহিঙৰ প্ৰসিদ্ধ মুক্তি যুঁজাৰু হেমনাথ ফুকনৰ আৰু কালিধৰ ফুকনৰ বিপক্ষে ১৯২১ চনত যোৰহাট কাছাৰীৰ আদালতত সাক্ষী দিবলৈ অস্বীকাৰ কৰাত দুই সপ্তাহ কাৰাদণ্ডৰ উপৰিও পাঁচ টকা জৰিমনা ভৰে । তথাপি সাক্ষী নিদি শাস্তিকে শিৰ পাতি ল'লে । ১৯২১ চনৰ বামুণপুখুৰীৰ

বিৰাট শিৱিৰৰ প্ৰভাৱত এনে নিৰ্ভীকতা আৰু স্বতঃ প্ৰণোদিত শাস্তি গ্ৰহণৰ মানসিকতা গঢ় লৈ উঠিছিল যে , দেশতকৈ মোমাই ডাঙৰ নহয় ।'

স্বৰ্গীয় নবীন চন্দ্ৰ গোস্বামী ঃ পৰ্ব্বতীয়া মৌজাৰ ধাপকটা সত্ৰৰ স্থায়ী বাসিন্দা গোস্বামী ১৯২১ চনৰে অসহযোগ আন্দোলনৰ কৰ্ম্মী । কানি নিবাৰণ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিলেও বুদ্ধিমত্তাৰে গ্ৰেপ্তাৰ এৰাই চলিব পাৰিছিল । মহাত্মা গান্ধীৰ ১৯২১ চনৰ অসম ভ্ৰমণত যোৱহাট কাছাৰী পথাৰৰ সভাৰ আয়োজনত সক্ৰিয় ভূমিকা লোৱা মানুহজনে পৰৱৰ্ত্তী আন্দোলনত আত্মনিয়োগ কৰি সামাজিক পৰিবৰ্ত্তনৰ পোষকতা কৰি নিজৰ প্ৰভাৱত প্ৰতিফলন ঘটাব পাৰিছিল । সেই প্ৰভাৱৰ ফলশ্ৰুতিত ধাপকটা সত্ৰৰ কেইবাজনো পুৰুষে ১৯৪২ ৰ গণ বিপ্লৱত অংশ লৈ কাৰাবাস খাটে ।

স্বৰ্গীয় হৰনাথ শৰ্ম্মা ঃ পৰ্ব্বতীয়া মৌজাৰ চাৰিঙ্গিয়া বেজগাওঁ নিবাসী শৰ্ম্মা গাওঁ সংগঠনৰ লগত আগৰে পৰা জড়িত থাকিলেও ১৯৪২ ৰ ভাৰত -ত্যাগ আন্দোলনত লোৱা সক্ৰিয় ভূমিকাই পশ্চিম যোৱহাটৰ এজন উল্লেখযোগ্য স্বাধীনতা যুঁজাৰু হিচাপে প্ৰতিভাত হয় । শিৱিৰত সাময়িক ভাৱে আছিল যদিও সামৰিক যোগান বন্ধ কৰা, হাট-বজাৰত পিকেটিং কৰা, আনকি কুটাঘাত মূলক কামতো শিৱিৰৰ মৃত্যু বাহিনীৰ লগত সহযোগ কৰি একাধিকবাৰ গ্ৰেপ্তাৰ বৰণ কৰিছিল ।

পৰৱৰ্ত্তী জীৱনত চাহ কৰ্ম্মচাৰী হৈ ট্ৰেড্ ইউনিয়নৰো সক্ৰিয় কৰ্ম্মী আছিল । অৱসৰৰ কেইবছৰমান পাছত পৰলোক হয় ।

স্বৰ্গীয় ৰাম শৰ্ম্মা ঃ ১৯১৪ চনত জন্মগ্ৰহণ কৰা পৰ্ব্বতীয়া মৌজাৰ টিলিকিআমৰ এই মুক্তি যুঁজাৰুজন টিলিকিআমৰ তিনিদিনীয়া ৰায়ত সভাৰ এজন একনিষ্ঠ কৰ্ম্মী আছিল । ১৯৩৪ চনত সেই এলেকাত নিজৰ মাটিতে হৰিজন প্ৰাথমিক বিদ্যালয় স্থাপন কৰি সৰ্ব্বেশ্বৰ ৰৰদলৈৰ লগত সহ শিক্ষক আছিল । তেতিয়াৰে পৰা শৰ্ম্মা কংগ্ৰেছৰ এজন সংগঠক আৰু স্বাধীনতা আন্দোলনৰ এজন সক্ৰিয় কৰ্ম্মী । ১৯৪২ চনত সামৰিক যোগানত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি সংগ্ৰামত সক্ৰিয়তাৰ পৰিচয় দিছিল যদিও শিৱিৰ জীৱনৰ পৰা আঁতৰত আছিল ।

স্বাধীনোত্তৰ কালত অসম ৰাজ্যিক পৰিবহন নিগমৰ এজন নিষ্ঠাবান আৰু সততাসম্পন্ন কৰ্ম্মচাৰী হৈ কৰ্ত্তব্যনিষ্ঠা আৰু সাধুতাৰ বিৰল দৃষ্টান্তৰ ৰাবে

এটি পদক আৰু প্ৰশংসা পত্ৰেৰে পুৰস্কৃত হৈছিল । ১৯৮৮ চনত কোনো স্বীকৃতি নিবিচাৰা এইজন মুক্তি যুঁজাৰুৱে পৰলোক হয় ।

স্বৰ্গীয়া ভোগদা দেৱী ঃ পৰ্ব্বতীয়া মৌজাৰ টিলিকিআম নিবাসী এই গৰাকী মহিলা মুক্তি যুঁজাৰু ৺যদুনাথ শৰ্মাৰ সহোদৰা ভগ্নী । বিবাহিতা হৈ স্বামীগৃহ গৰকিবলৈ নৌপাওঁতেই বাল্য বিধবা হয় । বৈধব্যৰ যন্ত্ৰণা পৰিবৰ্ত্তিত হয় জ্যেষ্ঠভাতৃৰ প্ৰেৰণাত ১৯২১ চনৰ অহিংস অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণেৰে স্বদেশ প্ৰেমৰ উচ্ছাসলৈ । মহাত্মা গান্ধীৰ দৰ্শনে সেই উচ্ছাস স্থায়ী কৰি মহিলা গৰাকীৰ জীৱনলৈ প্ৰশান্তি আৰু গাঁও সংগঠনৰ প্ৰতি আস্থাৰ সৃষ্টি কৰি নেত্ৰীস্থানীয় মুক্তি যুঁজাৰুৰ ভূমিকাত অৱতীৰ্ণ হয় । ১৯৩০ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰি পিকেটিং আদি কাৰ্য্যসূচীত জড়িত হয় । বিয়াল্লিশৰ বিপ্লৱত বাৰ্দ্ধক্যৰ ব্যাধিগ্ৰস্তা । ককায়েকতকৈ কেইবছৰমান আগতে ১৯৭৯ চনত পৰিপক্ক বয়সত বিয়োগ হয় ।

স্বৰ্গীয় যদুনাথ শৰ্ম্মা ঃ পৰ্ব্বতীয়া মৌজাৰ টিলিকিআমৰ বাসিন্দা ৺ শৰ্ম্মা ১৯২১ চনৰ অসহযোগ আন্দোলনৰে পৰা সক্ৰিয় কংগ্ৰেছ সেৱক । অপেক্ষাকৃত ভাৱে চাপৰ, কেকোৱা-কেকুৰি চুলিখিনিৰ সোঁ মাজতে সেওতা ফলা মানুহজন ১৯৩৪ চনৰ তিনিদিনীয়া ৰায়ত সভাৰ অক্লান্ত কৰ্মী আৰু অন্যতম উদ্যোক্তা আছিল । চিৰকুমাৰ শৰ্মাৰ ঘৰখনেই স্বাধীনতা আন্দোলনত সক্ৰিয় ভাৱে জড়িত আছিল । খেলা-ধুলাৰ প্ৰতি অনুৰক্ত এইজন মুক্তি যুঁজাৰুৱে প্ৰতিটো স্বাধীনতা আন্দোলনতে সক্ৰিয় ভাৱে জড়িত আছিল । বিয়ালিছৰ বিপ্লৱত বাৰ্দ্ধক্যত জৰাগ্ৰস্ত হলেও উদ্যম আৰু অনুপ্ৰেৰণাত আগৰণুৱা ।

স্বাধীনতাৰ পাচত সক্ৰিয়তা ত্যাগ কৰি ১৯৮২ চনত পৰলোক হোৱা মুক্তি যুঁজাৰুজনে কোনোধৰণৰ স্বীকৃতি নিবিচাৰিলে ।

স্বৰ্গীয় চনিৰাম দোলাকাষৰীয়া : হোলোঙাপাৰ মৌজাৰ স্বাধীনতা সংগ্রামৰ লাইখুটা । পিতৃ ঁঠানুৰাম দোলাকাষৰীয়া । মাতৃ ঁপদুমী । জন্ম ১৮৯২ চন । মৃত্যু ১৯৭১ চনৰ ১২ মে' । জীৱন কাল ৭৯ বছৰ ।

১৯২১ চনৰে পৰা একেৰাহে স্বাধীনতা সংগ্রামৰ আশাসুধীয়া অক্লান্ত্ কৰ্ম্মী । নিজ হাতেকটা সূতাৰে বৈ লোৱা কাপোৰৰ বাহিৰে অন্য কিনা খাদী বস্ত্রও পৰিধান নকৰিছিল । ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্রহ আন্দোলনৰ সত্যাগ্রহী আছিল ।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেওঁৰ ঘৰখনেই সংগ্রামৰ কেন্দ্রস্থল আছিল । কেৱল নিজৰ মৌজাই নহয়, সমগ্র পূৰ যোৰহাটৰ নেতৃত্ব লৈছিল । আত্মগোপন কৰা কালত বিপ্লৱী বীৰ শঙ্কৰ বৰুৱাৰ মূল ঘাঁটী আছিল দোলাকাষৰীয়াৰ ঘৰখন । ১৫-১২-৪২ তাৰিখে নিশা ঘৰ ঘেৰাও কৰি পুতেক ঁলম্বোদৰৰ সৈতে গ্রেপ্তাৰ কৰি ভাৰত প্রতিৰক্ষা আইন মতে ৬ মাহ কাৰাদণ্ড হয় । কাৰামুক্ত হোৱাৰ পাচতো আনকি স্বাধীনতা প্রাপ্তিৰ পাচত কংগ্রেছৰ সেৱক হৈ অঞ্চলটোৰ বিভিন্ন সামাজিক কামত ব্রতী হৈ আছিল । যোৰহাট জিলা কংগ্রেছৰ আজীৱন সেৱক স্বৰূপে কংগ্রেছৰ অপ্রতিদ্বন্দী নেতৃত্ব বহন কৰিছিলে । থুলন্তৰ দেহাৰে, সুস্বাস্থ্যৰে মহাত্মা গান্ধীৰ আদর্শেৰে গঠনমূলক কামৰ পটন্তৰ আছিল ।

তাম্র পত্র, ৰাষ্ট্রীয় সম্মান পেঞ্চন আৰু ৰাজ্যিক পেঞ্চন পাইছিল ।

স্বৰ্গীয়া শশীপ্ৰভা দত্ত ঃ যোৰহাট নগৰৰ ৰজা মৈদামৰ স্থায়ী বাসীন্দা । স্বৰ্গীয় নাৰায়ণ চন্দ্ৰ দত্ত দেৱৰ পত্নী । ১৯১১ চনত শিৱসাগৰৰ শুকান পুখুৰী অঞ্চলত জন্ম গ্ৰহণ কৰা শশী প্ৰভা দত্তৰ পিতৃৰ নাম যশস্বী সাহিত্যিক, খ্যাতনামা নাট্যকাৰ স্বৰ্গীয় দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা ।

শিৱসাগৰৰ পিতৃ পৰিয়াল আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ সান্নিধ্যলৈ আহি স্বাধীনতা সংগ্ৰামত ১৯৩০ চনৰ পৰাই অংশ গ্ৰহণ কৰিছিল । কেইবাবাৰো পুলিছে গ্ৰেপ্তাৰ কৰিছিল যদিও - কমবয়সীয়া মহিলা বুলি খালাচ পাইছিল ।

যোৰহাটৰ ৰাজহুৱা আৰু মহিলা অনুষ্ঠানৰ সক্ৰিয় কৰ্ম্মী আছিল। ১৯৮৬ চনৰ ১৭ জানুৱাৰী তাৰিখে ৰজামৈদামত নিজা ঘৰত মৃত্যু হয় । তেখেতে ৰাজ্য চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন পাইছিল ।

স্বৰ্গীয় উমেশ চন্দ্ৰ বড়া ঃ হোলোঙাপাৰ মৌজাৰ মুদৈজান ভৰলুৱা গাঁৱত ১৮৯৬ চনত জন্ম গ্ৰহণ কৰি ১৯৭০ চনত মৃত্যু বৰণ কৰা উমেশ চন্দ্ৰ বড়া সমাজৰ এজন গুণী মানী লোক আছিল । তেখেতৰ পিতৃৰ নাম জীৱকান্ত আৰু মাতৃৰ নাম পদ্মাৱতী ।

বিখ্যাত বায়েনৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা বড়াই বংশৰ সন্মান অটুত ৰাখিছিল আৰু গীত-মাত নামপ্ৰসঙ্গ ভক্তিভাৱে পৰিবেশন কৰিব পাৰিছিল । ১৯৪০-৪২ চনত সত্যাগ্ৰহ আৰু ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি আঠ মাহ কাল কাৰাবাস খাটিছিল । স্বাধীনোত্তৰ কালত গঠনমূলক কামত আত্মনিয়োগ কৰা ৰবাই সমবায় আন্দোলন আৰু পঞ্চায়তীৰাজ আঁচনিত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল । মধ্য যোৰহাট আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি হিচাবে ভালেদিন কাৰ্য্য নিৰ্বাহ কৰিছিল । তেখেতে স্বতন্ত্ৰতা সৈনিক সন্মান পেঞ্চন লাভ কৰিছিল ।

শ্রীমতী চেনিমাই বাৰুৱতী ঃ শিমলুগুৰি মৌজাৰ বনাই অঞ্চলৰ প্ৰসিদ্ধ মুক্তি যুঁজাৰু ভুবন চন্দ্ৰ বাৰুৱতীৰ পত্নী । স্বামীৰ উপযুক্তা পত্নী স্বৰূপে শ্রীমতী বাৰুৱতীৰ অৱদান যদিও চাৰিবেৰৰ ভিতৰত হ'লেও পাৰিবাৰিক দায়িত্ব সুচাৰু ৰূপে বহন কৰি স্বামীক যোগ্যতাৰে সহায় কৰিছিল ।

স্বামীৰ অবৰ্তমানত বাজ্যিক পেঞ্চন পাই আছে ।

হবিহৰ ববদলৈ ঃ চাওখাট মৌজাৰ দলৈ গাওঁ নিবাসী হবিহৰ ববদলৈৰ জন্ম হয় ১৯০৯ চনত । তেখেতৰ পিতৃৰ নাম ভোকোন্দ ববদলৈ আৰু মাতৃৰ নাম লেবেলী ।

১৯৪২ চনত শান্তি সেনা বাহিনীত ভর্ত্তি হৈ শিবিৰত থাকি আন্দোলনৰ কাম কৰিছিল । একাধিক বাৰ গ্রেপ্তাৰ হ'বলগীয়া হৈছিল । আৰু দূৰ-দূৰণিৰ ঠাইত এৰি দিছিল গৈ ১৯৯৩ চনত তেখেতৰ মৃত্যু হয় ।

এখেতে বাজ্যিক চৰকাৰৰ পেঞ্চন পায় ।

স্বৰ্গীয় ইন্দ্রেশ্বৰ দত্ত ঃ চাৰিগাওঁ মৌজাৰ এজন নীৰৱ কৰ্ম্মী হিচাবে জনাজাত । পিতৃৰ নাম ৺চন্দ্রধৰ দত্ত আৰু মাতৃ ৺জীউমতী দত্ত । জন্ম চন-১৯১২ । ১৯৩০ চনতে কংগ্রেছৰ সভ্যভুক্ত হৈ নিজৰ অঞ্চলতে কংগ্রেছৰ শাখা খুলি সংগঠনৰ কাম কৰিছিল । ১৯৪২ চনৰ গণ বিপ্লবত যোগদান কৰি সামৰিক বাহিনীৰ খাদ্য যোগানত বাধা প্রদান কৰিছিল । আত্মগোপন কৰি বিপ্লবৰ প্রচাৰ পত্রিকা বিতৰণ কৰিছিল,। যোৰহাটৰ অন্নদা প্রিন্টিং হাউচত গোপনে প্রচাৰ পত্র ছপা কৰি সেই বিলাক গোটেই মহকুমাতে বিতৰণ কৰিছিল ।

অসম চৰকাৰে মুক্তি যুঁজাৰুৰ পেঞ্চন মঞ্জুৰ কৰিছিল যদিও ১৯৯৩ চনত তেখেতৰ মৃত্যু হোৱাত পেঞ্চন ভোগ কৰিবলৈ নাপালে ।

শ্রীমতী গুণদা হাজৰিকা ঃ এখেতৰ ঘৰ চাওখাট মৌজাৰ বন গাৱঁত । পিতৃৰ নাম ৺বিদ্যাধৰ হাজৰিকা আৰু মাতৃৰ নাম জোনাকী । জন্ম চন ১৯২৫।

শ্রীমতী হাজৰিকা মহিলা সংগঠনৰ ক্ষেত্রত অগৰণুৱা কৰ্মী আছিল । ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্রহণ কৰি ২০ চেপ্তেম্বৰৰ দিনা ২০ গৰাকী মহিলাসহ টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ গৈ আগভেটি ধৰা পুলিচৰ বন্দুকত মালা পিন্ধাই সাহস প্রদর্শন কৰিছিল

এই গৰাকী মহিলা এতিয়াও সক্রিয় হৈ আছে ।

স্বৰ্গীয় বংশীধৰ দত্ত : চাৰিগাওঁ মৌজাৰ কলাখোৱা গাৱঁৰ নিগাজী নিবাসী। পিতৃ ৺গঙ্গাধৰ দত্ত, মাতৃ ৺বকুলী। জন্ম ১৯১৭ চন। মৃত্যু ১৯৮৩ চন। জীৱন কাল ৬৬বছৰ। ১৯৩০ চনৰ আন্দোলনৰ পৰা ১৯৪৭ চনলৈকে স্বাধীনতা সংগ্ৰামৰ অক্লান্ত কৰ্মী। ১৯৪০ চনৰ সত্যাগ্ৰহত কাৰাৰুদ্ধ হয়। ১৯৪২ চনৰ বিপ্লৱত প্ৰথমৰে পৰা আত্মগোপন কৰি উজনি অসম কংগ্ৰেছ সংগঠন কৰি নিজেই 'ডিক্টেটৰ' হৈ গোপনে বিপ্লৱৰ অগ্নি শিখা প্ৰজ্বলিত কৰি ৰাখে।

আত্মগোপন কালত বিপ্লৱী ধীৰ শঙ্কৰ বৰুৱাৰ নিৰবচ্ছিন্ন সঙ্গী আছিল। ১৯৪৭ চনৰ পৰা ছচিয়েলিষ্ট পাৰ্টীত যোগদান কৰি সমাজবাদী সমাজ ৰচনাৰ অবিৰত সংগঠক। ১৯৫২, ১৯৫৭ আৰু ১৯৬২ চনৰ সাধাৰণ নিৰ্ব্বাচনত সমাজবাদী দলৰ পৰা বিধায়কৰ প্ৰাৰ্থী হৈ কম ভোটৰ ব্যৱধানত পৰাজয় বৰণ কৰে। চাইকেলখনকে বাহনৰ একমাত্ৰ সম্বল কৰি লোৱা মানুহজনৰ সৰ্ব্বশৰীৰ বিষত আক্ৰান্ত হৈ জীৱনৰ অৱসান হয়। মাজতে জনতা চৰকাৰৰ আমোলত গাওঁ ৰক্ষী বাহিনীৰ ৰাজ্যিক উপদেষ্টাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে।

উল্লেখযোগ্য যে ১৯৪০ চনৰ মহিলা সত্যাগ্ৰহী শ্ৰীমতী সুধালতা দত্ত তেখেতৰ সহধৰ্মিনী।

স্বৰ্গীয় বসন্ত কুমাৰ শৰ্ম্মা : বালিগাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ ৺কমলেশ্বৰ শৰ্ম্মা। জন্ম ১৯২৪ চন, মৃত্যু ১৯৯২ চন। জীৱন কাল ৬৮ বছৰ। ছাত্ৰ অৱস্থাতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত আত্মনিয়োগ কৰি কাৰাবৰণ কৰে। বালিগাঁৱৰ মুৰব্বীধৰ বৰুৱাৰ পৰিচালনাত আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰে। কাৰামুক্তিৰ পাচত আৰু স্বাধীনোত্তৰ কালত চাহ বাগিচাৰ চাকৰি জীৱন, ট্ৰেড ইউনিয়নত অংশ গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় সম্মান পেন্সন আৰু ৰাজ্যিক মুক্তি যুঁজাৰুৰ পেন্সন পাইছিল।

স্বৰ্গীয় বিষ্ণু ববা : চাওখাট মৌজাৰ কাথ গাঁৱত চাবেক ঘৰ যদিও পৰৱৰ্ত্তী জীৱনত উত্তৰ লক্ষীমপুৰ জিলাৰ বিহপুৰীয়াত স্থায়ী ভাৱে বসতি কৰে। পিতৃ যোগধৰ ববা, মাতৃ ভদ্রেশ্বৰী। জন্ম ১৯১৫ চন। মৃত্যু ১৯৮১ চন। জীৱন কাল ৬৬ বছৰ। পৰৱৰ্ত্তী জীৱনত বাওঁপন্থী সংগঠনত নেতৃত্ব দিলেও মজলীয়া বিদ্যালয়ৰ ছাত্র হৈ থাকোতে ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোৰহাট কাৰাগাৰৰ কনিষ্ঠতম বন্দী।

কাৰামুক্তিৰ পাচত শিৱসাগৰ বিদ্যাপীঠত শিক্ষা লয়। ১৯৩৪-৩৮ চনত প্রদেশ কংগ্রেছ কার্য্যালয়ত সেৱা আগবঢ়াই ছিলঙত কংগ্রেছ সংসদী দলৰ কার্য্যালয়ত কাম কৰে। তেতিয়াই 'প্রাইভেট' প্রার্থী হিচাবে প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হৈ যোৰহাটৰ জে, বি কলেজত অধ্যয়ন কৰোতে ১৯৪১ চনৰ গুৱাহাটীৰ ছাত্র সমদলৰ ওপৰত প্রশাসনৰ অপ্রড়োচিত আক্রমণত অনির্দ্দিষ্ট কালৰ কাৰণে কৰা ধর্ম্মঘটৰ নেতৃত্ব লয় আৰু শিক্ষা জীৱনৰ অৱসান হয়। বামপন্থী সংগঠনতো একাধিকবাৰ কাৰাবৰণ, আত্মগোপন কৰি দলিত-পীড়িতসকলৰ সেৱাত আত্মোৎসর্গ কৰা ববাৰ দেহাৱসান হয় মটৰ দুর্ঘটনাত ১৯৮১ চনত। ববা কৃষি পাম নিগমৰ জন্মদাতা। ৰাষ্ট্রীয় সম্মান পেঞ্চন পাইছিল।

স্বৰ্গীয় দুর্গা গগৈ : লাহিং মৌজাৰ বৰ নগঞা গাঁৱৰ প্রবীণ মুক্তি যুঁজাৰু খগেশ্বৰ গগৈৰ বৰ পুত্র। মাতৃ দনিকণা। জন্ম ১৯২০ চন, মৃত্যু ১৯৯৩ চন। জীৱন কাল ৭৩ বছৰ। ভাতৃ তিলক গগৈ সমন্বিতে পিতা-পুত্র উভয়ে কাৰাৰুদ্ধ হোৱাত পৰিয়াল পৰিচালনাৰ দায়িত্বত নাম হলেও কলেজীয়া ছাত্র গগৈয়ে আৰুকীৰ ছাতত ধৰা নপৰাকৈ বিয়াল্লিছৰ বিপ্লৱত অবিহণা যোগায়।

স্নাতক হৈ চৰকাৰী চাকৰিত নিযুক্তি লৈ গ্রামোন্নয়ন বিষয়া, খণ্ড উন্নয়ন বিষয়াৰ পদত অধিষ্ঠিত হৈ চৰকাৰৰ অসামৰিক পর্য্যায়ৰ বিষয়ালৈ পদোন্নতি লৈ শেষত সহকাৰী উন্নয়ন আয়ুক্ত পদৰ পৰা অৱসৰ গ্রহণ কৰে।

ৰাজ্যিক মুক্তি যুঁজাক সম্মান পেঞ্চন পাইছিল।

স্বৰ্গীয় পদ্মেশ্বৰ নেওগ : ঠেঙাল মৌজাৰ মৰধলি গাওঁৰ নেওগক ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোৱহাটত পিকেটিং কৰিবলৈ গৈ এচ্, পিৰ অফিচত পিকেটিং কৰোতে গ্ৰেপ্তাৰ ভৰি এখন ভাঙি বন্দী কৰি থয়। পাছত ছাত্ৰ সকলে মুকলি কৰি আনে।

স্বৰ্গীয় সৰুবাপ কছাৰী : ঠেঙাল মৌজাৰ মৰধলিগাৱঁৰ কছাৰী এজন কংগ্ৰেছ কৰ্ম্মী আছিল। তেখেতে ১৯৩০ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰি নিৰ্য্যাতন ভোগ কৰিছিল।

স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ : ৰঙাজান হাতীচুঙ্গী গাৱঁৰ সন্দিকৈ ১৯২২ চনৰ কানি নিবাৰণী সমিতিৰ কৰ্ম্মী আছিল। কংগ্ৰেছৰ কামত অংশ গ্ৰহণ কৰি নিৰ্য্যাতন ভোগ কৰি ৰাজ্যিক পেঞ্চন ভোগ কৰিছিল।

স্বৰ্গীয় বলো গগৈ, স্বৰ্গীয় দণ্ডিৰাম গগৈ, স্বৰ্গীয় কনকেশ্বৰ দুৱৰা, স্বৰ্গীয় ৰূপন শইকীয়া - তেখেত সকলে কানি নিবাৰনী কমিটীৰ কৰ্ম্মী হৈ কংগ্ৰেছৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। স্বৰ্গীয় কনকেশ্বৰ দুৱৰা ১৯২২ চনৰ পৰা কানি নিবাৰণী কমিটী আৰু ঠেঙাল মণ্ডল কংগ্ৰেছৰ সদস্য আছিল।

স্বৰ্গীয় কণ্ঠিৰাম বাঘবড়া : বাঘৰচুক গাৱঁৰ বাঘবড়াই ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি কাছাৰীত পিকেটিং কৰোতে গ্ৰেপ্তাৰ বৰণ কৰিছিল। তেখেত চুঙ্গি সেৱাদলৰ কৰ্ম্মী আছিল।

স্বৰ্গীয় বলো (কছাৰী) বড়া : স্বৰ্গীয় বড়াই ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত কাছাৰীত পিকেটিং কৰোতে এচ্ পি য়ে মাৰপিট কৰি বন্দী কৰে আজীৱন কংগ্ৰেছৰ সেৱক।

স্বৰ্গীয় হেমধৰ ববা ঃ পৰ্বতীয়া মৌজাৰ ওপৰ গৰুমৰা গাঁৱৰ স্থায়ী নিবাসী। পিতৃ ঁ বোপাতি ববা, মাতৃ ঁ আঘোণী। জন্ম ১৮৯৬ চন, মৃত্যু ১৯৮৩ চন, জীৱন কাল ৮৭ বছৰ।

বিয়াল্লিছৰ বিপ্লৱৰ সক্ৰিয় কৰ্মী। বিপ্লবী বীৰ শঙ্কৰ বৰুৱাক মালৌ পথাৰত আত্মগোপন কৰা সময়ত বৰুৱাক লুকুৱাই ৰখা অভিযোগত আৰক্ষীৰ অমানুষিক অত্যাচাৰত বাওঁ চকুৰ দৃষ্টি জীৱনৰ কাৰণে হেৰুৱাব লগা হয়। সেই অৱস্থাতে দুপৰ নিশা কাজিৰঙা অৰণ্যত এৰি দিয়ে।

স্বাধীনোত্তৰ কালত ১৯৫০-৭১ চনলৈকে পূব গৰুমৰা গাওঁ পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হৈ বিভিন্ন সামাজিক কামত জড়িত আছিল।

শ্ৰীমেঘকান্ত দোলাকাষৰীয়া ঃ হোলোঙাপাৰ মৌজাৰ ন পাম ভৰলুৱা গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ 'সৰ্ৱাম, মাতৃ ঁ কেতেকী। জন্ম ১৯২৪ চন। বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কমিটীৰ নিৰ্দেশানুযায়ী নিৰূপিত কাৰ্য্যসূচীত নিজৰ সেৱা আগবঢ়ায়। পাইকাৰী জৰিমনাৰ আতিশয্যত নগদ ৭৫.০০ টকাৰ উপৰিও কাঁহী-বাতি চাৰিযোৰ পুলিচে বাজেয়াপ্ত কৰে। পৰৱৰ্ত্তী জীৱনত কংগ্ৰেছৰ সেৱাত ব্ৰতী হয়।

স্বৰ্গীয় আনন্দ ফুকন ঃ নিজ বালিগাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ ঁ গৌৰীনাথ ফুকন। জন্ম ১৯২৪ চন, মৃত্যু ১৯৪৬ চন। জীৱন কাল মাত্ৰ ২২ বছৰ।

ছাত্ৰ অৱস্থাতে বিয়াল্লিছৰ বিপ্লৱত বালিগাঁও অঞ্চলৰ মহিলা সমদলৰ নেতৃত্ব লৈ যোৰহাট কাছাৰীত পিকেটিং কৰিবলৈ আহোতে গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিয়ে। কাৰামুক্তিৰ পাছত অধ্যয়ন কৰি ইংৰাজী বিষয়ত সম্মান সহ সুখ্যাতিৰে স্নাতক হৈ এম, এ পঢ়িবলৈ কলিকতালৈ যায়। ১৯৪৬ চনৰ ১৬ ডিচেম্বৰত পাকিস্থানৰ দাবীত হোৱা নৃসংশ হত্যাকাণ্ডত এইজনা মেধাৱী প্ৰতিশ্ৰুতিসম্পন্ন

ছাত্র অকালতে শোকাবহ পৰিস্থিতিত পাশৰিকতাৰ বলী হয় ।

স্বৰ্গীয় মোহন চন্দ্র বৰুৱা ঃ মোহন চন্দ্র বৰুৱা টিয়কৰ সম্ভ্রান্ত খটীয়া বৰুৱা বংশৰ এজন মুক্তি যোদ্ধা । ১৯৪২ চনত ছাত্র অৱস্থাতে কাৰাৰুদ্ধ হৈ যোৱহাট জেলত ভালেদিন থাকিব লগা হয় । স্বাধীনতা লাভৰ অন্তত শিক্ষকতা কৰি জীৱন নির্বাহ কৰিছিল । কিন্তু এমাডিমা কেইবাটিও সন্তান আৰু পত্নীক এৰি তেওঁ অকালতে মৃত্যুবৰণ কৰে ।

স্বৰ্গীয় দেহীৰাম কলিতা ঃ টীয়ক মৌজাৰ বজাবাৰী কঁহাৰ গাঁৱত ঘৰ । ১৯২৩ চনত জন্ম । পিতৃৰ নাম উমাৰাম কলিতা । মাতৃৰ নাম লাহৰী ।

১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত কর্মপ্রাণ হৰিনাৰায়ণ বৰুৱাৰ সান্নিধ্যলৈ আহি শান্তি সেনাৰ প্রশিক্ষণ লয় । টীয়ক বজাবাৰীত থকা আন্দোলনৰ ঘাটীৰ পৰাই যোৱহাট কাছাৰীত পিকেটিং কৰোতে কেইবাবাৰো নামবৰ হাবিত এৰি আহিছিল আৰু পুলিচৰ আতিশয্যত ভুগিছিল । স্বাধীনতা লাভৰ অন্তত সমাজৰ সাংগঠনিক কামত আত্মনিয়োগ কৰে । ৬৬ বছৰত মৃত্যু হয় । এখেতে বাজ্যিক মুক্তি যুঁজাক পেন্সন পাইছিল ।



স্বৰ্গীয় কীর্ত্তি বৰদলৈ ঃ যোৱহাট নগৰৰ তৰাজান কাকতি গাঁৱৰ স্থায়ী বাসিন্দা । পিতৃ কাশীনাথ বৰদলৈ, মাতৃ নিৰদা দেৱী । জন্ম ১৯১৯ চন, মৃত্যু ১৯৮৭ , জীৱন কাল ৬৮ বছৰ ।

ছাত্র অৱস্থাতে কংগ্রেছত যোগ দি ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধীনতাৰ সংকল্প বাক্য পাঠ কৰি কংগ্রেছৰ পতাকা উত্তোলন কৰে । ১৯৩৯ চনত স্নাতক হোৱাৰ আগতে বামপন্থী মতবাদৰ প্রতি আকৃষ্ট হয় । যোৱহাট জিলা ছাত্র সম্মিলনৰ প্রধান সম্পাদক হৈ ১৯৪১ চনৰ গুৱাহাটীত ছাত্র সমদলৰ ওপৰত আক্রমণৰ প্রতিবাদত হোৱা ছাত্র ধর্মঘটৰ নেতৃত্ব গ্রহণ কৰে । তেতিয়াই "জনযুদ্ধ"ৰ জোৱাৰত দ্বিখণ্ডিত ছাত্র সম্মিলনৰ মূৰব্বী হৈ কংগ্রেছ ত্যাগ কৰি বামপন্থী সংগঠনত আত্মনিয়োগ কৰে ।

স্বৰ্গীয় বজনীকান্ত শর্ম্মা ঃ বালিগাওঁ কোৱোকাতলীৰ বাসিন্দা । জন্ম ১৮৯৬, মৃত্যু ১৯৫৯ চন , জীৱন কাল ৬৩ বছৰ ।

১৯২১ চনৰ আন্দোলনত প্ৰায় দুমাহ কাৰাবাস খাটে । কাৰামুক্তিৰ পাচতো কৃষিকৰ্মকে জীৱনৰ অবলম্বন কৰি স্বাধীন ভাৱে স্বাৱলম্বী জীৱন যাপন কৰা শৰ্মাই বিলাতী বস্ত্ৰ বৰ্জন কৰি সূতা কটাকে আদি কৰি গঠনমূলক কাম প্ৰসাৰণৰ কাৰণে যোৱহাট জিলাৰ বিভিন্ন অঞ্চলত প্ৰচাৰত ব্যস্ত আছিল । ১৯৪২ চনৰ চূড়ান্ত সংগ্ৰামতো বিশিষ্ট ভূমিকা লোৱা শৰ্মাই কোনো স্বীকৃতি বিচৰা নাছিল ।

স্বৰ্গীয় নন্দনাথ শৰ্মা ঃ বালিগাঁও কোৱোকাতলীৰ স্থায়ী বাসিন্দা । পিতৃ টংকেশ্বৰ শৰ্মা । জন্ম ১৮৮৯ চন । মৃত্যু ১৯৬৬ চন । জীৱন কাল ৭৭ বছৰ ।

১৯২১ চনৰ ২০ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ একেৰাহে তিনিদিন উপায়ুক্তৰ কাৰ্য্যালয়লৈ আঠজন যুৱকে সমদলে যাওঁতে বাটতে গ্ৰেপ্তাৰ হৈ দুমাহ কাৰাদণ্ড ভোগ কৰে । কাৰামুক্তিৰ পাচত একনিষ্ঠভাৱে স্বাধীনতা সংগ্ৰামত আত্মনিয়োগ কৰে । মুক্তি যুঁজাৰুৰ কোনো স্বীকৃতি তেখেতে বিচৰা নাছিল ।

স্বৰ্গীয় ফণিধৰ শৰ্মা ঃ কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰা এইজন সৰাই-বন্ধাৰ মুক্তি যুঁজাৰুৰে ১৯২১ চনৰ অসহযোগ আন্দোলনত বালিগাঁৱৰ যুৱক সকলৰ লগত সমদলে উপায়ুক্তৰ কাৰ্য্যালয়ত পিকেটিং কৰিবলৈ যাওঁতে বাটতে গ্ৰেপ্তাৰ হয় দুইমাহ কাৰাবাস খাটে ।

স্বৰ্গীয় বাবুলানাথ শৰ্মা ঃ চাৰেক ঘৰ চুঙীত যদিও বালিগাঁৱৰ মোমায়েকৰ ঘৰত থাকি পঢ়া অৱস্থাতে ১৯২১ চনৰ আন্দোলনত উপায়ুক্তৰ কাৰ্য্যালয়ত পিকেটিং কৰিবলৈ সমদলে যাওঁতে বাটতে গ্ৰেপ্তাৰ কৰি দুমাহ কাৰাদণ্ড দিছে।

স্ত্ৰী চৰিত্ৰ ৰূপায়নত সাইলাখ ৰূপ দিব পৰা অভিনেতা, সুদক্ষ খেলুৰে আছিল । সেই আপাহতে তেওঁ 'মতিয়া বাবুলা' বুলি উপনামেৰে পৰিচিত হৈছিল । ত্ৰিশৰ দেওনা পাৰ নৌ হওঁতেই মৃত্যু হয় ।

স্বৰ্গীয় বত্নধৰ বৰুৱা ঃ বালিগাঁও অঞ্চলৰ অগ্ৰণী মুক্তি যুঁজাক । জন্ম ১৮৯৫ চন, মৃত্যু ১৯৫৮ চন, জীৱন কাল ৬৩ বছৰ ।

১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি প্ৰায়

দুমাহ কাৰাদণ্ড ভোগে। সেই সময়ৰ বালিগাঁৱৰ উৎসাহী যুৱক কেইজনৰ অন্যতম। অকালতে পিতৃ বিয়োগ হোৱাত পাৰিবাৰিক দায়িত্ব পৰাত কাৰামুক্তিৰ পাচত জীৱিকাৰ কাৰণে চাহ বাগিচাৰ কর্মচাৰী হয়। মিলন মন্দিৰৰ প্রতিষ্ঠাতা সদস্য। সুদক্ষ অভিনেতাৰ উপৰিও নাট্যকাৰ আছিল। কঠোৰ শাৰীৰিক শ্রমৰ অধিকাৰী বৰুৱা এজন স্বভাৱজাত সমাজ কর্মী আছিল।

স্বর্গীয় তীর্থনাথ দত্ত ঃ পৰ্ব্বতীয়া মৌজাৰ টিলিকিআমৰ চাৰিষ্টীয়া বেজ গাঁওৰ বাসিন্দা যদিও যোৱহাট সৰাইবন্ধাত বসতি লয়। পিতৃ মুক্তি যোদ্ধা নিত্যানন্দ দত্ত, মাতৃ আৰতি। জন্ম ১৯২২ চন, মৃত্যু ১৯৯১ চন, জীৱন কাল ৬৯ বছৰ।

১৯৪২ চনৰ বিপ্লৱত ছাত্রাৱস্থাতে আত্মনিয়োগ কৰি সংগ্রামৰ সকলো কার্য্যসূচীতে অংশ গ্রহণ কৰি একাধিক বাৰ গ্রেপ্তাৰ হৱণ কৰে। দুপৰ বাতি অটব্য অৱণ্যত এৰি দিয়াত অসীম সাহস আৰু কষ্টেৰে পুনৰ সংগ্রামত ব্রতী হয়।

বিপ্লৱৰ পৰৱর্ত্তী জীৱনত চৰকাৰী চাকৰী কৰি অৱসৰৰ পাচত জীৱনাৱসান হয়।

স্বর্গীয় ৰত্নেশ্বৰ দত্ত ঃ হেজাৰী মৌজাৰ ২ নং লখিমী খাটৰ নিবাসী যদিও পিচত ৰজাহাউলীৰ সোণাৰী গাঁৱত স্থায়ী বসতি লয়। জন্ম ১৯০০ চন, মৃত্যু ১৯৮৮ চন। জীৱন কাল ৮৮ বছৰ। বালিগাওঁ কংগ্রেছৰ দায়িত্বপূর্ণ কর্মকর্ত্তা স্বৰূপে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰে। শান্তি সেনা সংগঠনত উল্লেখযোগ্য ভূমিকা লয়। পাইকাৰী জৰিমনা দিবলৈ অমান্তি হোৱাত পুলিচে ঘৰ খানাতালাচ কৰি একমাত্র বাহন চাইকেলখন, ঘড়ী আদি বহু বাজেয়াপ্ত কৰি লৈ যায়। বালিগাওঁ অঞ্চলৰ সমবায়, সমবায় বেংক, শিক্ষানুষ্ঠান, মিলন মন্দিৰ, পুথিভঁৰাল, নাট্যদল আদি সংগঠনত অত্যন্ত পৰিশ্রমী দত্ত নিবিড় ভাৱে জড়িত আছিল। আজীৱন শিক্ষকতা কৰি অৱসৰ লৈয়ো সামাজিক জীৱনৰ পৰা আমৰণ অৱসৰ নোলোৱা এজন গঠনমূলক কর্মী আছিল।

স্বৰ্গীয় শশীধৰ ৰৰকটকী ঃ বালিগাওঁৰ স্থায়ী বাসিন্দা । পিতৃ চন্দ্রধৰ ৰৰকটকী । জন্ম ১৮৯৭ চন, মৃত্যু ১৯৪৮ চন । জীৱন কাল ৫১ বছৰ মাত্র ।

বালিগাওঁত কংগ্রেছৰ বাটকটীয়া স্বৰূপ । ১৯২০ চনত মহাত্মা গান্ধীক দৰ্শন লাভৰ পাচত গঠনমূলক কাম আৰু স্বাৱলম্বনৰ আৰ্হিৰে জীৱন গঢ়িবলৈ যত্ন কৰি কংগ্রেছৰ সংগঠনত ব্রতী হয় । তেনেতে ১৯২১ চনৰ অসহযোগ আন্দোলনত আত্মনিয়োগ কৰি খাদী প্রচলনত গুৰুত্ব দিয়ে । যোৰহাট নগৰলৈ ২০-১২-২১ তাৰিখৰ পৰা একেলেঠাৰীয়ে ন জন কংগ্রেছ কৰ্মীয়ে তিনিদিন সমদল যাত্রা কৰে যদিও এখেত দৈৱক্রমে গ্রেপ্তাৰ নহ'ল । পৰৱৰ্ত্তী জীৱনত গড়কাপ্তানী আৰু ৰেল বিভাগত চাকৰী কৰে যদিও অকালতে জীৱনাবসান হয় ।

স্বৰ্গীয় সোমেশ্বৰ কলিতা ঃ টীয়ক মৌজাৰ দুই নৈ মুখ কুমাৰ গাঁৱত এই নিৰৰ কৰ্ম্মীজনে ১৯০০ চনত জন্মগ্রহণ কৰি আজীৱন স্বাৱলম্বী হোৱা প্রচেষ্টা চলাই সমাজৰ এজন আদৰণীয় লোক হৈ পৰে । যি সময়ত কংগ্রেছৰ চাৰিঅনীয়া সভ্য কৰাও কঠিন আছিল সেই সময়ত আশেপাশে থকা তিনিখন গাওঁ লগ লগাই প্রাথমিক কংগ্রেছ গঠনত আগভাগ লৈছিল । ১৯৪২ চনৰ মুক্তি সংগ্রামত অংশগ্রহণ কৰি আন্দোলনকাৰী সকলক সকলো প্রকাৰৰ সহায় আগবঢ়াইছিল । ১৯৮৩ চনত ৮৩ বছৰ বয়সত এখেতৰ মৃত্যু হয় ।

স্বৰ্গীয় গোলাপচন্দ্র শর্মা : খঙ্গিয়া মৌজাৰ আজান বামুণ গাঁৱৰ স্থায়ী বাসিন্দা । পিতৃ কেশৰাম শর্মা । জন্ম ১৯০৮ চন, মৃত্যু ১৯৯১ চন, জীৱন কাল ৮৩ বছৰ । শর্মা ১৯২১ চনৰ পশ্চিম যোৰহাটৰ এজন সক্রিয় কৰ্মী আছিল ।

১৯৩৩ চনৰ টিলিকিআমৰ ৰায়ত সভাৰ অধিবেশন এখেতৰ দৰে কৰ্ম্মীৰ আশা-সুধীয়া প্রচেষ্টাত সাফল্যমণ্ডিত হৈছিল । ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতো আৰক্ষীৰ দৃষ্টি এৰাই বিপ্লৱ সজীৱ কৰি ৰখাত কৃতকার্য্য হয় । তেখেতে আজীৱন সমাজ সেৱাত আত্মনিয়োগ কৰি জীৱন অতিবাহিত কৰিলে ।

স্বৰ্গীয় ৰামেশ্বৰ চেতিয়া : গড়মূৰ কাটনি মৌজাৰ প্ৰবীণ মুক্তি যুজাক। ১৯৩০ চনৰ আন্দোলনৰ পৰা ১৯৪২ চনৰ চূড়ান্ত সংগ্ৰামলৈকে মৰিয়নি অঞ্চলৰ লাইখুটা। সংগঠন, সেৱাদল, গ্ৰামোদ্যোগ আৰু আন্দোলন সকলোতে কৰ্ণধাৰ স্বৰূপে স্বাধীনতা সংগ্ৰামক সুকীয়া গতিবেগ দিব পৰা নেতৃস্থানীয় ব্যক্তি আছিল। মহাত্মা গান্ধীৰ স্বাৱলম্বনৰ আদৰ্শ নিজৰ জীৱনত প্ৰতিফলন ঘটাই এটি আৰ্হি সমাজত এনেভাৱে ডাঙি ধৰিছিল যে তেখেতৰ সান্নিধ্যলৈ অহা সকলৰ কাৰণে অনুশীলনৰ উদাহৰণ আছিল। ১৯৩০ চনৰে পৰা সকলো সংগ্ৰামতে কাৰাবৰণ কৰি অহিংস আদৰ্শ নীতিগত ভাৱে পালন কৰিছিল। তেখেতৰ ঘৰ নগাৰাজ্যৰ পাদদেশত অৱস্থিত কাৰণে নগা ভাই বন্ধুসকলৰ লগত সম্প্ৰীতি স্থাপন কৰি একান্নভোক্তা পৰিয়ালৰ দৰে বসবাস কৰিছিল।

স্বৰ্গীয় আনন্দ প্ৰসাদ বৰকটকী : চাওখাট মৌজাৰ বাম কুকুৰাছোৱা গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ তুলসীকান্ত বৰকটকী, মাতৃ যোগদা দেৱী। জন্ম ১৯১৭ চন, মৃত্যু ১৯৮৪ চন, জীৱন কাল ৬৭ বছৰ। ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি সাত মাহ কাৰাৰুদ্ধ হয়। কাৰামুক্তিৰ পাচত শিক্ষকতাৰ বৃত্তি গ্ৰহণ কৰি অৱসৰ লোৱাৰ পাচত মৃত্যু হয়। মুক্তি যোদ্ধাৰ সম্মান পেঞ্চন পাইছিল।

স্বৰ্গীয় দীননাথ ফুকন : ছেলেংহাট অঞ্চলৰ লাহিং মৌজাৰ লুখুৰাসন গাঁৱৰ স্থায়ী বাসিন্দা। পিতৃ সিদ্ধেশ্বৰ ফুকন। জন্ম ১৯২০ চন। মৃত্যু ১৯৯৪ চন জীৱন কাল ৭৪ বছৰ।

ঘৰত জুই জ্বলাই লোকৰ ঘৰত শুই আছহি বুলি বিচনাতে পুলিচে মাধমাৰ সোধাই গ্ৰেপ্তাৰ কৰি ২১-১২-৪২ ৰ পৰা ১৮-৭-৪৪ লৈ কাৰাৰুদ্ধ হোৱা ফুকন প্ৰকৃতাৰ্থত বিপ্লবী আছিল। ১৯৪২ ৰ ভাৰত-ত্যাগ আন্দোলনত সৰ্ব্বপ্ৰকাৰ সক্ৰিয়তাৰে অংশ লৈ আত্মগোপন কৰি বিপ্লৱ সজীৱ কৰি ৰাখিছিল। কাৰামুক্তিৰ পাচতো সমাজ সেৱাকে সাৰোগত কৰি জীৱন অতিবাহিত কৰে।

ৰাষ্ট্ৰীয় সম্মান পেঞ্চন পাইছিলে।

শ্রীমহেন্দ্র নাথ শর্ম্মা নেওগ : চাৰিগাওঁ মৌজাৰ কেন্দুগুৰিৰ বাসিন্দা। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোৰহাট জগন্নাথ বৰুৱা কলেজৰ ছাত্ৰ। ছাত্ৰ জীৱনৰ পৰা গাত চোলা নিপিন্ধাকৈ এখন চাদৰ আৰু ভৰিত খৰম পিন্ধা ছাত্ৰজনে আন্দোলনত অংশ গ্ৰহণ কৰি কাৰাৰুদ্ধ হয়। কাৰামুক্তিৰ পাচত পুনৰ অধ্যয়ন কৰি স্নাতক হৈ শিক্ষকতাৰ বৃত্তি লৈ অৱসৰ গ্ৰহণ কৰে।

স্বৰ্গীয় সকৰাম শইকীয়া : গাখীৰখোৱা মৌজাৰ চপানী ভৰলুৱা গাৱঁৰ স্থায়ী নিবাসী। পিতৃ মণিৰাম শইকীয়া। ১৯৪২ চনৰ ভাৰত-ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাৰুদ্ধ হয়। ২৫-৫-৪৩ তাৰিখে মুক্তি লাভ কৰি আজীৱন সমাজ সেৱাত ব্ৰতী হয়।

স্বৰ্গীয় ৰাধানাথ সন্দিকৈ : হোলোঙাপাৰ মৌজাৰ ৰৰগোহাঁই গাৱঁৰ স্থায়ী বাসিন্দা। পিতৃ ঠানুৰাম সন্দিকৈ। বিয়াল্লিছৰ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰি দীৰ্ঘকাল কাৰাৰুদ্ধ হৈ ১২-৬-৪৩ তাৰিখে মুক্তি পায়। পৰৱৰ্ত্তী জীৱনতো সমাজ সেৱাত ব্ৰতী হৈ জীৱন অতিবাহিত কৰে।

শ্রীশৰৎ কুমাৰ ৰৰগোহাঁই : হোলোঙাপাৰ মৌজাৰ মেলেং গোহাঁই গাৱঁৰ নিগাজী নিবাসী। পিতৃ আনন্দ ৰাম ৰৰগোহাঁই। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি আন্দোলনৰ সকলো পৰ্য্যায়তে অবিৰত ভাৱে আত্মনিয়োগ কৰি কাৰাৰুদ্ধ হয়। পৰৱৰ্ত্তী জীৱনত সমাজ সেৱাত ব্ৰতী হয়।

স্বৰ্গীয় কনকেশ্বৰ ফুকন : হোলোঙাপাৰ মৌজাৰ আৰাদ্ধৰা গাৱঁৰ নিগাজী নিবাসী। বিয়াল্লিছৰ বিপ্লৱত অংশ গ্ৰহণ কৰি কাৰাৰুদ্ধ হয়। আটক বন্দী হৈ ৬-১২-৪৪ তাৰিখে মুক্তি পাই সমাজ সেৱাতে জীৱন অতিবাহিত কৰে।

স্বৰ্গীয় গোপালচন্দ্ৰ বৰুৱা : বালিগাওঁ নিবাসী এইজনা মুক্তি যুঁজাৰুৰ জন্ম ১৮৯৬ চন, মৃত্যু ১৯৬৮, জীৱন কাল ৭২ বছৰ। পিতৃ দামোদৰ বৰুৱা।

১৯২১ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচতে অসহযোগ আন্দোলনত একাণপতীয়াকৈ আত্মনিয়োগ কৰি প্ৰায় দুইমাহ কাৰাদণ্ড হয়। যোৰহাট কাছাৰী ঘৰলৈ সমদলে যাওঁতে বাটতে গ্ৰেপ্তাৰ হয়। পৰিয়ালৰ দৰিদ্ৰতাই টলাব নোৱাৰা বৰুৱাই বিদেশী বৰ্জন, স্বদেশী প্ৰচলন, খাদী উৎপাদন আদি গঠনমূলক কামত ব্ৰতী হয়।

পৰৱৰ্ত্তী জীৱনত চাহ কৰ্মচাৰী হৈ ১৯৬৮ চনৰ বুদ্ধ পূৰ্ণিমাৰ দিনা মৃত্যু হয়।

শেখৰ ৰেহনুৰ আলি : চেঙেলি চেতিয়াৰ নিবাসী আছিল। তেখেতে ১৯৩০ চনৰ পৰা কংগ্রেছৰ কামত ওতঃপ্রোতঃ ভাৱে জড়িত আছিল। তেখেত চুঙ্গি কংগ্রেছ কমিটিৰ সদস্য হৈ থাকোতে কংগ্রেছৰ কার্য্যসূচীত অংশ গ্রহণ কৰি গাওঁ অঞ্চলত কংগ্রেছক জনপ্রিয় কৰিছিল।

স্বর্গীয় খেটেকধৰ ৰকৱা : ৰালিগাঁৱৰ বাসিন্দা ৱকৱা ১৯২১ চনত কটন কলেজ ত্যাগ কৰা ছাত্র সকলৰ সর্বপ্রথম। পিতৃ শ্রীধৰ ৰকৱা, মাতৃ মুক্তেশ্বৰী দেৱী। জন্ম ১৮৯৬ চন, মৃত্যু ১৯৯১ চন, জীৱন কাল ৯৫ বছৰ।

জালিৱানৱালাবাগৰ হত্যাকাণ্ডই বৃটিছ বিৰোধী মনোভাৱ প্রকট কৰা ৱকৱা ৪র্থ বার্ষিক স্নাতক শ্রেণীৰ পৰা ৩-১-২১ তাৰিখে কলেজ ত্যাগ কৰি যোৰহাটৰ ৰালিগাঁৱত আৰম্ভণৰে পৰা কংগ্রেছ সংগঠনত ব্রতী শশীধৰ ৰৰকটকীৰ লগ লাগে। ৮ জন ল'ৰাই ৰালিগাঁৱৰ পৰা যোৰহাট নগৰলৈ সমদল যাত্রা কৰি স্বৰাজৰ গীত গাই তিনি দিন আহোতে ২২-১২-২১ তাৰিখে তৃতীয় দিনা আটাই কেউজনক গ্রেপ্তাৰ কৰে। বিচাৰত ছয় সপ্তাহ সশ্রম কাৰাদণ্ড হয়। যোৰহাট কাৰাগাৰত আটাইতকৈ কষ্টকৰ "এলপাত্র" খুন্দাৰ কাম কৰিব লগা হৈছিল।

কাৰামুক্তিৰ পাচত কিছুদিন কংগ্রেছৰ সংগঠনত, বিশেষকৈ স্বাক্ষৰী হোৱাৰ প্রচেষ্টাত চাহ ৰাগিছাৰ পৰিচালনাৰ দায়িত্ব ব্রতীত হৈ ১৯৭১ চনত অৱসৰৰ পাচত ব্যক্তিগত ব্যস্ততাৰ ওৰ পৰে।

লগৰ কেইজন কাৰাদণ্ড হোৱা মুক্তি যুঁজাক হ'ল ৰত্নধৰ ৰকৱা, ৰাবুলা নাথ শর্ম্মা, গোপাল চন্দ্র ৰকৱা ৰজনী কান্ত শর্ম্মা, নন্দেশ্বৰ শর্ম্মা, ৰাবুলা নাথ ফুকন, ফনিধৰ শর্ম্মা।

নিম্নোক্ত প্রবীণ মুক্তি যুঁজাক সকলৰ জীৱন বৃত্তান্ত পোৱা নগ'ল যদিও তেখেত সকলৰ সেৱা আৰু ত্যাগ কৃতজ্ঞতাৰে স্বীকাৰ কৰি নাম প্রকাশ কৰা হ'ল।

আমগুৰি খৰিকটীয়া মৌজা :- স্বর্গীয় জয়ৰাম সোণোৱাল, কুলাই সোণোৱাল, পাতলী সোণোৱাল, ৰামেশ্বৰ গগৈ, গেৰেলা সোণোৱাল, বুদুৰাম কোঁছ, কলিমী কোঁছ, ভৱং কোঁছ, খগেশ্বৰ সোণোৱাল, ভুবনেশ্বৰ নেওগ, ৰেজিয়া কমাৰ, ডেকামেধি, কেৰকণ হাজৰিকা, উমা নাথ কোঁৱৰ, ৰগাই সন্দিকৈ।

তিতাৰৰ মৌজা :- স্বর্গীয় বিশ্ব গগৈ, দীননাথ সন্দিকৈ।

লাহিং মৌজা :- স্বর্গীয় পুণাৰাম গগৈ, হেম গগৈ, ফণিধৰ গগৈ, টেপুৰাম গগৈ, টেলেকা গগৈ, কিনাৰাম গগৈ, নানকু পানিকা, ভৱাম ৰকৱা, কেশ গগৈ, নালিয়া গগৈ, যোগাই গগৈ, নন্দেশ্বৰ গগৈ, শশীধৰ গগৈ।

চাৰিগাওঁ মৌজা :- স্বৰ্গীয় ঘনকান্ত বেজবৰা, আনন্দ বৰা।

হোলোঙাপাৰ মৌজা :- স্বৰ্গীয় বাধা সন্দিকৈ, খগেন দোলাকাষবীয়া, সর্বেশ্বৰ শইকীয়া, বাধা সন্দিকৈ।

হাতীগড় মৌজা :- স্বৰ্গীয় বদন বৰুৱা, সৰু শর্মা, পুৱাই মেধী, যদু পাচনি, সোমেশ্বৰ বৰা, মুহি শর্মা, বংশীধৰ বৰুৱা, প্রমোদ বৰুৱা, মুহিনী দেৱী।

টীয়ক মৌজা :- স্বৰ্গীয় টিঙালি মুক্তিয়াৰ, সভাৰাম বৰুৱা, মঙ্গল চৰণ বৰুৱা, কামেশ্বৰ বৰুৱা, নীল ফুকন, দেব বালা বৰুৱা, মনোমতী পেগু, কনক চন্দ্র বৰুৱা, মোহন বৰুৱা, সোণটি কলিতা।

খঙ্গিয়া মৌজা :- স্বৰ্গীয় সাগৰ নেওগ, তুলসীনাথ শর্মা ঠাকুৰ, হেমকণ্ঠ শর্মা ঠাকুৰ, দীননাথ দত্ত, শ্রীৰাম খনিকৰ, বিষ্ণু দাস, চন্দ্রধৰ শর্মা পাঠক, হেমাই কলিতা, দুর্গেশ্বৰ দত্ত, শিৱৰাম কেওঁট, গণেশ শইকীয়া, গোলোক চন্দ্র ৰৰদলৈ, ভীমকান্ত শইকীয়া।

পৰ্ব্বতীয়া মৌজা :- বুদ্ধিন্দ্র নাথ ৰৰকটকী, হলিৰাম মৰাং।

কাটনি মৌজা :- স্বৰ্গীয় বিশ্ব বৰুৱা।

হেজাৰী ৰালিগাওঁ মৌজা :- স্বৰ্গীয় মুহিয়ুদ্দিন আহমদ, হুছেইন আলি, বাপুটি নেওগ, অৰবিন্দ দত্ত, হৰিচৰণ কলিতা, গঙ্গা ধৰ কলিতা, পূর্ণ চন্দ্র দত্ত, বোপাৰাম দত্ত, শলিয়া পাঠক, ভোগেশ্বৰ দত্ত, ৰামেশ্বৰ দত্ত, বাপুৰাম দত্ত, তীর্থনাথ দত্ত, ভোগেশ্বৰ বৰুৱা, ভোলোক দাস বায়ন, নগেন্দ্র নাথ শর্মা, লৱনাথ খাউণ্ড।

মাজুলী :- স্বৰ্গীয় কমল চন্দ্র ভাগৱতী, মাণিক চন্দ্র হাজৰিকা, বগাৰাম কাকতি, ভোলাৰাম কাকতি, ভাৰত চন্দ্র বড়া, খগেশ্বৰ বৰুৱা, কমল চন্দ্র কটকী, মাধৱ চন্দ্র শইকীয়া, নেত্রদা ভূঞা, ধর্মেশ্বৰী কাকতি, মহেশ কাকতি, দেউৰাম শইকীয়া, দিন শইকীয়া, সুনন্দ ভূঞা, ভোলা নাথ দত্ত, বাপুৰাম হাজৰিকা, ৰমাকান্ত মিশ্র।

বিয়াল্লিছৰ বিপ্লৱত বিভিন্ন জিলাত হোৱা গুলীচালনা

ঢেকীয়াজুলি

১৯৪২ চনৰ ২০ ছেপ্তেম্বৰ তাৰিখে চতিয়া, ৰৰবিল, নাহৰবাৰী, জহামাৰী আদি গাঁৱৰ ৫-৬ হেজাৰ লোক সমবেত হৈ ঢেকিয়াজুলি পুলিচ থানাত জাতীয় পতাকা তুলিবলৈ আহিছিল । থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই এই কথা জানি সশস্ত্ৰ পুলিচ মজুত ৰাখিছিল । পুলিচ বিষয়াই সমদল যাত্ৰাৰ উদ্দেশ্য জানিব পাৰি প্ৰথমেই লাঠিচালনা কৰিবলৈ হুকুম দিলে । হুলস্থুলৰ মাজতেই গোলোক নেওগ আৰু মনৰৰ নাথ পুলিচ থানাৰ ভিতৰলৈ কেনেবাকৈ সোমাই থানাৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰিলে । পুলিচে তৎক্ষণাত গুলী চালনা কৰি মনৰৰ নাথক বাটলৈ উলিয়াই পেলাই দিলে । লগৰে গোলোক নেওগক মাকে গুলীৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে আৰৰি ধৰোতে এটা গুলী মাকৰ গাতো লগাত বাগৰি পৰিল । মহীৰাম কোঁচ নামৰ এজনে থানাৰ চৌহদৰ ভিতৰত পৰি থকা পতাকাখন আনিবলৈ যাওঁতে তেওঁকো গুলীয়াই নিহত কৰা হ'ল । নিৰ্বিচাৰে গুলী কৰিবলৈ ধৰাত মানুহ যেনিয়ে তেনিয়ে পলাবলৈ ধৰিলে । থানাৰ পুবফালে এখন দলং আছিল আৰু সেই বাটটোৰেই একমাত্ৰ খোলা আছিল । পলাই যোৱা মানুহবিলাকক সেই দলংখনৰ তলত লুকাই থকা কিছুমানে অমানুষিকভাৱে মাৰধৰ কৰে । মুঠতে সেই সময়ত ২৯ জাঁই গুলী এৰা হৈছিল ।

দ্বিতীয় জালিৱানৱালাবাগ ঢেকীয়াজুলিৰ শ্বহীদ সকলৰ চমু জীৱনী

শ্বহীদ মনৰৰ নাথ ঃ স্বদেশ প্ৰেমেৰে উদ্বুদ্ধ হৈ বীৰত্বৰে জীৱন আহুতি দিয়া জাতীয় বীৰ মনৰৰ নাথৰ জন্ম হৈছিল ১৯১৭ চনত নগাঁও জিলাৰ কঠীয়াতলী মৌজাৰ কন্দলী গাঁৱত । অৰ্থনৈতিক অৱস্থা টনকীয়াল নোহোৱাৰ বাবে মনৰৰ সকতে ঘৰ এৰি আহি শোণিতপুৰ জিলাৰ ৰৰগাঁও মৌজাৰ জহামাৰী গাঁৱৰ ভোলা নাথৰ ঘৰত হালোৱা হিচাপে থাকিবলৈ

লয় । মনবৰ ক্রমে ডাঙৰ হৈ অহাৰ লগে লগে জাতীয় কংগ্রেছৰ প্রতি আকৰ্ষিত হৈ মৃত্যু বাহিনীত যোগ দিয়ে । সঁচা ভাৰতীয় এজন হিচাপে স্বাধীনতা সংগ্রামৰ প্রতি মনবৰৰ মনত জাতীয় চেতনাৰ ভাৱ জাগি উঠে । সেই সময়ত জিলাখনত বিভিন্ন ঠাইত অনুষ্ঠিত প্রশিক্ষণ শিবিৰত প্রশিক্ষণ লয় । ২০ ছেপ্টেম্বৰত কার্যসূচী ৰূপায়ণ কৰা সন্দর্ভত জহামাৰীত ১৯ ছেপ্তেম্বৰৰ নিশা হোৱা সভাত মনবৰ নাথে নিজেই পতাকা উত্তোলন কৰিবলৈ দায়িত্ব লয় । ২০ ছেপ্টেম্বৰৰ পুৱা বাইজে ধূপ-ধূনাৰে পূজা-অর্চনা কৰি মনবৰ নাথক ফুলৰ মালা পিন্ধাই হাতত জাতীয় পতাকা অর্পণ কৰে । ২০ ছেপ্টেম্বৰৰ দিনা ঢেকীয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ আগবাঢ়ি অহা সমদলৰ সন্মুখত আছিল হাতত পতাকা লৈ মনবৰ নাথ । পুলিচৰ বাধা নৈওচি থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচৰ গুলীত মনবৰ নাথৰ মৃত্যু হয় ।

শ্বহীদ কুমলী দেৱী ঃ স্বাধীনতা আন্দোলনত স্বদেশ প্রেমেৰে মহীয়ান হৈ হালোৱা-হজুৱা, বনুৱা, অশিক্ষিত গাঁৱৰ লোকসকল ৰাজপথলৈ ওলাই আহিছিল । সকলোৰে এটাই চিন্তা আছিল ইংৰাজক ভাৰতৰ পৰা খেদিব লাগে । কুমলী দেৱীয়ে ১৮৭৪ চনত শোণিতপুৰ জিলাৰ নাহৰবাৰী মৌজাৰ গাভৰুপথাৰ গাঁৱত জন্মগ্রহণ কৰে । ১৫ বছৰ বয়সত একে গাঁৱৰে গোৱৰ নেওগৰ লগত বিবাহ হয় । কুমলী দেৱীৰ পুত্র গোলোক নেওগ মৃত্যু বাহিনীৰ সদস্য আছিল । ২০ ছেপ্টেম্বৰৰ দিনা স্বাধীনতা সংগ্রামৰ কার্যসূচী সফল কৰিবলৈ সমদলকাৰী বাইজৰ লগত ঢেকীয়াজুলি থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ কুমলী দেৱীও গৈছিল । থানা চৌহদত মনবৰ নাথৰ গাত গুলী লগাৰ বাবে পৰি যোৱাত গোলোক নেওগে থাপমাৰি ধৰাত পুলিচে গোলোকলৈ গুলী কৰাত হঠাতে মাক কুমলী দেৱী আগবাঢ়ি আহি গৈ পুত্রৰ গালৈ মৰা গুলিটো বুকু পাতি লৈ আত্মাহুতি দিলে ।

শ্বহীদ ৰতন কছাৰী ঃ পিছপৰা অঞ্চলৰ জনজাতি পৰিয়ালত ডাঙৰ-দীঘল হোৱা ৰতন কছাৰীয়ে দেশৰ বাবে চৰম ত্যাগ কৰি থৈ গ'ল ।

শোণিতপুৰ জিলাৰ ৰৱগাঁও মৌজাৰ ১ নং ৰৱপুখুৰী গাঁৱত ১৮৯২ চনত জন্মগ্রহণ কৰিছিল । তেওঁ গান্ধীজীৰ নেতৃত্বত গঢ়ি উঠা অহিংস সংগ্রামৰ সেনানী আৰু কংগ্রেছৰ সক্রিয় কর্মী আছিল । আর্থিক দৈন্যৰ মাজত থাকিও ৰতন কছাৰীয়ে কংগ্রেছৰ কামত নিজকে আত্মনিয়োগ কৰিছিল আৰু ভিতৰুৱা অঞ্চলসমূহত সংগ্রাম সৱল কৰাৰ বাবে যথেষ্ট কষ্ট কৰিছিল । এওঁ মৃত্যু বাহিনীৰ সদস্য হিচাপে ভর্তি হৈ প্রশিক্ষণ শিবিৰযোৱত প্রশিক্ষণো লৈছিল । ২০ ছেপ্টেম্বৰৰ দিনা সমদলকাৰী বাইজৰ ওপৰত হোৱা গুলী বর্ষণ আৰু মৃত্যু বাহিনীৰ সদস্যই পুলিচক নিৰস্ত্র কৰিবলৈ চলোৱা বাবে সৃষ্টি হোৱা সংঘর্ষৰ ফলত ভাগি যোৱা বাইজৰ পৰা প্রায় চাৰিকুৰিমান মহিলাৰ দল এটি থানাৰ পুৱ ফালে ঘৰ অভিমুখে আহোঁতে থানাৰ পৰা ৫০০ মান মিটাৰ দূৰত থকা দলং এখনৰ তলৰ পৰা লাঠিধাৰী পঞ্চাশজনমান ভগনীয়া ওলাই আহি মহিলাৰ দলটো আক্রমণ কৰি অত্যাচাৰ চলায় । এই অৱস্থাৰ পৰিপ্রেক্ষিতত মহিলাসকলক ৰক্ষা কৰিবলৈ ৰতন কছাৰীয়ে হাততে এডাল লাঠি লৈ লাঠি ঘুৰাই পঞ্চাশজন মানুহৰ আক্রমণ প্রতিহত কৰিবলৈ সক্ষম নহ'ল । সিহঁতৰ লাঠিৰ কোৰ আহি ৰতন কছাৰীৰ শৰীৰত পৰি গা ফাটি চিৰাচিৰ হৈ তেজ ৰবলৈ ধৰিলে । মুৰ ফাটি গ'ল, হাত ভাগি মাটিত অচেতন হৈ ঢলি পৰিল । স্বজাতিৰ নাৰীৰ সতীত্ব ৰক্ষা কৰিবলৈ গৈ নৃশংসভাৱে আসুৰিক শক্তিৰ হাততে নিজৰ প্রাণ বিসর্জ্জন দিলে ৰতন কছাৰীয়ে ।

শ্বহীদ দয়াল দাস পানীকা ঃ দয়াল দাস পানীকা চাহ জনজাতিৰ লোক । এই সংগ্রামত যুঁজ দিবলৈ চাহ বাগিচাৰ চাহ জনজাতি মজদুৰসকলক ৰাজপথলৈ উলিয়াই আনিছিল । তেওঁ ১৯০০ চনত মিজিকা চাহ বাগিচাত জন্ম গ্রহণ কৰিছিল । ২০ ছেপ্টেম্বৰত ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচৰ গুলিত প্রাণ আহুতি দিয়ে । মৃত্যুৰ সময়ত সংসাৰত দুটি ল'ৰা-ছোৱালী এৰি থৈ যায় ।

শ্বহীদ মণিৰাম কছাৰী ঃ ১৮৮৭ চনত শ্বহীদ মণিৰাম কছাৰীয়ে দৰং

জিলাৰ ওৰাং মৌজাৰ গেলাবিল গাঁৱত জন্মগ্রহণ কৰিছিল । তৃতীয় শ্রেণীতে শিক্ষা সমাপ্ত কৰা মণিৰাম কছাৰীয়ে স্বাধীনতা সংগ্রামৰ প্রতি অনুপ্রাণিত হৈ জাতীয় কংগ্রেছত যোগ দিয়ে । এই জাতীয় বীৰজনে সংগ্রামৰ প্রচাৰ অভিযান গাঁৱে গাঁৱে মানুহৰ মাজত চলোৱাৰ উপৰিও গয়া আৰু নাগপুৰত অনুষ্ঠিত জাতীয় কংগ্রেছৰ অধিৱেশনত যোগদান কৰিছিল । তেওঁ মৃত্যু বাহিনীত যোগ দি তেতিয়াৰ দৰং জিলা (বৰ্তমান শোণিতপুৰ) ৰ বিভিন্ন ঠাইৰ সভা-সমিতিত যোগদান কৰাৰ উপৰিও প্রশিক্ষণ শিবিৰত প্রশিক্ষণ লৈছিল । ২০ ছেপ্টেম্বৰত দেশৰ বাবে আগুৱাই অহা মণিৰাম কছাৰীয়ে ঢেকিয়াজুলি থানাত সাম্রাজ্যবাদী শোষকৰ হাতত মৃত্যুবৰণ কৰে ।

শ্বহীদ সৰুনাথ চুতীয়া ঃ ১৯২১ চনত ৰৰগাঁও মৌজাৰ ১ নং পতিয়া পুখুৰী গাঁৱত জন্মগ্রহণ কৰিছিল । ২০ ছেপ্টেম্বৰত তেতিয়া সৰুনাথ চুতীয়া অবিবাহিত চফল ডেকা । ঢেকিয়াজুলিৰ থানাৰ অভিমুখে জাতীয় পতাকা উত্তোলন কৰিবলৈ জাতীয় মৃত্যু বাহিনীৰ সদস্যসকলৰ মাজত এটাই মন্ত্র 'কৰিম কিম্বা মৰিম' । পুলিচ আৰু জনতাৰ মাজত চলিল খণ্ডযুদ্ধ । সকলোতকৈ আগত পতাকা লৈ যোৱা মনৰৰ নাথে পুলিচৰ গুলী বুকু পাতি লৈ ঢলি পৰিল । সীমিত সংখ্যক পুলিচক নিৰস্ত্র কৰিবলৈ পুলিচৰ হাতৰ পৰা ৰাইফল কাঢ়ি ল'বলৈ জনতাই চেষ্টা কৰিলে । সৰুনাথ চুতীয়াই অসীম বীৰত্বৰে পুলিচৰ ৰাইফল কাঢ়ি আনিবলৈ টনা-আঁজোৱা কৰি থকা অৱস্থাত বৃটিছৰ গুলী সৰুনাথৰ শৰীৰ ভেদ কৰি গ'ল । এনেদৰে বীৰত্বৰে জীৱনক আহুতি দিলে জাতীয় বীৰ সৰু নাথ চুতীয়াই ।

শ্বহীদ তিলেশ্বৰী বৰুৱা ঃ ১৯৩০ চনত নিজ ৰৰগাঁৱত জন্মলাভ কৰা তিলেশ্বৰীয়ে স্বাধীনতা সংগ্রামত মৃত্যু নিশ্চিত বুলি ভাবি লৈ ২০ ছেপ্টেম্বৰৰ দিনা মুগাৰ কাপোৰ, সোণৰ গহনাৰে, ন-সাজেৰে সমদলত যোগ দিছিল । তেতিয়া বয়স মাত্র ১২ বছৰ । জাতীয় সংগ্রামত ভাগ ল'বলৈ আহি সাম্রাজ্যবাদী স্বৈৰাচাৰী শাসন যন্ত্রৰ গুলীত মৃত্যুক সাৰটি ল'লে । ভাৰতীয় বীৰাংগণা হিচাপে পৰিচয় দিয়া তিলেশ্বৰীৰ সংগ্রামী অৱদানে স্বাধীনতা সংগ্রামৰ ইতিহাসত জিলিকি ৰ'ব ।

শ্বহীদ মহীৰাম কোঁচ ঃ বিধৱা মাতৃৰ একমাত্র সন্তান মহীৰাম কোঁচে স্বাধীনতাৰ স্পৃহাত মহীয়ান হৈ স্বদেশৰ মুক্তি সংগ্রামত জঁপিয়াই পৰিছিল এজন বীৰৰ দৰে । শোণিতপুৰ জিলাৰ কেহেকখণ্ডা গাঁৱত ১৯০০ চনত জন্মগ্রহণ কৰা মহীৰাম কোঁচৰ পিতৃৰ নাম লেৰেলা কোঁচ । জাতীয় কংগ্রেছ কর্মী মহীৰামে ২০ ছেপ্টেম্বৰৰ কার্যসূচীত ভাগ ল'বলৈ আহি পুলিচৰ গুলীত প্রাণ আহুতি দিছিল ।

শ্বহীদ খহুলী দেৱী ঃ শোণিতপুৰ জিলাৰ নাহৰবাৰী মৌজাৰ কাঠনিবাৰী গাঁৱত ১৯২০ চনত জন্মগ্রহণ কৰিছিল । স্বামীৰ নাম আছিল পোনাৰাম নাথ । স্বাধীনতা সংগ্রামত পুৰুষৰ লগতে নাৰীসকলো স্বদেশপ্রেমত আগবাঢ়ি ওলাই আহিছিল স্বদেশক ইংৰাজ শাসনৰ পৰা মুক্ত কৰিবলৈ । ২০ ছেপ্টেম্বৰৰ দিনাও হাতত পতাকা লৈ সমদলকাৰীৰ লগত ঢেকিয়াজুলি থানাৰ সন্মুখ পাইছিলহি খহুলী দেৱী । পুলিচ আৰু জনতাৰ খণ্ডযুদ্ধত বক্ষকৰ গুলিত প্রাণ বিসর্জ্জন দিলে বীৰাংগণাৰ দৰে খহুলী দেৱীয়ে ।

শ্বহীদ মংগল কুৰ্কু ঃ ভাৰতৰ চৌপাশে স্বাধীনতা আন্দোলনৰ জোৱাৰ উঠাৰ সময়তে জাতীয় কংগ্রেছৰ সংগঠন সবল কৰিবলৈ অশিক্ষিত থলুৱা চাহ জনজাতি লোকসকলৰ মাজত মহাত্মা গান্ধীৰ অহিংসা বাণী প্রচাৰ কৰাত পূর্ণভাৱে অংশ লৈছিল মংগল কুৰ্কুৰে । ২০ ছেপ্টেম্বৰত সমদলকাৰী বাইজৰ ওপৰত বৃটিছ বাহিনীৰ বর্বৰতা ভেদ কৰি সমদলটোৰ নেতৃত্ব দিয়া কমলা দাসৰ নির্দেশত পুলিচৰ হাতৰ পৰা বাইফল কাঢ়ি নিৰস্ত্র কৰিবলৈ প্রচেষ্টা চলাওঁতে বুকু ভেদ কৰি গ'ল স্বৈৰাচাৰী বক্ষকৰ গুলী । চিৰদিনৰ বাবে কণ্ঠ কৰ্দ্ধ হ'ল মংগল কুৰ্কুৰ । তেওঁৰ জন্ম হৈছিল শোণিতপুৰ জিলাৰ ৰৰগাঁও মৌজাৰ ঠেলামৰাৰ এখন গাঁৱত ।

শ্বহীদ লেৰেলা কছাৰী ঃ ১৯২০ চনত শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি মৌজাৰ কেহেকখণ্ডাত জন্মগ্রহণ কৰা এইজনা জাতীয় বীৰে ২০ ছেপ্টেম্বৰৰ

দিনা আন্দোলনৰ কার্য্যসূচীত অংশগ্রহণ কৰিবলৈ আহি ঢেকিয়াজুলি থানাৰ সংঘর্ষত পুলিচৰ গুলী আৰু বাইফলৰ বেয়নেটৰ আঘাতত গুৰুতৰভাবে আহত হয় । আহত লৰেলা কছাৰীক পুলিচে হাজোতলৈ লৈ আহে । হাজোতত চিকিৎসাৰ অভাৱত ২৫ ছেপ্টেম্বৰৰ দিনা এইগৰাকী স্বদেশপ্রেমীয়ে প্রাণ ত্যাগ কৰে ।

শ্বহীদ হাবাং কছাৰী ঃ শ্বহীদ হাবাং কছাৰী শোণিতপুৰ জিলাৰ বৰগাঁও মৌজাৰ ১ নং বৰপুখুৰী (গটঙা) গাঁৱত আছিল । ২০ ছেপ্টেম্বৰত সমদলকাৰীৰ লগত আহি পুলিচৰ হাতত গুলীবিদ্ধ হৈছিল যদিও পুলিচৰ হাতৰ পৰা পলাই ঘৰ পাইছিলগৈ । এই সংগ্রামী বীৰজনে উপযুক্ত চিকিৎসাৰ অভাৱত বহুদিন কষ্টভোগ কৰি শেষত প্রাণ ত্যাগ কৰে । শ্বহীদৰ তালিকাত উপেক্ষিত হৈ ৰোৱা এই বীৰজনাৰ প্রকৃত তথ্যসহ প্রমাণ দাঙি ধৰাৰ পাছত শ্বহীদ বুলি হাবাং কছাৰীক ৰাজহুৱাভাবে ঘোষণা কৰে ।

২০ ছেপ্টেম্বৰত পতাকা উত্তোলন কৰিবলৈ গৈ এজন ভিক্ষাৰী আৰু এজন সন্যাসীয়েও প্রাণ বিসর্জ্জন দিছিল, কিন্তু তেওঁলোকৰ প্রকৃত পৰিয়ালৰ পৰিচয় আজিও পোৱা নগ'ল । উক্ত দিনা ঘৰমুখী হৈ উলটি যোৱা সমদলকাৰীৰ ওপৰত তেজপুৰৰ পৰা অহা মিলিটাৰীয়ে ৰাজপথত সংগ্রামী জনতাৰ ওপৰত গুলীবর্ষণ কৰাত কেইবাজনৰো মৃত্যু হৈছিল যদিও তেওঁলোকৰ পৰিচয় পাবলৈ কোনো তথ্য নাই । এই তথ্য উদ্ধাৰ কৰিবলৈ মুক্তিযোদ্ধা তথা ইতিহাস ৰচকসকলে আজিকোপতি কোনো চেষ্টা নকৰিলে । যাৰ ফলত এইসকল সংগ্রামী বীৰৰ নাম স্বাধীনতা সংগ্রামৰ ইতিহাসৰ পৰা বঞ্চিত হৈ ৰ'ল ।

এজন ভিক্ষাৰী ঃ পৰিচয় অজ্ঞাত ।

গুলীৰ আঘাত পোৱা লোকসকল ঃ

১। কুণ্ডা কছাৰী
২। ভোলা নাথ
৩। ভোগী নাথিনী

৪। কলিদৈ নাথিনী
৫। মেদিৰ নাথিনী
৬। গোলাপী নাথিনী
৭। তুলাই নাথিনী
৮। চন্দ্র নাথ
৯। দৰিকী নাথিনী
১০। হেৰাং ৰবো
১১। ৰাজেন্দ্র প্রসাদ বসুমতাৰী
১২। ভোগাই নাথ
১৩। গোপী কোঁছ
১৪। জয়ৰাম নাথ
১৫। কমলাকান্ত দাস
১৬। মান্না কিশোৰ ঠাকুৰীয়া
১৭। নৰেশ্বৰ পিয়ন
১৮। গোবর্দ্ধন দাস
১৯। দয়াৰাম নাথ
২০। মইনা কছাৰী
২১। ৰামচৰণ গোৱালা
২২। ৰমা ভূঞা —

আৰু অধিক লোক হতাহত হৈছিল। সকলোৰে নাম সংগ্রহ কৰা সম্ভৱ নহ'ল।

ৰৰহমপুৰৰ শ্বহীদ সকল

১৯৪২ চনৰ ১৮ ছেপ্তেম্বৰ তাৰিখে ৰৰহমপুৰৰ বাইজে পুলিচৰ হাতৰ পৰা শান্তি সেনা শিবিৰটো কাঢ়ি ল'লে আৰু দিনটো উদযাপনৰ কাৰণে এটা ভোজ পাতিলে । ঠিক খোৱাৰ সময়তেই মিলিটাৰীৰ দল এটা উপস্থিত হ'লগৈ । বিশেষ মেজিষ্ট্রেট মিঃ ভি-এইচ কজে আই-চি-এচক প্রতাপ চন্দ্র শর্মা বি-এল দেৱে বুজাই ক'লে যে বাইজে খোৱা প্রসাদ শেষ হ'লেই তাৰ পৰা শান্তিপূর্ণ ভাবে সকলো শুচি যাব । মিঃ কজেই কিছু সময় কেপ্তেইন ফিনিচৰ লগত কথা পতাৰ পিছতেই প্রতাপ শর্মাক ধৰি এঘাৰজনক গ্রেপ্তাৰ কৰি এখন মিলিটেৰী ভানত তুলি আঁতৰলৈ লৈ গ'ল । তাৰ পিছতে তাত থকা মানুহৰ ওপৰত গোৰ, লাঠিৰে প্রহাৰ কৰিবলৈ ধৰিলে ; প্রসাদ লণ্ড-ভণ্ড কৰিলে । মানুহৰ মন ক্ষুন্ন হ'ল । তেওঁলোকে 'বন্দে মাতৰম' ধ্বনি তুলিলে ।

'বন্দে মাতৰম' ধ্বনি শুনি ওচৰৰ গাঁৱৰ পৰা মানুহ আহিবলৈ ধৰিলে । শ্রীমতী বত্নবালাই হাতত জাতীয় পতাকা লৈ নেতৃত্ব বহন কৰিলে, লগত আছিল মাক ভোগেশ্বৰী ফুকননী । মিলিটাৰীয়ে দলটোক বাধা দিবৰ বাবে আগবাঢ়ি গ'ল । ভীষণ টনা-আঁজোৰা কৰি বত্নবালাৰ হাতৰ পৰা পতাকাখন মিঃ ফিনিছে কাঢ়ি লৈ জনতাৰ ওপৰত বিভলভাৰ উলিয়াই গুলী চলাবলৈ ধৰিলে । তলত নাম দিয়া সকলে গুলীচালনাত মৃত্যু ৰৰণ কৰিলে ঃ

নিহত ঃ লখি হাজৰিকা, ঠগী সূত, বলো সূত, ভোগশ্বৰী ফুকননী ।

শ্বহীদ লখি হাজৰিকা ঃ চেনাই হাজৰিকাৰ পুত্র লখি হাজৰিকাৰ জন্ম হয় নগাঁৱৰ শিঙিয়া পোটনি মৌজাৰ ৰৰহমপুৰ হাজৰিকাচুক গাঁৱত ১৯০৭ চনৰ অক্টোবৰ মাহত । তেওঁ ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনত অংশ গ্রহণ কৰে । ১৯৪২ চনৰ ১৮ চেপ্তেম্বৰ তাৰিখে ৰৰহমপুৰ চাপৰিত এটা শান্তিপূর্ণ শোভাযাত্রাত অংশ গ্রহণ কৰোঁতে মিলিটেৰী কমাণ্ডাৰ এজনৰ গুলীত আঘাতপ্রাপ্ত হৈ মৃত্যুবৰণ কৰে ।

তেওঁৰ পত্নী, তিনিটি ল'ৰা আৰু এজনী কন্যা এৰি থৈ যায় ।

ঠগী সুত : নগাঁৰৰ শ্ৰীযুত কেশৰাম গাওঁবুঢ়াৰ পুত্ৰ ঠগী সুতৰ জন্ম হয় ১৯২২ চনৰ মাৰ্চ মাহত। তেওঁ ১৯৪২ চনৰ "ভাৰত ত্যাগ" আন্দোলনত অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ ১৮ ছেপ্তেম্বৰ তাৰিখে ৰৰহমপুৰ চাপৰিত এটা শান্তিপূৰ্ণ শোভাযাত্ৰাত অংশ গ্ৰহণ কৰোতে মিলিটেৰীৰ গুলীত ১৮ বছৰ বয়সীয়া ঠগী সুত আঘাতপ্ৰাপ্ত হয় আৰু শেষ নিশ্বাস পেলায়। তেওঁৰ পিতৃ, মাতৃ আৰু পাঁচ গৰাকী বাই-ভনী এতিয়াও জীৱিত আৰু নগাঁৰৰ শিঙিয়া পোটনি মৌজাৰ ৰৰহমপুৰ পতানি গোমোঠা গাঁৱত আছে।

বলো সুত : বলো সুতে ১৯১৫ চনৰ চেপ্তেম্বৰ মাহত নগাওঁ জিলাৰ চলচলি বিৰাহি চুকত জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতাকৰ নাম আছিল ভেবেলা সুত। তেওঁ মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ দ্বাৰা পৰিচালিত ১৯৪২ চনৰ "ভাৰত ত্যাগ" আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ১৮ ছেপ্তেম্বৰ তাৰিখে ৰৰহমপুৰ চাপৰিত এটা শান্তিপূৰ্ণ শোভাযাত্ৰাত অংশ গ্ৰহণ কৰোতে মিলিটেৰীৰ গুলীত আঘাতপ্ৰাপ্ত হৈ শেষ নিশ্বাস পেলায়; তেওঁ পত্নী, এটা ল'ৰা আৰু এজনী ছোৱালী সন্তান এৰি থৈ যায়।



শ্বহীদ ভোগেশ্বৰী ফুকননী : নগাঁও জিলাৰ ৰৰহমপুৰৰ ভোগেশ্বৰী ফুকনৰ পৰিবাৰ ভোগেশ্বৰী ফুকননীৰ জন্ম হয় ১৮৮৫ চনৰ ডিচেম্বৰ মাহত। তেওঁ ১৯৪২ চনৰ "ভাৰত ত্যাগ" আন্দোলনত অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ ১৯ চেপ্তেম্বৰ তাৰিখে এটা শান্তিপূৰ্ণ শোভাযাত্ৰাত অংশ গ্ৰহণ কৰোতে এজন মিলিটেৰী কমাণ্ডাৰৰ গুলীত আঘাতপ্ৰাপ্ত হয়। তেওঁৰ মুখৰ খোলা ভাগি

যায় । উপযুক্ত চিকিৎসাৰ অভাৱত সেই গুলীৰ আঘাতৰ পৰিণাম স্বৰূপেই ২০ চেপ্তেম্বৰ তাৰিখে শেষ নিশ্বাস পেলায় । তেওঁ ছয় জন পুত্ৰ আৰু দুগৰাকী জী এৰি থৈ গৈছে ।

বেৰেজিয়াৰ শ্বহীদসকল

১৯৪২ চনৰ ২৫ আগষ্ট তাৰিখে ৰাতি কোনোবা অচিনাকী লোকে বেৰেজিয়াৰ কাঠৰ দলঙৰ কিছুমান কাঠৰ পাত খুৰি পেলায় । পিছদিনা দুপৰীয়া এদল পুলিচ আৰু এদল মিলিটেৰী সেই গাঁৱত উপস্থিত হৈ আক্ৰমণ কৰিলে । এই আক্ৰমণে অনেকৰ ঘৰৰ বেৰা-দুৱাৰ ধ্বংস কৰিলে আৰু বাসিন্দাসকলৰ ওপৰত অমানুষিক অত্যাচাৰ চলালে । এনেকি এটা মিলিটেৰীয়ে বন্দুকৰ আগত থকা সংগীনেৰে বেৰত খোঁচ ধৰোতে ডম্বৰু দাস নামৰ গিৰিহঁতৰ পেটত সোমায় । শেহত প্ৰায় চাৰিশ লোকক গ্ৰেপ্তাৰ কৰে । আনকি তিনিদিনৰ আগতে প্ৰসৱ হোৱা ৰুহিনী নামৰ এগৰাকী মহিলায়ো এই গ্ৰেপ্তাৰৰ হাত সাৰিব নোৱাৰিলে । পঞ্চানন শৰ্মাৰ ৮০ বছৰীয়া বৃদ্ধ শয্যাশায়ী ককায়েককো এৰি নিদিলে । গুদা গাৰে পথাৰত কাম কৰি থকা লোকক গা ঢাকি কাপোৰ এখন ল'বলৈকো সময় নিদিলে । এইদৰেই সকলোকে পশুৰ জাক খেদি নিয়াৰ দৰে নগৰলৈ লৈ গ'ল । মৰ্ম্মন্তুদ কাহিনী যে প্ৰসৱ বেদনাক্লিষ্ট বলোৱাম শৰ্মাৰ পত্নীক খেদি লৈ যাওঁতে তেওঁ আনৰ লগত সমানে যাব নোৱাৰাৰ কাৰণে অপমান সহ্য কৰিবলগাত পৰিছিল । পাঁচ মাইল বাট এইদৰে জাক পাতি নিয়াৰ পিছত বীড দলঙৰ কাষত তাৰে ৯৮ জনক এৰি দিলে । সেইদিনা দিনে-নিশাই এটা খুদকণ আৰু পানী এটোপা নিদিয়াকৈয়ে তেওঁলোকক আটক কৰি থৈছিল । অনেক অনুৰোধ কৰা স্বত্বেও উপায়ুক্ত মিঃ ৰাধাৰঞ্জন ধৰে কোনো সহায় কৰিবলৈ অমান্তি হৈছিল । পিচদিনা ইয়াৰে ৩০ জনক জেললৈ পঠায়, বাকী সকলক এৰি দিয়ে ।

এই অমানুষিক অত্যাচাৰৰ বাতৰি পাই পিছদিনা ওচৰৰ অনেক গাঁৱৰ লোক নগৰলৈ সোঁত ব'ৰলৈ ধৰিলে । এই নিৰপৰাধী, শান্তিপ্রিয় লোকসকলৰ ওপৰতো দলঙৰ তলত লুকাই থাকি মিলিটেৰীয়ে গুলী চলালে । ফলত দুজন লোকৰ খিতাতে মৃত্যু হ'ল আৰু ৬ জন আহত হ'ল ।

মৃত্যু : কলাই কোঁচ, (কুমাৰ গাঁও) হেমকান্ত বৰুৱা (গ্রুতীগড়)

কলাই কোঁচ : কলাই কোঁচৰ জন্ম হয় ১৯১৭ চনৰ চেপ্তেম্বৰ মাহত নগাঁও জিলাৰ শেনচোৱা কুমাৰ গাঁৱত । তেওঁ ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্রহণ কৰে । ২৬ আগষ্ট তাৰিখে বেৰেজীয়া গাঁৱৰ গর্ভৱতী তিৰোতাকে ধৰি অনেক লোকৰ ওপৰত অত্যাচাৰ কৰি নগৰত আটক কৰি ৰখা লোকসকলৰ খবৰ কৰিবলৈ দলে বলে যোৱা এটা দলৰ ওপৰত বীড দলঙৰ তলত লুকাই থকা সশস্ত্র মিলিটেৰীৰ দল এটাই অতর্কিতে আক্রমণ কৰে, আৰু গুলী চলোৱাৰ ফলত কলাই কোঁচ আৰু হেমকান্তৰৱা গুলীত আঘাত প্রাপ্ত হৈ মৃত্যু মুখত পৰে ।

জোঙালবলহু গড়ৰ শ্বহীদসকল

বেৰেজিয়াৰ নৃশংস গুলীচালনাৰ কথা জিলাখনৰ চাৰিওফালে বিয়পি পৰিল আৰু সকলোৰে মাজত প্রচাৰ হ'ল যে নগাঁৱলৈ আৰু মিলিটেৰী অনাৰ ব্যৱস্থা চলিছে যাতে কংগ্রেছৰ আন্দোলন মষিমূৰ কৰিব পাৰি । এনে বাতৰি শুনি সকলো আতঙ্কিত হ'ল আৰু বিমোৰত পৰিল । আগন্তুক বিপদৰ পৰা হাত সৰাৰ উদ্দেশ্যে যাতে গুৱাহাটীৰ পৰা অত্যাধিক মিলিটাৰী আনিব নোৱাৰে তাৰ বাবে নগাঁৱৰ পৰা ১৬ মাইল পশ্চিমত নগাঁও-গুৱাহাটী ৰাস্তাৰ জোঙালবলহু গড়ৰ ওচৰৰ দলংখন ভাঙি দিয়াৰ বাবে ৰাইজ সমবেত হ'ল । তেওঁলোকে কামত লাগি থাকোতেই কিছুমান মিলিটাৰী তাত উপস্থিত হ'লহিঁ আৰু কোনো জাননী নিদিয়াকৈ নিৰস্ত্র লোকৰ ওপৰত গুলী চলোৱাৰ ফলত খিতাতে দুজনৰ মৃত্যু হ'ল ।

(১) হেমোৰাম পাটৰ (বাৰপূজীয়া) আৰু (২) গুণাভিৰাম ৰৰদলৈ (দৰংগীয়া গাওঁ) ।

হেমোৰাম পাতৰ ঃ হেমোৰাম পাতৰে ১৯২৩ চনৰ আগষ্ট মাহত নগাওঁ জিলাৰ বাৰপূজিয়াত জন্ম গ্ৰহণ কৰে । তেওঁৰ পিতাকৰ নাম লুডুৰ পাতৰ । তেওঁ ১৯৪২ চনৰ "ভাৰত ত্যাগ" আন্দোলনত অংশ গ্ৰহণ কৰে । ১৯৪২ চনৰ ২৬ আগষ্ট তাৰিখে জোঙাল বলহু গড়ৰ ওচৰত গুৱাহাটী-নগাওঁ আলিবাটটোত যাতায়তী অচল কৰিবৰ কাৰণে আলিবাটটো কাটি থকা অৱস্থাত এটা মিলিটেৰী পহৰাদাৰী পুলিচ দল উপস্থিত হয় আৰু নিৰস্ত্ৰ লোকৰ ওপৰত গুলী চালনা কৰে । সেই গুলীৰ আঘাতত তেওঁ মৃত্যু মুখত পৰে । তেওঁৰ দুজন ককায়েক আৰু তিনিগৰাকী বায়েক বাৰপূজীয়াত আছে ।

গুণাভিৰাম ৰৰদলৈ ঃ গুণাভিৰাম ৰৰদলৈয়ে ১৯১০ চনৰ মার্চ মাহত নগাওঁ জিলাৰ ভালুকমাৰী দৰঙিয়া গাঁৱত জন্ম গ্ৰহণ কৰে । তেওঁ ১৯৪২ চনৰ "ভাৰত ত্যাগ" আন্দোলনত অংশ গ্ৰহণ কৰে । ১৯৪২ চনৰ ২৬ আগষ্ট তাৰিখে জোঙাল বলহু গড়ৰ ওচৰত গুৱাহাটী-নগাওঁ আলিবাটটোত যাতায়তী অচল কৰাৰ উদ্দেশ্যে আলিবাটটো কাটি থকা অৱস্থাত এটা মিলিটেৰী পহৰাদাৰী পুলিচ দল উপস্থিত হয় আৰু নিৰস্ত্ৰ লোকৰ ওপৰত গুলী চালনা কৰে । সেই গুলীৰ আঘাতত তেওঁ মৃত্যুৰ মুখত পৰে ।

বাৰপূজীয়াৰ শ্বহীদ

শ্বহীদ তিলক চন্দ্র ডেকা ঃ নগাঁও জিলাৰ ৰহাৰ চৰাইবাহীত এইজন অসীম সাহসী শ্বহীদে ১৯২৪ চনত জন্ম গ্রহণ কৰে । পিতৃৰ নাম মণিৰাম ডেকা । ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত মৃত্যু ৰাহিনীৰ সৈনিক। বিয়াল্লিছৰ বিপ্লৱত শ্বহীদ হোৱাসকলৰ ভিতৰত অসাধাৰণ বীৰত্বেৰে মৃত্যুক আকোঁৱালি লোৱা শ্বহীদসকলৰ ভিতৰত তিলক ডেকা অনন্য । ২৮ আগষ্ট তাৰিখে বাৰপূজীয়াত পহৰাৰ দায়িত্বত ন্যস্ত । বিপদ আহিলে অর্থাৎ পুলিচ মিলিটেৰীয়ে কোনোবা গাঁৱলৈ আহিলে পহৰাৰ দায়িত্বত থকাজনে শিঙা বজাব । চাৰিওফালৰ গাঁৱৰ ৰাইজ সাৱধান হ'ব । এই কর্ত্তব্যত ৰাতি পহৰা দি আছিল । হাততে সাৰে ভৰিত সাৰে সৈন্য ৰাহিনী গৈ তিলকৰ চাৰিওফালে বন্দুক টোঁৱাই সাৱধান ৰাণী শুনালে, "খবৰদাৰ শিঙা নুফুকিবি। ফুকিলেই বন্দুকৰ গুলীত শেষ হৈ যাবি ।" এই হুকুম জাৰি কৰি চাৰিওফালে তিলক ডেকাক বন্দুকেৰে আগুৰি ধৰিলে । তিলক ডেকাই অসীম সাহসেৰে উত্তৰ দিলে, "তোমালোকে তোমালোকৰ কর্ত্তব্য কৰা, মই মোৰ কর্ত্তব্য কৰিম ।" সামৰিক ৰাহিনীৰ সৈন্যই ৰাৰম্বাৰ সতর্ক কৰোতেও তিলক ডেকাৰ একেই প্রত্যুত্তৰ পালে। অৱশেষত তিলকে শিঙা ফুকিলে । সকলো গাঁৱৰ বিপ্লৱী ৰাইজে বিপদৰ সংকেট পালে । লগে লগে তিলকৰ বুকুৰেদি বন্দুকৰ গুলী সৰকি গ'ল । তিলক মাটিত ৰাগৰি পৰিল । তেজেৰে তুমৰলি ৰাস্তিলে । সমবেত ৰাইজে মৃতদেহটো সামৰিক ৰাহিনীৰ পৰা জোৰকৰি ৰাখিলে । সৎকাৰ কৰিলে ।

স্বাধীনোত্তৰ কালত সেই ঠাইতে এটি শ্বহীদ স্মৃতি স্তম্ভই তিলক ডেকাৰ অমৰত্বৰ পৰিচয় দি আছে ।

গহপুৱৰ শ্বহীদ

কনকলতা বৰুৱা ঃ ১৯৪২ চনৰ ৮ আগষ্ট । ভাৰতৰ স্বাধীনতা আন্দোলনে তেতিয়া পাইছিলগৈ চৰম পর্য্যায়। এই দিনটোতে কংগ্রেছে গ্রহণ কৰিলে সেই ঐতিহাসিক সিদ্ধান্ত- "কৰিম কিম্বা মৰিম" । এই মহা মন্ত্রই স্বাধীনতা কর্মী দেশবাসীৰ প্রাণত সঞ্চাৰিত কৰিলে প্রেৰণাৰ ঢল । দেশপ্রেমৰ সেই ঢলে অসমকো টোৱাই নিলে । গাঁৱে-ভূঁয়েঃ আবাল-বৃদ্ধ বণিতাই হাতত ত্রিৰংগ পতাকা লৈ ৰাজপথলৈ ওলাই আহিল ইংৰাজৰ হাতৰ পৰা দেশৰ হাত স্বাধীনতা কাঢ়ি আনিবলৈ । উদ্দেশ্য সাধন কিম্বা শৰীৰ পতন - এই আদর্শত মনে-প্রাণে উদ্বুদ্ধ হৈ সমগ্র অসম জুৰি হেজাৰ হেজাৰ জনতাই অপূর্ব উৎসাহেৰে অকাতৰে আন্দোলনত প্রাণ ঢালি যোগ দিলে । 'বন্দে মাতৰম' ধ্বনিৰে মুখৰিত হৈ উঠিল অসমৰ আকাশ - বতাহ ।

সেই অভূতপূর্ব গণ আন্দোলনত যোগ দি প্রবল প্রতাপী ইংৰাজৰ সৈতে যুঁজ দি যিসকল মৃত্যুঞ্জয়ী বীৰ-বীৰাঙ্গনাই নিজৰ জীৱন আহুতি দিছিল, সেইসকলৰ ভিতৰত অন্যতমা আছিল ওঠৰ বছৰীয়া উঠন গাভৰু ৰৰঙাবাৰীৰ কনকলতা বৰুৱা । নিচেই কম বয়সৰ পৰাই তেওঁৰ মনত দেশাত্মবোধৰ ভাৰ উজ্জীৱিত হৈছিল আৰু সেয়েহে দেশ মাতৃৰ সেৱাত তেজৰ আহুতি দিবলৈ অকাতৰে মুক্তিব্রত লৈ ওলাই আহিছিল ।

দেশৰ স্বাধীনতা আন্দোলনত নাৰী শক্তিয়েও সমানে ভাগ ল'ব লাগে বুলি জনোৱা আহ্বানৰ প্রতি সহাঁৰি জনাই কনকলতাই আন সকলো কথাকে আওকাণ কৰি মৃত্যু বাহিনীত ভর্ত্তি হ'ল । দিন ঠিক হ'ল ছেপ্তেম্বৰ মাহৰ কুৰি তাৰিখ । গহপুৰ থানা দখল কৰাৰ কার্য্যসূচী হাতত লোৱা হ'ল ।

কুৰি ছেপ্তেম্বৰৰ ৰাতিপুৱাৰে পৰা চৌদিশৰ পৰা হেজাৰ হেজাৰ অহিংস সেনানীয়ে হাতত ত্ৰিৰঙ্গ পতাকা লৈ 'বন্দে মাতৰম' ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি গহপুৰ থানাৰ অভিমুখে ওলাই আহিল । কলাবাৰীৰ ফালৰ পৰা প্ৰায় চাৰি হেজাৰ আৰু ৰৰঙাবাৰীৰ ফালৰ পৰাও প্ৰায় চাৰি হেজাৰ জনতাই সমদল যাত্ৰা কৰি আগবাঢ়িল । সমদলৰ আগত আছিল চকুত বিপ্লৱৰ জুইশিখা আৰু হাতত ত্ৰিৰঙ্গ পতাকা লৈ পাটগাভৰু কনকলতা । মৃত্যু বাহিনীৰ পবিত্ৰ মন্ত্ৰত দীক্ষিতা হৈ মৃত্যু জিনিবলৈ ওলোৱা কনকলতাই গহপুৰ থানাৰ পশ্চিম ফালৰ তোৰণত শান্তিপূৰ্ণভাৱে জাতীয় পতাকা তুলিবলৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক অনুমতি বিচাৰিলে । এনে সৰল মিনতিয়ে কাম নিদিলে । ৰৰং এখোজ আগবাঢ়িলেও গুলী কৰা হ'ব বুলিহে বিষয়াজনে ভয় দেখুৱালে । কনকলতা কিন্তু পিচহুঁহকি নগ'ল । নিভীকচিত্তে বীৰদৰ্পে তেওঁ আগুৱাই গ'ল । লগে লগে নিষ্ঠুৰ পুলিচ বাহিনীৰ গুলীয়ে কনকলতাৰ কোমল বুকু থকা-সৰকা কৰি দিলে । জাতীয় পতাকাখন হাতৰ মুঠিত লৈয়েই কৃষ্ণকান্ত বৰুৱা আৰু কৰ্ণেশ্বৰী বৰুৱাৰ দুহিতা কনকলতাই অকালতে দেশৰ হকে প্ৰাণ আহুতি দিলে । মৃত্যুৱে তেওঁৰ কপালত সানি দিলে অমৰ শহীদৰ অক্ষয় তিলক ।



মুকুন্দ কাকতি ঃ ১৯৪২ চনৰ ৯ আগষ্টত কেন্দ্ৰীয় আৰু প্ৰাদেশিক নেতাসকলক আটক কৰাৰ কথা তেজপুৰ অঞ্চলত জুইৰ দৰে বিয়পি পৰিল । "কৰিম বা মৰিম" এই বৈপ্লৱিক শ্লোগানেৰে জনসাধাৰণে ইয়াৰ প্ৰতিবিধান কৰিবলৈ বিচাৰিলে । মুক্তিকামী জনসাধাৰণৰ প্ৰধান লক্ষ্য আছিল চৰকাৰৰ সকলো অনুষ্ঠান আদিৰ লগত সম্পৰ্ক ছেদ কৰা । এই উদ্দেশ্যে আন আন ঠাইত মৃত্যুবাহিনী গঠন কৰাৰ লগতে কলংপুৰ মৌজাতো তেনে বাহিনী গঠন কৰা হ'ল আৰু তাৰ নেতৃত্ব ল'লে মুকুন্দ কাকতিয়ে ।

১৯৪২ চনৰ ২০ ছেপ্তেম্বৰৰ দিনা গহপুৰ থানাত পতাকা উত্তোলনৰ আয়োজন চলিল । শান্তিসেনা আৰু মৃত্যুবাহিনীৰ লোকৰ বাহিৰেও সাধাৰণ লোকেও এই অভিযানত যোগ দিছিল । শোভাযাত্রাটোৰ আগশাৰীত আছিল কনকলতা বৰুৱা । অৱশেষত মৰণলৈ ভয় নকৰা মুক্তিকামী দল আৰু পুলিচ বাহিনী সমুখা-সমুখি হ'ল । শোভা যাত্রাৰ নেতৃত্ব দিয়া কনকলতাই সকলো বাধা নেওচি পুলিচ থানা অভিমুখে আগুৱাই গ'ল আৰু ফলত বৰ্বৰ পুলিচ বাহিনীৰ গুলীৰ আঘাটত তেওঁ বাগৰি পৰিল । স্বাধীনতা সংগ্রামত পথৰ সহযাত্রী কনকলতাৰ হাতৰ জাতীয় পতাকাখন ভূ-পতিত হোৱাটো মুকুন্দ কাকতিয়ে সহ্য কৰিব নোৱাৰি কনকলতাৰ দেহৰ লগতে পতাকাখনো পৰি যোৱা দেখি লগে লগে পতাকাখন তুলি তেওঁ থানাৰ ফালে অগ্রসৰ হ'ল । কিন্তু খন্তেকতে পুলিচৰ দ্বিতীয়টো বন্দুকৰ গুলীয়ে মুকুন্দ কাকতিক প্রচণ্ডভাৱে আঘাট কৰিলে আৰু কাকতি বাগৰি পৰিল । স্বাধীনতা সংগ্রামৰ অন্যতম শ্বহীদ মুকুন্দ কাকতিৰ মৃত্যু ঘটিল ।

তেওঁৰ ঘৰ আছিল কামৰূপ জিলাৰ নলবাৰী অঞ্চলৰ বৰভাগ মৌজাত ।

বজালীৰ জলাহৰ শ্বহীদসকল

মদন বৰ্মণ আৰু বাওতা বড়ো ঃ বৰহমপুৰ শিৱিৰত হোৱা পাশৱিক অত্যাচাৰৰ প্রতিবাদ কৰাৰ উদ্দেশ্যে ২৫ ছেপ্তেম্বৰৰ দিনা পাটাছাৰকুছি অঞ্চলত ৰাজহুৱা সভা পতা হ'ল । এই সভাৰ ৰাতৰি পোৱাৰ লগে লগে ডাৰোগাই মিলিটেৰী দল লগত লৈ সভাৰ বিভিন্ন স্থানৰ চাৰিওদিশে আগুৰি ধৰিলেহি । সভা শান্তিপূর্ণভাবে আৰম্ভ হোৱাৰ অলপ পিছতেই উপস্থিত জনসাধাৰণৰ ওপৰত সশস্ত্র পুলিচৰ লাঠিৰ কোব, সংগীনৰ খোঁচ আৰু বন্দুকৰ গুলীৰে অত্যাচাৰ আৰম্ভ হ'ল । এনে অত্যাচাৰত ক্ষুব্ধ হৈ জনসাধাৰণ পুলিচ মিলিটেৰীৰ ওপৰত জঁপিয়াই পৰিল । দয়া-মমতাহীন থানাৰ ভাৰপ্রাপ্ত বিষয়া তুলাৰাম কেওটে দুই হাতেৰে পিস্তল চলাবলৈ ধৰিলে । কিমান আহত হ'ল তাৰ সীমা সংখ্যা নাই । কিন্তু নিহত হ'ল দুজন, সাদেৰী গাঁৱৰ ডেকা খেতিয়ক মদন বৰ্মণ আৰু বাওতা বড়ো ।

মদন-বাওতা বুলিয়েই এই দুয়োগবাকী শ্বহীদব নাম একেলগে স্বর্ণ আখবেবে লিখা থাকিল স্বাধীনতা আন্দোলনব সোণালী ইতিহাসত । অখ্যাত অজ্ঞাত সাদেৱীব মদন আৰু বাওতা চিবস্মবণীয় হৈ শ্বহীদ হিচাপে জনমানসত উজ্বল হৈ ব'ল ।

গোৱালপাৱাব শ্বহীদ সকল

নিধানু ৱাজবংশী ঃ নিধানু ৱাজবংশীব মৃত্যু বিবেকহীন লোকে ঘটোৱা এক শোকাবহ ঘটনা । কলেক্টিভ টেক্স সম্পর্কত ফিবিঙতিয়েই খাণ্ডব দাহ হোৱাব দবে এজন নিঃকিন নিবপবাধী লোকে পুলিচব গুলীত নিহত হ'ব লগা হ'ল ।

নিধানু ৱাজবংশী আছিল গোৱালপাৱাব ফকিৱা গাঁৱব লোক । তেওঁব পৱা ৮ টকা কৱ আদায় কবিবলৈ এজন চিপাহীক পঠোৱা হৈছিল । তেওঁব আর্থিক অৱস্থা এনে নাছিল যে তেওঁ সেই টকা কিটা খুজিলেই দি দিব পাৰিছিল । গতিকে চিপাহীয়ে তেওঁব হালোৱা গৰু হালকে নিবলৈ উলিয়ায় । নিধানুৱে সেই হালেই যে তেওঁব একমাত্র হালোৱা গৰু তাকে কোৱাত চিপাহীয়ে তেওঁক ককর্থনা কবে আৰু গৰুহাল ঘুৱাই দিয়ে ।

নিশা এঘাৱমান বজাত গোৱালপাৱাব মহকুমাধিপতি গোৱালপাৱালৈ দুধনৈব পৱা ঘুৰি যাওঁতে তেওঁ এই কথাব সন্তেদ পায় আৰু দুজন ইউৰোপীয় বিষয়া আৰু দুই লৰী সশস্ত্র চিপাহী লৈ নিধানু ৱাজবংশীব ঘৱত উপস্থিত হয় । তেওঁক ওলাই আহিবলৈ কোৱা হ'ল কিন্তু তেওঁ তাত মাস্তি নহ'ল । এই কথাত মহকুমাধিপতিয়ে ঘৱটো বেৰি ধৰি গুলী চলাবলৈ হুকুম দিলে । গুলীয়ে তেওঁব আঠুত আঘাত কবিলে । আৰু আন এটা গুলীয়ে বেৰ ফালি গৈ বাহিৱত পহৱা দি থকা এজন চিপাহীব গাত লগাত তেওঁব থিতাতে মৃত্যু হ'ল । এই ঘটনাব পিচত চিপাহীহঁতে তেওঁব ঘৱব দুৱাব ভাঙি ভিতৱত সোমাই গ'ল আৰু নিধানু ৱাজবংশীক সঙ্গিনেৰে খুচি খুচি ক্ষত বিক্ষত কবিলে । তাব ফলত তেওঁব মৃত্যু হ'ল । ই এক অবিবেচক লোকে কৱা অমানুষিক নৱহত্যাব বাহিৰে একো নাছিল ।

শ্রদ্ধাঞ্জলি : অসম গৌৰৱ
মোহিনীকান্ত হাতীবৰুৱালৈ : ১৯৯৫

মৃত্যু-পণেৰে মুক্তি বিচৰা
পৰাধীন ভাৰতৰ
বীৰ সেনাপতি মোহিনীকান্ত
গৌৰৱ অসমৰ ॥

তুমি নিভীক মানৱ প্ৰেমিক
তুমি স্বজাতিৰ গৌৰভ
তুমি চিনিছিলা শত্ৰু-মিত্ৰ,
পাণ্ডৱ, কোন কৌৰৱ
জীৱন কালত আছিল তোমাৰ
স্বদেশেই নিজা ঘৰ ॥

শত বৰষৰ শ্রদ্ধাঞ্জলি
যাচিলোঁ তোমালে' বীৰ
তোমাৰ মহান গুণ-গৰিমালে'
আমাৰ অৱনত শিৰ
মৃত্যু-বিজয়ী হে অনুপম
সন্তান তুমি অমৃতৰ ॥

নগেন বৰা
সুৰ - শ্রীইন্দ্রেশ্বৰ শর্মা

আহ্বান : মুক্তি যুঁজাকলৈ, ১৯৯৪

মুক্তি যুঁজৰ ৰণুৱা বনুৱা
নাছিলা কদাপি ক্লান্ত
হৃদয় জুৰি আছিল সৱাৰে
স্বৰাজৰ মহামন্ত্ৰ ॥

মুকুট বিহীন গান্ধী ৰজাৰ
হ'লা অনুগামী ভক্ত
পৰাধীনতাৰ শৃংখল দেখি
উথলি উঠিল ৰক্ত
জননী পূজাত অৰ্ঘ্য যাঁচোতে
নহ'লা কদাপি শ্ৰান্ত ॥

দেশত এতিয়া বিৰাজ কৰিছে
অন্যায় অবিচাৰ
দিশে দিশে আজি চকুত পৰিছে
বিভেদ অন্ধকাৰ
মুক্তি যুঁজাক কৰাহি আকৌ
কলুষ-কালিমা অন্ত ॥

নগেন ৰবা
সুৰ : শ্ৰীইন্দ্ৰেশ্বৰ শৰ্মা

এই গীতটি ৫-৩-৯৫ তাং অসম ৰাজ্যিক মুক্তি যুঁজাক সম্মিলনৰ ১১শ ত্ৰৈৰাৰ্ষিক যোৰহাট অধিবেশনত গীতিকাৰ শ্ৰীনগেন ৰবা ৰচিত আৰু যোৰহাট সঙ্গীত বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীইন্দ্ৰেশ্বৰ শৰ্মাৰ পৰিচালনাত পৰিবেশিত।